# ইতিবৃত্ত

সম্পাদক ঃ

বোধেশ্বৰ কাকতি

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

(2)

***Itibitta** : A book on the history of Comprehensive work of Srimanta Sankardev Sangha, Golaghat District, Assam, Complied by sri Bodheswar Kakoty and publisheds Sri Nabin Bora, General Secretary Srimanta Sankardev Sangha, Golaghat DistrictUnit and Printed at Purbashree Offset Printers, Jorhat. Price Rs. 120.00 Only.*

**প্ৰথম প্ৰকাশ** ঃ ১৯৭৯, মাৰ্চ

**দ্বিতীয় প্ৰকাশ** ঃ (সংঘবৰ্দ্ধিত) ২০০০, মে মাহ,
৫৫২ শংকৰাব্দ, জেঠ মাহ, ১৯২২ শক ।

**সম্পাদনা সমিতি** ঃ

**সৰ্বশ্ৰী বংশীধৰ বৰা - সভাপতি**
" নবীন বৰা - সদস্য
" গোবিন্দ চন্দ্ৰ শইকীয়া
" হেম শইকীয়া
" দণ্ডেশ্বৰ বৰুৱা
" প্ৰফুল্ল শইকীয়া
" সুৰেন্দ্ৰ নাথ ৰাজখোৱা
" গোলাপ শইকীয়া
" অজিত বৰা
" বীৰেন বৰা
" ৰবীন্দ্ৰ নাথ কলিতা
" আনন্দ হাজৰিকা
" নন্দেশ্বৰ শইকীয়া
" সত্য নাৰায়ণ পাঠৰি
" থানেশ্বৰ হাজৰিকা
" কুশল শইকীয়া
" **বোধেশ্বৰ কাকতি - সম্পাদক**

বেটুপাতৰ **শিল্পী** ঃ শ্ৰীদেৱজিৎ হাজৰিকা

মূল্য ঃ পকাবন্ধা - ১২০.০০ টকা

ছপা ঃ পূৰ্বশ্ৰী অফছেট প্ৰিণ্টাৰ্ছ
তৰাজান ঃ যোৰহাট

# পৱিত্ৰ স্মৃতিত

যিসকল বৰেণ্য ব্যক্তিৰ অক্লান্ত ত্যাগ আৰু পৰিশ্ৰমৰ বিনিময়ত গুৰুজনাৰ ধৰ্মাদৰ্শেৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই জন্ম লাভ কৰি অদ্যাৱধি জাতীয় অনুষ্ঠান হিচাপে বৰ্তি আছে, সেই প্ৰয়াত ব্যক্তিসকলৰ সোঁৱৰণত 'ইতিবৃত্ত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ বুৰঞ্জী' গ্ৰন্থভাগ অৰ্পণ কৰা হ'ল ।

সেৱাৰে-

**শ্ৰীবোধেশ্বৰ কাকতি**

সম্পাদক

# সূ চী প ত্র

✡ প্ৰকাশকৰ একাষাৰ, ২০০০ চন

✡ প্ৰকাশকৰ একাষাৰ, ১৯৭৯ চন

✡ প্ৰাক্তন প্ৰধান সম্পাদকৰ ওপৰগণি

✡ সম্পাদকৰ একাষাৰ, ১৯৭৯ চন

✡ পাতনি ◆ গোবিন্দ চন্দ্ৰ শইকীয়া

❑ উপক্ৰমণিকা ঃ

✡ (ক) গোলাঘাট জিলাৰ ধৰ্মীয় পৰম্পৰা ঃ ঐতিহ্যত এভূমুকি

◆ বোধেশ্বৰ কাকতি

✡ (খ) বুৰঞ্জীলেখাৰ আৱশ্যকতা ◆ বংশীধৰ বৰা

✡ সম্পাদনা সমিতিৰ সম্পাদকৰ একাষাৰ ঃ

❑ আলোক চিত্ৰ ঃ

❑ প্ৰথম অধ্যায় ঃ

✡ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ ইতিবৃত্ত ঃ গোলাঘাটৰ ভাষা-সাহিত্য-সংস্কৃতিৰ সমীক্ষা, অসমৰ ঐতিহ্য আৰু মহাপুৰুষীয়া ধৰ্ম, মহাপুৰুষীয়া ধৰ্ম আৰু অসমীয়া সমাজ , সাম্প্ৰতিক কালৰ ৰচনাৰ কথা - গোলাঘাটত প্ৰথম চিন্তাৰ ঢৌ ১-২৩

❑ দ্বিতীয় অধ্যায় ঃ

✡ গোলাঘাটত ধৰ্ম আন্দোলনৰ পাতনি ২৪-৩৯

❑ তৃতীয় অধ্যায় ঃ

✡ গুৰু জয়ন্তী পালনত গোলাঘাট ঃ প্ৰচাৰ-সংগঠন , বিশেষ সভা সমিতিৰ যোগে প্ৰচাৰ আৰু সংগঠন, বৈষ্ণৱ ধৰ্মৰ ধাৰাবাহিকতা আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ । ৪০-৫০

❑ চতুৰ্থ অধ্যায় ঃ

✡ জিলা সংঘৰ বাৰ্ষিক অধিবেশনসমূহ আৰু জিলাৰ বিষয়ববীয়াসকল

৫১-৬০
❑ পঞ্চম অধ্যায় ঃ
✡ আঞ্চলিক আৰু প্ৰাথমিক সমূহৰ ইতিবৃত্ত ঃ গঠন-সম্প্ৰসাৰণ
৬১-৭৬
❑ ষষ্ঠ অধ্যায় ঃ
✡ অনাঞ্চলিক আৰু প্ৰাথমিক সমূহৰ ইতিবৃত্ত- গঠন -সম্প্ৰসাৰণ ৭৭
✡ গোলাঘাট জিলা শাখাৰ প্ৰাথমিক শাখা গঠন
❑ সপ্তম অধ্যায় ঃ
✡ গোলাঘাট জিলা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ শাখাৰ ইতিবৃত্ত ১৮৬-৫০৩
❑ অষ্টম অধ্যায় ঃ
✡ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ জিলা সংস্কৃতি শাখাৰ ইতিবৃত্ত ৫০৪
✡ জিলা সাহিত্য শাখাৰ প্ৰতিবেদন - 'শ্ৰীমন্ত' প্ৰকাশ - জিলা বুৰঞ্জী প্ৰণয়ন উপ-সমিতিৰ সদস্যসকল-'শ্ৰীমন্ত'ৰ জন্ম লগ্ন সম্পৰ্কত ঃ প্ৰকাশ-প্ৰচাৰ
✡ প্ৰচাৰ শাখাৰ ইতিবৃত্ত।
✡ জিলা শাখাৰ কেন্দ্ৰীয় বিদ্যালয় 'শঙ্কৰী সংস্কৃতি বিকাশ কেন্দ্ৰ'ৰ চমু ইতিবৃত্ত
✡ মূল সংঘৰ দ্বাৰা প্ৰতিষ্ঠিত শঙ্কৰী সঙ্গীত বিদ্যালয় - গোলাঘাট, বেঙেনাখোৱা
✡ সেৱা বাহিনীৰ ইতিবৃত্ত
✡ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ নামঘৰৰ সংক্ষিপ্ত ইতিবৃত্ত
✡ কুশল কোঁৱৰ ক্ষেত্ৰ' ফৰকাটিং বালিজান -এটি চমু অৱলোকন
✡ বৰুৱাবামুণ গাঁও শঙ্কৰী কলা-কৃষ্টি বিকাশ কেন্দ্ৰ
✡ গোলাঘাট জিলা সংঘৰ কাৰ্যনিৰ্বাহকৰ সদস্যসকলৰ নাম ৫৪৮
❑ নৱম অধ্যায় ঃ
✡ জীৱনি স্তম্ভ ৫৪৯-৬৩৭
❑ গোলাঘাট জিলা আৰু গোলাঘাট জিলা শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ মানচিত্ৰ
❑ আলোক চিত্ৰ ঃ

■ ■ ■ ■

# প্ৰকাশকৰ একেষাৰ ঃ ২০০০ চন

শ্ৰীমন্ত শংকৰদেৱ সংঘ গোলাঘাট জিলা শাখাই সংঘৰ বৰ্ত্তমান ৪৮ বছৰত ভৰি দিছে । জন্মাৱধি এই অনুষ্ঠানে শ্ৰীমন্ত গুৰুজনাৰ ধৰ্ম, সাহিত্য, কলা-সংস্কৃতি আদি প্ৰচাৰ-প্ৰসাৰত নিৰৱচ্ছিন্ন ভূমিকা গ্ৰহণ কৰি আহিছে । বিগত কালছোৱাত গুৰুজনাৰ ধৰ্ম, সাহিত্য আৰু কলা-সংস্কৃতিৰ ওপৰত বিভিন্ন গ্ৰন্থ-আলোচনী আদি প্ৰকাশ কৰাৰ লগতে আজিৰপৰা প্ৰায় কুৰি বছৰৰ আগতে জিলা শাখাৰ এভাগ বুৰঞ্জী প্ৰকাশ পাইছিল । জিলা শাখাৰ এই প্ৰচেষ্টা অসমৰ ভিতৰত প্ৰথম আছিল ।

১৯৭৯ চনত প্ৰকাশিত এই বুৰঞ্জীভাগত সেই সময়ৰ অবিভক্ত গোলাঘাট (বৰ্ত্তমান ধনশিৰি আৰু বোকাখাত) জিলা শাখাৰ সাতখন আঞ্চলিক আৰু ১০৬ খন প্ৰাথমিকৰ ইতিবৃত্ত প্ৰকাশ পাইছিল । পূৰ্ব প্ৰকাশিত বুৰঞ্জীভাগৰ উত্তৰ কালছোৱাত জিলা শাখাত বহুখিনি পৰিবৰ্ত্তন ঘটিছে । বিশেষকৈ ৰাজনৈতিকভাৱে গোলাঘাট জিলাত ধনশিৰি আৰু বোকাখাট মহকুমা গঠন হোৱাত, পূৰ্বৰ অবিভক্ত গোলাঘাট জিলা শাখাৰপৰা সাংবিধানিকভাৱে ধনশিৰি আৰু বোকাখাত জিলা শাখা গঠন হয় । ইয়াৰ ফলত প্ৰায় ৬৫ খন প্ৰাথমিক গোলাঘাট জিলা শাখাৰপৰা স্থানান্তৰ হয় । ইয়াৰ উপৰি ১৯৭৯ চনৰপৰা বৰ্ত্তমানলৈকে এই সুদীৰ্ঘ কালছোৱাত প্ৰায় শতাধিক নতুন পাথমিক গঠন হৈ জিলা শাখাৰ পৰিসৰ যথেষ্ট পৰিমাণে বৃদ্ধি পায় । লগে লগে সংগী আৰু গৃহস্থীৰ সংখ্যাও বৃদ্ধি পায় । বৰ্ত্তমান জিলা শাখাৰ মুঠ প্ৰাথমিকৰ সংখ্যা ২৬৪ খন আৰু আঞ্চলিকৰ সংখ্যা ১১ খন ।

জিলা শাখাৰ এই সুদৃঢ় স্থিতাৱস্থালৈ লক্ষ্য ৰাখি জিলা কাৰ্যনিৰ্বাহক সভাই সংশোধিত আৰু সংবৰ্দ্ধিত আকাৰত জিলা বুৰঞ্জীভাগৰ দ্বিতীয় সংস্কৰণ এটি প্ৰকাশ কৰাৰ মানসেৰে ৫৪৯ শংকৰাব্দতে সিদ্ধান্ত গ্ৰহণ কৰে । এই মহান উদ্দেশ্য আগত ৰাখি প্ৰতি প্ৰাথমিক আৰু আঞ্চলিকসমূহৰপৰা ইতিবৃত্ত বিছাৰি জিলা কাৰ্যালয়ৰপৰা একাধিকবাৰ পত্ৰ প্ৰেৰণ কৰাৰ উপৰিও জিলা সদস্য-সদস্যা, বাপ-আইসকলক নিজ নিজ অঞ্চল, আঞ্চলিকৰ প্ৰাথমিক আৰু আঞ্চলিকসমূহৰ ইতিবৃত্ত সংগ্ৰহ কৰিবলৈ দায়িত্ব দিয়া হয় । ইয়াৰোপৰি অগ্ৰীম মূল্য সংগ্ৰহৰ বাবে প্ৰতিখন কুপনৰ ৭০.০০ টকা ধাৰ্য কৰি ভালে সংখ্যক কুপন বহীও বিতৰণ কৰা হয় । লগত প্ৰতি প্ৰাথমিকে ৫ খনকৈ বুৰঞ্জী ক্ৰয় কৰাৰ সিদ্ধান্তৰ প্ৰতি প্ৰাথমিক আৰু আঞ্চলিকক অৱগত কৰা

হয়। কিন্তু প্ৰাথমিক আৰু আঞ্চলিক সমূহৰপৰা উল্লিখিত দিশত আমি আশা কৰা মতে সহাৰি নোপোৱাত ৪৬ তম্ অধিৱেশনতে বুৰঞ্জীভাগ বাপ-বান্ধৱ সমস্তৰ হাতত তুলি দিয়াৰ মানস কৰা হৈছিল যদিও আমি অপৰাগ হ'লোঁ। পুনৰ ৫৫০ শংকৰাব্দত এই প্ৰচেষ্টা অব্যাহত ৰখা হৈছিল যদিও আগতে উল্লেখ কৰা কাৰণসমূহৰ বাবেই বুৰঞ্জীভাগ এইবাৰো আপোনাসৱৰ হাতত তুলি দিব নোৱাৰিলোঁ। ইয়াৰ বাবে আপোনাসৱৰ শ্ৰীচৰণত শিৰ থৈ ক্ষমা বিচাৰিলোঁ।

যোৱা ৪৭ তম জিলা অধিৱেশনৰ প্ৰাক্ মুহূৰ্ত্তত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাই চলিত বৰ্ষত জিলা ভিত্তিত অনুষ্ঠিত মহাপুৰুষ মাধৱদেৱৰ ৫১২ তম্ আবিৰ্ভাৱ মহোৎসৱত গ্ৰন্থভাগ আনুষ্ঠানিকভাৱে উন্মোচনৰ সিদ্ধান্ত গ্ৰহণ কৰি পুঁজি সংগ্ৰহৰ অভিযান ক্ষীপ্ৰ কৰি তোলা হয়। পুঁজি সংগ্ৰহৰ দিশত সৰ্বশ্ৰীগোলাপ শইকীয়া, নন্দনাথ বৰা, থানেশ্বৰ হাজৰিকা আৰু সাহিত্য শাখাৰ সম্পাদক বোধেশ্বৰ কাকতিবাপে কৰা চেষ্টা নিশ্চয় স্বীকাৰ্য। ইয়াৰ উপৰি যি সকল সংগীবাপে গ্ৰন্থভাগ প্ৰকাশৰ বাবে একোটিকৈ মোটা বৰঙণি আগবঢ়াই আমাক অত্যুৎসাহিত কৰিলে, সেইসকল সংগীবাপলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সম্পাদনা সমিতিৰ সদস্য বাপসকলে প্ৰাথমিক আৰু আঞ্চলিকে প্ৰেৰণ কৰা তথ্যসমূহ পুনৰ লিখন কৰি গ্ৰন্থভাগ প্ৰকাশৰ উপযোগী কৰি তোলাত তেৰা সমস্তলৈও আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। পুনৰ লিখন কৰোঁতে নথি-পত্ৰসমূহত থাকিবপৰা সম্ভাব্য সত্যৰ অপলাপ আৰু অতিৰঞ্জিতখিনি কেতিয়াবা বাদ দিবলগীয়া হৈছে। তাৰবাবেও আমি আপোনাসৱৰ ওচৰত ক্ষমা বিচাৰিলোঁ। শেষত পূৰ্বশ্ৰী অফ্‌ছেট প্ৰিন্টাৰ্ছে বুৰঞ্জীভাগ ছপাই দিয়াৰ কাৰণে প্ৰেছৰ স্বত্বাধিকাৰ আৰু কৰ্মীবৃন্দলৈ আমাৰ কৃতজ্ঞতা জনালোঁ।

আমাৰ অজ্ঞাতে বৈ যোৱা ভুল-ত্ৰুটীৰ বাবে সংগী-বাপ, আই সমস্তৰ ওচৰত ক্ষমাৰ প্ৰাৰ্থী হৈ ৰ'লোঁ। ইতি --

সেৱাৰে —
**শ্ৰীনবীন বৰা**
প্ৰকাশক
১০/০৫/২০০০

# প্ৰকাশকৰ একেষাৰ

## প্ৰথম প্ৰকাশ ঃ ১৯৭৯ চন

শ্ৰীমন্ত শংকৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ এখনি চমু বুৰঞ্জী সংকলন কৰাৰ কথা মূলৰ সম্পাদক শ্ৰীযুত গোবিন্দ শইকীয়াবাপে জিলা কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠকত প্ৰায়ে উত্থাপন কৰিছিল । ১৯৭৬ চনত গোলাঘাট জিলা শাখাত সাহিত্য শাখা সমিতিৰ এখন বৈঠক হোৱাৰপৰাই এই ইচ্ছা কাৰ্যকৰী কৰিবৰ বাবে জিলা কাৰ্যনিৰ্বাহকে প্ৰস্তাৱ গ্ৰহণ কৰে আৰু বুৰঞ্জীভাগ যুগুতাই প্ৰকাশ কৰিবৰ কাৰণে সাহিত্য শাখাৰ ওপৰত দায়িত্ব দিয়ে ।

১৯৭৮ চনত ঢেকীয়ালত অনুষ্ঠিত জিলাৰ ৰূপালী জয়ন্তী অধিৱেশনতে বুৰঞ্জীভাগ প্ৰকাশ কৰাৰ ইচ্ছাৰে প্ৰাথমিকসমূহলৈ নিজ নিজ প্ৰাথমিকৰ বুৰঞ্জীৰ নথি সংগ্ৰহ কৰি পঠাবৰ কাৰণে জিলা সাহিত্য শাখাৰ কাৰ্যালয়ৰপৰা গোহাৰি প্ৰেৰণ কৰা হ'ল; কিন্তু সময়মতে নথিসমূহ আহি আমাৰ হাতত নপৰাত ৰূপালী জয়ন্তী অধিৱেশনত প্ৰকাশ কৰিবপৰা নগ'ল । যিবিলাক প্ৰাথমিক ৰূপালী জয়ন্তীৰ পাছত গঠন হৈ স্বীকৃতি লাভ কৰিছে — সেইবিলাক প্ৰাথমিক শাখাৰ নামহে মাত্ৰ উল্লেখ কৰা হৈছে । ইয়াৰ উপৰি কোনো কোনো পুৰণি প্ৰাথমিকৰ নথিও আমাৰ হাতত নথকাৰ কাৰণে সেইবিলাক প্ৰাথমিকৰ বুৰঞ্জীও প্ৰকাশ কৰাৰ সুবিধা কৰিব নোৱাৰিলোঁ । তাৰ কাৰণে সকলোটিৰ ওচৰত ক্ষমা বিচাৰিলোঁ ।

সম্পূৰ্ণ শুদ্ধ আৰু সত্য তথ্যৰে এই বুৰঞ্জীভাগ সংকলন কৰিবলৈ চেষ্টা কৰা হৈছে । প্ৰাথমিক শাখাৰ কাৰ্যনিৰ্বাহকে অনুমোদন কৰি পঠোৱা নথিহে গ্ৰহণ কৰা হৈছিল । উক্ত নথিসমূহত থাকিবপৰা সম্ভাব্য সত্যৰ অপলাপ আৰু অতিৰঞ্জণখিনি বাছি উলিয়াই প্ৰকৃত সত্য তথ্য বিচাৰি উলিয়াবলৈ প্ৰতি অঞ্চল বিশেষে ন-জন আঞ্চলিক বুৰঞ্জী সংগ্ৰাহকৰ ওপৰত অনুসন্ধানৰ দায়িত্ব আৰোপ কৰা হৈছিল । তদুপৰি প্ৰকাশৰ উপযোগী কৰি তুলিবলৈ নথিসমূহ পুনৰ লিখন কৰিবলগীয়া হৈছে। বুৰঞ্জী ভাগৰ আকাৰ বাহুল্য হোৱাৰ সম্ভাৱনা দেখি প্ৰাথমিক কাৰ্যনিৰ্বাহক সদস্যসকলৰ নাম আৰু জিলা কাৰ্যনিৰ্বাহক বাছি দিয়া বাৰটা জীৱনৰ বাহিৰে বাকীখিনি জীৱনৰ প্ৰকাশ আমি অনিচ্ছাসত্বেও বাদ দিবলগীয়া হ'ল । তাৰ বাবে আমি সংগী বাপসকলৰ ওচৰত ক্ষমা বিচাৰিলোঁ ।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

প্ৰথম অধ্যয়ৰপৰা তৃতীয় অধ্যায় পৰ্যন্ত গোলাঘাট জিলা শাখা সংঘৰ বুৰঞ্জীভাগ যুগুতাই দিয়াৰ কাৰণে মূলৰ সম্পাদক শ্ৰীযুত গোবিন্দ শইকীয়া, প্ৰাক্তন জিলা সভাপতি শ্ৰীযুত যোগেন দত্ত, শৰণাচাৰ্য শ্ৰীযুত ঘনকান্ত তামুলী আৰু প্ৰাক্তন জিলা সভাপতি শ্ৰীযুত জীউৰাম হাজৰিকা বাপসৱলৈ আমাৰ শ্ৰদ্ধাভৰা সেৱা জনালোঁ। ছপাশালত দিবপৰা কিছু অংশ পাণ্ডুলিপি কৰি সহায় কৰি দিয়াৰ কাৰণে শ্ৰীনগেন্দ্ৰনাথ বৰা, শ্ৰীপূৰ্ণ হাজৰিকা আৰু শ্ৰীনীলকান্ত বৰদলৈ আমাৰ কৃতজ্ঞতা জনালোঁ। সাহিত্য শাখাৰ সদস্য শ্ৰীযজ্ঞেশ্বৰ ভূঞা বাপৰ উৎসাহ আৰু পৰামৰ্শ, পূজ্য শিক্ষাগুৰু শ্ৰীযুত তুলসীনাথ বৰগোহাঁইদেৱৰ বহুমূলীয়া উপদেশ নোপোৱা হ'লে আৰু শ্ৰীযুত গোবিন্দ শইকীয়াবাপে ছপাশালৰ লগত যোগাযোগ ৰাখি 'প্ৰুফ' চোৱা কামফেৰা কৰি সহায় নকৰা হ'লে পুথিভাগ প্ৰকাশ কৰা সম্ভৱ নহ'লহেঁতেন । সৰ্বজনলৈ আমাৰ সেৱা জনালোঁ । শেষত পূৰ্বশ্ৰী অফ্‌ছেট প্ৰিন্টাৰ্ছে বুৰঞ্জীভাগ ছপাই দিয়াৰ কাৰণে প্ৰেছৰ স্বত্বাধিকাৰ আৰু কৰ্মীবৃন্দলৈ আমাৰ কৃতজ্ঞতা জনোৱা হ'ল ।

শ্ৰীমন্ত শংকৰদেৱৰ সংঘ, অসমৰ 'গ্ৰন্থ অনুমোদন সমিতিয়ে বুৰঞ্জীখনি প্ৰকাশ কৰিবলৈ অনুমোদন জনোৱাত আমি কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ ।

আমাৰ অজ্ঞাতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলো সংগীবাপৰ ওচৰত ক্ষমা ভিক্ষা কৰিছোঁ ।

ইতি —

সেৱাৰে —

**শ্ৰীহেমে শইকীয়া**

প্ৰকাশক তথা প্ৰাক্তন জিলা সম্পাদক

১০/৩/১৯৭৯

# প্ৰধান সম্পাদকৰ ওলগনি

শ্ৰীমন্ত শংকৰদেৱ সংঘ, গোলাঘাট জিলা শাখাই সংঘৰ এখন বুৰঞ্জী প্ৰণয়ন কৰিলে ভাল হয় বুলি আমি বহুদিনৰ আগতে এটি প্ৰস্তাৱ আগবঢ়াইছিলোঁ। সুখৰ বিষয় যে, জিলা শাখাই অশেষ কষ্ট স্বীকাৰ কৰি জিলাৰ অন্তৰ্গত প্ৰাথমিকসমূহৰ সংক্ষিপ্ত বুৰঞ্জী এভাগৰ প্ৰকাশৰ দিহা কৰিলে। এই প্ৰচেষ্টা অসমৰ ভিতৰতে সৰ্বপ্ৰথম। এনে ধৰণৰ বুৰঞ্জী আমাক আৰু প্ৰয়োজন হ'ব। গাঁও, অঞ্চল, মৌজা আদি স্থানসমূহৰ ঐতিহাসিক মূল্য উলাই কৰা নিশ্চয় উচিত নহয়। ঐতিহাসিক মূল্যায়ন কৰা, সৰু-বৰ লোকৰ দেশ আৰু জাতি গঠনত থকা অৰিহণাক শ্ৰদ্ধাৰে সোঁৱৰা আমাৰ অন্যতম লক্ষ্য হোৱা উচিত হৈছে। এনে ধৰণৰ বুৰঞ্জী প্ৰণয়নৰ বাটকটীয়া হিচাপে শ্ৰীমন্ত শংকৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ কৰ্মীবৃন্দলৈ এই সুযোগতে হিয়া ভৰা ওলগ জনোৱা হ'ল।

**শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া**
প্ৰাক্তন প্ৰধান সম্পাদক
শ্ৰীমন্ত শংকৰদেৱ সংঘ, অসম
৪/৩/১৯৭৯

# সম্পাদকৰ একেষাৰ

## প্ৰথম প্ৰকাশ ঃ ১৯৭৯ চন

শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানা যেন কল্পতৰু ।
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু ।।

এইজনা গুৰুৰো গুৰু পৰম গুৰুৱে পুণ্যভূমি অসমত আবির্ভাব হৈ নৰলোকলৈ উদঙাই থৈ গ'ল আত্মা-পৰমাত্মাৰ বিষয়ে এক গূঢ় দৰ্শন, সেয়া হ'ল, বৈদান্তিক দৰ্শন, প্ৰচাৰ কৰি গ'ল এক ধৰ্ম — সেয়া হ'ল একশৰণ হৰিনাম ধৰ্ম, দেখুৱাই গ'ল এক ভক্তি — সেয়া হ'ল দাস্যভক্তি আৰু শিকাই গ'ল এক পালনীয় আচাৰ-নীতি — সেয়া হ'ল সমাচাৰ নীতি ।

য'ত জীৱ জঙ্গম কীট-পতঙ্গম
অগনগ জগ তেৰি কায়া । (বৰগীত)
০ ০ ০ ০ ০ ০ ০ ০ ০
কুকুৰ-শৃগাল গৰ্দ্দভৰো আত্মাৰাম ।
জানিয়া সবাকো পৰি কৰিয়া প্ৰণাম ।। (কীৰ্ত্তন)

তেৰাৰ এই ধৰ্ম-নীতি শিক্ষাৰ মাজত যি শুদ্ধ ব্ৰহ্মজ্ঞান প্ৰকাশ পাইছে, তাতকৈ আৰু কিবা বেছি শুদ্ধ ব্ৰহ্মজ্ঞান কোনোবা ধৰ্মগুৰুৱে দিব পাৰে বুলি ভাবিবৰ স্থল নাই ।

কৃষ্ণৰ কথাত যিতো ৰসিক
ব্ৰাহ্মণৰ জন্ম তান লাগে কিক ।
স্মৰোক মাত্ৰ হৰি দিন ৰাতি
নবাচে ভকতি জাতি অজাতি । (কীৰ্ত্তন)

তেৰাৰ এই শিকনিৰ মাজত সংকীৰ্ণ সাম্প্ৰদায়িক বিভাজন থকাৰতো প্ৰশ্নই নুঠে; বৰং বিশ্ব মানৱ সমাজৰ মাজত ভাতৃত্ব ভাৱ গঢ়ি তুলিবলৈ চেষ্টা কৰাৰ নিদৰ্শন মাত্ৰ।

এতিয়া প্ৰশ্ন হয় এনে শুদ্ধা সত্ত্ব এক বিশ্বজনীন ধৰ্ম প্ৰচাৰ কৰি যোৱা মহান গুৰুজনা পাৰ হৈ যোৱা মাত্ৰ পাঁচশ বছৰৰ ভিতৰত নিজ ধৰ্ম প্ৰচাৰ ক্ষেত্ৰ তথা নিজ জন্ম ক্ষেত্ৰতে তেৰা নিস্প্ৰভ হৈ পৰিল কেনেকৈ ?

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

তীৰ্থ বুলি কৰে জলত শুদ্ধি,
প্ৰতিমাত কৰে দেৱতা বুদ্ধি
বৈষ্ণৱত নাই ইসব মতি
গৰুতো অধম কৃষ্ণ বদতি ।। (নাম-ঘোষা)

এইদৰে অন্য দেৱ-দেৱীৰ ভজনা পৰিহাৰ কৰি এক কৃষ্ণদেৱক ভজনা কৰিবলৈ দিয়া গুৰুজনাৰ ধৰ্ম শিক্ষা তল পেলাই মাত্ৰ পাঁচশ বছৰৰ ভিতৰতে তেৰাৰ জন্মক্ষেত্ৰত তেত্ৰিশ কোটি দেৱ-দেৱীৰ পূজা-অৰ্চনাৰ স্তোত্ৰ পাঠে আকাশ, বতাহ নিনাদিত হ'বলৈ পালে কেনেকৈ ? হৰিনাম লুপ্ত কৰি যাগ-যজ্ঞৰ ধোঁৱাৰে অসমভূমিৰ আকাশ মেঘাচ্ছন্ন হ'ল কেনেকৈ আৰু নিজে নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, মুছলমানৰ ছান্দসাইক শিষ্য কৰি লৈ একেলগে বহি মাহ্-প্ৰসাদ খাই যোৱা স্পৃশ্য আৰ্হিকো তল পেলাই অসমীয়া হিন্দু সমাজক সাম্প্ৰদায়িক অস্পৃশ্যতা মহা ব্যাধিয়ে পঙ্গু কৰি পেলালে কেনেকৈ ?

**অপকাৰী কোন ? :** এইজনা মহান গুৰু শংকৰদেৱৰ প্ৰচাৰিত ধৰ্ম-সংস্কৃতিৰ বিলুপ্তি ঘটাবলৈ চেষ্টা কৰা অপৰাধী প্ৰকৃততে কোন হ'ব তাক বিচাৰি চোৱাৰ প্ৰয়োজন ।

ওঠৰ কৌমুদী ৰচনা কৰি অসমীয়া হিন্দু সমাজক গুৰুধৰ্ম বিমুখ কৰিলে বুলি গৌড়ৰ পণ্ডিত সিদ্ধান্ত বাগীসকেই একমাত্ৰ অপৰাধী বুলি গণ্য কৰিলেই শুদ্ধ বিচাৰ কৰা নহ'ব । দ্বিতীয়তে, আহোম শাসনৰ কঠোৰ গোড়ামী শাসনকো অপৰাধী গণ্য কৰাৰ যুক্তি কম, যিহেতু কোঁচ আৰু আহোম শাসনৰ কঠোৰতাৰ মাজতেইতো গুৰুজনাই ধৰ্ম প্ৰচাৰ কৰিছিল । তেতিয়াহ'লে কাৰোবাৰ অপ্ৰিয় হ'লেও সঁচা কথা ক'ব লাগিব যে, গুৰুজনাৰ ধৰ্মৰ উত্তৰাধিকাৰী সত্ৰাধিকাৰ প্ৰভুসকলহে এই অপৰাধৰ প্ৰকৃত অপৰাধী । যিসকলে নিজৰ ভোগ-বিলাসৰ কাৰণে নিজ গুৰু ধৰ্ম নীতিৰে শাসিত নহৈ ধৰ্ম-নীতিকহে নিজে শাসন কৰিবলৈ ধৰিলে । শিষ্য, ভকত, মেধি, পাঁচনি আদি অসংখ্য সেৱকৰ সেৱা লৈয়েই তেৰাসবে আজৰি নাপালে । শাস্ত্ৰ অধ্যয়ন নিজেও নকৰিলে আনকো নকৰালে । নাম, দেউ, গুৰু, ভকত এই চাৰি বস্তুৰ নামত শিষ্যসকলক শৰণৰ মন্ত্ৰ উচ্চাৰণ কৰাই ভজনীয়া গুৰুৰ ভাও ল'লে নিজে । ফলত গুৰুজনাৰ ধৰ্ম সেই বুদ্ধিজীৱী উপৰুৱা গুৰুসকলৰ বৃত্তি হ'ল । লগে লগে অসমীয়া হিন্দু সমাজৰ মাজলৈ আহিল ধৰ্মান্ধতা ।

**বহিৰাগত প্ৰভাৱ :** এনেতে অসমৰ বুৰঞ্জীলৈ আহিল ৰাজনৈতিক পৰিবৰ্তন । আহোম শাসনৰ অন্ত পৰিল আৰু ইংৰাজ শাসনে অসমক গৰকি ল'লে । ইংৰাজ শাসকসকলৰ লগে লগে খ্ৰীষ্টিয়ান পাদ্ৰীসকল আহিল অসমত খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰ কৰিবলৈ আৰু লগতে আহিল বঙালীসকল বিবিধ দেৱ-দেৱীৰ মূৰ্ত্তি পূজা লৈ । শিৱসাগৰত ছপাকল পাতি বঙলা ভাষাত যীশুৰ বাণী ছপাই ঠায়ে ঠায়ে বিদ্যালয়,

ধুনীয়া ধুনীয়া গীৰ্জা সজাই দি নগা, খাচীয়া, জয়ন্তীয়া আদি পাহাৰীয়া ভাই-ভনীসকলক পাদ্রীসকলে তেওঁলোকৰ brothers, sister ৰ কৰি ল'লে । গাৰোৰ গোবিন্দ, নগাৰ নৰোত্তম আৰু মুছলমানৰ ছান্দসাইৰ লগতেই জন-জাতিৰ গুৰুজনাৰ ধৰ্মৰ সম্বন্ধ শেষ । ইফালে ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমতলবাসী শূদ্ৰাদী বৈষ্ণৱ ভকতসকলে ঠিক কৰিব নোৱৰা হ'ল, তেওঁলোকৰ ভোৰতালৰ মাত বেছি নে বহিৰাগত হিন্দুসকলৰ ঘন্টা, কাঁহৰ মাত বেছি । যি যেনেকৈ ভাল পায় সেই নীতিৰেই প্ৰবৰ্ত্তিবলৈ ল'লে । ফলত গুৰুজনাৰ ধৰ্মই প্ৰসাৰতা লাভ কৰা দূৰৰ কথা বৰং সংকোচিতহে হ'ল । বিশ্ব মানৱ সমাজৰ কাৰণে প্ৰচাৰিত একশৰণ হৰিনাম ধৰ্ম প্ৰায় গৰাকীবিহীন হৈ পৰিল । Dr. B. Chetia M.A, D. Phill দেৱে ক'বৰ দৰে "Due to lack of publicity Sankardeva is very little known abroad and in India be has not seen given the proper place."

**স্বাধীনতা আন্দোলনৰ প্ৰভাৱ ঃ** এটা জাতিৰ জীৱনত পৰাধীনতা এক অভিশাপ । সুদীৰ্ঘ এক শতাব্দী কাল পৰাধীনতাৰ অভিশাপত পৰি অকল অসমতে নহয় সমগ্ৰ ভাৰতবৰ্ষতে এক ভীৰুতাই বিৰাজ কৰিলে । ৰাজনীতি, ধৰ্মনীতি, অৰ্থনীতি আদি সকলো দিশতে অবাধ নিষ্পেষণ দেখিও এফেৰাৰ মাত মতাৰ সাহস কাৰো নোহোৱা হ'ল । সময়ত গান্ধীজীৰ নেতৃত্বত ভাৰতবাসীৰ যেতিয়া ভীৰুতা আঁতৰিল, সমগ্ৰ ভাৰতবৰ্ষতে গঢ়ি উঠিল স্বাধীনতা আন্দোলন । স্বাধীনতা আন্দোলনৰ কেইগৰাকীমান ধৰ্মপ্ৰাণ কৰ্মীয়ে আগৰপৰাই দেখি অহা গুৰুজনাৰ ধৰ্মৰ ওপৰত কৰা অত্যাচাৰ এতিয়া আৰু সহি থাকিব নোৱৰা হ'ল । ফলস্বৰূপে অসমত এক ধৰ্মীয় আন্দোলন গঢ়ি উঠিল । সত্ৰাধিকাৰ, পুৰোহিত আদিৰ বিৰুদ্ধে যি সকলে মূৰ দাঙি উঠিল, যি সকল এতিয়া ভীৰু নহয়, বৰং গান্ধীজীৰ সাহসেৰে সাহসী আৰু স্বাধীনতা আন্দোলনৰ বলেৰে বলীয়ান ।

**শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পৰিক্ৰমা ঃ** এই ধৰ্ম আন্দোলনেই অসম শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উৎস । এই আন্দোলনৰ জন্মদাতা আছিল স্বৰ্গীয় ৰমাকান্ত মুক্তিয়াৰ, স্বৰ্গীয় পীতাম্বৰ দেৱগোস্বামী, স্বৰ্গীয় হলধৰ ভূঞা, শ্ৰীভুবন চন্দ্ৰ ভূঞা আদি কেইজনমান শাস্ত্ৰজ্ঞ পণ্ডিত । শূদ্ৰাদি লোকসকল পুৰোহিত, সত্ৰাধিকাৰসকলৰ নিষ্পেষণৰপৰা মুক্ত কৰি গুৰুজনাৰ প্ৰচাৰিত একশৰণ হৰিনাম ধৰ্ম পৰিশুদ্ধ ৰূপত পুনৰ প্ৰচাৰ কৰিবলৈ যি সকলে উঠি-পৰি লাগিল । প্ৰথম অৱস্থাত এই আন্দোলনৰ লক্ষ্য আছিল প্ৰধানকৈ তিনিটা ।

(১) ব্ৰাহ্মণেতৰ লোকৰ এঘাৰ দিনত মৃতাহ অশৌচ পালন,

(২) সাম্প্ৰদায়িক অস্পৃশ্যতা বৰ্জন আৰু

(৩) হোম-যজ্ঞাদি পৰিহাৰ কৰি একমাত্ৰ হৰিনাম কীৰ্ত্তনেৰে মৃতাহ অশৌচ

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

বা জননাশৌচ পালন । প্ৰথম অৱস্থাত এই নীতিৰ সমৰ্থক আছিলা নিচেই মুষ্টিমেয়, গতিকে যি সকলে ক্লেশ ভুগিব লগীয়া হৈছিল বহুতো । এখাৰ দিনীয়া, চৈধ্য দিনীয়া আদি তাচ্ছিল্যসূচক নামেৰে নামকৰণ কৰি সমাজে যি সকলক ঘৃণাৰ চকুৰে চাইছিল আৰু কোনোজনক হয়তো ধৰ্মভ্ৰষ্ট হোৱা বুলি সমাজচ্যুতো কৰিছিল । কিন্তু গুৰুজনাৰ একান্ত সেৱক ধৰ্মপ্ৰাণ সেইসকল জাতীয় বীৰে সকলো সামাজিক বাধা আওকাণ কৰি অসমৰ ইমূৰৰপৰা সিমূৰলৈকে ফুৰি ঠায়ে ঠায়ে ধৰ্মলোচনী সভা আহ্বান কৰিছিল । শ্ৰীমন্ত শংকৰদেৱ গুৰুৰ শাস্ত্ৰসমূহৰ উদ্ধৃতিৰে গুৰুজনাৰ শুদ্ধ ধৰ্ম-নীতিৰ ওপৰত ভাষণ দি জনসমাজক হৃদয়ংগম কৰাই এক সুদৃঢ় জনমত গঢ়ি তুলিবলৈ উঠি-পৰি লাগিছিল । বহুতো তান্ত্ৰিক পণ্ডিতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতিৰ বিৰুদ্ধে শাস্ত্ৰবাদ কৰি সংঘৰ পণ্ডিতসকলৰ ওচৰত হাৰ মানিছিল । এইদৰে ক্ৰমাৎ তান্ত্ৰিক তাৰ্কিক পণ্ডিতৰ সংখ্যা কমি আহিবলৈ ধৰিলে আৰু আনহাতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি সমৰ্থকৰ সংখ্যা বাঢ়িবলৈ আৰম্ভ কৰিলে । বৰ্তমান এই অনুষ্ঠান, সংগঠন সুদৃঢ় আৰু সু-পৰিচালিত ।

### শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্দেশ্য আৰু গঠন প্ৰণালী ঃ

ঐন্দ্ৰজালিক কিবা এক শক্তিৰে হাজাৰ হাজাৰ নৰ-নাৰীক পাৰ্থিৱ ঐশ্বৰ্য লাভৰ লোভ দেখুৱাই শিষ্যত্ব গ্ৰহণ কৰাই যি সকলৰপৰা অজস্ৰ ধন-সম্পদ আহৰণ কৰা ছাঁয়া বাবা অন্যান্য ধৰ্ম প্ৰচাৰক অনুকূল ঠাকুৰ, ভগৱান ৰাজনীশ আদি বাবাসকলৰ দৰে কিবা এক নতুন ধৰ্ম প্ৰচাৰ কৰি তাৰদ্বাৰা অধিক লাভৱান হোৱা বা ক্ষমতা বিস্তাৰ কৰা অসম শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্দেশ্য নহয় । শ্ৰীমন্ত গুৰুজনাৰ ধৰ্ম, সংস্কৃতি আৰু সাহিত্য পৰিশুদ্ধ ৰূপত দেশে-বিদেশে প্ৰচাৰ কৰি গুৰুজনাক জগতগুৰু বুলি প্ৰতীয়মান কৰাহে এই সংঘৰ একমাত্ৰ উদ্দেশ্য ।

সম্পূৰ্ণ গণতান্ত্ৰিক নীতিৰে এই সংঘৰ গঠন-প্ৰণালীও অতি পৰিষ্কাৰ । বৰ্তমান অসমৰ ৰাজনৈতিক চাৰিসীমাই ইয়াৰ চাৰিসীমা নহয় । চাৰিটা স্তৰত চাৰিসত্ৰ গঠন কৰি সংঘৰ সংগঠন সুদৃঢ় কৰি লোৱা হৈছে । একোটি নামঘৰক কেন্দ্ৰ কৰি প্ৰাথমিক শাখা সত্ৰ একোটি অঞ্চলক সামৰি লৈ একোখন আঞ্চলিক শাখা সত্ৰ, ৰাজনৈতিক চাৰিসীমাৰে একোখন জিলাক সামৰি একোখন জিলা শাখা সত্ৰ আৰু গোটেই ৰাজ্যখনক সামৰি ওপৰত উল্লেখ কৰা তিনিওটা স্তৰ ভুক্ত শাখাসমূহৰ ওপৰত মূল সত্ৰ । মূল সত্ৰই ৰচনা কৰা এভাগ সংবিধানৰ দ্বাৰা চাৰিও সত্ৰ গঠন আৰু পৰিচালিত হয় । শৰণদান কাৰ্য যাতে সত্ৰাধিকাৰসকলৰ দৰে নিজৰ একচেতীয়া ব্যৱসায় কৰিব নোৱাৰে তালৈ লক্ষ্য কৰি উপযুক্ত লোকক গণতান্ত্ৰিক নীতিৰে শৰণাচাৰ্য নিৰ্বাচন কৰা হয় । শৰণ দানৰ যোগেদি শৰণাচাৰ্যই উপাৰ্জন কৰা সমুদায় ধন মূল সত্ৰৰ পুঁজিত জমা হয় ।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

## শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংস্কাৰ নীতি ঃ

যোৱা পাঁচশ বছৰে গুৰুজনে প্ৰচাৰ কৰি যোৱা ধৰ্ম, নীতি-নিয়ম, কলা-কৃষ্টিৰ ওপৰত যথেষ্ট মলি বন্ধ গ'ল । মহাপুৰুষীয়া সত্ৰ কেইখনৰ ভিতৰতে নাম কীৰ্ত্তন, অৰ্চন, খোল প্ৰসঙ্গ আদি ৰীতি-নীতিৰ মাজত মিল নাই । গভীৰ অনুসন্ধান চলাই গুৰুজনাৰ প্ৰচাৰিত প্ৰকৃত ৰীতি-নীতি, কৃষ্টি আদিৰ উদঘাটন কৰিবলৈ মূল সত্ৰত এটা কৃষ্টি শাখা গঠন কৰি লোৱা হৈছে । মূল সত্ৰ আৰু কৃষ্টি শাখাই উদঘাটন কৰা পৰিশুদ্ধ নীতি আৰু পদ্ধতিসমূহ চাৰিভাগে সংকলন কৰি চাৰিভাগ নীতি শাস্ত্ৰ ৰচনা কৰা হৈছে । সেই চাৰি শাস্ত্ৰ হ'ল -- ১ । অশৌচ বিচাৰ ২ । প্ৰসঙ্গ প্ৰণালী ৩ । বিবাহ পদ্ধতি আৰু ৪ । খোল অংক । সৰ্বজন সংগীয়ে যাতে এই চাৰি শাস্ত্ৰৰ বৰ্ণিত নীতি পালন কৰি চলিব পাৰে তাৰ কাৰণে জিলা বা অঞ্চলিক শাখাক কেন্দ্ৰ কৰি প্ৰশিক্ষণৰ ব্যৱস্থাও কৰা হয় । মূল সত্ৰৰ কাৰ্যালয়তে এখনি শংকৰী কৃষ্টিৰ বিদ্যালয় স্থাপন কৰি বৰ্ত্তমান স্নাতক মহলালৈকে পৰীক্ষা লোৱা হৈছে আৰু উপাধি প্ৰদান কৰা হৈছে ।

পৰিশুদ্ধ শংকৰী কৃষ্টি দেশে-বিদেশে প্ৰদৰ্শন কৰিবৰ কাৰণে এটি ভ্ৰাম্যমান কৃষ্টিদল প্ৰশিক্ষণ দি উলিয়াই পঠোৱা হৈছে । বৰগীতসমূহৰ স্বৰলিপি কৰা কামো কৃষ্টি শাখাই বৰ্ত্তমান চলাই আছে ।

গুৰুজনাই ৰচনা কৰি যোৱা সাহিত্য সম্ভাৰৰ মাজত গৱেষকসকলৰ কাৰণে বহুতো গৱেষণাৰ সমল আছে । এই জ্ঞান গধুৰ সাহিত্য সম্ভাৰ দেশে-বিদেশে বিবিধ ভাষাত প্ৰচাৰ কৰিবলৈ এই সমূহ সাহিত্যৰপৰা নতুন সাহিত্য সৃষ্টি কৰিবলৈ, পুৰণি অপ্ৰকাশিত পুথি উদ্ধাৰ কৰি প্ৰকাশ কৰিবলৈ মূল সাহিত্য শাখা আৰু জিলা সত্ৰসমূহত জিলা সাহিত্য শাখা একোটি গঠন কৰি লোৱা হৈছে । সংঘৰ বছৰেকীয়া মুখপত্ৰ 'নামধৰ্ম'ৰ যোগেদি গুৰুজনাৰ ধৰ্ম, সাহিত্য, কৃষ্টি দৰ্শন আদিৰ ওপৰত বিস্তৃত আলোচনামূলক প্ৰবন্ধ প্ৰকাশ কৰা হয় ।

এতিয়ালৈকে গোলাঘাট জিলা সত্ৰৰ সাহিত্য শাখাই প্ৰকাশ কৰিবলৈ লোৱা সাহিত্যৰ ভিতৰত এই বুৰঞ্জীভাগেই হ'ব প্ৰধান । ইয়াৰ উপৰি ১৯৭৭-৭৮ চনৰপৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত 'স্বৰ্গীয় ৱবিতা হাজৰিকা সোঁৱৰণী ৰচনা প্ৰতিযোগিতা' চলাই থকা হৈছে যাতে ছাত্ৰ-ছাত্ৰীসকল শংকৰী সাহিত্যৰ প্ৰতি অধ্যয়নত লিপ্ত হয় ।

সংঘৰ পণ্ডিতসকলে এতিয়ালৈকে যথেষ্ট সংখ্যক পুথি ৰচনা কৰিছে । এই সমূহ ৰচনাৰ উপৰি মূলৰ অধিৱেশন, জিলা অধিৱেশনত প্ৰকাশ কৰা স্মৃতিগ্ৰন্থসমূহ, সভাপতিৰ অভিভাষণ আদিয়েও অসমীয়া সাহিত্যৰ ভৰাঁল টনকিয়াল কৰিছে ।

অসমৰ চাৰিসীমাৰ ভিতৰৰপৰা গুৰুজনাক বাহিৰলৈ উলিয়াই নি বহুল প্ৰচাৰ কৰাৰ আঁচনি বৰ্ত্তমান অসম শ্ৰীমন্ত শংকৰদেৱ সংঘই হাতত লৈছে । ইতিমধ্যে

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

পঞ্জাৱত আৰু বৃন্দাবনত একোটিকৈ নামঘৰ প্ৰতিষ্ঠা হৈছে আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘয়ো এই দুয়োটি নামঘৰলৈ অৰিহণা যোগোৱাৰ চেষ্টা চলাইছে । পঞ্জাৱৰ পাতিয়ালা বিশ্ববিদ্যালয়ৰ শংকৰদেৱ আসনত অসমৰ সুযোগ্য পণ্ডিত শংকৰদেৱ সংঘৰ একান্ত সেৱক ড° মহেশ্বৰ নেওগদেৱে শংকৰী ধৰ্ম -সংস্কৃতিৰ তুলনামূলক গৱেষণা চলাই আছে । নতুন দিল্লীতো সংঘৰ কাৰ্যালয় এটি প্ৰতিষ্ঠা কৰাৰ আঁচনি ইতিমধ্যে হাতত লোৱা হৈছে । এনেদৰে ভাৰতবৰ্ষৰ সীমা চেৰাই গৈ পৃথিৱীৰ অন্যান্য দেশৰ লোক সমাজতো শ্ৰীমন্ত গুৰুজনাৰ ধৰ্ম, সাহিত্য, কৃষ্টি আদি প্ৰচাৰ কৰি শ্ৰীমন্ত শংকৰগুৰুক জগত গুৰুৰূপে আৰু একশৰণ হৰিনাম ধৰ্মক বিশ্ব মানৱৰ ধৰ্মৰূপে প্ৰতিষ্ঠা কৰাটো অসম শ্ৰীমন্ত শংকৰদেৱ সংঘৰ চৰম লক্ষ্য । এই মহান দায়িত্ব আমাৰ প্ৰতিজন অসমীয়াৰে । গতিকে ক্ষুদ্ৰ সাম্প্ৰদায়িক ভেদাভেদ দূৰ কৰি এক কৃষ্ণদেৱত শৰণ লৈ আমাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰ গুৰুজনাক জগতগুৰু বুলি সোঁৱৰো আহক ।

'শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানা যেন কল্পতৰু
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু ।।'

**শ্ৰীসুৰেন ৰাজখোৱা**
প্ৰাক্তন সম্পাদক, সাহিত্য শাখা
শ্ৰীমন্ত শংকৰদেৱ সংঘ
গোলাঘাট জিলা শাখা
১০/০৩/১৯৭৯

# পাতনি

এখন দেশৰ, এটা জাতিৰ,ইতিহাস বা বুৰঞ্জীৰপৰা দেশখনৰ জাতিটোৰ বিষয়ে সবিশেষ জানিব পাৰি।এটা জাতি গঢ়লৈ উঠে সেই জাতিটোৰ কলা, সাহিত্য, সংস্কৃতি আৰু ধৰ্মৰ মাধ্যমেৰে। জাতিটোৰ প্ৰগতি কেনেদৰে আগবাঢ়িছে অথবা,পতন কেনেদৰে ঘটিছে তাক জানিবলৈ হলেও বুৰঞ্জী অধ্যয়নৰ আৱশ্যক হয়। ইতিহাস পুৰাণ আদিত জগত সৃষ্টিৰপৰা আৰম্ভ কৰি জীৱৰ ক্ৰমোবিকাশ আৰু কালৰ গতিত সমস্ত বিনাশ ঘটি পুনৰ সৃষ্টিৰ পাতনি মেলাৰ বৰ্ণনা পোৱা যায়। ইয়ো নিশ্চয় এক জগতবুৰঞ্জী। মানৱ জাতিৰ জ্ঞানৰ পৰিধিয়ে বিস্তৃতি লাভ কৰাৰ লগে লগে জীৱন ধাৰণ পদ্ধতি, আনুষঙ্গিক কলা-সংস্কৃতি আদিৰো বুৰঞ্জী ৰচিত হ'ল আৰু ইয়াৰ ধাৰাবাহিকতাৰ আধাৰতে বিকাশ, পবিৰ্দ্ধন প্ৰসাৰণ, উন্নতি, অধোন্নতিৰ মূল্যাঙ্কণ কৰিব পৰা যায়।

অসম দেশৰ বুৰঞ্জী অধ্যয়নে জাতিটোৰ উত্থান-পতন, ক্ৰমোবিকাশ, ৰাজনীতি, অৰ্থনীতি, সমাজ ব্যৱস্থা আদি সকলো দিশ জানিব পাৰি। ভাৰতবৰ্ষ এখন অধ্যাত্মিক দেশ। এইখন দেশতে আধ্যাত্মিকতাৰ চৰম বিকাশ ঘটিছিল বুলি ক'ব পাৰি। ভাৰত বুৰঞ্জী, ইতিহাস পুৰাণ আদি গ্ৰন্থসমূহত ইয়াৰ বিৱৰণ আছে। বেদ-বেদান্ত উপনিষদ আদি আধ্যাত্মিক তত্ত্ব সম্বলিত গ্ৰন্থসমূহ ভাৰতীয় ঋষি-মুনিসকলে ৰচনা কৰিছিল আৰু সেইখিনিকে মনুষ্য জাতিৰ বিৰল সম্বল হিচাপে গ্ৰহণ কৰা হৈছে। এনে ধৰণৰ মানৱ জাতিটোৰ সম্পৰ্কত জানিব লগা কথাবোৰ যদি লিপিবদ্ধ ৰূপত সংৰক্ষিত নহলহেঁতেন, আজি হয়তো জগতৰ বহু কথাই অন্ধকাৰতে ৰৈ গ'লহেঁতেন। মানৱ সৃষ্টিৰ আজি কিমান যুগ অতিক্ৰম কৰিলে, বেদ বেদাঙ্গাদি ক'ত শাস্ত্ৰ গ্ৰন্থ ৰচিত অৱস্থাতো খাটাংভাৱে সৰ্বজন স্বীকৃত মত পাবলৈ নাই, ইও কম দুৰ্ভাগ্যৰ কথা হৈ থকা নাই। সি যি কি নহওক যিমান আছে তাৰপৰাই আৰম্ভ কৰিলেও জ্ঞানৰ পৰিধিৰ সীমা কৰা টান হ'ব।

আজিৰপৰা সেই সিদিনাৰ কথা মাত্ৰ। হিচাপত ৫৫০ বছৰ অতিক্ৰম কৰিছে মাথোন। ভাৰতবৰ্ষৰ পূব প্ৰান্তত এজন মাত্ৰ মনিষীৰ আৱিৰ্ভাৱ হৈছিল--যাৰ অৱদান ৰাজিকলৈ এটা জাতি ঠন ধৰি উঠিল আৰু জাতিটোৰ সকলো দিশ উদ্ভাসিত হৈ পৰিল—সেইজনা ক্ষণজন্মা পুৰুষেই হ'ল সৰ্বগুনাকৰ জগত গুৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰেদৱ। মহাপুৰুষীয়া ধৰ্ম্ম দৰ্শন প্ৰচাৰৰ জৰীয়তে এই জনা গুৰুয়ে অসমীয়া মুমুৰ্ষু জাতিটোক ধৰ্ম্ম, সাহিত্য, কলা, সংস্কৃতি স্থাপত্য, ভাস্কৰ্য-গীত-মাত আদি মানৱ জীৱনৰ উপযোগী সমস্ত অৱদান প্ৰদান কৰি জাতিটো সঞ্জীৱিত কৰিলে। কালক্ৰমত পুনৰ অসমীয়া জাতীয় জীৱনলৈ নামি আহিছিল এক অনভিপ্ৰেত ঘন ঘোৰ অন্ধকাৰ যাৰ কু-প্ৰভাৱত পৰি অনেক অন্ধবিশ্বাস, কু-সংস্কাৰ, দুষ্কৃতি, অন্যায় উৎপীড়ন আৰু শাসন শোষণ। মহাপুৰুষীয়া ধৰ্মৰ যি মতবাদ আছিল 'এক দেউ এক সেৱা এক বিনে নাই কেউ', ইয়াৰ পৰিবৰ্ত্তে গা কৰি উঠিল না-না দেৱ-দেৱীৰ পূজা

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

উপাসনা, যাগ-যজ্ঞাদি মহা তান্ত্রিকতাবাদ, যাৰ বিষক্রিয়াই মহাপুৰুষীয়া সংস্কৃতি কৃষ্ণ সংস্কৃতিৰ বিপৰ্যয় ঘটাই অপ-সংস্কৃতি আৰু আমদানী সংস্কৃতিৰ বৰঘৰলৈ ৰূপান্তৰ কৰিলে। কিন্তু সুখৰ বিষয় গুৰুজনাৰ কৃপা দৃষ্টি হ'ল, অসমীয়া জাতিৰ ভাগ্য পৰিবৰ্ত্তন সাধিবলৈ পুনৰ কেইগৰাকীমান পুৰুষৰ আবিৰ্ভাব হ'ল। সেইসকলৰ ভিতৰত স্বৰ্গীয় শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামী, স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱা, স্বৰ্গীয় ডিম্বেশ্বৰ নেওঁগ আদি ভক্তপ্ৰাণ লোকসকল। এই সকলৰ পৰিযত্নতে মহাপুৰুষীয়া ধৰ্ম-সংস্কৃতিৰ সংকট মোচন কৰি মহাপুৰুষীয়া ধৰ্মৰ শুদ্ধ-নীতি আদৰ্শ পুনৰ প্ৰতিষ্ঠা কৰিলে আৰু গণ শক্তি পুনৰ জাগৰণ ঘটাবলৈ এটি শক্তিশালী গণ সংগঠনৰ জন্ম দিলে। সংগঠনৰ নাম দিলে শ্ৰীশ্ৰীশঙ্কৰদেৱ সঙ্ঘ আৰু পিচলৈ নামৰ সংশোধনি ঘটাই নাম দিয়া হ'ল শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ। শাস্ত্ৰকাৰসকলে কলি যুগৰ যে সংঘ, সন্থা বা দল আদিৰ শক্তি মহান হ'ব তাক ঘোষণা কৰি গৈছিল এইবুলি 'সঙ্ঘ শক্তি কলি যুগে।' এই বাণীৰ সত্য প্ৰতিপন্ন হৈছে আজি সমগ্ৰ বিশ্ববাসীৰ ক্ষেত্ৰতে নিশ্চয়। কাৰণ কি ৰাজনৈতিক কি সমাজনৈতিক অথবা ধৰ্ম্ম নৈতিক এই সকলো বিষয়তে সংগঠনৰ সৃষ্টি হৈছে আৰু সকলো পৰ্যায়তে এই সংগঠনৰ সৱল ভূমিকা পৰিলক্ষিত হৈছে। কুৰি শতিকাৰ দ্বিতীয়-তৃতীয় দশকত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ অনুষ্ঠানৰ বীজ অঙ্কুৰিত হৈছিল আৰু বৰ্ত্তমান এটি সুবৃহৎ ধৰ্মীয় অনুষ্ঠানত পৰিণত হৈছেহি। সমগ্ৰ অসমত আৰু অসমৰ বাহিৰতো এই অনুষ্ঠানৰ শাখাই বিয়পি পৰিছে আৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম্ম, সাহিত্য, কথা সংস্কৃতিৰ স্বৰূপ প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছে। প্ৰতি জিলাতে এই সঙ্ঘৰ শাখা গঠিত হৈছে। গাঁও অথবা সংগঠিত এলেকা ভিত্তিত প্ৰাথমিক শাখা গঠন কৰি মহাপুৰুষীয়া ধৰ্ম্ম-সংস্কৃতিৰ প্ৰচাৰ কৰাৰ ব্যৱস্থা হৈছে। মুঠতে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সৌজন্যত জাতিটোৰ চেতন্যাবোধ জাগৃত হোৱা পৰিলক্ষিত হৈছে।

জগতত এক মহান ধৰ্ম সাংস্কৃতিক অনুষ্ঠান এটিৰ এখনি বুৰঞ্জী প্ৰণয়নৰ আৱশ্যকতা কোনেও নুই কৰিব নোৱাৰে। সেয়ে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, গোলাঘাট জিলা শাখাই ১৯৭৯ চনতে জিলাখনিৰ আৰু লগতে প্ৰাথমিক শাখাসমূহৰ এখনি বুৰঞ্জী প্ৰণয়ন কৰি উলিয়ায়। বিগত কুৰি বছৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ গোলাঘাট জিলা শাখাৰ প্ৰাথমিক শাখাৰ সংখ্যা বহুতো বৃদ্ধি পোৱাত পূৰ্বতে প্ৰকাশ কৰা জিলা বুৰঞ্জীখনিৰ পৰিবৰ্দ্ধনৰ আৱশ্যক হৈ পৰিল। সেয়ে জিলাৰ সিদ্ধান্ত মৰ্ম্মে পুনৰ পৰিবৰ্দ্ধিত ৰূপত প্ৰকাশৰ দিহা কৰা হৈছে। এইখনি বুৰঞ্জীত সংগঠিত আঞ্চলিক শাখা কেইটিৰো সংক্ষিপ্ত ইতিহাস সন্নিবেশ কৰা হৈছে। এনে বুৰঞ্জী প্ৰণয়নে দেশৰ ৰাজনৈতিক, সামাজিক, ধৰ্ম্মীয় আদি বিভিন্ন বিষয় সম্বন্ধে আলোকপাত কৰাত নিশ্চয় দেশৰ বুৰঞ্জীৰ লগত এক আপুৰুগীয়া সংযোজন হৈ ৰ'ব।

তাৰিখ –১৫/৪/২০০০
ঢেকীয়াল, গোলাঘাট
অসম।

শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া
প্ৰাক্তন প্ৰধান সম্পাদক
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ।

## উপক্ৰমণিকা (ক)

# গোলাঘাট জিলাৰ ধৰ্মীয় পৰম্পৰা ঃ ঐতিহ্যত এভূমুকি

যিখন দেশৰ বুকুৰেদি ধনশিৰি, শোৱণশিৰি, দিহিং, দিক্ৰং, কলং, কপিলি, দিখৌ, দিচাং, বৰনদী, বৰাক, বুৰৈ, কাকডোঙা, ভোগদৈ আদি নৈ, উপনৈ লগলাগি সাগৰ শঙ্কাস মহাবাহু ব্ৰহ্মপুত্ৰ নদ অবাৰিত গতিত বৈছে, প্ৰাকৃজ্যোতিষৰ দৰে পুৰ আছে, য'ত ঋষি-মুনিসকলে মহাকাশৰ জ্যোতিষ্ক গনণা কৰিছিল, বশিষ্ঠাশ্ৰমৰ দৰে আশ্ৰম আছে, য'ত বশিষ্ট মুনিৰ দৰে মহামুনিয়ে নিবাস কৰিছিল, য'ত কুণ্ডিল নামৰ নগৰ আছিল, কুণ্ডিল ভীষ্মকৰ জীয়াৰী ৰুক্মিণীদেৱীক স্বয়ং দ্বাৰকাপতি পুৰাণ প্ৰসিদ্ধ পুৰুষ শ্ৰীকৃষ্ণই বিয়া কৰাইছিল, মণি নামে পুৰ আছিল য'ত সব্যসাঁচী গাণ্ডিৱধাৰী অৰ্জুনৰ পুত্ৰ মহাবাহু বভ্ৰুবাহনে পিতা-পুত্ৰৰ যুদ্ধত পিতৃ অৰ্জুনৰ বীৰত্ব মষিমূৰ কৰিছিল। এইখন দেশ নৰক, ভগদত্ত, চুকাফাৰ দেশ । সেয়ে এইদেশ প্ৰাকজ্যোতিষপুৰ, কামৰূপ — অসম । প্ৰাগৈতিহাসিক যুগৰপৰা এই দেশৰ নাম প্ৰাগ্‌জ্যোতিষপুৰ বুলি জনাজাত হৈ আহিছে । পুৰণি শাস্ত্ৰসমূহৰ মাজত প্ৰথমতে ৰামায়ণতে প্ৰাগ্‌জ্যোতিষ নামটো পোৱা যায় --

'তত্ৰ প্ৰাগজ্যোতিষং নাম জাতৰূপময় পুৰং ।
তস্মিন্ বসতি দুষ্টাত্মা নৰকো নাম দানৱঃ ।।

*(কিষ্কিন্ধাকাণ্ড, পৃষ্ঠা ৩০-৩১)*

**অৰ্থ ঃ** প্ৰাগ্‌জ্যোতিষপুৰ নামৰ এখন সুন্দৰ নগৰ তাত আছে, আৰু সেই নগৰত নৰক নামেৰে এটা দুষ্ট দানৱ আছে ।

ইয়াৰ পিছত মহাভাৰতৰ সভাপৰ্বত অৰ্জুনৰ উত্তৰ দিগ্বিজয় প্ৰসঙ্গত প্ৰাগজ্যোতিষৰ অধিপতি ভগদত্তৰ লগত অৰ্জুনৰ সংগ্ৰামৰ উল্লেখ আছে ।

'তত্ৰ ৰাজা মহনামীৎ ভগদত্তো ৱিশাম্পতে ।
তেনোসীৎ সুমহদ যুদ্ধং পাণ্ডৱস্য মহাত্মনঃ ।।
স কিৰাতৈশ্চ চীনশ্চ বৃতঃ প্ৰাগজ্যোতিষোভৱৎ ।
অন্যৈশ্চ বহুভিৰ্যোধৈঃ সাগৰানুপৱাসিভিঃ ।।

*(সভাপৰ্ব, পৃষ্ঠা ২৬/৬-৯)*

**অৰ্থ ঃ** প্ৰাগ্‌জ্যোতিষৰ ৰজা ভগদত্ত আছিল । তেওঁৰ লগত মহাত্মা অৰ্জুনৰ ঘোৰতৰ যুদ্ধ লাগিল । প্ৰাগ্‌জ্যোতিষৰ অধিপতি কিৰাত, চীন, সাগৰৰ উপকুলবাসীসহ বহুত যুঁজাৰুৰ দ্বাৰা পৰিৱেষ্টিত আছিল ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

মহাভাৰতৰ অন্যান্য প্ৰসংগটো প্ৰাগ্জ্যোতিষ নামৰ উল্লেখ আছে। ৰামায়ণ-মহাভাৰতৰ দৰে হৰিবংশ, বিষ্ণুপুৰাণ, ব্ৰহ্মাণ্ডপুৰাণতো প্ৰাগ্জ্যোতিষ নামৰ উল্লেখ আছে। কালিকাপুৰাণত প্ৰাগ্জ্যোতিষ আৰু কামৰূপ এই দুয়োটা নামকে পোৱা যায়। এই দুয়োটা নামৰ উৎপত্তি সম্পৰ্কে কালিকাপুৰাণত বিৱৰণ আছে --

অস্য মধ্যে স্থিতো ব্ৰহ্মাপ্ৰাঙ্ নক্ষত্ৰং সমৰ্জহ ।
ততঃ প্ৰাগ্জ্যোতিষাখ্যোয়ং পুৰী শক্ৰপুৰী সমা ।।

(কাঃ পুঃ ৩৮/১১৯)

**অৰ্থ ঃ** ব্ৰহ্মাই ইয়াৰ মাজত থিতাপি লৈ অতীত কালত নক্ষত্ৰৰ সৃষ্টি কৰিছিল কাৰণে এই স্থানৰ নাম ইন্দ্ৰপুৰী সম প্ৰাগ্জ্যোতিষ হ'ল । 'কামৰূপ' শব্দৰ উৎপত্তিৰ বিষয়ে পোৱা যায় —

শম্ভুৰ্নেত্ৰাগ্নিনিৰ্দ্দগ্ধঃ কামঃ শম্ভোৰণুগ্ৰহাৎ ।
তত্ৰ ৰূপং যতঃ প্ৰাপ কামৰূপং ততোভৱৎ ।।

(কাঃ পুঃ পৃষ্ঠা, ৫১/৬৭)

**অৰ্থ ঃ** মহাদেৱৰ নেত্ৰাগ্নিত দগ্ধ হোৱা কামদেৱে পুনৰ ইয়াতে তেওঁৰ (পূৰ্বৰ) ৰূপ লাভ কৰিছিল কাৰণে ইয়াৰ নাম কামৰূপ হ'ল ।

পুৰণি অসমৰ দুৰ্গমতা, কিৰাত, চীন আদি অনাৰ্য বাসিন্দাসকলৰ সম্পৰ্কে ৰামায়ণ-মহাভাৰত আদিত যিদৰে উল্লেখ আছে, সেইবিলাক গৱেষণা কৰি ড° বাণীকান্ত কাকতিদেৱে প্ৰাগ্জ্যোতিষ শব্দটো কেতবোৰ অনাৰ্য শব্দৰ সমষ্টি বুলি প্ৰমাণ কৰিছে। পাগাৰ-পৰ্বত, জ্যো, জুহ-ওখ; তিক্, তিছ্-দীঘল । পৌৰাণিক বৰ্ণনাসমূহৰ লগত এই বৰ্ণনাৰ মিল দেখা যায় । কামৰূপ শব্দটোও দুটা অনাৰ্য শব্দৰ সৃষ্টি ঃ কামৰু + প । কামৰু — নামক দেৱতাৰ পৰ্বত ।

'অসম' – এই শব্দটো ত্ৰয়োদশ শতাব্দীত ছান বংশৰ কিছুমান আক্ৰমণকাৰীৰ ব্ৰহ্মপুত্ৰ উপত্যকা জয় কৰা কাহিনীৰ লগত জড়িত বুলি জনা যায় । ছানসকলৰ টাই বা থাই শাখা এটি কিছুলোকে ১২২৮ খৃষ্টাব্দত উজনি অসম জয় কৰি নিজ শাসন প্ৰতিষ্ঠা কৰে । ছান্‌সকলে নিজক টাই বুলিলেও এই দেশত আসাম, আসম, অসম, অচম আদি নামেৰে জনাজাত । 'অসম' শব্দৰ উৎপত্তি 'নসম' (অতুলনীয়) — এই অৰ্থকে গেইট চাহাবে গ্ৰহণ কৰিছে । ড° কাকতিদেৱৰ মতে এই অসম শব্দটোও 'আচাম' শব্দৰ সংস্কৃত ৰূপ, কাৰণ টাই ভাষাত 'চাম' মানে বিজিত । সেই কাৰণে অসমীয়া ভাষাৰ প্ৰত্যয় 'অ' লগলাগি 'অ' চাম (অজেয়) শব্দৰ সৃষ্টি হৈছে । পিছত এয়ে আসাম বা অসম হৈছেগৈ । প্ৰথমতে অসম শব্দটোৱে আক্ৰমণকাৰীসকলক বুজাইছিল, সেয়েহে পিছত গৈ তেওঁলোকে জয় কৰি থিতাপি লোৱা দেশখনক বুজাবলৈ ধৰিলে ।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

ষোড়শ শতাব্দীত সূৰ্যখৰি দৈৱজ্ঞ লিখিত দৰং ৰাজবংশাৱলীত স্থানসকলক অসম নামেৰেই উল্লেখ কৰা পোৱা যায়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ভাগৱতৰ দ্বিতীয় স্কন্ধত 'অসম মুলুক আদি ৪৭৪), মহাপুৰুষ মাধৱদেৱে নাম-ঘোষাত, দৈত্যাৰি ঠাকুৰৰ (সপ্তদশ শতাব্দীত) শংকৰ চৰিতত আসাম, অসম শব্দৰ ব্যৱহাৰ প্ৰচুৰ পৰিমাণে পোৱা যায় ।

প্ৰাগ্‌জ্যোতিষ (পুৰ), কামৰূপ, অসম বা আসাম এই আটাইকেউটা নামৰ মূলতে কিছুমান অনাৰ্য শব্দ, পিছৰ যুগত আৰ্য সভ্যতা বিস্তাৰ হোৱাৰ লগে লগেহে উপৰোক্ত নামবিলাক গঢ় লৈ উঠে ।

পুৰণি অসম তন্ত্ৰ-মন্ত্ৰৰ বাবে বিখ্যাত । কামৰূপৰ কামাখ্যা মন্দিৰ, শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰ, নেঘেৰিটিং, শিৱসাগৰৰ শিৱদৌল আৰু নানা ঠাইৰ দেৱ-দেৱীৰ থানসমূহ তাৰেই স্বাক্ষৰ । প্ৰাক শংকৰী যুগত অসমত নানা পূজা-পাৰ্বণ, ক্ৰিয়াকাণ্ড আৰু পুৰোহিত শ্ৰেণীৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী আছিল ।

অসমীয়া জাতিটো নানা জাতি উপ-জাতিৰ সংমিশ্ৰণত গঢ় লৈ উঠা এটা বৃহৎ জাতি । এই ভিন ভিন জাতি-গোষ্ঠীৰ নিজা নিজা ভাষা, কৃষ্টি সংস্কৃতি আৰু ধৰ্মীয় পৰম্পৰা আছে । সংস্কৃতিৰ সমন্বয়েৰে গঢ়ি উঠা অসম এখন বৈচিত্ৰ্যপূৰ্ণ দেশ।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱৰ প্ৰাক্ কালছোৱাত অনেক অনাচাৰ, অত্যাচাৰ আৰু ব্যভিচাৰৰ প্ৰকোপে অসম মুলুকত ভয়ানক বিভীষিকাৰ সৃষ্টি কৰে । অনেক ধৰ্মীয় আদৰ্শ আৰু নীতিয়ে চাৰিওফালে গা কৰি উঠে । কিন্তু সনাতম শুদ্ধ, সত্য, ধৰ্ম প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যে সময়ে সময়ে মহাপুৰুষ ব্ৰহ্মবিদ,ঋষি আদি ক্ষণজন্মা পুৰুষসকলে জন্ম গ্ৰহণ কৰি সমাজক সু-পথৰ সন্ধান দি যায় । অসম ভাৰতীয় ধৰ্ম-সংস্কৃতিৰ পৰম্পৰাৰপৰা পৃথক নহয় । বিভিন্ন ধৰ্মৰ ধাৰা সম্পৰ্কত বিচাৰ কৰিলে এই কথা স্পষ্ট হৈ পৰে যে, তন্ত্ৰ আৰু পুৰাণ শাস্ত্ৰসমূহত যি যি ধৰ্মৰ মত বৰ্ণিত হৈছে তাৰ প্ৰভাৱে জনসাধাৰণক অন্য চিন্তা কৰিবলৈ অক্ষম কৰি তুলিলে । সেয়ে ভিন্ন ধৰ্মপন্থাবিলাকৰ প্ৰভাৱ সমাজত আজিও বিৰাজমান । বৰ্তমান নানা জাতি উপ-জাতিৰ বাসভূমি অসমৰ প্ৰায় সকলো অঞ্চলতে তান্ত্ৰিক সাধন পদ্ধতি বিৰাজমান ।

অসমৰ গোলাঘাট জিলাৰ বিভিন্ন অঞ্চল — দৈয়াং, ফৰকাটিং, মৰঙি, ঢেকীয়াল, বোকাখাত, ধনশিৰি মহকুমাৰ বিভিন্ন অঞ্চল, দেৰগাঁও মিছামৰা আদি অঞ্চলসমূহও এনে পৰম্পৰাৰে এটি ক্ষুদ্ৰ সংস্কৰণ । ইয়াতো আছে ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ, আছে মিৰি, মিকিৰ, বড়ো, কছাৰি, কোচ নানা জনজাতি, আহোম, চুতীয়া, কঁহাৰ, কমাৰ, কুমাৰ, বনিয়া নাপিত, ধোবা, চমাৰ, মুচি, দেওধাই, বাইলুং, কলিতা, কায়স্থ, চাণ্ডাল, মুণ্ডা, গোৱাল, ৰাজপুত, বাৰৈ, হাড়ি, কৈবৰ্ত্ত, চৈয়দ, আহমেদ, খৃষ্টান, চাহ মজদুৰকে ধৰি আৰু কতবিধ জাতি সম্প্ৰদায় । নানা ধৰ্ম-সংস্কৃতিৰ

পৰম্পৰাত সহ অৱস্থান কৰা সকলো জনগোষ্ঠীয়েই শান্তিপূৰ্ণভাৱে বসবাস কৰিছে আৰু সকলো সংকল্পবদ্ধ হৈ 'জিয়ে অসম মৰে কোন, মৰে অসম জিয়ে কোন ।' — এই মহান বাণীৰে উদ্বুদ্ধ হৈ মহান জাতীয় চৰিত্ৰৰ সুঁতিত মিলি গৈছে ।

বৰ্ত্তমান অসমীয়া বুলি চিনাকি দিবলৈ সমৰ্থ হোৱা হৈছে, সেয়া সম্ভৱ হৈ উঠিল কেৱল এগৰাকী যুগনায়ক মহাপুৰুষৰ কৃপাত । সেই গৰাকী হ'ল মুমুৰ্ষ জাতিটোৰ ত্ৰাণকৰ্ত্তা সৰ্বগুণাকৰ শ্ৰীমন্ত শংকৰদেৱ ।(১৪৪৯-১৫৬৯ খ্ৰীঃ) । সকলোৰে অতি সহজে পালন কৰিবপৰা যুগোপযোগী ধৰ্ম যাৰ নাম হ'ল 'এক শৰণ হৰি নাম-ধৰ্ম' । এই ধৰ্মৰ আধাৰ স্বৰূপ গ্ৰন্থ হ'ল গীতা আৰু ভাগৱত । মহাপুৰুষজনাই জাতি-বৰ্ণ নিৰ্বিশেষে এক শৰণীয়া কৰি বৈষম্যহীন এখন ভকতীয়া সমাজ গঢ় দিয়াৰ প্ৰয়াস কৰিছিল । বৰ্ত্তমান গাঁৱে গাঁৱে নামঘৰ, গৃহে গৃহে কীৰ্ত্তন ঘৰসমূহ মহাপুৰুষীয়া আদৰ্শৰ আধ্যাত্মিক চৰ্চা-সাধনা, উপাসনা কেন্দ্ৰ হিচাপে পৰিগণিত । নামঘৰ জাতীয় নাটশাল । ইয়াত মহাপুৰুষীয়া ধৰ্মৰ আদৰ্শেৰে নৃত্য-গীত-বাদ্য ভাওনা অভিনয় প্ৰদৰ্শন কৰি জাতীয় কলা-কৃষ্টি সংৰক্ষণ কৰাৰ লগতে 'কৃষ্ণ কেন্দ্ৰীক' সংস্কৃতিৰ বিকাশ ঘটোৱা হৈছে । মহাপুৰুষ শংকৰদেৱৰ প্ৰৱৰ্ত্তিত ধৰ্ম আৰু সংস্কৃতি ৰক্ষা আৰু সমাজ সংগঠনৰ মহামন্ত্ৰেৰে দীক্ষিত দেৰগাঁও, মিছামৰা, ঢেকীয়াল, মৰঙি, দৈয়াঙৰ সত্ৰ-নামঘৰসমূহ তেৱাৰ দূৰদৰ্শিতাৰ নিদৰ্শন ।

সৰু-ডাঙৰ অলেখ সত্ৰ গুৰুজনাৰ আদৰ্শত পৰৱৰ্ত্তীকালত প্ৰতিষ্ঠা হয় । লেটুগ্ৰাম, কন্দলি, মদাৰগুৰি, মধুমিশ্ৰ, কাঠবাপু, ভোটমৰিচ, আধাৰ, আঁহতগুৰি, কাঠৰ, থুলুকিয়াল, ন-মাটি, পুৰণি মাটি আদি এই অঞ্চলত থকা সত্ৰ । ইয়াৰ উপৰি মুকলিমুৰীয়া ন-গোহাঁই আদি ৰাজগুৰু বংশোদ্ভৱ সত্ৰ আছে ।

মহাপুৰুষীয়া সমাজখনলৈ শ্ৰীশ্ৰীমাধৱদেৱ, শ্ৰীশ্ৰীদামোদৰদেৱ, শ্ৰীশ্ৰীহৰিদেৱ প্ৰমুখ্যে মহাপুৰুষজনাৰ অনুগামী ভক্তসকলৰ অৱদানো কম নহয় । তেৱাসকলৰ ৰচিত আধ্যাত্মিক দৰ্শনতত্ত্ব সম্বলিত সাহিত্যৰাজি অতুলনীয় । কীৰ্ত্তন, দশম, ঘোষা-ৰত্নাৱলী মহাপুৰুষীয়া বৈষ্ণৱসকলৰ চাৰিবেদ স্বৰূপ । শংকৰদেৱ-মাধৱদেৱৰ বিৰচিত অংকীয়া নাটসমূহ অসমীয়া নাট্য সাহিত্যলৈ অভিনৱ সৃষ্টি । বৰগীতসমূহৰ দৰে উচ্চাংগ সংগীত জগতত আজিও ৰচিত হোৱা নাই । চাৰিকুৰি চাৰি প্ৰকাৰ ৰাগ বিশিষ্ট এই বৰগীতসমূহ । বৰগীতৰ লগতে আমাৰ সমাজত চলি থকা আন কেইবিধমান সংগীত আছে । বিহু গীত, টোকাৰি গীত, হুঁচৰি নাম, দিহা নাম, বিয়া নাম, আই নাম, লোকগীত, নিচুকণি গীত, থিয় নাম, উঠা নাম, ওজা-পালি গীত, হিয়া নাম, নাওখেলৰ গীত, গৰখীয়া নাম, বনগীত, ভক্তি গীত, প্ৰসংগীয়া নাম, নাটৰ গীত, আধুনিক গীত আদি । আধুনিক গীত, বনগীত আদি কেইবিধমান গীতৰ বাহিৰে অন্য আটাইকেইবিধ গীততে আধ্যাত্মিকতা সোমাই থকালৈ চাই গীতবিলাকত

গুৰুজনাৰ প্ৰভাৱকে সূচায় । প্ৰসংগীয়া নাম মহাপুৰুষীয়াৰ প্ৰধান উপাদেয় আৰু সাধন প্ৰাৰ্থনা কৃষ্টি । এনেদৰেই সামাজিক পৰম্পৰাপুষ্ট এই অঞ্চলৰ উন্নয়নমুখী শান্তিপ্ৰিয় কৃষিজীৱী বাসিন্দাসকল ।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱে এখন আধ্যাত্মিক ৰাজ্য সু-সংগঠন কৰি তাৰ অধীশ্বৰ হৈ এই ধৰাধামৰপৰা বৈকুণ্ঠলৈ মহাপ্ৰয়াণৰ প্ৰায় শতেক বছৰৰ পাছত তেৰাৰ ৰাজ্য ক্ৰমে থান-বান হ'বলৈ আৰম্ভ কৰে । ধৰ্ম প্ৰচাৰকৰ মতানৈক্য, বিদেশী প্ৰব্ৰজন, চিন্তানায়কৰ অভাৱ, নৈতিকতাৰ স্খলন আদি কাৰণত এনে এখন শান্তিপূৰ্ণ আধ্যাত্মিক সমাজলৈ নামি আহিল কলুষ-কালিমাৰে পৰিপূৰ্ণ মেঘাচ্ছন্ন দুৰ্দিন । কাৰণ মহাপুৰুষীয়া শুদ্ধ ধৰ্মৰ মতৰপৰা ফালৰি কাটি নিজ নিজ মতানুসৰি গুৰুজনাৰ ধৰ্মত বিভ্ৰাটৰ সৃষ্টি কৰি সমাজখনক বিপথগামী কৰি তুলিলে । ফলত মহাপুৰুষীয়া, হৰিদেৱী, দামোদৰী আদি ধৰ্ম সম্প্ৰদায়ৰ সৃষ্টি হ'ল । তদুপৰি কৰ্মভকতি পথে কৰ্মকাণ্ডী বৈষ্ণৱ, কৰ্মকাণ্ড মিশ্ৰিত কেৰলীয়া পন্থা, কৰণি পতীয়া, ৰাতিখোৱা, দিগম্বৰী আদি অনেক পদ্ধতিৰে সমাজখন খণ্ড-বিখণ্ড হৈ পৰিল। তথাপিতো কীৰ্ত্তন, দশম, ঘোষা, ৰত্নাৱলী ঘৰ—সমাজৰপৰা বিবৰ্জিত নোহোৱাকৈ থাকি গ'ল । গোলাঘাট জিলাৰ বিভিন্ন অঞ্চলত এনেবিলাক পদ্ধতি প্ৰৱৰ্ত্তি আছে । আজি কিছু বছৰৰপৰা 'পাল নাম সমাজ' নামৰ এটি সংগঠন গঢ় দিয়া হৈছে । এই সমাজৰ সৌজন্যত গৃহস্থীয়ে পালন কৰি থকা সকামী কৰ্মভাগী সমাজলৈ উলিয়াই অনা হৈছে । দেৰগাঁও, মিছামৰা পাল নাম সমাজ এনে এক সংগঠন, যাৰ দ্বাৰা প্ৰতি বছৰে 'পালনাম' সমূহীয়াকৈ অনুষ্ঠিত কৰিবলৈ লৈছে ।

গোলাঘাট জিলা অসমৰ ক্ষুদ্ৰ সংস্কৰণ । ইয়াত বাৰে বৰণীয়া বৰ্ণ-সম্প্ৰদায়ৰ জনগণে কৃষি-শ্ৰম ভিত্তিত বসবাস কৰিছে । দৰিয়া, ৰাঙলিটিং, বেতিয়নী, বৰফলং, কৰুণাটিং, খুমটাই, শাওতলি, ৰঙামাটি, কনগাঁও, বৰকাঠনি, মহিমা, বাদুলিপাৰ, বালিজান, মকৰং, ঘিলাধাৰী, দলৈজান, নেঘেৰিটিং, বালিজান, মিছামৰা আদি চাহ বাগিচাসমূহে চাহ বাগিচাত বসবাস কৰা অসমীয়া চাহ জনগোষ্ঠীৰ ভাইসকলক ব্যৱসায়-বাণিজ্যৰে ভৰণ-পোষণ দিব লাগিছে । তদুপৰি চাহ বাগিচা আৰু অন্যান্য গাঁও যেনে ঢেকীয়াল, নাহৰণি, মৌখোৱা, কছাৰিহাট আদিত মুছলমান সম্প্ৰদায়ৰ লোকে বসবাস কৰে । একেশ্বৰবাদ বহনকাৰী আজান ফঁকিৰৰ জিকিৰ গীতসমূহে মহাপুৰুষীয়া ধৰ্ম দৰ্শনক আধ্যাত্মিকতাৰ ওচৰলৈ চপাই আনিবলৈ সমৰ্থ হৈছে । চাহ বাগিচাৰ বহুলোকে শংকৰী নৃত্য-গীত ভাওনাৰ আদৰ্শত মোহিত হৈ মহাপুৰুষীয়া ধৰ্মত দীক্ষিত হৈছে ।

পৰৱৰ্ত্তীকালত সমাজ সংস্কাৰৰ মহৎ আশাৰে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱে ব্যঙ্গ ৰসাত্মক সাহিত্য সৃষ্টিৰে মুমূৰ্ষু অসমীয়া জাতিটোক পুনৰ চেতনা দিবলৈ পৰিযত্ন কৰে । শ্ৰীমন্ত শংকৰদেৱৰ মহান ধৰ্মৰ সাৰ্থকতা পুনৰ প্ৰতিষ্ঠা

কৰিবলৈ ধৰ্মীয় সমালোচনামূলক সাহিত্য সৃষ্টি কৰে । 'তত্ত্ব কথা' নামৰ গ্ৰন্থ তাৰেই চানেকি । শংকৰদেৱ আৰু শংকৰদেৱ-মাধৱদেৱ তেৰাৰ ৰচিত দুখনি গুৰু চৰিত পুথি। বেজবৰুৱাদেৱৰ একক প্ৰচেষ্টাৰ সহায়ক স্বৰূপেই এটি ধৰ্ম জাগৰণৰ সৃষ্টি কৰা প্ৰয়োজনীয়তা উপলব্ধি কৰে স্বনামধন্য শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামী, ৰায় চাহাব গোপীকা বল্লভ গোস্বামী, ডিম্বেশ্বৰ নেওগ, লোকসেৱক হলধৰ ভূঞা, সমাজসেৱক ৰমাকান্ত মুক্তিয়াৰ আতা আদি লোকসকলে । প্ৰায় ১৯০৯-১০ চনৰপৰা এই লোকসকলে ধৰ্ম জাগৰণ সৃষ্টিত আত্মনিয়োগ কৰি ১৯৩০ চনত শংকৰ সংঘ নামে এটি ধৰ্মীয় সাংস্কৃতিৰ অৰাজনৈতিক গণতান্ত্ৰিক সংগঠন সমগ্ৰ অসম জুৰি জন্ম দিয়ে। এই সংগঠন কাৰ্যত বেজবৰুৱাদেৱৰ পৰামৰ্শত আগ্ৰহেৰে গ্ৰহণ কৰিছিল । বৰ্ত্তমান তেতিয়াৰ শংকৰ সংঘৰ নাম শ্ৰীমন্ত শংকৰদেৱ সংঘ কৰা হৈছে । আজি অৱশ্যে নগৰে-চহৰে পৰ্বতে-ভৈয়ামে এই অনুষ্ঠানৰ পুলি-পোখাই চানি পেলাবলৈ সক্ষম হৈছে । এই জিলাতো শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাথমিক শাখাই প্ৰতিখন গাঁও সামৰিবলৈ সক্ষম হৈছে । ৰাঙলিটিং, নেঘেৰিটিং, ৰঙামাটি, বালিজান, মকক্ৰেং আদি চাহ বাগিচাত সংঘৰ শাখা গঠন হৈছে । নদী কাষৰীয়া অঞ্চলত বসবাস কৰা মিছিং জনগোষ্ঠীৰ লোকসকলে নিজৰ ধৰ্মীয় পৰম্পৰা ৰক্ষা কৰি চলিলেও বৰ্ত্তমান মহাপুৰুষীয়া ধৰ্মাদৰ্শৰ আচাৰ পদ্ধতিয়ে তেওঁলোকৰ মন স্পৰ্শ কৰিছে । বিস্তৃত ব্ৰহ্মপুত্ৰ অঞ্চলত বসবাস কৰা মিছিং সম্প্ৰদায়, বগুকোৱাল আদি অঞ্চলৰ মিছিং জনগোষ্ঠীৰ মাজত সংঘৰ শাখা গঠন প্ৰক্ৰিয়া অব্যাহত আছে ।

গুৰু পৰম্পৰা আৰু শুদ্ধ সত্য পবিত্ৰ ধৰ্মৰ ধাৰা প্ৰবাহিত কৰিবলৈকে উত্তৰ গোলাঘাট শ্ৰীমন্ত শংকৰদেৱ জন্মোৎসৱ সমিতিৰ সৌজন্যত ১৯৬৬ চনত শ্ৰীমন্ত নামৰ এখনি ধৰ্ম, কলা-সাহিত্য, সংস্কৃতিৰ আলোচনীৰ জন্ম দিয়ে । অদ্যাৱধি এই আলোচনী ভাগ প্ৰকাশ হৈ আছে । বৰ্ত্তমান উক্ত জন্মোৎসৱ সমিতিয়ে 'শ্ৰীমন্ত' প্ৰকাশৰ দায়িত্ব শ্ৰীমন্ত শংকৰদেৱ সংঘ গোলাঘাট জিলা শাখাক অৰ্পণ কৰে । তদুপৰি ১৯৭৪ চনৰপৰা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মুখপত্ৰ 'নামধৰ্ম' কাকত দহোটি সংখ্যা এই অঞ্চলৰপৰাই শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়াদেৱৰ সম্পাদনাত প্ৰকাশ হয় । মিছামৰা মৌজাৰ খনিকৰ গাঁৱত এখনি প্ৰায় চাৰিশ বছৰীয়া সাঁচিপতীয়া হাতে লিখা কীৰ্ত্তন ঘোষা পুথি আছে । এই পুথিভাগক প্ৰায় ভকতে বুঢ়া পুথি বুলি ক'বলৈ ভাল পায় । এই পুথিভাগৰ প্ৰতি প্ৰতিজনলোকৰ শ্ৰদ্ধা-ভক্তি অপৰিসীম । ঘৰে ঘৰে কীৰ্ত্তন-ঘোষা পুথি থকা সত্বেও নামকীৰ্ত্তন অনুষ্ঠিত কৰিবলৈ এই পুথিভাগ নিয়ে । গোলাঘাটৰ উপৰি অন্যান্য জিলাৰ ভক্তপ্ৰাণ বৈষ্ণৱসকলে এই পুথি নি নামকীৰ্ত্তন অনুষ্ঠিত কৰে । ইয়ো গুৰু ধৰ্মৰ প্ৰতি থকা প্ৰগাঢ় বিশ্বাস আৰু আনুগত্যৰ চিন নিশ্চয় ।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

**আৰ্থ-সামাজিক অৱস্থা ঃ** অতীতৰপৰাই অসমৰ আৰ্থ-সামাজিক বুনিয়াদ কৃষি ভিত্তিক হিচাপে গঢ় লৈ আহিছে । অসমৰ জাতীয় সংস্কৃতিৰ মূল উপাদান কৃষি ভিত্তিক । প্ৰায় ৮০ শতাংশ লোক কৃষিকৰ্মত নিয়োজিত । ধৰ্ম তথা লোক সংস্কৃতিৰ পৰম্পৰা সামগ্ৰিকভাৱে কৃষি আৰু ইয়াৰ মূল ভিত্তি পৃথিৱীৰ উৰ্বৰা শক্তিৰ লগত জড়িত । অসমীয়া মানুহৰ আশা-আকাঙ্খা, উৎসৱ-অনুষ্ঠান, আচাৰ ৰীতি পদ্ধতি, সাজ-পোছাক, পূজা-সেৱা সকলো কৃষিৰ উৎপাদিকা শক্তিৰ লগত ওতঃপ্ৰোতভাৱে সম্পৰ্ক আছে ।

গোলাঘাট জিলাৰ গ্ৰাম্য অঞ্চলৰ সাংস্কৃতিক বুনিয়াদ অসমীয়া জাতীয় সংস্কৃতিৰপৰা বিচ্ছিন্ন নহয় । স্বাধীনোত্তৰ কালত এই বৃহত্তৰ অঞ্চলৰ শ্ৰমজীৱী লোকসকলে জাতীয় সংস্কৃতি বিকাশৰ কাৰণে আৰ্থ-সামাজিক দিশত উন্নয়নৰ উদ্দেশ্যে কৃষিকৰ্মত নিয়োজিত, শিক্ষা গ্ৰহণ, বেহা-বাণিজ্য, উদ্যোগপাম আদি সম্প্ৰসাৰণ কৰাত মনোনিৱেশ কৰে ।

জিলাখনৰ মাজেদি বৈ যোৱা ধনশিৰি, গেলাবিল আৰু দাতিকাযৰীয়া নদী কাকডোঙাই কৃষি মাটি উৰ্বৰা কৰাত সহায় কৰে । ধান, মৰাপাট, মাহ, কুঁহিয়াৰ, ঘেঁহু, আলু, কচু আদি খাদ্য সামগ্ৰী উৎপাদন হয় পৰ্যাপ্ত পৰিমাণে । অৱশ্যে বছৰৰ নদীৰ বানপানীয়ে নদী কাষৰীয়া অঞ্চলৰ মানুহৰ খেতি-বাতি নষ্ট কৰাৰ উপৰি আৰ্থ-সামাজিক অৱস্থাত আঘাত হানে । কৃষি সামগ্ৰী উৎপাদন হ'লেও অঞ্চল বিশেষে মানুহখিনি ভৰণপোষণৰ ক্ষেত্ৰত স্বাৱলম্বী নহয় । খাদ্য সামগ্ৰী প্ৰায়বোৰেই অন্য ঠাইৰপৰা আনিব লগা হয় । প্ৰতি বছৰে বৰ্দ্ধিত জনসংখ্যা আৰু কৃষিৰ মাটি একে পৰিমাণতে থকাত খাদ্য সামগ্ৰীৰ অভাৱ পৰিলক্ষিত হয় । বছৰৰ কেইমাহমানহে মানুহখিনি কৃষিকৰ্মত জড়িত হৈ থাকে; অঞ্চলটিত বেহা-বাণিজ্য আৰু উদ্যোগ আদিৰ ব্যৱস্থা নথকাত প্ৰায়খিনি মানুহেই নিবনুৱা হৈ থাকিবলগীয়া হয় । জিলাখন উদ্যোগৰ ক্ষেত্ৰত অতিকৈ পিছপৰা । দেৰগাঁও সমষ্টিৰ ভূতপূৰ্ব বিধায়ক সমাজকৰ্মী নৰেন শৰ্মাদেৱৰ উদ্যোগত ইংৰাজী ১৯৫৫-৫৬ চনত গোলাঘাট জিলাৰ বৰুৱাবামুণ গাঁৱত অসম সমবায় চেনিকল লিমিটেড, সমবায় খণ্ডত এটি চেনি উদ্যোগ প্ৰতিষ্ঠা হয় । অংশীদাৰসকলৰ সহযোগত প্ৰতিষ্ঠিত চেনিকলটিৰ উন্নতিত অৰিহণা যোগাবলৈ কৃষক ৰাইজে কুঁহিয়াৰ খেতি কৰিছিল । প্ৰায় এহেজাৰ বাৰশ শ্ৰমিকে কাম কৰি জীৱিকা উপাৰ্জন কৰাৰ লগতে গ্ৰাম্য অঞ্চলত আৰ্থ-সামাজিক অৱস্থা উন্নয়নত প্ৰভূত বৰঙণি আগবঢ়ায় । প্ৰায় ত্ৰিশ বছৰৰ পাছত প্ৰশাসনৰ ভুল নীতি, অদূৰদৰ্শিতা আৰু দুৰ্নীতিৰ প্ৰকোপত উদ্যোগপটিৰ অৱস্থা শোচনীয় হৈ পৰে । ১৯৯২ চনত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগ নীতিৰ আধাৰত সমবায় খণ্ডত থকা উদ্যোগটি 'ব্ৰহ্মপুত্ৰ চেনি উৎপাদন কোম্পানী' নামৰ এক ব্যক্তিগত খণ্ডলৈ ৪৯ বছৰৰ বাবে লীজত দিয়ে । এই সময়ছোৱাত শ্ৰমিক-কৰ্মচাৰীৰ বিভিন্ন দাবীৰ ভিত্তিত

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

আন্দোলন, ধৰ্মঘট আৰু কৰ্তৃপক্ষৰ অদক্ষ পৰিচালনাৰ ফলত চেনি উৎপাদন ক্ৰমাত হ্ৰাস পাবলৈ ধৰে । ১৯৯৬-৯৭ চনত উদ্যোগটিৰ উৎপাদন বন্ধ হয় । হঠাৎ চেনিকলটি বন্ধ হৈ যোৱাত কুঁহিয়াৰ যোগান ধৰা প্ৰায় ১৫ হেজাৰ কৃষক পৰিয়াল আৰু এহেজাৰ শ্ৰমিকৰ জীৱনলৈ অভাৱনীয়ভাৱে অভাৱ-অনাটন নামি আহিল ।

খুমটাই সমষ্টিৰ বাদুলিপাৰৰ ডাবিডুবীত প্ৰতিষ্ঠিত শ্বহীদ কুঁশল কোঁৱৰ সমবায় সুতাকল লিমিটেডৰ উদ্যোগটি গোলাঘাট জিলাৰ উদ্যোগ সম্প্ৰসাৰণৰ অন্য এক ঐতিহাসিক পদক্ষেপ । মাননীয় খুমটাই বিধান সভা সমষ্টিৰ বিধায়ক, সমাজকৰ্মী নগেন বৰুৱাদেৱৰ অশেষ ত্যাগ আৰু শ্ৰমৰ বিনিময়ত সুতা কলটি প্ৰতিষ্ঠা হয় । মাত্ৰ কেইটামান বছৰ চলাৰ পিছত উদ্যোগটি বন্ধ হয় । বৰ্তমান ইয়াত কাম কৰা প্ৰায় তিনিশ শ্ৰমিক কৰ্মী নিবনুৱা হৈ পৰিল, লগতে কৃষক পৰিয়ালত নিৰাশাৰ চেঁচাপানী চালিলে ।

এই অঞ্চলৰ আৰ্থ-সামাজিক উন্নয়নৰ অন্যতম উপাদন হ'ল বেহা-বাণিজ্য। ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত সমগ্ৰ জিলাখনেই পিছপৰা । উৎপাদিত পণ্য দ্ৰব্যৰ নাইবা শিল্পজাত সামগ্ৰীৰ অভাৱেই হ'ল ইয়াৰ কাৰণ । তদুপৰি মেৰাপানী দৈয়াং অঞ্চলৰ কিছু উৎপাদিত সা-সামগ্ৰী অন্য ঠাইলৈ সৰবৰাহ হয় । জিলাখনৰ গোলাঘাট সদৰ ঠাই । ইয়াত কেন্দ্ৰীয়ভাৱে বেহা-বেপাৰ হয় । বোকাখাত বৰ্তমান ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত প্ৰতিষ্ঠিত গোলাঘাট জিলাৰ অন্যতম মহকুমা । বৰ্তমান শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত আগবঢ়া এখন ব্যৱসায় কেন্দ্ৰীক স্থান হৈ পৰিছে । সৰুপথাৰ আৰু বৰপথাৰ অঞ্চলক সামৰি ধনশিৰি মহকুমা এটি পিছপৰা অঞ্চল । প্ৰায়বিলাক মানুহেই কৃষি নিৰ্ভৰশীল । গোলাঘাট মহকুমাৰ উত্তৰ দিশত অৱস্থিত দেৰগাঁও ৰাজহ চক্ৰ ৩৭ নং ৰাষ্ট্ৰীয় পথৰ কাষত অৱস্থিত । আৰ্থ-সামাজিক অৱস্থা টনকীয়াল নহয় । ইয়াৰ সমীপৱৰ্তী অঞ্চল বৃহত্তৰ ব্ৰহ্মপুত্ৰ গাঁও পঞ্চায়ত এলেকাটো বান বিধ্বস্ত অঞ্চল ।

মিছামৰা মৌজাৰ উত্তৰ অঞ্চলক লৈ ব্ৰহ্মপুত্ৰ গাঁও পঞ্চায়ত এলেকা গঠিত । ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰপৰা সুদুৰ ব্ৰহ্মপুত্ৰ নদী পৰ্যন্ত এই অঞ্চলটি যাতায়তৰ ক্ষেত্ৰত পিছপৰা । গড়কাপ্তানি বিভাগৰ অধীনত ৰাস্তা-ঘাট নিৰ্মাণ কৰি বান বিধ্বস্ত অঞ্চলৰ ৰাইজৰ যাতায়তৰ ব্যৱস্থা কৰে যদিও মেৰামতিৰ অভাৱত ৰাস্তা-ঘাট, দলং, পুল ভাঙি-ছিঙি যাতায়তৰ অসুবিধা হৈ পৰিছে । বানপানীৰ প্ৰকোপত কৃষক ৰাইজৰ অৱস্থা অতি শোচনীয় হৈ পৰে । এই অঞ্চলৰ পূৰ্বৰ প্ৰচলিত প্ৰবাদ বাক্য — 'শস্যে মৎস্যে অনুপম' এনে ধাৰণাৰ পৰিবৰ্তন ঘটাইছে প্ৰকৃতিয়ে । জিলাখনৰ শতকৰা ৮০ ভাগ মানুহ নিম্ন মধ্যবিত্ত পৰিয়ালৰ অন্তৰ্ভুক্ত । শতকৰা ১৫ ভাগ মানুহ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰিছে । সেইসকলৰ বাবে অন্ন-বস্ত্ৰ, বাসগৃহৰ অভাৱ।

পৰিয়ালৰ যুবকবীসকল দিনজোৰা শ্ৰমেৰে অন্ন-বস্ত্ৰৰ চিন্তাত কঠোৰ শ্ৰম কৰি ব্যস্ত থকাত নিজৰ ল'ৰা-ছোৱালীৰ মানসিক উৎকৰ্ষ সাধনত মনোনিৱেশ কৰিবলৈ সময় নাপায় । স্বাধীনোত্তৰ কালত শিক্ষা সম্প্ৰসাৰণৰ উদ্দেশ্যে প্ৰতি গাঁৱত একোখন প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছে । তদুপৰি উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি জিলাখনৰ গ্ৰাম্য অঞ্চলত শিক্ষা সম্প্ৰসাৰণত চৰকাৰে অধিক গুৰুত্ব দিছে ।

গোলাঘাট জিলাৰ আৰ্থ-সামাজিক অৱস্থাৰ বিষয়ে আলোচনা কৰিবলৈ হ'লে জিলাখনৰ চাহ উদ্যোগ আৰু ইয়াৰ লগত প্ৰত্যক্ষভাৱে জড়িত চাহ জনগোষ্ঠীৰ জীৱন-ধাৰণ প্ৰণালী আৰু শ্ৰমৰ মূল্যায়ন সম্পৰ্কে কিছু আলোচনা কৰা দৰ্কাৰ । জিলাখনৰ বিভিন্ন অঞ্চলত অৱস্থিত প্ৰায় ৬০ খন চাহ বাগিচাৰ উৎপাদিত চাহ সামগ্ৰীয়ে প্ৰায় ১৫০ বছৰ কাল ধৰি দেশৰ আৰ্থ-সামাজিক ব্যৱস্থাত প্ৰভূত পৰিমাণৰ বৰঙণি যোগাই আহিছে । লগতে চাহ জনগোষ্ঠীৰ লোকসকলে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি, উৎসৱ অনুষ্ঠানসমূহ নিজৰ বুলি গ্ৰহণ কৰি অসমীয়া জাতীয় সংস্কৃতিৰ ভেটি সুদৃঢ় কৰাত সহায় কৰিছে । চাহ উদ্যোগৰ উৎপাদিত পণ্য সামগ্ৰীৰ লাভাংশই জাতীয় আয়ৰ উন্নতিত প্ৰচুৰ ইন্ধন যোগাইছে ।

আৰ্থ-সামাজিক উন্নয়নত ৰাষ্ট্ৰীয়কৃত বেংকসমূহৰ ভূমিকা উল্লেখযোগ্য । কৃষি আৰু উদ্যোগৰ ক্ষেত্ৰত বেংকৰ সহায়-সহযোগ নিতান্ত প্ৰয়োজন । জিলাখনৰ বিভিন্ন অঞ্চলত প্ৰতিষ্ঠিত বেংকসমূহে কৃষক ৰাইজক প্ৰচুৰ পৰিমাণে ঋণ আগবঢ়াই উৎপাদনমুখী কৰি তুলিবপৰা নাই । পৰিবৰ্তিত সমাজ ব্যৱস্থাত বিশেষকৈ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অগ্ৰগতিৰ পটভূমিত বেংকসমূহে কৃষিভিত্তিক উদ্যোগ গঢ় দিয়াত আঁচনি গ্ৰহণ কৰিলে দেশৰ অন্য ঠাইৰ দৰে বৃহত্তৰ গোলাঘাট জিলাৰ অৰ্থনৈতিক বিকাশ ঘটিব । ইয়াৰ কাৰণে জনসাধাৰণৰ সক্ৰীয় সহযোগ আৰু চৰকাৰৰ সুপৰিকল্পিত আঁচনি প্ৰস্তুতকৰণত উচিত আৰু ফলপ্ৰসু দিশকেইটা উলিয়াই ল'ব লাগিব ।

**সাংস্কৃতিক পৰম্পৰা ঃ** ইতিহাসে গৰকা ঐতিহ্যমণ্ডিত বৃহৎ অঞ্চল দেৰগাঁও, মিছামৰা, ঢেকিয়াঁল তথা গোলাঘাট জিলাৰ বিভিন্ন অঞ্চল । সাতত্ৰিশ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথ, উনছল্লিছ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথ আৰু পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথৰ দৰে অতি গুৰুত্বপূৰ্ণ পথৰ সংগম স্থলক কেন্দ্ৰ কৰি গঢ় লৈ উঠা কেইবাখনো আধুনিক চহৰ গোলাঘাট জিলাৰ প্ৰাণকেন্দ্ৰ । ঠিক তেনেকৈ বিভিন্ন শিক্ষানুষ্ঠান, স্বাস্থ্যকেন্দ্ৰ, চেনিকল, সূতাকল সমন্বিতে দেৰগাঁও মিছামৰা এখন উন্নত ঠাই । গ্ৰামিন আৰু নাগৰিক সভ্যতাৰ অপূৰ্ব মিলন ভূমি বৃহত্তৰ দেৰগাঁও অঞ্চল । গোলাঘাট জিলাৰ উল্লেখযোগ্য ঠাই য'ত বিভিন্ন সম্প্ৰদায়ৰ, বিভিন্ন জনগোষ্ঠীৰ সংস্কৃতিৰ মিলন হৈছে । বহুতো সু-সন্তানৰ প্ৰসবিনী এই বৃহৎ দেৰগাঁও । ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা, প্ৰত্নতত্ত্ববিদ,

হেমচন্দ্ৰ গোস্বামী, সাংবাদিক লক্ষীনাথ ফুকন, কথা শিল্পী চৈয়দ আব্দুল মালিক, কবি নীলমণি ফুকন আৰু বহুতো সাহিত্যিক, শিল্পী অমৰ শৰ্মা, উপেন কাকতি, নৃত্য ভাৰতী যতীন গোস্বামী, উচ্চ ৰাজবিষয়া ভাস্কৰ বৰুৱা, মদনপ্ৰসাদ বেজবৰুৱা, প্ৰফুল্ল শৰ্মা আদি সমাজসেৱক আৰু ৰাজনীতিবিদ নৰেন শৰ্মা, নগেন বৰুৱা, হেমপ্ৰকাশ নাৰায়ণ, জীৱকান্ত গগৈ আৰু বহুতো শিক্ষাবিদ মোহিনী কুমাৰ শইকীয়া (গোলাঘাট), চন্দ্ৰনাথ খাউন্দ (দেৰগাঁও), হৰকান্ত মহন্ত (দেৰগাঁও) আদি বহুতো অসম মাতৃৰ মুখ উজ্জ্বল কৰা সু-সন্তানৰ জন্মস্থান এই বৃহৎ অঞ্চল ।

অঞ্চল একোটাৰ নামৰ লৈতে প্ৰাচীন ঐতিহ্য জড়িত হৈ থাকে । দেৰগাঁও নাম কিয় ? 'দেৱগ্ৰাম' শব্দৰ অপভ্ৰংশ দেৰগাঁও হোৱাৰ কথা আগমাচাৰ্যৰ বংশৰ ৰাজ কবি দুৰ্গেশ্বৰ দ্বিজ, সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা আদিয়ে উল্লেখ কৰিছে । আগমাচাৰ্যক মাটি-বৃত্তি দান দিয়া তামৰ ফলিতো 'দেৱগ্ৰাম'ৰ উল্লেখ পোৱা যায় । কিন্তু আগমাচাৰ্যৰ আগমনৰ আগতে আহোম বুৰঞ্জীত আহোম-কছাৰীৰ সংঘৰ্ষৰ সংক্ৰান্তত দেৰগাঁৱক 'দেওৰগাঁও' বুলিহে উল্লেখ আছে । দেৰগাঁৱত কছাৰী আধিপত্য প্ৰতিষ্ঠিত হোৱাৰ পিছত প্ৰাচীন শিৱ মন্দিৰত দেউৰী পূজাৰীৰ হতুৱাই 'দেও' পূজা কৰা হৈছিল বাবেও ঠাইখনক 'দেৰগাঁও' বোলা হৈছিল । কছাৰী 'দেও' শব্দক আৰ্য প্ৰলেপেৰে 'দেৱ' কৰা বুলি বিশ্বাস হয় । কোনোৱে কয়, কছাৰী, পূজাৰী, দেউৰীসকল থকা দেউৰী গাঁৱৰপৰা দেৰগাঁও হৈছে । আকৌ কিছুমানৰ মতে দেৰচাঙৰপৰাহে দেৰচাংগাঁও বা 'দেৰগাঁও' নাম হৈছে । নামৰ উৎপত্তি সম্পৰ্কে বিভিন্ন মত থাকিলেও এটা কথা স্পষ্ট যে, অঞ্চলটো শিৱ দ'লৰ লগত পুৰণি কালৰপৰা জড়িত ।

'মিছামৰা' নাম কিয় হ'ল এই বিষয়ে বিভিন্ন মত । কিছুমানৰ মতে তাহানিতে এই অঞ্চলত লো সাঁচত ঢালি বিভিন্ন সঁজুলি তৈয়াৰ কৰা হৈছিল । সাঁচত গঢ়া লোখিনিক 'মিছা' বোলা হৈছিল । তাৰেপৰা অঞ্চলটোৰ নাম 'মিছামৰা' হয় । কমাৰ গাঁও, লো-ধোৱা জান, লোহাডাং বা লোৱাডোঙে এই অঞ্চলত যে এসময়ত লো শিল্প আছিল তাৰ সাক্ষী দিয়ে । কিছুমানে কুঁহিয়াৰৰ গৰম গুৰুৰপৰা 'মিছা' নামৰ এবিধ সু-খাদ্য তৈয়াৰ হোৱাৰপৰা মিছামৰা নাম হোৱা বুলিও কয় । কোনোৱে আকৌ আহোম-কছাৰী যুদ্ধত ইয়াতে কছাৰী সেনাপতি 'মিছৌ'ৰ মৃত্যু হৈছিল বাবে মিছামৰা নাম হোৱা বুলি বিশ্বাস কৰে । মিছামৰাৰ উত্তৰ-পশ্চিমৰ গাতে লাগি থকা গাঁও খুমটাই, ভোলাগুৰি, বাদুলিপাৰ তিনিওখনেই সংখ্যাগৰিষ্ঠ আহোম অধ্যুষিত অঞ্চল । বুৰঞ্জীৰ মতে খুমটাই (কুমটেউ) সকল দুৰ্দ্ধৰ্ষ আহোম কুলৰ লোক । তেওঁলোক বিজুলীৰ দৰে ক্ষীপ্ৰতাৰে ৰণ কৰা যোদ্ধা আছিল । লাচিত বৰফুকনৰ দদায়েক বাদুলী ফুকন আছিল এই দুৰ্দ্ধৰ্ষ সেনা-বাহিনীৰ সেনানায়ক । বাদুলী ফুকনৰ দৰে সমৰ নিপুণ সেনানায়ক বিৰল । প্ৰথমতে তেওঁ যথেষ্ট বীৰত্ব দেখুৱাইছিল যদিও

পিছত বিপথগামী হৈছিল আৰু বঙালৰ ফলীয়া হৈছিল । খুমটাই নামৰ আহোম কুলৰপৰাই 'খুমটাই' আৰু 'বাদুলীপাৰ' বাদুলী ফুকনৰ নামৰপৰাই হয় । মানৰ আক্রমণৰ সময়ত খুমটাই-বাদুলীপাৰ অঞ্চলৰ মানুহবোৰ ভোলাগছৰ হাবি থকা অঞ্চলত লুকাই আছিল বাবে সেই ঠাইৰ নাম ভোলাগুৰি হয় ।

দেৰগাঁৱৰ আৰ্যবসতি যথেষ্ট প্রাচীন । ঐৰ্ব্যমুনিৰ কিংবদন্তীয়ে সেই কথাৰ ইংগিত দিয়ে । দেৰগাঁৱক শিৱস্থান হিচাপে দ্বিতীয় কাশী কৰিব বিচৰা সেই মুনিজন সম্ভৱতঃ আলপাইন আৰ্য গোষ্ঠীৰ কোনোৱা নেতৃস্থানীয় ব্যক্তি । প্রাচীন কামৰূপত বৰ্মণ বংশীয় ৰজাসকলৰ দিনৰেপৰা আৰ্যকৰণ আৰম্ভ হৈছিল । কিন্তু সেই সময়ত কামৰূপ ৰাজ্যৰ পশ্চিমাংশৰ গুৰুত্ব যিমান আছিল, পূৰ্বাংশত সিমান নাছিল । শালস্তম্ভ আৰু পালবংশীয় ৰজাসকলৰ দিনৰপৰা পশ্চিম ভাগতো আৰ্য্যীকৰণ হৈছিল, নুমলীগড়ৰ বিখ্যাত শিৱ মন্দিৰ শালস্তম্ভ বংশৰ কোনোৱা সামন্ত ৰজাৰ কীৰ্তিস্তম্ভ । প্রত্নতাত্ত্বিকসকলে সেই মন্দিৰৰ ধ্বংসাৱশেষ চাই দশম শতিকাৰ বুলি ঠাৱৰ কৰিছে । ঠিক একে সময়তে দেৰগাঁৱতো শিৱ মন্দিৰ প্রতিষ্ঠিত হৈছিল । প্রাচীন মন্দিৰটো শিলেৰে বনোৱা হৈছিল । তাৰ কিছুমান শিলৰ টুকুৰা বৰ্ত্তমান নেঘেৰিটিং মন্দিৰৰ খট্‌খটিত ৰখা আছে । সেই প্রাচীন মন্দিৰটো প্ৰাক্ আহোম যুগৰ । ষোড়শ শতিকাৰ আগলৈকে আহোমসকলে ইটা বা শিলৰ মন্দিৰ নিৰ্মাণৰ কৌশল নেজানিছিল বুলি বুৰঞ্জীয়ে কয় ।

নেঘেৰিটিঙত আৱিষ্কৃত বিষ্ণু মন্দিৰ দশম শতিকাৰ বুলি প্রমাণিত হোৱাত প্রাচীন শিৱ মন্দিৰটোও প্ৰাক্ আহোম যুগৰ বুলি নিশ্চিতভাৱে ক'ব পাৰি । দশম শতিকাত ৰচিত কালিকাপুৰাণত কামাখ্যা, উগ্রতাৰা, দিক্কৰবাসিনী আদি তান্ত্রিক পীঠ স্থানৰ লগত দেৰগাঁৱৰ মহাদেৱ মন্দিৰৰ নামো উল্লেখ থকাৰ কথা ড° সূৰ্যকুমাৰ ভূঞাদেৱে লেখিছে । প্রাচীন কামৰূপৰ ৰজাসকলৰ পতনৰ পিছত দেৰগাঁও শিৱ মন্দিৰৰ ব্ৰাহ্মণ পূজাৰী বা আৰ্যসকল কিবা কাৰণত সম্ভৱতঃ এই অঞ্চল এৰি গৈছিল বা বৃহত্তৰ জনজাতীয় গোষ্ঠীৰ লগত জীন গৈছিল ।

এই অঞ্চলত আৰ্য সংস্কৃতিৰ প্ৰভাৱ গভীৰ । দেৰগাঁৱৰ উত্তৰত মিছিং জনজাতি অঞ্চল । তেওঁলোক পৰ্বতীয়া অঞ্চলৰপৰা নামি আহি ব্ৰহ্মপুত্ৰৰ চাপৰিত বসবাস কৰা ভূমিপুত্ৰ । দেৰগাঁৱৰ মিছিংসকলে নিজা সংস্কৃতি বজাই ৰাখিও আৰ্য সংস্কৃতিৰ দ্বাৰা প্ৰভাৱান্বিত । প্রাচীন কামৰূপ ৰাজ্য পতনৰ পিছত কপিলিৰপৰা নামদাঙলৈ এখন বৃহৎ কছাৰী ৰাজ্য স্থাপিত হৈছিল । দেৰগাঁও কছাৰী ৰাজ্যৰ মধ্যমণি আছিল । কছাৰীসকলে শিৱ মন্দিৰৰ শিৱক 'বাথৌ-ব্রা' নামেৰে হাঁহ, পাৰ, গাহৰি আদিৰে পূজা কৰিছিল । পূজাৰীজনক দেউৰি বোলা হৈছিল । কছাৰী ৰজা দেবচাঙৰ ৰাজধানী আছিল দেৰগাঁৱতে । এই কছাৰীসকলেও সময়ত আৰ্য ধৰ্ম গ্ৰহণ

কৰিছিল অৰ্থাৎ হিন্দু হৈছিল । মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহান সংস্কৃতি তথা ধৰ্মাদৰ্শৰ প্ৰভাৱৰ ফলত জনজাতিসকলৰ মাজত আৰ্য ধৰ্ম প্ৰসাৰতা সম্ভৱ হৈছিল । ষষ্ঠদশ শতিকাৰপৰা মহাপুৰুষগৰাকীৰ প্ৰৱৰ্ত্তিত নৱবৈষ্ণৱ ধৰ্মৰ মূলাধাৰ নামঘৰ গ্ৰাম্য সংস্কৃতিৰ বাহক হিচাপে প্ৰতিষ্ঠিত হ'বলৈ ধৰিলে আৰু ইয়াৰ মাধ্যমেৰে শংকৰী সংস্কৃতিৰ বিশাল অংশ নৃত্য-গীত-বাদ্য ভাওনা অভিনয় আদিয়ে সমগ্ৰ অঞ্চলত প্ৰসাৰতা লাভ কৰিলে । ফলস্বৰূপে ব্ৰাহ্মণ্য ধৰ্মৰ আচাৰ-পদ্ধতি, পূজা-সেৱা, যাগ-যজ্ঞৰ প্ৰভাৱ ক্ৰমাৎ স্তিমিত হৈ আহিল ।

ত্ৰয়োদশ শতিকাত আহোমসকলৰ আগমন অসম বুৰঞ্জীৰ অতি উল্লেখযোগ্য ঘটনা । আহোম যুগত গোলাঘাট জিলাৰ বিভিন্ন অঞ্চলে বুৰঞ্জীত গুৰুত্বপূৰ্ণ স্থান লৈছিল । আহোম স্বৰ্গদেউসকলে 'সাতৰজা মাৰি এক ৰজা পতা' আদৰ্শেৰে সমগ্ৰ অসমৰ ভৌগোলিক আৰু ৰাজনৈতিক ঐক্য প্ৰতিষ্ঠাত প্ৰচেষ্টা চলাইছিল, তাৰে ফলস্বৰূপে দেৰগাঁও, মিছামৰা অঞ্চল আহোম-কছাৰীৰ ৰণ থলি হৈ পৰিছিল । আহোমসকলে আংশিক কূটনৈতিক কৌশল আৰু যুদ্ধনীতিৰে কছাৰীসকলক পৰাজিত কৰি দেৰগাঁও দখল কৰিছিল । আহোমৰ সুযোগ্য সেনাপতি আছিল কমচেং বৰপাত্ৰ গোহাঁই । ড° সূৰ্য কুমাৰ ভূঞাই তেওঁৰ 'কছাৰী বুৰঞ্জী'ত দেৰগাঁৱক কেন্দ্ৰ কৰি আহোম-কছাৰীৰ সংঘৰ্ষৰ বিস্তাৰিত বৰ্ণনা দিছে । এই সংঘৰ কূটনৈতিক খেলত আহোমে খন্দা 'ফুকন নগৰ পুখুৰী' আৰু কছাৰীয়ে খন্দা 'বৰপুখুৰী'য়ে সেই স্মৃতি বহন কৰিছে ।

মিছামৰাৰ দা-ধৰাত আহোম-কছাৰীৰ প্ৰচণ্ড ৰণ হৈছিল । দুয়োদলে ওখ ভেটা মাৰি ৰণ চলাইছিল । সেই ভেটা আজিও 'ৰণ ভেটা' বুলি খ্যাত হৈ আছে । যুদ্ধত নিহত হোৱা কছাৰী সেনাপতি 'মিছৌ'ৰ মুদৈ গাঁৱত থকা মৈদামটোও তাৰে সাক্ষ্য । আহোমে জয়ী হৈ দেৰগাঁও নাৰিকলৰগুৰিত 'বিজয় পুখুৰী' খান্দিছিল । এইদৰে আহোম বুৰঞ্জীৰ 'নেপোলিয়ান' বুলি খ্যাত স্বৰ্গদেউ চুহুংমুঙৰ দিনত দেৰগাঁও মিছামৰা অঞ্চল আহোম ৰাজ্যৰ অন্তৰ্ভুক্ত হয় । সেই সময়ৰ কিংবদন্তীমূলক ঘটনা অসম বুৰঞ্জীৰ 'ক্লিওপেট্ৰা', 'গড়মাকুঁৱৰী'ৰ স্মৃতিত বিচাৰিলে এই অঞ্চলত ওলাব ।

ৰজাঘৰৰ পণ্যদ্ৰব্য সংগ্ৰহৰ বাবে ৰজাবাহৰত ভৰাঁলবাৰী আছিল । তাত এতিয়াও ৰজাদিনীয়া নাদ এটা আছে । এই ভৰাঁলৰ বাৰীতে দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয় প্ৰতিষ্ঠিত । ৰজাঘৰত পণ্যদ্ৰব্য যোগান ধৰা আৰু বিভিন্ন খেল বা বিষয়া বাস কৰাৰপৰাই গাঁওবোৰৰ নাম হৈছিল — মলাই কুমাৰ, বাহৰুৱা, গুৱাল গাঁও, গুৱ যোগনীয়া, দা-ধৰা, ঢেকীয়াল, কুমাৰ গাঁও, কমাৰ গাঁও, গন্ধীয়া গাঁও, বৰুৱাবামুণ গাঁও, তেলীয়া সোণাৰী, খনিকৰ, ৰাংঢালী, লুকুমাই আদি গাঁৱৰ নামবোৰ লক্ষ্য কৰিলেই তাৰ প্ৰমাণ পোৱা যায় ।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

অসমৰ সংস্কৃতিৰ পথাৰত দেৰগাঁও তথা গোলাঘাটৰ নাম সদায় স্মৰণীয় । শংকৰী কলাকৃষ্টি সাহিত্যৰ বিকাশত দেৰগাঁৱে সদায় অগ্ৰণী ভূমিকা লৈছে । বিভিন্ন নামঘৰবোৰত লগতে সত্ৰানুষ্ঠানত নাম প্ৰসঙ্গ ভাওনা ৰজনজনাই থাকে । খনিকৰ গাঁৱৰ 'খনিকৰ কীৰ্ত্তন পুথিখন' ১৬৯০ শকত কোনোবা অনাখৰী লোকে চাই চাই লেখিছিল, পুথিখনৰ অলৌকিক শক্তিও অঞ্চলটোত হিন্দু মাত্ৰেই বিশ্বাসী । অসমৰ নাট্য আন্দোলনত দেৰগাঁও মিছামৰা গোলাঘাটৰ সন্মানীত স্থান আছে । ব্ৰিটিছ যুগতে অঞ্চলটোত কেইবাটাও নাট্যমন্দিৰ প্ৰতিষ্ঠিত হৈছিল । কেইবাজনো সু-সাহিত্যিকৰ জন্ম স্থল বৃহত্তৰ গোলাঘাটত সাহিত্য সভাৰ শাখা আছে । উল্লেখযোগ্য যে, পুথিভঁৰালো ভালে সংখ্যক আছে । শিক্ষাত জিলাখন আগবঢ়া । সংগীত কলাতো এই অঞ্চল যথেষ্ট আগবঢ়া, দেৰগাঁও লোকগীত, দেহবিচাৰৰ গীত, আই নাম, ধাই নাম, বিহু গীত, বিহু নৃত্য, জিকিৰ জাৰী, ঢোল, পেঁপাবাদনৰ শিল্পীৰে লোক-সংস্কৃতিৰ পথাৰ উৰ্বৰা । আজান ফকিৰৰ জিকিৰ জাৰীক দেৰগাঁৱৰ শিল্পীসকলে জনপ্ৰিয় কৰি ৰাখিছে । দেৰগাঁৱৰ শিৱ দ'লৰ দেৱদাসী নৃত্য বা নটী-নৃত্য আছিল ঐতিহ্যমণ্ডিত । কিন্তু কালৰ সোঁতত সেই শিল্পৰ মৃত্যু হ'ল ।

এইদৰে বুৰঞ্জীয়ে গৰকা বিভিন্ন উপাদানেৰে গোলাঘাটৰ সমগ্ৰ অঞ্চল অতিকৈ সমৃদ্ধ । ইয়াত প্ৰাচীন মঠ-মন্দিৰ, ৰজাদিনীয়া পুখুৰী আদি নানা পুৰাতত্ত্বৰ সামগ্ৰী আছে । ভাস্কৰ্য-স্থাপত্য আৰু কলা-চৰ্চাৰ উজ্জ্বল নিদৰ্শন আছে । সাহ-বীৰত্বৰ আৰু ত্যাগৰ নিদৰ্শন আছে আৰু আছে এই অঞ্চলৰ বিভিন্ন ঠাইৰ লগত জড়িত বিভিন্ন আখ্যান -- য'ৰপৰা পুৰণি সমাজ আৰু সংস্কৃতিৰ বহুতো আভাস পাব পাৰি । প্ৰকৃত দুৰ্যোগ, যুদ্ধ-বিগ্ৰহ আৰু অৱহেলাৰ বাবে গোলাঘাট জিলাৰ প্ৰাচীন কীৰ্তি ইতিমধ্যে বহুতো লোপ পাইছে যদিও এতিয়াও সৰু-বৰ বহুতো ঘটনাৰ স্মৃতি বহন কৰি গোলাঘাট জিলাৰ সমগ্ৰ অঞ্চল জীয়াই আছে । মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰৱৰ্ত্তিত কলা সাহিত্য-সংস্কৃতিৰ সম্ভাৰেৰে বন্ধা অসমীয়া সংস্কৃতিৰ ভঁৰাল অতিকৈ চহকী । গোলাঘাটৰ লোক সংস্কৃতিৰ পথাৰখন শংকৰী সংস্কৃতিৰ বিভিন্ন উপাদান নৃত্য-গীত-বাদ্য-অভিনয় কলা আদিয়ে জীপাল কৰি ৰাখিছে । মহৎ ঐতিহ্যৰে ভৰা বৃহত্তৰ গোলাঘাটৰ ওপৰত এখন ডাঙৰ বিস্তৃত বুৰঞ্জী লিখাৰ সম্ভাৱ আছে ।

**শ্ৰীবোধেশ্বৰ কাকতি**
সম্পাদক
সাহিত্য শাখা
শ্ৰীমন্ত শংকৰদেৱ সংঘ
গোলাঘাট জিলা শাখা

১৯২২ শক, ৫ জেঠ
৫৫১ শঙ্কৰাব্দ
১৯ মে', ২০০০ চন

## উপক্ৰমণিকা (খ)

# বুৰঞ্জী লেখাৰ আৱশ্যকতা

বুৰঞ্জী শব্দটি টাই চিন ভাষাৰ শব্দ। এই শব্দটিৰ অৰ্থ সম্পৰ্কে ভালে কেইজন পণ্ডিতে নিজৰ মত প্ৰকাশ কৰিছে। ইয়াৰ ভিতৰত ডঃ সূৰ্য্যকুমাৰ ভূঞা আৰু পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে বুৰঞ্জী মানে মূৰ্খৰ শিক্ষাৰ ভঁৰাল বুলি উল্লেখ কৰিছে। পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ মতে 'বু' মানে মূৰ্খ 'ৰণ' মানে শিক্ষা আৰু 'ঞ্জী' মানে ভঁৰাল বুৰঞ্জী 'মূৰ্খ শিক্ষাৰ ভঁৰাল'। সেইবাবে আহোম ৰাজত্ব কালত তেওঁলোকে উঠি অহা চামক বুৰঞ্জীৰ শিক্ষা দিয়াতো বাধ্যতামূলক কৰিছিল। বুৰঞ্জী নাজানিলে ভৱিষ্যতৰ গতিপথ নিৰ্ণয় কৰাত বিসঙ্গতি ঘটে। আহোমসকলে আনকি বিবাহ অনুষ্ঠান চকলংত পূৰ্বপুৰুষৰ বুৰঞ্জী পঢ়ি শুনুৱা নিয়ম কৰিছিল। বৰ্তমান বুৰঞ্জী বুলি ক'লে ৰজা-মহাৰজাৰ কাহিনী বুলি বহুতে ইয়াক পঢ়িবলৈ ইচ্ছা নকৰে। কিন্তু অতীত বুৰঞ্জী জানিলেহে বৰ্তমানৰ কাৰ্য্যপন্থা গ্ৰহণ কৰিব পাৰি। বুৰঞ্জীত অকল ৰজা-মহাৰজাৰ কাৰ্য্যকলাপৰ বৰ্ণনাই নাথাকে, সেই ৰজাসকলৰ আমোলৰ সমাজ ব্যৱস্থা, ধৰ্মব্যৱস্থা, শিক্ষা-সংস্কৃতি সকলো দিশেই বুৰঞ্জীত ঠাই পায়। এক কথাত ক'বলৈ গ'লে সকলো প্ৰাচীন নঠি-পত্ৰকে বুৰঞ্জী বুলিব পাৰি। সেইবাবে বোধহয় বুৰঞ্জীক এনেভাবে ভাগ কৰিছিল। ৰজাঘৰীয়া বুৰঞ্জী, সত্ৰীয়া বুৰঞ্জী, কেৰলীয়া বুৰঞ্জী, কটকী বুৰঞ্জী ইত্যাদি। বৰ্তমান সময়ত ঐতিহাসিক বিৱৰণ সন্নিবিষ্ট সকলো গ্ৰন্থকে বুৰঞ্জী আখ্যা দিয়া হয়। যেনে সাহিত্যৰ বুৰঞ্জী, ধৰ্ম-সংস্কৃতিৰ বুৰঞ্জী, ৰাজনৈতিক বুৰঞ্জী, স্বাধীনতাৰ বুৰঞ্জী আদি।

বুৰঞ্জী আৰু ইতিহাস এই দুটা সমাৰ্থক শব্দ হিচাপে ধৰা হয় যদিও ইতিহাস আৰু বুৰঞ্জী প্ৰকৃততে সমাৰ্থক নহয়। ইতিহাসক বৌদিক আৰ্য্যসকলে পঞ্চম বেদ বুলি আখ্যা দিছিল 'ইতিহাস পুৰাণশ্চ পঞ্চম বেদ উচ্যতে'। ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ এই চতুৰ্বৰ্গ সাধনৰ শিক্ষা দিবৰ কাৰণে ইতিহাস ৰচিত হৈছিল। এই শব্দটি প্ৰথমে অথৰ্ব বেদত ব্যৱহাৰ হৈছিল। শতপথ বাহ্মণ আৰু গোপথ বাহ্মণক এই শ্ৰেণীৰ ৰচনা বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। ইতিহাসত অতি প্ৰাকৃতিক, অলৌকিক কথা অৱতাৰণা কৰাৰ থল আছে। সেইহে বুৰঞ্জী আৰু ইতিহাসৰ মাজত পাৰ্থক্য দেখা যায়। বুৰঞ্জীত সত্যৰ অপলাপ কৰাৰ সুবিধা নাই অথবা অলৌকিকতা আৰু অতি প্ৰাকৃতিক ঘটনা বৰ্ণনা কৰিব নোৱাৰি। অৱশ্যে কেতিয়াবা কাহিনী বিন্যাস কৰোঁতে ক'ৰবাত দুই এটা উপকথা উল্লেখ কৰাৰ সুবিধা আছে। অসমৰ পুৰণি বুৰঞ্জী বিলাক অধ্যয়ন কৰিলে এনে দুই এটা উপকথা পোৱা যায়। ডঃ সূৰ্য্যকুমাৰ

ভূএগ্রাৰ সম্পাদিত সুকুমাৰ মহন্তৰ ঘৰত পোৱা 'অসম বুৰঞ্জীখনত' ঠায়ে ঠায়ে উপকথা সন্নিবিষ্ট কৰিছে। লিখাৰ উদ্দেশ্যৰ ফালৰপৰা বুৰঞ্জী আৰু ইতিহাসৰ লক্ষ্য একে। মানৱজীৱন সফল কৰি তুলিবৰ কাৰণে নৈতিক শিক্ষাৰ প্ৰয়োজন। বুৰঞ্জী আৰু ইতিহাসেহে এই শিক্ষা দিয়ে।

বুৰঞ্জী লিখাৰ প্ৰথা অতি প্ৰাচীন। অসমত আহোম আমোলতে বুৰঞ্জীবিলাক ৰচিত হয়। ত্ৰয়োদশ শতিকাৰপৰা বুৰঞ্জী লিখা প্ৰচলিত হ'লেও অসমত ১৭ শতিকাৰপৰা বুৰঞ্জী ধাৰাবাহিকভাৱে ৰচিত হয়। এই বুৰঞ্জী বিলাকত ৰজাঘৰীয়া সকলো কথা বিতংভাৱে লিখা হয়। তদুপৰি সামাজিক, ৰাজনৈতিক, ধৰ্মীয় নীতি নিয়মৰ কথা বুৰঞ্জীত পোৱা যায়। বুৰঞ্জী লেখাৰ কাৰণে এক শ্ৰেণীৰ লেখক সৃষ্টি কৰি ৰাজকীয় পৃষ্ঠপোষকতা প্ৰদান কৰে। সেই শ্ৰেণীৰ লেখকে সকলো কথা লিখি যায়। ৰজাৰ বংশলতা, ৰাজঅভিষেক, ৰাজ্যজয়, শাসন ব্যৱস্থা, সংস্কাৰনীতি, ধৰ্মীয় আচাৰ-ব্যৱহাৰ, সামাজিক, ৰাজনীতি, চুবুৰীয়া ৰাজ্যৰ লগত সম্পৰ্ক, কটকী প্ৰেৰণ, পণ্ডিত বাম্মণৰ সমাদৰ দৌলদেৱালয়, ৰাস্তা-পদূলী নিৰ্মাণ, সত্ৰসভা স্থাপন আদিৰ এখন সুন্দৰ ছবি বুৰঞ্জীত পোৱা যায়। আহোম যুগত ৰচিত বুৰঞ্জীবিলাকত এনে কাৰ্যৰ ব্যতিক্ৰম হোৱা নাই।

এতিয়া বুৰঞ্জী বুলি কওঁতে ৰজাঘৰীয়া বুৰঞ্জীৰ বাহিৰেও একে পৰম্পৰা ৰক্ষা কৰি ৰচিত আন বুৰঞ্জী বিলাকৰ ভিতৰত সাহিত্যৰ বুৰঞ্জীৰ কথা বিশেষভাৱে উল্লেখ কৰিব পাৰি। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে প্ৰথমে ভাষা সাহিত্যৰ বুৰঞ্জী লিখাৰ প্ৰেৰণা দিয়ে। সেইদৰে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বুৰঞ্জীবিলাক ৰচিত হয়। শঙ্কৰোত্তৰ যুগত ৰচিত। চৰিত, পুথিসমূহক সেই সময়ৰ ধৰ্মীয় বুৰঞ্জী বুলি ক'ব পাৰি। যদিও এইবিলাকত কিছু অলৌকিকতাই ঠাই পাইছিল। চৰিত পুথিসমূহ প্ৰায়বিলাকেই পদত ৰচিত মাত্ৰ কথাগুৰু চৰিত বৰদোৱাৰ চৰিত আৰু সন্তাৱলী এই আদি কেইখন মানহে কথা অৰ্থাৎ গদ্যত ৰচিত। এই চৰিত পুথিসমূহত শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱৰ জন্ম কৰ্ম আৰু বৈষ্ণৱ ধৰ্ম সম্পৰ্কে বৰ্ণনা আছে। এই দুজনা মহাপুৰুষৰ সমসাময়িক আৰু ধৰ্মাচাৰ্য্য শিষ্য প্ৰশিষ্যসকলৰ কথা সেই সময়ৰ ৰাজনৈতিক সামাজিক ব্যৱস্থাৰ সুন্দৰ প্ৰতিচ্ছবি পোৱা যায়। তদুপৰি সেই সময়ৰ সংস্কৃতি আৰু সাহিত্য সম্পৰ্কেও বহুকথা জানিব পাৰি। এইবিলাক বুৰঞ্জীৰ সমতুল্য। সেই সময়ত চৰিতপুথি লিখা প্ৰথাটি থকা বাবেহে পাঠকসকলে এইখিনি জনাৰ সুবিধা পালে ৰজাঘৰীয়া বুৰঞ্জী লেখাৰ দৰে সম্ভ্ৰান্ত লোকৰ বংশাৱলী লিখি ৰখাৰ নিয়ম প্ৰচলিত আছিল। এইটো এটা ভাল অভ্যাস, এতিয়াও বহুতো পৰিয়ালত বংশাৱলী ৰখাৰ ব্যৱস্থা অব্যাহত আছে। এই বংশাৱলীবিলাকে উত্তৰ-পুৰুষক নিজৰ উপৰিপুৰুষৰ কথা জনাত সহায় কৰে আৰু তাৰপৰা নিজৰ কৰ্মপ্ৰেৰণা বাঢ়ে।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

অনুষ্ঠান-প্ৰতিষ্ঠানৰ বুৰঞ্জী লেখাৰ অভ্যাস সুস্পষ্ট প্ৰামাণিক তথ্য নাথাকিলেও বুৰঞ্জী লেখাৰ যি পৰম্পৰা তাৰ মাজেদি বিভিন্ন জনগোষ্ঠী, ধৰ্ম-সম্প্ৰদায় আৰু সত্ৰ সভাৰ বুৰঞ্জীৰ কিছু সমল নথকা নহয়। পুৰণি অসম বুৰঞ্জী, সুকুমাৰ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জী, তুংখুঙীয়া বুৰঞ্জী, দৰং ৰাজবংশাৱলী, চুতীয়া জাতীৰ বুৰঞ্জী, কলিতা জাতিৰ ইতিবৃত্ত আদি বুৰঞ্জী বিলাকত ধৰ্ম, সম্প্ৰদায়, সত্ৰ সভা আদি কিছু ঐতিহাসিক সমল পোৱা যায়। স্বৰ্গীয় ডিম্বেশ্বৰ নেওগৰ 'যুগনায়ক শঙ্কৰদেৱ' নামৰ গ্ৰন্থখনি শঙ্কৰী যুগৰ ঐতিহাসিক সাক্ষৰ। ডঃ মহেশ্বৰ নেওগে সম্পাদনা কৰা 'পৱিত্ৰ অসম' গ্ৰন্থত অসমৰ সত্ৰসমূহ, থান, মঠ-মন্দিৰ দৌল-দেৱালয়ৰ এক ঐতিহাসিক সমীক্ষা আছে। পাচৰ যুগত ৰচিত ডঃ কেশৱানন্দ গোস্বামীৰ 'সত্ৰ সংস্কৃতিৰ স্বৰ্ণৰেখা,' বৈষ্ণৱ পণ্ডিত শ্ৰীসোনাৰাম চুতিয়াৰ 'বৈষ্ণৱ সাংস্কৃতিৰ স্বৰ্ণৰেখা' আদি গ্ৰন্থই অসমৰ বৈষ্ণৱ ধৰ্ম সংস্কৃতিৰ ইতিবৃত্তৰ কাম কৰিছে। এই গ্ৰন্থবিলাকে একোটা যুগৰ কালৰ সাক্ষৰ বহন কৰি উত্তৰ পুৰুষক বুৰঞ্জীৰ সমল যোগান ধৰিছে বুলি ন দি ক'ব পাৰি।

প্ৰকাশিত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ ইতিহাস ভাগে সংঘৰ সংগঠন তথা বৰ্ত্তমান আৰ্থ-সামাজিক অৱস্থাৰ বিষয়ে ভকত বৈষ্ণৱসকলক বহু কথা জনাত সহায় কৰিব।

তাৰিখ —১৫/৪/২০০০
ঢেকীয়াল, গোলাঘাট
অসম।

শ্ৰীবংশীধৰ বৰা
সভাপতি, সাহিত্য শাখা
শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ
গোলাঘাট জিলা শাখা

# সম্পাদনা সমিতিৰ সম্পাদকৰ একেষাৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাই ১৯৭৯ চনৰ ১০ মাৰ্চ তাৰিখে 'গোলাঘাট জিলা শাখাৰ বুৰঞ্জী' শীৰ্ষক এভাগ গ্ৰন্থ প্ৰকাশ কৰে। বুৰঞ্জীভাগত অবিভক্ত গোলাঘাট জিলা শাখাৰ প্ৰাথমিক সমূহৰ ইতিবৃত্ত প্ৰকাশ পাইছিল। ইতিমধ্যে সংঘৰ সংবিধান অনুসৰি ১৯৯০ চনত ধনশিৰি মহকুমা আৰু ১৯৯২ চনত বোকাখাট মহকুমাই একোটি গোট হিচাবে স্বীকৃতি লাভ কৰে। বৰ্ত্তমান গোলাঘাট জিলা শাখাৰ অন্তৰ্গত আঞ্চলিক আৰু প্ৰাথমিক সমূহৰ সাংগঠনি ইতিবৃত্ত তথা গাঁৱৰ উৎপত্তি, আৰ্থ সামাজিক অৱস্থা, সংঘৰ প্ৰচাৰ-প্ৰসাৰৰ বিষয়ে সংবৰ্দ্ধিত আৰু সংশোধিত ৰূপত পূৰ্বত প্ৰকাশিত জিলা বুৰঞ্জীভাগ পুনৰ প্ৰকাশৰ কাৰণে ১৯৯৮ চনত জিলা কাৰ্যনিৰ্বাহক সভাৰ প্ৰস্তাৱ মৰ্মে জিলা শাখাৰ লুকুমাই বৰ নামঘৰ প্ৰাঙ্গণত অনুষ্ঠিত বাৰ্ষিক অধিবেশনৰ প্ৰতিনিধি সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হয়। বুৰঞ্জী ভাগ সম্পাদনাৰ দায়িত্ব জিলা সাহিত্য শাখাৰ ওপৰত অৰ্পণ কৰে। বিগত বছৰত জিলা সাহিত্য শাখাই প্ৰাথমিক আৰু আঞ্চলিক শাখাৰ পৰা সাংগঠনিক ইতিবৃত্ত বিচাৰি গোহাৰি প্ৰেৰণ কৰে। আঞ্চলিক আৰু প্ৰাথমিক শাখাই প্ৰেৰণ কৰা সাংগঠনিক প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি বুৰঞ্জী ভাগ যুগুত কৰা হৈছে। তদুপৰি ভালে সংখ্যক প্ৰাথমিকে ইতিবৃত্ত যথা সময়ত প্ৰেৰণ নকৰিলে। সেই প্ৰাথমিক সমূহৰ ইতিবৃত্ত সংক্ষেপতে সম্পাদনা সমিতিয়ে যুগুত কৰিব লগা হ'ল। কিছু সংখ্যক প্ৰাথমিকৰ তথ্য সমূহ লিখাত স্পষ্ট নহয়, সেইখিনিও সম্পাদনাত সাল-সলনি কৰা হৈছে। এনে কৰিবলৈ যাওঁতে শাখা সমূহৰ ইতিবৃত্ত যুগুত কৰাত কোনো ঠাইত আসোঁৱাহ হৈ যোৱাটো স্বাভাৱিক। তদুপৰি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ জন্ম লগ্নৰেপৰা গঠন হোৱা প্ৰাথমিক সমূহৰ ইতিবৃত্ত তথা গাঁৱৰ আৰ্থসামাজিক অৱস্থা, মহাপুৰুষীয়া ধৰ্মীয় আন্দোলনৰ পটভূমিত সংঘৰ ক্ৰমবিকাশ সম্পৰ্কে বিস্তৃত ভাৱে বিষয়সূচী সন্নিবিষ্ট কৰিবলৈ প্ৰয়াস কৰা হৈছে। বৰ্ত্তমান গোলাঘাট জিলা শাখাৰ অন্তৰ্গত প্ৰাথমিক শাখাৰ সংখ্যা ২৬৪ খন আৰু আঞ্চলিক সংখ্যা ১১ খন। প্ৰাথমিক আৰু আঞ্চলিক শাখাৰ সাংগঠনিক তথ্য সমূহ শুদ্ধভাৱে সন্নিবিষ্ট কৰিবলৈ যত্ন কৰা হৈছে। তদুপৰি কোনো কোনো ঠাইত দুই এটি ভুল হৈ যাব পাৰে। গ্ৰন্থখন সম্পাদন কৰিবলৈ যাওঁতে পূৰ্বতে প্ৰকাশিত বুৰঞ্জীভাগক আধাৰ হিচাবে লোৱা হৈছে। কেইটামান অধ্যায় উক্ত বুৰঞ্জীৰ পৰা হুবহু গ্ৰহণ কৰা হৈছে। মূল সংঘৰ বাৰ্ষিক অধিবেশনত প্ৰকাশিত স্মৃতিগ্ৰন্থ, জিলা শাখাৰ প্ৰকাশিত স্মৃতিগ্ৰন্থ সমূহৰ আধাৰত কিছু তথ্য সন্নিবিষ্ট কৰা হৈছে। তথ্যৰ অভাৱত কেইখনমান প্ৰাথমিকৰ ইতিবৃত্ত গ্ৰন্থখনত

সন্নিবিষ্ট কৰিব পৰা নহ'ল । গ্ৰন্থখনত শ্ৰীমন্তশঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ প্ৰচাৰ প্ৰসাৰত বিশেষভাৱে আগ ভাগ লোৱা বিশিষ্ট সঙ্গী তথা বিষয়ববীয়াৰ তথ্য সম্বলিত কৰ্ম জীৱনৰ চমু আভাস দিয়া হৈছে । এই ক্ষেত্ৰত কেইবাগৰাকীও ব্যক্তিৰ জীৱনী তথ্যৰ অভাৱত সংযোগ কৰিবপৰা নহ'ল । গ্ৰন্থৰ কলেবৰ বৃদ্ধি হোৱাত জীৱনীসমূহ অতি সংক্ষিপ্ত কৰিব লগা হ'ল । ব্যক্তিসকলৰ প্ৰতিভাৰ বিভিন্ন দিশ প্ৰকাশ কৰিব নোৱৰাত আমি অতিশয় দুখীত ।

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ ধৰ্ম-সাংস্কৃতিক, অৰাজনৈতিক, বৈপ্লৱিক, গনতান্ত্ৰিক অনুষ্ঠান । এই অনুষ্ঠানে ১৯৩০ চনতে জন্ম লাভ কৰে । সত্ৰ প্ৰধান অসমত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই কিয় জন্ম লাভ কৰিলে, তাৰ এটি সম্যক আভাস দাঙি ধৰা হ'ল -

ধৰ্ম-কলা-সাহিত্য, সংস্কৃতিৰ পুন্য ক্ষেত্ৰ ভাৰতবৰ্ষৰ পূব প্ৰান্তত অৱস্থিত, অসম মাতৃৰ কোলাত আৱিৰ্ভাৱ হৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেওঁৰ পৰম শিষ্য মহাপুৰুষ মাধৱদেৱে অসমীয়া ভাষা সংস্কৃতিৰ প্ৰাণ প্ৰতিষ্ঠা কৰি, এটা জাতিক জাতি হিচাবে জিয়াই থাকিবলৈ যিখিনি সম্বলৰ আৱশ্যক, সেই সকলোখিনি সম্ভাৰ দি থৈ গ'ল । দুয়োগৰাকী মহাপুৰুষে কলা-সংস্কৃতিৰে নৱজাগৰণ সৃষ্টি কৰি, অসমীয়া সমাজক ভাওনা নৃত-গীত ভটিমা আদিৰে পৰিপুষ্ট কৰি উপাসনাৰ কাৰণে নামঘৰ -মনিকূটৰ ভেটি প্ৰতিষ্ঠা কৰি, শুদ্ধ সত্ত্ব এক শৰণ হৰিনাম ধৰ্ম প্ৰচাৰ কৰিলে । কালৰ সোঁতত তেওঁসকলে দিয়া সংস্কৃতিক কালৰ অপ সংস্কৃতিয়ে গ্ৰাস কৰিলে ; এক শৰণৰ মৌলিক নীতিৰ প্ৰতি অনিহা, একাংশ ব্যক্তিৰ ন্যস্ত স্বাৰ্থৰ বাবে প্ৰচলন কৰা স্বকীয় মতবাদৰ পৰিনামত মহাপুৰুষীয়া ধৰ্ম-সংস্কৃতিৰ মৌলিক আদৰ্শত বিভ্ৰাট ঘটিল । এক গুৰুৰ ঠাইত বহু গুৰু, ঐক্যৰ পৰিবৰ্তে, অনৈক্য সম্প্ৰীতিৰ পৰিবৰ্তে অপ্ৰীতি, অসূয়া-বিদ্বেষ, এক শৰণৰ ঠাইত বহু শৰণ, এক দেৱতাৰ ঠাইত বহু দেৱতাৰ উপাসনা সমাজত অবাধে প্ৰচলন হ'ল । মহাপুৰুষীয়া সংস্কৃতিত দুষ্কৃতিয়ে খোপনি পুতিলে । অস্পৃশ্যতাবিহীন সাম্যবাদী সমাজখনত জাতি ভেদ অস্পৃশ্যতাই বৰপীৰা পাৰি বহিল । বিভেদ নীতিৰ দুৰ্বলতাৰ সুযোগ লৈ ব্যক্তি কেন্দ্ৰীকতাৰ ৰাজত্ব চলিল । এক শৰণ হৰিনাম ধৰ্মৰ সম্পূৰ্ণ পৰিপন্থি তথা যুগ ধৰ্ম বিৰোধী ব্যয় বহুল, কষ্ট সাধ্য, কলুষিত বিধি-বিধানে মহাপুৰুষীয়া সমাজখনৰ ঘৰে ঘৰে তথাকথিত বুদ্ধিজীৱিৰ জীৱিকাৰ পথ প্ৰশস্ত কৰিলে ।

মহাপুৰুষীয়া সমাজখনৰ এনেহেন সংকটপূৰ্ণ অৱস্থাত অসমী আইৰ কেইগৰাকীমান স্বনামধন্য, সু সন্তানৰ অন্তৰাত্মাই কান্দি উঠিল । তেওঁসকলে মনে-প্ৰাণে বিচাৰিলে গুৰুজনাৰ শুদ্ধ সত্ত্ব মাতাদৰ্শ প্ৰতিষ্ঠা কৰি সমাজখনক সু-শৃঙ্খলিত ভাৱে, ইহ-পৰলোকৰ সৰ্বাঙ্গীণ কল্যান সাধন কৰিবলৈ । তাৰেই ফলশ্ৰুতিত জন্ম হ'ল

তেতিয়াৰ অসম শঙ্কৰ সংঘ, বৰ্ত্তমান শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ।

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি নিৰ্দ্ধাৰক চাৰিখনি পুথি হ'ল - ১. সংবিধান, ২. প্ৰসঙ্গ প্ৰণালী, ৩. বিবাহ পদ্ধতি, ৪. অশৌচ পদ্ধতি। ইয়াৰ উপৰি এভাগ প্ৰচাৰক নিৰ্দেশিকা পুথি আছে।

সংঘৰ মূল উদ্দেশ্য হ'ল - ১. শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম সাহিত্য-সংস্কৃতিৰ পৰিশুদ্ধ ৰূপ জন সমাজত স্পষ্টভাৱে প্ৰচাৰ কৰি মহাপুৰুষীয়া ধৰ্মৰ মৌলিকত্ব শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ দ্বাৰা দৃঢ়ভাৱে ৰক্ষা কৰা।

২. একেশ্বৰ বাদেই ধৰ্মৰ মূল ভেটি আৰু ইয়াৰ ভিত্তিত প্ৰচাৰ কৰা একশৰণ হৰিনাম ধৰ্মৰ প্ৰচাৰক প্ৰৱৰ্ত্তক হিচাবে জগৎ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱেই একমাত্ৰ গুৰু আৰু তেওঁক সকলো জাতি জন-জাতিৰ বাবে মহাজাতীয়তাৰ গুৰু হিচাবে জন সমাজত অৱগত কৰা।

৩. ধৰ্মৰ নামত পৰম্পৰাগত ভাৱে চলি অহা কু-সংস্কাৰ, অন্ধবিশ্বাস সমূহ নিৰ্মূল কৰি যুগোপযোগী, বিজ্ঞান সম্মত নীতি সদাচাৰৰ প্ৰয়োগ কৰা।

শ্ৰীমন্ত শঙ্কৰদেৱৰ সুমহান উদ্দেশ্যৰেই শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই জাতীয় জীৱনৰ এটি সুদৃঢ় ভেটি স্থাপনৰ উদ্দেশ্যেৰে সাহিত্য সংস্কৃতি তথা ধৰ্মৰ দিশত বৈপ্লৱিক কাৰ্যসূচী গ্ৰহণ কৰিছে। বিভিন্ন গ্ৰন্থ সম্পাদনা কৰি সাহিত্য সংস্কৃতি প্ৰচাৰত সংঘই অধিক গুৰুত্ব দিছে। গোলাঘাট জিলা শাখাইও ইতিমধ্যে কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰিছে।

বুৰঞ্জী প্ৰকাশ ঃ যোৱা ২০-৫-২০০০ তাৰিখে অনুষ্ঠিত সাহিত্য শাখাৰ সভাই প্ৰকাশিত গ্ৰন্থ ভাগ 'ইতিবৃত্ত' শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ বুৰঞ্জী ' শীৰ্ষক নামকৰণ কৰিছে।

গ্ৰন্থভাগ সম্পাদনা কৰোঁতে - বুৰঞ্জী প্ৰণয়ন উপসমিতিৰ সদস্যসকলে বিভিন্ন সময়ত দিহা পৰামৰ্শ আগবঢ়াই প্ৰকাশৰ উপযোগী কৰিলে তাৰবাবে আমি সকলোৰে শলাগ ল'লোঁ। আঞ্চলিক আৰু প্ৰাথমিক সমূহৰ ইতিবৃত্ত আৰু জীৱনীসমূহ পুনৰ লিখনত সহায় কৰা সদস্যসকল হ'ল - সৰ্বশ্ৰী গোবিন্দ চন্দ্ৰ শইকীয়া, হেম শইকীয়া, দণ্ডেশ্বৰ বৰুৱা, বংশীধৰ বৰা, প্ৰফুল্ল শইকীয়া, সুৰেন্দ্ৰ নাথ ৰাজখোৱা, থানেশ্বৰ হাজৰিকা বাপ সমস্ত। সম্পাদনা সমিতিৰ সদস্য হিচাবে এনে গুৰু দায়িত্ব বহন কৰি গ্ৰন্থভাগ সম্পাদনা কৰাত বিষয়সূচী যুগুতাই দিয়াত আমি সকলোৰে ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিলে। ইয়াৰ উপৰিও তথ্য সংগ্ৰহ কৰাত সৰ্বশ্ৰী গোলাপ শইকীয়া, আনন্দ হাজৰিকা, ৰবীন কলিতা, পূৰ্ণ হাজৰিকা বাপৰ সহায় সহযোগ পাহৰিব নোৱাৰোঁ।

মূল সংঘৰ প্ৰাক্তন উপ পদাধিকাৰ শ্ৰীযুত গোবিন্দ চন্দ্ৰ শইকীয়া বাপে এটি পাতনি লিখি দি গ্ৰন্থখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে। তাৰবাবে তেখেতৰ ওচৰত আমি চিৰ কৃতজ্ঞ হৈ ৰ'লোঁ।

# গোলাঘাট জিলাৰ শাখাৰ বুৰঞ্জী

গ্ৰন্থখনত সন্নিবিষ্ট কৰিবৰ কাৰণে অবিভক্ত, গোলাঘাট জিলা আৰু গোলাঘাট মহকুমাৰ দুখন মানচিত্ৰ সৰ্বশ্ৰী পূৰ্ণ হাজৰিকা, প্ৰফুল্ল শইকীয়া, প্ৰবীন শইকীয়া বাপে অঙ্কণ কৰি দিয়াত তেখেতৰসকলৰ শলাগ ল'লোঁ।

গ্ৰন্থখনৰ বেটুপাতটো অঙ্কণ কৰি গনকপুখুৰী পাৰৰ উদীয়মান শিল্পী শ্ৰীদেৱজিৎ হাজৰিকাই গ্ৰন্থৰ সৌষ্ঠৱ বৃদ্ধি কৰাত তেখেতৰ শলাগ ল'লোঁ।

এখনি সুবৃহৎ গ্ৰন্থৰ পাণ্ডুলিপি ভাগ পৰিপাটিকৈ লিখি ছপা শাললৈ নিবৰ কাৰণে উপযোগী কৰি দিয়াত সংঘৰ একান্ত সেৱক শ্ৰীমান সঞ্জীৱ কুমাৰ ভৰালী, শ্ৰীমান সঞ্জীৱ বৰাৰ কায়িক পৰিশ্ৰম আমি কেতিয়াও পাহৰিব নোৱাৰো। এইখিনিতে তেওঁলোকৰ অকুণ্ঠ সহযোগৰ শলাগ ললোঁ।

অতি কম সময়ৰ ভিতৰতে যোৰহাট 'পূৰশ্ৰী অফছেট প্ৰিণ্টাৰ্চে এনে এখন বৃহৎ কলেবৰৰ গ্ৰন্থ ছপা কৰি দিয়াৰ কাৰণে উক্ত প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰ শ্ৰীযুত শিৱ প্ৰসাদ বৰুৱা আৰু তেখেতৰ প্ৰতিষ্ঠানৰ কৰ্মীবৃন্দৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। গ্ৰন্থখনত দুই এটি ছপাৰ ভুল ৰৈ গৈছে তাৰ কাৰণে আমি সকলোৱে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।

সদৌ শেষত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ গোলাঘাট জিলা শাখাৰ কাৰ্য নিৰ্বাহ সমিতিৰ বিষয়ববীয়া, সদস্য-সদস্যা, প্ৰাথমিক আঞ্চলিক শাখাৰ বিষয়ববীয়া তথা সঙ্গী বাগ সমস্তই সততে গ্ৰন্থভাগৰ তথ্য যোগান ধৰি দিহা পৰামৰ্শ আগবঢ়াই এনে মহৎ কাৰ্য সম্পাদনাত সহায় কৰি অনুষ্ঠানটিৰ প্ৰতি সেৱা আগবঢ়াবলৈ অনুপ্ৰেৰণা যোগালে তাৰ বাবে সকলোৱে চৰণত সেৱা জনাইছোঁ।

গোলাঘাট জিলাৰ ভালে কেইগৰাকী বিশিষ্ট সঙ্গীয়ে গ্ৰন্থভাগ প্ৰকাশৰ কাৰণে প্ৰকাশন পুঁজিলৈ মোটা বৰঙণি আগবঢ়াই গ্ৰন্থভাগ প্ৰকাশৰ সম্ভৱ কৰি তুলিলে তাৰ বাবে তেখেতসকলৰ ওচৰত আমি চিৰঋণী হৈ ৰ'লোঁ।


ইতি-

সেৱাৰে

**শ্ৰীবোধেশ্বৰ কাকতি**
সম্পাদক,সাহিত্য শাখা
শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ
গোলাঘাট জিলা শাখা

স্থান ঃ ঢেকীয়াল
ইংৰাজী ১৯-৫-২০০০

## আলোক চিত্ৰ



বৈষ্ণৱ পণ্ডিত শ্ৰীযুত সোণাৰাম চুতীয়া
প্ৰাক্তন পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
প্ৰতিষ্ঠাপক সভাপতি, গোলাঘাট জিলা শাখা (১৯৫৪-৬০)



**শ্ৰীগোবিন্দ শইকীয়া**
প্ৰাক্তন সম্পাদক, জিলা শাখা (১৯৬৮-৭৩)
প্ৰাক্তন উপ-পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ



শ্ৰীযুত করুণাকান্ত কলিতা

পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ



শ্ৰীযুত হৰিপ্ৰসাদ হাজৰিকা

প্ৰধান সম্পাদক,


শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ



প্ৰয়াত সোমনাথ কলিতা
(শিঙৰাজান)



প্ৰয়াত গংগা নাথ
(ঢেকীয়াল)



প্ৰয়াত নন্দেশ্বৰ দত্ত
(ঢেকীয়াল)



প্ৰয়াত ডিম্বেশ্বৰ শইকীয়া
(ঢেকীয়াল)



প্ৰয়াত দেহিৰাম হাজৰিকা
(মিছামৰা)



প্ৰয়াত উত্তৰাকান্ত বৰা
(মিছামৰা)



প্ৰয়াত প্ৰমোদ শইকীয়া
(হাবিয়াল গাঁও)



প্ৰয়াত বিপিন দত্ত
(বৰুৱাবামুণ গাঁও)



প্ৰয়াত আধান বৰবৰা
(মিছমৰা)
প্ৰাক্তন সম্পাদক, সংস্কৃতি শাখা



প্ৰয়াত হৰকান্ত মুদৈ
(কছাৰি গাঁও)

# প্ৰথম অধ্যায়

## শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ ইতিবৃত্ত

**গোলাঘাট জিলা গঠন আৰু ইয়াৰ চাৰিসীমা ঃ** অসমৰ অবিভক্ত শিৱসাগৰ জিলাৰ মহকুমা পৰ্যায়ৰ পৰিসীমা গোলাঘাট ভৌগোলিক ভাৱে সম্প্ৰতি জিলা পৰ্যায়লৈ উন্নীত হৈছে । ১৮৩৪ খ্ৰীঃত প্ৰতিষ্ঠিত গোলাঘাট মহকুমা অসমৰ ভিতৰত এটি বৃহৎ আৰু ঐতিহ্যপূৰ্ণ মহকুমা আছিল । ১৯৮৭ খ্ৰীঃৰ ২৩ অক্টোবৰ তাৰিখে অসম চৰকাৰে প্ৰশাসনৰ সুবিধা আৰু জনকল্যাণৰ উদ্দেশ্যে গোলাঘাট মহকুমা এখন জিলা হিচাপে গঠন কৰে লগতে দক্ষিণ গোলাঘাটৰ বৰপথাৰ আৰু সৰুপথাৰ মৌজাক লৈ ধনশিৰি মহকুমা আৰু খুমটাই ৰঙামাটি, বোকাখাত, মহুৰা আৰু কাজিৰঙা মৌজাক লৈ বোকাখাত মহকুমা নামে দুটি মহকুমা গঠন কৰে।

দেৰগাঁও, মিছামৰা, ঢেকীয়াল, গুৰযোগনীয়া, দক্ষিণ হেঙেৰা, মৌখোৱা, আঠগাঁও, কছাৰীহাট, ঘিলাধাৰী, মৌজাক লৈ গোলাঘাট মহকুমা গঠিত । বৰ্তমান গোলাঘাট জিলা তিনিটা মহকুমা লৈ গঠিত গোলাঘাট, ধনশিৰি, বোকাখাত । গোলাঘাট জিলাৰ উত্তৰে শোণিতপুৰ জিলা আৰু লক্ষীমপুৰ জিলা, পুবে যোৰহাট জিলা, দক্ষিণে নগালেণ্ড, পশ্চিমে নগাওঁ জিলা আৰু কাৰ্বি আংলং জিলা। গোলাঘাট জিলা ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰে অৱস্থিত । ইয়াৰ মাটিৰ কালি ৩৫৪১ বৰ্গ কিলোমিটাৰ । ১৯৯১ চনৰ লোকপিয়ল মতে ইয়াৰ জনসংখ্যা ৮ লাখৰো অধিক । মুঠ গাৱঁৰ সংখ্যা ৭২১ খন ।

গোলাঘাট জিলাৰ অধিবাসী অসমীয়া চাহ জনজাতি, মিছিং, বড়ো, কাৰ্বি, কোচ, চুতীয়া, ৰাজবংশী, কছাৰী, কৈৱৰ্ত, ব্ৰাহ্মণ, মহন্ত, কায়স্থ, মুছলমান আৰু পশ্চিমবঙ্গ, বিহাৰ, উৰিষ্যা, পঞ্জাব, ৰাজস্থান, মণিপুৰ আদিৰপৰা অহা বিভিন্ন জনগোষ্ঠীৰ লোকে বসবাস কৰে । শতকৰা ৮০ভাগ লোকেই কৃষি কৰ্ম কৰি জীৱিকা নিৰ্বাহ কৰে ।

কিছুসংখ্যক লোকে ব্যৱসায়-বাণিজ্য কৰে আৰু বৰ্তমান ব্যক্তিগতভাৱে বহু সংখ্যক লোকে নিজা মাটিত চাহ খেতি কৰিবলৈ আৰম্ভ

কৰিছে । শিল্প উদ্যোগৰ ভিতৰত বৰুৱা বামুণ গাওঁত সমবায় ভিত্তিত প্ৰতিষ্ঠিত এটি চেনিকল, বাদুলিপাৰৰ ডাবিডুবিত কুশলকোঁৱৰ সুতাকল প্ৰতিষ্ঠিত । কিন্তু দুয়ো উদ্যোগেই বৰ্তমান বন্ধ হৈ আছে । উৰিয়ামঘাটৰ ওচৰৰ ঘোলাপানী নামে ঠাইত খাৰুৱা তেলৰ পুং আছে । আৰ্থ সামাজিক দিশত গোলাঘাট জিলাত চাহ উদ্যোগ হিচাপে প্ৰায় ৬০ খনৰো অধিক চাহ বাগিচাই বিশেষ অৰিহণা যোগাইছে । বৰ্তমান গোলাঘাটৰ নুমলীগড়ত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰতিষ্ঠিত নুমলীগড় তেল শোধনাগাৰ অসমৰ চতুৰ্থ শোধনাগাৰ হিচাপে কাৰ্য্যক্ষম হৈ উঠিছে । জিলাখনৰ উৎপাদিত সম্পদ চাহ, ধান, কুহিয়াৰ, মাহ, সৰিয়হ, ঘেঁহু আদিয়েই প্ৰধান । জিলাখনৰ বিভিন্ন ঠাইত মূল্যবান গছ আৰু জীৱ-জন্তু, নৈ-বিল আদিত মাছ-কাছ আদি পোৱা যায় ।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংবিধান মতে গোলাঘাট মহকুমাৰ পৰিসীমাক লৈ গোলাঘাট জিলা শাখা গঠন কৰা হয় । গোলাঘাট জিলাৰ অন্তৰ্গত ধনশিৰি আৰু বোকাখাত মহকুমা দুটিক শংকৰদেৱ সংঘৰ জিলাৰ মৰ্যাদা দিয়া হৈছে । ইংৰাজী ১৯৯০ চনত শ্ৰীমন্ত শংকৰদেৱ সংঘ ধনশিৰি জিলা, ইংৰাজী ১৯৯২ চনত বোকাখাত জিলা হিচাপে মূল সংঘই স্বীকৃতি প্ৰদান কৰে । বৰ্তমান এই দুয়োখন জিলা শাখাই শ্ৰীমন্ত গুৰুজনাৰ ধৰ্ম-সাহিত্য-সংস্কৃতি পৰিশুদ্ধ ৰূপত প্ৰচাৰ প্ৰসাৰত আশানুৰূপে আগবাঢ়িছে । গোলাঘাট জিলা শাখাই শংকৰদেৱৰ ধৰ্মাদৰ্শ প্ৰচাৰ কৰাৰ লগতে শংকৰী সাহিত্য সংস্কৃতি, নৃত্য, গীত, বাদ্য শুদ্ধ ৰূপত প্ৰচাৰ কৰি শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ উন্নতি কৰাত অৰিহণা যোগাই আহিছে। গোলাঘাট জিলা শাখাৰ মূল কাৰ্যালয় ঢেকীয়ালত অৱস্থিত । কাৰ্যালয়ৰ চৌহদত এভাগি নামঘৰ আৰু শংকৰী সংস্কৃতি বিকাশ কেন্দ্ৰ প্ৰতিষ্ঠিত । বৰ্তমান জিলাখনত ২৬৪ খন প্ৰাথমিক শাখা আছে । অঞ্চল বিশেষে ১১ খন আঞ্চলিক শাখা গঠন কৰি সংগঠনৰ ক্ষেত্ৰত সুবিধা কৰি লোৱা হৈছে ।

**জিলা শাখাৰ স্থায়ী কাৰ্যালয় ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ সংগঠন আৰু প্ৰচাৰৰ সুবিধাৰ্থে ঢেকীয়াল তিনি আলিৰ দাঁতিত প্ৰয়াত কেৰকন দত্ত আৰু বিভু বোচে দান দিয়া মাটিত এটি কাৰ্যালয় নিৰ্মাণ কৰা হয়, কিন্তু ই পিছত পৰিত্যক্ত হয় । ইয়াৰ পাছত তেলিয়া সোণাৰিৰ মহবন্ধা আলিৰ কাষত নামধৰ মণিকূট সহ জিলা কাৰ্যালয় নিৰ্মাণ কৰা হৈছিল, কিন্তু কালক্ৰমত ইও পৰিত্যক্ত হয় । পুনৰ খনিকৰ গাওঁৰ প্ৰয়াত ভাবুৰাম দত্তই দান দিয়া তিনিকঠা মাটিত জিলা

কাৰ্যালয় নিৰ্মাণ কৰা হৈছিল যদিও সময়ত এই কাৰ্যালয়টিও জিলা সংঘই এৰিব লগা হয় । বৰ্তমান এই স্থানত খনিকৰ প্ৰাথমিকৰ সঙ্গীসকলে নামঘৰৰ মণিকূট নিৰ্মাণ কৰি প্ৰাথমিকৰ অনুষ্ঠান আদি সম্পাদন কৰি আছে।

১৯৭৬ চনত বৰপথাৰ গেলাবিলত অনুষ্ঠিত জিলা অধিবেশনৰ প্ৰতিনিধি সভাৰ সিদ্ধান্ত মৰ্মে ইংৰাজী ২।১০।৭৯ তাৰিখত ঢেকীয়ালত এটি অস্থায়ী কাৰ্যালয় নিৰ্মাণ কৰি খনিকৰৰপৰা জিলা কাৰ্যালয় ভাগ উঠাই অনা হয় । ঢেকীয়াল চাৰি আলিৰ কাষত জিলা সংঘৰ কাৰ্যালয়ৰ কাৰণে প্ৰয়াত দণ্ডিৰাম বৰাৰ পৰিয়ালে প্ৰয়োজনীয় ভূমি দান কৰে । এই ভূমিতে ইংৰাজী ১২।৬।৮১ তাৰিখে মণিকূটৰ আধাৰশিলা স্থাপন কৰি মলিয়া গাঁৱৰ নিবাসী শ্ৰীঅপূৰ্ব বৰগোহাঁইদেৱে তেওঁৰ পিতৃ কীৰ্তিনাথ বৰগোহাঁইৰ স্মৃতিত দিয়া দানেৰে স্থায়ী মণিকূট ভাগ নিৰ্মাণ কৰি ইংৰাজী ২৭।৯।৮২ তাৰিখে গুৰু আসন প্ৰতিষ্ঠা কৰা হয় । ইয়াৰ পাছত সঙ্গীবাপসকলৰ দান-বৰঙণিৰে নামঘৰ ভাগ নিৰ্মাণ কৰা হৈছে ।

এই স্থানতে চেতিয়া গাঁৱৰ সঙ্গী শ্ৰীজীতেন বৰাই তেখেতৰ ককাক প্ৰয়াত মহেশ্বৰ বৰা আৰু পিতৃ ভদ্ৰেশ্বৰ বৰাৰ স্মৃতিত এটি স্থায়ী কাৰ্যালয় গৃহ দান দিয়াত ইংৰাজী ২০।১২।৯২ তাৰিখে ইয়াৰ আধাৰশিলা স্থাপন কৰা হয় । ইংৰাজী ২৩।১০।৯৪ তাৰিখে এই কাৰ্যালয়টি আনুষ্ঠানিকভাৱে গ্ৰহণ কৰি বৰ্তমান জিলাৰ কাম চলাই থকা হৈছে । ইয়াৰ উপৰি অসম চৰকাৰৰ অনুদানেৰে এটি সাংস্কৃতিক ভৱন আৰু ঢেকীয়াল প্ৰাথমিক শাখাৰ অনুদানেৰে ৰন্ধন কাৰ্যৰ বাবে এটি স্থায়ী গৃহ নিৰ্মাণ কৰা হয় । নামঘৰৰ বাটচ'ৰা সহ এভাগি তোৰণ প্ৰয়াত নন্দেশ্বৰ দত্তৰ সোঁৱৰণত তেখেতৰ পৰিয়ালবৰ্গই সজাই দিয়ে । বৰ্তমান গোলাঘাট নগৰৰ সমীপস্থ বেঙেনা খোৱাত জিলাৰ এটি শাখা কাৰ্যালয় প্ৰতিষ্ঠা কৰা হৈছে । গোলাঘাট আঞ্চলিক শাখাৰ সহযোগত এই কাৰ্যালয় প্ৰাঙ্গণত মণিকূট গৃহ স্থায়ীভাৱে নিৰ্মাণ কৰা হৈছে। সেই অঞ্চলৰ সঙ্গীসকলে নামঘৰ নিৰ্মাণৰ কাম চলাই আছে । মূল সংঘই উক্ত কাৰ্যালয় প্ৰাংগণত এখনি সংগীত বিদ্যালয় প্ৰতিষ্ঠা কৰি জিলা সংঘৰ সহযোগত গায়ন-বায়ন নৰ্ত্তন বিষয়ত পাঠদান চলাই আছে ।

বৰুৱাবামুণ গাঁৱত জিলা সংঘৰ নিজা মাটিত স্থানীয় প্ৰাথমিক শাখাৰ সহযোগত এটি নামঘৰ নিৰ্মাণ কৰা হৈছে । নামঘৰৰ মণিকূট ভাগ কছাৰী গাঁৱৰ সংঘৰ একনিষ্ঠ সংগী শ্ৰীযুতা প্ৰেমলতা মুদৈ আৰু তেওঁৰ পৰিয়াল বৰ্গই স্বামী হৰকান্ত মুদৈৰ সোঁৱৰণত নিৰ্মাণ কৰি গুৰু আসন ভাগ প্ৰতিষ্ঠা কৰি জিলা সংঘক আনুষ্ঠানিক ভাৱে চমজাই দিয়ে ।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

এই জিলাৰ প্ৰধান নৈ ব্ৰহ্মপুত্ৰ । এই নদীখন জিলাখনৰ উত্তৰ অংশইদি পূবৰ পৰা পশ্চিমলৈ বৈ গৈছে । জিলাখনৰ মাজেদি বৈ গৈছে ধনশিৰি নৈ । পূব সীমাত থকা কাকডোঙা নৈয়ে যোৰহাট আৰু গোলাঘাট জিলাৰ সীমা নিৰ্দ্ধাৰণ কৰিছে । জিলাখনৰ আন আন লেখত ল'বলগীয়া উপনৈ হৈছে - ঘিলাধাৰী, দৈয়াং আৰু নামবৰ । নামবৰ নৈত ফটাশিল নামেৰে এটা জলপ্ৰপাত আছে । তাৰ ওচৰত গৰম পানী নামে গন্ধক যুক্ত পানীৰ এটা উহ আছে । ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য অতি মনোৰম । জিলাখনৰ উত্তৰ অংশত ৩৭ নং ৰাষ্ট্ৰীয় পথৰপৰা কিছুদূৰত গেলাবিল নামে এটি সুঁতি আছে ।

গোলাঘাট জিলাৰ পশ্চিম অংশত কাজিৰঙা ৰাষ্ট্ৰীয় অভয়াৰণ্য অৱস্থিত । ইয়াত নানাবিধ জীৱ-জন্তু, চৰাই থকাৰ উপৰি পৃথিবী বিখ্যাত এটা খড়্গ থকা গড় আছে । দৈয়াং আৰু নামবৰ এই জিলাৰ সংৰক্ষিত অৰণ্য । দৈয়াং, নামবৰ, বেংমাৰ হাবিত মূল্যবান কাঠ আৰু বনৰীয়া প্ৰাণী পোৱা যায় ।

যাতায়তৰ ব্যৱস্থা হিচাপে উত্তৰ পূব সীমান্ত ৰেলৰ ব্ৰডগজ পথ এই জিলাৰ মাজেদি গৈছে । ঘাই পথটো কাৰ্বি আংলং জিলাৰ বোকাজান ষ্টেচনৰ পৰা এই জিলাত সোমাই নাওজান সৰুপথাৰ-বৰপথাৰ, ফৰকাটিং জংচন আৰু কমাৰবন্ধা হৈ যোৰহাট জিলাত সোমাইছে । শাখা পথটো ফৰকাটিং জংচনৰপৰা গোলাঘাট, খুমটাই, বৰুৱা বামুণ হৈ মৰিয়ণীত সংযোগ ঘটিছে ।

৩৭ নং ৰাষ্ট্ৰীয় পথ এই জিলাৰ মাজেদি পুৱা-পশ্চিমাকৈ গৈছে । ৩৯ নং ৰাষ্ট্ৰীয় পথ নুমলীগড়ৰ পৰা দক্ষিণলৈ গোলাঘাট হৈ কাৰ্বি আংলঙৰ মাজেদি ডিমাপুৰ, কহিমা, ইম্ফল আদি পাইছে । পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথে তদুপৰি দেৰগাঁও নগৰৰপৰা বৰুৱা বামুণ, ঢেকীয়ালৰ মাজেদি গোলাঘাট নগৰক চুইছে । আহোম ৰজাদিনীয়া ধোদৰ আলি নুমলীগড়ৰপৰা গোলাঘাট আৰু কমাৰবন্ধা হৈ যোৰহাট জিলাত সোমাইছে । তদুপৰি গড়কাপ্তানী বিভাগৰ অধীনত জিলাখনৰ প্ৰধান ঠাইবোৰ সংযোগ কৰা আলিবাট আছে ।

(গোলাঘাট জিলাৰ মানচিত্ৰ সন্নিবিষ্ট কৰা হৈছে ।)

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

**গোলাঘাট ঃ অতীত আৰু বৰ্তমান ঃ** বৰ্তমান দৈয়াং আৰু ধনশিৰি নৈৰ উপত্যকাটোৱেই ইংৰাজৰ শাসনৰ আৰম্ভণিৰ কালত নাম পালে 'গোলাঘাট'। ১৮৩৮ খৃষ্টাব্দলৈকে এই উপত্যকাৰ সমগ্ৰ অঞ্চল আহোম বংশৰ শেষ ৰজা পুৰন্দৰ সিংহৰ ৰাজ্যৰ পশ্চিম অংশ হৈ আছিল। পুৰন্দৰ সিংহ ইংৰাজৰ কৰতলীয়া ৰজা আছিল আৰু তেওঁৰ ৰাজ্যৰ এই অংশটোৰ লগতে কাষৰ নগা পাহাৰৰ অংশত তেওঁৰ ৰাজ্যৰ অংগ আছিল। ১৮৩৮ খৃঃত ইংৰাজে পুৰন্দৰ সিংহক আঁতৰাই ৰাজ্যখন চলোৱাৰ দায়িত্ব গ্ৰহণ কৰে । লুইতৰ দক্ষিণপাৰৰ পৰা নগা পাহাৰৰ নখলৈকে, পূৱে দিহিং নৈৰপৰা পশ্চিমে ধনশিৰী লৈকে এই সমগ্ৰ অঞ্চলটোক প্ৰশাসনৰ সুবিধাৰ বাবে এখন জিলাৰূপে গঠন কৰি প্ৰথমে 'শিৱপুৰ' আৰু পাছত 'শিৱসাগৰ' নাম দিলে। জিলাখনক শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট নামত তিনিটা মহকুমাত বিভক্ত কৰিলে । পৃথিৱীৰ সৰ্ববৃহৎ নদী দ্বীপ মাজুলী, যোৰহাট মহকুমাৰ অন্তৰ্ভুক্ত আছিল ।

আহোম শাসন ব্যৱস্থা অনুসৰি দেশৰ সকলো সক্ষম নাগৰিকে আজীৱন বিনাকৰে ধান খেতিৰ মাটি ৰাজ ঘৰৰপৰা লোৱাৰ বিনিময়ত তিনি মাহ পাইক ৰণুৱা হিচাপে ৰাজঘৰৰ অধীনত কাম কৰিব লাগিছিল । সকলো মাটি ৰাইজে নিজৰ মাটি হিচাপে ভোগ দখল কৰিছিল । তাৰ বাবে কোনো কৰ-কাতল ভৰিব নালাগিছিল । পুৰন্দৰ সিংহৰ ৰাজ্য নগা পৰ্বতৰ দক্ষিণ অঞ্চলৰ মলৌ দোৱাৰ পৰ্যন্ত ব্যাপ্ত আছিল । কেপ্তেইন ব্ৰডিয় শিৱপুৰ ওৰফে শিৱসাগৰ জিলাৰ প্ৰধান বিষয়া আছিল । কেপ্তেইন ব্ৰডিক অসমীয়াই 'বৰটি' চাহাব বুলিছিল ।

আহোম শাসনৰ দিনত এই অঞ্চলৰ মানুহৰ নগা পৰ্বতৰ জনগোষ্ঠীৰ লগত সম্পৰ্ক আছিল । নগাসকলে সেই সময়ত আহোম প্ৰজা ৰূপে পৰ্বত-ভৈয়াম সকলো অঞ্চলকে নিজা ৰাজ্য বুলি চলন-ফুৰণ কৰিছিল । যাতায়তৰ ব্যৱস্থা হিচাপে ধনশিৰি দৈয়াঙৰ ওপৰে নাৱত আৰু নৈৰ কাষেদি থকা ঠেক বাটবোৰ অহা-যোৱাত ব্যৱহাৰ কৰিব লগা হৈছিল । নগাৰঁৰ বিশ্বনাথ অঞ্চলত সেই সময়ত ইংৰাজ ঘাটি আছিল । তাৰপৰা নগা পৰ্বত, দৈয়াং আৰু অন্যান্য ঠাইলৈ সা-সামগ্ৰী আদি লুইতেদি আনি ধনশিৰিয়েদি উজাই গৈ যি ঘাটত ৰাখিছিল আৰু তাৰেই দাঁতি কাষৰীয়া অঞ্চলৰ মানুহৰ পৰা সা-সামগ্ৰী লৈ যি গোলা বা দোকান-পোহাৰ বহুৱাইছিল, সেই ঘাটেই কালক্ৰমত গোলাঘাট নামে জনাজাত হ'ল । সা-সামগ্ৰীবোৰ অন্য ঠাইৰ পৰা আনি নদীখনৰ যি বলুকাও দ'মাই থৈছিল, সেই বলুকাত নগা বালি

ৰূপে জনাজাত হ'ল। ধোদৰ আলিৰ কাষতেই নগা জন-জাতিৰ বেচা-কিনাৰ সুবিধাৰ কাৰণে নগা হাট পাতি দিয়া হৈছিল। গোলাঘাট নগৰৰ বৰ্তমানৰ যমুনাৰ কাষতে এনে এখন 'নগা হাট' আছিল বুলি জনা যায় ।

অতীতত বৰ্তমানৰ গোলাঘাট নগৰৰ মাজেদি দৈয়াং নৈ কিছুকাল বৈ আছিল বুলি প্ৰবাদ আছে । বৰ্তমানৰ আৰক্ষী থানাৰ কাষৰ পুখুৰী, গড় কাপ্তানীৰ চৌহদৰ পুখুৰী আৰু বৰ্তমানৰ ৰাজহুৱা খেল পথাৰ সহ দুখন যমুনা দৈয়াঙৰ সুঁতিৰ অৱশেষ বুলি কোৱা শুনা যায় ।

ধনশিৰি মুখ আৰু পূৰ্বতে দৈয়াং বুলি জনাজাত বোকাখাতৰ বিস্তৃত অঞ্চলৰ মাজৰ লখৌজান নামৰ ঠাইত আহোম ৰাজত্ব কালত আহোম ৰজাৰ নৌ সেনাৰ এটা স্থায়ী ঘাটি আছিল । এই ঘাটি ডাঙৰ গড় মাৰি বেৰা হৈছিল। নিজৰ ৰজাৰ ওপৰত বোষ কৰি অসমীয়া বিষয়াই মোগল সেনাপতি মিৰজুমলাক এই দেশত সোমোৱাৰ সুবিধা কৰি দিয়াৰ পাছত মিৰজুমলা আহি লখৌত কিছুদিন থাকি উজনি অসম দখল কৰাৰ চেষ্টা কৰিছিল। এইজন মোগল সেনাপতিয়ে দেৰগাৱঁৰ ফুটুকাতলিৰ কাষৰ ৰজা বাহৰ দখল কৰি তাতো কিছুদিন আছিল । এই ৰজা বাহৰৰ ভঁৰালৰ বাৰীতেই বৰ্তমানৰ দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয় প্ৰতিষ্ঠিত । মহাবিদ্যালয়ৰ চৌহদৰ চোতালত কিছুকাল আগতে এটা প্ৰাচীন পাট কুঁৱাৰ ভগ্নাশেষ আৱিষ্কাৰ হৈছিল । মহাবিদ্যালয় কৰ্তৃপক্ষই কুঁৱাটো সংৰক্ষিত কৰিছে । মোৱামৰীয়া বিদ্ৰোহৰ কালৰ (ৰণুৱাৰ কাৰ্য এৰি ভকত বেশ ধৰা দেশৰ পাইক ধৰি আনি গড় গাৱঁৰ পৰা লখৌ পৰশি নি বাজআলি আছিল) আহোম ৰাজত্বৰ কালত এই পথৰ দক্ষিণৰপৰা নগা পৰ্বত পৰশি বিস্তীৰ্ণ অঞ্চলত ৰজা গদাধৰে ৰণুৱাৰ কাৰ্য এৰি ভকত বেশ ধৰা দেশৰ পাইক ধৰি আনি এই পথ মেৰামতি কৰাৰ পাছত, এই পথে নাম পালে 'ধোদৰ আলি'; কাৰণ ভকত বেশ লোৱা ৰণুৱাক তেতিয়া 'ধোদ' বুলিছিল ।

দৈয়াং ধনশিৰিৰ এই উপত্যকা অঞ্চল আহোম ৰাজ্যত অন্তৰ্ভুক্ত হোৱাৰ আগতে ই কছাৰী ৰাজ্যৰ অংশ আছিল । ত্ৰয়োদশ শতিকাৰ আৰম্ভণিত এই কছাৰী ৰাজ্য দিখৌৰপৰা ধনশিৰি কপিলি পৰ্যন্ত বিস্তৃত আছিল । দক্ষিণে ই বৰ্তমানৰ নগাভূমিৰ টুৱেন চাং, মোকক চাং আৰু মলৌ দোৱাৰ পৰ্যন্ত পাহাৰীয়া ঠাই সামৰি লৈছিল । কিন্তু দক্ষিণৰপৰা অহা নগাসকলৰ সঘন আক্ৰমণৰ বাবে পাহাৰী কছাৰীসকল পৰ্বতৰপৰা নামি আহি লুইতৰ পাৰত অন্য কছাৰী প্ৰজাৰ লগত বসবাস কৰিব লগাত পৰে। কছাৰীয়ে এৰি অহা পাহাৰ অঞ্চলত আহোম কোঁৱৰ চুকাফা দলে দখল

কৰে । লুইত পৰীয়া ভৈয়ামৰ, দিখৌ ধনশিৰিৰ মাজৰ ঠাইত কছাৰী ৰজাৰ নগৰ আছিল । পাছলৈ পশ্চিম আৰু বৰাক উপত্যকাৰ ফালে কছাৰী ৰাজ্য বাঢ়ি যোৱাত ধনশিৰি কপিলিৰ মাজৰ কোনো ঠাইত কছাৰীৰ ৰাজ নগৰ হয় । গোলাঘাটৰ কাছমাৰী আৰু একালত গোলাঘাটৰে অংগ হৈ থকা ডিমাপুৰ অঞ্চলত কছাৰী ৰজাৰ অনেক কীৰ্তি চিহ্ন পোৱা যায় । বৰ্তমানৰ কাৰ্বি আংলং জিলাৰো বহু অংশ গোলাঘাটৰ ভিতৰত আছিল । কাৰ্বি পাহাৰৰ দোসতি মূৰ, পানী মূৰ আদি ঠাইত এনে কীৰ্তি চিহ্ন আছে ।

অসমৰ পুৰণি শাস্ত্ৰত এই কছাৰী ৰাজ ফৈদক বৰাহীৰাজ বুলি উল্লেখ আছে । আহোম বুৰঞ্জীত মৰাণ, বৰাহী, চুতীয়া আৰু কছাৰীক অৱশ্যে সুকীয়া জনগোষ্ঠী ৰূপেহে উল্লেখ কৰিছে । অনেক নৃতত্ত্ববিদে বৰাহীসকলক কছাৰীৰে এটা ঠাল বুলি ক'ব খোজে । কিন্তু সি অনুমানহে কাৰণ বৰ্তমান এই বৰাহীজাতিৰ লোক পোৱা নাযায়, বহুকাল আগতেই তেওঁলোক দাঁতি-কাষৰীয়া বিভিন্ন জাতিৰ মাজত সোমাই জাহ গ'ল । প্ৰাচীন অসমৰ ৰাজ ফৈদৰ ৰাজত্বতে অসমীয়া ভাষাৰ বিপুল উৎকৰ্ষ সাধিত হৈছিল । এই ৰজাসকলৰ মাজৰ মহামানিক্যফা নামৰ ৰজাৰ ৰাজ সভাত শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ প্ৰায় শতবৰ্ষৰো অধিক আগতেই অপ্ৰমাদী কবি মাধৱ কন্দলিয়ে সংস্কৃত ৰামায়ণ মহাকাব্য ছন্দোবদ্ধ ভাৱে অসমীয়ালৈ ভাঙনি কৰিছিল । মূল সংস্কৃত গ্ৰন্থৰ লগত মিলাই চালে এই ভাঙনিয়ে অসমীয়া ভাষাটো কিমান ঐশ্বৰ্যশালী আছিল তাৰ নিদৰ্শন দাঙি ধৰে । এই গৰাকী অসমীয়া কবি মাধৱ কন্দলিৰ ঘৰ-বাৰি সেই সময়ত ধনশিৰিৰ অদূৰত, গোলাঘাট, অঞ্চলৰ দৈগ্ৰোং বা মূৰ ফুলনিত আছিল বুলি অনেকে বিশ্বাস কৰিছিল । দৈগ্ৰোং জানৰ কাষৰ ঢলাগুৰিৰ ওচৰত কোনো ঠাইত পুৰণি খাল এটাত অতি প্ৰাচীন কিছু সাংস্কৃতিক সমল, লেখা যুক্ত সমল পোত খাই থকাৰ কথা সেই অঞ্চলৰ লোকৰ মুখত শুনা গৈছিল । সেইদৰে মৰঙ্গীৰপৰা কিছুদূৰত থকা পৰ্বতৰ ওপৰত শিলৰ এটা ডাঙৰ কলহ থকা কথাও শুনা যায় । কলহটো এচটা ডাঙৰ শিলেৰে সাফৰ দিয়া আছে আৰু ফাকুৱাৰ দিনকেইটাত কলহটোৰ গা ৰঙচুৱা হয় বুলি কোৱা শুনা যায় । সেই ঠাইৰপৰা কিছু দূৰতে কেৱল ছটিয়া শিলেৰে গঢ়া এখন ডাঠ বেৰ আছে । শিলবোৰ টিলাকৈ গথা; কিন্তু টানি উলিওৱা সম্ভৱ নহয়।

কছাৰী ৰজাসকলে তেওঁলোকৰ ৰাজ্যখণ্ডক ঘাইকৈ দৈয়াং ধনশিৰি উপত্যকাক হেৰম্ব নাম দিছিল আৰু পাছৰ কালত ৰাজ্যখনৰ ৰাজধানী ইয়াত থকা বাবেই ইয়াৰ ৰজাক হেৰেম্বেশ্বৰ বুলিছিল । এই নামৰ লগত

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

মহাভাৰতৰ বীৰ ভীমৰ কুঁৱৰী হিৰিম্বাৰ পৰা হোৱা বুলি আৰু ৰাজফৈদো হিৰিম্ব কুঁৱৰীৰ পৰা হোৱা ভীমৰ সন্তান ঘটোৎকচৰ সন্ততি বুলি কিংবদন্তি চলি আহিছিল । মহাভাৰতৰ যোদ্ধা ঘটোৎকচ আৰু হিৰিম্বা ৰাণীৰ নামেৰে জড়িত থকা এনে অঞ্চল ভাৰতবৰ্ষৰ অন্য ঠাইতো অৱশ্যে আছে । অসম বুৰঞ্জীত উল্লেখ থকা কছাৰী ৰজাসকলৰ কাল হিচাপ কৰিলে হেৰেম্ব ৰাজ্যৰ আদি ৰজা চুচেম্‌ফাৰ ৰাজত্বকাল দ্বাদশ শতিকাৰ শেষছোৱা যেন অনুমান হয় । সেই শতিকাৰ সেই সময়লৈকে কপিলি, দৈয়াং, ধনশিৰী দিলশিৰী বা কাকডোঙা আৰু দিখৌ উপত্যকা যে প্ৰাচীন কামৰূপ ৰাজ্য পূৰ্বাঞ্চলৰ খাচ অংগ আছিল তাৰ প্ৰমাণ এই অঞ্চলত থকা ভগ্নাৱশেষৰ শিলৰ কাৰু-কাৰ্য, লিপি আদিয়ে দাঙি ধৰিছে । সৰুপথাৰৰ খনিকৰ নগাজড়িত পোৱা শিলালিপি, বৰপথাৰৰ দুবৰীয়নি টেঙ্গা হোলা নুমলীগড়ৰ কীৰ্তিচিহ্ন, দেৰগাৱঁৰ থটখটিৰ শিলত থকা পুৰণি আখৰৰপৰা অনুমান হয় যে এইবোৰ কীৰ্তিচিহ্ন নৱম-দশম শতিকাৰ পাছৰ নহয় । দেওপানী, বৰপথাৰৰ দুবৰীয়নি আৰু নেঘেৰিটিঙৰ শীতল পথাৰত পোৱা বিষ্ণু মূৰ্তি প্ৰায় একে গঢ়ৰ যেন দেখা যায় । দেওপানীৰ মন্দিৰৰ প্ৰাচীন সমলবোৰ অৰ্থাৎ শিল-ইটা আৰু বিভিন্ন নক্সাবোৰ কোনে কি কৰিলে জনা নাযায় । অৱশ্যে প্ৰাচীন মন্দিৰৰ সেই ভেটিত আজি-কালিৰ দৰে নতুন মন্দিৰ সজা হৈছে । প্ৰাচীন মন্দিৰৰ ভগ্নাৱশেষ হিচাপে প্ৰকাণ্ড শিলত কাটি উলিওৱা দুটা শঙ্খ আৰু সুন্দৰকৈ শিলৰ পৰা কটা দেৱ-দেৱীৰ মূৰ্তিও আছিল । বৰ্তমান নুমলীগড়ৰ দেও পৰ্বতত থকা মন্দিৰ, ভগ্নাৱশেষৰ শিলৰ কাৰু-কাৰ্য মন কৰিবলগীয়া । নুমলীগড়ৰ ভগ্নাৱশেষৰ মাজত সুন্দৰকৈ গঢ়া চিত্ৰবোৰে প্ৰাচীন নিৰ্দৰ্শন দাঙি ধৰে । নুমলীগড় নামটোৰ লগত কছাৰী কুঁৱৰী নুমলীৰ কথা কিংবদন্তিয়ে জড়িত কৰিছে । সেই কুঁৱৰী হয়তো গৰমা কুঁৱৰীও হ'ব পাৰে । তেওঁ কছাৰী ৰজাৰ শেষ কুঁৱৰী হোৱাৰ বাবে নুমলী আখ্যা পাইছিল ।

বুৰঞ্জীৰ বিৱৰণীৰপৰা জনা যায় যে আহোম শক্তিৰ হেঁচাত কছাৰীসকলে নিজ ৰাজ্যৰ পূৰ্বাঞ্চল এৰি আহি ধনশিৰি আৰু দিলশিৰি বা কাকডোঙাৰ মাজৰ অঞ্চলত খোপনি পুতিলৈ সম্ভাব্য আহোম আক্ৰমণক ভেটিবৰ বাবে ব্যৱস্থা লৈছিল । ইয়াৰ বাবে দিলশিৰিৰ পাৰৰ শীতল নেঘেৰী, ধনশিৰিৰ পাৰৰ মৰঙ্গী গড় বা নুমলীগড় আৰু দক্ষিণ পাহাৰৰ ফালে জামুগুৰি কাছমাৰীত প্ৰধান কেন্দ্ৰৰ আয়োজন কৰা যেন অনুমান হয়। ৰণুৱাৰ কোঠ বা চকীক কছাৰী ৰাজ্যত 'টিং' শব্দৰে বুজাইছিল । গোলাঘাট অঞ্চলৰ বিভিন্ন ঠাইৰ নামত 'টিং' শব্দ জড়িত আছে । শীতল পথাৰৰ

কাষতে থকা ওখ টিলাবোৰক বোধহয় নেঘেৰি বুলিছিল । তাতো কছাৰীৰ ৰণুৱাৰ কোঠ থকাত তাক নেঘেৰিটিং বুলিছিল । শীতল নামটো সংস্কৃতৰ 'শিৱতন্ত্ৰ' নামৰপৰা উদ্ভৱ বুলি ভৱা হয় । দেৰগাঁও নামটো দেবৰ গাঁও ৰূপে বুৰঞ্জীত উল্লেখ পোৱা যায় । কোনো কোনোৱে কয় আহোম ৰাজত্বত ব্ৰাহ্মণ বসতিস্থল ৰজাই পাতি দিয়াৰ বাবে ই দেৱস্থান বা দেৱৰস্থান বুলি জনা যায়। ব্ৰাহ্মণ কুলৰ লোক অসমৰ অতি প্ৰাচীন বাসিন্দা। ৰজা চুহুংমুঙৰ দিনতহে দেৰগাঁও অঞ্চল আহোম ৰাজ্যৰ অঙ্গ হয়। কিন্তু এই চুহুংমুং ৰজাৰ সৈতে এই ঠাইৰ কছাৰীৰ লগত হোৱা সংঘৰ্ষৰ বিৱৰণিতো ঠাইডোখৰক দেওৰগাঁও বুলি বুৰঞ্জীত উল্লেখ কৰিছে । কছাৰীসকলে দেৱতাক দেও বা দেৱ বোলে । এই ঠাইত প্ৰাগ কছাৰীৰ যুগতে শিৱৰ স্থান বা সেৱা ঘৰ থকাৰ বাবে কছাৰীৰ ৰাজত্বৰ কালত ইয়াক দেৱৰ বা দেওৰ গাঁও বোলা আৰম্ভ হয় বুলিব পাৰি। কাকডোঙাৰ পাৰত আহোমৰ সমুখে এই ঠাইতে কছাৰী ৰজাৰ ভাতৃ ডেৰচুংফাই সৈন্যৰ গাঁও পাতি সবল ঘাটি কৰি বহাৰ বাবেও দেৰগাঁও নাম হ'ব পাৰে । এই নেঘেৰিৰ কাষতে ডেৰচা নামৰ এখন প্ৰাচীন বিলো আছে ।

কছাৰীসকলৰ ৰাজত্বৰ আগতে এই দৈয়াং-ধনশিৰি উপত্যকাই নহয় দিখৌ দিহিং উপত্যকাও যে কামৰূপী সম্ৰাটসকলৰ ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল সেই কথা এই অঞ্চলটোত থকা প্ৰাগ কছাৰী আৰু প্ৰাগ আহোম যুগৰ চিন বহন কৰা নানা ঠাইৰ ভগ্নাৱশেষৰ সমলে দেখুৱাইছে । কাছমাৰী বা শিশু পানীত থকা কছাৰী ৰজাৰ দেওশালৰ স্তম্ভ ৰাজিৰ কাষতে থকা ডাঙৰ পুখুৰীকেইটাৰ কাষত পোত খাই থকা মূৰ্তিৰ টুকুৰাবিলাকৰ গঢ় আৰু ঠগ প্ৰাগকছাৰী যুগৰ বুলি ধৰিব পাৰি । এনে ঠগৰ শিল, পোৰামাটি আৰু ধাতুৰ নিৰ্মিত অনেক সমল টেঁঙানী, চাউদাং পথাৰ আৰু নগা পাহাৰৰ কাষে কাষে কোনো কোনো ঠাইত দেখা পোৱা যায় ।

গোলাঘাট অঞ্চলৰ কালিয়নি, দৈগোৰোং, আৰু পূবে কমাৰবন্ধা, আদি ঠাই আহোম যুগত লো সংগ্ৰহৰ উৰ্বৰ ভূমি হৈ আছিল ! সেইদৰে দলৌজান, নোগোৰা, মিছামৰা, হালোৱা গাঁও আদিত অতি প্ৰাচীন কালৰেপৰা চিনামাটিৰ সঁজুলিৰদৰে অবিকল সঁজুলি গঢ়াৰ ঠাই হৈ পৰাৰ কিছু চিন চকুত পৰে ।

গোলাঘাটৰ ভৌগোলিক গঢ়েও ঠাইখনৰ বন্যসমলৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে । দক্ষিণে নগা পৰ্বত, সুৰমা অঞ্চলৰ চাপৰ পাহাৰ আৰু কাৰ্বি বসতি অঞ্চলৰ পৰ্বতে বেৰি আছে । পশ্চিমে বামুনি আৰু

বুঢ়া পাহাৰকে ধৰি মায়ং পৰ্যন্ত পৰ্বতে আগুৰিছে । উত্তৰে লুইতৰ সিপাৰৰ অৰুণাচল পৰ্বতে প্ৰভাব পেলাইছে । ফলত সকলোকে চমক লগাব পৰা কিছুমান আপুৰুগীয়া বন্য সম্পদ অৰ্থাৎ গছ-গছনি আৰু জীৱ-জন্তুৰে ভৰপূৰ। গোলাঘাটৰ পশ্চিম দিশত অৱস্থিত মূল্যবান গছ-গছনি আৰু জীৱ-জন্তুৰে ভৰপূৰ সংৰক্ষিত এলেকা কাজিৰঙা অভয়াৰণ্যই দেশী-বিদেশী লোকৰ মন আকৰ্ষণ কৰে ।

**গোলাঘাটৰ ভাষা-সাহিত্য-সংস্কৃতিৰ সমীক্ষা ঃ** অসমৰ মানচিত্ৰৰ মধ্যস্থলত অৱস্থিত গোলাঘাট জিলা অতি প্ৰাচীন কালৰেপৰা সাহিত্য-সংস্কৃতিত আগবঢ়া। ষোড়শ শতাব্দীৰ আগভাগৰ পৰা গোলাঘাট জিলা আহোম শাসনৰ অধীন হয়। তাৰ আগৰ কছাৰী ৰাজত্বৰ কালত এই অঞ্চলত হিন্দু ধৰ্মই প্ৰসাৰ লাভ কৰে । দেওপানী অঞ্চলত পোৱা বিষ্ণুমূৰ্তিৰ লগতে ধনশিৰি মহকুমাৰ দুৱাৰঅনিত পোৱা সমলসমূহৰ প্ৰকৃত কাল নিৰ্ণয় কৰিব পাৰিলে গোলাঘাটৰ ঐতিহ্য নিৰ্ণয় কৰিব পৰা যাব । আহোম যুগতো এই জিলাৰ গুৰুত্ব যথেষ্ট আছিল । সাহিত্য চৰ্চাৰ ক্ষেত্ৰত অষ্টাদশ শতিকাৰ আগুণিৰ কালত সত্ৰীয়া পৰিৱেশ এটাই গা কৰি উঠে।

গোলাঘাট নগৰৰপৰা কিছুদূৰৰ দৈয়াং এলেঙী সত্ৰৰ সত্ৰাধিকাৰ ৰঘুনাথ মহন্তই বৈষ্ণৱ সাহিত্যত এখন বিশিষ্ট আসন ল'বলৈ সক্ষম হৈ উঠে । ৰঘুনাথে এই সত্ৰতে প্ৰথম ৰচনা 'শত্ৰুঞ্জয়' কাব্যখন ১৭৩৬ খ্ৰীষ্টাব্দ মানত সম্পূৰ্ণ কৰে । তেখেতৰ অদ্ভুত ৰামায়ণ আৰু কথা ৰামায়ণ দুখন শ্ৰেষ্ঠ কাব্য । আহোম যুগৰ আন এগৰাকী কবি দুৰ্গেশ্বৰ দ্বিজ। । তেওঁ নেঘেৰিটিঙৰ শিৱ মন্দিৰৰ প্ৰতীষ্ঠাকালীন। তত্বাৱধায়ক । ভুধৰ আগমাচাৰ্যৰ বংশত দেৱৰাজ বিপ্ৰৰ নাতি দুৰ্গেশ্বৰ দ্বিজে এই ঠাইতে ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ প্ৰকৃতি খণ্ডৰ পদ ৰচনা কৰে । শংখচূড় বধ তেওঁৰ আন এখন পুথি । ৰাজেশ্বৰ সিংহ স্বৰ্গদেউৰ দিনত এইজনা কবিয়ে কাব্য ৰচনা কৰিছিল । অসমীয়া সাহিত্যৰ আধুনিক যুগৰ 'সোণাৰ চাঁদ' বৰুৱা নামধাৰী এই লেখকজনেই হ'ল ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা । ১৮৩৫ চনত মিছামৰা মৌজাৰ ৰজাবাহাৰ গাৱঁত হেমচন্দ্ৰ বৰুৱাৰ জন্ম হয় । ১২ বছৰ বয়সত পিতৃ মুছাৰাম বৰুৱাৰ মৃত্যু হোৱাত খুড়াক লক্ষ্মীৰাম বৰুৱাৰ লগত থাকি সংস্কৃত অধ্যয়ন কৰে । খুড়াকে শিৱসাগৰৰ কাছাৰিত কাম কৰিছিল আৰু সেই সুবিধাতে হেমচন্দ্ৰ বৰুৱাই ইংৰাজী শিক্ষা লাভ কৰাৰ সুবিধা পাইছিল। কেপ্তেইন ব্ৰোডী চাহাবে তেওঁৰ প্ৰতিভাৰ সম্ভেদ পাইছিল । হেমচন্দ্ৰই শিৱসাগৰতে নকল নৱিচৰ কামত সোমায় । গুৱাহাটীত থাস কৰা কালত

হেমচন্দ্ৰ বৰুৱাৰ প্ৰগতিশীল মনৰ পৰিচয় পোৱা গৈছিল । তেওঁ ৰচিত গ্ৰন্থসমূহ হ'ল - অসমীয়া ব্যাকৰণ (১৮৫৯) আদি পাঠ (১৮৭৩) অসমীয়া লৰাৰ ব্যাকৰণ (১৮৮৬), পঢ়াশলীয়া অভিধান (১৮৯২), আৰু সংক্ষিপ্ত হেমকোষ (১৮৯৬) জীৱন কালত প্ৰকাশ হয় । হেমচন্দ্ৰৰ কালজয়ী অৱদান 'হেমকোষ' জীৱন কালত প্ৰকাশ নহ'লেও গোলাঘাটৰে আন এজন 'হেম'ই (হেমচন্দ্ৰ গোস্বামী) কৰ্ণেল গৰ্ডন চাহাবৰ সহযোগ লৈ ১৯০০চনত এই অভিধানখন প্ৰকাশ কৰে । হেমচন্দ্ৰ বৰুৱাৰ মৌলিক গ্ৰন্থ দুখন । ১৮৬১ খ্ৰীঃত 'কানীয়াৰ কীৰ্ত্তন' নামৰ ব্যঙ্গনাট আৰু 'বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰী' নামৰ ব্যঙ্গ উপন্যাস (১৮৭৬ চনত) ৰচনা কৰি কাললৈ খ্যাতি ৰাখি গৈছে । ইয়াৰ বাহিৰেও দুখনমান ইংৰাজী গ্ৰন্থ আৰু 'আসাম নিউজ' নামৰ সংবাদ পত্ৰ প্ৰকাশ কৰি জিলাখনৰ প্ৰথম সাংবাদিক হোৱাৰ যোগতাৰ্জনো কৰি গৈছে ।

ঊনবিংশ শতিকাৰ শেষৰ সময় ছোৱাত কলিকতাৰ ছাত্ৰ বাসৰ ছাত্ৰ লেখকৰ ভিতৰত ঘনশ্যাম বৰুৱা, কৃষ্ণপ্ৰসাদ দুৱৰা, হেমচন্দ্ৰ গোস্বামী অন্যতম । ঘনশ্যাম বৰুৱাই শ্যেক্সপিয়েৰৰ 'কমেডি অফ এৰৰছ' নাটকৰ অনুবাদ "ভ্ৰমৰঙ্গৰ" চাৰিজন নাট্যকাৰৰ এজন আছিল । কৃষ্ণপ্ৰসাদ দুৱৰা এগৰাকী সাংবাদিক, বিজুলী কাকতৰ লগত তেওঁ জড়িত আছিল । অসমীয়া ৰমন্যাসিক যুগৰ অন্যতম পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ জন্ম ১৮৬৮ খ্ৰীঃত গোলাঘাটৰ ঢেকীয়ালৰ গৌৰাংগ সত্ৰত । দেউতাকৰ নাম ডম্বৰুধৰ গোস্বামী নগাৱঁত স্কুলীয়া শিক্ষা লাভ কৰাৰ কালতে গুণাভিৰাম বৰুৱাৰ সংস্পৰ্শলৈ আহে আৰু 'আসাম বন্ধু' কাকতত কবিতা লিখিবলৈ আৰম্ভ কৰে। "ফুলৰ চাকি" তেখেতৰ মৌলিক কবিতাৰ পুথি । "অসমীয়া সাহিত্যৰ চানেকি তেখেতৰ অসমীয়া সাহিত্যৰ ইতিহাসৰ প্ৰথম প্ৰচেষ্টা । তেওঁ অসমীয়া কবিতাত চতুৰ্দশপদি (চনেট) কবিতাৰ জন্মদাতা ।

হেমচন্দ্ৰ গোস্বামীৰ পাছত উল্লেখযোগ্য ৰমন্যাসিক লেখকসকলৰ ভিতৰত লক্ষ্মীনাথ ফুকন, যমুনেশ্বৰী খাটনিয়াৰ, তাৰাপ্ৰসাদ বৰুৱা, হৰি প্ৰসাদ বৰুৱা, ডিম্ব গোহাঁই, হৰেন্দ্ৰ নাথ বৰুৱা, সুৰেন্দ্ৰনাথ শইকীয়া অন্যতম। লক্ষ্মীনাথ ফুকনৰ জন্ম দেৰগাৱঁৰ চকীয়াঙ্গত চুকত (১৮৯৪)। ফুকন অসমৰ বিশিষ্ট সাংবাদিক। প্ৰখ্যাত গল্পকাৰজনৰ প্ৰকাশিত প্ৰথম গল্প পুথিমালা (১৯১৯) পৰবৰ্তী কালৰ গল্প সংকলন - ওফাইদাং (১৯৫৩), মৰমৰ মাধুৰী (১৯৬৩), আশাত উৎফুল্ল প্ৰাণ (১৯৬৫) আৰু আনন্দে নধৰে হিয়া (১৯৬৭) অন্যতম । একমাত্ৰ কবিতাৰ পুথি 'সোণালী সপোন' (১৯৬১), মহাত্মাৰপৰা

ৰূপকোঁৱৰলৈ' নামৰ স্মৃতি চয়ন মূলক গ্ৰন্থৰ বাবে ফুকনে ১৯৭০ চনৰ সাহিত্য একাডেমীৰ পুৰস্কাৰ লাভ কৰে ।

যমুনেশ্বৰী খাটনিয়াৰ (জন্ম-১৮৯৯) গোলাঘাটৰ প্ৰথম মহিলা কবি। 'অৰুণ' কবিতা পুথিয়েই তেখেতৰ প্ৰতিভা স্মৰণীয় কৰি ৰাখিছে । হৰিপ্ৰসাদ বৰুৱা (জন্ম ১৮৮৯) খুমটাই সোণোৱাল বৰুৱাৰ বংশৰ এটি সুযোগ্য সন্তান। তেওঁ সৰ্বভাৰতীয় ইঞ্জিনীয়াৰিং চাৰ্ভিচৰ প্ৰথম অসমীয়া লোক । বৰুৱা শিশু সাহিত্যিক হিচাপে জনাজাত । মইনা (১৯৩৬), একপক্ষ (১৯৪৭) আৰু বিৰচতীয়াৰ দেশ (১৯৫৩) তেখেতৰ উল্লেখযোগ্য ৰচনা।

তাৰাপ্ৰসাদ বৰুৱা (জন্ম ১৯০৩) বাঁহী, চেতনা আদি পত্ৰিকাৰ লেখক। তেওঁৰ গীতি কবিতাসমূহৰ সংকলন 'গীতি মঞ্জুৰী' ১৯২৮ চনত প্ৰকাশ পাইছিল । মৰঙ্গী মৌজাৰ ডিম্ব গোহাঁই আৱাহনৰ কবি । হৰেন্দ্ৰনাথ বৰুৱাই গোলাঘাটৰ কাকডোঙাত জন্ম লাভ কৰি বিশিষ্ট সাংবাদিকৰূপে জনাজাত হয়। বুৰঞ্জীবিদ সদানন্দ চলিহা গোলাঘাটৰ সন্তান আছিল । সুৰেন্দ্ৰনাথ শইকীয়া এগৰাকী প্ৰসিদ্ধ নাট্যকাৰ । যদুমণি শইকীয়া এগৰাকী সমাজবাদী নেতা । মা আৰু নৱজীৱন তেখেতৰ দুখনি অনূদিত নাটক ।

বিংশ শতাব্দীৰ চতুৰ্থ দশকৰ এজন প্ৰসিদ্ধ কবি হ'ল ধীৰেন দত্ত (জন্ম-১৯১২) ১৯৩৫ চনত প্ৰকাশিত 'অভিযান' পুথিখনেই তেখেতৰ একমাত্ৰ কবিতাৰ পুথি ।

বিংশ শতাব্দীৰ চতুৰ্থ দশকৰ আৱাহনৰ পাতৰপৰা অসমীয়া সাহিত্যৰ কৰ্ণধাৰ স্বৰূপ গোলাঘাটৰ অন্যতম লেখক কথাশিল্পী চৈয়দ আব্দুল মালিকৰ জন্ম ১৯১৯ খ্ৰীঃত বৰ্তমান দেৰগাৱঁৰ নাহৰণিত । মালিক অসমীয়া সাহিত্যৰ যুদ্ধপূৰ্ব আৰু যুদ্ধোত্তৰ যুগৰ সেতুস্বৰূপ । শতাধিক গল্প, উপন্যাসৰ ৰচকজনে 'অঘৰী আত্মাৰ কাহিনী' নামৰ উপন্যাসৰ বাবে ১৯৭২ চনত সাহিত্য একাডেমী বঁটা লাভ কৰে । মালিক একেধাৰে কবি, নাট্যকাৰ, প্ৰবন্ধ লেখক, জীৱনীকাৰ ৰূপেও প্ৰখ্যাত । অসমৰ বৈষ্ণৱ ধৰ্মৰ আলোকপাত কৰি মহাপুৰুষ শংকৰদেৱৰ জীৱনী ভিত্তিত ৰচিত 'ধন্য নৰ তনু ভাল' আৰু মাধৱদেৱৰ জীৱন ভিত্তিক 'প্ৰেম অমৃতৰ নদী' দুখন সৰ্বশ্ৰেষ্ঠ উপন্যাস ।

দেৰগাৱঁৰ ঔপন্যাসিক কেইজনৰ অন্যতম প্ৰয়াত অধ্যাপক লক্ষ্মীকান্ত মহন্তৰ 'জীৱন কিয়নো লাগে, জীৱনৰ জোনাক বিচাৰি, জীৱনৰ মোহ' উল্লেখযোগ্য উপন্যাস। 'অসমীয়া সাহিত্যৰ অধ্যয়ন' এখনি সমীক্ষাত্মক উল্লেখযোগ্য গ্ৰন্থ । তেখেতৰ জন্ম মিছামৰা মৌজাৰ মলাই কুমাৰ গাৱঁত। শিশু সাহিত্যিক লক্ষ্মীচন্দ্ৰ গোস্বামী মিছামৰা মৌজাৰ বৰপুখুৰীপাৰ অঞ্চলত

জন্ম গ্ৰহণ কৰে । 'প্ৰাণ গঙ্গাৰ পাৰে পাৰে' তেখেতৰ প্ৰকাশিত গল্প গ্ৰন্থ। তেখেত এগৰাকী বিশিষ্ট শিশু সাহিত্যিক । 'ফুকন ককাৰ ফুলনি' তেখেতৰ এখন প্ৰকাশিত শিশু গ্ৰন্থ ।

নাট্যকাৰ ৰাম গোস্বামীও গোলাঘাটৰ প্ৰতিভা । 'নটিৰ পূজা', 'পলাশৰ ৰং', 'প্ৰেছিডেন্ট নিষ্কুপ', মন আৰু মন আদিৰ ৰচনাৰে গোস্বামী জনাজাত হৈ পৰিছে । দেৰগাৱঁৰ চকীয়াল চুকত জন্ম লাভ কৰা আধুনিক কবি নীলমণি ফুকন এগৰাকী বিশিষ্ট সাহিত্যিক । সাহিত্য একাডেমীৰ পুৰস্কাৰ লাভ কৰা কবি গৰাকীৰ প্ৰথম কাব্য গ্ৰন্থ 'সূৰ্য হেনো নামি আহে এই নদীয়েদি ' । ইয়াৰ পাছত 'আৰু কি নৈৰ শব্দ' গোলাপ আৰু কাঁইট, কবিতা , অৰণ্যৰ গান, নীলমণি ফুকনৰ নিৰ্বাচিত কবিতা আদি উল্লেখযোগ্য কবিতাৰ পুথি । দেৰগাৱঁৰ ৰজাবাহাৰত জন্ম গ্ৰহণ কৰা ড° নগেন ঠাকুৰ এগৰাকী কবি আৰু ভাষাবিদ । পালি প্ৰাকৃত অপভ্ৰংশ আৰু অসমীয়া ভাষা, ভাৰতীয় ভাষা আদি তেখেতৰ উল্লেখযোগ্য ভাষা তত্ত্ব পুথি ।

দেৰগাৱঁৰ দুলাল বৰদলৈ এগৰাকী গল্পকাৰ আৰু ঔপন্যাসিক । উপদংশ, এজনী বেয়া ছোৱালী, মেঘে ঢকা তৰা, আদি উপন্যাসৰ লগতে নাম তাইৰ উৰ্বশী গল্পপুথি উল্লেখযোগ্য । দেৰগাৱঁৰ ড° কালীপ্ৰসাদ গোস্বামী এগৰাকী গল্প লেখক। 'তুঁহ জুই' তেখেতৰ প্ৰকাশিত গল্প সংকলন ।

বোকাখাতৰ চিদানন্দ শইকীয়া এগৰাকী ঔপন্যাসিক । ভুলৰ পৰিণতি, ৰঙা সূৰুযৰ ৰেঙণি আদি লেখত লবলগীয়া ৰচনা ।

মহুৰামুখৰ মহেন্দ্ৰনাথ হাজৰিকা এগৰাকী সু লেখক। ড° মোহিনী কুমাৰ শইকীয়া এগৰাকী পুৰাতাত্ত্বিক প্ৰবন্ধকাৰ । গোলাঘাটৰ হাতীয়েখোৱাত জন্ম লাভ কৰা অন্যতম প্ৰতিভা হ'ল ড° নগেন শইকীয়া। সাম্প্ৰতিক গল্প সাহিত্যৰ আগশাৰীৰ লেখক ড° শইকীয়া অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক আৰু সভাপতিৰ আসন অলংকিত কৰিছিল ।

'কুবেৰ হাতী বৰুৱা' ছবি আৰু ফ্ৰেম', 'বন্ধ কোঠাত ধুমুহা,' অস্তিত্বৰ শিকলি' আদি গল্প গ্ৰন্থৰ মাজত তেওঁৰ প্ৰতিভাই পৰিপূৰ্ণতা লাভ কৰিছে। ড° শইকীয়া এগৰাকী নিবন্ধকাৰ আৰু কবি ।

দেৰগাৱঁৰ ৰাম হাজৰিকা এগৰাকী ঔপন্যাসিক হিচাপে জনাজাত । 'অসুৰ' তেখেতৰ প্ৰকাশিত উপন্যাস । বন্যপ্ৰাণী আৰু বন সম্পদৰ বিভিন্ন গ্ৰন্থৰ প্ৰকৃতি প্ৰেমী জীৱন দাস, জনপ্ৰিয় কথাশিল্পী । কুৰিখনৰো অধিক শিশু গ্ৰন্থৰ ৰচয়িতা জীৱন দাস কবি আৰু শিশু সাহিত্যিক ।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

গোলাঘাট নগৰৰ আৰতি শইকীয়া এগৰাকী কবি আৰু গল্প লেখিকা। 'ৰূপ আৰু ৰেখা' কবিতা সংকলন আৰু' সেউজী পাতৰ জেতুকাৰ ৰং গল্প পুথি প্ৰকাশ পাইছে ।

দেৰগাৱঁৰ প্ৰফুল্ল চন্দ্ৰ বৰা জীৱনীকাৰ, গল্পকাৰ আৰু ঔপন্যাসিক। বৰ্তমান নিবন্ধকাৰ ৰূপে আত্ম প্ৰকাশ কৰিছে । শংকৰদেৱ, আব্দুল মালিক, গোবিন্দ পৈৰা আদিৰ মূল্যায়ন কৰাৰ লেখত ল'বলগীয়া কৰ্ম ! গোলাঘাট শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ দ্বাৰা প্ৰকাশিত বাৰ্ষিক পত্ৰিকা 'শ্ৰীমন্ত'ৰ প্ৰতিষ্ঠাপকসম্পাদকআছিল ।

দেৰগাৱঁৰ জীৱকান্ত হাজৰিকাই 'এলিয়েট'ৰ ওপৰত এখনি সুন্দৰ গ্ৰন্থ ৰচনা কৰিছে ।

বোকাখাতৰ থানেশ্বৰ হাজৰিকা বিশিষ্ট সাহিত্য কৰ্মী। অনুবাদক আৰু কবি ।

মৰঙীত জন্ম লাভ কৰা কেশৱ শইকীয়া এগৰাকী সাংবাদিক আৰু গল্পকাৰ । 'মন আৰু মন' তেখেতৰ এখনি গল্প সংকলন ।

গোলাঘাটৰ আঠখেলিয়াত জন্ম লাভ কৰা ড° হেম বৰা এগৰাকী কবি, ঔপন্যাসিক আৰু সাহিত্য সমালোচক । 'জোনাকৰ সাউদ' কাব্য গ্ৰন্থৰ লগতে 'অসমীয়া সাহিত্যলৈ মহিলা লেখকৰ দান' শীৰ্ষক তেখেতৰ গৱেষণা গ্ৰন্থ বিশেষ উল্লেখযোগ্য ।

দেৰগাৱঁৰ অৰুণ গোস্বামী জিলাখনৰ প্ৰসিদ্ধ গল্পকাৰ । চুটি গল্প আৰু উপন্যাসেৰে আলোচনীৰ পাত দখল কৰিবলৈ তেওঁ সক্ষম হৈছে ।

প্ৰণতি গোস্বামী মহিলা গল্পকাৰসকলৰ অন্যতম । বোকাখাতৰ ডক্টৰ দীপ্তি ফুকন পাটগিৰি ভাষাতত্ত্ব আৰু নিবন্ধ সাহিত্যিক । বৰপথাৰৰ বিশ্বেশ্বৰ হাজৰিকা ভাষাতত্ত্ব চৰ্চাত এগৰাকী সু-সাহিত্যিক ।

অসম সাহিত্য সভাৰ হাইলাকান্দি অধিৱেশনৰ সভাপতি শংকৰদেৱ বঁটা বিজয়ী কীৰ্তিনাথ হাজৰিকা এগৰাকী সাংবাদিক আৰু নিবন্ধকাৰ ।

শংকৰী সাহিত্য সংস্কৃতিৰ চিন্তা-চৰ্চা কৰাৰ ক্ষেত্ৰত ভালেকেইগৰাকী লিখকে অসমীয়া সাহিত্যলৈ অৰিহণা আগবঢ়াইছে । দেৰগাৱঁৰ বৈষ্ণৱ পণ্ডিত কুশেশ্বৰ কলিতা, চন্দ্ৰনাথ বৰদলৈ, মিছামৰাৰ গোবিন্দ চন্দ্ৰ শইকীয়া, হেম শইকীয়া, বোধেশ্বৰ কাকতি আদি কেইবাগৰাকীও লিখকে মহাপুৰুষীয়া সাহিত্য সংস্কৃতি শীৰ্ষক প্ৰবন্ধ সমালোচনা সাহিত্যৰ নিবন্ধ আদি ৰচনা কৰি শংকৰী সাহিত্যৰ বিকাশ সাধনত বৰঙণি যোগাইছে ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

### অসমৰ ঐতিহ্য আৰু মহাপুৰুষীয়া ধৰ্ম ঃ

অসম ভাৰতবৰ্ষৰ এখন প্ৰাচীন সীমামূৰীয়া ৰাজ্য । ইয়াৰ পুৰণি নাম প্ৰাগ্জ্যোতিষপুৰ । কামৰূপ নামেৰেও এই দেশ জনাজাত । ভাৰতবৰ্ষত অতি প্ৰাচীন কালতে চাৰিবেদ, বৈদ্য শাস্ত্ৰ, ওঠৰ পুৰাণাদি নানা তন্ত্ৰ মন্ত্ৰ ইতিহাসৰ ৰচনা হৈছিল । আনহাতে অসমৰ ঐতিহ্যও কম নহয় । এইখন দেশতেই ঋষি-মুনিসকলে প্ৰথম জ্যোতিষ চৰ্চা কৰিছিল কাৰণেই এই দেশৰ অন্য নাম প্ৰাগ্জ্যোতিষপুৰ হোৱা কথা পুৰাণ প্ৰসিদ্ধ। ভাৰতবৰ্ষৰ বুকুত যেনেকৈ কাশী, বৃন্দাবন, মথুৰা, জগন্নাথ ক্ষেত্ৰ পৰম পবিত্ৰ ক্ষেত্ৰ হিচাপে আজিও পৰিগণিত হৈ আছে ঠিক তেনেকৈ অসমৰ উমানন্দ, সন্ধ্যাচল, কামাখ্যা, বশিষ্ঠাশ্ৰম, কুণ্ডিল নগৰ, অশ্বক্লান্ত, শোণিতপুৰে আদিম যুগৰ সংস্কৃতিৰ মহিমা সগৌৰৱে ঘোষণা দিব লাগিছে। এইখন ৰাজ্যতেই স্বয়ং ব্ৰহ্মাদেৱে বহি বহি নক্ষত্ৰ গণনা কৰিছিল, হৰিহৰে মহাযুদ্ধ কৰি ত্ৰিলোক কঁপাই ছিল আৰু কপিল, ঋষ্যশৃঙ্গ, অষ্টবক্ৰ, বাল্মিকী, চ্যবন আদি মহামুনিসকলে আশ্ৰমপাতি যোগাদি সাধনা কৰিছিল । গতিকে ইয়াৰ পৰাই প্ৰমাণ কৰিব পাৰি যে অসম এখন অতি পবিত্ৰ আৰু ঐতিহ্যমণ্ডিত ইতিহাস প্ৰসিদ্ধ ধৰ্মৰাজ্য আছিল । প্ৰায় ত্ৰয়োদশ-চতুৰ্দশ শতিকাত অসম আৰু বিহাৰ এই দুই ৰাজ্যত ধৰ্মৰ নামত ব্যভিচাৰ অনাচাৰ আদি চলিছিল । নিজ ক্ষুদ্ৰ স্বাৰ্থ সিদ্ধিৰ অৰ্থে ধৰ্মীয় শাসন নীতি শোষণ নীতিলৈ পৰিবৰ্তন হৈছিল । আনকি শেষত পৰম পবিত্ৰ ধৰ্ম হিংসা ধৰ্মত পৰিণত হৈ জীৱ হিংসাত ধৰ্মৰ এক গুণহে হৈ পৰিছিল । গুৰু চৰিতকাৰে লিপিবদ্ধ কৰিবলৈ বাধ্য হৈছিল -

ইদেশত পূৰ্বকালে নাছিল ভকতি ।
নানা হিংসা ধৰ্ম লোকে কৰিল সম্প্ৰতি ।।
নানা দেৱ পূজয় কৰয় বলিদান ।
হংস চাগ পাৰ কাটে অসংখ্য প্ৰমাণ ।।
তপ জপ যজ্ঞ দান তীৰ্থস্নান কৰে ।
ঘোৰ নৰকত পৰি পৰি সৱে মৰে ।।
উপজয় মৰয় সংসাৰে বাৰম্বাৰ।
নাহি মুখ নেৰাৱয় সংসাৰ নিকাৰ ।।
তল গৈল লোক কলি পাপ সাগৰত ।
কৃপাময় কৃষ্ণে জানি গুণিলা মনত ।।

সিটো লোক সমস্তকে কৰিবে উদ্ধাৰ ।
শংকৰ-মাধৱ ৰূপে ভৈলা অৱতাৰ ।।

গতিকেই মহাপুৰুষ শংকৰদেৱে কৃষ্ণৰ কিঙ্কৰ হৈ অৱতীৰ্ণ হ'ল । গীতা ভাগৱতাদি পুৰাণ শাস্ত্ৰৰ বাণী ৰক্ষা পৰিল । বৈবৰ্ত্ত পুৰাণে এই সম্পৰ্কে কয় -

নিজ অংশে হৰি যুগে যুগে অৱতৰি ।
নিজ ভৃত্য কৰি দুঃখক হৰা হৰি ।।
পাষণ্ডি অধৰ্মী গণ বিনাশি মৰ্দ্দন্ত ।
নিজ দাস সন্ত ভক্ত ৰাখন্ত পালন্ত ।।
যদা যদা যুগে ধৰ্ম্ম লুপুত হোৱন্ত ।
তদা এক ৰূপে হৰি ধৰ্ম্মক পালন্ত ।।

পূৰ্ব ৰাজ্য অসমত ধৰ্মৰ প্ৰাদুৰ্ভাৱ বাৰুকৈয়ে হৈছিল । কাৰণ সত্য ধৰ্মৰ নামত অধৰ্মৰ তাণ্ডৱ লীলা চলিছিল । দেৱান্তৰ পূজাই সৰ্বনাশ ৰূপ ধাৰণ কৰিছিল । কাৰণ বাটে-ঘাটে, গছৰ গুৰিত, পোতা পুখুৰীৰ পাৰত, তিনি আলিৰ মূৰত, হাঁহ-পাৰ, কুকুৰা, গাহৰি, ৰক্তেৰে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে নানা বলি বিধানৰ ব্যৱস্থা হ'ল । আনকি দেৱতাৰ নামত নৰবলি পৰ্যন্ত দিবলৈ কুণ্ঠাবোধ নকৰা হ'ল । এইবিলাক বিধি ব্যৱস্থা কিন্তু বৈষ্ণৱ মাৰ্গ বিৰোধী । কিয়নো শাস্ত্ৰসমূহত ভগৱন্তৰ বাণীত এইদৰে পোৱা যায়-

সকলো লোকত মই আত্মাৰূপে স্থিত ।
বহুহিংসা তথাপি আচৰে সেহি পথ ।।
পুত্ৰ তুল্য পশু-পক্ষী পোষে স্নেহ নাই ।
কাটিবাৰ বেলা জ্ঞাতি আনন্দ কৰয় ।।
যদি আনে নষ্ট কৰে শোক অতিশয় ।
সেহি মই একে জীৱ হেন জ্ঞান নাই ।।
তাকে কাটি দিয়া পূজে তাৰ মাংস খাই ।
মই আত্মা মোক কাটে কেনে মহা দুষ্ট ।।
মোহোৰ হিংসাত কোন দেৱ হৈব তুষ্ট ।
যিতো দেৱ পূজয় তাহাৰো অন্তৰ্য্যামী ।।
শুভাশুভ হৃষ্ট নিষ্ঠা ফলদাতা স্বামী ।
আৰু সংসাৰৰ দেখা মই নিজ বাপ ।।
পিতৃদ্ৰোহ তথাপি আছৰে নিজ পাপ ।
পৰজীৱ বধে আপোনাৰ ভাল অৰ্থে ।।

এহি নৰকৰ হেতু জন্ম ভৈলা বৃথে ।।
দৈন বশে চিৰকাল নৰক এৰাহ ।
তভো সিংহ ব্ৰাঘ্ৰ শ্বান সৰ্প যোনী পাই ।।

এনে অৱস্থাপ্ৰাপ্ত হ'লেই ভগৱন্তই স্বয়ং অৱতাৰ ধাৰণ কৰিম বোলা শাস্ত্ৰবাণী ফলিওৱাবলৈকে হয়তো শ্ৰীমন্ত শংকৰদেৱে অৱতাৰ ধাৰণ কৰিছিল। এই শংকৰদেৱে সেয়ে বিপদগ্ৰস্ত সাধু-সন্তক উদ্ধাৰ কৰি সত্য ধৰ্ম প্ৰবৰ্তন কৰি জগত উদ্ধাৰৰ ব্যৱস্থা কৰিলে । সুকৱি শেখৰে ধৰ্ম নাৰায়ণ পুৰাণত মহাপুৰুষৰ ধৰ্ম সম্পৰ্কে বৰ্ণাইছে

কৃষ্ণ নিগদতি শুনা ৰহস্য কাহিনী ।
ভাৰত মানৱী জন্ম ধৰিবো যৈশানি ।।
পশ্চিম চৈতন্য উত্তৰত হৰি ব্যাস ।
দক্ষিণ দিশত ৰামানন্দৰ প্ৰকাশ ।।
ধৰিয়া শংকৰ নাম পূবৰ দিশত ।
হৰিগুণ কীৰ্তন প্ৰকাশ হৈব আত ।।
মোৰে অংশ তিনিজন তিনি দিশে হৈব ।
যোল্ল দশ অষ্টনাম প্ৰকাশ কৰিব ।।
বকাৰাদি গ্ৰামে ব্ৰহ্মপুত্ৰৰ নিকটে ।
গোলোকৰ লীলা যত প্ৰচাৰি প্ৰকটে ।।
নিজানন্দ পঙ্কজযে শ্বেত বিলাসৰ ।
সবাৰে ৰহস্য ভক্তি এৰি একতৰ ।।
জ্ঞান বিজ্ঞান আদি তদঙ্গ ৰহস্য ।
চাৰিও শ্লোকৰ সাৰ বেদান্তৰ গুহ্য ।।
অৰ্জ্জুনত যিটো ভক্তি কহিয়া আছন্ত ।
অনন্য শৰণ ভক্তি ব্যক্ত কৰিলন্ত ।।
যাগ যোগ তন্ত্ৰ মন্ত্ৰ ধৰ্ম কৰ্ম বিধি ।
সকলো অসাৰ কিঞ্চিতেকো নাই সিদ্ধি ।।
কেৱল কলিত হৰি কীৰ্তন বিনাই ।
অন্যত্ৰ ধৰ্মত কিঞ্চিতেকো ফল নাই ।।
সমস্তে ধৰ্মৰ ৰাজা কৃষ্ণ গুণ যশ ।
হৰিৰ কীৰ্তন বিনে নাহিকে সৰ্ব্বস ।।
কেৱল শৰণ এক ভক্তি প্ৰচাৰিলা ।
শুদ্ধ জীৱ গণে আসি নিশ্চয়ে কৰিলা ।।

এয়ে হ'ল শংকৰৰ প্ৰচাৰিত একশৰণ ভক্তি ধৰ্ম । কিন্তু পৰিতাপৰ কথা, এনে ৰসময় ভকতি ধৰ্ম প্ৰচাৰ কৰি যোৱাৰ প্ৰায় নবৈ বছৰৰ পিছত মহাপুৰুষীয়া ধৰ্মত বিভিন্ন ভাঁজ সোমাবলৈ আৰম্ভ কৰিলে । বিভিন্ন সংহতিৰ বিভাজন হ'ল । কীৰ্তন, দশম, ঘোষা, ৰত্নাৱলীৰ দৰে মহাপুৰুষীয়া ধৰ্মৰ মূল নীতি একশৰণ পদ্ধতিৰো প্ৰমাদ ঘটিল । সেয়ে এক শৰণৰ পৰিবৰ্তে চলিল বহু শৰণ আৰু সৰ্বশেষত গৈ প্ৰাক বৈষ্ণৱ যুগৰ শাক্ত ধৰ্মত চলি থকা কৰ্ম-কাণ্ডৰ পুৰা ৰাজত্ব চলিবলৈ আৰম্ভ কৰিলে ।

**মহা পুৰুষীয়া ধৰ্ম আৰু অসমীয়া সমাজ ঃ** প্ৰাক বৈষ্ণৱ যুগত অসমীয়া সমাজখন চেদেলি ভেদেলি অৱস্থাত আছিল । শাক্ত সমাজখনত ব্যভিচাৰে তাণ্ডৱ নৃত্য কৰাত সমাজখনত শান্তি নোহোৱা হৈছিল । বৌদ্ধসকলৰ আৰ্হি আদৰ্শতহে বহুলোক চলিছিল । সেয়েহে গুৰু জনাই তদানিন্তন বামাচাৰী আৰু বৌদ্ধাচাৰীসকলৰ বিৰুদ্ধে কলম ধৰিব লগা হৈছিল। কীৰ্তনৰ 'পাষণ্ড মৰ্দনত এই ধৰ্ম বিৰোধীসকলক চোকা ভাষাত সমালোচনা কৰা হৈছে । সি যি কি নহওক শ্ৰীমন্ত শংকৰদেৱে তেখেতৰ পাণ্ডিত্য আৰু অলৌকিক মহিমাৰে দাম্ভিক আৰু শঠ বুদ্ধিৰ লোকসকলক সৎ পথলৈ আনিবলৈ সক্ষম হৈছিল । বিশেষকৈ এই অজ্ঞলোকসকলক বুজাবৰ কাৰণে গুৰুজনাই সাহিত্য আৰু সংস্কৃতিৰ আশ্ৰয় লৈছিল । মহাপুৰুষীয়া ধৰ্ম যাতে জনসাধাৰণৰ মাজত প্ৰবল ভাৱে প্ৰচাৰ হ'ব পাৰে তাৰ কাৰণে গীত-মাত, নৃত্য-বাদ্য, ভাওনা আদি বিভিন্ন উপায় আৱিষ্কাৰ কৰিছিল । কিন্তু দুৰ্ভাগ্যৰ কথা এনে সাৰ্বজনীন শুদ্ধ পবিত্ৰ ধৰ্ম প্ৰচাৰৰ বিৰুদ্ধাচৰণ কৰা লোকৰো অভাৱ নহৈছিল । এই কাৰণে গুৰুজনাই এবাৰ কোঁচ ৰজা নৰনাৰায়ণৰ ৰাজ সভাত আৰু এবাৰ আহোম ৰজা চুহংমুং স্বৰ্গদেউৰ ৰাজ সভাত জবাবদিহি হ'ব লগাও হৈছিল । কিন্তু আনন্দৰ কথা গুৰুজনাৰ পাণ্ডিত্য আৰু মহান ব্যক্তিত্বৰ প্ৰভাৱে দুয়োজনা ৰজাৰে অন্তৰ জয় কৰিবলৈ সমৰ্থ হৈছিল । ফলস্বৰূপে গুৰুজনাই ৰাজ অনুগ্ৰহ লাভ কৰিলে আৰু বিভিন্ন স্থানত সত্ৰাদি প্ৰতিষ্ঠা কৰি ধৰ্ম প্ৰচাৰ কৰিবলৈ ধৰে।

মহাপুৰুষে প্ৰচাৰ কৰা ধৰ্মটো ইমান মহান আৰু শ্ৰেষ্ঠ হোৱা সত্ত্বেও এচামলোকে কিয় ইমান বিৰোধিতা কৰিছিল তাৰ কাৰণ ফঁহিয়াই চালে দেখা যায় -

১। মহাপুৰুষীয়া ধৰ্ম এক পবিত্ৰ উদাৰ ধৰ্ম ।
২। মহাপুৰুষীয়া ধৰ্মত সাম্যবাদে স্থান পাইছে ।
৩। মহাপুৰুষীয়া ধৰ্মই কলুষিতা উচ্ছেদ কৰে ।

৪। মহাপুৰুষীয়া ধৰ্মই জাতিভেদ প্ৰশ্ৰয় নিদিয়ে ।

৫। মহাপুৰুষীয়া ধৰ্মত মাত্ৰ এজন ভজনীয় দেৱ ।

৬। মহাপুৰুষীয়া ধৰ্মত মাত্ৰ এজন পৰম গুৰু ।

৭। মহাপুৰুষীয়া ধৰ্মই সকলোকে সমান অধিকাৰ দিয়ে ।

৮। মহাপুৰুষীয়া ধৰ্মই একেডাল প্ৰেমৰ ডোলেৰে সকলোকে বান্ধ খুৱাই।

৯। মহাপুৰুষীয়া ধৰ্মই কৰ্মকাণ্ড নামানে ।

মহাপুৰুষীয়া ধৰ্মৰ মূল এক পৰমব্ৰহ্ম ভগৱন্তৰ ব্যতিৰেক অন্য সকলো অসাৰ, অনিত্য। ভগৱন্তক ভকতি কৰিবলৈ দেৱ, ঋষি, ৰজা, জ্ঞানী, গুণী, তপস্বী হ'ব নালাগে । মাত্ৰ ভকতি ভাৱেৰে তেওঁৰ শৰণ লৈ ভজিব লাগে । তাৰ কাৰণে দেৱান্তৰ পূজা সেৱাৰো প্ৰয়োজন নাই । সেয়ে শ্ৰীমদ্ভাগৱতত পোৱা যায় -

'যথা তৰুমূলে নিষেচনেন তৃপন্তিত্যস্কন্ধ
ভূজো পশাখা
প্ৰাণোহ পহাৰাচ্চ যথেন্দ্ৰিয়ানাং তথাচ
সৰ্ব্বাৰ্চ্চনমূচ্যতেজ্য ।।'

অৰ্থাৎ বৃক্ষ মূলত পানী দিলে ডালে-পাতে পায় ।

মহাপুৰুষৰ প্ৰচাৰিত ভকতি ধৰ্মত সমদৃষ্টি কেনেদৰে বজাই ৰখা হয় তলৰ দৃষ্টান্তৰ পৰা স্পষ্টকৈ বুজিব পৰা হয়,

ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল ।
দাতাত চোৰত যেন দৃষ্টি একতুল ।।
কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম ।
জানিয়া সৱাকো পৰি কৰিবা প্ৰণাম।।
বিশেষত মনুষ্য গণত যিটো নৰ ।
বিষ্ণু বুদ্ধিভাৱে সৰ্ব্বদায়ে মান্য কৰে ।।
ইৰিষা অসূয়া অহঙ্কাৰ তিৰস্কাৰ ।
সৱে নষ্ট হোৱে তেৱে তাৰক্ষণে তাৰ ।। (কীৰ্তন)

**গুৰুবাণীৰ প্ৰতি আওকাণ ঃ**

মহাপুৰুষৰ ধৰ্মৰ সহজ সৰলতা সম্পৰ্কে নুই কৰিবৰ কোনো থল নাছিল । সত্য ধৰ্মৰ সকলো প্ৰয়োজনীয় বাণী গুৰুজনাই তেৰাৰ ৰচিত সকলো ধৰ্ম গ্ৰন্থতে লিখি গৈছে । তেৰাৰ ৰচিত গ্ৰন্থ প্ৰধানতঃ কীৰ্তন, দশম, ভক্তি প্ৰদীপ, ভক্তি ৰত্নাকৰ, নিমিনৱসিদ্ধ সংবাদ, গুণমালা আদি যুগজয়ী আৰু কালজয়ী ধৰ্ম গ্ৰন্থ । এই সমস্তৰ পাতে পাতে মহাপুৰুষীয়া লোকে

পালনীয় কৰ্তব্য সম্পৰ্কে বিশদভাৱে পোৱা যায় । দৃষ্টান্ত স্বৰূপে কীৰ্তনত মহা ব্যভিচাৰী পতিত লোক কেনেকৈ নামৰ জৰিয়তে উদ্ধাৰ হ'ব পাৰে সুন্দৰভাৱে বৰ্ণোৱা আছে -

যিটো মহা ম্লেচ্ছ জাতি সিও শুদ্ধ হোৱে আতি
মুখে মাত্ৰ হৰিনাম লয়
. . . . . . . . . . . . . . . . . . . . .
চাণ্ডালেও হৰিনাম লয় মাত্ৰ ।
কৰিবে উচিত যজ্ঞৰ পাত্ৰ ।। ইত্যাদি (কীৰ্তন)

তদুপৰি সাংসাৰিক লোকেও মায়া মোহৰ মাজত থাকি এই ধৰ্ম পালন কৰাত বাধা নাই । কাৰণ শৰণ ভকতিৰ দ্বাৰা মায়ামোহ ত্যাগী হৈ পাপৰপৰা উদ্ধাৰ হ'ব পাৰিব । এয়ে নামৰ মাহাত্ম্য । অন্য পন্থাৰ দ্বাৰা এই কাম দুৰূহ । কীৰ্তনত ইয়াৰ সুন্দৰ বাণী আছে । সাধাৰণ লোকসকলে অলপ অধ্যয়ন কৰিলেই উপলব্ধি কৰিব পাৰিব । দৃষ্টান্ত চাওক -

সদায় এৰিল আচাৰ ধৰ্ম ।
নভৈল যাৰ কিছু জাত কৰ্ম্ম ।।
শঠ বুদ্ধি যিটো জগত বঞ্চে ।
দম্ভ অহঙ্কাৰ সদা নুগুচে ।।
সুৰাপায়ী চাতুকাৰ চাণ্ডাল ।
নিষ্ঠুৰ বাক্য বোলে সৰ্বকাল ।।
পুত্ৰ দ্বাৰা ধন আতেসে ৰতি ।
সৱাতো অধম সি মন্দমতি ।।
সি সৱ পাপতো হৱে তৰণ ।
যদি হৰি পদে লৱৈ শৰণ ।। ইত্যাদি ।

কিন্তু ইমানবিলাক গুৰুবাণী, শাস্ত্ৰবাণী আৰু ইয়াৰ উপৰি মূল গীতা, ভাগৱত, ৰামায়ণ, মহাভাৰত, পুৰাণাদি শাস্ত্ৰ থকা সত্ত্বেও অসমত মহাপুৰুষীয়াসকলে গুৰুজনাৰ প্ৰচাৰিত ধৰ্মৰ প্ৰতি আওকাণ কৰিবলৈ ধৰিলে। শাস্ত্ৰাদি চৰ্চা কৰিবলৈ এৰি দিলে । ফলত ধৰ্ম পৰম্পৰা ব্যাহত হৈ পৰিল । অন্যহাতে বিপৰীত ধৰ্মী সুবিধাবাদীসকলে নিজ স্বাৰ্থ সিদ্ধিৰ অৰ্থে তেওঁলোকৰ ধৰ্ম প্ৰচাৰৰ অৰ্থে উঠি-পৰি লাগিল । অসমতে বসবাস কৰি থিতাপি লোৱা বহুলোকে শংকৰদেৱৰ ধৰ্মৰ বিৰুদ্ধাচৰণ কৰিলে । কৰ্মকাণ্ডীলোকসকলে দুৰ্বলতাৰ সুবিধা বুলি কৰ্মকাণ্ডৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিলে । ইতিমধ্যে অসমত প্ৰতিবেশী ৰাজ্য বংগদেশৰপৰা বঙালী পণ্ডিত

ৰঘুনন্দন আৰু পীতাম্বৰ সীদ্ধান্ত বাগীশ আদিয়ে আহি বিভিন্ন মহাপুৰুষীয়া ধৰ্মৰ বিপৰীত গ্ৰন্থ লিখি আমাৰ সমাজত প্ৰচাৰ কৰিবলৈ লাগিল ।

**চক্ৰান্তকাৰীসকলৰ অভিসন্ধি ঃ** বহিৰাগতসকলে নিজা স্বাৰ্থৰ কাৰণে বিভিন্ন উপায়ে মহাপুৰুষজনাৰ পৱিত্ৰ নাম ধৰ্মত ঢাকন দিবলৈ চেষ্টা কৰাটো আচৰিত নহয় । আচৰিত কথা হ'ল - মহাপুৰুষীয়া ধৰ্মৰ উত্তৰাধিকাৰী হিচাপে গাদীৰক্ষকসকলে গুৰু ধৰ্মত ঢাকন দিবলৈ চেষ্টা কৰাটোহে । কাৰণ শূদ্ৰ শ্ৰেণীটো অত্যন্ত অৱহেলিত আৰু পদদলিত হিচাপে ৰখাটোও উচ্চ বৰ্ণৰ লোকসকলৰ বিশেষ এক অভিপ্ৰায় । মনুসংহিতা আদি কৰি শাস্ত্ৰসমূহত শূদ্ৰৰ প্ৰতি ব্যৱহাৰ স্পষ্টভাৱে উল্লেখ আছে । মনুৱে শূদ্ৰসকলক কোনো প্ৰকাৰে জ্ঞান নিদিবলৈ আদেশ কৰিছে। শূদ্ৰসকলে পিণ্ড দেখিলেই নষ্ট হয় বুলিছে । কিন্তু দুখৰ কথা কৰ্মকাণ্ডৰ বিপৰীতে গুৰুজনাই শাস্ত্ৰ সন্মতভাৱে বহু বাণী লিখি থৈ যোৱাৰ পাছত আৰু অন্যহাতে পৰম্পৰাহীনভাৱে মহাপুৰুষীয়া লোকসকলৰ মাজত কোনো চক্ৰান্তকাৰীসকলৰ কু অভিসন্ধিতেই কৰ্মকাণ্ডই থিতাপি ল'লে আৰু সত্ৰীয়াসকলৰ মাজতো মূৰ্তি পূজাকে আদি কৰি বহু কৰ্মকাণ্ডৰ ব্যৱস্থা চলিল । গুৰু চৰিত পুথিত চৰিতকাৰে কেবাটাও ভেজাল কথা সন্নিবেশ কৰিলে । তাৰ ভিতৰত ৰাম ৰায় গুৰুৰ হতুৱাই শংকৰদেৱৰ মৃত্যুত পিণ্ড দিয়া, মূৰ্তি পূজাৰ ব্যৱস্থা কৰা, শ্ৰীমন্ত শংকৰদেৱৰ পত্নীয়ে দুৱাৰৰ চুকতে মূৰ্তি পূজাৰ ব্যৱস্থা ৰখা, তিৰোতাক ৰজা আৰু কৰ্মকাণ্ডী বিপ্ৰক শৰণ নিদিয়া ইত্যাদি ইত্যাদি ।

অসমীয়া মহাপুৰুষীয়াসকলে গুৰুজনাৰ ধৰ্মৰ বিৰুদ্ধাচাৰণ কৰিয়ে ক্ষান্ত থকা নাই; তেৰাসকলে সম্ভৱস্থলত বিভিন্ন বেদ-বেদান্ত পুৰাণ, উপনিষদ আদি গ্ৰন্থতো প্ৰক্ষিপ্ত বচন অন্তৰ্ভুক্ত কৰিবলৈও কুণ্ঠাবোধ নকৰিলে । কাৰণ প্ৰাচ্য জগতৰ সৰ্বশ্ৰেষ্ঠ পণ্ডিত কৃষ্ণকান্ত সন্দিকৈদেৱে মহাভাৰত, ৰামায়ণ আৰু ভাগৱত পুৰাণাদিত বহু প্ৰক্ষিপ্ত শ্লোক আবিষ্কাৰ কৰি জগতক জানিবলৈ দিছে । গীতা, উপনিষদখনেই সৰ্ব উপনিষদৰ ভিতৰত শ্ৰেষ্ঠ বুলিছে । তাৰো ত্ৰয়োদশ অধ্যায়ৰ প্ৰথম শ্লোকটো প্ৰক্ষিপ্ত বুলি ঠাৱৰ কৰিছে। অসমীয়ালৈ ভাষান্তৰ কৰা স্বৰ্গীয় গোবিন্দ মিশ্ৰদেৱৰ গীতাখনৰ সপ্তদশ অধ্যায়ত লিখা -

এহিপদ আদি কৰি ছয় পদমানে ।
নিষ্টে নপঢ়িব শূদ্ৰে ব্ৰাহ্মণত বিনে ।।
এহি ছয় পদত কহিবো সাৰতত্ত্ব ।

আৰু এৰি শূদ্রে পাছে পঢ়োক পাচত ।।

আদি পদ প্রক্ষিপ্ত ।

গতিকে ইয়াৰ পৰা বুজা যায় এনেদৰে প্রক্ষিপ্ত বচন লিপিবদ্ধ কৰাৰ অন্তৰালত কি কথা থাকিব পাৰে ?

**সাম্প্রতিক কালৰ ৰচনাৰ কথা ঃ** চতুৰ্দশ শতিকাৰ অসমত শিক্ষা দীক্ষাৰ ব্যৱস্থা একেবাৰেই নাছিল । সেই সময়ত সকলো দিশতে নানান অভাব অনাটনে দেখা দিছিল । যোগাযোগৰ ক্ষেত্রতো ৰাস্তা-পদুলি আদিৰ বাবে অত্যন্ত পিছপৰি আছিল । কোনো ঠাইলৈ যাবলৈ হ'লে দিনৰ পিছত দিন খোজ কাঢ়ি যাব লাগিছিল । ডাক তাঁৰৰ ক্ষেত্রতো একেই ব্যৱস্থা । কিন্তু বর্তমান কালত বিজ্ঞানৰ চৰম উন্নতিয়ে অতীজৰ অসুবিধাসমূহ নাইকিয়া কৰি সময় আৰু দূৰত্ব নিচেই কম কৰি তুলিলে । আজি সৰ্বাধুনিক দৃষ্টি ভংগীৰে সকলো কথা চাব পৰা সুবিধা হ'ল । কিন্তু এতিয়াও এই বিজ্ঞানৰ চূড়ান্ত অগ্রগতিৰ কালত এচামলোকে গ্রহ গ্রহান্তত বসবাস কৰি উপনিবেশ স্থাপনৰ আশা কৰিছে, আনহাতে এচাম মানুহে মাটি চপৰাকে দেৱতা বুলি পূজা কৰিমনে গছ এজোপাকে ভগৱান বুলি পূজা কৰিম ঠাৱৰ কৰিব পৰা নাই । সেয়ে এচাম লোকৰ ভাৱ প্রতিফলিত হৈছে সেইসকলৰ লেখাত, কামত আৰু আদৰ্শত । সেয়েহে সাম্প্রতিক কালত অসমীয়া লিখকে গুৰু চৰিত গ্রন্থ, ভক্তি প্রদীপ, নিমিনৱসিদ্ধ সংবাদ আৰু ভক্তি ধৰ্মৰ তত্ত্বসাৰ, সম্বলিত গ্রন্থকো প্রামাণ্য গ্রন্থ নহয় বুলি ক'বলৈ বিচাৰিছে । 'শংকৰদেৱৰ ধৰ্মত বিগ্রহৰ স্থান' আছে বুলি যুক্তি প্রদর্শন কৰা লিখা গ্রন্থও প্রচাৰ হৈ থকা কথাটো আশ্চর্যজনক।

গুৰুজনাৰ বৈকুণ্ঠী হোৱাৰ পিছত যিসকলে ধৰ্ম পৰম্পৰা ৰক্ষা কৰি সমাজ পৰিচালনাৰ দায়িত্ব পালে সেইসকলৰ অদূৰদৃষ্টিৰ ফলতেই হওক বা অন্য কাৰণতেই হওক মহাপুৰুষীয়া ধৰ্ম, কলা-সংস্কৃতি আদি সমস্ত অৱদানতে ভাঁজ সোমোৱা প্ৰমাণিত হৈছে । আনকি গুৰুজনাৰ ধৰ্ম মূল একশৰণতো ভাঁজ সোমাই বহু শৰণ প্রচাৰ হৈ অসমীয়া মহাপুৰুষীয়া সমাজত বিৰাট বিসঙ্গতিৰ সৃষ্টি কৰিলে । সেয়েহে আজিৰ পৰা প্ৰায় তিনিকুৰি বছৰৰ আগৰপৰা পুনৰ অসমত এক ধৰ্ম আন্দোলন গঢ় লৈ উঠিল আৰু ফলস্বৰূপে মহাপুৰুষৰ নামতে এক ধৰ্ম অনুষ্ঠান প্রতিষ্ঠা হ'ল যাৰ - নাম আজি দেশে-বিদেশে শ্ৰীমন্ত শংকৰদেৱ সংঘ, অসম বুলি জনা যায় ।

**গোলাঘাটত প্রথম চিন্তাৰ ঢৌ ঃ** গোলাঘাট অসমৰে এচুকত থকা সামান্য অঞ্চল । কিন্তু গোলাঘাটৰ জনবসতিও অন্য মহকুমাৰ তুলনাত কম।

কিন্তু চিন্তা-চৰ্চা অথবা জাতীয় স্বাৰ্থত বৰঙণি যোগোৱাৰ ক্ষেত্ৰত ইয়াৰ ৰাইজ সদায় অগ্ৰণী স্বৰূপ । সেয়ে ধৰ্ম আন্দোলনৰ বেলিকাও গোলাঘটীয়া ৰাইজে মহাপুৰুষ গুৰুজনাৰ ধৰ্ম-সংস্কৃতি কেনেদৰে ৰক্ষা কৰি সমাজ সংস্কাৰত অৰিহণা যোগাব পাৰি তাৰ চিন্তা নকৰাকৈ নাথাকিল । স্বাধীনতা আন্দোলনত যি সকল লোক জঁপিয়াই পৰি দেশৰ স্বাধীনতা আনিলে সেইসকলৰ অধিকাংশই মহাপুৰুষীয়া ধৰ্ম আন্দোলনত জঁপিয়াই পৰিল । ধৰ্মৰ সকলো দিশ পুংখানুপুংখৰূপে আলোচনা কৰি শাস্ত্ৰ সন্মতভাৱে ধৰ্ম-সংস্কৃতিৰ নীতি-আদৰ্শখিনি চালি-জাৰি চাবৰ কাৰণে বিভিন্ন স্থানত আলোচনা চক্ৰ আৰু ধৰ্মালোচনী সভা অনুষ্ঠিত কৰা হৈছিল । গোলাঘাটৰ বাহিৰৰ পণ্ডিতসকলৰ লগত আলোচনা কৰা, মহাপুৰুষীয়া সত্ৰৰ সত্ৰাধিকাৰসকলৰপৰা সন্মতি বিচৰা আদি কামৰ উপৰি অসমৰ বিভিন্ন স্থানত পবিত্ৰ সাৰ্বজনীন মহাপুৰুষীয়া ধৰ্মৰ নীতি যে সৰ্বশুদ্ধ তাক প্ৰতিপন্ন কৰিবলৈ বিতৰ্কমূলক সভাও অনুষ্ঠিত কৰা হৈছিল । সুখৰ বিষয় সকলোতে সকলো অৱস্থাতে গুৰুজনাৰ ধৰ্মৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিবলৈ সমৰ্থ হোৱা হৈছিল । ০০

# দ্বিতীয় অধ্যায়

## গোলাঘাটত ধৰ্ম আন্দোলনৰ পাতনি ঃ

গোলাঘাট চহৰৰ স্বৰ্গীয় ঘনশ্যাম বৰুৱাদেৱ এজন চিন্তাশীল ধৰ্মপৰায়ণলোক আছিল । তেখেত্ প্ৰকৃতাৰ্থত ধৰ্মৰ সাৰমৰ্ম অনুসন্ধান কৰি বেদ, উপনিষদ, বাইবেল, কোৰাণ আৰু মহাপুৰুষীয়া ধৰ্মগ্ৰন্থবিলাক অধ্যয়ন কৰিছিল । ইচলাম ধৰ্মৰ মূল গ্ৰন্থ কোৰাণৰ সাম্য মৈত্ৰী আৰু বিশ্বভ্ৰাতৃত্ববোধে তেখেতক বাৰুকৈয়ে আকৃষ্ট কৰিছিল আৰু অসমৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ প্ৰবৰ্ত্তিত মহাপুৰুষীয়া ধৰ্মগ্ৰন্থবিলাকতহে কেৱল উপৰোক্ত বিশ্বজনীনভাৱৰ সাদৃশ্য উপলব্ধি কৰিছিল, কিন্তু সেই সময়ত অসমত প্ৰচলিত মহাপুৰুষীয়া ধৰ্মত নানা অন্ধসংস্কাৰ, আবৰ্জনা আৰু 'বিচাৰ বিহীন আচাৰে' খোপনি পুতি থকাত আৰু মহাপুৰুষীয়া সমাজে বাকলিকে শাহ বুলি আঁকোৱালি ধৰি থকাত তেখেতে গোলাঘাট নগৰৰ আৰু নগৰৰ বাহিৰৰ ধৰ্মপ্ৰাণ লোকসকলক আহ্বান কৰি নিজৰ চ'ৰাতে প্ৰতি ৰবিবাৰে এখনি ধৰ্মালোচনী সভা পাতিছিল । সেই সভাত ধৰ্মশাস্ত্ৰবিলাকৰ অধ্যয়ন আৰু বিশদ ব্যাখ্যা আৰু লগে লগে আলোচনা-বিলোচনা হৈছিল আৰু মহাপুৰুষীয়া ধৰ্মক পৰিশুদ্ধ ৰূপত পুনৰ প্ৰতিষ্ঠা কৰিবৰ বাবে চেষ্টা চলিছিল । সেই আলোচনাত অংশ গ্ৰহণকাৰীসকলৰ ভিতৰত পণ্ডিতপ্ৰৱৰ স্বৰ্গীয় ৰায়চাহাব গোপীকা বল্লভ গোস্বামীদেৱ অন্যতম আছিল ।

উপৰোক্ত ধৰ্মালোচনী সভাৰ প্ৰসঙ্গত বৰুৱাদেৱৰ জ্যেষ্ঠ পুত্ৰ স্বৰ্গীয় মহেন্দ্ৰ নাথ বৰুৱাদেৱে তেখেতৰ প্ৰকাশিত 'অন্ত্যেষ্টিক্ৰিয়া বিধানৰ' প্ৰকাশকৰ কথাত' লেখিছে 'মোৰ পৰমাৰাধ্য পৰম পুজনীয় দেউতা স্বৰ্গীয় ঘনশ্যাম বৰুৱা ডাঙৰীয়াই হিন্দু ধৰ্মৰ তান্ত্ৰিক আৰু আন মতৰ ঘাই পুথিবিলাক আৰু খ্ৰীষ্টিয়ান, মুচলমান, বৌদ্ধ ধৰ্মৰ মূল কিতাপ পঢ়ি সকলোৰে ভিতৰত মুচলমান ধৰ্মৰ কোৰাণত প্ৰচাৰ কৰা সাম্যভাৱৰ মৰ্ম বেছিকৈ উপলব্ধি কৰে । তাৰ পিছত তেখেতে হিন্দু ধৰ্মৰ ভিতৰত এনে মৰ্মৰে গঢ়া কোনো শাখা আছেনে নাই অনুসন্ধান কৰিবলৈ ধৰে । মহাপুৰুষ শ্ৰীশ্ৰীশংকৰ গুৰুৱে প্ৰচলন কৰি

যোৱা ধৰ্মৰ ভিতৰত তেখেতে কোৰাণত পোৱা নীতি আৰু ভাৱৰ মিল পালে; কিন্তু সেই সময়ত আমাৰ দেশত মহাপুৰুষীয়া ধৰ্ম কেৱল নামতহে আছে বুলি তেখেতে অনুভৱ কৰে । এই হ'ল ১৯০৯-১০ চনৰ কথা ।'

'মহাপুৰুষীয়া ধৰ্মৰ প্ৰভাৱ দেশত পুৰা মাত্ৰাই চলাবৰ কাৰণেই সেই সময়ত তেখেতৰ হাতে ঢুকি পোৱা মহাপুৰুষীয়া ধৰ্মত দীক্ষিত ভকতসকলক গোটাই আলোচনা কৰা কামত প্ৰবৃত্ত হয় । ইয়েই শেষত এখন ডাঙৰ ধৰ্মালোচনী সভাত পৰিণত হয়গৈ । এই সভা প্ৰথমতে আমাৰ চ'ৰাতে প্ৰতি দেওবাৰে বহিছিল । এই সভাত যোগ দিবলৈ গোটেই গোলাঘাটৰ একনিষ্ঠ মহাপুৰুষীয়া ভকতসকল গোট খোৱাৰ বাহিৰেও গোলাঘাটৰ বাহিৰৰপৰাও মহাপুৰুষীয়া ভকতসকল আহিবলৈ ধৰে আৰু তাৰ পিছত আমাৰ চ'ৰাই ইমানবিলাক ভকতৰ কাৰণে ঠাই জোৰাব নোৱৰাত আমাৰ ঘৰৰ আগতে ধৰ্মালোচনী সভাঘৰ বুলি এটি ঘৰ সভা বহিবৰ কাৰণে সজাই দিলে । এই ঘৰ 'স্বৰ্গীয় ঘনশ্যাম বৰুৱা ৰাজহুৱা নামঘৰ' নাম লৈ করুণাময়ৰ ইচ্ছাত বৰ্তমান চলি আছে । 'এই ধৰ্মালোচনী সভাৰ কাৰ্য আছিল -- প্ৰত্যেক ধৰ্মৰে তাৎপৰ্য আৰু বেদ-বেদান্ত, উপনিষদ, শ্ৰুতি স্মৃতি, আদিৰ মুল কথাবোৰ বিশদভাৱে ব্যাখ্যা কৰি মহাপুৰুষীয়া ধৰ্মৰ ঘাই কথাখিনি সহজে মনত বোধগম্য কৰাই আমাৰ সমাজত সোমোৱা কিছুমান অশাস্ত্ৰীয় কথাৰ সমূলে ধ্বংস কৰা আৰু সমাজৰ কু-সংস্কাৰবোৰ গুচাই সু-সংস্কাৰ সুমুওৱা । এই সভাত আলোচনা হোৱা কথাবোৰৰ ভিতৰত আমাৰ (শূদ্ৰৰ) অশৌচ-মৃত্যুৰ বা জন্মৰ কেনে হোৱা উচিত ইও আছিল; কিন্তু সমাজৰ বান্ধ তেতিয়া বৰ কটকটীয়া থকা স্বৰ্গীয় দেউতাই সমজুৱাৰ মনত নতুন ভাৱ অলপ মাত্ৰ সুমুওৱাৰ বাহিৰে বিশেষ সংস্কাৰ একো কৰিব নোৱাৰিলে । স্বৰ্গীয় দেউতা ১৯২৩ চনত স্বৰ্গী হ'ল আৰু তেতিয়াৰপৰা সমাজো ভাগি-ছিগি গ'ল; কিন্তু মোৰ পূজনীয় স্বৰ্গীয় দেউতাই সিঁচি থৈ যোৱা গুটিৰ গছ এতিয়া গজি উঠাত মই কিমান আনন্দ পাইছোঁ তাক নক'লেও আশা কৰোঁ ৰাইজে বুজিব পাৰিব ।'

স্বৰ্গীয় দেউতাৰ মৃত্যুৰ অশৌচ তেখেতৰ মতানুযায়ী মই ১৩ দিনৰ ভিতৰত সকলো শেষ কৰিবৰ চেষ্টা কৰিছিলোঁ; কিন্তু কটকটীয়া সমাজ মোৰ প্ৰস্তাৱত জিকাৰ খাই উঠিল আৰু বংশৰ পূজনীয়সকলৰপৰাও যথেষ্ট বাধা পাই একো কৰিব নোৱাৰিলোঁ ।

'ইয়াৰ পিছত মৃতকৰ অন্ত্যেষ্টিক্ৰিয়া প্ৰেতক্ৰিয়া বাদ দি হৰি নামেৰেই সমাধা কৰাৰ চেষ্টা কৰিবলৈ ধৰিলোঁ; কিন্তু মোৰ চেষ্টা সদায় বিফল হ'বলৈ ধৰিলে; ... কিন্তু যিদিনা মোৰ পৰম আৰাধ্যা পূজনীয়া মাতৃ হঠাতে স্বৰ্গী হ'ল

সেই দিনাহে মৃতকৰ অন্ত্যেষ্টিক্রিয়া আমাৰ সমাজে হৰিনামেৰে সমাধা কৰিব নোৱৰাৰ আচল কাৰণ বুজিব পাৰিলোঁ । মোৰ একেবাৰে অনিচ্ছা সত্বেও হৰিনামেৰে অন্ত্যেষ্টিক্রিয়া সমাধা কৰাৰ সকলো পদ্ধতি লিপিবদ্ধ হৈ নথকাত ময়ো প্রেত ক্রিয়া কৰোৱাত শৰণাগত হ'বলগীয়া হ'ল ।'

**অশৌচ বিচাৰত পণ্ডিত স্বৰ্গীয় গোপীকা বল্লভ গোস্বামী ঃ**

১৯২৩ চনত স্বৰ্গীয় ঘনশ্যাম বৰুৱাৰ মৃত্যু হয় আৰু ধৰ্মালোচনী সভা বন্ধ হয় যদিও সেই সভাৰ আলোচনাত অংশ গ্রহণ কৰা লোকসকলৰ মনত স্বৰ্গীয় ৰায় চাহাব গোপীকা বল্লভ গোস্বামীদেৱে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰপৰা বেদ-বেদান্ত, উপনিষদ, শ্রুতি-স্মৃতি আদি শাস্ত্রবিলাক বিচাৰি আনি ঘৰতে এটি পুথিভঁৰাল পাতি শাস্ত্রসমূহ অধ্যয়ন কৰাত মনোনিৱেশ কৰে । সেই সময়ত মহাপুৰুষীয়া ধৰ্মক পৰিশুদ্ধ ৰূপত প্রতিষ্ঠা কৰা আৰু সৰ্ববৰ্ণৰ দশাহ অশৌচ আৰু হৰিনামৰ দ্বাৰা শ্রাদ্ধ পিণ্ডাদিৰ ব্যৱস্থা আৰু উপযুক্ত ব্ৰাহ্মণেতৰ তন্ত্রধাৰৰ দ্বাৰাই বিবাহ কাৰ্য সম্পাদনৰ চিন্তাধাৰাই সেই সময়ৰ অনেক যুক্তিবাদী চিন্তাশীল লোকক আকৰ্ষিত কৰি সেইসকলৰ চিন্তাৰ খোৰাক যোগাইছিল । ইতিমধ্যে প্রখ্যাত পণ্ডিত স্বনামধন্য শ্রীভুৱন চন্দ্র ভূঞা ব্যাকৰণ তীৰ্থ তৰ্ক শাস্ত্রীদেৱে কাশীত শিক্ষা সাং কৰি স্বৰ্গীয় ৰায়চাহাব গোস্বামীদেৱৰ কাৰ্যাৱলীৰ খবৰ পাই কাশীৰপৰা পোনে পোনে গোলাঘাটলৈ আহে আৰু স্বৰ্গীয় ৰায়চাহাব গোস্বামীদেৱৰ ঘৰতে থাকি দুয়োগৰাকী পণ্ডিতে যুটীয়াভাৱে শাস্ত্র অধ্যয়ন আৰু আলোচনাত প্রবৃত্ত হয় আৰু তেখেতসকলৰ আকাঙ্খিত ব্যৱস্থা উদ্ধাৰ কৰি সিদ্ধান্তত উপনীত হয় ।

১৯৩৩ চনত পণ্ডিত ভূঞাদেৱে গোলাঘাটৰ দ গাঁৱত শ্রীযুত পূৰ্ণ চন্দ্র দত্তদেৱৰ নিজা মাটিত এখন আশ্রম প্রতিষ্ঠা কৰি থাকিবলৈ লয় আৰু লগতে সংস্কৃত শিক্ষাৰ কাৰণে এখনি টোল প্রতিষ্ঠা কৰি কাব্য ব্যাকৰণ আদিৰ পাঠদান আৰম্ভ কৰে । লগতে বিবাহ বিধি এখন প্রণয়ন কৰি ব্ৰাহ্মণেতৰ বৰ্ণৰ দ্বাৰাই বিবাহ কাৰ্য সম্পাদন কৰাৰ প্রশিক্ষণ দিবলৈ আৰম্ভ কৰে । সেই টোলৰ প্রথম ছাত্র দলত আছিল জীউৰাম হাজৰিকা, খগেশ্বৰ তামুলী, (মৰঙী) দেবেন দত্ত, নাৰায়ণ দত্ত, (ৰূপকলীয়া) আৰু পূৰ্ণ চন্দ্ৰ দত্ত আদি । সেই সকলোৱেই গুৱাহাটীত অনুষ্ঠিত হোৱা ব্যাকৰণৰ পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰে ।

ব্ৰাহ্মণেতৰ (শূদ্ৰ) তন্ত্রধাৰৰ দ্বাৰাই অসমত প্রথম বিবাহ কাৰ্য সম্পাদন কৰা হয়, পণ্ডিত ভূঞাদেৱৰ নিজৰ । কন্যাঘৰ আছিল যোৰহাটৰ মেলেঙত । তন্ত্রধাৰ আছিল শ্রীপূৰ্ণ চন্দ্র দত্ত আৰু শ্রীজীউৰাম হাজৰিকা । সেই বিয়া চাবলৈ গোলাঘাটৰ লোকসকল ৰেলে, বাছে ভাগি ভুহঁৰি গৈছিল আৰু আশ-

পাশৰ লোকসকলেৰে প্ৰায় এহেজাৰ লোকৰ সমাগম হৈছিল । (১৯৩৪) ইয়াৰ পাছত স্বৰ্গীয় শঙ্কৰ চন্দ্ৰ বৰুৱা, জীউৰাম হাজৰিকা, স্বৰ্গীয় দৌলেশ্বৰ দত্ত, এড্‌ভোকেট স্বৰ্গীয় মহেন্দ্ৰ নাথ বৰুৱাৰ জ্যেষ্ঠ কন্যাৰ লগতে যদুনাথ শইকীয়া এড্‌ভোকেট, স্বৰ্গীয় উমাকান্ত বৰুৱা, শ্ৰীঘনকান্ত তামুলী, শ্ৰীবংশীধৰ দত্ত, স্বৰ্গীয় শিশুৰাম দত্ত, শ্ৰীমোহন চন্দ্ৰ ৰাজখোৱা আদিৰ বিবাহ কাৰ্য পণ্ডিত ভূঞাদেৱৰ বিধি অনুযায়ী জীউৰাম হাজৰিকাৰ দ্বাৰা সম্পাদিত হয় ।

জীউৰাম হাজৰিকাৰ বিবাহ পূৰ্ণ চন্দ্ৰ দত্ত আৰু খগেশ্বৰ তামুলীৰ (মৰঙী) দ্বাৰা সম্পাদিত হয় ।

## সৰ্ববৰ্ণৰ দহদিনীয়া অশৌচ পালনত গড়মূৰীয়া অধিকাৰ পীতাম্বৰ গোস্বামীৰ সমৰ্থন ঃ

১৯৩৪ চনত গোলাঘাটৰ স্বৰ্গীয় যোগেন্দ্ৰ নাথ বৰুৱাৰ মাতৃ বিয়োগ হয় । মৃত্যুৰ তৃতীয় দিনা মাত লগাবলৈ বুলি স্বৰ্গীয় ৰায় চাহাব গোস্বামীদেৱ, স্বৰ্গীয় বৰুৱাদেৱৰ ঘৰলৈ আহে আৰু স্বৰ্গীয় বৰুৱাদেৱে কথা প্ৰসঙ্গত দশাহ অশৌচ পালন কৰাৰ ইচ্ছা প্ৰকাশ কৰি স্বৰ্গীয় গোস্বামীদেৱৰ মতামত বিচাৰে। স্বৰ্গীয় গোস্বামীদেৱেও স্বৰ্গীয় বৰুৱাদেৱৰ ইচ্ছাত পূৰ্ণ সমৰ্থন আগবঢ়াই শাস্ত্ৰীয়সন্মত দিবলৈ কথা দিয়ে । সেই অনুযায়ী স্বৰ্গীয় ৰায়চাহাব গোস্বামীদেৱে এখন ব্যৱস্থাপুথি যুগুত কৰি অনুমোদনৰ কাৰণে পূজ্যপাদ স্বৰ্গীয় পীতাম্বৰ দেৱ গোস্বামী গড়মূৰীয় সত্ৰাধিকাৰ প্ৰভুৰ ওচৰলৈ কেইজনমান লোক পঠায়। লোকসকলে স্বৰ্গীয় সত্ৰাধিকাৰ প্ৰভুক নগাঁৱৰ ফুলগুৰি বাহৰত লগ ধৰি তেৰাৰপৰা স্বৰ্গীয় ৰায়চাহাব গোস্বামীদেৱৰ 'সৰ্ববৰ্ণৰ দশাহ অশৌচ' ব্যৱস্থা পুথিত পূৰ্ণ সমৰ্থন লাভ কৰে ।

## গোলাঘাটত এঘাৰদিনীয়া প্ৰথম আদ্য শ্ৰাদ্ধ ঃ

ইফালে বৰুৱাদেৱে সেই ব্যৱস্থা অনুযায়ী দশাহ অশৌচ পালনৰ ব্যৱস্থা কৰি এঘাৰ দিনত আদ্য শ্ৰাদ্ধ আৰু দ্বাদশ দিৱসত সপিণ্ডন সমাধা কৰে । সেই অনুষ্ঠানত গোলাঘাট মহকুমাৰ বিভিন্ন অঞ্চলৰ লোকসকল সমবেত হৈছিল । এই অনুষ্ঠানত দিহা-পৰামৰ্শ দি সহায় কৰিবৰ বাবে স্বৰ্গীয় গড়মূৰীয় সত্ৰাধিকাৰ প্ৰভুৱে স্বৰ্গীয় ৰমাকান্ত মুক্তিয়াৰ আতাক নগাঁৱৰপৰা গোলাঘাটলৈ পঠাইছিল আৰু মুক্তিয়াৰ আতায়ো তেৰাৰ দিহা-পৰামৰ্শৰে কাৰ্য সমাধা কৰাৰ পিছতে গোলাঘাটতে থাকি গাঁৱে-ভুঞে প্ৰচাৰ কাৰ্যত আত্মনিয়োগ কৰিছিল । স্বৰ্গীয় বৰুৱাদেৱৰ মাতৃদেৱীৰ আদ্য শ্ৰাদ্ধত সমবেত হোৱা লোকসকল আছিল — স্বৰ্গীয় ৰায়চাহাব গোপীকা বল্লভ গোস্বামী, স্বৰ্গীয় শৰৎ চন্দ্ৰ বৰুৱা, স্বৰ্গীয় পূৰ্ণ চন্দ্ৰ দত্ত, স্বৰ্গীয় কনেকেশ্বৰ বৰগোহাঁই, স্বৰ্গীয় কমলেশ্বৰ মহন্ত, স্বৰ্গীয় কেৰকণ

দত্ত স্বৰ্গীয় গুণাৰাম শইকীয়া, স্বৰ্গীয় অকণ চন্দ্ৰ ৰাজখোৱা, স্বৰ্গীয় কুশৰাম ৰাজখোৱা, স্বৰ্গীয় ভাবুৰাম দত্ত, স্বৰ্গীয় শিশুৰাম দত্ত, স্বৰ্গীয় বুপাতি শইকীয়া, স্বৰ্গীয় ভেকোলা ওজা, স্বৰ্গীয় ৰোঘাই ৰাজখোৱা, স্বৰ্গীয় গোলোক হাজৰিকা, স্বৰ্গীয় জীউৰাম হাজৰিকা, স্বৰ্গীয় দেহিৰাম গাঁওবুঢ়া, স্বৰ্গীয় পোৱাল শইকীয়া, স্বৰ্গীয় গঙাৰাম বৰমেধি, স্বৰ্গীয় বগাই দত্ত, স্বৰ্গীয় দুৰ্গেশ্বৰ হাজৰিকা, স্বৰ্গীয় ৰত্ন ভূঞা, স্বৰ্গীয় ভুবন বৰুৱা, স্বৰ্গীয় বিষ্ণুৰাম দত্ত, খগেশ্বৰ তামুলী আদি বিশিষ্ট মহাপুৰুষীয়া ধৰ্মৰ একান্ত সেৱকসকল। তদুপৰি এই শ্ৰাদ্ধত গোলাঘাট চহৰৰ সমীপস্থ ঢেকীয়াল, গুৰযোগনীয়া, কাকডোঙা, খুমটাই, মিছামৰা, মৰঙী আঠগাঁও, কাছাৰীহাট, মৌখোৱা, দক্ষিণহেঙ্গেৰা আদি বিভিন্ন মৌজাৰ বহু সংখ্যক ভকতে সম্পূৰ্ণ সহযোগ কৰিছিল।

### ত্ৰি-মূৰ্ত্তি মিলন ঃ গোস্বামী, ভূঞা আৰু মুক্তিয়াৰ আতা ঃ

নতুন ব্যৱস্থা অনুসৰি শ্ৰাদ্ধ সমাপণ হৈ যোৱাৰ কুৰি দিনৰ পিছৰপৰাই পণ্ডিত স্বৰ্গীয় ৰায়বাহাদুৰ, স্বৰ্গীয় গোস্বামীদেৱৰ দশাহ ব্যৱস্থাৰ প্ৰতিবাদ আৰম্ভ হ'বলৈ ধৰে। এই প্ৰতিবাদসমূহৰ প্ৰত্যুত্তৰো যথা সময়ত বাতৰি কাকত যোগে দিয়া হৈছিল আৰু ব্ৰাহ্মণেতৰ বৰ্ণৰ পণ্ডিত শ্ৰীভুবন চন্দ্ৰ ভূএগ, ব্যাকৰণতীৰ্থ তৰ্কশাস্ত্ৰীয়ে অশৌচ আৰু সপিণ্ডীকৰণৰ নিৰ্ণয়ৰ প্ৰতিবাদৰ সমালোচনাৰ সৈতে 'দ্বিতীয়খণ্ড সপিণ্ডীকৰণ' প্ৰকাশ কৰিছিল। তৃতীয় গৰাকী পণ্ডিত প্ৰাতঃস্মৰণীয় মহাপুৰুষীয়া ধৰ্মৰ একান্ত সেৱক শ্ৰীশ্ৰীৰমাকান্ত মুক্তিয়াৰ আতাৰ 'অন্ত্যেষ্টিক্ৰিয়া বিধান' প্ৰকাশ কৰি তিনিও গৰাকীৰ সক্ৰিয় সহযোগত সমগ্ৰ অসমত এক ধৰ্ম আন্দোলন গঢ়ি উঠিছিল। এখেতসকলক সমৰ্থন দি আন এগৰাকী অগ্ৰণী ধৰ্ম বিপ্লৱী ঢেকীয়ালৰ স্বৰ্গীয় খগেশ্বৰ তামুলীদেৱে 'যুক্তি ৰত্ন' নামৰ গ্ৰন্থ প্ৰকাশ কৰিছিল। 'যুক্তি ৰত্ন' পুথিখন অতিশয় সময়োপযোগী হৈছে বুলি ধলৰ সত্ৰৰ সত্ৰাধিকাৰ স্বৰ্গীয় তীৰ্থনাথ গোস্বামী, কাঠৰ সত্ৰৰ শ্ৰীকমল চন্দ্ৰ মহন্ত আৰু কাঠবাপু সত্ৰৰ শ্ৰীনিৰঞ্জন দেৱ গোস্বামী অধিকাৰ প্ৰভু আদি ধৰ্মজ্ঞ লোকসকলেও লিখিত সমৰ্থন আগবঢ়াইছিল। পণ্ডিত স্বৰ্গীয় গোপীকাবল্লভ গোস্বামী প্ৰভুৱে 'সপিণ্ডীকৰণ নিৰ্ণয়' পুথিৰ পাতনিত লিখিছে -- 'এই পুথিখনি লেখা কামত মোক নানা প্ৰকাৰে উৎসাহ দিয়াত মোৰ মৰমৰ বন্ধু শ্ৰদ্ধেয় তীৰ্থনাথ গোস্বামীদেৱৰ ওচৰত চিৰ ধৰুৱা হৈ থাকিলোঁ।

### স্বৰ্গীয় মহেন্দ্ৰনাথ বৰুৱাদেৱৰ আনন্দ আৰু আৰ্থিক সাহায্য ঃ

স্বৰ্গীয় বৰুৱাদেৱে লিখিছে -- 'মোৰ দেউতাই সিঁচি থৈ যোৱা গুটিৰ গছ এতিয়া গজি উঠাত মই কিমান আনন্দ পাইছোঁ তাক বহলাই নক'লেও

আশা কৰোঁ ৰাইজে বুজিব পাৰিছে । ইয়াৰ পিছত য'তে পাৰো ত'তে মৃতকৰ অন্ত্যেষ্টিক্ৰিয়া পূৰ্বৰপৰা চলি অহা প্ৰেতক্ৰিয়া বাদ দি হৰিনামেৰেই সমাধা কৰাৰ অৰ্থে চেষ্টা কৰিবলৈ ধৰিলোঁ; কিন্তু যিদিনা মৃতকৰ আদ্য শ্ৰাদ্ধ হৰিনামেৰে কৰিব নোৱৰা আচল কাৰণটো বুজিব পাৰিলোঁ । আমাৰ সমাজৰ এই অভাৱ কেনেকৈ গুচুৱা হ'ব তাক নগাঁৱৰ শ্ৰদ্ধেয় শ্ৰীযুত ৰমাকান্ত মুক্তিয়াৰ আতৈৰ লগত পৰামৰ্শ কৰোঁতে আতৈয়ে এখন কিতাপ লেখা হৈছে আৰু এমাহমানৰ পিছতে ছপা কৰি উলিয়াবপৰা হ'ব বুলি কোৱাত এই কিতাপৰ এহেজাৰখন ছপাই শংকৰ সংঘক দান কৰিম ।' (অঃ আঃ সঃ নিঃ)

শ্ৰীযুত ভুৱন চন্দ্ৰ ভূঞা ব্যাকৰণতীৰ্থ, তৰ্কশাস্ত্ৰী ডাঙৰীয়াই 'যজুৰ্বেদ' (জ্ঞানকাণ্ড)ৰ গ্ৰন্থকাৰৰ আগকথাত লিখিছে 'পৰমেশ্বৰৰ কৃপাত কেতিয়াও নভবা-নিচিন্তা কথা এটাই হঠাতে খুন্দিয়াবলৈ ধৰিলে । আজি কেইমাহমান আগতে মূল 'যজুৰ্বেদ'খন আনি এবাৰ পঢ়িবৰ মন গ'ল । পাছত দিনে-ৰাতিয়ে যত্নৰে পঢ়িবলৈ ধৰিলোঁ । পঢ়োঁতে অনেক স্থলত ভাষ্যকাৰসকলৰ লগত মোৰ মতভেদ হয় । অগত্যা ভাষ্যকাৰৰ মত সমৰ্থন কৰিব নোৱাৰি বৈদিক শব্দ অৰ্থ থকা নিৰুক্ত নিৰ্ঘন্ট আদি অনুসন্ধান কৰিবলৈ ধৰিলোঁ; কিন্তু ইয়াত পুথিখন বিচাৰি নাপাই কথা প্ৰসঙ্গত স্বৰ্গীয় ঘনশ্যাম বৰুৱা মন্ত্ৰীডাঙৰীয়াৰ সুযোগ্য পুত্ৰ স্বৰ্গীয় মহেন্দ্ৰনাথ বৰুৱাদেৱৰ আগত ক'লোঁ, তেখেতে একে আষাৰে দাম মই দিম আপুনি মগাই দিয়ক বুলি প্ৰতিশ্ৰুতি কৰিলে ।' স্বৰ্গীয় বৰুৱাই এই সাহায্য আগবঢ়োৱাৰ উপৰি অন্ত্যেষ্টিক্ৰিয়া বিধান, 'যজুৰ্বেদ' আদি কেইবাখনিও শাস্ত্ৰ প্ৰকাশ কৰি সেই সময়ৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰচাৰ কাৰ্যত যথেষ্ট সহায় কৰিছিল আৰু সমাজৰ এক অপূৰণীয় অভাৱ দূৰ কৰাতো অৰিহণা যোগাইছিল ।

## সমালোচনাৰ বলি পণ্ডিত স্বৰ্গীয় গোস্বামী ঃ

সৰ্ববৰ্ণৰ দৰ্শাই অশৌচ এঘাৰ দিনত,আদ্য শ্ৰাদ্ধ বাৰ দিনত 'সপিণ্ডীকৰণ'ৰ ব্যৱস্থামতে কাৰ্য আৰম্ভ কৰাৰ লগে লগে অসমৰ বাহিৰে-ভিতৰে তথাকথিত হিন্দু সমাজত এক প্ৰৱল আলোড়নৰ সৃষ্টি হৈছিল । আলোড়নেই নহয় ই এক আন্দোলনতো পৰিণত হৈছিলগৈ । বঙ্গদেশৰ বিখ্যাত পণ্ডিত বেদশাস্ত্ৰী বাবুলক্ষ্মী নাৰায়ণ চেটাৰ্জী, চাৰি সংহতিৰ বহু সংখ্যক সত্ৰ আৰু ব্ৰহ্মসমাজেই প্ৰধানতঃ এই আন্দোলনত অংশ গ্ৰহণ কৰিছিল । 'অশৌচ আৰু সপিণ্ডীকৰণ নিৰ্ণয়'ৰ পাতনিত পণ্ডিত গোস্বামীয়ে লিখিছে -- 'আমাৰ আধুনিক পণ্ডিতৰ অনেকেই মূল বেদ বা গৃহ্য সূত্ৰাদিৰ ভু-ভাকে নলয় । সেইদেখি এইশ্ৰেণী পণ্ডিতৰ বিশ্বাস অষ্টবিংশতি তত্ত্ব, কৌমুদী বা এনে আৰু দুখন-এখন নিবিদ্ধ স্মৃতিৰ বাহিৰে শাস্ত্ৰয়ে নাই ।'

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

শ্ৰীশ্ৰীআউনীআটীয় সত্ৰাধিকাৰ গোস্বামী প্ৰভুলৈ প্ৰথম মুকলি চিঠি --

সৰ্ববৰ্ণৰ দশাহ অশৌচ পালন আৰু অকল হৰিনামেৰে অন্ত্যেষ্টিক্ৰিয়া সমাপণ সম্পৰ্কে শ্ৰীশ্ৰীআউনীআটী গোস্বামীদেৱে সমালোচনামূলক এটি বিৰোধী অভিমত দাঙি ধৰিছিল এখনি পুস্তিকাৰ জৰিয়তে, কিন্তু ঢেকিয়াল গোলাঘাট শংকৰদেৱ সংঘৰ নিৰ্দেশানুযায়ী তেতিয়াৰ গোলাঘাট মহকুমাৰ শংকৰ সংঘৰ সম্পাদক স্বৰ্গীয় খগেশ্বৰ তামুলীদেৱে ৫০১ শঙ্কৰাব্দৰ ভাদ মাহ উক্ত সমালোচনাৰ প্ৰত্যুত্তৰ হিচাপে এখনি মুকলি চিঠি শ্ৰীশ্ৰীগোস্বামী প্ৰভুলৈ প্ৰেৰণ কৰিছিল । মুকলি চিঠিৰ দ্বাৰা নামধৰ্ম বিৰোধ কৰাসকলক প্ৰত্যুত্তৰ দিয়া এইখনেই প্ৰথম চিঠি । ইয়াৰ পিছতো সেই একেটি বিষয় কেন্দ্ৰ কৰি আৰু কেইখনমান চিঠি সংঘৰ হিতাকাঙ্খী আৰু একান্ত সেৱক শ্ৰীশশীচন্দ্ৰ বৰবৰুৱা আৰু শ্ৰীসোণাৰাম চুতীয়া বাপে লিখিছিল ।

### সংঘৰ কাৰ্যাৱলীত বাধা আৰু স্বাধীনতা আন্দোলন ঃ

মহাত্মা গান্ধীৰ ভাৰত ত্যাগ আন্দোলনৰ প্ৰতি সঁহাৰি জনাই অধিকাংশ সংঘৰ একান্ত কৰ্মীয়ে আন্দোলনত সহযোগ কৰিছিল আৰু ফলস্বৰূপে বহু সক্ৰিয় কৰ্মী বৃটিছ চৰকাৰৰ দ্বাৰা আটক কৰা হৈছিল আৰু কিছু সংখ্যক সঙ্গী পলাতক অৱস্থাত থাকিব লগা হোৱাত ১৯৪০-৪১ চনৰপৰা ১৯৪৭-৪৮ চন পৰ্যন্ত সংঘৰ কাৰ্যাৱলী কাৰ্যত বন্ধ হৈ আছিল ।

মুক্তি সংগ্ৰামৰ ঢৌয়ে অসম তথা গোলাঘাট জিলাৰ বিভিন্ন ঠাইতো বিয়পি পৰিছিল । ১৯১৯ চনত মহাত্মা গান্ধী দক্ষিণ আফ্ৰিকাৰপৰা অহাৰ পাছতে ভাৰতৰ মুক্তি সংগ্ৰামৰ নেতৃত্ব বহন কৰিবলগীয়া হ'ল । ১৯২০ চনত নাগপুৰত বহা জাতীয় কংগ্ৰেছৰ অধিৱেশনৰ পাছৰপৰাই মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলন তীব্ৰ গতিত আৰম্ভ হ'ল । ঠায়ে ঠায়ে ধৰ্মঘট, পিকেটিং, ৰাগীয়াল বস্তু (কানি, ভাং মদ আদি) বিদেশী বস্ত্ৰ বৰ্জনৰ কাৰ্যসূচী লোৱা হ'ল। গাঁৱে-ভূঞে সভা-সমিতি পাতি মহাত্মাৰ বাণী অহিংস আন্দোলনৰ নীতি আদৰ্শ প্ৰচাৰিত হ'ল । গোলাঘাটৰ বিশিষ্ট কংগ্ৰেছী নেতা শঙ্কৰ বৰুৱা, ৰাজেন বৰুৱা, গুণিন্দ্ৰনাথ বৰুৱা, ভদ্ৰ ফুকন আদি নেতাসকলে গোলাঘাটৰ চুকে-কোণে সোমাই সংগঠন আৰু প্ৰচাৰত লিপ্ত হ'ল । গাঁৱে-গাঁৱে স্বেচ্ছাসেৱক বাহিনী, মৃত্যু বাহিনী গঠন হ'ল । সংগঠক আৰু নেতাসকলৰ আহ্বানত সকলো পুৰুষ-মহিলা ৰাজপথলৈ ওলাই আহিল । 'ভাৰত মাতা কি জয়', মহাত্মা গান্ধী কি জয়, পণ্ডিত নেহৰু জি কি জয়, বঙ্কিম চন্দ্ৰ চট্টোপধ্যায়'ৰ 'বন্দে মাতৰম্' গীতে গাঁও-ভুঁই মুখৰিত কৰিলে ।

১৯৪০ চনত গান্ধীজীৰ নেতৃত্বত কংগ্ৰেছে পুনৰ দেশজোৰা সত্যাগ্ৰহ

আন্দোলনৰ আহ্বান দিলে আৰু এই গণ আন্দোলনে ভয়ানক ৰূপ ধাৰণ কৰিলে । সু-শৃংখল নেতৃত্বত সকলো কংগ্ৰেছ কৰ্মী আৰু সেৱা দলে সত্যাগ্ৰহী হিচাপে কাৰাবৰণ গ্ৰহণ কৰিলে । উল্লেখযোগ্য যে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা সমগ্ৰ অসমৰ কংগ্ৰেছ সেৱা দলৰ সৰ্বাধিনায়ক আছিল ।

১৯৪২ চন, ভাৰতৰ জাতীয় কংগ্ৰেছৰ ইতিহাসত এই চনটো উল্লেখনীয় হিচাপে চিহ্নিত হ'ল । আগষ্ট মাহৰ ৮ তাৰিখে কংগ্ৰেছৰ বোম্বাই অধিৱেশনতে বৃটিছে ভাৰত ত্যাগ কৰাৰ প্ৰস্তাৱ গৃহীত হোৱাৰ পটভূমিত, ৯ আগষ্টৰ পুৱতী নিশালৈ গান্ধীজীকে ধৰি কংগ্ৰেছৰ সকলো শীৰ্ষ পৰ্যায়ৰ নেতাক গ্ৰেপ্তাৰ কৰা হ'ল । এই আন্দোলনৰ প্ৰভাৱ গোলাঘাটৰ সকলো ঠাইতে পৰিছিল । গোলাঘাটত নেতৃত্ব লৈছিল তেতিয়াই বিহাৰৰপৰা গোলাঘাটলৈ অহা প্ৰয়াত বৈকুণ্ঠ সিঙে । আঁচনি মতে সৰুপথাৰত বৃটিছ সৈন্য কঢ়িয়াই অনা ৰেলগাড়ী দুৰ্ঘটনাত পতিত হ'ল, সমগ্ৰ গোলাঘাট মহকুমাত এই দুৰ্ঘটনাই ত্ৰাসৰ সৃষ্টি কৰিলে । গান্ধীজীৰ অহিংস আন্দোলনত অটল বিশ্বাসী গোলাঘাটৰ সুযোগ্য সন্তান প্ৰয়াত কুশল কোঁৱৰক সৰুপথাৰত ৰেল বাগৰোৱাৰ অপৰাধত প্ৰধান অপৰাধী সজাই ১৯৪৩ চনৰ ১৫ জুনৰ কাহিলী পুৱা তেওঁক যোৰহাটৰ বৰভেটা জেলত ফাঁচি দিয়া হ'ল । কেইগৰাকীমানক যাৱজ্জীৱন কাৰাদণ্ড বিহিলে । সৰুপথাৰৰ প্ৰয়াত সুৰেন ফুকন আৰু বৈকুণ্ঠ সিঙ শেষলৈকে ধৰা নপৰিল । কেৱল সেয়ে নহয়, ভালেমান ঠাইত ৰেল ষ্টেচন, বাগানৰ বঙলা, ডাকঘৰ, ক্লাব ঘৰ আদি জ্বলাই দিয়া হ'ল । কোনো কোনো ঠাইত ত্ৰিৰঙ্গ পতাকা উঠাই দিয়া হ'ল । বৃটিছ চৰকাৰে কংগ্ৰেছক কাৰ্যত বে-আইনি ঘোষণা কৰিলে । পুলিচ-মিলিটেৰীয়ে গাঁওবিলাকত কংগ্ৰেছ ভলনতিয়াৰ বিচাৰি ব্যাপক তালাচি অভিযান চলালে লগতে নিৰ্মম অত্যাচাৰ, গ্ৰেপ্তাৰ আৰু সা-সম্পত্তি বাজেয়াপ্ত কৰিবলৈ ধৰিলে । ওপৰটেমেৰাৰ কমলা মিৰিক পুলিচে ধৰি আনি বৰভেটা জেললৈ পঠালে । দীৰ্ঘদিন জেলত থকাৰ ফলত তেওঁৰ অসুখ হ'ল আৰু শেষত অহিংস আন্দোলনৰ বিশ্বাসী এই সৎ নিষ্ঠাবান কৰ্মীজনে জেলতেই শেষ নিশ্বাস পেলালে । এনে আত্মবলিদান দিয়া এইগৰাকী কৰ্মীক শ্বহীদ হিচাপে স্বীকৃতি দিয়া হ'ল । বীৰ বিপ্লৱী শঙ্কৰ বৰুৱাই ৫০০০ (পাঁচ হাজাৰ) টকাৰ মৃত্যুৰ পৰোৱানা ঘোষণা মূৰত লৈ পাহাৰ-ভৈয়াম ঘাইকৈ উত্তৰ অঞ্চলৰ মিচিং জনবসতি গাঁওবোৰত আত্মগোপনকাৰী হিচাপে থাকি সংগঠনৰ কাম চলাই গ'ল ।

বৰ্ত্তমান গোলাঘাট জিলাৰ বিভিন্ন অঞ্চলৰপৰা নেতৃত্ব দিয়া স্বাধীনতা আন্দোলনৰ কৰ্ণধাৰসকলৰ নাম — শংকৰ বৰুৱা, শ্বহীদ কুশল কোঁৱৰ, কমলা

মিৰি, ৰাজেন বৰুৱা, গঙ্গাই মেধি, দ্বাৰিকানাথ গোস্বামী, কমলেশ্বৰ মহন্ত, উত্তৰা বৰা, গণেশ দত্ত, পোৱাল শইকীয়া, দেহিৰাম হাজৰিকা (গাঁওবুঢ়া), ফটীক হাজৰিকা আদি প্ৰধান ।

১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতৰ স্বাধীনতা আন্দোলনৰ সফল সামৰণি ঘটে আৰু ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে । স্বাধীনতা লাভ কৰাৰ পিছৰপৰাই স্বাধীনতা আন্দোলনৰ অগ্ৰণী নেতাসকলে জাতীয় সাহিত্য সংস্কৃতি বিকাশৰ ক্ষেত্ৰত মনোনিৱেশ কৰিলে । অসমৰ জাতীয় সংস্কৃতিৰ আধাৰ স্বৰূপ শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত ধৰ্ম-দৰ্শন, নৃত্য-গীত, শিক্ষা-সংস্কৃতিৰ প্ৰচাৰ প্ৰসাৰত সচেতন লোকসকলে চিন্তা-চৰ্চা আৰম্ভ কৰিলে । গোলাঘাট জিলাৰ ভালেকেইগৰাকী বৰেণ্য ব্যক্তি, মুক্তিযোদ্ধাই গুৰুজনাৰ ধৰ্মাদৰ্শ, শুদ্ধ সত্ত্ব ৰূপত প্ৰচাৰৰ উদ্দেশ্যেই ১৯৩২ চনতেই প্ৰতিষ্ঠিত 'অসম শ্ৰীমন্ত শংকৰদেৱ সংঘ'ৰ আৰ্হিৰে সংঘৰ প্ৰচাৰ অভিযান আৰম্ভ কৰিলে । ১৯৪৭ চনৰপৰা ১৯৫২-৫৩ চনৰ ভিতৰত গুৰুজনাৰ আৰ্হিৰে প্ৰতিষ্ঠিত 'শ্ৰীমন্ত শংকৰদেৱ সংঘ'ৰ সংবিধান অনুসৰি মহাপুৰুষীয়া ধৰ্মৰ উদ্যোক্তাসকলৰ প্ৰচেষ্টাত তেতিয়াৰ গোলাঘাট মহকুমাৰ অন্তৰ্গত মলাই কুমাৰ গাঁও, ঢেকীয়াল, গণকপুখুৰী, খনিকৰ আৰু ঢেকীয়ালযোগী গাঁও — এই পাঁচটা অঞ্চলক লৈ পাঁচখন প্ৰাথমিক শাখা গঠিত হয় । গোলাঘাট জিলাত জিলা শাখা গঠনৰ প্ৰাকমুহূৰ্ত্তত গঠন হোৱা এই প্ৰাথমিককেইখনেই মূল ভেঁটি ।

**মহাপুৰুষীয়া ভকতসকলৰ পুনৰ মিলন আৰু সংঘৰ প্ৰচাৰত মনোনিৱেশ ঃ**

১৯৪৭ চনৰ বহাগ বিহুৰ পিছৰ জিলা সংঘৰ কাৰ্যনিৰ্বাহকে সেই বছৰৰ জন্মোৎসৱ পালনৰ প্ৰস্তাৱ গ্ৰহণ কৰি মুকলি সভাত পূজ্যপদ স্বৰ্গীয় গড়মূৰীয় সত্ৰাধিকাৰ প্ৰভুৰ সভাপতিত্বত অনুমতি বিচাৰি স্বৰ্গীয় অকণ ৰাজখোৱা (হাবিয়াল), স্বৰ্গীয় মইনা শইকীয়া (হালোৱা গাঁও), স্বৰ্গীয় পোৱাল শইকীয়া (মলাইকুমাৰ) আৰু খনিকৰৰ স্বৰ্গীয় যোগেন দত্তক সত্ৰলৈ পঠায়, কিন্তু সত্ৰাধিকাৰ প্ৰভু নিজে আহিব নোৱাৰি স্বৰ্গীয় শ্ৰীশ্ৰীৰমাকান্ত মুক্তিয়াৰ আতাকে পঠায় । মুক্তিয়াৰ আতাদেৱৰ সভাপতিত্বত জিলা সংঘৰ খনিকৰ কাৰ্যালয়তে এই জন্মোৎসৱ সম্পন্ন হয় । সেই সভাতে স্বৰ্গীয় খগেশ্বৰ তামুলীদেৱক সভাপতি আৰু স্বৰ্গীয় যোগেন দত্তক সম্পাদক ৰূপে লৈ এখন প্ৰচাৰ সমিতি গঠন কৰা হয় আৰু গোলাঘাট মহকুমাৰ বিভিন্ন অঞ্চলত প্ৰচাৰ কাৰ্য চলোৱা হয় ।

১৯৪৯ চনৰ (৫০১ শংকৰাব্দ) ১৪/১০/৪৯ তাৰিখে দেৰগাঁৱৰ কুমাৰ গাঁও নামঘৰত গুৰুজনাৰ ৫০১ তম্ জন্মোৎসৱভাগী পয়োভৰেৰে পালন কৰা হৈছিল ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

এই শংকৰাব্দৰে জেঠ মাহত স্বৰ্গীয় গড়মূৰীয় সত্ৰাধিকাৰ প্ৰভুৱে খনিকৰ জিলা কাৰ্যালয়ত পদাৰ্পণ কৰি সাতদিন অৱস্থান কৰেহি । এইকেইদিন গোলাঘাট মহকুমাৰ বিভিন্ন মৌজাৰ লোকসকল আহি প্ৰভুজনাৰ লগত ধৰ্মালোচনা কৰেহি আৰু কেইবাখনো সভাও প্ৰভুজনাৰ উপস্থিতিত অনুষ্ঠিত কৰা হয় । সত্ৰাধিকাৰ প্ৰভুৱে বিভিন্ন দিশত সভাপতিৰ আসনৰপৰা সাৰগৰ্ভ বক্তৃতা দিয়ে আৰু গোলাঘাট জিলাৰ বিভিন্ন অঞ্চলত প্ৰাথমিক সংঘৰ গঠনত গুৰুত্ব দিয়ে ।

**স্বৰ্গীয় গড়মূৰীয় সত্ৰাধিকাৰৰ সৌজন্যত অসবৰ্ণ বিবাহ ঃ**

এই বছৰৰে জেঠ মাহৰ ২৯-৩০ তাৰিখে খনিকৰ সংঘত পূজ্যপদ স্বৰ্গীয় গড়মূৰীয় সত্ৰাধিকাৰ আৰু গোলাঘাটৰ অন্যতম দেশকৰ্মী স্বৰ্গীয় শংকৰ চন্দ্ৰ বৰুৱাৰ পৰিযত্নত এখন অসবৰ্ণ বিবাহ সম্পাদন কৰা হয় । এই বিবাহৰ কন্যাগৰাকী আছিল খ্ৰীষ্টিয়ান মিকিৰ্ সম্প্ৰদায়ৰ যুৱতী । বৰজনৰ নাম আছিল শ্ৰীজনাৰ্দন পাঠক আৰু এখন বিবাহ ঢেকীয়ালৰ স্বৰ্গীয় গগন চন্দ্ৰ তামুলী আৰু অৰুণাচলৰ এগৰাকী যুৱতীৰ লগত সম্পন্ন হৈছিল । এই সময়ছোৱাৰ ভিতৰত এনেদৰে কেইবাখনিও বিবাহ পৰ্বত-ভৈয়ামৰ ভিতৰত অনুষ্ঠিত হৈছিল ।

**গোলাঘাটৰ শংকৰ সংঘৰ প্ৰাথমিক আৰু জিলা সংঘলৈ ৰূপান্তৰ ঃ**

১৯৫০ চনৰ ৫০১ শংকৰাব্দলৈ গোলাঘাটৰ কোনো অঞ্চলতেই প্ৰাথমিক সংঘ গঠনৰ ব্যৱস্থা নাছিল আৰু জিলা সংঘই বিভিন্ন অঞ্চলৰ সঙ্গীসকলৰ সহযোগত প্ৰচাৰ কাৰ্য চলাই কাৰ্যনিৰ্বাহক কৰি আছিল । ই কিন্তু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংবিধানসন্মত নাছিল । সেয়ে ৫০১ শংকৰাব্দৰ আহাৰৰ ৭ তাৰিখে খনিকৰ নামঘৰত নীতিগতভাৱে সংঘ গঠন কৰিবৰ উদ্দেশ্যে এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয় । সভাত সভাপতিত্ব কৰিছিল সংঘৰ সম্পাদক স্বৰ্গীয় খগেশ্বৰ তামুলীদেৱে, সভা উদ্বোধন কৰিছিল পূজ্যপদ শ্ৰীশ্ৰীগড়মূৰীয় সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীয়ে আৰু সম্পাদকীয় প্ৰতিবেদন পাঠ কৰিছিল সংঘৰ উদীয়মান আৰু একনিষ্ঠ কৰ্মী শ্ৰীজীউৰাম হাজৰিকাদেৱে । সেইদিনাই স্বৰ্গীয় সত্ৰাধিকাৰ প্ৰভুৰ পৰামৰ্শ অনুসৰি আৰু প্ৰাদেশিক শংকৰদেৱ সংঘৰ সংবিধান অনুসৰি গোলাঘাট জিলা সংঘক প্ৰাথমিক সংঘলৈ ৰূপান্তৰ কৰা হয় । এই প্ৰাথমিক শাখাটিৰ নামকৰণ কৰা হয় খনিকৰ প্ৰাথমিক সংঘ । ৫০৪ শংকৰাব্দত প্ৰাদেশিক শংকৰ সংঘৰ বাৰ্ষিক অধিৱেশন উত্তৰ লক্ষীমপুৰৰ পদ্মপুৰত বহে আৰু গোলাঘাট জিলা সংঘৰ তৰফৰপৰা প্ৰতিনিধি হিচাপে স্বৰ্গীয় খগেশ্বৰ তামুলী, স্বৰ্গীয় ৰঙাই নাথ মেধি, স্বৰ্গীয় ভেকোলা ভঁৰালী, স্বৰ্গীয় অৰুণ চন্দ্ৰ ৰাজখোৱা, স্বৰ্গীয় পোৱাল চন্দ্ৰ শইকীয়া, ব্ৰজনাথ বৰা আৰু স্বৰ্গীয় যোগেন দত্তই যোগ দিয়ে । সেই সভাতে গোলাঘাটৰ প্ৰতিনিধিসকলে

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

প্ৰাদেশিক সংঘৰ পৰৱৰ্ত্তী অধিৱেশন গোলাঘাটলৈ নিমন্ত্ৰণ কৰি আহে । এই অধিৱেশন ঢেকীয়ালৰ মলখুকুৰিত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয় (৫০৫ শঃ) এই ত্ৰয়োবিংশতিতম প্ৰাদেশিক অধিৱেশনতে সাংবিধানিক নীতিৰে গোলাঘাটত শংকৰদেৱ সংঘ জিলা শাখা গঠন হয় । জিলা শাখা সমিতি গঠন হোৱাৰ আগমুহূৰ্ত্তত কাৰ্য পৰিচালনাৰ কাৰণে খনিকৰৰ ৰাজহুৱা সভাই ১৫ জন সদস্যৰে এখন কাৰ্যকৰী সমিতি গঠন কৰি দিয়ে । সমিতিৰ সভাপতি আদিৰ দায়িত্ব এনেধৰণৰ আছিল --

স্বৰ্গীয় মইনা শইকীয়া সভাপতি, ব্ৰজনাথ বৰা উপ-সভাপতি, জীউৰাম হাজৰিকা, সম্পাদক সোণেশ্বৰ দত্ত, সহকাৰী সম্পাদক । সদস্যসকল হ'ল স্বৰ্গীয় অকণ চন্দ্ৰ ৰাজখোৱা, স্বৰ্গীয় ভেবেলা ভৰাঁলী, স্বৰ্গীয় বঙ্গাই নাথ মেধি, স্বৰ্গীয় খগেশ্বৰ তামুলী, স্বৰ্গীয় পোৱাল শইকীয়া, শ্ৰীমোহন চন্দ্ৰ ৰাজখোৱা, ফটিক চন্দ্ৰ হাজৰিকা, গোলোক হাজৰিকা, দেহিৰাম গাঁওবুঢ়া, স্বৰ্গীয় যোগেন দত্ত আৰু শ্ৰীশিশুৰাম দত্ত ।

জিলা, শাখা গঠন হোৱাৰ পিছত উক্ত সমিতি ভঙ্গ হয় আৰু তাৰ পৰিবৰ্ত্তে স্বৰ্গীয় মইনা শইকীয়াক সভাপতি আৰু স্বৰ্গীয় যোগেন দত্তক প্ৰধান সম্পাদক হিচাপে লৈ পোন্ধৰজনীয়া এখন কাৰ্যকৰী সমিতি গঠন কৰা হয় ।

**প্ৰাদেশিক শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশন আৰু গোলাঘাট ঃ**

১৯৪৯ চনত খনিকৰ প্ৰাথমিক শাখা সংঘ গঠন হোৱাৰ পিছৰপৰাই বিংশতিতম অধিৱেশন নগাঁৱৰ কচুৱালী শংকৰ মিশ্যন, একবিংশতিতম্ অধিৱেশন শিৱসাগৰৰ চাৰিঙত আৰু দ্বাবিংশতিতমখন লক্ষীমপুৰৰ পদ্মপুৰত অনুষ্ঠিত হয় । ত্ৰয়োবিংশতিতম অধিৱেশন গোলাঘটীয়া প্ৰতিনিধিসকলে নিমন্ত্ৰণ কৰে। এই অধিৱেশন গোলাঘাট মহকুমাৰ ঢেকীয়াল মলাখুকুৰি নামঘৰ প্ৰাঙ্গণত ৬/৩/৫৪, ৭/৩/৫৪ আৰু ৮/৩/৫৪ তাৰিখে তিনিদিনীয়া কাৰ্যসূচীৰে অসমৰ প্ৰথিতযশা সু-সাহিত্যিক স্বৰ্গীয় ডিম্বেশ্বৰ নেওগদেৱৰ সভাপতিত্বত অনুষ্ঠিত হয় । মুকলি অধিৱেশনৰ দুয়োদিনৰ নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে স্বৰ্গীয় মানিক চন্দ্ৰ বৰুৱা অধিবক্তা ডাঙৰীয়াই । অধিৱেশনৰ দুৱাৰ মুকলি কৰে শ্ৰীসোণাৰাম চুতীয়াবাপে । এই অধিৱেশনত অচ্যুতকৃষ্ণ মিশ্ৰদেৱে যোগদান দি ভাষণ দিয়ে আৰু তেখেতৰ লগত ৰাইজৰ পৰিচয় ঘটে ।

এই অধিৱেশনতে স্বৰ্গীয় ডিম্বেশ্বৰ নেওগদেৱক সভাপতি, গোলোক কাকতীদেৱক প্ৰধান সম্পাদক আৰু বিভিন্ন জিলাৰ পোন্ধৰজন কাৰ্যনিৰ্বাহক সদস্য মনোনীত কৰি প্ৰাদেশিক কাৰ্যনিৰ্বাহক গঠন কৰা হয় । গোলাঘাট জিলাৰপৰা সৰ্বপ্ৰথম প্ৰাদেশিক কাৰ্যনিৰ্বাহক সমিতিলৈ স্বৰ্গীয় যোগেন দত্তবাপক সদস্যৰূপে লোৱা হয় ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

ত্ৰয়োবিংশতিতম অধিৰেশন সাফল্যমণ্ডিত কৰি তুলিবলৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰি তুলিবলৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰাৰ আৱশ্যক হোৱাত ঢেকীয়াল হাইস্কুল প্ৰাঙ্গণত স্বৰ্গীয় ডম্বুনাথ বৰগোহাঁইৰ সভাপতিত্বত বহা এখন ৰাজহুৱা সভাত স্বৰ্গীয় ডম্বুনাথ বৰগোহাঁইক সভাপতি, স্বৰ্গীয় খগেশ্বৰ তামুলীক উপ-সভাপতি, স্বৰ্গীয় ডিম্বেশ্বৰ হাজৰিকাক প্ৰধান সম্পাদক, স্বৰ্গীয় নোমল চন্দ্ৰ নাথক সহঃ সম্পাদক আৰু জীউৰাম হাজৰিকাক হিচাপ পৰীক্ষক ৰূপে লৈ এখন অভ্যাৰ্থনা সমিতি গঠন কৰা হয়। এই সমিতিৰ সৌজন্যত প্ৰাদেশিক অধিৰেশনখনি সূচাৰুৰূপে সম্পন্ন হয়।

ইয়াৰ পাছত মলাইকুমাৰ, গণকপুখুৰী, ঢেকীয়াল, ঢেকীয়ালযোগী গাঁও আৰু খনিকৰক লৈ পাঁচখন প্ৰাথমিক শাখা গঠন হয়। (৫০৬) শংকৰাব্দত (১৯৫৫) উপৰোক্ত প্ৰাথমিক সঙ্গীসকলেৰে এখন প্ৰতিনিধিত্বমূলক সভা মলাইকুমাৰ প্ৰাথমিক সংঘত অনুষ্ঠিত হয়। স্বৰ্গীয় দেহিৰাম হাজৰিকা এই সভাৰ সভাপতিৰ আসনত আছিল। শ্ৰীসোণাৰাম চুতীয়াবাপে উদ্বোধনী ভাষণ আৰু শ্ৰীগোলোক কাকতীদেৱে নিৰ্দিষ্ট বক্তাৰ ভাষণ দিছিল। সেই সভাতেই ৫০৬ শংকৰাব্দৰ বছৰৰ বাবে গোলাঘাট জিলা সংঘৰ কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। শ্ৰীসোণাৰাম চুতীয়া সভাপতি, শ্ৰীযোগেন দত্ত, প্ৰধান সম্পাদক আৰু জীউৰাম হাজৰিকা, স্বৰ্গীয় খগেশ্বৰ তামুলী, স্বৰ্গীয় ৰঙাই নাথ মেধি, স্বৰ্গীয় ভেবেলা ভৰালী, স্বৰ্গীয় অৰুণ চন্দ্ৰ ৰাজখোৱা, স্বৰ্গীয় পোৱাল চন্দ্ৰ শইকীয়া, স্বৰ্গীয় মইনা শইকীয়া, ব্ৰজনাথ বৰা, ফটিক হাজৰিকাক কাৰ্যনিৰ্বাহক সদস্য নিৰ্বাচন কৰা হয়।

### ত্ৰিংশতিতম অধিৰেশন ঃ

ত্ৰিংশ বাৰ্ষিক প্ৰাদেশিক শংকৰদেৱ সংঘৰ অধিৰেশনখনি ৫১২ শংকৰাব্দৰ ২৭, ২৮ ফাগুনত লোকসেৱক স্বৰ্গীয় হলধৰ ভূঞাদেৱৰ সভাপতিত্বত অনুষ্ঠিত কৰা হৈছিল। এই অধিৰেশনৰ উদ্বোধক স্বৰ্গীয় লক্ষ্যেশ্বৰ শইকীয়া, নিৰ্দিষ্ট বক্তা ইলাৰাম দাস, মোহনলাল উপাধ্যায়, সোণাৰাম চুতীয়া আৰু শ্ৰীঅচ্যুত কৃষ্ণ মিশ্ৰ আছিল। সাহিত্য শাখাৰ সভাপতিত্ব কৰিছিল বাগ্মীবৰ স্বৰ্গীয় নীলমণি ফুকন ককাই।

স্বৰ্গীয় সৰ্বানন্দ দুৱৰা আৰু মগুৰাম বৰা আদৰণি সমিতিৰ ক্ৰমে সভাপতি আৰু সম্পাদক আছিল।

**৪৪ তম্ অধিৰেশন ঃ** তেজপুৰৰ জামুগুৰিহাটত অনুষ্ঠিত ৪৩ তম্ অধিৰেশনতে গোলাঘাটলৈ ৪৪ তম্ প্ৰাদেশিক অধিৰেশনখনি নিমন্ত্ৰণ কৰা হয়। ১৯৭৫ চনৰ ইংৰাজী ২১, ২২, ২৩ মাৰ্চ, চ'ত মাহৰ ৭, ৮, ৯ তাৰিখে

তিনিদিনীয়া কাৰ্যসূচীৰে গোলাঘাটৰ বৰুৱা বামুণ গাঁৱত মহা পয়োভৰেৰে অনুষ্ঠিত কৰা হৈছিল । মুকলি সভাত পৌৰহিত্য কৰিছিল শ্ৰীঅচ্যুতকৃষ্ণ মিশ্ৰই। উদ্বোধন কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক, দাৰ্শনিক পণ্ডিত ড° কালিচৰণ দাসে । নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়াইছিল সু-সাহিত্যিক বৈষ্ণৱ পণ্ডিত তুলসী বৰদলৈবাপ আৰু বিশিষ্ট প্ৰচাৰক উমেশ হাজৰিকাই । সাহিত্য শাখা অধিৱেশনৰ সভাপতি আছিল অসম সাহিত্য সভাৰ তেতিয়াৰ সম্পাদক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক শ্ৰীনগেন শইকীয়া । উদ্বোধন কৰিছিল লেখক, অধ্যাপক, শ্ৰীমধু ওজাদেৱে আৰু নিৰ্দিষ্ট বক্তাৰ ভাষণ দি কথাশিল্পী, সু-সাহিত্যিক অধ্যাপক চৈয়দ আব্দুল মালিকে সমবেত হাজাৰ হাজাৰ জনতাক মুগ্ধ কৰিছিল। সংস্কৃতি শাখা উদ্বোধন কৰিছিল নগাঁৱৰ শ্ৰৱণী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীগিৰিকান্ত মহন্তবাপে । সভাপতি আছিল অধ্যক্ষ শ্ৰীপৰাগধৰ চলিহা ডাঙৰীয়া আৰু নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়াইছিল জীতেন বৰাদেৱে । এই অধিৱেশন উপলক্ষে এখনি বছা বছা প্ৰবন্ধৰে স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হৈছিল । এই স্মৃতিগ্ৰন্থ উন্মোচন কৰিছিল শ্ৰীসোণাৰাম চুতীয়াবাপে । উল্লেখ্য যে আদৰণী সমিতিৰ নিমন্ত্ৰণ ৰক্ষা কৰি গৃহমন্ত্ৰী হিতেশ্বৰ শইকীয়া, যোগান মন্ত্ৰী গজেন তাঁতী, লীলাকান্ত দাস, স্বৰ্ণ মহন্ত আদি মন্ত্ৰীসকলে যোগদান কৰি অধিৱেশনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল। এই অধিৱেশনৰ সাফল্য অৰ্জনত গোলাঘাটৰ আটাইকেইজন বিধান সভাৰ সদস্যৰ সহায়-সহযোগিতা স্মৰণীয় হৈ ৰ'ব ।

অধিৱেশনত সমবেত হ'বলগা সাধু-সন্তসকলৰ আদৰ-অভ্যৰ্থনাৰ অৰ্থে এখন শক্তিশালী আদৰণি সমিতি গঠন কৰা হৈছিল । আদৰণি সমিতিৰ সভাপতি আছিল ছত্ৰগোপাল কৰ্মকাৰ । উপ-সভাপতি ৰত্নেশ্বৰ দত্ত, লক্ষেশ্বৰ দাস, জীতেন বৰুৱা, কাৰ্যকৰী সভাপতি বিপিন দত্ত, সম্পাদক গোবিন্দ চন্দ্ৰ শইকীয়া, মূলৰ সদস্য, শৰণাচাৰ্য, জিলা সভাপতি, জিলা সম্পাদক, আঞ্চলিক সভাপতি, আঞ্চলিক সম্পাদকসকলক লৈ আৰু বিভিন্ন অঞ্চল আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰপৰা বিশিষ্ট লোকসকলক নিৰ্বাচন কৰি সৰ্বমুঠ ৫৯ জন সদস্যৰে কাৰ্যকৰী সমিতি গঠন কৰা হৈছিল । ইয়াৰ বাহিৰেও খাদ্য, পানী যোগান, পোহৰ, শিবিৰ পৰিচালনা, মণ্ডপ, তোৰণ নিৰ্মাণ, বিভাগ আদি গঠন কৰি একোখনি উপ-সমিতিৰ সকলো কাম সুচাৰুৰূপে সম্পাদন হ'বৰ বাবে দায়িত্ব অৰ্পণ কৰা হৈছিল । তদুপৰি 'স্মৃতিগ্ৰন্থ' প্ৰকাশন সমিতি এখনো গঠন কৰি স্মৃতিগ্ৰন্থ প্ৰকাশৰ দিহা কৰা হৈছিল । সংঘৰ মুখপত্ৰ নামধৰ্মৰ সম্পাদক গোবিন্দ চন্দ্ৰ শইকীয়াই আদৰণি সমিতিৰ সম্পাদকৰ গুৰু দায়িত্ব পালন কৰিও নামধৰ্মৰ বিশেষ সংখ্যা এটি সম্পাদনা কৰি প্ৰকাশ কৰাত অধিৱেশনত সৌষ্ঠৱ বৃদ্ধিত

অৰিহণা যোগাইছিল । এই অধিৱেশনৰ প্ৰতিনিধি আৰু দৰ্শক প্ৰতিনিধিৰ সংখ্যা তিনি হেজাৰৰো অধিক হৈছিল । মুকলি অধিৱেশনত লক্ষ্যাধিক লোকৰ সমাবেশ হৈছিল । এই দিনকেইটা বৰুৱাবামুণ গাঁও তথা গোলাঘাট জিলাৰ লাখ লাখ ভকত-বৈষ্ণৱৰ সমাগমত বৈকুণ্ঠপুৰীলৈ পৰিণত হৈছিল ।

**৬৪ তম্ অধিৱেশন ঃ**

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৬৪ তম্ বাৰ্ষিক অধিৱেশনভাগ গোলাঘাট জিলা শাখাৰ সহযোগত ১৯৯৫ চনৰ মাৰ্চ মাহত গোলাঘাট জিলাৰ ফৰকাটিঙৰ শিঙিজান পথাৰত 'শ্বহীদ কুশল কোঁৱৰ ক্ষেত্ৰত অনুষ্ঠিত হয় । আদৰণি সমিতিৰ সভাপতি, সম্পাদক আছিল ক্ৰমে, সৰ্বশ্ৰী প্ৰফুল্ল চন্দ্ৰ শইকীয়া আৰু ডিম্বেশ্বৰ নাথবাপ । শ্ৰীতনুৰাম শইকীয়া কাৰ্যকৰী সভাপতি আছিল । স্মৃতিগ্ৰন্থৰ সভাপতি আৰু সম্পাদক ক্ৰমে সৰ্বশ্ৰী নন্দ বৰা আৰু চন্দ্ৰ হাজৰিকা । সংস্কৃতি শাখাৰ সভাপতি, সম্পাদক ক্ৰমে সৰ্বশ্ৰী ৰোষ দত্ত আৰু গোলাপ শইকীয়াবাপ। আদৰণি সমিতিয়ে 'শিঙিজানৰ ৰেঙণি' নামকৰণেৰে এভাগ স্মৃতিগ্ৰন্থ প্ৰকাশ কৰে ।

**বিতৰ্কমূলক সভা আৰু ধৰ্মালোচনী সভা ঃ**

কাকডোঙা মৌজাৰ ডুবিয়াল গাঁৱৰ নামঘৰত ১৯৭২ চনৰ ইংৰাজীৰ ২৬ মে' তাৰিখে শ্ৰীশ্ৰীবেঙেনাআটীয় সত্ৰাধিকাৰ আৰু বৰএলেঙী সত্ৰাধিকাৰক লৈ এখনি বিতৰ্কমূলক ধৰ্মালোচনী সভাত জিলা সংঘ অৱতীৰ্ণ হ'বলগা হৈছিল। জিলা সংঘই এই বিতৰ্কত অংশ গ্ৰহণ কৰিবলৈ মূল সংঘৰ বিশিষ্ট প্ৰচাৰক আৰু পণ্ডিত সোণাৰাম চুতীয়া আৰু অচ্যুত কৃষ্ণ মিশ্ৰবাপক আমন্ত্ৰণ জনাই অনা হৈছিল । জিলা সংঘৰ তৰফৰপৰা কুশেশ্বৰ কলিতাবাপক অংশ গ্ৰহণ কৰিবলৈ দিয়া হৈছিল । বিতৰ্কৰ বিষয়বস্তু আছিল 'মহাপুৰুষীয়া ধৰ্মত কৰ্মকাণ্ডৰ স্থান ।' আহ্বায়কসকলৰ অনুৰোধ ক্ৰমে বৰ এলেঙীৰ সত্ৰাধিকাৰ আৰু হেডেশ্বেশ্বৰ বৰমেধিয়ে নিৰ্দিষ্ট বক্তাৰ ভাষণ দিছিল । বিপৰীত পক্ষই চুতীয়াবাপ আৰু মিশ্ৰবাপৰ কীৰ্তন, দশম, ঘোষা-ৰত্নাৱলী, ভাগৱত আদি শাস্ত্ৰৰপৰা দিয়া যুক্তি খণ্ডন কৰিব নোৱাৰি সভাস্থলী এৰাৰ চিন্তা কৰিছিল, কিন্তু সমবেত ৰাইজে বিষয়টোৰ এক সিদ্ধান্তত উপনীত হ'বই লাগিব বুলি দাবী জনায়, কিন্তু সংঘৰ বক্তাকেইগৰাকীৰ শাস্ত্ৰীয় যুক্তি কোনো প্ৰকাৰে খণ্ডন কৰিবলৈ তেৰাসকল সমৰ্থ হ'ব নোৱাৰিলে । সভাত সভাপতিত্ব কৰিছিল শ্ৰীশ্ৰীবেঙেনাআটীয় সত্ৰাধিকাৰ প্ৰভুজনাই ।

যোৱা ১৯৭৩ চনৰ ইংৰাজী ২৫ এপ্ৰিল, ১২ বহাগ তাৰিখে মিছামৰা মৌজাৰ নাগলগোৱা নামঘৰত মিছামৰাৰ ৰাইজে আয়োজন কৰা বিতৰ্কমূলক

ধৰ্মালোচনী সভাতো শ্ৰীমন্ত শংকৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ তৰফৰপৰা যোগদান দিবলগা হৈছিল । আহ্বায়কসকলৰ সভা আহ্বান কৰা নিমন্ত্ৰণী পত্ৰত উল্লেখ থকা গাঁওসমূহৰ সমস্যাৱলীৰ লগত খাপ খোৱাকৈ ‘মহাপুৰুষীয়া ধৰ্মত কৰ্মকাণ্ড’ বিষয়টো সমবেত ৰাইজে বান্ধি দিব লগা হয় । প্ৰকৃতপক্ষে এই সভাখনি একপাক্ষিক আলোচনাৰ অৰ্থেহে আহ্বান জনোৱা হৈছিল, কিন্তু একপাক্ষিক আলোচনা বা সিদ্ধান্ত হোৱা উচিত নহয় কাৰণে ৰাইজে শ্ৰীমন্ত শংকৰদেৱ সংঘক অংশ গ্ৰহণ কৰিবলৈ অনুৰোধ জনায় । ৰাইজৰ অনুৰোধক্ৰমে সংঘৰ তৰফৰপৰা গোলাঘাট জিলা শাখাৰ ভূতপূৰ্ব সম্পাদক যোগেশ্বৰ বৰা, ‘নামধৰ্ম’ৰ সম্পাদক গোবিন্দ চন্দ্ৰ শইকীয়াক নিৰ্বাচন কৰি দিয়া হয় ।

আহ্বায়কসকলৰ নিমন্ত্ৰণক্ৰমে বিতৰ্কত নিৰ্দিষ্টভাৱে অংশ গ্ৰহণ কৰিছিল অধ্যক্ষ চন্দ্ৰ কলিতা, অধ্যাপক লক্ষ্মীকান্ত মহন্ত, হেডেশ্বেশ্বৰ বৰমেধি, গিৰিধৰ শৰ্মা আৰু শ্ৰীশ্ৰীবৰএলেঙী সত্ৰাধিকাৰদেৱে । সভাত সভাপতিত্ব কৰিছিল অসম সাহিত্য সভাৰ ভূতপূৰ্ব সাহিত্যিক শ্ৰীমিত্ৰদেৱ মহন্ত, লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰদেৱে । সভাত বক্তা কলিতাদেৱে বিষয়বস্তু চেৰাই ৰামকৃষ্ণ পৰমহংস আৰু স্বামী বিবেকানন্দৰ জীৱনাদৰ্শৰ ওপৰতহে বেছি গুৰুত্ব দি ভাষণ দিছিল । দ্বিতীয়গৰাকী বক্তা অধ্যাপক লক্ষ্মীকান্ত মহন্তই তেখেতৰ চমু ভাষণত খাটাংভাৱে জনাই যে গুৰুজনৰ ৰচিত শাস্ত্ৰসমূহত কৰ্মকাণ্ডৰ ক’তো স্থান নাই । বাকী দুজন বক্তাই সৰল যুক্তি দৰ্শাই কৰ্মকাণ্ড গুৰুজনাৰ সমৰ্থিত বুলি প্ৰমাণ কৰিব নোৱাৰিলে । পিছত সংঘৰ প্ৰতিনিধি বক্তাদুজনাই গুৰু লেখনিৰ উপৰি বিষ্ণু পুৰাণ, মনুসংহিতা, যোগিনীতন্ত্ৰ, কালিকা পুৰাণ আদি পুৰাণ তন্ত্ৰাদিৰ শ্লোক উদ্ধৃতিৰে মহাপুৰুষীয়া ধৰ্মত যে কৰ্মকাণ্ডৰ সমূলি স্থান নাই আৰু দুজনা মহাপুৰুষে অসমৰ কৰ্মকাণ্ড ৰহিত বৈষ্ণৱ ধৰ্মহে প্ৰচাৰ কৰি এখন সুস্থ-সৱল মহাপুৰুষীয়া শ্ৰেণীহীন সমাজ গঠন কৰি গৈছিল । উপযুক্ত প্ৰমাণ দাঙি ধৰি বিপক্ষবাদীৰ সৰ্ব উক্তি খণ্ডন কৰিছিল ।

সভাপতি শ্ৰীমহন্তদেৱে তেখেতৰ ভাষণ আৰু মন্তব্যত কৰ্মকাণ্ডৰ সমৰ্থনত কোনো শাস্ত্ৰীয় প্ৰমাণ দিব নোৱাৰি মাত্ৰ সুস্থিৰে আলোচনা কৰিলে -- মহাপুৰুষীয়া সমাজৰ এইবিলাক বহুদিনীয়া সমস্যা সমাধান কৰিবপৰা হ’ব বুলি মত পোষণ কৰি সভা বিসৰ্জন দিয়ে ।

যোৰহাট, বৰহোলা, গমাৰিগুৰি, মজগুৰি নামঘৰ, বাদুলিপাৰ, ভোলাগুৰিত আৰু তিনিখন বিতৰ্কমূলক ধৰ্মালোচনী সভাত সংঘৰ প্ৰতিনিধি বৈষ্ণৱ পণ্ডিত সৰ্বশ্ৰী সোণাৰাম চুতীয়া, গোবিন্দ শইকীয়া, কুশেশ্বৰ কলিতা, ঘন তামুলী, গোলোক শৰ্মা, যোগেশ্বৰ বৰা, হেম শইকীয়া, ৰোষ দত্ত, চন্দ্ৰ

বৰদলৈ, যোগেন দত্ত আদিয়ে অংশ গ্ৰহণ কৰি গুৰুজনাৰ প্ৰচাৰিত শুদ্ধ মহাপুৰুষীয়া ধৰ্মৰ ধাৰা প্ৰচাৰ কৰে । ইয়াৰ বাহিৰেও ঘিলাধাৰী চাউদাং পথাৰ, ঘৰকটীয়া, পদুমণি, দুলীয়াগাঁও, বৰপথাৰ, প্ৰেমহৰা, গবৈমাৰ্ড, গণকপুখুৰী, মৰঙী, কাঠকটিয়া, মৰঙী পঙ্কা আদি ঠাইত ধৰ্মালোচনী সভা পাতি প্ৰচাৰ কাৰ্য চলোৱা হয় ।

গোলাঘাটত ৪৮৬ তম্ বছৰৰপৰাই মহাপুৰুষৰ জন্মোৎসৱৰ জৰিয়তে প্ৰচাৰ কাৰ্য চলাই অহা হৈছে । জনজাতি আৰু চাহ মজদুৰ ভাইসকলৰ মাজতো গুৰু জয়ন্তী উৎসৱ পালনৰ ব্যৱস্থা কৰি গুৰুজনাৰ ধৰ্ম প্ৰচাৰ কৰা হৈছে । হাতীখুলি, ঘিলাধাৰী, বৰকাঠনী, বৰফলং, ৰাঙ্গলিটিং, শাওতলি, নতুন মাটি, বেতিয়নী আদি চাহ বাগিচাসমূহত প্ৰচাৰ চলোৱাত বাগিচাৰ বনুৱাসকলৰ মাজত গুৰুজনাৰ প্ৰতি আকৃষ্ট হোৱা পৰিলক্ষিত হোৱা দেখা গৈছে । এক-দুই চাহ বাগিচাৰ মজদুৰ ভায়ে মহাপুৰুষৰ ভাওনা, গীত আদি পৰিৱেশন কৰি ধন্যবাদৰ পাত্ৰ হৈছে ।

এই ধৰণে প্ৰচাৰ কাৰ্য চলোৱাৰ ফলস্বৰূপে বঙ্কোৱাল মিৰি গাঁও, গমাৰিগুৰি, ওপৰটেমেৰা, মিৰিগাঁও, নৈ গাঁও, পঙ্কা আদি ঠাইবিলাকতো সংঘৰ প্ৰাথমিক শাখা গঠন কৰিবপৰা হৈছে । এই পিছপৰা গাঁওবিলাকত গঠন হোৱা প্ৰাথমিকসমূহৰ সঙ্গীসকলে পুৰুষ-মহিলা নিৰ্বিশেষে মহাপুৰুষীয়া আদৰ্শেৰে শৰণ গ্ৰহণ কৰিছে । উল্লেখযোগ্য যে, তেওঁবিলাকে তেওঁলোকৰ সমাজত চলা পুৰণি প্ৰথাবিলাক ত্যাগ কৰি কীৰ্তন, ঘোষা, দশম, ৰত্নাৱলী, অধ্যয়ন কৰি আদৰ্শনীয় সমাজ এখন গঢ় দিছে । ❑

## তৃতীয় অধ্যায়
# গুৰু জয়ন্তী পালনত গোলাঘাট ঃ প্ৰচাৰ সংগঠন

১৯৩৩-৩৪ চনত শ্ৰীশ্ৰী ৰমাকান্ত মুক্তিয়াৰ আতা গোলাঘাটৰ বিভিন্ন অঞ্চলত প্ৰচাৰ কাৰ্যত ফুৰোঁতে গুৰুজনাৰ মৃতাহ্ তিথিৰ পৰিবৰ্তে আবিৰ্ভাৱ তিথিৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰচাৰ কাৰ্য্য চলাইছিল। আতাদেৱৰ যুক্তি আৰু পৰামৰ্শৰ ওপৰত ভিত্তি কৰি গুৰুজনাৰ জন্মোৎসৱ পালন কৰিবলৈ ঢেকিয়ালৰ মলখুকুৰি নামঘৰত অনুষ্ঠিত ৰাজহুৱা সভাত এখন অভ্যৰ্থনা সমিতি গঠন কৰা হয় । সমিতিৰ সভাপতি আছিল স্বৰ্গীয় কনেকেশ্বৰ বৰগোহাঁই আৰু সম্পাদক আছিল স্বৰ্গীয় খগেশ্বৰ তামুলীদেৱ। সমিতিয়ে ৰাইজৰ সহযোগত গুৰুজনাৰ ৪৮৬ তম্ জন্মোৎসৱ মলখুকৰি নামঘৰতে দুদিনীয়া কাৰ্য্যসূচীৰে পালন কৰে। মুকলি সভাত সভাপতিত্ব কৰিছিল স্বৰ্গীয় হলধৰ ভূঞাদেৱে আৰু নিৰ্দিষ্ট বক্তাৰ ভাষণ দিছিল শ্ৰীশ্ৰীৰমাকান্ত মুক্তিয়াৰ আতাদেৱে আৰু এই ভাগীয়েই গোলাঘাটত গুৰুজনাৰ প্ৰথম জন্মোৎসৱ আছিল । ইয়াৰ পিছত একাদিক্ৰমে মিছামৰা মলাই কুমাৰ নামঘৰত, কাকডোঙা চমুৱা নামঘৰত, মিছামৰাৰ পেটভৰা নামঘৰত, মিছামৰা খনিকৰ নামঘৰত জন্মোৎসৱ পালন কৰি গুৰু ধৰ্মৰ বহল প্ৰচাৰত অগ্ৰসৰ হৈছিল, জন্মোৎসৱবিলাক সুচাৰুৰূপে পালন কৰিবৰ উদ্দেশ্যে ঢেকীয়াল, গণকপুখুৰী, মলিয়া গাঁও, কাকডোঙা, ৰাংঢালী, এলেংমূৰীয়া, হালোৱা, হাবিয়াল, কাঠকটীয়া, চাৰিঙীয়া, বুঢ়াগাঁও, খনিকৰ, তেলিয়া সোণাৰী, বাহৰুৱা, মলাই কুমাৰ আদি গাৱঁৰ একান্ত সেৱকসকলক লৈ কেবাখনো সমিতি গঠন কৰা হয়। এই সমিতিসমূহৰ মাজৰ পৰাই পৰিচালনা সমিতিও গঠন কৰা হৈছিল । উল্লেখিত স্থানসমূহৰ উপৰি যোগীগাঁও, দেৰগাঁও কমাৰ গাৱঁৰ নামঘৰত, বৰুৱা বামুণ গাৱঁৰ ভেটুৱা নামঘৰত, কহাঁৰ চুকৰ নামঘৰত, ঢেকীয়াল নামঘৰতো জন্মোৎসৱ পালন কৰা হৈছিল । ৪৮৬ তম্ জন্মোৎসৱৰপৰা বৰ্তমানলৈকে জন্মোৎসৱসমূহ গোলাঘাট জিলাৰ সকলো অঞ্চলতে ধাৰাবাহিকৰূপে পালন কৰা হৈ আহিছে

**সংঘ অনুষ্ঠানলৈ দান-বৰঙণি আৰু কাৰ্য্যালয় স্থাপন ঃ**

শ্ৰীশ্ৰীৰমাকান্ত মুক্তিয়াৰ প্ৰমুখ্যে সংঘৰ অগ্ৰণীসকলে গোলাঘাটৰ নানা ঠাইত সভা-সমিতি পাতি প্ৰচাৰ কাৰ্য দ্ৰুত গতিত চলোৱাত সংঘৰ কলেৱৰ দিনক দিনে বৃদ্ধি পাব ধৰিলে। এইদৰে প্ৰচাৰ কাৰ্য চলাই যাবলৈ এটি কাৰ্য্যালয়ৰ অভাৱ অনুভৱ কৰি ঢেকীয়াল তিনি আলিত বৰ্তমানৰ পণ্ডিত স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী পথৰ সমীপত স্বৰ্গীয় কেৰকনদেৱৰ মাটিত এটি কাৰ্যালয় প্ৰতিষ্ঠা কৰা হয় (১৯৩৮) । কাৰ্যালয়ৰ বাবে উক্ত ছয় কথা মাটি দান স্বত্বে পোৱা হয় । এই কাৰ্যালয়ৰ দ্বাৰ উন্মোচন কৰিছিল পৰম পূজ্যপদ শ্ৰীশ্ৰীপীতাম্বৰ গোস্বামী প্ৰভুৱে । উল্লেখযোগ্য যে কাৰ্যালয়ৰ দ্বাৰ উন্মোচনী উৎসৱৰ লগতে এখনি ধৰ্মালোচনী সভাবো আয়োজন কৰা হৈছিল । কাৰ্যালয়ৰ চৌহদত নামঘৰ মণিকুটৰ লগতে এখনি সংস্কৃত বিদ্যালয়ো প্ৰতিষ্ঠা কৰা হৈছিল । এই সংস্কৃত বিদ্যালয়ত সংস্কৃত শিক্ষা আৰু বেদ উপনিষদৰ শিক্ষা দিবৰ কাৰণে পণ্ডিত স্বৰ্গীয় গোপীকাবল্লভ গোস্বামীয়ে দায়িত্ব গ্ৰহণ কৰে । স্মৰণযোগ্য যে ১৯৩৩ চনত ফৰকাটিগুৰ দ গাৱঁত শ্ৰীভুবন ভূঞাৰ পৰিচালনাত এখন সংস্কৃত বিদ্যালয় প্ৰতিষ্ঠা কৰি কিছুদিন শিক্ষা দান দিয়া হৈছিল । এই সংস্কৃত বিদ্যালয়খনি স্বৰ্গীয় পূৰ্ণ দত্তদেৱৰ মাটিত 'শংকৰদেৱ আশ্ৰম' নামেৰে প্ৰতিষ্ঠা কৰা হৈছিল । কিন্তু কেইবছৰমান এইদৰে চলাৰ পাছত বেতিয়নি বৰফলং আলিৰ কাষত কাঠকটীয়া যোগী গাৱঁত কাঠকটীয়া গাৱঁৰ স্বৰ্গীয় বিভু কোঁচে চাৰি কঠা মাটি সংঘৰ নামত আগবঢ়ায়; লগতে স্বৰ্গীয় বম নাথ নাথে একঠা দহ লোচা মাটি আৰু স্বৰ্গীয় কলদাৰ নাথে ২২ চটা দহ ফুটীয়া টিনপাত দান কৰে । এই এবিঘা এঘাৰ লোচা মাটিত নামঘৰ মণিকূট নিৰ্মাণ কৰি ঢেকীয়াল তিনি আলিৰপৰা কাৰ্যালয় স্থানান্তৰ কৰা হয় । এইখিনি মাটি আজিকোপতি গোলাঘাট জিলা সংঘৰ নামত আছে আৰু টিনপাতখিনি কাঠকটীয়া যোগী গাঁও নিম্ন বুনিয়াদী বিদ্যালয়ত ব্যৱহাৰ কৰি ৰাখিছে ।

স্বৰ্গীয় কেৰকণ দত্ত আৰু স্বৰ্গীয় বিভু কোঁচৰ দানৰ মাটিত স্থায়ী কাৰ্যালয় নিৰ্মাণ সম্পৰ্কত সংগীসকলৰ মাজত দলাদলি হয় আৰু ইয়াৰ পৰাই মনোমালিন্য ঘটি সংঘৰ ঐক্য ব্যাহত হৈ ভাঙনৰ সৃষ্টি হয় আৰু ফলস্বৰূপে তিনি আলিৰ কাৰ্যালয় পৰিত্যক্ত হৈ কেইবছৰমানৰ ভিতৰতে জহি-খহি নাইকিয়া হয় ।

ইয়াৰ কেইবছৰমান পিছত সঙ্গীসকল অনুতপ্ত হৈ পুনৰ সংঘ প্ৰতিষ্ঠাৰ

মানসে মিছামৰা মৌজাৰ তেলীয়া সোণাৰী গাৱঁত স্বৰ্গীয় ৰোষাই ৰাজখোৱাৰ সভাপতিত্বত এখন সভাত মিলিত হৈ মহবন্ধা আলিৰ কাষতে সংঘৰ কাৰ্যালয় নিৰ্মাণৰ প্ৰস্তাৱ গৃহীত হয় । তদনুযায়ী মহবন্ধা আলিৰ কাষত (বৰ্তমান মিছামৰা মিলন নাট্য মন্দিৰ থকা ঠাইত) নামঘৰ মণিকূট নিৰ্মাণ কৰি উলিয়াই আৰু জিলা সংঘ পুনৰ প্ৰতিষ্ঠা কৰে । ইয়াৰ কিছুদিন পাছত সংঘ বিৰোধী লোকসকলৰ কূট-কৌশলত সংগীসকলৰ পুনৰ মনোমালিন্য ঘটে আৰু ফলত এইবাৰো কাৰ্যালয় পৰিত্যক্ত হৈ ভাগি-ছিগি যায় ।

ইয়াৰ কিছুদিনৰ পাছত মিছামৰা খনিকৰ গাৱঁত হিত সাধনী যুৱক সংঘৰ প্ৰাংগণত স্বৰ্গীয় ভাবুৰাম দত্তৰ সভাপতিত্বত বহা এখন সভাত স্বৰ্গীয় ভাবুৰাম দত্তদেৱে জিলা সংঘৰ কাৰ্যালয় নিৰ্মাণৰ কাৰণে তিনি কঠা মাটি দান আগবঢ়ায় আৰু সেই মাটিতে সঙ্গীসকলে নামঘৰ মণিকূট নিৰ্মাণ কৰি জিলা সংঘ পুনৰ প্ৰতিষ্ঠা কৰি নতুন নিৰ্বাচনত স্বৰ্গীয় ভাবুৰাম দত্তক সভাপতি, স্বৰ্গীয় অকণ চন্দ্ৰ ৰাজখোৱাক উপ সভাপতি, শ্ৰীজীউৰাম হাজৰিকাক প্ৰধান সম্পাদক আৰু গুণাভি ৰাজখোৱাক সহকাৰী সম্পাদকৰ দায়িত্ব অৰ্পণ কৰে । জিলা কাৰ্যালয় হিচাপে পৰিগণিত নহ'লেও উক্ত অনুষ্ঠানটি প্ৰাথমিক শাখাৰ নামত সেই স্থানতে অদ্য পৰিৰ্মিত আছে ।

উক্ত নৱ গঠিত সমিতিৰ সৌজন্যত নৱনিমিত কাৰ্যালয়তে ৪৯০ শংকৰাব্দৰ জন্মোৎসৱ ভাগী লেটুগ্ৰাম সত্ৰাধিকাৰ শ্ৰীচেনীকান্ত মহন্তৰ সভাপতিত্বত পালন কৰা হয় । পিছৰ বছৰৰ ৪৯১ শংকৰাব্দৰ জন্মোৎসৱ ভাগীও অনুষ্টুপীয়া ধৰণে খনিকৰৰ কাৰ্যালয়তে স্বৰ্গীয় ভাবুৰাম দত্তৰ সভাপতিত্বত পালন কৰা হৈছিল আৰু খগেশ্বৰ তামুলীদেৱে নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়াইছিল ।

**সংঘৰ অগ্ৰগতিৰ নমুনা ঃ** ১৯৩৩-৩৪ চনৰ পূৰ্বমুহূৰ্তলৈ সংঘ অনুষ্ঠানটিয়ে গ্ৰহণ কৰা কাৰ্য আঁচনি ৰূপায়িত কৰিবলৈ কিছুদূৰ সমৰ্থ হৈছিল । এই সময়ছোৱাত প্ৰচাৰ ধৰ্মী কেইবাখনিও পুস্তিকা প্ৰকাশ কৰা হৈছিল । তাৰ ভিতৰত স্বৰ্গীয় খগেশ্বৰ তামূলীদেৱে 'যুক্তি ৰত্ন' 'শ্ৰাদ্ধ নিৰ্ণয়' আদিয়ে প্ৰধান । 'যুক্তি ৰত্ন'ৰ প্ৰথম প্ৰকাশ হয় ১৯৪০ চনৰ ভিতৰত। 'যুক্তি ৰত্ন'ৰ প্ৰতিপাদ্য বিষয় আছিল 'অকল হৰিনামেৰে অন্ত্যেষ্টি ক্ৰিয়া সমাপণ'। এই মত সমৰ্থন কৰি ধলৰ সত্ৰৰ সত্ৰাধিকাৰ প্ৰভু স্বৰ্গীয় তীৰ্থনাথ গোস্বামী, কাঠবাপু সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীনিৰঞ্জন দেৱগোস্বামী আৰু কাঠৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীকমল চন্দ্ৰ মহন্ত আদি মহন্ত গোস্বামীসকলে পুস্তিকাখনিত একোটিকৈ মন্তব্য লিখি প্ৰকাশ কৰিছে ।

**স্বৰ্গীয় গোপীকাবল্লভ গোস্বামী আৰু স্বৰ্গীয় পীতাম্বৰদেৱ গোস্বামীৰ অৱদান ঃ**

৪৮৯ শংকৰাব্দৰ ১০ পুহত পণ্ডিত স্বৰ্গীয় গোপীকাবল্লভ গোস্বামীয়ে 'অকল হৰিনামেৰে অন্ত্যেষ্টি ক্ৰিয়া' সমৰ্থন কৰি 'শ্ৰাদ্ধ নিৰ্ণয়' মাজছোৱা লিখি প্ৰকাশ কৰে। পুথিখনিৰ পাতনিত প্ৰশ্ন কৰিছে '. . . এইবিলাক শাস্ত্ৰৰ বচন নহয় এনে প্ৰমাণকে বা শাস্ত্ৰৰ পৰা দিব পাৰিব ? গয়া শ্ৰাদ্ধ কৰিলেতো প্ৰেতমুক্তি নোহোৱা প্ৰমাণ মই দিছোঁ। গয়া শ্ৰাদ্ধই মুক্তি কৰিব নোৱৰা প্ৰেতৰো এসপ্তাহত ভাগৱত পাঠ কৰিলেহে উদ্ধাৰ হ'ল। এই প্ৰমাণ মই যেনেকৈ পদ্মপুৰাণৰ উত্তৰখণ্ডৰ পৰা দিলোঁ, ইয়াৰ বিপৰীতে অৰ্থাৎ ভাগৱত এইদৰে পাঠ কৰিলেতো প্ৰেতৰ মুক্তি নহ'ল, শ্ৰাদ্ধৰ পৰাহে উদ্ধাৰ হ'ল, এনে প্ৰমাণ কোনো শাস্ত্ৰৰ পৰা কোনো লোকে দিব পাৰিলেনে ? . . . অৱশেষত মই ইয়াকে ক'ব খোজো যে শাস্ত্ৰৰ এই বিধান মতে বৈষ্ণৱ অবৈষ্ণৱ বামুণ-শূদিৰ সকলোৰেই চলিব পাৰে। এই বিধান মানিলে শ্ৰাদ্ধৰ কোনো প্ৰয়োজন নাই। এইমতে ভাগৱত পাঠ কৰালে গয়া শ্ৰাদ্ধৰো অধিক ফল হ'ব আৰু মৃতকৰো মুখৰ ছাঁইফেৰা গুচিব আৰু সদ্‌গতি হ'ব আৰু লাম লাকটি (পৃঃ ৪১) কেড়ালৰো ৰক্ষা পৰিব।' . . . ৪৯০-৯১ শংকৰাব্দত গুৱালকুচিত অনুষ্ঠিত ধৰ্মালোচনী সভাৰ পঞ্চদশ বাৰ্ষিক অধিবেশনত সভাপতিৰ ভাষণৰ পৃষ্ঠাত শ্ৰীশ্ৰীগড়মূৰীয় গোস্বামীয়ে লিখিছে - 'কিন্তু আসামত একে মহাপুৰুষীয়া ধৰ্মাৱলম্বীৰ ভিতৰত কত যে ভেদ আৰু কত যে অমিল অপ্ৰীতি তাৰ সীমা নাই। ইয়াতকৈ দুখৰ কথা কি হ'ব পাৰে ? জগতত যেনে খৃষ্টান মুছলমান ধৰ্মীৰ মাজত কাজিয়া নাই এক মাত্ৰ আমাৰ দামোদৰীয়া আৰু মহাপুৰুষীয়াৰ ভিতৰতহে দহদিনীয়া আৰু ত্ৰিশ দিনীয়া কথাৰে কাজিয়া কৰা কথা শুনিছোঁ। বাৰু এইমতে লোকসকলক সোধাচোন যে ব্ৰাহ্মণৰ ঘৰত চাকৰ হৈ থাকিলে শূদ্ৰৰ দহ দিনতে অশৌচ দূৰ হ'ব বুলি স্মৃতিত লেখা আছেনে ? আশাকৰো আমাৰ নিকপক্ষীয়া ৰক্ষণশীল দলে এইটো হয় বুলি কবুল কৰিব। পিছে ব্ৰাহ্মণৰ ঘৰত চাকৰ নকৰিলেই সেইটো অশৌচ এমাহলৈ কেনেকৈ থাকে, ইয়াৰ কিবা যুক্তি বিচাৰি চাইছেনে ? মই ভালকৈ জানো তাত কোনো যুক্তি নাই কেৱল যুক্তিশূন্য জেদ লৈহে এইবোৰ মিছা মতভেদৰ সৃষ্টি কৰিছে (২৯ পৃঃ) মহাপুৰুষ শংকৰ-মাধৱে ঠায়ে ঠায়ে ইংগিত দি গৈছে যে কলিৰ লোক নাৰায়ণ পৰায়ণ হ'ব। যদি সেই শুভ মুহূৰ্তত উপস্থিত হ'ব খুজিছে তেন্তে আপোনালোকৰ এদলে

তাৰ বিৰোধ কৰাৰ স্থল আছেনে, আনন্দ কৰিবৰ স্থল আছে এইবোৰ প্ৰজাই যদি আন প্ৰায়শ্চিত্ত পৰিত্যাগ কৰি হৰিনাম কীৰ্ত্তনৰ দ্বাৰা পাপৰ প্ৰায়শ্চিত্ত কৰিব পাৰে তাৰ বাবে তেওঁলোকক ঈশ্বৰৰ একান্ত ভকত বুলি তেওঁলোকৰ পদধূলি লোৱা একান্ত উচিত নহয়নে ? . . . সেইবাবে মই প্ৰাৰ্থনা কৰোঁ সকলো জাতি একমত হৈ মিলা-প্ৰীতিৰে নিজৰ সমাজ আৰু ধৰ্ম সংস্কাৰ কৰি নিজ জন্মভূমিৰ কল্যাণ বিধান কৰক ।

এই পুথিদুখনি প্ৰকাশ হোৱাৰ পিছৰপৰাই সৰ্বসাধাৰণ লোকসকলে কৰ্মকাণ্ডৰ নিস্ফলতা উপলব্ধি কৰিব পাৰিলে আৰু মহাপুৰুষীয়া সহজ সৰল ধৰ্মৰ প্ৰতি আকৃষ্ট হ'বলৈ ধৰিলে ।

**বিশেষ সভা-সমিতিৰ যোগে প্ৰচাৰ আৰু সংগঠন ঃ**

উল্লেখিত স্থানসমূহত বিভিন্ন সময়ত বিতৰ্কমূলক সভা সমিতি পাতি শংকৰদেৱ সংঘৰ বিস্তাৰ সাধন কৰিবলৈ চেষ্টা চলোৱাৰ উপৰি গোলাঘাটৰ চুকে-কোণে যাতে গুৰুজনাৰ ধৰ্ম সংস্কৃতি প্ৰচাৰ হয় তাৰ কাৰণে জিলা শাখাৰ বিশেষ বিশেষ সভা-সমিতি পাতি আহিছে । উল্লেখযোগ্য যে শ্ৰীমন্ত শংকৰদেৱ সংঘ জিলা শাখা ১৯৬০ চনলৈকে বিশেষ গা কৰি উঠিব পৰা নাছিল । বিশেষকৈ ১৯৬৬ চনৰপৰা ক্ৰমে জিলা সংঘই প্ৰাথমিক শাখা সমিতিসমূহ গঠন কৰি সবল হ'বলৈ আৰম্ভ কৰে । ১৯৭০-৭১ চনৰপৰা প্ৰাথমিক শাখাসমূহৰ সহযোগত আলোচনা চক্ৰ, ধৰ্মালোচনী সভাদি অনুষ্ঠিত কৰি দ্ৰুত গতিত সংগঠনৰ কাম আগবাঢ়ে । ৭১ চনৰপৰা অনুষ্ঠিত হোৱা কেইখনমান উল্লেখযোগ্য সভাৰ সংক্ষিপ্ত বিবৰণ দাঙি ধৰা হ'ল।

**শিঙৰাজান নামঘৰত ঃ** বৰুৱাবামুণ গাঁও সমীপস্থ শিঙৰাজান নামঘৰত যোৱা ১৩/১/৭১ তাৰিখে জিলা সভাপতি -সম্পাদক সন্মিলন এখনি অনুষ্ঠিত হয় । সভাত মূল সংঘৰ তেতিয়াৰ পদাধিকাৰ শ্ৰীঅচ্যুত কৃষ্ণ মিশ্ৰ, প্ৰধান সম্পাদক শ্ৰীগোলোক কাকতি, প্ৰাক্তন পদাধিকাৰ শ্ৰীসোণাৰাম চুতীয়া, প্ৰাক্তন প্ৰধান সম্পাদক আৰু উপ পদাধিকাৰ প্ৰয়াত কমলেশ্বৰ দলৈ, তেতিয়াৰ জিলা সম্পাদক আৰু বৰ্তমানৰ প্ৰধান সম্পাদক শ্ৰীগোবিন্দ শইকীয়া, ন-গাৱঁৰ শ্ৰীলীলা কাকতী, কাৰ্বি আংলঙৰ শ্ৰীবাপন কটকী, উত্তৰ লক্ষীমপুৰৰ শ্ৰীহেম ভূঞা, মধ্য কামৰূপৰ শ্ৰীমাধৱ ভাগৱতী, শিৱসাগৰৰ নবীন কোঁৱৰ আদি বিশিষ্ট সংগীসকলে সন্মিলনত যোগদান কৰিছিল ।

**নাওজানত ধৰ্মালোচনী সভা ঃ** যোৱা ৪/৪/৭২ আৰু ৫/৪/৭২ তাৰিখে নাওজানত এখনি বিৰাট ধৰ্মালোচনী সভা অনুষ্ঠিত কৰা হৈছিল। পদাধিকাৰ শ্ৰীসোণাৰাম চুতীয়াই অংশ গ্ৰহণ কৰিছিল । এই সভাৰ

উদ্যোক্তাসকল আছিল শ্ৰীসুৰেন্দ্ৰ হাজৰিকা, জীউৰাম হাজৰিকা, ঘন তামুলী, গোবিন্দ শইকীয়া আদি ।

**জিলা কৰ্মী সন্মিলন ঃ** মৰ্লাইকুমাৰ নিৰঞ্জন প্ৰাথমিক শাখাৰ সৌজন্যত উক্ত গাৱঁৰ নামঘৰ প্ৰাঙ্গণত ১২/৭/৭৩ তাৰিখে এখনি জিলা কৰ্মী সন্মিলন আহবান কৰা হয়। এই সন্মিলনত প্ৰাদেশিক পদাধিকাৰ, উপ পদাধিকাৰ, প্ৰাক্তন পদাধিকাৰ, উপ পদাধিকাৰ, প্ৰাক্তন পদাধিকাৰ আৰু প্ৰধান সম্পাদক সৰ্বশ্ৰী অচ্যুত কৃষ্ণ মিশ্ৰ, ঋযেশ্বৰ দলৈ, সোণাৰাম চুতীয়া, গোলোক কাকতি, জিলা সম্পাদক-সভাপতি আৰু প্ৰাথমিক শাখাসমূহৰ সভাপতি সম্পাদকসকলৰ উপৰি প্ৰাথমিক বহু বিশিষ্ট সংগীয়ে যোগদান কৰিছিল । এই কৰ্মী সন্মিলনৰ প্ৰাক্ মুহূৰ্তত জিলা শাখাৰ কাৰ্য্যনিৰ্বাহক সভাও অনুষ্ঠিত কৰা হৈছিল।

**সত্ৰাধিকাৰৰ উপস্থিতিত ধৰ্ম সভা ঃ** যোৱা ১৫/৫/৭৪ তাৰিখে কাকডোঙা মৌজাৰ বেজগাৱঁৰ নামঘৰত শ্ৰীশ্ৰীআঁহতগুৰি সত্ৰাধিকাৰৰ সভাপতিত্বত এখনি ধৰ্মালোচনী সভা অনুষ্ঠিত হয় । এই সভাত জিলা সংঘৰ তৰফৰপৰা শ্ৰীগোবিন্দ শইকীয়া, স্বৰ্গীয় কুশেশ্বৰ কলিতা, শ্ৰীঘন তামুলী আৰু স্বৰ্গীয় বিপিন দত্ত বাপে অংশ গ্ৰহণ কৰিছিল । সভাপতিদেৱে তেখেতৰ মন্তব্যত যি যুগত যি ধৰ্ম সেইমতেই সকলো ৰাইজ চলা উচিত বুলি ঘোষণা কৰে ।

**সংস্কৃতি গৱেষণা পৰিষদৰ আলোচনা চক্ৰ ঃ** গণকপুখুৰী আলহী চুক নামঘৰত সংস্কৃতি গৱেষণা পৰিষদৰ সভা দুদিনীয়া কাৰ্যসূচীৰে ৯/১০/৭৭ তাৰিখে অনুষ্ঠিত হয়। খোল, অংক, নৃত্য, বৰগীতৰ ৰাগ আদিয়েই সভাত আলোচনা হয়। আলোচনাত অংশ গ্ৰহণ কৰিছিল শংকৰী সঙ্গীত আৰু বাদ্যৰ ওজা শ্ৰীগোলাপ মহন্ত, বাদ্য বিশাৰদ শ্ৰীযোগেশ্বৰ বৰদলৈ, অনাতাঁৰ শিল্পী স্বৰ্গীয় গন্ধৰাম বায়ন, সুৰ সাধক স্বৰ্গীয় গোলোক ওজা, সুৰকাৰ সংগীত বিশাৰদ স্বৰ্গীয় ইন্দ্ৰেশ্বৰ বৰা, অধ্যাপক ভোলা হাজৰিকা, প্ৰধান সম্পাদক আৰু সংস্কৃতি গৱেষক শ্ৰীগোবিন্দ শইকীয়া, নৃত্য ওজা আৰু অনাতাঁৰ শিল্পী আধান বৰবৰা আদি লোকসকলে। ইয়াৰ উপৰি সৰ্বশ্ৰী স্বৰ্গীয় কুশেশ্বৰ কলিতা, ঘন তামুলী, ৰত্ন দত্ত, হেম শইকীয়া, মানিক গায়ন, স্বৰ্গীয় বিপিন দত্ত আদি সঙ্গীসকলেও আলোচনাত অংশ গ্ৰহণ কৰিছিল।

**ৰাজ্যিক ভিত্তিত কৃষ্টি প্ৰশিক্ষণ আৰু তত্বালোচনা সভা ঃ** ঢেকীয়াল মলখুকুৰি নামঘৰত ১০/৩/৭৩ তাৰিখে অনুষ্ঠিত হয় প্ৰাদেশিক

পৰ্যায়ৰ এখন প্ৰতিনিধিত্বমূলক সভা। সভাৰ বিশেষ বিষয়বস্তু আছিল ভজন আৰু ধুলামালা । আলোচনা চক্ৰত সভাপতিত্ব কৰিছিল তেতিয়াৰ উপ পদাধিকাৰ শ্ৰীইলাৰাম দাসে । সেই আলোচনা সভাতে নিম্নলিখিত প্ৰস্তাৱটি গ্ৰহণ কৰা হয় ।

'যিহেতু আমাৰ সংঘৰ উদ্দেশ্য আৰু সঙ্গীবৃন্দৰ মাজত ঐক্য সাধন সংঘৰ বাহিৰত থকা হেজাৰ হেজাৰ তথাকথিত উন্নত, অনুন্নত, বনুৱা জনজাতি, তপশীলভুক্ত লোকসকলক আমাৰ সংঘৰ অন্তৰ্ভুক্তিকৰণ, এই উদ্দেশ্য সাধনত বাধাৰূপে থিয় দিয়া কোনো কাৰ্য্য আমাৰ সংগীসকলে কৰিলে বা তেনে প্ৰসংগ আমালোকে তুলিলে সংঘৰ প্ৰচাৰ আৰু প্ৰসাৰণ ব্যাহত হ'ব। সেই কাৰণে বৰ্তমান নানা জঞ্জাল সৃষ্টি কৰা মালাধুলা ইত্যাদি বিষয়বিলাকৰ অৱতাৰণা নকৰি উপযুক্ত সময়লৈ অপেক্ষা কৰিবৰ কাৰণে মূল কাৰ্যনিৰ্বাহক আৰু প্ৰতিনিধি সভাই সিদ্ধান্ত গ্ৰহণ কৰে । আনুষ্ঠানিক ক্ষেত্ৰত তেনেবিলাক বিষয় নুতুলিবৰ কাৰণে আমাৰ সংগীবৃন্দলৈ মূল কাৰ্যনিৰ্বাহকে অনুৰোধ জনায় ।

সংঘৰ বিশিষ্ট কৰ্মী শ্ৰীইলাৰাম দাসে উক্ত প্ৰস্তাৱৰ তীব্ৰ বিৰোধিতা কৰিছিল ।

**প্ৰথম সম্বৰ্দ্ধনা সভা ঃ** অসমৰ বৃদ্ধতম ব্যক্তি আৰু সু-সন্তান বাগ্মীবৰ স্বৰ্গীয় নীলমণি ফুকন ককাই অসমীয়া জাতিৰ কাৰণে সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত বিশেষ বৰঙণি যোগাই যোৱা কথা প্ৰতিজন অসমীয়াই জানে । এইজনা মহান ব্যক্তিক শ্ৰীমন্ত শংকৰদেৱ সংঘৰ তৰফৰপৰা যোৱা ২৬/১/৭৪ তাৰিখে ঢেকীয়াল মলখুকুৰি নামঘৰ প্ৰাংগণত সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয় । ককা মহাপুৰুষৰ এগৰাকী একান্ত সেৱক আছিল ।

**দ্বিতীয় সম্বৰ্দ্ধনা সভা ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ প্ৰাক্তন সভাপতি স্বৰ্গীয় কুশেশ্বৰ কলিতাই দেৰগাঁও মৌজাৰ পাচনি বৰা গাৱঁত জন্মলাভ কৰি শিক্ষকতাকে জীৱন নিৰ্বাহৰ সম্বল হিচাপে গ্ৰহণ কৰি মহাপুৰুষীয়া ধৰ্মৰ আজন্ম সাধক হিচাপে পৰিচয় দিছে । তেখেতে 'বৈষ্ণৱ তত্ত্ব দৰ্শন' 'গীতাৰ অসমীয়া ভাঙনি' 'শ্ৰীমন্ত শংকৰদেৱ কোন ? 'ৰাসক্ৰীড়া তত্ত্ব' 'কীৰ্তনৰ তাৎপৰ্য' 'সাত্বত তন্ত্ৰ' আদি কেবাখনো যুগজয়ী গ্ৰন্থ প্ৰণয়ন কৰি খ্যাতি অৰ্জন কৰিবলৈ সমৰ্থ হৈছে । এইজনা গোলাঘাটৰ সুযোগ্য সন্তানকো শ্ৰীমন্ত শংকৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ তৰফৰপৰা যোৱা ২/৭/৭৭ তাৰিখে সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয় ।

**প্ৰশিক্ষণ শিবিৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰচাৰিত কলা

সংস্কৃতিৰ প্ৰকৃত ৰূপ উদ্ধাৰ কৰি জন সমাজত প্ৰচাৰ কৰাৰ উপৰি মহাপুৰুষীয়া সংস্কৃতিখিনি চালি-জাৰি চাই একীকৰণ কৰাৰ উদ্দেশ্য বুকুত বান্ধি শ্ৰীমন্ত শংকৰদেৱ সংঘই এক বিস্তৃত আঁচনি গ্ৰহণ কৰিছে। সেই আঁচনি অনুসৰি অসমৰ ইমূৰৰপৰা সিমূৰলৈকে একোটিকৈ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰি গুৰু প্ৰচাৰিত কৃষ্টি প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। গোলাঘাট জিলা শাখাৰ সৌজন্যত এনে প্ৰশিক্ষণ শিবিৰ এতিয়ালৈকে নটি অনুষ্ঠিত কৰা হৈছে। তলত উল্লেখ কৰা তাৰিখ আৰু স্থানসমূহত জিলা শাখাই প্ৰশিক্ষণ শিবিৰ আয়োজন কৰে। এই প্ৰশিক্ষণ শিবিৰত বিভিন্ন প্ৰাথমিক শাখাৰ বহু সংগীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰে।

১ম শিবিৰ ঃ ৩০/১১/৭৫ তাৰিখে পূব আঞ্চলিক শাখাৰ অন্তৰ্গত প্ৰাথমিক শাখাসমূহৰ প্ৰশিক্ষণ দিয়া হয়।

২য় শিবিৰ ঃ ৬/২/৭৬ তাৰিখে গোলাঘাট জিলা শাখাৰ মধ্য অঞ্চলস্থ প্ৰাথমিকসমূহ আৰু উত্তৰ আঞ্চলিক শাখাৰ প্ৰাথমিক শাখাৰ সঙ্গীসকলক লৈ মিছামৰা দুলীয়া গাঁও মাধৱদেৱ প্ৰাথমিক শাখাৰ নামঘৰত দ্বিতীয়খন প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়।

৩য় শিবিৰ ঃ ৩০/৫/৭৬ তাং ১৬ জেঠ, ৫২৭ শঙ্কৰাব্দ ৰবিবাৰে গোলাঘাট জিলা শাখাৰ দক্ষিণ আঞ্চলিক শাখাৰ ১৪ খন প্ৰাথমিক শাখাৰ নিৰ্বাচিত সঙ্গী ভকতসকলক কৃষ্টি প্ৰশিক্ষণ দিয়া হয়। এই প্ৰশিক্ষণত ৭৬ জন সঙ্গী ভকতে সহযোগ কৰিছিল।

৪ৰ্থ শিবিৰঃ ২৯/৯/৭৬ তাৰিখ ১২ আহিন বুধবাৰে মিছামৰা মুদৈ গাৱঁৰ নামঘৰত ১৫ খন প্ৰাথমিক ৰ ৫২ জন সঙ্গী ভকতে প্ৰশিক্ষণ গ্ৰহণ কৰে।

৫ম শিবিৰ ঃ ফৰকাটিং কোঁচ গাঁও নামঘৰত ৬ খন প্ৰাথমিক শাখাৰ ৩১ জন সঙ্গী ভকতে যোৱা ২২/১০/৭৬ তাৰিখে প্ৰশিক্ষণ গ্ৰহণ কৰে।

৬ষ্ঠ শিবিৰ ঃ গোলাঘাট পশ্চিম আঞ্চলিক শাখাৰ ৩৩ খন প্ৰাথমিক শাখাৰ ৬৮ জন সঙ্গী লৈ যোৱা ২৪/১০/৭৬ তাৰিখে কৃষ্টি প্ৰশিক্ষণ গ্ৰহণ কৰে।

৭ম শিবিৰ ঃ সপ্তম শিবিৰ অনুষ্ঠিত হয় ৫২৯ শংকৰাব্দৰ ৭ কাতি ইংৰাজী ২৪/১০/৭৭ তাৰিখে মৰঙী মৌজাৰ ৩নং ফলগুনী নামঘৰত ছয়খন প্ৰাথমিক শাখাৰ ৩৪ জন সঙ্গীক প্ৰশিক্ষণ দিয়া হয়।

৮ ম শিবিৰ ঃ ২৬/১০/৭৭, ৯ কাতি ৫২৯ শংকৰাব্দ তাৰিখে মধ্য ঘিলাধাৰী নামঘৰত ৫ খন প্ৰাথমিক শাখাৰ সঙ্গীসকলৰ সহযোগত অষ্টম প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। ইয়াত প্ৰশিক্ষাৰ্থীৰ সংখ্যা আছিল ১৯ জন।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

৯ম শিৱিৰ ঃ ২০/১১/৭৭ তাৰিখে শংকৰদেৱ সংঘৰ ঢেকীয়াল প্ৰাথমিক শাখাৰ আধলিচুক নামঘৰত এই নৱম প্ৰশিক্ষণ শিৱিৰ অনুষ্ঠিত হয় । এই প্ৰশিক্ষণত প্ৰশিক্ষাৰ্থী হিচাবে ঢেকীয়াল, মলখুকুৰি, হাবিয়াল, ন পমুৱা আদি প্ৰাথমিকসমূহৰ সঙ্গীসকল আহি যোগদান কৰিছিল ।

উল্লেখিত প্ৰশিক্ষণ শিৱিৰ পৰিচালনা আৰু প্ৰশিক্ষণৰ দায়িত্ব ক্ৰমে জিলা সভাপতি, জিলা সম্পাদক, শৰণাচাৰ্য আৰু প্ৰধান সম্পাদকৰ ওপৰত ন্যস্ত কৰা হৈছিল । প্ৰশিক্ষণৰ সকলো ব্যৱস্থা গ্ৰহণ কৰে জিলা সংস্কৃতি শাখাই ।

**সংঘৰ নিজা চাৰি বস্তু ঃ** মহাপুৰুষীয়া সমাজখন এখন সমাজ হিচাপে বৰ্তি থাকিবলৈ চাৰিটা বস্তু নিজাকৈ লোৱা হৈছে । সেই বস্তুকেইপদ হ'ল- সংবিধান, অশৌচ পদ্ধতি, বিবাহ পদ্ধতি, প্ৰসঙ্গ প্ৰণালী। ইয়াৰ উপৰি গায়ন-বায়নৰ একীকৰণৰ উদ্দেশ্যে খোল অংক প্ৰথম ভাগ আৰু খোল অংক দ্বিতীয় ভাগ প্ৰণয়ন কৰি প্ৰকাশ কৰা হৈছে । বৰগীত বিশুদ্ধ ৰাগত পৰিৱেশন কৰিব পৰাকৈ বৰগীতৰ স্বৰলিপি প্ৰস্তুত কৰিবলৈ হাতত লোৱা হৈছে । সেয়ে মূল সংঘৰ আদৰ্শৰে শুদ্ধ সবল এখন সাৰ্বজনীন মহাপুৰুষীয়া সমাজ ৰচনাৰ মহৎ উদ্দেশ্য লৈ শ্ৰীমন্ত শংকৰদেৱ সংঘ গোলাঘাট জিলা শাখা আগবাঢ়িছে । সুখৰ বিষয় উল্লেখিত গ্ৰন্থকেইখনৰ জনপ্ৰিয়তা ক্ৰমাগত বৃদ্ধি পাইছে ।

**বৈষ্ণৱ ধৰ্মৰ ধাৰাবাহিকতা আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘ ঃ** ওপৰ দৈয়াং কলিয়াবৰৰপৰা, মধ্য দৈয়াং ঢেকীয়াল ঘিলাধাৰীৰ পৰা পূবৰ ধলী নৈয়েদি উত্তৰৰ নাম দৈয়াং দেৰগাৱঁলৈকে এই তিনিও অঞ্চলৰ বৃহৎ খণ্ডটোত অতীত কালৰপৰাই (প্ৰায় চতুৰ্দশ শতিকাৰপৰা) বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱে ৰাজ অনুগ্ৰহ লাভ কৰিব নোৱাৰিলেও নিচেই নিশকতীয়া নাছিল। কালৰ কুটিল গতিত মোৱামৰীয়া মহন্তসকলে মহাপুৰুষীয়া এক ধৰ্ম ৰক্ষা কৰিবৰ কাৰণে অস্ত্ৰ ধাৰণ কৰিবলগীয়াও হৈছিল । ফুলেশ্বৰী কুঁৱৰীৰ আন্তৰিক ইচ্ছা বুজিব নোৱাৰিয়ে হওক অথবা অত্যাচাৰৰ ফল স্বৰূপেই হওক মহাপুৰুষীয়া ভকতে প্ৰাণ বিসৰ্জন দিব লগা হৈছিল । কিন্তু ধৰ্মান্তৰ হোৱা নাছিল । তেনে অৱস্থাত পৰিও দৈয়াং চহৰত বৈষ্ণৱী সত্ৰ আৰু নামঘৰবিলাক প্ৰতিষ্ঠা হোৱা মন কৰিবলগীয়া ।

প্ৰায় ৪০১ বছৰৰ পিছত মহাপুৰুষৰ নামতে প্ৰতিষ্ঠা হোৱা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নেৰানেপেৰা চেষ্টাৰ ফলত তান্ত্ৰিকতাই গ্ৰাস কৰি থোৱা তথাকথিত মহাপুৰুষীয়া সমাজখন পুনৰ সংস্কাৰ কৰি মহাপুৰুষৰ শুদ্ধ সেৱক

আৰু একান্ত ভকতলৈ ৰূপান্তৰ কৰিবলৈ সমৰ্থ হৈছে । পৰ্বত ভৈয়াম এক কৰি বিভিন্ন জাতিৰ মাজত মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰৰ জৰিয়তে সম্প্ৰীতি স্থাপন কৰিবপৰা হৈছে ।

**সত্য এক অনিৰ্বাণ জ্যোতি ঃ** মহাপুৰুষীয়া একশৰণ নামধম 'সত্য আৰু অহিংসাৰ ওপৰত প্ৰতিষ্ঠিত । এই ধৰ্ম নষ্ট কৰিবৰ বাবে যেয়ে যিমানেই চেষ্টা নকৰক কিয় ইয়াৰ জ্যোতি ক্ৰমাৎ বৃদ্ধিহে হৈছে । এই উজ্জ্বল পোহৰৰ সান্নিধ্যলৈ হেজাৰ হেজাৰ নৰ-নাৰীৰ আগমনে ইয়াকে সুচোৱা নাই জানো ?

'এয়ে সেই পুণ্যভূমি যি থানত নিজে তুমি
থানে থানে ধৰ্ম সত্ৰ পাতি ।
নানা শাস্ত্ৰ ব্যাখ্যা কৰি মাতৃভাষা পূৰ্ণ কৰি
গঢ়ি গ'লা অসমীয়া জাতি ।।
নাই পূজা আৱাহন নাই বলি বিসৰ্জন
উচ্চ-নীচ ভেদাভেদ জ্ঞান ।
নাই কাৰো উচ্চাসন নাই কাৰো নীচাসন
হৰিভকত সকলো সমান ।।'

- শৈলধৰ ৰাজখোৱা

কৰিৰ প্ৰাণে ঠিকেই উপলব্ধি কৰিছিল । মহাপুৰুষ শংকৰদেৱৰ মহাপ্ৰয়াণৰ পাছৰেপৰা এই শুদ্ধ সত্য ধৰ্মৰ ওপৰত কেনেকৈ ঢাকন দিব পৰা যায় তাৰ কাৰণে বিশুদ্ধবাদীসকলে নীৰৱচ্ছিন্নভাৱে অদ্যৱধি যত্ন কৰি অহাৰ প্ৰমাণ আছে । আদি সত্য যুগতেই নাম ধৰ্ম প্ৰকাশ পাইছিল ; কিন্তু কপটীয়া দেৱতাসকলৰ অশেষ যত্নত হৰিনামৰ ওপৰত ঢাকন পৰিছিল। কৃষ্ণ সূৰ্য উদয়ৰ পিছত সেই কাল ৰাত্ৰি অন্তৰ্হিত হ'বলৈ বাধ্য হৈছিল । তদনুৰূপে নানা কু চক্ৰান্তৰ ফলত মহাপুৰুষীয়া ধৰ্মত নানা ব্যভিচাৰে ঠাই পাই সৰ্বশেষত মহাপুৰুষীয়া ধৰ্মৰ ঘোৰ পৰিপন্থী নীতি আদৰ্শকো মহাপুৰুষ জনাৰ দ্বাৰা প্ৰচাৰ কৰা হৈছিল বুলি ক'বলৈ সাহ কৰিব পৰা হ'ল । 'গুৰু চৰিত' কেইখনমান গ্ৰন্থতো প্ৰক্ষিপ্ত বচন সন্নিবিষ্ট কৰিবলৈ কুণ্ঠাবোধ নকৰিলে। আনকি গুৰুজনাৰ স্বৰচিত গ্ৰন্থ, নিমিনৱসিদ্ধ সংবাদ, ভকতি প্ৰদীপ আদি গ্ৰন্থও মহাপুৰুষৰ দ্বাৰা ৰচিত নহয় বুলি মহাপুৰুষীয়া সমাজক জাননী দিব পৰা হ'ল । মহাপুৰুষীয়া ধৰ্মত সেয়ে কৰ্মকাণ্ডৰ স্থান আছে বুলি গ্ৰন্থৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ধৰিলে ।

অ মহাপুৰুষীয়া লেখকসকলে তান্ত্ৰিকতাত গুৰুত্ব দিয়াত আৰু ধৰ্ম

পৰম্পৰা বিশুদ্ধৰূপে ৰক্ষা নকৰাত সত্ৰাদি অনুষ্ঠানসমূহত আচলখিনি পাবলৈ নোহোৱা হ'ল। বিদেশী লেখকসকলেও শংকৰদেৱক দূৰৰপৰা নিৰীক্ষণ কৰি অশুদ্ধ মন্তব্য প্ৰকাশ কৰা হ'ল । সুখৰ বিষয় এতিয়া মহাপুৰুষীয়া ভক্তসকলে এই বিশুদ্ধবাদী লেখাসমূহৰ বিৰুদ্ধে লেখনি হাতত লৈছে আৰু প্ৰকৃত গুৰু প্ৰদৰ্শিত পথৰ সন্ধান দিবলৈ সমৰ্থ হৈছে। এই একে উদ্দেশ্যকে শিৰোগত কৰি জিলা সংঘসমূহে বছৰেকত অন্তত একোখনকৈ স্মৃতি গ্ৰন্থ ছপা কৰি বিভিন্ন গুণী লেখকৰ জৰিয়তে প্ৰবন্ধ-নিবন্ধাদি লেখাই প্ৰকাশ কৰিবলৈ লৈছে । গোলাঘাট জিলা শাখাৰ বাৰ্ষিক অধিৱেশন উপলক্ষে যোৱা বিংশতিতম অধিৱেশনৰপৰাই স্মৃতিগ্ৰন্থ 'শংকৰ প্ৰতিভা' প্ৰকাশ কৰি আহিছে। ১৯৭৮ চনত জিলাৰ ৰূপালী জয়ন্তীৰ পৰাও স্মৃতিগ্ৰন্থ "ভক্তি প্ৰবাহ" নামেৰে প্ৰকাশ কৰা হৈছে ।

মূঠতে সংঘ প্ৰতিষ্ঠা হোৱা দিন ধৰি সমগ্ৰ অসমৰ একনিষ্ঠ গুৰুজনাৰ সেৱকৰ লগতে শাৰী মিলাই গোলাঘাট জিলা শাখা সংঘৰো কেইজনমান প্ৰাতঃস্মৰণীয় আৰু উদ্যোগী সেৱকৰ অক্লান্ত পৰিশ্ৰমৰ বিনিময়ত আজি প্ৰায় পঞ্চাশ বছৰে গুৰু ধৰ্ম প্ৰচাৰ কৰি প্ৰায় ২৬০ খন সংঘৰ প্ৰাথমিক শাখা গঠন কৰি গুৰুৰ কৃপা লাভ কৰা হৈছে । ০

# চতুৰ্থ অধ্যায়

## জিলা সংঘৰ বাৰ্ষিক অধিৱেশনসমূহ আৰু জিলাৰ বিষয়ববীয়াসকল ঃ

গোলাঘাট শ্ৰীমন্ত শংকৰদেৱ সংঘৰ জিলা শাখাৰ ২য় বাৰ্ষিক অধিৱেশনখনি সমাৰোহেৰে পালন কৰা হৈছিল । এই অধিৱেশনত সভাপতিত্ব কৰিছিল স্বৰ্গীয় পোৱাল চন্দ্ৰ শইকীয়াই আৰু নিৰ্দিষ্ট বক্তা আছিল শ্ৰীসোণাৰাম চুতীয়াবাপ । সভা উদ্বোধন কৰিছিল দেহীৰাম গাঁওবুঢ়াবাপে । এই অধিৱেশনতেই জিলা শাখাৰ সভাপতি নিৰ্বাচন কৰা হয় শ্ৰীযুত সোণাৰাম চুতীয়াবাপক আৰু সম্পাক নিৰ্বাচন কৰা হয় যোগেন দত্তবাপক । এই নতুন কৰ্মকৰ্ত্তাসকলৰ আপ্ৰাণ চেষ্টাত সংঘৰ নীতি-আদৰ্শ প্ৰচাৰ কাৰ্যই ঠন ধৰি উঠিছিল; ফলস্বৰূপে খৰতৰ গতিৰে সমগ্ৰ জিলাতে নতুন নতুন প্ৰাথমিক গঠন হ'বলৈ ধৰিলে ।

ইয়াৰ পাছৰ বছৰত তামুলী পথাৰ প্ৰাথমিকৰ সৌজন্যত জিলা সংঘৰ তৃতীয় অধিৱেশন অনুষ্ঠিত কৰা হয় । এই অধিৱেশনৰ মুকলি সভাত সভাপতিত্ব কৰিছিল খ্যাতনামা কবি, সাহিত্যিক স্বৰ্গীয় ডিম্বেশ্বৰ নেওগদেৱে । উদ্বোধনী ভাষণ আৰু নিৰ্দিষ্ট বক্তাৰ ভাষণ দিছিল শ্ৰীযুত সোণাৰাম চুতীয়া আৰু স্বৰ্গীয় লক্ষ্যেশ্বৰ শইকীয়াবাপে । আগৰ বছৰৰ সভাপতি, সম্পাদকক এই বছৰত কাৰ্যভাৰ চলাই যাবৰ কাৰণে পুনৰ নিৰ্বাচন কৰা হয় । তৃতীয় অধিৱেশনৰ পিছতেই দিহিঙীয়া, সোণোৱাল, কমাৰগাঁও আদি কেইবাখনো গাঁৱক কেন্দ্ৰ কৰি ভালেকেইখন নতুন প্ৰাথমিক গঠন হয় । এই সমিতিসমূহ গঠন কৰাৰ ক্ষেত্ৰত স্বৰ্গীয় তিলক সোণোৱাল, স্বৰ্গীয় ভকতৰাম শইকীয়া আদি কেইগৰাকীমান লোকৰ নাম স্মৰণীয় ।

গোলাঘাট জিলা শাখাৰ চতুৰ্থ অধিৱেশন বহে শেনচোৱা গাঁৱত । এই অধিৱেশনৰ মুকলি সভাত সভাপতিত্ব কৰিছিল শ্ৰীযুত সোণাৰাম চুতীয়াবাপে। সভা উদ্বোধন কৰিছিল যোগেন দত্তই আৰু নিৰ্দিষ্ট বক্তা আছিল শ্ৰীযুত ঘন শইকীয়াবাপ । এই অধিৱেশনত জিলা শাখা সংঘটিৰ সভাপতি হিচাপে শ্ৰীযুত সোণাৰাম চুতীয়া, প্ৰধান সম্পাদক হিচাপে শ্ৰীযুত যোগেশ্বৰ বৰা আৰু সহঃ সম্পাদক হিচাপে শ্ৰীগণেশ ভূএগ্ৰাবাপক নিৰ্বাচিত কৰা হয় । এই অধিৱেশনৰ পিছৰপৰাই বৰপথাৰ আৰু ঘিলাধাৰী অঞ্চলত প্ৰচাৰ আৰু সংগঠন দৃঢ় কৰা হয় ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

পঞ্চমখনি বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয় ফৰকাটিং শিলপনীয়া প্ৰাথমিকৰ সৌজন্যত । তেতিয়া আছিল ৫১০ শঙ্কৰাব্দ । এই অধিৱেশনৰ মুকলি সভাত সভাপতিত্ব কৰিছিল স্বৰ্গীয় যোগেন দত্তবাপে । শ্ৰীযোগেশ্বৰ বৰা আৰু শ্ৰীমণিৰাম গগৈবাপে যথাক্ৰমে উদ্বোধনী ভাষণ আৰু নিৰ্দিষ্ট বক্তাৰ ভাষণ দিছিল । এই অধিৱেশনত শ্ৰীযুত সোণাৰাম চুতীয়াবাপক সভাপতি, স্বৰ্গীয় যোগেন দত্তবাপক উপ-সভাপতি, শ্ৰীযোগেশ্বৰ বৰাক সাধাৰণ সম্পাদক আৰু শ্ৰীভীমকান্ত বৰাক সহকাৰী সম্পাদক নিৰ্বাচন কৰা হয় । এই অধিৱেশনৰ পিছৰপৰাই শ্ৰীগুণাৰাম ফুকন, স্বৰ্গীয় ৰোমেশ্বৰ দহোটীয়া, স্বৰ্গীয় পীতাম্বৰ গগৈ আৰু স্বৰ্গীয় কেশৱ গগৈ আদি বাপসকলে সংঘৰ প্ৰচাৰ আৰু সংগঠনৰ কামত বিশেষভাৱে আত্মনিয়োগ কৰে । ফলস্বৰূপে বৰপথাৰৰ প্ৰেমহৰা লাংঠা আদি অঞ্চলত সংগঠন কাৰ্য অধিক সুদৃঢ় হৈ উঠে ।

ঘিলাধাৰী মিলন প্ৰাথমিক শাখা সংঘৰ সৌজন্যত ৫১১ শঙ্কৰাব্দত জিলা শাখাৰ ৬ষ্ঠখনি অধিৱেশন সমাৰোহেৰে অনুষ্ঠিত হয় । অধিৱেশনৰ মুকলি সভাত সভাপতিত্ব কৰিছিল স্বৰ্গীয় যোগেন দত্তবাপে আৰু সভা উদ্বোধন কৰিছিল স্বৰ্গীয় পোৱাল শইকীয়াই । স্বৰ্গীয় ভদ্ৰ ফুকনবাপে আৰু স্বৰ্গীয় বেণুৰাম বৰুৱাই নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ দিছিল । আগন্তুক বছৰৰ কাৰণে শ্ৰীসোণাৰাম চুতীয়াবাপক জিলা শাখা সংঘৰ সভাপতি, স্বৰ্গীয় যোগেন দত্তবাপক উপ-সভাপতি, শ্ৰীযোগেশ্বৰ বৰাবাপক সাধাৰণ সম্পাদক, স্বৰ্গীয় দীন হাজৰিকাবাপক সহকাৰী সম্পাদক হিচাপে নিৰ্বাচন কৰা হয় ।

ইয়াৰ পিছৰ বছৰত অৰ্থাৎ ৫১২ শঙ্কৰাব্দ (ইং- ১৯৬১) জিলাৰ নিমন্ত্ৰণক্ৰমে মূলৰ ৩০ তম্ অধিৱেশন গোলাঘাটৰ লুকুমাই গাঁৱত অনুষ্ঠিত হৈছিল । এই অধিৱেশন সুকলমে পৰিচালনা কৰিবৰ কাৰণে এখন বিস্তৃত অভ্যৰ্থনা সমিতি গঠন কৰা হৈছিল । অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল স্বৰ্গীয় সৰ্বানন্দ দুৱৰা আৰু সাধাৰণ সম্পাদক আছিল স্বৰ্গীয় মণ্ডৰাম বৰা । ইয়াৰ বাহিৰেও স্বৰ্গীয় আপীৰাম গগৈ, স্বৰ্গীয় বিপিন দত্ত, ডিম্বেশ্বৰ ভূঞা, কমল পাঠক, যতীন বৰুৱা আদি লোকসকলে বিশেষ দায়িত্ব বহন কৰিছিল । এই অধিৱেশন কৃতকাৰ্য কৰি তোলাত প্ৰাক্তন এম, এল, এ স্বৰ্গীয় নৰেন্দ্ৰনাথ শৰ্মাৰ বৰঙণিও উল্লেখযোগ্য । মূলৰ এই অধিৱেশনৰ আগে আগে প্ৰেমহৰা গাঁৱত জিলাৰ ৭ম বাৰ্ষিক অধিৱেশন হয় । এই বাৰ্ষিক অধিৱেশনৰ মুকলি সভাত সভাপতি আছিল স্বৰ্গীয় বেণুৰাম বৰুৱা, সভা উদ্বোধন কৰিছিল স্বৰ্গীয় যোগেন দত্তই আৰু নিৰ্দিষ্ট বক্তা আছিল শ্ৰীযুত যোগেশ্বৰ বৰা আৰু স্বৰ্গীয় ফটিক হাজৰিকা । এই অধিৱেশনৰ আগৰ বছৰৰ কাৰ্য পৰিচালনা কৰিবৰ

কাৰণে জিলাৰ বিষয়ববীয়াসকল নিৰ্বাচন কৰে এনেধৰণে -- সভাপতি স্বৰ্গীয় যোগেন দত্ত, সম্পাদক শ্ৰীযোগেশ্বৰ বৰা আৰু সহকাৰী সম্পাদক স্বৰ্গীয় দীন হাজৰিকা আৰু স্বৰ্গীয় যতীন বৰুৱা। লুকুমাই গাঁৱত অনুষ্ঠিত হোৱা মূলৰ ৩০ তম্ অধিৱেশনত সভাপতিত্ব কৰিছিল স্বৰ্গীয় হলধৰ ভূঞাবাপে আৰু উদ্বোধন কৰিছিল স্বৰ্গীয় লক্ষ্যেশ্বৰ শইকীয়াবাপে। নিৰ্দিষ্ট বক্তাৰ ভাষণ দিছিল শ্ৰীইলাৰাম দাস, শ্ৰীঅচ্যুতকৃষ্ণ মিশ্ৰ আৰু স্বৰ্গীয় মোহনলাল উপাধ্যায় বাপসৱে। সাহিত্য শাখাৰ সভাত সভাপতি আছিল বাগ্মীবৰ স্বৰ্গীয় নীলমণি ফুকনদেৱ আৰু কৃষ্টি শাখাৰ সভাপতি আছিল শ্ৰীসোণাৰাম চুতীয়াবাপ। এই সময়ত গোলাঘাট জিলা সংঘৰ অন্তৰ্গত আছিল ত্ৰিশখনি প্ৰাথমিক শাখা সংঘ। সেই বছৰতে মূলৰপৰা 'প্ৰসঙ্গ প্ৰণালী' সৰ্বপ্ৰথমবাৰৰ বাবে প্ৰকাশ হৈ ওলায়। পিছৰ বছৰত অষ্টম অধিৱেশন অনুষ্ঠিত হয় ভোলাগুৰিত। এই অধিৱেশনৰ মুকলি সভাৰ উদ্বোধক আছিল স্বৰ্গীয় আপীৰাম গগৈ আৰু সভাপতি আছিল স্বৰ্গীয় যোগেন দত্ত, নিৰ্দিষ্ট বক্তা আছিল শ্ৰীযুত তিলেশ্বৰ শইকীয়াবাপ। এই বছৰৰপৰাই প্ৰাথমিকসমূহৰ মাজত মূল সংঘই গঠন কৰি দিয়া শৰণ শাখাৰ দ্বাৰা পূৰ্ণ শৰণ দিয়া আৰু শৰণ সংশোধন কৰা প্ৰথাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়।

৫১৪ শঙ্কৰাব্দ। মলাইকুমাৰ গাঁৱত জিলা শাখা সংঘৰ নৱম অধিৱেশন অনুষ্ঠিত হয়। অধিৱেশনৰ মুকলি সভাত সভাপতিত্ব কৰিছিল শ্ৰীশশী চন্দ্ৰ বৰবৰুৱাদেৱে। সভা উদ্বোধন কৰিছিল স্বৰ্গীয় যোগেন দত্তবাপে। শ্ৰীযোগেশ্বৰ বৰাই নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে। এই বছৰৰ বাবে স্বৰ্গীয় মণিৰাম গগৈ বাপক সভাপতি আৰু যোগেশ্বৰ বৰাবাপক সম্পাদকৰ পদত ৰাখি জিলা শাখা সংঘৰ কাৰ্য পৰিচালনাৰ বাবে নিৰ্বাচন কৰা হয়।

৫১৫ শঙ্কৰাব্দ চ'ত মাহৰ ১৪ তাৰিখে প্ৰেমহৰা গাঁৱত জিলাৰ দশম অধিৱেশন অনুষ্ঠিত হয়। মুকলি সভাৰ সভাপতি আছিল শ্ৰীশশী চন্দ্ৰ বৰবৰুৱা, উদ্বোধক আছিল স্বৰ্গীয় যোগেন দত্তবাপ। স্বৰ্গীয় আপীৰাম গগৈবাপে নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ দিয়ে। এই অধিৱেশনত জিলাৰ বিষয়ববীয়াসকল নিৰ্বাচন কৰা হয়। সভাপতি স্বৰ্গীয় মণিৰাম গগৈ, সম্পাদক শ্ৰীযোগেশ্বৰ বৰা। এই বছৰতে পশ্চিম অঞ্চলত বোকাখাত, কুৰুৱাবাহী, কমাৰগাঁও আদি ঠাইত বিস্তৃতভাৱে প্ৰচাৰ আৰু সংগঠন কাৰ্য চলোৱা হয়।

৫১৬ শঙ্কৰাব্দৰ ফাগুন মাহত খনিকৰ গাঁৱত জিলাৰ একাদশ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। শ্ৰীযুত সোণাৰাম চুতীয়াবাপে মুকলি সভাত সভাপতিত্ব কৰিছিল, সভাৰ উদ্বোধক আছিল স্বৰ্গীয় জীউৰাম হাজৰিকাবাপ

আৰু নিৰ্দিষ্ট বক্তা আছিল স্বৰ্গীয় ঋৰেশ্বৰ দলৈবাপ । সেই বছৰ জিলা সভাপতি স্বৰ্গীয় জীউৰাম হাজৰিকা আৰু সম্পাদক নিৰ্বাচন কৰা হয় শ্ৰীযোগেশ্বৰ গগৈবাপক।

কুৰুৱাবাহীত ৫১৭ শঙ্কৰাব্দৰ ফাগুন মাহৰ ৬ তাৰিখে জিলাৰ ১২ শ অধিৱেশন অনুষ্ঠিত কৰা হয় । মুকলি সভাত সভাপতিত্ব কৰিছিল শ্ৰীশশী চন্দ্ৰ বৰবৰুৱাবাপে আৰু শ্ৰীযুত সোণাৰাম চুতীয়াবাপে সভা উদ্বোধন কৰিছিল । নিৰ্দিষ্ট বক্তা আছিল শ্ৰীযুত অচ্যুতকৃষ্ণ মিশ্ৰ ।

এই অধিৱেশনৰ প্ৰতিনিধি সভাৰ থুলৰ অভাৱত বহুৱাবপৰা নগ'ল । গতিকে পিছত ইংৰাজী ১২ আৰু ১৩ মাৰ্চ তাৰিখে তামুলীপথাৰত আহ্বান কৰা বিশেষ প্ৰতিনিধি সভাই জিলাৰ বিষয়ববীয়াসকল নিৰ্বাচন কৰে । বিষয়ববীয়াসকল আছিল স্বৰ্গীয় গণেশ চন্দ্ৰ ভূঞা আৰু শ্ৰীযুত ঘনকান্ত তামুলী যথাক্ৰমে সভাপতি আৰু উপ-সভাপতি, শ্ৰীযুত গোবিন্দ চন্দ্ৰ শইকীয়া আৰু শ্ৰীযোগেশ্বৰ বৰা ক্ৰমে সম্পাদক আৰু সহকাৰী সম্পাদক ।

জিলাৰ ১৩ শ বাৰ্ষিক অধিৱেশন ৫১৮ শঙ্কৰাব্দৰ, ২০ মাঘ তাৰিখে ঢেকীয়াল যোগী গাঁৱত অনুষ্ঠিত হয় । অধিৱেশনৰ সভাপতি আছিল শ্ৰীশশীচন্দ্ৰ বৰবৰা, উদ্বোধক আছিল শ্ৰীযুত সোণাৰাম চুতীয়া, নিৰ্দিষ্ট বক্তা আছিল শ্ৰীযুত অচ্যুত কৃষ্ণ মিশ্ৰ । আগৰ বছৰৰ বাবে শ্ৰীযুত গণেশ ভূঞাবাপক সভাপতি, শ্ৰীঘনকান্ত তামুলীবাপক উপ-সভাপতি, শ্ৰীযুত গোবিন্দ চন্দ্ৰ শইকীয়াবাপক সম্পাদক আৰু স্বৰ্গীয় ভদ্ৰকান্ত ফুকনবাপক সহকাৰী সম্পাদক নিৰ্বাচন কৰা হয় ।

জিলা শাখা সংঘৰ চতুৰ্দশ বৰ্ষিক অধিৱেশনখনি ৫১৯ শঙ্কৰাব্দৰ ২০ মাঘ তাৰিখে বৰপথাৰ জ্ঞানোদয় প্ৰাথমিক প্ৰাঙ্গণত অনুষ্ঠিত হয় । মুকলি সভাত সভাপতিত্ব কৰিছিল শ্ৰীযুত দুৰ্গেশ্বৰ ভূঞাবাপে, উদ্বোধন কৰিছিল স্বৰ্গীয় যোগেন দত্তবাপে । শ্ৰীযুত যোগেশ্বৰ বৰাবাপে নিৰ্দিষ্ট বক্তাৰ ভাষণ দিছিল । নৱ নিৰ্বাচিত জিলা শাখাৰ কৰ্মকৰ্ত্তাসকল আছিল সভাপতি সৰ্বশ্ৰীঘনকান্ত তামুলী, সম্পাদক, গোবিন্দ চন্দ্ৰ শইকীয়াবাপ, উপ-সভাপতি, স্বৰ্গীয় যোগেন দত্ত ।

মহুৰা গৰৈমাৰী গাঁৱত ৫২০ শঙ্কৰাব্দ (১৯৬৯), ২৭ মাঘ তাৰিখে অনুষ্ঠিত হয় জিলা শাখা সংঘৰ ৬ষ্ঠদশ বাৰ্ষিক অধিৱেশন । সভাৰ সভাপতি আছিল শ্ৰীযুত ঘনকান্ত তামুলী, উদ্বোধক আছিল স্বৰ্গীয় কুশেশ্বৰ কলিতা আৰু নিৰ্দিষ্ট বক্তা শ্ৰীযুত সোণাৰাম চুতীয়াবাপ । তদুপৰি বিশিষ্ট অতিথি হিচাপে শ্ৰীযুত ইলাৰাম দাস আৰু শ্ৰীঅচ্যুতকৃষ্ণ মিশ্ৰবাপে সভাত সাৰুৱা ভাষণ দিছিল।

সেই বছৰ জিলা শাখা সংঘৰ সভাপতি নিৰ্বাচন কৰা হয় -- সভাপতি শ্ৰীযুত ঘনকান্ত তামুলী, উপ-সভাপতি স্বৰ্গীয় যোগেন দত্ত, সম্পাদক, শ্ৰীযুত গোবিন্দ শইকীয়া আৰু সহকাৰী সম্পাদক শ্ৰীযুত খগেশ্বৰ বৰাবাপক ।

৫২১ শঙ্কৰাব্দৰ ৪/২/৭০ তাৰিখে ১৭ শ জিলা বাৰ্ষিক অধিৱেশন বহে সোণোৱাল কমাৰ গাঁৱত । মুকলি সভাত সভাপতিত্ব কৰে শ্ৰীঘনকান্ত তামুলী আৰু উদ্বোধন কৰে স্বৰ্গীয় যোগেন দত্তবাপে । শ্ৰীসোণাৰাম চুতীয়াবাপে নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ দিয়ে । এই অধিৱেশনত জিলাৰ কৰ্মকৰ্ত্তাসকলৰ মাজত কোনো সালসলনি নঘটাই আগৰ বছৰৰ দৰেই ৰখা হয় ।

অষ্টাদশ জিলা বাৰ্ষিক অধিৱেশন বহে গমাৰিগুৰিত ১৬ মাঘ (২০/৩/৭১)। মূকলি সভাৰ সভাপতি আছিল শ্ৰীযুত ঘনকান্ত তামুলী, উদ্বোধক আছিল স্বৰ্গীয় কুশেশ্বৰ কলিতা আৰু নিৰ্দিষ্ট বক্তা আছিল শ্ৰীসোণাৰাম চুতীয়া আৰু বাপুৰাম পাঠক । সেই বছৰ শ্ৰীঘনকান্ত তামুলীক সভাপতি, মানিক চন্দ্ৰ গায়নক উপ-সভাপতি, শ্ৰীগোবিন্দ শইকীয়াক সম্পাদক, শ্ৰীজগত বৰাক সহকাৰী সম্পাদক নিৰ্বাচন কৰা হয় ।

৫২৩ শঙ্কৰাব্দৰ ২৪ মাঘৰ (১৯৭২) দিনা দক্ষিণ আঞ্চলিকৰ নামঘৰত ঊনবিংশতিতম বাৰ্ষিক অধিৱেশন বহুওৱা হয় । অধিৱেশনৰ মুকলি সভাত সভাপতিত্ব কৰে শ্ৰীযুত ঘনকান্ত তামুলীয়ে । উদ্বোধন কৰে স্বৰ্গীয় কুশেশ্বৰ কলিতা আৰু নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে ঋষেশ্বৰ দলৈবাপে । এই অধিৱেশনত দুজন অতিৰিক্ত সহকাৰী সম্পাদক নিৰ্বাচন কৰাৰ বাহিৰে বাকী জিলাৰ বিষয়ববীয়াসকলক আগৰ বছৰৰ দৰেই একে ৰাখে । নৱনিৰ্বাচিত সম্পাদক দুজন আছিল শ্ৰীযুত যদু হাজৰিকা আৰু শ্ৰীসুৰেন কলিতা ।

৫২৪ শঙ্কৰাব্দৰ (২৬/১/৭৩), ১৪ মাঘ তাৰিখে বুঢ়ালিকচন গাঁৱত জিলাৰ বিংশতিতম বাৰ্ষিক অধিৱেশন বহে । অধিৱেশনৰ মুকলি সভাত শ্ৰীযুত ঘনকান্ত তামুলীবাপে সভাপতি, স্বৰ্গীয় কুশেশ্বৰ কলিতাবাপে উদ্বোধক আৰু শ্ৰীঅচ্যুতকৃষ্ণ মিশ্ৰ, শ্ৰীনবীন কোঁৱৰবাপে নিৰ্দিষ্ট বক্তা হিচাপে অংশ গ্ৰহণ কৰে । এই বছৰত শ্ৰীযুত ঘনকান্ত তামুলীবাপক সভাপতি, স্বৰ্গীয় কুশেশ্বৰ কলিতা বাপক উপ-সভপতি, শ্ৰীগোবিন্দ শইকীয়াক প্ৰধান সম্পাদক, শ্ৰীযুত সুৰেন কলিতা, শ্ৰীযুত নগেন বৰাক সহকাৰী সম্পাদক নিৰ্বাচন কৰা হয় । সেই বছৰতে অৰ্থাৎ ১৯৭৩ চনৰ অক্টোবৰ মাহৰ ২১ তাৰিখে কাঠকটীয়া যোগীগাঁও প্ৰাথমিক শাখাৰ নামঘৰত স্বৰ্গীয় মণিৰাম গগৈবাপৰ সভাপতিত্বত এখনি বিশেষ প্ৰতিনিধি সভা বহে । মূলৰ নিৰ্দেশ অনুযায়ী জিলাৰ সভাপতি আৰু সম্পাদকে পদত্যাগ কৰিবলগা হোৱাত স্বৰ্গীয় মণিৰাম গগৈবাপক সভাপতি আৰু শ্ৰীহেম শইকীয়াক সম্পাদক নিৰ্বাচন কৰা হয় ।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

ঢেকীয়াল প্ৰাথমিকৰ সৌজন্যত মলখুকুৰি নামঘৰত ৫২৫ তম্ বছৰৰ জিলা বাৰ্ষিক অধিৱেশন বহে । এই অধিৱেশনত বিশিষ্ট অতিথি হিচাপে যোগদান কৰে স্বৰ্গীয় নীলমণি ফুকন (ককা) শ্ৰীযুত সোণাৰাম চুতীয়া আৰু বালীৰাম দাসবাপে । মুকলি সভাত সভাপতিত্ব কৰিছিল স্বৰ্গীয় মণিৰাম গগৈবাপে, সভা উদ্বোধন কৰিছিল স্বৰ্গীয় ঋষেশ্বৰ দলৈবাপে আৰু নিৰ্দিষ্ট বক্তা আছিল শ্ৰীযুত মোহন চন্দ্ৰ মহন্ত আৰু শ্ৰীঅচ্যুতকৃষ্ণ মিশ্ৰবাপ । এই অধিৱেশনতে ধৰ্মপ্ৰাণ সু-সাহিত্যিক বাগ্মীবৰ স্বৰ্গীয় নীলমণি ফুকন (ককা) বাপক সম্বৰ্দ্ধনা জনোৱা হয়। এই বছৰতে মূলৰ বাৰ্ষিক অধিৱেশন বহে তেজপুৰৰ জামুগুৰিহাটত । এই অধিৱেশনতে পৰৱৰ্ত্তী অধিৱেশন গোলাঘাটলৈ নিমন্ত্ৰণ কৰা হয় । গোলাঘাটলৈ নিমন্ত্ৰণ কৰা মূলৰ এই বাৰ্ষিক অধিৱেশনখনি আছিল অসম শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৪৪ তম্ বাৰ্ষিক অধিৱেশন । ৪৪ তম্ বাৰ্ষিক অধিৱেশন প্ৰস্তুতিৰ বাবে ২১/৪/৭৪ তাৰিখে জিলা কাৰ্যনিৰ্বাহক আৰু প্ৰাথমিক সভাপতি, সম্পাদকৰ এক যুটীয়া বৈঠক আহ্বান কৰা হয় । এই বৈঠক বহিছিল শিঙৰাজান প্ৰাথমিক শাখাৰ নামঘৰত । বৈঠকত সভাপতিত্ব কৰিছিল জিলা সভাপতিদেৱে । এই বৈঠকত এখনি শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰাৰ বিষয়ে আলোচনা কৰা হয় । এই আলোচনাৰ ফলস্বৰূপে ২৩/৬/৭৪ তাৰিখে কুৰালগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ত অভ্যৰ্থনা সমিতি গঠন কৰা হয় । সেই সভাত অংশ গ্ৰহণ কৰিছিল মূলৰ বিশিষ্ট কৰ্মকৰ্ত্তা অচ্যুতকৃষ্ণ মিশ্ৰ, গোলোক কাকতি, স্বৰ্গীয় ঋষেশ্বৰ দলৈ, স্বৰ্গীয় লক্ষ্যেশ্বৰ গোহাঁই, হৰেন ৰাজখোৱা বাপসৱে । সভাত উপস্থিত আছিল গোলাঘাট জিলাৰ অন্তৰ্গত বিভিন্ন প্ৰাথমিকসমূহৰ সঙ্গীবৃন্দ । অভ্যৰ্থনা সমিতিৰ সভাপতি নিৰ্বাচন কৰা হৈছিল স্বৰ্গীয় ছত্ৰগোপাল কৰ্মকাৰ, এম, এল, এ বাপক আৰু কাৰ্যকৰী সভাপতি নিৰ্বাচন কৰা হয় বিপিন দত্তক । শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়াক সম্পাদক নিৰ্বাচন কৰা হয় ।

৪৪ তম্ বাৰ্ষিক (মূলৰ) অধিৱেশনৰ কাৰণে পুঁজি সংগ্ৰহৰ বিষয়ে ২/১/৭৫ তাৰিখে মলাইকুমাৰ গাঁৱৰ নামঘৰত প্ৰাথমিকসমূহৰ এখন সভা আহ্বান কৰা হয় । সভাত সভাপতিত্ব কৰে জিলা সভাপতি শ্ৰীযুত মণিৰাম গগৈবাপে ।

৫২৫ শঙ্কৰাব্দ, ইংৰাজী ২৫/১/৭৫ তাৰিখে জেলেঙৰা গাঁৱৰ জিলা শাখা সংঘৰ ২২ তম্ বাৰ্ষিক অধিৱেশন বহে । মুকলি সভাত সভাপতিত্ব কৰে স্বৰ্গীয় কুশেশ্বৰ কলিতাবাপে, নিৰ্দিষ্ট বক্তা হিচাপে তুনু ভূঞা, শ্ৰীমোহন চন্দ্ৰ মহন্তই অংশ গ্ৰহণ কৰে । বিশিষ্ট অতিথি হিচাপে সভাত অংশ গ্ৰহণ কৰিছিল

শ্ৰীগোলোক কাকতীবাপে ।নৱ নিৰ্বাচিত জিলাৰ বিষয়ববীয়াসকল আছিল -- সভাপতি স্বৰ্গীয় কুশেশ্বৰ কলিতা, উপ-সভাপতি শ্ৰীযুত বাবুলা গগৈ, জিলা সম্পাদক শ্ৰীহেম শইকীয়া, সহকাৰী সম্পাদক শ্ৰীসুৰেন কলিতা আৰু শ্ৰীবিপিন হাজৰিকা ।

১৯৭৫ চনৰ মাৰ্চ মাহৰ ২১/২২/২৩ তাৰিখে অৰ্থাৎ চ'ত মাহৰ ৭, ৮, ৯ তাৰিখে বৰুৱাবামুণ গাঁৱত মহা সমাৰোহেৰে অসম শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৪৪ তম্ বাৰ্ষিক অধিৱেশনখনি অনুষ্ঠিত হয় । মূলৰ এই অধিৱেশনৰ সভাপতি আছিল শ্ৰীঅচ্যুতকৃষ্ণ মিশ্ৰবাপ, উদ্বোধক আছিল শ্ৰীসোণাৰাম চুতীয়া ।তদুপৰি সংঘৰ একনিষ্ঠ সেৱক শ্ৰীগোলোক কাকতী, বালীৰাম দাস, ঋষেশ্বৰ দলৈ, বাপসবেত্ত সভাত অংশ গ্ৰহণ কৰে । এই অধিৱেশনতে শিৱসাগৰৰ শ্ৰীযুত লোকনাথ চলিহা আৰু গোলাঘাটৰ স্বৰ্গীয় বেণুৰাম বৰুৱাক সম্বৰ্দ্ধনা জনোৱা হয় ।এই অধিৱেশনত শ্ৰীযুত অচ্যুতকৃষ্ণ মিশ্ৰবাপক মূলৰ পদাধিকাৰ, শ্ৰীযুত গোলোক কাকতীবাপক উপ-পদাধিকাৰ, বালীৰাম দাসক প্ৰধান সম্পাদক আৰু শ্ৰীগোবিন্দ শইকীয়াক 'নামধৰ্ম'ৰ সম্পাদক নিৰ্বাচন কৰা হয় ।

৫২৬ শঙ্কৰাব্দ, ইংৰাজী ১৯৭৬ চন । ২২, ২৩ ফাগুন, ইংৰাজী ৬-৭ মাৰ্চ তাৰিখে বোকাখাত হাইস্কুল প্ৰাঙ্গণত জিলা শাখাৰ ২৩ তম্ বাৰ্ষিক অধিৱেশন হয় । মুকলি সভাত সভাপতিত্ব কৰিছিল স্বৰ্গীয় কুশেশ্বৰ কলিতাবাপে। সভা উদ্বোধন কৰে শ্ৰীঘনকান্ত তামুলীয়ে । নিৰ্দিষ্ট বক্তা শ্ৰীগোলোক কাকতী আৰু শ্ৰীঅচ্যুতকৃষ্ণ মিশ্ৰ । সেই বছৰ জিলাৰ বিষয়ববীয়াৰ কোনো সালসলনি কৰা নহ'ল । সেই বছৰতে গোলাঘাট জিলা শাখা সংঘই এটি সাহিত্য শাখা গঠন কৰে । সাহিত্য শাখাটি গঠন কৰা হয় ২৩/১০/৭৬ তাৰিখে হাবিয়াল মুক্তি প্ৰাথমিক স্থানত অনুষ্ঠিত হোৱা প্ৰাথমিকসমূহৰ সভাপতি, সম্পাদক সন্মিলনত। সাহিত্য শাখাৰ সম্পাদক নিৰ্বাচিত কৰা হয় শ্ৰীসুৰেন্দ্ৰনাথ ৰাজখোৱাক । এই সন্মিলন আহ্বান কৰাৰ মূল উদ্দেশ্য আছিল সংগঠন, প্ৰচাৰ আৰু শংকৰী সংস্কৃতি সম্পৰ্কে গভীৰ আলোচনা কৰা । শ্ৰীযুত অচ্যুতকৃষ্ণ মিশ্ৰ, গোলোক কাকতী আৰু শ্ৰীগোলাপ মহন্ত এই তিনিওগৰাকী বক্তাই সুকীয়া দিশত সাৰুৱা ভাষণ দিয়ে ।

জিলা শাখা সংঘৰ ২৪ তম্ বাৰ্ষিক অধিৱেশন হয় ৫২৭ শঙ্কৰাব্দৰ ২৮, ২৯ মাঘ আৰু ফাগুনৰ ১ তাৰিখে সৰুপথাৰৰ গেলাবিল নামে স্থানত । দক্ষিণ আঞ্চলিকৰ সৌজন্যত মহাসমাৰোহেৰে এই অধিৱেশন অনুষ্ঠিত হয় । মুকলি সভাৰ সভাপতি আছিল শ্ৰীযুত যোগেশ্বৰ বৰা, উদ্বোধক স্বৰ্গীয় কুশেশ্বৰ কলিতা আৰু নিৰ্দিষ্ট বক্তা আছিল অধ্যাপক শোভন শইকীয়াবাপ । কৃষ্টি শাখাৰ মুকলি সভাৰ সভাপতি আছিল শ্ৰীযুত ভোলা হাজৰিকা (অধ্যাপক), নিৰ্দিষ্ট বক্তা শ্ৰীগোলাপ মহন্তবাপ ।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

গোলাঘাট জিলা শাখাৰ ২৫ তম্‌ বাৰ্ষিক অধিৱেশনখনি ঢেকীয়াল আৰু গণকপুখুৰী উভয় প্ৰাথমিকে যুটীয়াভাৱে নিমন্ত্ৰণ জনায় । এই অধিৱেশন জিলা শাখা সংঘৰ ৰূপালী জয়ন্তী বাৰ্ষিক উৎসৱ হিচাপে এক বিস্তৃত কাৰ্যসূচীৰে পালন কৰিবলৈ আঁচনি গ্ৰহণ কৰে ।

১৯৭৮ চনৰ ৩১ মাৰ্চৰপৰা ২ এপ্ৰিললৈকে ঢেকীয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গণত তিনিদিনীয়া কাৰ্যসূচীৰে ৰূপালী জয়ন্তী উৎসৱ মহাসমাৰোহেৰে পালন কৰা হয় । এই সমাৰোহৰ অন্য এক আকৰ্ষণ আছিল অভ্যৰ্থনা সমিতিৰ দ্বাৰা আয়োজিত প্ৰদৰ্শনীভাগ । প্ৰদৰ্শনীৰ দ্বাৰা উন্মোচন কৰিছিল শ্ৰীযুতা মোহিনী ৰাজকুমাৰী আইদেৱে । জিলা শাখা সংঘৰ একনিষ্ঠ প্ৰবীণ ৪৫ গৰাকী সেৱক, প্ৰচাৰক আৰু সংগঠক ভকতক সম্বৰ্দ্ধনা জনোৱাটো আছিল উৎসৱৰ অন্যতম এক বিশিষ্ট কাৰ্যসূচী । সম্বৰ্দ্ধিত ভকতসকল আছিল — সৰ্বশ্ৰীঅচ্যুতকৃষ্ণ মিশ্ৰ, শ্ৰীসোণাৰাম চুতীয়া, স্বৰ্গীয় জীউৰাম হাজৰিকা, স্বৰ্গীয় যোগেন দত্ত, স্বৰ্গীয় দেহীৰাম হাজৰিকা, স্বৰ্গীয় সোণধৰ দত্ত, স্বৰ্গীয় সদানন্দ গগৈ, স্বৰ্গীয় কুশেশ্বৰ কলিতা, স্বৰ্গীয় উত্তৰাকান্ত বৰা, স্বৰ্গীয় বেণুৰাম বৰুৱা, মণিৰাম গগৈ, স্বৰ্গীয় বাপুৰাম পাঠক, স্বৰ্গীয় গান্ধিৰাম লইং, স্বৰ্গীয় গণেশ ভূঞা, স্বৰ্গীয় পীতাম্বৰ গগৈ, স্বৰ্গীয় গুণাৰাম ফুকন, স্বৰ্গীয় গোলোক হাজৰিকা, শ্ৰীকৃষ্ণৰাম দাস, স্বৰ্গীয় বিযুৰাম দত্ত, ৰামেশ্বৰ ৰাজখোৱা, স্বৰ্গীয় মণ্ডৰাম বৰা, স্বৰ্গীয় ভদ্ৰকান্ত ফুকন, স্বৰ্গীয় মোহন চন্দ্ৰ মহন্ত, স্বৰ্গীয় ডিম্বেশ্বৰ শইকীয়া, ঘনকান্ত তামুলী, স্বৰ্গীয় পুণ্যেশ্বৰ শইকীয়া, স্বৰ্গীয় সোমনাথ কলিতা, স্বৰ্গীয় পোৱাল চন্দ্ৰ শইকীয়া, স্বৰ্গীয় ফণীধৰ বৰা, স্বৰ্গীয় ভুবন নাথ, স্বৰ্গীয় যদুনাথ শইকীয়া, ৰজনী ৰাজখোৱা, মোহন চন্দ্ৰ ৰাজখোৱা, গোলোক তামুলী, স্বৰ্গীয় ৰামেশ্বৰ ৰান্ধনি, স্বৰ্গীয় ভদ্ৰৰাম পাঠক, স্বৰ্গীয় তিলেশ্বৰ নাথ, স্বৰ্গীয় ৰূপেশ্বৰ বৰপাত্ৰ গোহাঁই, স্বৰ্গীয় যোগেন হাজৰিকা, স্বৰ্গীয় ৰোষেশ্বৰ দহোটীয়া, স্বৰ্গীয় বিৰোচন ৰান্ধনি, স্বৰ্গীয় ফটিক হাজৰিকা, স্বৰ্গীয় বলোৰাম শইকীয়া, স্বৰ্গীয় জোনাৰাম শইকীয়া, স্বৰ্গীয় কেশৰ ৰাজখোৱা, স্বৰ্গীয় নাকটি হাজৰিকা, স্বৰ্গীয় ডিম্বেশ্বৰ ফুকনবাপ । তদুপৰি সম্বৰ্দ্ধনা সভাত স্বৰ্গগত ভকতসকললৈ শ্ৰদ্ধাঞ্জলি আৰু ৩২ গৰাকী নবীন কৰ্মীলৈ কৃতজ্ঞতা জ্ঞাপন কৰা হয় । সম্বৰ্দ্ধনা সভাখনি উদ্বোধন কৰে অসম শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৰাজ্যিক সম্পাদক শ্ৰীযুত গোবিন্দ শইকীয়াই আৰু সভাপতিত্ব কৰিছিল শ্ৰীযুত সোণাৰাম চুতীয়াবাপে । নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে ভূতপূৰ্ব উপ-পদাধিকাৰ স্বৰ্গীয় ঋযেশ্বৰ দলৈবাপে । মুকলি সভাৰ সভাপতি আছিল জিলা সভাপতি শ্ৰীযুত যোগেশ্বৰ বৰাবাপ । অধ্যাপক যতীন বৰাবাপে বিশিষ্ট অতিথি হিচাপে সভাত ভাষণ দিয়ে । সাহিত্য শাখাৰ সভাত গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মোহিনী শইকীয়াই

স্মৃতিগ্ৰন্থ উন্মোচন কৰে । অসম শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাহিত্য শাখাৰ সম্পাদক শ্ৰীযুত চন্দ্ৰ বৰদলৈবাপে নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে । কৃষ্টি সভাত সভাপতিত্ব কৰিছিল শংকৰী কৃষ্টি সাধক শ্ৰীযুত গোলাপ মহন্তবাপে আৰু সংগীতজ্ঞ স্বৰ্গীয় ইন্দ্ৰ বৰাবাপে নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে । উৎসৱৰ তিনিও নিশাতেই বিবিধ শংকৰী কৃষ্টি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছিল ।

১৯৭৯ চনত গোলাঘাট জিলা শাখাৰ ২৬ তম্ বাৰ্ষিক অধিৱেশন ফৰকাটিং আঞ্চলিক শাখাৰ সৌজন্যত ফৰকাটিং ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গণত অনুষ্ঠিত হয় । মুকলি সভাত সভাপতিত্ব কৰে জিলা শাখাৰ সভাপতি শ্ৰীযুত ঘনকান্ত তামুলীবাপে ।

১৯৮১ চনত জিলা শাখাৰ ২৮ তম্ বাৰ্ষিক অধিৱেশন মৰঙ্গী আঞ্চলিকৰ নিমন্ত্ৰণ ক্ৰমে মৰঙ্গী চাৰিআলিত অনুষ্ঠিত হয় ।

১৯৮২ চনত ২৯ তম্ জিলা অধিৱেশন পশ্চিম গোলাঘাট আঞ্চলিক শাখাৰ আমন্ত্ৰণক্ৰমে তামুলীপথাৰ শ্ৰীমন্ত শংকৰদেৱ হাইস্কুল প্ৰাঙ্গণত অনুষ্ঠিত হয় ।

১৯৮৩ চনত ৩০ তম্ জিলা অধিৱেশন জিলা নামঘৰ ঢেকীয়ালত প্ৰতিনিধিমূলকভাৱে অনুষ্ঠিত হয় ।

১৯৮৪ চনত ৩১ তম্ জিলা অধিৱেশন দৈয়াং আঞ্চলিক শাখাৰ নিমন্ত্ৰণক্ৰমে খিলাধাৰী মৌজাৰ ১নং মাহীমেলিয়া নামঘৰত অনুষ্ঠিত হয় । মুকলি সভাত সভাপতিত্ব কৰে শ্ৰীযুত প্ৰফুল্ল চন্দ্ৰ শইকীয়াবাপে ।

১৯৮৫ চনত ৩২ তম্ জিলা অধিৱেশন মিছামৰা মৌজাৰ খনিকৰ গাঁও নামঘৰ প্ৰাঙ্গণত অনুষ্ঠিত হয় । মুকলি সভা উদ্বোধন কৰে প্ৰয়াত যোগেন দত্তবাপে । মুকলি সভাৰ সভাপতি শ্ৰীপ্ৰফুল্ল চন্দ্ৰ শইকীয়া

১৯৮৬ চনত ৩৩ তম্ জিলা অধিৱেশনভাগ বৰপথাৰৰ গেলাবিলত অনুষ্ঠিত হয় । সভাত সভাপতিত্ব কৰে শ্ৰীজীৱ বৰাবাপে ।

১৯৮৭ চনত ৩৪ তম্ অধিৱেশনভাগ গোলাঘাট পূব আঞ্চলিক শাখাৰ আমন্ত্ৰণক্ৰমে ভকতীয়া গাঁৱৰ সন্মিলিত হাইস্কুল প্ৰাঙ্গণত অনুষ্ঠিত হয় । মুকলি সভাত সভাপতিত্ব কৰে প্ৰফুল্ল চন্দ্ৰ শইকীয়াবাপে ।

১৯৮৮ চনত ৩৫ তম্ জিলা অধিৱেশন অনুষ্ঠিত হয় কাকডোঙা ডুবিয়াল নামঘৰ প্ৰাঙ্গণত ।

১৯৮৯ চনত ৩৬ তম্ বাৰ্ষিক অধিৱেশন গোলাঘাট নগৰ প্ৰাথমিকৰ সহযোগত গোলাঘাট খেলপথাৰত অনুষ্ঠিত হয় ।

১৯৯০ চনত ৩৭ তম্ জিলা অধিৱেশন মৰঙ্গী আঞ্চলিক শাখাৰ সহযোগত ফুলবাৰীত অনুষ্ঠিত হয় ।

১৯৯১ চনত ৩৮ তম্ জিলা অধিৱেশন প্ৰতিনিধিমূলক সভা হিচাপে জিলা কাৰ্যালয় ঢেকীয়ালত অনুষ্ঠিত হয় ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

১৯৯২ চনত ৩৯ তম্ অধিৱেশন গোলাঘাট পশ্চিম আঞ্চলিকৰ সহযোগত মহুৰামুখ হাইস্কুল প্ৰাঙ্গণত অনুষ্ঠিত হয়। গুৱাহাটীৰ শ্ৰীবংশী বড়ো আৰু শ্ৰীযুতা খুনু দত্তই নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে।

১৯৯৩ চনত জিলা শাখাৰ ৪০ তম্ বাৰ্ষিক অধিৱেশনভাগ গোলাঘাট উত্তৰ আঞ্চলিক আৰু স্থানীয় প্ৰাথমিকৰ সহযোগত বৰটিকাৰ মুহিৰাম হাজৰিকা হাইস্কুল প্ৰাঙ্গণত অনুষ্ঠিত হয়।

১৯৯৪ চনত জিলা শাখাৰ ৪১ তম্ অধিৱেশনভাগ দৈয়াং আঞ্চলিক শাখাৰ সহযোগত চাউদাং পথাৰৰ জয়পুৰ প্ৰাথমিক শাখাৰ নামঘৰত অনুষ্ঠিত হয়। মূল সভাৰ সভাপতি আছিল লেখোৰাম বৰুৱা, নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে শোভন শইকীয়াই।

১৯৯৫ চনত জিলা শাখাৰ ৪২ তম্ বাৰ্ষিক অধিৱেশনভাগ ফৰকাটিং আঞ্চলিক শাখাৰ সহযোগত মূল সংঘৰ ৬৪ তম্ বাৰ্ষিক অধিৱেশনৰ থলীত এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয়।

১৯৯৬ চনত জিলা শাখাৰ ৪৩ তম্ বাৰ্ষিক অধিৱেশন ঢেকীয়াল অঞ্চলৰ প্ৰাথমিকৰ সহযোগত যোগীগাঁও বৰনামঘৰ প্ৰাঙ্গণত অনুষ্ঠিত কৰে।

১৯৯৭ চনত জিলাৰ ৪৪ তম্ বাৰ্ষিক অধিৱেশন পূব আঞ্চলিক শাখাৰ সহযোগত বৰুৱা গাঁও নামঘৰ প্ৰাঙ্গণত অনুষ্ঠিত কৰে।

১৯৯৮ চনত ৪৫ তম্ জিলা অধিৱেশনভাগ লুকুমাই বৰনামঘৰ প্ৰাঙ্গণত স্থানীয় প্ৰাথমিকসমূহৰ সহযোগত অনুষ্ঠিত হয়।

১৯৯৯ চনত জিলা শাখাৰ ৪৬ তম্ বাৰ্ষিক অধিৱেশনভাগ নৱ গঠিত গোলাঘাট আঞ্চলিক শাখাৰ সৌজন্যত ফৰকাটিং কোঁচগাঁও নামঘৰ প্ৰাঙ্গণত বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত হয়। অধিৱেশনৰ লগত সঙ্গতি ৰাখি জিলা সেৱা বাহিনীৰ প্ৰতিনিধিমূলক সাধাৰণ সভা অনুষ্ঠিত কৰা হয়।

২০০০ চনৰ জানুৱাৰী মাহত জিলা শাখাৰ ৪৭ তম্ বাৰ্ষিক অধিৱেশনভাগ মৰঙ্গী আঞ্চলিক শাখাৰ আমন্ত্ৰণক্ৰমে মৰঙ্গী চাৰিআলিৰ পানীকৰা নামঘৰ প্ৰাঙ্গণত বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰাৰ ব্যৱস্থা কৰা হৈছে।

জিলা অধিৱেশনসমূহ অনুষ্ঠিত কৰোঁতে শংকৰী সাহিত্য-সংস্কৃতি বিকাশলৈ লক্ষ্য ৰাখি শিশু আৰু যুৱসকলৰ মাজত নৃত্য-গীত, কবিতা আবৃত্তি ৰচনা প্ৰতিযোগিতা আদি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। জিলা শাখাৰ উদ্যোগত শংকৰী নৃত্য, গীত, অংকীয়া ভাওনা অভিনয় আদি প্ৰদৰ্শন কৰি সংস্কৃতিৰ বিকাশত জিলা সাহিত্য-সংস্কৃতি শাখাই অধিক গুৰুত্ব দি আহিছে। গুৰুজনাৰ শুদ্ধ-সত্য ধৰ্মাদৰ্শ প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত অঞ্চলবিশেষে জিলা অধিৱেশনসমূহে বিশেষ ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। ❑

## পঞ্চম অধ্যায়

# আঞ্চলিক আৰু প্ৰাথমিকসমূহৰ ইতিবৃত্ত ঃ গঠন-সম্প্ৰসাৰণ

## (ক) গোলাঘাট জিলা শাখাৰ প্ৰাথমিক শাখা গঠন ঃ

ইংৰাজী ১৯৫০ চন ৫০১ শঙ্কৰাব্দলৈকে গোলাঘাট জিলাৰ কোনো অঞ্চলতেই প্ৰাথমিক সংঘ গঠনৰ ব্যৱস্থা নাছিল । জিলা সংঘই বিভিন্ন অঞ্চলৰ সংগীসকলৰ সহযোগত প্ৰচাৰ কাৰ্য চলাই কাৰ্য্য নিৰ্বাহ কৰি আছিল। সেয়ে ৫০১ শঙ্কৰাব্দৰ আহাৰৰ ৭ তাৰিখে খনিকৰ নামঘৰত নীতিগতভাৱে সংঘৰ শাখা গঠনৰ উদ্দেশ্যে এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয় । সভাত সভাপতিত্ব কৰিছিল সংঘৰ সম্পাদক প্ৰয়াত খগেশ্বৰ তামূলীদেৱে, সভা উদ্বোধন কৰিছিল পূজ্যপাদ শ্ৰীশ্ৰীগড়মুৰীয় সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামীয়ে আৰু সম্পাদকীয় প্ৰতিবেদন পাঠ কৰিছিল সংঘৰ সেই সময়ৰ উদীয়মান আৰু একনিষ্ঠ কৰ্মী প্ৰয়াত জীউৰাম হাজৰিকাদেৱে । সেই দিনাই সত্ৰাধিকাৰ প্ৰভুৰ পৰামৰ্শ অনুসৰি আৰু প্ৰাদেশিক শংকৰদেৱ সংঘৰ সংবিধান অনুসৰি গোলাঘাট জিলা সংঘৰ প্ৰাথমিক সংঘলৈ ৰূপান্তৰ কৰা হয় । এই প্ৰাথমিক শাখাটিৰ নামকৰণ কৰা হয় খনিকৰ প্ৰাথমিক সংঘ । জিলা সংঘ গঠনৰ অন্তৰ্গত (১৯৫৪/৫৫ চন) প্ৰাক্‌মুহূৰ্ত্তত গোলাঘাট জিলাৰ অন্তৰ্গত মলাই কুমাৰ গাঁও, গণক পুখুৰী, ঢেকীয়াল, ঢেকীয়াল যোগীগাঁও আৰু খনিকৰ গাৱঁক লৈ পাঁচখন প্ৰাথমিক শাখা গঠিত হয় । ১৯৫৫ চন ৫০৬ শঙ্কৰাব্দত পাঁচখন প্ৰাথমিকৰ সঙ্গীসকলৰে মলাইকুমাৰ প্ৰাথমিক সংঘত এখন প্ৰতিনিধিমূলক সভা অনুষ্ঠিত হয় । সভাত সভাপতিত্ব কৰিছিল প্ৰয়াত দেহিৰাম হাজৰিকাদেৱে (গাঁওবুঢ়া) ।

শ্ৰীসোণাৰাম চুতীয়াদেৱে সভা উদ্বোধন কৰিছিল আৰু নিৰ্দিষ্ট বক্তাৰ ভাষণ দিছিল শ্ৰীগোলোক কাকতিদেৱে । সেই সভাতেই ৫০৬ শঙ্কৰাব্দ বছৰৰ বাবে শ্ৰীসোণাৰাম চুতীয়াদেৱক সভাপতি, প্ৰয়াত যোগেন দত্তদেৱক প্ৰধান সম্পাদক হিচাপে লৈ গোলাঘাট জিলা সংঘৰ কাৰ্য্যনিৰ্বাহক সমিতি গঠন কৰা হয় । জিলা সংঘৰ প্ৰতিনিধিমূলক সভাত উপৰোক্ত প্ৰাথমিক শাখাকেইটিক স্বীকৃতি প্ৰদান কৰা হয় ।

জিলা সংঘ গঠনৰ প্ৰাক্‌মুহূৰ্ত্তত গঠিত প্ৰাথমিক শাখাকেইটিৰ ইতিবৃত্ত ক্ৰমে দিয়া হ'ল -

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

**খনিকৰ শাখা ঃ গঠন ১৯৫১**

খনিকৰ মিছামৰা মৌজাৰ অন্তৰ্গত এখন গাঁও । একেটি পৰিয়ালৰ সতি-সন্ততি বৃদ্ধি হৈ এখন বৃহৎ গাৱঁত পৰিণত হৈছে । আদি পুৰুষৰ নাম স্বৰ্গীয় নৰহৰি । তেখেতক পৰবৰ্তী কোনো এজন সুনিপুণ খনিকৰ হিচাপে প্ৰখ্যাত হোৱাত তেখেতৰ গুণৰ নামেৰে গাঁওখনিৰ নাম খনিকৰ হ'ল ।

গাৱঁৰ মুঠ গৃহস্থীৰ সংখ্যা ১৩১ ঘৰ, জনসংখ্যা ৭১০ জন । আয়তন ৩ বৰ্গ কিলোমিটাৰ ।

৫০১ শঙ্কৰাব্দৰ ৭ আহাৰত (ইং ১৯৫১) খনিকৰ প্ৰাথমিক শাখাটি গঠন কৰা হয় । সেই তাৰিখত অনুষ্ঠিত হোৱা সভা উদ্বোধন কৰে গড়মুৰীয়া সত্ৰাধিকাৰ স্বৰ্গীয় পীতাম্বৰ দেৱ গোস্বামীয়ে, সভাপতিত্ব কৰে স্বৰ্গীয় খগেশ্বৰ তামুলীয়ে । সেই তাৰিখৰপৰা প্ৰাথমিক সাখাৰ সভাপতিসকল স্বৰ্গীয় অৰুণ চন্দ্ৰ ৰাজখোৱা, স্বৰ্গীয় বজ্ৰনাথ বৰা, স্বৰ্গীয় মইনা শইকীয়া, স্বৰ্গীয় ব্ৰজনাথ বৰা, (সহঃসম্পাদক) স্বৰ্গীয় মইনা শইকীয়া, স্বৰ্গীয় মইনা শইকীয়া, স্বৰ্গীয় ব্ৰজনাথ বৰা, শ্ৰীযুত ৰজনী ৰাজখোৱা (সহঃ) শ্ৰীযুত সোণধৰ দত্ত, (সহঃ) (৫২৩ শংকৰাব্দৰপৰা ৫২৭ লৈ) সভাপতি সোণধৰ দত্ত, সহঃসম্পাদক মালিৰাম দত্ত, সভাপতি শ্ৰীযুত সোণধৰ দত্ত সহঃ সভাৰাম দত্ত । বৰ্তমান ৰূপেশ্বৰ বৰুৱা সভাপতি ।

**সম্পাদকসকল ঃ** সৰ্বশ্ৰীজীউৰাম হাজৰিকা, সোণধৰ দত্ত, যোগেন দত্ত, টঙ্কেশ্বৰ দত্ত, সভাৰাম দত্ত, গোপাল দত্ত, ৰুদ্ৰেশ্বৰ দত্ত । বৰ্তমান সম্পাদক হেমন দত্ত, সহঃসম্পাদক ৰঞ্জীত দত্ত ।

দুই বছৰৰ আগতে খনিকৰতে 'প্ৰদীপ' নামে এখন প্ৰাথমিক গঠন হৈছিল । উক্ত প্ৰাথমিকৰ সভাপতি তুলসী বৰা, সম্পাদক যতীন্দ্ৰনাথ বৰুৱা। নানা কাৰণত এই প্ৰাথমিকৰ সঙ্গীসকলে খনিকৰ প্ৰাথমিকতে যোগদান কৰাৰ মত প্ৰকাশ কৰাত যোৱা ইং ৪।১২।৯৯ তাৰিখত যোগেন দত্তৰ সভাপতিত্বত বহা এখনি সভাত প্ৰস্তাৱক্ৰমে দুয়োখনি প্ৰাথমিক চামিল কৰা হয় । চামিলকৰণৰ পাছত সম্পাদকৰ দায়িত্ব যতীন্দ্ৰনাথ বৰুৱাৰ ওপৰত অৰ্পণ কৰা হয় ।

পৰলোকগামী ব্ৰজনাথ বৰা এই প্ৰাথমিকৰ এজন অক্লান্ত কৰ্মী । জনপ্ৰিয় আৰু নিৰ্ভীক নেতৃত্ব দিব পৰা ব্যক্তি আছিল । তেখেতৰ গুণাৱলী অকল প্ৰাথমিক কৰ্মীয়েই নহয় পৰিচিত সকলো লোকেই সুঁৱৰি থাকিব । তেখেতৰ জন্ম ইংৰাজী ১৯০৪ চনৰ ২৫ বহাগত আৰু মৃত্যু ১৯৭২ চনৰ ২৩ আঘোণত। পিতা-মাতাআছিল স্বৰ্গীয় বালিৰাম বৰা, স্বৰ্গীয় উপমা বৰা, (খনিকৰ গাঁও)

বৰ্তমান প্ৰাথমিকৰ সঙ্গী সংখ্যা ৫০ জনলৈ বৃদ্ধি পাইছে ।

# শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, ঢেকীয়াল প্ৰাথমিক শাখাৰ চমু বুৰঞ্জী

## গঠন ঃ ১৯৫৪ চন

গোলাঘাট আৰু দেৰগাঁও নগৰৰ প্ৰায় মাজভাগতে পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথৰ পশ্চিম দিশত ঢেকীয়াল মৌজাৰ অন্তৰ্গত ঢেকীয়াল ৰাজহ গাৱঁৰ অৱস্থান । ঢেকীয়ালৰ মহাপুৰুষীয়া ধৰ্ম আন্দোলন গঢ় লৈ উঠাৰপৰা বৰ্তমানলৈকে ঢেকীয়াল প্ৰাথমিক শাখাটিয়ে সামৰি লোৱা ঠাইসমূহৰ কথা উল্লেখ নকৰিলে প্ৰাথমিক শাখাটিৰ বুৰঞ্জীত খুট ৰৈ যাব । সেয়ে ঢেকীয়াল প্ৰাথমিকৰ অন্তৰ্গত গাৱঁৰ এলেকা হ'ল - ঢেকীয়াল, মলিয়া, চেতীয়া, সন্দিকৈ, বেতীয়নি আৰু কাঠকতীয়া গাৱঁৰ অংশ বিশেষৰ সঙ্গীৰে ঢেকীয়াল প্ৰাথমিক শাখাটি গঠন হৈছে ।

ঢেকীয়াল গাঁওখন ঢেকীয়াল মৌজাৰ অতি প্ৰাচীন গাওঁ । আহোম স্বৰ্গদেউ চুহুংমুঙৰ ৰাজত্ব কালত নতুন কৈ সৃষ্টি কৰা বৰপাত্ৰ গোহাই পদবীৰে কনচেং বৰপাত্ৰ গোহাঁই ঢেকীয়ালৰ শাসন কৰ্তা আছিল । ষষ্ঠদশ শতিকাৰ শেষৰফালে জাতীয় বীৰ লাচিত বৰফুকনৰ পিতৃ মোমাই তামুলী বৰবৰুৱা এই অঞ্চলৰ শাসনকৰ্তা হয় । বৰবৰুৱাই সমাজখন নতুনকৈ গঢ়িবলৈ চেষ্টা কৰি বিখ্যাত বছা দৈয়াং চহৰ পাতিলে । ওপৰ দৈয়াং আৰু নাম দৈয়াং দুটা ভাগত ভাগ কৰিলে । ঢেকীয়াল ওপৰ দৈয়াঙৰ অন্তৰ্গত। তেখেতে সংগঠন কৰা গৌৰৱময় অধ্যায়টি হ'ল 'ঢেকীয়াল শয়ক' । ৰজাঘৰীয়া কামৰ দায়িত্বৰে উপাধি দি ঢেকীয়াল ভেটুৱা, মলখু, যোগী আৰু এঘৰ মুছলমানক লৈ পাঁচটা কুৰি (সৰু গোট) 'ঢেকীয়াল শয়ক' গঠন কৰিলে । প্ৰতি কুৰিয়ে ৰজাঘৰীয়া নিজ নিজ দায়িত্ব পালন কৰাৰ উপৰি চাৰিটা কুৰিৰ নামঘৰত প্ৰতি বছৰে বৰসবাহ অনুষ্ঠিত কৰাৰ প্ৰথা আছিল। মুছলমানসকলেও এই বৰসবাহলৈ নিমন্ত্ৰণ পাইছিল । ১৯৩৬/৩৭ চন মানলৈকে এই প্ৰথা লৈ আছিল। মোমাই তামুলী বৰবৰুৱাই ঢেকীয়াল শয়কৰ প্ৰথা প্ৰবৰ্তন কৰি হিন্দু-মুছলমানৰ যি সামাজিক, অৰ্থনৈতিক আৰু সংস্কৃতিক ঐক্য সমন্বয় স্থাপন কৰি গ'ল, ই আহোম যুগৰ ইতিহাসৰ এক গৌৰৱময় অধ্যায় হিচাপে জন মানসত স্থান পাই আহিছে ।

গোলাঘাট নগৰক কেন্দ্ৰ কৰি ১৯০৯/১০ চন মানতে এক ধৰ্মীয়

আন্দোলনে গা কৰি উঠিছিল । বিশেষকৈ ১৯৩৪ চনত গোলাঘাট নগৰৰ স্বৰ্গীয় যোগেন্দ্ৰ নাথ বৰুৱাদেৱৰ মাতৃৰ শ্ৰাদ্ধ এঘাৰ দিনীয়া প্ৰথাৰে সম্পন্ন হৈছিল । এই শ্ৰাদ্ধত ঢেকীয়াল অঞ্চলৰ বৰ্তমান প্ৰয়াত কনকেশ্বৰ বৰগোহাঁই, কেৰকণ দত্ত, খগেশ্বৰ তামূলী, জীউৰাম হাজৰিকা, বিষ্টুৰাম দত্ত আদি লোক সকলে সহযোগ কৰিছিল । সেই সময়ত ধৰ্ম আন্দোলনৰ মূল উদ্দেশ্য আছিল সৰ্বধৰ্মৰ দশাহা অশৌচ এঘাৰ দিনীয়া আৰু ব্ৰাহ্মণ (শুদ্ৰ) তন্ত্ৰধাৰৰ দ্বাৰা বিবাহ কাৰ্য্য সম্পন্ন কৰা । ঢেকীয়ালৰ প্ৰয়াত খগেশ্বৰ তামূলীদেৱে ১৯৪০ চনৰ ভিতৰত 'যুক্তিৰত্ন' আৰু শ্ৰাদ্ধ নিৰ্ণয় নামে দুখন পুথি প্ৰণয়ন আৰু ১৯৪৫ চনত আউনীআটীয় গোস্বামী প্ৰভুলৈ 'মুকলি চিঠি' নামৰ আন এভাগ পুথি লিখি প্ৰচাৰ কৰে । এনেদৰেই বৃহত্তৰ ঢেকীয়াল অঞ্চলত মহাপুৰুষীয়া ধৰ্ম আচৰণৰ সূত্ৰপাত হয় । ১৯৩৮/৩৯ চন মানতে 'ঢেকীয়াল শঙ্কৰ সংঘ' নামৰ এভাগ অনুষ্ঠানৰ জন্ম হয় । প্ৰয়াত কেৰকণ দত্তদেৱে দান দিয়া মাটিত ঢেকীয়াল তিনি আলিত এই সংঘৰ প্ৰথম কাৰ্যালয় প্ৰতিষ্ঠা হয় । ইয়াৰ দুৱাৰ মুকলি কৰে গড়মুৰীয়া সত্ৰাধিকাৰ প্ৰয়াত পীতাম্বৰদেৱ গোস্বামী প্ৰভুৱে। কিছুদিনৰ পাছত ইয়াৰ কাৰ্যালয় কাঠকটীয়া যোগী গাৱঁলৈ স্থানান্তৰিত হয়। ঢেকীয়াল শঙ্কৰ সংঘৰ সঙ্গীসকল কোনো এখন নিৰ্দিষ্ট গাৱঁৰ লোক নাছিল। বহু ঠাইৰ প্ৰয়াত লোকসকলৰ মহাপুৰুষীয়া ধৰ্ম আন্দোলনৰ প্ৰাৰম্ভতে আগবঢ়োৱা সেৱা চিৰস্মৰনীয় হৈ থাকিব। বিশেষকৈ ঢেকীয়াল অঞ্চলত গড়মুৰীয়া সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামী, ৰমাকান্ত মুক্তিয়াৰ আতা, লোকসেৱক হলধৰ ভূএগ, তৰ্কশাস্ত্ৰী ভুৱন চন্দ্ৰ ভূএগ আদি স্বনামধন্য পণ্ডিতসকলৰ সঘন আগমনে মহাপুৰুষীয়া ধৰ্মৰ বীজ ৰোপণৰ ব্যৱস্থাৱলী সহজ লভ্য কৰি তুলিছিল। তদুপৰি ৪৮৬ শঙ্কৰাব্দ গুৰু জয়ন্তী ভাগ গোলাঘাট জিলাৰ প্ৰথম জন্মোৎসৱ হিচাপে ঢেকীয়ালৰ মলখু কুৰি নামঘৰত অনুষ্ঠিত হৈছিল । ইয়াৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আৰু সম্পাদক যথাক্ৰমে কনকেশ্বৰ বৰগোহাঁই আৰু খগেশ্বৰ তামূলী বাপদ্বয় আছিল ।

ঢেকীয়াল ৰাজহ গাৱঁৰ ক্ষেত্ৰফল প্ৰায় দুই বৰ্গ কিলোমিটাৰ আৰু জন সংখ্যা প্ৰায় দুহেজাৰ জনৰ অধিক । শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ গোলাঘাট জিলা গঠন হোৱাৰ কেইবছৰ মানৰ আগতে ঢেকীয়াল প্ৰাথমিক শাখাটিৰ জন্ম । ১৯৫৪ চনৰ মাৰ্চ মাহত (৬/৭/৮) তাৰিখে ঢেকীয়াল মলখু কুৰি নামঘৰৰ প্ৰাংগণত প্ৰাদেশীক শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ত্ৰয়োবিংশতম (২৩তম) অধিৱেশন অনুষ্ঠিত হয় । এই অধিৱেশনতেই মূল কাৰ্যালয়ে ঢেকীয়াল প্ৰাথমিক শাখাটিকে গোলাঘাট জিলা শাখা হিচাপে পঞ্জীভুত কৰে । সেই

সময়ত শাখাটিৰ গৃহস্থি সংখ্যা আছিল পোন্ধৰ ঘৰ । এই প্ৰাথমিক জিলা শাখা হিচাপে গণ্য হৈ থকা কালছোৱাত সভাপতি আছিল ক্ৰমে কনকেশ্বৰ বৰগোহাঁই, ডিম্বেশ্বৰ হাজৰিকা আৰু বিষ্টুৰাম দত্ত । সম্পাদক একেৰাহে খগেশ্বৰ তামুলী ।

১৯৫৪ চনৰ প্ৰাদেশীক অধিবেশনৰ পাছতহে সংবিধানীক হিচাপে ঢেকীয়াল প্ৰাথমিক শাখাই স্বীকৃতি লাভ কৰে । তেতিয়াৰপৰা বৰ্তমানলৈ এই প্ৰাথমিক শাখাটিৰ সভাপতিসকল হ'ল ক্ৰমে শ্ৰীঘনকান্ত তামুলী, প্ৰয়াত বদন শইকীয়া, গোলাপ চন্দ্ৰ বৰা, পদ্মেশ্বৰ দত্ত, শ্ৰীৰত্নেশ্বৰ দত্ত আৰু শ্ৰীনন্দনাথ বৰা । সম্পাদকসকল ক্ৰমে শ্ৰীযোগেশ্বৰ বৰা, শ্ৰীখেতেকেশ্বৰ বৰা, শ্ৰীদুলাল বৰদলৈ, শ্ৰীনন্দনাথ বৰা, শ্ৰীপ্ৰফুল শইকীয়া আৰু শ্ৰীঅতুল শইকীয়া। প্ৰশাসনিক সুবিধাৰ কাৰণে ১৯৭৪ চনত মলখুকুৰি প্ৰাথমিক, ১৯৯৬ চনত শ্ৰীমন্ত আৰু কল্পতৰু প্ৰাথমিক শাখা হিচাপে ঢেকীয়াল প্ৰাথমিক শাখাক ভাগ কৰি নতুন তিনিখন প্ৰাথমিক শাখা গঠন কৰা হয় । বৰ্তমান ঢেকীয়াল প্ৰাথমিক শাখাৰ সঙ্গী গৃহস্থি ১৪৫ ঘৰ, আৰু সঙ্গী সংখ্যা প্ৰায় চাৰিশ জন।

এই প্ৰাথমিক শাখাটিৰ বাটকটীয়া সঙ্গীসকল হ'ল- প্ৰয়াত খগেশ্বৰ দত্ত, কনকেশ্বৰ বৰগোহাঁই, ৰঙাই নাথ মেধী, কেৰকণ দত্ত, পঞ্চধৰ দত্ত, মোলোক দত্ত, ঠগীৰাম দত্ত, ৰূপৰাম দত্ত, গোলোক বৰা, তিলেশ্বৰ বায়ন, কণ বৰা, সোণাৰাম বৰুৱা, মহেশ্বৰ বৰা, নাকটি হাজৰিকা, দুৰ্গা বৰশইকীয়া, জীউৰাম হাজৰিকা, হেমকান্ত তামুলী, নোমল তামুলী, বোবেশ্বৰ তামুলী, নৰেন্দ্ৰ নাথ, ৰশাই নাথ মেধী, খুকাই নাথ, মিঠাই নাথ, দেউৰাম শইকীয়া, থানুৰাম বৰুৱা, ডিম্বেশ্বৰ শইকীয়া, পুণ্যেশ্বৰ শইকীয়া, দণ্ডধৰ হাজৰিকা, ৰশাই হাজৰিকা, কনল'ৰা শইকীয়া, বংশীধৰ দত্ত, ইন্দ্ৰ দত্ত, মালভোগ বৰা, তামুলী বৰগোহাঁই, বাপুৰাম শইকীয়া, ৰামসাগৰ ফুকন, চন্দ্ৰ ফুকন, খিৰেশ্বৰী বৰা আদি পৰলোক গামী সঙ্গীসকলৰ নাম স্মৰণীয় ।

প্ৰাথমিক শাখাৰ প্ৰধান সঙ্গী শ্ৰীঘনকান্ত তামুলী জিলা সভাপতি আৰু শৰণ সদস্য, প্ৰয়াত জীউৰাম হাজৰিকা জিলা সভাপতি, শ্ৰীযোগেশ্বৰ বৰা জিলা সম্পাদক আৰু সভাপতি, শ্ৰীৰত্নেশ্বৰ দত্ত জিলা সভাপতি আৰু মূলৰ সদস্য শ্ৰীনিৰ্মল চন্দ্ৰ বৰা জিলা সাহিত্য শাখাৰ সভাপতি, শ্ৰীপ্ৰফুল্ল শইকীয়া জিলা সংস্কৃতি শাখাৰ সম্পাদক আৰু জিলা সম্পাদক হিচাপে সেৱা আগবঢ়াই প্ৰাথমিক শাখাটিৰ সৌষ্ঠৱ বঢ়াই আহিছে । মহাপুৰুষীয়া সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰটো তেখেতসকলৰ অৰিহণা কম নহয় । নামধৰ্ম, শ্ৰীমন্ত, বিভিন্ন স্মৃতি গ্ৰন্থত তেখেতসকলৰ বহুমূল্যবান প্ৰবন্ধ প্ৰকাশ হৈ আহিছে ।

অকল সেয়ে নহয় বক্তা হিচাপেও তেখেতসকলে গভীৰ অধ্যয়ন আৰু পাণ্ডিত্যৰ পৰিচয় দি আহিছে । শঙ্কৰী সঙ্গীতৰ (নৃত্য, গীত, বাদ্য) দিশত এই প্ৰাথমিক বহু শিশু, যুৱক-যুৱতীয়ে শিক্ষা গ্ৰহণ কৰি সফল হ'ব পাৰিছে। ইয়াৰ ভিতৰত বিশেষ যোগ্যতা লাভ কৰাসকল হ'ল সৰ্বশ্ৰী ৰঞ্জন কুমাৰ বৰা, আৰু নিতুল কুমাৰ বৰাই গায়ন বিদ্যা, যাদৱ শইকীয়া আৰু পৰাগজ্যোতি হাজৰিকাই বায়ন বিদ্যা, পঙ্কজ কুমাৰ দত্ত আৰু পাৰ্থ প্ৰতীম দত্তই নৰ্ত্তন বিদ্যা, কমলাক্ষী শইকীয়াই নৰ্ত্তন আৰু গায়ন বিদ্যা । তদুপৰি অঙ্কীয়া নাটৰ অভিনয়, গায়ন, বায়ন, ক্ষেত্ৰটো বহু সংখ্যক শিশু, যুৱক-যুৱতীয়ে অংশ গ্ৰহণ কৰিছে । শ্ৰীমতী কমলাক্ষী শইকীয়াই অসম ৰাজ্যিক সংগীত মহাবিদ্যালয়ৰ পৰা স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈছে ।

সংবিধানীক ভাৱে নামাচাৰ্য্য, পাঠাচাৰ্য্য, দেউৰী বিলনীয়া, বিবাহ পৰিচালক আদি কৃষ্টিসমূহৰ প্ৰশিক্ষণ গ্ৰহণ কৰি শতাধিক সঙ্গী বাপ-আয়ে প্ৰাথমিকখনিক স্বয়ং সম্পূৰ্ণ কৰি তুলিছে । শিশু, যুৱ আৰু আই মাতৃ সমাৰোহৰ জিলা আৰু কেন্দ্ৰীয় অনুষ্ঠানসমূহত সহযোগ কৰা হৈছে । কেন্দ্ৰীয় সমাৰোহৰ প্ৰতিযোগীতাত এই প্ৰাথমিকৰ শিশু আৰু যুৱকে প্ৰথম স্থান লাভ কৰাৰ সৌভাগ্যও ঘটিছে ।

কেন্দ্ৰীয় শিশু সমাৰোহত শ্ৰীমান অংশুমান কলিতা আৰু শ্ৰীমতী জ্ঞানশ্ৰী বৰাই প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে । শ্ৰীমান অংশুমান কলিতাই আগতে শিশু বক্তা আৰু বৰ্তমানে চেমনীয়া বক্তা হিচাপে জিলাৰ বাহিৰে ভিতৰে সমাৰোহ, গুৰুজয়ন্তী, বাৰ্ষিক অধিৱেশনত ভাষণ দান দি প্ৰাথমিকখনিৰ গৌৰৱ বঢ়াইছে । তদুপৰি সংবিধানিক নীতিমতে প্ৰাথমিক শাখাৰ যুৱক-যুৱতীসকললৈ সেৱা বাহিনী গঠন কৰি বিভিন্ন সেৱা কাৰ্য্যত ব্ৰতী হোৱা হৈছে ।

*নন্দনাথ বৰা, সভাপতি*

(প্ৰাথমিকৰ সভাপতি শ্ৰদ্ধেয় শ্ৰীযুত নন্দনাথ বৰা বাপৰ সভাপতিত্বত ২।১২।৯৮ তাৰিখে অনুষ্ঠিত হোৱা কাৰ্যনিৰ্বাহক সভাত পঠিত আৰু গৃহীত।)

*— অতুল শইকীয়া*

# মলাই কুমাৰ নিৰঞ্জন প্ৰাথমিক শাখা

## গঠন ঃ ১৯৪৯ চন

মলাই কুমাৰ গাঁও গোলাঘাট মহকুমাৰ দেৰগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত। মিছামৰা মৌজাৰ এখন প্ৰাচীন গাঁও, কিংবদন্তিমতে প্ৰাচীন কালত কনৌজৰপৰা দুজন ব্ৰাহ্মণ আৰু এজন শূদ্ৰ কামৰূপলৈ আহিছিল । তাৰে এজনে স্বপ্ন দেখিলে যে দেৰগাৱঁৰ ওচৰৰ কোনো এখন ঠাইত এটা শিৱমূৰ্তি আছে । তাত কোনেও পূজা কৰা নাই । দেৰগাৱঁৰ ওচৰৰে নেঘেৰিটিং নামৰ ঠাইখিনিত হাবি জঙ্ঘলেৰে আবৃত্ত হৈ থকা এটি টিলাৰ ওপৰত শিৱমূৰ্তি পালে । তেওঁলোকে সেই শিৱলিংগ তাতে প্ৰতিষ্ঠা কৰি যথাবিধি পূজা-সেৱাৰ ব্যৱস্থা কৰিলে । এজন ব্ৰাহ্মণে পূজাৰ কাৰণে বজাল বাঁহৰ চুঙা কাটি পানী আনিলে কিন্তু সেই পানী ৰখাৰ পাত্ৰৰ অভাৱ হোৱাত শূদ্ৰজনে আঠুৰমূৰতে মাটিৰ এটা মলা চৰু তৈয়াৰ কৰি দিলে । বজাল বাঁহৰ চুঙা কাটি পানী পানী অনা ব্ৰাহ্মণৰ বংশ এতিয়াও আছে, যাক বজাল কটা ব্ৰাহ্মণৰ ঘৰ বোলা হয় । যিজন শূদ্ৰই আঠুৰ মূৰত মলাচৰু সাজি দিছিল সেই গৰাকী লোক এই স্থানলৈ আহি এগৰাকী শূদ্ৰ কন্যাৰ পানি গ্ৰহণ কৰি জীৱিকা নিৰ্বাহৰ কাৰণে এই স্থানতে স্থায়ীভাৱে বসতি কৰিবলৈ লয় । আঠুৰ মূৰত মাটিৰে মলা চৰু সাজি দিয়াৰ কাৰণে 'মোলাই' নামৰ সেই আদি পুৰুষ গৰাকীক 'কুমাৰ' উপাধি দিয়ে । সেই আদি পুৰুষ গৰাকীৰ নামেৰেই কালক্ৰমত এই গাৱঁৰ নাম 'মোলাই' শব্দ অপভ্ৰংশ হৈ 'মলাই কুমাৰ' হয়গৈ । তেখেতৰ পৰা বঢ়া বংশটোৰ নাম কুমাৰৰ বংশ বুলি কোৱা হয় । এই কুমাৰৰ বংশৰ লোকসকলৰ উপৰি এইখন গাৱঁত আৰু ভালেকেইটা বংশৰ লোকে বসতি কৰে ।

এই গাৱঁত 'কাঠবাপু' নামৰ এখন মহাপুৰুষীয়া সত্ৰ আছে যদিও নানা বংশৰ সংমিশ্ৰণেৰে এই গাঁও পৰিপূৰ্ণ হোৱাৰ সকলো লোকেই মহাপুৰুষীয়া লোক । ধৰ্মীয় অনুষ্ঠানসমূহৰ বাহিৰে সকলোবিলাক ৰাজহুৱা উন্নয়ণমূলক কামৰ বাবে গাঁওখনৰ সকলো লোকৰ এটা একমুখী সাংগঠনিক দিশ আছে।

গাঁওখনৰ পূবে ভাবলী গাঁও, লোৱাদোংজান, কুৱালগুৰি, পশ্চিমে ডুলীয়া, মাহনিয়াল গাঁও, উত্তৰে - দনাই গাঁও, কমাৰ গাঁও, দক্ষিণে বাহকৰা গাঁও । গাৱঁৰ সমীপতে অসম সমবায় চেনিকল অৱস্থিত । বৰ্তমান গাঁওখনত স্থায়ী বাসিন্দা ১৭০ ঘৰ, জন সংখ্যা প্ৰায় ১৫০০ জন । শতকৰা

৮০ ঘৰগৃহস্থীয়েই কৃষিজীৱী বাকীসকল ব্যৱসায়ী আৰু চৰকাৰী কৰ্মচাৰী। শিক্ষিতৰ সংখ্যা প্ৰায় শতকৰা ৯০ শতাংশ হ'ব । গাৱঁৰ ক্ষেত্ৰফল প্ৰায় ৪ বৰ্গ কিলোমিটাৰ ।

**সামাজিক অনুষ্ঠান ঃ** গাঁওখনৰ মধ্যস্থানত এটি ৰাজহুৱা নামঘৰ, এটি পুথিভঁৰাল, এখন ১২০ বছৰীয়া প্ৰাথমিক বিদ্যালয়। এখন মধ্য ইংৰাজী বিদ্যালয় আছে । এখন উচ্চ ইংৰাজী বিদ্যালয় আৰু এখন প্ৰাথমিক বিদ্যালয় ৰাইজৰ সহযোগত প্ৰতিষ্ঠা কৰা হৈছে ।

**গঠন ঃ** মলাই কুমাৰ নিৰঞ্জন প্ৰাথমিক শাখা ১৯৪৯ চনত গঠিত হয় । তেতিয়া সংগী গৃহস্থিৰ ঘৰ বেছি নাছিল । বৰ্তমান সংগী গৃহস্থিৰ সংখ্যা ৬০ ঘৰ, সংগীৰ সংখ্যা প্ৰায় - ১২০ জন । পূৰ্বতে এই প্ৰাথমিক শাখাত থকা বহুতো সংগী গৃহস্থী স্থানান্তৰ হোৱাত তেখেতসকলে ফুলবাৰী, জৰাগুৰি প্ৰাথমিক আৰু বাহৰুৱা প্ৰাথমিক শাখাত অন্তৰ্ভুক্ত হয় ।

**ধৰ্ম আন্দোলনৰ পাতনি ঃ** ১৯২১ চনৰ আগলৈকে এইখন গাৱঁৰ সকলো লোক কৰ্মকাণ্ডী বিধি ব্যৱস্থাৰে চলিছিল । মৃতাহ কৰ্ম বেদৰ কৰ্ম কাণ্ডৰে সম্পাদন কৰিছিল । সেই সময়ত সমগ্ৰ ভাৰতবৰ্ষ জুৰি স্বাধীনতা আন্দোলনৰ লগতে হৰিজন মুক্তি আন্দোলনেও গা কৰি উঠিছিল । অসমত এই আন্দোলনৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰচাৰ কৰা নৱ বৈষ্ণৱ ধৰ্মৰ আদৰ্শৰে এখন শুদ্ধ সত্ত্ব সমাজ প্ৰতিষ্ঠা কৰাৰ বিষয়ে চিন্তা-চৰ্চা কৰিছিল। কালক্ৰমত মহাপুৰুষীয়া ধৰ্মাদৰ্শৰ প্ৰতি আনুগত্য স্বীকাৰ কৰা বৰেণ্য ব্যক্তিৰ আপ্ৰাণ চেষ্টাত অসমত 'শঙ্কৰ সঙ্ঘ' নামে এটা নতুন সংস্কাৰমুখী ধৰ্মীয় অনুষ্ঠানে জন্ম লাভ কৰে ।

মহাপুৰুষীয়া ধৰ্ম গ্ৰহণ কৰা লোকসকলে সংস্কাৰমুখী মনোভাৱেৰে অনুষ্ঠান আদি সম্পাদন কৰিবলৈ ধৰিলে । ১। মৃতাহ কৰ্ম মাহেকীয়াৰ পৰা এঘাৰ দিনত সম্পন্ন কৰা । ২। বিবাহ কাৰ্য্যও ঘট প্ৰতিষ্ঠাৰ পৰিবৰ্তে ভাগৱত প্ৰতিষ্ঠা কৰি শূদ্ৰ পুৰোহিতৰ দ্বাৰা বিবাহ সম্পাদন ৩। মৃতাহ কৰ্ম নাম-কীৰ্তনেৰে সম্পাদন কৰা । অসমৰ মাত্ৰ কেইগৰাকীমান মুষ্টিমেয় লোকেহে সমাজৰ বাধা-বিঘিনি অতিক্ৰম কৰি এই আন্দোলনৰ গুৰি ধৰিছিল। সেইসকলৰ ভিতৰত প্ৰয়াত হলধৰ ভূঞা, ভুবন চন্দ্ৰ ভূঞা, ৰমাকান্ত মুক্তিয়াৰ আতা, শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামী, ঘনশ্যাম বৰুৱা, ৰাইচাহাব গোপীকা বল্লভ দেৱ গোস্বামী আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য ।

প্ৰয়াত গোৱাল চন্দ্ৰ শইকীয়াদেৱৰ পৰা শুনামতে সেই সময়ত গোলাঘাটৰ স্বৰ্গীয় ঘনশ্যাম বৰুৱাৰ ঘৰতে ধৰ্মালোচনী সভা বহিছিল । সেই

সভালৈ গোলাঘাটৰ বিভিন্ন অঞ্চলৰ পৰা ভকত বৈষ্ণৱ আহি মহাপুৰুষীয়া ধৰ্মৰ শুদ্ধ সত্ত্ব আদৰ্শ প্ৰচাৰ প্ৰসাৰৰ ওপৰত গুৰুত্ব দিছিল । এই ক্ষেত্ৰত বিশেষকৈ আগভাগ লোৱা লোকসকল আছিল - প্ৰয়াত ঘনশ্যাম বৰুৱা আৰু ৰায়চাহাব গোপীকা বল্লভ গোস্বামীদেৱ । সেই সভাবিলাকলৈ এই অঞ্চলৰ পৰা প্ৰয়াত পোৱাল চন্দ্ৰ শইকীয়াদেৱে অংশ গ্ৰহণ কৰিছিল । সেই মৰ্মেহি তেখেতে মহাপুৰুষীয়া ধৰ্মৰ শুদ্ধ নীতি আচাৰৰ কথা এই গাৱঁৰ গাওঁবুঢ়া প্ৰয়াত দেহীৰাম হাজৰীকা, প্ৰয়াত কণ হাজৰীকা, দাসৰাম হাজৰীকা, দণ্ডী বৰা আৰু বাহৰুৱা গাৱঁৰ প্ৰয়াত নালি হাজৰীকা, গোলোক হাজৰীকা, পোৱাল চন্দ্ৰ বৰা, পলু বৰুৱা, বাপুকন বৰা আদি লোকসকলৰ লগত বিষদভাৱে আলোচনা কৰিছিল । অনুমানিক ১৯৩০ চন মানত এইসকলৰ উদ্যোগত গুৰুজনাৰ জন্ম-জয়ন্তী ভাগ মলাই কুমাৰ নামঘৰত গাওঁখনৰ সকলোলোকৰ সহযোগত উদ্‌যাপন কৰা হয় । এই গুৰু জয়ন্তী ভাগৰ ৰাজহুৱা সভাত ভাষণ দিছিল প্ৰয়াত নীলমনি ফুকনদেৱে । তেখেতে ভাষণ প্ৰসংগত মহাপুৰুষীয়া ধৰ্মত কিছুমান কুসংস্কাৰে আৱৰি ধৰি গোটেই অসমীয়া সমাজখনেই বিপথে পৰিচালিত হৈছে এই কথা ৰাইজক বুজাই দিছিল ।

১৯৩১ চনত এই গাৱঁৰে প্ৰয়াত কণ হাজৰিকাৰ এগৰাকী যুৱতী কন্যা অকাল বিয়োগ হোৱাত সেই মৃতাহ কৰ্ম-কৰ্মকাণ্ডৰহিত নাম-কীৰ্তনেৰে সম্পাদন কৰা হয় । এই মৃতাহ কৰ্মত সহযোগ কৰা ব্যক্তিসকলৰ উদ্যোগত ইং ১৯৩৪ চনত 'নাম-কীৰ্তনীয়া' নামৰ এটি খেলৰ জন্ম হয় এই খেলৰ সভাপতি প্ৰয়াত দেহীৰাম হাজৰীকা (গাঁওবুঢ়া) আৰু সম্পাদক শ্ৰীখগেশ্বৰ হাজৰীকা আছিল । ১৯৩৪ চনত প্ৰতিষ্ঠা হোৱা এই 'নাম-কীৰ্তনীয়া' খেলটিয়েই বৰ্তমান 'মলাই কুমাৰ নিৰঞ্জন প্ৰাথমিক শাখা' নামৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এই বৃহৎ প্ৰাথমিক শাখাটিৰ সৃষ্টি হ'ল ।

**হোমৰহিত বিবাহ সম্পাদন ঃ** ১৯৪৪ চনত প্ৰয়াত পোৱাল শইকীয়াৰ কন্যা শ্ৰীমতী গুণদা শইকীয়াৰ বিবাহ সম্পূৰ্ণ হোমৰহিত আৰু শূদ্ৰ পুৰোহিতৰ দ্বাৰা সম্পাদন কৰা হয় । গাৱঁত এইখনেই শূদ্ৰ পুৰোহিতৰ দ্বাৰা কৰা হোমৰহিত প্ৰথম বিবাহ ।

**প্ৰচাৰ সংগঠন ঃ** ১৯৭৩ চনত গোলাঘাট জিলাৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এখনি কৰ্মী সন্মিলন প্ৰাথমিক শাখাটিৰ উদ্যোগত মলাই কুমাৰ নামঘৰত অনুষ্ঠিত হয় । এই সন্মিলনত প্ৰাদেশিক পদাধিকাৰ, উপ পদাধিকাৰ, প্ৰাক্তন পদাধিকাৰ আৰু প্ৰধান সম্পাদক যথাক্ৰমে শ্ৰীযুত অচ্যুত

কৃষ্ণ মিশ্ৰ, প্ৰয়াত ঋষেশ্বৰ দলৈ, শ্ৰীযুত সোমাৰাম চুতীয়া, শ্ৰীযুত গোলোক কাকতি, জিলা সম্পাদক, সভাপতি আৰু প্ৰাথমিক শাখাসমূহৰ সভাপতি সম্পাদকসকলৰ উপৰি প্ৰাথমিকৰ বহুবিশিষ্ট সংগীয়ে যোগদান কৰিছিল ।

১৯৬২ চনত (৫১৪ শঙ্কৰাব্দ) মলাই কমাৰ গাৱঁত জিলা শাখা সংঘৰ ৯ম অধিৱেশন অনুষ্ঠিত হয় । মুকলি সভাৰ সভাপতি আছিল শ্ৰীযুত শশীচন্দ্ৰ বৰবৰুৱা, উদ্বোধক আ... । প্ৰয়াত যোগেন দত্তবাপ প্ৰয়াত আপীৰাম গগৈবাপে নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে। ধৰ্মাদৰ্শ প্ৰচাৰ প্ৰসাৰৰ উদ্দেশ্যে প্ৰাথমিক শাখাটিয়ে ধৰ্মালোচনী সভা, আলোচনা চক্ৰ, গুৰুজয়ন্তী, মাধৱজয়ন্তী উদ্‌যাপন কৰি আহিছে । বৰ্তমান সংঘৰ আদৰ্শেৰে যুৱ সমাৰোহ, আই মাতৃ সমাৰোহ, শিশু সমাৰোহ অনুষ্ঠিত কৰি শঙ্কৰী নৃত্য গীত বাদ্যৰ প্ৰসাৰ ঘটোৱাত প্ৰাথমিক শাখাটিয়ে উদ্যোগ লৈছে ।

**প্ৰাথমিকৰ ক্ৰমাগতভাৱে সভাপতি আৰু সম্পাদকৰ তালিকা ঃ**

| **সভাপতিসকল** | **সম্পাদকসকল** |
|---|---|
| প্ৰয়াত দেহীৰাম শইকীয়া | শ্ৰীখগেশ্বৰ হাজৰীকা ১৯৪৯/৬৮ |
| প্ৰয়াত দণ্ডধৰ বৰা | শ্ৰীবিপিন হাজৰীকা ১৯৬৯/৭৩ |
| শ্ৰীদেৱেশ্বৰ বৰা | শ্ৰীপুণ্যেশ্বৰ হাজৰীকা ১৯৭৪/৭৬ |
| শ্ৰীৰূপেশ্বৰ হাজৰীকা | শ্ৰীবিপিন শইকীয়া ১৯৭৭/৭৯ |
| শ্ৰীৰামেশ্বৰ খাউণ্ড (বৰ্তমান) | শ্ৰীনগেন হাজৰীকা ১৯৮০/৮২ |
| | প্ৰয়াত ৰোষেশ্বৰ হাজৰীকা ১৯৮৩/৮৫ |
| শ্ৰীৰামেশ্বৰ খাউণ্ড (বৰ্তমান) | শ্ৰীবোধেশ্বৰ কাকতি ১৯৮৫/২০০০ (বৰ্তমান) |
| উপ-সভাপতি | সহঃ সম্পাদক |
| শ্ৰীসোণাৰাম বৰা | শ্ৰীবিমল হাজৰীকা |

**কৃষ্টি-সংস্কৃতি ঃ** মলাই কুমাৰ গাৱঁৰ হীৰানামে এই অঞ্চলত বিশেষ প্ৰতিপত্তি লাভ কৰা আহিছে । প্ৰাথমিক শাখাৰ সংগী কেইগৰাকীমান লোকৰ উদ্যোগত এই হীৰা নামে এই অঞ্চলত এক আলোকপাত সৃষ্টি কৰি আহিছে। সেইসকলৰ ভিতৰত সৰ্বশ্ৰী তিৰ্থেশ্বৰ হাজৰিকা, চেনিৰাম হাজৰিকা, কানুৰাম বৰা, বিমল চন্দ্ৰ হাজৰীকা, গোলোক কাকতি, বালিৰাম কাকতি, ধৰ্মেশ্বৰ বৰা, নগেন হাজৰীকা, সোণাৰাম বৰাৰ নাম উল্লেখযোগ্য । গায়ন-বায়নৰ ক্ষেত্ৰটো সৰ্বশ্ৰী গোলোক কাকতি, বিমল চন্দ্ৰ হাজৰীকা আৰু কানুৰাম বৰা বাপৰ উল্লেখযোগ্য বৰঙণি আছে । নাম-প্ৰসঙ্গৰ ক্ষেত্ৰত সৰ্বশ্ৰী দেৱেশ্বৰ বৰা, বালিৰাম কাকতি, কানুৰাম বৰা, গোলোক কাকতি, নগেন হাজৰীকা

আদি বাপসকলে গুৰি ধৰি আহিছে । শ্ৰীগোলোক কাকতিয়ে শঙ্কৰী খোল বাদ্যৰ প্ৰশিক্ষণ লৈ বৰ্তমান বায়ন বিদ্যাও অগ্ৰস্থান লাভ কৰিছে ।

নৃত্য-গীত বাদ্য অনুশীলন ঃ প্ৰাথমিক শাখাটিৰ নিজা উদ্যোগত মূল সংঘৰ আৰ্হিৰে শঙ্কৰী সংস্কৃতিৰ বিকাশত অশেষ চেষ্টা কৰা হৈছে। এই ক্ষেত্ৰত তিনিগৰাকী শিশু শিল্পীয়ে ক্ৰমে শ্ৰীমতী মেৰীলিন কাকতি, মল্লিকা হাজৰীকা, কাশ্মিৰী বৰাই শঙ্কৰী নৃত্যৰ প্ৰশিক্ষণ লৈ জিলা আৰু মূল সংঘৰ শিশু সমাৰোহত অংশ গ্ৰহণ কৰি প্ৰাথমিক শাখাটিলৈ গৌৰৱ কঢ়িয়াই আনিছে। খোল-বাদ্য অনুশীলন কৰা শ্ৰীসঞ্জীৱ বৰা এই প্ৰাথমিকৰ এজন এজন যুৱক। শ্ৰীপঙ্কজ কাকতিয়ে অঙ্কীয়া নাটৰ প্ৰশিক্ষণ লৈ 'পাৰিজাত হৰণ' নাটত অভিনয় কৰে । শ্ৰীমতী জেপুলিন কাকতিয়ে বৰগীত চৰ্চা কৰি আছে।

**বিশিষ্ট সংগী ৰ নাম** ঃ প্ৰাথমিক গঠনৰ জন্মলগ্নত বিশেষ ভূমিকা পালন কৰা সংগী কেইগৰাকী হ'ল - প্ৰয়াত মুক্তিযোদ্ধা দেহীৰাম (গাঁওবুঢ়া) হাজৰীকা আৰু প্ৰয়াত মুক্তিযোদ্ধা পোৱাল চন্দ্ৰ শইকীয়া । (দুয়ো গৰাকীৰ জীৱন বৃত্ত পৰৱৰ্তী অধ্যায়ত সন্নিবিষ্ট কৰা হৈছে ) ।

প্ৰাথমিকৰ সকলো দিশতে সহযোগ কৰা অন্যতম ব্যক্তি প্ৰয়াত চেনিৰাম হাজৰীকাৰ নাম উল্লেখযোগ্য । সংঘৰ একান্ত সেৱক এইগৰাকী সংগী অকালতে বৈকুণ্ঠীগামী হোৱাত প্ৰাথমিকৰ অপূৰণীয় ক্ষতি হ'ল । এইগৰাকী লোকেই ফুলবাৰী আৰু জৰাগুৰি অঞ্চলত প্ৰাথমিক শাখা গঠন কৰাত বিশেষ অৰিহণা যোগাইছিল ।

শ্ৰীতীৰ্থেশ্বৰ হাজৰীকা এই প্ৰাথমিকৰ এগৰাকী বিশিষ্ট সংগী প্ৰাথমিকৰ সকলো উৎসৱ অনুষ্ঠানতে তেখেতে সক্ৰিয় অংশ গ্ৰহণ কৰি আহিছে । বিশেষকৈ বহাগ বিহুৰ অনুষ্ঠানত তেখেতৰ বৰঙণি আগস্থানত। ডেকাসকলক লগত লৈ বিহু নাম গোৱা, বিহু নাচেৰে লোক মনত আনন্দ যোগোৱা কাৰ্য্যই সকলোকে অনুপ্ৰেৰণা যোগাইছে । শ্ৰীযুত হাজৰীকা বাপে নিজ অংশৰ ২ কঠা মাটি প্ৰাথমিকৰ কাৰ্যালয় নিৰ্মাণৰ কাৰণে দান কৰে ।

শ্ৰীখগেশ্বৰ হাজৰীকা বাপ এই প্ৰাথমিকৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল । বৰ্তমান জীৱিকা নিৰ্বাহজনিত কাৰণত তেখেতে ফুলবাৰীত বসতি কৰি আছে । প্ৰাথমিকৰ প্ৰতিষ্ঠাপক সম্পাদক ।

বাহকুৱা গাঁৱৰ নিবাসী প্ৰয়াত দণ্ডধৰ বৰা এই প্ৰাথমিক শাখাৰ গুৰি ধৰোতা আছিল । ভালে কেইবছৰ প্ৰাথমিক শাখাৰ সভাপতিৰ গুৰু দায়িত্বৰে শাখাটিৰ উন্নতিকল্পে কাম কৰিছিল ।

শ্ৰীদেৱেশ্বৰ বৰাদেৱ প্ৰাথমিক শাখাৰ প্ৰাক্তন সভাপতি আৰু সংঘৰ

একান্ত কৰ্মী এখেতৰ উদ্যোগতে বৰপুখুৰীপাৰ গাওঁৰ প্ৰাথমিক শাখা গঠন কৰা হয় । কেইবা বছৰ ধৰি জিলা শাখাৰ কাৰ্য্যনিৰ্বাহকৰ গুৰি ধৰোতা । শিক্ষকতা পদৰ পৰা অৱসৰ গ্ৰহণ কৰি বৰ্তমান সংঘৰ সকলো উন্নয়ণমূলক কামত ওতঃপ্ৰোত ভাৱে জড়িত হৈ আছে ।

প্ৰাথমিক শাখাৰ অন্যতম সংগী শ্ৰীবিপিন শইকীয়াই ১৯৭৪-৭৬ কাৰ্য্যকালত প্ৰাথমিকৰ সম্পাদক হিচাপে কাৰ্য্য নিৰ্বাহ কৰিছিল । ১৯৮১ চনত গোলাঘাট জিলা শাখাৰ কাৰ্য্যনিৰ্বাহকৰ সদস্যও আছিল । সামাজিক জীৱনত তেখেতৰ অৰিহণা অন্যতম ।

বৰ্তমান প্ৰাথমিক শাখাৰ সভাপতি আৰু সম্পাদক যথাক্ৰমে শ্ৰীৰামেশ্বৰ খাউণ্ড আৰু শ্ৰীবোধেশ্বৰ কাকতিদেৱৰ ভূমিকাই বিশেষ বৰঙণি যোগাইছে । ১৯৮৩ চনৰপৰা বৰ্তমানলৈকে দুয়োগৰাকী ব্যক্তিয়ে ক্ৰমে সভাপতি আৰু সম্পাদকৰ গুৰু দায়িত্ব পালনত অকণো ত্ৰুটি কৰা নাই । শ্ৰীখাউণ্ড বাপ গুণীপ্ৰভা দত্ত ছোৱালী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে কাৰ্য্য নিৰ্বাহ কৰি ১৯৯৮ চনত অৱসৰ গ্ৰহণ কৰে । বৰ্তমান তেখেত সংঘৰ একান্ত সেৱক আৰু এজন ক্ষুদ্ৰ চাহ খেতিয়ক । শ্ৰীবোধেশ্বৰ কাকতিদেৱে ১৯৮৫ চনত জিলা কাৰ্য্যনিৰ্বাহকৰ সদস্য নিৰ্বাচিত হয় আৰু একাদিক্ৰমে অদ্য পৰিমিত তেখেতে জিলা সদস্য তথা সাহিত্য শাখাৰ সম্পাদক পদত কাৰ্য্য নিৰ্বাহ কৰি আছে । (তেখেতৰ বিস্তৃত জীৱনী পৰৱৰ্তী অধ্যায়ত সন্নিবিষ্ট কৰা হৈছে ।)

শ্ৰীবিমল চন্দ্ৰ হাজৰীকা প্ৰাথমিকখনিৰ একান্ত সেৱক । প্ৰাথমিকৰ সাংগঠনিক সকলো দিশৰ ওপৰত চকু ৰখাত বিশেষ পাৰদৰ্শিতাৰে সেৱা আগবঢ়াই আহিছে - বৰ্তমান এখেত প্ৰাথমিকৰ সহকাৰী সম্পাদক ।

শ্ৰীপ্ৰমোদ চন্দ্ৰ হাজৰীকা প্ৰাথমিকখনিৰ অন্যতম সংগী, শঙ্কৰী নৃত্য-গীতৰ অনুৰাগী এগৰাকী অনাতাঁৰ শিল্পী। বৰ্তমান গৰুমৰা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ।

শ্ৰীপূৰ্ণকান্ত বৰা আৰু তেখেতৰ সহধৰ্মিনী শ্ৰীযুক্তা যোগপ্ৰভা শইকীয়া এই দুয়োগৰাকীয়েই সংঘৰ নিষ্ঠাবান কৰ্মী ।

শ্ৰীৰূপেশ্বৰ হাজৰীকাই প্ৰাথমিকৰ জন্মলগ্নৰ পৰাই এগৰাকী নিষ্ঠাবান কৰ্মী হিচাপে প্ৰচাৰ - প্ৰসাৰত ভূমিকা লৈ আহিছে ।

শ্ৰীবিপিন চন্দ্ৰ হাজৰীকাই প্ৰাথমিকৰ সাংগঠনিক দিশত বিশেষ ভূমিকা পালন কৰি এগৰাকী সক্ৰিয় কৰ্মী হিচাপে নিজক প্ৰতিষ্ঠা কৰি প্ৰাথমিকৰ সম্পাদকৰ দায়িত্ব পালন কৰাৰ উপৰি জিলা কাৰ্য্য নিৰ্বাহকৰ সদস্য হিচাপে

কাৰ্য্য নিৰ্বাহ কৰিছিল । তেখেত স্থানীয় মধ্য মিছামৰা মাধৱদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষকৰূপে কৰ্মৰত হৈ আছে । প্ৰয়াত কেশৰাম হাজৰীকা এগৰাকী সমাজ সচেতন ব্যক্তি । তেখেত এগৰাকী নিষ্ঠাবান সমাজকৰ্মী । মধ্য মিছামৰা মাধৱদেৱ মধ্য ইংৰাজী বিদ্যালয়লৈ তেখেতে ভূমি দান দিয়ে । এগৰাকী ভাল অভিনেতা । ইং ১৯৯৯ চনৰ ডিচেম্বৰ মাহত প্ৰায় নৱৈ বছৰ বয়সত তেখেত বৈকুণ্ঠীগামী হয় । তেখেত এগৰাকী ঢোলৰ শিল্পী আছিল ।

গুৰুজনাৰ কৃষ্টি-সংস্কৃতিৰ প্ৰসাৰত প্ৰাথমিক শাখাৰ কেইবাগৰাকীও আই মাতৃৰ ভূমিকা উল্লেখযোগ্য । শ্ৰীমতী যোগপ্ৰভা শইকীয়া, শ্ৰীমতী ৰীণা হাজৰীকা, শ্ৰীমতী প্ৰফুল্লী খাউণ্ড, শ্ৰীমতী অন্নদা বৰা, শ্ৰীমতী ৰুণু শইকীয়া কাকতি, শ্ৰীমতী অঞ্জলী শইকীয়া দত্ত, শ্ৰীমতী মাই হাজৰীকা, শ্ৰীমতী গুণদা হাজৰীকা, শ্ৰীমতী পুতু হাজৰীকা, শ্ৰীমতী বেণু বৰা, শ্ৰীমতী পূৰ্ণিমা কাকতি আদি আইসকলে আলোচনা চক্ৰ, শংকৰী সংস্কৃতিৰ অনুশীলনত অংশ গ্ৰহণ কৰি গুৰুজনাৰ আদৰ্শ ৰক্ষা কৰাতো আদৰণীয় ।

শ্ৰীমতী প্ৰফুল্লী খাউণ্ড বৰ্তমান (১৯৯৯-২০০০) চনৰ কাৰ্য্যকালত জিলা শাখাৰ সদস্যা হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছে ।

শ্ৰীমতী ৰুণু শইকীয়া কাকতিয়ে ১৯৮৭ চনত গোলাঘাট জিলা শাখাৰ উদ্যোগ প্ৰতিষ্ঠিত শংকৰী সংস্কৃতি বিকাশ কেন্দ্ৰৰপৰা গায়ন বিদ্যা চতুৰ্থ বাৰ্ষিক পৰীক্ষাত উত্তীৰ্ণ হয় । বিজ্ঞানৰ স্নাতক ।

প্ৰয়াত ৰোমেশ্বৰ বৰা সংঘৰ এজন নিষ্ঠাবান সেৱক । মলাই কুমাৰ নিৰঞ্জন প্ৰাথমিক শাখাৰ সম্পাদক (১৯৮০-৮৮) হিচাপে দায়িত্ব পালন কৰা প্ৰয়াত বাপজনাই ১৯৯৮ চনত মৃত্যু বৰণ কৰে ।

শ্ৰীসোণাৰাম বৰা এগৰাকী নিষ্ঠাবান সংগী । বৰ্তমান প্ৰাথমিকৰ উপ-সভাপতি পদত আছে । শ্ৰীকানুৰাম বৰা বাপো এগৰাকী নিপুন শিল্পী (১৯৯৭ চনত অনুষ্ঠিত মূল সংঘৰ ফৰকাটিং অধিবেশনৰ শোভা যাত্ৰাৰ নামঘৰ ভাগি তেখেতেই তৈয়াৰ কৰি দিছিল । তেখেত গায়ন-বায়ন হিৰা নাম আৰু নাম-প্ৰসংগৰ গুৰি ধৰোতা)।

**সোণালী জয়ন্তী উৎসৱ উদযাপন ঃ** মলাই কুমাৰ নিৰঞ্জন প্ৰাথমিক শাখাৰ ৫০ বছৰ পুৰ্তি হোৱাৰ উপলক্ষে ইংৰাজী ১৯৯৮ চনৰ মাৰ্চ মাহত বছৰ জোৰা কাৰ্য্যসূচীৰে প্ৰাথমিকৰ সংগীসকলে স্থানীয় ৰাইজৰ সহযোগত সোণালী জয়ন্তী উদযাপন কৰে । উদযাপন সমিতিৰ সভাপতি সম্পাদক ক্ৰমে সৰ্বশ্ৰী ৰামেশ্বৰ খাউণ্ড আৰু বোধেশ্বৰ কাকতি দেৱ আছিল সহঃ

সম্পাদক বিমল হাজৰীকা সংস্কৃতি শাখাৰ সভাপতি আৰু সম্পাদক ক্ৰমে সৰ্বশ্ৰী বাপুৰাম বৰা, প্ৰমোদ হাজৰীকা, স্মৃতি গ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি সম্পাদক ক্ৰমে সৰ্বশ্ৰী দেবেশ্বৰ বৰা, বিপিন শইকীয়া খাদ্য সমিতিৰ সভাপতি সম্পাদক ক্ৰমে সৰ্বশ্ৰী বুৱাই হাজৰীকা, সোণাৰাম বৰা, আছিল। স্থানীয় শিল্পীসকলে শঙ্কৰী নৃত্যগীত বাদ্য পৰিবেশন কৰাৰ লগতে শিশুসকলে নৃসিংহ যাত্ৰা নৃত্য নাটক পৰিবেশন কৰে । প্ৰমোদ হাজৰীকাৰ পৰিচালনাত যুৱক-যুৱতী সকলে 'শঙ্খচূড় বধ' নাটক পৰিৱেশন কৰে । 'পদ্মনাভ' নামাকৰণে এখন আটক ধুনীয়া স্মৃতি গ্ৰন্থ প্ৰকাশ কৰা হয় ।

সভাত প্ৰয়াত পোৱাল শইকীয়া (মুক্তিযোদ্ধা) প্ৰয়াত দেহীৰাম হাজৰীকা (গাঁওবুঢ়া, মুক্তিযোদ্ধা), প্ৰয়াত কণ হাজৰীকা, প্ৰয়াত চেনিৰাম হাজৰীকাৰ প্ৰতি শ্ৰদ্ধা জনাই তেখেতসকলৰ পৰিয়ালবৰ্গক সম্বৰ্দ্ধনা জনোৱা হয় । মুকলি সভা উদ্বোধন কৰে প্ৰাক্তন জিলা সভাপতি শ্ৰীযুত যোগেশ্বৰ বৰা বাপে । সভাপতিত্ব কৰে প্ৰাক্তন জিলা সভাপতি প্ৰফুল্ল চন্দ্ৰ শইকীয়াদেৱে । নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে মূল সংঘৰ প্ৰাক্তন উপ-পদাধিকাৰ শ্ৰীযুত গোবিন্দ্ৰ চন্দ্ৰ শইকীয়া আৰু ৰাতুল বৰাদেৱে । শংকৰদেৱ-মাধৱদেৱে বঁটা বিজয়ী বৈষ্ণৱ পণ্ডিত শ্ৰীযুত সোণাৰাম চুতীয়া আতাই বিশিষ্ট অতিথি হিচাপে ভাষণ দিয়ে ।

সংঘৰ সংবিধান অনুসৰি প্ৰাথমিকৰ ৪৫ জন সদস্যৰে সেৱা বাহিনী গঠন কৰা হয় ।

শ্ৰীৰমেশ্বৰ খাউণ্ড - উপদেষ্টা
শ্ৰীবোধেশ্বৰ কাকতি - সচিব
শ্ৰীবিমল হাজৰীকা - সহঃসচিব
শ্ৰীপ্ৰণৱজ্যোতি হাজৰীকা - নায়ক
শ্ৰীমতী ৰীতা বৰা - নায়িকা (১৯৯৮-৯৯)
শ্ৰীমতী চিত্ৰা বৰা - নায়িকা (৯৯-২০০০)

প্ৰাথমিকৰ সংগীসকলে সাহিত্য-সংস্কৃতি চৰ্চাৰ ক্ষেত্ৰত শংকৰী গীত নৃত্য বাদ্যৰ প্ৰশিক্ষণ কাৰ্যসূচী হাতত লৈছে ।

# গণকপুখুৰী প্ৰাথমিক শাখা

## গঠন ঃ ১৯৫৪ চন

১৯৩৫ চন মানৰ পৰাই গণকপুখুৰী অঞ্চলত শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰচাৰিত একশৰণ হৰিনাম ধৰ্মৰ আন্দোলন আৰম্ভ হৈছিল । প্ৰয়াত গোপীকাবল্লভ গোস্বামী, খগেশ্বৰ তামূলী, ৰঙাই নাথ মেধি, বিষ্ণু দত্ত, কেৰকন দত্ত, জীউৰাম হাজৰীকা, অৰুণ ৰাজখোৱা আদি ধৰ্মপ্ৰাণ ভক্তসকলে গণকপুখুৰীৰ চাৰিআলিৰ নামঘৰত মাহেকে-পষেকে একশৰণ নাম ধৰ্মৰ বিষয়ে আলোচনাত বহিছিল । তাৰেই ফলস্বৰূপে গণকপুখুৰী অঞ্চলত নামধৰ্মৰ প্ৰতি আকৃষ্ট হৈ প্ৰয়াত ভেবেলা ভৰালি, কামেশ্বৰ হাজৰিকা, বিৰোচন ৰান্ধনি, নাৰায়ণ বৰা, জয়ৰাম হাজৰিকা, ভদৰাম পাঠক, ৰামেশ্বৰ ৰান্ধনি, ভদ্ৰেশ্বৰ হাজৰিকা আদি বহুকেইজন লোকে নাম ধৰ্মত যোগ দিয়ে। নাম ধৰ্মৰ নিয়ম প্ৰণালীৰ মতেই ১৯৪১-৪২ চন মানৰ পৰাই মৃতকৰ ক্ৰিয়া কৰ্ম বিবাহ আদি কাৰ্য্য সম্পাদন কৰি আহিছে । ৫০১ শঙ্কৰাব্দ (১৯৪৯ চন) পৰ্যন্ত গোলাঘাটৰ কোনো সংঘৰ প্ৰাথমিক গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হোৱা নাছিল । ৫০১ শঙ্কৰাব্দত খনিকৰ নামঘৰত ৭ আহাৰত নীতিগত ভাৱে পোন্ধৰ জনীয়া সদস্যৰে খনিকৰ প্ৰাথমিক সংঘ নামেৰে এটি অনুষ্ঠানৰ জন্ম হয় । সেই পোন্ধৰজনীয়া সদস্যত গণকপুখুৰীৰ প্ৰয়াত ভেবেলা ভৰালী বাপক অন্তৰ্ভুক্ত কৰা হয় । ৫০৪ শংকৰাব্দত লক্ষীমপুৰত অনুষ্ঠিত হোৱা প্ৰাদেশিক শংকৰ সংঘৰ বাৰ্ষিক অধিৱেশনত গোলাঘাট জিলাৰ প্ৰয়াত ভেবেলা ভৰালীয়ে প্ৰতিনিধি হিচাপে যোগদান কৰিছিল । ৫০৫ শঙ্কৰাব্দত ঢেকীয়াল মূল সংঘ ত্ৰয়োবিংশতিতম অধিবেশনৰ আগত সংঘৰ সাংবিধানিক নীতিৰে ঢেকীয়াল, গণকপুখুৰী, ঢেকীয়াল যোগীগাঁও খনিকৰ আৰু মলাই কুমাৰ অঞ্চলত পাঁচখন প্ৰাথমিক শাখা গঠন কৰি ১৯৫৪ চনত গোলাঘাট জিলা শংকৰ সংঘ গঠন কৰা হয় ।

গণকপুখুৰী প্ৰাথমিকৰ সভাপতি আছিল প্ৰয়াত ভেবেলা ভৰালী আৰু উপ-সভাপতি আছিল প্ৰয়াত কামেশ্বৰ হাজৰীকা । সম্পাদক আছিল প্ৰয়াত ৰামেশ্বৰ ৰান্ধনিৰ । সংঘৰ সাংবিধানিক নিয়ম অনুযায়ী মৃতকৰ অন্ত্যেষ্টিক্ৰিয়া আৰু বিবাহ আদি কাৰ্য্য অদ্যপৰিমিত কৰি থকা হৈছে । ১৯৮৬ চনৰপৰা প্ৰাথমিক শাখাৰ সভাপতিৰূপে শ্ৰীজীতেন হাজৰীকাই

আজিলৈকে কাৰ্য্যনিৰ্বাহ কৰি আছে । সম্পাদক বাপ শ্ৰীধৰ্মেশ্বৰ হাজৰীকাই ১৯৮৬ চনৰপৰা ১৯৯০ চনলৈ কাৰ্যনিৰ্বাহ কৰে । শ্ৰীপোনা দাসে অদ্যপৰিমিত কাৰ্য্যনিৰ্বাহ কৰি আছে। গণকপুখুৰী প্ৰাথমিক শাখা তিনিখন গাৱঁৰ মাজত হোৱা কাৰণে তিনিওখন গাৱঁৰ প্ৰায় ৩৭ জন সংগীক লৈ গঠিত হৈছে । বৰ্তমান গৃহস্থীৰ সংখ্যা ১৮ ঘৰ ।

গণকপুখুৰীত এখন উচ্চ ইংৰাজী আৰু এখন উচ্চ বুনীয়াদী বিদ্যালয় আছে । এই প্ৰাথমিকৰ শতকৰা ৯০ জনেই শিক্ষিত । ৰাজনীতিত গণকপুখুৰী প্ৰাথমিকৰ সদস্য পিছপৰি থকা নাই । এই প্ৰাথমিকৰ সদস্য শ্ৰীনীল হাজৰীকাদেৱ অসম বিধান সভাৰ সদস্য আছিল । তদুপৰি মহিলা সদস্যা শ্ৰীগৌৰীপ্ৰভা হাজৰীকাই দক্ষিণ গুৰুযোগনীয়া পঞ্চায়তৰ সভানেত্ৰীৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল । এই প্ৰাথমিকৰেই সদস্য শ্ৰীঅজিত বৰাই গোলাঘাট জিলা সংঘৰ সংস্কৃতি বিকাশৰ ১৯৯৮ চনত দায়িত্বও বহন কৰিছিল । শ্ৰীবৰা গুৱাহাটী ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ নিয়মীয়া শিল্পী । তেওঁ অনাতাঁৰ কেন্দ্ৰৰ যোগে বৰগীত, লোকগীত, আধুনীক গীত আদি পৰিৱেশন কৰি আহিছে ।

তদুপৰি এই প্ৰাথমিকৰেই শিশু শিল্পী শ্ৰীহৃদয়ানন্দ বৰাই নৃত্যগীত আদিত বহুতো পুৰস্কাৰ বুটলি আনিছে । সদৌ ভাৰত সোণালী জয়ন্তী সমাৰোহৰ উপলক্ষে দিল্লীত হোৱা সংস্কৃতি উৎসৱত সদৌ ভাৰত ভিত্তিত হোৱা প্ৰতিযোগিতাত আধুনিক গীতত তৃতীয় স্থান লাভ কৰি অসমৰ তথা গোলাঘাট আৰু গণকপুখুৰীৰ গৌৰৱ কঢ়িয়াই আনিছে ।

## ষষ্ঠ অধ্যায়

# অনা আঞ্চলিক অঞ্চলসমূহৰ প্ৰাথমিকসমূহৰ ইতিবৃত্ত

## শ্ৰীমন্ত শংকৰদেৱ সংঘ বুঢ়ালিকচন প্ৰাথমিক শাখা

### গঠন ঃ ১৯৫৯ চন

শ্ৰীমন্ত শংকৰদেৱ যে এজন বিৰল আৰু সৰ্বকালৰ বিপ্লৱী আৰু সমাজ সংস্কাৰক মহাপুৰুষ এই কথা সৰ্বজন বিদিত । মহাপুৰুষজনাৰ ধৰ্মীয় আৰু সাংস্কৃতিক আদৰ্শৰ প্ৰতি প্ৰগাঢ় বিশ্বাসী আৰু অনুৰাগী লোকে মহাপুৰুষৰ ধৰ্ম-সংস্কৃতি মানি চলে । গোলাঘাট জিলাৰ খুমটাই মৌজাৰ অন্তৰ্গত এইখন বুঢ়ালিকচন গাঁও । গাঁওখনৰ নামটিনো বুঢ়ালিকচন কিয় হ'ল ইয়াৰ আঁতি-গুৰি সম্পৰ্কত পোৱা বৰ্ণনা এনেধৰণৰ -

প্ৰাচীন কালত এই অঞ্চলত অটব্য অৰণ্যৰে ভৰপূৰ আছিল । মানব আক্ৰমণৰ সময়ত মানৰ ভয়ত শিৱসাগৰৰ হোলোঙাপাৰৰ পৰা বহুলোক এই ঠাইলৈ আহি বসবাস কৰিবলৈ লয় । ইংৰাজৰ আমোলত শিকলী পেলাই মাটিৰ জোখ-মাপ যেতিয়া কৰা হৈছিল, জোখ কৰি ফুৰা লোকসকলে এই ঠাইৰ আঁতি-গুৰি বিচৰাত এগৰাকী আহোম সম্প্ৰদায়ৰ বৃদ্ধৰ উক্তিৰ ভিত্তিতে নামটি সৃষ্টি হয় বুলি জনা যায় । বৃদ্ধই কৈছিল - 'চন পৰি থকা হাবি-জংঘলৰ মাজে মাজে লিক্ কাটি কাটি আমি বসতি কৰি আছোহঁক, ইয়াৰ বাহিৰে অন্য আৰু আমি নাজানো ।' এই 'লিক্ কটা' আৰু 'চন পৰা' শব্দৰ পৰাই 'লিকচন' নামৰ সৃষ্টি হয়। বুঢ়ীগৰাকীৰ পৰা এই কথা শুনাৰ কাৰণে 'বুঢ়ালিকচন' নাম সম্পূৰ্ণ কৰা হ'ল বুলি অদ্যাৱধি প্ৰচলন হৈ আছে ।

গাঁওখনৰ আয়তন প্ৰায় ৬ বৰ্গ কিঃ মিঃ । গৃহস্থীৰ সংখ্যা দুশৰো অধিক আৰু জনসংখ্যা প্ৰায় এহেজাৰ । অধিকাংশলোক কৃষিজীৱি । আধুনিক যুগত আধুনিক শিক্ষাৰ প্ৰচাৰ হোৱাত এই গাঁওখনৰ ওপৰতো ইয়াৰ প্ৰভাৱ পৰে । এতিয়া প্ৰায় প্ৰতিঘৰ গৃহস্থীতে শিক্ষিতৰ সংখ্যা বৃদ্ধি পাইছে । শিক্ষকতা, ডাক্তৰী, অভিযন্তা আদি বৃত্তিধাৰী ভালেকেইজন চাকৰিজীৱী এইখন গাৱঁত আছে । অনুষ্ঠানৰ দিশত এখন প্ৰাথমিক

বিদ্যালয়, এখন এম, ভি, স্কুল আৰু এখন হাইস্কুল আছে । গোলাঘাট কেন্দ্ৰীয় উন্নয়ন খণ্ডৰ কাৰ্যালয় এইখন গাৱঁতে অৱস্থিত । অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কুঁহিয়াৰ কৃষি গৱেষণা কেন্দ্ৰ এটিও ইয়াতে আছে। দুটি পুথিভঁৰাল থকা গাঁও হিচাপে এইখন গাৱঁত শিক্ষাৰ পৰিৱেশৰ এক উন্নত অৱস্থা থকা বুলি নিশ্চয় ক'ব পাৰি । ডাঃ হৰেন গগৈ অসমৰে এজন সুদক্ষ চকু বিশেষজ্ঞ আৰু এইখন গাৱঁৰে সু-সন্তান । গুৰুজনাৰ আদৰ্শত প্ৰতিষ্ঠিত তিনিটি নামঘৰে গাঁওখনৰ ধৰ্মীয় আৰু সাংস্কৃতিক আদৰ্শ জিলিকাই ৰাখিছে ।

আগতে উল্লেখ কৰা হৈছে যে গাঁওখনৰ অধিকাংশ লোকেই কৃষক। বৰ্তমান চাহ উদ্যোগৰ জাগৰণে গাঁওখন চৌৰাই নিয়াত আগৰ কুঁহিয়াৰ খেতি এৰি চাহ খেতি কৰিবলৈ প্ৰায়খিনি গৃহস্থীয়ে উদ্যোগ গ্ৰহণ কৰিছে। সৰ্বশ্ৰী ডিম্বেশ্বৰ গগৈ, শম্ভু গগৈ, প্ৰদীপ ফুকন, সুৰেন গগৈ এই গাৱঁৰ উল্লেখযোগ্য ক্ষুদ্ৰ চাহ খেতিয়ক । তদুপৰি আন আন গৃহস্থীসকলেও এই আঁচনি গ্ৰহণ কৰি দেহে-মনে-প্ৰাণে এই উদ্যোগত উঠি-পৰি লাগিছে ।

পৰাধীন ভাৰতক উদ্ধাৰ কৰিবলৈ মহামানৱ মহাত্মাগান্ধীৰ মহামন্ত্ৰত যিসকল ভাৰতবাসী দীক্ষিত হৈছিল সেইসকলৰ লগতে এইখন গাৱঁৰো কেইগৰাকীমান লোক উদ্বুদ্ধ হৈ মুক্তি যুঁজৰ সৈনিক হিচাপে পৰিগণিত হৈছিল । সেইসকলৰ ভিতৰত স্বৰ্গীয় ৰমাকান্ত গগৈ, স্বৰ্গীয় গোবিন্দ তাঁতি, স্বৰ্গীয় যোগেশ গগৈ, স্বৰ্গীয় গন্ধৰাম হাতীবৰুৱা, আৰু স্বৰ্গীয় সদানন্দ গগৈ, উল্লেখযোগ্য । ১৯৪২ ৰ গণ আন্দোলনৰ সময়ত স্বৰ্গীয় শংকৰ চন্দ্ৰ বৰুৱা, স্বৰ্গীয় ৰামনাথ দাস, স্বৰ্গীয় নৰেণ শৰ্মা, স্বৰ্গীয় গোপীনাথ বৰদলৈ, স্বৰ্গীয় কোশল কোৱঁৰ, স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱা, স্বৰ্গীয় মহেন্দ্ৰমোহন চৌধুৰী, স্বৰ্গীয় ৰাজেন্দ্ৰ নাথ বৰুৱা আদি বৰেণ্য ৰাজনৈতিক নেতাসকলৰ ৰাজনৈতিক গোপন আলোচনাৰ কাৰণে এই গাঁও আছিল আচুতীয়া সুচল স্থান। উল্লেখ্য যে নগাঁও জিলাৰ এজন বিশিষ্ট্য স্বাধীনতা সংগ্ৰামী স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱাই পলাতক অৱস্থাতে এই গাৱঁতেই শেষ নিশ্বাস ত্যাগ কৰে। স্বৰ্গীয় ৰমাকান্ত গগৈ আৰু স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱাৰ স্মৃতি ৰক্ষাৰ্থে গাঁওখনৰ মাজেদি দুটি পথ তেখেত দুগৰাকীৰ নামেৰে নামকৰণ কৰা হয় । ভূতপূৰ্ব ৰাষ্ট্ৰপতি আৰু তেতিয়াৰ অসমৰ বিত্ত আৰু পঞ্চায়ত বিভাগৰ মন্ত্ৰী স্বৰ্গীয় ফখৰুদ্দিন আলি আহমদ ডাঙৰীয়াই এই পথ দুটি উন্মোচন কৰিছিল ।

১৯৫৪ চনৰ কথা । গাঁওখনৰ বাসিন্দাসকলৰ অধিকাংশ লোকেই ধৰ্ম পৰায়ণ, সকলোৰেই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱকেই গুৰু মানি চলে।

উল্লিখিত চনতে গাৱঁৰ সকলো মিলি সৰ্ব প্ৰথম গুৰু জয়ন্তী উদযাপন কৰে। পুনৰ ১৯৫৮ চনত স্থানীয় নিম্ন বুনিয়াদী বিদ্যালয় প্ৰাংগণত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ ভাগ পালন কৰা হয় । উৎসৱৰ বক্তাসকল আছিল শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন পদাধিকাৰি শ্ৰীশশীচন্দ্ৰ বৰবৰুৱা, শ্ৰীঅচ্যুত কৃষ্ণ মিশ্ৰ বাপদ্বয় । অসমৰ খ্যাতনামা এই পণ্ডিতসকলৰ ভাষণে স্থানীয় ৰাইজৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলায় আৰু ফলস্বৰূপে এই সভাতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এটি প্ৰাথমিক শাখা গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। প্ৰস্তাৱ অনুসৰি ২২ ঘৰ গৃহস্থীৰে এখনি প্ৰাথমিক শাখা গঠন কৰা হয় ।

এই শাখাটিৰ সভাপতি পদ গ্ৰহণ কৰি প্ৰাথমিকখনি আগুৱাই নিয়া ব্যক্তিসকল ক্ৰমে- স্বৰ্গীয় সদানন্দ গগৈ (১৯৫৯-১৯৬৪), শ্ৰীৰোমেশ্বৰ দুৱৰা (১৯৬৪-১৯৬৭), স্বৰ্গীয় ভোলাৰাম দুৱৰা আৰু স্বৰ্গীয় মিঠাৰাম দুৱৰা (১৯৬৭-১৯৯৯) । বৰ্তমান শ্ৰীঋষেশ্বৰ দুৱৰাই সভাপতি হিচাপে কাৰ্য নিৰ্বাহ কৰি আছে ।

সম্পাদকসকল ক্ৰমে- শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া (১৯৫৯-১৯৬১), শ্ৰীৰোমেশ্বৰ দুৱৰা, (১৯৬২-১৯৬৪), শ্ৰীখগেশ্বৰ গগৈ (১৯৬৪-১৯৬৭), শ্ৰীঋষেশ্বৰ দুৱৰা (১৯৬৭-১৯৬৯), শ্ৰীভদ্ৰকান্ত ফুকন (১৯৬৯-১৯৭৪), শ্ৰীদেৱেন দুৱৰা (১৯৭৪-১৯৭১) আদি সংগীসকল । বৰ্তমান সম্পাদক শ্ৰীৰোমেশ্বৰ দুৱৰাই ১৯৭৯ চনৰ পৰা ১৯৯৯ চনলৈ সুদীৰ্ঘ কুৰিটা বছৰে সম্পাদকৰ গুৰু দায়িত্ব পালন কৰি আহিছে । বৰ্তমান সম্পাদকৰ দায়িত্ব বহন কৰিছে শ্ৰীলক্ষীৰাম দুৱৰাই ।

প্ৰাথমিক শাখাটিয়ে নানা সংঘাত অতিক্ৰম কৰি আহি সুদীৰ্ঘ দুকুৰি বছৰ অতিক্ৰম কৰিছে । এই কালছোৱাত কেইবাঘৰ গৃহস্থী এই শাখাৰ পৰা ওলাই গৈ এটি নতুন শাখা গঠন কৰিছে । সেয়ে বৰ্তমান এইখন প্ৰাথমিক শাখাৰ সংগী সংখ্যা ৭২ জন আৰু গৃহস্থী সংখ্যা ৩১ ঘৰ ।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাথমিক শাখা গঠনৰ পূৰ্বৰে পৰা নাম-ধৰ্মৰ নীতি-আদৰ্শৰ প্ৰতি আহ্বান, আদৰ্শ ব্যক্তি হিচাপে স্বৰ্গীয় ৰতিকান্ত গগৈ এজন স্মৰণীয় ব্যক্তি । তেখেতৰ উদাৰতা, সমাজসেৱী চিন্তা আৰু ধৰ্মীয় আদৰ্শই সমগ্ৰ গাঁওখনিকে অনুপ্ৰাণিত কৰিছিল । সুদীৰ্ঘ ১০৮ বছৰ কাল পৰমায়ু লাভ কৰি ১৯৬৪ চনত এইজনা পুৰুষ বৈকুণ্ঠী হয় ।

বিগত চাৰি দশক ধৰি এই প্ৰাথমিক শাখাটিয়ে শ্ৰীমন্ত শংকৰদেৱ

সংঘ তথা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্ম, সাহিত্য, কলা-সংস্কৃতি পালন, প্ৰচাৰ আৰু প্ৰসাৰ দিশত গুৰুত্ব দি আহিছে । এই শাখাটিৰ সৌজন্যত কেইবাখনিও ধৰ্মালোচনী চক্ৰ আৰু এখন জিলা অধিৱেশন অনুষ্ঠিত কৰিছে। প্ৰাথমিকৰ অন্যতম সংগী শ্ৰীগোবিন্দ্ৰ চন্দ্ৰ শইকীয়া আৰু শ্ৰীহেমকান্ত শইকীয়াই বিগত বছৰকেইটিত নানা অঞ্চলত প্ৰচাৰ কাৰ্য চলাই ভালে সংখ্যক প্ৰাথমিক শাখা গঠন কৰিবলৈ সক্ষম হৈছে । এই দুয়োগৰাকী সংগী আমাৰ প্ৰাথমিকৰ গৌৰৱৰ স্থল বুলি ক'ব পাৰি কাৰণ শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া বাপে ১৯৬৬ চনৰপৰা ১৯৭৪ চনলৈ সুদীৰ্ঘ আঠ বছৰ কাল জিলা সম্পাদকৰ দায়িত্ব সুখ্যাতিৰে বহন কৰে । ১৯৬৮ চনৰ পৰা তেখেতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বাজ্যিক নিৰ্বাহকৰ সদস্য নিৰ্বাচিত হয়। পাচঁটা কাৰ্য্যকাল অৰ্থাৎ একেৰাহে দহ বছৰ কাল মূল কাৰ্যনিৰ্বাহকৰ সদস্য হিচাপে থকাৰ অন্তত ১৯৭৮ চনৰপৰা মূল সংঘৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয় । প্ৰধান সম্পাদকৰ দায়িত্ব সুদীৰ্ঘ আঠ বছৰ সুখ্যাতিৰে পালনৰ অন্তত দুবছৰ কাল উপ-পদাধিকাৰ দায়িত্বও পালন কৰে । তেখেতে ১৯৭৫ চনৰপৰা সংঘৰ মুখপত্ৰ 'নামধৰ্ম'ৰ সম্পাদক নিৰ্বাচিত হয় । তদুপৰি গোলাঘাটৰ পৰা প্ৰকাশিত 'শ্ৰীমন্ত' আলোচনীৰো বহুদিন ধৰি সম্পাদনা কৰিছিল । উল্লেখ্য যে মূল সংঘৰ যি চৌৱাল্লিশতম্ অধিৱেশন ১৯৭৫ চনত গোলাঘাটৰ বৰুৱা বামুণ গাৱঁত অনুষ্ঠিত হৈছিল, সেই অধিৱেশনৰ আদৰণি সমিতিৰ প্ৰধান সম্পাদকৰ দৰে গুৰু দায়িত্ব পালন কৰি অধিৱেশনখনি সুচাৰুৰূপে উদযাপন কৰা গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল । আন এগৰাকী আমাৰ প্ৰাথমিক শাখাৰ সংগী শ্ৰীহেম শইকীয়াও আমাৰ এজন প্ৰতিভাবান আৰু নিষ্ঠাবান সেৱক । ১৯৭৪ চনত মূলৰ অনুৰোধ ক্ৰমে শ্ৰীগোবিন্দ শইকীয়াই জিলা সম্পাদকৰ পদ ইস্তফা দিব লগা হোৱাত শ্ৰীহেম শইকীয়া বাপক জিলা সম্পাদক নিৰ্বাচন কৰা হয় । তেখেতে সুদীৰ্ঘ আঠ বছৰদিন জিলা সম্পাদক হিচাপে কাৰ্য নিৰ্বাহ কৰে । এখেত কেইবাবাৰো মূলৰ সাহিত্য শাখাৰ সম্পাদক হিচাপে কাৰ্য নিৰ্বাহ কৰিছিল । জিলা শাখাৰ বুৰঞ্জী ভাগৰ এখেতৰ সম্পাদনাতে প্ৰথম প্ৰকাশ হৈছিল ।

মুঠতে এই প্ৰাথমিক শাখাৰ কলেৱৰ সৰু হ'লেও নিষ্ঠাবান সংগীসকলৰ বৰঙণি নিশ্চয় লেখত ল'বলগীয়া । ❑

# পূৰ্বপুৰ শ্ৰীমন্ত প্ৰাথমিক শাখা

## গঠন ঃ ১৯৬৪ চন

**গাঁৱৰ নামৰ উৎপত্তি ঃ** আনুমানিক দুশ বছৰৰ পূৰ্বে ইংৰাজসকলে অসমত চাহ খেতি কৰিবৰ বাবে বনুৱাৰ প্ৰয়োজন হোৱাত ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা বনুৱা আনিছিল । ৰঙামাটি চাহ বাগান ব্ৰহ্মপুত্ৰ চাহ কোম্পানীৰ অন্তৰ্ভুক্ত এখন ডাঙৰ চাহ বাগান । এই ৰঙামাটিৰে শাখা ৰাঙ্গলিটিং চাহ বাগান । ইংৰাজ চাহাবে চাহ বনুৱাসকলৰ ঘৰ-দুৱাৰ নিৰ্মাণ কৰি বনুৱাসকলৰ ঘৰৰ পৰিসীমা ইংৰাজী ভাষাতে 'লাইন' নামেৰে নামকৰণ কৰাত পূৰ্বপুৰ শ্ৰীমন্ত প্ৰাথমিক শাখা গঠনৰ স্থানক ৰাঙ্গলিটিং পুৰণা লাইন নাম দিয়া হৈছিল । এই অঞ্চলৰ প্ৰায়খিনি বাসিন্দা বিহাৰৰ ৰাচিৰ পৰা আনি ইংৰাজ চাহাবে বহুৱাইছিল । এই স্থানতে চাহাবৰ মেম থাকিবৰ বাবে ঘৰ-দুৱাৰ নিৰ্মাণৰ লগতে এটা পুখুৰীও খন্দাইছিল । কিবা কাৰণত বোধহয় এই স্থান অনুপযোগী বিবেচিত কৰি ৰঙামাটিলৈ স্থানান্তৰ কৰিলে । এই পুৰণা লাইনতে আজিও মেম টিকা আৰু মেম পুখুৰীটোৱে তাৰেই সাক্ষ্য বহন কৰি আছে । কালক্ৰমত এই বিশাল ১৫/২০ বিঘাৰ মাটি ডোখৰত গুটি মালা নামৰ (মাটিত সাৰ বঢ়া এবিধ শস্য) শস্য কৰিছিল, যাৰ ফলস্বৰূপে বৰ্তমান এই টিকাটো গুটি খোৱা টিকা নামেৰে জনাজাত হৈছে । পুৰণা লাইন নামটোৰ পৰিবৰ্তে ১৯৬৪ চনত মহাসমাৰোহেৰে উদযাপন কৰা গুৰু জয়ন্তীৰ আগতে জুলাই মাহত গোলাঘাট আদালতৰ যোগেদি পূৰ্বপুৰ গাঁও নামকৰণ কৰা হয় । গাঁৱৰ নামৰ উৎপত্তি সংক্ষেপতে ইমানেই ।

**গাঁৱৰ এলেকা আৰু চাৰিসীমা ঃ** বাৰিচোৱা ৰাজহ এলেকাক সামৰি পূৰ্বপুৰ গাঁও গঠন হৈছে । একৰিলোমিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰতে গাঁওখন অৱস্থিত । এই গাঁৱৰ উত্তৰে ৩৭ নং ৰাষ্ট্ৰীয় পথ, দক্ষিণে ৰাঙ্গলিটিং ৰেল ষ্টেচন, পূবে মূদৈ গাঁও, পশ্চিমে দৰিয়া নদী আৰু ৰঙামাটি বাগান ।

**গাঁৱৰ জনসংখ্যা ঃ** এই গাঁৱৰ গৃহস্থীৰ সংখ্যা ষাঠীঘৰ । জনসংখ্যা তিনিশৰো অধিক ।

**গুণ সম্পন্ন ব্যক্তিসকলৰ নাম ঃ** শ্ৰীভৱেশ কুমাৰ দত্ত, লক্ষণ কাণ্ডুল, চিকাৰী মুণ্ডা, সোমেশ্বৰ হাও, মণিৰাম ভেংৰা, বিপিন দত্ত, জীৱন হাও,

প্ৰভাত দত্ত, অজিত মুণ্ডা, জসন্ত মুণ্ডা, নবীন উৰাং, বিপিন কাণ্ডুল আদি।

**অনুষ্ঠান-প্ৰতিষ্ঠান ঃ** এই গাৱঁত দুটা নামঘৰ, এখন মধ্য ইংৰাজী বিদ্যালয় আৰু এখন প্ৰাথমিক বিদ্যালয় আৰু এটা চৰকাৰী পুখুৰী আছে।

**প্ৰাথমিক গঠনৰ চন তাৰিখ ঃ** ১৯৬৪ চনতেই প্ৰাথমিক শাখাটিৰ নাম পূৰ্বপুৰ শ্ৰীমন্ত নামকৰণ কৰি গঠন কৰা হয় । সাংগঠনিক দিশৰ প্ৰতি লক্ষ্য ৰাখি জিলাৰ স্বীকৃতি তেতিয়া লোৱা নহ'ল । শেষত ১৯৭৮ চনত এই প্ৰাথমিক শাখাটিয়ে সংঘৰ স্বীকৃতি লাভ কৰে ।

**উদ্যোক্তাসকলৰ ভূমিকা ঃ** শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ এক শৰণ হৰি নামধৰ্মৰ বাহুল্য চৰ্চা এই গাৱঁত হোৱা নাছিল যদিও ১৯৪৯ চনত হাবি গাৱঁৰ নিবাসী প্ৰসিদ্ধ বায়ন প্ৰয়াত লোকেশ্বৰ হাজৰিকাই ভাওনা অনুষ্ঠিত কৰি এটি গায়নৰ জোৰাক শিক্ষা দিয়ে । সেই সময়ৰ সংৰক্ষণশীল সমাজ ব্যৱস্থাই প্ৰয়াত লোকেশ্বৰ বায়নক বনুৱাসকলক এনে শিক্ষা দিয়াৰ বাবে সমাজচ্যুত কৰিছিল যদিও চাৰিসত্ৰৰপৰা সন্মতি অনাৰ পিছতহে বায়নে মুক্তি পাইছিল । ইয়াৰ পিছত মলাই কুমাৰ আৰু মুদৈ গাৱঁৰপৰা দুগৰাকী বায়ন এই অঞ্চললৈ (ৰাঙ্গলিটিং বাগান) আহি ১৯৫৬ চনত ভাওনা কৰিবলৈ শিক্ষা দিয়ে । পুনঃ ১৯৬০ চনৰপৰা প্ৰসিদ্ধ ঢোলৰ ওজা আৰু বায়ন প্ৰয়াত পুণ্যেশ্বৰ বৰাই গাঁওখনত ভাওনা সবাহ আৰু গায়নৰ শিক্ষা দিয়াৰ বাবে আগবাঢ়ি আহিল । বায়ন বিদ্যাৰ শিক্ষাৰে গাঁওখনত এজোৰা গাণিকা গঠন হ'ল । শিক্ষাৰ পোহৰ নোপোৱা গাঁওখনৰ সকলোৰে জীৱন নিৰ্বাহৰ উপায় মাত্ৰ চাহ শিল্পৰ মজদুৰ । ঘোৰ অন্ধকাৰ ৰাতি আকাশৰ একোটা উজ্বল তৰাই অকলমাত্ৰ পোহৰ কৰাৰ দৰেই এই গাৱঁতে জন্ম হয় শ্ৰীভৱেশ কুমাৰ দত্ত (উৰাং) । গুৰুৰপৰা বায়ন উপাধি লাভ কৰি গুৰু ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ উচ্চ শিক্ষাৰ বাবে গভীৰ অধ্যয়ন আৰম্ভ কৰে । সংস্কৃত আৰু হিন্দী ভাষাত বিদ্যাৰম্ভ হৈ বৃটিছ চাহাবৰ গোলামী চৰিত্ৰৰে প্ৰতিষ্ঠাপিত কৰা চাহ জনগোষ্ঠীৰ চাহ বনুৱা সমাজখন অসমীয়া জাতিত বিলীন কেতিয়াবাই হ'ল - এই কথা উপলব্ধি কৰিলে । তেখেতৰ পিতৃৰ নাম প্ৰয়াত বঞ্চনা উৰাং । শাক্ত ধৰ্মৰ পূজাৰী পিতৃয়ে জন্তু বলি দি মদৰ লগত তান্ত্ৰিক পূজা কৰা কাৰ্য্যৰ প্ৰতিবাদ কৰাৰ বাবেই পুত্ৰ শ্ৰীভৱেশ কুমাৰ দত্তক ঘৰৰপৰা বাহিৰ কৰি দিলে । কশিপুৰ ঔৰষত প্ৰহ্লাদ জন্ম হোৱাৰ দৰেই এক শৰণ গুৰু ধৰ্মত দৃঢ় বিশ্বাসী শ্ৰীদত্তই সেই সময়ত পিতৃয়ে আৰু সমাজে দিয়া কঠোৰ নিৰ্যাতনলৈ কৰ্ণপাত নকৰি গুৰু ধৰ্ম প্ৰচাৰত নিজকে উছৰ্গা কৰে । ১৯৬০ চনত তেখেতৰ পৰিয়ালৰ

উপাধি উৰাঙৰ পৰিবৰ্তে 'দত্ত' উপাধিৰে পৰিচিত হ'ল । আদালতৰ যোগেদি এই কাম কৰি দাধৰাৰ মঃ ৰচিদ আলি নামৰ মুছলমান ব্যক্তিৰ ঘৰত আশ্ৰয় লৈ গুৰু ধৰ্মৰ প্ৰচাৰ চলায় । এই সময়তে হাবিগাৱঁৰ শ্ৰীদণ্ডেশ্বৰ বৰুৱাৰ লগত একে পথৰ যাত্ৰী হৈ চাহ জনজাতি অধ্যুষিত অঞ্চলত শঙ্কৰী সংস্কৃতি প্ৰদৰ্শনৰ জৰিয়তে গুৰু ধৰ্ম প্ৰচাৰত ব্ৰতী হয় । ১৯৬৪ আৰু ১৯৬৬ চনত মহাসমাৰোহেৰে এই গাৱঁত গুৰু জয়ন্তী অনুষ্ঠিত কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ শ্ৰীযুত অচ্যুত কৃষ্ণ মিশ্ৰ, প্ৰধান সম্পাদক শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া, কাঠবাপু সত্ৰৰ সত্ৰাধিকাৰ প্ৰয়াত কমলেশ্বৰ মহন্ত, পুৰণিমাটি সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীযুত বিপিন চন্দ্ৰ গোস্বামী প্ৰমুখ্যে গুৰুজনাৰ একান্ত সেৱক ভকত বৈষ্ণৱক আমন্ত্ৰণ জনাই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাথমিক শাখা গঠন কৰে । এয়ে গুৰুধৰ্ম প্ৰচাৰ সংগঠনত উদ্যোক্তাসকলৰ চমু ভূমিকা ।

গৃহস্থী আৰু প্ৰাথমিকৰ সংগীৰ সংখ্যা - ২২ ঘৰ গৃহস্থী আৰু ৬৬ গৰাকী সংগীৰে প্ৰাথমিক শাখাটিয়ে গুৰু ধৰ্ম পালন কৰিছে ।

**প্ৰচাৰ-প্ৰসাৰ আৰু সংগঠনৰ দিশত ভূমিকা ঃ** নিজ গাৱঁৰ ভিতৰতে সংগঠন আৰু প্ৰচাৰত আৱদ্ধ নাথাকি প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক শ্ৰীভৱেশ কুমাৰ দত্তই নিম্ন লিখিত প্ৰাথমিক শাখাসমূহ গঠন কৰাত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰে । ৰঙামাটি বাগানত শংকৰ-মাধৱ, বালিচাপৰি প্ৰাথমিক শাখা জৰাগুৰিত, আদৰ্শ প্ৰাথমিক শাখা খকন্দগুৰিত, টেকেলা গাঁও প্ৰাথমিক শাখা নেঘেৰিটিঙত, মণিকাঞ্চন প্ৰাথমিক শাখা, ফেটা বস্তিত মহাত্মা প্ৰাথমিক শাখা, চাং চোৱা বাগান, ৰাজৈ বাগান, মনোময় বাগান, মৰিয়নি অঞ্চলৰ চাহবাগানসমূহেই প্ৰধান । প্ৰাথমিক শাখাত গাণিকা, নাম প্ৰসংগ, পাঠ প্ৰসংগ, বিবাহ পৰিচালক, হিৰা নাম, নাগেৰা নাম, বৰগীত, পৰিৱেশন কৰিব পৰা সংগীৰ অভাৱ নাই । সংঘৰ নীতি নিয়ম অনুযায়ী সেৱা বাহিনী প্ৰাথমিক শাখাত গঠন কৰা হৈছে ।

**প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকলৰ নাম ঃ**

**১৯৬৪ চনৰপৰা ৮৭ চনলৈ -**

সভাপতি - স্বৰ্গীয় লক্ষণ কাগুল

সম্পাদক - শ্ৰীভৱেশ কুমাৰ দত্ত

**১৯৮৭ চনৰপৰা ৯৬ চনলৈ -**

সভাপতি - স্বৰ্গীয় মণিৰাম ভেংৰা

সম্পাদক - শ্ৰীভৱেশ কুমাৰ দত্ত

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

১৯৯৬ চনৰপৰা ৯৯ চনলৈ -

সভাপতি ঃ শ্ৰীসোমেশ্বৰ হাও

সম্পাদক ঃ শ্ৰীবিপিন দত্ত

আৰ্থ সামাজিক অৱস্থা ঃ প্ৰাথমিক শাখাৰ সংগীসকলৰ আৰ্থিক অৱস্থা দৰিদ্ৰ সীমাৰেখাৰ তলৰ । দিন হাজিৰা আৰু চাহ শিল্পত কাম কৰি সংগীসকলে জীৱন নিৰ্বাহ কৰে ।

**প্ৰাথমিক শাখাৰ মৃত আৰু জীৱিত ব্যক্তিৰ সংক্ষিপ্ত জীৱনী ঃ** স্বৰ্গীয় লক্ষণ কাণ্ডুল ঃ জন্ম - ১৯৩৭ চন, মৃত্যু - ১৯৮৭ চন

১৯৬৪ চনৰপৰা ১৯৮৭ চনলৈ প্ৰাথমিক শাখাৰ সভাপতি আছিল। পিতৃৰ নাম বপকা কাণ্ডুল আৰু মাতৃৰ নাম মাংৰী কাণ্ডুল । গুৰু ধৰ্মত অটল বিশ্বাসী আৰু ভক্তি পৰায়ণ সংগী আছিল । তেখেতৰ পৰিয়ালৰ ককাই-ভাই কেইজন ঘোৰ শাক্ত পন্থী আছিল । সংঘত সংগী ভুক্ত হৈ প্ৰাথমিক শাখাৰ সভাপতিৰ পদ গ্ৰহণ কৰাটো পৰিয়ালৰ লোকে সহ্য কৰিব পৰা নাছিল । পূৰ্ব পুৰুষসকলৰ ৰীতি-নীতি আৰু ধৰ্ম নষ্ট কৰাৰ বাবে লক্ষণ কাণ্ডুলক পৰিয়ালৰ লোকে বৰ্জন কৰে । তেওঁক ক্ৰোধৰ বশবৰ্ত্তি হৈ কৌশল কৰি ঘৰৰ পৰা মাতি নি জনশূন্য বাগানৰ মাজত কোনোবা দুবৃৰ্ত্তই হত্যা কৰিলে।

**স্বৰ্গীয় চিকাৰি মুণ্ডা ঃ** জন্ম - ১৯১৩ চন, মৃত্যু - ১৯৮৮ চন।

প্ৰাথমিক শাখাৰ বৰ্ষীয়ান সংগী আছিল । পিতৃৰ নাম স্বৰ্গীয় মাহতুবুদু মুণ্ডা আৰু মাতৃৰ নাম এতোৱাৰী মুণ্ডা । গুৰু ধৰ্মত গভীৰ বিশ্বাসী ভকত আছিল । গুৰু ধৰ্মৰ বিৰোধী লোকে ঘৰৰ ভিতৰত ভাত ৰান্ধি থকা অৱস্থাত সংগোপনে তেখেতক হত্যা কৰিলে ।

**স্বৰ্গীয় মণিৰাম ভেংৰা ঃ** জন্ম ১৯৪১ চন, মৃত্যু - ১৯৯৮ চনৰ ৫ ভাদ ।

প্ৰাথমিক শাখাৰ দ্বিতীয় সভাপতি আছিল । পিতৃৰ নাম স্বৰ্গীয় মাৰ্টিন গাঁওবুঢ়া আৰু মাতৃৰ নাম কদমী ভেংৰা ।

গায়ন - বায়ন, পাঠ প্ৰসংগ আৰু প্ৰাথমিক শাখাৰ দেউৰী-বিলনীয়া আছিল । এগৰাকী গুৰু ধৰ্ম পালনত নিষ্ঠাবান ভকত হিচাপে খ্যাতি ৰাখি গৈছে । ৰক্তচাপ জনিত কাৰণত পৰলোক হয় ।

**সোমেশ্বৰ হাও ঃ** জন্ম ১৯৪৫ চন । প্ৰাথমিক শাখাৰ তৃতীয় গৰাকী সভাপতি পিতৃৰ নাম হৰিনাথ হাও আৰু মাতৃৰ নাম জাগনি হাও । গায়ন-

বায়নত বিখ্যাত পাকৈত শিল্পী । গুৰু ধৰ্ম প্ৰচাৰৰ এগৰাকী একনিষ্ঠ সেৱক।

**বিপিন দত্ত ঃ** জন্ম ১৯৬২ চন ৫ জানুৱাৰী । পিতৃৰ নাম স্বৰ্গীয় বৰুৱা আৰু মাতৃৰ নাম মাইনী । গায়ন-বায়নত বিখ্যাত, পাকৈত । লোক সংস্কৃতিৰ এগৰাকী শ্ৰেষ্ঠ বিহুৱা আৰু ঢোল বাদক । গুৰু ধৰ্ম প্ৰচাৰৰ এগৰাকী নিষ্ঠাবান সেৱক । বৰ্তমান প্ৰাথমিক শাখাৰ সম্পাদক ।

**শ্ৰীভবেশ কুমাৰ দত্ত ঃ** জীৱনী তত্ত্বত স্থান পোৱাৰ বাবে প্ৰাথমিক শাখাৰ এই অংশত উল্লেখ কৰা নহ'ল ।

# চাৰিঙীয়া কাকতি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৬৭ চন

১৯৬৭ চনৰ ২।১১।৬৭ তাৰিখ, ৫১৯ শঙ্কৰাব্দত চাৰিঙীয়া পুৰণা নামঘৰত এভাগি ধৰ্মালোচনী সভা অনুষ্ঠিত হয় । সেই সভাত মূল সংঘৰ প্ৰাক্তন উপ পদাধিকাৰ তথা সেই সময়ৰ গোলাঘাট জিলাৰ সম্পাদক শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া দেৱে উপস্থিত থাকি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শৰ বিষয়ে ৰাইজক বিশদভাৱে অৱগত কৰে । সেই সভাতেই প্ৰয়াত গঙ্গাধৰ বৰুৱা, সৰ্বশ্ৰী ৰূপৰাম চাৰিঙীয়া, বিলম্ব বৰা আদি লোকসকলৰ তৎপৰতাত 'চাৰিঙীয়া কাকতি' প্ৰাথমিক শাখা নামকৰণেৰে এভাগি প্ৰাথমিক শাখাই স্থিতি লাভ কৰে । সভাপতি আছিল প্ৰয়াত শ্ৰীবিলম্ব বৰা । গৃহস্থীৰ সংখ্যা আছিল ১০ ঘৰ । কিন্তু বুৰঞ্জীয়ে মোৰ সলোৱাৰ দৰে প্ৰাথমিক ভাগেও নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে পাৰ কৰি ১৯৮০ চনত পুনৰ গঠিত হয় । নতুন সমিতিৰ সভাপতি-সম্পাদক ক্ৰমে সৰ্বশ্ৰী বলোৰাম চাৰিঙীয়া আৰু বুবুল চাৰিঙীয়া । গৃহস্থীৰ সংখ্যা ১২ ঘৰ। এই সমিতিৰ জৰীয়তে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শৰে পৰিচালিত 'চাৰিঙীয়া কাকতি প্ৰাথমিক গুৰুধৰ্ম পালন, প্ৰচাৰ প্ৰসাৰ কাৰ্য্যত ব্ৰতী হৈ আহিছে । প্ৰচাৰৰ ক্ষেত্ৰত প্ৰাথমিক শাখাৰ সংগী সকলে ২নং শেনছোৱা, কাকতি গাঁও, কোচ গাঁও, বেতিয়নি বাগান আদিত প্ৰচাৰ কাৰ্য্য চলাই সংগী ভৰ্ত্তি কৰাই প্ৰাথমিক শাখা গঠন কৰিছে । ০

# শ্ৰীমন্ত শংকৰদেৱ সংঘ শিঙৰাজান প্ৰাথমিক শাখা

## গঠন ঃ ১৯৬৯ চন

**শিঙৰাজান গাৱঁৰ ইতিহাস ঃ**

এই গাৱঁৰ পূব দিশত কোৰোকাণি পথাৰ । এই পথাৰৰ পৰাই এটি জান বৈ পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথ অতিক্ৰম কৰি পশ্চিম দিশত লোৱাদোং জানত পৰিছে । প্ৰবাদ আছে যে এই জানটিত শিঙৰা মাছ উভৈনদী আছিল সেই কাৰণে জানটিৰ নাম শিঙৰাজান ৰখা হৈছিল । কালক্ৰমত জানটিৰ নাম অনুসৰিয়েই গাঁওখনৰ নাম শিঙৰাজান হয় । বৰ্তমানত গাঁওখনৰ স্থায়ী বাসিন্দা (গৃহস্থী) ৮৮ ঘৰ । জনসংখ্যা প্ৰায় ৬৫০ জন । গাঁওখনৰ আয়তন ১.৫ বৰ্গ কিলোমিটাৰ । গাৱঁৰ মাজেদি পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথ গৈছে। পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথে গাঁওখনক সমানে দুটা ভাগত বিভক্ত কৰিছে । হেমচন্দ্ৰ গোস্বামী পথৰ পূৱ অংশ গুৰযোগনীয়া আৰু পশ্চিম অংশ মিছামৰা মৌজা । গাৱঁৰ মধ্য স্থলত ৰাজহুৱা নামঘৰ আৰু যুৱক সংঘৰ অস্থায়ী কাৰ্যালয় আছে আৰু সমীপতে আহোম ৰজাদিনীয়া চৰকাৰী পুখুৰী, দক্ষিণ পূৱ সীমাত উমাকান্ত প্ৰাথমিক বিদ্যালয় আৰু একেবাৰে পূৱত কুৰালগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আছে । শিঙৰাজান গাৱঁৰ অধিকাংশ লোক কৃষিজীৱী আৰু কম সংখ্যক লোক চাকৰিয়াল ।

**শিঙৰাজান প্ৰাথমিক শাখাৰ ইতিহাস ঃ** ১৯৬৪ চনলৈকে গাৱঁত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰভাৱ পৰা নাছিল । কিন্তু ১৯৬৫ চনত প্ৰতিষ্ঠা হোৱা কৃষি বিষয়াৰ কাৰ্যালয়ৰ মুখ্য বিষয়া যোৰহাটৰ কৰঙা গাঁও নিবাসী শ্ৰীশৰৎ চন্দ্ৰ বৰুৱা গুৰুজনাৰ ধৰ্মৰ অটল বিশ্বাসী আছিল । তেখেত এই গাৱঁলৈ আহি বয়োজ্যেষ্ঠ লোকসকলৰ লগত ধৰ্ম সম্পৰ্কে আলোচনা কৰিছিল । কিছুদিনৰ পাছত তেখেতে এখনি ভাগৱত শাস্ত্ৰ কিনি আনি প্ৰথমে স্বৰ্গীয় সোমনাথ কলিতাৰ ঘৰ পায় আৰু পিছদিনা এভাগি শৰাই আগবঢ়াই নামঘৰত পাঠৰ পাতনি মেলে । গধূলি সদায় ভাগৱত পাঠ আৰু আলোচনা হয় । সেই সময়ত ভাগৱত পাঠত অংশ গ্ৰহণ কৰিছিল।

প্ৰয়াত বাপুৰাম বৰা, সোমনাথ কলিতা, মাধিৰাম কলিতা, শ্ৰীবগীৰাম কলিতা, শ্ৰীফটিক কলিতা আৰু শ্ৰীবানেশ্বৰ কলিতা আদি

লোকসকলে । ভাগৱত পাঠৰ আলোচনাত উপস্থিত থকা লোকসকলৰ মন গুৰু ধৰ্মৰ প্ৰতি ঢাল খুৱায় । মাজে সময়ে ভাগৱত পাঠত সেই সময়ৰ গোলাঘাট জিলা শাখাৰ প্ৰচাৰক প্ৰয়াত যোগেন দত্ত দেৱে ভাগ লয় । সেই সময়ত কেইবাগৰাকী লোক সংঘ মুখী হ'বলৈ ইচ্ছা প্ৰকাশ কৰিলে যদিও প্ৰাথমিক গঠনৰ বাবে প্ৰয়োজনীয় গৃহস্থী নোহোৱাত দত্তদেৱৰ পৰামৰ্শক্ৰমে স্বৰ্গীয় সোমনাথ কলিতা, স্বৰ্গীয় বাপুৰাম বৰা, স্বৰ্গীয় মাধিৰাম কলিতা, শ্ৰীফটিক কলিতা আদি লোকসকল খনিকৰ প্ৰাথমিক শাখাত সংগী ভৰ্তি হয় । তেখেতসকলৰ যত্নতে তেতিয়াৰ পদাধিকাৰ শ্ৰীযুত অচ্যুৎ কৃষ্ণ মিশ্ৰ বাপক আমন্ত্ৰণ জনাই প্ৰয়াত সংগী সোমনাথ কলিতা বাপৰ গৃহতে এখনি আলোচনা চক্ৰ পতা হয় । উক্ত আলোচনা চক্ৰত গাৱঁৰ বহুতো লোকে অংশ গ্ৰহণ কৰে । এই আলোচনা সভাৰ পাছতে ৫২০ শঙ্কৰাব্দত ১৫ ঘৰ গৃহস্থীৰে শিঙৰাজান প্ৰাথমিক শাখা গঠন কৰা হয় । ৫২২ শঙ্কৰাব্দ বহাগ মাহত গোলাঘাট জিলাৰ প্ৰাথমিক সমূহৰ সভাপতি সম্পাদক সন্মিলন আৰু ১৮ আহাৰত সদৌ অসম সভাপতি সম্পাদক সন্মিলন শিঙৰাজান নামঘৰত অনুষ্ঠিত কৰা হয় । এই দুয়োখন সন্মিলনে এই গাৱঁত এটা আলোড়ণৰ সৃষ্টি কৰে । তেতিয়াৰ পৰা শিঙৰাজান প্ৰাথমিক শাখাৰ গৃহস্থী ৩০ ঘৰলৈ বৃদ্ধি পায় ।

# প্ৰাথমিক শাখাৰ কৃতিত্ব

অভিভক্ত গোলাঘাট জিলা শাখাৰ ১৯৭৩ চনত অনুষ্ঠিত জিলা অধিৱেশনত ঘোষিত ৩ টা পুৰস্কাৰ আৰু দক্ষিণ আঞ্চলিকত বহা ১৯৭৪ চনৰ জিলা অধিৱেশনত শিঙৰাজান প্ৰাথমিক শাখাই আদৰ্শ প্ৰাথমিক শাখাৰ বঁটা লাভ কৰে ।

# প্ৰাথমিক বিভক্ত

শিঙৰাজান প্ৰাথমিক শাখাত সংগীৰ সংখ্যা বৃদ্ধি হোৱাত, বিভিন্ন কাৰণত কোনো কোনো সংগীয়ে প্ৰাথমিক শাখা বিভক্ত কৰাৰ মত পোষণ কৰাত একাংশ সংগীয়ে লাওভগা শান্তিজান শাখা গঠন কৰি শিঙৰাজান প্ৰাথমিক শাখাৰ পৰা ওলাই যায় ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

সভাপতি-সম্পাদকৰ তালিকা ঃ

| | সভাপতি | সম্পাদক |
|---|---|---|
| ৫২০-৫২৫ শকব্দ ঃ | স্বৰ্গীয় সোমনাথ কলিতা - | শ্ৰীবানেশ্বৰ কলিতা |
| ৫২৬-৫২৭ শকব্দ ঃ | স্বৰ্গীয় কনকেশ্বৰ দত্ত - | শ্ৰীবানেশ্বৰ কলিতা |
| ৫২৮-৫২৯ শকব্দ ঃ | শ্ৰীজগত কলিতা - | শ্ৰীতুলসীৰাম কলিতা |
| ৫৩০-৫৩১ শকব্দ ঃ | শ্ৰীজগত কলিতা - | শ্ৰীতুলসীৰাম কলিতা |
| ৫৩২-৫৪৬ শকব্দ ঃ | স্বৰ্গীয় সোমনাথ কলিতা - | শ্ৰীবানেশ্বৰ কলিতা |
| ৫৪৭-৫৪৮ শকব্দ ঃ | শ্ৰীতুলসী ৰাম কলিতা - | শ্ৰীৰাজু কলিতা |
| ৫৪৯- শকব্দ ঃ | শ্ৰীতুলসীৰাম কলিতা - | শ্ৰীপ্ৰশান্ত কলিতা |
| ৫৫০ শকব্দ ঃ | শ্ৰীতুলসীৰাম কলিতা - | শ্ৰীগুণীন কলিতা |

## দৈয়ঙ্গীয়া কল্পতৰু প্ৰাথমিক শাখাৰ সংক্ষিপ্ত বুৰঞ্জী

### সংঘৰ অন্তৰ্ভুক্তি ঃ ২৫।৯।৬৯

### গঠন ঃ ১৯৬৯ চন ৫২০ শকব্দ

গোলাঘাট জিলাৰ মিছামৰা মৌজাৰ অন্তৰ্গত দৈয়ঙ্গীয়া গাঁও । এই অঞ্চলৰ সকলো চুতীয়া জনগোষ্ঠী লোকেই টিপমীয়া ফৈদৰ । চুতীয়া ৰাজ্য যেতিয়া আহোম ৰজাৰ অধীনলৈ আহে তেতিয়া চেলবেল নামেৰে এজন ডেকাক আহোম ৰজাই টেকেলা বড়াৰ বিষয় বাব দিয়ে । বিষয় বাব লৈ ডেকাই এই অঞ্চলতে লগুৱা লিক্চৌ সহ বসবাস কৰে । আগতে দৈয়াঙ অঞ্চলত আছিল । দৈয়াঙৰ পৰা উঠি অহা কাৰণে এই অঞ্চলৰ নাম দৈয়ঙ্গীয়া গাঁও হয় ।

এই চেলবেলৰে দুজন পুত্ৰ ক্ৰমে 'লবো' আৰু 'হামো' লবোৰে পৰিনাতি স্বৰ্গীয় উত্তৰা কান্ত বড়া ভাৰতৰ স্বাধীনতা আন্দোলনৰ এজন অগ্ৰণী যোদ্ধা আছিল । ১৯৪৩ চনত ভাৰতৰ স্বাধীনতা আন্দোলনৰ বাবে যোৰহাট কাৰাগাৰত কাৰাৰুদ্ধ হৈ থকা অৱস্থাতে শ্ৰীমন্ত শংকৰদেৱ সংঘ তথা একশৰণ হৰিনাম ধৰ্মৰ প্ৰতি আকৰ্ষিত হৈছিল । যোৰহাট জেলত স্বৰ্গীয় বড়াদেৱে গোপীনাথ বৰদলৈ, বিমলা প্ৰসাদ চলিহা, পীতাম্বৰ দেৱ গোস্বামী, কুশল কোঁৱৰ আদি মুক্তি যোদ্ধাসকলৰ সান্নিধ্যলৈ আহে ।

১৯৪৫ চনৰপৰা অশেষ চেষ্টা কৰিও গাঁওবাসীৰ মাজত হৰিনাম ধৰ্ম প্ৰচাৰ কৰাত সম্পূৰ্ণ ফলৱতী নোহোৱাত তেখেতে গাৱঁৰ বিষয়বাব সকলো ত্যাগ কৰি ১৯৬৯ চনত নিজা গাৱঁৰে মাত্ৰ ৬ ঘৰ গৃহস্থী আৰু

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

সমীপৰ ৪ ঘৰ গৃহস্থী, মুঠ ১০ ঘৰ গৃহস্থীৰে 'কল্পতৰু' নামকৰণেৰে এখনি প্ৰাথমিক শাখা গঠন কৰি ২৫।৯।৬৯ তাৰিখে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অন্তৰ্ভুক্ত হয় । অনুষ্ঠানটি গঢ় লৈ উঠাত মিছামৰা খনিকৰ গাৱঁৰ নিবাসী স্বৰ্গীয় যোগেন দত্ত বাপদেৱৰ অৰিহণা স্মৰণযোগ্য ।

অনুষ্ঠানটি গঠন হোৱাৰেপৰা বৰ্তমানলৈকে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি-আদৰ্শৰে নিয়মীয়া প্ৰাথমিক হিচাপে অন্তৰ্ভুক্তি হৈ আছে । লগতে সংঘৰ নীতি আদৰ্শ প্ৰচাৰ কৰি শাখাটিয়ে সমীপস্থ অঞ্চলত ভালেকেইখন প্ৰাথমিক শাখা গঠন কৰাত সহায় আগবঢ়ায় । বনুৱাৰ মাজতো সংঘৰ প্ৰচাৰ চলাই কেইবাখনো বনুৱা প্ৰাথমিক শাখা গঠন কৰে ।

প্ৰাথমিক শাখা গঠন হোৱাৰ দুবছৰৰ পাছতেই শাখাৰ সংগী শ্ৰীজগত বৰা বাপে গোলাঘাট জিলা শাখাৰ সহকাৰী সম্পাদকৰ দায়িত্ব বহন কৰি সেৱা আগবঢ়াইছিল । তদুপৰি স্বৰ্গীয় ইন্দ্ৰ বৰা বাপদেৱে মূল সংঘৰ সংস্কৃতি শাখাৰ বিদ্যালয়ত বৰগীতৰ প্ৰশিক্ষক হিচাপে নিযুক্তি লাভ কৰি একাদিক্ৰমে মৃত্যুৰ আগমুহূৰ্তলৈকে শ্ৰীমন্ত শংকৰদেৱ সংঘত সেৱা আগবঢ়াইছিল । তদুপৰি বৰ্তমান প্ৰাথমিক শাখাৰ সভাপতি শ্ৰীচন্দ্ৰধৰ বড়া বাপ আৰু সংগী শ্ৰীযোগেন বড়া বাপে মূল সংঘৰ সংস্কৃতি শাখাৰ নৃত্য বিষয়ত প্ৰশিক্ষণ সমাপ্ত কৰিছিল ।

বৰ্তমান শাখাটিৰ মুঠ গৃহস্থী ১৫ ঘৰ আৰু মুঠ সংগী ৪৫জন । ইয়াৰে শৰণীয়া সংগী মুঠ ৩৯ জন আৰু ভজনীয়া ৯ জন। শাখাটিৰ বৰ্তমানৰ গৃহস্থীৰ মুৰব্বীসকল ক্ৰমে সৰ্বশ্ৰী ৰাজেন বড়া, বোধেশ্বৰ বড়া, নীলকান্ত বড়া, নন্দেশ্বৰ বড়া, মণিৰাম বড়া, প্ৰদীপ বড়া, চন্দ্ৰধৰ বড়া, নৰেশ্বৰ বড়া, প্ৰফুল্ল বড়া, থানেশ্বৰ বড়া, লোকেশ্বৰ বৰুৱা, নিৰেন বড়া, খগেন বড়া, ঘুনুমাই বড়া, আৰু ঠগী ৰাজখোৱা।

শাখাটিৰ সভাপতি হিচাপে সেৱা আগবঢ়োৱা সংগী বাপসকল ক্ৰমে, সৰ্বশ্ৰী ৰাজেন বড়া, পুণ্যেশ্বৰ বড়া, বোধেশ্বৰ বড়া আৰু চন্দ্ৰধৰ বড়া । সম্পাদক হিচাপে সেৱা আগবঢ়াই ক্ৰমে, সৰ্বশ্ৰী নীলকান্ত বড়া, থানেশ্বৰ বড়া, নন্দেশ্বৰ বড়া আৰু ৰিপুন বড়াই ।

১৯৬৯ চনৰপৰা শাখাটিৰ সৰ্বাধিককাল সম্পাদকৰ দায়িত্ব বহন কৰি সেৱা আগবঢ়াই শ্ৰীনীলকান্ত বড়া বাপদেৱে ।

মূল সংঘৰ বিভিন্ন কাৰ্য্যসূচীসমূহত শাখাটিয়ে অংশ গ্ৰহণ কৰাৰ উপৰি গুৰু জয়ন্তী, বাৰ্ষিক অধিৱেশন আৰু ধৰ্মীয় সভা-সমিতি আদি নিয়মীয়াকৈ অনুষ্ঠিত কৰি আহিছে ।

# হাবিগাঁও শংকৰজ্যোতি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭০ চন

**গাৱঁৰ নাম ঃ** গোলাঘাট জিলাৰ দেৰগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত হাবিগাঁও এখন চৰকাৰী ৰাজহ গাঁও ।

**গাৱঁৰ নামৰ উৎপত্তি ঃ** অটব্য অৰণ্যৰে পৰিপূৰ্ণ এই স্থানলৈ বিভিন্ন অঞ্চলৰপৰা পূৰ্বপুৰুষসকল আহি গাঁও পাতি বসবাস কৰাৰ উপযোগী কৰি হাবি জংঘল কাটি মুকলি কৰাৰ বাবেই এই গাৱঁৰ নাম হাবিগাঁও হ'ল। ঘোৰা চোৰা, ঠেঙিবাৰী, দলদোপা, বতলুবাৰী আদি অটব্য জংঘলৰ ভগ্নাংশ আজিও এই গাৱঁত বিদ্যমান হৈ আছে ।

**এলেকা ঃ** হাবিগাঁও এখন ডাঙৰ গাঁও । বৰটিকা প্ৰেজিঙৰ একাংশ ৰাঙ্গলিটিং, গ্ৰান্ট আৰু মিছামৰা চাহ বাগানৰ একাংশক এই গাৱেঁ সামৰি লৈছে । তিনি কিলোমিটাৰ ব্যাসাৰ্দ্ধৰ মাজতে হাবিগাঁও অৱস্থিত।

**চাৰিসীমা ঃ** এই গাৱঁৰ উত্তৰে গেলাবিল নদী, দক্ষিণে দৰিয়া নৈ, পূবে অসম সমবায় চেনিকল আৰু পশ্চিমে ৰঙামাটি চাহ বাগান অৱস্থিত।

**জনসংখ্যা ঃ** এই গাৱঁৰ জনসংখ্যা প্ৰায় তিনিহাজাৰ জনৰ অধিক। গৃহস্থীৰ সংখ্যা প্ৰায় ছশঘৰ ।

**গুণ সম্পন্ন ব্যক্তি বিশেষৰ নাম ঃ** প্ৰয়াত গুণ সম্পন্ন ব্যক্তিসকল ক্ৰমে - জ্যোতিষ বিদ্যা আৰু বেজ বিদ্যাৰ ওজা সোমেশ্বৰ বৰুৱা, বাক্যসিদ্ধি ভকত নৰাম বৰুৱা, স্বৰাজ আন্দোলনৰ কংগ্ৰেছ কৰ্মী মখনা হাজৰিকা, ভুধৰ হাজৰিকা, সমাজবাদীনেতা আৰু বৃটিছৰ দিনাত চৰকাৰী গাঁওবুঢ়া হিচাপে খ্যাতি অৰ্জন কৰা খহুৱা হাজৰিকা, আউনিআটী সত্ৰৰ মেধী মানিক বৰা, সুললিত কণ্ঠস্বৰ গায়িকা শিল্পী প্ৰমিলা বৰুৱা আৰু গণশিল্পী ভৰাম ওজাৰ জন্মস্থান এই গাৱঁতে । খ্যাতনামা মনু চিকাৰীৰ নাম উল্লেখযোগ্য ।

**অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ইয়াত জড়িত ব্যক্তিৰ নাম ঃ** ফৰকাটিং মৰিয়নি শাখা ৰেলওৱে পথৰ ৰাঙ্গলিটিং ষ্টেচন । এই গাৱঁতে অৱস্থিত । এই শাখা ৰেলৱে পথটো ব্ৰডগজ পথলৈ উন্নীত কৰাত ১৯৯৮ চনৰ ১৫ তাৰিখৰপৰা অসমৰ বাহিৰৰপৰা অহা ৰেলগাড়ী এই পথেদি চলাচল কৰে। দুখন প্ৰাথমিক বিদ্যালয়, ককা নীলমণি ফুকন পুথিভৰাল (চৰকাৰী পঞ্জীয়ন ভুক্ত), দুটা নামঘৰ, শংকৰজ্যোতি আৰু মিলনজ্যোতি নামেৰে শ্ৰীমন্ত

শংকৰদেৱ সংঘৰ দুখনি প্ৰাথমিক শাখা, জ্ঞানজ্যোতি যুৱক সংঘ (চৰকাৰী পঞ্জীয়ন ভুক্ত) ৰূপজ্যোতি আৰু জ্ঞানজ্যোতি নামেৰে দুখন মহিলা সমিতি, বকুল মইনা পাৰিজাত, অসম গাঁওৰক্ষী বাহিনীৰ এটি চৰকাৰী পঞ্জীয়ন ভুক্ত শাখা, এটা উপ স্বাস্থ্য কেন্দ্ৰ আৰু এখন পথাৰ পৰিচালনা সমিতি এই গাৱঁত আছে । উপৰোক্ত অনুষ্ঠান সমূহত জড়িত ব্যক্তিসকল ক্ৰমে -সৰ্বশ্ৰী দণ্ডেশ্বৰ বৰুৱা, সুৰেন্দ্ৰমোহন হাজৰিকা, কমল বৰুৱা, ধনেশ্বৰ বৰা, খিৰেশ্বৰ বৰা, নিত্যানন্দ বৰুৱা, প্ৰদীপ বৰা, তৰুণ হাজৰিকা, নগেন হাজৰিকা, মহেন হাজৰিকা, বংশী বৰুৱা, যজ্ঞোৰাম হাজৰিকা, নোমল হাজৰিকা, থানেশ্বৰ বৰুৱা, ভোলা গাঁওবুঢ়া, সোণাৰাম বৰা, ৰগাই বৰা, সুৰেন বৰা, নবীন বৰুৱা, বংশী বৰুৱা, লীলাধৰ হাজৰিকা, শ্ৰীমতী প্ৰভা বৰুৱা, 'ফুলেশ্বৰী' বৰা, গুণ হাজৰিকা, হীৰা বৰা, বুলু বৰা, ভানু বৰা, মামণি বৰুৱা, সৰোজ বৰুৱা, জ্যোতি হাজৰিকা আদিয়েই প্ৰধান ।

**প্ৰাথমিক শাখা গঠনৰ চন তাৰিখ আৰু পঞ্জীয়ন নম্বৰ ঃ** ১৯৭৩ চনৰ ইং ১৭ মাৰ্চ তাৰিখে হাবিগাঁও ২ নং নামঘৰত বৈষ্ণৱ পণ্ডিত প্ৰয়াত কুশেশ্বৰ কলিতা বাপৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাত গৃহীত এক প্ৰস্তাৱ মৰ্মে হাবি গাঁও শংকৰজ্যোতি প্ৰাথমিক শাখা নামকৰণেৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এটি শাখা গঠন কৰা হয়।

**উদ্যোক্তাসকলৰ ভূমিকা ঃ** মাহেকীয়া আৰু এঘাৰদিনীয়া নীতি পদ্ধতিক লৈ এই গাৱঁত তুমুল সংঘৰ্ষ হৈছিল । অৱশ্যে গাঁওখনৰ ধৰ্মীয় অনুষ্ঠানসমূহ কৰ্মকাণ্ড প্ৰথাৰেই সম্পাদন হৈছিল । এঘাৰ দিনীয়া ফৈদৰ লগত মাহেকীয়া ফৈদৰ খোৱা-লোৱা নিষিদ্ধ হোৱাৰ বাবে এঘাৰদিনীয়া নীতি মানি চলা ফৈদে পৃথক নামঘৰ প্ৰতিষ্ঠা কৰিলে । সৰু ডাঙৰ গাঁওখনৰ এঘাৰটা বংশৰ লোকে বাস কৰে । চাহ জনজাতি আৰু প্ৰাক্তন চাহ জনজাতিসকলৰ উপৰি মুছলমান আৰু বনিয়া সম্প্ৰদায় লোকে বাস কৰে । সাম্প্ৰদায়িক ঘৃণা আৰু ধৰ্মীয় কুসংস্কাৰে গাঁওখন গৰকি আছিল। কেইবাখনো সত্ৰৰ শিষ্য আৰু সত্ৰীয়া মেধি, পাচনিৰ ধৰ্মীয় গোৱামীত একশৰণ নাম ধৰ্মৰ চৰ্চা এই গাৱত নাছিল । পূৰ্বপুৰুষসকলৰ দিনত মুকলিমুৰীয়া গোসাঁইয়ে এই গাৱঁত ছাগলী বলি দি দুৰ্গা পূজা কৰাৰ প্ৰথা আছিল । সংঘৰ ভকত যে এক গাঁওখনৰ মানুহে 'মৰা খোৱা' 'হৰি ধ্বনীয়া', 'নামত উৰুৱা' আদি উপলুঙা ভাষাৰে কৰ্কথনা কৰাৰ উপৰি সেইসকলৰ লগত সংসৰ্গ কৰাটো সামাজিকভাৱে অপৰাধ গণ্য হৈছিল । পুৰোহিতপ্ৰধান সামাজিক ব্যৱস্থাই অ-শৰণীয়া ল'ৰাই ধৰ্মৰ কথা কোৱা

আৰু শাস্ত্ৰ ভাগৱত পঢ়া বা চোৱাটো নিষিদ্ধ আছিল । এই গাৱঁত জন্ম হয় শ্ৰীদণ্ডেশ্বৰ বৰুৱা বাপৰ । তেখেতৰ মাতৃ আছিল ঘোৰ কৰ্মকাণ্ডী । প্ৰাইমেৰী বিদ্যালয়ৰ ছাত্ৰ অৱস্থাতে কীৰ্তন, ঘোষা, শাস্ত্ৰ, গোসাঁই ঘৰৰপৰা উলিয়াই মাতৃক গুৰুজনাই প্ৰতিষ্ঠা কৰা একশৰণ নাম ধৰ্মৰ কথা পঢ়ি শুনোৱাৰ বাবে সমাজচ্যুৎ হৈছিল । পুত্ৰৰ এনে কাৰ্য্যত মাতৃয়ে অনাহাৰে থাকি ক্ৰোধত নানাধৰণৰ শাস্তিৰ কথা ঘোষণা কৰে যদিও শ্ৰীবৰুৱাবাপে এই কুসংস্কাৰত নতি স্বীকাৰ নকৰি গাঁওখনত নাম ধৰ্মৰ আন্দোলন আৰম্ভ কৰিলে । গোপনে গাঁওখনত হোৱা সেৱা সকামলৈ সংঘৰ ভকতক নিমন্ত্ৰণ কৰি শাস্ত্ৰৰ ব্যাখ্যা কৰোৱাই প্ৰচাৰ চলায় । এই সময়ছোৱাতে পূৰ্বপুৰ গাৱঁৰ শ্ৰীভবেশ কুমাৰ দত্তয়ো শ্ৰীবৰুৱা বাপৰ সহযোগী হয় । সমাজখনৰপৰা বৰ্ণনাতীত নিৰ্য্যাতন ভোগ কৰি পৰিশেষত গাঁওখনৰ প্ৰতিঘৰ গৃহস্থীৰ ঘৰত ভাগৱত পাঠৰ কাৰ্য্যসূচী লোৱা হয় । ভাগৱত ব্যাখ্যা কৰে শ্ৰীজগত বৰা, গোবিন্দ চন্দ্ৰ শইকীয়া, হৰনাথ হাজৰিকা আদিয়ে । গোলাঘাট উত্তৰ আঞ্চলিকৰ উদ্যোগত গুৰু জয়ন্তী এই গাৱঁতে অনুষ্ঠিত কৰা হয় । বাগ্মীবৰ ককা নীলমণি ফুকন আৰু সংঘৰ উপ পদাধিকাৰ শশীচন্দ্ৰ বৰবৰুৱাৰ ভাষণত গুৰুজয়ন্তীৰ ভক্তি ধৰ্ম একশৰণ হৰিনাম ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ শ্ৰীবৰুৱা বাপৰ লগত সহযোগ কৰে ক্ৰমে প্ৰয়াত দেহিৰাম হাজৰিকা, মোলোক হাজৰিকা, কুশল বৰা, ঘনকান্ত বৰুৱা, শ্ৰীমহেশ্বৰ হাজৰিকা, ভেবু হাজৰিকা, ডাঃ দেবেশ্বৰ হাজৰিকা আদিয়ে। ১৯৬৭ চনত শ্ৰীবৰুৱা বাপৰ মাতৃ বিয়োগ হয় । কৰ্মকাণ্ডী সমাজৰ নিৰ্দেশত শ্ৰীবৰুৱা বাপৰ দুগৰাকী ককায়েকে মৃতাহকৰ্ম কৰে । শ্ৰীবৰুৱা বাপে সংঘৰ নীতি মতে মাতৃৰ মৃতাহ কৰ্ম সম্পাদন কৰে । এই মৃতাহ কৰ্মত প্ৰয়াত কুশেশ্বৰ কলিতা, যোগেন দত্ত, কমল বৰা, (যোৰহাট), কৃষ্ণৰাম দাস, জগত বৰা, গোবিন্দ চন্দ্ৰ শইকীয়া আদিয়ে অংশ গ্ৰহণ কৰে। প্ৰয়াত খুদো হাজৰিকাৰো মৃতাহ কৰ্ম সংঘৰ মতেই সম্পাদন কৰা হয়। এয়ে আছিল হাবিগাঁও শংকৰজ্যোতি প্ৰাথমিক শাখা গঠনত উদ্যোক্তা সকলৰ ভূমিকা ।

**গৃহস্থী আৰু সংগীৰ সংখ্যা ঃ** প্ৰাথমিক শাখাটিৰ সংগীৰ সংখ্যা ১৭২ গৰাকী আৰু গৃহস্থীৰ সংখ্যা ৪৩ ঘৰ প্ৰথম অৱস্থাত আছিল । বৰ্তমান সংগীসকল দুটা নামঘৰক কেন্দ্ৰ কৰি দুখন প্ৰাথমিক শাখাত বিভক্ত হৈ আছে । কেইঘৰমান গৃহস্থী সংঘৰ নীতি কাণ্ঠা মানি চলিবলৈ টান পাই পুনৰ কৰ্মকাণ্ডী সমাজভুক্ত হয় । শংকৰজ্যোতি প্ৰাথমিক শাখাৰ

গৃহস্থীৰ সংখ্যা ১৬ ঘৰ আৰু সংগীৰ সংখ্যা ৬৪ গৰাকী ।

**প্ৰচাৰ-প্ৰসাৰ আৰু সংগঠনৰ দিশত ভূমিকা ঃ** প্ৰাথমিক শাখাটিয়ে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰচাৰ প্ৰসাৰ আৰু সংগঠনৰ দিশত সৰ্বাধিক গুৰুত্ব আৰোপ কৰি গুৰু জয়ন্তী, শ্ৰীশ্ৰীমাধৱদেৱৰ জন্মোৎসৱ, আলোচনা চক্ৰ অনুষ্ঠিত কৰি আহিছে । সমীপৱৰ্তী চাহজনজাতি অধ্যুষিত এলেকাত গুৰুজনাৰ উদাৰ ধৰ্মীয় মতবাদ প্ৰচাৰ কৰিছে ।

প্ৰাথমিক শাখাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ আৰ্হিত গায়ন-বায়নৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে । সেৱা বাহিনী প্ৰাথমিক শাখাত গঠন হৈছে আৰু সংঘৰ নীতি নিৰ্দেশত কাৰ্য্য ক্ৰমণিকা চলি আছে । হিৰা নামৰ জোৰা প্ৰাথমিক শাখাত আছে । প্ৰসংগ প্ৰণালীৰ আধাৰত প্ৰসংগীয়া নামাচাৰ্য্য আৰু বিবাহ পৰিচালক, দেউৰী-বিলনীয়া আছে ।

**আৰম্ভণিৰপৰা বৰ্তমানলৈকে প্ৰাথমিক শাখাৰ সভাপতি-সম্পাদকসকল ক্ৰমে ঃ** সভাপতি - শ্ৰীদেহীৰাম হাজৰিকা, শ্ৰীকুশল বৰা, শ্ৰীসোমাৰাম বৰা।

**সম্পাদক ঃ** শ্ৰীদণ্ডেশ্বৰ বৰুৱা, শ্ৰীদেবেন বৰা, শ্ৰীতৰুণ হাজৰিকা, শ্ৰীসুৰেন বৰা, শ্ৰীখিৰেশ্বৰ বৰা ।

**আৰ্থ সামাজিক অৱস্থা ঃ** প্ৰাথমিক শাখাৰ সংগীসকলৰ আৰ্থ সামাজিক অৱস্থা ঘাইকৈ কৃষিৰ ওপৰত নিৰ্ভৰ কৰে । ধান আৰু কুঁহিয়াৰ খেতিয়েই প্ৰধানকৈ অৰ্থ উপাৰ্জনৰ মূল উপাদান । প্ৰায়সকল সংগীয়েই দৰিদ্ৰ সীমা ৰেখাৰ তলৰ । সামান্য অৰ্থ উপাৰ্জনৰ মাজেদিয়েই সংগীসকলে সংঘৰ নীতি নিৰ্দেশানুযায়ী দান-বৰঙণি আগবঢ়াই গুৰুধৰ্ম পালন কৰিছে।

**প্ৰাথমিক শাখাৰ মৃত আৰু জীৱিত ব্যক্তিৰ সংক্ষিপ্ত জীৱনী ঃ**

**দেহীৰাম হাজৰিকা ঃ** পিতৃৰ নাম স্বৰ্গীয় শিশুৰাম হাজৰিকা। প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতি আছিল । এগৰাকী সিদ্ধি ভকত হিচাপে নিজৰ পৰিচয় ৰাখি গৈছে । জ্যোতিষ বিদ্যাত পাৰ্গত আছিল । জন্ম ঃ ১৯১৩ চনত, মৃত্যু ঃ ১৯৭৯ চনত ।

**খহুৱা হাজৰিকা ঃ** পিতৃৰ নাম প্ৰখ্যাত মনু চিকাৰী । পত্নীৰ নাম গোলাপী । বৃটিছৰ দিনতে নিযুক্ত হোৱা হাবিগাঁও লাটৰ চৰকাৰী গাঁওবুঢ়া আছিল । নিৰ্ভীক বক্তা আৰু সমাজবাদী আন্দোলনৰ নেতা আছিল । ১৯৬৪ চনত 'পূৰ্বপুৰ গাঁও ' নাম দি ৰাঙ্গলিটিং বাগানত গুৰু ধৰ্ম প্ৰচাৰৰ বাবে গুৰু জয়ন্তী অনুষ্ঠিত কৰাত মুখ্য ভূমিকা গ্ৰহণ কৰি পূৰ্বপুৰ গাৱঁত নামঘৰ প্ৰতিষ্ঠা কৰে । গুৰুজনাৰ একশৰণ হৰি নামধৰ্মৰ কৰ্মকাণ্ডই ঢাকনি

দিয়াৰ বাবে মুকলি সমালোচনা কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘক অনুশৰণ কৰিবলৈ আহবান জনাই গৈছে । প্ৰাথমিক শাখাৰ বৰ্ষিয়ান সংগী হৈ ৯০ বছৰ বয়সত ১৯৭৮ চনত পৰলোক হয় ।

**মাণিক বৰা ঃ** পিতৃৰ নাম স্বৰ্গীয় বংশী বৰা । পত্নী দুগৰাকী ক্ৰমে তিলাই আৰু আইদেউ । আউনিআটী সত্ৰৰ মেধিৰ বিষয়বাব লৈ গাঁওখনৰ কৰ্মকাণ্ডী সমাজৰ মুখীয়াল ব্যক্তি আছিল । বৰপুত্ৰ কুশল বৰাই সংঘৰ সংগী হোৱাৰ বাবে ত্যজ্য পুত্ৰ ঘোষণা দিছিল । শ্ৰীদণ্ডেশ্বৰ বৰুৱাই গাঁওখনত সংঘ সুমুৱাৰ বাবে কঠোৰ শাস্তি বিধানৰ ঘোষণা দি দণ্ডৰ লগত সংশ্ৰৱ নকৰিবৰ বাবে ৰাইজক সাৱধান বাণী শুনাই শেষত গুৰুৰ কৃপাত দণ্ড বৰুৱাক নিমন্ত্ৰণ জনাই নিজৰ ভুল স্বীকাৰ কৰি সত্ৰীয়া বিষয়বাব লিখিত ভাৱে ইস্তফা দি সত্ৰাধিকাৰ প্ৰভুলৈ চিঠি দিলে । "চাৰি সত্ৰই গুৰু ধৰ্মক ঢাকনি দিলে । শ্ৰীমন্ত শংকৰদেৱ সংঘই উদ্ধাৰ কৰিছে" বুলি কৈ প্ৰাথমিকত সংগী ভুক্ত হয় । এগৰাকী নামাচাৰ্য্য, প্ৰাথমিক শাখাৰ জেষ্ঠ্য সংগী আছিল । ১৯৭৭ চনত ইহলীলা সম্বৰণ কৰে । মৃত্যুৰ সময়ত বয়স ৯৩ বছৰ আছিল ।

**শিৱৰাম বৰা ঃ** পিতৃৰ নাম দন্তি আৰু মাতৃৰ নাম ভোবোৰাণী । কৰ্মকাণ্ডী সমাজৰ মুখীয়াল ব্যক্তি আছিল । হাবি গাৱঁতো সংঘৰ শাখা হোৱাত প্ৰথম অৱস্থাত ঘোৰ বিৰোধী আছিল । শেষত গুৰুৰ কৃপাত প্ৰাথমিক শাখাৰ সংগী হয় । এগৰাকী বৰ্ষিয়ান সংগী হৈ ৭৩ বছৰ বয়সত মৃত্যু হয় ।

**কুশল বৰা ঃ** পিতৃৰ নাম মানিক বৰা আৰু মাতৃৰ নাম তিলাই বৰা। আৰক্ষী বিভাগৰ চাকৰি কৰি থকা অৱস্থাতে শ্ৰীদণ্ডেশ্বৰ বৰুৱাৰ লগত সহযোগী হৈ গুৰু ধৰ্ম গ্ৰহণ কৰে । পিতৃ আউনিআটী সত্ৰৰ মেধি আছিল । নাম ধৰ্ম গ্ৰহণ কৰাৰ বাবে ত্যজ্য পুত্ৰ হিচাপে পিতৃয়ে নিৰ্য্যাতন দিছিল । এগৰাকী সুললিত কণ্ঠস্বৰৰ নামাচাৰ্য্য আৰু পাঠক আছিল । প্ৰাথমিক শাখাৰ ৪ ৰ্থ গৰাকী সভাপতি পদত থাকি ৪৩ বছৰ বয়সত উচ্চ ৰক্তচাপত পৰলোক হয় ।

**শ্ৰীসোণাৰাম বৰা ঃ** পিতৃৰ নাম স্বৰ্গীয় কাতিৰাম আৰু মাতৃৰ নাম দুমুনী বৰা । কৰ্মকাণ্ডী সমাজৰ এগৰাকী সুকণ্ঠস্বৰৰ পাঠক আছিল । ১৯৭৩ চনত প্ৰাথমিক শাখা গঠন হোৱাত সংগী পদ গ্ৰহণ কৰে । প্ৰাথমিক শাখাৰ তৃতীয় গৰাকী সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছে । ১৯৩৭ চনত জন্ম হয় ।

**শ্ৰীদণ্ডেশ্বৰ বৰুৱা ঃ** জন্ম হয় ১৯৪৭ চনৰ আহিন মাহৰ সোতৰ তাৰিখে । পিতৃৰ নাম স্বৰ্গীয় সোমেশ্বৰ বৰুৱা আৰু মাতৃৰ নাম স্বৰ্গীয়া প্ৰমীলা বৰুৱানী । তেখেতৰ উদ্যোগতে হাবিগাঁও শংকৰজ্যোতি প্ৰাথমিক শাখাটিয়ে জন্ম লাভ কৰে । শ্ৰীবৰুৱাদেৱৰ সংক্ষিপ্ত জীৱনী বুৰঞ্জী ভাগত স্থান পোৱাৰ বাবে প্ৰাথমিক শাখাৰ এই স্তম্ভত বৰ্ণনা কৰা নহ'ল ।

**শ্ৰীখিৰেশ্বৰ বৰা ঃ** পিতৃৰ নাম স্বৰ্গীয় শিৱৰাম আৰু মাতৃৰ নাম প্ৰয়াত সুমিত্ৰা বৰা । ১৯৭৩ চনত প্ৰাথমিক শাখা গঠনত আগভাগ লোৱা হাবিগাঁও যুৱক সংঘৰ উপ-সভাপতি আছিল । প্ৰাথমিক শাখাৰ পঞ্চম গৰাকী সম্পাদক হিচাপে বৰ্তমান কাৰ্য্যনিৰ্বাহ কৰি আছে ।

**শ্ৰীমহেশ্বৰ হাজৰিকা ঃ** পিতৃৰ নাম স্বৰ্গীয় কণ্ঠি হাজৰিকা আৰু মাতৃৰ নাম স্বৰ্গীয়া বৰআইতা । সৰুৰেপৰাই গীতা শাস্ত্ৰ অধ্যয়ন কৰি একেশ্বৰবাদত বিশ্বাসী আছিল । গুৰুজনাৰ একশৰণ ভক্তি ধৰ্মৰ ঢাকনি দি কৰ্মকাণ্ডৰ বেপাৰ চলোৱা সকলক তীব্ৰ সমালোচনা কৰি গাঁওখনত শ্ৰীদণ্ডেশ্বৰ বৰুৱাই চলোৱা নামধৰ্ম আন্দোলনৰ এগৰাকী সহযোগী ভকত। ১৯৭৩ চনত গঠন হোৱা হাবিগাঁও শংকৰজ্যোতি প্ৰাথমিকত সংগীভুক্ত হয়। বৰ্তমান তেখেতৰ বয়স ৭৮ বছৰ ।

# ৰাংঢালী প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭০ চন

গুৰযোগনীয়া মৌজাৰ অন্তৰ্গত ৰাংঢালী গাঁও এখন বৃহৎ গাঁও । এসময়ত হাবি বননিৰে ভৰা কম জনবসতিপূৰ্ণ গাঁও আছিল । বৰ্তমান ইয়াৰ পৰিসৰ বাঢ়িল । এই গাৱঁৰ নিচেই কাষতে মলিয়া গ্ৰেজিং নামে এটি গ্ৰেজিং আছে । এই গ্ৰেজিঙটো হাবি-বননিৰে ভৰা আছিল । বনৰীয়া জীৱ-জন্তুৱে ইয়াত বাস কৰিছিল । এই গ্ৰেজিঙৰ দক্ষিণ অঞ্চলত বনৰীয়া হাতীয়ে মানুহ খোৱা বাবে সেই অঞ্চল এতিয়াও হাতীয়ে খোৱা নামে জনাজাত। বৰ্তমান এই গ্ৰেজিঙত এখন উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰা হৈছে। তদুপৰি এটি উপস্বাস্থ্য কেন্দ্ৰও প্ৰতিষ্ঠা হ'ল আৰু ২২ ঘৰ গৃহস্থী তাতে সংস্থাপিত হ'ল ।

ভাওনা সবাহ, বিহু-নাচ আদিত গা ঢালি ৰং ৰহইচ কৰা বাবে এই গাৱঁৰ নাম ৰাংঢালী হোৱা বুলি এটা কিংবদন্তি আছে । এই গাৱঁৰ পূবে চোমনি গাঁও আৰু গোলাঘাট চাহ বাগিচা । দক্ষিণে হাতীয়ে খোৱা আৰু বৰকাঠনী চাহ বাগিচা । পশ্চিমে এলেংমুৰীয়া গাঁও আৰু উত্তৰে

যোগনীয়া গাঁও । গাৱঁৰ আয়তন ৩ বৰ্গ কিলোমিটাৰ । ইয়াত বিভিন্ন সম্প্ৰদায়ৰ লোকে বসতি কৰে । গৃহস্থীৰ সংখ্যা ৩০০ ঘৰ । বাসিন্দা ১৫০০ ৰো অধিক।

গাৱঁৰ নামঘৰ তিনিটা, এখন প্ৰাথমিক বিদ্যালয় আৰু এটা খাদী উদ্যোগ আছে । বৰ্তমান এই উদ্যোগটি বন্ধ হৈ আছে । যাতায়তৰ ব্যৱস্থা ভাল । গাৱঁৰ মাজেদি ৪টা পথ গড়কাপ্তানী পথ পাৰ হৈ গৈছে । গাৱঁৰ সৰহ সংখ্যক লোক কৃষিজীৱী । ব্যৱসায় আৰু চৰকাৰী কৰ্মচাৰীৰ সংখ্যা কম। ক্ষুদ্ৰ উদ্যোগত নিয়োজিত লোকো আছে । কুঁহিয়াৰ আৰু ধান প্ৰধান খেতি। শিক্ষিত নিবনুৱাৰ সংখ্যা বেছি । গাৱঁৰ লোকসকল সকলো দিশতে আগবঢ়া ।

১৯৫/৫৬ চন মানৰ পৰা এই গাৱঁত গুৰু ধৰ্মৰ প্ৰভাৱ পৰে । ধৰ্মপ্ৰাণ ব্যক্তি শ্ৰীসুৰেন্দ্ৰ নাথ কলিতাৰ উদ্যোগত তেখেতৰ গৃহত আৰু নামঘৰত একশৰণ নাম ধৰ্ম সম্পৰ্কত কেইবাখনো ধৰ্মালোচনী সভা অনুষ্ঠিত হয় । গোলাঘাট জিলাৰ প্ৰচাৰক স্বৰ্গীয় যোগেন দত্ত, স্বৰ্গীয় জীউৰাম হাজৰিকা, স্বৰ্গীয় পুণ্যেশ্বৰ শইকীয়া, স্বৰ্গীয় গঙ্গানাথ নাথ, শ্ৰীযোগেশ্বৰ বৰা, শ্ৰীগোবিন চন্দ্ৰ শইকীয়া, স্বৰ্গীয় সোমনাথ কলিতা আৰু শ্ৰীহৰনাথ হাজৰিকাই এই ধৰ্মালোচনী সভাবিলাকত অংশ গ্ৰহণ কৰি গুৰুধৰ্ম সম্পৰ্কে বিশদ ব্যাখ্যা দিছিল । গাৱঁৰ সৰহ সংখ্যক লোক কৰ্মকাণ্ডী হোৱা হেতুকে এনেভাৱে ধৰ্মালোচনী সভাপাতি সমাজৰ মাৰভঙা অপৰাধত তেওঁক এঘৰীয়া কৰিবলৈকো যত্ন কৰিছিল । ইতিমধ্যে শ্ৰীসুৰেন্দ্ৰ নাথ কলিতাৰ পৰিয়ালৰ এগৰাকী কন্যা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতিমতে যোৰহাটলৈ বিয়া দিয়ে । সেই বিবাহত গাৱঁৰ কেইবাঘৰো লোকে সহযোগ কৰাত কলিতা সমাজচ্যুৎ হোৱাৰ পৰা ৰক্ষা পৰে । এনেকৈ লাহে লাহে কেইবাঘৰো গৃহস্থীয়ে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অন্তৰ্ভুক্ত হ'বৰ কাৰণে আগ্ৰহ প্ৰকাশ কৰাত ১৯৭০ চনৰ ১৫ ডিচেম্বৰত শ্ৰীসুৰেন্দ্ৰ নাথ কলিতাৰ বত্নতে এখন প্ৰাথমিক গঠন হয় । প্ৰাথমিক গঠনত শ্ৰীগোবিন্দ শইকীয়া, স্বৰ্গীয় গঙ্গা নাথ আৰু শ্ৰীহৰনাথ হাজৰিকা উপস্থিত থাকে। প্ৰাথমিকখনি ৰাংঢালী প্ৰাথমিক শাখা নামে নামকৰণ কৰা হয় । শ্ৰীউমেশ্বৰ কলিতাক সভাপতি আৰু শ্ৰীসুৰেন কলিতাক সম্পাদক হিচাপে মনোনিত কৰে । এই প্ৰাথমিক শাখাৰ সংগী গৃহস্থীৰ সংখ্যা আছিল ২৮ ঘৰ । বৰ্তমান ৰাংঢালী প্ৰাথমিক শাখাৰপৰা ৪ খন প্ৰাথমিক গঠন হ'ল । (১) এলেংমুৰীয়া (২) সৰ্বোদয় প্ৰাথমিক, (৩) ৰাংঢালী মণিকাঞ্চন, (৪) ৰাংঢালী নৱজ্যোতি প্ৰাথমিক শাখা । প্ৰাথমিক গঠনৰ পৰা কাৰ্য্যনিৰ্বাহ কৰা সভাপতি সম্পাদকসকল হ'ল - সভাপতি শ্ৰীসুৰেন কলিতা, শ্ৰীগোলাপ বৰুৱা, স্বৰ্গীয় টঙ্কেশ্বৰ কলিতা আৰু শ্ৰীভদ্ৰেশ্বৰ দত্ত । সম্পাদক শ্ৰীসুৰেন কলিতা, শ্ৰীভদ্ৰেশ্বৰ দত্ত আৰু শ্ৰীনবীন কৃষ্ণ কলিতা ।

# লুকুমাই বনমালি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭০ চন

গুৰযোগনীয়া আৰু দেৰগাঁও মৌজাৰ সীমাত লুকুমাই গাঁওখন অৱস্থিত । এই গাঁওখন বুৰঞ্জী প্ৰসিদ্ধ গাঁও বুলি ক'লে বেছি কোৱা নহয়। আঠ-ন টা চুবুৰীৰে গঠিত এই লুকুমাই গাঁওখন । ইয়াৰ প্ৰায় আশীঘৰ গৃহস্থীয়েই খেতিৰ ওপৰত নিৰ্ভৰ কৰে । বাকী বিশ শতাংশ লোক যদিও চাকৰিয়াল তথাপিও খেতি নকৰাকৈ নাথাকে । এই গাৱঁৰ প্ৰায় তিনি শতাংশ গৃহস্থী শংকৰদেৱ সংঘৰ সংগী । শংকৰদেৱৰ কলা-কৃষ্টিৰ বীজ সমীপবৰ্ত্তী গাঁও কেইখনতকৈ আটাইতকৈ আগতে লুকুমাই গাৱঁতে সঞ্চাৰিত হয় । সেই কাৰণে লুকুমাই গাৱঁৰ গৃহস্থীসকল একত্ৰিত হৈ ১৯৬১ চনৰ মুল সংঘৰ ৩০ তম্ বছৰেকীয়া অধিৱেশন আৰু ১৯৯৮ চনৰ জিলা শাখাৰ ৪৫ তম্ অধিৱেশন দুই ভাগ বৰ উলহ-মালহেৰে উদযাপিত কৰি আহিছে ।

লুকুমাই গাঁওখনৰ নামৰ উৎপত্তি সম্পৰ্কে এটা কিংবদন্তি আছে। 'লুকুমাই' শব্দটি আহিছে টাই ভাষাৰপৰা। টাই ভাষাত 'লুকু' শব্দৰ অৰ্থ হ'ল যৌতুকৰ বস্তু। আহোম ৰজা চন্দ্ৰকান্ত সিংহৰ ভনীয়েক ভলৌ নাৰায়ণী আইদেউক কনচেং বৰপাত্ৰ গোহাঁইদেৱৰ নাতিনীয়েক দুৰ্গেশ্বৰ বৰপাত্ৰ গোহাঁইদেৱলৈ বিয়া দিওতে যৌতুক হিচাপে এহাল মতা-মাইকী মানুহ পঠায় । প্ৰথমতে এই বৰপাত্ৰ গোহাঁই পৰিয়ালটি মঙ্গৰাত আছিল। কিন্তু যেতিয়া অসমখন ইংৰাজসকলৰ অধীনলৈ আহে তেতিয়া দুৰ্গেশ্বৰ বৰপাত্ৰ গোহাঁইক নাহৰণি মৌজাটো চলাবলৈ দিয়ে । তেতিয়া বৰপাত্ৰ গোহাঁই নাহৰণি গাৱঁলৈ গুচি আহিলত তেখেতৰ লগত লুকুমাই পৰিয়ালৰ লোককেইজন গুচি আহে । সেই পৰিয়ালটিৰ নামৰ পৰাই এই গাঁওখনৰ নাম লুকুমাই হয় ।

লুকুমাই গাঁওখন গুৰযোগনীয়া আৰু দেৰগাঁও মৌজা দুটাৰ সীমাত অৱস্থিত । গাঁওখনৰ কালি ৪ বৰ্গ কিলোমিটাৰ ।

এই গাৱঁৰ উত্তৰ সীমাত খাট গাঁও আৰু নাহৰণি পথাৰ । পূৱে কাকডোঙা নদী আৰু পণ্ডিত বাগান, পশ্চিমে নাহৰণি গাঁও আৰু দক্ষিণে ৰেল লাইন ।

লুকুমাই গাঁওখনত প্ৰায় ১৭৫ ঘৰ গৃহস্থী আৰু জনসংখ্যা প্ৰায় ৮০০ জন হ'ব ।

এই গাৱঁৰ গুণসম্পন্ন লোকসকল হ'ল শ্ৰীযুত হিতেশ্বৰ ভূঞা, শ্ৰীডিম্বেশ্বৰ ভূঞা, শ্ৰীধনীৰাম বৰা, শ্ৰীগিৰিধৰ শৰ্মা, শ্ৰীবেণুধৰ তামূলী, শ্ৰীকমলেশ্বৰ বৰা, শ্ৰীসৰুৰাম তামূলী, শ্ৰীযোগেশ্বৰ তামূলী আদি ।

এই গাৱঁত এখন প্ৰাইমেৰী বিদ্যালয়, এখন মধ্য ইংৰাজী বিদ্যালয়, এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়, দুখন মহিলা সমিতি আৰু এটি যুৱক সংঘ আৰু তিনিটি নামঘৰ আৰু এটি চৰকাৰী পুখুৰী আছে । এই অনুষ্ঠানত জড়িত ব্যক্তিসকল হ'ল শ্ৰীযুত ডিম্বেশ্বৰ ভূঞা, শ্ৰীযুত হিতেশ্বৰ ভূঞা, স্বৰ্গীয় বংশীধৰ দত্ত, শ্ৰীযুত বীৰেন্দ্ৰ নাথ ঠাকুৰ, শ্ৰীযুত ধনীৰাম বৰা, শ্ৰীযুত কমল পাঠক, শ্ৰীযুত যোগেশ্বৰ তামূলী, শ্ৰীযুত গিৰিধৰ শৰ্মা, শ্ৰীযুত সুৰেন্দ্ৰ নাথ শৰ্মা আদি ।

লুকুমাই বনমালি প্ৰাথমিক ভাগ লুকুমাই প্ৰাথমিকৰ পৰা ফাটি আহি কেইঘৰমান গৃহস্থীয়ে ১৯৭০ চনতে গঠন কৰে । এই প্ৰাথমিক ভাগ গঠনৰ ক্ষেত্ৰত শ্ৰীহিতেশ্বৰ ভূঞা, শ্ৰীসৰুনাথ তামূলী, স্বৰ্গীয় বোধেশ্বৰ তামূলী, শ্ৰীখগেন বৰা বাপসকলৰ অশেষ অৱদান আছে । লুকুমাই বনমালি প্ৰাথমিক ভাগ ১০ (দহ) ঘৰ গৃহস্থী আৰু ২৬ জন সংগীৰে গঠন হৈছিল। প্ৰচাৰ-প্ৰসাৰ-সংগঠনৰ দিশত এই প্ৰাথমিকৰ সংগী বাপসকলৰ যথেষ্ট অৰিহণা আছে । উদাহৰণ স্বৰূপে প্ৰাথমিক গঠনৰ ক্ষেত্ৰত তিনিবছৰমানৰ পাছত প্ৰায় ৪/৫ ঘৰ গৃহস্থী এই প্ৰাথমিকত অন্তৰ্ভুক্ত হয়।

এই প্ৰাথমিক শাখাটোৰ আৰ্থ সামাজিক অৱস্থা অতি উচ্চমান দণ্ডৰ নহয় । প্ৰায়সকল গৃহস্থীয়েই নিৰ্ভৰ কৰে খেতিৰ ওপৰত । মুষ্টিদান আৰু অৰ্চনি পইচাৰ পৰা প্ৰতি বছৰে নবীকৰণো কৰি থকা হৈছে আৰু প্ৰাথমিক ভাগো চলাই থকা হৈছে ।

প্ৰাথমিক ভাগ গঢ় দিওতা উদ্যোক্তাসকলৰ ভিতৰত প্ৰয়াত বোধেশ্বৰ তামূলী বাপ প্ৰথম সম্পাদক । তেখেতৰ কাৰ্য্যকাল চলি থকা অৱস্থাতে পৰলোকগামী নহয় । উক্ত বাপজন প্ৰাথমিকৰ সম্পাদকেই নহয় তেখেত লুকুমাই গাঁও পৰিচালনা সমিতি, লুকুমাই গাঁওৰক্ষী বাহিনীৰ সম্পাদকৰ দায়িত্বত আছিল । উক্ত স্বৰ্গীয় বাপজনে ,নেঘেৰিটিং উচ্চ ইংৰাজী বিদ্যালয়ত চাকৰি কৰি থাকিও গাঁওখনৰ উন্নতিৰ বাবে অশেষ অৰিহণা আগবঢ়াই কৰ্মৰত অৱস্থাতে ১৯৮৬ চনৰ আগষ্ট মাহত পৰলোক গামী হয় ।

লুকুমাই বনমালি প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতি শ্ৰীহিতেশ্বৰ ভূঞা বাপৰ সামাজিক কৰ্মৰাজিৰ ওপৰত যথেষ্ট অৰিহণা আছে । এখেত একালত লুকুমাই গাঁও পৰিচালনা সমিতিৰ সভাপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল । এখেতৰ বিদ্যালয় তিনিখনৰ প্ৰতিষ্ঠাত আৰু নামঘৰ নিৰ্মাণৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা আছে ।

১৯৮৬ চনৰপৰা ১৯৯০ চনলৈকে লুকুমাই বনমালি প্ৰাথমিকৰ সম্পাদকৰ দায়িত্ব বহন কৰি থকা শ্ৰীযোগেশ্বৰ তামুলীবাপৰ সামাজিক অৰিহণা অতি বিৰল । কাৰণ তেখেত প্ৰাথমিকৰ সম্পাদক, নামঘৰ নিৰ্মাণ সমিতিৰ সম্পাদক, লুকুমাই গাঁওৰক্ষী বাহিনীৰ সম্পাদক, লুকুমাই চৰকাৰী পুখুৰীৰ মিন পামৰ সম্পাদক আদিৰ দায়িত্বতো আছিল ।

তেখেত একেৰাহে ছবছৰ কাল প্ৰাথমিকৰ সম্পাদক থকাৰ পিছত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ জিলা কাৰ্য্যনিৰ্বাহক সভাৰ সদস্য হৈ থকা অৱস্থাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কাৰ্য্যৰ হকে বহুত ত্যাগ কৰি গৈছে । কাৰণ তেখেতৰ চেষ্টাতেই লুকুমাই পশ্চিম অংশৰ নামঘৰক কেন্দ্ৰ কৰি পশ্চিম লুকুমাই নামকৰণেৰে এখনি প্ৰাথমিক গঠন কৰে। তদুপৰি মাজিউকুছি প্ৰাথমিক শাখা বহুত চেষ্টা কৰি গঠন কৰে। ডুবিয়াল প্ৰাথমিক ভাগ দ্বিখণ্ডিত হোৱাত প্ৰাক্তন জিলা সদস্য শ্ৰীযুত কমল চন্দ্ৰ পাঠক বাপৰ নিৰ্দেশক্ৰমে প্ৰায় ২৫ ঘৰ গৃহস্থীৰে বাকী অংশ সংগীয়ে শ্ৰীতামুলী বাপৰ চেষ্টাত 'নবোদয়' নামকৰণেৰে এটি প্ৰাথমিক গোট গঠন হয় । প্ৰায় একেৰাহে ১০ বছৰ কাল জিলা গোটৰ কাৰ্য্যনিৰ্বাহক সভাৰ সদস্য হৈ নিজ প্ৰাথমিকৰ কলেৱৰ বৃদ্ধিৰ বাবে অশেষ চেষ্টা অব্যাহত ৰাখিছে । তেখেতৰ সাংগঠনিক দিশলৈ লক্ষ্য ৰাখি বৰ্তমান অৱস্থাতো গোলাঘাট জিলা শাখাৰ কাৰ্য্যনিৰ্বাহক সভাৰ সদস্য হৈ আছে।

প্ৰাথমিক শাখাৰ সভাপতিসকল হ'ল শ্ৰীহিতেশ্বৰ ভূঞা, শ্ৰীসৰুৰাম তামুলী, শ্ৰীহিৰণ ভূঞা আৰু শ্ৰীযুত মণিৰাম তামুলী ।

প্ৰাথমিকৰ সম্পাদকসকল হ'ল স্বৰ্গীয় বোধেশ্বৰ তামূলী, শ্ৰীযোগেশ্বৰ তামূলী আৰু শ্ৰীঅমৃত ভূঞা ।

# মাহনিয়াল গাঁও অনন্ত প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭১ চন

গোলাঘাট জিলাৰ মিছামৰা মৌজাৰ দেৰগাঁও থানাৰ অন্তৰ্গত এখন ইতিহাস প্ৰসিদ্ধ মাহনিয়াল গাঁও । জনশ্ৰুতিমতে, আহোম ৰজাৰ দিনত এই গাৱঁৰ লোকসকলে ৰজাৰ ঘৰত মাহ যোগান ধৰিব লাগিছিল । মাহ যোগান ধৰা এই লোকসকলক মাহনিয়াৰ বুলিছিল আৰু এই শব্দৰ পৰাই 'মাহনিয়াল' গাৱঁৰ উৎপত্তি হয় । দুলীয়া আৰু মুদৈ ৰাজহ গাৱঁৰ অন্তৰ্ভুক্ত এই গাৱঁৰ জনসংখ্যা প্ৰায় ৯০০ জন, গৃহস্থীৰ সংখ্যা ৯০ ঘৰ । গাৱঁৰ পূবে তেলীয়া সোণাৰী গড়কাপ্তানী পথ, পশ্চিমে বৰটিকা চৰণীয়া পথাৰ। উত্তৰে ৰেলপথ আৰু দক্ষিণে দুলীয়া গাঁও ।

গাৱঁৰ গুণসম্পন্ন ব্যক্তিসকল হৈছে প্ৰয়াত বংশীধৰ বৰা, বাপুৰাম বৰা, বাবুল বৰা, টুনীৰাম বৰা, লোকেশ্বৰ বৰা, তোলন বৰা, ডিম্বেশ্বৰ বৰা, মীনাৰাম দত্ত, পোনাৰাম বৰা, দেৱী প্ৰসাদ বৰা, তিলেশ্বৰ ফুকন, বেণুধৰ বৰা, মনেশ্বৰ বৰা, সৰ্বশ্ৰী গুণকান্ত বৰা, দুৰ্গেশ্বৰ বৰা, মানিক ফুকন, ফণীধৰ বৰা, আৰু নবীন বৰা আদি । এইসকল ব্যক্তিৰ অনুপ্ৰেৰণাতে গাঁওখনিয়ে আৰ্থ সামাজিক ধৰ্মীয়, শিক্ষা, কলা-সাহিত্য, সংস্কৃতিৰ দিশত নতুন জীৱন লাভ কৰিছে ।

এই গাৱঁত অতীতৰপৰা মহাপুৰুষীয়া ধৰ্মৰ স্বাক্ষৰ বহন কৰি আহিছে। এটি ৰজাদিনীয়া পুখুৰী, পুথিভৰাল, চৰকাৰী পঞ্জীয়ন ভুক্ত এটি যুৱক সংঘ, 'দিব্যজ্যোতি' নামৰ মইনা পাৰিজাত, অগ্ৰগামী মহিলা সমিতি আৰু এখন প্ৰাথমিক বিদ্যালয়েই শিক্ষাৰ পোহৰ বিলাইছে । এই অনুষ্ঠানসমূহৰ লগত গাৱঁৰ সকলোলোকেই ওতঃপ্ৰোত ভাৱে জড়িত । এই গাৱঁৰ পূবে থকা জলকানি চুকৰ বৰ্তমান ৪৫ ঘৰ গৃহস্থীৰে 'জলকানি গাঁও' নামকৰণেৰে নতুন গাৱঁৰ সৃষ্টি কৰিছে । উক্ত গাৱঁৰ জনসংখ্যা প্ৰায় ২৩০ জন ।

১৯৭১ চনতে এই গাৱঁৰ ধৰ্মপৰায়ণ ব্যক্তিসকলৰ অনুপ্ৰেৰণাত শ্ৰীমন্ত শংকৰদেৱ সংঘ, গোলাঘাট জিলাৰ অন্তৰ্ভুক্ত 'মাহনিয়াল অনন্ত প্ৰাথমিক' শাখা গঠন হয় । ১৯৭০ চনতে গাৱঁৰে এগৰাকী ছোৱালী কৈৱৰ্ত্ত সম্প্ৰদায়ৰ এজন ডেকোই পাণি গ্ৰহণ কৰাত উক্ত কৈৱৰ্ত্ত লোকজনৰ বিবাহ

অনুষ্ঠানত কৰা নাম-কীৰ্তনত অংশ গ্ৰহণ কৰা লোকসকলক সংশ্ৰৱৰপৰা আঁতৰাই ৰখা হৈছিল । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন উপ-পদাধিকাৰ শ্ৰীইলাৰাম দাসদেৱৰ উদ্যোগত মূদৈগাঁও নামঘৰত এভাগি ধৰ্মালোচনী সভা অনুষ্ঠিত হৈছিল । তেখেতৰ ভাষণৰ প্ৰতি আকৃষ্ট হৈ মাহনিয়াল গাৱঁৰ সমাজৰ পৰা বাদ পৰি থকা লোকসকলে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি গোলাঘাট জিলা শাখাৰ প্ৰাক্তন সম্পাদক তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন উপ পদাধিকাৰ শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়াদেৱৰ পৰামৰ্শমতে মাহনিয়াল গাঁও অনন্ত প্ৰাথমিক শাখাটি গঠন কৰে ।

প্ৰয়াত সংগী বংশীধৰ বৰা, টুনীৰাম বৰা, ৰাপুৰাম বৰা আদি ব্যক্তিসকলে প্ৰাথমিক গঠনত বিশেষ ভূমিকা পালন কৰিছিল । খনিকৰ গাঁও নিবাসী প্ৰয়াত যোগেন দত্তদেৱে এই প্ৰাথমিকৰ সংগী হৈ, নামাচাৰ্য্য, সংঘৰ নীতি-আদৰ্শমতে মানৱসেৱা আগবঢ়াবলৈ সংগীসকলক সকলো দিশতে উৎসাহ-উদ্দীপনা যোগাইছিল । বিশেষকৈ সকলো সম্প্ৰদায়ৰ মাজত গুৰুজনাৰ ধৰ্ম প্ৰচাৰ কৰি একশৰণ নাম ধৰ্ম সংঘভুক্ত কৰা বৰঙণি সংঘৰ মূল উদ্দেশ্যৰ কথা কয় । প্ৰাক্তন সভাপতি শ্ৰীগুণকান্ত বৰা, প্ৰাক্তন সম্পাদক নগেন্দ্ৰনাথ বৰা, নিৰঞ্জন বৰা, বৰ্তমান উপদেষ্টা দুৰ্গেশ্বৰ বৰা আদি ব্যক্তিসকলে প্ৰাথমিক শাখা তথা প্ৰচাৰ প্ৰসাৰৰ ক্ষেত্ৰত জিলা শাখালৈ আগবঢ়োৱা বৰঙণি প্ৰণিধানযোগ্য । যুৱকসকলে সংঘৰ নীতি আদৰ্শমতে গীত-বাদ্য নৰ্ত্তনৰ প্ৰশিক্ষণ লৈছে । শ্ৰীমান প্ৰসেন বৰাই মূল অধিৱেশনৰ সাংস্কৃতিক অনুষ্ঠানত শংকৰী কলা-কৃষ্টিৰ আহিঁত সূত্ৰধাৰী নৃত্য প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংসাৰ পাত্ৰ হৈছে ।

প্ৰাথমিক শাখাৰ সংগীসকল কৃষিজীৱী । আৰ্থিক অৱস্থা সিমান টনকিয়াল নহ'লেও শ্ৰীমন্ত শংকৰদেৱ সংঘক দান-বৰঙণিৰে সেৱা আগবঢ়াই আহিছে ।

প্ৰাথমিক শাখাৰ প্ৰয়াত বংশীধৰ বৰা গুৰুজনাৰ ধৰ্মাদৰ্শৰ প্ৰতি একান্ত আগ্ৰহী আছিল । শাখাটিৰ জন্ম, উত্তৰণত তেখেতৰ বৰঙণি অতুলনীয়। স্বাধীনতা সংগ্ৰামৰ এগৰাকী সক্ৰিয় কৰ্মী । প্ৰয়াত বাপুৰাম বৰা গুৰুজনাৰ একান্ত সেৱক । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শৰে শাখাটি আগুৱাই নিছিল । শ্ৰীযুত দুৰ্গেশ্বৰ বৰাদেৱো একেধাৰে কাৰ্য্যনিৰ্বাহকৰ সদস্য, কোষাধ্যক্ষ, সভাপতি তথা উপদেষ্টা হিচাপে থাকি গুৰুজনাৰ ধৰ্মীয় আদৰ্শেৰে সকলোকে উপকৃত কৰি আহিছে । তেখেত

এগৰাকী অৱসৰ প্ৰাপ্ত কৃতী শিক্ষক ।

**আৰম্ভণিৰ পৰা বৰ্তমানলৈকে সভাপতি আৰু সম্পাদকসকল ঃ**

**সভাপতি ঃ** সৰ্বশ্ৰী যোগ হাজৰিকা, গুণকান্ত বৰা (৪ বাৰ), প্ৰয়াত বাপুৰাম বৰা (৪ বাৰ), শ্ৰীদুৰ্গেশ্বৰ বৰা আৰু শ্ৰীনৰৰঞ্জন বৰা।

**সম্পাদক ঃ** মাণিক বৰা, নিৰঞ্জন বৰা, তনুৰাম বৰা, (৩ বাৰ), নৰৰঞ্জন বৰা, সুৰেন বৰা, তনুৰাম বৰা, সুৰেন বৰা, যোগেন বৰা আৰু ৰাতুল বৰা ।

# বৰুৱা বামুণ গাঁও প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭১ চন

প্ৰবাদ আছে যে আহোম ৰাজত্বৰ শেষৰ ছোৱাত এই অঞ্চলৰ এজন লোকে 'বৰুৱা' উপাধি লাভ কৰিছিল । এই অঞ্চলৰ আশে-পাশে আছিল দুই এখন ব্ৰাহ্মণ গাঁও । বৰুৱা উপাধি লাভ কৰা লোকজনৰ নাম আছিল 'লাহবৰ । এই লাহবৰ বৰুৱাৰ বাসভূমি আৰু ইয়াৰ সমীপস্থ বামুণ গাৱঁক সামৰি গোটেই অঞ্চলটিয়েই কালক্ৰমত বৰুৱা বামুণ গাঁও নামেৰে জনাজাত হ'ল ।

বৰুৱা বামুণ গাঁও এলেকা বুলিলে দেৰগাঁও, মিছামৰা গুৰযোগনীয়া মৌজাৰ সংগম স্থলৰ সমগ্ৰ অঞ্চল বুলি ধৰি লোৱা হৈছে । বৰ্তমান এই অঞ্চলৰ বিস্তৃত প্ৰায় ৩.৫ বৰ্গ কিলোমিটাৰ । ইয়াৰ জনসংখ্যা প্ৰায় ১০ হাজাৰৰো অধিক ।

বৰুৱা বামুণ গাঁও প্ৰাথমিক শাখাৰ জন্ম লগ্নৰেপৰা ওতঃপ্ৰোতভাৱে জড়িত থকা ব্যক্তিজন আছিল প্ৰয়াত বিপিন চন্দ্ৰ দত্ত বাপ । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দ্বাৰা প্ৰচাৰিত নীতি আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ তেখেতে নিজৰ বাস গৃহতে সংঘৰ নেতৃস্থানীয় ব্যক্তিসকলৰ উপস্থিতিত গুৰুজনাৰ ধৰ্মাদৰ্শ আৰু সংঘৰ নীতি আদৰ্শৰ ওপৰত আলোচনা চক্ৰ অনুষ্ঠিত কৰিছিল। এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে সংঘৰ বৰেণ্য ব্যক্তি শ্ৰীঅচ্যুত কৃষ্ণ মিশ্ৰ, প্ৰয়াত কুশেশ্বৰ কলিতা, শ্ৰীগোবিন চন্দ্ৰ শইকীয়া আদিৰ সাৰগৰ্ভ ব্যাখ্যাই এই অঞ্চলৰ বহুসংখ্যক লোকক সংঘভুক্ত হ'বলৈ অনুপ্ৰেৰণা যোগাইছিল । ইয়াৰ ফলশ্ৰুতিত ইং ২২।৭।৭১ তাৰিখে ১১ ঘৰ গৃহস্থীৰে 'বৰুৱা বামুণ গাঁও প্ৰাথমিক শাখা' নামকৰণেৰে গঠন কৰা হয় ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত প্ৰয়াত বিপিন চন্দ্ৰ দত্ত বাপে এই অঞ্চলৰ প্ৰয়াত বসন্ত বৰুৱা, বেণুধৰ দত্ত, দূৰ্গা দত্ত, ৰেৱকান্ত কলিতা, নৰেন বৰা, বাথু শইকীয়া, মহেন কলিতা, হৰকান্ত মুদৈ, দেবেশ্বৰ হাজৰিকা, ভোলাই দত্ত, গংগাধৰ বৰা, দণ্ডধৰ দত্ত, পোৱাল বাঢ়ৈ আৰু সৰ্বশ্ৰী অম্বেশ্বৰ বৰা, প্ৰমোদ বৰুৱা, ৰমা কলিতা আদি বাপসকলৰ সহযোগত অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি প্ৰায় শতাধিক গৃহস্থীক এই প্ৰাথমিকৰ সংগী কৰে । কালক্ৰমত এই প্ৰাথমিকৰ একাংশ সংগীয়ে নিজ নিজ অঞ্চলত একোখন প্ৰাথমিক গঠন কৰি সংঘক সবল কৰি তোলে।

এই অঞ্চলত কুৰালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু গুণীপ্ৰভা উচ্চ মাধ্যমিক বিদ্যালয় নামৰ দুটি উচ্চ শিক্ষাৰ অনুষ্ঠান আছে । গুণী প্ৰভা উচ্চ মাধ্যমিক বিদ্যালয়খনি প্ৰয়াত বিপিন চন্দ্ৰ দত্তৰ পৰিয়ালে তেখেতৰ মাতৃৰ স্মৃতিত উছৰ্গা কৰে । তদুপৰি এখন আদৰ্শ প্ৰাইমেৰী বিদ্যালয়, এটি নাট্য মন্দিৰ আৰু মইনা পাৰিজাতৰ শাখাই এই অঞ্চলত শিক্ষা, সংস্কৃতিত পোহৰ বিলাইছে ।

১৯৭৫ চনত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৪৪ তম্ বাৰ্ষিক অধিৱেশন ভাগ, বৰ্তমান প্ৰতিষ্ঠিত শংকৰী সংস্কৃতি বিকাশ কেন্দ্ৰ, শ্ৰীমন্ত শংকৰদেৱ সংঘ, বৰুৱা বামুণ গাঁও প্ৰাঙগণত অনুষ্ঠিত হৈছিল । বৰ্তমান নামঘৰ তথা সংস্কৃতি বিকাশ কেন্দ্ৰৰ এলেকাৰ ৩ বিঘা ১৭ লোচা মাটি নাহৰণি নিবাসী মঃ হুচেইন আলিৰ পৰা অধিৱেশনৰ ৰাহি পুঁজিৰে গোলাঘাট জিলা শাখাই ক্ৰয় কৰে । এই ক্ষেত্ৰত প্ৰয়াত বিপিন চন্দ্ৰ দত্ত, দেৱেশ্বৰ হাজৰিকা, দুৰ্গা দত্ত, শ্ৰীগোবিন্দ্ৰ চন্দ্ৰ শইকীয়া, শ্ৰীহেম শইকীয়া, বাপে বিশেষ ভূমিকা গ্ৰহণ কৰে । ১৯৮৬ চনত এই স্থানত প্ৰয়াত বিপিন চন্দ্ৰ দত্ত, দেবেশ্বৰ হাজৰিকা, দুৰ্গা দত্ত, শ্ৰীলক্ষেশ্বৰী দত্ত, যোগেন বৰা, অতুল চন্দ্ৰ হাজৰিকা আদি ধৰ্মপ্ৰাণ ব্যক্তিসকলৰ উদ্যোগত কছাৰী গাঁও আদৰ্শ পুথি ভৰালৰ যুৱকসকলৰ সহযোগত টিনপাত আৰু বাঁহৰ বেৰেৰে এভাগি মণিকূট নিৰ্মাণ কৰে । কালক্ৰমত প্ৰাকৃতিক দুৰ্যোগৰ ফলত উক্ত মণিকূট ভাগ ভাগি যায় । ১৯৯৪ চনৰ গুৰু জয়ন্তীৰ দিনা এই প্ৰাথমিকৰ সংগীসকলে পুনৰ আধাৰশিলা স্থাপন কৰে । মণিকূট ভাগৰ বাবে কেইবাগৰাকী ব্যক্তিয়ে একোটিকৈ পকা খুঁটা দান কৰে । এইখিনিতে উল্লেখ কৰিব পাৰিযে মণিকূট ভাগৰ নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ পাছতেই কছাৰী গাঁও নিবাসী গুৰুজনাৰ একনিষ্ঠ সেৱক প্ৰয়াত হৰকান্ত মুদৈৰ

সহধৰ্মিনী শ্ৰীপ্ৰেমলতা মুদৈ আৰু তেখেতৰ সুযোগ্য সন্তানসকলে প্ৰয়াত হৰকান্ত মুদৈৰ সোঁৱৰণত নামঘৰৰ মণিকূট ভাগ আটক ধুনীয়াকৈ নিৰ্মাণ কৰে । ১৯৯৮ চন, ৫৪৯ শংকৰাব্দ ৯/১০ জুলাই তাৰিখে দুদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত সভাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন পদাধিকাৰ বৈষ্ণৱ পণ্ডিত শ্ৰীঅচ্যুৎ কৃষ্ণ মিশ্ৰ বাপে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে লগতে নামঘৰৰ গুৰু আসন ভাগি প্ৰতিষ্ঠা কৰে। বৃহত্তৰ বৰুৱা বামুণ গাঁও এলেকাৰ বিভিন্ন ধৰ্মাৱলম্বী ভাষা-ভাষী লোকৰ দান-বৰঙণিৰে নামঘৰৰ দুটা কোঠা সম্পূৰ্ণ কৰা হৈছে । নামঘৰলৈ যোৱা প্ৰধান পথটি বান্ধিবৰ বাবে মঃ আকবৰ হুচেইন, শ্ৰীলক্ষেশ্বৰী দত্ত আদি ব্যক্তিসকলে নিজ পট্টাৰ ভূমি দান কৰিছে । পথ নিৰ্মাণত উক্ত প্ৰাথমিকৰ সংগীসকলৰ লগতে মলাই কুমাৰ, ভাৰলী গাঁও আদিৰ সংগীসকলে শ্ৰমদান কৰে । শ্ৰীলক্ষেশ্বৰী দত্ত, শিঙৰাজানৰ প্ৰয়াত গোলাপ চন্দ্ৰ বৰাৰ একমাত্ৰ কন্যা আৰু প্ৰয়াত বিপিন চন্দ্ৰ দত্তৰ সহ ধৰ্মিনী, গুৰুজনাৰ একনিষ্ঠা সেৱিকা। বিভিন্ন শাস্ত্ৰ অধ্যয়নৰ জৰিয়তে সংঘৰ প্ৰচাৰ, প্ৰসাৰ তথা সাংগঠনিক দিশত অৰিহণা যোগাইছে । তেখেত মূল আৰু জিলা সংঘৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল । প্ৰাথমিকৰ জ্যেষ্ঠ সংগীসকলৰ ভিতৰত সৰ্বশ্ৰী পদ্মকান্ত বৰা, খোলোক হাজৰিকা, ললিত দত্ত, অকণ হাজৰিকা, পুতু শইকীয়া, নবীন শইকীয়া আৰু বাবা কলিতাৰ নাম উল্লেখযোগ্য । প্ৰাথমিকৰ সংগীসকলৰ মুখ্য জীৱিকা কৃষি, ব্যৱসায় বাণিজ্যৰ লগতে চৰকাৰী চাকৰিয়ালো আছে।

**বৰ্তমান প্ৰাথমিক শাখাৰ গৃহস্থীৰ সংখ্যা ২১ ঘৰ ।**

**প্ৰাথমিক শাখাৰ সভাপতি, সম্পাদকসকল ঃ**

**সভাপতি ঃ** প্ৰয়াত বিপিন চন্দ্ৰ দত্ত, নৰেন বৰা, ৰেৱকান্ত কলিতা আৰু নবীন শইকীয়া, শ্ৰীলক্ষেশ্বৰী দত্ত, (কাৰ্য্যনিৰ্বাহ কৰি আছে ) ।

**উপ-সভাপতি ঃ** সৰ্বশ্ৰী পদ্মকান্ত বৰা, ললিত দত্ত ।

**সম্পাদক ঃ** প্ৰয়াত দুৰ্গা দত্ত, সৰ্বশ্ৰী ললিত দত্ত, বীৰেন ভূঞা ।

**সহঃ সম্পাদক ঃ** শ্ৰীযজ্ঞেশ্বৰ শইকীয়া । (কাৰ্যনিৰ্বাহ কৰি আছে)

**উপদেষ্টা ঃ** সৰ্বশ্ৰী পদ্মকান্ত বৰা, নবীন শইকীয়া, পুতু শইকীয়া (১৯৯৮ চনৰপৰা) ।

# বছামুৰাৰী প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭২ চন

মানৰ আক্ৰমণৰ পিছত ১৮২১ খ্ৰীষ্টাব্দত যোৰহাটত স্বৰ্গীয় যোগেশ্বৰ সিংহ ৰজা হৈ থাকোতে এজন ফুকন আৰু এজন শইকীয়াক কেইজনমান বিষয়াৰ সৈতে এই ঠাইলৈ দৰকাৰ অনুযায়ী মানুহ বাছি পঠাবলৈ পঠায়। স্থানীয়লোকে উক্ত বিষয়াজনক বছা শইকীয়া নাম দিছিল আৰু তেওঁৰনামেৰেই গাৱঁৰ নাম বছা গাঁও হ'ল ।

গাৱঁৰ উত্তৰে বৰফলাং বাগান, পশ্চিমে মেলামৰা, দক্ষিণে চিনাতলী গাঁও, পূৱে অঁকা গাঁও। খুমটাই ঢেকীয়াল দুয়োটা মৌজাতে এই গাৱঁৰ স্থিতি । ইয়াৰ আয়তন ৩ বৰ্গ কিলোমিটাৰ । গৃহস্থীৰ সংখ্যা ১৩০ আৰু জনসংখ্যা প্ৰায় ৮০০ জন ।

১৯৭২ চনত বছাগাঁও প্ৰাথমিক শাখাটি গঠন হয় । আগতে গাৱঁত কৰ্মকাণ্ডৰ প্ৰভাৱ বেছি আছিল । ১৯৪২ গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰা ৰাজনৈতিক নিৰ্যাতিত পেন্সনভোগী আজীৱন সমাজকৰ্মী স্বৰ্গীয় চতাই ফুকনৰ নেতৃত্বত প্ৰায় ১৬ ঘৰ লোক বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৃষ্ট হয় । মৃত্যুৰ সময়ত ফুকনদেৱৰ মৃতাহ কৰ্ম নাম-কীৰ্তনেৰে কৰিবলৈ উপদেশ দি যায় । ভাতৃ শ্ৰীডিম্বেশ্বৰ ফুকনৰ পুত্ৰ শ্ৰীগিৰীশ ফুকনে ৰাইজৰ মাজত বহুত চেষ্টাৰে সংগঠন আনি নাম কীৰ্তনেৰে মৃতাহ তিথি কৰিবলৈ সমৰ্থ হয় । এই উদ্যমতে এটি প্ৰাথমিক শাখাৰো ৰাইজে প্ৰয়োজন বোধ কৰি গঠন কৰাৰ পিছত বৰ্তমান সংগী ৩০ জনলৈ বৃদ্ধি পাইছে ।

এই প্ৰাথমিকত শ্ৰীডিম্বেশ্বৰ গগৈ বাপে সহযোগ কৰি প্ৰাথমিকখনৰ উন্নতিত যথেষ্ট বৰঙণি আগবঢ়াইছে । আৰম্ভতে শ্ৰীডিম্বেশ্বৰ ফুকন প্ৰাথমিকৰ সভাপতি আৰু সম্পাদক শ্ৰীগিৰিশ ফুকন আছিল । ১৯৭৪ চনত সভাপতিৰ বাব শ্ৰীডিম্বেশ্বৰ গগৈৰ ওপৰত অৰ্পণ কৰা হৈছে আৰু সম্পাদক একেজনেই আছে । □

# ৰামকৃষ্ণ প্ৰাথমিক শাখা (ক)

## গঠন ঃ ১৯৭৩ চন

১৯৭৩ চনৰ ৩০।৫।৭৩ তাৰিখে (১৫ জেঠ) গোৱাল গাঁও নামঘৰত ২৫ ঘৰ সংগীৰে ৰামকৃষ্ণ প্ৰাথমিক শাখা গঠিত হয় । এই প্ৰাথমিক শাখাটি গঠন কৰাত উদগণি দিয়া লোকসকলৰ ভিতৰত আছিল, সেই সময়ৰ গোলাঘাট জিলাৰ সম্পাদক মূলৰ প্ৰাক্তন উপ-পদাধিকাৰ শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া বাপ, দৈয়ঙীয়া প্ৰাথমিকৰ একালৰ সংগী শ্ৰীজগত বৰা বাপ, আৰু প্ৰাতঃস্মৰণীয় খনিকৰ গাৱঁৰ প্ৰয়াত যোগেন দত্ত বাপ।

অৱশ্যে প্ৰাথমিক গঠন কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘত যোগদান কৰাৰ আগতেই বিভিন্ন স্থানত পালন কৰা শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱৰ সভাত মূলৰ প্ৰাক্তন পদাধিকাৰ পৰম শ্ৰদ্ধাভাজন শ্ৰীঅচ্যুৎ কৃষ্ণ মিশ্ৰ বাপ, শ্ৰীসোণাৰাম চুতীয়া বাপ, শ্ৰীইলাৰাম দাস বাপ আদি সংঘৰ কৰ্ণধাৰসকলৰ ভাষণে সংগীসকলৰ মন গুৰুধৰ্মৰ প্ৰতি অনুপ্ৰাণিত কৰিছিল ।

ৰামকৃষ্ণ প্ৰাথমিক শাখাটি গঠন কৰা সংগীসকলৰ ভিতৰত উদ্যোক্তাসকল আছিল শ্ৰীযজ্ঞেশ্বৰ বৰা শ্ৰীপ্ৰফুল্ল দত্ত, শ্ৰীতৰুণ বৰা, শ্ৰীকতিকৰি বৰুৱা, প্ৰয়াত আধান বৰবৰা, স্বৰ্গীয় পুণ্যেশ্বৰ বৰা, শ্ৰীকনকেশ্বৰ হাজৰিকা, স্বৰ্গীয় ৰত্নেশ্বৰ হাজৰিকা, শ্ৰীনাৰায়ণ বৰা, শ্ৰীপ্ৰবীণ হাজৰিকা, প্ৰয়াত নন্দেশ্বৰ বৰা আদি বাপসকল ।

উল্লেখযোগ্য যে ৰামকৃষ্ণ প্ৰাথমিক শাখাৰ সংগীসকলে প্ৰাথমিক গঠন হোৱা প্ৰতি মাহৰ পাছতে অৰ্থাৎ ১৯৭৪ চনৰ ১৫ মাঘৰ দিনা তেতিয়াৰ জিলা সম্পাদক শ্ৰীহেম শইকীয়া বাপৰ উপস্থিতিত সেই সময়ৰ মূলৰ পদাধিকাৰ শ্ৰীঅচ্যুত কৃষ্ণ মিশ্ৰ বাপৰ (শৰণ সদস্য) যোগে ৰামকৃষ্ণ প্ৰাথমিক শাখাৰ ১৫ জন সংগী আৰু ১৫ গৰাকী আই মাতৃয়ে শৰণ বাক্য গ্ৰহণ কৰে । উক্ত দিনাই বিয়লি ২ বজাত এখনি ধৰ্মালোচনী সভা অনুষ্ঠিত কৰা হয় । সেই সভাত মিশ্ৰ বাপে বহুমূলীয়া ভাষণেৰে উপস্থিত ৰাইজক মুহিত কৰে ।

সংগঠনৰ সুবিধাৰ বাবে ৰামকৃষ্ণ প্ৰাথমিক শাখা 'ক' আৰু 'খ' নামেৰে পুনৰ গঠন কৰা হয় । □

# খনিকৰ শ্ৰীগুৰু প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৩ চন

মিছামৰা মৌজাৰ অন্তৰ্গত, খনিকৰ গাৱঁৰ আদি পুৰুষ জনাৰ নাম স্বৰ্গীয় নৰহৰি । সেই পৰিয়ালৰ পৰাই বংশ বাঢ়ি খনিকৰ গাঁও হৈছে। তেখেতৰ পৰবৰ্ত্তী এজন পুৰুষৰ শিল্প নৈপুণ্যৰ কাৰণে খনিকৰ নামে প্ৰখ্যাত হৈছিল আৰু সেই নামেই গাঁওখনিৰ নাম খনিকৰ হ'ল ।

গাৱঁৰ মুঠ গৃহস্থীৰ সংখ্যা ১২৪ ঘৰ আৰু জনসংখ্যা মুঠ ৭০০ৰ অধিক । আয়তন ৩ বৰ্গ কিলোমিটাৰ ।

বিভিন্ন ঠাইত হোৱা শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ, ধৰ্মালোচনী সভাৰ শাস্ত্ৰীয় ব্যাখ্যা শুনি গাৱঁৰ কেইবাজনো লোকৰ সংঘৰ প্ৰতি অনুৰাগ বাঢ়ে । স্থানীয় ভাৱে লোকসকলে শাস্ত্ৰ পাঠ আদি অনুষ্ঠান পাতে । এই অনুষ্ঠানসমূহত সেই সময়ৰ জিলা সম্পাদক শ্ৰীগোবিন্দ শইকীয়াৰ সহযোগে ৰাইজক প্ৰেৰণা যোগায় ।

ইতিমধ্যে ১৯৭২ চনৰ শ্ৰীৰোমেশ্বৰ দত্তৰ মাতৃ স্বৰ্গীয় সোমেশ্বৰী দত্তৰ মৃতাহ কৰ্ম আৰু ১৯৭৩ চনত শ্ৰীনাৰায়ণ বৰুৱাৰ মাতৃ স্বৰ্গীয় কেতেকী বৰুৱাৰ মৃতাহ কৰ্ম সংঘৰ নীতিৰে সম্পাদন কৰা হয় ।

ইংৰাজী ১৪।১০।৭৩ তাৰিখে খনিকৰ পুৰণা নামঘৰত শ্ৰীহেমধৰ বৰুৱাৰ সভাপতিত্বত বহা ৰাজহুৱা সভাই সংঘ গঠনৰ আলোচনা কৰে আৰু সেই চনৰে ১১ কাতিত যুৱকান্ত মহন্তৰ সভাপতিত্বত বহা এখন সভাত নীতিগত ভাৱে এটি প্ৰাথমিক সংঘ গঠন হয় । প্ৰাথমিকৰ নাম খনিকৰ শ্ৰীগুৰু প্ৰাথমিক দিয়া হয় ।

আৰম্ভতে ১২ ঘৰ গৃহস্থীৰ পৰা বৰ্তমান ১৮ ঘৰলৈ বৃদ্ধি পাইছে। শ্ৰীৰোমেশ্বৰ দত্ত আৰু শ্ৰীনাৰায়ণ বৰুৱা প্ৰাথমিকৰ প্ৰতিষ্ঠাপক সভাপতি আৰু সম্পাদক আছিল ।

**প্ৰাথমিকৰ বিষয়ববীয়াসকল ঃ**

**সভাপতি ক্ৰমে ঃ** শ্ৰীৰোম দত্ত, শ্ৰীগোলাপ চন্দ্ৰ দত্ত, শ্ৰীহেমধৰ বৰুৱা, শ্ৰীহিতেশ্বৰ বৰুৱা (বৰ্তমান) ।

**সম্পাদক ক্ৰমে ঃ** শ্ৰীনাৰায়ণ বৰুৱা, শ্ৰীপোনাৰাম বৰুৱা, শ্ৰীঅনিল বৰুৱা (বৰ্তমান) □

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

এই প্ৰাথমিকৰ সংগী প্ৰতিষ্ঠাপক সভাপতি শ্ৰীঘোষ দত্ত বাপে প্ৰাথমিক ভাগ সুসংগঠিত কৰি ৰখাৰ উপৰি জিলা শাখা, মূল সংঘলৈ বিভিন্ন দায়িত্বৰে প্ৰতিনিধিত্ব কৰিছিল । বৰ্তমান তেখেত মূল সংঘৰ শৰণ সদস্য হিচাপে সেৱা আগবঢ়াই আছে ।

শ্ৰীহেমধৰ বৰুৱা আৰু পোনাৰাম বৰুৱা বাপে প্ৰাথমিকৰ সংগঠনৰ বিশেষ অবিহণা যোগাইছে । গুৰুজয়ন্তীৰ আদৰণি সমিতিৰ সম্পাদকৰ দায়িত্বৰে অনুষ্ঠান ভাগি সু-সম্পাদনাত সেৱা আগবঢ়াই।

# হাবিয়াল মুক্তি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৪ চন

প্ৰায় ছয়বৰ্গ কিলোমিটাৰ আয়তনৰ হাবিয়াল গাঁওখনি ঢেকীয়াল মৌজাৰ অন্তৰ্গত। এই গাৱঁৰ উৎপত্তি সম্পৰ্কে কোনো প্ৰামাণ্য ইতিবৃত্ত পোৱা নগ'লেও বয়োবৃদ্ধসকলৰ পৰা শুনা যায় যে মানৰ আক্ৰমণৰ সময়ত হাবি-বননিৰে ভৰা এই অঞ্চলটিলৈ বিভিন্ন ঠাইৰপৰা মানুহ আহি হাবি-জংঘল মুকলি কৰি স্থায়ী ভাৱে বসতি কৰিবলৈ লৈছিল । হাবি কাটি বাসোপযোগী কৰি তোলাৰ কাৰণেই কালক্ৰমত এই স্থানক হাবিয়াল গাঁও নামেৰে নামকৰণ কৰা হয় ।

গোলাঘাট নগৰৰপৰা জোনাকি নগৰ, পুলিবৰ হৈ যিটো গড়কাপ্তানী পথ দেৰগাঁও নগৰত ৩৭ নং ৰাষ্ট্ৰীয় পথত মিলিছেগৈ তাৰ নাম পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথ । এই পথৰ দাঁতিত আহোম ৰজাদিনীয়া এটা পুখুৰী আছে । এই স্থানত ৰজাই পাতি দিয়া কেইঘৰমান গণক মানুহক পানী খোৱা সুবিধা দিবৰ কাৰণেই এটা পুখুৰী খন্দাই দিছিল । সেই কাৰণেই এই পুখুৰীৰ নামকৰণ কৰা হৈছিল গণকপুখুৰী । কালক্ৰমত এই পুখুৰীৰ নামেৰেই স্থানীয় ছখন গাৱঁৰ এক বিস্তৃত অঞ্চলক চিহ্নিত কৰা হৈছিল ।

এই গণক পুখুৰীৰ পৰা প্ৰায় দুই কিলমিটাৰ দৈৰ্ঘ্যৰ এটা বৰ্তমান গড়কাপ্তানী পথ পশ্চিমে গৈ হালোৱা, কাঠকটিয়া, তেলিয়া সোণাৰী গড়কাপ্তানী পথ মিলিছেগৈ । ১৯৭৫ চনত এই পথটো পশ্চিমে গৈ যিখন গাৱঁৰ মাজত হালোৱা তেলিয়া সোণাৰী পথত মিলিছেগৈ এই গাৱঁৰ নামেই হাবিয়াল গাঁও নামেৰে জনাজাত ।

**গাৱঁৰ জনসংখ্যা ঃ** এই গাৱঁৰ মুঠ গৃহস্থীৰ সংখ্যা ১২০ ঘৰ । বৰ্ণৰ ফালৰপৰা বাসিন্দাসকলৰ ভিতৰত কোঁচ, চুতিয়া, কলিতা আৰু মহন্ত লোক আছে । লেটুগ্ৰাম সত্ৰৰ দুঘৰ মহন্ত আৰু সৰ্বাধিক লোক হ'ল কোঁচ সম্প্ৰদায়ৰ । গাৱঁৰ সমস্ত লোকৰেই প্ৰধান বৃত্তি হ'ল কৃষি । অৱশ্যে বহু সংখ্যক শিক্ষক আদি চৰকাৰী চাকৰি আৰু কম সংখ্যকে ক্ষুদ্ৰ ব্যৱসায় আদিক বৃত্তি হিচাপে লৈছে ।

**ৰাজহুৱা অনুষ্ঠান ঃ** এটি সুবৃহৎ নামঘৰ, এখন প্ৰাথমিক বিদ্যালয়, এটি চৰকাৰী পঞ্জীয়ন ভুক্ত পুথিভড়াল আৰু এটি নিৰ্মীয়মান ৰঙ্গমঞ্চ গাঁওখনৰ ৰাজহুৱা সম্পদ ।

**গাঁও পৰিচালনা ঃ** সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে ৰাইজে গাঁও পৰিচালনা কৰি আহিছে । হাবিয়াল গাঁও উন্নয়ন সমিতি নামেৰে এখন সমিতিয়ে ৰাজহুৱা অনুষ্ঠান সমূহৰ ৰক্ষণা-বেক্ষণ, উন্নয়ন আদিৰ দায়িত্ব বহন কৰে । ১২০ ঘৰ গৃহস্থীৰ মুল গৃহস্থীসকলৰ একত্ৰিত হৈ উন্নয়ন সমিতিৰ সাধাৰণ সভা আৰু সাধাৰণ সভাই নিৰ্বাচন কৰি গঠন কৰে এখন কাৰ্য্যকৰী সমিতি । এখন সু সংগঠিত সংবিধানৰ আধাৰত কাৰ্য্যকৰী সমিতিয়ে গাঁওখনৰ উন্নয়নৰ সমস্ত দায়িত্ব বহন কৰে ।

**ধৰ্ম নীতি ঃ** একে আষাৰতে ক'বলৈ গ'লে হাবিয়াল গাঁও এখন কৰ্ম কাণ্ডবিহীন হিন্দু গাঁও। ১২০ ঘৰ গৃহস্থীৰ ভিতৰত ১১০ ঘৰ গৃহস্থীয়েই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংগী গৃহস্থী । বাকী ১০ ঘৰ গৃহস্থী শংকৰদেৱ সমাজৰ সংগী । ওপৰত উল্লেখ কৰা তিনিখন প্ৰাথমিকৰ নাম হ'ল - হাবিয়াল মুক্তি প্ৰাথমিক, হাবিয়াল প্ৰাথমিক আৰু অৰুণোদয় প্ৰাথমিক শাখা । গোলাঘাট জিলা শাখাত পঞ্জীয়নভুক্ত এই তিনিখন শাখা গাৱঁৰ ভিতৰত হাবিয়াল মুক্তি প্ৰাথমিক শাখাই হ'ল মুল আৰু পুৰণি। ১৯৭৪ চনত পঞ্জীয়ন হোৱা এই প্ৰাথমিকৰ স্থিতি সন্তোষজনক। কালক্ৰমত বাকী দুখন প্ৰাথমিকে এই প্ৰাথমিকৰপৰাই জন্ম লাভ কৰিছে। বৰ্তমান প্ৰাথমিকখনৰ সংগী গৃহস্থীৰ সংখ্যা ৬০ ঘৰ আৰু সংগীৰ সংখ্যা ১৪১ জন। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বীজ কোনে কেতিয়া কেনেকৈ অংকুৰিত কৰিলে এই বিষয়ে গোলাঘাট জিলা শাখাৰ বুৰঞ্জী প্ৰথম খণ্ডত বিস্তৃতভাৱে বৰ্ণোৱা হৈছে । গতিকে পুনৰ উল্লেখ কৰা নিষ্প্ৰয়োজন । ।

**স্মৰণীয় বাটকটিয়াসকল ঃ** স্বৰ্গীয় অৰুণ চন্দ্ৰ ৰাজখোৱা (মুক্তিয়াৰ) স্বৰ্গীয় প্ৰেমধৰ ৰাজখোৱা, স্বৰ্গীয় মোহন চন্দ্ৰ মহন্ত, স্বৰ্গীয় মোহন চন্দ্ৰ ৰাজখোৱা, স্বৰ্গীয় ঋষেশ্বৰ ৰাজখোৱা, স্বৰ্গীয় ভুৰাম ৰাজখোৱা, স্বৰ্গীয়

ডিম্বেশ্বৰ হাজৰিকা, স্বৰ্গীয় জীউৰাম হাজৰিকা, শ্ৰীমাণিক চন্দ্ৰ গায়ন, শ্ৰীভীমকান্ত বৰা, স্বৰ্গীয় ঋষেশ্বৰ বাজখোৱা আদি লোকসকল আছিল পৰম্পৰাগতভাৱে চলি থকা কৰ্ম কাণ্ডীয় নীতিৰ বিৰুদ্ধে থিয় দিয়া প্ৰথম যোদ্ধা । বৰ্তমান জীৱিত শ্ৰীযুত ঋষেশ্বৰ ৰাজখোৱা দেৱো আছিল সেইসকলৰ মাজেৰে এজন অন্যতম যোদ্ধা । এই সকলোৰে নেতৃত্ব দিছিল স্বৰ্গীয় অৰুণ চন্দ্ৰ ৰাজখোৱা দেৱে যি সকলৰ অক্লান্ত চেষ্টাতেই এদিন জন্ম লভিছিল হাবিয়াল মুক্তি প্ৰাথমিক শাখাটিয়ে ।

এটা সময় আছিল যি সময়ত গুৰু জনাৰ দ্বাৰা প্ৰচাৰিত শুদ্ধ সত্ত্ব ধৰ্মনীতি পুনৰ প্ৰচাৰ কৰি স্বৰ্গীয় পীতাম্বৰ দেৱ গোস্বামী, স্বৰ্গীয় গোপীকা বল্লভ গোস্বামী, স্বৰ্গীয় ৰমাকান্ত মুক্তিয়াৰ আতা, স্বৰ্গীয় তীৰ্থনাথ গোস্বামী, স্বৰ্গীয় ভুবন ভুঞা আদি শাস্ত্ৰজ্ঞ লোক কেইগৰাকীমানে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ধৰ্মালোচনা সভা পাতি বা পুস্তিকা প্ৰকাশ কৰি এক আলোড়নৰ সৃষ্টি কৰিছিল । ঢেকীয়াল তিনিআলি, ঢেকীয়াল মলখুকুৰী, গণকপুখুৰী চাৰি আলি, খনিকৰ, মিছামৰা আদি গাঁওসমূহত হোৱা কেইবাখনো ধৰ্মালোচনী সভাত ওপৰত উল্লেখ কৰা বৈষ্ণৱ পণ্ডিতসকলৰ জ্ঞানগভীৰ ভাষণে এই গাৱঁৰ কিছুলোকক বাৰুকৈয়ে অনুপ্ৰাণিত কৰিছিল। এই অনুপ্ৰেৰণাৰ ফলস্বৰূপেই ১৯৫৩ চনৰ আগভাগতেই হালোৱা, হাবিয়াল, কাঠকটিয়া এই তিনিখন গাৱঁৰ কেইঘৰমান গৃহস্থী একত্ৰিত হৈ হাবিয়াল গাঁও প্ৰাথমিক সংঘ গঠন কৰে । এই প্ৰাথমিক শাখাকেইটিৰ সৌজন্যত ১৯৫৪ চনত প্ৰথম বাৰৰ বাবে হাবিয়াল নামঘৰত মহাসমাৰোহেৰে গুৰুজয়ন্তী উৎসৱ পালন কৰা হয় । এই উৎসৱত বৈষ্ণৱ পণ্ডিত শ্ৰীযুত সোণাৰাম চুতীয়া, স্বৰ্গীয় লক্ষেশ্বৰ শইকীয়া, স্বৰ্গীয় গিৰিশ চন্দ্ৰ বৰুৱাদেৱে অংশ গ্ৰহণ কৰিছিল । তেখেতসকলৰ সাৰগৰ্ভ ভাষণত অনুপ্ৰাণিত হৈ প্ৰতিবেশী বহুতো লোক গুৰু ধৰ্মৰ প্ৰতি আকৃষ্ট হয় । তেতিয়া এই প্ৰাথমিক শাখাৰ গৃহস্থীৰ সংখ্যা আছিল ৩০ ঘৰ । কিন্তু সময়ৰ সোঁতত শাখাটিৰ পৰিসৰ বৃদ্ধি হৈ এটি পুৰ্ণাংগ শাখা ৰূপে পৰিগণিত হয় । ইয়াৰ পাছতে ‘হালোৱা হাবিয়াল প্ৰাথমিক শাখা সংঘ’ নামকৰণেৰে গোলাঘাট জিলা শাখাত অন্তৰ্ভুক্ত কৰা হয় । ক্ৰমান্বয়ে এই প্ৰাথমিক শাখাটিৰ সংগীৰ সংখ্যা হয় আশী ঘৰ । শেষত পৰিচালনাৰ সুবিধাৰ বাবে ১৯৭৪ চনৰ ২৯ জানুৱাৰী তাৰিখে হাবিয়াল নামঘৰত বহা শাখাৰ বাৰ্ষিক অধিৱেশনত পুৰণি প্ৰাথমিক শাখাটি দুভাগ কৰা হয় । (ৰ) (১) হাবিয়াল মুক্তি প্ৰাথমিক শাখা (২) হালোৱা গাঁও শংকৰ জ্যোতি

প্ৰাথমিক শাখা । বৰ্তমান এই গাৱঁত সংঘৰ কাৰ্য নিৰ্বাহ কৰি থকা প্ৰাথমিকখন হ'ল হাবিয়াল মুক্তি প্ৰাথমিক । প্ৰাথমিক গঠন হোৱাৰ পৰা বৰ্তমানলৈকে সভাপতি সম্পাদকৰ নাম তলত উল্লেখ কৰা হ'ল -

**সভাপতিসকল ঃ** প্ৰয়াত জীউৰাম হাজৰিকা, স্বৰ্গীয় ডিম্বেশ্বৰ হাজৰিকা, স্বৰ্গীয় মোহন মহন্ত, স্বৰ্গীয় বেথাৰাম ৰাজখোৱা, শ্ৰীমাণিক চন্দ্ৰ গায়ন, ৰামেশ্বৰ ৰাজখোৱা (১৯৮৩-৮৫) শ্ৰীসুৰেন্দ্ৰ নাথ ৰাজখোৱা (৮৫-৮৭) শ্ৰীৰামেশ্বৰ ৰাজখোৱা (৮৭-৯৩) শ্ৰীসুৰেন্দ্ৰ নাথ ৰাজখোৱা (৯৩-৯৫) শ্ৰীপৰেশ শইকীয়া (৯৫-২০০০)

**উপ-সভাপতি ঃ** সৰ্বশ্ৰী পদ্মেশ্বৰ শইকীয়া, পৰেশ শইকীয়া, খগেশ্বৰ ৰাজখোৱা, পৰেশ শইকীয়া, অনিল বৰা ।

**সম্পাদকসকল ঃ** শ্ৰীভীমকান্ত বৰা, স্বৰ্গীয় প্ৰেমধৰ ৰাজখোৱা, শ্ৰীৰামেশ্বৰ ৰাজখোৱা, যদু হাজৰিকা, দেবেন্দ্ৰ নাথ ৰাজখোৱা, সুৰেন্দ্ৰ নাথ ৰাজখোৱা, (৮৩-৮৫) খগেশ্বৰ ৰাজখোৱা (৮৫-৮৭) নবীন বৰা (৮৭-৯৩) অপূৰ্ব ৰাজখোৱা (৯৩-৯৫) বীৰেন ৰাজখোৱা (৯৫-২০০০)

**সহঃ সম্পাদক ঃ** সৰ্বশ্ৰী পুণ্যেশ্বৰ গায়ন,

**উপদেষ্টা মণ্ডলী ঃ** সৰ্বশ্ৰী সুৰেন্দ্ৰ নাথ ৰাজখোৱা, খগেশ্বৰ ৰাজখোৱা, নবীন বৰা ।

**জিলাৰ দায়িত্ব বহন কৰা এই প্ৰাথমিকৰ সংগীসকল ঃ** এই প্ৰাথমিকৰ এসময়ৰ সংগী শ্ৰীমাণিক চন্দ্ৰ গায়নে জিলা কাৰ্য্যনিৰ্বাহৰক সদস্য তাৰ পাছত জিলা উপ-সভাপতি পদৰ দায়িত্ব বহন কৰিছিল ।

**শ্ৰীসুৰেন্দ্ৰ নাথ ৰাজখোৱা ঃ** এখেতেই আছিল গোলাঘাট জিলা সাহিত্য শাখাৰ প্ৰথম গৰাকী সম্পাদক । একেৰাহে ছটা বছৰ জিলা সাহিত্য শাখাৰ সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি শ্ৰীমন্ত প্ৰকাশ স্বৰ্গীয় ৰবীতা হাজৰিকা ৰচনা প্ৰতিযোগিতা সৃষ্টি আৰু পৰিচালনা আৰু গোলাঘাট জিলাৰ ৰূপালী জয়ন্তীত গোলাঘাট জিলা শাখাৰ বুৰঞ্জী সম্পাদনা কৰি জিলা শাখাটিক চিৰ প্ৰবাহমান কৰি তোলাত অৰিহণা যোগাই । তদুপৰি দুটা বছৰ তেখেত জিলা সাহিত্য শাখাৰ সভাপতি পদত থাকিও কাৰ্যনিৰ্বাহ কৰে ।

শ্ৰীনবীন বৰা ঃ শ্ৰীবৰাদেৱে দুটা বছৰ জিলা কাৰ্য্যনিৰ্বাহকত সহকাৰী সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি বৰ্তমান জিলা সম্পাদক হিচাপে সেৱা আগবঢ়াই আছে ।□

# খকণ্ড গুৰি প্ৰাথমিক শাখা
## গঠন ঃ ১৯৭৪ চন

মিছামৰা মৌজাৰ উত্তৰাঞ্চলত ব্ৰহ্মপুত্ৰ নদীৰ অৱবাহিকা বিশাল ভূমি খণ্ডই খকণ্ড গুৰি, এখন ৰাজহ গাঁও । দেৰগাঁও ৰাজহ চক্ৰৰ অধীনত এই গাৱঁৰে উত্তৰে মহাবাহু ব্ৰহ্মপুত্ৰ নদী, দক্ষিণে স্বৰাজ আন্দোলনৰ বীৰ ছহীদ কমলা মিৰিৰ জন্মস্থান টেমেৰা গাঁও, পূৰ্বে গেলাবিল নদী আৰু পশ্চিমে মহৰামুখ বংকোৱাল আদি গাঁওসমূহ অৱস্থিত । খকণ্ড গুৰিক কেন্দ্ৰ কৰি এই বিশাল চৰ অঞ্চলক এসময়ত বুঢ়াগোহাঁই চাপৰি নামেৰে জনাজাত আছিল । খকণ্ড নামৰ এবিধ গছৰ প্ৰাধান্যতা থকাৰ বাবেই এই গাঁওখনৰ নাম কালক্ৰমত খকণ্ড গুৰি নামকৰণ হ'ল । খকণ্ড গুৰি এই বিশাল অঞ্চলটোক ক্ৰমে ১ নং আৰু ২ নং খকণ্ড গুৰি গাঁও নামেৰে বিভক্ত কৰা হৈছে । এই বিশাল গাঁওখনৰ জনসংখ্যা প্ৰায় দুই হাজাৰ হৈছেগৈ । চাৰিশৰ অধিক গৃহস্থীয়ে বসবাস কৰা এই গাৱঁত প্ৰাথমিক বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয় আৰু এখন নতুনকৈ মহাবিদ্যালয় গাঁওখনৰ নামেৰেই প্ৰতিষ্ঠিত হৈছে । কৃষি-বাণিজ্যৰ উপৰি শিক্ষক, কৰ্মচাৰী, বাঢ়ৈ-খনিকৰ, শিল্পী আদিয়ে এই গাৱঁৰ সাংস্কৃতিক অৱদানলৈ অৰিহণা যোগাইছে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰভাৱ বিস্তাৰ কৰা নমস্যসকল ক্ৰমে প্ৰয়াত সংঘৰ সংগঠক আৰু প্ৰচাৰক যোগেন দত্ত, জিলা সংঘৰ ভূতপূৰ্ব সভাপতি আৰু গুৰুজনাৰ একান্ত সেৱক প্ৰয়াত কুষেশ্বৰ কলিতা আৰু সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক আৰু উপ-পদাধিকাৰ শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া বাপ । এই গাৱঁত সংঘৰ প্ৰাথমিক শাখা গঠন কৰি গুৰুজনাৰ সাৰ্বজনীন ভক্তি ধৰ্ম গ্ৰহণ কৰিবলৈ দৃঢ় সংকল্পৰে আগবাঢ়ি অহা দুই গৰাকী সংগী ক্ৰমে যোগেশ্বৰ বৰুৱা আৰু যজ্ঞেশ্বৰ ভূঞা বাপৰ উল্লেখযোগ্য অৰিহণা বাবে কৃতজ্ঞতা জনাব লাগিব। বৰ্তমান সংগী গৃহস্থীৰ সংখ্যা কুৰি ঘৰৰ অধিক। সংঘৰ নীতি-আদৰ্শৰে গুৰুধৰ্ম প্ৰচাৰ প্ৰসাৰ আৰু সংগঠনৰ কামত সংগীসকলে আত্মনিয়োগ কৰিছে । আৰম্ভণিৰপৰা বৰ্তমানলৈকে প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকল ক্ৰমে

**সভাপতি ঃ** ৰাম বৰা, দুতিৰাম ফুকন আৰু লোকেশ্বৰ বৰুৱা সম্পাদক আৰম্ভণিৰ পৰাই শ্ৰীযজ্ঞেশ্বৰ ভূঞা বাপ। প্ৰাথমিকৰ বিশিষ্ট সংগী প্ৰয়াত কমল ভূঞা বাপে আগবঢ়োৱা বৰঙণি এই প্ৰাথমিক শাখাৰ ইতিহাসে সদায়ে স্মৰণ কৰিব ।

# দুলীয়া গাঁও শ্ৰীশ্ৰীমাধৱদেৱ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৪ চন

মিছামৰা মৌজাৰ দুলীয়া গাঁও এখন প্ৰাচীন গাঁও । আহোম ৰজা দিনত এই গাৱঁৰ লোকসকলে ৰজাৰ নিৰাপত্তাৰ কাৰণে ৰজাৰ দোলাৰ আগত তৰোৱাল লৈ যোৱাৰ কাৰণে এই গাৱঁৰ নাম দুলীয়া গাঁও হয় । এই গাৱঁৰ পুবে বাহঝৰা গাঁও, দক্ষিণে মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়, পশ্চিমে দৰিয়াজান আৰু মিছামৰা বাগান আৰু উত্তৰে মাহনিয়াল গাঁও।

এই গাৱঁৰ মুঠ গৃহস্থীৰ সংখ্যা ১৪০ ঘৰ, মুঠ জনসংখ্যা ১৪০০ জন। আয়তন প্ৰায় চাৰি বৰ্গ কিলোমিটাৰ । দুলীয়া গাৱঁত গঠন হোৱা প্ৰাথমিক শাখাৰ নাম আছিল মাধৱদেৱ প্ৰাথমিক শাখা । ইং ৮।৫।৭৭ তাৰিখে অনুষ্ঠিত প্ৰাথমিক শাখাৰ সাধাৰণ সভাৰ প্ৰস্তাৱ অনুসৰি মাধৱদেৱ প্ৰাথমিক শাখাৰ পৰিবৰ্তে 'শ্ৰীশ্ৰীমাধৱদেৱ প্ৰাথমিক শাখা' নামকৰণ কৰা হয় ।

১৯৭৪ চনৰ মে মাহৰ ১ তাৰিখে মহাপুৰুষ গৰাকীৰ নামেৰে গঠন হোৱা শ্ৰীশ্ৰীমাধৱদেৱ প্ৰাথমিক শাখাৰ ১৯৭৯ চনত সংগী গৃহস্থীৰ সংখ্যা ৩০ ঘৰ আছিল । বৰ্তমান এই প্ৰাথমিক শাখাৰ সংগী গৃহস্থীৰ সংখ্যা ৬০ ঘৰলৈ বৃদ্ধি হৈছে । অদুৰ ভৱিষ্যতে আৰু অধিক গৃহস্থীৰ সংখ্যা বৃদ্ধি কৰিবৰ বাবে প্ৰচেষ্টা চলোৱা হৈছে ।

১৯৬২ চনৰ পৰাই এই গাৱঁৰ কেইজনমান বিশিষ্ট লোকে ভাগৱত চৰ্চাত মনোনিবেশ কৰে । এওঁলোকসকলৰ ভিতৰত আছিল প্ৰয়াত দেৱেশ্বৰ বৰা, হলিৰাম বৰা, বাপুৰাম বৰা, মোলোক বৰা, খুদৌ হাজৰিকা, যোগেশ্বৰ হাজৰিকা, মোলাৰাম বৰা, মাণিক চন্দ্ৰ দত্ত, হেমকান্ত বৰা, ৰাধানাথ বৰা, ৰোমেশ্বৰ বৰা, সৰ্বশ্ৰী অতুল শইকীয়া, মুখেশ্বৰ বৰা, অকণমান বৰা, বাপীৰাম বৰা, চন্দ্ৰধৰ বৰুৱা, হৰনাথ বৰা, প্ৰফুল্ল চন্দ্ৰ শইকীয়া, লম্বোদৰ বৰা, বাপুৰাম বৰা, বেণুধৰ বৰা, ডিম্বেশ্বৰ বৰা, ৰূপেশ্বৰ শইকীয়া, দণ্ডধৰ বৰা, নন্দেশ্বৰ বৰা, মিনাৰাম বৰা আৰু চিৰাম বৰা ।

এই প্ৰাথমিক শাখা গঠনত শ্ৰীযোগেশ্বৰ বৰা, শ্ৰীগোবিন্দ শইকীয়া, আৰু প্ৰয়াত যোগেন দত্তই প্ৰেৰণা দিছিল । প্ৰাথমিক শাখা গঠনৰ পৰা বৰ্তমানলৈকে হোৱা সভাপতিসকল হ'ল - সৰ্বশ্ৰী মুখেশ্বৰ বৰা, প্ৰফুল্ল

চন্দ্ৰ শইকীয়া, অতুল শইকীয়া, লম্বোদৰ বৰা, ঈষেশ্বৰ দত্ত আৰু প্ৰয়াত ৰোমেশ্বৰ বৰা, বৰ্তমান এই প্ৰাথমিক শাখাৰ সভাপতি শ্ৰীনন্দেশ্বৰ বৰা আৰু উপ-সভাপতি শ্ৰীসোণধৰ বৰা । সম্পাদকসকল হ'ল সৰ্বশ্ৰী দণ্ডধৰ বৰা, দেৱেন বৰা, চন্দ্ৰধৰ বৰুৱা আৰু বিপুল বৰা ।

প্ৰাথমিক শাখাৰ সংগীবাপ শ্ৰীপ্ৰফুল্ল চন্দ্ৰ শইকীয়া শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বৰুৱা বামুণ গাৱঁত অনুষ্ঠিত ৪৪ তম্ বাৰ্ষিক অধিবেশনৰ স্মৃতি গ্ৰন্থৰ সম্পাদক, গোলাঘাট জিলা সমিতিৰ উপ-সভাপতি, সভাপতি আৰু ১৯৯৪ চনত ফৰকাটিঙৰ কুশল কোঁৱৰ ক্ষেত্ৰত (শিঙ্গিজান) অনুষ্ঠিত ৬৪ তম্ বাৰ্ষিক অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি দায়িত্ব গ্ৰহণ কৰি নিজৰ দায়িত্ব সফলতাৰে পালন কৰিছিল ।

প্ৰাথমিক শাখাৰ শ্ৰীমুখ্যেশ্বৰ বৰাৰ পুত্ৰ শ্ৰীমান প্ৰসেন বৰাই সুদূৰ বাছিয়া দেশত ঢোল-বাদ্য প্ৰদৰ্শন কৰি প্ৰাথমিক তথা নিজৰ দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে । এই প্ৰাথমিক শাখাৰ সংগী শ্ৰীঅতুল শইকীয়াই প্ৰচাৰৰ দিশত লেখত ল'বলগীয়া বৰঙণি আগবঢ়াইছে । তেখেত নিকতবৰ্ত্তী প্ৰাথমিক সমূহক কেইবাজনো সংগীক নাম-প্ৰসংগৰ আৰ্হিৰ শিক্ষা দিছে। এই প্ৰাথমিক শাখাৰ সংগী শ্ৰীগোপাল বৰাই (কলামণি) ৰাসোৎসৱ আৰু ভাওনাৰ মুখা তৈয়াৰ কৰা শিল্প নিখুঁত ভাৱে কৰি প্ৰাথমিকৰ সুনাম আনিছে। এই প্ৰাথমিকৰ মহিলাসকলেও নিজৰ প্ৰাথমিক শাখাৰ সভা-সমিতিৰ বাহিৰেও আন আন সভা-সমিতিত দিহা নাম, বিয়ানাম, আদিৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি প্ৰশংসাৰ পাত্ৰ হৈছে ।

১৯৭৭ আৰু ১৯৯১ চনত এই প্ৰাথমিক শাখাত নিকতবৰ্ত্তী প্ৰাথমিক শাখাৰ সহযোগত আঞ্চলিক ভিত্তিত গুৰু জয়ন্তী উদযাপন কৰে। তদুপৰি প্ৰতি বছৰে এই প্ৰাথমিক শাখাই গুৰু জয়ন্তী ভাগ পালন কৰি আহিছে ।

১৯৮০ চনত প্ৰাথমিক শাখাত জিলা সমিতিৰ অধিৱেশন অনুষ্ঠিত হৈছিল । ১৯৯৯ চনত দুলীয়া গাঁও শ্ৰীশ্ৰীমাধৱদেৱ প্ৰাথমিক শাখাৰ ২৫ বছৰ সম্পূৰ্ণ হ'ব । সেই উদ্দেশ্যে 'ৰূপালী জয়ন্তী উৎসৱ' ভাগি বিভিন্ন কাৰ্য্যসূচীৰে উদযাপন কৰে ।

# ঢেকীয়াল মলখুকুৰী প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৪ চন

ঢেকীয়াল মৌজাৰ অন্তৰ্গত এখনি প্ৰাচীন গাঁও আহোম স্বৰ্গদেউ প্ৰতাপ সিংহৰ ৰাজত্ব কালত মোমাই তামুলী বৰবৰুৱা দেৱে শাসনৰ সুবিধাৰ কাৰণে এই অঞ্চলৰ ৰাইজক অঞ্চল বিশেষে একোটি ৰজাঘৰীয়া দায়িত্ব দি কাম অনুসৰি একোটি নামেৰে গোট তৈয়াৰ কৰি ঢেকীয়াল সয়ক পাতিছিল। ঢেকীশাল পাতি ৰজাঘৰ আৰু সৈন্য শিবিৰত চাউলৰ যোগান ধৰাৰ কাৰণেই গাঁওখনৰ নাম ঢেকীয়াল আৰু চাউলৰ মলখুখিনি বেলেগ কৰি ৰখাৰ দায়িত্ব থকা গোটটিৰ নাম ঢেকীয়াল মলখুকুৰি হ'ল।

ঢেকীশাল মলখুকুৰী অঞ্চলৰ গৃহস্থীৰ সংখ্যা শতাধিক। জনসংখ্যা প্ৰায় ৭০০ জন, জীৱিকাৰ পথ বিশেষতঃ কৃষি আৰু চাকৰি। খোল তাল, নৃত্য-গীত আৰু শংকৰী কলা-কৃষ্টি আগৰে পৰা চৰ্চা আছে।

১৯৫৪ চনত অসম প্ৰাদেশিক শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ত্ৰয়োবিংশতিতম বাৰ্ষিক অধিবেশন মলখুকুৰী নামঘৰ প্ৰাঙ্গণতে অতি প্ৰয়োভৰেৰে অনুষ্ঠিত হয়। এই অঞ্চলত তাৰো আগৰে পৰাই সংঘৰ প্ৰভাৱ পৰি আহিছিল।

যোৱা ইং ২১/৫/৭৪ তাৰিখৰ আগতে এই প্ৰাথমিকৰ প্ৰায় সকলো সংগীয়েই ঢেকীয়াল প্ৰাথমিকৰ সংগী আছিল। পৰিসৰ বৃদ্ধি হোৱাত ঢেকীয়াল মলখুকুৰী প্ৰাথমিক শাখা গঠন কৰা হয়। নতুনকৈ কিছুলোক ইয়াৰ সংগী হয়। আৰম্ভতে এই প্ৰাথমিকৰ ১০ ঘৰ গৃহস্থী আৰু ২৫ জন সংগীৰ পৰা বৃদ্ধি হৈ বৰ্তমান ২৫ ঘৰ গৃহস্থী আৰু সংগী ৬৫ জনলৈ বৃদ্ধি পাইছে। এইতিনিবছৰ ধৰি প্ৰাথমিকৰ সভাপতি শ্ৰীমুহিধৰ তামুলী, সম্পাদক শ্ৰীনন্দেশ্বৰ শইকীয়া। মূল সংঘৰ শৰণাচাৰ্য্য শ্ৰীঘনকান্ত তামুলী এই প্ৰাথমিকৰ সংগী।

পৰলোকগামী খগেশ্বৰ, তামুলী, সোমনাথ খাওণ্ড, হেমকান্ত তামুলী, পূৰ্ণানন্দ তামুলী, নোমল তামুলী, টঙ্কেশ্বৰ বৰা, দুৰ্গানাথ শইকীয়াৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰৰ প্ৰতি বিভিন্ন ক্ষেত্ৰত বৰঙণি উল্লেখযোগ্য।

সৰ্বশ্ৰী নগেন খাওণ্ড, মুহিধৰ তামুলী, কিৰণ তামুলী, খেতেশ্বৰ বৰা, মিনেশ্বৰ তামুলী, গোপাল শইকীয়া, ঘনকান্ত তামুলী (কনিষ্ঠ) নন্দেশ্বৰ শইকীয়া, যদু হাজৰিকা, ফণী বৰা, লক্ষেশ্বৰ হাজৰিকা আদিৰ যত্নত প্ৰাথমিকখনিৰ সংগঠন অটুট আছে আৰু ইয়াৰ পৰিসৰ বৃদ্ধি হৈছে।

# বৰপুখুৰী পাৰ প্ৰাথমিকৰ শাখা

## গঠন ঃ ১৯৭৫ চন

মিছামৰা মৌজাৰ অন্তৰ্গত বৰপুখুৰী পাৰ গাৱঁত 'একশৰণ নামধৰ্ম আন্দোলনৰ সৃষ্টি কৰা বৰপুখুৰী পাৰ প্ৰাথমিক শাখাৰ ইতিহাস ৰচনা কৰাৰ আগতে গাঁওখনিৰ নামকৰণ সম্পৰ্কে চমুকৈ জনাটো অতীৱ প্ৰয়োজন । স্বৰ্গদেউ ৰুদ্ৰসিংহ আৰু কছাৰী ৰজাৰ মাজত হোৱা চৰ্তমতে একে ৰাতিৰ ভিতৰতে পানী ওলোৱাকৈ পুখুৰী খান্দিবলৈ লৈ কছাৰী ৰজা পৰাস্ত হ'ল। যদিও একে ৰাতিতে পানী নোলাল, ৩২ বিঘা মাটিত খন্দা সেই বৃহৎ পুখুৰীৰ পাৰত বাস কৰি থকা একুৰি এঘৰ মানুহৰ বংশ পৰিয়ালেই কালক্ৰমত আজিৰ এই বৰপুখুৰী পাৰ গাৱঁৰ ৰূপ পালে ।

১৯৭৩ চনলৈকে সম্পূৰ্ণ পূজা-পাৰ্বণ, কৰ্ম-কাণ্ডৰে সমাজ ব্যৱস্থা কটকটীয়া হৈ আছিল । উক্ত চনৰ শেষাৰ্দ্ধত শ্ৰীযুত দেবেশ্বৰ বৰাৰ গৃহত আয়োজন কৰা ৰাতি বাঞ্চা নাম-কীৰ্তনত মলাই কুমাৰ গাঁও প্ৰাথমিক শাখাৰ স্বৰ্গীয় দেহিৰাম গাঁওবুঢ়া, স্বৰ্গীয় চেনীৰাম হাজৰিকা প্ৰমুখ্যে আমন্ত্ৰিত সংগী বাপসকলে অংশ গ্ৰহণ কৰাত বৰপুখুৰী পাৰ গাৱঁত শ্ৰীযুত দেবেশ্বৰ বৰাক এঘৰীয়া কৰাৰ মানসেৰে এক সমূহীয়া প্ৰচেষ্টা চলিছিল। কিন্তু অতি সুখৰ বিষয় যে উক্ত গাৱঁৰ স্বৰ্গীয় উমাই হাজৰিকা, শ্ৰীৰাজেন হাজৰিকা বাপ আদিয়ে সৎ সাহসেৰে আগবাঢ়ি অহাত গুৰুৰ কৃপাত বৰপুখুৰী পাৰ গাঁও প্ৰাথমিক শাখাৰ জন্ম হ'বলৈ আৰম্ভ হয় । ফলস্বৰূপে ১৯৭৫ চনত মাঘ বিহুৰ দিনাৰ পৰাই উক্ত তিনিওজন ব্যক্তিৰ লগত গাৱঁৰ সামাজিক বন্ধন কঠোৰ হৈ পৰাত তেখেতসকলে ভিন্ন প্ৰাথমিকৰ লগত চলা-ফুৰা কৰিব লগা হয় । মনৰ বলত বলিয়ান তিনিও ব্যক্তিৰ উদ্যম একশৰণ নাম ধৰ্ম গাৱঁত প্ৰসাৰিত হোৱাত সহায় কৰিলে । এনে সময়তে বৰপুখুৰীপাৰ গাৱঁৰ উদীয়মান যুবক শ্ৰীনোমল চন্দ্ৰ বৰাই একশৰণ নাম ধৰ্মৰে অনুপ্ৰাণিত হৈ হোম যজ্ঞেৰে বিয়া নকৰাই নাম ধৰ্মৰ সংবিধান স্বীকৃত পন্থাৰে বিয়া কৰাবলৈ আগবাঢ়ি আহে । ইয়াৰ ফলত গাৱঁত এক তীব্ৰ আলোড়নৰ সৃষ্টি হয় । স্বৰ্গীয় চেনীৰাম হাজৰিকা বাপৰ পৰিচালনাত সম্পাদিত হোৱা এই বিবাহ কাৰ্য্যতেই গাঁও দুখন বিভক্ত হ'ল । জন্ম

হ'ল - 'বৰপুখুৰী পাৰ প্ৰাথমিক শাখা' । সংগী মাত্ৰ ৫ । ঘৰ স্বীকৃতিৰ বাবে প্ৰয়োজনীয় আৰু পাঁচ ঘৰ গৃহস্থীৰ চিন্তাও গুৰুৰ কৃপাত উক্ত বিবাহ মণ্ডপত উপস্থিত অন্য ৭ ঘৰ গৃহস্থীয়ে যোগদান কৰিলে । স্মৰণযোগ্য যে এই সাতঘৰ গৃহস্থীৰ ভিতৰত বয়োবৃদ্ধ স্বৰ্গীয় বাপুতা বৰুৱা বাপে ককাই-ভাই, আত্মীয় স্বজনৰ বন্ধন এৰি প্ৰাথমিকৰ জন্মত অৰিহণা যোগালে । আনকি তেখেতৰ গৃহত 'নৃসিংহ যাত্ৰা' ভাওনা অনুষ্ঠিত কৰি প্ৰাথমিকৰ স্থিতি সবল কৰাত সহায় কৰিলে । এনেদৰেই নানা বাধা-বিঘিনীৰ মাজেদি 'বৰপুখুৰী পাৰ প্ৰাথমিক শাখা'ৰ জন্ম হ'ল ।

**প্ৰতিষ্ঠাপক সভাপতি ঃ** শ্ৰীউমা হাজৰিকা

**প্ৰতি স্থাপক সম্পাদক ঃ** শ্ৰীৰাজেন হাজৰিকা

**উপদেষ্টা ঃ** শ্ৰীদেবেশ্বৰ বৰা

শ্ৰীবাপুতা বৰুৱা

এইদৰে দুবছৰ অতিক্ৰম কৰাৰ পাছত পুনৰ সমিতি গঠন কৰা হয়।

**সভাপতি ঃ** শ্ৰীউমা হাজৰিকা

**সম্পাদক ঃ** খোলোক বৰুৱা

১৯৮৭ চনৰ কাতি মাহত সভাপতি গৰাকী স্বৰ্গী হোৱাত প্ৰাথমিকৰ সভাপতিৰ আসন সৰ্ব সন্মতিক্ৰমে শ্ৰীযোগেন হাজৰিকা বাপৰ ওপৰত অৰ্পন কৰা হয় । এই সময়ছোৱাতেই বৰ্তমান সম্পাদক শ্ৰীযোগেন বৰা, শ্ৰীমহেন বৰা বাপে গাৱঁৰ দক্ষিণ' অংশৰ পৰা অতি সাহসেৰে আগবাঢ়ি আহি সংগী পদ গ্ৰহণ কৰি নাম ধৰ্মৰ প্ৰচাৰত আগভাগ লয় । শ্ৰীযোগেন বৰাৰ সৎ মনোবলৰ ওপৰত ভিত্তি কৰি প্ৰাথমিকে তেতিয়াৰে পৰা বৰ্তমানলৈ সম্পাদকৰ গুৰু দায়িত্ব তেখেতৰ ওপৰত ন্যস্ত ৰাখিছে ।

প্ৰাথমিকৰ সভাপতি শ্ৰীযোগেন হাজৰিকা বাপ নিজ কন্যাৰ বিবাহ সম্পৰ্কীয় কাৰণত সংগী পদৰপৰা আঁতৰি থাকিব লগা হোৱাত শ্ৰীনোমল বৰাক সভাপতি পদ অৰ্পণ কৰা হয় । বৰ্তমান প্ৰাথমিকৰ সংগী ১৬ ঘৰ যদিও অনাগত দিনত প্ৰায় ২০ ঘৰ গৃহস্থীয়ে প্ৰাথমিকৰ সংগী পদ লাভ কৰাৰ মানস কৰি আছে ।

আমাৰ গৌৰৱ যে গোলাঘাট জিলা শাখাৰ ভিতৰত ৫৯ বছৰ বয়সত শৰণ গ্ৰহণ কৰা ব্যক্তি পৰম শ্ৰদ্ধাৰ বয়োজ্যেষ্ঠ সংগী শ্ৰীদন্দ হাজৰিকা বাপ বৰ্তমান এই প্ৰাথমিকৰ উপদেষ্টা পদত আছে।

**বৰ্তমান সভাপতি ঃ** শ্ৰীনোমল চন্দ্ৰ বৰা

**সম্পাদক ঃ** শ্ৰীযোগেন্দ্ৰ নাথ বৰা

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

উপদেষ্টা ঃ সৰ্বশ্ৰী দেৱেশ্বৰ বৰা
,, দণ্ড হাজৰিকা
,, ৰাজেন হাজৰিকা
,, যোগেন হাজৰিকা

সংগী ঃ ১৬ ঘৰ গৃহস্থী ।

উল্লেখযোগ্য যে প্ৰাথমিকৰ আই-মাতৃসকলেও গুৰুজনাৰ কৰ্মৰাজিৰ প্ৰচাৰ আৰু প্ৰসাৰত আগভাগ লৈ আহিছে । লগতে প্ৰাথমিকৰ প্ৰতিজন যুৱক-যুৱতীক লৈ গঠিত স্বেচ্ছাসেৱক বাহিনীয়েও গুৰুজনাৰ আদৰ্শৰে বাট বুলিবলৈ চেষ্টা কৰাটো অতি প্ৰশংসনীয় । উক্ত স্বেচ্ছাসেৱক বাহিনীৰ সম্পাদক ঃ সুজিৎ হাজৰিকা ।

বৰপুখুৰী পাৰ প্ৰাথমিক শাখাৰ জন্ম লগৰে পৰা সাংগঠনিক দিশত বিশেষ ভূমিকা গ্ৰহণকাৰী সংগীসকলৰ নাম শ্ৰদ্ধা সহকাৰে উল্লেখ কৰা হ'ল-

**প্ৰয়াত উমাই হাজৰিকা ঃ** এখেতৰ জন্ম ১৯৩১ চনত । বৰপুখুৰী গাৱঁত এখেতে (গাৱঁৰ ৰাইজৰপৰা ফালৰি কাটি) বৰ কষ্টেৰে প্ৰাথমিক শাখাৰ জন্ম দিয়ে । মৃত্যুৰ আগমুহূৰ্তলৈকে এখেত প্ৰাথমিক শাখাটিৰ সভাপতি হিচাপে থাকি পৰিচালিত কৰাত সহায়-সহযোগ কৰিছিল ।

**প্ৰয়াত বাপুতা বৰুৱা ঃ** গুৰুজনাৰ আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ নিৰক্ষৰ হোৱা স্বত্বেও প্ৰাথমিক গঠনত আগভাগ লৈছিল । পুৰ্বৰ নিয়ম ত্যাগকৰি মৃতাহ কৰ্ম সংঘৰ নীতি মতে পালন কৰিছিল ।

**শ্ৰীদেৱেশ্বৰ বৰা ঃ** প্ৰায় ৩৫ বছৰ বয়সৰ পৰাই গুৰুজনাৰ আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ এখেতে অপৰিসীম কষ্ট, ধৈৰ্য্য, ত্যাগ আৰু অহোপুৰুষাৰ্থৰে বৰপুখুৰীপাৰ গাৱঁত এখন প্ৰাথমিক গঠনত আগভাগ লৈছিল । এই শাখাটিৰ জন্মৰ মূল ভেঁটি হ'ল তেখেতৰ সাহস । এইজন বাপ বৰ্তমান নামাচাৰ্য্য আৰু বিবাহ পৰিচালক । প্ৰাথমিকৰ বৰ্তমানৰ উপদেষ্টা হৈ থকাৰ উপৰি নানা সৎ চিন্তাৰে প্ৰাথমিক তথা সংঘৰ সাংগঠনিক দিশত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আছে । এখেতে গোলাঘাট জিলাৰ ফৰকাটিঙত অনুষ্ঠিত হোৱা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মূল অধিৱেশনৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা 'শ্ৰীমন্ত শংকৰ দেৱ কী প্ৰতিভা' নামৰ হিন্দী ভাষাৰ গ্ৰন্থখনি সম্পাদনা কৰিছিল । অৱসৰ প্ৰাপ্ত শিক্ষক বাপজনাৰ সংঘ তথা প্ৰাথমিকৰ প্ৰতি অৰিহণা উল্লেখযোগ্য ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

**শ্ৰীৰাজেন হাজৰিকা** ঃ এখেতৰ আপ্ৰাণ চেষ্টা, অপৰিসীম কষ্ট আৰু সাহসৰ বাবেই বৰপুখুৰী পাৰ প্ৰাথমিকৰ জন্ম হয় । প্ৰাথমিকৰ জন্মৰ আগলৈকে গুৱাল গাঁও প্ৰাথমিক শাখাৰ জৰিয়তে গৃহত নাম কীৰ্তন কৰোৱাই সমূহ গাঁওবাসীক পথ প্ৰদৰ্শন কৰাইছিল ।

**শ্ৰীগুণাৰাম হাজৰিকা** ঃ ১৯৩৮ চনত জন্ম লাভ কৰা এই বাপজনে প্ৰাথমিক শাখাৰ জন্ম-লগ্নৰে পৰা সাংগঠনিক দিশত জড়িত হৈ আছে । কিছুদিন সভাপতি হৈ থাকি বৰ্তমান উপদেষ্টা হিচাপে প্ৰাথমিকৰ শোভা বৰ্দ্ধন কৰি আছে ।

**শ্ৰীদণ্ডধৰ হাজৰিকা** ঃ এখেতৰ অৰিহণা প্ৰাথমিকৰ বাবে অনন্য, প্ৰায় ৫০ বছৰ বয়সত সংঘৰ শৰণ কৰিহে সংঘৰ অন্তৰ্ভুক্ত হোৱা বাপজন বৰ্তমান প্ৰাথমিকৰ উপদেষ্টা । তেখেতৰ সাহসী পদক্ষেপ শাখাটোৰ অগ্ৰগতিৰ সোপান স্বৰূপ ।

শ্ৰীসুৰেন্দ্ৰ নাথ ভৰালী ঃ প্ৰাথমিক শাখাৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত সংগী । সু-অভিনেতা তথা খোলবাদক ।

**শ্ৰীথোলোক বৰুৱা** ঃ প্ৰাথমিকৰ জন্ম-লগ্নৰ এজন নিস্বাৰ্থ সেৱক। গুৰুজনাৰ খোল বাদ্যৰ সাধক । বৰপুখুৰীপাৰ গাৱঁৰ একমাত্ৰ বায়ন । বহু বছৰ প্ৰাথমিকৰ সম্পাদকৰ দায়িত্বও পালন কৰিছিল ।

**শ্ৰীমহেশ্বৰ কাকতি** ঃ সাংগঠনিক দিশত বিশেষ অৱদান আছে ।

**শ্ৰীযোগেন বৰা** ঃ এখন বিদ্যালয়ৰ মূৰব্বী শিক্ষক হৈও প্ৰাথমিকৰ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰি আছে । সংঘৰ প্ৰতি থকা মহানুভৱতা আৰু উদাৰতাৰ ওপৰত প্ৰাথমিকৰ ভৱিষ্যত বহু পৰিমাণে নিৰ্ভৰশীল । শাখাটোৰ উজ্বল অগ্ৰগতিৰ বাবে অহোপুৰুষাৰ্থ কৰিছে ।

**শ্ৰীনোমল চন্দ্ৰ বৰা** ঃ প্ৰাথমিক শাখা গঠনত হাতে-কামে লাগি থকা এই সংগীজনে বৰ্তমান শাখাটিৰ সভাপতি পদ অলংকৃত কৰি আছে। সংঘৰ বিবাহ বিধিৰে ১৯৭৬ চনত নিজৰ বিবাহ সম্পাদন কৰি এই গাৱঁত গুৰুজনাৰ আদৰ্শ মতৰ প্ৰতি প্ৰথমবাৰ ৰাইজক আকৃষ্ট কৰিছিল । কৰ্ম সংস্থাপনৰ বাবে ১২ বছৰ মাজুলীত থকা সময়ত তেখেতে শংকৰী নৃত্য গীতৰ প্ৰচুৰ চৰ্চা কৰি জ্ঞান লাভ কৰিছিল । অভিনয়ত আধিপত্যৰে দৰ্শকক আপ্লুত কৰাৰ ক্ষমতা থকা শ্ৰীযুত বৰা প্ৰাথমিকৰ সকলো দিশৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত। খোলবাদ্য আৰু সত্ৰীয়া সংস্কৃতিৰ একান্ত সাধক ।

**শ্ৰীবীৰেন হাজৰিকা** ঃ সহজ-সৰল স্বভাৱৰ এইজন ব্যক্তি প্ৰাথমিকৰ অলংকাৰ স্বৰূপ ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

প্ৰয়াত গণেশ হাজৰিকা ঃ অনাতাঁৰ শিল্পী এইজনব্যক্তি শাখাটোৰ সকলো ক্ষেত্ৰতে জড়িত হৈ আছিল । আৱাহন, কহিনুৰ আদি ভ্ৰাম্যমান নাট্য দলত দক্ষ অভিনয় শিল্পী হিচাপে থাকি তেখেতে নিজস্ব অভিনয় প্ৰতিভাৰ চিনাকি দিছিল । শেহতীয়া ভাৱে তেখেতৰ এখন একাংকিকা নাটকে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰপৰা শ্ৰেষ্ঠ নাটকৰ পাণ্ডুলিপি পুৰস্কাৰ লাভ কৰিছে ।

**শ্ৰীপুতুল হাজৰিকা ঃ** জন্ম ১৯৪৬ চনত প্ৰাথমিকৰ লগতে সংঘৰ প্ৰসাৰ-প্ৰচাৰৰ ক্ষেত্ৰত অবিহণা আগবঢ়াই অহা একনিষ্ঠ সংগী । খোল-বাদ্য আৰু ঢোল বাদ্যত পাৰ্গত ব্যক্তিজনাৰ সাধনা আৰু ভূমিকা অনস্বীকাৰ্য্য ।

ভক্তপ্ৰাণ বাপসকলৰ উপৰি বৰপুখুৰীপাৰ প্ৰাথমিক শাখাৰ সৰ্বদিশতে আইমাতৃ সকলৰো যথেষ্ট বৰঙণি আছে । এই শাখাটিৰ শ্ৰীমতী লিলি হাজৰিকা শংকৰী সংস্কৃতিৰ অমূল্য সম্পদ বৰগীতৰ সাধনাত ব্ৰতী হৈ আছে । তেখেতে বিভিন্ন সময়ত বৰগীত পৰিৱেশন কৰাৰ লগতে অন্যান্য দিশতো আগভাগ লয় । শ্ৰীমতী অন্নদা বালা বৰা, শ্ৰীসবিতা ৰাণী বৰা, শ্ৰীমতী ভাৰতী হাজৰিকা আদি আই মাতৃৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতিটো দিশৰ প্ৰতি থকা নিষ্ঠা আৰু আগ্ৰহ প্ৰাথমিক শাখাটিৰ উন্নয়ন আৰু অগ্ৰগতিৰ চালিকা শক্তি হৈ পৰিছে ।

তদুপৰি শ্ৰীমন্ত শংকৰদেৱ সংঘই বিভিন্ন ঠাইত আয়োজন কৰা যুৱ সমাৰোহ, শিশু সমাৰোহ আদিত প্ৰাথমিক শাখাৰ হৈ কেইবাজনো সদস্যই অংশ গ্ৰহণ কৰিছে । নগাঁও যুৱ সমাৰোহত এই প্ৰাথমিকৰ হৈ শ্ৰীপাৰ্থ প্ৰতীম বৰা আৰু শ্ৰীপূৰবী বৰাই অংশ লৈছিল । অন্যান্য যুৱ সমাৰোহত শ্ৰীসঞ্জীৱ ভৰালী, শ্ৰীসুজিৎ হাজৰিকা আদিৰ অংশ গ্ৰহণ উল্লেখনীয় । উৰিষ্যাত অনুষ্ঠিত কৰা শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ উপলক্ষে আয়োজিত অঙ্কীয়া ভাওনাত এই প্ৰাথমিকৰ শ্ৰীমুনিন্দ্ৰ হাজৰিকাই অংশ গ্ৰহণ কৰিছিল। এইদৰে যুৱক-যুৱতীসকলে প্ৰাথমিকৰ গৌৰৱ অক্ষুন্ন ৰাখিছে । শ্ৰীসুজিৎ হাজৰিকাই শৰণ গ্ৰহণ কৰি অতি কম বয়সতে নামাচাৰ্য্য হিচাপে সেৱা আগবঢ়াই শলাগৰ পাত্ৰ হৈছে । উল্লেখযোগ্য যে শ্ৰীসঞ্জীৱ কুমাৰ ভৰালীয়ে দুলীয়া গাঁও মাধৱদেৱ প্ৰাথমিকৰ ৰূপালী জয়ন্তী উৎসৱত সদৌ অসম ভিত্তিত আয়োজন কৰা ৰচনা প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে।

শ্ৰীমন্ত শংকৰদেৱ সংঘই আয়োজন কৰা বিভিন্ন ঠাইৰ শিশু সমাৰোহত এই প্ৰাথমিকৰ পৰা শ্ৰীদেৱাংগ পল্লৱ পাৰ্থ, প্ৰণৱ জ্যোতি বৰা, ৰাজলক্ষ্মী বৰা আদিয়ে অংশ গ্ৰহণ কৰি পাৰদৰ্শিতা লাভ কৰিছে আৰু প্ৰাথমিকক গৌৰৱান্বিত কৰিছে ।

# নৰাযোগী মিলন প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৫ চন

ঢেকীয়াল মৌজাৰ অন্তৰ্গত যোগীবাৰী নৰা গাঁও দুখনি বেলেগ বেলেগ গাঁও । দুয়োখনি গাৱঁৰ নামকৰণ সম্পৰ্কত কিম্বদন্তিত আছে । অতীজতে যোগীবাৰী অঞ্চলটো বহুতো ডাঠ বৰতানি আৰু হাবিৰে পৰিপূৰ্ণ আছিল । মানুহৰ বসতি নাছিল । পোনপ্ৰথমে এই অঞ্চলত দুঘৰমান যোগী মানুহ আহি হাবি ভাঙি বাৰী পাতি বাস কৰিছিল । কিছুদিনৰ পাছতে আহোম সম্প্ৰদায়ৰ কিছু লোক আহি সেই যোগী মানুহকেইঘৰৰ আশে-পাশে বসবাস কৰিবলৈ লয় । পাছলৈ আহোম সম্প্ৰদায়ৰ আধিপত্য বিস্তাৰ হোৱাত আৰু যোগীলোক দুঘৰ সংখ্যা লঘু হোৱা হেতুকে শেহান্তত যোগী লোক অন্য ঠাইলৈ স্থানান্তৰ হৈ যায় আৰু যোগী দুঘৰৰ বাৰীক আলম লৈ হোৱা গাঁওখনিয়েই যোগীবাৰী গাঁও নামে জনাজাত।

সেইদৰে নৰা গাৱঁৰ নামকৰণ সম্পৰ্কেও এনে দৰে জনা যায় । আহোমসকলৰ ৰাজত্বৰ দিনত নৰা ফৈদৰ লোকসকল আহি এই অঞ্চলত বসবাস কৰিবলৈ লোৱাৰ কাৰণেই এই গাঁওখনৰ নাম নৰা গাঁও জনাজাত হ'ল বুলি লোকৰ মুখত জনা যায় ।

দুয়োখন গাৱঁৰ ৰাইজৰ মাজত একতা থকাৰ কাৰণেই কেইবাটাও ৰাজহুৱা অনুষ্ঠান গঢ়ি উঠিছে আৰু অনুষ্ঠানকেইটিৰ নামকৰণ দুয়োখন গাৱঁৰ নামক সাঙুৰি নৰা যোগী ৰখা হৈছে । যেনে নৰাযোগী প্ৰাথমিক বিদ্যালয়, নৰাযোগী মধ্য ইংৰাজী বিদ্যালয়, নৰাযোগী উচ্চ ইংৰাজী বিদ্যালয় ইত্যাদি। সেই কাৰণেই অঞ্চলটো নৰাযোগী নামে জনাজাত ।

দুয়ো গাৱঁৰ গৃহস্থীৰ সংখ্যা প্ৰায় ২৫০ ঘৰ । জন সংখ্যা ১৫০০ জনৰো অধিক । আয়তন প্ৰায় ৬ কিঃ মিটাৰ ।

১৯৭৫ চনতে দুয়োখন গাৱঁৰ কেইঘৰমান ব্যক্তি স্বৰ্গীয় পিতানহ যোগেন দত্ত আৰু স্বৰ্গীয় ফটিক হাজৰিকা বাপৰ অনুপ্ৰেৰণাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতি আকৃষ্ট হৈ কৰ্ম কাণ্ড ত্যাগ কৰি মৃতাহ কৰ্মসমুহ নামেৰে কৰিবলৈ লয় আৰু পাছলৈ সম্পূৰ্ণ সংঘমুখী হৈ দুয়োখন গাৱঁৰ ৭ ঘৰ গৃহস্থী মিলি এখনি প্ৰাথমিক গঠন কৰে আৰু প্ৰাথমিকখনৰ নাম 'নৰা যোগী মিলন প্ৰাথমিক শাখা' ৰখা হয় । বৰ্তমান গৃহস্থীৰ সংখ্যা ১২

ঘৰলৈ বৃদ্ধি পাইছে । ভৱিষ্যতে আৰু বৃদ্ধি পোৱাৰ আশা আছে ।

প্ৰাৰম্ভিকৰ পৰা বৰ্তমানলৈ সভাপতি আৰু সম্পাদকসকল হ'ল ক্ৰমে স্বৰ্গীয় টেপুৰাম ফুকন সভাপতি, শ্ৰীপদ্মেশ্বৰ কোৰঁৰ সম্পাদক । শ্ৰীপদ্মেশ্বৰ কোৰঁৰ সভাপতি, শ্ৰীদিগন্ত কোৰঁৰ সম্পাদক, বৰ্তমান শ্ৰীভৱেন ফুকন সভাপতি, শ্ৰীপদ্মেশ্বৰ কোৰঁৰ সম্পাদক ।

স্বৰ্গীয় টেপুৰাম ফুকন, পোৱাল ফুকন আদিয়ে এই প্ৰাথমিক গঠনৰ বাটকটীয়া আছিল । তেখেতসকলৰ অনুপ্ৰেৰণাত বাঁকীকেইঘৰ গৃহস্থী সংঘমুখী হয় । তেখেতসকলৰ এক শৰণ নাম ধৰ্মৰ প্ৰতি থকা অৰিহণা আজি প্ৰতিজন সংগীয়েই স্বীকাৰ কৰিব লাগিব ।

# হালোৱা গাঁও নৱজ্যোতি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৫ চন

শ্ৰীমন্ত শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পৰবৰ্তী কালত পুণ্যভূমি অসমক অধৰ্ম-অনাচাৰে ছানি পেলোৱাৰ পাছত মহাপুৰুষীয়া সমাজখনত পুনৰ কৰ্মকাণ্ড প্ৰচলিত হৈ সমাজখন ব্যভিচাৰ অনাচাৰেৰে পূৰ্ণ হৈ পৰিল । এইদৰে বহু বছৰ যোৱাৰ পাছত গোলাঘাটত মহাপুৰুষীয়া ধৰ্ম সংস্কাৰৰ আন্দোলন গঢ়ি উঠাত হালোৱা গাৱঁৰ স্বনামধন্য প্ৰয়াত জিউৰাম হাজৰিকা, ডিম্বেশ্বৰ হাজৰিকা, সন্ধিৰাম শইকীয়া, যদু শইকীয়া আদি ব্যক্তি সকলে কৰ্মকাণ্ড ত্যাগ কৰাত তেতিয়াৰ মাহেকীয়া সমাজখনৰ পৰা অশেষ গ্লানি সহ্য কৰিব লগীয়া হৈছিল । হাবিয়াল আৰু হালোৱা গাঁও একত্ৰিত হৈ এভাগি প্ৰাথমিক শাখা গঠন কৰে । কিছুদিনৰ পাছত হালোৱা গাৱঁত 'হালোৱা গাঁও শংকৰজ্যোতি' নামেৰে এভাগি প্ৰাথমিক গঠিত হয় ১৯৭৪ চনত । সাংগঠনিক দিশলৈ লক্ষ্য ৰাখি এই হালোৱা গাঁও শংকৰজ্যোতি প্ৰাথমিক শাখাৰ সৰ্বসন্মতভাৱে ২৩।১।৭৫ তাৰিখত প্ৰাথমিক শাখাটি দুভাগত বিভক্ত হয় । নতুন শাখাটিয়ে নাম লয় 'হালোৱা গাঁও নৱজ্যোতি প্ৰাথমিক শাখা' । ৯ ঘৰ গৃহস্থীৰে তেতিয়াৰ পৰাই জিলা তথা মুল সংঘৰ অনুমোদন সাপেক্ষে গুৰুধৰ্ম পালন, প্ৰচাৰ, প্ৰসাৰত ব্ৰতী হৈ আহিছে ।

প্ৰাথমিক শাখাৰ সকলো সংগীয়ে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দ্বাৰা প্ৰচাৰিত সংবিধান, অশৌচ পদ্ধতি, বিবাহ পদ্ধতি, প্ৰসংগ প্ৰণালী আৰু প্ৰচাৰ নিৰ্দেশিকাৰ আলমত ব্যক্তিগত আৰু সামাজিক জীৱন পৰিচালিত

হৈ আহিছে । তদুপৰি একশৰণ মহাপুৰুষীয়া ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰত প্ৰতিজন সংগী ব্ৰতী হৈ আহিছে । সংগীসকলৰ ধৰ্মীয় সদাচাৰ, নীতি পালনত নিষ্ঠা দেখি প্ৰতিবেশী কৰ্মকাণ্ডৰ লোকসকল সংঘৰ প্ৰতি আকৃষ্ট হৈ সংঘমুখী হৈছে । তেখেতসকলৰ মাজতো সংঘৰ প্ৰভাৱত পূৰ্বৰপৰা প্ৰচলিত ধৰ্মীৰ ৰীতি-নীতিৰ পৰিবৰ্তন হোৱা দেখা গৈছে । বৰ্তমান প্ৰাথমিক শাখাৰ গৃহস্থী ২৪ ঘৰ, সংগীৰ সংখ্যা ৫২ জন । এই শাখাত মহিলা সমাৰোহ, শিশু-যুৱ সমাৰোহ আদি অনুষ্ঠিত কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰচাৰ প্ৰসাৰত অৰিহণা যোগাইছে । সেৱা বাহিনীৰ শাখা গঠন কৰিছে । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দ্বাৰা প্ৰচাৰিত খোল অংকৰ আধাৰত এজোৰা প্ৰশিক্ষণ প্ৰাপ্ত গাণিকা আছে । হিৰা নামৰ জোৰাও প্ৰাথমিক শাখাত আছে । ইয়াৰ বাহিৰেও গীত-বাদ্য নৃত্যৰ প্ৰশিক্ষণৰ কাৰ্য্যসূচী চলি আছে ।

এই প্ৰাথমিকৰ সংগী প্ৰয়াত জিউৰাম হাজৰিকা, ধৰ্ম, সাহিত্য-সংস্কৃতিৰ এজন বিদগ্ধ পণ্ডিত । তেখেতে এই দিশত ভালেমান প্ৰবন্ধ লিখিথৈ গৈছে । ঢেকীয়াল হাইস্কুলৰ শিক্ষক আছিল । বৰ্তমান তেখেত পৰলোকগামী ।

অন্য এজন ব্যক্তি প্ৰয়াত চেনাৰাম শইকীয়া এজন প্ৰাথমিক বিদ্যালয় শিক্ষক তথা শিক্ষক সমাজৰ আগশাৰীৰ ব্যক্তি আছিল । প্ৰাথমিক শাখাৰ সভাপতি হৈ থকা সময়ত শাখাৰ সংগঠন বহুলাংশে বৃদ্ধি পাইছিল। তেখেতে প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ কেইবাখনো উৎকৃষ্ট পাঠ্য পুথি প্ৰণয়ন কৰি থৈ গৈছে ।

প্ৰাথমিক শাখাৰ এগৰাকী সভাপতি শ্ৰীহেম শইকীয়া বহুদিন ধৰি গোলাঘাট জিলা শাখাৰ সম্পাদকৰ দায়িত্বত আছিল । মূল সংঘৰ সাহিত্য শাখাৰ সম্পাদকৰ দায়িত্বত থকাৰ উপৰি সংঘৰ মুখপত্ৰ 'নামধৰ্ম' আলোচনীৰ সম্পাদকৰ দায়িত্বতো আছিল । তেখেতে ধৰ্ম-সাহিত্য সম্পৰ্কীয় ভালেমান প্ৰবন্ধ নিবন্ধন কৰিছে ।

১৯৭৫ চনৰপৰা বৰ্তমানলৈকে সভাপতি আৰু সম্পাদকসকল -

**সভাপতি ঃ** প্ৰয়াত চেনাৰাম শইকীয়া, শ্ৰীমিনাৰাম বৰুৱা, প্ৰয়াত চেনাৰাম শইকীয়া, শ্ৰীৰোমেশ্বৰ শইকীয়া, শ্ৰীঅৰুণ ৰাজখোৱা, হেম শইকীয়া আৰু ৰোমেশ্বৰ শইকীয়া (বৰ্তমান)।

**সম্পাদক ঃ** সৰ্বশ্ৰী ৰোমেশ্বৰ শইকীয়া, অৰুণ ৰাজখোৱা, খগেশ্বৰ শইকীয়া, ভাৰত হাজৰিকা, ধৰ্ম নাৰায়ণ শইকীয়া আৰু বৰ্তমান ভাৰত হাজৰিকা ।

# দৈয়ঙ্গীয়া চক্রপানি(খ) প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭১ চন।

১৯৬৯ চনত সমাজকৰ্মী মুক্তিযোদ্ধা উত্তৰাকান্ত বৰা দেৱৰ প্ৰচেষ্টাত দাধৰাৰ কেইঘৰমান সঙ্গীৰে দাধৰা কল্পতৰু প্ৰাথমিক গঠন হয়। পৰৱৰ্ত্তী সময়ত দৈয়ঙ্গীয়া গাওঁৰ একাংশ সঙ্গীৰে দৈয়ঙ্গীয়া কল্পতৰু নামে এখন প্ৰাথমিক গঠন কৰে। পিছত কল্পতৰু প্ৰাথমিক শাখাৰপৰা দৈয়ঙ্গীয়া চক্ৰপানি প্ৰাথমিক শাখা গঠন হয়। পুনৰ চক্ৰপানি প্ৰাথমিক শাখাৰপৰা —চক্ৰপানি(ক) আৰু চক্ৰপানি(খ) নামেৰে দুটি শাখা গঠন হোৱাত বৰ্ত্তমান দৈয়ঙ্গীয়া গাৱত ৪ খন প্ৰাথমিক শাখাই কাৰ্যনিৰ্বাহ কৰি আছে।

দৈয়ঙ্গীয়া চক্ৰপানি(খ) প্ৰাথমিক শাখা গঠনৰ সময়ত সেই সময়ৰ মুল সংঘৰ সম্পাদক শ্ৰীযুত গোবিন্দচন্দ্ৰ শইকীয়া, জিলা শাখাৰ সভাপতি শ্ৰীযুত চন্দ্ৰ বৰদলৈ, সম্পাদক শ্ৰীযুত হেম শইকীয়া, সংস্কৃতি শাখাৰ দায়িত্বত থকা শ্ৰীযুত নীলকান্ত বৰা, শ্ৰীযুত গোলাপ শইকীয়া দেৱৰ পৰামৰ্শ সকলোৰে স্মৰণীয়। দৈয়ঙ্গীয়া গাওঁৰ কেইঘৰমান গৃহস্থীক লৈ চক্ৰপানি প্ৰাথমিক গঠন কৰা হয়—১৯৭১ চনত। বৰ্ত্তমান সঙ্গী গৃহস্থী ২১ ঘৰ, সঙ্গী ৫০ জন।

প্ৰাথমিকৰ বিশিষ্ট সঙ্গীসকল হ'ল—প্ৰয়াত পুণেশ্বৰ বৰা, শ্ৰীসোমেশ্বৰ বৰা, শ্ৰীফনীধৰ বৰা, শ্ৰীগোলাপ বৰা, শ্ৰীবাহাদুৰ বৰা, শ্ৰীঅৰুণচন্দ্ৰ বৰা, শ্ৰীযুতা ভদ্ৰেশ্বৰী বৰা, শ্ৰীযুতা দিপ্তী বৰা। প্ৰাথমিকৰ সঙ্গীসকলে পুৰুষ-মহিলা নিৰ্বিশেষে গাঁৱৰ নামঘৰত প্ৰতি সপ্তাহত ভাগৱত পাঠ, আলোচনা চক্ৰ আদি অনুষ্ঠান সম্পাদন কৰে। শঙ্কৰী নৃত্য গীত বাদ্যৰ প্ৰশিক্ষণ সত্ৰ অনুষ্ঠিত কৰি যুৱক-যুৱতীসকলক অনুশীলন কৰাই। গুৰুজয়ন্তী, মাধৱজয়ন্তী উৎসৱ উদ্‌যাপন কৰি গুৰুজনাৰ ধৰ্মাদৰ্শ প্ৰচাৰত গুৰুত্ব দিয়ে। প্ৰাথমিকৰ সভাপতি সম্পাদকসকল —

সভাপতি ক্ৰমে, শ্ৰীবাহাদুৰ বৰা, শ্ৰীগোলাপ বৰা, শ্ৰীঅজিত বৰা(বৰ্ত্তমান)।

সম্পাদক ক্ৰমে, শ্ৰীসোমেশ্বৰ বৰা, শ্ৰীভাস্কৰজ্যোতি বৰুৱা(বৰ্ত্তমান)।

উপদেষ্টা —শ্ৰীফণী বৰা।

পুণ্যেশ্বৰ বৰা ঃ জন্ম ১৯৩৬ চনত দৈয়ঙ্গীয়া গাৱঁৰ এটি সাধাৰণ কৃষক পৰিয়ালত। তেখেত শঙ্কৰী নৃত্য গীত বাদ্যৰ এগৰাকী অনুৰাগী লোক আছিল। সৰুৰেপৰাই তেখেতে নৃত্য-গীত চৰ্চ্চা কৰিছিল। গুৰুজনাৰ ধৰ্মাদৰ্শ গ্ৰহণ কৰাৰ পিছত তেখেতে এই অঞ্চলত শঙ্কৰী নৃত্য গীতৰ প্ৰসাৰত বিশেষ অৰিহণা আগবঢ়ায়। তেখেত এগৰাকী ঢোল বাদ্যৰ শিল্পী আছিল। ব্ৰহ্মপুত্ৰ এলেকাত মিছিং সম্প্ৰদায়ৰ মাজত গুৰু ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে মহাপুৰুষীয়া নাট অভিনয় কৰিছিল। মৃত্যুৰ আগমুহূৰ্ত্তত ধৰ্ম সম্পৰ্কীয় এখন পুস্তক প্ৰকাশ কৰে। ১৯৯৮ চনত তেখেত বৈকুণ্ঠগামী হয়।

ইন্দ্ৰ বৰা ঃ দৈয়ঙ্গীয়া গাৱঁত ১৯৩৭ চনত বৰা দেৱৰ জন্ম হয়। দেউতাকৰ নাম আছিল সোমেশ্বৰ বৰা(দাৰোগা)। এগৰাকী অন্ধ শিল্পী। শঙ্কৰী গীত বাদ্যৰ সাধক। ভাতখাণ্ডেত প্ৰশিক্ষণ লৈ তেখেতে স্থানীয় অঞ্চলত গীত বাদ্যৰ প্ৰসাৰ ঘটোৱাত আজীৱন কৰ্মৰত হৈ ১৯৯৭ চনত ইহলীলা সামৰে।

ফণী বৰা ঃ জন্ম ১৯৪১ চন, দৈয়ঙ্গীয়া গাঁৱৰ এটি কৃষক পৰিয়ালত। প্ৰাইমেৰী বিদ্যালয়ত শিক্ষকতা কৰি ১৯৯৯ চনত অৱসৰ গ্ৰহণ কৰে। শঙ্কৰী নৃত্য গীত বাদ্যৰ এগৰাকী সাধক। স্থানীয় অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত। বিশেষকৈ মইনা পাৰিজাতৰ লগত জড়িত হৈ শিশুসকলক মানসিক উৎকৰ্ষ সাধনত সদা আগ্ৰহী লোক।

বাহাদুৰ বৰা ঃ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকতা কৰি বৰ্ত্তমান অৱসৰ গ্ৰহণ কৰে। প্ৰাথমিক শাখাৰ সভাপতিৰ দায়িত্ব লৈ প্ৰাথমিকৰ সংগঠন সুদৃঢ় কৰাত আগভাগ লয়। এগৰাকী তেখেত সমাজ সচেতন ব্যক্তি।

ভদ্ৰেশ্বৰী বৰা ঃ প্ৰাথমিক তথা গাৱঁৰ এগৰাকী ধৰ্মপ্ৰাণ মহিলা। ভাগৱত পাঠত অংশ গ্ৰহণ কৰি গুৰুধৰ্ম প্ৰচাৰত মহিলাসকলক অনুপ্ৰেৰণা দিয়াত আগ্ৰহী।

দিপ্তী বৰা ঃ দৈয়ঙ্গীয়া লখিমী মহিলা সমিতিৰ সভানেত্ৰী পদত কাৰ্য নিৰ্বাহ কৰি আছে। প্ৰাথমিকৰ সঙ্গীসকলৰ লগত পাঠপ্ৰসঙ্গৰ অনুশীলনত অংশ গ্ৰহণ কৰি গুৰুধৰ্ম প্ৰচাৰত অগ্ৰণী মহিলা।

বৰ্ত্তমান দৈয়ঙ্গীয়া গাঁও এলেকাত শ্ৰীমন্ত শঙ্কৰ দেৱ সংঘৰ শাখা কেইটা হ'ল--
(১) দৈয়ঙ্গীয়া কল্পতৰু প্ৰাথমিক (২) দৈয়ঙ্গীয়া গাঁও প্ৰাথমিক (৩) দৈয়ঙ্গীয়া চক্ৰপানি (ক)প্ৰাথমিক, (৪) দৈয়ঙ্গীয়া চক্ৰপানি (খ) প্ৰাথমিক শাখা।❑

# শিঙৰাজান শান্তিজান 'ক' প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৬ চন

গুৰযোগনীয়া আৰু মিছামৰা মৌজাৰ অন্তৰ্গত বৰুৱাবামুণ গাঁও ৰেলষ্টেচনৰপৰা প্ৰায় ১ কিলোমিটাৰ দক্ষিণত অৱস্থিত 'শিঙৰাজান' এখন উন্নত গাঁও । হেমচন্দ্ৰ গোস্বামী পথ গাঁৱৰ মাজেদি গৈছে । গাঁওখনিৰ নামৰ উৎপত্তি সম্পৰ্কে ১৯৭৯ চনত প্ৰকাশিত 'গোলাঘাট জিলা শাখাৰ বুৰঞ্জী'ৰ 'শিঙৰাজান প্ৰাথমিক শাখাৰ' ইতিবৃত্তত উল্লেখ থকাৰ কাৰণে ইয়াত পুনৰ লিপিবদ্ধ কৰা নহ'ল, কিন্তু উল্লিখিত প্ৰাথমিক ইতিবৃত্তত গাঁৱৰ নামৰ উৎপত্তিৰ উৎসৰ 'শিঙৰাজানটি পুতি ৰোৱতি মাটি উলিয়াই জানৰ চিনচাব নাইকিয়া কৰিলে' বুলি উল্লেখ আছে, যদিও আজিৰপৰা প্ৰায় ২৫ বছৰৰ পূৰ্বেই গাঁৱৰ পূব দিশে অৱস্থিত প্ৰখ্যাত 'কোৱোকানী পথাৰৰপৰা, গাঁৱৰ পশ্চিম দিশে অৱস্থিত লোৱাডোং জানলৈকে প্ৰায় তিনি কিঃ মিঃ দীঘল জানটো খান্দি উলিওৱা হয় আৰু বৰ্ত্তমান বিদ্যমান । অৱশ্যে 'শিঙৰাজান'ত আজিকালি শিঙৰামাছৰ প্ৰচুৰ্যতাহে নাই ।

বৰ্ত্তমান এই গাঁৱত ব্ৰাহ্মণ, কলিতা, আহোম আৰু বঙালী সম্প্ৰদায়ৰ ৯০ ঘৰৰো অধিক লোকে সম্প্ৰীতিৰে বসবাস কৰে । এই অঞ্চলত উৎপাদিত গুৰৰ অসমৰ ভিতৰতে সু-নাম আছে । পৰিয়ালসমূহ মূলতঃ কৃষিজীৱী হ'লেও চৰকাৰী কৰ্মচাৰীৰ সংখ্যাও নিচেই কম নহয় । শিক্ষিতৰ হাৰ সন্তোষজনক । গাঁৱত ভালেকেইগৰাকী কনিষ্ঠ অভিযন্তা, শিক্ষক-শিক্ষয়িত্ৰী, কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ বিভিন্ন কাৰ্যালয় আৰু বেঙ্কৰ কৰ্মচাৰী আছে । সৰ্বশ্ৰীজগত কলিতা, ৰমাকান্ত কলিতাদেৱে কৃৰ্তি শিক্ষক হিচাপে ৰাজ্যিক পুৰস্কাৰ লাভ কৰে আৰু তুলাৰাম কলিতাদেৱে জিলা পৰ্য্যায়ৰ কৃৰ্তি শিক্ষকৰ পুৰস্কাৰ লাভ কৰি গাঁওখনৰ সুনাম অৰ্জন কৰিছে । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ, শিক্ষা উপ-সমিতিৰ সম্পাদক, কৃষি বিশ্ববিদ্যালয়ৰ প্ৰবক্তা ড° ৰাতুল চন্দ্ৰ বৰাবাপ (বৰ্ত্তমান যোৰহাট জিলা শাখাৰ সংগী) আৰু অঞ্চলটোৰ একমাত্ৰঅস্থি বিশেষজ্ঞ ডাঃ মথুৰেন্দ্ৰ বৰঠাকুৰ এই দুয়োগৰাকীকে লৈ গাঁওবাসীয়ে গৌৰৱবোধ কৰে । ভালেকেইগৰাকী শিক্ষিত উদীয়মান যুৱকে বিভিন্ন ব্যৱসায়ত মনোনিৱেশ কৰিছে । বৰুৱাবামুণ গাঁওস্থিত 'আকাশ মেডিকেল' নামৰ দৰৱৰ প্ৰতিষ্ঠানটিৰ স্বত্বাধিকাৰী শ্ৰীপ্ৰণৱ কলিতাই ব্যৱসায়ী হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে ।

ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভিতৰত শিঙৰাজান নামঘৰ, শিঙৰাজান যুৱক সংঘ, এটি কালচাৰেল হল, মহিলা সমিতি আৰু বিষ্ণুজ্যোতি মইনা পাৰিজাত

উল্লেখযোগ্য । কুঁৱালগুৰি প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰটি এই গাঁৱৰ ভিতৰত অৱস্থিত । গাঁৱৰ দক্ষিণ সীমাত থকা উমাকান্ত প্ৰাথমিক বিদ্যালয়খনি ১৯৩৬ চনতে নিৰ্মিত ।

১৯৬৫ চনত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰভাৱ শিঙৰাজান গাঁওবাসীৰ ওপৰত পৰে । প্ৰয়াত সোমনাথ কলিতা আৰু বাপুৰাম বৰা বাপদ্বয়, শিঙৰাজান গাঁৱৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বাটকটীয়া আছিল । তেখেতসকলৰ বিৰামহীন প্ৰচেষ্টাত ৫২০ শংকৰাব্দত শিঙৰাজান প্ৰাথমিক শাখা গঠন হয় । কালক্ৰমত এই প্ৰাথমিক শাখাৰ একাংশ সংগীবাপ আৰু নতুন কেইঘৰমান গৃহস্থীক লৈ প্ৰয়াত বাপুৰাম বৰা, কণকেশ্বৰ দত্ত, শ্ৰীবগীৰাম কলিতা, শ্ৰীফটিক কলিতা বাপসকলৰ প্ৰচেষ্টাত ১৯৭৬ চনত গঠন হোৱা 'শান্তিজান প্ৰাথমিক শাখা'ত ১৯৯৮ চনত এক সাংবিধানিক বিভ্ৰাট সৃষ্টি হয় । প্ৰাথমিক শাখাৰ ১০ ঘৰ গৃহস্থী শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাংবিধানিক নীতিত অটল হৈ থকাৰ পৰিপেক্ষিতত শান্তিজান প্ৰাঃ শাখা, সম্প্ৰীতিৰে বিভক্ত হয়। উপৰোক্ত ১০ ঘৰ গৃহস্থীক ধাৰাবাহিকতা ৰক্ষা কৰা হেতু 'শিঙৰাজান শান্তিজান 'ক' প্ৰাথমিক শাখা' আৰু অন্যটো গোটক 'শিঙৰাজান শান্তিজান 'খ' প্ৰাথমিক শাখা' নামেৰে নামকৰণ কৰা হয় আৰু ২২/১/৯৯ তাৰিখৰ জিলা কাৰ্যনিৰ্বাহক সভাই অনুমোদন জনায় ।

বৰ্তমান প্ৰাথমিক শাখাত ১২ ঘৰ গৃহস্থী, ৩৫ জন সংগী আছে । বাপ-আই সমস্তৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংবিধান, অশৌচ পদ্ধতি, প্ৰসঙ্গ প্ৰণালী, বিবাহ-বিধি এই চাৰি পুস্তিকাৰ প্ৰতি গভীৰ আস্থাশীল । মূল সংঘৰ আৰু জিলা শাখাৰ আঁচনিসমূহ ৰূপায়ণত সাধ্যানুসৰি সহযোগিতা আগবঢ়োৱাটো সংগীবাপ আই সমস্তই অন্যতম এক মুখ্য কৰ্ত্তব্য বুলি গণ্য কৰে । নীতি, সদাচাৰ, চলন-ফুৰণ তথা আচৰণৰ ক্ষেত্ৰত সদাসৰ্তক । পৰম কৃপালু শ্ৰীমন্ত গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱ, মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ জন্ম জয়ন্তী, শিশুকল্যাণ দিৱস প্ৰতি বছৰে সাধ্যানুসাৰে উদ্‌যাপন কৰি অহা হৈছে । প্ৰাথমিক শাখাৰ কাৰ্যকৰী সভা, সাধাৰণ সভা নীতিগতভাৱে অনুষ্ঠিত কৰা হয় । সংগী-বাপ, আই সমস্তৰ মাজত সম্প্ৰীতি আৰু বুজাবুজিৰ কোনোদিনে অভাৱ পৰিলক্ষিত হোৱা নাই । যুৱক-যুৱতীসকলক লৈ সেৱা বাহিনীৰ প্ৰাথমিক গোট গঠন কৰি, প্ৰাথমিক শাখাৰ উপৰি, জিলা গোটৰ বিভিন্ন কাৰ্যসূচীত সহযোগিতা আগবঢ়াই অহা হৈছে । প্ৰাথমিক শাখাৰ সভাপতি আৰু সম্পাদক ক্ৰমে শ্ৰীযুত বিপিন বৰা আৰু শ্ৰীযুত অতুল কলিতা বাপদ্বয় প্ৰাথমিক শাখাৰ সংগঠন, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰচাৰ আৰু প্ৰসাৰৰ দিশত মনোনিৱেশ কৰি দৃঢ় পদক্ষেপ গ্ৰহণ কৰি অহা কাৰ্য প্ৰাথমিক শাখাৰ বাবে শুভলক্ষণ । দুয়োগৰাকী শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নিষ্ঠাবান কৰ্মী ।

এই প্ৰাথমিক শাখা গঠনত প্ৰয়াত কণকেশ্বৰ দত্তবাপৰ বলিষ্ঠ ভূমিকা সংগীবাপসকলৰ চিৰদিন স্মৰণীয় হৈ ৰ'ব । বাপগৰাকী শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সেৱক আছিল । তেখেতে শিঙৰাজান প্ৰাথমিক শাখা আৰু শান্তিজান প্ৰাথমিক শাখাৰ সভাপতি, জিলা সদস্যৰ দায়িত্বৰে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি ৪৪ তম

মূল অধিৰেশনৰ আদৰণী সমিতিৰ পানী যোগান উপ-সমিতিৰ সম্পাদক, ৬৪ তম্ মূল অধিৰেশনৰ আদৰণী সমিতিৰ উপ-সভাপতিৰ দায়িত্বৰে সেৱা আগবঢ়াইছিল । ইংৰাজী ২৬/৭/৯৮ তাৰিখত বাপগৰাকী পৰলোপ্ৰাপ্তি ঘটাত, এগৰাকী নিৰ্ভীক সু-সংগঠকৰ অভাৱ অনুভৱ কৰা হৈছে । এই প্ৰাথমিক শাখাৰ সংগী শ্ৰীযুতা সুখদা কলিতা আই গৰাকীয়ে ১৯৭২ চনৰপৰা ১৯৭৮ চনলৈকে একেৰাহে জিলা সদস্যা হিচাপে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতি সেৱা আগবঢ়াইছিল । শ্ৰীৰবীন্দ্ৰনাথ কলিতাবাপে পূৰ্বৰ শান্তিজান প্ৰাথমিক শাখাৰ সভাপতি, জিলা সদস্য আৰু বৰ্ত্তমান জিলা শাখাৰ সহকাৰী সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি সেৱা আগবঢ়াই প্ৰাথমিক শাখাক গৌৰৱান্বিত কৰিছে । প্ৰয়াত সংগী সৰ্বেশ্বৰ কলিতা বাপে প্ৰাথমিক শাখা গঠনত সততে গঠনমূলক পৰামৰ্শ আগবঢ়াইছিল ।

শংকৰী সংস্কৃতিৰ দিশত প্ৰাথমিক শাখাৰ সংগীসকলে উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিবপৰা নাই যদিও চেষ্টা অব্যাহত ৰখা হৈছে । প্ৰাথমিক শাখাৰ শিশু (বৰ্ত্তমান যুৱক) শ্ৰীমান নিৰ্মল চন্দ্ৰ কলিতাই ১৯৯৬ চনৰ ৪ আৰু ৫ চেপ্তেম্বৰ তাৰিখত যোৰহাটত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় শিশু কল্যাণ দিৱসত গোলাঘাট জিলা শাখাৰপৰা সহযোগিতা আগবঢ়াই কবিতা আবৃত্তি প্ৰতিযোগিতাত তৃতীয় স্থান অধিকাৰ কৰি প্ৰাথমিক আৰু জিলা শাখালৈ সু-নাম কঢ়িয়াই আনিবলৈ সক্ষম হয় ।

শান্তিজান প্ৰাথমিক শাখাৰ ১৯৭৬ চনৰপৰা ১৯৯৮ চনলৈকে বিভিন্ন সময়ত সভাপতি আৰু সম্পাদকৰ দায়িত্ব বহন কৰা বাপসমস্তৰ নাম তলত উল্লেখ কৰা হ'ল । সভাপতিসকল ঃ প্ৰয়াত বাপুৰাম বৰা (প্ৰতিষ্ঠাপক সভাপতি), কণকেশ্বৰ দত্ত, সৰ্বশ্ৰীৰমাকান্ত কলিতা, ভৱেশ বৰা, ৰবীন্দ্ৰনাথ কলিতা, ভৱেশ বৰা, ৰবীন্দ্ৰনাথ কলিতা । সম্পাদকসকল ঃ সৰ্বশ্ৰীনগেন কলিতা, ভৱেশ বৰা, বিপুল বৰা, হৰেন কলিতা আৰু সুৰেন কলিতা ।

১৯৯৯ চনৰপৰা বৰ্ত্তমানলৈকে প্ৰাথমিক শাখাৰ কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়ববীয়া আৰু সদস্য-সদস্যাসকলৰ নাম তলত উল্লেখ কৰা হ'ল — শ্ৰীবিপিন চন্দ্ৰ বৰা, সভাপতি, শ্ৰীবলীন দত্ত, উপ-সভাপতি, শ্ৰীঅতুল চন্দ্ৰ কলিতা, সম্পাদক, শ্ৰীপ্ৰৱীন্দ্ৰ নাথ কলিতা, সহকাৰী সম্পাদক আৰু সদস্যসকল সৰ্বশ্ৰীবুবুল কলিতা, প্ৰণৱ নাথ, জগত দত্ত, ৰবীন্দ্ৰনাথ কলিতা (পদেন সদস্য) । সদস্যাসকল ঃ সৰ্বশ্ৰীৰূপেশ্বৰী দত্ত, চিচন্দি কলিতা, কণমাই কলিতা আৰু লিলি কলিতা ।

প্ৰাথমিক শাখাৰ সেৱাবাহিনী গোটৰ বৰ্ত্তমানৰ বিষয়ববীয়া আৰু সেৱকসকলৰ নাম উল্লেখ কৰা হ'ল ।

উপদেষ্টা আৰু সচিব ক্ৰমে — প্ৰাথমিক শাখাৰ সভাপতি আৰু সম্পাদকবাপদ্বয় । নায়ক— শ্ৰীপ্ৰৱীন্দ্ৰনাথ কলিতা, সেৱকসকল সৰ্বশ্ৰীঅজিত দত্ত, বুবুল কলিতা, নিৰ্মল কলিতা, বিৰূপ বৰা, অচ্যুত বৰা, ৰাজু কলিতা, প্ৰণৱ দাস, প্ৰদীপ কলিতা, সেৱীকাসকল ঃ সৰ্বশ্ৰীবীণাপাণি কলিতা, সংগীতা দত্ত, ৰিতামণি কলিতা । ❑

# জৰাগুৰি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৬ চন

গোলাঘাট জিলাৰ উত্তৰ প্ৰান্তত মিছামৰা মৌজাৰ দেৰগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত মহাবাহু ব্ৰহ্মপুত্ৰই এৰি যোৱা বিস্তীৰ্ণ অঞ্চলেই হ'ল জৰাগুৰি চাপৰি । জনশ্ৰুতি মতে আদিতে এই অঞ্চলত প্ৰচুৰ পৰিমাণে বন জৰা পোৱা হৈছিল । কিন্তু প্ৰকৃতিৰ অবুজ নিয়মমতে এই জৰাগছবিলাক প্ৰকৃতিৰ বুকুত শুই পৰে আৰু কাললৈ থাকি যায় 'জৰাগুৰি গাৱঁৰ' নাম।

এই গাৱঁৰ উত্তৰে দিচৈ নদী, দক্ষিণে বালিদোৱা গাঁও, পুৱে ১ নং খকগুৰি, পশ্চিমে ওপৰ টেমেৰা, কমলামিৰি গাঁও । বৰ্তমান জন সংখ্যা পাঁচ হাজাৰৰো অধিক । বিভিন্ন জাতি উপজাতি, ভাষা, গোষ্ঠীৰ মিলনেৰে জৰাগুৰি গাঁওখন গঠিত হৈছে । অন্যহাতে খেতিৰ মাটিৰ সন্ধানত দেৰগাঁও অঞ্চলৰ বিভিন্ন গাৱঁৰপৰা এই গাৱঁলৈ অহা প্ৰথমতে পমুৱা হিচাপে, পিছলৈ নিগাজীকৈ বসবাস কৰা লোকৰ সংখ্যাও তাকৰ নহয় । বিশেষকৈ কুমাৰ গাঁও, সাগৰ গাঁও, মুদৈ গাঁও, মলাই কুমাৰ, দুলীয়াগাঁও আদি গাৱঁৰ লোকসকলৰ উপৰি জনজাতি, নেপালী সম্প্ৰদায়ৰ লোক, চাহ জনজাতিৰ লোক আৰু বাংলাভাষী লোকৰ সংমিশ্ৰণত জৰাগুৰি গাৱঁৰ সমাজ গঠিত হৈছে । বিভিন্ন ধৰ্মাৱলম্বী মানুহ আছে যদিও উপাসনাৰ গৃহ হিচাপে তিনি ভাগ নামঘৰেহে প্ৰাধান্য লাভ কৰা দেখা গৈছে । বৰ্তমান এই গাৱঁত ৫ খন প্ৰাইমেৰী স্কুল, এখন হাই স্কুল, এখন মধ্য ইংৰাজী বিদ্যালয় আৰু ৪ টা যুৱক সংঘৰ কাৰ্যালয় আছে।

জৰাগুৰি এখন কৃষি প্ৰধান গাঁও । প্ৰায় শতকৰা ৯৫ ভাগ মানুহে বিভিন্ন খেতি বাতিৰ জৰিয়তে নিজৰ জীৱিকা নিৰ্বাহ কৰে। বিশেষকৈ বেঙেনা খেতিৰ বাবে বিখ্যাত । জৰাগুৰিৰ বেঙেনাৰ চাহিদা সমগ্ৰ অসমতে আছে । যাতায়তৰ একেবাৰে অসুচল আছিল যদিও বৰ্তমান অৱস্থাত আলি-পদুলি, দলং আদি নিৰ্মাণেৰে কিছু সুবিধা হৈছে । মাজে মাজে বান পানীৰ কবলতো পৰা দেখা যায় ।

কুৰি শতিকাৰ পঞ্চাশৰ দশকৰ আগৰে পৰা এই গাৱঁত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান গঢ় দিয়া, জনকল্যাণ মূলক সামাজিক কামত অগ্ৰ ভাগ লোৱা ব্যক্তিসকলৰ ভিতৰত প্ৰয়াত বিহুৱা বৰা, বেপাই হাজৰিকা, বানেশ্বৰ

বৰা, বাপু বৰা, পেটু ৱা হাজৰিকা, বেপাই দত্ত আৰু সৰ্বশ্ৰী কেৰকণ বৰা, কানুৰাম বৰা, বাপিৰাম হাজৰিকা, চিনেশ্বৰ লইং, বুধিন কাকতি, মহেন্দ্ৰ হাজৰিকা, অতুল চন্দ্ৰ বৰা, প্ৰদীপ বৰা, ৰোমেশ্বৰ হাজৰিকা, পোনাৰাম ভূঞা, তুলাৰাম বৰা, পুণ্যেশ্বৰ হাজৰিকা, বোধেশ্বৰ হাজৰিকা, বাদল চক্ৰৱৰ্তী, বুলু মাঝি, পংকেজ লইং আদিয়েই প্ৰধান ।

জৰাগুৰি গাৱঁলৈ নাম ধৰ্মৰ বীজ আহিছিল বিশেষকৈ মলাই কুমাৰ গাৱঁৰ পৰা অহা প্ৰথমতে পমুৱা পিছলৈ স্থায়ী ভাৱে বসবাস কৰা কেইজনমান লোকৰ জৰিয়তে। এই লোকসকল মলাই কুমাৰ নিৰঞ্জন প্ৰাথমিকৰ সংগী আছিল । তেখেতসকলৰ অনুপ্ৰেৰণাতে নাম ধৰ্মৰ প্ৰতি নতুনকৈ মানুহ আকৃষ্ট হোৱাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বীজ ৰোপিত হয় ১৯৭৬ চনত 'জৰাগুৰি প্ৰাথমিক শাখা' গঠনেৰে । সভাপতি আৰু সম্পাদক ক্ৰমে সৰ্বশ্ৰী কানুৰাম বৰা আৰু শ্ৰীপোনা হাজৰিকা । প্ৰাথমিক শাখাটি গঠনত প্ৰয়াত চেনি হাজৰিকা, সৰ্বশ্ৰী কানুৰাম বৰা, পোনা হাজৰিকা আৰু প্ৰাক্তন জিলা সম্পাদক হেম শইকীয়াৰ অৱদান উল্লেখযোগ্য । ১ নং খকগুৰি, ২ নং জৰাগুৰিৰ সংগী বাপসকলক সামৰি লৈ জৰাগুৰি প্ৰাথমিক শাখাৰ এলেকা এক বিস্তৃত এলেকা ।

প্ৰাথমিক শাখাটি জন্মৰেপৰা সাংগঠনিক ভাৱে পোনপতীয়া ভাৱে বৰ্তমানলৈকে জিলা শাখাৰ লগত জড়িত । গুৰু ধৰ্ম আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শ প্ৰচাৰ, প্ৰসাৰত মনোনিবেশ কৰি আহিছে। বিভিন্ন সভা-সমিতি, ধৰ্মালোচনী সভা, মহাপুৰুষ গুৰুজনাৰ জন্ম-জয়ন্তী উদযাপন আদিত অনুষ্ঠিত হোৱা ধৰ্মমূলক সভাবিলাকত মূল সংঘৰ পদাধিকাৰকে ধৰি বিষয়ববীয়াৰ শ্ৰুতিমধুৰ, তত্ত্বগধুৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাৰ্বজনীনতা, উদ্দেশ্য নীতি-আদৰ্শৰ বিষয়ে দিয়া ভাষণে সংগী বৃদ্ধিত যথেষ্ট অৰিহণা যোগাইছে । বৰ্তমান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰচাৰ মাধ্যমেৰে শংকৰী কলা-কৃষ্টি বিকাশৰ অৰ্থে জৰাগুৰি প্ৰাথমিক শাখাত বৃহত্তৰ ব্ৰহ্মপুত্ৰ অঞ্চল ভিত্তিত গোলাঘাট জিলা শাখাৰ দ্বাৰা এখনি সংগী বিদ্যালয় স্থাপন কৰা হৈছে । গোলাঘাট জিলা শাখাৰ দ্বাৰা নিয়োজিত প্ৰশিক্ষকৰ তত্ত্বাৱধানত বহু সংখ্যক প্ৰাশিক্ষাৰ্থীয়ে বিভিন্ন ভাগত প্ৰশিক্ষণ লৈ আছে । জিলা ভিত্তিত আয়োজিত ঝুমুৰা নৃত্য প্ৰতিযোগিতাত এই প্ৰাথমিকৰ ৰূপজ্যোতি বৰা, চুমি বৰা বিজয়ী হৈ প্ৰাথমিক গৌৰৱ বৃদ্ধি কৰে । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংবিধান অনুযায়ী শিশু সমাৰোহ, যুৱ সমাৰোহ আৰু আইমাতৃ সমাৰোহ অনুষ্ঠিত কৰি মূল সংঘৰ উদ্দেশ্য, লক্ষ্য,

নীতি আদৰ্শৰ বিষয়ে সকলোকে গুৰু ধৰ্মৰ প্ৰতি সজাগ কৰা দেখা গৈছে। প্ৰাথমিক শাখাৰ গৃহস্থীৰ সংখ্যা ক্ৰমান্বয়ে বাঢ়ি যোৱাত সাংগঠনিক দিশৰ ওপৰত লক্ষ্য কৰি ১৯৯০ চনত প্ৰাথমিক শাখাটি ত্ৰি-খণ্ডিত হৈ (১) জৰাগুৰি, (২) জৰাগুৰি (ক) (৩) জৰাগুৰি (খ) নামলৈ তিনিভাগ প্ৰাথমিক শাখা হয় ।

**শ্ৰীকেৰকণ বৰা ঃ** মলাই কুমাৰ গাৱঁৰ নিবাসী কেৰকণ বৰা, এজন কৃষিজীৱী লোক । জন্ম ১৯৩২ চনত । জৰাগুৰিত পমুৱাভাৱে থাকিবলৈ আহি নিগাজী হয় । গুৰুজনাৰ একান্ত সেৱক আৰু সংঘৰ এগৰাকী নিষ্ঠাবান সংগী । জৰাগুৰি প্ৰাইমেৰী বিদ্যালয়খনি তেখেতৰ মাটিতে অৱস্থিত । ইয়াৰ বাহিৰেও সৰ্বশ্ৰী কানুৰাম বৰা, বলীন বৰা, প্ৰদীপ বৰা, ৰোমেশ্বৰ হাজৰিকা, পুণ্যেশ্বৰ হাজৰিকা, নন্দ হাজৰিকা আদি বাপসকলে একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰত অহোপুৰুষাৰ্থ কৰিছে ।

১৯৭৬ চনৰপৰা বৰ্তমানলৈকে সভাপতি আৰু সম্পাদকসকল ঃ

**সভাপতি ঃ** সৰ্বশ্ৰী কানুৰাম বৰা, বিপিন হাজৰিকা, পুণ্যেশ্বৰ হাজৰিকা, মহেন্দ্ৰ হাজৰিকা আৰু প্ৰদীপ বৰা ।

**সম্পাদক ঃ** সৰ্বশ্ৰী পোনা হাজৰিকা, পুণ্যেশ্বৰ হাজৰিকা, ৰোমেশ্বৰ হাজৰিকা, প্ৰদীপ হাজৰিকা, বুধিন কাকতি, নন্দ হাজৰিকা, বলিন চন্দ্ৰ বৰা, মৃদুল চন্দ্ৰ বৰা ।

**শ্ৰীশিশুৰাম বৰা ঃ** এই জৰাগুৰি গাৱঁৰ নিবাসী শ্ৰীশিশুৰাম বৰা এজন সমাজ সেৱী । জন্ম ১৯৩৯ চন। গুৰুজনাৰ ধৰ্ম-সংস্কৃতিৰ লগত আজীৱন জড়িত। বিশেষকৈ ভাৱনা কৃষ্টিৰ 'ভাৱৰীয়া' আৰু 'পেইন্টাৰ' হিচাপে পৰিচিত ।

**শ্ৰীবলীন চন্দ্ৰ বৰা ঃ** জন্ম ১৯৫৩ চন । এই অঞ্চলৰ প্ৰথম স্নাতক । আজীৱন শিক্ষাৰ লগত জড়িত । জৰাগুৰি শংকৰ-মাধৱ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক । পিছত এই বিদ্যালয় উচ্চ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হয় । অঞ্চলটোৰ সকলো অনুষ্ঠান প্ৰতিষ্ঠানতে আগ-ভাগ লোৱা শ্ৰীবলীন চন্দ্ৰ বৰা শ্ৰীমন্ত গুৰুজনাৰ এক শৰণ নাম ধৰ্মত ব্ৰতী হৈ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ কাৰ্য্য নিৰ্বাহক আৰু সাহিত্য শাখাৰ একাধিকবাৰ সদস্য পদত থাকে ।

**শ্ৰীকানুৰাম বৰা (বামুন) ঃ** জৰাগুৰি প্ৰাথমিক শাখাৰ বিশিষ্ট ব্যক্তি সকলৰ নাম ল'ব লাগিলে শ্ৰীকানুৰাম বৰাৰ নাম প্ৰথমে ল'ব লাগিব । সৰ্ব গুণাকৰ এই লোকজনৰ জন্ম ১৯৩৫ চনত । স্কুলীয়া শিক্ষা বিশেষ

নাই যদিও তেখেত দানী, গুণী-জ্ঞানী আৰু শিল্প সাধনাত জড়িত । তেখেতে গুৰুজনাৰ এক শৰণ নাম ধৰ্মত ব্ৰতী হৈ এই ধৰ্ম প্ৰচাৰ প্ৰসাৰৰ বাবে যত্ন লয় । জৰাগুৰি অঞ্চলত প্ৰতিষ্ঠিত জৰাগুৰি প্ৰাথমিক, মধ্য ইংৰাজী আৰু উচ্চ ইংৰাজী বিদ্যালয়লৈ ভূমি দান দি প্ৰশংসাৰ পাত্ৰ হৈছে । বৰ্তমান তেখেত এগৰাকী কাৰু শিল্পী । তেখেতে সজা নৃসিংহ, বৰাহ, ঢুলীয়া, গায়ন-বায়ন আদি মূৰ্তি বহু অনুষ্ঠানত প্ৰদৰ্শিত হৈছে । খোল বাদ্য আৰু নাম-প্ৰসংগ আদিতো তেখেতে যথেষ্ট সমাদৰ পাইছে। তেখেত জৰাগুৰি প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতি ।

# হৰিকৃষ্ণ প্ৰাথমিক শাখা বাহৰুৱা গাঁও

গঠন ঃ ১৯৭৭ চন

মিছামৰা মৌজাৰ অন্তৰ্গত বাহৰুৱা গাঁও এখন আহোম ৰজাদিনীয়া গাঁও । কথিত আছে যে আহোম ৰজাৰ ৰাজত্ব কালত এই গাৱঁৰ এজন লোকে ৰজাৰ বাহৰ সাজিবৰ কাৰণে বাঁহৰ যোগান ধৰিছিল । বৰ্তমান সেই মানুহঘৰ বাহৰুৱা ঘৰ বুলি জনাজাত । বাঁহৰৰুৱাৰ পৰাই বাঁহৰুৱা আৰু তাৰ পৰাই বাহৰুৱা গাৱঁৰ উৎপত্তি হয় ।

মহাপুৰুষ গুৰুজনাৰ একশৰণ নাম ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতিমতে শ্ৰীনৰেন্দ্ৰনাথ বৰাৰ মাতৃৰ আদ্য শ্ৰাদ্ধ সম্পন্ন কৰাৰ জৰিয়তে ১৯৭৭ চনৰ ১৬ জুন তাৰিখে 'হৰিকৃষ্ণ' প্ৰাথমিক শাখা গঠন হয় ।

এই প্ৰসংগতে উল্লেখ কৰিব পাৰি যে এই গাৱঁৰ প্ৰয়াত দণ্ডধৰ বৰা, বুপাৰাম হাজৰিকা আৰু শ্ৰীগণেশ দত্ত, এই তিনিঘৰ গৃহস্থীয়ে ১৯৭১ চনত সংঘভুক্ত হৈ সমীপবৰ্ত্তী গাৱঁৰ মলাই কুমাৰ নিৰঞ্জন প্ৰাথমিক শাখাত নবীকৰণ কৰি নিয়মীয়া সংগী হয় । ১৯৭৭ চনত শ্ৰীনৰেন্দ্ৰ নাথ বৰাৰ মাতৃৰ মৃতাহ কৰ্মত এই তিনি গৰাকী সংগীৰ উদ্যোগত প্ৰাথমিক শাখা গঠন হয় ।

আৰম্ভণিতে গৃহস্থী সংখ্যা ১২ ঘৰ, বৰ্তমান ১৩ ঘৰ, সংগীৰ সংখ্যা ২৬ জন । প্ৰাথমিক শাখাৰ সংগী প্ৰয়াত দণ্ডধৰ বৰাৰ পৰামৰ্শ আৰু অনুপ্ৰেৰণাৰ যোগেদি এই শাখাটি গঠনৰ ইন্ধন পোৱা হয় । এইখিনিতে প্ৰয়াত দণ্ডধৰ বৰা বাপৰ সংঘৰ প্ৰতি থকা আনুগত্যৰ কথা স্মৰণ কৰিব পাৰি ।

এই প্ৰাথমিক শাখা গঠনৰ পূৰ্বেই ১৯৩৩ চনৰপৰা প্ৰয়াত গোলাপ চন্দ্ৰ বৰাদেৱে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ আনুগত্য স্বীকাৰ কৰি এই অঞ্চলত মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ কৰিছিল । তেখেতৰ জন্ম হয় অনুমানিক ১৯১০/১১ চনত । প্ৰায় ১২ বছৰ বয়সৰ পৰা তেখেত গড়মূৰ সত্ৰৰ

ভকত হয় । এইদৰে সুদীৰ্ঘ কাল সত্ৰত উদাসীন হৈ থকাৰ পাছত সত্ৰৰপৰা ওলাই আহি ৩৫ বছৰ বয়সত বিবাহ পাশত আৱদ্ধ হয় । তেতিয়াৰ পৰাই তেখেতে মৃত্যু পৰ্য্যন্ত মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰত ব্ৰতী হয় ।

প্ৰাথমিক শাখাটি জন্মৰে পৰা সংগীসকলে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি-আদৰ্শ প্ৰচাৰৰ ক্ষেত্ৰত গুৰুত্ব দি আহিছে । বিশেষকৈ গাৱঁৰে কৰ্মকাণ্ডত থকালোকসকলক সংঘমুখী কৰাত গুৰুত্ব দিছে । প্ৰাথমিক শাখা গঠনৰে পৰা জড়িত ব্যক্তিসকল - প্ৰয়াত বুপাৰাম হাজৰিকা, বাপাৰাম বৰা, তোষেশ্বৰ বৰা, কণটিলা বৰা, কেশৰাম বৰা আৰু তিলেশ্বৰী দত্ত ।

আৰম্ভণিৰে পৰা প্ৰাথমিক শাখাৰ সভাপতিসকল প্ৰয়াত বুপাৰাম হাজৰিকা, শ্ৰীগুণাৰাম হাজৰিকা ।

সম্পাদক ঃ শ্ৰীগণেশ দত্তদেৱে আৰম্ভণিৰেপৰা বৰ্তমানলৈকে কাৰ্য্যনিৰ্বাহ কৰি আছে ।

# ঘৰকটীয়া প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮০ চন

ঘৰকটীয়া ঢেকীয়াল মৌজাৰ পৰা পাঁচ কিলোমিটাৰ পশ্চিমে । এই গাৱঁৰ কোনো প্ৰামাণ্য ইতিবৃত্ত নাই । জনশ্ৰুতি মতে মানৰ দিনত এই অঞ্চলৰ লোকসকলৰ ঘৰ-দুৱাৰ কাটি মানুহবিলাক খেদি পঠোৱা বাবে ঘৰকটীয়া বুলি কয় । এই গাৱঁৰ গৃহস্থী সংখ্যা ৬২ ঘৰ । জনসংখ্যা ৪০০ জন । এই গাৱঁৰ লোকসকল খেতিয়ক । চাকৰি কৰা লোকৰ সংখ্যা কম। বৰ্তমান ক্ষুদ্ৰ চাহ খেতি কৰা লোকৰ সংখ্যা বাঢ়িছে । শ্ৰীজীৱেশ্বৰ বৰা এজন ভাল ক্ষুদ্ৰ চাহ খেতিয়ক । তেখেতৰ দেউতাক প্ৰয়াত চেনীৰাম বৰা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অগ্ৰণী সেৱক আৰু নিষ্ঠাবান ভকত আৰু নামাচাৰ্য্য আছিল । ১৯৬০ চনতে ৪ ঘৰ গৃহস্থী আৰু ১২ জন সংগীয়ে ইয়াত শংকৰদেৱ সংঘৰ শাখা গঠন কৰে । ১৯৫৪ চনত ঢেকীয়াল মলখুকুৰী নামঘৰত বহা সংঘৰ প্ৰাদেশিক সভাত প্ৰয়াত চেনীৰাম বৰা বাপে সহযোগ কৰে । তেখেতে ৪ ঘৰ গৃহস্থীৰে নামধৰ্ম নীতিমতে চলি নানা সেৱা কাৰ্য, মৃতাহ কৰ্ম আৰু বিবাহ আদি কৰে । শেষত ১৯৮০ চনলৈকে এনে ধৰণে চলি ১৯৮০ চনত ১৬ ঘৰ গৃহস্থী আৰু ২০ জন

সংগীৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অন্তৰ্ভুক্ত এখন প্ৰাথমিক গঠন কৰে । ঘৰকটীয়াৰ লগত আঁকা গাৱঁৰ সংগীসকলে সহযোগ কৰে । আঁকা গাৱঁৰ অৱসৰপ্ৰাপ্ত শিক্ষক শ্ৰীটঙ্কেশ্বৰ তামুলী বাপ প্ৰাথমিকৰ সম্পাদক হয় । ইয়াৰ পাচত স্বৰ্গীয় মোলেশ্বৰ বৰা সম্পাদক হয় । ১৯৯৫ চনলৈকে প্ৰয়াত চেনীৰাম বৰাই সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰে । বৰ্তমান সভাপতি শ্ৰীজীৱেশ্বৰ বৰা আৰু সম্পাদক শ্ৰীভদ্ৰেশ্বৰ তামুলী ।

# মলখুকুৰী প্ৰগতি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮০ চন

এই প্ৰাথমিকৰ সংগীসকলে ১৭৪/৭৫ চনতে গঠিত হোৱা ঢেকীয়াল প্ৰাথমিক শাখাত আছিল । ঢেকীয়াল, গুৰযোগনীয়া আৰু দক্ষিণহেঙেৰা মৌজাৰ কিছু অঞ্চল সামৰি এটা বৃহৎ অঞ্চলৰ সংগীসকলকলৈ ঢেকীয়াল প্ৰাথমিক ভাগ চলি থকাৰ পিছত সামাজিক তথা সাংগঠনিক অসুবিধা হেতু প্ৰাক্তন সভাপতি শ্ৰীৰত্নেশ্বৰ দত্তদেৱৰ পৰামৰ্শমতে ১৯৮০ চনত মলখুকুৰী প্ৰগতি প্ৰাথমিক শাখা গঠিত হয় । মূল সংঘৰ প্ৰাক্তন শৰণ সদস্য শ্ৰীঘনকান্ত তামুলীদেৱক সভাপতি আৰু শ্ৰীখেতেকেশ্বৰ বৰাক সম্পাদকৰ দায়িত্ব দিয়ে । জন্ম লগ্নতে ৪০ ঘৰ গৃহস্থী আছিল যদিও সাংগঠনিক কাৰণত প্ৰাথমিক ভাগ দ্বিখণ্ডিত হোৱাত বৰ্তমান গৃহস্থীৰ সংখ্যা ১৯ ঘৰ । মলখুকুৰী প্ৰগতি প্ৰাথমিকৰ উত্তৰে কাঠকটীয়া যোগী গাঁও, দক্ষিণে দৰিয়াজান, পুবে হেমচন্দ্ৰ গোস্বামী পথ আৰু পশ্চিমে দৰিয়াজানেই সীমা কৰিছে ।

ঢেকীয়াল এটি বৃহৎ অঞ্চল । এই অঞ্চলটিক চাৰি ভাগত ক্ৰমে মলখুকুৰী, যোগী কুৰি, ভেটুৰা কুৰি আৰু ঢেকীয়াল কুৰিত বিভক্ত কৰি ঢেকীয়াল 'শয়ক' নাম দি শয়কীয়া হিচাবেই ৰাজহুৱা সবাহ-ভাওনা পতা আনকি কিছুমান ডাঙৰ বিচাৰৰো নিষ্পত্তি কৰিছিল । কলা-সংস্কৃতি হিচাপে এই গাৱঁত গায়ন-বায়ন, সূত্ৰনাচ, গীতমাত আদিত পাৰদৰ্শিতা থকা কেইবাগৰাকী লোক আছিল । বৰ্তমানেও উত্তৰ পুৰুষসকলৰ মাজত পূৰ্বৰ কলা-কৃষ্টি, হিয়া-নাম, উঠা নাম প্ৰচলন হৈ আছে ।

জনসংখ্যা হিচাপে এই গাৱঁৰ গৃহস্থীৰ সংখ্যা ৩০০ ঘৰৰো অধিক আৰু জনসংখ্যা ৪/৫ হেজাৰৰ কম নহয় । এই ঢেকীয়াল অঞ্চলতেই

পণ্ডিতপ্ৰবৰ হেমচন্দ্ৰ গোস্বামী, মৌজাদাৰ গংগাধৰ দেৱগোস্বামী, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গুৰি ধৰোতা প্ৰয়াত খগেশ্বৰ তামুলী, দুৰ্গাৰাম শইকীয়া আদি ত্যাগী পুৰুষে জন্ম লাভ কৰি ঠাইখনৰ লগতে অসমীয়া জাতি, ধৰ্ম, ভাষা-সাহিত্যৰ চৰম উন্নতি সাধন কৰি গৈছে । ঢেকীয়াল মডেল স্কুল, উচ্চতৰ মাধ্যমিক বিদ্যালয়, গংগাধৰদেৱ গোস্বামী প্ৰাইমেৰী বিদ্যালয় আদিয়ে শিক্ষাৰ গুৰি ধৰাৰ লগতে শ্ৰীমন্ত শংকৰদেৱ সংঘ, গোলাঘাট জিলা নামঘৰ, সাংস্কৃতিক বিকাশ কেন্দ্ৰ, সংস্কৃত বিদ্যালয়ে সংস্কৃত শিক্ষা, ধৰ্মীয় দৰ্শনৰ গুৰি ধৰা, শংকৰী নৃত্য-গীতৰ উৎকৰ্ষ সাধনৰ বাট মুকলি কৰিছে।

প্ৰগতি প্ৰাথমিক শাখাৰ নেতৃস্থানীয় লোক হিচাপে প্ৰাক্তন জিলা সম্পাদক প্ৰয়াত যোগেশ্বৰ গগৈ, আৰু প্ৰয়াত লক্ষীকান্ত তামুলীদেৱৰ নাম উল্লেখযোগ্য । ইয়াৰ উপৰি প্ৰাক্তন মূল সংঘৰ শৰণ সদস্য শ্ৰীঘনকান্ত তামুলী, মুহিধৰ তামুলী, দেহেশ্বৰ তামুলী, কিৰণ চন্দ্ৰ তামুলী, গুণাভি তামুলী, অৰুণ শইকীয়া, খেতেকেশ্বৰ বৰা আৰু কল্পনা তামুলীৰ নাম উল্লেখযোগ্য ।

**আৰম্ভণিৰপৰা বৰ্তমানলৈকে সভাপতি-সম্পাদকসকল হৈছে ঃ**

**সভাপতি ঃ** সৰ্বশ্ৰী ঘনকান্ত তামুলী (শৰণ সদস্য) খেতেকেশ্বৰ বৰা।

**উপ-সভাপতি ঃ** শ্ৰীফণী বৰা, প্ৰয়াত যোগেশ্বৰ গগৈ ।

সম্পাদক ঃ সৰ্বশ্ৰী খেতেকেশ্বৰ বৰা, প্ৰয়াত লক্ষীকান্ত তামুলী, শ্ৰীঘনকান্ত তামুলী, গুণাভি তামুলী আৰু পূৰ্ণ বৰা ।

# দৈয়ঙীয়া গাঁও প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮১ চন, ৫৪২ শঙ্কৰাব্দ

কেইজনমান ক্ষণজন্মা পুৰুষৰ আশাগুধীয়া প্ৰচেষ্টাত দৈয়ঙীয়া গাৱঁৰ অধিকাংশ লোকৰ দ্বাৰা (মান গাৱঁৰ ৮ ঘৰ গৃহস্থীক বাদ দি) ১২১· গৰাকী সংগীৰ অন্তৰ্ভুক্তিৰে দৈয়ঙীয়া গাঁও প্ৰাথমিক শাখা ১৯৮১ চনৰ ২২ ফেব্ৰুৱাৰীত গঠন কৰা হয় । সভাপতি আৰু সম্পাদকৰ দায়িত্ব পালন কৰে ক্ৰমে সৰ্বশ্ৰী বলো শইকীয়া আৰু বুধিন বৰাই ।

প্ৰথমে ১৯৬৯ চনত সমাজসেৱী, মুক্তিযোদ্ধা প্ৰয়াত উত্তৰাকান্ত বৰাৰ প্ৰচেষ্টাত দাধৰাৰ কেইঘৰমান গৃহস্থীৰে দাধৰা কল্পতৰু প্ৰাথমিক শাখা

গঠন হয় । এই প্ৰাথমিকৰে একাংশ সংগীকলৈ দৈয়ঙীয়া কল্পতৰু প্ৰাথমিক শাখা গঠিত হয় । এই কল্পতৰু প্ৰাথমিকৰ পৰা 'চক্ৰপাণি প্ৰাথমিক শাখা' এটিৰ জন্ম হয় । সময়ৰ সোতত বিভিন্ন কাৰণত চক্ৰপাণি প্ৰাথমিক শাখাৰপৰা চক্ৰপাণি (ক) আৰু চক্ৰপাণি (খ) নামেৰে অন্য দুটা শাখালৈ ৰূপান্তৰিত হয় । এইদৰে গাঁওখনত শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ আৰ্হি আদৰ্শৰে মুঠ ৪ ভাগ প্ৰাথমিকৰ সৃষ্টি হয় । এইদৰে গাঁওখনৰ প্ৰায় ১৪০ ঘৰ গৃহস্থীৰ ১৩০ ঘৰেই সংঘমুখী হৈ সংঘৰ প্ৰচাৰ প্ৰসাৰত অৰিহণা যোগাইছে । সৰ্বশ্ৰী বলো শইকীয়া, বুধিন বৰা ক্ৰমে প্ৰতিষ্ঠাপক সভাপতি আৰু সম্পাদক । প্ৰাথমিক ভাগ গঠনত প্ৰয়াত তনুৰাম বৰা, ভোলা ফুকন, সৰ্বশ্ৰী মনুৰাম বৰা, চেনীৰাম, গোবিন্দ শইকীয়া (মূল সংঘৰ প্ৰাক্তন সম্পাদক) চন্দ্ৰনাথ বৰদলৈ (গোলাঘাট জিলা শাখাৰ প্ৰাক্তন সভাপতি) বৰ্তমান মূল সংঘ আৰু গোলাঘাট জিলা শাখাৰ সংস্কৃতি সভাপতিদ্বয় নীলকান্ত বৰা আৰু গোলাপ শইকীয়া আদি ব্যক্তিসকলৰ অৱদান উল্লেখযোগ্য । সংগীসকলক শৰণ-ভজনেৰে আধ্যাত্মিক ভাৱত উদ্বুদ্ধ কৰিছিল প্ৰয়াত কুষেশ্বৰ কলিতা আৰু শংকৰ-মাধৱ বঁটা বিজয়ী শ্ৰীযুত সোণাৰাম চুতীয়া বাপে । বৰ্তমান প্ৰাথমিক শাখাৰ মুঠ গৃহস্থীৰ সংখ্যা ৩৪ ঘৰ, সংগীৰ সংখ্যা ১২৫ জন ।

প্ৰাথমিক শাখাটি গঠনৰে পৰাই সংগীসকলে গুৰুজনাৰ সাহিত্য-সংস্কৃতি প্ৰচাৰ প্ৰসাৰ তথা সংৰক্ষণৰ দিশত যথেষ্ট মনোনিবেশ কৰিছে । সাহিত্য-সংস্কৃতিৰ দিশত সকলো পৰ্য্যায়ৰে সংগীসকল যথেষ্ট আগবঢ়া । যুৱক শ্ৰীবিৰিঞ্চি বৰা বৰ্তমান প্ৰাথমিক শাখা যুৱবক্তা তথা সেৱা বাহিনীৰ নায়ক । ইয়াৰ উপৰি সৰ্বশ্ৰী নীলোৎপল বৰা, কৃষ্ণশ্ৰী বৰা, শ্ৰীময়ী বৰা আদিয়ে বিভিন্ন আঞ্চলিক তথা জিলা ভিত্তিত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাত কৃতিত্ব অৰ্জন কৰিছে । প্ৰতিষ্ঠাপক সম্পাদক শ্ৰীবুধিন বৰাই ৰচনা কৰা শিশু নাটকসমূহে শিশুসকলৰ মাজত মানসিক তথা বৌদ্ধিক বিকাশত সহায় কৰিছে ।

প্ৰাথমিক শাখা গঠনৰ সময়তে সৰ্বশ্ৰী নন্দেশ্বৰ বৰা আৰু বুধিন বৰাক সভাপতি আৰু সম্পাদক হিচাপে লৈ প্ৰাথমিক শাখাত 'শংকৰী কলা কৃষ্টি বিকাশ কেন্দ্ৰ' স্থাপন কৰি বিভিন্ন শংকৰী সংস্কৃতিৰ সাধনা কৰি আহিছে । প্ৰশিক্ষক আছিল বৰগীত বিশাৰদ অন্ধ শিল্পী প্ৰয়াত ইন্দ্ৰ বৰা । প্ৰয়াত পুণ্যেশ্বৰ বৰাদেৱে (মণি বায়ন) এই সাংস্কৃতিক কেন্দ্ৰত শিশুসকলক কীৰ্তন ঘোষা পাঠ চপয়, টোটয়, বিভিন্ন শংকৰী নৃত্যৰ

প্ৰশিক্ষণ দিয়ে । এই গৰাকী ব্যক্তি শিক্ষাত প্ৰাথমিক, বাদ্যত, নৃত্যত বিশাৰদ, কান্ধত খোল লৈ বায়ন, ঢোল লৈ ওজা আৰু উপাসনাৰ দিশত নাম-প্ৰসংগ কৰাত অদ্বিতীয় । প্ৰয়াত বিষুওৰাভাৰ লগত থাকি শংকৰী সংগীত, সংস্কৃতিৰ সাধনা কৰিছিল । শ্ৰীমতী কৃষ্ণাশ্ৰী বৰাই নৃত্য-গীতত সুখ্যাতি অৰ্জন কৰাৰ লগতে দুলীয়াজান, মঙ্গলদৈ, বিশ্বনাথ চাৰিআলি, ফৰকাটিং আদি মূলৰ অধিৱেশন সমূহত বৰগীত পৰিৱেশন কৰি ভূয়সী প্ৰশংসা লাভ কৰিছে । গোলাঘাট জিলা শাখাৰ দ্বাৰা আয়োজিত 'পাৰিজাত হৰণ' নাটকত প্ৰাথমিক শাখাৰ সৰ্বশ্ৰী নীলোৎপল বৰা আৰু কৃষ্ণাশ্ৰী বৰাই অভিনয়ত অংশ গ্ৰহণ কৰে । গোলাঘাট জিলা ভিত্তিত আয়োজন কৰা বৰগীত প্ৰতিযোগিতাত শ্ৰীমতী সোণমাই বৰাই প্ৰথম স্থান লাভ কৰে । এই গৰাকী আইৰ নৃত্য শিক্ষাত নৃত্যৰ ওজা শ্ৰীযুত যতীন গোস্বামীদেৱৰ প্ৰভাৱ অপৰিসীম ।

প্ৰাথমিকৰ ভিতৰ চ'ৰাত গুৰুজনাৰ আদৰ্শেৰে এজোৰা পূৰ্ণাংগ গাণিকা আছে । ইয়াৰ গুৰি ধৰিছে শ্ৰীনৰেন বৰাই। এই নৰেন বৰাৰ দেউতাক প্ৰয়াত গোপী বৰা এই অঞ্চলৰ এগৰাকী নামজ্বলা বায়েন আছিল। এখেতৰ ওচৰতে শ্ৰীযুত যতীন গোস্বামীদেৱে প্ৰথম খোলৰ চাপৰ শিকিছিল । প্ৰাথমিক শাখাৰ সংগী বাপসকলে শিক্ষা, সাহিত্য সংস্কৃতি আদিৰ প্ৰচাৰ প্ৰসাৰত একান্তভাৱে মনোনিবেশ কৰিছে । তিনিবছৰৰ পৰা ৬ বছৰৰ শিশুসকলক একগোট কৰি এগৰাকী বয়োজ্যেষ্ঠ অভিজ্ঞলোকৰ দ্বাৰাই প্ৰাক্ প্ৰাথমিক শিক্ষাৰ আৰ্হিতে পাঠদানৰ ব্যৱস্থা কৰিছে । প্ৰত্যেক বছৰৰ ভাদ মাহত নাম ঘৰত নাম-প্ৰসংগ, ভাগৱত পাঠ আদিৰ উপৰি বিভিন্ন সংস্কৃতি বিষয়ৰ প্ৰশিক্ষণৰ ব্যৱস্থাও হাতত লৈছে

দৈয়ঙীয়া গাৱঁৰ এটি গৌৰৱময় ঐতিহ্য আছে । ভাৰতৰ স্বাধীনতা আন্দোলনত গাৱঁৰ অধিকাংশ লোকেই ওতঃপ্ৰোতভাৱে জড়িত আছিল । গাৱঁৰ চিৰস্মৰণীয় মুক্তি যোদ্ধাসকল হ'ল - প্ৰয়াত গেৰেলা চুতীয়া (খনিকৰ), পেলন চুতীয়া (মুক্তিয়াৰ) মণ্ডলা চুতীয়া (পণ্ডিত), সৰুকণ চুতীয়া আৰু উত্তৰাকান্ত বৰা (মুক্তি যোদ্ধা) । ইয়াৰ বাহিৰে এইসকলৰ লগত স্বাধীনতাৰ কামত ওতঃপ্ৰোত ভাৱে জড়িত হৈ থকা প্ৰয়াত কমল চন্দ্ৰ মহন্তদেৱো উল্লেখযোগ্য । প্ৰখ্যাত মুক্তি যোদ্ধা শংকৰ বৰুৱাদেৱৰ এই গাৱঁৰ লগত ওতঃপ্ৰোত ভাৱে সম্পৰ্ক আছিল ।

আৰম্ভণিৰ পৰা বৰ্তমানলৈকে প্ৰাথমিক শাখাৰ সভাপতি আৰু সম্পাদক সকল -

**সভাপতি ঃ** সৰ্বশ্ৰী বলো শইকীয়া, মনুৰাম বৰা, চেনী বৰা, প্ৰয়াত আনন্দ বৰা, যজ্ঞোৰাম বৰা আৰু সৰ্বশ্ৰী বুদ্ধিন বৰা, নৰেন বৰা ।

**সম্পাদক ঃ** সৰ্বশ্ৰী বুদ্ধিন বৰা, নৰেন বৰা, ডিম্বেশ্বৰ বৰা, ৰোমেশ্বৰ বৰা আৰু ডিম্বেশ্বৰ বৰা ।

বৰ্তমান নৰেন বৰা আৰু শ্ৰীডিম্বেশ্বৰ বৰা বাপদ্বয়ে ক্ৰমে সভাপতি আৰু সম্পাদকৰ দায়িত্ব পালন কৰি আছে ।

# কমলাবৰীয়া প্ৰাথমিক শাখা
# বেতিয়নী কাকতি গাঁও
## গঠন ঃ ১৯৮১ চন

গোলাঘাট জিলাৰ গোলাঘাট সদৰ ৰাজহ চক্ৰৰ ঢেকীয়াল মৌজাৰ অন্তৰ্গত বেতীয়নী কাকতি গাঁও । গোলাঘাট নগৰৰ প্ৰায় ৮ কিলোমিটাৰ উত্তৰ দিশত অৱস্থিত ।

**গাৱঁৰ চাৰিসীমা ঃ** পূবে - নৱাকোঁৱৰ গাঁও, পশ্চিমে - আঁকা দোলাকাষৰীয়া, উত্তৰে - চাৰিঙীয়া সন্দিকৈ, দক্ষিণে - নৱাগাঁও ।

বেতিয়নী নামৰ উৎপত্তি সম্পৰ্কে কোনো লিখিত তথ্য পোৱা নাযায় । গাৱঁৰ বয়োজ্যেষ্ঠ বিশিষ্ট ব্যক্তিসকলৰ পৰা জানিব পৰামতে এই অঞ্চলটোত প্ৰচুৰ পৰিমাণে বাঁহ-বেত আছিল আৰু কথিত আছে যে আহোম ৰজাক এই অঞ্চলৰপৰা প্ৰধানকৈ বেত যোগান ধৰিছিল বাবেই অঞ্চলটোৰ নাম বেতীয়নী বুলি কয় । আকৌ কিছুমান লোকে কয় যে এই অঞ্চলটোত বেত-বাঁহে পৰিপূৰ্ণ আছিল বাবেই 'বেতিয়নী' নামৰ উৎপত্তি হয় । ড° লীলা গগৈৰ বুৰঞ্জীয়ে পৰশা নগৰত বেত যোগনীয়া ঠাই 'বেতিয়নী' বুলি উল্লেখ আছে । যি কি নহওক অঞ্চলটোৰ বৰ্তমান প্ৰাকৃতিক পৰিৱেশলৈ লক্ষ্য কৰিলে বেত-বাঁহৰ পৰাই 'বেতিয়নী' নামটো উৎপত্তি হোৱা বুলি ক'ব পাৰি ।

**কাকতি গাঁও ঃ** 'কাকতি' নামটোৰ উৎপত্তি সম্পৰ্কে উল্লেখ কৰিব পাৰি যে 'আহোম ৰাজত্বৰ শেষৰ ফালে শিৱসাগৰ চাৰিঙৰ পৰা তিনিঘৰ কাকতি ফৈদৰ, চলিহা অভয়াপুৰি আৰু দুৱৰা, কাকতি লোক আহি এই

অঞ্চলত বাস কৰে । এই কাকতি কেইঘৰৰপৰাই 'কাকতি গাঁও' নামটো উৎপত্তি হয় ।

বৰ্তমান কাকতি চুক, ফুকন চুক, বৰদলৈ চুক, কোচৰ চুক, কৃষ্ণ চুক, ন-পমুৱা, কমলাবৰীয়া, গোহাঁই চুক, গুৱাল চুককে লৈ কাকতি গাঁও গঠিত । কালক্ৰমত এই চুকবিলাক একোখনকৈ গাৱঁলৈ ৰূপান্তৰ হয় । এইদৰেই কমলাবৰীয়াও এখন গাঁও, কিন্তু ৰাজহ গাঁও নহয় । কমলাবৰীয়া গাৱঁৰ চাৰিসীমা তলত উল্লেখ কৰা হ'ল -

পূবে - গোহাঁই আলি, পশ্চিমে - গুৱাল গাঁও, গোহাঁই চুক, উত্তৰে - সন্দিকৈ আৰু চাৰিঙীয়া গাঁও, দক্ষিণে - ফুকন চুক ।

কমলাবৰীয়া গাৱঁৰ উৎপত্তি ঃ কমলাবৰীয়া নামটোৰ উৎপত্তি সম্পৰ্কে উল্লেখ কৰিব পাৰি যে কমলাবৰীয়া সত্ৰৰপৰা এজন লোকে পূৰ্বে আহি এই অঞ্চলত বসবাস কৰিছিল । পাছত গাৱঁৰ তিনিজন গৃহস্থী আহিছিল বাবেই এই চুকটোৰ নাম হ'ল কমলাবৰীয়া । প্ৰথম গৰাকী বংশটোক বৰ্তমান কঁহাৰ বংশ বুলি জনা যায় । বৰ্তমান কমলাবৰীয়া গাঁওখন কঁহাৰ বংশ, পূজাৰী বংশ, অন্ধৰা বংশ আৰু চেঙেলী বংশৰে গঠিত । গৃহস্থীৰ সংখ্যা ৩৮ ঘৰ, জনসংখ্যা প্ৰায় ২৫০ জন । এই গাৱঁৰ সকলোৱেই হিন্দু ধৰ্ম লোক আৰু সকলোৱেই চুতীয়া সম্প্ৰদায়ৰ। গাৱঁৰ সকলো লোকেই কৃষিজীৱী । কেইগৰাকীমান চাকৰিয়াল আৰু ক্ষুদ্ৰ ব্যৱসায়ী লোক আছে । কাকতি গাৱঁৰ জনসংখ্যা প্ৰায় ১৮০০ জন । গৃহস্থীৰ সংখ্যা ৩২৫ ঘৰ । এই গাৱঁৰ সকলোৱেই হিন্দু ধৰ্ম লোক । চুতীয়া, কলিতা, কোঁচ, কৈৱৰ্ত, আহোম, ব্ৰাহ্মণ, কেওট, চাহ জনজাতি। মুঠ জনসংখ্যাৰ ১০৫ জন অনুসূচিত জাতিৰ লোক । সকলো পৰিয়ালেই কৃষিৰ ওপৰত নিৰ্ভৰশীল ! যদিও গাৱঁৰ শৰ্তাধিক লোকে চৰকাৰী চাকৰি কৰি জীৱিকা নিৰ্বাহ কৰে । ক্ষুদ্ৰ ব্যৱসায়ী লোক আছে ।

অনুষ্ঠান-প্ৰতিষ্ঠান ঃ গাঁওখনত থকা অনুষ্ঠান সমূহ হ'ল ৱাই-এফ-চি, ইউনেস্কো, এছোচিয়েচন, বেতিয়নী শাখা । প্ৰতিষ্ঠাতা ১৯৯২ চন । এছোচিয়েচনৰ অন্তৰ্গত এখনি মইনা পাৰিজাত আছে ।

কাকতি গাঁও কলা-কৃষ্টি বিকাশ কেন্দ্ৰ
বেতিয়নী বয়জ ক্লাব
মিতালী সংঘ
ৰূপকোঁৱৰ নাট্যগোষ্ঠী
মৃত্যুঞ্জয় পুথিভঁৰাল
সূৰুযমুখী মহিলা সমিতি

শিক্ষানুষ্ঠান ঃ গাঁওখনত এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়, এখন মধ্য ইংৰাজী বিদ্যালয়, তিনিখন প্ৰাথমিক বিদ্যালয়, এখন প্ৰাক্-প্ৰাথমিক বিদ্যালয় আছে । বেতিয়নী উচ্চ মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা হয় ১৯৫৬ চনত । ১৯৯২ চনৰ ১৪ আগষ্টত উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নিত হয় । বৰ্তমান বিদ্যালয়খনিৰ উন্নয়ণ সমিতিৰ সভাপতি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বেতিয়নী কাকতি গাৱঁৰ 'ন পমুৱা প্ৰাথমিক শাখাৰ সংগী শ্ৰীৰত্নেশ্বৰ হাজৰিকা। ১ নং বেতিয়নী প্ৰাথমিক বিদ্যালয়খনিৰো শ্ৰীৰত্নেশ্বৰ হাজৰিকা বৰ্তমান সভাপতি ।

**অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত ব্যক্তিসকল ঃ** শ্ৰীলোকনাথ হাজৰিকা, ৰত্নেশ্বৰ হাজৰিকা, মনোৰমা বৰা, ৰাজিব বৰা, অৱনী বৰুৱা, দিলীপ বৰুৱা, ভোলা বৰা, অনিল ফুকন, লক্ষেশ্বৰ বৰা, কুমুদ হাজৰিকা, লক্ষীপ্ৰসাদ চলিহা, জিতেন কাকতি, বিপুল বৰুৱা, উপেন বৰুৱা, পদ্মেশ্বৰ বৰুৱা, অৱনী গোহাঁই, বলো চাৰিঙীয়া, লিত বৰা, অৰুণ হাজৰিকা, হৰিহৰ বৰা, জ্যোতি প্ৰসাদ বৰুৱা, নীল ফুকন, অৰুণ শইকীয়া আদি ।

১৯৮১ চনৰ নবেম্বৰ মাহত কমলাবৰীয়া প্ৰাথমিক শাখা গঠন কৰা হয় । কমলাৱৰীয়া প্ৰাথমিক শাখা গঠন হোৱাৰ পূৰ্বে ছয়ঘৰ গৃহস্থীয়ে ন পমুৱা প্ৰাথমিক শাখাৰ সংগী হৈ আছিল । প্ৰয়াত তীখৰ বৰুৱা, সোমেশ্বৰ বৰুৱাৰ উদ্যোগত আৰু পাঁচঘৰ গৃহস্থী বাঢ়ি যোৱাত ১১ ঘৰ গৃহস্থীয়ে কমলাবৰীয়া প্ৰাথমিক শাখা গঠন হয় ।

১৯৮১ চনৰপৰা বৰ্তমানলৈকে এই প্ৰাথমিকৰ উদ্যোক্তাসকলে প্ৰতিঘৰ গৃহস্থীৰ ঘৰত ভাগৱত পাঠ আৰু সংগঠনৰ ওপৰত আলোচনা কৰি প্ৰচাৰ প্ৰসাৰ কৰি বৰ্তমান সংগীৰ গৃহস্থী সংখ্যা ২৭ ঘৰ হয় । কমলাবৰীয়া প্ৰাথমিক শাখাৰ সংগী অৱনী বৰুৱা বাপৰ উদ্যোগত বৰ্তমানলৈকে বেতিয়নী অঞ্চলত প্ৰচাৰ প্ৰসাৰৰ ক্ষেত্ৰত বিভিন্ন দিশত বিভিন্ন স্থানত সভা-সমিতি পতা হয় । বিশেষকৈ হাত পুথি চাৰিভাগ, প্ৰচাৰ পত্ৰিকাৰ আধাৰত যুৱ সমাৰোহ, আইমাতৃ সমাৰোহ, গুৰু জয়ন্তী আদি অনুষ্ঠিত কৰা হৈছে ।

বৰ্তমান কমলাবৰীয়া প্ৰাথমিক শাখাৰ গৃহস্থীৰ সংখ্যা ২৭ ঘৰ । সংগী ৬০ গৰাকী ।

প্ৰয়াত সোমেশ্বৰ বৰুৱা এগৰাকী শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সংগী আছিল । জিলা শাখাৰ সহকাৰী সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল । তেখেত এগৰাকী ঢোলৰ শিল্পী । প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকতা

কৰি থকা অৱস্থাতে তেখেত বৈকুণ্ঠীগামী হয় ।

প্ৰাথমিক শাখাৰ সংগী অৱনী বৰুৱা বাপ জিলা শাখাৰ শিক্ষা সমিতিৰ সম্পাদক । তেখেত ১৯৯২'চনৰপৰা বৰ্তমানলৈকে জিলা সদস্য হৈ আছে । তেখেত জন্ম হয় ১৯৫৬ চনত । শিৱসাগৰ জিলা কেন্দ্ৰীয় সমবায় বেংকৰ তেখেত এগৰাকী কৰ্মচাৰী ।

আৰম্ভণিৰপৰা বৰ্তমানলৈকে তলত উল্লেখ কৰা ব্যক্তিসকল প্ৰাথমিক শাখাৰ বিষয়ববীয়া আছিল ।

**সভাপতিসকল ক্ৰমে ঃ** প্ৰয়াত তীখৰ বৰুৱা, সোমেশ্বৰ বৰুৱা, ভৈৰৱ বৰা, তিলেশ্বৰ বৰুৱা, অতুল কাকতি, ৰাম ফুকন ।

**উপ-সভাপতিসকল ঃ** শ্ৰীমৃগেন বৰুৱা, সুনিল ফুকন ।

**সম্পাদকসকল ঃ** প্ৰয়াত সোমেশ্বৰ বৰুৱা, শ্ৰীতিলেশ্বৰ বৰুৱা, পুণ্যেশ্বৰ দাস, প্ৰফুল্ল বৰুৱা, প্ৰতাপ বৰুৱা ।

# ৰামকৃষ্ণ প্ৰাথমিক শাখা, বাহৰুৱা গাঁও

## গঠন ঃ ১৯৮৪ চন ৫৩৬ শঙ্কৰাব্দ

আহোম ৰজাৰ ৰাজত্ব কালত গাঁওবিলাকৰ নামকৰণ কৰা হয় ৰজাঘৰীয়া অৱদানৰ ওপৰত ভিত্তি কৰি । বৰ্তমান মিছামৰা অঞ্চলৰ ৰজাই বাহৰ পতা ঠাইত ৰজাবাহৰ নামকৰণ হোৱাৰ দৰে এই গাঁওখনৰ নামৰ ঐতিহাসিক কাৰণ নথকা নহয় । ৰজাৰ বাহৰ নিৰ্মাণ কৰিবৰ কাৰণে ৰুৱা বাঁহৰ প্ৰয়োজন হোৱাৰ বাবে এই অঞ্চলত বাঁহ বিচাৰি পায় আৰু এই গাৱঁৰ এঘৰ বাসিন্দাক বাঁহ যোগানৰ দায়িত্ব দিয়া হৈছিল । কোনো এগৰাকী ব্যক্তিয়ে ৰুৱা বাঁহ বহু পৰিমাণে যোগান দিয়াৰ পৰিপ্ৰেক্ষিতত ঠাইখনৰ নাম হ'ল বাহৰুৱা (বাঁহ + ৰুৱা) । উক্ত নামকৰণ উপাধি পোৱা লোকজনৰ বংশ পৰিয়ালক এতিয়াও 'বাহৰুৱা ঘৰ' বুলি কোৱা হয়। বাহৰুৱা গাঁওখনৰ নামকৰণৰ উৎপত্তিৰ এয়েই কাৰণ বুলি জনা যায় ।

গাঁওখনৰ এলেকা প্ৰায় ৩ বৰ্গ কিঃ মিঃ । গাৱঁৰ উত্তৰত মলাই কুমাৰ গাঁও, দক্ষিণে ম'হবন্ধা আৰু টেলিয়া সোণাৰী গাঁও, পূবে বৰুৱাবামুণ গাঁও, চেনিকল আৰু পশ্চিমে দুলীয়া গাঁও অৱস্থিত । বৰ্তমান গৃহস্থীৰ সংখ্যা ১২০ ঘৰ, জনসংখ্যা প্ৰায় ৬০০ জনৰ কম নহয় । গাৱঁৰ গুণ সম্পন্ন ব্যক্তিসকলৰ ভিতৰত ভালে কেইগৰাকী পৰলোক হৈছে আৰু কেইগৰাকীমান জীৱিত আছে । প্ৰয়াত সকলৰ ভিতৰত মুক্তিযোদ্ধা

নালীৰাম (মেধি) হাজৰিকা, ডিম্বেশ্বৰ নেওগ, নাৰায়ণ চন্দ্ৰ ৰাজখোৱা, গোলোক চন্দ্ৰ হাজৰিকা আৰু শ্ৰীধান্তিৰাম বৰা । গাঁৱৰ বিভিন্ন অনুষ্ঠানৰ লগত জড়িত হৈ থকা লোকসকল হৈছে সৰ্বশ্ৰী উমেশ চন্দ্ৰ নেওগ (প্ৰাক্তন অতিৰিক্ত জিলাধিপতি), মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ মাণিক চন্দ্ৰ নেওগ, অধ্যাপক নবীন চন্দ্ৰ বৰা, অভিযন্তা অতুল বৰা, সমীৰ ভূষণ ৰাজখোৱা (মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অষ্টম স্থান প্ৰাপ্ত) আদি। ইয়াৰ বাহিৰেও ভালেকেইগৰাকী ব্যক্তিয়ে চৰকাৰী বিভাগত চাকৰি, বেংকৰ মেনেজাৰ, শিক্ষকতা কৰি আছে । বৰ্তমান গাঁওখনত এখন প্ৰাইমেৰী বিদ্যালয় পুথিভঁৰাল, মহিলা সমিতিৰ অনুষ্ঠান আছে । ১৯৩৩ চনত প্ৰতিষ্ঠিত মিলন নাট্য মন্দিৰে অঞ্চলটোত নাটক আদি অভিনয় কৰাত যথেষ্ট অৰিহণা যোগাইছে । এই নাট্য মন্দিৰ নিৰ্মাণত বাহৰুৱা গাঁৱৰ উপৰি টেলীয়া সোণাৰী গাঁওৰ ভালেকেইগৰাকী গণ্য মান্য ব্যক্তি অশেষ ত্যাগ স্বীকাৰ কৰে । গাঁৱৰ মধ্য স্থানতে ৰাজহুৱা নামঘৰ ভাগি অৱস্থিত। এই নামঘৰকে কেন্দ্ৰ কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বীজ অঙ্কুৰিত হয় আৰু ক্ৰমে হৰিকৃষ্ণ প্ৰাথমিক, ৰামকৃষ্ণ প্ৰাথমিক আৰু শ্ৰীমন্ত প্ৰাথমিক নামেৰে তিনিখন প্ৰাথমিক শাখাই জন্ম লাভ কৰে ।

১৯৮৪ চনত সেই সময়ৰ গোলাঘাট জিলা শাখাৰ সম্পাদক শ্ৰীহেম শইকীয়াৰ পৰামৰ্শমতে, প্ৰয়াত ধনীৰাম শইকীয়া, সৰ্বশ্ৰী চেনিৰাম শইকীয়া, ধন শইকীয়া আৰু গণেশ দত্তৰ প্ৰচেষ্টাত ৭ ঘৰ গৃহস্থী, ১৩ গৰাকী সংগীৰে ৰামকৃষ্ণ প্ৰাথমিক শাখাটি গঠন হয় । প্ৰাথমিক শাখাৰ প্ৰায় গৰাকী গৃহস্থীয়েই কৃষিজীৱী যদিও দুই এগৰাকী চৰকাৰী চাকৰিয়ালো আছে ।

জন্মলগ্নৰে পৰাই প্ৰাথমিক শাখাৰ সংগীসকলে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি-আদৰ্শ প্ৰচাৰ, প্ৰসাৰত মনোনিবেশ কৰি আহিছে । গুৰুজয়ন্তী পালন, বিভিন্ন ধৰ্মীয় সভা-সমিতিত মূল সংঘৰ বিষয়ববীয়াসকলক আমন্ত্ৰণ কৰি আনি তেখেতসকলৰ মুখ নিসৃত বাণী আদিৰ জৰিয়তে গাঁৱৰ লোকসকলে পুৰণি প্ৰথা এৰি সংঘ মুখী হৈছে ।

প্ৰয়াত ধনীৰাম শইকীয়া ঃ (জন্ম ১৯৪৮ চন, মৃত্যু - ১৯৯৩ চন) এই প্ৰাথমিক শাখা গঠনৰ প্ৰধান উদ্যোক্তা আছিল । একাধিক কাৰ্য্যকাল জিলা শাখাৰ কাৰ্য্যনিৰ্বাহকৰ সদস্য হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল । অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ (দেৰগাঁও শাখা) উচ্চ বৰ্গৰ সহায়ক ৰূপে কাৰ্য্যনিৰ্বাহ কৰি থকা অৱস্থাতে দুৰাৰোগ্য ব্যাধিত পৰলোকপ্ৰাপ্তি হয় ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

শ্ৰীচেনিৰাম শইকীয়া ঃ এগৰাকী অৱসৰপ্ৰাপ্ত প্ৰাইমেৰী বিদ্যালয়ৰ প্ৰধান শিক্ষক । বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত ব্যক্তি ।

শ্ৰীধনী শইকীয়া ঃ অৱসৰপ্ৰাপ্ত উচ্চ মাধ্যমিক বিদ্যালয়ৰ এগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক ।

সৰ্বশ্ৰী চেনিৰাম শইকীয়া আৰু ধন শইকীয়াই প্ৰাথমিক গঠনৰ পৰা বৰ্তমানলৈকে সভাপতি আৰু সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছে।

# হালোৱা গাঁও পূব শংকৰজ্যোতি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮৪ চন

গোলাঘাট জিলাৰ গোলাঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত হালোৱা গাঁও এখন চৰকাৰী ৰাজহ গাঁও । অটব্য অৰণ্যৰে পৰিপূৰ্ণ এই স্থানলৈ বিভিন্ন অঞ্চলৰ পৰা পূৰ্বপুৰুষসকলে আহি বসবাস কৰিছিল । সেই সময়তে মোমাই তামূলী বৰবৰুৱাও এই অঞ্চললৈ আহিছিল । চাৰিঙীয়া বৰবৰুৱাবাৰী আৰু ৰজাদিনীয়া পুখুৰীয়েই তাৰ প্ৰমাণ । মোমাই তামুলী বৰবৰুৱাৰ নিৰ্দেশক্ৰমে এই অঞ্চলৰ পূৰ্বপুৰুষসকলক তিনিটা ভাগত বিভক্ত কৰাই কামত নিয়োগ কৰিছিল । এই অঞ্চলৰ সু-বৃহত গছসমূহ কটাবৰ বাবে এটা দলক, মাটি পৰিষ্কাৰ কৰিবৰ বাবে এটা দলক, আনটো দলৰ মাটি চহাবৰ বাবে নিৰ্দেশ দিছিল । শেষত তিনিওটা দলে সামূহিকভাৱে এই কামত অগ্ৰসৰ হৈছিল । অঞ্চল বিশেষে তিনিওটা দলকেই বসবাস কৰিবলৈ নিৰ্দেশ দিছিল । ডাঙৰ গছ কটাসকলক কাঠকটিয়া নাকৰণেৰে, হাবি কাটি অঞ্চলটো মুকলি কৰাসকলক হাবিয়াল আৰু মাটি চাহ কৰি কৃষিত অগ্ৰসৰ হোৱাৰ কাৰণে হালোৱা গাঁও নামকৰণ কৰা হয় বুলি কিংবদন্তিত আছে ।

হালোৱা গাঁও এখন ডাঙৰ গাঁও । ইয়াৰ চাৰিসীমা পূবে - কাঠকটিয়া গাঁও, একাংশ হাবিয়াল, পশ্চিমে - দৰিয়া নদী, উত্তৰে - খনিকৰ গাঁও, দক্ষিণে - চাৰিঙীয়া । গাৱঁৰ আয়তন প্ৰায় ৮ কিলোমিটাৰ।

এই গাৱঁৰ জনসংখ্যা প্ৰায় ২০০০ জনৰো অধিক । গৃহস্থীৰ সংখ্যা ২০০ ঘৰ ।

আজীৱন সমাজসেৱক স্বৰ্গীয় ডিম্বেশ্বৰ হাজৰিকা, বাক্য সিদ্ধ ভকত আৰু বায়ন স্বৰ্গীয় গুণৌ শইকীয়া, স্বৰ্গীয় ভোগৰাম শইকীয়া, স্বৰ্গীয়

জীউৰাম হাজৰিকা, বৃটিছৰ দিনৰ চৰকাৰী গাঁওবুঢ়া, স্বৰ্গীয় অভিমন শইকীয়া, এলেঙী সত্ৰৰ মেধি স্বৰ্গীয় মহেশ্বৰ শইকীয়া সুললিত কণ্ঠস্বৰৰ পাঠক আৰু হিৰা নামৰ ওজা স্বৰ্গীয় বিদাৰাম বৰা নৃত্যভংগীৰ পৰিপুস্তক স্বৰ্গীয় বংশীধৰ বৰা বায়ন আদিৰ জন্মস্থল এই গাঁও । এই গাৱঁত তিনিটা নামঘৰ এখন প্ৰাথমিক বিদ্যালয় আৰু এখন মজলীয়া বিদ্যালয় আছে । চৰকাৰী পঞ্জীয়নভুক্ত এটা সাংস্কৃতিক সংঘ, দুটা যুৱক সংঘ, তিনিখন মহিলা সমিতি, ৪ খন প্ৰাথমিক শাখা, এখন সংগীত বিদ্যালয় আৰু অসম গাঁওৰক্ষী বাহিনীৰ এটি চৰকাৰী পঞ্জীয়নভুক্ত শাখা আছে । ওপৰোক্ত অনুষ্ঠানসমূহৰ লগত জড়িত ব্যক্তিসকল ক্ৰমে সৰ্বশ্ৰী গোলাপ শইকীয়া, ফণী হাজৰিকা, হেমধৰ শইকীয়া, খিত হাজৰিকা, অৰুণ চন্দ্ৰ ৰাজখোৱা, নগেন হাজৰিকা, বিপুল বৰা, চন্দ্ৰধৰ বৰা, যদু হাজৰিকা, উপেন শইকীয়া, লীলাধৰ শইকীয়া, তাৰানাথ শইকীয়া, ৰত্ন বৰা, আদি প্ৰধান ।

১৯৭৪ চনৰ ১৯ জানুৱাৰী তাৰিখে হাবিয়াল নামঘৰত বহা হালোৱা হাবিয়াল প্ৰাথমিক শাখাৰ বৈষ্ণৱসকলে প্ৰয়াত বেথাৰাম ৰাজখোৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত গৃহীত প্ৰস্তাৱ মৰ্মে হালোৱা গাঁও শংকৰজ্যোতি প্ৰাথমিক শাখা আৰু হাবিয়াল গাঁও মুক্তি প্ৰাথমিক শাখা নামাৰে দুটি শাখা গঠন কৰা হয় ।

১৯৮৪ চনত শ্ৰীযুত হেমধৰ শইকীয়া দেৱৰ সভাপতিত্বত অনুষ্ঠিত সভাত হালোৱা গাৱঁত হালোৱা গাঁও পূব শংকৰজ্যোতি প্ৰাথমিক আৰু হালোৱা গাঁও পশ্চিম শংকৰজ্যোতি প্ৰাথমিক শাখা নামকৰণেৰে দুটি শাখা গঠন কৰা হয় । হলোৱা গাঁও পূব শংকৰজ্যোতি পপ্ৰাথমিক শাখা ১৯৮৪ চনত গঠন হয় ।

এসময়ত মাহেকীয়া আৰু এঘাৰ দিনীয়া পন্থাক লৈ এই গাৱঁত মতান্তৰ হয় । অৱশ্যে গাঁওখনৰ ধৰ্মীয় অনুষ্ঠানসমূহ কৰ্মকাণ্ড প্ৰথাৰে সম্পাদিত হৈছিল । এঘাৰ দিনীয়া ফৈদৰ লগত মাহেকীয়া ফৈদৰ খোৱা-লোৱা নিষিদ্ধ হোৱাৰ বাবে এঘাৰ দিনীয়া নীতি মানি চলা ফৈদে পৃথকভাৱে ধৰ্মীয় অনুষ্ঠানিক কৰ্ম কৰিবলৈ আৰম্ভ কৰে । গাঁওখনত প্ৰায় ১২ টাৰো অধিক বংশৰ লোকে বাস কৰে । সাম্প্ৰদায়িক ঘৃণাৰ ভাব আৰু ধৰ্মীয় চিন্তা চৰ্চাৰ কুসংস্কাৰে গাঁওখনৰ মানুহক এক প্ৰকাৰ শোষণত ডুবাই ৰাখিছিল । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নাম তেতিয়া শ্ৰীশ্ৰীশংকৰদেৱ সংঘ আছিল । এই সংঘৰ ভকত বৈষ্ণৱসকলক গাঁওখনৰ মানুহে নামত উৰুওৱা' 'হৰি ধনীয়া' ইত্যাদি উপলুঙা নামেৰে সম্বোধন কৰি এইসকলক

লগত সংশ্ৰৱ কৰাটো নিষিদ্ধ কৰিছিল । প্ৰায় ১৯৫৩ চনৰ পৰাই এই গাৱঁত গুৰুজনাৰ একশৰণ নাম ধৰ্মৰ মৃদু বতাহ আৰম্ভ হয় । এই গাৱঁৰে প্ৰয়াত ডিম্বেশ্বৰ হাজৰিকা, জীউৰাম হাজৰিকা, মইনা শইকীয়া আদি লোকসকলে গুৰুজনাৰ বিৰচিত সমস্ত শাস্ত্ৰ অধ্যয়নত মনোনিবেশ কৰিছিল। গাঁওখনৰ ৰাইজে গুৰুজনাই প্ৰতিষ্ঠা কৰা একশৰণ হৰিনাম ধৰ্মৰ বিপৰীতে কৰা ধৰ্মীয় সমাজ ব্যৱস্থাৰ বিৰোধিতা কৰে । শ্ৰীশ্ৰীশংকৰদেৱ সংঘৰ ভকত বৈষ্ণৱসকলে গুৰুজনাৰ শুদ্ধ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰ কৰা কাৰ্যক প্ৰশংসা কৰি গাঁওখনৰ একাংশ ৰাইজে উক্ত অনুষ্ঠানত সহযোগ কৰিবলৈ আবেদন জনোৱাৰ বাবে ৰাইজে উক্ত লোকসকলক কঠোৰ সামাজিক শাস্তি হিচাপে সমাজচ্যুত ঘোষণা কৰে । এই শাখাটিৰ জন্ম-লগ্নৰ পৰাই (১৯৫৩/৫৪) এই গাৱঁৰ নিবাসী গোলাপ শইকীয়াই প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ অৱস্থাৰ পৰাই ধৰ্মীয় আন্দোলনত যোগ দিয়ে । ১৯৫৩ চনত হালোৱা গাঁও ২ নং নামঘৰত তিনিদিনীয়া কাৰ্য্যসূচীৰে মহাপুৰুষ শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হয় । উক্ত জন্মোৎসৱৰ সভাপতি স্বৰ্গীয় জীউৰাম হাজৰিকা আৰু আদৰণি সমিতিৰ সম্পাদক স্বৰ্গীয় লবোৰাম বৰাদেৱে । এই জন্মোৎসৱত মুকলি সভাৰ সভাপতি বৈষ্ণৱ পণ্ডিত শ্ৰীযুত সোণাৰাম চুতীয়া আৰু নিৰ্দিষ্ট বক্তা হিচাপে বিশ্বনাথৰ সংঘৰ প্ৰাক্তন পদাধিকাৰ শ্ৰীঅচ্যুত কৃষ্ণ মিশ্ৰদেৱে বৈষ্ণৱ ধৰ্ম দৰ্শনৰ ওপৰত ভাষণ ৰাখে । যুৱ বক্তা শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়াৰ ভাষণে সেই সময়ৰ যুৱকসকলক আকৃষ্ট কৰে। সেই গুৰু জয়ন্তী ভাগৰ গুৰি ধৰোতাসকল স্বৰ্গীয় জীউৰাম হাজৰিকা, স্বৰ্গীয় যোগেন দত্ত, স্বৰ্গীয় ৰতীকান্ত ৰাজখোৱা, স্বৰ্গীয় মোহন মহন্ত, শ্ৰীযুত মাণিক চন্দ্ৰ গায়ন ইত্যাদি । শেষত ৰাতি মহাপুৰুষীয়া এভাগ নাটক কৰা হয় ।

খেত বাহৰ ঃ প্ৰাথমিক শাখাটিৰ সংগীৰ সংখ্যা প্ৰায় ১৪০ গৰাকী আৰু গৃহস্থীৰ সংখ্যা ২৮ ঘৰ । বৰ্তমান সংগীসকল দুটা প্ৰাথমিক শাখাত বিভক্ত হৈ আছে । কেইঘৰমান গৃহস্থী সংঘৰ নীতিকাঠী মানি চলিবলৈ টান পায় কৰ্মকাণ্ড নাইবা অনা সংঘ হিচাপে আছে। বৰ্তমান পূব শংকৰজ্যোতি প্ৰাথমিক শাখাৰ গৃহস্থীৰ সংখ্যা ১৮ ঘৰ, সংগী ৬৪ গৰাকী। প্ৰাথমিক শাখাটিয়ে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰচাৰ, প্ৰসাৰ আৰু সংগঠনৰ দিশত গুৰুত্ব আৰোপ কৰি গুৰুজয়ন্তী শ্ৰীশ্ৰীমাধৱদেৱৰ জন্মোৎসৱ, আলোচনা চক্ৰ, সাদিনীয়া, তিনিদিনীয়া ভাগৱত পাঠ অনুষ্ঠিত কৰি আহিছে ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

প্ৰাথমিক শাখাটিৰ সংগীসকলৰ আৰ্থ-সামাজিক অৱস্থা ঘাইকৈ কৃষিৰ ওপৰতে নিৰ্ভৰ কৰে । ধান আৰু কুঁহিয়াৰ খেতিয়ে ই সংগীসকলৰ জীৱিকাৰ পথ । বৰ্তমান দুই-এঘৰ সংগী গৃহস্থীয়ে চাহ খেতি আৰম্ভ কৰিছে । প্ৰায়সকল সংগীৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল নহয় । সৰহ সংখ্যক গৃহস্থীয়ে দৰিদ্ৰ সীমা ৰেখাৰ তলত বসবাস কৰে। তৎস্বত্বেও গুৰুজনাৰ ভক্তি ধৰ্ম শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শ্ৰীবৃদ্ধিৰ কাৰণে সংগীসকলৰ আশাশুধীয়া চেষ্টা ব্ৰতী আছে । স্বৰ্গীয় মনেশ্বৰ শইকীয়া, পিতা - স্বৰ্গীয় তিলোৰাম শইকীয়া মাতৃ স্বৰ্গীয়া চকৰী শইকীয়া, পত্নী স্বৰ্গীয়া চতিকা শইকীয়া। এগৰাকী সুন্দৰ বিহুৰ নাচনী । গাৱঁৰ বৰদেউৰী আৰু বিভিন্ন অনুষ্ঠানৰ লগত জড়িত সামাজিক ব্যক্তি আছিল । এই গৰাকী ব্যক্তি কৰ্মকাণ্ডত থাকোতে হৰিধ্বনীয়া নাম কীৰ্তনীয়া মানুহে বোলে গাঁওখন খণ্ড-বিখণ্ড কৰিছিল । ভতিজা শ্ৰীগোলাপ শইকীয়া বেতিয়নী চাহ বাগিচাত ভাওনা যাত্ৰা কৰি জাত এৰিলে বুলি ঘৃণাৰ চকুৰে চাইছিল । শেষত তেওঁ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংগী হয় ।

**স্বৰ্গীয় ৰতীকান্ত ৰাজখোৱা :** পিতা স্বৰ্গীয় ভোগৰাম ৰাজখোৱাৰ পত্নীৰ নাম ভেলেণ্ডী ৰাজখোৱা,এগৰাকী পাঠক আৰু গায়ক বিদ্যাৰ ওজা আছিল। বিভিন্ন অনুষ্ঠানত জড়িত থাকি অঞ্চলটোৰ বাটকটিয়া হিচাপে ৭৫ (পয়সত্তৰ) বছৰত ইহলীলা সম্বৰণ কৰে ।

**শ্ৰীতাৰানাথ শইকীয়া :** পিতা স্বৰ্গীয় ভৱাম শইকীয়া, পত্নী সৰু আইতি শইকীয়া এখেত এগৰাকী হিৰা নামৰ ওজা, গাৱঁৰ বিশিষ্ট, নামচাৰ্য্য আৰু সুন্দৰ কণ্ঠস্বৰৰ পাঠক হিচাপে পৰিচয় দিছে ।

**ফণী হাজৰীকা :** স্বৰ্গীয় মণিৰাম হাজৰিকা, পত্নীৰ নাম শ্ৰীমতী আইজনী হাজৰিকা, প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতি, এগৰাকী শিক্ষাবিদ আৰু সাহিত্যিক ।

**শ্ৰীহেমধৰ শইকীয়া :** পিতা স্বৰ্গীয় যদুৰাম শইকীয়া, পত্নীৰ নাম শ্ৰীবুদ্ধেশ্বৰী শইকীয়া, এগৰাকী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক আৰু বিভিন্ন অনুষ্ঠানৰ লগত জড়িত সমাজসেৱক হিচাপে খ্যাত ।

**শ্ৰীগোলাপ শইকীয়া :** জন্ম ১৯৪৪ চনৰ ভাদ মাহৰ ১২ তাৰিখে। পিতৃৰ নাম স্বৰ্গীয় গুণী শইকীয়া, মাতৃৰ নাম স্বৰ্গীয় ভুৰুকী শইকীয়া । পত্নীৰ নাম শ্ৰীমতী বুলুমাই শইকীয়া । সংঘৰ প্ৰচাৰ সংগঠনত শ্ৰীগোলাপ শইকীয়া বাপৰ বিশেষ ভূমিকা উল্লেখযোগ্য ।

**বৰ্তমান প্ৰাথমিক শাখাৰ উপদেষ্টা :** সৰ্বশ্ৰী গোলাপ শইকীয়া, হেমধৰ শইকীয়া।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

সভাপতিসকল ঃ সৰ্বশ্ৰী ফণী হাজৰিকা (১৯৮৪-৮৭), হেমধৰ শইকীয়া (১৯৮৮-৯৬) ফণী হাজৰিকা (১৯৯৭-২০০০)

উপ সভাপতি ঃ শ্ৰীলক্ষীধৰ বৰা (১৯৯৭-২০০০)

সম্পাদকসকল ঃ শ্ৰীহেমধৰ শইকীয়া (১৯৮৪-৮৭)
শ্ৰীলক্ষীধৰ বৰা (১৯৮৮-৯৬)
শ্ৰীবিপুল চন্দ্ৰ বৰা (১৯৯৭-২০০০)

সহঃ সম্পাদক ঃ শ্ৰীৰমেন শইকীয়া (১৯৯৭-২০০০)

হালোৱা হাবিয়াল আৰু কাঠকটীয়া গাঁৱৰ সংগী সকলক লৈ গঠিত হাবিয়াল প্ৰাথমিক শাখাৰ (গঠন-১৯৫৩) পৰা হাবিয়াল মুক্তি প্ৰাথমিক (গঠন-১৯৭৪), হালোৱা গাঁও শংকৰজ্যোতি প্ৰাথমিক (গঠন-১৯৭৪) শাখা দুটি গঠন হয় । ইং ১৯৭৪ চনত গঠিত হালোৱা গাঁও শংকৰজ্যোতি প্ৰাথমিক শাখাৰ পৰা ক্ৰমে (১) হালোৱা গাঁও নৱজ্যোতি প্ৰাথমিক গঠন (২) হালোৱা গাঁও পুব শংকৰজ্যোতি প্ৰাথমিক (গঠন ১৯৮৪ চন) (৩) হালোৱা গাঁও পশ্চিম শংকৰজ্যোতি প্ৰাথমিক (গঠন ১৯৮৪ চন) গঠন হয় । পুব শংকৰজ্যোতি প্ৰাথমিক শাখাৰ একাংশ সংগীক লৈ হালোৱা গাঁও ভাস্কৰজ্যোতি প্ৰাথমিক শাখা গঠন হয় । ❂

# মিছামৰা পঞ্চৰত্ন প্ৰাথমিক শাখা

### গঠন ঃ ১৯৮৪ চন

মিছামৰা মৌজাৰ খনিকৰ ৰাজহ গাঁৱৰ এটা অংশ মিছামৰা গাঁও। খনিকৰ ৰাজহ গাঁৱৰ সো মাজেদি যোৱা ম'হবন্ধা আলিটোৱে এই গাঁওখনক উত্তৰা-দক্ষিণাকৈ দুটা ভাগত ভাগ কৰিছে । ইয়াৰ উত্তৰফালৰ অংশটোৱেই মিছামৰা গাঁও নামে জনাজাত । এই গাঁৱৰ উত্তৰে দুলীয়া গাঁও, পূবে মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু তেলীয়া সোণাৰী আলি, দক্ষিণে ম'হবন্ধা আলি, পশ্চিমে চৰকাৰী চ'ৰণীয়া পথাৰ আৰু দবিয়াজান । এই গাঁৱত ১০ টা বংশ বা ফৈদ আছে । মুঠ গৃহস্থীৰ সংখ্যা ৯০ ঘৰ, জনসংখ্যা প্ৰায় ৬০০ জন । গাঁৱৰ এলেকা প্ৰায় তিনি বৰ্গ কিঃ মিঃ । গাঁৱৰ মধ্য স্থানত দুটা নামঘৰ আছে । এটি যুব শিশু বিকাশ কেন্দ্ৰ আৰু এটি সাংস্কৃতিক চ'ৰা বৰ্তমান নিৰ্মাণ হৈছে ।

মিছামৰা গাঁৱৰ পশ্চিমত থকা দবিয়াজানত লো জৰা নামৰ এবিধ

পদাৰ্থ আছে । আহোম ৰজাসকলে বৰটোপত ব্যৱহাৰ কৰিবৰ কাৰণে সেই লোজৰা ধুই এবিধ গুৰি উলিয়াইছিল । এই গুৰিবিলাকক মিছা বোলা হয় । সেই মিছাৰ পৰাই গাঁওখনৰ নাম মিছামৰা হ'ল। কালক্ৰমত গোলাঘাট জিলাৰ উত্তৰ অঞ্চলটোক মিছামৰা মৌজা নামকৰণ হ'ল বুলি প্ৰবাদ আছে । গাঁওখনৰ প্ৰায়বিলাক লোকেই কৃষিজীৱী । চাকৰিয়ালৰ সংখ্যা কম । শিক্ষাৰ ক্ষেত্ৰত প্ৰয়াত বাপুৰাম দত্তদেৱে বৃটিছৰ দিনতে খন্দা চৰকাৰী পুখুৰীৰ পাৰতে এখনি প্ৰাইমেৰী স্কুল প্ৰতিষ্ঠা কৰি শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল । সেই স্কুলৰপৰা প্ৰয়াত দীনেশ্বৰ দত্তই প্ৰথম বৃত্তি লাভ কৰিছিল । দীনেশ্বৰ দত্তই খনিকৰ উচ্চ বুনিয়াদী বিদ্যালয়ত শিক্ষকতা জীৱন আৰম্ভ কৰি শেষত মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে । তেখেত এজন শিক্ষাবিদ, সমাজ কৰ্মীলোক আছিল । প্ৰয়াত বাপুৰাম দত্তদেৱে প্ৰতিষ্ঠা কৰা শিক্ষানুষ্ঠানটি ম'হবন্ধা আলিৰ দাঁতিত খনিকৰ মজলীয়া বিদ্যালয় হিচাপে বৰ্তমানেও চলি আছে। এই দুয়োগৰাকী ব্যক্তিয়ে এই অঞ্চলত শিক্ষাৰ বন্তি জ্বলোৱাত এই অঞ্চলৰ সমূহ ৰাইজে শ্ৰদ্ধাৰে সোঁৱৰে । মিছামৰা গাৱঁৰ প্ৰথম স্নাতক শ্ৰীচক্ৰেশ্বৰ বৰাদেৱ । শিক্ষিতৰ হাৰ বৰ্তমান শতকৰা ৯০।

১৯৮৪ চন, ৫৩৫ শঙ্কৰাব্দ ১৯ ফাগুন তাৰিখে মাত্ৰ ৫ ঘৰ গৃহস্থীৰে 'মিছামৰা পঞ্চৰত্ন' প্ৰাথমিক শাখা গঠন কৰা হয় । প্ৰাক্তন শৰণ সদস্য শ্ৰীঘনকান্ত তামুলী, প্ৰাক্তন জিলা সম্পাদক শ্ৰীহেম শইকীয়া, প্ৰাক্তন মূল সংঘৰ কৃষ্টি সম্পাদক শ্ৰীবোযেশ্বৰ দত্তদেৱে প্ৰাথমিক গঠনত সক্ৰিয় দিহা-পৰামৰ্শ আগবঢ়াইছিল । বৰ্তমান অৱস্থাত প্ৰাথমিক শাখাৰ গৃহস্থীৰ সংখ্যা ৩৫ ঘৰ, সংগীৰ সংখ্যা ৭০ জন । এই প্ৰাথমিকৰ সমীপৱৰ্ত্তী কেইটামান চুবুৰীৰ লোকসকল একত্ৰিত হৈ পদ্মপাণি প্ৰাথমিক শাখা গঠন কৰিছে । খনিকৰ ৰাজহ গাৱঁৰ সৰহ সংখ্যকলোক গুৰুজনাৰ একশৰণ নাম ধৰ্মৰ ফালে আকৰ্ষিত হোৱাটো এটি শুভ লক্ষণ ।

এই অঞ্চলৰ এগৰাকী বিশিষ্ট ব্যক্তি প্ৰয়াত ব্ৰজনাথ বৰাদেৱ গুৰুজনাৰ ধৰ্মাদৰ্শৰ একনিষ্ঠ সেৱক আছিল । তেখেতে একনিষ্ঠ ভাৱে গুৰুধৰ্ম প্ৰচাৰ-প্ৰসাৰৰ লগতে বিভিন্ন ঠাইত প্ৰাথমিক গঠনত সহায় কৰিছিল । তেখেতৰ কৰ্মৰাজি এই অঞ্চলৰ ৰাইজে শ্ৰদ্ধাৰে সোঁৱৰে ।

প্ৰয়াত দীনেশ্বৰ দত্তদেৱৰ স্মৃতিত তেখেতৰ পৰিয়ালে প্ৰাথমিকৰ পুঁজিলৈ এহেজাৰ টকা আৰু এখন শৰাই আগবঢ়ায় । প্ৰাথমিকে কৃষ্ণ জন্মাষ্টমী তিথিত প্ৰতি বছৰে শিশুকল্যাণ দিৱস হিচাপে শিশুসকলৰ মাজত

প্ৰতিযোগিতা অনুষ্ঠিত কৰি ১০০০.০০ (এহেজাৰ) টকাৰ ন্যাস পুঁজিৰ পৰা পোৱা সুদেৰে পুৰস্কাৰ প্ৰদান কৰি আহিছে ।

প্ৰাথমিকৰ সভাপতি আৰু সম্পাদকসকল ঃ

সভাপতি ঃ শ্ৰীযোগেশ্বৰ বৰা, প্ৰয়াত দীনেশ্বৰ দত্ত, শ্ৰীৰোমেশ্বৰ দত্ত, শ্ৰীগংগাধৰ দত্ত ।

সম্পাদকসকল ঃ সৰ্বশ্ৰী ফটিক চন্দ্ৰ শইকীয়া আৰু ইন্দ্ৰেশ্বৰ দত্ত।

# লেমচাপৰি ১ নং ব্ৰহ্মপুত্ৰ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮৫ চন

দেৰগাঁও মৌজাৰ ব্ৰহ্মপুত্ৰ অঞ্চলত লেমচাপৰি ভৌগোলিক গাৱঁৰ অন্তৰ্গত চমুৱাগাঁও এখন সৰু গাঁও । এই গাৱঁৰ উত্তৰে শলাবোৰা গাঁও, দক্ষিণে আমগুৰি গাঁও, পূৱে সুতাগাঁও আৰু পশ্চিমত শিৰিছটীকা গাঁও । গাৱঁত বৰ্তমান জনসংখ্যা প্ৰায় ৬০০ জন আৰু ৬০ ঘৰ গৃহস্থী । এই গাৱঁৰ লগত অন্য ঠাইৰ বিশেষ সম্পৰ্ক ৰখাত অন্তৰায় ব্ৰহ্মপুত্ৰ নদীৰ বাৰিষাৰ বানপানী । বানপানীত প্লাৱিত হোৱা ব্ৰহ্মপুত্ৰ নদীয়ে ভয়ঙ্কৰ ৰূপ ধাৰণ কৰি যাতায়তৰ অচলাৱস্থাৰ সৃষ্টি কৰে । পূৰ্ব্বৰ পৰা তান্ত্ৰিক নীতিৰে চলি অহা এই গাৱঁৰ বাসিন্দাসকলৰ মাজত গুৰুজনাৰ প্ৰচাৰিত একশৰণ নাম ধৰ্মৰ প্ৰতি অনুপ্ৰেৰণা আগবঢ়োৱা মহান ব্যক্তিজন হ'ল কছাৰি নাম গাৱঁৰ স্বৰ্গীয় বেপাই বাঢ়ৈ (বৰ্তমান প্ৰয়াত) বৰুৱাবামুণ গাৱঁৰ প্ৰয়াত দুৰ্গাধৰ দত্ত । এইসকলৰ অনুপ্ৰেৰণাতে ১৯৮০ চনতে শ্ৰীগজেন বৰা, লুহিত বৰা, ৰূপেশ্বৰ ৰাজবংশী আদি কেইবাঘৰো গৃহস্থী বৰুৱাবামুণ গাঁও প্ৰাথমিকত অন্তৰ্ভুক্ত হয় । ১৯৮৫ চনত প্ৰয়াত দুৰ্গাধৰ দত্তদেৱৰ অশেষ কষ্টত এই ব্ৰহ্মপুত্ৰ অঞ্চলত ১ নং ব্ৰহ্মপুত্ৰ প্ৰাথমিক শাখা নামকৰণেৰে প্ৰাথমিক শাখা গঠন হয় । প্ৰাথমিক শাখা গঠনৰে পৰা বৰ্তমানলৈকে গুৰুজনাৰ নীতি নিয়ম ৰক্ষা কৰি বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ সভা-সমিতি উপৰি মহাপুৰুষ দুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উদযাপন কৰি আহিছে।

প্ৰাথমিক শাখা মাত্ৰ ১০ ঘৰ গৃহস্থী আৰু ২৫ জন সংগীৰে গঠন কৰা হৈছিল । বৰ্তমান গৃহস্থীৰ সংখ্যা ১৫ ঘৰ সংগীৰ সংখ্যা ৩৫ জন । প্ৰাথমিক শাখা গঠনৰ পৰা বৰ্তমানলৈকে সভাপতি সম্পাদকসকলৰ নাম উল্লেখ কৰা হ'ল ।

সভাপতিসকল ঃ স্বৰ্গীয় কমল বৰা, শ্ৰীগজেন বৰা, শ্ৰীলোহিত বৰা।

সম্পাদকসকল ঃ সৰ্বশ্ৰী ৰূপেশ্বৰ ৰাজবংশী, খোলোক বৰুৱা, পৱন ভূঞা ।

**বৰ্তমানৰ সভাপতি** ঃ শ্ৰী লুহিত বৰা

,, **সম্পাদক** ঃ শ্ৰীপৱন ভূঞা

প্ৰাথমিক শাখাটি পৰিচালনা কাৰ্য্যত সৰ্বশ্ৰী লুহিত বৰা, গজেন বৰা, নৰেন বৰা, ৰূপেশ্বৰ ৰাজবংশী বাপসকলৰ অৱদান উল্লেখযোগ্য ।

# হালোৱা গাঁও পশ্চিম শংকৰজ্যোতি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮৬ চন

হালোৱা গাঁও, ঢেকীয়াল মৌজাৰ এখন নামজ্বলা গাঁও। এই গাঁও গোলাঘাট নগৰৰপৰা ১৩ কিলোমিটাৰ দূৰৈত অৱস্থিত । গাঁওখনিৰ উৎপত্তি কেনেকৈ হ'ল এই সম্পৰ্কে বিশেষ জনা নাযায় । কিংবদন্তি মতে হালোৱা গাৱেঁ হেনো ঢেকীয়ালৰ দক্ষিণ পূবত থকা ৰহধলা পথাৰত মাটি চহাই আহোম ৰাজ বিষয়াসকলক ধানৰ যোগান ধৰিছিল । ঢেকীয়াল শায়েকৰ অন্তৰ্ভুক্ত গাঁও কেইখনৰ ভিতৰত হালোৱা গাৱোঁ এখন । আহোম ৰাজবিষয়া মোমাই তামুলীয়ে পতা এইখনো এখন আদৰ্শ গাঁও। এই গাৱঁৰ লোকসকল কৃষিজীৱী আৰু হালেৰে মাটি চহোৱাত পাকৈত।

এই হালোৱা গাৱঁৰ পূবে কাঠকটিয়া গাঁও, পশ্চিমে বুঢ়ালিকচন গাঁও । উত্তৰে খনিকৰ আৰু দক্ষিণে ঢেকীয়াল গাঁও । জনসংখ্যা প্ৰায় ১৬ জন, গৃহস্থীৰ সংখ্যা ২০০ৰ অধিক আৰু মাটি কালি ৫ বৰ্গ কিঃ মিঃ। ধৰ্মীয় দিশত এই গাৱঁৰ লোকসকল অতীজৰপৰা আগবঢ়া । এই গাৱঁৰ আশে-পাশে লেটুগ্ৰাম, মদাৰগুৰি আৰু বকুলগুৰি সত্ৰ আছে । এই গাৱঁৰ নেতৃস্থানীয় ব্যক্তি স্বৰ্গীয় জীউৰাম হাজৰিকা, স্বৰ্গীয় ডিম্বেশ্বৰ হাজৰিকা, স্বৰ্গীয় অৰুণ ৰাজখোৱা আৰু গংগাধৰ ৰাজখোৱা আদি ব্যক্তি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ জন্ম-লগ্নৰ পৰা জড়িত ।

এসময়ত হালোৱা আৰু হাবিয়াল গাৱঁৰ সংগী গৃহস্থীসকল একগোট হৈ এটি প্ৰাথমিক শাখা গঠন কৰি চলি আছিল । পাছলৈ সংগীৰ সংখ্যা বঢ়াত হাবিয়ালত মুক্তি প্ৰাথমিক শাখা, আৰু হালোৱা গাৱঁৰ শংকৰজ্যোতি প্ৰাথমিক শাখা গঠন হয় । আকৌ সময়ৰ বিবৰ্তনত শংকৰজ্যোতি শাখাটি দুভাগ হৈ হালোৱা গাঁও 'পূব শংকৰজ্যোতি' আৰু 'পশ্চিম শংকৰজ্যোতি'

নামে দুখন প্ৰাথমিক গঠন হয় । নামঘৰ ভিত্তিত প্ৰাথমিক দুখন গঠন কৰা হয় ।

পশ্চিম শংকৰজ্যোতি প্ৰাথমিক শাখাটি ১৯৮৬ চনৰ ১৯ জুনত গঠন হয় । গৃহস্থীৰ সংখ্যা ২২ ঘৰ, সংগীৰ সংখ্যা ৫৬ জন।

বৰ্তমান প্ৰাথমিকৰ সভাপতি শ্ৰীযদু হাজৰিকা আৰু সম্পাদক শ্ৰীখগেশ্বৰ শইকীয়া ।

হালোৱা গাঁও শংকৰজ্যোতি (অবিভক্ত) প্ৰাথমিকৰপৰা বৰ্তমানলৈকে হোৱা জিলা কাৰ্য্যনিৰ্বাহকৰ সদস্য সকল হ'ল । শ্ৰীগোলাপ শইকীয়া, স্বৰ্গীয় চেনীৰাম শইকীয়া, শ্ৰীহেমধৰ শইকীয়া ।

প্ৰাথমিকৰ শতকৰা ৯০ ভাগ লোক খেতিয়ক আৰু শতকৰা ১০ ভাগ চাকৰি ব্যৱসায়ী । গুৰু ধৰ্মৰ প্ৰতি আগ্ৰহী আৰু সংস্কৃতিবান সংগীৰ সংখ্যা বেছি । প্ৰাথমিক শাখাই বিভিন্ন ধৰ্মীয় অনুষ্ঠান, আলোচনা চক্ৰ, ভাগৱত পাঠ আৰু সভা-সমিতি অনুষ্ঠিত কৰি আহিছে ।

# বালিদোৱা বিশ্বজ্যোতি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯০ চন

গোলাঘাট জিলাৰ মিছামৰা মৌজাৰ অন্তৰ্গত বালিদোৱা গাঁও (পুৰণি নাম গোপাল বৰা চাপৰি) নামেৰে খ্যাত । এসময়ত ইকৰা-বিৰিণাৰে পৰিপূৰ্ণ নদী বিলৰ চেৰাসুঁতিৰ বালি । বৰ্তমানেও বছৰি বানপানীয়ে জুৰুলা কৰা এখন গাঁও । মিছামৰা মৌজাৰ বিভিন্ন গাৱঁৰপৰা কৃষকসকলে এই ঠাইত বিৰিণা-ইকৰা ভাঙি মাহ, সৰিয়হ, মৰাপাট, আলু ইত্যাদি খেতি সমজুৱা ভাৱে কৰিছিল । বৰ্তমান এই অঞ্চলত মানুহে স্থায়ীভাৱে বস-বাস কৰিবলৈ লৈছে।

১৯৮৪ চনত গুৰুজনাৰ একশৰণ ধৰ্মৰ ওপৰত আলোচনা কৰিবৰ কাৰণে গাৱঁৰ ৰাইজৰ সহযোগত শ্ৰীপ্ৰফুল্ল চন্দ্ৰ দত্ত, বাপৰ সভাপতিত্বত এখন সভা আহ্বান কৰা হয় । আহবায়ক আছিল শ্ৰীদেবেন হাজৰিকা আৰু শ্ৰীপ্ৰদীপ হাজৰিকা । উক্ত সভাতেই বালিদোৱা বিশ্বজ্যোতি প্ৰাথমিক শাখা নামে নামকৰণ কৰি মাত্ৰ ৮ ঘৰ সংগী গৃহস্থীৰে এখন প্ৰাথমিক গঠন কৰা হয় । সভাপতি - শ্ৰীদেবেন হাজৰিকা, সম্পাদক শ্ৰীপ্ৰদীপ হাজৰিকাক লৈ এখন কাৰ্য্য নিৰ্বাহক সভা গঠন কৰা হয় । ১৯৯০ চনত নৱ নিৰ্বাচিত কাৰ্য্য নিৰ্বাহকৰ সভাপতি শ্ৰীজগত হাজৰিকা, সম্পাদক শ্ৰীলীলাধৰ হাজৰিকাক নৱনিৰ্বাচন কৰা হয় । এই প্ৰাথমিকৰ বিশিষ্ট সংগী

শ্ৰীদেবেন হাজৰিকা বাপ জিলা সংঘৰ কাৰ্য্যনিৰ্বাহকৰ সদস্য হিচাপে কাৰ্য্য নিৰ্বাহ কৰিছিল ।

১৯৯২ বছৰৰপৰা সভাপতি শ্ৰীলীলাধৰ হাজৰিকা আৰু সম্পাদক শ্ৰীবিপুল হাজৰিকা বাপে কাৰ্য্যনিৰ্বাহ কৰে । ১৯৯৪ চনৰপৰা বৰ্তমান ১৯৯৯ চনলৈকে সভাপতি শ্ৰীদেবেন হাজৰিকা সম্পাদক শ্ৰীবিপুল হাজৰিকা বাপে প্ৰাথমিক শাখাৰ পৰিচালনাৰ দায়িত্ব বহন কৰিছে ।

এই প্ৰাথমিক শাখাৰ আৰম্ভণিৰপৰা বৰ্তমানলৈকে প্ৰয়াত ব্যক্তিসকল ক্ৰমে প্ৰয়াত ভালুকী হাজৰিকা, প্ৰয়াত চাৰু হাজৰিকা, প্ৰয়াত ৰুবী হাজৰিকা, দীলিপ হাজৰিকা, প্ৰয়াত কুমাৰী ৰুবী হাজৰিকা, প্ৰয়াত দীলিপ বৰা। বৰ্তমান এই প্ৰাথমিকত বাৰঘৰ সংগী গৃহস্থীয়ে গুৰু ধৰ্ম পালন কৰি আছে ।

# অগ্নিপুৰ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯০ চন

প্ৰবাদ আছে যে ১৯৫০ চনৰ ভূমিকম্পৰ প্ৰবল জোকাৰণিত দেৰগাঁও মিছামৰা মৌজাৰ উত্তৰ অঞ্চল তথা গেলাবিল নদীৰ উত্তৰ অঞ্চলত মাজে মাজে ফাট মেলি তলৰপৰা বালি ওলাই বালিময় হোৱাৰ বাবেই খেতি-বাতি নোহোৱা হয় । যি অলপ খেতি কৰিছিল তাকো ৰ'দৰ তাপ বেছি হ'লে জুঁইয়ে পোৰাৰ দৰে হোৱাৰ বাবেই এই অঞ্চলটোৰ নাম অগ্নিটিকা নামেৰে জনসমাজত পৰিচিত হয় ।

ব্ৰহ্মপুত্ৰ নদী আৰু গেলাবিল নদীৰ মাজৰ ঠাইডোখৰ ব্ৰহ্মপুত্ৰ অঞ্চল। এই অঞ্চলটিৰ অন্তৰ্গত অগ্নিটিকা । দেৰগাঁও-মিছামৰা মৌজাৰ বহুলোক আহি এই অঞ্চলত পাম পাতি খেতি কৰে । পিছলৈ এই সকলো স্থায়ী বাসিন্দা হয় । এনেধৰণৰ কেইঘৰমান লোকৰ প্ৰচেষ্টাত ১৯৮৪ চনত গাৱঁৰ ৰাইজে এটি নামঘৰ প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত কৰে । প্ৰয়াত কেচুৰাম হাজৰিকাক সভাপতি, শ্ৰীতৰুণ বৰাক সম্পাদক হিচাপে লৈ এখন নামঘৰ নিৰ্মাণ সমিতি গঠন কৰা হয় । নামঘৰ নিৰ্মাণৰ বাবে প্ৰয়াত কণৰাম হাজৰিকাদেৱে ৩ কঠা মাটি দান দিয়ে । ৰাইজৰ দান-বৰঙণিৰে স্থানীয় ৰাইজৰ সহযোগত স্থায়ী নামঘৰ নিৰ্মাণৰ কাম চলি আছে ।

ইং ১৯৮৪ চনৰ ২০/২১ অক্টোবৰ তাৰিখে সদৌ ব্ৰহ্মপুত্ৰ আঞ্চলিক সমিতিয়ে ব্ৰহ্মপুত্ৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত শ্ৰীমন্ত শংকৰদেৱৰ জন্ম জয়ন্তী ভাগ অগ্নিটিকা নামঘৰ প্ৰাঙ্গণত উদযাপন কৰে। গুৰুজনাৰ আবিৰ্ভাৱ জন্মোৎসৱৰ মুকলি সভাত 'অগ্নিটিকা' নামৰ সলনি 'অগ্নিপুৰ' নামকৰণ হ'ব লাগে বুলি প্ৰস্তাৱ গ্ৰহণ কৰি সৰ্বসন্মতভাৱে ভাৱে এই ঠাই ডোখৰৰ নাম 'অগ্নিপুৰ' ৰখা হয়। নামঘৰ ভাগ প্ৰতিষ্ঠাৰ পৰা গুৰুজনাৰ প্ৰৱৰ্ত্তিত ধৰ্ম সম্পৰ্কীয় শাস্ত্ৰ অধ্যয়ন কৰা হৈছে।

ইং ১৯৯০ চনত এই নামঘৰত দেৰগাৱঁৰ শ্ৰীধ্ৰুৱ বৰা, শ্ৰীপ্ৰফুল্ল দত্ত, জিলা সদস্য শ্ৰীদেবেন হাজৰিকা, শ্ৰীহৰেন নেওগ আৰু প্ৰয়াত পুণ্যেশ্বৰ বৰাৰ উপস্থিতিত এখন সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে বৈষ্ণৱপ্ৰাণ শ্ৰীধ্ৰুৱ বৰাদেৱে। উক্ত সভাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এটি শাখা 'অগ্নিপুৰ প্ৰাথমিক' নামকৰণেৰে গঠন কৰা হয়। প্ৰাথমিকৰ কাৰ্যনিৰ্বাহক সমিতিৰ সভাপতি সম্পাদক ক্ৰমে শ্ৰীপুতু বৰা আৰু তৰুণ বৰাদেৱক নিৰ্বাচিত কৰা হয়। ইং ২/৬/৯১ তাৰিখে মূল সংঘৰ শৰণ সদস্য শ্ৰীঘনকান্ত তামুলী বাপৰ পৰিচালনাত এই প্ৰাথমিকৰ সংগীসকলক শৰণ দিয়া হয়। সংঘৰ প্ৰচাৰ সংগঠনৰ ক্ষেত্ৰত শাখাটিয়ে এই অঞ্চলত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ আৰ্হিৰে শিশু সমাৰোহ, যুৱ সমাৰোহ, আই মাতৃ সমাৰোহ অনুষ্ঠিত কৰি সংঘৰ সংগঠনলৈ অৰিহণা যোগাইছে। শংকৰী নৃত্য-গীত-বাদ্যৰ অনুশীলনৰ ওপৰত বিশেষ গুৰুত্ব দিছে।

শ্ৰীতৰুণ বৰা বাপে ব্ৰহ্মপুত্ৰ অঞ্চলৰ হৈ জিলা কাৰ্যনিৰ্বাহকৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। বৰ্তমান তেখেত জিলা সংস্কৃতি শাখাৰ সদস্য।

# জৰাগুৰি (ক) প্ৰাথমিক শাখা

## গঠন : ১৯৯০ চন

১৯৭৬ চনত বৃহত্তৰ জৰাগুৰি গাৱঁক কেন্দ্ৰ কৰি গঠিত হোৱা জৰাগুৰি প্ৰাথমিকৰ পৰা সাংগঠনিক দিশৰ ওপৰত লক্ষ্য ৰাখি জৰাগুৰি (ক) নামেৰে অন্য এখন প্ৰাথমিক গঠন কৰা হয়। সৰ্বশ্ৰী মহেন্দ্ৰ নাথ হাজৰিকা আৰু বুধিন কাকতিয়ে ক্ৰমে সভাপতি আৰু সম্পাদকৰ দায়িত্ব পালন কৰে।

প্ৰাথমিক শাখাৰ সংগী বাপসকলে সংঘভুক্ত হোৱাৰে পৰা গুৰু ধৰ্ম প্ৰচাৰ প্ৰসাৰত আত্মনিয়োগ কৰি আহিছে। গুৰু জয়ন্তী উদযাপন, ধৰ্মীয়

সভা-সমিতি আদিত আলোচিত হোৱা ধৰ্ম মূলক আলোচনা আদিৰ পৰা মহাপুৰুষীয়া ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ বহুলোক সংঘভুক্ত হয় । সময়ে সময়ে শ্ৰীমন্ত শংকৰদেৱ সংঘই প্ৰবৰ্তন কৰা শিশু সমাৰোহ, যুৱ সমাৰোহ আৰু আইমাতৃ সমাৰোহ উদযাপন কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্দেশ্য লক্ষ্য নীতি আদৰ্শ প্ৰচাৰ প্ৰসাৰত অৰিহণা যোগাইছে । ১৯৯৪ চনত মূল সংঘৰ পদাধিকাৰ শ্ৰীকৰুণাকান্ত কলিতা বাপক আমন্ত্ৰণ কৰি আনি জৰাগুৰি (ক) প্ৰাথমিক শাখাৰ সৌজন্যত এই বৃহৎ অঞ্চলটোৰ সমগ্ৰ প্ৰাথমিকৰ যুৱক-যুৱতীসকলক একত্ৰিত কৰি যুৱ সমাৰোহ অনুষ্ঠিত কৰা হয় ।

**শ্ৰীমহেন্দ্ৰ হাজৰিকা ঃ** মলাইকুমাৰ গাৱঁৰ নিবাসী মহেন্দ্ৰ হাজৰিকাৰ জন্ম হয় ১৯৩৭ চনত । জৰাগুৰিত স্থায়ী ভাৱে থাকি লৈ জৰাগুৰি প্ৰাথমিক শাখা গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে । বিভিন্ন সামাজিক কাম-কাজত জড়িত । মহাপুৰুষৰ একান্ত সেৱক আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এগৰাকী নিষ্ঠাবান সংগী ।

**শ্ৰীবুদ্ধীন্দ্ৰ নাথ কাকতি ঃ** জন্ম হয় ১৯৫২ চনত । গাৱঁৰ বিভিন্ন সামাজিক কামত জড়িত হৈ জনসাধাৰণৰ উন্নতি কল্পে আত্মনিয়োগ কৰিছে। সংঘৰ এগৰাকী নিষ্ঠাবান সংগী ।

**শ্ৰীতুলাৰাম বৰা ঃ** জন্ম ১৯৩৪ চনত । খেতিয়েই মুখ্য জীৱিকা। ১৯৭৬ চনতে সংঘভুক্ত হৈ মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ-প্ৰসাৰত ব্ৰতী হৈছে। জৰাগুৰি (ক) প্ৰাথমিক শাখা গঠনত মুখ্যভূমিকা পালন কৰে ।

১৯৯০ চনৰ পৰা বৰ্তমানলৈকে সভাপতি-সম্পাদকসকল -

**সভাপতি ঃ** সৰ্বশ্ৰী মহেন্দ্ৰ হাজৰিকা, বুধিন কাকতি ।

**সম্পাদক ঃ** সৰ্বশ্ৰী বুধিন কাকতি, প্ৰয়াত সঞ্জীৱ হাজৰিকা।

(শ্ৰীমতী সোণালী কাকতিয়ে জিলা ভিত্তিত অনুষ্ঠিত নৃত্য প্ৰতিযোগিতাত ঝুমুৰা নৃত্যত অংশ গ্ৰহণ।)

# বালিচাপৰি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯০ চন

গোলাঘাট জিলাৰ উত্তৰ দিশত দিহৈ নদীৰ উত্তৰ পাৰত এই গাঁওখনি অৱস্থিত । এই অঞ্চল ব্ৰহ্মপুত্ৰ নদীয়ে এৰি যোৱা বালিৰ চৰ

অঞ্চল । অঞ্চলটিত নল, খাগৰি, কহুৱা, ঝাউ বনেৰে ভৰপূৰ আছিল । কালক্ৰমত ঘাঁহ জাতীয় উদ্ভিদ গজি উঠাত মানুহে গৰু ম'হ চৰোৱা চাপৰি হিচাপে ব্যৱহাৰ কৰিছিল । খেতিৰ উপযোগী হৈ উঠাত মানুহে বসতি কৰিবলৈ লয় । বিশাল ব্ৰহ্মপুত্ৰই এৰি যোৱা বালিময় ঠাই কাৰণে এই অঞ্চলৰ নাম 'বালিচাপৰি' হয় । ইয়াত কোনো উন্নত ৰাস্তা পদূলি নাই । ইয়াত বিভিন্ন জনগোষ্ঠীৰ মানুহে বসবাস কৰিছে । অঞ্চলটো কুঁহিয়াৰ আৰু বিভিন্ন ৰবি শস্যৰ বাবে উপযোগী ।

এই গাৱঁৰ পূৰ্বে ২ নং জৰাগুৰি, পশ্চিমে মিচিং, টেমেৰা গাঁও, উত্তৰে নাচনি পাৰ গাঁও, দক্ষিণে ১০ নং জৰাগুৰিলৈ বিস্তৃত । গাৱঁৰ জনসংখ্যা প্ৰায় ৫২০ জন।

এখন প্ৰাথমিক বিদ্যালয়, এখন মধ্য ইংৰাজী বিদ্যালয় আৰু এখনি উচ্চ মাধ্যমিক বিদ্যালয় এই গাৱত আছে । গুৰুজনাৰ আদৰ্শৰে প্ৰতিষ্ঠিত এটি নামঘৰত গুৰুধৰ্মৰ ভেটি স্থাপন কৰা হৈছে ।

এই অঞ্চলত বসবাস কৰা চাহ জনজাতি লোকসকলৰ কেইঘৰ মান গৃহস্থীয়ে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শৰে ১৯৯০ চনত 'বালিচাপৰি প্ৰাথমিক শাখা' নামকৰণেৰে এভাগ প্ৰাথমিক শাখা গঠন কৰে। প্ৰাথমিক ভাগ গঠন কৰাত তেখেতসকলে জৰাগুৰি প্ৰাথমিক শাখাৰ সংগী সৰ্বশ্ৰী বুধিন কাকতি, বিপিন হাজৰিকা, শংকৰী বাদ্য বিশাৰদ প্ৰয়াত পুণ্যেশ্বৰ বৰা (বায়ন), পূৰ্বাপৰ প্ৰাথমিক শাখাৰ সংগী ভৱেশ কুমাৰ দত্ত, দৈয়ঙীয়া গাৱঁৰ ৰাজেন বৰা বাপৰ পৰা বিশেষ অনুপ্ৰেৰণা লাভ কৰিছিল। প্ৰাথমিকখনিৰ উদ্যোক্তাসকলৰ ভিতৰত সৰ্বশ্ৰী আচাৰাম ৰবিদাস, ফুকন ৰবিদাস, বুধিন চন্দ্ৰ বৰা, গংগাৰাম ৰবিদাস আৰু চামচ'ৰা ৰবিদাস আদিৰ নাম উল্লেখ কৰিব পাৰি । প্ৰাথমিক শাখাৰ বৰ্ত্তমান গৃহস্থীৰ সংখ্যা ৮ ঘৰ, সংগীৰ সংখ্যা ১৭ জন ।

১৯৯০ চনৰপৰা বৰ্তমানলৈকে প্ৰাথমিক শাখাৰ সভাপতি আৰু সম্পাদক ক্ৰমে সৰ্বশ্ৰী বুধিন চন্দ্ৰ বৰা আৰু ফুকন ৰবি দাস ।

উপ-সভাপতি ঃ শ্ৰীআচাৰাম ৰবিদাস, সহকাৰী সম্পাদক - গংগাৰাম ৰবিদাস, কোষাধ্যক্ষ - শ্ৰীচামচ'ৰা ৰবিদাস, সদস্য - ক্ৰমে সৰ্বশ্ৰী বগাই ৰবিদাস, নিৰ্মল ৰবিদাস ।

# নামলগোৰা প্ৰাথমিক শাখা
## গঠন ঃ ১৯৯০ চন

ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰত অৱস্থিত গোলাঘাট জিলাৰ উত্তৰ-পূব প্ৰান্তত গোলাঘাট মহকুমাৰ মিছামৰা মৌজাৰ তেলীয়া সোণাৰী আৰু খনিকৰ ৰাজহ গাৱঁৰ দুটা অংশ লগ লাগি নামলগোৰা গাঁও গঠিত হৈছে। ম'হবন্ধা আলিয়ে গাঁওখনক সমানে উত্তৰা-দক্ষিণাকৈ দুটা ভাগত ভাগ কৰিছে । নামলগোৰা গাৱঁৰ উত্তৰে দুলীয়া গাঁও, পূবে বাহৰুৱা গাঁও, দক্ষিণে হাবিয়াল গাঁও, পশ্চিমে পেটভৰা, মিছামৰা গাঁও । নামলগোৰা গাৱঁৰ মাটি কালি ২.২৫ বৰ্গ কিলোমিটাৰ । মিছামৰা অঞ্চলৰ একমাত্ৰ আগশাৰীত থকা শিক্ষানুষ্ঠান মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়, নামলগোৰা গাৱঁৰ মাজমজিয়াত অৱস্থিত । ইয়াৰ উপৰি নামলগোৰা বালিকা উচ্চ বুনিয়াদী বিদ্যালয়, খনিকৰ শংকৰদেৱ প্ৰাথমিক বিদ্যালয়, হেম বৰুৱা পুথি ভৰাঁল, মিছামৰা ডাকঘৰ, লক্ষিমী গাৱঁলীয়া বেংক আদি চৰকাৰী অনুষ্ঠান নামলগোৰা গাৱঁৰ মাজমজিয়াত অৱস্থিত ।

বৰ্তমান নামলগোৰা গাৱঁত বাস কৰা ৬৯ ঘৰ গৃহস্থীৰ মাজত আঠটা বংশ আছে । গাঁওখনত দুটা চুবুৰী আছে, যি দুটা চুবুৰী লোকপ্ৰবাদ অনুসৰি নামকৰণ কৰা হয় নামলগোৰা আৰু নাঁওশলিয়া চুবুৰী।

যদিওবা ইতিহাসৰ পাতত নামলগোৰা গাৱঁৰ অতীত বুৰঞ্জী পাবলৈ নাই তথাপিতো পূৰ্বপুৰুষৰ দিনৰ পৰা মৌখিকভাৱে প্ৰচলিত বুৰঞ্জীৰ আধাৰত ভিত্তি কৰি জানিব পৰামতে নামলগোৰা গাৱঁৰ পূৰ্বপুৰুষসকল অসমৰ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বংশৰ ভূঞাসকলৰ বংশধৰ আছিল । এই বংশৰ এজন মহান ব্যক্তিয়ে আহোম স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ ৰাজত্ব কালত ৰাজস্বীকৃত নামঘৰত সেই সময়ৰ সন্মানীয় পদবী 'নামলগোৰা' আসন অলংকৃত কৰিছিল । কিন্তু কালৰ কুটিল গতিত মানৰ অত্যাচাৰত নিজ বংশ আত্মীয়-কুটুম্ব সকলোকে ত্যাগ কৰি বৰ্তমানৰ এই গাৱঁতে আত্মগোপন কৰিছিল । কালক্ৰমত সেই পূৰ্বপুৰুষৰ পৰাই নামলগোৰা বংশৰ উৎপত্তি হয় আৰু সেই বংশৰ নাম অনুসৰিয়েই নামলগোৰা গাৱঁৰ নামকৰণ হৈছে ।

নামলগোৰা গাৱঁৰ সকলো মানুহেই বৈদিক কৰ্মকাণ্ডীয় নীতিৰে চলি আহিছিল । প্ৰায় বিশ বছৰমানৰ আগতে প্ৰয়াত ঠানুৰাম দত্ত, প্ৰয়াত

মাণিক দত্ত, প্ৰয়াত কনকেশ্বৰ দত্ত আদি বিশিষ্ট ব্যক্তিসকলে মহাপুৰুষীয়া ধৰ্মাদৰ্শৰে 'এক শৰণ হৰিনাম ধৰ্ম' গ্ৰহণ কৰিবলৈ আলোচনা কৰিছিল যদিও এনে কাৰ্য্য সম্ভৱ হৈ নুঠিল । পৰৱৰ্তী সময়ত ১৯৯০ চনত এই গাৱঁৰ উনৈশঘৰ গৃহস্থী একগোট হৈ মহাপুৰুষীয়া ধৰ্ম গ্ৰহণ কৰাত গুৰুত্ব দি আলোচনা কৰিলেও সকলো গৃহস্থীক একত্ৰিত কৰিব নোৱাৰি শেষত এইসকলেই 'একশৰণ হৰি নামধৰ্ম' গ্ৰহণ কৰিলে । ১৯৯০ চনৰ ১৩ আহিন তাৰিখে গঠিত নামলগোৱা প্ৰাথমিক শাখাই জিলা সংঘৰপৰা স্বীকৃতি লাভ কৰে । প্ৰাথমিক ভাগ গঠনৰ প্ৰাক্‌মুহূৰ্ত্তত তথা পৰবৰ্তী কাৰ্যক্ৰমণিকাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ প্ৰাক্তন সংস্কৃতি শাখাৰ সম্পাদক, মূল সংঘৰ সদস্য মান্যবৰ শ্ৰীৰোমেশ্বৰ দত্ত আৰু মাধৱদেৱ প্ৰাথমিক শাখাৰ সংগী শ্ৰীহৰ বৰা বাপৰ সহযোগ আৰু দিহা-পৰামৰ্শ প্ৰাথমিক শাখাৰ প্ৰতিগৰাকী সংগীয়ে শ্ৰদ্ধাৰে সোঁৱৰে । নামলগোৱা প্ৰাথমিক গঠন হোৱাৰ পাছত প্ৰাথমিকৰ প্ৰথম সভাপতি প্ৰয়াত উপেন দত্ত আৰু সংগী প্ৰয়াত বাপুৰাম দত্ত, প্ৰয়াত তিলেশ্বৰ দত্ত, প্ৰয়াত মাণিক দত্ত, প্ৰয়াত মুকুৰী দত্ত, প্ৰয়াত আইজনী দত্ত, প্ৰয়াত মলয় দত্ত, প্ৰয়াত বলোৰাম দত্ত, প্ৰয়াত ভাস্কৰ দত্ত সংগীসকল ইহ সংসাৰৰ পৰা বিদায় ল'লে । তেখেতসকলৰ মৃত্যুত প্ৰাথমিকৰ অপূৰণীয় ক্ষতি হ'ল । প্ৰাথমিকৰ সংগীসকলে প্ৰতি বছৰে ভাগৱত পাঠ, ৰাজহুৱা নাম-কীৰ্তন, গুৰুজনাৰ জন্ম জয়ন্তী আৰু আলোচনা চক্ৰ অনুষ্ঠিত কৰি আহিছে । বৰ্তমান প্ৰাথমিকত ২৫ ঘৰ গৃহস্থী আৰু ১২২ গৰাকী সংগী আছে ।

**১৯৯০ চনত গঠিত প্ৰাথমিকৰ বিষয়ববীয়াসকল হ'ল ঃ**

সভাপতি ঃ প্ৰয়াত উপেন দত্ত
উপ-সভাপতি ঃ শ্ৰীযোগেশ্বৰ দত্ত
সম্পাদক ঃ শ্ৰীহিৰণ দত্ত
সহঃ সম্পাদক ঃ শ্ৰীপুলিন দত্ত
,, ,, ঃ শ্ৰীভাৰত বৰা
উপদেষ্টা ঃ শ্ৰীবগাই দত্ত

বৰ্তমান কাৰ্যনিৰ্বাহ কৰি আছে -

উপদেষ্টা ঃ শ্ৰীবগাই দত্ত
সভাপতি ঃ শ্ৰীযোগেশ্বৰ দত্ত
উপ-সভাপতি ঃ শ্ৰীখগেন দত্ত
সম্পাদক ঃ শ্ৰীমুকুণ্ড দত্ত

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

সহঃ সম্পাদক ঃ শ্ৰীপ্ৰদীপ দত্ত

সাংগঠনিক সম্পাদক ঃ শ্ৰীযাদৱ বৰা

কৃষ্টি সম্পাদক ঃ শ্ৰীদীলিপ দত্ত

উৎসৱ সম্পাদক ঃ শ্ৰীঅৰুণ দত্ত

সেৱা বাহিনীৰ নায়ক ঃ শ্ৰীভৈৰৱ বৰা
শ্ৰীঅখিল দত্ত

# খনিকৰ প্ৰদীপ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯০ চন

মিছামৰা মৌজাৰ অন্তৰ্ভুক্ত খনিকৰ এখন ৰাজহ গাঁও । এই গাৱঁৰ উত্তৰে বিশাল বৰটিকা গো-চৰণীয়া পথাৰ । দক্ষিণে চাৰিঙীয়া মোমাই তামুলী বৰবৰুৱাৰ বাৰী, পূবে পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথ আৰু পশ্চিমে দৰিয়াজান । প্ৰায় তিনি কিলোমিটাৰ ব্যাসাৰ্দ্ধৰ এই খনিকৰ ৰাজহ গাৱঁৰ অন্তৰ্ভুক্ত নামলগোৱা গাৱঁৰ একাংশ মিছামৰীয়া, বাৰেঘৰীয়া, বাউৰী লাইন, খনিকৰ বস্তি, পেটভৰা আদি অঞ্চলক লৈ সৰ্বমুঠ জনসংখ্যা প্ৰায় দুই হাজাৰ । গৃহস্থীৰ সংখ্যা প্ৰায় চাৰিশ ঘৰৰ অধিক । এই গাৱঁৰ উত্তৰে থকা খনিকৰ বস্তি প্ৰাথমিক বিদ্যালয়, খনিকৰ বস্তি হাই মাদ্ৰাছা স্কুল, খনিকৰ বস্তি মছজিদ, বাৰেঘৰীয়া, পেটভৰা, মিছামৰীয়া যুৰীয়া গাৱঁৰ নামঘৰৰ উপৰি খনিকৰ মজলীয়া বিদ্যালয়, শ্ৰীশ্ৰীমাধৱদেৱ পুথি ভঁৰাল আদি ৰাজহুৱা অনুষ্ঠান আছে । ম'হবন্ধা আলিয়ে বিভক্ত কৰা খনিকৰ গাৱঁৰ দক্ষিণ অংশত খনিকৰ গাঁও উপস্বাস্থ্য কেন্দ্ৰৰ উপৰি পাঁচটি নামঘৰ আছে । বাপুজী সমাজ কল্যাণ সংঘ নামেৰে এটি অন্যতম অনুষ্ঠান এই অংশত অৱস্থিত । এই অঞ্চলৰ আদি পুৰুষ নৰহৰি খনিকৰৰ স্মৃতিত প্ৰতিষ্ঠিত নৰহৰি প্ৰাথমিক বিদ্যালয় এই অংশৰ শিক্ষা অনুষ্ঠান ।

নৰহৰি খনিকৰ নামৰ আদি পুৰুষ গৰাকীৰ নামেৰেই এই গাঁওখনৰ নামকৰণ হৈছে। এই আদি পুৰুষ গৰাকীৰ স্মৃতি ৰোমন্থন প্ৰতি বছৰে গাৱঁৰ ৰাইজে শ্ৰদ্ধা ভক্তিৰে পালন কৰি আহিছে। গাৱঁৰ অনুষ্ঠানত সবাহ ভাওনা আৰু আহিনৰ পূৰ্ণিমা তিথিত আড়ম্বৰ পূৰ্ণভাৱে উদযাপন কৰা হয় ।

১৯৭৪ চনৰ ৯ ফেব্ৰুৱাৰীত এই গাৱঁত খনিকৰ প্ৰদীপ নামকৰণ কৰি এখনি প্ৰাথমিক শাখা গঠন কৰি জিলাৰ স্বীকৃতি লোৱা হয় । প্ৰয়াত সংঘৰ একান্ত সেৱক মুক্তি যোদ্ধা যোগেন দত্ত আৰু জনহিতৈষী নগেন

বৰুৱা বাপৰ অনুপ্ৰেৰণাতে প্ৰাথমিক শাখাটিয়ে জন্ম লাভ কৰে ।

প্ৰাথমিক গঠনৰ ৰাজহুৱা সভাত সভাপতিত্ব কৰে শ্ৰীযদু হাজৰিকা বাপে । প্ৰয়াত তুলসী বৰাবাপক সভাপতি আৰু শ্ৰীযতীন বৰুৱাবাপক সম্পাদক নিৰ্বাচন কৰি প্ৰাথমিক শাখাটিৰ কাৰ্যনিৰ্বাহক সভা গঠন কৰা হয় ।

ইং ৪/১২/৭৭ তাৰিখে সাংগঠনিক দিশলৈ লক্ষ্য ৰাখি খনিকৰ প্ৰাথমিক শাখা আৰু খনিকৰ প্ৰদীপ প্ৰাথমিক শাখা একত্ৰীকৰণ কৰা হয়। ইয়াৰ সভাপতি আছিল প্ৰয়াত সোণধৰ দত্ত, উপ-সভাপতি শ্ৰীৰূপেশ্বৰ বৰুৱা, সম্পাদক শ্ৰীযতীন বৰুৱা আৰু সহঃ সম্পাদক শ্ৰীবিপিন দত্ত । ইয়াৰ পাছত ১৯৮২ চনত ঢেকীয়াল মলখুকুৰী প্ৰাথমিক শাখাৰপৰা ৪ ঘৰ গৃহস্থী আহি উক্ত প্ৰাথমিকৰ সংগীভুক্ত হয় । ১৯৯০ চনত খনিকৰ প্ৰাথমিক আৰু খনিকৰ প্ৰদীপ প্ৰাথমিক শাখা পুনৰ দুটা শাখাত বিভক্ত হয় । শ্ৰীৰূপেশ্বৰ বৰুৱা আৰু শ্ৰীযতীন বৰুৱাবাপক খনিকৰ প্ৰদীপ প্ৰাথমিক শাখাৰ ক্ৰমে সভাপতি আৰু সম্পাদকৰ দায়িত্ব দিয়া হয়। ১৯৯৪ চনত বাৰেঘৰীয়া গাৱঁৰ তিনিঘৰ গৃহস্থী আৰু মিছামৰা গাৱঁৰ এঘৰ গৃহস্থী খনিকৰ প্ৰদীপ প্ৰাথমিকত সংগীভুক্ত হয় ।

খনিকৰ গাৱঁৰ ঐতিহ্য আছে । এই গাৱঁতে মহাপুৰুষ দুজনাৰ ৰচিত হাতে লিখা প্ৰাচীন অসমীয়া আখৰৰ খনিকৰ পুথি "কীৰ্ত্তন ঘোষা' আছে। লোক সমাজে আজিও এই ভাগি পুথিক শ্ৰদ্ধাৰে আদৰ সম্ভাষণ জনাই আহিছে । খনিকৰ গাৱঁৰ পৰাই দেশৰ বিভিন্ন শিক্ষা অনুষ্ঠান আৰু চৰকাৰী প্ৰতিষ্ঠানত গুৰু দায়িত্বৰে উচ্চ পদবীত চাকৰি কৰা ব্যক্তি ওলাই গৈছে। জনহিতৈষী নগেন বৰুৱাই এই গাৱঁৰ পৰাই অসম বিধান সভালৈ দুটা কাৰ্যকালৰ বাবে বিধায়ক হিচাপে প্ৰতিনিধিত্ব কৰিছিল ।

১৯৭৪ চনৰপৰা খনিকৰ প্ৰদীপ প্ৰাথমিকৰ সভাপতি সম্পাদকসকল-

**সভাপতিসকল ক্ৰমে ঃ** প্ৰয়াত তুলসী বৰা, শ্ৰীৰূপেশ্বৰ বৰুৱা, শ্ৰীদেবেশ্বৰ বৰা, শ্ৰীদেবেশ্বৰ দত্ত, শ্ৰীযতীন বৰুৱা (বৰ্তমান) ।

**সম্পাদকসকল ক্ৰমে ঃ** সৰ্বশ্ৰী যতীন বৰুৱা, বিপুল বৰা, পুতুল বৰুৱা (বৰ্তমান), যতীন বৰুৱা বাপে ১৯৬১ চনত গোলাঘাট জিলা শাখাৰ সহকাৰী সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল ।

প্ৰাথমিক গঠনৰ কাৰ্যকাল পঁচিশ বছৰ সম্পূৰ্ণ হোৱাত ২০০০ চনৰ মাৰ্চ মাহত প্ৰাথমিক শাখাই ৰূপালী জয়ন্তী উদযাপন কৰে ।

# সোণালীপুৰ মাধৱদেৱ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯০ চন

গোলাঘাট জিলাৰ অন্তৰ্গত ৰঙামাটি চাহ বাগানত সোণালীপুৰ শংকৰ-মাধৱ প্ৰাথমিক শাখা অৱস্থিত। চাহ জনজাতি অধ্যুষিত এই বিশাল চাহ বাগানত বিভিন্ন সম্প্ৰদায়ৰ লোকে বাস কৰে। এইখন বাগানত সৰু-বৰ কেইবাটাও নামঘৰ আছে। ইয়াৰ ভিতৰত সোণালীপুৰ নামঘৰক কেন্দ্ৰ কৰি ৰবিদাস সম্প্ৰদায় লোকসকলক লৈ ১৯৯০ চনৰ তিনি মাঘত এখনি ধৰ্মালোচনী সভা অনুষ্ঠিত কৰা হয়। এই সভাত সভাপতিত্ব কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘ গোলাঘাট জিলা শাখাৰ কাৰ্য্যনিৰ্বাহকৰ সদস্য শ্ৰীভৱেশ কুমাৰ দত্ত বাপে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংস্কৃতি শাখাৰ সম্পাদক বিশিষ্ট সমাজসেৱক শ্ৰীদণ্ডেশ্বৰ বৰুৱা আৰু গুৰু জনাৰ একান্ত সেৱক বায়নশিল্পী প্ৰয়াত পুণ্যেশ্বৰ বৰা বাপে অংশ গ্ৰহণ কৰি জগত গুৰু শ্ৰীমন্ত শংকৰদেৱ গুৰু জনাই প্ৰতিষ্ঠা কৰা বৃহত্তৰ অসমীয়া জাতিৰ অংশীদাৰ হিচাপে চাহজনগোষ্ঠীৰ লোকসকলে পৰিচয় দি কৃষ্ণ সংস্কৃতিৰে মহীয়ান হ'বলৈ আহবান জনাই। হৰিনাম ধৰ্ম পালন কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘত অন্তৰ্ভুক্ত হ'বলৈ সভাই সৰ্বসন্মত এটি প্ৰস্তাৱ গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত সোণালীপুৰ শংকৰ-মাধৱ নামেৰে এটি প্ৰাথমিক শাখা গঠন কৰা হয়। এই প্ৰাথমিক শাখাৰ সংগীসকলৰ বৃত্তি চাহ বাগানৰ দৈনন্দিন হাজিৰা কাম। সংগী শ্ৰীযোগেন ৰবিদাস ৰঙামাটি বাগানৰ সভাপতি। তেখেতৰ পৰিযত্নতে ৰবিদাস সম্প্ৰদায়ৰ সমাজখনৰ পৰম্পৰা কু-সংস্কাৰ আৰু অন্ধবিশ্বাসবোৰ নিৰ্মূল কৰাৰ বাবে সংস্কাৰমূলক জনমত গঢ়ি তোলা হয়। সংগী শ্ৰীসমিৰ ৰবিদাস এগৰাকী শিক্ষক আৰু চিত্ৰ শিল্পী। তদুপৰি তেখেত এগৰাকী বায়ন শিল্পী হিচাপে গুৰুধৰ্ম সংস্কৃতিৰ বহুল প্ৰচাৰক। প্ৰাথমিক শাখাটিৰ সংগীৰ গৃহস্থীৰ সংখ্যা ১৪ ঘৰ। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাংবিধানিক নীতি-নিয়ম অনুসৰি শৰণ গ্ৰহণ কৰি গুৰুজনাৰ আদৰ্শত হৰিনাম ধৰ্ম পালন কৰিছে। সংগীৰ সংখ্যা বৃদ্ধিৰ বাবে প্ৰচাৰ সংগঠনৰ কাৰণে প্ৰাথমিক শাখাৰ সহযোগত জিলা প্ৰচাৰ সমিতিয়ে এই বাগানত কেইবাখনো ধৰ্মালোচনী সভা অনুষ্ঠিত কৰা হৈছে। মূল সংঘৰ প্ৰচাৰক শ্ৰীবিপুল নাইডু, গোলাঘাট জিলা প্ৰচাৰ সমিতিৰ সভাপতি

শ্ৰীদণ্ডেশ্বৰ বৰুৱা, সম্পাদক শ্ৰীথানেশ্বৰ হাজৰিকা, মূল সংঘৰ প্ৰচাৰ সমিতিৰ সভাপতি শ্ৰীচন্দ্ৰ হাজৰিকা, জিলা প্ৰচাৰ সমিতিৰ সদস্য শ্ৰীচৰিত্ৰ ৰবিদাস আৰু শ্ৰীভবেশ কুমাৰ দত্ত, পুব আঞ্চলিক শাখাৰ সম্পাদক শ্ৰীসোমেশ্বৰ কুৰ্মী আদি বাপসকলে এই বাগানত সংঘৰ ব্যাপক প্ৰচাৰ কাৰ্য্যত ব্ৰতী হৈছে । আৰম্ভণিৰ পৰা প্ৰাথমিক শাখাৰ বিষয়ববীয়া ক্ৰমে সৰ্বশ্ৰী যোগেন ৰবিদাস, সুৰেন ৰবিদাস আৰু সমিৰ দাস ।

# মলাই কুমাৰ নিৰাময় প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯২ চন

মলাই কুমাৰ গাওঁৰ ইতিবৃত্ত নিৰঞ্জন প্ৰাথমিক শাখাৰ ইতিবৃত্তত সনিবিষ্ট কৰা হৈছে । মলাই কুমাৰ গাওঁৰ একাংশ লোকে কৰ্মকাণ্ড ত্যাগ কৰি সম্পূৰ্ণ নাম কীৰ্ত্তনেৰে অনুষ্ঠান সম্পাদন কৰিবলৈ আৰম্ভ কৰে । এই খেলটোৰ দুই-চাৰিগৰাকী ব্যক্তিয়ে কৰ্মকাণ্ডীয় নীতি-নিয়মৰ সম্পৰ্কত স্থানীয় মলাই কুমাৰ নিৰঞ্জন প্ৰাথমিক শাখাৰ দুই এগৰাকী সংগীৰ লগত বিশেষভাৱে আলোচনা কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মতাদৰ্শ তথা গুৰুজনাৰ শুদ্ধ সত্ৰ ধৰ্মাদৰ্শৰ ওপৰত সম্পূৰ্ণ আস্থা ভাজন হৈ সংঘৰ প্ৰতি আকৃষ্ট হয় । সংঘৰ সংবিধান, বিবাহ বিধি, অশৌচ পদ্ধতি, নাম প্ৰসংগ আদি পুস্তিকাসমূহ অধ্যয়ন কৰি সংঘভুক্ত হোৱাৰ ঐক্য মত পোষণ কৰে।

উল্লেখযোগ্য যে, এই প্ৰাথমিকৰ অন্যতম সংগী শ্ৰীঘনকান্ত বৰাই সেই সময়ৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ মাননীয় শ্ৰীমোহন মহন্ত বাপৰ লগত চিঠিৰে আদান-প্ৰদান কৰাত পদাধিকাৰ বাপৰ সু-পৰামৰ্শত এই গাওঁৰ প্ৰায় ১৫ ঘৰমান গৃহস্থী সংঘৰ অন্তৰ্ভুক্ত হ'বলৈ মনস্থ কৰে । সেই অৰ্থে ১৯৯২ চনত নিৰঞ্জন প্ৰাথমিকৰ সংগীসকলক লৈ গোলাঘাট জিলা শাখাৰ প্ৰাক্তন সম্পাদক শ্ৰীযুত হেম শইকীয়া বাপৰ সভাপতিত্বত এখনি আলোচনা চক্ৰ দিয়া হয় । নিৰঞ্জন প্ৰাথমিকৰ সংগী সৰ্বশ্ৰী প্ৰমোদ হাজৰিকা, বোধেশ্বৰ কাকতি আদিৰ পৰামৰ্শ অনুসৰি জিলা শাখাৰ উপস্থিতিত বিষয়ববীয়া সকলৰ মলাই কুমাৰ গাওঁৰ নামঘৰক কেন্দ্ৰ কৰি এই অঞ্চলত মলাই কুমাৰ নিৰাময় প্ৰাথমিকৰ শাখা নামকৰণে এটি শাখা গঠন কৰি দিয়ে । প্ৰাথমিক শাখাৰ সংগী শ্ৰীযুত চেনিৰাম হাজৰিকা আৰু শ্ৰীযুত ঘনকান্ত বৰাক সভাপতি আৰু সম্পাদকৰ দায়িত্ব দি এখন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয় ।

১৯৯২ চনৰ পৰা বৰ্তমানলৈকে প্ৰাথমিক শাখাৰ সভাপতি আৰু সম্পাদকসকলৰ নাম ঃ

**সভাপতিসকল ঃ** শ্ৰীচেনিৰাম হাজৰিকা, শ্ৰীপ্ৰদীপ বৰা

**উপ-সভাপতিসকল ঃ** শ্ৰীচেনি হাজৰিকা, শ্ৰীতিপাই হাজৰিকা

**সম্পাদকসকল ঃ** শ্ৰীঘনকান্ত বৰা, শ্ৰীপৱন হাজৰিকা, শ্ৰীঘনকান্ত বৰা (বৰ্তমান কাৰ্য্যকালত) ।

প্ৰাথমিকৰ বিশিষ্ট সংগীৰ ভিতৰত অন্যতম সংগী শ্ৰীচেনিৰাম হাজৰিকা শাখাৰ প্ৰতিষ্ঠাপক সভাপতি। তেখেতে নাম-প্ৰসংগ, হীৰানাম আদিৰ গুৰি ধৰোতা । 'ভক্তি মাৰ্গ'ৰ তত্ত্ব থকা এগৰাকী সাত্ত্বিক লোক । শ্ৰীপৱন চন্দ্ৰ হাজৰিকা প্ৰাথমিক শাখাখনিৰ আৰম্ভণিৰ পৰা সংগঠনৰ দিশত গুৰি ধৰোতা ব্যক্তি । প্ৰাথমিকৰ সম্পাদক হিচাপে তেখেতে কাৰ্য্যনিৰ্বাহ কৰিছিল । তেখেত এগৰাকী হোমিঅ'পেথিক চিকিৎসক । প্ৰাথমিকৰ অন্যতম সংগী শ্ৰীঘনকান্ত বৰাদেৱে প্ৰচাৰ-প্ৰসাৰত উল্লেখনীয় বৰঙণি আগবঢ়াই আহিছে । তেখেত এগৰাকী চৰকাৰী কৰ্মচাৰী । সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছে । শ্ৰীপ্ৰদীপ হাজৰিকা এগৰাকী নিষ্ঠাবানকৰ্মী । সভাপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছে । উপ-সভাপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰি অহা সৰ্বশ্ৰী চেনি হাজৰিকা আৰু টিপাই হাজৰিকাৰ বৰঙণি উল্লেখযোগ্য । প্ৰাথমিকৰ যুৱক-যুৱতীসকলে মূল সংঘৰ আঁচনিভুক্ত সেৱাবাহিনী, শিশু সমাৰোহ, যুৱ সমাৰোহ, আইমাতৃ সমাৰোহৰ কাৰ্যসূচীত সক্ৰিয় সহযোগ আগবঢ়োৱা পৰিলক্ষিত হৈছে ।

## ৩ নং শ্ৰীমন্ত প্ৰাথমিক শাখা, বাহকৰা গাঁও

### গঠন ঃ ১৯৯৩ চন

১৯৮৪ চনত বাহকৰা গাৱঁত গঠিত হোৱা ৰামকৃষ্ণ প্ৰাথমিক শাখাটিৰেই দ্বিখণ্ডিত হৈ ১৯৯৩ চনত শ্ৰীমন্ত প্ৰাথমিক শাখাটিৰ সৃষ্টি হয়। বৰ্তমান অৱস্থাত প্ৰাথমিক শাখাৰ গৃহস্থী তথা সংগীৰ সংখ্যা ক্ৰমে ১৩ ঘৰ আৰু ২৩ জন । প্ৰায়বিলাক সংগীয়েই খেতিৰ ওপৰতে নিৰ্ভৰশীল । আৰ্থিকভাৱে টনকিয়াল নহয় । সৰ্বশ্ৰী শিশুৰাম শইকীয়া, ইন্দ্ৰ দত্ত, গোবিন দত্ত, ধীৰেন বাজখোৱা আদি ব্যক্তিসকলে প্ৰাথমিক শাখাটি গঠনত যথেষ্ট অৰিহণা যোগাইছিল ।

প্ৰাথমিক শাখাটি গঠনৰপৰাই সংগী বাপ, আই মাতৃ, তথা সেৱক-সেৱিকাসকলে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শ মানি সাধ্যানুসাৰে গুৰুধৰ্ম প্ৰচাৰ-প্ৰসাৰত ব্ৰতী হৈছে । বাহৰুৱা গাঁও স্থিত তিনিওখন প্ৰাথমিক একত্ৰিত হৈ প্ৰতি বছৰে গুৰু জনাৰ জন্ম-জয়ন্তী ভাগ উদযাপন কৰি আহিছে । বিশেষকৈ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন পদাধিকাৰ শ্ৰীযুত মোহন মহন্ত বাপৰ হৃদয়স্পৰ্শী, তত্ব গধুৰ ভাষণৰ দ্বাৰা অনুপ্ৰাণীত হৈ গাৱঁৰ বহুলোক সংঘমুখী হয় ।

প্ৰাথমিক শাখাটি গঠিত হোৱাৰে পৰা বা তাৰ বহু আগৰে পৰাই কেইবাজনো ব্যক্তিয়ে গুৰুধৰ্ম তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ-নীতি-আদৰ্শ প্ৰচাৰ-প্ৰসাৰত আত্মনিয়োগ কৰা দেখা গৈছে ।

**শ্ৰীশিশুৰাম শইকীয়া ঃ** এজন কৃষিজীৱী লোক । বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত । প্ৰাথমিক শাখাটি জন্মৰে পৰা বৰ্তমানলৈকে সভাপতিৰ দায়িত্ব বহন কৰি আছে । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এজন একনিষ্ঠ সংগী ।

**শ্ৰীইন্দ্ৰকান্ত দত্ত ঃ** ভাৰতীয় খাদ্য নিগমৰ এজন কৰ্মচাৰী । গুৰুজনাৰ একান্ত সেৱক আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এজন একনিষ্ঠ সংগী ।

**শ্ৰীগোবিন দত্ত ঃ** ক'অপাৰেটিভ বেংকৰ মেনেজাৰ । প্ৰাথমিক শাখাৰ আৰম্ভণিৰে পৰা বৰ্তমানলৈকে সম্পাদকৰ দায়িত্বত আছে ।

**শ্ৰীযোগেন বৰা ঃ** এজন কৃষক লোক । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এজন নিষ্ঠাবান সংগী ।

**আৰম্ভণিৰে পৰা বৰ্তমানলৈকে সভাপতিয়সম্পাদকসকল ঃ**

**সভাপতি ঃ** শ্ৰীশিশুৰাম শইকীয়া

**সম্পাদক ঃ** শ্ৰীগোবিন চন্দ্ৰ দত্ত

## কলাপাম প্ৰগতি প্ৰাথমিক শাখা (গোলাঘাট)

### গঠন ঃ ১৯৯৩ চন

প্ৰথম ১৯৮৮ চনৰ মে মাহত কলাপাম গাৱঁত 'নাৰায়ণ প্ৰাথমিক শাখা' নামকৰণেৰে ন ঘৰ গৃহস্থী আৰু বিশ জন সংগীৰে এখনি প্ৰাথমিক গঠন হয় । কিন্তু দুৰ্ভাগ্যবশত ঃ প্ৰাথমিকখন ৪/৫ বছৰৰ পিছত অচল

হোৱাত পুনৰ ইং ১০/২/৯৩ তাৰিখে এখনি সাধাৰণ সভা আহবান কৰি "কলাপাম প্ৰগতি প্ৰাথমিক" নামেৰে নতুন নামকৰণ কৰি দহ ঘৰ গৃহস্থী আৰু পঁচিশ জন সংগীৰে এটি শাখা গঠন কৰা হয় । উক্ত প্ৰাথমিকৰ সভাপতি শ্ৰীদেৱেন্দ্ৰ নাথ দত্ত বাপ আৰু উপ-সভাপতি শ্ৰীকেশৱ শইকীয়া বাপক নিৰ্বাচিত কৰা হয় । সম্পাদক শ্ৰীজীৱন জ্যোতি দত্ত আৰু সহকাৰী সম্পাদক শ্ৰীউপেন শইকীয়া নিৰ্বাচিত কৰা হয় ।

ইয়াৰ পিছত পুনৰ ২২/১২/৯৪ তাৰিখে পুৰণা কমিটীয়ে পদত্যাগ কৰাত নতুন কমিটী গঠন কৰা হয় । উক্ত কমিটীয়ে শ্ৰীভীমকান্ত দত্তক প্ৰাথমিকৰ সভাপতি নিৰ্বাচিত কৰে আৰু উপ-সভাপতি হিচাপে শ্ৰীযুত কেশৱ শইকীয়াক নিৰ্বাচিত কৰে । সম্পাদক পদৰ বাবে শ্ৰীজীৱন জ্যোতি দত্ত আৰু সহঃ সম্পাদকৰ বাবে শ্ৰীউপেন শইকীয়াক নিৰ্বাচিত কৰে ।

পুনৰ ইং ১৮।৫।৯৮ তাৰিখে এখনি ৰাজহুৱা সভাত পুৰণা সম্পাদকে তেওঁৰ পদ ইস্তফা দিয়াত নতুন সম্পাদক হিচাপে শ্ৰীপ্ৰফুল্ল দত্তক বাইজে নিৰ্বাচিত কৰে । সভাপতি আৰু উপ-সভাপতি আগৰ দৰেই বাহাল ৰখা হয় । বৰ্তমান কলাপাম প্ৰগতি প্ৰাথমিক শাখাৰ গৃহস্থী সংখ্যা মুঠ ১১ ঘৰ আৰু সংগীৰ সংখ্যা হ'ল ২৭ জন ।

# বনগাওঁ শ্ৰীকৃষ্ণ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৩ চন

গোলাঘাট নগৰৰ পৰা ৫ কিলোমিটাৰ উত্তৰত অৱস্থিত বনগাঁও এখন সৰু গাঁও । এই গাঁওখনি মান ভগনত ভাগি অহা লোকসকলৰে গঠিত বুলি প্ৰবাদ আছে । সেই সকলৰ ভিতৰত আহোম, চুতিয়া, সুত আৰু কৈৱৰ্ত্ত সম্প্ৰদায়ৰ লোক বেছি আছিল । এতিয়া এই কেইটা সম্প্ৰদায়ৰ ভিতৰত চুতিয়া, সুত আৰু কৈৱৰ্ত্ত সম্প্ৰদায়ৰ লোকসকল এই গাৱঁত আছে । আহোম সম্প্ৰদায়ৰ লোকসকল বৰপথাৰ কৰদৈ গুৰিলৈ উঠি যায় । 'বনভকত' নামে জনৈক কৈৱৰ্ত্ত লোকৰ নাম অনুসৰি বনগাঁও হ'ল বুলি শুনা যায় । ডঃ মোহিনী কুমাৰ শইকীয়াদেৱে বন বিভাগৰ কাৰ্য্যালয় থকা বাবে বন গাঁও হৈছে বুলি এখন স্মৃতি গ্ৰন্থত প্ৰকাশ কৰিছে । এই গাৱঁৰ জনসংখ্যা আনুমানিক ১৫০০ ৰো বেছি । এই গাৱঁত চুতিয়া, কৈৱৰ্ত্ত আৰু সুতসকলৰ ৩ টা নামঘৰ আছে । গাৱঁৰ বেছি সংখ্যক

লোক খেতিয়ক । শতকৰা ১০ জন চাকৰিয়াল আৰু শতকৰা ১০ জন ব্যৱসায়ী লোকো আছে । কেইবাজনো ব্যক্তি এই গাৱঁৰ এসময়ৰ নামজ্বলা লোক আছিল। স্বৰ্গীয় জয়নাথ বৰা, পোষ্টমাষ্টৰ স্বৰ্গীয় বেণু পণ্ডিত, স্বৰ্গীয় লাহ সুত, মুক্তি যোদ্ধা, স্বৰ্গীয় দণ্ডধৰ বৰা, শিক্ষক, হোমিও পেথিক চিকিৎসক, স্বৰ্গীয় মণিকা বৰা, স্বৰ্গীয় নন্দনাথ বৰা, স্বৰ্গীয় মুহিধৰ তামুলী, স্বৰ্গীয় চক্ৰধৰ বৰা, স্বৰ্গীয় নীলকান্ত বৰা (ওজা) আদি । গুৰু ধৰ্মৰ প্ৰতি অনুৰাগী ব্যক্তিসকলৰ ভিতৰত স্বৰ্গীয় গোপীকান্ত বৰা আৰু তেখেতৰ পুত্ৰ স্বৰ্গীয় দণ্ডধৰ বৰাই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি মতে বিবাহ কৰাইছিল। প্ৰথম অৱস্থাত কেইবাজনো লোকে সংঘৰ শৰণীয়া হৈও সমাজৰ হেঁচাত পুনৰ কৰ্ম কাণ্ডলৈ যাব লগা হয় । এসময়ত নামঘৰত ভাগৱত পাঠ আৰু সভা-সমিতি আদি হৈছিল । শ্ৰীৰূপেশ্বৰ তামুলী আৰু শ্ৰীডিম্বেশ্বৰ তামুলী এইসকল লোকে আগ-ভাগ লৈছিল । শ্ৰীডিম্বেশ্বৰ তামুলীয়ে সংঘৰ শৰণ গ্ৰহণ কৰিও পাছত সমাজৰ হেঁচাত কৰ্মকাণ্ড মতে বিবাহ কৰাই । শ্ৰীৰেৱকান্ত বৰাই (বৰ্তমান প্ৰাথমিকৰ সভাপতি) সমাজৰ মতক উলংঘা কৰি সংঘ মতে বিবাহ কৰায় । শ্ৰীচিদা তামুলীয়েও সংঘ মতে বিয়া কৰাই পুনৰ কৰ্ম কাণ্ডলৈ যায় । কিন্তু গুৰু জনৰ কৃপাত শ্ৰীৰেৱকান্ত বৰা অচল অটল ভাৱে একে নীতিতে থাকে । পিছে কালক্ৰমত ১৯৯৩ চনৰ মাৰ্চ মাহত এই প্ৰাথমিক শাখাটি গঠন হয় । শ্ৰীৰূপেশ্বৰ তামুলী, শ্ৰীডিম্বেশ্বৰ তামুলী আৰু শ্ৰীৰেৱ বৰাই ইয়াৰ গুৰি ধৰে । প্ৰাথমিক গঠন কৰি শৰণ কাৰ্য্য সম্পূৰ্ণ কৰে । বৰ্তমান সভাপতি শ্ৰীৰেৱকান্ত বৰা আৰু সম্পাদক শ্ৰীচিদানন্দ তামুলী ।

## অৰুণজ্যোতি প্ৰাথমিক শাখা বালিদোৱাৰ গাঁও

### গঠন ঃ ১৯৯৩ চন

মিছামৰা মৌজাৰ অন্তৰ্গত বালিদোৱাৰ এখন ৰাজহ গাঁও । এসময়ত ইকৰা-খাগৰিৰে পৰিপূৰ্ণ, নদী-বিলৰ চেৰাসূতীৰ বালিৰে ভৰা এই গাঁও কালক্ৰমত বালিদোৱাৰ গাঁও নামে জনাজাত হ'ল । মিছামৰা মৌজাৰ বিভিন্ন গাৱঁৰ পৰা কৃষকসকলে এই ঠাইলৈ আহি ইকৰা-খাগৰি কাটি মাটিখিনি খেতিৰ উপযোগী কৰে আৰু এই অঞ্চলত স্থায়ী ভাৱে বসবাস কৰিবলৈ লয় ।

### গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

বালিদোৱা গাৱঁত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একাধিক প্ৰাথমিক শাখা গঠন হয় । ১৯৯৩ চনত জিলা শাখাৰ বিষয়ববীয়াসকলৰ অনুপ্ৰেৰণাত অৰুণজ্যোতি প্ৰাথমিক শাখা গঠন হয় । গাঁওখনত গৃহস্থীৰ সংখ্যা কম । সকলো মানুহেই কৃষিৰ ওপৰত নিৰ্ভৰশীল । আৰ্থিক অৱস্থা স্বচ্ছল নহয়। প্ৰাথমিকৰ বৰ্তমান গৃহস্থীৰ সংখ্যা ৮ ঘৰ, সংগীৰ সংখ্যা ২০ জন ।
প্ৰাথমিকৰ বিষয়ববীয়াসকল ঃ

**সভাপতিসকল ঃ** শ্ৰীপোনা হাজৰিকা, শ্ৰীপ্ৰদীপ বৰা, শ্ৰীঅকন্তি বৰা, শ্ৰীঅকণমান বৰা (বৰ্তমান) ।

**সম্পাদকসকল ঃ** শ্ৰীনিৰঞ্জন বৰা, শ্ৰীঅৰূপ হাজৰিকা, শ্ৰীৰঞ্জীত বৰা (বৰ্তমান ) ।

প্ৰাথমিকখনত সংগী গৃহস্থীৰ সংখ্যা আশানুৰূপ নহয় যদিও ভৱিষ্যতে বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে ।

## কাকতি ন-পমুৱা প্ৰাথমিক শাখাৰ
### গঠন ১৯৯৩ চন

ইং ১৯৯৩ চনৰ ২৫ ডিচেম্বৰত বেতিয়নী কাকতি গাৱঁৰ ন-পমুৱা নামঘৰত প্ৰয়াত ফটিক চন্দ্ৰ হাজৰিকাদেৱৰ সভাপতিত্বত এখনি সভা অনুষ্ঠিত হয় । উক্ত সভাৰ সিদ্ধান্ত মৰ্মে ১৫ ঘৰ গৃহস্থীৰ ২৫ জন সংগীৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কাকতি ন-পমুৱা প্ৰাথমিক শাখা গঠন কৰা হয়। উক্ত প্ৰাথমিক শাখাৰ সভাপতি হিচাপে প্ৰয়াত ফটিক চন্দ্ৰ হাজৰিকা আৰু সম্পাদকৰ পদত শ্ৰীবিতুল বৰাক নিৰ্বাচিত কৰা হয় । ১৯৯৪ চনত এই প্ৰাথমিক শাখাই স্বীকৃতি লাভ কৰে । প্ৰয়াত হাজৰিকা দেৱ ১৯৯৮ চনলৈকে এই প্ৰাথমিক শাখাৰ সভাপতি পদত আছিল । ১৯৯৮ চনৰ ২৩ অক্টোবৰত হাজৰিকাদেৱৰ পৰলোক হোৱাত আৰু শ্ৰীবিতুল বৰাই সম্পাদকৰ পদৰপৰা অব্যাহতি লোৱাত কিছুদিনৰ বাবে অস্থায়ী হিচাবে শ্ৰীতৰুণ চন্দ্ৰ হাজৰিকাই সভাপতিৰ পদত আৰু শ্ৰীনাৰায়ণ বৰাই সম্পাদকৰ দায়িত্ব পালন কৰিছিল ।

১৯৯৯ চনৰ ১০ জানুৱাৰীত অনুষ্ঠিত হোৱা প্ৰাথমিকৰ সাধাৰণ সভাত এখনি নতুন সমিতি গঠন কৰা হয় । উক্ত সমিতিৰ সভাপতিৰ বাবে শ্ৰীদিৱাকৰ বৰা আৰু সম্পাদকৰ দায়িত্ব শ্ৰীসুৰেশ হাজৰিকাক দিয়া হয় । বৰ্তমানে প্ৰাথমিক শাখাৰ গৃহস্থীৰ সংখ্যা ২১ ঘৰ আৰু সংগীৰ সংখ্যা ৪৫ জন ।

# ভাবলী গাঁও শ্ৰীমন্ত প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৪ চন

পুৰণি কালত ৰজাসকলে দেশ শাসন কৰোঁতে শাসনৰ সুবিধাৰ্থে কিছুমান বিষয়াৰ নাম দিছিল । সেই বিষয়াসকলৰ নাম অনুসৰিয়েই কালক্ৰমত একোটা চুক বা একোখন গাৱঁৰ নামৰ উৎপত্তি হয় । তেনে ধৰণে ৰজাই প্ৰজাৰ বিচাৰ কৰিবৰ কাৰণে এজন বিষয়া নিয়োগ কৰিছিল। সেই বিষয়াৰ নাম 'ভাবলী' ৰাখিছিল । এই বিষয়াৰ নাম অনুসৰি ঠাইখন ভাবলী নামেৰে জনাজাত হয় । এই গাৱঁৰ পূবে হেমচন্দ্ৰ গোস্বামী পথ, পশ্চিমে মলাই কুমাৰ গাঁও, বাহঝৰা গাঁও । উত্তৰে বঙাল গাঁও আৰু দক্ষিণে ঢেকীয়াল মৌজা । এই গাৱঁৰ এলেকাত বৰুৱা বামুণ গাঁও চেনিকল, এটা ৰাজ্যিক বেংক, এটা ডাকঘৰ, এটা তেল ডিপু, এটা কুঁহিয়াৰ গৱেষণা কেন্দ্ৰ, এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়, এখন প্ৰাইমেৰী বিদ্যালয় আৰু এটা নাট্য মন্দিৰ আছে । এই গাৱঁৰ সমীপতে বৰুৱা বামুণ গাঁও ৰেল ষ্টেচন ।

এই গাৱঁৰ অধিক সংখ্যক লোকেই কৃষিজীৱী । কেইবাগৰাকী লোক চৰকাৰী আৰু বে-চৰকাৰী বিভাগত চাকৰি কৰি আছে । গাৱঁত বিভিন্ন ধৰ্মাৱলম্বী লোক আছে । তদুপৰি শ্ৰীমন্ত শংকৰদেৱৰ প্ৰৱৰ্তিত এক শৰণ হৰিনাম ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ ১৯৭২ চনত দুই এগৰাকী মানুহে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংগী পদ গ্ৰহণ কৰিছিল । সংঘৰ নীতি আদৰ্শেৰে ইং ১৯৯৪ চনত এই গাৱঁত "শ্ৰীমন্ত প্ৰাথমিক শাখা" গঠন কৰা হয় । এই প্ৰাথমিক ভাগি গঠন কৰাত এই গাৱঁৰ উদ্যোগী ব্যক্তি সমাজ সেৱক শ্ৰীভোলা বৰা, শ্ৰীনবীন বৰা আৰু শ্ৰীদিলীপ বৰাৰ ভূমিকা উল্লেখযোগ্য ।

প্ৰাথমিক গঠনৰ ক্ষেত্ৰত গোলাঘাট জিলা শাখাৰ সহঃ সম্পাদক শ্ৰীগোলাপ শইকীয়া বাপৰ সভাপতিত্বত ইং ২৬।২।৯৪ তাৰিখে এখন সভা অনুষ্ঠিত হয় । সেই সভাত গাৱঁৰ একাংশ সংগীয়ে শুদ্ধ সত্ত্ব গুৰু ধৰ্ম পালনত ব্ৰতী হোৱাৰ প্ৰতিশ্ৰুতি দিয়ে । সভাত প্ৰাথমিক ভাগ পৰিচালনাৰ কাৰণে এখন কাৰ্যনিৰ্বাহক সভা গঠন কৰি জিলা শাখাৰ অনুমোদনৰ কাৰণে প্ৰেৰণ কৰে ।

# কাকতি গুৱাল প্ৰাথমিক শাখা(বেতয়নী কাকতি গাঁও)

## গঠন ঃ ১৯৮১ চন

গোলাঘাট জিলা, ঢেকীয়াল মৌজাৰ অন্তৰ্গত বেতীয়ণী কাকতি গাঁও। গোলাঘাট নগৰৰ পৰা প্ৰায় ৮ কিলোমিটাৰ উত্তৰ দিশত অৱস্থিত। গাঁওখনৰ সম্পূৰ্ণ ঠিকনা ঃ বেতীয়ণী কাকতি গাঁও, ডাক বেতীয়ণী -৭৮৫৬২২। গাঁৱৰ মাটি কালি ৪০৭২ বিঘা। পূবে নৱাকোঁৱৰ গাঁও, পশ্চিমে অকা গাঁও, ডেকা ডোলাকাষৰীয়া, উত্তৰে চাবিঙ্গীয়া, সন্দিকৈ গাঁও, দক্ষিণে নৱা গাঁও।

কাকতি গাঁৱৰ নামটো উৎপত্তি সম্পৰ্কে জনা যায় যে আহোম ৰাজত্বৰ শেষৰফালে শিৱসাগৰ চাবিঙৰ পৰা তিনিঘৰ কাকতি ফৈদৰ, অভয়পুৰীয়াৰ পৰা চলিহা আৰু দুৱৰা কাকতি লোক আহি এই অঞ্চলত বসবাস কৰে। এই কাকতি পৰিয়ালৰ বংশৰ পৰা কাকতি গাঁও নামটো জনাজাত হয়। বৰ্ত্তমান কাকতি, ফুকন, বৰদলৈ, কৈৱৰ্ত্ত, কোঁচ, সম্প্ৰদায়ৰ লোকৰে ভৰপূৰ। নপমুৱা, কমলাবৰীয়া, গুৱালৰ চুক আৰু চাবিঙ্গীয়া কেইঘৰমান গৃহস্থীক লৈ কাকতি গাঁও গঠিত। কালক্ৰমত এই চুক বিলাক একোখন গাঁৱলৈ উন্নীত হয়।

গুৱাল গাঁও উৎপত্তি সম্পৰ্কে জনা যায় ১৮৮০ চন মানত চাবিঙ্গীয়া খণ্ডত এজন বজাঘৰীয়া ঢেকীয়াল ফুকনৰ ঘৰ আছিল। ঢেকীয়াল ফুকনৰ ঘৰত জুবাম নামৰ এজন লোকে গৰু,ম'হৰ গুৱাল আছিল। পৰৱৰ্ত্তী সময়ত এই গুৱালজন ঢেকীয়াল ফুকনৰ ঘৰৰ পৰা আহি ঘৰ বাৰী পাতি গৃহবাস কৰিবলৈ ল'লে। 'জুবাম' আছিল ভক্তি ভাৱ সম্পন্ন লোক। কাকতি চাবিঙ্গীয়া খণ্ডৰ মাজত থকা চৰকাৰি ভূমিত দুই এঘৰ গৃহস্থীৰ সহযোগত জুবামে এটি নামঘৰ নিৰ্মাণ কৰিছিল। নামঘৰৰ নাম 'গুৱালৰ নামঘৰ' বুলি জনা যায়। কালক্ৰমত গাঁওখনৰ নাম গুৱাল গাঁও বুলি জনাজাত হয়।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

এই গাঁৱৰ পূবে কমলাবৰীয়া আৰু সন্দিকৈ গাঁও, পশ্চিমে, চাবিঙীয়া গাঁও, অকা গাঁও । উত্তৰে চাবিঙীয়া, মৈদামনি, দক্ষিণে কোঁচ গাওঁ অৱস্থিত । বৰ্ত্তমান গাঁওখনৰ গৃহস্থীৰ সংখ্যা প্ৰায় ৭০ ঘৰ । গাৱঁৰ গুণ সম্পন্ন ব্যক্তিসকল হ'ল - সৰ্বশ্ৰী মহেন বৰুৱা, লক্ষেশ্বৰ বৰা, তৰুণ শইকীয়া, শ্ৰীমতী মনোৰমা বৰা, শ্ৰীভোলা বৰা, শ্ৰীনৰেন বৰা আৰু শ্ৰীধমেশ্বৰ বৰা । শ্ৰীমহেন বৰুৱা গাৱঁৰ এগৰাকী বিশিষ্ট ব্যক্তি । অৱসৰপ্ৰাপ্ত শিক্ষক । হৰিনামৰ গুৰি ধৰোঁতা, ঢোলৰ ওজা, নামাচাৰ্য আৰু পাঠক । শ্ৰীলক্ষ্যেশ্বৰ বৰা এগৰাকী সমাজসেৱক , ৰাজনৈতিক সচেতন ব্যক্তি । শ্ৰীতৰুণ শইকীয়া হৰিনামৰ ওজা, ভক্তিপ্ৰাণ ব্যক্তি । শ্ৰীমতী মনোৰমা বৰা এগৰাকী শিক্ষয়ত্ৰী, বৰ্ত্তমান জিলা শাখাৰ সদস্যা পদত কাৰ্যনিৰ্বাহ কৰি আছে ।

১৯৮১ চনত কাকতি গুৱাল প্ৰাথমিক শাখা গঠন হয় । কাকতি গুৱাল প্ৰাথমিক ভাগ গঠন হোৱাৰ পূৰ্বে এই গাঁৱৰ প্ৰয়াত ভদ্ৰেশ্বৰ শইকীয়া, প্ৰয়াত বেনু বৰা, প্ৰয়াত ধানীক শইকীয়া, শ্ৰীচন্দ্ৰ শইকীয়া, শ্ৰীদেউৰাম বৰা, শ্ৰীলিলৌ বৰা আদি সঙ্গীসকল ন পমুৱা প্ৰাথমিক শাখাৰ সঙ্গীভুক্ত হৈ আছিল । কালক্ৰমত গাঁৱৰ ৪ ঘৰ গৃহস্থীৰ সহযোগত সঙ্গীসকলে কাকতি গুৱাল প্ৰাথমিক শাখা গঠন কৰে ।

প্ৰচাৰ প্ৰসাৰৰ দিশত প্ৰাথমিকৰ সঙ্গী বৰ্ত্তমান জিলা সদস্যা শ্ৰীমতী মনোৰমা বৰা আই গৰাকী প্ৰচেষ্টাত সপ্তাহত প্ৰতি গৃহস্থীৰ ঘৰত ভাগৱত পাঠ অনুষ্ঠিত কৰি সংঘৰ নীতি আদৰ্শৰ ওপৰত আলোচনা কৰা হয় । আৰ্থিক দিশত সঙ্গীসকলৰ অৱস্থা টনকিয়াল নহয় - তদুপৰি গুৰু সেৱাৰ প্ৰতি সকলো আগ্ৰহী ।

**আৰম্ভণিৰপৰা বৰ্ত্তমানলৈকে প্ৰাথমিকৰ বিষয়ববীয়াসকল ঃ**

**সভাপতিসকল** - প্ৰয়াত ভদ্ৰেশ্বৰ শইকীয়া, শ্ৰীবেৰ বৰা, শ্ৰীহিৰণ বৰা (বৰ্ত্তমান)

**সম্পাদকসকল** - শ্ৰীভোলা বৰা (আৰম্ভণিৰপৰা বৰ্ত্তমান কাৰ্যকালত কাৰ্যনিৰ্বাহ কৰি আছে ।

বৰ্ত্তমান কাকতি গুৱাল প্ৰাথমিক শাখাৰ গৃহস্থীৰ সংখ্যা ১৪ ঘৰ আৰু সঙ্গী ২৫ জন।

উপদেষ্টা সৰ্বশ্ৰী ভোলা বৰা ।

সৰ্বশ্ৰী নবীন বৰা, সভাপতি, প্ৰয়াত সুৰেন বৰা উপ-সভাপতি, দিলীপ বৰা আৰু পোনাৰাম বৰা সম্পাদকদ্বয় ।

১৯৯৭/৯৮ চনৰ বাবে কাৰ্য্যনিৰ্বাহক সমিতি ঃ

**উপদেষ্টা ঃ** শ্ৰীবীৰেশ্বৰ বৰা

সৰ্বশ্ৰী নবীন বৰা- সভাপতি, পৰেশ বৰা উপ সভাপতি

শ্ৰীদিলীপ বৰা<br>শ্ৰীপোনাৰাম বৰা } সম্পাদকদ্বয়

**সদস্যসকল ঃ** সৰ্বশ্ৰী মোলোকাই বৰা, বিপুল বৰা, অতুল বৰা, ৰাজীব দত্ত, বুবুল বৰা, নাৰায়ণ দত্ত ।

১৯৯৭ চনত মুল সংঘৰ আৰ্হিৰে প্ৰাথমিক শাখাৰ সেৱাবাহিনী গঠন কৰা হয় ।

সৰ্বশ্ৰী দিলীপ বৰা - সচিব । মৃদুল বৰা - নায়ক, শ্ৰীমতী ভুনমণি বৰা - নায়িকা ।

# কছাৰীপাম মাধৱদেৱ প্ৰাথমিক শাখা ব্ৰহ্মপুত্ৰ অঞ্চল (আমনি পাম)

## গঠন ঃ ১৯৯৪ চন

গোলাঘাট মহকুমাৰ দেৰগাঁও চাৰ্কেলৰ অন্তৰ্গত উত্তৰে, মহাবাহু ব্ৰহ্মপুত্ৰ, পূবে গেলাবিল নদীৰ মাজত সুবৃহৎ চৰ অঞ্চলক ব্ৰহ্মপুত্ৰ অঞ্চল বোলা হয় । এই অঞ্চলৰ অন্তৰ্গত কছাৰী পাম গাঁও এটা বৃহৎ এলেকা। পূৰ্বে এই অঞ্চলত জনবসতি নাছিল । প্ৰায় ১৯৪০ চন মানৰ আগত কেইঘৰমান কছাৰী সম্প্ৰদায়ৰ লোকে গাঁও পাতি বসবাস কৰাৰ বাবেই কছাৰী পাম নামেৰে জনাজাত হ'ল ।

কছাৰীপাম গাৱঁৰ পূব অংশকে আমনি পাম বোলা হয় । প্ৰবাদ আছে যে যথেষ্ট আমগছ থকাৰ বাবেই এই ঠাইক আমনি পাম বোলা হয় । ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছৰ পৰাই দেৰগাঁও গুৰযোগনীয়া আদি মৌজাৰ বহুলোকে পাম খেতি কৰি পিছলৈ স্থায়ী বাসিন্দাৰ হয় । লাহে লাহে জনবসতি বাঢ়ি অহাত ৰাজহুৱা অনুষ্ঠানৰ লগতে চৰকাৰী অনুষ্ঠান আদিও প্ৰতিষ্ঠা হয় । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতি আকৃষ্ট হৈ আমনি

পাম গাৱঁত ১৯৯৪ চনৰ ২৬ মে তাৰিখে দহ ঘৰ লোক একত্ৰিত হৈ এটি নামঘৰ সাজি মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ ৫০৫ তম্ জন্ম জয়ন্তী ভাগ সমূহীয়া ভাৱে অনুষ্ঠিত কৰি গুৰু আসন ভাগি প্ৰতিষ্ঠা কৰা হয় বাবেই প্ৰাথমিক শাখাটিৰ নাম "মাধৱদেৱ প্ৰাথমিক শাখা" নামেৰে নামকৰণ কৰা হয়।

সেই সময়ৰ গোলাঘাট জিলাৰ কাৰ্য্যনিৰ্বাহকৰ সদস্য শ্ৰীতৰুণ কুমাৰ বৰা বাপৰ আশাশুধীয়া প্ৰচেষ্টাত ১৯৯৫ চনৰ ১৩ জুলাই তাৰিখে উত্তৰ আঞ্চলিকৰ সভাপতি শ্ৰীমহেশ্বৰ দত্ত বাপৰ সভাপতিত্বত এভাগ অনুষ্ঠান কৰি শ্ৰীগণেশ হাজৰিকা বাপক সভাপতি আৰু শ্ৰীবিনন্দ চন্দ্ৰ বৰা বাপক সম্পাদক হিচাপে লৈ এখন কাৰ্য্যনিৰ্বাহক সমিতি গঠন কৰা হয়।

১৯৯৫ চনৰ ২৪ জুলাই তাৰিখে প্ৰাথমিক শাখাটিয়ে মূল সংঘৰ স্বীকৃতি লাভ কৰে। পুনৰ ১৯৯৭ চনত শ্ৰীবাপু হাজৰিকা বাপক সভাপতি আৰু শ্ৰীগণেশ হাজৰিকা বাপক সম্পাদক হিচাপে নিৰ্বাচন কৰি পুনৰ কাৰ্য্যনিৰ্বাহক সমিতি গঠন কৰি বৰ্তমান কাৰ্যনিৰ্বাহ কৰি আছে।

প্ৰাথমিক শাখাটিক বহু ক্ষেত্ৰত আগবঢ়াই নিয়াত এই অঞ্চলৰ বিশিষ্ট সংগী প্ৰয়াত পুণ্যেশ্বৰ (বায়ন) বৰা বাপৰ আৰু জিলা সদস্য শ্ৰীতৰুণ কুমাৰ বৰাৰ নাম স্মৰণীয়। সংগীসকলে বৰ্তমান নামঘৰটি স্থায়ীভাৱে নিৰ্মাণৰ কাম হাতত লৈ গুৰুধৰ্ম পালন আৰু প্ৰচাৰত ব্ৰতী হৈছে। মূল সংঘ আৰু জিলা শাখাৰ কাৰ্যসূচী সমূহত প্ৰাথমিক শাখাটিয়ে সহযোগিতা কৰি সংঘৰ উন্নতিৰ হকে কাম কৰি আহিছে।

# ন পমুৱা গাঁও প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৫ চন

মিছামৰা মৌজাৰ উত্তৰাঞ্চলত ব্ৰহ্মপুত্ৰৰ উপকূলীয়া বিশাল ভূমি খণ্ডত ন পমুৱা গাঁও অৱস্থিত। প্ৰায় ছয়কুৰি ঘৰ বাসিন্দাই কৃষি বাণিজ্য কৰি জীৱন নিৰ্বাহ কৰে। বিভিন্ন স্থানৰ পৰা আহি নতুনকৈ পাম কৰি বসবাস কৰাৰ বাবেই গাঁওখনৰ নাম ন পমুৱা গাঁও হয়। উত্তৰে ব্ৰহ্মপুত্ৰ নদী, দক্ষিণে স্বৰাজ আন্দোলনৰ বিপ্লৱী মুক্তি যোদ্ধা কমলামিৰিৰ জন্মস্থান টেমেৰা গাঁও। পূবে গেলাবিল নদী আৰু পশ্চিমে বৰবালি বকুলি চাপৰি অৱস্থিত। এই গাৱঁলৈ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰভাৱ প্ৰায় ১৯৯০ চনৰ পৰাই প্ৰবাহিত হয়। স্বৰ্গীয় পুণ্যেশ্বৰ বায়ন, সৰ্বশ্ৰী সৰ্বেশ্বৰ বৰা, তৰুণ

বৰা, দণ্ডেশ্বৰ বৰুৱাৰ প্ৰচেষ্টাত এই গাৱঁত একশৰণ নাম ধৰ্মৰ প্ৰচাৰ কৰাৰ ফলশ্ৰুতিতে প্ৰয়াত ধনীৰাম মুদৈ, সৰ্বশ্ৰী মিনাৰাম হাজৰিকা, ৰাজেন মুদৈ আদি বাপসকলে সংঘৰ এটি প্ৰাথমিক শাখা গঠন কৰিবলৈ আগবাঢ়ি আহে। ১৯৯৫ চনৰ এপ্ৰিল মাহৰ ২৬ তাৰিখে সেই সময়ৰ শ্ৰীমন্ত শংকৰদেৱ সংঘ গোলাঘাট জিলা শাখাৰ কাৰ্য্যনিৰ্বাহকৰ সদস্য শ্ৰীতৰুণ বৰা বাপৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা ধৰ্মালোচনী সভাত গৃহীত প্ৰস্তাৱ মৰ্মে এই প্ৰাথমিক শাখাটিৰ নাম ন-পমুৱা গাঁও প্ৰাথমিক শাখা ৰখা হয়। এই সভাত প্ৰয়াত পুণ্যেশ্বৰ বায়ন আৰু গুৰু জনাৰ একান্ত সেৱক সৰ্বেশ্বৰ বৰা বাপ উপস্থিত থাকি সংঘৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে বহলাই কয়। ১৯৯৬ চনত প্ৰাথমিক শাখাটিৰ উদ্যোগত গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱ ভাগী আড়ম্বৰপূৰ্ণ ভাবে অনুষ্ঠিত কৰি প্ৰচাৰ সংগঠনৰ কাৰ্য্যসূচী গ্ৰহণ কৰা হয় । মুকলি সভাত সভাপতিত্ব কৰে শ্ৰীতৰুণ বৰা বাপে আৰু নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়ায় সেই সময়ৰ জিলা সহকাৰী সম্পাদক শ্ৰীনবীন বৰা বাপে । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাংবিধানিক নীতিৰে সংগীসকলৰ শৰণ কাৰ্য্য সম্পাদন কৰা হয় । সংঘৰ নীতি আদৰ্শৰে বৰ্তমানলৈকে গুৰু ধৰ্ম পালন কৰি সংগঠন আৰু প্ৰচাৰ প্ৰসাৰত আত্মনিয়োগ কৰা হৈছে । সংগী গৃহস্থীৰ সংখ্যা কুৰি ঘৰৰ অধিক । আৰম্ভণিৰপৰা কাৰ্য্যনিৰ্বাহ কৰা প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকল ক্ৰমে সভাপতি স্বৰ্গীয় ধনীৰাম মুদৈ আৰু শ্ৰীৰাজেন মুদৈ । সম্পাদক শ্ৰীমিনাৰাম হাজৰিকা ।

# চিনাতলি জগন্নাথ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৪ চন

গোলাঘাট জিলাৰ পশ্চিমত থকা এখন ৰাজহ গাঁও ২ নং হাবিচোৱা । যুগ যুগ ধৰি এই গাঁওখনৰ বাসিন্দাসকলে পূৰ্ব্বাপৰ ধৰ্মীয় পৰম্পৰা বুকুত সাৱটি চলি আহিছিল । সময়ৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ ৰীতি-নীতিৰ পৰিবৰ্তন আহে । কুৰি শতিকাৰ শেষাৰ্দ্ধত এই গাঁওখনলৈও এনে এটি ধৰ্মীয় পৰিবৰ্তনৰ সোঁত বয় । এই গাৱঁৰে স্বনামধন্য মুক্তি যোদ্ধা প্ৰয়াত কুশল বৰা আৰু প্ৰয়াত মুক্তেশ্বৰ বৰাদেৱে পূৰ্ব্বাপৰ ধৰ্মীয় নীতি জলাঞ্জলি দি মহাপুৰুষ শংকৰদেৱৰ এক শৰণ নাম ধৰ্মৰ অনুগামী হয় । ওচৰৰে কেইজনমান ব্যক্তিক লৈ তেখেতসকলে বহুতো ঘাত-প্ৰতিঘাতৰ মাজেৰে গাৱঁৰ পৰা আঁতৰি আহি আনুষ্ঠানিক ভাৱে আৰম্ভ

কৰে এখনি সমাজ । দুৰ্ভাগ্যৰ বিষয় যে তেখেতসকলে এই অনুষ্ঠান ভাগীৰ সম্পূৰ্ণ ৰূপ দেখা পোৱাৰ আগতেই পৰলোক গামী হ'ব লগা হয় ।

সেই দুয়োজন সিংহ পুৰুষৰ মৃত্যুৰ পাছত এইলোকসকলৰ গুৰিয়াল নোহোৱা অৱস্থা হ'ব লগা হয় । সেয়েহে বিশাল জলৰাশিৰ মাজত পখি খেৰ কুটা এডালকে সাৰথি কৰাৰ দৰে এইলোকসকলে ১৯৯২ চনত "শ্ৰীমন্ত শংকৰদেৱ" সমাজত অন্তৰ্ভুক্ত হয় । এইদৰেই কটাই দিয়া হয় তিনিটা বছৰ । এই অনুষ্ঠানৰো নীতি নিয়মত গুৰুজনাৰ আদৰ্শৰ অনুকুল নোহোৱাত এইসকলে ১৯৯৫ চনত উত্তৰ পূৰ্ব্বাঞ্চলৰ এক মাত্ৰ সৰ্ব্ব বৃহৎ ধৰ্মীয় অনুষ্ঠান "শ্ৰীমন্ত শংকৰদেৱ সংঘত" অন্তৰ্ভুক্ত হয় । লগে লগে সংঘৰ আৰ্হিৰে গঠন কৰা হয় এখন প্ৰাথমিক, নাম ৰখা হয় "জগন্নাথ প্ৰাথমিক" ।

প্ৰথম অৱস্থাত প্ৰাথমিক ভাগিৰ গৃহস্থীৰ সংখ্যা আছিল ১৬ ঘৰ আৰু সংগীৰ সংখ্যা আছিল ২০ জন । ২২।৬২।৬৩ নং অনুযায়ী প্ৰাথমিক ভাগ মুল সংঘৰ পঞ্জীয়ন ভুক্ত কৰা হয় । প্ৰতিষ্ঠা বৰ্ষত প্ৰাথমিক ভাগিৰ বিষয়ববীয়াসকলৰ নাম তলত উল্লেখ কৰা হ'ল ।

শ্ৰীচন্দ্ৰেশ্বৰ বৰা সভাপতি, শ্ৰীবেণু বৰা-উপ সভাপতি, শ্ৰীনীলমণি বৰা - সম্পাদক, শ্ৰীউপেন বৰা সহঃ সম্পাদক, শ্ৰীদেৱেন বৰা কোষাধ্যক্ষ।

**প্ৰচাৰ বিভাগ ঃ** শ্ৰীবেণু বৰা সভাপতি, শ্ৰীখগেন বৰা সম্পাদক, শ্ৰীখগেন তাচা সহ সম্পাদক ।

**সাহিত্য-সংস্কৃতি শাখা ঃ** শ্ৰীহৰেন বৰা সভাপতি, শ্ৰীবিনোদ বৰা সম্পাদক ।

**প্ৰাথমিকৰ প্ৰচাৰ ভূমিকা ঃ** প্ৰাথমিক গঠন কৰাৰ পাছতে প্ৰাথমিক সংগী আৰু ৰাজহুৱা অনুদানেৰে ২ নং হাবিচোৱা গাৱঁত "শ্ৰীমন্ত শংকৰদেৱ সংঘ"ৰ ৰাজহুৱা নামঘৰ নামকৰণেৰে এটি নামঘৰ নিৰ্মাণ কৰা হয় । লগে লগে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ হৈ এটি বলিষ্ঠ পদক্ষেপ আগবঢ়াবলৈ সুবিধা পায় প্ৰাথমিক ভাগে । জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে এই নামঘৰত বছৰত কেইবাটাও ৰাজহুৱা অনুষ্ঠান উদযাপন কৰা হয় । মহাপুৰুষীয়া ভাওনা প্ৰদৰ্শন, বাৰ্ষিক ৰাজহুৱা নাম কীৰ্তন, ভাদ মহীয়া আই মাতৃসকলৰ দ্বাৰা নাম কীৰ্তনৰ আয়োজন আৰু আড়ম্বৰপূৰ্ণ ভাৱে নাম সামৰণি ইত্যাদি অনুষ্ঠানেৰে প্ৰাথমিক শাখাই অনুষ্ঠিত কৰি আহিছে । ওচৰৰ চাহ মজদুৰৰ এঘৰ গৃহস্থীকো প্ৰাথমিক শাখাৰ সংগী কৰি ৰখা হৈছে আৰু চাহ মজদুৰৰ মাজতো ইয়াৰ প্ৰচাৰ কাৰ্য্য অব্যাহত ৰখা হৈছে । শেনছোৱা গাৱঁৰ

প্ৰাথমিক ভাগ গঠন হোৱাৰ মূলতে এই প্ৰাথমিকৰ অৱদান বুলি ক'ব পাৰি । যিহেতু সেই প্ৰাথমিকৰ সংগী শ্ৰীধৰণীধৰ বৰুৱা বাপ আৰু বন্ধুকেইজন ব্যক্তিকে প্ৰাথমিকৰপৰা সংঘৰ নীতি আদৰ্শৰ বিষয়ে প্ৰায়ে অৱগত কৰি তেওঁলোককো এখনি প্ৰাথমিক গঠন কৰাৰ উদগণি দি অহা হৈছিল ।

**সাহিত্য-সংস্কৃতি ঃ** নিচেই চালুকীয়া এই প্ৰাথমিক শাখাই সাহিত্য-সংস্কৃতিৰ দিশত বিশেষ ভূমিকা গ্ৰহণ কৰিব পৰা নাই যদিও কণ-কণ ল'ৰা-ছোৱালীৰ কাৰণে এটি পুথিভঁড়াল আৰু ক্লাৱঘৰ নিৰ্মাণ কৰি দিয়া হৈছে । মুনিহ-তিৰোতা নিৰ্বিশেষে সকলোৱে যাতে মহাপুৰুষৰ সাহিত্য অধ্যয়ন কৰিব পাৰে তাৰ বাবে সাৰ্বজনীন ভাগৱত আৰু কীৰ্তন পাঠৰ ব্যৱস্থা কৰা হৈছে ।

সংস্কৃতিৰ ক্ষেত্ৰত প্ৰাথমিকৰ দুজনমান লোকক নাম-প্ৰসংগৰ অনুশীলন দিয়াৰ ব্যৱস্থা কৰা হৈছে । ইয়াৰ উপৰি খোল প্ৰসংগ, গায়ন আৰু হিৰা নামৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰাৰ কথাও চিন্তা-চৰ্চা কৰি থকা হৈছে । সংঘৰ নীতি-নিয়মেৰে সকলোকে শৰণ দিয়া হৈছে ।

# বিষ্ণুজ্যোতি প্ৰাথমিক শাখা, (মুদৈ গাঁও)

## গঠন ঃ ১৯৯৬ চন

গোলাঘাট জিলাৰ অন্তৰ্গত মিছামৰা মৌজাৰ মুদৈ গাঁও এখন জনবহুল গাঁও । এই গাৱঁৰ উৎপত্তি সম্পৰ্কে জনা যায় যে পূৰ্বতে এই অঞ্চলত নাৱেৰে বেপাৰ-বাণিজ্য কৰি এই অঞ্চলতে কিছু মানুহ থাকিবলৈ লয় । তাৰ পৰাই মুদৈ গাৱঁৰ নামকৰণ কৰা হৈছে । তেতিয়াৰ দিনত এই গাৱঁত ৩৫ ঘৰ মানুহ বসবাস কৰিছিল । কালক্ৰমত বংশ বৃদ্ধি হৈ বৰ্তমান ১৪০ ঘৰৰো অধিক গৃহস্থী হ'ল । তেতিয়াৰ দিনত শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত গাৱঁত শিক্ষানুষ্ঠান নাছিল । প্ৰয়াত লুহিত দত্ত, প্ৰয়াত মণি দত্তদেৱৰ যত্নত প্ৰয়াত বলো দত্তদেৱে দান দিয়া ভূমিতে এখন প্ৰাথমিক বিদ্যালয় স্থাপন কৰা হৈছিল । সেই বিদ্যালয়তে পাঠদান আৰম্ভ কৰে প্ৰয়াত বীৰেন দত্তদেৱে । এই বিদ্যালয়খন হ'ল মুদৈ বাৰিছোৱা প্ৰাথমিক বিদ্যালয় । প্ৰয়াত বীৰেন দত্তদেৱৰ অশেষ চেষ্টাত এই অঞ্চলত শিক্ষাৰ পোহৰ পৰিছিল । তেখেতৰ আদৰ্শ সকলোৱে স্মৰণ কৰে । বৰ্তমান মুদৈ

গাৱঁত দুখন প্ৰাথমিক বিদ্যালয়, মুহিৰাম হাজৰিকা মধ্য ইংৰাজী বিদ্যালয়, এখন উচ্চ ইংৰাজী বিদ্যালয়, এটা সাংস্কৃতিক উন্নয়ন চ'ৰা আৰু এটা পুথি ভঁৰাল আছে ।

এই গাৱঁৰ পূবে মিছামৰা স্বাস্থ্য কেন্দ্ৰ, পশ্চিমে সাগৰ গাঁও, উত্তৰে ৩৭ নং ৰাষ্ট্ৰীয় পথ আৰু দক্ষিণে ফৰকাটিং মৰিয়নী ৰেল লাইন।

মুদৈ গাঁও ভমকৰ নতুন নামঘৰক কেন্দ্ৰ কৰি প্ৰায় ১৩ ঘৰ গৃহস্থীৰে "বিষ্ণুজ্যোতি প্ৰাথমিক শাখা" গঠন কৰা হয় । ইং ১৯৯৬ চনত গঠন কৰা প্ৰাথমিক ভাগে গোলাঘাট জিলা শাখাত স্বীকৃতি লাভ কৰে । সংগীৰ সংখ্যা ৩৫ জন ।

বিষ্ণুজ্যোতি প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতি সম্পাদক আৰু সদস্য/সদস্যাসকল ঃ

সৰ্বশ্ৰী শশী দত্ত,সভাপতি; অনন্ত দত্ত, সম্পাদক; দীপক বৰা, সহ সম্পাদক। অতুল দত্ত-উপ-সভাপতি, সদস্যসকল সৰ্বশ্ৰী যোগ দত্ত, চক্ৰধৰ দত্ত, আলোক বৰবৰা, নৰেন দত্ত, ৰঞ্জন দত্ত, শ্ৰীমতী মাখনী দত্ত, শ্ৰীমতী মন্দিৰা দত্ত ।

প্ৰাথমিকখন গঠন কৰাত প্ৰয়াত হৰেশ্বৰ দত্তদেৱৰ ভূমিকা উল্লেখ কৰিব পাৰি ।

সংঘৰ নীতি আদৰ্শৰে সেৱা বাহিনী গঠন কৰি উন্নয়নমূলক কাম কৰা হৈছে । শিশুসকলৰ মাজত নৃত্য গীত, গুৰু পৰিচয় অনুশীলন কৰোৱা হৈছে । ভমকৰ বংশৰ লোকসকলে গাৱঁত অন্য এটি নামঘৰ নিৰ্মাণ কৰাৰ মানসেৰে প্ৰয়াত কণলৰা দত্তদেৱে দান দিয়া ভূমিত (২ কঠা) ভমকৰ নতুন নামঘৰ প্ৰতিষ্ঠা কৰে । এই বংশৰ প্ৰয়াত লুহি দত্ত, বেণুধৰ দত্ত, কণলৰা দত্ত, দেহাই দত্ত, মণি দত্ত, মনু দত্ত আদি লোকসকলৰ পৰিযত্নত নতুন নামঘৰ ভাগ নিৰ্মাণ কৰা হয় ।

## বগৰিয়নী শংকৰজ্যোতি প্ৰাথমিক শাখা

### গঠন ঃ ১৯৯৭ চন

গোলাঘাট জিলাৰ মিছামৰা মৌজাৰ ব্ৰহ্মপুত্ৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বগৰিয়নী শংকৰজ্যোতি প্ৰাথমিক শাখা ১৯৯৭ চনত গঠন কৰা হয় । এই গাৱঁৰ পূবে হাঁহচৰা গাঁও, পশ্চিমে

নভঙা গাঁও, উত্তৰে পুঙনি বিল আৰু পুৰণি মাটি গাঁও, দক্ষিণে বোকাদৰা এবা দিচৈ সুঁতি । এই অঞ্চলত প্ৰচুৰ পৰিমাণৰ উলুবনৰ লগতে বগৰি গছেৰে ভৰপূৰ হোৱাৰ কাৰণে এই অঞ্চলৰ নাম "বগৰিয়নী" নামেৰে নামকৰণ কৰা হয় । এই অঞ্চলত জনবসতি অতি কম; ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈয়ে প্ৰতি বছৰে এই অঞ্চল বানপানীয়ে জনসাধাৰণৰ জীৱন বিপৰ্যস্ত কৰি তোলে । সেয়ে অঞ্চলটোৰ মানুহৰ আৰ্থ সামাজিক অৱস্থা অতি শোচনীয় হৈ পৰে । এই গাৱঁত স্থানীয় ধৰ্ম প্ৰাণ ব্যক্তি প্ৰয়াত থোলোক বৰা, গোপাল দত্ত, প্ৰয়াত ফেলেক দত্ত, প্ৰয়াত পোৱাল হাজৰিকা, শ্ৰীমৰিয়া বৰা আদি লোকসকলৰ পৰিযত্নত এটি নামঘৰ প্ৰতিষ্ঠা কৰা হয় । এই নামঘৰ ভাগকে কেন্দ্ৰ কৰি দহঘৰ গৃহস্থীৰে প্ৰাথমিক শাখাটি গঠন কৰা হয় আৰু প্ৰাথমিক শাখাৰ সভাপতি আৰু সম্পাদক ক্ৰমে শ্ৰীলক্ষণ দত্ত আৰু শ্ৰীমাণিক বৰা বাপক দায়িত্ব দিয়া হয় ।

প্ৰাথমিক শাখাটিৰ সংগীসকলে জিলা শাখাই আগবঢ়োৱা সকলো কাৰ্যসূচীতে অংশ গ্ৰহণ কৰি সংঘৰ প্ৰচাৰ, প্ৰসাৰত আগভাগ লৈ আহিছে। প্ৰাথমিকখন গঠনৰ ক্ষেত্ৰত সেই সময়ৰ জিলা সদস্য শ্ৰীসাগৰ বৰুৱাৰ লগতে শ্ৰীপ্ৰফুল্ল দত্ত, শ্ৰীকনক বৰুৱা, শ্ৰীশিৱকান্ত হাজৰিকা বাপৰ ভূমিকা উল্লেখযোগ্য ।

বৰ্তমান প্ৰাথমিক শাখাৰ সভাপতি শ্ৰীলক্ষণ দত্ত, সম্পাদক শ্ৰীমানিক বৰাই কাৰ্যনিৰ্বাহ কৰি আছে ।

## অকা আদিত্য প্ৰাথমিক শাখা

### গঠন ঃ ১৯৯৮ চন

অকা গাঁওখন গোলাঘাট জিলাৰ ঢেকীয়াল মৌজাৰ সোঁ মাজতে অৱস্থিত। গাঁওখনৰ পূবে কাকতি গাঁও, উত্তৰে মলুৱা হাবি, পশ্চিমে হাবিচোৱা গাঁও আৰু দক্ষিণে শেনছোৱা গাঁও । গোলাঘাটলৈ চেলেঙী হৈ যোৱা টেনপুৰ আলি এই গাৱঁৰ মাজেদি গৈছে । ই এখন আহোম ৰজাদিনীয়া গাঁও । লিখিত বুৰঞ্জী নাপালেও ৰজা দিনতে গাঁওখন অকা গাঁও হিচাপে নামকৰণ হোৱা বুলি অনুমান কৰিব পাৰি । গোলাঘাট সংলগ্ন অকা আলি নামেৰে আজিও জনাজাত ।

আহোম ৰজাসকলৰ দিনত বিশেষকৈ চন্দ্ৰকান্ত সিংহ ৰজাৰ দিনত বিভিন্ন ঠাইত আফু খেতি প্ৰচলন আছিল । এই গাঁও অঞ্চলতো আফু

খেতি আছিল । আফু গছৰ গুটিৰ এটা ধৰিবৰ বাবে গুটিবিলাক চিনাক্ত কৰি আঁকিয়াব লাগিছিল । এই গাৱঁৰ পশ্চিমে অৱস্থিত হাবিচোৱা এলেকাৰ বচাই (বৰ্তমান বচাগাঁও) গুটি বাছি দিছিল । দক্ষিণ-পশ্চিম কোণত অৱস্থিত চিনাতলিয়ে চিনাক্ত কৰিছিল আৰু এই অকাগাৱঁৰ বাসিন্দাসকলে গুটি বিলাক আঁকিয়াই দিছিল । কালক্ৰমত ৰজা দিনত কৰা আফু খেতিৰ পৰাই ওচৰ-চুবুৰীয়া গাঁওসমূহ যেনে, বছা, চিনাতলি আদি গাঁও নামে জনাজাত হোৱা বুলি গাঁৱৰ বয়ো বৃদ্ধলোকসকলৰ পৰা জনা যায় ।

গাঁওখনত প্ৰায় পাঁচশ গৃহস্থী আৰু জনসংখ্যা প্ৰায় ২৫০০ জন । গাঁওখনৰ শতকৰা ৯৫ খেতিৰ ওপৰত নিৰ্ভৰ । শিক্ষিত হাৰ শতকৰা ৩০। শতকৰা ৫ ভাগ মান লোকে ব্যৱসায়-বাণিজ্য আদিৰ ওপৰত জীৱন নিৰ্বাহ কৰে । চাকৰিয়ালৰ হাৰ মাত্ৰ শতকৰা ৫ ভাগ মানহে হ'ব । এই গাৱঁত চাৰিটা ৰাজহুৱা, নামঘৰ তিনিখন প্ৰাথমিক আৰু এখন মধ্য ইংৰাজী বিদ্যালয় আছে। আজি কিছুদিনৰ পৰা এই গাৱঁৰ ৰাইজে খোৱা পানী যোগান আৰু বিজুলী বাতিৰ পোহৰ পোৱাৰ সুবিধা পাইছে ।

১৯৬৩/৬৪ চনৰপৰা এঘৰ-দুঘৰকৈ গুৰুধৰ্মৰ আৰ্হি লৈ সামাজিক কৰ্ম কৰে । সেই একে সময়তেই এই গাৱঁৰপৰা চাৰি কিলোমিটাৰ দূৰত অৱস্থিত ঘৰকটীয়া গাৱঁতো দুই-এঘৰ ব্যক্তিৰ কৰ্ম গুৰু ধৰ্মৰ আৰ্হিৰে কৰিবলৈ লয় । এনেকৈ দুয়ো গাৱঁৰ গুৰু আদৰ্শ মুখী গৃহস্থীক এখন প্ৰাথমিকৰ প্ৰয়োজন হোৱাত ১৯৭০ চনত অকা গাৱঁৰ পাঁচজন আৰু ঘৰকটীয়া গাৱঁৰ ৭ ঘৰ মুঠ ১২ ঘৰ গৃহস্থীৰে ঘৰকটীয়া প্ৰাথমিক শাখা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলাৰ পৰা স্বীকৃতি পায় ।

উক্ত প্ৰাথমিক শাখা গঢ় দিয়াত বিশেষকৈ ১৯৯৫ চনত অঁকা গাৱঁৰ এজন ব্যক্তিৰ সামাজিক কৰ্মত প্ৰথম গুৰুধৰ্মৰ আৰ্হি সম্পাদন কৰাত ঘৰকটীয়া গাৱঁৰ (বৰ্তমান চেনিশাল) প্ৰয়াত চেনীৰাম বৰাদেৱে কৰা যত্ন আৰু অহোপুৰুষাৰ্থ স্মৰণীয় হৈ ৰ'ব । তেখেতৰ মহান চেষ্টা নেৰানেপেৰা কষ্টৰ ফলতেই প্ৰাথমিক শাখাৰ জন্ম হয় । বৰ্তমান ঘৰকটীয়া প্ৰাথমিকত অঁকা গাৱঁৰ সাতঘৰ গৃহস্থী সংগীভুক্ত হৈছে ।

৫৫০ তম্ গুৰুজয়ন্তীত অঁকা গাৱঁত তিনিঘৰ গৃহস্থী সংগীভুক্ত হৈছে আনহাতে যোৱা ১৯৯৮ চনত এই গাৱঁৰ চাৰিঘৰ ব্যক্তি নতুনকৈ গুৰুধৰ্মলৈ আহি এই গাৱঁৰ পশ্চিমে অৱস্থিত হাবিচোৱা অঞ্চলৰ বচাগাঁও প্ৰাথমিক শাখাত অন্তৰ্ভুক্ত হয় । সেয়ে অকা গাৱঁত গুৰুজনাৰ নীতি আদৰ্শ প্ৰচাৰ কৰা স্বাৰ্থত এখন গাৱঁৰ নামকৰণেৰে প্ৰাথমিক শাখাৰ প্ৰয়োজন বোধ কৰি ইতিপূৰ্বে

ঘৰকটীয়া প্ৰাথমিক শাখাত অন্তৰ্ভুক্তি হৈ থকা ৭ ঘৰ গৃহস্থী নতুনকৈ হোৱা তিনিঘৰ গৃহস্থী মুঠ দহ ঘৰ গৃহস্থীৰ পচিশ জন সংগীৰে অকা আদিত্য প্ৰাথমিক শাখা নামকৰণেৰে এখন প্ৰাথমিক যোৱা ৫।১১।৯৮ তাৰিখে গঠন কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘ গোলাঘাট জিলাৰ পৰা স্বীকৃতি পায় ।

এই দিশত গোলাঘাট জিলা শাখাৰ সদস্য বাপ শ্ৰীউপেন শইকীয়াদেৱে এই গাৱঁত আলোচনা চক্ৰ, নামঘৰত ভাগৱত পাঠ আদি অনুষ্ঠানবিলাকত ভাগলৈ বহুদিনৰপৰা গুৰু নীতি-আদৰ্শৰ ব্যাখ্যাৰে অনুপ্ৰাণিত কৰাত স্মৰণীয় অৰিহণা যোগায় ।

বৰ্তমান অকা আদিত্য প্ৰাথমিক শাখাৰ সভাপতি শ্ৰীহেমকান্ত বৰা আৰু সম্পাদক শ্ৰীভদ্ৰেশ্বৰ তামুলী ।

# খনিকৰ কল্পতৰু প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৭ চন

গোলাঘাট জিলাৰ মিছামৰা মৌজাৰ খনিকৰ গাৱঁৰ পুৰণা নামঘৰৰ কেইবাঘৰো গৃহস্থীয়ে সুদীৰ্ঘ ২৫ বছৰ কালতকৈও অধিক দিন 'নামধৰ্ম' পদ্ধতিৰে সকলো ধৰ্মীয় কাৰ্য সম্পাদন কৰি অহাৰ পাছত এই গৃহস্থীকেইঘৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অন্তৰ্ভুক্ত হ'বলৈ ইচ্ছা প্ৰকাশ কৰে । সেই উদ্দেশ্যে যোৱা ১৪।১।৯৭ তাৰিখত শ্ৰীযুত গণেশ দত্ত বাপৰ সভাপতিত্বত এখন সাধাৰণ সভা অনুষ্ঠিত হয় । সভাত সৰ্ব-সন্মতি ক্ৰমে 'খনিকৰ গাঁও কল্পতৰু প্ৰাথমিক শাখা' নামকৰণেৰে এখন প্ৰাথমিক গঠন কৰি প্ৰাথমিকখন শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অসমৰ অন্তৰ্ভুক্ত হোৱাৰ বাবে এক প্ৰস্তাৱ গ্ৰহণ কৰি সংঘৰ গোলাঘাট জিলা শাখালৈ প্ৰেৰণ কৰা হয়। গোলাঘাট জিলা শাখাই এই প্ৰাথমিক ভাগক ৫।৪।৯৭ তাৰিখত স্বীকৃতি প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰে ।

কল্পতৰু প্ৰাথমিক শাখাত ন ঘৰ গৃহস্থী আছে । শাখাৰ কাৰ্য্যনিৰ্বাহক সমিতিখন তলত দিয়া ধৰণে নিৰ্বাচিত কৰি গঠন কৰা হয়।

**সভাপতি ঃ** শ্ৰীগণেশ দত্ত

**উপ-সভাপতি ঃ** শ্ৰীহৰেশ্বৰ মহন্ত

**সম্পাদক ঃ** শ্ৰীঅমূল্য দত্ত

**সহঃ সম্পাদক ঃ** শ্ৰীদিলীপ দত্ত

কল্পতৰু প্ৰাথমিক শাখা গঠন কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘত অন্তৰ্ভুক্ত হোৱাৰ পূৰ্বে উক্ত গৃহস্থীকেইঘৰে প্ৰায় ২৭ বছৰ ধৰি সম্পূৰ্ণ 'নামধৰ্ম' পদ্ধতিৰে সকলো কাম-কাজ সম্পাদন কৰি আহিছিল । খনিকৰ গাৱঁত কৰ্ম-কাণ্ড ৰহিত 'নামধৰ্ম' সমাজখন প্ৰতিষ্ঠা কৰাৰ লগতে নেতৃত্ব কৰিছিল প্ৰয়াত ৰামেশ্বৰ বৰুৱাই ।

'কল্পতৰু' প্ৰাথমিক শাখাৰ সদস্য হেড়েম্ব বৰুৱাৰ ঘৰত ১৯৬৯ চনত তেখেতৰ ভতিজা জীয়ৰী শ্ৰীমতী ৰেণু বৰুৱাৰ বিবাহ কাৰ্য্য শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতিমতে অনুষ্ঠিত হৈছিল । খনিকৰ গাৱঁত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতিমতে অনুষ্ঠিত হোৱা এইখনেই আছিল প্ৰথম বৈবাহিক অনুষ্ঠান ।

১৯৭২ চনত ৰামেশ্বৰ বৰুৱাৰ কন্যা শ্ৰীমতী পুতলী বৰুৱাৰ বিবাহ কাৰ্য্যও শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতিমতেই সম্পন্ন হৈছিল ।

বৰ্তমান কল্পতৰু শাখাৰ মুঠ সংগী হ'ল ৪৫ জন ।

# পদ্মপাণি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৮ চন

১৯৫৯ চনৰপৰা প্ৰয়াত ৰামেশ্বৰ বৰুৱা আৰু কনকেশ্বৰ দত্তদেৱৰ পৰামৰ্শ ক্ৰমে খনিকৰ গাঁও এলেকাত শ্ৰীমন্ত শংকৰদেৱৰ প্ৰবৰ্তিত ধৰ্মাদৰ্শেৰে প্ৰতিষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শত অনুপ্ৰাণিত হৈ প্ৰায় পঞ্চাশঘৰ গৃহস্থীয়ে সংঘৰ শাখা গঠন কৰে । কালক্ৰমত মিছামৰা গাঁও আৰু খনিকৰ গাৱঁত তিনিখন প্ৰাথমিক শাখা গঠন হয় । ইং ১৯৯৮ চনত এই অঞ্চলৰ বাৰেঘৰীয়া গাৱঁৰ ৬ ঘৰ গৃহস্থী আৰু পেটভৰা গাৱঁৰ ৬ ঘৰ গৃহস্থী লগ লাগি 'পদ্মপাণি' প্ৰাথমিক শাখাটি গঠন কৰে । পদ্মপাণি প্ৰাথমিক শাখাৰ বৰ্তমান সভাপতি শ্ৰীবীনাৰাম বৰুৱা, উপ-সভাপতি শ্ৰীবাপাৰাম দত্ত, সম্পাদক শ্ৰীবীৰেন বৰুৱা, সহঃ সম্পাদক শ্ৰীদিলীপ দত্ত বাপে কাৰ্যনিৰ্বাহ কৰিছে । ❒

# পাঞ্চজন্য প্ৰাথমিক শাখা, ভাবলী গাঁও

## গঠন ঃ ১৯৯৯ চন

জগত গুৰু শ্ৰীমন্ত শংকৰদেৱৰ সত্য শুদ্ধ ধৰ্মাদৰ্শেৰে অনুপ্ৰাণিত হৈ মিছামৰা মৌজাৰ ভাৱলী গাৱঁৰ কেইঘৰমান গৃহস্থীয়ে ইং ৪।৪।৯৯ তাৰিখে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এটি শাখা "পাঞ্চজন্য প্ৰাথমিক" নামকৰণেৰে গঠন কৰে । এই শাখাটি গঠন কৰাৰ ক্ষেত্ৰত এই গাৱঁৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সংগী শ্ৰীভোলা বৰা, গোলাঘাট জিলাৰ সেৱা বাহিনীৰ জিলাধিনায়ক শ্ৰীপৰাগ হাজৰিকা, শ্ৰীধ্ৰুৱজ্যোতি বৰা, শ্ৰীপ্ৰশান্ত হাজৰিকা আৰু শ্ৰীমতী ৰঞ্জুমণি বৰাৰ বৰঙণি উল্লেখযোগ্য ।

ইং ১৯।৭।৯৯ তাৰিখে মুলৰ শৰণ সদস্য শ্ৰীলেখোৰাম বৰুৱা বাপৰ যোগে প্ৰাথমিকৰ সংগীসকলৰ শৰণ গ্ৰহণ কাৰ্য সম্পাদন হয় । শ্ৰীধ্ৰুৱজ্যোতি বৰা, শ্ৰীপ্ৰশান্ত হাজৰিকাই জিলাৰ প্ৰশিক্ষণ কেন্দ্ৰত গায়নৰ প্ৰশিক্ষণ লৈ আছে । শ্ৰীমতী ৰঞ্জুমণি বৰাই গাণিকা প্ৰশিক্ষণ লৈ আছে। লগতে নিজ গাৱঁৰ নাম ঘৰত ২৫ জন যুৱকে গাণিকাৰ প্ৰশিক্ষণ আৰম্ভ কৰিছে । ১৯৯৮ চনৰ প্ৰয়াত ববীতা হাজৰিকা সোৱঁৰণী ৰচনা প্ৰতিযোগিতাত শ্ৰীৰঞ্জুমণি বৰাই (উচ্চ শাখাত) ২য় স্থান লাভ কৰে ।

প্ৰাথমিক শাখাৰ কাৰ্যকৰী সমিতি ঃ

সৰ্বশ্ৰী ভোলা বৰা<br>
,, বাপ হাজৰিকা } উপদেষ্টা

সৰ্বশ্ৰী জগত হাজৰিকা-সভাপতি, হৰেণ কলিতা - উপ-সভাপতি, ধ্ৰুৱজ্যোতি বৰা-সম্পাদক, বলিন হাজৰিকা সহঃ সম্পাদক।

প্ৰাথমিক শাখাৰ সেৱা বাহিনী ঃ

সৰ্বশ্ৰী ধ্ৰুৱজ্যোতি বৰা - সচিব , প্ৰশান্ত হাজৰিকা - নায়ক । ❑

# অনির্বাণ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৯ চন

গোলাঘাট জিলাৰ খুমটাই মৌজাৰ অন্তৰ্গত বুঢ়ালিকচন এখন ৰাজহ গাঁও। মানৰ দিনত ভগনীয়া হিচাপে আহি আহোম, কোঁচ, কলিতা আৰু কৈবৰ্ত্ত সম্প্ৰদায়ৰ লোকে এই গাৱঁত বসতি আৰম্ভ কৰি থিতাপি লয়হি। কালক্ৰমত বনুৱা সম্প্ৰদায়ৰ লোকেও এই গাৱঁত বসবাস কৰে। এই গাৱঁত বিভিন্ন ধৰ্ম সম্প্ৰদায়ৰ লোকে ধৰ্মীয় সমাজ ব্যৱস্থাৰে জীৱন-যাপন কৰি আছিল যদিও ১৯৫৯ চনত শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱ বুঢ়ালিকচন প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত কৰাৰ পৰবৰ্ত্তী কালছোৱাত শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত একশৰণ মহাপুৰুষীয়া ধৰ্মৰ ওপৰত আলোচনা চক্ৰ অনুষ্ঠিত হয়। এই আলোচনা চক্ৰবোৰত শ্ৰদ্ধেয় প্ৰয়াত জীউৰাম হাজৰিকা, যোগেন দত্ত, শ্ৰীযুত অচ্যুত কৃষ্ণ মিশ্ৰ, শ্ৰীযুত সোণাৰাম চুতীয়া, প্ৰয়াত নবীন ভুঞা, প্ৰয়াত মোহন মহন্ত, শ্ৰীদেৱেশ্বৰ কলিতা, শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া, শ্ৰীহেম শইকীয়া, প্ৰয়াত সদানন্দ গগৈ আদিয়ে দিয়া ধৰ্মীয় আলোচনা আৰু ব্যাখ্যাত ৰাইজে মহাপুৰুষীয়া ধৰ্মৰ প্ৰকৃত তত্ত্ব উপলব্ধি কৰি ১৯৫৯ চনত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংবিধান মতে প্ৰাথমিক গঠন কৰে।

পৰবৰ্ত্তী কালত স্থানীয় ভাৱে মানুহৰ মাজত ব্যক্তিগত মনোমালিন্যৰ কাৰণে এই গাৱঁৰে এচাম লোকে মহাপুৰুষীয়া সমাজত যোগ দিয়ে। কিছুলোক ধৰ্মৰ পূৰ্বাপৰ চলি অহা নীতি মতেই কৰ্মকাণ্ডী হৈয়ে থাকিল। সমাজ বিবৰ্ত্তনৰ প্ৰক্ৰিয়াত এই গাঁওখনিও পিছপৰি নাথাকিল।

এই গাৱঁৰ বাসিন্দা শ্ৰীপোনাৰাম বৰুৱা মহাপুৰুষীয়া সমাজত চলি আছিল যদিও এদিন তেখেতে শ্ৰীমন্ত শংকৰদেৱ সংঘ, গোলাঘাট জিলাৰ প্ৰাক্তন সম্পাদক শ্ৰীহেম শইকীয়াক স্থানীয় কেইঘৰমানৰ লোকে শ্ৰীমন্ত শংকৰদেৱ সংঘত সংগীপদ ল'বৰ বাবে ইচ্ছা প্ৰকাশ কৰাৰ কথা ব্যক্ত কৰাত প্ৰাক্তন সম্পাদকজনে শ্ৰীমন্ত শংকৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ স্থানীয় সদস্য শ্ৰীযুত উপেন শইকীয়াৰ লগত আলোচনা কৰে। তেখেতে এখন ৰাজহুৱা সভা আহ্বান কৰিবলৈ পৰামৰ্শ দিয়ে। তেখেতৰ পৰামৰ্শমতেই এখন ৰাজহুৱা সভা আহ্বান কৰা হয়। এই সভাখনি স্থানীয় শ্ৰীউপেন শইকীয়াৰ বাসভৱনত অনুষ্ঠিত কৰা হয় ১৩।৮।৯৯ তাৰিখে

সন্ধ্যা ৬ বজাত । এই সভালৈ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন উপ-পদাধিকাৰ তথা প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া, গোলাঘাট জিলা সংঘৰ সাংস্কৃতিক শাখাৰ সভাপতি শ্ৰীগোলাপ শইকীয়া, স্থানীয় সদস্য হালোৱা গাঁও নিবাসী শ্ৰীউপেন শইকীয়া, হালোৱা গাঁও নৱজ্যোতি প্ৰাথমিক শাখাৰ সভাপতি শ্ৰীৰোষেশ্বৰ শইকীয়া, বুঢ়ালিকচন প্ৰাথমিক শাখাৰ প্ৰাক্তন সম্পাদক শ্ৰীৰোষেশ্বৰ দুৱৰা আদিক আমন্ত্ৰণ জনোৱা হয় আৰু তেখেতসকলে সভাত সহযোগ কৰে । উক্ত ৰাজহুৱা সভাত সভাপতিত্ব কৰে শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়াদেৱে । এই সভাতে এক সৰ্ব্ব সন্মত প্ৰস্তাৱ যোগে এখন নতুন প্ৰাথমিক গঠন কৰা হয় । এই নতুন প্ৰাথমিক শাখাত মহাপুৰুষীয়া সমাজৰ পাঁচঘৰ গৃহস্থী, দুঘৰ স্থানীয় কৰ্মকাণ্ডী খেলৰ আৰু তিনিঘৰ হালোৱা গাঁও নৱজ্যোতি প্ৰাথমিক শাখাৰ পুৰণা সংগী গৃহস্থী, মুঠ দহঘৰ গৃহস্থীৰ ৩৩ জন লোকে সহযোগ কৰে। শ্ৰীমন্ত শংকৰদেৱ সংঘ অনিৰ্বাণ প্ৰাথমিক শাখা নামেৰে এই প্ৰাথমিক শাখাৰ নামকৰণ কৰা হয় । গৃহস্থী অনুপাতে এই প্ৰাথমিক শাখাত বৰ্তমান ৪৩ জন লোক আছে । সভাত এখন কাৰ্য্যকৰী সমিতি আৰু সেৱা বাহিনী গঠন কৰা হয় ।

**কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যৰ নাম তালিকা ঃ**

সভাপতি ঃ শ্ৰীউপেন শইকীয়া, উপ-সভাপতি শ্ৰীঘনশ্যাম বৰুৱা, সম্পাদক শ্ৰীঅজিত বৰুৱা, সহকাৰী সম্পাদক শ্ৰীৰবীন বৰুৱা, উপদেষ্টা শ্ৰীহেম শইকীয়া, শ্ৰীপোনাৰাম বৰুৱা ।

সেৱা বাহিনীৰ সদস্য/সদস্যাসকল ঃ শ্ৰীঅজিত বৰুৱা - সচিব, শ্ৰীহেমন্ত বৰুৱা - নায়ক ।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংবিধান, অশৌচ পদ্ধতি, বিবাহ পদ্ধতি আৰু প্ৰচাৰক নিৰ্দ্দেশিকা পূৰ্ণাংগ ৰূপে পালন কৰিবলৈ অঙ্গীকাৰবদ্ধ হৈছে এই প্ৰাথমিকৰ সংগীসকল । পৰবৰ্ত্তী কালত সংগী বৃদ্ধিত মনোনিবেশ কৰাত প্ৰাথমিকখনিয়ে গুৰুত্ব দি আহিছে । ❐❐

# বুঢ়াগাঁও বেজগাঁও মিলিত প্ৰাথমিক শাখা
## গঠন ঃ ১৯৮৭ চন

'বুঢ়াগাঁও বেজগাঁও মিলিত প্ৰাথমিক শাখা', বুঢ়াগাঁৱৰ কেইঘৰমান আৰু বেজগাঁৱৰ কেইঘৰমান গৃহস্থীক লৈ গঠন কৰা কাৰণেই দুয়োখনি গাঁৱৰ নাম সন্নিবিষ্ট কৰি প্ৰাথমিক শাখাটিৰ নামকৰণ কৰা হয় । প্ৰতিবেশী গাঁওসমূহত গঠন হোৱা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাথমিক সমূহৰ প্ৰভাৱ পৰি সুজান লোকসকল শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতি আকৃষ্ট হোৱাৰ ফলতে ১৯৮৭ চনত এই প্ৰাথমিক শাখা গঠন কৰা হয় । প্ৰাথমিক শাখাটি গঠনত প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতি, সম্পাদকে ক্ৰমে প্ৰয়াত দণ্ডধৰ দত্ত আৰু বুবুল ফুকন বাপদ্বয়ে চলোৱা প্ৰচেষ্টা প্ৰাথমিক শাখাৰ সংগী বাপ-আইসকলে শ্ৰদ্ধাৰে সোঁৱৰে । এই প্ৰাথমিক শাখা গঠনৰ পূৰ্বেই দণ্ডধৰ দত্ত বাপ বৰুৱা বামুণ গাঁও প্ৰাথমিক শাখাৰ যোগে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংগীভুক্ত হৈছিল। জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ মহোৎসৱ, মহাপুৰুষ মাধৱদেৱৰ জন্ম জয়ন্তী, জন্মাষ্টমী, উৎসৱসমূহ সাধ্যানুসাৰে উদ্‌যাপন কৰা হয় ।

বৰ্ত্তমান প্ৰাথমিক শাখাৰ মুঠ গৃহস্থী ১৭ ঘৰ । প্ৰথামিক শাখা গঠনৰপৰা বৰ্ত্তমানলৈকে কাৰ্যকৰী সমিতিৰ বিষয়ববীয়া আৰু সদস্যসকলৰ নাম উল্লেখ কৰা হ'ল ।

**১৯৮৭ চনৰপৰা ১৯৯০ চনলৈকে ঃ**

প্ৰয়াত দণ্ডধৰ দত্ত, সভাপতি, প্ৰয়াত বুবুল চন্দ্ৰ ফুকন, সম্পাদক ।

সদস্যসকল ঃ সৰ্বশ্ৰীকলিয়া দত্ত, কনকেশ্বৰ ৰাজখোৱা, দেৱাই ৰাজখোৱা, নিৰাই ৰাজখোৱা, টঙ্কেশ্বৰ দত্ত, কীৰ্তিনাথ লিগিৰা, গুণকান্ত কলিতা, তোলন দত্ত, মণিৰাম দত্ত, পুণ্যেশ্বৰ লিখিৰা ।

**১/৩/৯১ তাৰিখৰপৰা ১০/৯/৯২ তাৰিখলৈকে ঃ**

প্ৰয়াত দণ্ডধৰ দত্ত, উপদেষ্টা, শ্ৰীগুণকান্ত দত্ত, সভাপতি, শ্ৰীতোষেশ্বৰ দত্ত, সম্পাদক, শ্ৰীৰবীন ৰাজখোৱা, উপ-সভাপতি ।

সদস্যসকল ঃ সৰ্বশ্ৰীবুবুল ফুকন, টঙ্কেশ্বৰ কলিতা, নোমল দত্ত, কনকেশ্বৰ ৰাজখোৱা, কীৰ্তি লিগিৰা, কলিয়া দত্ত ।

**১০/৯/৯২ তাৰিখৰপৰা ১৩/৩/৯৯ তাৰিখলৈকে ঃ**

শ্ৰীকনকেশ্বৰ ৰাজখোৱা, সভাপতি, শ্ৰীতোষেশ্বৰ দত্ত, সম্পাদক, শ্ৰীগুণকান্ত দত্ত, উপ-সভাপতি, শ্ৰীটঙ্কেশ্বৰ কলিতা, সহকাৰী সম্পাদক, প্ৰয়াত দণ্ডধৰ দত্ত, উপদেষ্টা ।

সদস্যসকল ঃ সৰ্বশ্ৰীকীৰ্তিনাথ লিগিৰা, কলিয়া দত্ত, ৰেৱকান্ত দত্ত, সোমনাথ দত্ত ।

**১৪/৩/৯৯ তাৰিখৰপৰা বৰ্ত্তমানলৈ ঃ**

শ্ৰীকীৰ্তিনাথ লিগিৰা, সভাপতি, শ্ৰীতোষেশ্বৰ দত্ত, সম্পাদক, শ্ৰীমতী মীনা দত্ত, উপ-সভানেত্ৰী, শ্ৰীগোপাল দত্ত, সহকাৰী সম্পাদক, শ্ৰীমতী অমিয়া দত্ত, সহঃ সম্পাদিকা ।

সদস্যসকল ঃ সৰ্বশ্ৰীকলিয়া দত্ত, বুবুল লিগিৰা, নোমল দত্ত, দীন ৰাজখোৱা । ❑

# ব্ৰহ্মপুত্ৰ, কৃষ্ণ সূৰ্য প্ৰাথমিক শাখা
## গঠন ঃ ১৯৯৫ চন

গোলাঘাট জিলাৰ উত্তৰ দিশৰ ২নং গড়মৰা চাপৰি গ্ৰেজিংত ১৯৬০ চনত মাজুলীৰ আঁহতগুৰি মৌজাৰপৰা প্ৰায় ১০০ (এশ) ঘৰ মানুহে নতুনকৈ পাম কৰি বসবাস কৰাৰ বাবে ঠাইডোখৰৰ নাম 'ন-পমুৱা' নামেৰে জনাজাত ।

এই ন-পমুৱা এলেকাত যোৱা ৩১/৭/৯৫ তাৰিখে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পুৰণা সংগী প্ৰয়াত সৰ্বেশ্বৰ বৰা বাপৰ গুৰু গৃহত প্ৰায় ১১ ঘৰমান গৃহস্থীৰ উপস্থিতিত এখন সভা পাতি এখন প্ৰাথমিক গঠন কৰা হয় ।

এই প্ৰাথমিক গঠনৰ ক্ষেত্ৰত উদ্যোক্তা প্ৰয়াত পুণ্যেশ্বৰ বৰা বাপ আৰু সেই সময়ৰ জিলা সদস্য শ্ৰীতৰুণ কুমাৰ বৰাৰ প্ৰচেষ্টাত প্ৰাথমিকভাগ গঠন হয় ।

এটা গড় মৰাৰ কাৰণেই গড়মৰা নাম পোৱা সেই বৃহৎ এলেকাটোত এইখনেই একমাত্ৰ প্ৰাথমিক শাখা । প্ৰাথমিক শাখাৰ পৰিচালনাৰ বাবে সভাপতি, প্ৰয়াত ধনীৰাম মুদৈ, সম্পাদক, শ্ৰীমিনাৰাম হাজৰিকাক দায়িত্ব দিয়া হয় যদিও সভাপতি ধনীৰাম মুদৈ কাৰ্যকাল শেষ হোৱাৰ আগতে স্বৰ্গীয় হয় । সেয়ে পুনৰ শ্ৰীৰাজেন মুদৈক সভাপতি হিচাপে নিৰ্বাচন কৰা হয় । বৰ্তমান শ্ৰীৰাজেন মুদৈ আৰু শ্ৰীমিনাৰাম হাজৰিকাক সভাপতি আৰু সম্পাদক হিচাপে কাৰ্যনিৰ্বাহক কৰি আছে ।

বৰ্তমান প্ৰাথমিক শাখাটিয়ে জিলা, মূলৰ প্ৰায় কাৰ্যসূচিতে সহযোগিতা ৰক্ষা কৰি আহিছে । সেৱাবাহিনীৰ এটা গোটো গঠন কৰা হৈছে । গড়মৰা সুবৃহৎ এলেকাটো শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংগী বৃদ্ধিৰ বাবে প্ৰাথমিক শাখাটিয়ে চেষ্টা অব্যাহত ৰাখিছে ।

# সাৰঙ্গপাণি প্ৰাথমিক শাখা দুলীয়া গাঁও
## গঠন ঃ ১৯৯৯ চন

১৯৯৯ চনৰ আগষ্ট মাহৰ ১৯ তাৰিখে প্ৰাথমিকভাগ গঠন কৰা হয় । উক্ত প্ৰাথমিকৰ অধিক সংখ্যক সংগী গৃহস্থী শ্ৰীশ্ৰীমাধৱদেৱ প্ৰাথমিকৰ প্ৰতিষ্ঠাপক সংগী । চলা-ফুৰাৰ সুবিধাৰ কাৰণে নতুনকৈ প্ৰাথমিকভাগ গঠন কৰা হয় । প্ৰাথমিকভাগ মিছামৰা মৌজাৰ দুলীয়া গাঁৱত অৱস্থিত । তেলীয়া সোণাৰী গড়কাপ্তানি পথৰ দুয়ো কাষে এই প্ৰাথমিকৰ সংগীসকলৰ গৃহসমূহ অৱস্থিত । পূবে হৰেকৃষ্ণ প্ৰাথমিক আৰু পশ্চিমে দুলীয়াবস্তি । ১৩ ঘৰ সংগী গৃহস্থীৰে মুঠ ৩০ জন সংগী প্ৰাথমিকভাগত আছে । শ্ৰীচন্দ্ৰধৰ বৰুৱা আৰু লম্বোদৰ বৰাই উপদেষ্টা হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে । ❑

# সপ্তম অধ্যায়

# শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ

## গঠন ঃ ১৯৭৩ চন

### পূব গোলাঘাট আঞ্চলিক শাখা

পোঃ আঃ খঙীয়া (দেৰগাঁও)

জিলা ঃ গোলাঘাট (অসম)

**পূব গোলাঘাট আঞ্চলিক শাখাৰ গঠন প্ৰক্ৰিয়া ঃ** পূব গোলাঘাট আঞ্চলিক শাখাৰ অৱস্থিতি গোলাঘাট জিলাৰ পূব প্ৰান্তৰত । ইয়াৰ পৰিসীমা এটা সুবিস্তৃত অঞ্চলক লৈ গঠিত হৈছে । উত্তৰে নেঘেৰিটিং বিলতীয়া গাৱঁৰপৰা দক্ষিণে কাকডোঙা মৌজাৰ বেজগাঁও পৰ্য্যন্ত পৰিবেশিত । পূবে কাকডোঙা মৌজাৰ বেজগাঁও পৰ্য্যন্ত পৰিবেশিত । ৰাজনৈতিক মানচিত্ৰত পূব আঞ্চলিক শাখাটি দেৰগাঁও বিধান সভা সমষ্টি আৰু খুমটাই বিধানসভা সমষ্টি দুয়োটাতে অন্তৰ্ভুক্ত হৈ আছে ।

যি সময়ত গোলাঘাট জিলাত (তেতিয়াৰ মহকুমা) শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ফেহুজালি দিয়ে সেই সময়ত গোলাঘাটৰ যি কেইগৰাকী বৰেণ্য আপ্তলোক শ্ৰীমন্ত গুৰুজনাৰ শুদ্ধ সত্ব পবিত্ৰ একশৰণ হৰিনাম ধৰ্মৰ সবল প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে অগ্ৰগামী বাটকতীয়া আছিল সেইসকলৰ ভিতৰত পূব আঞ্চলিক শাখাৰ অন্তৰ্গত কাকডোঙা মৌজাৰ চমুৱা গাৱঁৰ প্ৰখ্যাত ৰত্ন ভূঞাও অন্যতম ।

১৯৫৯ চন । এই পবিত্ৰ চনটোতেই পূৰ্বাঞ্চলৰ দুই শতাধিক গৃহস্থীৰ ভৰগাঁও লুকুমাইক কেন্দ্ৰ কৰি প্ৰয়াত ৰূপেশ্বৰ বৰপাত্ৰ গোহাঁই, দেবেশ্বৰ তামূলী, মগুৰাম বৰা আৰু ডিম্বেশ্বৰ ভূঞা বাপৰ নেতৃত্বত মলাই কুমাৰ গাৱঁৰ প্ৰয়াত পোৱাল দলৈ বাপৰ অনুপ্ৰেৰণাত শ্ৰীমন্ত শংকৰদেৱ সংঘ, লুকুমাই প্ৰাথমিক শাখাটি প্ৰথম বাৰৰ বাবে গঠন হয় আৰু অতি গৌৰৱৰ কথা যে ১৯৬১ চনত পূব গোলাঘাট আঞ্চলিক শাখাৰ অন্তৰ্গত এই লুকুমাই প্ৰাথমিক শাখাৰ সৌজন্যত লুকুাই নামঘৰতেই মূল সংঘৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছিল । এই অধিৱেশনৰ পদাধিকাৰ আছিল শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতিষ্ঠাতা হলধৰ ভূঞা বাপ ।

এই অধিৱেশনৰ পিছৰেপৰা গোলাঘাট পূব অঞ্চলত শ্ৰীমন্ত শংকৰদেৱ

সংঘৰ দ্বাৰা এক শৰণ হৰিনাম ধৰ্মৰ বিস্তৃত ভাৱে প্ৰচাৰ-প্ৰসাৰ হ'বলৈ ধৰে। ১৯৬৩/৬৪ চনত প্ৰয়াত বিহুৰা ৰাজখোৱা, পোনাৰাম হাজৰীকা, বাবুলি ৰাজখোৱা আৰু শ্ৰীনগেন হাজৰীকাৰ নেতত্বত কোঁচ গাঁও প্ৰাথমিক গঠন হয় । খঙীয়া গাঁওৰ শ্ৰীহৰনাথ হাজৰীকা এই প্ৰাথমিকৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল ।

ঊনৈশ সত্তৰ দশকৰপৰা পয়সত্তৰ দশকলৈ পূব গোলাঘাট অঞ্চলত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শাখা গঠনৰ এটা কোবাল প্ৰবাহ বোৱাৰ সুলক্ষণ পৰিলক্ষিত হয় ।

১৯৭১ চনত জেলেঙৰা গাঁওত প্ৰয়াত মুক্তি যোদ্ধা চেনিৰাম দত্ত, ত্ৰিলোচন বৰা আৰু শ্ৰীআনন্দ হাজৰীকা বাপসৰৰ নেতৃত্বত জেলেঙৰা প্ৰাথমিক শাখা গঠন হয় ।

১৯৭২ চনত ভকতীয়া গাওঁৰ প্ৰয়াত কুলধৰ নেওগ, শ্ৰীচন্দ্ৰ বৰদলৈ আৰু শ্ৰীহেম কেওতৰ নেতৃত্বত ভকতীয়া প্ৰাথমিক শাখা গঠন কৰা হয় ।

১৯৭১ চনতে প্ৰয়াত বাপুৰাম দত্ত নামলগোৱা, নৰেশ্বৰ বৰা, কলাই মুক্তিয়া, ধৰ্মেশ্বৰ হাজৰীকা (হাজৰীকা গাঁও) শ্ৰীভৱ হাজৰীকা, শ্ৰীশিৱৰাম বৰাৰ নেতৃত্বত ফেটা গাঁও প্ৰাথমিক গঠিত হৈ উঠে ।

এই ১৯৭৩ চনতেই শ্ৰীচন্দ্ৰ হাজৰীকা, শ্ৰীথগিৰাম শইকীয়া, প্ৰয়াত কলাই শইকীয়া বাপৰ নেতৃত্বত কচুবৰীয়া প্ৰাথমিক শাখাটি গঠন কৰা হয়। প্ৰয়াত কলাই শইকীয়াই তেৰাৰ মাতৃৰ মৃতাহ কৰ্মভাগী পোনপ্ৰথমে এই গাৱঁত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদ্ধতিৰে অনুষ্ঠিত কৰিছিল । প্ৰয়াত দেহীৰাম হাজৰীকা এই গাৱঁৰ একশৰণ হৰিনাম ধৰ্মৰ এগৰাকী বিশিষ্ট প্ৰচাৰক আছিল।

এই ১৯৭২ চনতে ডুবিয়াল গাৱঁতো প্ৰয়াত বগাই পাঠক, শ্ৰীকমল পাঠক, শ্ৰীনগেন হাজৰীকা আদিৰ যত্নত ডুবিয়াল প্ৰাথমিক গঠন কৰা হয়।

গোলাঘাট পূব অঞ্চলত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাথমিক শাখা গঢ় লৈ উঠাত এই প্ৰাথমিক কেইখনক লৈ এটি আঞ্চলিক গঠন কৰাৰ মানসিকতা আহে ।

প্ৰয়াত ৰাজেন দত্ত (ফেটা গাঁও) শ্ৰীচন্দ্ৰ হাজৰীকা (কচুবৰীয়া প্ৰাঃ) বৰ্তমান দেৰগাঁও কমাৰগাও প্ৰাথমিকৰ সঙ্গী বাপৰ আহবানত ৭খন প্ৰাথমিকৰ সঙ্গী সমস্তৰ উপস্থিতিত কচুবৰীয়া নামঘৰত শ্ৰীচন্দ্ৰ বৰদলৈ বাপৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত ১৯৭৩ চনত গোলাঘাট পূব আঞ্চলিক শাখা নামেৰে পূব আঞ্চলিক শাখা গঠন হয় । শ্ৰীভৱ হাজৰীকাক

সভাপতি, কেশৱ বৰাক সম্পাদক, চন্দ্ৰ হাজৰীকা আৰু প্ৰয়াত ৰাজেন দত্তক যুটীয়া সম্পাদক হিচাপে লৈ এখনি কাৰ্য্যনিৰ্বাহক সমিতি গঠন কৰা হয় ।

বৰ্তমান পূব আঞ্চলিক শাখাৰ অন্তৰ্গত ৩০ খন প্ৰাথমিক শাখা আছে। এই প্ৰাথমিকসমূহ হৈছে - লুকুমাই প্ৰাথমিক, কোঁচ গাঁও প্ৰাথমিক, ভকতীয়া প্ৰাথমিক, ফেটা প্ৰাথমিক, লঠা গাঁও প্ৰাথমিক, কমাৰ গাঁও প্ৰাথমিক, দেৱগাঁও কমাৰ গাঁও প্ৰাথমিক, বৰুৱাগাঁও প্ৰাথমিক, হাজৰিকা গাঁও প্ৰাথমিক, ভকতীয়া মিলন জ্যোতি প্ৰাথমিক, জেলেহৰা নৱজ্যোতি প্ৰাথমিক, জেলেহৰা শিৰোমণি প্ৰাথমিক, বিলতীয়া প্ৰাথমিক ফেটাবস্তি মহাত্মা প্ৰাথমিক, টেকেলা গাঁও প্ৰাথমিক, মণিকাঞ্চন প্ৰাথমিক, পীতাম্বৰ প্ৰাথমিক, কৃষ্ণপুৰ প্ৰাথমিক, মাধৱপুৰ প্ৰাথমিক, কচলিয়াল প্ৰাথমিক, কচুবৰীয়া মিলনজ্যোতি প্ৰাথমিক, বেজগাঁও প্ৰাথমিক, ডুবিয়াল নবোদয় প্ৰাথমিক, শঙ্কৰ সূৰ্য্য প্ৰাথমিক, খঙীয়া গাঁও, নৈমিষা প্ৰাথমিক, টেকেলা বৰুৱা গাঁও, খাট গাঁও প্ৰাথমিক।

এইখিনিতে এটা কথা সগৌৰৱে প্ৰকাশ কৰিব পাৰি যে চাহ জনজাতি লোকসকল শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দ্বাৰা প্ৰচাৰিত গুৰুজনাৰ শুদ্ধ সত্ব একশৰণ হৰিনাম ধৰ্মৰ নীতি আৰু আদৰ্শৰ প্ৰতি অনুপ্ৰানিত হৈ শংকৰ সংঘৰ সঙ্গীপদ গ্ৰহণ কৰি প্ৰাথমিক শাখা গঠন কৰোতা । নেঘেৰিটিং বালিজান এই দুখন চাহ বাগিচাৰ চাহ জনজাতি লোক সমস্তই বৰ্তমান ৬ খন প্ৰাথমিক শাখা গঢ়ি তুলিছে আৰু ২/৩ খন প্ৰাথমিক শাখা গঠন প্ৰক্ৰিয়া অব্যাহত আছে ।

পোন প্ৰথমবাৰৰ বাবে নেঘেৰিটিং চাহ বাগিচাত গড়মূৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীয়ে টেকেলা গাঁও নামঘৰ প্ৰতিষ্ঠা কৰি প্ৰথমে ৯ ঘৰ গৃহস্থীক শঙ্কৰী ধৰ্মৰ জ্ঞান দি শৰণ দিয়ে । প্ৰয়াত সত্ৰাধিকাৰ গৰাকীৰ এই কাৰ্য্যাৱলী নিশ্চই মহানুভৱতাৰ পৰিচায়ক । চাহ বাগিচাৰ প্ৰাথমিকসমূহত শংকৰদেৱ সংঘৰ শাখা গঠন কৰি সংঘৰ নীতি আদৰ্শেৰে ধৰ্ম, কলা-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত শ্ৰীৰামেশ্বৰ ঘাটোৱাৰ, সোমেশ্বৰ কুৰ্মী, চৰিত্ৰ ৰবিদাস, কমল মিৰ্দ্ধা, ৰামদেউ ঘাটোৱাৰ, বিপুল বাউৰী, প্ৰয়াত বাপু বৰা, প্ৰমোদ বৰুৱা, যতীন বৰা, দেবেন গগৈৰ নাম উল্লেখযোগ্য ।

বৰ্তমান পূব আঞ্চলিক শাখাৰ সভাপতি শ্ৰীহেম কেওট, সম্পাদক সোমেশ্বৰ কুৰ্মী । জিলা সদস্য শ্ৰীঅৰুণ বৰা, নবীন বৰা, পুতুল শইকীয়া, চৰিত্ৰ ৰবিদাস, গগণ হাজৰীকা, প্ৰাক্তন জিলা সদস্য প্ৰয়াত তিলধৰ বৰাৰ নাম উল্লেখযোগ্য । চাহ বাগান সমূহত বহুল প্ৰচাৰ আৰু প্ৰসাৰৰ দিশৰ প্ৰতি লক্ষ্য ৰাখি পূব আঞ্চলিক শাখাই মহাপুৰুষ দুজনাৰ গুৰু জন্ম জয়ন্তী,

মহাপুৰুষ মাদৱদেৱৰ জন্ম জয়ন্তী প্ৰতি বছৰে উদযাপন কৰি শঙ্কৰী ধৰ্ম, কলা-কৃষ্টি, নাট-ভাওনা, গায়ন-বায়ন আদিৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে ।

**শিক্ষা ঃ** পূব আঞ্চলিক শাখাৰ অধীনত এখন কলেজ, ৬ খন উচ্চ মাধ্যমিক বিদ্যালয়, ১২ খন মধ্য ইংৰাজী বিদ্যালয়, ২ খন উচ্চ বুনিয়াদী বিদ্যালয়, প্ৰায় ২৫ খন নিম্ন বুনিয়াদী বিদ্যালয় আছে । শিক্ষাৰ ক্ষেত্ৰত অঞ্চলটি অগ্ৰগামী বুলি ভবাৰ থল আছে । এই অঞ্চলৰ গুৰু যোগনীয়া মৌজাৰ গুৰু আৰু নেঘেৰিটিংৰ ডেৰচোৱা বিলৰ মাছ সদায় ৰংপুৰস্থ আহোম ৰাজকাৰেঙত যোগান দিয়াটো বুৰঞ্জী প্ৰসিদ্ধ কথা ।

গুৰুজনাৰ ধৰ্ম আদৰ্শ প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত বৈষ্ণৱ পণ্ডিত কুশেশ্বৰ কলিতা বাপৰ নাম সৰ্বপ্ৰথমে স্মৰণ কৰিব লাগিব । (জীৱনী যথাস্থানত দিয়া হ'ব ।)

দ্বিতীয়তে পূব আঞ্চলিক শাখাৰ অন্তৰ্গত ভকতীয়া প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীচন্দ্ৰ বৰদলৈৰ নাম উল্লেখযোগ্য । পূব গোলাঘাট আঞ্চলিক শাখা গঠনত যিজন লোকে মুখ্য ভূমিকা গ্ৰহণ কৰিছিল সেইজন হৈছে শ্ৰীচন্দ্ৰ হাজৰীকা । (জীৱনী যথাস্থানত দিয়া হ'ব ।)

পূব আঞ্চলিক শাখাত প্ৰতিভাত হোৱা অন্য এগৰাকী ব্যক্তি হ'ল জেলেহৰা গাঁও নৱজ্যোতি শাখাৰ প্ৰতিষ্ঠাতা শ্ৰীচন্দ্ৰমোহন হাজৰীকা । তেখেত পূব আঞ্চলিক শাখাৰ দুটা কাৰ্য্যকালৰ বাবে সভাপতি পদ অলংকিত কৰিছিল । পূব আঞ্চলিক শাখাটিক গঢ় দিয়াত তেখেতৰ অৱদান স্মৰণীয় হৈ আছে । এগৰাকী কৃতি শিক্ষক, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এগৰাকী সংগঠক। বৰ্তমান দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাধ্যক্ষ।

এই আঞ্চলিকৰ অন্তৰ্গত সংগীৰ ভিতৰত প্ৰচাৰৰ ক্ষেত্ৰত বিশেষ বৰঙণি থকা ব্যক্তিসকল হ'ল প্ৰয়াত চেনিৰাম দত্ত, (মুক্তিযোদ্ধা) ত্ৰিলোচন বৰা, বিদ্যা হাজৰীকা, ৰামেশ্বৰ শইকীয়া, হৰনাথ হাজৰীকা, আনন্দ হাজৰীকা, কেশৱ বৰা, ভৱ হাজৰীকা, ভৱ কলিতা, ধ্ৰুৱকান্ত বৰা, নৰেন হাজৰীকা, ডিম্বেশ্বৰ ভূঞা, চন্দ্ৰ নেওগ, বোধেশ্বৰ বৰা, প্ৰফুল্ল দত্ত, ভুৱন বৰা, যতীন বৰা, প্ৰমোদ বৰুৱা, ৰাজেন দত্ত, বীৰেন বৰা ।

বৰ্তমান পূব আঞ্চলিক শাখাৰ সভাপতিৰ কাৰ্য্যভাৰ বহন কৰি থকা সঙ্গী বাপ শ্ৰীহেম কেওট শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এগৰাকী একনিষ্ঠ সেৱক। ১৯৭২ চনতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সঙ্গী পদ গ্ৰহণ কৰি দুই শতাধিক গৃহস্থীলোকৰে ভৰপূৰ ভকতীয়া গাৱঁত শ্ৰীমন্ত শংকৰদেৱ সংঘ, ভকতীয়া

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

গাঁও প্ৰাথমিক শাখা গঠনত মুখ্য ভূমিকা লৈ গাৱঁৰ পূৰ্বৰপৰা চলি অহা পৰম্পৰাৰ স্খলন ঘটোৱাত পিতৃ-মাতৃ, ভাই-ককাই, বংশ-পৰিয়াল, মিতিৰ-কুটুম্ব সকলোৱেই ঘৰৰপৰা বহিষ্কাৰ কৰোৱাই আৰু পিতৃয়ে ত্যেজ পুত্ৰ কৰে । আজিও পৈতৃক সম্প্ৰতিৰ পৰা বঞ্চিত হৈ থাকিব লগাত পৰিছে। বৰ্তমান নিজৰ স্ব-উপাৰ্জনৰ যোগে মাটি-বাৰী লৈ ঘৰ বান্ধি আছে আৰু গুৰুজনাৰ কৃপাৰ বাবেই বাধা-বিঘিনি, আলৈ-আহুকাল নোহোৱাকৈ জীৱন নিৰ্বাহ কৰি আছে আৰু এক শৰণ হৰিনাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে আত্মনিয়োগ কৰি আছে । তেখেতে আঞ্চলিক কাৰ্য্যালয় নিৰ্মাণৰ বাবে এক কঠা মাটি দান আগবঢ়াই বদান্যতাৰ পৰিচয় দিয়ে । পূব আঞ্চলিক শাখাৰ সভাপতি সম্পাদকসকলৰ তালিকা তলত দিয়া হ'ল -

| সভাপতি | সম্পাদক | চন |
|---|---|---|
| শ্ৰীভৱ হাজৰীকা (তদৰ্থ) | শ্ৰীকেশৱ বৰা | ১৯৭৩/৭৪ ক |
| শ্ৰী চন্দ্ৰ বৰদলৈ | শ্ৰীচন্দ্ৰ হাজৰীকা | ১৯৭৫/৭৬ |
| | শ্ৰীৰাজেন দত্ত | |
| শ্ৰীকেশৱ বৰা | শ্ৰীচন্দ্ৰ হাজৰীকা | |
| | শ্ৰীআনন্দ হাজৰীকা | ১৯৭৬/৭৭ |
| শ্ৰী চন্দ্ৰ বৰদলৈ | | |
| শ্ৰীডিম্বেশ্বৰ ভূঞা | শ্ৰীচন্দ্ৰ নেওগ | |
| | শ্ৰীধ্ৰুৱ বৰা | ১৯৭৭/৮৮ |
| | শ্ৰীবোধেশ্বৰ বৰা | |
| শ্ৰীচন্দ্ৰমোহন হাজৰীকা | শ্ৰীপ্ৰফুল্ল দত্ত | ১৯৮৯/৯০ |
| | | ১৯৯১/৯২ |
| শ্ৰীধ্ৰুৱ বৰা | শ্ৰীভুবন বৰা | ১৯৯৩/৯৪ |
| শ্ৰীপ্ৰমোদ বৰুৱা | শ্ৰীযতীন বৰা | ১৯৯৫/৯৬ |
| শ্ৰীহেম কেওঁট | শ্ৰীবীৰেন বৰা | ১৯৯৭/৯৮ |
| শ্ৰীহেম কেওঁট (বৰ্তমান) | শ্ৰীসোমেশ্বৰ কুৰ্মী (বৰ্তমান) | ১৯৯৮/২০০০ |

বৰ্তমান পূব আঞ্চলিক শাখাই ২৫ বছৰ অতিক্ৰম কৰি ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিছেহি । এই সুদীৰ্ঘ ২৫ বছৰ কালত ৭ খন প্ৰাথমিক শাখাৰে গঠিত পূব আঞ্চলিক শাখাত ৩০ খন প্ৰাথমিক শাখাৰ অন্তৰ্ভুক্ত ঘটিছে । নতুন নতুন প্ৰাথমিক শাখাৰ গঠনৰ প্ৰক্ৰিয়া অব্যাহত আছে । বিশেষকৈ চাহ জনজাতি সমাজত সংঘৰ প্ৰাথমিক শাখা গঠনৰ প্ৰতি পূব আঞ্চলিক শাখাৰ কাৰ্য্যনিৰ্বাহকে আঁচনি গ্ৰহণ কৰিছে ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

পূব আঞ্চলিক শাখাৰ অন্তৰ্গত স্থানত ১৯৬১ চনত লুকুমাই প্ৰাথমিক শাখাত আৰু ১৯৭৫ চনত বৰুৱাবামুণ গাৰ্বৰ মূল সংঘৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছিল । গোলাঘাট পূব আঞ্চলিক শাখাৰ সৌজন্যত ৪ বাৰ গোলাঘাট জিলা শাখাৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয় ।

তদুপৰি আঞ্চলিক শাখাৰ বাৰ্ষিক অধিৱেশন প্ৰতি বছৰে পাতি অহা হৈছে । গুৰুজয়ন্তী ভাগো প্ৰতি বছৰে উদযাপন কৰা হয় ।

পূব আঞ্চলিক শাখাৰ ভকতীয়া প্ৰাথমিক শাখাত থকা সাংস্কৃতিক কেন্দ্ৰটি বৰ্তমান পৰিচালকৰ অভাৱত নিষ্ক্ৰীয় হৈ আছে । পূব আঞ্চলিক শাখাই এটি সাংস্কৃতিক বিকাশ কেন্দ্ৰ প্ৰতিষ্ঠাৰ বাবে গোলাঘাট জিলা শাখাক প্ৰস্তাৱ দিছে ।

পূব আঞ্চলিক শাখাৰ দীৰ্ঘদিনীয়া এটি অভাৱ পুৰণাৰ্থে শ্ৰীহেম কেওঁট বাপে দান স্বত্বে আগবঢ়োৱা একঠা মাটিত নামঘৰ আৰ্হিত কাৰ্য্যালয় আৰু সাংস্কৃতিক বিকাশ কেন্দ্ৰ স্থাপনৰ আঁচনি যুগুতাই আছে ।

শ্ৰীমন্ত গুৰুজনাৰ ৫৫০ তম্ জয়ন্তী ভাগি বছৰেকীয়াভাৱে বিভিন্ন কাৰ্য্যসূচীৰে উদযাপন কৰে । বিভিন্ন সময়ত শাখাসমূহৰ সভাপতি/ সম্পাদকৰ সন্মিলন যুৱ সমাৰোহ, শিশু সমাৰোহ, ধৰ্মালোচনী সভা অনুষ্ঠিত কৰি আহিছে ।

**পূব আঞ্চলিক শাখাৰ অন্তৰ্গত প্ৰাথমিক শাখা ঃ**

লুকুমাই প্ৰাথমিক শাখা - ১৯৫৯ চনত গঠন
কোচ গাঁও প্ৰাথমিক - ১৯৬৪ চনত গঠন
ফেটা গাঁও প্ৰাথমিক - ১৯৬৬ চনত গঠন
ভকতীয়া গাঁও প্ৰাথমিক - ১৯৭২ চনত গঠন
ভকতীয়া গাঁও মিলনজ্যোতি প্ৰাথমিক - ১৯৭৩ চনত গঠন
কচুবাৰী প্ৰাথমিক - ১৯৭৩ চনত গঠন
বেজগাঁও মিলন প্ৰাথমিক - ১৯৭৪ চনত গঠন
হাজৰিকা প্ৰাথমিক - ১৯৭৭ চনত গঠন
টেকেলা গাঁও প্ৰাথমিক নেঘেৰিটিং - ১৯৮২ চনত গঠন
ফেটা গাঁও মহাত্মা প্ৰাথমিক - ১৯৮২ চনত গঠন
কছলিয়াল গাঁও প্ৰাথমিক - ১৯৮২ চনত গঠন
ভেলেহুৱা নৱজ্যোতি প্ৰাথমিক - ১৯৮৪ চনত গঠন
কচুবৰীয়া মিলনজ্যোতি প্ৰাথমিক - ১৯৮৪ চনত গঠন

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

মণিকাঞ্চন মিলন প্ৰাথমিক - ১৯৮৬ চনত গঠন
লঠা গাঁও প্ৰাথমিক - ১৯৮৮ চনত গঠন
শিৰোমণি প্ৰাথমিক - ১৯৮৮ চনত গঠন
কমাৰ গাঁও প্ৰাথমিক - ১৯৮৭ চনত গঠন
১২ নং কৃষ্ণপুৰ প্ৰাথমিক - ১৯৮৮ চনত গঠন
বৰুৱা গাঁও প্ৰাথমিক - ১৯৯৮ চনত গঠন
খঙ্গীয়া গাঁও শঙ্কৰ সূৰ্য প্ৰাথমিক - ১৯৯২ চনত গঠন
বিলতীয়া গাঁও জগন্নাথ প্ৰাথমিক - ১৯৯৩ চনত গঠন
নৈমিষা প্ৰাথমিক - ১৯৯৩ চনত গঠন
নেঘেৰিটিং পীতাম্বৰ প্ৰাথমিক - ১৯৯৩ চনত গঠন
দেৰগাঁও কমাৰ গাঁও প্ৰাথমিক - ১৯৯৪ চনত গঠন
নাহৰণি খাটগাঁও প্ৰাথমিক - ১৯৯৫ চনত গঠন
মাধপুৰ প্ৰাথমিক, বালিজান - ১৯৯৬ চনত গঠন
ডুবিয়াল নবোদয় প্ৰাথমিক - ১৯৯৭ চনত গঠন
ফেটা গাঁও আদৰ্শ প্ৰাথমিক - ১৯৯৮ চনত গঠন
বিলতীয়া গোবিন্দ প্ৰাথমিক, মেজালি - ১৯৯৯ চনত গঠন
কৰুণাময় প্ৰাথমিক বালিজান - ১৯৯৯ চনত গঠন
কোচ গাঁও নবোদয় প্ৰাথমিক - পোৱা নাই ।

# লুকুমাই প্ৰাথমিক শাখা ৰেঃ নং - (৫৯/৬০)

## গঠন ঃ ১৯৫৯ চন

বিভিন্ন সম্প্ৰদায়ৰ প্ৰায় ১৯ টা পৰিয়ালৰ (বংশৰ) লোকেৰে ১৭০ ঘৰ গৃহস্থীৰ প্ৰায় ১০০০ জন সংখ্যাৰে এই গাঁও গঠিত । প্ৰায় তিনিবৰ্গ কিলোমিটাৰেৰে এই গাঁও পৰিবিস্তৃত । গাঁওখনৰ কেন্দ্ৰস্থলত এখন প্ৰাইমেৰী, এখন মধ্য ইংৰাজী আৰু এখন উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে । গাৱঁৰ কেন্দ্ৰস্থলত লুকুমাই 'বৰনামঘৰ' আৰু কাষত এটা চৰকাৰী পুখুৰী আছে ।

লুকুমাই 'টাই' ভাষাৰ শব্দ, অৰ্থ - যৌতুকৰ সামগ্ৰী । আহোম ৰজা চন্দ্ৰকান্ত সিংহৰ ভনীয়েক ভলৌ নাৰায়ণী আইদেউক কনচেং বৰপাত্ৰ গোহাঞিদেৱৰ নাতিয়েক দুৰ্গেশ্বৰ বৰপাত্ৰ গোহাঞিদেৱলৈ বিবাহ দিওঁতে লগত এযোৰ স্ত্ৰী পুৰুষৰ পৰিয়াল দিছিল । বৰপাত্ৰ পৰিয়াল প্ৰথমে মহৰাত বসতি কৰিছিল। অসম ৰাজ্য বৃটিছৰ হাতলৈ যোৱাৰ পাছত যজ্ঞেশ্বৰ বৰপাত্ৰদেৱে দেৰগাঁও গুৰযোগনীয়া মৌজাৰ মৌজাদাৰ বাব পোৱাৰ কাৰণে এই স্থানলৈ গুচি আহিব লগা হ'ল আৰু লগতে সেই লুকুমাই পৰিয়ালৰ লোকো আহি লগতে বসতি কৰে । কিন্তু বৰ্তমান সেই পৰিয়ালৰ কোনো লোক এই অঞ্চলত নাই । মানৰ আক্ৰমণত নানা স্থানৰ লোক ভাগি আহি হাবিৰে পৰিপূৰ্ণ হৈ থকা অঞ্চলটোত আত্মগোপন কৰি আছিল । বৰ্তমান সেই সেই পৰিয়ালৰ লোকসকলেৰে এই গাঁও সংগঠিত হৈছে । উজীৰ, ভূঞা, বৰতামূলী, আৱৰীয়া, সৰু ভকত, চুডীয়া, বৰাগী, যতৰ সজা, বৰা আদি বংশৰ লোকেই এই গাৱঁৰ বাসিন্দা ।

১৯৬০ চনত মলাই কুমাৰ গাৱঁৰ প্ৰয়াত পোৱাল চন্দ্ৰ শইকীয়াদেৱৰ চেষ্টাত লুকুমাই প্ৰাথমিক শাখা গঠন কৰা হয় । ১৩ ঘৰ গৃহস্থীৰ আৰম্ভণিৰপৰা বৰ্তমানলৈকে প্ৰাথমিক শাখাৰ সভাপতিসকল একাদিক্ৰমে ৰূপেশ্বৰ বৰপাত্ৰ গোহাঁই, দেবেশ্বৰ তামূলী, শ্ৰীডিম্বেশ্বৰ ভূঞা আৰু সম্পাদকসকল ক্ৰমে প্ৰয়াত মণ্ডৰাম বৰা, শ্ৰীডিম্বেশ্বৰ ভূঞা, শ্ৰীবংশীধৰ ভূঞা আৰু প্ৰয়াত তিলধৰ বৰা, শ্ৰীনবীন বৰা, শ্ৰীতুলসী বৰা ।

১৯৬১ চনত লুকুমাই গাৱঁৰ বৰনামঘৰৰ প্ৰাঙ্গণত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৩০ তম্ বাৰ্ষিক অধিৱেশনখনি অনুষ্ঠিত হৈছিল । মুকলি সভাত সভাপতিত্ব কৰিছিল প্ৰয়াত হলধৰ ভূঞাই । নিৰ্দিষ্ট বক্তা আছিল -সংঘৰ

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

প্ৰাক্তন পদাধিকাৰ শ্ৰীঅচ্যুত কৃষ্ণ মিশ্ৰ, শ্ৰীমোহনলাল উপাধ্যায় শ্ৰীইলাৰাম দাস আৰু শ্ৰীপ্ৰকাশ চন্দ্ৰ বৰবৰুৱাদেৱ ।

বৈকুণ্ঠগামী গড়মুৰীয়া সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ গোস্বামীদেৱ আৰু প্ৰয়াত পোৱাল চন্দ্ৰ শইকীয়াদেৱৰ অনুপ্ৰেৰণা এই প্ৰাথমিক শাখাই পোৱাটো বিশেষ উল্লেখযোগ্য । প্ৰয়াত দেৱেশ্বৰ তামুলী (গাঁওবুঢ়া) আৰু শ্ৰীডিম্বেশ্বৰ ভূঞাদেৱৰ চেষ্টাত প্ৰাথমিকখনৰ সংগঠন অটুট থাকে।

প্ৰয়াত দেবেশ্বৰ তামুলীদেৱে প্ৰায় ৪০ বছৰৰ আগতে পিতৃ-মাতৃৰ শ্ৰাদ্ধ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্তিত ধৰ্মাদৰ্শৰে নাম-কীৰ্তন অনুষ্ঠিত কৰি পালন কৰিছিল । এনে কাৰ্যই সমগ্ৰ অঞ্চলতে আলোড়নৰ সৃষ্টি কৰিছিল ।

প্ৰয়াত মণুৰাম বৰা বাপ ১৯৬১ চনত লুকুমাই নামঘৰত অনুষ্ঠিত হোৱা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৩০ তম্ বাৰ্ষিক অধিৱেশন অভ্যৰ্থনা সমিতিৰ সম্পাদকৰ দায়িত্ব লৈ সেৱা আগবঢ়ায় । লুকুমাই প্ৰাথমিক শাখাৰ এখেত প্ৰতিষ্ঠাপক সম্পাদক আছিল ।

প্ৰয়াত তিলেশ্বৰ বৰাই প্ৰায় ১২ বছৰ প্ৰাথমিক শাখাৰ সম্পাদকৰ দায়িত্ব লৈ শাখাটি পৰিচালনা কৰে । তেখেত গোলাঘাট জিলা কাৰ্য নিৰ্বাহকৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল । কিন্তু দুখৰ বিষয় ৫১ বছৰ বয়সত হৃদয়ৰোগত আক্ৰান্ত হৈ তেখেত বৈকুণ্ঠগামী হয় । বৰ্তমান প্ৰাথমিক শাখাৰ সঙ্গী গৃহস্থী ২৫ ঘৰ আৰু সঙ্গীৰ সংখ্যা ৪৪ জন ।

প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত লুকুমাই প্ৰাথমিক শাখাৰ ভূমিকা উল্লেখযোগ্য। পূব আঞ্চলিক শাখা গঠন হোৱাৰ পূৰ্বে এই প্ৰাথমিক শাখাৰ সঙ্গীসকলৰ সহযোগত কচুবৰীয়া গাৱঁৰ প্ৰয়াত কলাই বাপৰ মৃতাহ কৰ্ম, ডুবীয়াল গাৱঁৰ প্ৰয়াত নিধিৰাম হাজৰীকাৰ গৃহত নাম-কীৰ্তনেৰে অনুষ্ঠান সম্পাদন কৰা হৈছিল । লুকুমাই প্ৰাথমিক শাখাৰ উদ্যোগত কোচ গাৱঁত প্ৰয়াত গেলাই হাজৰীকাৰ গৃহত জেঠেৰিয়েক বজৰু তামুলীৰ মৃতাহ কৰ্ম, ফেটা গাৱঁত কলাই মুক্তিয়াৰৰ মৃতাহ কৰ্ম, ডোমজৰীয়া গাৱঁত ৰূপেশ্বৰ বৰপাত্ৰ গোহাঞিদেৱৰ আদ্যশ্ৰাদ্ধ গুৰুজনাৰ আদৰ্শেৰে নাম-কীৰ্তনেৰে সম্পাদন কৰি সংঘৰ প্ৰচাৰ প্ৰসাৰ অব্যাহত ৰাখে ।

প্ৰয়াত হলধৰ ভূঞা লুকুমাই প্ৰাথমিক শাখাৰ নিষ্ঠাবান সঙ্গী আছিল। তেখেতে শঙ্কৰী কৃষ্টি প্ৰধানকৈ গায়ন আৰু অভিনয় বিদ্যাত পাৰ্গত আছিল। ৮১ বছৰ বয়সত তেখেত বৈকুণ্ঠগামী হয় ।

শ্ৰীডিম্বেশ্বৰ ভূঞা বাপৰ যত্নত প্ৰাথমিকখনৰ সংগঠন অটুট আছে। তেখেতে জিলা শাখাৰ উপ-সভাপতিৰ পদ অলংকৃত কৰিছিল ।

# কোচ গাঁও প্ৰাথমিক শাখা

## পঞ্জীয়ন নং - ২২/১৯৬৩/৬৪

## গঠন ঃ ১৯৬৪ চন

প্ৰায় ১৯৫০ চনৰ আগলৈকে এই গাৱঁৰ মানুহবিলাকে মাহেকীয়া কৰ্ম-কাণ্ডীয় পদ্ধতিৰে আনুষ্ঠানিক কৰ্মবিলাক কৰিছিল । গড়মূৰীয়া সত্ৰাধিকাৰদেৱে ১১ দিনীয়া কৰ্ম প্ৰবৰ্তন কৰাত মাহেকীয়াৰ পৰা ১১ দিনীয়া কৰ্মকাণ্ডত আনুষ্ঠানিক কৰ্ম কৰা হৈছিল । সেই সময়ত একশৰণ নাম ধৰ্মৰ ওপৰত কোনো চিন্তা-ভাৱনা নাছিল । গাঁওখনত শিক্ষিতৰ হাৰ কম আছিল।

প্ৰায় ১৯৬০ চনৰপৰা কৰ্মকাণ্ডৰ ওপৰত আলোচনা হ'বলৈ ধৰে । লুকুমাই গাৱঁৰ প্ৰয়াত বজক্ষ তামূলী নামৰ এজন বৃদ্ধলোক এই গাৱঁলৈ আহি একশৰণ নাম ধৰ্মৰ বিষয়ে কয় ।

গাঁওখনত তিনিটা বংশৰ মানুহ আছে । বিষ্ণু হাজৰীকাৰ মাতৃ বিয়োগৰ আদ্যশ্ৰাদ্ধ নামেৰে সম্পাদন কৰাত উক্ত শ্ৰাদ্ধত হাজৰীকা বংশৰ সকলোৱে সহযোগ কৰিছিল । বাকী দুটা বংশই সহযোগ নকৰিলে ঠিক তাৰ পাছতেই প্ৰয়াত বজক্ষ তামূলীৰ বোৱাৰিয়েক এই গাৱঁৰ হাজৰিকা বংশৰ প্ৰয়াত লীলাধৰ হাজৰিকাৰ ঘৰত মৃত্যু হোৱাত তেখেতৰ আদ্য শ্ৰাদ্ধ উক্ত গৃহত নামেৰে সম্পাদন কৰে । উক্ত সকামতো বাকী দুটা বংশই সহযোগ কৰা নাছিল ।

উক্ত গাৱঁত এক আলোড়নৰ সৃষ্টি হৈ দুভাগ হয় । হাজৰিকা বংশৰ মাজতে সাতঘৰ গৃহস্থীৰে এখনি প্ৰাথমিক গঠন কৰে । সেই প্ৰাথমিকৰ সভাপতি আছিল প্ৰয়াত মাণিক হাজৰিকা, সম্পাদক শ্ৰীপ্ৰফুল্ল হাজৰিকা ।

গাঁওৰ মূৰব্বী প্ৰয়াত পোনাৰাম হাজৰিকাদেৱে গাৱঁৰ ৰাইজৰ ঐক্যমত আনিবৰ বাবে ৰাজহুৱা সভাপতি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গুণী-জ্ঞানী লোক মাতি আনি ৰাইজক বুজাই দিয়াৰ চেষ্টা কৰিছিল । বিশেষকৈ বৈষ্ণৱ পণ্ডিত প্ৰয়াত কুশেশ্বৰ কলিতাদেৱে, শ্ৰীহৰনাথ হাজৰিকাদেৱে গাৱঁৰ ৰাইজক বুজনি দিয়ে। ৰাইজে বুজি পাই কৰ্মকাণ্ড ত্যাগ কৰি গাৱঁৰ সকলো ৰাইজেই ঐক্যমত পোষণ কৰি এক শৰণ নামধৰ্ম গ্ৰহণ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হয়। গাৱঁৰ কৰ্মবিলাকত হাবিয়াল গাৱঁৰ প্ৰয়াত ফেটা মুক্তিয়াৰ বাহৰুৱা গাৱঁৰ প্ৰয়াত গোলোক হাজৰিকা, প্ৰয়াত পোৱাল দলৈ আদিয়ে উৎসাহ-উদ্দীপনা

দিছিল । এনে এটা পৰিৱেশ সৃষ্টি হৈছিল যদিও কোনো ভ্ৰুক্ষেপ নকৰি প্ৰাথমিকখনিৰ সঙ্গীসকল একশৰণ নাম ধৰ্মৰপৰা বিচলিত নহৈছিল ।

এই গাৱঁখনৰ সঙ্গীসকল সকলোজনেই কোঁচ সম্প্ৰদায়ৰ । এই গাৱঁত অন্য কোনো সম্প্ৰদায়ৰ লোক নাই । সেয়ে গাঁওখনৰ নাম কোঁচগাও দিয়া হয়। উক্ত নামেৰে কোঁচগাও প্ৰাথমিক শাখা গঠন কৰা হয় ।

গোলাঘাট জিলাৰ দেৰগাঁও মৌজা আৰু ৰাজহ পৰিসীমাৰ অন্তৰ্গত কোঁচগাঁও অৱস্থিত । গাঁওখনৰ উত্তৰে হাবুঙীয়া বামুণ গাঁও, পূবে মাছকটা আৰু পাচনি বৰা গাঁও, পশ্চিমে গন্ধিয়া গাঁও আৰু বৰুৱা গাঁও ।

গাঁওখনৰ জনসংখ্যা ২৫০ জন । প্ৰয়াত পোনাৰাম হাজৰিকা, প্ৰয়াত বাবুলি ৰাজখোৱা, প্ৰয়াত টংকেশ্বৰ হাজৰিকা, প্ৰয়াত হৰেন বৰা, শ্ৰীনগেন হাজৰিকা, শ্ৰীচেনীৰাম হাজৰিকা, শ্ৰীদণ্ডীৰাম ৰাজখোৱা, শ্ৰীগজেন ৰাজখোৱা, শ্ৰীপ্ৰভাত হাজৰিকা, শ্ৰীকুশেশ্বৰ ৰাজখোৱা আদি গাঁওখনৰ গুণস্পন্ন ব্যক্তি। গাঁওখনত এটি নামঘৰ, এখন প্ৰাথমিক বিদ্যালয়ৰ বাহিৰে অনুষ্ঠান নাই,

**প্ৰাথমিক গঠন ঃ** ১৯৬৩/৬৪ চনতেই প্ৰাথমিক শাখাটিয়ে সংঘৰ স্বীকৃতি লাভ কৰে ।

**উদ্যোক্তাসকলৰ ভূমিকা ঃ** প্ৰয়াত পোনাৰাম হাজৰিকা, প্ৰয়াত কুশেশ্বৰ কলিতা, শ্ৰীহৰনাথ হাজৰিকা আদিয়ে যি ভূমিকা গ্ৰহণ কৰি আগবঢ়াই নিয়াত সহায় কৰিলে তেখেতসকল চিৰস্মৰণীয় হৈ ৰ'ব । বৰ্তমান গৃহস্থীৰ সংখ্যা ২৫ ঘৰ । সঙ্গী ৭০ জন ।

**প্ৰচাৰ-প্ৰসাৰ আৰু সংগঠন ঃ** প্ৰাথমিকখনিৰ আৰ্থ-সামাজিক অৱস্থা মধ্যমীয়া । প্ৰায়বিলাক কৃষিজীৱী । কম সংখ্যক চাকৰিয়াল আছে ।

প্ৰাথমিক শাখাৰ মৃত ব্যক্তিৰ জীৱনী ঃ প্ৰয়াত পোনাৰাম হাজৰিকা বাগানৰ বৰমহৰী চাকৰি কৰিছিল । এখেতেই আছিল প্ৰাথমিক শাখা গঠন কৰাৰ প্ৰথম গুৰি ধৰোতা ব্যক্তি ।

**প্ৰয়াত টংকেশ্বৰ হাজৰিকা ঃ** এখেতে সমবায় বিভাগত কেৰাণী কাম কৰিছিল । এখেত প্ৰয়াত পোনাৰাম ৰাজখোৱাৰ প্ৰথম পুত্ৰ । বিভিন্ন সভা সমিতিতত যোগদান কৰি প্ৰাথমিকখনৰ কাম কৰিছিল । গাঁওখনৰ এখেত এজন বায়ন শিল্পী আছিল ।

**প্ৰয়াত হৰেন বৰা ঃ** সমবায় চেনিকলত কাম কৰিছিল । গাৱঁৰ এখেত আছিল উদীয়মান যুৱক । সাংস্কৃতিক দিশত তেখেতে গাঁওখন আগবঢ়াই নিয়াত সহায় কৰিছিল ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

**চেনিৰাম হাজৰিকা ঃ** প্ৰয়াত ভুৰাম হাজৰিকাৰ প্ৰথম পুত্ৰ । অসম সমবায় চেনিকলত কাম কৰিছিল । এখেত এজন বায়ন শিল্পী আছিল ।

**দণ্ডীৰাম ৰাজখোৱা ঃ** এখেতে চেনিকলত কাম কৰিছিল। প্ৰাথমিকখনিৰ দেউৰী আৰু পাঠকৰ দায়িত্ব বহন কৰি আছে । গুৰুধৰ্মৰ এখেত একান্ত কৰ্ণধাৰ ।

**শ্ৰীগজেন ৰাজখোৱা ঃ** প্ৰয়াত ঘনকান্ত বৰাৰ পুত্ৰ । এখেত এজন শিক্ষক । গাঁওখনৰ সকলো দিশতেই জড়িত । প্ৰাথমিকখনিৰ সম্পাদক হিচাপে কাম কৰি আছে ।

আৰম্ভণিৰেপৰা বৰ্তমানলৈকে কাৰ্য্য নিৰ্বাহক সভাৰ বিষয়ববীয়াসকল হ'ল - প্ৰয়াত মাণিক হাজৰিকা, সভাপতি, শ্ৰীপ্ৰফুল্ল হাজৰিকা, সম্পাদক, পোনাৰাম হাজৰিকা (সভাপতি) প্ৰয়াত বাবুলি ৰাজখোৱা সম্পাদক ।

প্ৰয়াত টংকেশ্বৰ হাজৰিকা সভাপতি, প্ৰয়াত হৰেন বৰা সম্পাদক, শ্ৰীচেনিৰাম হাজৰিকা, শ্ৰীদ্বিজেন ৰাজখোৱা সম্পাদক ।

প্ৰয়াত টংকেশ্বৰ হাজৰিকা, সভাপতি, শ্ৰীগজেন ৰাজখোৱা, সম্পাদক।

প্ৰয়াত বাবুলি ৰাজখোৱা, সভাপতি, শ্ৰীৰজনী হাজৰিকা, সম্পাদক।

শ্ৰীপ্ৰভাত হাজৰিকা, সভাপতি, শ্ৰীদ্বিজেন ৰাজখোৱা, সম্পাদক ।

শ্ৰীনগেন হাজৰিকা, সভাপতি, শ্ৰীগজেন ৰাজখোৱা, সম্পাদক ।

শ্ৰীচেনীৰাম হাজৰিকা, সদস্য, শ্ৰীপ্ৰভাত হাজৰিকা, সদস্য, শ্ৰীকুশেশ্বৰ ৰাজখোৱা, সদস্য, শ্ৰীপ্ৰবীণ বৰা সদস্য, শ্ৰীপোনাই হাজৰিকা সদস্য ।

শ্ৰীদণ্ডিৰাম ৰাজখোৱা সভাপতি, শ্ৰীগজেন ৰাজখোৱা সম্পাদক, শ্ৰীপ্ৰবীণ বৰা, সদস্য, লুতু বৰা সদস্য, গোলাপ ৰাজখোৱা সদস্য , কুশেশ্বৰ ৰাজখোৱা সদস্য ।

# ফেটাগাঁও প্ৰাথমিক শাখা

## গঠন ঃ ১৯৬৬ চন

পূৰ্বতে ফটাভৰিৰ এজন অতি প্ৰভাৱশালীলোক আছিল । তেওঁৰ নামৰ পৰাই 'ফেটা বংশ' আৰু কালক্ৰমত ফেটা বংশৰ পৰাই ফেটা গাঁও নামৰ উৎপত্তি বুলি বিভিন্ন জনশ্ৰুতি পোৱা যায় । গাৱঁৰ মুঠ গৃহস্থীৰ সংখ্যা প্ৰায় ২৫০ ঘৰ, জনসংখ্যা ১৫০০ জন ।

১৯৬৬ চনতে ফেটা গাঁও প্ৰাথমিক শাখাৰ জন্ম হয় । প্ৰাথমিক শাখা গঠনত প্ৰয়াত বাপুৰাম দত্ত (নামলগোৱা), নৰেশ্বৰ বৰা আৰু হৰনাথ হাজৰিকা আদি ব্যক্তিসকলৰ ত্যাগ-চেষ্টা-ববগুণি অপৰিসীম । বৰ্তমান প্ৰাথমিক শাখাৰ সম্পাদক শ্ৰীসুৰেন দত্তই ছাত্ৰাৱস্থাতে সংঘভুক্ত হৈ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শ প্ৰচাৰ-প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিশেষকৈ সৰ্বশ্ৰী হৰনাথ হাজৰিকা, নৰেন দত্ত (বায়ন), বংশীধৰ দত্ত, গোবিন বৰা, আদি লোকসকলৰ অপৰিসীম চেষ্টাৰ ফলত ফেটাগাঁও প্ৰাথমিক শাখাৰ কলেৱৰ চন্দ্ৰৰ কলাৰ দৰে বৃদ্ধি হোৱাৰ লগতে কামৰীয়া অঞ্চলসমূহত যেনে নেঘেৰিটিং, ফেটাবস্তি, টেকেলাগাঁও আদি ঠাইত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শৰে প্ৰাথমিক শাখা গঠন কৰি একশৰণ হৰি নাম ধৰ্মৰ ধ্বজা সগৌৰৱে উৰুৱাবলৈ সক্ষম হৈছে । জন্মতে ১০ ঘৰ গৃহস্থীৰে আৰম্ভ কৰা প্ৰাথমিক শাখাৰ গৃহস্থীৰ সংখ্যা ১৯৬৭ চনত ১২৩ ঘৰলৈ বৃদ্ধি পায় । ১৯৬০ চনত লুকুমাইত হোৱা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৩০ তম্ বাৰ্ষিক অধিবেশনৰ প্ৰভাৱ এই অঞ্চলত যথেষ্ট পৰিমাণে পৰে । অন্যহাতে বৈষ্ণৱ পণ্ডিত প্ৰয়াত কুশেশ্বৰ কলিতাদেৱৰ এক শৰণ হৰিনাম ধৰ্ম আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি-আদৰ্শ প্ৰচাৰ-প্ৰসাৰত ফেটা গাঁও প্ৰাথমিক শাখাত সংগী গৃহস্থী বৃদ্ধি হোৱাত তাৰ প্ৰভাৱো অন্যতম । প্ৰয়াত কুশেশ্বৰ কলিতাবাপ আৰম্ভণিতে ফেটাগাঁও প্ৰাথমিক শাখাৰ সংগী আছিল । শ্ৰীহৰনাথ হাজৰিকা বাপ বৰ্তমানো ফেটাগাঁও প্ৰাথমিকৰ সংগী হৈ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শ, প্ৰচাৰ-প্ৰসাৰত একাপতীয়াকৈ লাগি আছে ।

সাহিত্য-সংস্কৃতিৰ দিশত ফেটাগাঁও প্ৰাথমিক শাখা যথেষ্ট আগবঢ়া। প্ৰয়াত বাপুৰাম দত্ত (নাম লগোৱা) সৰ্বশ্ৰী নৰেন দত্ত (বায়ন), গোবিন বৰা (গায়ন বৰা), আদি ব্যক্তিসকলৰ যত্নত প্ৰাথমিক শাখাত গাণিকাৰ প্ৰশিক্ষণ দি সংস্কৃতিৰ দিশত আগবঢ়াই নিয়াৰ লগতে সৰ্বশ্ৰী বংশীধৰ দত্ত, লোকেশ্বৰ

বৰা, নৰেন দত্ত, আদি বাপসকলৰ যত্নতে ফেটা বস্তি, টেকেলা গাঁও আদি মজদুৰসকলৰ মাজতো খোল বিদ্যা শিকাই গাণিকাৰ জোৰা প্ৰস্তুত কৰি গুৰুজনাৰ সংস্কৃতি প্ৰচাৰ-প্ৰসাৰত অৰিহণা যোগাইছে। শ্ৰীবাবুলা নেওগ, প্ৰয়াত বাপুৰাম দত্ত, (নামলগোৱা), সৰ্বশ্ৰী নৰেন দত্ত, বংশীধৰ দত্ত আদি বাপসকলৰ যত্নতে প্ৰাথমিক শাখাত পুৰুষ আৰু মহিলাৰ মাজত পাঠ-প্ৰসঙ্গ, নাম-প্ৰসঙ্গ আদিৰ প্ৰশিক্ষণ কাৰ্য সম্পাদন কৰি প্ৰাথমিক শাখাটিক সকলো ফালৰ পৰাই স্বয়ং সম্পূৰ্ণ কৰি গঢ়ি তোলা হয়। বৰ্তমান অৱস্থাতো শিশুসকলৰ মাজতো বক্তৃতা, নৃত্য-গীত বাদ্যৰ প্ৰশিক্ষণ দি সংস্কৃতিবান কৰি গঢ়ি তোলাৰ চেষ্টা অব্যাহত আছে। মূল সংঘৰ নিৰ্দেশনা মতে গুৰু পৰিচয়, শিশু সমাৰোহ, যুৱ, আই মাতৃ সমাৰোহ অনুষ্ঠিত কৰি গুৰুজনাৰ ধৰ্মাদৰ্শ সকলো বয়সৰ লোকৰ মাজলৈ আগবঢ়াই নিয়াৰ লগতে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ লক্ষ্য উদ্দেশ্যে প্ৰচাৰ-প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। শেহতীয়াকৈ প্ৰাথমিক শাখাত মূল সংঘৰ নীতি নিৰ্দেশনামতে সেৱা বাহিনী গঠন কৰি বিভিন্ন উন্নয়ণমূলক কামত আত্ম নিয়োগ কৰিছে।

১৯৯২-৯৩ চনত শ্ৰীবাবুলা নেওগৰ নেতৃত্বত কিছু সংখ্যক গৃহস্থী প্ৰাথমিক শাখা তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰপৰা আঁতৰি যায়। অন্যহাতে প্ৰাথমিক শাখাৰ সংগঠন নিয়াৰিকৈ চলাবৰ অৰ্থে ১৯৯৪ চনত আদৰ্শ প্ৰাথমিক (ফেটা গাঁও) নামেৰে এটি প্ৰাথমিক শাখাই জন্ম লাভ কৰে।

**আৰম্ভণিৰে পৰা বৰ্তমানলৈকে সভাপতি আৰু সম্পাদক সকল-**

**সভাপতি ঃ** প্ৰয়াত নৰেশ্বৰ বৰা, শিৱৰাম কলিতা, সৰ্বশ্ৰী বাবুলা নেওগ, গোপাল বৰা, দুৰ্গেশ্বৰ দত্ত, বংশীধৰ দত্ত আৰু বৰ্তমান পানীৰাম দত্ত।

**সম্পাদক ঃ** সৰ্বশ্ৰী হৰনাথ হাজৰিকা, সুৰেণ দত্ত, ৰাজেন দত্ত, বাবুলা নেওগ, দুৰ্গেশ্বৰ দত্ত, দ্বিপেন বৰা আৰু বৰ্তমান সুৰেন্দ্ৰ নাথ দত্ত।

# ভকতীয়া গাঁও প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭২ চন

এই গাঁও দেৰগাঁও মৌজাত আৰু গোলাঘাট মহকুমাৰ পূব সীমাত অৱস্থিত । গৃহস্থী ২১৪ ঘৰ । ভৌগোলিক পৰিসীমা পূবে বালিজান চাহ বাগিচা, পশ্চিমে খঙ্গীয়া গাঁও, উত্তৰে ফেটাগাঁও, দক্ষিণে হাঁহপানী, নাহৰণি খাট গাঁও । এই গাৱঁৰ পূৰ্বৰ নাম আছিল গুৱাল গাঁও । কোনো ঐতিহাসিক পৰিঘটনা বা কোনো ব্যক্তি বিশেষৰপৰা এখন ঠাইৰ ইতিহাস সলনি হোৱাৰ দৰেই এই গাৱঁৰো প্ৰায় তিনিটা শতিকাৰ পূৰ্বেই বসবাস কৰিবলৈ লোৱা এজন উদীয়মান নিষ্ঠাবান ভকত - 'বটলুভকত'ৰ নামেৰেই 'ভকতীয়া গাঁও' হয় বুলি জনপ্ৰবাদ আছে । এখন নিম্ন বুনিয়াদী বিদ্যালয়, এটি পুথিভৰাল, যুৱ সংঘ, মইনা পাৰিজাত আৰু মহিলা সমিতিক কেন্দ্ৰ কৰি বিকাশ প্ৰাপ্ত হৈছে গাঁওখনৰ বৌদ্ধিক, শৈক্ষিক, সামাজিক তথা সাংস্কৃতিক পৰিৱেশ । ৰাজমাও পুখুৰী আৰু চ'ৰাচোৱা ঘৰে আহোম ৰাজত্বৰ এই গাৱঁত পৰা গুৰুতৰ কথা সোঁৱৰাই দিয়ে ।

সুদূৰ শদিয়াৰপৰা ধুবুৰীলৈকে সমগ্ৰ অসমৰ গাৱেঁ-ভূএঁও স্পন্দিত হোৱা 'একদেৱ-একসেৱ' ধ্বনিৰ ঢৌৱে ভকতীয়া গাৱঁৰ ৰাইজকো জোকাৰি যায় । জন্ম হ'ল শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শ সাৰোগত কৰি, গুৰু ধৰ্ম পালন, প্ৰচাৰ, প্ৰসাৰৰ মহান ব্ৰত লৈ 'ভকতীয়া গাঁও প্ৰাথমিক শাখা।' প্ৰয়াত কুলধৰ নেওগ, বৈষ্ণৱ পণ্ডিত কুশেশ্বৰ কলিতা, সৰ্বশ্ৰী চন্দ্ৰ নাথ বৰদলৈ, হেমধৰ কেওট, খগেশ্বৰ বৰা, নৰেন হাজৰিকা, ডিম্বেশ্বৰ ভূঞা, ৰাম হাজৰিকা, হৰনাথ হাজৰিকা, বিশেষকৈ মূলৰ প্ৰাক্তন পদাধিকাৰ শ্ৰীযুত অচ্যুৎ কৃষ্ণ মিশ্ৰ আদি ব্যক্তিসকলৰ তৎপৰতাত ১৯৭২ চনত ১০ ঘৰ গৃহস্থীৰে প্ৰাথমিক শাখাটি গঠন কৰি গোলাঘাট পূব আঞ্চলিক শাখাত অন্তৰ্ভুক্ত হয় । বৰ্তমান গৃহস্থীৰ সংখ্যা ৫১ ঘৰ। জন্মৰেপৰা প্ৰাথমিক শাখাই আঞ্চলিকৰ সহযোগত প্ৰচাৰ প্ৰসাৰৰ দিশত যথেষ্ট অৰিহণা যোগাই আহিছে। গাৱঁৰ দক্ষিণ দিশত 'মিলন জ্যোতি প্ৰাথমিক শাখা' আৰু বাগানৰ মজদুৰসকলৰ মাজত তিনিখন প্ৰাথমিক শাখা গঠন কৰা হয় এই প্ৰাথমিক শাখাৰ উদ্যোগত ।

সাহিত্য-সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰৰ দিশত প্ৰাথমিক শাখাৰ পদক্ষেপ

উল্লেখযোগ্য । ১৯৮৫ চনত এখনি সঙ্গীত বিদ্যালয় প্ৰতিষ্ঠা কৰি বৰগীত শঙ্কৰী নৃত্য আদিৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে । ১৯৯৬ চনত আই মাতৃসকলৰ সহযোগত এটি মহিলা সংগঠন প্ৰতিষ্ঠা কৰি প্ৰতি দেওবাৰে মহিলাসকলে কীৰ্তন-ভাগৱত আদিৰ চৰ্চা কৰে । যুৱক-যুৱতীসকলক গুৰু ধৰ্মৰ প্ৰতি আকৃষ্ট আৰু অনুৰক্ত কৰিবৰ কাৰণে ১৯৯৬ চনত এটি যুৱ সংগঠন প্ৰতিষ্ঠা কৰা হয়। এই যুৱ সংগঠনৰ জৰিয়তে মূলৰ নিৰ্দেশনামতে 'সেৱা বাহিনী' গঠন কৰি বিভিন্ন জনকল্যাণমূলক আঁচনি ৰূপায়ণ কৰিছে। প্ৰতি দেওবাৰে সেৱা বাহিনীৰ সমূহ সদস্য কাৰ্যালয়ত একগোট হৈ সাহিত্য-সংস্কৃতি তথা ধৰ্মীয় দিশত আলোচনা চক্ৰ অনুষ্ঠিত কৰি আহিছে । ১৯৯৭ চনত প্ৰাথমিক শাখাই শিশু সমাৰোহ, যুৱ সমাৰোহ আৰু আইমাতৃ সমাৰোহ অনুষ্ঠিত কৰে। প্ৰতিটো সমাৰোহত প্ৰাথমিক শাখাৰ কিশোৰ-কিশোৰী, যুৱক-যুৱতী আৰু আইমাতৃসকলে অংশ গ্ৰহণ কৰি গুৰুজনাৰ নীতি-আদৰ্শ প্ৰচাৰত অৰিহণা যোগায় । ইয়াৰ বাহিৰেও প্ৰতিমাহে সভা অনুষ্ঠিত কৰি মূল সংঘৰ চাৰি হাতপুথিৰ পৰ্য্যালোচনাৰ জৰিয়তে প্ৰাথমিক শাখাৰ সংগীসকলৰ মাজত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শ, বিভিন্ন আঁচনিসমূহৰ উদ্দেশ্যৰ বিষয়ে সচেতনতা বঢ়াবলৈ যত্নবান হোৱা দেখা গৈছে।

প্ৰাথমিক শাখাটিৰ ২৫ বছৰ পূৰ্তিৰ উপলক্ষে ১৯৯৭ চনৰ ১৬, ১৭ আৰু ১৮ তাৰিখে তিনিদিনীয়া কাৰ্য্যসূচীৰে 'ৰূপালী জয়ন্তী' উদযাপন কৰা হয় । স্মৃতি হিচাপে নামঘৰৰ সমুখত এটি বুলনি চ'ৰা, সাহিত্য-সংস্কৃতিৰ বাহক ৰূপে 'মকৰণ্ড' নামে স্মৃতিগ্ৰন্থ প্ৰকাশ আদিয়েই প্ৰধান । চিৰস্মৰণীয় ব্যক্তিসকলৰ ভিতৰত **শ্ৰীচন্দ্ৰনাথ বৰদলৈ** গুৰুজনাৰ একান্ত সেৱক শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অতি নিষ্ঠাবান, আপোচহীন অক্লান্ত কৰ্মী, শঙ্কৰী সাহিত্য-সংস্কৃতিৰ সাধক, গৱেষক। প্ৰাথমিক শাখাটিৰ সভাপতিৰ দায়িত্বৰ পৰা আৰম্ভ কৰি পূব গোলাঘাট আঞ্চলিক শাখাৰ সভাপতি, গোলাঘাট জিলা শাখাৰ সভাপতি আৰু মূল সংঘৰো সাহিত্য আৰু সংস্কৃতি শাখাৰ সম্পাদকৰ দৰে গধুৰ দায়িত্ব অতি নিষ্ঠা আৰু দক্ষতাৰে পালন কৰিছিল । গোলাঘাট জিলা শাখাৰ পত্ৰিকা শ্ৰীমন্তৰো সম্পাদক আছিল । তেখেতে দান দিয়া একঠা মাটিতে প্ৰাথমিক শাখাৰ কাৰ্য্যালয়টি গঢ় লৈ উঠিছে । বৰদলৈদেৱে শঙ্কৰী ধৰ্ম, সাহিত্যৰ কেইবাখনো পুথি প্ৰণয়ন কৰিছে । বিভিন্ন আলোচনীসমূহত প্ৰকাশ পোৱা তত্ত্বগধুৰ প্ৰবন্ধসমূহ পৰমাৰ্থ তত্ত্ববিচাৰত অতি উচ্চ স্তৰৰ । মহাপুৰুষীয়া সমাজলৈ অভূতপূৰ্ব বৰঙণিৰ বাবে গোলাঘাট জিলা শাখা, দেৰগাঁও আঞ্চলিক শাখাৰ দ্বাৰা সম্বৰ্দ্ধনা জনোৱা হয় ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

**শ্ৰীহেমধৰ কেওট** ঃ প্ৰাথমিক শাখাটিত জন্মৰে পৰা বৰ্তমানলৈকে ওতঃপ্ৰোত বাৱে জড়িত । বৰ্তমান গোলাঘাট পূৱ আঞ্চলিক শাখাৰ সভাপতি । পিতৃ পৰিয়ালৰ দ্বাৰা ত্যজ্য হৈয়ো সংঘৰ মতে বিবাহ আদি কাৰ্য্য কৰি অন্য সংগীৰ মাটিত ঘৰলৈ বাস কৰি আছে ।

প্ৰাথমিকৰ আৰম্ভণিৰে পৰা বৰ্তমানলৈকে সভাপতিসকল সৰ্বশ্ৰী চন্দ্ৰনাথ বৰদলৈ, কতিয়া কলিতা, হেমধৰ কেওট, খগেশ্বৰ বৰা, ৰোষেশ্বৰ কলিতা, মানিক কলিতা আৰু বুবাই ৰাজখোৱা ।

**সম্পাদকসকল ক্ৰমে** ঃ সৰ্বশ্ৰী হেমধৰ কেওট, পুণ্যেশ্বৰ বৰা, নৰেন হাজৰিকা, প্ৰয়াত কুলধৰ নেওগ, বাবুল বৰদলৈ, সৰ্বশ্ৰী শান্তিৰাম বৰা, পুলিন নেওগ, সুৰেন বৰদলৈ, মুখেশ্বৰ বৰদলৈ আৰু ডিম্বেশ্বৰ গায়ন ।

**মুখ্য উপদেষ্টা** ঃ শ্ৰীচন্দ্ৰনাথ বৰদলৈ আৰু সৰ্বশ্ৰী কতিয়া কলিতা, গোলাপ ৰাজখোৱা - উপদেষ্টা মণ্ডলী । □

# ভকতীয়া গাঁও মিলনজ্যোতি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৩ চন

ভকতীয়া গাৱঁৰ পূৰ্বৰ নাম নাহৰণি গুৱাল গাঁও আছিল । এই গাৱঁৰ লোকসকল আউনীআটী সত্ৰৰ সেৱক আছিল । এই গাৱঁৰ লোকে গোসাঁইক গাখীৰ যোগান ধৰিছিল । সেই বাবে গুৱাল গাঁও নামে জনা যায় । মাইকী ম'হ, গাই গৰু পোহা হৈছিল । গৰু, ম'হ প্ৰতিপালন কৰা আৰু গাখীৰৰ ব্যৱসায় কৰা লোকক গুৱাল বা গোৱাল বোলা হয় । সেইবাবে গুৱাল গাঁও হৈছিল । এতিয়াও গুৱালৰ ঘৰ, আৰু গুৱাল বৰা নামে এটা বংশ আছে । গাৱঁৰ লোকসকল প্ৰায়বিলাকেই আউনীআটী সত্ৰৰ শৰণীয়া-ভজনীয়া ভকত হোৱা বাবে পাছলৈ ভকতৰপৰা ভকতীয়া হৈ গুৱাল গাৱঁৰ ঠাইত ভকতীয়া গাঁও হ'ল । এই গাৱঁত কলিতা, কেওট আৰু ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোকৰ সংখ্যা বেছি । এইবিলাকৰ ভিতৰত আউনীআটী, বেঙেনা আটি আৰু লেটুগ্ৰাম সত্ৰৰ সেৱক আছিল । পাছলৈ শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ নীতি আদৰ্শৰ প্ৰতি আস্থা বঢ়াত পূৰ্বৰ কৰ্মকাণ্ড ত্যাগ কৰি কিছু সংখ্যক লোকে এটি প্ৰাথমিক শাখা গঠন কৰে । এই প্ৰাথমিক গঠনত শ্ৰীহেম কেওট আৰু শ্ৰীচন্দ্ৰ বৰদলৈ বাপৰ নাম ল'ব লাগিব । তদুপৰি শ্ৰীৰামেশ্বৰ বৰা, শ্ৰীশান্তিৰাম বৰা আৰু শ্ৰীনৰেন বৰদলৈৰ ত্যাগ কম নহয়; ইং ১৯৭৩ চনত ১০ ঘৰ গৃহস্থীৰে এই প্ৰাথমিক গঠন হয় । স্বৰ্গীয় কুশেশ্বৰ কলিতা আৰু শ্ৰীঅচ্যুত কৃষ্ণ মিশ্ৰ বাপৰ ইয়াত যথেষ্ট বৰঙণি আছে । এই প্ৰাথমিকৰ সঙ্গী শ্ৰীচন্দ্ৰ বৰদলৈ বাপ, জিলা শাখাৰ সম্পাদক, আৰু সভাপতিও হৈছিল। তেখেত মূলৰ সাহিত্য শাখাৰ সভাপতিও আছিল । গোলাঘাট জিলা শাখাৰ মুখপত্ৰ 'শ্ৰীমন্ত'খনো সম্পাদনা কৰিছিল । বৰ্তমান এই প্ৰাথমিকৰ সভাপতি শ্ৰীৰামেশ্বৰ বৰা আৰু সম্পাদক শ্ৰীপ্ৰশান্ত দত্ত । ◘

# কচুবৰীয়া প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৩ চন

গোলাঘাট জিলাৰ গোলাঘাট মহকুমাৰ গুৰযোগনীয়া মৌজাৰ অন্তৰ্গত কচুবৰীয়া এখনি পুৰণি গাঁও । এই গাৱঁৰ বুৰঞ্জী অতি প্ৰাচীন । এই অঞ্চল বৃহত্তৰ 'দেৱগ্ৰাম' অৰ্থাৎ আজিৰ দেৰগাৱঁৰ অন্তৰ্ভুক্ত । গুৰ যোগান ধৰা বাবে যিদৰে আহোম ৰজাৰ দিনত গুৰযোগনীয়া নাম হৈছিল, ঠিক সেইদৰে এই গাৱঁৰে বৰুৱাৰ ঘৰে তাহানি ৰজাৰ ঘৰত বৰ্ঢ়িয়া (ডাঙৰ আৰু ভাল) কচু যোগান ধৰিছিল । যাৰ ফলত কচু বৰুৱাৰ ঘৰ পৰিচিত হৈছিল । এই কচু বঢ়োৱা বৰুৱাৰ ঘৰৰ পৰাই এই গাৱঁৰ নাম কচুবৰীয়া বা কচুপৰীয়া হ'লগৈ বুলি প্ৰচলিত আছে । এই গাৱঁৰ পূবে ছাগলীহেমাজান আৰু ডুবিয়াল গাঁও, পশ্চিমে নাহৰণি গাঁও, উত্তৰে লুকুমাই গাঁও আৰু ফৰকাটিং মৰিয়নী সংযোগী ৰেলপথ আৰু দক্ষিণে বাতিপৰীয়া আৰু ছাগলী হেমাজান অৱস্থিত । এই গাঁও ৰাজহ গাঁও নহয় । ইয়াৰ এটা অংশ বাতিপৰীয়া লুকুমাই ৰাজহ গাৱঁৰ অন্তৰ্ভুক্ত আৰু আনটো অংশ ডোমজৰীয়া কছলিয়াল ৰাজহ গাৱঁৰ অন্তৰ্গত ।

এই গাৱঁত আদিতে মাত্ৰ তিনিঘৰহে মুল বাসিন্দা আছিল, 'কচু বৰুৱাৰ ঘৰ', 'মেধীৰ ঘৰ' আৰু 'মেৰুৱাৰ ঘৰ' । পাছত আৰু দুঘৰ 'ডেকাৰ ঘৰ' আৰু 'ধিঙৰ ঘৰ' আনি বহুৱাই । পাছত কালক্ৰমত এই কেইঘৰৰ পৰাই বৰ্তমান ৯০ ঘৰ গৃহস্থীৰে প্ৰায় ৬০০ জন বাসিন্দাই ইয়াত বসবাস কৰি আছে ।

কচুবৰীয়া গাৱঁৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষভাৱে বৰঙণি যোগোৱা ব্যক্তিসকল হ'ল স্বৰ্গীয় দেহীৰাম হাজৰিকা, স্বৰ্গীয় তুৰাৰাম মেধী, স্বৰ্গীয় লীলাধৰ বৰুৱা, স্বৰ্গীয় অকনেশ্বৰ বৰুৱা, স্বৰ্গীয় মালভোগ হাজৰিকা, স্বৰ্গীয় কুশেশ্বৰ বৰুৱা, স্বৰ্গীয় বাপুতা ফুকন, সৰ্বশ্ৰী ঠগিৰাম শইকীয়া, মিঠাৰাম শইকীয়া, প্ৰিয়নাথ হাজৰিকা, মদন বৰা, উমেশ্বৰ বৰা, প্ৰিয়নাথ বৰা, নবীন তামুলী, বোধেশ্বৰ বৰা আদি । এইসকল ব্যক্তিৰ চেষ্টাতে গাঁওখন বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি গৈছে । কচুবৰীয়া প্ৰাথমিক শাখা গঠনত গোলাঘাট জিলা শাখাৰ প্ৰাক্তন সভাপতি প্ৰয়াত কুশেশ্বৰ কলিতা বাপৰ প্ৰেৰণা অধিক ।

তদুপৰি মূল সংঘৰ প্ৰাক্তন পদাধিকাৰ শ্ৰীঅচ্যুত কৃষ্ণ মিশ্ৰ বাপ, শ্ৰীসোণাৰাম চুতীয়া বাপৰ অৱদান উল্লেখযোগ্য ।

এই গাৱঁত এটি নামঘৰ, এখন প্ৰাথমিক বিদ্যালয়, এটি প্ৰাথমিক স্বাস্থ্য উপকেন্দ্ৰ, প্ৰদীপ পুস্তকালয় নামেৰে এটি পুথিভৰাল, অনুসন্ধানী যুৱক সংঘ, সূৰ্য্যমুখী নামেৰে একনি মহিলা সমিতি আছে । এই ৰাজহুৱা অনুষ্ঠানবিলাকৰ লগত গাৱঁৰ সকলো পুৰুষ-মহিলা, যুৱক-যুৱতী ওতঃপ্ৰোত ভাৱে জড়িত ।

**প্ৰাথমিক শাখা গঠন ঃ** ১৯৭৩ চনৰ এপ্ৰিল মাহৰ ১৫ তাৰিখে শ্ৰীযুত চন্দ্ৰ হাজৰিকা, শ্ৰীউমেশ্বৰ বৰা, শ্ৰীঠগিৰাম শইকীয়া, স্বৰ্গীয় কলাই শইকীয়া আদি ব্যক্তিকেইজনৰ উদ্যোগত ৭ ঘৰ গৃহস্থীৰে ২৫ জন সঙ্গীৰে পঞ্জীয়ন ভুক্ত কচুবৰীয়া প্ৰাথমিক শাখাটি খোলা হয় ।

এই প্ৰাথমিক শাখাটিৰ উদ্যোগত ১৯৭৪ চনত গোলাঘাট পূব আঞ্চলিক শাখা গঠন কৰা হয় । তদুপৰি এই প্ৰাথমিক শাখাৰ সৌজন্যত কচুবৰীয়া নামঘৰত বহুবাৰ পূব আঞ্চলিক শাখাই গুৰু জয়ন্তী ভাগ পালন কৰে । বিশেষকৈ ১৯৯৮ চনৰ ৯ আৰু ১০ মে তাৰিখে দুদিনীয়া কাৰ্য্যসূচীৰে কচুবৰীয়া প্ৰাথমিক শাখাৰ 'ৰূপালী জয়ন্তী' উদযাপন কৰি 'প্ৰাণকৃষ্ণ' নামেৰে উন্নত মানবিশিষ্ট এখনি স্মৰণিকাও প্ৰকাশ কৰে । তদুপৰি কচুবৰীয়া প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক শ্ৰীযুত চন্দ্ৰ হাজৰিকা বাপৰ প্ৰচেষ্টাতে এই অঞ্চলৰ 'উজিৰ গাঁও প্ৰাথমিক', 'বেজগাঁও প্ৰাথমিক' আৰু 'ডোমজৰীয়া প্ৰাথমিক' শাখাৰ জন্ম হৈছিল । এইদৰে এই প্ৰাথমিক শাখাৰ সম্পাদক, সভাপতি প্ৰমুখ্যে লোকসকলৰ চেষ্টাত গুৰুজনাৰ নীতি আদৰ্শ প্ৰচাৰ, প্ৰসাৰ আৰু সংগঠনৰ দিশত অগ্ৰনী ভুমিকা পালন কৰি আহিছে ।

কচুবৰীয়া প্ৰাথমিক শাখাৰ সঙ্গীসকলৰ সৰহ সংখ্যকেই দুখীয়া কৃষক। তেখেতসকলৰ দুই এজনৰ বাহিৰে সৰহ সংখ্যকৰে আৰ্থিক অৱস্থা সন্তোষজনক নহয় ।

**স্বৰ্গীয় কলাই শইকীয়া ঃ** স্বৰ্গীয় কলাই শইকীয়া গাৱঁৰ এজন নিৰক্ষৰ ব্যক্তি । তেখেতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শক শ্ৰদ্ধাৰে গ্ৰহণ কৰি সৰ্ব প্ৰথমে এই গাৱঁত তেখেতৰ স্ত্ৰীৰ মৃতাহ কৰ্ম, কৰ্মকাণ্ড ৰহিত নাম ধৰ্মৰে কৰি গাঁওখনত প্ৰথমে ধৰ্ম বিপ্লৱৰ সূচনা কৰে ।

**শ্ৰীঠগিৰাম শইকীয়া ঃ** বৈষ্ণৱ শাস্ত্ৰৰ তত্ত্বদৰ্শী এইজন ব্যক্তিয়ে প্ৰাথমিক শাখাটি খোলাত গুৰুত্বপূৰ্ণ ভূমিকা লৈ স্থানীয় অঞ্চলতো শ্ৰীমন্ত

শংকৰদেৱ সংঘৰ নীতি আদৰ্শ প্ৰচাৰ কৰি অনেক ঘাত-প্ৰতিঘাত মূৰ পাতি লৈ বিপ্লৱ কৰি আহিছে । এখেতে এই প্ৰাথমিক শাখাত প্ৰতিষ্ঠাৰে পৰা বৰ্তমানলৈকে সভাপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আহিছে ।

**শ্ৰীচন্দ্ৰ হাজৰিকা ঃ** কচুবৰীয়া প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক ৰূপে নিজ প্ৰাথমিক শাখাত বিশেষভাৱে জড়িত হৈ থকাৰ উপৰি গোলাঘাট পূব আঞ্চলিকৰ প্ৰতিষ্ঠাতা আছিল । তদুপৰি এখেতৰ প্ৰচেষ্টাতে এই অঞ্চলৰ কেবাখনো প্ৰাথমিক শাখা গঠিত হৈছিল । এখেত বৰ্তমান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মূলৰ সদস্যৰূপে কাৰ্য্যনিৰ্বাহ কৰি আছে । (বিস্তৃত জীৱনী পৰৱৰ্তী অধ্যায়ত প্ৰকাশ পাইছে ।)

**শ্ৰীউমেশ্বৰ বৰা ঃ** এখেত বৰ্তমান কচুবৰীয়া প্ৰাথমিক শাখাৰ সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰি থকাৰ উপৰি শাখাটি জীয়াই থকাত যথেষ্ট বৰঙণি যোগাই আহিছে । সংঘৰ নীতি আদৰ্শ ৰক্ষা কৰি প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত যথেষ্ট বৰঙণি যোগাই আহিছে ।

শ্ৰীঠগিৰাম শইকীয়া - সভাপতি
শ্ৰীচন্দ্ৰ হাজৰিকা - সম্পাদক
শ্ৰীউমেশ্বৰ বৰা - সম্পাদক
শ্ৰীগগণ হাজৰিকা - জিলা সদস্য

# বেজগাঁও মিলন প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৪ চন

গোলাঘাট নগৰৰপৰা প্ৰায় বিশ কিলোমিটাৰ পূবত গোলাঘাট-যোৰহাট জিলাৰ সীমান্তবৰ্ত্তী কাকডোঙা নৈৰ পশ্চিম পাৰত বেজগাঁও নামৰ গাঁওখনি অৱস্থিত । এই গাঁৱৰ পূবে কাকডোঙা নৈ, ওপৰখাটোৱাল আৰু চাবুকধৰা গাঁও, উত্তৰে উজিৰ, দলৈ, চমুৱা আৰু এলাইঘৰীয়া আদি গাঁও, পশ্চিমে কুকুৰাপহীয়া, ধৰীয়া, পহুচোৰা আদি গাঁও আৰু হোকোৰাখাট, দক্ষিণে পটানজৰা লখাই গাঁও আৰু মহিমা চাহ বাগান । গাঁওখনি ৯০ ঘৰ গৃহস্থী আৰু প্ৰায় ৫০০ জনসংখ্যাৰে পৰিপূৰ্ণ । শিক্ষা-দীক্ষা, কৃষি-বাণিজ্য, চাকৰি যোগাযোগ আদি সকলো দিশতেই গাঁওখনি বিশেষ আগবঢ়া বুলি ক'ব নোৱাৰি। কৃষিৰ ওপৰতেই গাঁওবাসীসকল ঘাইকৈ নিৰ্ভৰশীল যদিও শতকৰা দহগৰাকীলোকে বিভিন্ন বিভাগত চাকৰি আৰু ব্যৱসায় বাণিজ্য কৰি প্ৰবৰ্ত্তন কৰে । এই গাঁৱৰে নিবাসী শ্ৰীটিকেন্দ্ৰ নাথ গোস্বামীয়ে ১৯৫৪ চনতে মেট্ৰিক পাছ কৰি যথাসময়ত স্নাতক ডিগ্ৰী লৈ ধলৰসত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰি বৰ্তমান অৱসৰ গ্ৰহণ কৰিছে । তেখেতৰে এজন সুযোগ্য পুত্ৰই ডিব্ৰুগড় মেডিকেল কলেজত মেডিকেল বিভাগত এক দায়িত্বশীল পদত কাৰ্যনিৰ্বাহ কৰি আছে । এই গাঁৱৰে ভালে সংখ্যক যুৱক-যুৱতীয়ে উচ্চ শিক্ষা গ্ৰহণৰ বাবে অধ্যয়নৰত অৱস্থাত আছে । শ্ৰীদিগন্ত মাধৱ নেওগে স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়ন কৰি আছে ।

এই গাঁৱৰে নিচেই কাষৰীয়া শ্ৰীপ্ৰেমানন্দ বৰকাকতিৰ কনিষ্ঠ পুত্ৰ শ্ৰীযদুমণি বৰকাকতিয়ে ১৯৯৬ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা অৰ্থনীতি বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। সেইয়া অঞ্চলটোৰ বাবেই গৌৰৱৰ কথা ।

দেশৰ স্বাধীনতা আন্দোলন, মহাপুৰুষীয়া ধৰ্মৰ সংস্কাৰী আন্দোলন আৰু সময়ে সময়ে হৈ থকা ৰাজনৈতিক আন্দোলন আদিত এই অঞ্চলৰ লোকসকলে সক্ৰিয় অংশ গ্ৰহণ কৰে । বিশেষকৈ এই গাঁৱৰ প্ৰয়াত ঠানুৰাম শইকীয়া, শ্ৰীপদ্ম নেওগ, শ্ৰীসৰুলৰা বৰা, প্ৰয়াত অকন শইকীয়া, প্ৰয়াত নিত্যানন্দ নেওগ, প্ৰয়াত ভীমকান্ত শইকীয়া, প্ৰয়াত মুখ্যেশ্বৰ শইকীয়া, প্ৰয়াত

বুবাইকন শইকীয়া, শ্ৰীটিকেন্দ্ৰ নাথ গোস্বামী, শ্ৰীদেবেশ্বৰ শইকীয়া, শ্ৰীগুকুৰা সেনাপতি এই লোকসকলে নিখুঁট অভিনয় কৰি সমাজত সমাদৰ লাভ কৰি আছে । মহাপুৰুষীয়া ধৰ্মীয় সংস্কাৰী আন্দোলনত মুক্তিযোদ্ধা ঠানুৰাম শইকীয়াই প্ৰায় ৬০ ৰ দশকত বিশেষ ভূমিকা গ্ৰহণ কৰি মুক্তিযোদ্ধা দামোদৰ ভূএগ্ৰা, প্ৰয়াত কণমইনা দত্ত, প্ৰয়াত ভতং দত্ত, শ্ৰীশান্তি ৰাম বৰা আদি লোকসকলৰ লগহৈ উজিৰ গাঁও নামকৰণেৰে এই অঞ্চলৰ ভিতৰত প্ৰথম প্ৰাথমিক শাখা গঠন কৰে । এনে অনুপ্ৰেৰণাতে ১৯৭৪ চনত শ্ৰীচন্দ্ৰ নেওগদেৱৰ প্ৰচেষ্টাত শ্ৰীবোপাৰাম শইকীয়া, শ্ৰীমিনেশ্বৰ নেওগ, প্ৰয়াত ভোগৰাম বৰা, শ্ৰীহৰি প্ৰসাদ নেওগদেৱে মাত্ৰ চাৰিঘৰ গৃহস্থীৰে 'বেজগাঁও মিলন প্ৰাথমিক শাখা' গঠন কৰে । এই ক্ষেত্ৰত লখাই গাৱঁৰ শ্ৰীডিম্বেশ্বৰ শইকীয়া বাপে প্ৰাথমিক শাখাটি গঠনত বিশেষভাৱে উৎসাহিত কৰিছিল । তদুপৰি গাৱঁৰ একমাত্ৰ বয়োবৃদ্ধ সংগী বেজগাঁও মিলন প্ৰাথমিকৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত নিত্যানন্দ নেওগ বাপৰ ভূমিকা স্মৰণীয় । প্ৰাথমিক শাখাটিৰ প্ৰতিষ্ঠাপক সম্পাদক শ্ৰীচন্দ্ৰ নেওগ বাপে বিশেষ তৎপৰতাৰে শাখাটি গঠনত বৰঙণি যোগায় । সুদীৰ্ঘ বাৰবছৰৰো অধিককাল প্ৰয়াত নিত্যানন্দ নেওগ আৰু শ্ৰীচন্দ্ৰ নেওগ বাপদ্বয়ে যথাক্ৰমে সভাপতি আৰু সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি প্ৰাথমিক শাখাটিৰ গুৰি ধৰিছিল । প্ৰতিকূল অৱস্থাৰ মাজতেই শাখাটিৰ যথেষ্ট বৃদ্ধি ঘটিছিল । প্ৰাথমিক শাখাৰ সৌজন্যত শৰণ-ভজনৰ কক্ষ অনুষ্ঠিত কৰি শৰণ দিয়া হয়। বৰ্তমান বেজগাঁও মিলন প্ৰাথমিক শাখাত ৮ ঘৰ গৃহস্থী আৰু ২০ জন সঙ্গী আছে । প্ৰাথমিকৰ বৰ্তমান সভাপতি শ্ৰীডালিৰাম শইকীয়া আৰু সম্পাদক শ্ৰীমিনেশ্বৰ নেওগ।

# হাজৰিকা প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৭ চন, ৫২৯ শঙ্কৰাব্দ

হাজৰিকা গাঁও দেৰগাঁও নগৰৰ পৰা ৪ কিলোমিটাৰ পূবত অৱস্থিত। ২০০ জন জনসংখ্যাৰে গাঁওখনৰ মুঠ গৃহস্থী সংখ্যা ২৮ ঘৰ । মানৰ আক্ৰমণৰ সময়তে তিপামৰ পৰা মণি হাজৰিকা নামৰ এজন লোক আহি এই ঠাইত স্থায়ী ভাৱে থাকিবলৈ লয় । এই মণি হাজৰিকাৰ বংশধৰসকলৰ পৰাই গাঁওখন গঢ় লৈ উঠিছে বুলি এটি জনশ্ৰুতি আছে ।

৫২৫ শঙ্কৰাব্দৰ আগলৈকে এই গাৱঁত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰভাৱ অনুভুত হোৱা নাছিল । ১৯৭৩ চনৰপৰা প্ৰকৃতাৰ্থত সমস্ত দেৰগাঁও বাসীৰ পৰিচিত ব্যক্তি প্ৰয়াত ধৰ্মেশ্বৰ হাজৰিকাদেৱৰ অনুপ্ৰেৰণাতে গাৱঁৰ লোকসকলৰ মাজত কৰ্ম কাণ্ডৰ বিৰুদ্ধে বিপ্লৱ আৰম্ভ হৈছিল । তেখেতৰ অনুপ্ৰেৰণাতে গাৱঁৰে প্ৰয়াত পূৰ্ণ হাজৰিকা, দেবেশ্বৰ হাজৰিকা আৰু শ্ৰীজিতেন দত্তৰ সহযোগত ৫২৯ শঙ্কৰাব্দ ১৯৭৭ চনত গোলাঘাট জিলা শাখাৰ প্ৰাক্তন সভাপতি শ্ৰীযুত যোগেশ্বৰ বৰা, বৈষ্ণৱ পণ্ডিত কুবেশ্বৰ কলিতা, সেই সময়ৰ পুব আঞ্চলিক শাখাৰ সভাপতি শ্ৰীযুত ডিম্বেশ্বৰ ভূঞা, সৰ্বশ্ৰী চন্দ্ৰমোহন হাজৰিকা, বাবুলা নেওগ, শ্ৰীআনন্দ হাজৰিকা আদি সংঘৰ একনিষ্ঠ সেৱকসকলৰ তত্বাৱধানত ১০ ঘৰ গৃহস্থীৰে 'হাজৰিকা প্ৰাথমিক শাখা' নামেৰে প্ৰাথমিক শাখাটি গঠিত হয় আৰু গোলাঘাট পুব আঞ্চলিক শাখাৰ অন্তৰ্ভুক্ত হয় ।

প্ৰাথমিক শাখাটি গঠনৰেপৰা সংগীসকলে গুৰুধৰ্ম প্ৰচাৰ প্ৰসাৰত মনোনিবেশ কৰাৰ লগতে 'আপুনি আচৰি ধৰ্ম আনকো শিখাৱে' বাক্যষাৰৰ যথাৰ্থতা পালন কৰি আহিছে । সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত সংগীসকল যথেষ্ট আগবঢ়া । কেইবাগৰাকীও সংস্কৃতিৰ দিশত আগবঢ়া সংস্কৃতিবানলোক এই প্ৰাথমিকত আছে । সাহিত্য, সংস্কৃতি, প্ৰচাৰ-প্ৰসাৰৰ দিশত মুল সংঘই প্ৰবৰ্তন কৰা শিশু সমাৰোহ, যুৱ-সমাৰোহ, আই মাতৃ সমাৰোহ প্ৰাথমিক শাখাই আঞ্চলিক শাখাৰ সহযোগত অনুষ্ঠিত কৰিছে । ১৯৯৭ চনত গুৰু আৱিৰ্ভাৱ মহোৎসৱ ভাগি প্ৰাথমিক শাখাৰ নামঘৰত পূব গোলাঘাট আঞ্চলিকৰ সহযোগত দুদিনীয়া কাৰ্য্যসূচীৰে উদযাপন কৰে । লগতে সাহিত্য-সংস্কৃতিৰ দিশত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় ।

**জন্মৰেপৰা বৰ্তমান সময়লৈকে সভাপতি আৰু সম্পাদকসকল -**

**সভাপতি ঃ** সৰ্বশ্ৰী বিশ্বেশ্বৰ হাজৰিকা, গোলাপ হাজৰিকা আৰু বিশ্বেশ্বৰ হাজৰিকা ।

**সম্পাদক ঃ** সৰ্বশ্ৰী যতিশ হাজৰিকা আৰু দুগ্ধ বৰা ।

# টেকেলা গাঁও প্ৰাথমিক শাখা ঃ নেঘেৰিটিং চাহ বাগিচা

## গঠন ঃ ১৯৮২ চন

বুৰঞ্জী প্ৰসিদ্ধ নেঘেৰিটিঙৰে অন্তৰ্গত টেকেলা লাইন বৰ্তমান টেকেলা গাঁও । এই গাৱঁৰ লোকসকল বৃত্তিত টেকেলা আছিল কাৰণেই গাঁওখনৰ নাম টেকেলা লাইন । সমীপত অৱস্থিত বুৰঞ্জীবিখ্যাত শিৱদ'ল, ডেৰচোৱা ঘাটে কছাৰী সেনাপতি 'ডেৰচুটফা'ৰ স্মৃতি আজিও বহন কৰিছে। ইয়াতে কছাৰী ৰজাৰ সৈন্যৰ চাউনি আছিল ।

ভাৰতবৰ্ষত ইংৰাজসকলৰ দুশ বছৰীয়া শাসনৰ কালত চাহ শিল্পৰ উপযুক্ত ভূমি অসমলৈ বিভিন্ন ৰাজ্যৰ পৰা মজুৰি কৰিবৰ কাৰণে মজদুৰসকলক অসমলৈ অনা হয় । পূৰ্বপুৰুষসকলে সেই সেই ৰাজ্যৰ বিভিন্ন পন্থাৰে অসমত ধৰ্মীয় কাৰ্য্য সম্পন্ন কৰিছিল । ১৯৫১ চনত গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ, বিপ্লৱী ধৰ্মগুৰু, সমাজ সংস্কাৰক, মুক্তিযোদ্ধা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতিষ্ঠাতা পদাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীয়ে বৈষম্যৰ আঁৰ কাপোৰ গুচাই বৰ্তমানৰ নামঘৰৰ স্থলিতে এটি খেৰ-বাঁহেৰে নামঘৰ প্ৰতিষ্ঠা কৰি প্ৰায় দহঘৰ গৃহস্থীক শৰণ দি মহাপুৰুষীয়া ধৰ্মৰ ভিতৰুৱা কৰে । দেৰগাঁও অঞ্চলত বাগানৰ মাজত এয়াই প্ৰথম বাৰৰ বাবে মহাপুৰুষীয়া ধৰ্মৰ বীজ অঙ্কুৰিত হ'ল । শৰণ গ্ৰহণ কৰালোকসকল আছিল প্ৰয়াত মোহন ঘাটোৱাৰ, বৰদা ঘাটোৱাৰ, মোহন ভূএগ, জুতুলী ভূএগ, ভজ বাউৰী, তিলেশ্বৰ বাউৰী, আচমান চাহু, টংকেশ্বৰ বাউৰী, অধৰ বাউৰী, ব্ৰজনাথ কুৰ্মী, বীৰ মাঝি আদি। এই পবিত্ৰ অনুষ্ঠানৰ সাক্ষী হিচাপে শ্ৰীৰামদেউ কমাৰ এতিয়াও জীৱিত । কিন্তু দুখৰ বিষয় নেতৃত্বৰ অভাৱত, একশ্ৰেণী লোকৰ চক্ৰান্তত শ্ৰীশ্ৰীপীতাম্বৰ গোস্বামী প্ৰভুয়ে ৰোপণ কৰা অমৃত বৃক্ষৰ গছজোপাই ঠাল-ঠেঙুলি ধৰিবলৈ সুবিধা নাপাই শুকাই যোৱাৰ উপক্ৰম হয় । কিন্তু গুৰুজনাৰ কৃপাতে এই স্থানতে সকলোৰে সহায়-সহযোগত এটি পূৰ্ণাংগ নামঘৰ গঢ় লৈ উঠিছে।

গাঁওখনৰ জনসংখ্যা ১০০০ বো অধিক । শিক্ষাৰ ক্ষেত্ৰত এখন মাত্ৰ প্ৰাথমিক বিদ্যালয়ৰ যোগেদি প্ৰাথমিক শিক্ষা দি থকা হৈছে । চাৰিসীমাত পুবে শিৱদ'ল, পশ্চিমে বাগানৰ কলমৰ উত্তৰে নেঘেৰিটিং বৈষ্ণৱ গাঁও, দক্ষিণে ৩৭ নং ৰাষ্ট্ৰীয় পথ । বিশিষ্ট লোকসকলৰ ভিতৰত প্ৰয়াত আচমান চাহু, টংকেশ্বৰ বাউৰী, প্ৰভু মুড়া, চিতাৰাম কমাৰ, তিলেশ্বৰ বাউৰী, সৰ্বশ্ৰী লীলা চাহু, ৰামদেউ কমাৰ আদি ১৯৮১ চনত সৰ্বশ্ৰী ৰামেশ্বৰ ঘাটোৱাৰ, লবেন দত্ত আৰু গোবিন বৰাক লৈ গানিকাৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰে।

নামঘৰৰ স্থানতে বিভিন্ন সভা-সমিতি, ধৰ্ম বিষয়ক আলোচনা আদি হৈ থাকে। প্ৰয়াত বাপুৰাম দত্ত, লোকেশ্বৰ বৰা, সৰ্বশ্ৰী হৰনাথ হাজৰিকা, ভোলা বৰা, শ্ৰীআনন্দ হাজৰিকা, ভবেশ কুমাৰ দত্ত, ডিম্বেশ্বৰ ভূঞা, আদি ব্যক্তিসকলৰ তৎপৰতাত ১৯৭১ চনত 'টেকেলা গাঁও প্ৰাথমিক শাখাই' জন্ম লাভ কৰি গোলাঘাট পুব আঞ্চলিক শাখাৰ অন্তৰ্গত হয়। বৰ্তমান প্ৰাথমিকৰ গৃহস্থী সংখ্যা ২৮ ঘৰ। ১৯৮৪ চনত নেঘেৰিটিং বাগানৰ সমূহ চাহ জনগোষ্ঠীক একত্ৰিত কৰি গুৰুজনাৰ জন্ম জয়ন্তীভাগ উদযাপন কৰা হয়। মূল সংঘৰ প্ৰাক্তন পদাধিকাৰ শ্ৰীযুত অচ্যুৎ কৃষ্ণ মিশ্ৰ, বৈষ্ণৱ পণ্ডিত কুশেশ্বৰ কলিতা, মজদুৰ নেতা পৱন সিং ঘাটোৱাৰ আদিৰ উদাত্ত, অমৃতময় ভাষণে মজদুৰসকলৰ পৌৰাণিক বান্ধ খুলি মহাপুৰুষীয়া ধৰ্মক আকোৱালি লৈ গুৰু জনাৰ প্ৰবৰ্তিত ধৰ্মৰ নীতি আদৰ্শত মজিবলৈ গভীৰ অনুপ্ৰেৰণা জগায়।

প্ৰচাৰ-প্ৰসাৰৰ দিশত প্ৰাথমিক শাখাটিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিশেষকৈ এই ক্ষেত্ৰত যোৰহাট জিলা শাখাৰ শৰণ সদস্য শ্ৰীযুত তুলসী বৰাদেৱৰ বৰঙণি, ত্যাগ স্বীকাৰ চিৰস্মৰণীয়। এই প্ৰাথমিক শাখাৰ জৰিয়তে, শ্ৰীযুত তুলসী বৰাদেৱৰ অনুপ্ৰেৰণাতে কছাৰী লাইন, মণিকাঞ্চন, ফেটা বস্তি, মহাত্মা প্ৰাথমিক, ১২ নং কৃষ্ণপুৰ, বালিজান বাহবাৰী মাধৱপুৰ, চকলাটিং প্ৰাথমিক শাখা গঠন কৰা হৈছে। এই ক্ষেত্ৰত গোলাঘাট পুব আঞ্চলিক শাখাৰ বৰঙণিও যথেষ্ট। নেঘেৰিটিং চাৰিআলিৰ কাষতে অৱস্থিত বৰলাইনত এখনি প্ৰাথমিক খোলাৰ প্ৰচেষ্টা অব্যাহত থকা দেখা গৈছে।

সাহিত্য-সংস্কৃতিৰ দিশতো প্ৰাথমিকখন যথেষ্ট আগবঢ়া। সংবিধান অনুযায়ী অনুষ্ঠিত হোৱা শিশু সমাৰোহ, যুৱ সমাৰোহ আইমাতৃ সমাৰোহ আদিত কিশোৰ-কিশোৰী, যুৱক-যুৱতী আইমাতৃসকলে অংশ গ্ৰহণ কৰি গুৰুধৰ্ম প্ৰচাৰ প্ৰসাৰত অৰিহণা যোগাইছে। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ শেহতীয়া নিৰ্দেশানুযায়ী সেৱা বাহিনী গঠন কৰি গাৱঁৰ উন্নয়নমূলক কাম-কাজত আত্মনিয়োগ কৰিছে। প্ৰাথমিকখনিৰ প্ৰায় সংগীয়েই উদ্যোগী, সংগঠন প্ৰচাৰ প্ৰসাৰৰ লগত জড়িত। বিশেষকৈ শ্ৰীযুত চৰিত্ৰ ৰবিদাস প্ৰথম বাৰৰ বাবে জিলা কাৰ্য্যনিৰ্বাহকৰ সদস্য আৰু গোলাঘাট পুব আঞ্চলিক শাখাৰ সদস্য তথা সহকাৰী সম্পাদক নিৰ্বাচিত হৈছে।

আৰম্ভণিৰে পৰা বৰ্তমানলৈকে সভাপতিসকল ক্ৰমে সৰ্বশ্ৰী ৰমেশ ঘাটোৱাৰ, কমল বাউৰী, অজিত বাউৰী আৰু বিপুল বাউৰী। সম্পাদকসকল ক্ৰমে সৰ্বশ্ৰী চৰিত্ৰ ৰবিদাস, মুকুন্দ বাউৰী আৰু পোনা বাউৰী। ❂

# মহাত্মা ফেটা বস্তি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮২ চন

১৯৫২ চনত ফেটা গাৱঁৰ শ্ৰীশিৱৰাম বৰাই ফেটা চুকত ফেটা বস্তি নামে এখন প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰে । তেতিয়াৰ পৰা সেই গাৱঁৰ নাম ফেটা বস্তি হয় । ইয়াৰ পুবে বালিজান আৰু ৩৭ নং ৰাষ্ট্ৰিয় পথ । পশ্চিমে ফেটা গাঁও উত্তৰে বালিবাট আৰু দক্ষিণে ১৪ নং বস্তি । এই গাৱঁৰ জনসংখ্যা ৮০০ জন । সৰহ সংখ্যক লোক বাগানৰ বনুৱা সম্প্ৰদায়ৰ । শ্ৰীসোমেশ্বৰ কুৰ্মী আৰু শ্ৰীকমলেশ্বৰ কুৰ্মী এই অঞ্চলৰ শিক্ষিত লোকৰ ভিতৰত অগ্ৰগণী । এই দুজনৰ চেষ্টাত শ্ৰীগঙ্গাৰাম কুৰ্মীৰ সহযোগত ইয়াত ধৰ্মীয় অনুষ্ঠান গঢ় লয় । গুৰু ধৰ্মৰ প্ৰতি ৰাপ বঢ়াত ১৯৮২ চনত ২ অক্টোবৰৰ দিনা শ্ৰীধ্ৰুব বৰা, শ্ৰীচন্দ্ৰমোহন হাজৰিকা, শ্ৰীভোলা বৰা আৰু শ্ৰীনবীন বৰাৰ প্ৰচেষ্টাত ফেটা বস্তি মহাত্মা প্ৰাথমিক শাখাটি গঠন কৰা হয়। গৃহস্থী সংখ্যা ১৪ ঘৰ আৰু সঙ্গীৰ সংখ্যা ৩০ জন। সংগঠক হিচাপে শ্ৰীসোমেশ্বৰ কুৰ্মীৰ অবদান আটাইতকৈ বেছি । ধৰ্মপ্ৰাণ ব্যক্তিসকলৰ ভিতৰত স্বৰ্গীয় মালভোগ কুৰ্মী স্বৰ্গীয় চিতাৰাম কুৰ্মী, স্বৰ্গীয় নৰেন কুৰ্মীৰ নাম ল'ব পাৰি । বৰ্তমান প্ৰাথমিকৰ সভাপতি শ্ৰীকমলেশ্বৰ কুৰ্মী আৰু সম্পাদক শ্ৰীগঙ্গাৰাম কুৰ্মী । শ্ৰীসোমেশ্বৰ কুৰ্মী জিলা কাৰ্যনিৰ্বাহকৰ সদস্য । প্ৰাথমিকৰ আৰ্থ সামাজিক দিশ বৰ উন্নত নহয় । শ্ৰমজীৱী লোকৰ সংখ্যা বেছি । ধৰ্মীয় নীতি আদৰ্শৰ প্ৰতি সকলো সচেতন । সংঘ অনুষ্ঠানৰ আনুগত্য প্ৰশংসনীয় ।

**প্ৰাথমিকৰ বিষয়ববীয়াসকলৰ নাম তালিকা তলত দিয়া হ'ল -**

| | | |
|---|---|---|
| ১৯৮২-৮৫ | সভাপতি | শ্ৰীসোমেশ্বৰ কুৰ্মী |
| | সম্পাদক - | শ্ৰীনৰেন কুৰ্মী |
| ১৯৮৭-৮৯ | সভাপতি - | শ্ৰীসোমেশ্বৰ কুৰ্মী |
| | সম্পাদক - | শ্ৰীধনীৰাম কুৰ্মী |
| ১৯৮৯-৯১ | সভাপতি - | শ্ৰীসোমেশ্বৰ কুৰ্মী |
| | সম্পাদক - | গংগাৰাম কুৰ্মী |
| ১৯৯১-২০০০ | সভাপতি - | শ্ৰীকমলেশ্বৰ কুৰ্মী |
| | সম্পাদক - | গংগাৰাম কুৰ্মী । ✧ |

# কছুলিয়াল গাঁও প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮২ চন

মানৰ আক্ৰমণত লক্ষীমপুৰ অঞ্চলৰ পৰা কিছুলোক ভাগি আহি কাকডোঙা নদীৰ সমীপত পণ্ডিতৰ ঘাট নামে ঠাইত বাস কৰিছিল । এই অঞ্চলৰ লোকসকলে হাবি-বন কাটি কচুখেতি কৰিছিল । বেছিকৈ কচু উৎপাদন হোৱা বাবে সেই ঠাইৰ লোকক কছুৱাল বুলিছিল ।পাছত কছুৱাল শব্দটি অপভ্ৰংশ হৈ কছুলিয়াল হয় । কছুলিয়াল গাৱঁৰ উত্তৰে তেলৰ পাইপ লাইন, দক্ষিণে মহবন্ধা আলি, পুবে কাকডোঙা নদী আৰু পশ্চিমে লুকুমাই আৰু খণ্ডিয়া গাঁও । জনসংখ্যা ১২০০ মান হ'ব । এই গাৱঁত এখন প্ৰাথমিক বিদ্যালয়, এটা ডাকঘৰ আছে । ইয়াৰ ওচৰতে গুৰযোগনীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় । কছুলিয়াল নামঘৰ একমাত্ৰ অনুষ্ঠান । ১৯৮২ চনত এই প্ৰাথমিকখনি গঠন হয় । স্বৰ্গীয় বৈষ্ণৱ পণ্ডিত কুশেশ্বৰ কলিতা আৰু শ্ৰীডিম্বেশ্বৰ ভূঞা প্ৰাথমিকৰ উপদেষ্টা আছিল। তদুপৰি সৰ্বশ্ৰী মানিক হাজৰিকা, বদন হাজৰিকা, বেজিয়া মেধি আৰু গণেশ মাঝিৰ নাম উল্লেখ কৰিব পাৰি । প্ৰাথমিকৰ গৃহস্থী সংখ্যা ১০ ঘৰ আৰু সংগী ২৯ জন । বৰ্তমানলৈকে হোৱা সভাপতিসকল সৰ্বশ্ৰী নিধিৰাম শইকীয়া, বদন হাজৰিকা, হৰকান্ত হাজৰিকা আৰু ৰোমেশ্বৰ বৰা । সম্পাদকসকল শ্ৰীযোগেন হাজৰিকা আৰু শ্ৰীউমেশ হাজৰিকা । প্ৰাথমিকৰ অন্তৰ্ভুক্ত লোকসকলৰ সৰহ সংখ্যক খেতিয়ক আৰু কেইজনমান চৰকাৰী চাকৰিয়াল আছে । প্ৰাথমিকৰ নীতি আদৰ্শ উল্লেখনীয় । গুৰু ধৰ্মৰ প্ৰতি আৰু সংঘ অনুষ্ঠানৰ প্ৰতি নিষ্ঠা আছে।♦

# নৱজ্যোতি প্ৰাথমিক শাখা (জেলেহুৱা গাঁও)

## গঠন ঃ ১৯৮৪ চন, ১৫ জানুৱাৰী

দেৰগাঁও নগৰৰ পূব প্ৰান্তত অৱস্থিত জেলেহুৱা গাঁও এখন প্ৰাচীন গাঁও। 'ৰংমন' জলহু হাজৰিকাই প্ৰতিষ্ঠা কৰা জেলেহুৱা বংশৰ নামেৰেই নামংকৃত হোৱা এই গাঁওখনৰ ৰাইজ বৰ্তমান নগৰমুখী। নাম-নাচ কৃষি, ক্ষুদ্ৰ ব্যৱসায় চৰকাৰী চাকৰিয়েই গাঁওবাসীৰ মুখ্য জীৱিকা। ৰাইজ সংস্কৃতি প্ৰেমী, সফল নাট্যাভিনয় ভাওনা, সাংস্কৃতিক অনুষ্ঠান আদিৰ জৰিয়তে এই গাৱঁৰ যুৱক-যুৱতী, কিশোৰ-কিশোৰীয়ে যথাসাধ্য সাংস্কৃতিক ক্ষুধা পূৰণ কৰি আহিছে।

১৯৮৪ চনৰ ১৫ জানুৱাৰীত 'নৱজ্যোতি শাখা' নামেৰে আত্মপ্ৰকাশ কৰা এই শাখাটি দৰাচলতে জেলেহুৱা প্ৰাথমিক শাখাৰে অংগ স্বৰূপ। ১৯৭১ চনতে প্ৰতিষ্ঠা হোৱা জেলেহুৱা প্ৰাথমিক শাখাৰ কলেৱৰ বৃদ্ধি হোৱাত সাংগঠনিক দিশৰ ওপৰত লক্ষ্য ৰাখি ইয়াৰ নৱজ্যোতি প্ৰাথমিকৰ পৰাই ১৩ ঘৰ গৃহস্থীৰে 'শিৰোমণি প্ৰাথমিক শাখা' নামৰ অন্য এটা শাখা গঠন কৰা হয়। তিনিটি পৃথক গোটৰ অধীনত সংগঠিত হ'লেও এই গাৱঁৰ সমূহ সংগী সম্প্ৰীতিৰ এনাজৰীৰে বান্ধখাই একশৰণ হৰিনাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত ব্ৰতী হৈ আহিছে।

নৱজ্যোতি প্ৰাথমিক শাখাৰ বৰ্তমান গৃহস্থীৰ সংখ্যা বিশঘৰ আৰু শৰণ গ্ৰহণ কৰা সংগীৰ সংখ্যা ৫১ জন। ১৯৮৪ চনৰে পৰা বৰ্তমানলৈকে সভাপতিৰ দায়িত্ব বহন কৰা ব্যক্তিসকল ক্ৰমে প্ৰয়াত ৰত্নেশ্বৰ হাজৰিকা, চকৰা বৰা, সৰ্বশ্ৰী হৰেন হাজৰিকা, ৰবীন শইকীয়া। সম্পাদকৰ দায়িত্ব বহন কৰা ব্যক্তিসকল হ'ল সৰ্বশ্ৰী নবীন বৰা, মুহিৰাম বৰা।

ৰক্ষণশীল আৰু কঠোৰ অনুশাসনৰ পক্ষপাতি তদানিন্তন কৰ্মকাণ্ডিৰ সমাজৰ সকলো বাধা আৰু আকৰ্ষণ অতিক্ৰম কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ আদৰ্শ গ্ৰহণ কৰিবলৈ নিৰ্ভীক চিত্তে আগবাঢ়ি অহা প্ৰয়াত ত্ৰিলোচন বৰা, চেনিৰাম দত্ত (দুয়ো তাম্ৰপত্ৰ প্ৰাপ্ত মুক্তি যোদ্ধা) আদিলোক সকলে গাৱঁৰ আৰ্থ সামাজিক ধৰ্মীয় নৱ জাগৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ আদৰ্শ বিস্তাৰ কাৰ্য্যত সংগীসকলে সৰ্বদায় অগ্ৰাধিকাৰ দি আহিছে। জন্মৰেপৰা পুৱ গোলাঘাট আঞ্চলিক শাখাৰ লগত

থাকি আৰক্ষী প্ৰশিক্ষণ কেন্দ্ৰ, নেঘেৰিটিং চাহ বাগিচা, হাজৰিকা গাঁও, লঠাগাঁও, ফেটাবস্তি এলেকা আদি স্থানত এই প্ৰাথমিকৰ সংগী বৃন্দৰ সহযোগত প্ৰাথমিক শাখা একোটি গা কৰি উঠিছে । সংঘৰ আদৰ্শ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত জেলেহুৱা গাৱঁৰ সংগী সৰ্বশ্ৰী আনন্দ হাজৰিকা চন্দ্ৰমোহন হাজৰিকা, ভোলা বৰা, ৰামনাথ বৰা, অৰুণ বৰা, মুহিৰাম বৰা, ৰবীন দত্ত, অকণ বৰা, লীলাধৰ কলিতা, হৰেন হাজৰিকা, ভৱ কলিতা, কেশৱ বৰা, ফণিধৰ গগৈ আদি ব্যক্তিৰ নাম উল্লেখযোগ্য । ৰক্ষণশীলতাৰ বিপৰীতে কঠোৰ জাতিভেদ মানি চলা সমাজখনক প্ৰগতিবাদী মানৱ সমাজলৈ ৰূপান্তৰ কৰাৰ ক্ষেত্ৰত নৱজ্যোতি প্ৰাথমিকে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে । এগৰাকী নগা আৰু এগৰাকী বৌদ্ধধৰ্মী কন্যাক সংঘৰ বিধিমতে বিবাহ কৰাই অসমীয়া বোৱাৰী কৰা কাৰ্য্য এই ক্ষেত্ৰত এক উল্লেখযোগ্য উদাহৰণ ।

সাহিত্য-সংস্কৃতিৰ উৎকৰ্ষ সাধনৰ জৰিয়তে বৌদ্ধিক তথা মানসিক বিকাশৰ বাবে প্ৰাথমিক শাখাটিয়ে মূল সংঘই সাহিত্য, সংস্কৃতিৰ দিশত আৰোপ কৰা বিভিন্ন আঁচনিসমূহ ৰূপায়ণ কৰাৰ ব্যৱস্থা কৰিছে । ■

# কচুবৰীয়া মিলনজ্যোতি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮৪ চন

১৯৮৪ চনত কচুবৰীয়া প্ৰাথমিক শাখাৰ সম্মতি সাপেক্ষে ১৫ ঘৰ গৃহস্থীৰে প্ৰায় ৩৫ জন সংগীৰে স্বৰ্গীয় কুশেশ্বৰ বৰুৱা, শ্ৰীকেশৱ হাজৰিকা, শ্ৰীনন্দেশ্বৰ হাজৰিকা, শ্ৰীভুবন বৰা, শ্ৰীপুষ্প বৰা, শ্ৰীৰোমেশ্বৰ হাজৰিকা, শ্ৰীবোধেশ্বৰ বৰা আদি ব্যক্তিৰ উদ্যোগত পঞ্জীয়নভুক্ত কচুবৰীয়া মিলনজ্যোতি প্ৰাথমিক শাখা গঠন হয় ।

কচু বৰীয়া প্ৰাথমিক শাখাৰ সহযোগত এই প্ৰাথমিকে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শ গাৱঁৰ লগতে এই অঞ্চলটোত প্ৰচাৰ, প্ৰসাৰ আৰু সংগঠনৰ দিশত যথেষ্ট অৰিহণা যোগাই আহিছে ।

এই প্ৰাথমিক শাখাৰ সদস্যসকলৰ আৰ্থিক দিশত সৰহ সংখ্যক সদস্যই সবল । ভালেকেইগৰাকী চৰকাৰী চাকৰিয়াল আছে । মাত্ৰ কেইজনমান গৃহস্থীৰ আৰ্থিক অৱস্থা সিমান ভাল নহয় ।

এই প্ৰাথমিকৰ সদস্যসকলে সমাজৰ কামত অগ্ৰগামী ভূমিকা গ্ৰহণ কৰি আহিছে ।

এই প্ৰাথমিক শাখা গঠনত বিশেষভাৱে অৰিহণা যোগোৱা ব্যক্তিসকলৰ ভিতৰত প্ৰাক্তন সভাপতি স্বৰ্গীয় কুশেশ্বৰ বৰুৱা অন্যতম । স্বৰ্গীয় কুশেশ্বৰ বৰুৱাৰ জন্ম হয় ১৯১৯ চনত আৰু প্ৰয়াত হয় ১৯৯০ চনত। প্ৰয়াত কাললৈকে তেখেত কচুবৰীয়া মিলনজ্যোতি প্ৰাথমিক শাখাৰ সভাপতি আছিল । শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ নীতি আদৰ্শৰে অনুপ্ৰাণিত হৈ কৰ্মকাণ্ড ত্যাগ কৰি সংঘৰ নীতি পালন কৰি কচুবৰীয়া গাৱঁত শঙ্কৰী নীতি প্ৰচাৰ প্ৰসাৰ কৰাত বিশেষ বৰঙণি যোগাইছিল ।

ইয়াৰ বাহিৰেও শ্ৰীকেশৱ হাজৰিকা, শ্ৰীনন্দেশ্বৰ হাজৰিকা, শ্ৰীবোধেশ্বৰ বৰা, শ্ৰীভুবন বৰা আদি লোক সকলেও শংকৰদেৱৰ নীতি আদৰ্শ প্ৰচাৰ প্ৰসাৰ আদিত বিশেষ বৰঙণি যোগাই আহিছে । শ্ৰীভুবন বৰা আৰু শ্ৰীবোধেশ্বৰ বৰাই আঞ্চলিক শাখাৰ সম্পাদক ৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল। তদুপৰি শ্ৰীনন্দেশ্বৰ হাজৰিকা আৰু শ্ৰীবোধেশ্বৰ বৰা জিলা সদস্যও আছিল।

আৰম্ভণিৰে পৰা বৰ্তমানলৈকে কাৰ্য্যনিৰ্বাহ কৰা সদস্যসকলৰ তালিকা-

স্বৰ্গীয় কুশেশ্বৰ বৰুৱা - প্ৰতিষ্ঠাপক সভাপতি

শ্ৰীকেশৱ হাজৰিকা - বৰ্তমান সভাপতি

শ্ৰীনন্দেশ্বৰ হাজৰিকা - সম্পাদক

শ্ৰীভুৱন বৰা - সহ সম্পাদক । ■

# মণিকাঞ্চন মিলন প্ৰাথমিক শাখা ঃ নেঘেৰিটিং

## গঠন ঃ ১৯৮৬ চন

দেৰগাঁও নামৰ উৎপত্তিৰ লগত দেৰছা কছাৰীৰ নাম জড়িত হৈ আছে। আদিতে এই ঠাই কছাৰীলোকৰ বাসস্থান আছিল । নেঘেৰিটিং বাগানে অধিগ্ৰহণ কৰি বাগানৰ বনুৱাক বসবাস কৰিবলৈ দিয়ে আৰু ঠাই টুকুৰাৰ নাম নেঘেৰিটিং কছাৰী লাইন হয় । পূবে নেঘেৰিটিং বাগিচাৰ কলঘৰ, পশ্চিমে গদা পুখুৰী, উত্তৰে নট গাঁও আৰু দক্ষিণে ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথ । জনসংখ্যা প্ৰায় ৮০০ জন । এই অঞ্চলৰ বিশিষ্টলোকসকলৰ ভিতৰত সৰ্বশ্ৰী চাওনা ৰাণা, মধুৱা কুৰ্মী, হৰুৱা কুৰ্মী, লক্ষেশ্বৰ মৃৰ্দ্ধা, প্ৰয়াত বুধেশ্বৰ মিৰ্দ্ধা, ফাগুৱা মিৰ্দ্ধা আদিয়েই অন্যতম । এখন প্ৰাথমিক বিদ্যালয়ে শিক্ষাৰ পোহৰ বিলাইছে ।

১৯৮৬ চনত নতুনকৈ নিৰ্মাণ কৰা নামঘৰত আসন প্ৰতিষ্ঠা কৰি প্ৰাথমিক গঠনৰ শুভাৰম্ভ কৰা হয় । গৃহস্থীৰ সংখ্যা ১০ ঘৰ, সংগীৰ সংখ্যা ২৫ জন । প্ৰাথমিক শাখা গঠনত সৰ্বশ্ৰী ধ্ৰুৱকান্ত বৰা, কমল মিৰ্দ্ধা, ৰামেশ্বৰ ঘাটোৱাৰ, চৰিত্ৰ ৰবিদাস, ৰূপ বাউৰী, প্ৰবীণ বুঢ়াগোহাঁই, ভবেশ কুমাৰ দত্ত আদি লোকসকলৰ বৰঙণি উল্লেখযোগ্য । ১৯৮৮ চনত এই বিশিষ্ট ব্যক্তিসকলৰ চেষ্টাতে তিনিদিনীয়া কাৰ্যসূচীৰে উলহ-মালহেৰে গুৰু আবিৰ্ভাৱ মহোৎসৱ ভাগি উদযাপন কৰা হয় । মুকলি সভাত সভাপতিত্ব কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰাক্তন পদাধিকাৰ বৈষ্ণৱ পণ্ডিত আতাপুৰুষ সোণাৰাম চুতীয়াদেৱে । প্ৰচাৰ-প্ৰসাৰৰ দিশত সংগীসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে । এই প্ৰাথমিকৰ চেষ্টাতে কৃষ্ণপুৰ প্ৰাথমিক শাখা, ৰঙামাটিৰ সোণালীপুৰ শঙ্কৰ-মাধৱ প্ৰাথমিক শাখা, বালিচাপৰি প্ৰাথমিক শাখা গঠন কৰা হৈছে । অন্যহাতে বৰ্তমান চিতল পথাৰত নৱজ্যোতি নামেৰে অন্য এখনি প্ৰাথমিক শাখা গঠনৰ চেষ্টা চলাই আছে ।

সংগীসকলৰ আৰ্থ-সামাজিক অৱস্থা নিম্ন মধ্যবৃত্ত শ্ৰেণীৰ । প্ৰায় সকলেই বাগানৰ বনুৱা আৰু দিনহাজিৰা কৰা লোক । প্ৰয়াত উলাৰত্ত ভূঞা, কাৰ্ত্তিক বাউৰী, চিবনা ৰবিদাস, ধনেশ্বৰ মিৰ্দ্ধা আৰুসৰ্বশ্ৰী জীৱলা মিৰ্দ্ধা, কমল মিৰ্দ্ধা আদিয়েই কছাৰী লাইনৰ স্মৰণীয় লোক ।

গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

আৰম্ভণিৰেপৰা বৰ্তমানলৈকে সভাপতি আৰু সম্পাদকসকল -

| সভাপতি | সম্পাদক |
| --- | --- |
| সৰ্বশ্ৰী গোবিন ৰবিদাস | সৰ্বশ্ৰী বাপ বাউৰী |
| ,, কমল মিৰ্দ্ধা | ,, সত্য ৰবিদাস |
| ,, ধৰ্ম্মা কুৰ্মী | ,, ,, |
| ,, উত্তমা মিৰ্দ্ধা | ,, ৰামেশ্বৰ ৰাজপুত |
| ,, কিচুণ মিৰ্দ্ধা | ,, ,, |
| ,, ভৰত দুছাদ | ,, লালমোহন ভূঞা |
| ,, ভৰত দুছাদ (বৰ্তমান) | ,, ৰামেশ্বৰ ৰাজপুত (বৰ্তমান) |

শেহতীয়াকৈ সেৱা বাহিনী গঠন কৰি সেৱা বাহিনীৰ উদ্যোগত বিভিন্ন উন্নয়নমূলক কাম-কাজ কৰি আছে । ✧

# কমাৰগাঁও প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮৭ চন

কুৰি শতিকাৰ সত্তৰ দশকৰ পিছতো কমাৰ গাঁওখনৰ লোকসকলৰ সংখ্যা গৰিষ্ঠৰ মাজত মহাপুৰুষীয়া একশৰণ হৰিনাম ধৰ্মৰ পোহৰ পৰা নাছিল । চাৰিটা বিভিন্ন সম্প্ৰদায়েৰে গঠিত কমাৰ গাৱঁৰ গৃহস্থীৰ সংখ্যা প্ৰায় ১৩০ ঘৰ । এই ১৩০ ঘৰ গৃহস্থীৰ মাজৰপৰাই মাত্ৰ দুঘৰ প্ৰয়াত মহেন বৰুৱা আৰু ডিম্বেশ্বৰ বৰাহে একমাত্ৰ সংঘৰ সঙ্গী আছিল । কেইগৰাকীমান উদ্যোগী লোকৰ প্ৰচেষ্টাত ২৩।১১।৮৬ তাৰিখত কমাৰ গাঁও নামঘৰত এভাগি ধৰ্মালোচনী সভা অনুষ্ঠিত হয় । গোলাঘাট জিলাৰ প্ৰাক্তন সম্পাদক শ্ৰীধ্ৰুৱ বৰা, নবীন বৰা, চন্দ্ৰমোহন হাজৰিকা আদি বক্তাসকলৰ 'একশৰণ' আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্দেশ্য, লক্ষ্য, নীতি-আদৰ্শ, সাৰ্বজনীনতাৰ ওপৰত দিয়া বক্তব্যত অনুপ্ৰাণীত হৈ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ আনুগত্য মানি লৈ ১১ ঘৰ গৃহস্থী লৈ ১৯৮৭ চনত 'কমাৰ গাঁও' প্ৰাথমিক শাখা গঠন কৰি কমাৰ গাৱঁৰ বৃহত্তৰ কৰ্মকাণ্ড সমাজখনত সংঘৰ বীজ অঙ্কুৰিত হয় । প্ৰয়াত মহেন বৰুৱা, সৰ্বশ্ৰী ডিম্বেশ্বৰ বৰা, প্ৰমোদ দত্ত, পোনা দত্ত, পুতু দত্ত, বলো দত্ত, প্ৰয়াত কমল হাজৰিকা, খগেশ্বৰ দত্ত, নালী দত্ত আদিলোকসকলে প্ৰাথমিক গঠনত বিশেষ ভূমিকা পালন কৰে । মূল সংঘৰ বৰ্তমানৰ প্ৰচাৰ শাখাৰ সভাপতি শ্ৰীচন্দ্ৰ হাজৰিকাদেৱে কমাৰ গাৱঁত বাস কৰিবলৈ লোৱাৰে পৰা গুৰুধৰ্ম প্ৰচাৰ-প্ৰসাৰত বিশেষ অগ্ৰগতি লাভ কৰিছে ।

১৯৮৭ চনতে পোনতে শৰণ কক্ষ অনুষ্ঠিত কৰি শৰণ কাৰ্য্য, দেউৰী বিলনীয়া আদিৰ প্ৰশিক্ষণ কাৰ্য্য সমাধা কৰে । প্ৰাথমিক শাখা জন্ম হোৱাৰ পৰাই বিভিন্ন সময়ত মাধৱদেৱ আৰু গুৰুজনাৰ জন্ম-জয়ন্তী কাৰ্যসূচীৰে শঙ্কৰী নৃত্য-গীতৰ প্ৰতিযোগিতাৰে আড়ম্বৰ পূৰ্ণভাৱে উদযাপিত কৰি গুৰুধৰ্ম তথা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি-আদৰ্শ প্ৰচাৰ-প্ৰসাৰৰ বলিষ্ঠ পদক্ষেপ হাতত লৈছে ।

প্ৰাথমিকৰ সংগী শ্ৰীডিম্বেশ্বৰ বৰাই গোলাঘাট পূব আঞ্চলিকৰ উপ-সভাপতি, জিলা-শাখাৰ কাৰ্য্যনিৰ্বাহকৰ সদস্য নিৰ্বাচিত হৈ কাৰ্য্যভাৰ সম্পাদন কৰিছে । ২৫ ঘৰ গৃহস্থীৰে সকলোফালৰপৰা এখনি পূৰ্ণ পৰ্য্যায়ৰ প্ৰাথমিক হিচাপে সংঘৰ শ্ৰীবৃদ্ধি কৰাত বৰঙণি আগবঢ়াইছে ।

**বৰ্তমান প্ৰাথমিক শাখাৰ বিষয়ববীয়া ঃ**

সভাপতি ঃ শ্ৰীপ্ৰমোদ দত্ত

সম্পাদক ঃ শ্ৰীডিম্বেশ্বৰ বৰা

সহঃসম্পাদ ঃ শ্ৰীপ্ৰশান্ত বৰা । ■

# লঠাগাঁও প্ৰাথমিক শাখা (দেৰগাঁও)

## গঠন ঃ ১৯৮৮ চন (৫৩৯ শঙ্কৰাব্দ)

লঠাগাঁও প্ৰাথমিক শাখাৰ ইতিবৃত্তি প্ৰকাশ কৰাৰ আৰম্ভণিতে প্ৰাথমিকখনি অৱস্থিত গাঁওখনৰ এটি চমু আভাস দাঙি ধৰাটো সমিচিন হ'ব। 'দেৰগাঁও' চক্ৰৰ 'দেৰগাঁও বাজহ্ গাৱঁৰ অন্তৰ্গত 'লঠাগাঁও'খনি প্ৰায় ৮ কিলোমিটাৰ পৰিধিৰে সামৰি লোৱা এখন গাঁও । ৰাজদৰবাৰলৈ মৃৰত পাগ নমৰাকৈ লঠামূৰে যোৱা এগৰাকী ব্যক্তিয়ে পোৱা 'লঠা' আখ্যাৰ পৰাই উক্ত বংশ আৰু ক্ৰমে চুবুৰী আৰু গাঁওখনৰ নাম লঠাগাঁও হোৱা বুলি এটি কিংবদন্তি আছে । বৰ্তমান এই গাৱঁত ১৮৫ ঘৰ নামঘৰ কেন্দ্ৰীক গৃহস্থী আছে । ইয়াৰ উপৰি ৩২ ঘৰ ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোক এই গাৱঁৰ স্থায়ী বাসিন্দা । গাঁওখনৰ মাজেৰে দুটি গড়কাপ্তানি পথ গৈছে । বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভিতৰত গাৱঁৰ প্ৰাণকেন্দ্ৰ স্বৰূপ 'দেৰগাঁও' লঠাগাঁও নামঘৰ, দুখন প্ৰাইমেৰী বিদ্যালয় আৰু দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়খনো এই গাঁও এলেকাই সামৰি লৈছে । ইয়াৰ উপৰি অন্যান্য অনুষ্ঠানৰ ভিতৰত 'অজলা পুথিভঁৰাল, উদিত ক্লাব, মিলন মইনা পাৰিজাত, মিলন যুৱক সংঘ আদি উল্লেখযোগ্য । অঞ্চলটোৰ প্ৰখ্যাত আৰু বিশিষ্ট লোক ক্ৰমে প্ৰয়াত চন্দ্ৰনাথ খাউণ্ড, মনুৰাম হাজৰিকা, ভকতৰাম বৰা এই গাৱঁৰ বিভিন্ন দিশত অৰিহণা যোগোৱা স্মৰণযোগ্য লোক আছিল । মহাপুৰুষীয়া অথবা শংকৰী শিল্প সংস্কৃতিৰ ক্ষেত্ৰত এই গাৱঁৰ এটি গৌৰৱ উজ্জ্বল অতীত আছে । এই গৌৰৱৰ বাহক স্বৰূপ প্ৰয়াত শিল্পী ক্ৰমে বাপুৰাম বৰা, দেবেশ্বৰ বৰা আৰু নীল হাজৰিকা প্ৰমুখ্যে লোকসকল স্মৰণীয় হৈ ৰ'ব । শিল্প-সংস্কৃতিৰ এই গৌৰৱ উজ্জ্বল অৱস্থাটো বৰ্তমান কিমিত প্ৰায় অৱস্থাৰে অৱধাৰিত । 'শংকৰদেৱ' বঁটা বিজয়ী বিশিষ্ট প্ৰবীণ সাংবাদিক শ্ৰীযুত কীৰ্ত্তিনাথ হাজৰিকা এই গাৱঁৰে লোক । স্বাধীনতা সংগ্ৰামৰ মুক্তি যোদ্ধা তথা সমাজকৰ্মী ব্যক্তি প্ৰয়াত যোগেশ্বৰ দত্ত আৰু শ্ৰীভোলা নাথ হাজৰিকা (বৰ্তমান অসম চৰকাৰৰ শিল্পী পেঞ্চনাৰ) এই গাৱঁৰ বিশিষ্ট লোক ।

ওপৰৰ চিত্ৰিত এই গাঁওখনিতে ৫৩৯ শঙ্কৰাব্দত ১৯৮৮ চনত এই গাৱঁৰে শ্ৰীধ্ৰুৱকান্ত বৰা বাপৰ ত্যাগ আৰু প্ৰচেষ্টাৰ ফলস্বৰূপে 'লঠাগাঁও প্ৰাথমিক শাখাই' জন্মলাভ কৰে । প্ৰাথমিকৰ জন্ম লগ্নত জড়িত গাৱঁৰ অন্য কেইগৰাকী বিশিষ্ট লোক প্ৰয়াত ৰাধা বৰা, তপোধৰ বৰা, শ্ৰীগঙ্গাধৰ বৰা আৰু দুলিয়াজানত অনুষ্ঠিত মূলৰ অধিৱেশনত 'নাম অমৃত

পান কৰি কৰি বৈকুণ্ঠতে ' বৈকুণ্ঠী হোৱা পঙ্কজ হাজৰিকা । প্ৰাথমিকখনৰ গঠনত শ্ৰীধ্ৰুৱকান্ত বৰা বাপৰ লগত শ্ৰীগণেশ বৰা বাপৰ সহযোগিতা অনস্বীকাৰ্য ।

প্ৰাথমিকখনিৰ জন্মৰ এটা বছৰৰ পাছতে অৰ্থাৎ ৫৪০ শঙ্কৰাব্দত গাওঁৰ অন্য দুগৰাকী বিশিষ্ট ব্যক্তি শ্ৰীইন্দ্ৰেশ্বৰ বৰা, ভাৰত বৰা বাপৰ লগতে কেবাঘৰীও লোকৰ আগমনে প্ৰাথমিকখনিৰ এক বলিষ্ঠ ৰূপ প্ৰদান কৰে। ৫৪০ শঙ্কৰাব্দৰপৰা বৰ্তমান ৫৫১ শঙ্কৰাব্দলৈকে প্ৰাথমিকখনিত শ্ৰীইন্দ্ৰেশ্বৰ বৰাই সভাপতি আৰু শ্ৰীভাৰত বৰাই সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি সেৱা আগবঢ়াই আহিছে । কলেৱৰত সৰু হ'লেও এই 'সঠাগাঁও' প্ৰাথমিকখনিয়ে গোলাঘাট জিলাৰ পূব গোলাঘাট আঞ্চলিক শাখাত নিজৰ স্থিতি দৃঢ় কৰি ৰাখিছে।

**প্ৰাথমিকৰ আনুষ্ঠানিক সেৱা কৰ্ম ঃ** প্ৰতি বছৰে গুৰু জয়ন্তী দিৱস, মহাপুৰুষ মাধৱ দেৱৰ জন্ম-জয়ন্তী দিৱস, বাৰ্ষিক নাম, ন-প্ৰসাদৰ সেৱা কৰ্ম আদি উল্লেখযোগ্য । ইয়াৰ উপৰি প্ৰতি সপ্তাহৰ শনিবাৰে দিনত আইমাতৃ আৰু সন্ধ্যা বাপ সমস্তই নিয়মীয়াকৈ নাম-পাঠ অনুষ্ঠান সমাপন কৰে । ইয়াৰ উপৰি ব্যক্তিগত বিভিন্ন 'নাম' 'পাঠ'ৰ অনুষ্ঠান এই প্ৰাথমিকৰ দ্বাৰা শৃংখলিত ভাৱে সম্পাদন কৰা হয় । গাওঁৰ উন্নয়নমূলক কাৰ্য্যত প্ৰাথমিক শাখাই সকলো দিশতে সক্ৰিয় সহযোগিতা আগবঢ়াই আহিছে । গাওঁৰ অন্যান্য লোকৰ লগত সামাজিক মিলা-প্ৰীতি বৰ্তমানলৈ অটুট আছে আৰু ভৱিষ্যতলৈকো থাকিব বুলি প্ৰাথমিকখনি আশাবাদী ।

গাওঁৰ শিক্ষানুষ্ঠান দেৰগাঁও নিম্ন বুনিয়াদী বিদ্যালয়খনত শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত উদগণি যোগোৱাৰ বাবে প্ৰাথমিক শাখাই প্ৰতি বছৰে কেউটা শ্ৰেণীত প্ৰথম, দ্বিতীয় আৰু সৰ্ব্বোচ্চ নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীসকলক একোটা বঁটাৰে পুৰস্কৃত কৰি আহিছে । যোৱা ৫৫০ তম্ গুৰু জয়ন্তী ভাগ আঞ্চলিকৰ সৌজন্যত প্ৰাথমিকে উদ্যোগ লৈ গাওঁৰ নাম ঘৰত দুদিনীয়াকৈ 'শিশু দিৱস' হিচাপে পালন কৰে, ইয়াত দেৰগাঁও কমাৰ গাঁও আৰু কমাৰ গাঁও প্ৰাথমিক শাখাৰ সহযোগিতা উল্লেখনীয় ।

**সেৱা বাহিনী ঃ** প্ৰাথমিকৰ এটা সক্ৰিয় সেৱা বাহিনী আছে । এই সেৱা বাহিনীৰ নায়ক শ্ৰীসীমান্ত বৰাৰ চেষ্টাত সেৱা বাহিনীৰ দ্বাৰা প্ৰাথমিক আৰু আঞ্চলিকৰ বিভিন্ন সেৱা আগবঢ়াই আহিছে ।

**সামৰণিত ঃ** প্ৰাথমিকখনিৰ সকলো সদস্যই মানৱ সেৱাই ঈশ্বৰ সেৱা আৰু গুৰু সেৱা কৰাৰ মূল মন্ত্ৰ সাৰোগত কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি নিৰ্দেশনাৰ প্ৰতি আনুগত্য প্ৰকাশেৰে আগবাঢ়ি যোৱাত বৰ্দ্ধপৰিকৰ।

# ১২ নং কৃষ্ণপুৰ প্ৰাথমিক শাখা

## নেঘেৰিটিং বাগিচা

### গঠন ঃ ১৯৮৮ চন

নেঘেৰিটিং গাৱঁৰ উৎপত্তি ঃ বুৰঞ্জী প্ৰসিদ্ধ এই অঞ্চলটি বিশেষ ওখ (টিলা) ঠাইডোখৰত অৱস্থিত । আহোম যুগত ৰজা স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত ১৬২৬ শকত এটি শিৱ মন্দিৰ এই ঠাইডোখৰৰ দক্ষিণ পশ্চিম অংশৰ মাজত নিৰ্মাণ কৰাইছিল । লগতে ডা-ডাঙৰীয়াসকলৰ অধীনত বৰপুখুৰী, বৰুৱা পুখুৰী আদি পুখুৰীকেইটা খন্দাইছিল । স্বাধীনতাৰ আগত প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ভাৰতীয় সেনা বাহিনীয়ে এই অঞ্চলতে চাউনি পাতি স্থিতি গ্ৰহণ কৰিছিল । সেই সময়ৰ 'পকিঘৰ' আৰু মাটিৰ তলত গোদামঘৰে আজিও গাঁওখনৰ অতীতৰ কাহিনী সোঁৱৰাই গৌৰৱ উজ্জ্বল কৰি ৰাখিছে ।

এই ওখ টিলা ঠাইডোখৰত পূৰ্বতে হাবি জংঘল আদিৰে ভৰপুৰ আছিল । কালক্ৰমত স্বাধীনতাৰ পিছত ব্ৰহ্মপুত্ৰ টি কোম্পানীটোৱে এই অঞ্চলত ১৯৫৪/৫৫ চনৰ ব্যৱধানত চাহ পুলি ৰোৱা কাৰ্য্য আৰম্ভ কৰিছিল। নেঘেৰিটিং নামটো অতি পুৰণি নাম আৰু এই নেঘেৰিটিং নামটো কিয় হ'ল - এই সম্পৰ্কত পুৰণি কেইবাটাও কিংবদন্তী আছে । নেঘেৰিটিং নামৰ উৎপত্তি সম্বন্ধে দুটা কথা উল্লেখ কৰিব পাৰি । প্ৰথমটো হ'ল - এই ঠাইতে নেঘেৰি নামৰ এবিধ টিপ্ টিপ্ কৈ শব্দ কৰা চৰাইৰ বহুতো খোৰোং থকা বাবে এই ঠাইৰ নাম নেঘেৰিটিং হয় । দ্বিতীয়টো নটুৱা নটীয়ে নাচোতে মূৰৰ মাজত ওখকৈ খোপা বান্ধিছিল, সেই খোপাৰ নাম নেঘেৰী খোপা। সেই খোপাৰ নামেৰে এই ওখ টিলাটোৰ নাম নেঘেৰিটিং নাম হ'ল বুলি কোৱা হয় । ইয়াৰ প্ৰাকৃতিক দৃশ্য অতি মনোৰম ।

এই কিংবদন্তীৰপৰা নেঘেৰিটিং নামটো খ্যাত হ'ল । এই নেঘেৰিটিঙক কেন্দ্ৰ কৰি চাহ বাগিচাৰ নাম 'নেঘেৰিটিং চাহ বাগিচা' বুলি জনাজাত । নেঘেৰিটিং চাহ বাগিচাৰে এটা অংশ বিশেষ বৰ্তমানৰ এই ১২ নং গাঁওখন। ১২ নং নামৰ উৎপত্তি প্ৰকৃততে ইয়াৰ মাটি কালিৰ চাৰিভাগৰ এক অংশত চাহ বাগিচা আছে । ব্ৰহ্মপুত্ৰ টি কোম্পানীৰ নিয়ম অনুযায়ী চাহ পুলি ৰোৱা বাগিচাৰ চেকচন নম্বৰ হ'ল ১২ নং । এই চেকচন নম্বৰক

ভিত্তি কৰিয়েই এই গাঁওখনৰ নাম ১২ নং লাইন বুলি জনা যায় । ইয়াৰ আগতে কেইবাগৰাকী ব্যক্তিয়ে লাইনৰ পৰা উঠি আহি এই গাঁওখনত হাবি-জংঘল কাটি মেলি বাসস্থানৰ উপযোগী কৰিছিল । কালক্ৰমত এটা দুটা পৰিয়াল কৰি বৃহৎ জনবসতিৰ স্থল হোৱাত এই ঠাইডোখৰক বহুতে 'বস্তী' বুলি অভিহিত কৰিছিল ।

১২ নং গাঁওখন বৃহৎ এলেকাৰ বাস ভূমিৰ স্থল। গাঁওখনৰ চাৰিসীমা হ'ল -

উত্তৰে - গেলাবিল নৈ দক্ষিণে - ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথ পূবে - শীতল পথাৰ, পশ্চিমে - নেঘেৰিটিং কৈবৰ্ত্ত গাঁও । এই গাৱঁৰ জনবসতি ঘন নহয় । ইয়াৰ বৃহৎ এলেকা বাসভূমি হোৱাৰ বাবে আৰু গাৱঁৰ পৰিসংখ্যা মতে প্ৰায় ৩০০ ঘৰ পৰিয়ালৰ প্ৰায় ১৩০০ ৰো অধিক। গাৱঁৰ গুণ সম্পন্ন ব্যক্তিসকল হ'ল - স্বৰ্গীয় কলেশ্বৰ গাঁওবুঢ়া, বুধনা কুৰ্মী, চুকু মাঝি, ব্ৰজনাথ কুৰ্মী, বাজান কুৰ্মী, চৈতা ঘাটোৱাৰ, মাধব চৰ্দাৰ, শ্ৰীগাদো প্ৰসাদ কুৰ্মী, শ্ৰীলক্ষীকান্ত পাচী, সনাতন ঘাটোৱাৰ, স্বৰ্গীয় পচা কুৰ্মী, স্বৰ্গীয় বাবুলাল কুৰ্মী, স্বৰ্গীয় চুসেন ভুএগ্ৰা, শ্ৰীমতী ফুলেশ্বৰ কুৰ্মী ।

গাৱঁৰ বিশেষ অনুষ্ঠান-প্ৰতিষ্ঠান হিচাপে স্কুল ঘৰ, নামঘৰ, ৰাজহুৱা পূজা মণ্ডপ আদি প্ৰধান ।

**প্ৰাথমিক শাখা গঠন ঃ** এই গাৱঁত শ্ৰীযুত ৰামেশ্বৰ ঘাটোৱাল আৰু শ্ৰীযুত প্ৰবীণ বুঢ়াগোহাঁই দেৱৰ উদ্যোগত ১৯৮৮ চনত ১২ নং কৃষ্ণপুৰ নামে এটি প্ৰাথমিক শাখা গঠন কৰা হয় । প্ৰাথমিকখন গঠন কৰাৰ ক্ষেত্ৰত টেকেলা লাইনৰ নামঘৰীয়া শ্ৰীযুত ৰামেশ্বৰ ঘাটোৱাৰদেৱে যথেষ্ট উদগনি যোগাইছিল । এই গাৱঁলৈ আহি তেখেতে শ্ৰীমন্ত শঙ্কৰদেৱৰ নীতি আদৰ্শ প্ৰচাৰৰ উদ্দেশ্যে বিভিন্ন সময়ত কীৰ্তন পাঠ, নাম প্ৰসঙ্গ আদি অনুষ্ঠিত কৰাইছিল । এখেতসকলৰ পৰিচালনাত গুৰুজনাৰ ধৰ্মাদৰ্শ প্ৰচাৰ আৰু প্ৰসাৰ ঘটে । শ্ৰীযুত ৰূচনা মাহিলীয়ে প্ৰাথমিক শাখাৰ নামঘৰ পৰিচালনাৰ দায়িত্ব বহন কৰে ।

১২ নং কৃষ্ণপুৰ প্ৰাথমিক শাখা গঠন সম্পৰ্কত এইসকল উদ্যোক্তাৰ ভুমিকা বিশেষ উল্লেখনীয় । এখেতসকলৰ ভিতৰত শ্ৰীৰামেশ্বৰ ঘাটোৱাৰ, শ্ৰীনৰেন বায়েন আৰু শ্ৰীপ্ৰবীণ বুঢ়াগোহাঁই আদি । শ্ৰীৰামেশ্বৰ ঘাটোৱাৰদেৱে প্ৰাথমিক শাখাটি গঠনৰ পূৰ্বে এই গাৱঁলৈ আহি শ্ৰীমন্ত শঙ্কৰদেৱৰ ভক্তি মাৰ্গৰ দৰ্শন পথ সম্পৰ্কে কীৰ্তন পাঠৰ জৰিয়তে গাৱঁৰ সকলোকে বুজাইছিল। শ্ৰীনৰেন বায়নে মহাপুৰুষীয়া ভাওনা প্ৰদৰ্শন কৰাই গায়ন-বায়নৰ

প্ৰসাৰ ঘটাইছিল। শ্ৰীপ্ৰবীণ বুঢ়াগোহাঁইদেৱে এই গাৱঁলৈ আহি শ্ৰীকোঁৱৰ কুৰ্মীৰ গৃহত আশ্ৰয় লৈ গুৰুজনাৰ আদৰ্শবাণী নামঘৰত পাঠ কৰি মহাপুৰুষীয়া ধৰ্ম গ্ৰহণ কৰাত উদগণি দিছিল । গাৱঁৰ ৰাইজৰ সহযোগত 'ভাগৱত ভ্ৰমণ' কাৰ্য্যসূচী সম্পাদন কৰিছিল। তেখেতে ১২ নং কৃষ্ণপুৰ প্ৰাথমিক গঠনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল । উদ্যোক্তাসকলৰ ভিতৰত শ্ৰীচৰিত্ৰ ৰবিদাসৰ ভূমিকা আদৰণীয় । তেখেতে এই অঞ্চলত গুৰুজনাৰ শুদ্ধসত্ত্ব ধৰ্মাদৰ্শ প্ৰচাৰ-প্ৰসাৰত বিশেষ গুৰুত্ব দিছিল ।

প্ৰাথমিক ভাগৰ কাম-কাজ চাৰি বছৰমান সুচাৰুৰূপে চলাৰ পাছত হঠাৎ নিষ্ক্ৰিয় হৈ পৰিল । শ্ৰীচৰিত্ৰ ৰবিদাসে অহোপুৰুষাৰ্থৰে চেষ্টা কৰি পুনৰ ১৯৯৪ চনত ১২ নং কৃষ্ণপুৰ প্ৰাথমিক ভাগ সক্ৰীয় কৰি তোলে । ১৯৯৫ চনৰ এই প্ৰাথমিকৰ সঙ্গীসকলে গুৰুজনাৰ ৫৪৫ তম্ আবিৰ্ভাৱ তিথি বিভিন্ন কাৰ্য্যসূচীৰে পালন কৰে । মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে শ্ৰীবিপুল নাইডু আৰু শ্ৰীপ্ৰেমধৰ গুৱাদেৱে ।

বৰ্তমান ১২ নং কৃষ্ণপুৰ প্ৰাথমিক শাখাত গৃহস্থীৰ সংখ্যা ১৪ ঘৰ আৰু সংগীৰ সংখ্যা ২৬ জন ।

**আৰ্থ সামাজিক অৱস্থা** ঃ এই অঞ্চল চাহ জনগোষ্ঠী মানুহৰ বসতি স্থল । আৰ্থ সামাজিক দিশত এইগোষ্ঠীৰ মানুহ অতি পিচপৰা । প্ৰায়বিলাক মানুহেই চাহ বাগিচাত কাম কৰে । সীমিত দৰ্মহাৰে অতি দুখ-কষ্টৰ মাজেদি জীৱন নিৰ্বাহ কৰে । সাহিত্য-সংস্কৃতি, ধৰ্ম তথা আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰি উচ্চ চিন্তা-চৰ্চা কৰাৰ দিশত আগবাঢ়িব পৰা নাছিল । আৰ্থ সামাজিক অৱস্থা সুচল নোহোৱাৰ কাৰণে সংঘৰ প্ৰচাৰ-প্ৰসাৰৰ দিশত বাধাৰ সন্মুখীন হ'ব লগা হৈছে ।

মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ-প্ৰসাৰত প্ৰয়াত পচা কুৰ্মীৰ ভূমিকা উল্লেখযোগ্য । তেখেতে ৰাইজৰ সহযোগত এই গাৱঁত এটি নামঘৰ নিৰ্মাণ কৰাত আগভাগ লয় । ধৰ্মীয় আদৰ্শৰে তেখেতে কমলাবাৰী সত্ৰত শৰণ গ্ৰহণ কৰিছিল । ১৯৯৪ চন তেখেত পৰলোকগামী হয়। প্ৰাথমিকখন সুচাৰুৰূপে চলোৱাত গুৰু দায়িত্ব পালন কৰা অন্য এগৰাকী ব্যক্তি হ'ল শ্ৰীসনাতন ঘাটোৱাৰ । তেখেত পৰলোকগামী হয় ।

প্ৰাথমিকখন সুচাৰুৰূপে চলোৱাত গুৰু দায়িত্ব পালন কৰা অন্য এগৰাকী ব্যক্তি হ'ল শ্ৰীসনাতন ঘাটোৱাৰ । তেখেতে গাৱঁত উৎসৱ অনুষ্ঠান পতাত গাৱঁৰ ৰাইজৰ লগত বিশেষভাৱে সহযোগ কৰিছিল । মহাপুৰুষীয়া ধৰ্মৰ একান্ত সেৱক হিচাপে তেখেত গুৰুধৰ্ম প্ৰচাৰত ব্ৰতী হৈছিল ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

**১২ নং কৃষ্ণপুৰ প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকল ঃ**

১৯৮৮ - ১৯৯০ চন ঃ সভাপতি - শ্ৰীসনাতন ঘাটোৱাৰ
সম্পাদক - শ্ৰীকোৰঁৰ কুৰ্মী

১৯৯০ - ১৯৯২ চন ঃ সভাপতি - শ্ৰীসনাতন ঘাটোৱাৰ
সম্পাদক - শ্ৰীকোৰঁৰ কুৰ্মী

১৯৯২ - ১৯৯৪ চন ঃ নিষ্ক্ৰীয় অৱস্থা

১৯৯৪ - ১৯৯৫ চন ঃ সভাপতি - শ্ৰীকোৰঁৰ কুৰ্মী
সম্পাদক - শ্ৰীকৃষ্ণ ঘাটোৱাৰ

১৯৯৬ - ১৯৯৮ চন ঃ সভাপতি - শ্ৰীকোৰঁৰ কুৰ্মী
সম্পাদক - শ্ৰীকৃষ্ণ ঘাটোৱাৰ

১৯৯৯ - ২০০০ চন ঃ সভাপতি - শ্ৰীজগমোহন কুৰ্মী
সম্পাদক - শ্ৰীৰাধেশ্যাম ৰবিদাস । ✧

# শিৰোমণি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮৮ চন

শিৰোমণি প্ৰাথমিক শাখাটি ১৯৭১ চনতে জেলেঙৰা গাৱঁত গঠিত হোৱা জেলেঙৰা প্ৰাথমিক শাখাৰপৰা পৃথক হৈ আহি গঠন কৰা এটি প্ৰাথমিক শাখা । জেলেঙৰা গাৱঁৰ মুক্তিযোদ্ধা প্ৰয়াত চেনিৰাম দত্ত আৰু শ্ৰীআনন্দ হাজৰিকাৰ নেতৃত্বত ১৫ ঘৰ গৃহস্থীক লৈ ১৯৭১ চনত জেলেঙৰা প্ৰাথমিক শাখাই জন্ম লাভ কৰে । ক্ৰমান্বয়ে সংগী গৃহস্থীৰ সংখ্যা বৃদ্ধি পোৱাত জেলেঙৰা প্ৰাথমিকৰ একাংশ গৃহস্থীয়ে ১৯৮৩ চনত নৱজ্যোতি প্ৰাথমিক শাখা আৰু ১৯৮৮ চনত শিৰোমণি প্ৰাথমিক শাখা নামেৰে দুটি প্ৰাথমিক শাখা গঠন কৰে ।

প্ৰাথমিক শাখাটি গঠনৰ পৰাই গুৰুধৰ্ম তথা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শ প্ৰচাৰ-প্ৰসাৰত আৰু সাংগঠনিক দিশ সবল কৰাত মনোনিবেশ কৰি আহিছে । মূল সংঘ আৰু জিলা শাখাৰ নীতি নিৰ্দেশনামতে শিশুসকলক গুৰু পৰিচয় কৰোৱা, শিশু কল্যাণ দিৱস, শিশু সমাৰোহ, যুৱ সমাৰোহ আৰু আইমাতৃ সমাৰোহ অনুষ্ঠিত কৰি শিশু-যুৱক, আইসকলক গুৰু ধৰ্ম পালন তথা শংকৰী গীত, নৃত্য, বাদ্য, সাহিত্য চৰ্চা কৰাৰ পথ সুগম কৰিছে । গোলাঘাট পূব আঞ্চলিক শাখাই গুৰুজনাৰ ৫৫০ তম্ জন্ম-জয়ন্তীভাগ বছৰজোৰা কাৰ্য্যসূচীৰে পালন কৰে । জন্ম-জয়ন্তীৰ অংশ হিচাপে জেলেঙৰা গাঁও নামঘৰত শিৰোমণি প্ৰাথমিক শাখাই অন্য দুখন প্ৰাথমিক শাখাৰ সহযোগত এদিনীয়া কাৰ্য্যসূচীৰে আইমাতৃ সমাৰোহ হিচাবে পালন কৰে । মহিলাসকলে নাম-প্ৰসঙ্গৰ প্ৰশিক্ষণ লৈ অনুষ্ঠান সম্পাদন কৰে । শেহতীয়া ভাৱে মূল সংঘ আৰু জিলা সংঘৰ নিৰ্দেশনাত সেৱা বাহিনী গঠন কৰে। নায়কৰ কাৰ্য্য সম্পাদন কৰিছে শ্ৰীপবিত্ৰ বৰুৱা বাপে । শ্ৰীবৰুৱা বাপ বৰ্তমান প্ৰাথমিক শাখাৰো সহকাৰী সম্পাদক । বৰ্তমানৰ সভাপতি শ্ৰীৰবীন দত্ত বাপে পূব গোলাঘাট আঞ্চলিক শাখাৰ কাৰ্যনিৰ্বাহকৰ সদস্যৰূপে কাৰ্য্যনিৰ্বাহ কৰি আছে ।

**প্ৰাথমিক শাখা গঠনৰ পৰা বৰ্তমানলৈকে বিষয়ববীয়াসকল ঃ**

১৯৮৮ - ৯৯ চন ঃ সভাপতি - শ্ৰীনাৰায়ণ বৰা
সম্পাদক - শ্ৰীঅৰুণ চন্দ্ৰ বৰা

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

১৯৮৯ - ৯৪ চন ঃ সভাপতি - শ্ৰীৰবীন দত্ত
সম্পাদক - শ্ৰীঅৰুণ চন্দ্ৰ বৰা
১৯৯৪ - ৯৬ চন ঃ সভাপতি - শ্ৰীমহেন্দ্ৰনাথ বৰা
সম্পাদক - শ্ৰীৰাজীৱ হাজৰিকা
১৯৯৬ - ৯৮ চন ঃ সভাপতি - শ্ৰীমহেন্দ্ৰনাথ বৰা
সম্পাদক - শ্ৰীঅৰুণ চন্দ্ৰ বৰা
১৯৯৮-২০০০ চন ঃ সভাপতি - শ্ৰীৰবীন দত্ত
উপ-সভাপতি - শ্ৰীইন্দ্ৰেশ্বৰ বৰা
সম্পাদক - শ্ৰীঅৰুণ চন্দ্ৰ বৰা

শ্ৰীঅৰুণ চন্দ্ৰ বৰা বাপে ক্ৰমে দুটা কাৰ্য্যকালৰ বাবে পূব গোলাঘাট আঞ্চলিক শাখাৰপৰা নিৰ্বাচিত হৈ গোলাঘাট জিলাৰ কাৰ্য নিৰ্বাহকৰ সদস্য হিচাপে কাৰ্য্য নিৰ্বাহ কৰি আছে। ✧

# বৰুৱা গাঁও প্ৰাথমিক শাখা
## গঠন ঃ ১৯৮১ চন

আহোম ৰাজত্বৰ শেষৰফালে এই অঞ্চলৰ লাহবৰ নামৰ এজন লোকে বৰুৱা উপাধি লাভ কৰিছিল । উক্ত লাহবৰ বৰুৱাৰ নামতেই এই গাঁওখনৰ নাম বৰুৱা গাঁও হয় । ইয়াৰ আশে-পাছে কিছু বামুণ সম্প্ৰদায়ৰ লোক আছিল আৰু এখন বামুণ গাঁও আছিল । এই আটাইকে লৈ এই অঞ্চলটোৰ নাম হ'ল 'বৰুৱা বামুণ গাঁও'। এই বৰুৱা বামুণ গাঁও অঞ্চলটি এক বিস্তৃত অঞ্চল ।

এই অঞ্চলৰে বৰুৱা গাঁও এখন ডাঙৰ গাঁও আৰু ই পূবা-পশ্চিমাকৈ আৰু উত্তৰা-দক্ষিণাকৈ এক কিলোমিটাৰ অঞ্চল জুৰি আছে । ইয়াত গৃহস্থীৰ সংখ্যাও প্ৰায় এশ ঘৰ আৰু জনসংখ্যা প্ৰায় ৯০০ জন। এই গাৱঁৰ কাষত বৰুৱা বামুণ ৰেল ষ্টেচন আছে আৰু অসমৰ প্ৰায় সকলো ঠাইলৈ যাবৰ বাবে বাছৰ সুবিধাও আছে । এখন বুনিয়াদী বিদ্যালয়, এখন উচ্চ মাধ্যমিক বিদ্যালয় আৰু এখন মাধ্যমিক বিদ্যালয়ৰ লগতে নিৰ্মল পুস্তকালয়, সামূহিক চ'ৰা আৰু সমাজ কল্যাণ সংঘ নামৰ দুটি গ্ৰাম্য পুথিভৰাল সহ গাঁওখন শিক্ষা-দীক্ষা, সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত যথেষ্ট আগবঢ়া।

এই বৰুৱা বামুণ গাঁও অঞ্চলতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শৰ প্ৰতি আকৃষ্ট হয়, প্ৰয়াত বিপিন চন্দ্ৰ দত্ত । তেখেতৰ গৃহত নানান সময়ত গুৰু জনাৰ ধৰ্ম নীতি আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শৰ সম্পৰ্কে মাজে মাজে আলোচনা চলিছিল । সেই আলোচনাসমূহত শ্ৰীঅচ্যুত কৃষ্ণ মিশ্ৰ বাপ, প্ৰয়াত কুশেশ্বৰ কলিতা আৰু শ্ৰীগোবিন্দ শইকীয়া বাপ আদিয়ে বহু সময়ত অংশ লয় আৰু বৰুৱা গাৱঁৰো তিনিঘৰ গৃহস্থী লগ হৈ ২২।৭।৭১ তাৰিখে বৰুৱা বামুণ গাঁও প্ৰাঃ শাখা প্ৰতিষ্ঠা হয় ।

উক্ত সময়ৰ বৰুৱা গাৱঁৰ প্ৰায় চাৰিকুৰি ঘৰ গহস্থীৰ মাজত এই তিনিঘৰ গৃহস্থীৰ বহুতো সমালোচনাৰ সন্মুখীন হৈও গুৰুধৰ্মত বিশ্বাস ৰাখি ৰাইজৰ লগত গুৰুজনাৰ নীতি আদৰ্শৰ বিষয়ে আলোচনাত প্ৰবৃত্ত হ'ব লগা হৈছিল ।

ইতিমধ্যে সেই তিনিঘৰ গৃহস্থীৰ অন্যতম সংগী কমাৰ গাঁও উচ্চ বুনিয়াদী বিদ্যালয়, নিৰ্মল পুস্তকালয়ৰ সক্ৰীয় কৰ্মী স্থানীয় মহিলা সমিতিৰ সভানেত্ৰী প্ৰয়াত কুসুম কুমাৰী কাকতিৰ মৃত্যু হোৱাত ১৯৭৬ চনত প্ৰথম এই গাৱঁত সংঘৰ নীতি অনুযায়ী মৃতাহ কৰ্ম সম্পন্ন কৰা হয় । ইয়াৰ কিছুদিনৰ পিছতেই স্থানীয় পোৱাল দত্তৰ মৃতাহ কৰ্ম আৰু শ্ৰীমন্ত প্ৰেছৰ

স্বৰ্ত্তাধিকাৰী শ্ৰীবন্তী হাজৰিকাৰ বিবাহ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শৰে সম্পন্ন কৰা হয় । এনেদৰে কেইদিনমান যোৱাৰ পাছত বৰুৱা গাৱঁৰ কেইঘৰমান গৃহস্থীৰ ওপৰত গুৰুৰ কৃপা দৃষ্টি পৰে । উক্ত গাৱঁত প্ৰাথমিক গঠন কৰে ।

প্ৰাথমিক শাখা গঠনত বৰুৱা বামুণ গাঁও প্ৰাথমিক শাখাৰ সংগী প্ৰয়াত ভোলাই দত্ত, প্ৰয়াত বসন্ত বৰুৱা বৰ্তমানৰ জিলা সদস্য শ্ৰীপবিত্ৰ কাকতি আৰু বৰুৱা গাৱঁৰ শ্ৰীমহেন বৰুৱা, তিলেশ্বৰ বৰুৱা শ্ৰীআনন্দ বৰুৱা, শ্ৰীহেমকান্ত বৰুৱা, শ্ৰীচেনিৰাম বৰুৱা, শ্ৰীকৰুণা বৰুৱা, শ্ৰীদেৱেশ্বৰ বৰুৱা, শ্ৰীকেশৱ বৰুৱা আদিয়ে উদগণি দিয়ে ।

তদুপৰি স্থানীয় কৰ্মী শ্ৰীপ্ৰমোদ বৰুৱা দেৱেও নানান পৰামৰ্শ আগবঢ়াই প্ৰাথমিক ভাগ গঠনত সহায় কৰে । সেই মৰ্মে ১৯৮১ চনৰ ফাগুন মাহত বৰুৱাগাঁও নামঘৰত শৰণ সদস্য প্ৰয়াত কুশেশ্বৰ কলিতাদেৱৰ উপস্থিতিত বৰুৱাগাঁও প্ৰাথমিক শাখা পুনৰ গঠন কৰা হয় আৰু এক শৰণ ৰক্ষাৰো আয়োজন কৰা হয়, ভালেকেইগৰাকী বাপক শৰণ-ভজন দিয়াৰ ব্যৱস্থা কৰা হয় ।

উক্ত শাখাটিৰ কাৰ্যনিৰ্বাহকৰ প্ৰতিষ্ঠাপক সভাপতি-সম্পাদক হিচাপে যথাক্ৰমে শ্ৰীমহেন্দ্ৰ নাথ বৰুৱা, শ্ৰীপবিত্ৰ কাকতি বাপক নিৰ্বাচিত কৰা হয়। এই কাৰ্য্যনিৰ্বাহক সভাই কেইবাটাও শৰণ কক্ষ, দুজনা গুৰুৰ জন্মোৎসৱ পালন কৰা আদিৰ উপৰি সাংগঠনিক দিশত বহু কাম কৰি সংগীসকলৰ সংখ্যা বৃদ্ধি কৰে । এই প্ৰাঃ শাখাত বহুবাৰ নিজা ববীয়াকৈ গুৰু জয়ন্তী উদযাপন কৰি বিভিন্ন বক্তাক আনি গুৰু আদৰ্শ প্ৰচাৰত ব্ৰতী হয় । তদুপৰি জিলা ভিত্তিত গুৰুজনাৰ জন্ম জয়ন্তী পতাৰ লগতে সাতদিনজোৰা অবিৰত ভাগৱতৰ পাঠ অনুষ্ঠান উদযাপন কৰা হয় ।

বিগত ৪৪ তম্ মূল সংঘৰ অধিবেশন ভাগো বৰুৱা বামুণ গাৱঁতে উদযাপন কৰা হৈছিল । বৰুৱা বামুণ গাঁও প্ৰাথমিক শাখাৰ সংগীসকলে উক্ত অধিৱেশনত সিংহ ভাগ বৰঙণি আগবঢ়াই । ইয়াৰ পিছত যথাক্ৰমে প্ৰয়াত দেৱেশ্বৰ বৰুৱা, হেমকান্ত বৰুৱা, প্ৰমোদ বৰুৱা, সভাপতি আৰু মহেশ্বৰ বৰুৱা, উমেশ দত্তক সম্পাদক নিৰ্বাচিত কৰা হয় । বৰ্তমান মহেন্দ্ৰ নাথ বৰুৱাক সভাপতি আৰু শ্ৰীঅসীম বৰুৱাক সম্পাদক হিচাপে লৈ এই প্ৰাথমিকৰ কাৰ্য্যাৱলী চলাই থকা হৈছে ।

বৰ্তমান এই শাখাটিৰ ২৭ ঘৰ গৃহস্থী আৰু ৫২ গৰাকী সংগী আছে। সংঘৰ নীতি আদৰ্শেৰে সেৱা বাহিনী গঠন কৰি উন্নয়নমূলক কাম কৰা হৈছে। ✧

# খঙীয়া গাঁও শঙ্কৰ-সূৰ্য্য প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯২ চন

দেৰগাঁও মৌজাৰ খঙীয়া এখন ৰাজহ গাঁও । এই গাৱঁৰ দুটা খণ্ড। ১ নং আৰু ২ নং খঙীয়া । এই এক নং খঙীয়াৰে উত্তৰ-পশ্চিম চুকত খঙ্গীয়া গাঁও অৱস্থিত । পূবে ভকতীয়া গাঁও, উত্তৰে ফেটা গাঁও, পশ্চিমে জেলেহুৱা গাঁও আৰু দক্ষিণে হলৌ গাঁও । গাৱঁৰ গৃহস্থীৰ সংখ্যা ৪০ ঘৰ, জনসংখ্যা প্ৰায় ২০০ জন ।

এই গাৱঁৰ লোকসকল আহঁতগুৰি সত্ৰৰ সেৱক । বৰ্তমানেও আহতগুৰি সত্ৰৰ শিষ্য আছে । এই গাৱঁৰ স্বনামধন্য ব্যক্তি শ্ৰীযুত হৰনাথ হাজৰিকাদেৱে ১৯৬১ চনতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংগী পদ গ্ৰহণ কৰি একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰ-প্ৰসাৰৰ দিশত আত্মনিয়োগ কৰি আহিছে । সৰ্বশ্ৰী ৰাম হাজৰিকা, নৰেন হাজৰিকা, যাদৱ বৰা, দেবেন হাজৰিকা আৰু বীৰেন বৰদলৈ আদি লোকসকলে ১৯৭২ চনতে ভকতীয়া গাঁও আৰু ফেটা গাঁও প্ৰাথমিক শাখাত অন্তৰ্ভুক্ত হয় ।

১৯৯২ চনত খঙ্গীয়া গাৱঁৰ সৰ্বশ্ৰী বোধেশ্বৰ শইকীয়া সোমেশ্বৰ বৰা, টংকেশ্বৰ হাজৰিকা, চন্দ্ৰ প্ৰভা হাজৰিকা, বিমান বৰা, পূৰ্ণ হাজৰিকা, কেশৱ হাজৰিকা, দেহীৰাম হাজৰিকা প্ৰমুখ্যে লোকসকলে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শ উদ্দেশ্যৰ প্ৰতি আকৃষ্ট হৈ সংঘমুখী হোৱাৰ পোষকতা কৰে। সেই সময়ৰ গোলাঘাট পুব আঞ্চলিক শাখাৰ সভাপতি শ্ৰীযুত হেম কেওটৰ দিহা-পৰামৰ্শ মতে ২৭।১০।৯২ তাৰিখত 'খঙ্গীয়া গাঁও শংকৰ সূৰ্য্য প্ৰাথমিক শাখা' নামকৰণেৰে এই প্ৰাথমিক শাখাটি গঠন হয়। অন্যান্য প্ৰাথমিকত অন্তৰ্ভুক্ত হৈ থকালোক সকলো নিজ গাৱঁৰ প্ৰাথমিক লৈ উভতি আহি কলেৱৰ বৃদ্ধি কৰে । তদুপৰি হলৌগাঁও নিবাসী সৰ্বশ্ৰী পুণ্যেশ্বৰ বৰা, ফটিক বৰা, প্ৰফুল্ল বৰা, দিলীপ বৰা, পূৰ্ণ বৰা, কলাই বৰা, টেকেলা গাৱঁৰ সৰ্বশ্ৰী নগেন বৰা, জিতেন বৰা, ডেকা গাৱঁৰ ভৰেন কলিতা, প্ৰদীপ কলিতা আদি বাপসকলৰ খঙ্গীয়া গাঁও প্ৰাথমিক শাখা গঠন কৰাত যথেষ্ট অৱদান আছিল।

এই শাখাটি গঠন কৰাত সৰ্বশ্ৰী চন্দ্ৰনাথ বৰদলৈ, চন্দ্ৰমোহন হাজৰিকা, হেম কেওট, ধ্ৰুৱ বৰা, ভাৰত বৰা আদি লোকসকলে আগবঢ়োৱা দিহা-পৰামৰ্শ, সহায়-সহযোগ লেখত ল'বলগীয়া ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ উদ্দেশ্য নীতি-আদৰ্শ প্ৰচাৰ-প্ৰসাৰত প্ৰাথমিক শাখাটিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। শ্ৰীচন্দ্ৰ প্ৰভা হাজৰিকা আই গৰাকীয়ে প্ৰতি দেওবাৰে মহিলাসকলৰ মাজত শাস্ত্ৰালাপ, সংঘৰ চাৰি পুথিৰ পৰ্য্যালোচনা আদিৰ জৰিয়তে সংগীসকলক সংঘৰ নীতি-আদৰ্শৰ প্ৰতি অনুপ্ৰাণীত কৰাত সহায় কৰিছে।

প্ৰাথমিক শাখাটিৰ বৰ্তমানৰ সভাপতি শ্ৰীৰাম হাজৰিকাদেৱৰ দৃঢ়তা, নিষ্ঠা আৰু কঠোৰতা মন কৰিবলগীয়া। তেখেতৰ সু-পৰিচালনাৰ বাবেই প্ৰাথমিক শাখাটি সুচাৰুৰূপে চলি আছে। অন্যহাতে প্ৰাথমিক শাখাটিৰ প্ৰতি গৰাকী সংগীয়েই গুৰু ধৰ্ম প্ৰচাৰ-প্ৰসাৰত আত্মনিয়োগ কৰি আহিছে।

**বৰ্তমান সভাপতি ঃ** শ্ৰীযুত ৰাম হাজৰিকা, আৰু সম্পাদক শ্ৰীযুত বোধেশ্বৰ শইকীয়া। ✧

# বিলতীয়া গাঁও জগন্নাথ প্ৰাথমিক শাখা

**গঠন ঃ ১৯৯৩ চন**

নেঘেৰিটিং অঞ্চলৰ মৎস্য ব্যৱসায়ৰ ওপৰত নিৰ্ভৰশীল সকলো দিশৰ পৰাই অতি পিছপৰা বিলতীয়া গাঁও । পঞ্চাশৰ দশকলৈকে ন্যুনতম শিক্ষাৰ সুবিধাকণো নথকাত শিক্ষাৰ প্ৰতি আগ্ৰহীলোকসকলে নেঘেৰিটিং, দেৰগাঁৱলৈ আহি পঢ়া-শুনা কৰিব লাগিছিল । অৱশ্যে স্বাধীনতাৰ পিছৰে পৰা উন্নতিৰ পথলৈ অহা পৰিলক্ষিত হৈছে ।

১৯৬৮ চনমানলৈকে পূৰ্বৰ কৰ্মকাণ্ড প্ৰথাৰেই লোকসকলে ধৰ্মীয় কৰ্ম সম্পাদন কৰিছিল । প্ৰয়াত বৰমইনা দাস নামৰ এজন লোকে কলিযুগত কৰ্ম-কাণ্ডৰ অসাৰতাৰ বিষয়ে গাৱঁত প্ৰচাৰ কৰিছিল । এইজন লোকৰ অনুপ্ৰেৰণাতে ৬ ঘৰ লোকে কৰ্ম-কাণ্ড ত্যাগ কৰি গাৱঁৰ পৰা এঘৰীয়া হৈ থাকে । এই সময়তে শিৱসাগৰৰ আমগুৰিৰ প্ৰয়াত তুলাৰাম বৈষ্ণৱৰ তত্বাৱধানত কেইঘৰমান লোকে এক শৰণ ধৰ্ম গ্ৰহণ কৰে । ১৯৭১ চনৰ পিছত সেই সময়ৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উপ পদাধিকাৰ শ্ৰীযুত ইলাৰাম দাসৰ তেজস্বী, তত্বগধুৰ 'একশৰণ'ৰ ওপৰত দিয়া ভাষণত মুগ্ধ হৈ বহুকেইঘৰে কৰ্ম কাণ্ড ত্যাগ কৰি এক শৰণ গ্ৰহণ কৰে । কিন্তু দুৰ্ভাগ্য বশত নীতিমতে সংঘ ভুক্ত হোৱা নাছিল । বহুকেইখন গাৱঁৰ পৰা অহালোকে শ্ৰীযুত ইলাৰাম দাসদেৱৰ ভাষণত মুগ্ধ হৈ কৰ্মকাণ্ড ত্যাগ কৰি নাম ধৰ্ম গ্ৰহণ কৰে আৰু শৰণ গ্ৰহণো কৰে । সংঘত অন্তৰ্ভুক্ত নোহোৱাকৈ সম্পূৰ্ণ নামধৰ্ম প্ৰথাৰে বিভিন্ন ধৰ্মীয় কাৰ্য্য সম্পাদন কৰি চলি আছিল । কিছু বছৰৰ পিছত শ্ৰীইলাৰাম দাসদেৱে সংঘ ত্যাগ কৰি 'ভাগৱতী সমাজ' গঠন কৰাত বিলতীয়া গাৱঁৰ কৰ্মকাণ্ড ত্যাগ কৰি সংঘ ভুক্ত নোহোৱা লোকসকলে একশৰণ ভাগৱতী সমাজৰ অন্তৰ্ভুক্ত হয় ।

অতি সুখৰ বিষয় ভাগৱতী সমাজত অন্তৰ্ভুক্ত হোৱা এই লোকসকলে ১৯৯৩ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শত মোহিত হৈ ভাগৱতী সমাজ ত্যাগ কৰি সম্পূৰ্ণ নীতি নিয়মে সংঘত অন্তৰ্ভুক্ত হয় । জন্ম হয় 'বিলতীয়া গাঁও প্ৰাথমিক শাখা' । এই প্ৰাথমিক শাখাটি গোলাঘাট পূব আঞ্চলিক শাখাৰ অন্তৰ্গত । ❑

# নৈমিষা প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৩ চন

গোলাঘাট জিলা শাখাৰ পূব গোলাঘাট আঞ্চলিক শাখাৰ অন্তৰ্গত নৈমিষা প্ৰাথমিক শাখাটি ১৯৯৩ চনৰ জানুৱাৰী মাহত ১০ ঘৰ গৃহস্থীৰে গঠন হয় । মূল গাঁওখনিৰ নাম টেকেলা বৰুৱা গাঁও । টেকেলা বৰুৱা নামটি বৃটিছ শাসন কালতে বিলুপ্ত ঘটা নাহৰণি মৌজাৰ নামৰ লগত জড়িত। গাঁওখনৰ বৰ্তমান গৃহস্থী ৭০ ঘৰ আৰু জনসংখ্যা প্ৰায় ৪০০ । গাঁওখনৰ আনুষ্ঠানিক শিক্ষাৰ উদ্দেশ্যে হলৌগাঁও নিম্ন বুনিয়াদী বিদ্যালয়খনি ১৯৮০ চনতে প্ৰতিষ্ঠিত । ১৯৪২ চনত বালিকা বিদ্যালয় এখনি স্থাপন হৈছিল যদিও ১৯৫৭ চনত হলৌগাঁও নিম্ন বুনিয়াদী বিদ্যালয়ৰ লগত চামিল কৰণ হয় । গাৱঁৰ পুথিভৰাল ১৯৬০ চনতে প্ৰতিষ্ঠিত, নাম দীপ্তি পুথিভৰাল। তদুপৰি ১৯৭৭ চনত গোপাল বৰা প্ৰাথমিক বিদ্যালয় আৰু ১৯৯৩ চনত খঙ্গীয়া মধ্য ইংৰাজী বিদ্যালয় নামৰ এখনি বিদ্যালয় স্থাপন হয় । গাৱঁৰ মাজতে নাম ঘৰটি বিজুলী বাতি, ফোনৰ লাইন, পানী যোগান আদি আঁচনিৰে সামৰা । অঞ্চলটোৰ ভিতৰতে উচ্চ শিক্ষিতৰ হাৰ বেছি বুলি গৌৰৱ কৰিব পৰা গাঁওখনি সকলো ফালৰপৰাই আগবঢ়া বুলিব লাগিব। দেৱাল আলোচনী ‘কাকলি’ আৰু শিশু আলোচনী ‘গজালি’ গাঁওখনৰপৰা প্ৰকাশ হৈ থাকে । তদুপৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলাৰ মুখপত্ৰ ‘শ্ৰীমন্ত’ৰ চেৰাশাল টেকেলা বৰুৱা গাৱঁতেই । গাঁওখনৰ লোকসকল সত্ৰীয়া পৰম্পৰাত বিশ্বাসী যদিও দেৰিকৈহে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শৰ প্ৰতি কেইঘৰমান গৃহস্থী আকৃষ্ট হয় । গোলাঘাট জিলা শাখাৰ প্ৰাক্তন সভাপতি শৰণ সদস্য বৈষ্ণৱ পণ্ডিত প্ৰয়াত কুশেশ্বৰ কলিতাদেৱৰ ঘৰ এইখন গাৱঁতেই আৰু তেখেতৰ পৰিয়াল বৰ্তমানো নৈমিষা প্ৰাথমিকৰে সংগী ।

গোলাঘাট জিলাৰ পূব আঞ্চলিকৰ অন্তৰ্গত নৈমিষা প্ৰাথমিকখনি অতি চালুকীয়া যদিও এই প্ৰাথমিকৰ সভাপতি শ্ৰীনগেন বৰা বাপে ১৯৯৬ চনৰ গোলাঘাট জিলা শাখাৰ বৰুৱা গাঁও অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতিৰ দায়িত্ব পালন কৰাৰ উপৰি শ্ৰীযতীন বৰাই ১৯৯৫/৯৬ বৰ্ষৰ আঞ্চলিকৰ সম্পাদক আৰু ১৯৯৬/৯৭ বৰ্ষৰ জিলা সাহিত্য শাখাৰ সম্পাদকৰ দায়িত্ব পালন কৰিবলৈ সক্ষম হয় । গাঁওখনৰ অগ্ৰনী ব্যক্তি প্ৰয়াত থুলেশ্বৰ কাকতিদেৱে কৃতি শিক্ষকৰ ৰাজ্যিক বঁটা লাভ কৰিবলৈ সক্ষম হোৱাটো গাঁওখনৰ বাবেই গৌৰৱ । ❑

# নেঘেৰিটিং পীতাম্বৰ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৩ চন

আহোম ৰাজত্বৰ গুৰুত্বপূৰ্ণ ঠাই নেঘেৰিটিং। নেঘেৰিটিঙৰে অন্তৰ্গত টেকেলা লাইন । পূৰ্বতে এই গাৱঁৰ লোকসকল বৃত্তিত টেকেলা আছিল বাবে গাঁওখনৰ নাম টেকেলা গাঁও হয় । সমীপত বুৰঞ্জীবিখ্যাত শিৱদ'ল। কছাৰী সেনাপতি 'ডেৰচুটফা'ৰ স্মৃতি বৰ্তমানেও বহন কৰিছে ডেৰছোৱা ঘাটে । ইয়াতে কছাৰী সৈন্যৰ চাৱনী আছিল । ইংৰাজসকলৰ দুশ বছৰীয়া শাসন কালতে চাহ খেতিৰ বাবে প্ৰায়বিলাক লোককে ইয়ালৈ অনা হয় । প্ৰায়বিলাকেই বাগিচাত দিন হাজিৰা কৰা মজদুৰ লোক । বিভিন্ন ধৰ্মীয় পৰম্পৰাৰে কাৰ্য সম্পাদন কৰিছিল । ১৯৫১ চনত এই টেকেলা লাইনত গড়মূৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামীদেৱে অন্ধবিশ্বাস, কুসংস্কাৰৰ অন্ত পেলাই কিছুলোকক শৰণ দিয়ে । তেতিয়াৰপৰাই এক শৰণ নাম ধৰ্মৰ প্ৰভাৱ এই ঠাইত পৰিবলৈ আৰম্ভ কৰে । ১৯৮২ চনত টেকেলা গাঁও প্ৰাথমিক শাখাই জন্ম লাভ কৰি মজদুৰ সমাজত গুৰু ধৰ্মৰ খুটি স্থাপন কৰে ।

গোলাঘাট জিলাৰ অন্তৰ্গত পূব আঞ্চলিক শাখাৰ নেঘেৰিটিং টেকেলা গাঁও প্ৰাথমিক শাখাৰ একাংশ সংগীয়ে এখন নতুন প্ৰাথমিক গঠন কৰাৰ মানসেৰে শ্ৰীৰামেশ্বৰ ঘাটোৱাৰৰ যত্নত ১৯৯৩ চনত নেঘেৰিটিং পীতাম্বৰ প্ৰাথমিক শাখা নামকৰণেৰে এটি শাখা গঠন কৰা হয় ।

বৰ্তমান সময়লৈকে প্ৰাথমিকৰ সংগীসকলে মহাপুৰুষীয়া ধৰ্ম সংস্কৃতিৰ চিন্তা-চৰ্চাত মনোনিবেশ কৰি আহিছে । বৰ্তমান প্ৰাথমিক শাখাৰ গৃহস্থী ২৫ ঘৰ আৰু সংগীৰ সংখ্যা ৭০ জন । ইয়াৰ প্ৰতি গৰাকী সংগীয়েই শ্ৰমজীৱী।

প্ৰাথমিক শাখাটিৰ জন্ম লগ্নতে সভাপতি সম্পাদক হিচাবে কাৰ্য্যনিৰ্বাহ কৰে ক্ৰমে সৰ্বশ্ৰী বাউৰী, ৰামদেউ মূৰা বাপে । পৰৱৰ্ত্তী কাৰ্য্যকালত শ্ৰীকমলেশ্বৰ ঘাটোৱাৰ আৰু ৰামদেউ মূৰা বাপে সভাপতি আৰু সম্পাদকৰূপে কাৰ্য্যনিৰ্বাহ কৰিছে ।

বৰ্তমান সভাপতি - শ্ৰীশংকৰ কুমাৰ

সম্পাদক ঃ শ্ৰীৰামদেউ মূৰা । ❑

# দেৰগাঁও কমাৰ গাঁও প্ৰাথমিক

## গঠন ঃ ১৯৯৪ চন

যি সময়ত নানা দেৱ-দেৱীৰ পূজা সেৱা, নানা আচাৰ নীতি, অন্ধবিশ্বাস আৰু কুসংস্কাৰে কমাৰ গঞা ৰাইজক দিকভ্ৰান্ত কৰি ৰাখিছিল সেই দুৰ্যোগপূৰ্ণ মুহূৰ্ততে শ্ৰীমন্ত শংকৰদেৱ সংঘ গোলাঘাট জিলা শাখাৰ অন্তৰ্গত পুব আঞ্চলিক শাখাৰ সেই সময়ৰ সভাপতি শ্ৰীচন্দ্ৰমোহন হাজৰিকা বাপৰ উদ্যোগত জিলাৰ সদস্য শ্ৰীআনন্দ হাজৰিকা, চন্দ্ৰ হাজৰিকা, আৰু ধ্ৰুৱ বৰা, আদি বিশিষ্ট বাপসকলৰ অশেষ যত্নত ১৯৮১/৮২ চনত প্ৰয়াত কমল হাজৰিকা বাপক সভাপতি হিচাপে লৈ দহ ঘৰ গৃহস্থীৰে কমাৰ গাঁও প্ৰাথমিক গঠন হয় । এই অনুষ্ঠানেই কমাৰ গাঁওৰ এক বৈষ্ণৱী অনুষ্ঠান । দিন বাগৰাৰ লগে লগে এই অনুষ্ঠানৰ প্ৰতি আকৃষ্ট হৈ সংগীৰ সংখ্যা বৃদ্ধি হ'বলৈ ধৰে ।

বিশেষ অসুবিধাজনিত কাৰণত উক্ত প্ৰাথমিক শাখাৰ কেইজনমান সংগীৰ প্ৰচেষ্টাৰে সকলো বুজাবুজিৰ মাজেৰে ১৯৯৪ চনত এখন প্ৰাথমিক গঠন কৰা হয় আৰু প্ৰাথমিকখনিক দেৰগাঁও কমাৰগাঁও প্ৰাথমিক নামেৰে নামকৰণ কৰা হয় । উক্ত প্ৰাথমিকৰ সভাপতি আছিল প্ৰয়াত হেম বৰুৱা আৰু সম্পাদক শ্ৰীপ্ৰদীপ হাজৰিকা ।

কমাৰ গাঁও এখন ৰাজহ গাঁও । কোচ, মাছকটা, গন্ধিয়া, পাচনি বৰা আৰু ডেকা গাঁও, বৰুৱা গাঁও আৰু আফুৰা গাৱঁৰ একোটা অংশ সামৰি উক্ত ৰাজহ গাঁও হৈছে । বৰ্তমান নামঘৰ কেন্দ্ৰীক কমাৰ গাঁও এখন ঐতিহাসিক গাঁও । উক্ত কমাৰ গাৱঁতেই ৰাজহ এলেকা সামৰিছে । নামঘৰ কেন্দ্ৰীক কমাৰ গাৱঁৰ পূবে ফেটা গাঁও, পশ্চিমে আফুৰা গাঁও, উত্তৰে জেলেহুৰা গাঁও আৰু দক্ষিণে গন্ধিয়া গাঁও ।

বৰ্তমান প্ৰাথমিকৰ সভাপতি শ্ৰীভদ্ৰেশ্বৰ বৰা আৰু সম্পাদক শ্ৰীতৰুণ হাজৰিকা বাপৰ চেষ্টাত প্ৰাথমিকত গৃহস্থীৰ সংখ্যা পোন্ধৰ ঘৰলৈ বৃদ্ধি পাইছে আৰু সংগী প্ৰায় ৬০ জন । দেৰগাঁও কমাৰ গাঁও প্ৰাথমিকে মহাপুৰুষীয়া এক শৰণ নাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে । মূল সংঘৰ প্ৰচাৰ শাখাৰ সভাপতি শ্ৰীচন্দ্ৰ হাজৰিকা বাপ দেৰগাঁও কমাৰ গাঁও প্ৰাথমিকৰে এজন একনিষ্ঠ সংগী । (তেখেতৰ জীৱনী পৰৱৰ্তী অধ্যায়ত সংযোগ কৰা হৈছে ।) ❑

# নাহৰণি খাট গাঁও প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৫ চন

নাহৰণি খাট গাঁও এখন বৃহৎ জনবসতিপূৰ্ণ গাঁও । এই অঞ্চলত এখন ডাঙৰ পথাৰ আছে । ইয়াৰ মাজেদি খাৰুৱা তেলৰ পাইপ লাইনটো পাৰ হৈ গৈছে । ইতিপূৰ্বে এইখন আউনীআটী গোসাঁইৰ খাট আছিল । সেইবাবে এই গাৱঁক খাট গাঁও বুলি কোৱা হয় । ইয়াৰ উত্তৰে ভকতীয়া গাঁও। দক্ষিণে লুকুমাই গাঁও। পূবে হাঁহপানী গাঁও আৰু পশ্চিমে টেকেলা বৰুৱা গাঁও । এই গোটেই অঞ্চলটিক নাহৰণি বোলে । সেইবাবে প্ৰাথমিকখনৰ নাম নাহৰণি খাট প্ৰাথমিক শাখা । এই খাট গাঁওখনি দুটা মৌজাত অন্তৰ্ভুক্ত গুৰযোগনীয়া আৰু দেৰগাঁও মৌজা । গৃহস্থীৰ সংখ্যা ৫১ ঘৰ । বিশেষ গুণসম্পন্ন ব্যক্তিসকলৰ ভিতৰত শ্ৰীবেণুধৰ দাস আৰু শ্ৰীনলীন দাসৰ নাম ল'ব পাৰি । ইয়াৰ সৰহ সংখ্যক খেতিয়ক আৰু চাকৰিয়াললোকো আছে । প্ৰাথমিকখনি গঠনত শ্ৰীনলীন দাসৰ বিশেষ বৰঙণি আছে । ১৪।৫।৯৫ তাৰিখে এই প্ৰাথমিক গঠন কৰা হয় ।

সভাপতি ঃ

সম্পাদক ঃ

# মাধপুৰ প্ৰাথমিক শাখা

## বাঁহবাৰী গাঁও, বালিজান

বৃটিছৰ আমোলত অসমৰ বিভিন্ন ঠাইত চাহ বাগিচাবিলাক খোলা হয় । চাহ খেতিয়কে অসমত সেউজ বিপ্লৱৰ সৃষ্টি কৰিছিল । সেই বাগিচা বিলাকত বনুৱা হিচাপে কাম কৰিবৰ কাৰণে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ পৰা শ্ৰমিকসকলক অনা হয় । সেই শ্ৰমিকসকল বিভিন্ন জনগোষ্ঠীৰ লোক । বালিজান চাহ বাগিচাৰ সমীপৰ এই গাঁওখনৰ উত্তৰে শীতল পথাৰ আৰু ৩৭ নং ৰাষ্ট্ৰীয় পথ, দক্ষিণে নাহৰণী গাঁও, পূবে কাকডোঙা নদী আৰু পশ্চিমে দেৰগাঁও মৌজা । বাঁহ-কাঠেৰে পৰিপূৰ্ণ বাবে এই গাৱঁক বাঁহবাৰী বুলি কোৱা হয় । এই গাৱঁত এখন প্ৰাথমিক বিদ্যালয় আছে । টেকেলা গাৱঁৰ শ্ৰীপোনা বাউৰী বাপে ভাওনাৰ জৰিয়তে এই গাৱঁত এটা অস্থায়ী

নামঘৰ সাজে । এই নামঘৰত কীৰ্তন, ভাগৱত পাঠ কৰা হয় । শ্ৰীচৰিত্ৰ ৰবিদাস, শ্ৰীবিপুল বাউৰী, শ্ৰীপোনা ৰবিদাস আৰু শ্ৰীমুকুন্দ বাউৰীয়ে ইয়াত আগ-ভাগ লয়। ১৯৯৬ চনত ইয়াত গুৰুজনাৰ ৫৪৮ তম্ জন্ম জয়ন্তী পতা হয় । ১৮।৬।৯৬ তাৰিখে টেকেলা প্ৰাথমিক শাখাৰ জৰিয়তে ৮ ঘৰ গৃহস্থীয়ে শৰণ গ্ৰহণ কৰে । পূব আঞ্চলিক শাখাৰ উদ্যোগত সেইসকলক লৈ বাঁহবাৰী মাধপুৰ প্ৰাথমিক শাখা গঠন হয় । বৰ্তমান ১৪ ঘৰ গৃহস্থী আছে । সভাপতি শ্ৰীকাৰ্ত্তীক কুৰ্মী আৰু সম্পাদক শ্ৰীকমলেশ্বৰ ঘাটোবাৰ। প্ৰাথমিকৰ সংগীসকল কৃষক আৰু শ্ৰমিক । নেতৃস্থানীয় ব্যক্তি হিচাপে শ্ৰীদুৰ্গেশ্বৰ মাঝিৰ নাম উল্লেখ কৰিব পাৰি । তেখেতৰ বয়স ৭৫ বছৰ ।

এই গাঁওৰ বাসিন্দাসকলৰ মাজত শান্তি সম্প্ৰীতি অটুট আছে ।

# ডুবিয়াল নবোদয় প্ৰাথমিক

## পূব আঞ্চলিক, গোলাঘাট

## গঠন ঃ ১৯৯৭ চন

১৯।১১।৯৬ তাৰিখৰ ৰাজহুৱা সভাত ডুবিয়াল প্ৰাথমিকৰ সংখ্যা গৰিষ্ঠসংগীৰ সমৰ্থনত ডুবিয়াল নবোদয় প্ৰাথমিক নামেৰে এখনি প্ৰাথমিক শাখা গঠিত হয় । প্ৰাথমিকখনিৰ উদ্যোক্তা আছিল সৰ্বশ্ৰী নগেন হাজৰিকা, দ্ৰোৰ্ণ হাজৰিকা, ঘনকান্ত পাঠক, ৰূপেশ্বৰ পাঠক, প্ৰদীপ কাকতি আদি সংগীসকল । প্ৰাথমিকখনিয়ে ২।২।৯৭ তাৰিখে জিলাৰপৰা স্বীকৃতি লাভ কৰি বৰ্তমান কাৰ্য্যনিৰ্বাহ কৰি আহিছে । বৰ্তমান সংগী গৃহস্থীৰ সংখ্যা ১৩ ঘৰ । প্ৰতিষ্ঠাপক সভাপতি শ্ৰীলুহিত চন্দ্ৰ পাঠক আৰু সম্পাদক আছিল শ্ৰীতিলেশ্বৰ বৰা । বৰ্তমান সভাপতি শ্ৰীলুহিত পাঠক, সম্পাদক শ্ৰীদশম কান্ত ডুবিয়াল ।

প্ৰাথমিকখনিৰ বিশেষ ইতিবৃত্ত ডুবিয়াল প্ৰাথমিকত সন্নিবিষ্ট কৰা হৈছে ।

# ফেটাগাঁও আদৰ্শ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৮ চন

গোলাঘাট জিলাৰ সেৰগাঁও মৌজাৰ অন্তৰ্গত ফেটাগাঁও এখন প্ৰাচীন গাঁও । এই গাৱঁত পূৰ্বতে 'ফটা ভৰিৰ' এজন প্ৰভাৱশালী লোক আছিল । তেওঁৰ নামৰ পৰাই 'ফেটা বংশ' আৰু সেই বংশৰ ভূমিতে গাৱঁৰ নামঘৰ ভাগ প্ৰতিষ্ঠিত হৈছে ।

গাঁওখনৰ পূব দিশত ফেটা বস্তি গাঁও, পশ্চিমত জেলেহৰা আৰু হাজৰিকা গাঁও, উত্তৰত বালিবাট গাঁও, দক্ষিণত ভকতীয়া আৰু খঙীয়া গাঁও।

এই গাৱঁত এখন প্ৰাক্‌প্ৰাথমিক বিদ্যালয়, এখন মধ্য ইংৰাজী বিদ্যালয়, এখন বালিকা উচ্চ ইংৰাজী বিদ্যালয়, এখন মধ্য ইংৰাজী বিদ্যালয়, এখন বালিকা উচ্চ ইংৰাজী বিদ্যালয় আছে । গাঁওখনৰ মুঠ গৃহস্থীৰ সংখ্যা ২২০ ঘৰ আৰু জনসংখ্যা প্ৰায় ১৫০০ জন । গাৱঁত এটা চৰকাৰী স্বীকৃতি প্ৰাপ্ত পুথিভঁৰাল, মইনা পাৰিজাত, মহিলা সমিতি, ক্ৰীড়া সন্থা আদি অনুষ্ঠান আছে । গাৱঁৰ পুৰুষ মহিলা, যুৱক-যুৱতী শিশুসকল এই অনুষ্ঠানবিলাকত জড়িত । গাৱঁৰ আয়তন প্ৰায় ৪ বৰ্গ কিলোমিটাৰ । পূৰ্বৰ ফেটাগাঁও প্ৰাথমিক শাখাৰ সংগী গৃহস্থীৰ সংখ্যা বাঢ়ি যোৱাত ৩০ ঘৰ গৃহস্থীৰে এখন নতুন প্ৰাথমিক শাখা গঠন কৰে । ইংৰাজী ১৯৯৮ চনত গঠন হোৱা এই শাখাটি 'ফেটা গাঁও আদৰ্শ প্ৰাথমিক শাখা' বুলি নামকৰণ কৰা হয় ।

নৱ গঠিত প্ৰাথমিক শাখাটি গঠন কৰাত জিলা সদস্য শ্ৰীনবীন বৰা, পূব আঞ্চলিক শাখাৰ সম্পাদক শ্ৰীবীৰেন বৰা আৰু সদস্য শ্ৰীদুৰ্গেশ্বৰ দত্তদেৱৰ দিহা-পৰামৰ্শ স্মৰণযোগ্য । তদুপৰি সৰ্বশ্ৰী শিৱ কলিতা, সৰু মইনা দত্ত, গোলোক দত্ত, ৰূপৰাম দত্ত, প্ৰফুল্ল শইকীয়া, ধীৰেণ বৰা, দ্বিজেন বৰা, প্ৰদীপ বৰা, পুৰঞ্জয় দত্ত দেৱৰ অৰিহণা উল্লেখ কৰিব পাৰি । বৰ্তমান প্ৰাথমিক শাখাৰ সভাপতি শ্ৰীদেৱেন দত্ত, সম্পাদক শ্ৰীপ্ৰসেন বৰাই কাৰ্যনিৰ্বাহ কৰি আছে ।

# মেজালি, বিলতীয়া গোবিন্দ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৯ চন

গোলাঘাট জিলাৰ অন্তৰ্গত যোৰহাট জিলাৰ পশ্চিম সীমাত ব্ৰহ্মপুত্ৰৰ চেৰাসুতী গেলাবিল আৰু দিচৈ নদীৰ পাৰত উত্তৰা-দক্ষিণাকৈ অৱস্থিত গাঁওখনৰ নাম 'বিলতীয়া গাঁও'। গাৱঁৰ উত্তৰে মেজালি চাপৰি আৰু মৰি দিচৈ, দক্ষিণে গেলাবিল আৰু নেঘেৰিটিং গাঁও, পুবে গৰিয়া চাপৰি পথাৰ আৰু পশ্চিমে কছাৰী গাঁও আৰু মিছিং গাঁও । গৃহস্থীৰ সংখ্যা প্ৰায় ১৫০ ঘৰ । প্ৰায়সকল লোকেই নিম্ন মধ্যবিত্ত শ্ৰেণীৰ আৰু বিভিন্ন তান্ত্ৰিক পদ্ধতিৰে পৰিচালিত । গাৱঁৰ মধ্যস্থল নাম ঘৰতেই সমস্ত ধৰ্মীয় কাম-কাজ কৰা হয় ।

১৯৬০ চনতে প্ৰয়াত মুখমল দাসৰ নেতৃত্বত কৰ্মকাণ্ডৰ বিৰোদ্ধে অভিযান আৰম্ভ কৰি ৩/৪ বছৰ একশৰণ হৰিনাম ধৰ্মৰ প্ৰচাৰৰ শুভাৰম্ভ কৰে । সৰ্বশ্ৰী মিনেশ্বৰ দাস আৰু দানি দাসৰ নেতৃত্বত ১৯৭২ চনত একাংশ সংগী ভাগৱতী সমাজৰ অন্তৰ্ভুক্ত হয় । এইদৰে ১০/১২ বছৰ যোৱাৰ পিছত ভাগৱতী সমাজৰ নীতি আদৰ্শৰ কাৰ্য্য প্ৰণালী আদিত অসন্তুষ্ট হৈ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ লক্ষ্য, উদ্দেশ্য, নীতি-আদৰ্শত মোহিত হৈ ১৯৮৬ চনত শ্ৰীমিনেশ্বৰ দাসৰ নেতৃত্বত 'জগন্নাথ' প্ৰাথমিক নামেৰে এটি প্ৰাথমিক শাখা গঠনহৈ সংঘৰ অন্তৰ্ভুক্তি হয় । প্ৰচাৰ-প্ৰসাৰত সংগীসকলে যথেষ্ট ত্যাগ, কষ্ট স্বীকাৰ কৰি সংগী বৃদ্ধি কৰে । এইদৰে প্ৰাথমিক শাখাৰ কলেৱৰ বৃদ্ধি হোৱাত দাঁতি কাষৰীয়া মেজালি, গৰিয়া আৰু বিলতীয়া গাৱঁৰ কেইঘৰমান গৃহস্থীকলৈ ১৯৯৯ চনত সৰ্বশ্ৰী তৰুণ দাস আৰু শিৱৰাম দাসৰ নেতৃত্বত 'বিলতীয়া গোবিন্দ' নামেৰে অন্য এখন প্ৰাথমিক শাখা গঠিত হয় । ১২।১।৯৯ তাৰিখে গোলাঘাট পুব আঞ্চলিক শাখাৰ অন্তৰ্ভুক্ত হয় ।

পূৰ্বতে শিক্ষাৰ ক্ষেত্ৰত বিশেষভাৱে পিছপৰা আছিল যদিও বৰ্তমান অৱস্থাত যুৱক-যুৱতীসকলে শিক্ষা দীক্ষালৈ চৰকাৰী কৰ্মচাৰী ব্যৱসায়-বাণিজ্য আদিত মনোনিবেশ কৰি গাৱঁৰ শৈক্ষিক আৰু আৰ্থিক বিকাশত অৰিহণা যোগাইছে । মহাপুৰুষ প্ৰবৰ্তিত নামধৰ্ম আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি-আদৰ্শ প্ৰচাৰ-প্ৰসাৰত সংগী বাপসকলে অগ্ৰণী ভূমিকা লৈছে । এইক্ষেত্ৰত গোলাঘাট জিলা প্ৰচাৰ শাখাৰ সদস্য শ্ৰীচৰিত্ৰ ৰবিদাসৰ সহায় সহযোগ উল্লেখযোগ্য । গোবিন্দ প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকল ক্ৰমে সৰ্বশ্ৰী মাঘিৰাম দাস (সভাপতি), কেশৱ চন্দ্ৰ দাস (সম্পাদক) তৰুণ দাস (উপদেষ্টা), কুশল দাস (সহঃসম্পাদক) । ❑

# কৰুণাময় প্ৰাথমিক শাখা

**গঠন ঃ ১৯৯৯ চন**

দেৰগাঁও মৌজাৰ অন্তৰ্গত নেখেৰিটিং চাহ বাগিচাৰ-বালিজান নতুন লাইনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ কৰুণাময় প্ৰাথমিক শাখাটি ইং ১৯৯৯ চনত গঠন হয় । এই লাইনত প্ৰায় ৫০০ ঘৰ গৃহস্থীৰ হিন্দু ধৰ্মাৱলম্বী লোক আছে। বৰ্তমানলৈকে এই লাইনত অন্য ধৰ্মৰ প্ৰভাৱ পৰা নাই । ৰাইজৰ দান/বৰঙণিৰে এই লাইনত মহাপুৰুষীয়া ধৰ্মৰ আদৰ্শেৰে এভাগি নামঘৰ প্ৰতিষ্ঠা কৰা হৈছে । নামঘৰ ভাগিত বছৰি মহাপুৰুষীয়া আৰ্হিত ভাওনা অভিনয় কৰা হয় । শ্ৰীকৃষ্ণৰ জন্মাষ্টমী তিথি নিয়মীত ভাৱে উদযাপন কৰা হয় । গাৱঁৰ লোকসকলৰ গৃহত ভাগৱত পাঠ, আলোচনা চক্ৰ অনুষ্ঠিত কৰাৰ অন্তত টেকেলা গাঁও প্ৰাথমিক শাখাৰ একনিষ্ঠ সংগী আৰু বৰ্তমান জিলা সদস্য শ্ৰীচৰিত্ৰ ৰবিদাসৰ তৎপৰতাত একে প্ৰাথমিকৰ সংগী শ্ৰীবিপুল বাউৰী, শ্ৰীপূৰণ ৰবিদাস, কৃষ্ণপুৰ প্ৰাথমিক শাখাৰ সভাপতি শ্ৰীজগমোহন ৰবিদাস, শ্ৰীবীৰবল ৰবিদাসৰ পৰিযত্নত ৰবিদাস আৰু নাগবংশী সম্প্ৰদায়ৰ ৭ ঘৰ গৃহস্থীক লৈ কৰুণাময় প্ৰাথমিক গঠন হয় । এই অঞ্চলত সংঘৰ প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যে জিলা শাখাৰ বিষয়ববীয়া আৰু প্ৰচাৰ সমিতিৰ উদ্যোগত মূল সংঘৰ প্ৰচাৰক শ্ৰীবিপুল নাইডু বাপৰ উপস্থিতিত নতুন লাইন নামঘৰত ধৰ্মালোচনী সভা অনুষ্ঠিত কৰা হয় । সভা অনুষ্ঠিত কৰাত পুব আঞ্চলিক শাখাৰ সম্পাদক শ্ৰীসোমেশ্বৰ কুৰ্মী বাপৰ সহায়-সহযোগ বিশেষ উল্লেখযোগ্য । বৰ্তমান টেকেলা গাঁও প্ৰাথমিক শাখা আৰু মহাত্মা প্ৰাথমিক শাখাৰ সংগীসকলৰ সহযোগত নতুন লাইন নামঘৰত প্ৰতি সপ্তাহত ভাগৱত পাঠৰ অনুষ্ঠান চলাই থকা হৈছে । ✧

# ফৰকাটিং আঞ্চলিক শাখা

## গঠন —১৯৭৬

১৯৭৬ চনত ফৰকাটিং আঞ্চলিক শাখাৰ জন্ম হয়। ৫২৭ তম্ গুৰুজয়ন্তীৰ বাবে আঞ্চলিকভাৱে গঠন হোৱা গুৰুজয়ন্তী উদ্‌যাপন সমিতিখনকে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, ফৰকাটিং আঞ্চলিক শাখাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতি হিচাবে নামকৰণ কৰি সংবিধানিভাৱে গোলাঘাট জিলা শাখাৰ স্বীকৃতি বিচৰা হয়। জিলা শাখাই আঞ্চলিক শাখাটিক স্বীকৃতি প্ৰদান কৰে। তেতিয়াৰপৰা অদ্যৱধি শাখাটি নীতিগতভাৱে পৰিচালিত হৈআছে। ফৰকাটিং অঞ্চলত শ্ৰীমন্ত গুৰুজনাৰ এক শৰণ ধৰ্ম্মৰ প্ৰভাৱ কেনেভাৱে পৰিছিল তাৰ এটি চমু ইতিবৃত্ত ইয়াৰ লগত সন্নিবিষ্ট কৰা হৈছে।

ফৰকাটিং অঞ্চলৰ ধৰ্ম্মপ্ৰাণ লোকসকলে ১৯৫২ চনৰপৰা গীতা পাঠ অধ্যয়ন চক্ৰ এটি গঢ়ি তোলে। শ্ৰীতিলেশ্বৰ শইকীয়াৰ কাঠৰ কাৰখানা ঘৰতে এই অধ্যয়ন চক্ৰটিয়ে জন্ম লাভ কৰে। এই অধ্যয়ন চক্ৰৰ জৰিয়তে সমবেত লোকসকলৰ মাজত ধৰ্ম্মালোচনী সভা আদি অনুষ্ঠিত হয়। ক্ৰমান্বয়ে পাঠকৰ সংখ্যা বাঢ়ে আৰু পাচত এই চক্ৰৰ নাম 'চিন্তাচক্ৰ' নামে নাম কৰণ কৰা হয়। এই চক্ৰৰ পৰিসৰ বৃদ্ধি হয়, বিভিন্ন অঞ্চলৰ লোকসকল ইয়ালৈ আহে, ঘিলাধাৰী মৌজা, মাহিমেলীয়া আনকি সৰুপথাৰ বৰপথাৰ পৰ্য্যন্ত ইয়াৰ প্ৰভাৱ পৰে। গুৰুজনাৰ প্ৰদৰ্শিত এক শৰণ নাম ধৰ্ম্মৰ আধাৰত ইয়াত আলোচনা বিলোচনা হয়।

১৯৫৪ চনত এই 'চিন্তাচক্ৰৰ' বাৰ্ষিক অধিবেশনত বৰ্ত্তমান শঙ্কৰদেৱ মাধৱদেৱ বঁটা বিজয়ী বৈষ্ণৱ পণ্ডিত শ্ৰীসোণাৰাম চুতিয়া বাবে এই অধিবেশনৰ সভাপতি হিচাবে যোগদান কৰে। তেখেত সেই সময়ত গোলাঘাট মহকুমাৰ গ্ৰামোন্নয়ন বিষয়া আছিল আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ, গোলাঘাট জিলা শাখাৰ সভাপতি আছিল। চুতিয়া বাপে তেখেতৰ ভাষণত 'চিন্ত চক্ৰৰ' উদ্দেশ্য আৰু সেই সময়ৰ 'শঙ্কৰ সংঘ'ৰ মাজত বিশেষ পাৰ্থক্য নাই বুলি কয় আৰু 'চিন্তা চক্ৰৰ' সদস্যসকলক 'শঙ্কৰ সংঘত' অন্তৰ্ভুক্ত হবৰ কাৰণে আহ্বান জনায় সেই সময়ত শ্ৰীমন্ত শঙ্কৰ দেৱ সংঘক 'শঙ্কৰ সংঘ' বুলি কোৱা হৈছিল। তেখেতৰ আহ্বানত সমৰ্থন জনায় ' চিন্তা চক্ৰৰ' সদস্যসকলে ফৰকাটিংত 'শঙ্কৰ সংঘ' প্ৰতিস্থা কৰে। সেই সংঘৰ সভাপতি আছিল প্ৰয়াত স্বৰ্গীয় ধনীৰাম চাংমাই আৰু সম্পাদক শ্ৰীতিলেশ্বৰ শইকীয়া বাপ। ইয়াৰ পাচত ওচৰে পাজৰে থকা গাওঁবিলাকত সংঘ প্ৰতিস্থা হয়। তিৰোৱাল, ঘিলাধাৰী, ফাটোৱাল, প্ৰেম হোৱা(সৰুপথাৰ) গড়গাওঁ(বৰপথাৰ) কৌৱালী (নাওজান) গমাৰীগুৰি, মিকি পট্টী, শালিকিহাট, আদি অঞ্চলত সংঘ প্ৰতিস্থা হয়। তদুপৰি

মিকিৰ পাহাৰ(কাৰ্বি আংলং) অঞ্চলতো ইয়াৰ প্ৰভাৱ পৰে। কালক্ৰমত এই বিলাক অঞ্চলত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰাথমিক শাখা গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হয়।

ফৰকাটিং অঞ্চলত গুৰুধৰ্ম্মৰ প্ৰভাৱ,প্ৰচাৰ প্ৰসাৰত আগভাগ লোৱা বৰেণ্য ব্যক্তিসকল হল স্বৰ্গীয় শঙ্কৰ চন্দ্ৰ বৰুৱা, স্বৰ্গীয় দুগ্ধ নাথ শইকীয়া, স্বৰ্গীয় ভদ্ৰকান্ত ফুকন, স্বৰ্গীয় দেবেন্দ্ৰ নাথ দত্ত, স্বৰ্গীয় বালিৰাম হাজৰীকা, স্বৰ্গীয় চন্দ্ৰকান্ত বৰা, কালিৰাম নাথ, কৰুণা গগৈ, কেশৰাম বৰা, গুণাৰাম ফুকন, স্বৰ্গীয় বীৰেণ চুতিয়া, স্বৰ্গীয় উমাকান্ত চুতীয়া, দন্দধৰ শইকীয়া, দয়াৰাম নাথ, ৰোমেশ্বৰ নাথ, স্বৰ্গীয় ভুবন নাথ, নন্দেশ্বৰ চুতীয়া, ৰত্ন চুতীয়া, লক্ষেশ্বৰ চুতীয়া, ধনীৰাম চাংমাই, সুৰেণ বৰা, ৰূপেশ্বৰ শইকীয়া, স্বৰ্গীয় ৰূপ বৰা, দীন শইকীয়া, জোনাৰাম শইকীয়া, কাকদোঙীয়া বৰা, নীৰকান্ত শইকীয়া, বেথাৰাম চুতীয়া, দণ্ডিৰাম শইকীয়া আদি প্ৰয়ত আৰু জীৱিত ব্যক্তিসকল। এই সকলৰ অবদল স্মৰণযোগ্য।

১৯৭৭ চনৰপৰা ফৰকাটিং অঞ্চলত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰসাৰ বৃদ্ধি পায়। ৭খন প্ৰাথমিক শাখাৰ ঠাইত ২ খন প্ৰাথমিক শাখা গঠন হয়। ফৰকাটিং আঞ্চলিক শাখাৰ অন্তৰ্ভূক্ত প্ৰাথমিক শাখা বিলাক হল, ফৰকাটিং প্ৰাথমিক, চকৰধৰা প্ৰা ঃ শাঃ, পূৰ্ব্বজ্যোতি, ফৰকাটিং নগৰ, কুঁহিয়াৰবাৰী, তিৰোৱাল, দ-চমুৱা, কমাৰ চুক, নৰহৰি, শিলপনীয়া, শিলপনীয়া (১) জ্যোতিময়, শঙ্কৰজ্যোতি, ফাটোৱাল, ভক্তিপ্ৰদীপ, সোৱাল গাওঁ, ফৰকাটিং গাওঁ, খনিকৰ, সাৰহল্লাগী, খনিকৰ, নাহৰখনা, নাহৰখনা শ্ৰীমন্ত আৰু নাৰায়ণ প্ৰাথমিক শাখা।

এই প্ৰাথমিক শাখাৰপৰা নিৰ্ব্বাচিত জিলা সদস্যসকল হল। সৰ্ব্বশ্ৰী তিলেশ্বৰ শইকীয়া, জীৱ বৰা, ভুবন নাথ, কেশৱ বৰুৱা, বংশী চুতীয়া, গুণাৰাম ফুকন, চেনীৰাম, ভোগৰাম শইকীয়া, প্ৰদীপ নাথ, বিপুল নাথ, ৰেৱকান্ত নাথ, ৰিখেশ্বৰ চুতীয়া, বন্দুৰাম শইকীয়া, বলোৰাম শইকীয়া, তনুৰাম শইকীয়া, শেৱালী নাথ, ৰেণু হাজৰিকা, ফণী চুতীয়া, মহেন্দ্ৰনাথ বৰুৱা, যোগেশ্বৰ শইকীয়া।

শ্ৰীযুত জীৱ বৰা আৰু শ্ৰীতিলেশ্বৰ শইকীয়াই যথাক্ৰমে জিলা শাখাৰ সভাপতি আৰু সম্পাদকৰ দায়িত্বও পাইছিল। শ্ৰীজীৱ বৰা আৰু শ্ৰীকমল হাজৰিকা আৰু ডিম্বেশ্বৰ নাথ মূলৰ সদস্য হোৱাৰ উপৰিও শ্ৰীকমল হাজৰিকা বাপ শৰণ সদস্য হিচাবে কাৰ্য্য নিৰ্ব্বাহ কৰে।

**প্ৰচাৰ শাখা ঃ**

১৯৯৬ চনত জন্ম হোৱা এই শাখাটিৰ প্ৰতিষ্ঠাপক সভাপতি শ্ৰীযুত বসন্ত দত্ত, সম্পাদক শ্ৰীযোগেশ্বৰ বৰা সংঘৰ প্ৰচাৰৰ দিশত বহুতো সভা অনুষ্ঠিত কৰা হৈছে। কেইবাটিও অনা সংঘৰ পৰিয়াল অন্তৰ্ভুক্ত হৈছে। গুৰুজনাৰ জন্মজয়ন্তী

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

সমূহত জাতি-ধৰ্ম-বৰ্ণ নিৰ্ব্বিশেষে সংঘৰ নীতি আদৰ্শৰ বহল প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছে। ১৯৯৬-৯৮ বৰ্ষৰ সভাপতি শ্ৰীবসন্ত দত্ত, সম্পাদক শ্ৰীবিপুল নাথ।

**সাহিত্য শাখা ঃ** সাহিত্য হ'ল এটা জাতিৰ দাপোন, সমাজৰ প্ৰতিবিম্ব। সাহিত্য আত্মাৰ বাণী। অসমীয়া সাহিত্য জগতত শংকৰী সাহিত্যৰ স্থান একেবাৰে ওপৰত গুৰুজনাৰ অমৰ সৃষ্টি সাহিত্যৰাজীৰ মাজেৰে তেৰাই কৃষ্ণভক্তিৰ সাৱলীল সোঁত বোৱাই মানুহক অমৰ হোৱাৰ সংবাদ দি গৈছে।

ফৰকাটিং আঞ্চলিক সাহিত্য শাখাৰ জন্ম হৈছে ১৯৯৩ চনত। যদিওবা এই শাখাটি বৰ্তমান শিশু অৱস্থাতে আছে, তথাপিও এই শাখাটিৰ জৰিয়তে বিভিন্ন সময়ত সাহিত্য শীৰ্ষক আলোচনাচক্ৰ প্ৰতিযোগীতা, আদি অনুষ্ঠিত কৰা হৈছে।

শ্ৰীপূৰ্ণকান্ত বৰা সভাপতি, নীৰু শইকীয়া সম্পাদিকা (১৯৯৩-৯৪)
শ্ৰীযোগেশ্বৰ শইকীয়া সভাপতি, নীৰু শইকীয়া সম্পাদিকা (১৯৯৫-৯৬)
শ্ৰীনীৰু শইকীয়া সভানেত্ৰী, গণেশ চন্দ্ৰ ভূঞা সম্পাদক (৯৭)

**সংস্কৃতি শাখা ঃ**—১৯৯৩ চনত সংস্কৃতি শাখা গঠন কৰা হয়। বিভিন্ন সময়ত শংকৰী নৃত্য-গীত বাদ্যৰ অনুশীলন শিবিৰ অনুষ্ঠিত কৰি শংকৰী সংস্কৃতিৰ বিকাশ ঘটোৱা হৈছে। শ্ৰীযোগেশ্বৰ বৰা সভাপতি। শ্ৰীসোমেশ্বৰ ৰাজখোৱা সম্পাদক। বৰ্তমান শ্ৰীচেনি নাথে সম্পাদক হিচাবে কাৰ্য্য সম্পাদন কৰি আছে।

**জিলা অধিবেশন অনুষ্ঠিত ঃ** (ক) ফৰকাটিং শিল্পনীয়া প্ৰাথমিক শাখাৰ সৌজন্যত জিলা শাখাৰ পঞ্চম বাৰ্ষিক অধিবেশন অনুষ্ঠিও হয় ১৯৫৯ চন, ৫১০ শংকৰাব্দ।
(খ) ১৯৭৯ চনৰ জিলা শাখাৰ ২৬ তম বাৰ্ষিক অধিবেশন ফৰকাটিং হাইস্কুল প্ৰাঙ্গনত অনুস্থিত হয়।
(গ) জিলা শাখাৰ ৪১ তম বাৰ্ষিক অধিবেশন। ৫৪৬ শংকৰাব্দ।
(ঘ) মূল সংঘৰ ৬৪ তম অধিবেশন। গোলাঘাট জিলা শাখাৰ আমন্ত্ৰণক্ৰমে ফৰকাটিং শিঙিজান পথাৰত অনুস্থিত হয়। আদৰণি সমিতিৰ সভাপতি শ্ৰীপ্ৰফুল্ল চন্দ্ৰ শইকীয়া, সম্পাদক ডিম্বেশ্বৰ নাথ, কাৰ্য্যকৰী সভাপতি শ্ৰীতনুৰাম শইকীয়া আছিল।

গোলাঘাট জিলা শাখাৰ ৰূপালী জয়ন্তী বৰ্ষৰ সভাত ফৰকাটিং আঞ্চলিকৰ সঙ্গী প্ৰয়াত গুনাৰামে ফুকন, প্ৰয়াত ভুবন নাথ আৰু শ্ৰীতীলেশ্বৰ শইকীয়া ব্যাপক সম্বৰ্দ্ধনা জনোৱা হয়। ফৰকাটিং আঞ্চলিক শাখাৰ আৰম্ভণিৰপৰা বৰ্তমানলৈকে কাৰ্য্যনিৰ্বাহ কৰা সভাপতি, সম্পাদকৰ নাম তালিকা।

সভাপতি ঃ প্ৰয়াত গোপী দত্ত (১৯৭৬-৭৭) কেশৱ বৰুৱা (৭৮-৭৯) গোপী দত্ত (৮০-৮১) জীৱ বৰা (৮২-৮৩) কেশৱ বৰুৱা (৮৩-৮৪) কমল হাজৰিকা

(৮৫-৮৬) কেশৱ বৰুৱা (৮৭-৮৮) জীৱ বৰা (৮৯-৯০) সুবোধ শইকীয়া (৯১-৯২) বসন্ত দত্ত (৯৩-৯৪) দেবেশ্বৰ শইকীয়া (৯৫-৯৭) নন্দেশ্বৰ চুতীয়া (৯৮-২০০০)

**সম্পাদক ঃ** শ্ৰীজীৱ বৰা (১৯৭৬-৭৭) প্ৰয়াত নবীন গগৈ (৭৮-৭৯) জীৱ বৰা (৮০-৮১) প্ৰদীপ নাথ (৮২-৮৩) প্ৰয়াত নবীন গগৈ (৮৩-৮৫) শ্ৰীতনুৰাম শইকীয়া (৮৫-৮৮) শ্ৰীবিশ্বেশ্বৰ দত্ত (৮৯-৯০) যোগেশ্বৰ ৰাজখোৱা(৯১-৯২) ডিম্বেশ্বৰ নাথ, বিপুল নাথ, ভোলাৰাম গগৈ (৯৩-৯৪) শ্ৰীপ্ৰদীপ দত্ত (৯৫-৯৬) শ্ৰীগিৰিশ চন্দ্ৰ শইকীয়া (৯৬-২০০০)

# তিৰুৱাল প্ৰাথমিক শাখা

## গঠন —১৯৫৬ চন

তিৰুৱাল গাঁৱত ১৯৫৬ চনতে "তিৰুৱাল গাওঁ প্ৰাথমিক শাখা" নামকৰণেৰে এভাগি প্ৰাথমিক শাখা গঠিত কৰি গুৰুধৰ্মৰ বীজ অস্ফুৰিত কৰা হৈছিল। এইদৰে বহুতদিন চলাৰ পিছত সঙ্গীৰ সংখ্যা বৃদ্ধি পোৱাত, যোগাযোগ, যাতায়ত আৰু সাংগঠনিক দিশৰ ওপৰত লক্ষ্য ৰাখি "তিৰুৱাল গাঁও প্ৰাথমিক শাখা" দ্বিখণ্ডিত হয়। নৱ শাখা দুটাই তিৰুৱাল(ক) আৰু তিৰুৱাল(খ) নাম লয়।

উক্ত তিৰুৱাল (ক) শাখাটিৰ গুৰি ধৰিছিল ক্ৰমে সৰ্বশ্ৰী ৰখেশ্বৰ নাথ(দহোতিয়া), হিৰাই নাম, প্ৰয়াত ভুৱন চন্দ্ৰ নাথ, চেনীৰাম নাথ(গাঁওবুঢ়া) আদি ব্যক্তিসকলে। এই তিৰুৱাল(ক) প্ৰাথমিক শাখাৰপৰাই ৬ ঘৰ গৃহস্থী আতৰি গৈ ১৯৮৯ চনত "শ্ৰীহৰি প্ৰাথমিক" নামেৰে এখনি প্ৰাথমিক শাখা গঠন কৰি গোলাঘাট আঞ্চলিক শাখাৰ অন্তৰ্ভুক্ত হয়। ৪০ ঘৰ গৃহস্থীৰে তিৰুৱাল(ক) প্ৰাথমিকখনি সুন্দৰভাৱে চলি থকাৰ সময়তে ১৯৯২ চনত প্ৰাথমিক ভাগ "তিৰুৱাল" আৰু "তিৰুৱাল(ক)" নামেৰে দুটা বাগত বিভক্ত হয়। ১৯৯২ চনৰপৰা তিৰুৱাল প্ৰাথমিক শাখাত বৰ্ত্তমানলৈকে মুঠ নঘৰ গৃহস্থী আছে। প্ৰাথমিক খনে নানান ধৰণৰ ঘাট-প্ৰতিঘাট, উত্থান-পতনৰ মাজেদি বৰ্ত্তমানৰ অৱস্থাত উপনীত হৈছে যদিও গুৰুধৰ্ম প্ৰচাৰ প্ৰসাৰত কোনো ধৰণৰ ব্যাঘাট নজন্মোৱাকৈ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শ পালনত সঙ্গীসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। প্ৰাথমিক গঠনৰ ১৯৫৬ চনৰপৰা বৰ্ত্তমানলৈ একনিষ্ঠভাৱে গুৰুধৰ্মত ব্ৰতী শ্ৰীমন্ত শঙ্কৰদেৱ সংঘত প্ৰচাৰ প্ৰসাৰত নিজকে উৰ্চগা কৰা ব্যক্তি হৈছে হিৰাই নাথ। তেখেত বৰ্ত্তমান

প্ৰাথমিক শাখাৰ উপদেষ্টা।

তিৰুৱাল প্ৰাথমিক শাখাৰ বৰ্ত্তমানৰ বিষয়ববীয়াসকল ঃ

সভাপতি —শ্ৰীবিপুল নাথ।

সম্পাদক —শ্ৰীডিম্বেশ্বৰ নাথ।

# তিৰুৱাল (ক) প্ৰাথমিক শাখা

## গঠন —১৯৫৬ চন

আহোম ৰজাসকলৰ ৰাজত্ব কালত কোনো এক ৰজাই ধনু বিদ্যাত পাৰ্গত কিছুমান লোকক এই অঞ্চলত বসবাস কৰিবলৈ কৈছিল। 'তীৰ' শব্দৰ অৰ্থ কাড়। অৰ্থাৎ তীৰ বা কাড় পৰিচালনা কৰা লোকসকলে এই অঞ্চলত বসবাস কৰিছিল বাবে অঞ্চলটি তিৰুৱাল নামেৰে জনাজাত। ময়ে তিৰুৱালৰ ইতিবৃত্ত।

তিৰুৱাল এখন ডাঙৰ গাঁও। খং তিৰুৱাল আৰু ২ নং তিৰুৱাল নামেৰে দুটা খণ্ডত বিভক্ত। অঞ্চলটিত সাধাৰণতে বিভিন্ন সম্প্ৰদায়ৰ অসমীয়া জাতিৰ প্ৰাণ স্বৰূপ কেইবাটাও নামঘৰ আৰু মুছলমানবাসী অঞ্চলত কেইবা ভাগো মছজিদ আছে। ফৰকাটিং নগৰখন মাজত লৈ বৃহৎ এলেকা তিৰুৱাল গাঁওখনত দুখন প্ৰাথমিক বিদ্যালয় তিনিখন উচ্চ মাধ্যমিক বিদ্যালয়, এখন মহাবিদ্যালয়, প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, পশু চিকিৎসা কেন্দ্ৰ নিয়ন্ত্ৰিত বজাৰকে আদি কৰি বহুত ৰাজহুৱা প্ৰতিষ্ঠান আছে।

ধৰ্ম্মানুৰাগ ঃ—২ নং তিৰুৱাল অঞ্চলটিৰ প্ৰায় ৪০ অৰ নাম সম্প্ৰদায়ৰ গৃহস্থীৰ মাজত এক ধৰ্ম্ম বিপ্লৱৰ সুচনা হয় ১৯৫৫ চনৰ শেষৰ ফালে। সেই সময়ৰ গোলাঘাট জিলা সম্পাদক উপেন ফুকন, বৰ্ত্তমানৰ শঙ্কৰদেৱ চৰ্চা প্ৰাপ্ত আৰু তেতিয়াৰ গোলাঘাট উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া বৈষ্ণবাচাৰ্য্য শ্ৰীযুত সোনাৰাম চুতীয়া, ৰঙাই নাম মেধি, দুলাল ভূঞা ফটিক ভূঞা, আদি গণ সমস্তই ফৰকাটিঙৰ প্ৰয়াত গুণীৰাম ফুকন, বেথাৰাম চুতীয়া, দেবেন্দ্ৰনাথ দত্ত, গোপীনাথ দত্ত, শ্ৰীতিলেশ্বৰ শইকীয়া, নিৰকান্ত শইকীয়া আৰু ২ নং তিৰুৱালৰ ৪০ ঘৰ নাম সম্প্ৰদায়ৰ প্ৰয়াত ভুবন নাথ, দেৱেন নাথ, ৰূপেশ্বৰ নাম, টংকেশ্বৰ নাথ, কেহোৰাম নাম, শ্ৰীবোযেশ্বৰ নাথ, শ্ৰীদেহীৰাম নাথ, যোগেশ্বৰ নাথ আৰু জয়ৰাম নাথ বাপসকলৰ লগত শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ নীতি আদৰ্শ আচাৰ পদ্ধতিৰ বিষয়ে আলোচনা কৰাত, এই চাপ সকল ধৰ্ম্মৰ প্ৰতি অনুপ্ৰাণিত হয়। উল্লেখযোগ্য যে পদুমণি উন্নয়ন খণ্ডৰপৰা শ্ৰীযুত চুতীয়া বাপ আহি প্ৰায়েই ইয়াত ধৰ্ম্মালোচনা কৰিছিল, শেষত ১৯৫৬ চনৰ

গুৰু জয়ন্তীতে তিৰুৱাল প্ৰাথমিক গঠন হয়। তিৰুৱাল প্ৰাথমিকৰ প্ৰথম সভাপতি আৰু সম্পাদক আছিল ক্ৰমে ভুৱন নাম আৰু ৰোযেশ্বৰ নাথ।

১৯৬৪ চনৰ কাতি আঘোন মাহত তেতিয়াৰ মুল সংঘৰ শৰণাচাৰ্য্য দুৰ্গেশ্বৰ ভূএগ্ৰা চাৰৰ লগত লগত ফৰকাটিং নিবাসী বৰ্ত্তমান নগৰ প্ৰাথমিকৰ সঙ্গী হেম শইকীয়াৰ লগত যোগাযোগ ঘটে। পুনৰ তিৰুৱাল প্ৰাথমিকৰ লগত আৰম্ভ হ'ল আলোচনা চক্ৰ। ভূএগ্ৰা বাপ চতুদৰ্শী পুৰুষ আধ্যাত্মিক বিশাৰদ। তাত্বিক ভাষণত প্ৰাথমিকৰ সঙ্গীসকল আপ্লুত হৈ নঘৰ গৃহস্থীৰ বাপ আয়ে সংঘৰ নিয়মত মিলাই ললে শৰণ বাক্য। তাৰ পাছত ভজন। এই কাৰ্য্যতি ভীষণ মতবিৰোধ হ'ল প্ৰাথমিকৰ সঙ্গীসকলৰ বনজুইৰ দৰে বিয়পি পৰিল সমগ্ৰ গোলাঘাট জিলাৰ নাম সম্প্ৰদায়ৰ মাজত। নাম সম্প্ৰদায়ৰ সমাজ্ৰৰপৰা বৰ্জ্জন কৰিলে এই নঘৰ গৃহস্থীক। বিয়া বাৰু খোৱা থকা আদি। সিহৰ বাবে গণেশ নাম আৰু প্ৰদীপ নামে সুদুৰ শিৱসাগৰৰপৰা বিয়া কৰাব লগাত পৰিছিল। সেই সময়লৈকে শৰণ বাক্য গ্ৰহণ কৰা সকলৰ লগত আছিল ২০ ঘৰ গৃহস্থী আৰু ৪৬ গৰাকী সঙ্গী। এই বিলাক মতানৈক্যৰ বাবেই গোলাঘাট জিলা শাখাৰ আমন্ত্ৰণ কৰি তিৰুৱাল প্ৰাথমিক খন তিৰুৱাল (ক) আৰু (খ) নামেৰে দুভাগ কৰা হয়।

১৯৬৮ চনৰপৰা ৭৭ চনলৈকে প্ৰাথমিকৰ সঙ্গী সংখ্যা যথেষ্ট বৃদ্ধি পায়। মহাপুৰুষীয়া ধৰ্ম্মত বিশ্বাস জন্মাত বৰপথাৰ মৌজাৰ হেৰহেৰি মিচিং গাঁৱৰো প্ৰায় ৭/৮ ঘৰমান গৃহস্থী প্ৰাথমিকৰ সঙ্গী হয়। শৰণ বাক্যওগ্ৰহণ কৰে। ১৯৭৮ চনত প্ৰাথমিক সঙ্গীসকলক তিৰুৱাল (খ) শাখাই এখন সভালৈ নিমন্ত্ৰণ কৰিলে। আলোচনা হ'ল নামঘৰ নিৰ্ম্মানিৰ। ২ নং তিৰুৱালৰ মাজমজিয়াত থকা নামঘৰ ভাগী নিৰ্ম্মাণ কৰিবলৈ লোৱা হ'ল। তিৰুৱাল (ক) শাখাৰ সঙ্গীসকলৰ ঘৰ নানা ঠাইত হোৱাৰ বাবে পূৰ্ব্বৰ তিৰুৱাল নাম গাঁৱৰ নামঘৰৰ আংশীকাৰসকলে ইসকলক নামঘৰৰ অংশ দিবলৈ অস্বীকাৰ কৰিলে। তেতিয়াই তিৰুৱাল মাজ চুকৰ ৭ ঘৰ গৃহস্থীয়ে কেইঘৰমান বাহিৰৰ সঙ্গী অৰ্ন্তভূক্ত কৰি 'নৰহৰি' নামাকৰণেৰে এখন প্ৰাথমিক গঠন কৰিলে। কিছু সঙ্গী ওলাই গৈ নিকটবৰ্ত্তী প্ৰাথমিকত অৰ্ন্তভুক্ত হ'ল। 'হেৰ হেৰি' সঙ্গীসকলে ওলাই গ'ল।

তাৰ পাছত ১৯৯০ চনত আৰু ৭ ঘৰ গৃহস্থী ওলাই অসংবিধানিকভাৱে শ্ৰীহৰি নামাকৰণেৰে এখন প্ৰাথমিক গঠন কৰিলে। আকৌ ১৯৯২ চনতো ৭ ঘৰ গৃহস্থী ওলাই গৈ 'তিৰুৱাল' নামাকৰণেৰে আৰু এখন প্ৰাথমিক গঠন কৰিলে। তিৰুৱাল ক শাখাত গৃহস্থী ৰয়গৈ মাত্ৰ ১০ ঘৰ। বৰ্ত্তমান এই ১০ ঘৰ গৃহস্থীতে বাঢ়ি ১২ ঘৰ হৈছে আৰু সংগী সংখ্যা ৩০ জন। সমীপৰ ব্যক্তিসকল বিভিন্ন প্ৰাথমিকৰ সঙ্গী। নতুন সঙ্গী বৃদ্ধি কৰাৰ অবকাশ নাই। সেই ১২ ঘৰ গৃহস্থীক ঐকান্তিক

প্ৰচেষ্টাও নামঘৰৰ মণিকোঠ ভাগী অৰ্দ্ধনিৰ্মিত হৈ আছে। নামাকৰণ কৰা হ'ল মণিকাঞ্চন নামঘৰ।

যদি উভটি ভাওঁ ঃ শ্ৰীমন্ত শঙ্কৰ দেৱ সংঘৰ তিৰুৱালক প্ৰাথমিক শাখাৰ বহুত উত্থান পতন হ'ল। বাতিক দিন কৰি বোকাপানী খচি অহোপুৰুষাৰ্থে জীয়াই ৰখা প্ৰাথমিকখন জীয়াই থাকিল, কিন্তু কিছুসকল হেৰাই গ'ল। হেৰাই যোৱা সকলৰ এটি মাত্ৰ স্মৃতি ৰোমন্থন কৰো--শুনক! যেতিয়া তিৰুৱাল (ক) প্ৰাথমিক শাখাৰ যথেষ্ট সঙ্গী বৃদ্ধি পাইছিল সেই সময়তে আঞ্চলিকৰ সঙ্গী বৃদ্ধি কৰিবলৈ জনৈক গৃহস্থীলৈ গৈছিল — প্ৰয়াত কেবেন দত্ত, গোপী দত্ত, ভুবন নাথ আৰু শ্ৰীৰোমেশ্বৰ নাথ। জনৈক গৃহস্থীয়ে সংঘৰ প্ৰচাৰৰ বাবে যোৱা বুলি জানি বয়োবৃদ্ধ সঙ্গীসকলক বহাৰপৰা খেদি পঠালে। কাল ক্ৰমত এতিয়া তেখেত মূল সংঘৰ উচ্চ বিষয় বাবত প্ৰতিষ্ঠিত। তেখেতৰ এই উন্নতিত প্ৰয়াতসকলৰ আত্মাই নিশচয় শান্তি পাইছে।

আৰম্ভণীৰপৰা বৰ্ত্তমানলৈকে তিৰুৱাল (ক) প্ৰাথমিক শাখাৰ সভাপতিসকল হ'ল —ভুবন নাথ, ৰোমেশ্বৰ নাথ, প্ৰদীপ নাথ, চেনী নাথ, ৰূপেশ্বৰ নাথ, হিৰেশ্বৰ নাথ, কেহোৰাম নাথ আৰু বৰ্ত্তমান যোগেশ্বৰ নাথ।

সম্পাদকসকল ঃ—ৰোমেশ্বৰ নাথ, চেনী নাথ, ৰূপেশ্বৰ নাথ প্ৰদীপ নাথ, মাইনা নাথ, হিৰেশ্বৰ নাথ, বিপুল নাথ আৰু বৰ্ত্তমান ৰত্নেশ্বৰ নাথ।

জিলা সদস্য আছিল ৬৩/৬৪ চন, ৬৬/৬৭ চন আৰু ৭৩/৭৪ চনত ভুবন নাথ (জিলাৰ দ্বাৰা সম্বৰ্দ্ধিত) আৰু পাছত চেনী নাথ, প্ৰদীপ নাথ, বিপুল নাথ।

সাহিত্য শাখাৰ সদস্য আছিল শ্ৰীপ্ৰদীপ নাথ।

# শিলপনীয়া প্ৰাথমিক শাখা

## গঠন--১৯৫৬ চন

বহুবছৰৰ পুৰ্বে শদিয়াৰ শিলপানী অঞ্চলৰপৰা কেইঘৰ মানলোক বৰ্ত্তমানৰ ফৰকাটিং ৰেলৰে জন্চনৰ ওচৰৰ তিৰুৱাল গাঁও এলেকাত বসবাস কৰিবলৈ লয়। শিলপানী অঞ্চলৰপৰা অহা বাবে তেওঁলোকে বাসকৰা চুবুৰীটোৰ নাম শিলপনী ৰাখে আৰু কিছু বছৰৰ পাছত তিৰুৱাল গাঁৱৰ অন্তৰ্ভুক্ত হয়। সেই সময়ত তিৰুৱালে গাৱঁৰ পুব দিশেদি যোৱা কেঁচা ৰাস্তাটোৱেই এক মাত্ৰ পথ। উক্ত পথেদিয়েই এই বৃহৎ অঞ্চলৰ লোকসকলে ধনশিৰি নদীয়েদি নাবেৰে অহাযোৱা কৰি গোলাঘাটত বেপাৰ বাণিজ্য কৰাৰ উপৰি নদীয়েদি উজাই গৈ নগা পাহাৰতো বেপাৰ-বাণিজ্য

কৰিছিল। তিৰুৱাল গাঁৱৰ শিলপনীয়া চুবুৰীৰ পুবে-তিৰুৱাল গাঁও আৰু ফৰকাটিং জংচন, পশ্চিমে চৰকধৰা গাঁও, উত্তৰে বৰফুকন খাট আৰু দক্ষিণে তিৰুৱাল গাঁও। বহুবছৰৰ পাছতহে উত্ৰ পূব সীমান্ত ৰেলপথ আৰম্ভ হয় আৰু ফৰকাটিং জংচনৰ সৃষ্টি হয়।

১৯৪০ চনৰ আগলৈকে এই অঞ্চলত নামধৰ্মৰ প্ৰভাৱ নাছিল। প্ৰয়াত তুলসী শইকীয়াৰ গৰু এটা ভায়েক প্ৰয়াত হৰনাথ শইকীয়াৰ হাতত মৃত্যু হোৱা ঘটনাৰ পৰাই বিৰোধৰ সূত্ৰপাত হৈ এই অঞ্চলত নামধৰ্মৰ বীজ অঙ্কুৰিত হয়। নাম কীৰ্তনেৰে সংস্কাৰ কাৰ্যত অংশ লোৱা ৭ ঘৰ গৃহস্থী কৰ্মকাণ্ডীয় সমাজৰপৰা বিৰত থাকিবলগীয়া হয়। সেইসময়তে প্ৰয়াত কেশৰাম বৰা, সৰ্বশ্ৰী নীৰকান্ত শইকীয়া, গন্ধৰাম শইকীয়া, দণ্ডিৰাম শইকীয়া, তিলেশ্বৰ শইকীয়া, ক্ষীৰেশ্বৰ শইকীয়া আদি লোক সকলে ভাগৱত পাঠৰ ব্যৱস্থা কৰে। ভাগৱত পাঠত নিজ চুবুৰীৰ লগতে গাঁৱৰো বহুকেইজন গুণীমানী ব্যক্তিয়ে যোগদান কৰি মহাপুৰুষীয়া ধৰ্মৰ বিষয়ে আলোচনা কৰে। এইদৰে ভাগৱত পাঠৰ অনুষ্ঠানত পোট খোৱা গোটক 'বৈষ্ণৱ সংঘ' আৰু সাপ্তাহিক আলোচনা অনুষ্ঠানক 'চিন্তা চক্ৰ'নামেৰে নামকৰণ কৰে। পৰ্য্যায় ক্ৰমে বৈষ্ণৱ সংঘৰ জৰিয়তে বহু বছৰ গুৰুজনাৰ জন্ম জয়ন্তী উদ্‌যাপন কৰে। ১৯৫৪ চনত প্ৰথমবাৰ প্ৰয়াত জয়ৰাম পাত্ৰদেৱক সভাপতি আৰু নিৰ্দিষ্ট বক্তা হিচাবে আমন্ত্ৰণ কৰে। বিশিষ্ট ব্যক্তি ভদ্ৰফুকন আৰু দেবেন দত্ত আদিয়ে অংশ গ্ৰহণ কৰে। ১৯৫৫ চনত শিলপনীয় নামঘৰত সু-সাহিত্যিক, মূল সংঘৰ প্ৰাক্তন পদাধিকাৰ প্ৰয়াত ডিম্বেশ্বৰ নেওগ দেৱৰ সভাপতিত্বত বিৰাট সভা অনুষ্ঠিত হয়। তৃতীয় বাৰৰ জন্মজয়ন্তী ভাগলৈ নিমন্ত্ৰণ কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ শিৰৰ মুকুট স্বৰূপ শ্ৰীযুত সোনাৰাম চুতীয়া আতাক। তেৰাৰ ভাষণত মুগ্ধহৈ সাপ্তাহিক চিন্তা চক্ৰলৈয়ো নিমন্ত্ৰণ জনায়। এইদৰে চুতীয়া আতাই প্ৰতিসপ্তাহে চিন্তা চক্ৰ অনুষ্ঠানলৈ আহি নামধৰ্ম আৰু গুৰুজনাৰ ধৰ্মাদৰ্শেৰে গঢ়লৈ উঠা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শ, আচাৰ, সদাচাৰ ব্যাখ্যা কৰে আৰু ৰাইজক সংঘভূক্ত হবলৈ আহ্বান জনায়। এই আহ্বানত সহাৰি জনাই ১৯৫৬ চনত জানুৱাৰী মাহত প্ৰয়াত গুণাৰাম ফুকনক সভাপতি আৰু শ্ৰীনীৰকান্ত শইকীয়াক সম্পাদক হিচাবে লৈ 'শিলপনীয়া প্ৰাথমিক শাখা' নামকৰণেৰে এখনি প্ৰাথমিক শাখা গঠন কৰা হয়। গৃহষ্ঠীৰ সংখ্যা ১৩ ঘৰ আৰু সংগী ৩৫ জন। প্ৰয়াত কেশৰাম বৰা, গুনাৰাম ফুকন, বেথাৰাম চুতীয়া, বীৰেণ চুতীয়া, সৰ্বশ্ৰী নীৰকান্ত শইকীয়া আৰু তিলেশ্বৰ শইকীয়া আদি ব্যক্তিসকলৰ অপ্ৰাণ চেষ্টাত দুবছৰতে গৃহষ্ঠীৰ সংখ্যা ৩৫ ঘৰলৈ বৃদ্ধি কৰি প্ৰাথমিক শাখাৰ কলেৱৰ বৃদ্ধি হয়।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

১৯৫৯ চনত শিলপনীয়া প্ৰাথমিক শাখাৰ সৌজন্যত গোলাঘাট জিলাৰ ৫ ম বাৰ্ষিক অধিবেশন ভাগি সফলভাৱে অনুষ্ঠিত কৰা হৈছিল। গোলাঘাট জিলাৰ প্ৰচাৰ আৰু সংগঠনৰ কামত প্ৰয়াত গুণাৰাম ফুকনে নিস্বাৰ্থভাৱে আত্মনিয়োগ কৰিছিল। শিলপনীয়া আৰু তিৰুৱাল প্ৰাথমিকৰ সহযোগত জিলা শাখাৰ প্ৰাক্তন সভাপতি যোগেন দত্ত, ডিম্বেশ্বৰ বৰা, দুৰ্গেশ্বৰ ভূএগ্ৰা, মণি গগৈ, উপেন ফুকন আদি ব্যক্তিসকলৰ চেষ্টাত আঠগাঁও মৌজাৰ বিভিন্ন নামঘৰ আৰু বিদ্যালয়ত গুৰুজয়ন্তী পালন কৰি গুৰুধৰ্ম প্ৰচাৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

১৯৬৮ চনত শিলপনীয়া প্ৰাথমিক শাখাত চকৰধৰা আহোম গাঁও, দলৌজান, ৰূপকলীয়া, ২ নং তিৰুৱালৰ কিছু গৃহস্থী অন্তৰ্ভুক্ত হয়। সংগীৰ সংখ্যা বৃদ্ধি হোৱাত ১৯৬৯ চনত উপেন নামে দান দিয়া মাটিত ফৰকাটিং আঞ্চলিক নামঘৰ নামকৰণেৰে এটি নামঘৰ নিৰ্মাণৰ কাম হাতত লয়। কিন্তু নিৰ্মাণ নোহোৱাত শিলপনীয়া প্ৰাথমিক শাখাই নিজাববীয়াকৈয়ে নিৰ্মাণৰ কাম হাতত লয়।

ধৰ্মপ্ৰাণ ব্যক্তিৰ ভিতৰত প্ৰয়াত কেশৰাম বৰা, বেথাৰাম চুতীয়া গুণাৰাম ফুকন, ডেবেন দত্ত আৰু ফৰকাটিং অঞ্চলৰ সকলো অনুষ্ঠান, প্ৰতিষ্ঠান আদিত সক্ৰিয়ভাৱে সহায় সহযোগ আগবঢ়োৱা ব্যক্তি প্ৰয়াত বীৰেণ চুতীয়াদেৱৰ নাম সদৌ ফৰকাটিং বাসী ৰাইজৰ মনত স্মৰণীয় হৈ থাকিব।

সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত প্ৰাথমিকৰ সংগীসকল বিশেষভাৱে আগবঢ়া। প্ৰাথমিক শাখাৰ শ্ৰীমতী অপৰাজিতা শইকীয়াই প্ৰথম বৰগীতৰ বিশাৰদ উপাধি লয়। শ্ৰীমতী শইকীয়াৰ চেষ্টাতে প্ৰাথমিক শাখাত কৰ্মশালা, প্ৰশিক্ষণ সত্ৰ অনুষ্ঠিত কৰি গীত নৃত্য-বাদ্যৰ চৰ্চা কৰি উত্তৰ পুৰুষৰ মাজত শঙ্কৰী সংস্কৃতিৰ প্ৰসাৰ ঘটোৱা হৈছে। মূলসংঘৰ নীতি-নিৰ্দেশনামতে সেৱা বাহিনী গঠন কৰি বিভিন্ন জন কল্যাণমূলক কাৰ্যসূচী হাতত লৈছে। আৰম্ভণিৰপৰা সভাপতি আৰু সম্পাদকৰ দায়িত্ব পালন কৰা ব্যক্তিসকল ঃ

**সভাপতি ঃ** প্ৰয়াত গুণাৰম ফুকন, শ্ৰীনীৰকান্ত শইকীয়া, প্ৰয়াত বীৰেণ চুতীয়া, শ্ৰীদণ্ডিৰাম শইকীয়া, বলোৰাম শইকীয়া, সৰ্বশ্ৰী খগেশ্বৰ শইকীয়া, ৰূপেশ্বৰ চাংমাই আৰু ভোলাৰাম গগৈ।

**সম্পাদক ঃ** সবশ্ৰী নীৰকান্ত শইকীয়া, ভদ্ৰেশ্বৰ শইকীয়া, পদ্ম শইকীয়া, লক্ষী শইকীয়া, দণ্ডিৰাম শইকীয়া, উপেন নাথ, ৰূপেশ্বৰ চাংমাই প্ৰয়াত বলোৰাম শইকীয়া, সৰ্বশ্ৰী ৰূপেশ্বৰ বৰা, বুদুৰাম শইকীয়া, টঙ্কেশ্বৰ শইকীয়া আৰু খগেশ্বৰ শইকীয়া।

বৰ্ত্তমান শিলপনীয়া প্ৰাথমিক শাখাত ৪৩ ঘৰ গৃহস্থী আৰু ১২২ জন

সংগীৰে ফৰকাটিং আঞ্চলিক শাখাত এখনি বৃহৎ প্ৰাথমিক হিচাবে অন্তৰ্ভুক্ত হৈ আছে।

## ফৰকাটিং প্ৰাথমিক শাখা সংঘ

### স্থাপিত —১৯৭৫ চন

ফৰকাটিং অঞ্চলটি এটা বিস্তীৰ্ণ অঞ্চল। এই অঞ্চলৰ তিৰোৱাল, ফৰকাটিং টাউন, উলুতলি, দৌলোজান আদি গাঁও সমূহৰ কিছুলোক একত্ৰিত হৈ ১৯৭৫ চনত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এটি শাখা সংঘ গঠন কৰে। এই প্ৰাথমিক শাখাৰ নামেই ফৰকাটিং প্ৰাথমিক শাখা। ১৯৭৭ চনত এই প্ৰাথমিক শাখাৰ বিভাজন হৈ দুখন প্ৰাথমিক শাখা হয়। বৰ্তমান ফৰকাটিং প্ৰাথমিক শাখাৰ সঙ্গীসকল কলুতলি গাঁৱৰ বাসিন্দা। এই প্ৰাথমিক শাখাৰ বৰ্তমান গৃহস্থী সংখ্যা দহ ঘৰ।

কিংবদন্তিমতে জনা যায় যে আহোম ৰাজত্বৰ দিনত খাটপাৰ নামৰ সত্ৰৰ নিত্যানন্দ আৰু ৰঙাই নামৰ দুজন মহন্তই জামিৰাহাট নামৰ ঠাইত বিস্তৰ উলুখেৰ চাফা কৰি এখন নতুন সত্ৰ প্ৰতিষ্ঠা কৰিছিল। এই কাৰণেই এই সত্ৰৰ নাম ৰখা হয় উলুতলি সত্ৰ আৰু এই সত্ৰক কেন্দ্ৰ কৰি গঢ়ি উঠা গাঁওখনকো উলুতলি গাঁও বুলি নামকৰণ কৰা হয়।

## চকৰধৰা প্ৰাথমিক শাখা

### গঠন — ১৯৭৫ চন

গোলাঘাট নগৰৰপৰা ৪ কিঃ মিঃ দক্ষিণে ফৰকাটিং ৰেল জংচনৰপৰা ১ কিলোমিটাৰ উত্তৰ পশ্চিমত চকৰধৰা গাওঁখনি অৱস্থিত।

এসময়ত আহোম সম্প্ৰদায়ৰ ৭ টা কৈছ যেনে :—চিৰিং, চাংমাই, সন্দিকৈ, গোহাঁই, মোহন, দুৱৰা আদি উপাধিধাৰী লোকসকল এই অঞ্চলত বাস কৰিছিল। সম্ভৱত ঃ মানৰ আক্ৰমনৰ সময়ত উজনি অসমৰপৰা এওঁলোক আহি এই স্থানত বসতি কৰেহি।

ওপৰত উল্লেখ কৰা দুৱৰা ফৈদকে চকৰধৰা বুলি কোৱা হয়। 'চকৰধৰা' শব্দৰ অপসংশ। আহোম আমোলত একশ্ৰেণী অস্ত্ৰধাৰীক চোকৰ ধৰা বোলা হৈছিল। 'চোকৰ' শব্দৰ অৰ্থ চোকা অস্ত্ৰ। আনহাতে আহোম ৰজাৰ দিনত এই অঞ্চলত

হাতীৰ চকৰ ধৰিছিল। উক্ত দুয়োটা —কাৰণতে এই অঞ্চলটিৰ নাম চকৰধৰা বুলি কিংবদন্তী আছে।

বৰ্ত্তমান এই অঞ্চলত দুৰন্বা ফৈদৰ কোনো লোক নাই। কোনো কোনো ফৈদ অন্য ঠাইলৈ উঠি গৈছে আৰু কোনো কোনো ফৈদ এই গাঁৱৰ আয়তন প্ৰায় এক বৰ্গমাইল, গৃহস্থীৰ সংখ্যা আশীখৰ আৰু মুঠ জনসংখ্যা প্ৰায় পাঁচশ জন।

এই অঞ্চলৰ লোকসকলৰ মাজত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতি অনুপ্ৰেৰণা সৃষ্টি কৰা প্ৰথম লোকসকল আছিল স্বৰ্গীয় বেদল চন্দ্ৰ, শ্ৰীযুত নৰাম তামুলী শ্ৰীযুত দেবেন্দ্ৰ নাথ দত্ত বাপ। তেখেতসকলৰ অনুপ্ৰেৰণা পাই ১৯৭৫ চনত শ্ৰীযুত নৰাম তামুলী বাপৰ সভাপতিত্বত বহা এখন ধৰ্মালোচনী সভাত ফৰকাটিং প্ৰাথমিক শাখা নামাকৰনেৰে এই প্ৰাথমিক শাখাটি গঠন কৰা হয়।

প্ৰথম গঠন হোৱাৰ বৰ্তমানলৈকে এই প্ৰাথমিক শাখাৰ সভাপতিসকল হ'ল শ্ৰীযুত নবীন চন্দ্ৰ গগৈ আৰু শ্ৰীযুত কেশৱ চন্দ্ৰ বৰুৱা আৰু সম্পাদকসকল শ্ৰীযুত গোপী দত্ত আৰু মুকুট চন্দ্ৰ দত্ত। হয়তো মহামাৰীত বিলোপ ঘটিছে।

এই গাৱঁৰ কিছু সংখ্যক লোকে স্থানীয় শিলাপনীয়া আৰু তিৰুৱাল প্ৰাথমিক শাখাৰ লগত আলোচনা আদি কৰি একশৰণ নাম ধৰ্মৰ প্ৰতি অনুপ্ৰাণিত হয়। বিগত ২৪/৪/৭৬ তাৰিখে শ্ৰীযুত ভুৱন নাথ বাপৰ সভাপতিত্বত এখন সভা পাতি স্থানীয়ভাৱে প্ৰাথমিক শাখা গঠন কৰা হয়। প্ৰাথমিক শাখাৰ নাম 'চকৰধৰা প্ৰাথমিক শাখা'। প্ৰাথমিক শাখাৰ সভাপতি শ্ৰীপুনি চন্দ্ৰনাথ আৰু সম্পাদক শ্ৰীমহেন নাথ।

প্ৰাথমিক শাখা গঠন কৰোতে গৃহস্থীৰ সংখ্যা ৮ ঘৰ আৰু সঙ্গীৰ সংখ্যা চপ্ত জন আছিল। বৰ্তমান গৃহস্থীৰ সংখ্যা ১২ ঘৰ আৰু সঙ্গীৰ সংখ্যা ৩৯ জনলৈ বৃদ্ধি পাইছে।

# পূৰ্ব্বজ্যোতি প্ৰাথমিক শাখা

## গঠন —১৯৭৮ চন

(ক) ফৰকাটিং অঞ্চলৰ অন্তৰ্গত ফাটোৱাল গাওঁ। ফাটোৱাল শব্দৰ অৰ্থ ৰজা ঘৰৰ কৰ কালৈ উঠোৱা ব্যক্তি। অতীতত ৰজা ঘৰৰ কৰ কালৈ উঠোৱা ব্যক্তিয়ে এই গাঁৱত বসতি কৰিছিল। উক্ত ব্যক্তিজনৰ উপাধি অনুসৰি কালক্ৰমত গাঁওখনৰ নাম ফাটোৱাল হৈছিল।

ফাটোৱাল গাঁৱৰ এলেকা প্ৰায় ৮ বৰ্গ মাইল হ'ব। পূবে দলৌজান পশ্চিমে উত্তৰ-পূব সীমান্ত ৰেলপথ উত্তৰে অকা আলি আৰু দক্ষিণে শিঙিজান। এই গাঁৱৰ জনসংখ্যা প্ৰায় তিনি হেজাৰ জন। হিন্দু, মুছলমান আৰু চাহ জন গোষ্ঠী লোকে

গাৱত বসতি কৰে। এই গাঁৱত চাৰিটা নামঘৰ এটা মছজিদ এখন প্ৰাথমিক বিদ্যালয় এটা পুথিভঁৰাল আছে। গাঁৱৰ শতকৰা ৯০ জন লোকেই কৃষিজীৱি মাত্ৰ কেইজনমান লোকে ব্যৱসায় আৰু চৰকাৰী চাকৰী কৰে।

(খ) পূৰ্ব্বজ্যোতি প্ৰাথমিক শাখাটি ১৯৭৮ চনত গঠন হৈছিল। সংঘত অন্তৰ্ভুক্ত হোৱাৰ আগতে নাম কীৰ্ত্তন আদি ধৰ্মীয় অনুষ্ঠান সম্পাদান কৰিছিল। কেশৰ বৰুৱা বাপৰ অনুপ্ৰেৰণাত এই প্ৰাথমিক শাখাটি ১০(দহ) ঘৰ গৃহস্থী ২৫ (পঁচিশ) জন সঙ্গীৰে সৌতে গঠিত হয়। শ্ৰীযুত বেশ বৰুৱা বাপে ১৯৮০ চনত শৰণাচাৰ্য শ্ৰীযুত ঘন তামুলি বাপক নিমন্ত্ৰণ কৰি আনি শৰণ বস্তু ভাগ দি প্ৰাথমিকৰ ভেতি সুদিঢ় কৰিছিল। পূৰ্ব্বজ্যোতি প্ৰাথমিক শাখাই প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত ফাটোৱাল প্ৰাথমিক শাখা, আঠগাঁও ভক্তি প্ৰদিপ প্ৰাথমিক শাখা, গোৱাল গাওঁ নৱজ্যোতি প্ৰাথমিক শাখা আৰু ফৰকাটিং গাওঁ প্ৰাথমিক শাখা গঠনত বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

(ঙ) পূৰ্ব্বজ্যোতি প্ৰাথমিক গঠনত সম্পূৰ্ণ অৰিহণা যোগাই অহা প্ৰয়াত লোকসকল হৈছে। স্বৰ্গীয় শিশুৰাম হাজৰীকা, গুণাৰাম হাজৰীকা, বাপুৰাম হাজৰীকা, জয়ৰাম হাজৰীকা, সুৰেন বৰা, ভদ্ৰেশ্বৰ বৰুৱা আদি।

(চ) ১৯৮০ চনৰপৰা বৰ্ত্তমানলৈকে পূৰ্ব্বজ্যোতি প্ৰাথমিকৰ সভাপতি পদত থকা ব্যক্তি কেইজন হ'ল—শ্ৰীলোকেশ্বৰ বৰা, শ্ৰীথানেশ্বৰ শইকীয়া, স্বৰ্গীয় বাপুৰাম হাজৰীকা, শ্ৰীমানিক নাথ, স্বৰ্গীয় জয়ৰাম হাজৰীকা, শ্ৰী কনকেশ্বৰ শইকীয়া।

সম্পাদকসকল হ'ল—শ্ৰীপূৰ্ণানন্দ বৰা, শ্ৰীগন্ধেশ্বৰ বৰুৱা, স্বৰ্গীয় সুৰেন বৰা, শ্ৰীলোকেশ্বৰ বৰা আৰু শ্ৰীগিৰিধৰ হাজৰীকা।

বৰ্ত্তমান সমিতিৰ সদস্যসমূহ ঃ

শ্ৰীলোকেশ্বৰ বৰা ঃ সভাপতি

শ্ৰীটঙ্কেশ্বৰ বৰুৱা ঃ উপসভাপতি

শ্ৰীৰত্নেশ্বৰ হাজৰীকা ঃ সহ ঃ সম্পাদক

শ্ৰীঅজিত বৰা ঃ সহঃ সম্পাদক

# কুঁহিয়াৰ বাৰী প্ৰাথমিক শাখা

## গঠন — ১৯৭৭ চন

এই গাঁওখন এখন নতুনকৈ পতা গাঁও। আগতে এই গাওঁখন অটব্য হাবি বননিৰে ভৰা বনৰীয়া জীৱ- জন্তুৰ বাসস্থান আছিল। পোন প্ৰথমে ঢেকীয়াল যোগী গাঁৱৰ কিছুলোক আহি এই স্থানত হাবি বননি ভাঙি কুঁহিয়াৰ কৰিবলৈ লয়। সেয়েহে

এই গাঁৱৰ নাম কুঁহিয়াৰবাৰী নামেৰে নামাকৰণ কৰা হৈছে।

এই গাৱঁৰ লোক সমাজত এটি প্ৰাথমিক শাখা গঠনৰ অনুপ্ৰেৰণা পোৱা হয় শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰচাৰকসকলৰ যোগে। ফলত ৫২৮ শংকৰাব্দ ১৮ আঘোনত এটি প্ৰাথমিক আঘোনত এটি প্ৰাথমিক শাখা গঠন হয়। গাৱঁৰ নাম অনুসৰি প্ৰাথমিক শাখাটিৰ নাম কুঁহিয়াৰবাৰী ৰখা হয়। বৰ্তমানলৈকে এই শাখাৰ সভাপতি শ্ৰীৰূপেশ্বৰ নাথ আৰু সম্পাদক শ্ৰীযাদৱ চন্দ্ৰ নাথ। বৰ্তমান এই প্ৰাথমিকৰ সঙ্গী গৃহস্থীৰ সংখ্যা ১০ ঘৰ।

# ফৰকাটিং নগৰ প্ৰাথমিক শাখা সংঘ

## গঠন — ১৯৭৭ চন

উত্তৰ পূৰ ৰেলপথৰ এটা জংচন হেতু ফৰকাটিং এক প্ৰখ্যাত ঠাই। টিং বুলিলে ওখ ঠাই বুজায়। আশে পাশে থকা বিলাকৰ তুলনাত এই অঞ্চলতটো এসময়ত বেছি ওখ আছিল। এই ওখ ঠাই ডোখৰতে ফেৰেকা চুতীয়া নামেৰে এজন মানুহে বাস কৰিছিল আৰু এখন দোকান দিছিল। দোকানৰপৰা বস্তু বেহানি নিবৰ কাৰণে এই টিং অঞ্চললৈ মানুহৰ অহা-যোৱা হৈছিল। এই ফেৰেকা চুতীয়াৰ টিং কাৰণেই লোকসকলে এই ঠাইক ফেৰেকাটিং বুলি নামাকৰণ কৰিছিল। কালক্ৰমত সেই অপসংশ হৈ 'ফৰকাটিং' নাম হৈছে বুলি কিংবদন্তি আছে।

ফৰকাটিং কমাৰচুক নামঘৰত আয়োজন কৰা এখন ধৰ্মালোচনী সভাত অসম শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বৰ্তমান পদাধিকাৰ শ্ৰীযুত সোণাৰাম চুতীয়া বাপৰ গভীৰ তত্বপূৰ্ণ ভাৱণত কিছুলোক বিশেষভাৱে আকৃষ্ট হয়। এই অনুপ্ৰেৰণাৰ ফলস্বৰূপেই ফৰকাটিং প্ৰাথমিক শাখাৰ কেইঘৰমান সঙ্গী গৃহস্থীক লগত লৈ ৮/২/৭৭ তাৰিখে ফৰকাটিং নগৰ প্ৰাথমিক শাখা নামকৰণৰে এই প্ৰাথমিক শাখাটি গঠন কৰা হয়। বৰ্তমান এই প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা দহৰপৰা পোন্ধৰ ঘৰলৈ বৃদ্ধি পাইছে আৰু সঙ্গীৰ সংখ্যা পঁচিশৰপৰা ত্ৰিশ জনলৈ বৃদ্ধি পাইছে। শ্ৰীযুত নবীনচন্দ্ৰ গগৈ বাপে সভাপতি আৰু শ্ৰীযুত সোমেশ্বৰ ৰাজখোৱা বাপে সম্পাদকৰ দায়িত্ব বহন কৰি প্ৰাথমিক শাখাটি সুকলমে পৰিচালনা কৰি আছে।

# তিৰুৱাল নৰহৰি প্ৰাথমিক শাখা

## গঠন —১৯৮১ চন

গত ইং.১৩-৯-৮১ তাৰিখ দেওবাৰে তিৰুৱাল মাজচুক গাৱঁৰ কেইজনমান অগ্ৰগনী লোকৰ প্ৰচেষ্টাত শ্ৰীখেতেকেশ্বৰ নামৰ ঘৰত এভাগি সভা অনুষ্ঠিত হয়। সভাপতিত্ব কৰে শ্ৰীজয়ৰাম নাথদেৱে। প্ৰয়াত দেবেন নাথ আৰু শ্ৰীপ্ৰদীপ নাথৰ উৎসাহ উদ্দীপনা উল্লেখযোগ্য। সভাত গুৰু জনাৰ প্ৰবৰ্ত্তিত নামধৰ্ম আৰু শ্ৰীমন্তশঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শৰ ওপৰত বিস্তৃতভাৱে হোৱা আলোচনা মৰ্ম্মে কৰ্মকাণ্ড ত্যাগ কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শ সদাচাৰত মুগ্ধহৈ, সংবিধানৰ আনুগত্য প্ৰকাশ কৰি সংঘ হবলৈ সিদ্ধান্ত গ্ৰহণ কৰি 'নৰহৰি প্ৰাথমিক' নামেৰে এভাগি প্ৰাথমিক গঠন কৰে। ১১ ঘৰ গৃহস্থী, ২২ জন সংগীক লৈ গঠিত হোৱা প্ৰাথমিক ভাগি ফৰকাটিং আঞ্চলিকত অন্তৰ্ভুক্ত হয়। আৰম্ভণিতে প্ৰাথমিক শাখাৰ সভাপতি দায়িত্ব পালন কৰে শ্ৰীজয়ৰাম নাথে আৰু সম্পাদকৰ দায়িত্বত থাকে শ্ৰীনোমল নাথ। ১৯৮৩ চনত তিনিঘৰ গৃহস্থীয়ে এই প্ৰাথমিকৰ অন্তৰ্ভুক্তহৈ গৃহস্থীৰ সংখ্যা ১৪ ঘৰলৈ বৃদ্ধি কৰে।

প্ৰাথমিক শাখাৰ পূবে —উত্তৰ পূৱ সীমান্ত ৰেলপথ

পশ্চিমে — তিৰুৱাল গাঁও।

উত্তৰে —তিৰুৱাল গাঁও

দক্ষিণে —ফৰকাটিং টাউন। তিৰুৱাল মাজচুক গাঁও আৰু তিৰুৱাল হাবিচুক মিলি নৰহৰি প্ৰাথমিক শাখা গঠিত হৈছে।

প্ৰাথমিক শাখা জন্মৰেপৰা সংগীসকলে গুৰুধৰ্ম প্ৰচাৰ প্ৰসাৰত ব্ৰতী হৈছে। আঞ্চলিক, জিলা আৰু মূল সংঘৰ বিভিন্ন কাৰ্যসূচীত যোগদান কৰি আহিছে। মহাপুৰুষ দুজনাৰ জন্ম-জয়ন্তী উদ্‌যাপন, শিশু-যুৱ, আইমাতৃ সমাৰোহ অনুষ্ঠিত কৰি শিশু, যুৱক-যুৱতী, আই মাতৃ সকলোকে গুৰুধৰ্ম পালনত জড়িত কৰি প্ৰচাৰ প্ৰসাৰত বৰঙণি যোগাইছে।

প্ৰাথমিকৰ সভাপতি/ সম্পাদকসকল ঃ

সভাপতি ঃ সৰ্বশ্ৰী জয়ৰাম নাথ, নোমল নাথ আৰু খেতেকেশ্বৰ নাথ।

সম্পাদক ঃ সৰ্বশ্ৰী নোমল নাথ, ভদ্ৰেশ্বৰ নাথ, ৰূপেশ্বৰ নাথ আৰু ভদ্ৰেশ্বৰ নাথ।।

# জ্যোতিময় প্ৰাথমিক শাখা

## গঠন — ১৯৮৬

গোলাঘাট জিলাৰ আঠগাঁও মৌজাৰ অন্তৰ্গত তিৰুৱাল গাঁৱৰ ১ নং তিৰুৱাল খণ্ডৰ ১নং তিৰুৱাল ৰাজহুৱা নামঘৰৰ অন্তৰ্গত ৰাইজৰ মাজত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতি মানসিক আনুগত্য বহু দিনৰ পৰাই আছিল। এই লোকসকলৰ মাজত সংঘত অৰ্ন্তভুক্তিৰ আলোচনা-বিলোচনা চলি আছিল যদিও ১৯৮৬ চনলৈকে, নানা কাৰণবশতঃ সংঘত যোগদান দিয়াৰ কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব পৰা নহৈছিল। ১৯৮৬ চনত গাঁৱৰ সমূহ ৰাইজৰ একাংশই সংঘত সোমোৱাৰ সিদ্ধান্ত কৰে আৰু সেই উদ্দেশ্য ১৮/৩/৮৬ তাৰিখত ফৰকাটিং আঞ্চলিক শাখাৰ সংগী আৰু বিষয়ববীয়াসকল ক্ৰমে শ্ৰীযুত জীৱকান্ত বৰা, শ্ৰীযুত সুবোধ চন্দ্ৰ শইকীয়া, শ্ৰীযুত যোগেশ্বৰ শইকয়া, শ্ৰীযুত সোমেশ্বৰ ৰাজখোৱা স্বৰ্গীয় চেনিৰাম গাওঁবুঢ়া, শ্ৰীযুত তপুৰাম শইকীয়া আদি লোকসকলৰ উপস্থিতিত ১৩ ঘৰ সংগীৰে 'জ্যোতিময় প্ৰাথমিক' নাম দি এভাগ প্ৰাথমিক শাখা গঠন কৰা হয়। ২৮/৩/৮৬ তাৰিখে এই প্ৰাথমিক শাখাই আঞ্চলিক কাৰ্য্যালয়ৰপৰা স্বীকৃতি লাভ কৰে। প্ৰতিস্থাপক কাৰ্যকৰী কমিতিখনৰ সভাপতি নিৰ্ব্বাচিত হয় শ্ৰীযুত দ্ৰোনকান্ত নাথ বাপ। উপ সভাপতি/সম্পাদক, সহকাৰী সম্পাদক আৰু আঞ্চলিকৰ সদস্য হিচাবে নিৰ্ব্বাচিত কৰা হয় — ক্ৰমে শ্ৰীযুত দেবেশ্বৰ নাথ, শ্ৰীযুত হৰেণ চন্দ্ৰ নাথ, শ্ৰীযুত সৰ্ব্বেশ্বৰ নাথ আৰু শ্ৰীযুত মোহনচন্দ্ৰ নাথক। উক্ত কমিতিখন দুবাৰকৈ কাৰ্য্য কাল শেষ কৰাৰ পাচত ১৯৯১ চনত নতুন কমিতি গঠন কৰা হয়। প্ৰাথমিক গঠনৰ প্ৰথম পষেকতে স্বৰ্গীয় সৰুৰাম নাথৰ মৃতাহ শ্ৰাদ্ধ সংঘৰ নীতি-নিয়ম মতে সামাধা কৰা হয়। ১৯৮৬ ৰ পৰা ১৯৯১ ৰ ভিতৰত প্ৰাথমিকত আৰু ৮ ঘৰ সংগীয়ে যোগদান কৰি ইয়াৰ কলেৱৰ বৃদ্ধি কৰে। উক্ত সময়ছোৱাত প্ৰাথমিকে সংঘৰ নীতি-নিয়ম শিৰোগত কৰি আঞ্চলিকৰ সকলো অনুষ্ঠানতে পূৰ্ণ সহযোগ আগবঢ়ায়।

১৯৯১ চনৰপৰা বৰ্ত্তমানলৈ অৰ্থাৎ ১৯৯৮ চনলৈ দুখন কমিতিয়ে দুটা দুটাকৈ কাৰ্যকাল শেষ কৰি এই চনৰে শেষৰ ফালে নতুন কাৰ্য্যকৰী কমিতি গঠন হব। এই কালছোৱাৰ ভিতৰত প্ৰাথমিকৰ গৃহস্থী সংখ্যাৰ হ্ৰাস বৃদ্ধি হয়। এসময়ত ইয়াৰ গৃহস্থী সংখ্যাই দেৰকুৰি ঘৰো চেৰাই গৈছিলগৈ। কিন্তু ১৯৯৭ চনৰ মাজভাগতে ইয়াৰ গৃহস্থী সংখ্যা কুৰি ঘৰলৈ নামি আহে। যিহেতু এই প্ৰাথমিকৰে ৯/১০ ঘৰ মান গৃহস্থীয়ে এই প্ৰাথমিকৰপৰা ফাটি গৈ বেলেগ প্ৰাথমিক গঠন কৰে। বৰ্ত্তমান এই প্ৰাথমিকৰ গৃহস্থী সংখ্যা ২২ ঘৰ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি-আদৰ্শ মতে চলি জ্যোৰ্তিময় প্ৰাথমিকে আজি আহি বাৰ বছৰ বয়সত ভৰি দিছেহি। জন্ম-লগ্নৰপৰা এই সময়লৈকে ই নানা বাহিৰ আৰু ভিতৰৰ ঘাট-প্ৰতিঘাট অতিক্ৰম কৰি গুৰুজনৰদ্বাৰা প্ৰৱৰ্ত্তিত বাটেদি বাট বুলিবলৈ সক্ষম হৈ আছে আৰু থাকিব। বৰ্ত্তমান এই প্ৰাথমিকৰ পৰিচালনা সমিতিখন এনে ধৰণৰ—

শ্ৰীদেবেশ্বৰ নাথ ঃ সভাপতি
শ্ৰীলীলাধৰ নাথ ঃ সম্পাদক
শ্ৰীদেবেশ্বৰ নাথ ঃ উপ-সভাপতি
শ্ৰীগেঠুৰাম নাথ ঃ সদস্য
শ্ৰীদেবেশ্বৰ নাথ ঃ সদস্য
শ্ৰীদ্ৰোণকান্ত নাথ ঃ সদস্য
শ্ৰীমতী ফুল নাথ ঃ মহিলা সস্যা
শ্ৰীহৰেনচন্দ্ৰ নাথ ঃ আঞ্চলিক সদস্য
শ্ৰীমোহনচন্দ্ৰ নাথ ঃ „

# বালিজান শঙ্কৰজ্যোতি প্ৰাথমিক শাখা

## গঠন ১৯৮৬ চন

বালিজান গাঁওখনি গোলাঘাট মৌজাৰ দক্ষিণে ঘিলাধাৰী মৌজাত অৱস্থিত। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ জাতীয় শ্বহীদ কুশল কোঁৱৰ, মুক্তিযোদ্ধা, চৰকাৰৰ ৰাজনৈতিক পেঞ্চন প্ৰাপ্ত শ্ৰীখগেশ্বৰ বৰাদেৱৰ ঘৰ এই বালিজানতে। ১৯৯৫ চনত অনুষ্ঠিত হোৱা মূল সংঘৰ ৬৪ তম্ বাৰ্ষিক অধিবেশনত শিঙিজান পথাৰকে ধৰি এই বালিজানকো সামৰি 'কুশল কোঁৱৰ' ক্ষেত্ৰ নামেৰে নামকৰণ কৰা হয়। এই গাঁৱৰ পশ্চিমেদি বালিজান নামেৰে এটা জান বৈ গৈ কুশল কোঁৱৰ ক্ষেত্ৰত মিলিছে। অতীজতে এই অঞ্চলক বা এতিয়াও চাউদাং পথাৰ নামেৰেহে বেছিকৈ জনাজাত। এই সৰু বালিজান জানটিৰ নামেৰে চাউদাং, চাৰিপুৰীয়া আৰু ফেচুৱালা গাৱঁৰ আধা অংশকলৈ বৰ্ত্তমানৰ বালিজান গাঁওখনি গঠিত হৈছে। গাঁৱৰ চাৰিসীমা হৈছে উত্তৰে শিঙিজান আৰু যৰকাটিং গাঁও, দক্ষিণে উ,া, জামুগুৰি চাহ বাগিছা, চাৰিপুৰীয়া চাপৰি। পূবে মেৰাপানী পথ আৰু পশ্চিমে বালিজান চাহ বাগিছা, কছাৰী গাওঁ পথাৰ। এই মেৰাপানী পথটোৱেই যাতায়তৰ একমাত্ৰ পথ। এই গাঁৱত বিভিন্ন সম্প্ৰদায়ৰ

দুশ টাতকৈয়ো অধিক পৰিয়ালে বাস কৰে। জনসংখ্যা প্ৰায় ৯০০ জন। গাঁৱৰ ৯০ শতাংশলোক কৃষিজীৱি। চৰকাৰী চাকৰিয়ালৰ ভিতৰত ডাক্তৰ, অভিযন্তা, কৃষি সম্পাসাৰণ বিষয়া, শিক্ষক, আৰক্ষী, চাহ-বাগানৰ কৰ্মচাৰী, সেনাবাহিনীত কাম কৰা লোকেই প্ৰধান। ২ খন প্ৰাথমিক ১ খন উচ্চ বুনিয়াদী আৰু মধ্য ইংৰাজী বিদ্যালয়, ১ খন উচ্চ ইংৰাজী বিদ্যালয়ে শিক্ষাজগতৰ গুৰি ধৰিছে। শিক্ষিতৰ হাৰ শতকৰা ৮০ ভাগ। স্বাস্থ্যসেৱা, পানীযোগান, বিজুলী আদিৰ ব্যৱস্থা আছে যদিও বিজ্ঞানসন্মত আৰু উন্নত পৰ্য্যায়ৰ নহয়। ৪ টা খেলৰ ৪ টা নামঘৰে ধৰ্মীয় মাৰ্গৰ গুৰি ধৰিছে।

এই গাঁওখনি নগৰৰপৰা কিছুদুৰত হোৱাৰ বাবে পৰিৱেশ পিছপৰা। অধিকাংশ লোকেই পুৰণি পৰম্পৰামতে কৰ্মকাণ্ডৰ লগত জড়িত। মাত্ৰ ৪০ ঘৰমান গৃহস্থীহে গুৰুজনাৰ প্ৰৱৰ্ত্তিত একশৰণ নাম ধৰ্মৰ আদৰ্শেৰে সমাজ চলাই আছে । ১৯৮৬ চনত কেইজনমানলোকে একশৰণ গ্ৰহণ কৰিবলৈ ইচ্ছা কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ অন্তৰ্ভুক্ত হোৱাৰ মানসেৰে এখনি ৰাজহুৱা ধৰ্মালোচনী সভা আহ্বান কৰে। সভাত মূলসংঘৰ প্ৰাক্তন পদাধিকাৰ শ্ৰীযুত মোহন মহন্তদেৱে অংশ গ্ৰহণ কৰে। তেখেত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ উদেশ্য, লক্ষ্য, নীতি আদৰ্শ আৰু নামধৰ্মৰ সাৰ্বজনীনতা আচাৰ-সদাচাৰ আৰু শুদ্ধতাৰ বিষয়ে দিয়া বিস্তৃত ব্যাখ্যাত মুগ্ধ হৈ সংঘভুক্ত হবলৈ মানস কৰে। সৰ্বশ্ৰী যোগেশ্বৰ বৰা, বেথাৰাম বৰা, টংকেশ্বৰ বৰা, মুখেশ্বৰ বৰা আদি ব্যক্তিসকলৰ প্ৰচেষ্টাত ১৯৮৬ চনৰ ১১ নভেম্বৰত ২০ ঘৰ গৃহস্থীকলৈ 'বালিজান শঙ্কৰজ্যোতি" নামৰ এভাগি প্ৰাথমিক শাখা গঠন কৰে। সেই সময়ৰপৰাই সংগীসকলে গুৰুধৰ্ম আৰু মুলসংঘৰ নীতি আদৰ্শ প্ৰচাৰ প্ৰসাৰত আত্ম নিয়োগ কৰি আহিছে। ফলস্বৰূপে ভিন ভিন সময়তগৃহস্থী সংঘভুক্তহৈ প্ৰাথমিক তথা সংঘৰ কলেৱৰ বৃদ্ধি কৰিছে। মুল সংঘৰ শৰণ সদস্যৰ জৰিয়তে কেইবাবাৰো শৰণ কক্ষ অনুষ্ঠিত কৰি গুৰুধৰ্মৰ মূলনীতি শৰণ, ভজনৰ জৰিয়তে সংগীসকলৰ মাজত আধ্যাত্মিক ভাৱবৃদ্ধি কৰাত বৰঙণি যোগাইছে। বৰ্ত্তমান গৃহস্থীৰ সংখ্যা ৩৮ ঘৰ, সঙ্গীৰ সংখ্যা ৯৫ জন।

প্ৰাথমিক শাখাই মহাপুৰুষ দুজনাৰ জন্ম-জয়ন্তী উদ্‌যাপন, প্ৰত্যেক বৃহস্পতিবাৰে গৃহস্থীৰ ঘৰত ভাগৱত পাঠ, শিশু-যুৱ আৰু আইমাতৃ সমাৱোহ অনুষ্ঠিত কৰি গুৰুধৰ্ম প্ৰচাৰত অৰিহণা আগবঢ়াইছে। ১৯৯০ চনত ফৰকাটিং আৰু দৈয়াং আঞ্চলিকৰ ৫৮২ তম্ গুৰুজয়ন্তী ভাগ এই প্ৰাথমিক শাখাত উদ্‌যাপন কৰে। তিনিদিনীয়া কাৰ্য্যসূচীৰ মুকলি সভাত ভাষণ দিয়ে মূলসংঘৰ প্ৰাক্তন পদাধিকাৰদ্বয় শ্ৰীযুত সোনাৰাম চুতীয়া আৰু বিৰিঞ্চি কুমাৰ বাৰুৱতী বাপে। ১৯৯৬ চনত সাৰ্বজনীনভাৱে নামধৰ্মৰ ওপৰত আলোচনা চক্ৰ অনুষ্ঠিত কৰে। কন কন শিশু আৰু যুৱক-যুৱতীসকলক আকৃষ্ট কৰিবৰ বাবে সময়ে সময়ে প্ৰাথমিকতে আধ্যাত্মিক

আলোচনা চক্র আদি অনুষ্ঠিত কৰা হয়। মুষ্টিদান নিয়মীয়াকৈ সংগ্ৰহ কৰে। সভাপতি/সম্পাদকৰ নামত বেংকত হিচাব খুলি সকলো ধৰণৰ লেনদেন বেংকৰ জড়িয়তে কৰে। মূলসংঘৰ শেহতীয়া নিৰ্দেশনা অনুযায়ী সেৱাবাহিনী গঠন কৰি আলি-পদুলি মেৰামতি কৰা, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত সহায় সহযোগ কৰা আদি জনকল্যাণমূলক আঁচনি হাতত লৈছে।

মূলসংঘৰ ৬৪ তম্ বাৰ্ষিক অধিবেশনত এই প্ৰাথমিক শাখাৰ সংগীসকলে আৰ্থিক, কায়িকভাৱে দেহে-কেহে খাটিছিল। বৰ্ত্তমান সকলো সম্প্ৰদায় মাজত, বিশেষকৈ মজদুৰ ভাইসকলৰ মাজত গুৰুধৰ্ম প্ৰচাৰ কৰি আহিছে।

আৰম্ভণিৰেপৰা বৰ্ত্তমানলৈকে সভাপতি আৰু সম্পাদকসকল ঃ

সভাপতি ঃ সৰ্বশ্ৰী সোনাৰাম নেওগ, গণেশ শইকীয়া, দন্দেশ্বৰ বৰা, প্ৰেম বৰা, বেথাৰাম বৰা।

সম্পাদক ঃ সৰ্বশ্ৰী নিৰ্মল বৰুৱা, অৰুণ বৰা, ৰবীন চন্দ্ৰ নেওগ (দুবাৰ) ।

আঞ্চলিক সদস্য ঃ সৰ্বশ্ৰী ৰবীন বৰুৱা, দিলীপ বৰুৱা।

# ১ নং শিলপনীয়া প্ৰাথমিক শাখা

## গঠন — ১৯৮৭ চন

যোৱা ইং ২৪/২/৮৭ তাৰিখৰ সাধাৰণ সভাৰ সিদ্ধান্ত অনুযায়ী সৰ্বশ্ৰী প্ৰদীপ শইকীয়াক সভাপতি আৰু টঙ্কেশ্বৰ শইকীয়াক সম্পাদক হিচাবে লৈ ৭ ঘৰ গৃহস্থীৰে ১ নং শিলপনীয়া প্ৰাথমিক শাখা নামকৰণেৰে শিলপনীয়া চুবুৰীত নতুনকৈ এখনি প্ৰাথমিক গঠিত হয়। পূৰ্ব্বতে থকা শিলপনীয়া প্ৰাথমিকৰে কিছু গৃহস্থী আৰু গাঁওখনৰপৰা নতুনকৈ সংঘভুক্ত হোৱা মুঠ ১৬ ঘৰ গৃহস্থীৰ ১ নং শিলপনীয়া প্ৰাথমিকখনি ধৰ্মীয় তথা সাংগঠনিক দিশ অটুত ৰাখি গুৰুজনাৰ মতাদৰ্শেৰে কাৰ্য্যনিৰ্বাহ কৰি আছে।

——oooo——

# ফাটোৱাল প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮৩ চন

১৯৮৩ চনত ১১ ঘৰ গৃহস্থী, ২৬ জন সঙ্গীৰে ফাটোৱাল প্ৰাথমিক শাখা গঠন কৰি ফৰকাংটি আঞ্চলিক শাখাৰ অন্তৰ্ভুক্ত হয় ।

শ্ৰীকমল হাজৰিকা বাপ আৰু শ্ৰীদুলেশ্বৰ হাজৰিকা বাপ, প্ৰাথমিক শাখাটিৰ ক্ৰমে প্ৰতিষ্ঠাপক সভাপতি, সম্পাদক আছিল । শ্ৰীকমল হাজৰিকা বাপজনে ১৯৮৩ চনৰপৰা ১৯৯৬ চনলৈকে একেবাহে আঞ্চলিক সদস্য হিচাপেও কাৰ্য্যনিৰ্বাহ কৰিছিল ; প্ৰাথমিক শাখাৰ প্ৰয়োজনীয় বহী, পত্ৰ, নিয়াৰিকৈ ৰখাৰ উপৰিও প্ৰাথমিক শাখাৰ নামত ফৰকাটিং ডাকঘৰত এটি আমানত খোলা হৈছিল । প্ৰয়াত ধেৰ হাজৰিকা বাপ প্ৰাথমিক শাখাৰ এগৰাকী একনিষ্ঠ সঙ্গী আছিল । তেখেত নামাচাৰ্য্য হিচাপে গোটেই আঞ্চলিক শাখাতে জনাজাত হৈছিল । প্ৰাথমিক কাৰ্য্যালয়ৰ প্ৰায় সকলো বিলাক লিখা কামত তেখেতে সহায় কৰিছিল । প্ৰাথমিকৰ আইসকলে নামঘৰত নিয়মিয়াকৈ নাম লয় । মুষ্টিদান সংগ্ৰহ নিয়মীয়া ভাৱে কৰা হয় ।

ইয়াৰ পিছত শ্ৰীদুলেশ্বৰ হাজৰিকা বাপ আঞ্চলিকৰ সদস্য নিৰ্বাচিত হয় ; শ্ৰীগজেন বৰা আৰু শ্ৰীকেশৱ ধকুৱা বাপক ক্ৰমে সম্পাদক সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হয় । এই কাৰ্য্যকালতে সংগৃহীত প্ৰাথমিকৰ পূজি জমা ৰখাৰ উদ্দেশ্যে এলাহাবাদ বেংকৰ ফৰকাটিং শাখাত এটা আমানত খোলা হয় । প্ৰাথমিক শাখাত গৃহস্থী আৰু সঙ্গীৰ সংখ্যা কম হ'লেও ১৯৯৬ চনত ৫৪৫ তম গুৰুজয়ন্তী ভাগ তিনিদিনীয়া কাৰ্য্যসূচীৰে আড়ম্বৰ পূৰ্ণ ভাৱে উদ্‌যাপন কৰা হৈছিল । অভ্যৰ্থনা সমিতিৰ সভাপতি সম্পাদকৰ দায়িত্বত আছিল ক্ৰমে শ্ৰীপ্ৰদীপ নাথ আৰু শ্ৰীকমল হাজৰিকা বাপ হয় । এই মহোৎসৱৰ ৰাহি পূজি ৫০০ টা ফৰকাটিং আঞ্চলিক শাখাক হস্তান্তৰ কৰা হৈছিল ।

বৰ্ত্তমান প্ৰাথমিক শাখাৰ বিষয় ববীয়াসকল তলত উল্লেখ কৰা হ'ল -

শ্ৰীকমল হাজৰিকা - সভাপতি

শ্ৰীনগেন দত্ত - সম্পাদক

শ্ৰীদুলেশ্বৰ হাজৰিকা - আঞ্চলিক সদস্য ।

# খনিকৰ প্ৰাথমিক শাখা (ফৰকাটিং আঞ্চলিক)

## গঠন ঃ ১৯৮৫ চন

আঠগাঁও মৌজাৰ ২নং তিৰুৱাল গাৱঁৰ অন্তৰ্গত 'খনিকৰ চুক' । মানৱ আক্ৰমণৰ কালত শিৱসাগৰৰ অগ্নিবৰ খনিকৰ গাৱঁৰ পৰা ৪জন খনিকৰ লোক আহি এই ঠাইত

বসবাস কৰাব কাৰণেই পিছলৈ এই ঠাইৰ নাম 'খনিকৰ চুক' হয় । ফৰকাটিং ৰেলৰে জংচনৰ পৰা ২ কিলোমিটাৰ পূৱত এই ঠাই অৱস্থিত ।

শিক্ষক শ্রীমহেন্দ্র নাথ বৰুৱা আৰু শ্রীভীমকান্ত বৰুৱাৰ নেতৃত্বত, যোৱা ২৮-১২-৮৫ তাৰিখে 'খনিকৰ চুক প্রাথমিক শাখা গঠন হয় । ক্রমে শ্রীভীমকান্ত বৰুৱা বাপ আৰু শ্রীমহেন্দ্র নাথ বৰুৱা বাপ প্রতিষ্ঠাপক সভাপতি আৰু সম্পাদক আছিল । ইয়াৰ পিছৰপৰা সৰ্বশ্ৰী অৰুণ বৰুৱা, পুণ্যেশ্বৰ শইকীয়া, জয়চন্দ্ৰ নাথ, অমিয় কুমাৰ নাথ, অনন্ত ডেকা আদি বাপ সমস্তই প্রাথমিক শাখাৰ গুৰু দায়িত্ব বহন কৰি আহিছে । ১৯৯৭-৯৮ চনত শ্রীলোহিত শইকীয়া সভাপতি আৰু শ্রীঅনিল শইকীয়া বাপে সম্পাদকৰ গুৰু দায়িত্ব বহন কৰে । এই প্রাথমিক শাখাৰ একনিষ্ঠ সঙ্গী শ্রীগিৰীশ শইকীয়া বাপে ফৰকাটিং আঞ্চলিক শাখাৰ সম্পাদকৰ আৰু শ্রীমহেন্দ্র নাথ বৰুৱা বাপে ক্রমে, গোলাঘাট জিলা শাখাৰ কাৰ্য্যনিৰ্বাহকৰ সদস্য আৰু বৰ্ত্তমান ফৰকাটিং আঞ্চলিক শাখাৰ সভাপতিৰ গুৰু দায়িত্ব বহন কৰি শ্রীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰতি সেৱা আগবঢ়াই প্রাথমিক শাখাটিক গৌৰৱান্বিত কৰিছে । প্রাথমিক শাখাৰ সঙ্গী বাপ আৰু আই সকলে শ্রীমন্ত শঙ্কৰদেৱ সংঘৰ প্রচাৰ প্রসাৰত মনোনিবেশ কৰাৰ উপৰিও সাংগঠানিক স্থিতি সুদৃঢ় কৰি ৰাখিবলৈ সক্ষম হৈছে ।

# ফৰকাটিং গাঁও প্রাথমিক শাখা

## গঠন ঃ ১৯৮৬ চন

১৯৮৬ চনৰ ১০ মার্চ তাৰিখে ১০ ঘৰ গৃহস্থী ২৫ জন সঙ্গী বাপ আইক লৈ - 'ফৰকাটিং গাঁও প্রাথমিক শাখা গঠন কৰা হয় । ক্রমে শ্রীচেনীৰাম বৰুৱা বাপ আৰু শ্রীলোকেশ্বৰ শইকীয়া বাপ প্রাথমিক শাখাৰ প্রতিষ্ঠাপক সভাপতি আৰু সম্পাদক আছিল । ফৰকাটিং আঞ্চলিক শাখাই প্রাথমিকৰ সম্পাদক বাপ গৰাকীক আঞ্চলিক শাখাৰ কাৰ্য্যনিৰ্বাহকৰ সদস্য মনোনিত কৰিছিল । সভাপতি আৰু সম্পাদক বাপ দ্বয়ে ১৯৯৮ চন পৰ্য্যন্ত কাৰ্য্যনিৰ্বাহ কৰে ।

ইয়াৰ পিছৰ সভাপতি আৰু সম্পাদক সকলৰ নাম ক্ৰম অনুসৰি তলত উল্লেখ কৰা হ'ল -

১৯৮৯ চন ঃ সৰ্বশ্ৰী খিৰেশ্বৰ শইকীয়া - সভাপতি
বাতিয়া বৰুৱা - সম্পাদক
গৌৰিধৰ শইকীয়া - আঞ্চলিক সদস্য

১৯৯০ চন ঃ গৌৰিধৰ শইকীয়া - সভাপতি

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

সৰ্বশ্ৰী ভদিয়া গগৈ - সম্পাদক

লোকেশ্বৰ শইকীয়া - আঞ্চলিক সদস্য

১৯৯২ চন ঃ ৰাতিয়া বৰুৱা - সভাপতি

ৰজত বৰুৱা - সম্পাদক

লোকেশ্বৰ শইকীয়া - আঞ্চলিক সদস্য

১৯৯৪ চন ঃ লোকেশ্বৰ শইকীয়া - সভাপতি

গোলাপ চন্দ্ৰ বৰা - সম্পাদক

ভদিয়া গগৈ - আঞ্চলিক সদস্য (কাৰ্য্যকাল ৪ বছৰ)

১৯৯৮-২০০০ চন ঃ গোলাপ বৰুৱা - সভাপতি

গোলাপ চন্দ্ৰ বৰা - সম্পাদক

ভদিয়া গগৈ, আঞ্চলিক সদস্য

## দ-চমুৱা প্ৰাথমিক শাখা, ফৰকাটিং

### গঠন ঃ ১৯৮৯ চন

ইংৰাজী ২৫-৫-৮৯ তাৰিখে গোলাঘাট জিলা শাখাৰ ফৰকাটিং আঞ্চলিক শাখাৰ অন্তৰ্গত ১০ ঘৰ গৃহস্থীৰে দ-চমুৱা প্ৰাথমিক শাখা গঠন কৰা হয় ।এই প্ৰাথমিকৰ ৬ঘৰ গৃহস্থী প্ৰথমে ফৰকাটিং প্ৰাথমিক শাখাৰ সঙ্গী আছিল । উক্ত প্ৰাথমিকলৈ প্ৰায় তিনি কিলোমিটাৰ দূৰ হোৱাত যোগাযোগৰ সুবিধাৰ কাৰণে চাৰিঘৰ গৃহস্থী সঙ্গীভূক্ত কৰি দ-চমুৱা প্ৰাথমিক শাখা গঠন কৰা হয় । শ্ৰীবিশ্বেশ্বৰ চুতীয়া আৰু শ্ৰীবোধেশ্বৰ বৰুৱা বাপক ক্ৰমে সভাপতি আৰু সম্পাদক হিচাবে লৈ ৭জন সদস্যৰে এখন কাৰ্যকৰী সমিতি গঠন কৰা হয় ।

দ-চমুৱা প্ৰাথমিক শাখাৰ বিশিষ্ট সঙ্গী শ্ৰীকমল হাজৰিকা বাপে ফৰকাটিং আঞ্চলিক শাখাৰ সভাপতি, জিলা শাখাৰ সদস্য, মূল সংঘৰ সদস্য তথা শৰণ সদস্য হিচাবে কাৰ্য নিৰ্বাহ কৰে । শ্ৰীযুতা ৰেণু হাজৰিকা আই গৰাকীয়ে ১৯৯৬-৯৮ বৰ্ষত গোলাঘাট জিলা শাখাৰ সদস্য হিচাবে কাৰ্যনিৰ্বাহ কৰে । প্ৰাথমিকৰ অধিক সংখ্যক সঙ্গীয়েই কৃষিৰ ওপৰতনিৰ্ভৰশীল । সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত বিশেষ আগবাঢ়িব পৰা নাই । বৰ্ত্তমান প্ৰাথমিকৰ সঙ্গী গৃহস্থী ১৫ ঘৰ । সকলো সঙ্গীয়েই শৰণ গ্ৰহণ কৰে । বৰ্ত্ত মান কাৰ্য্যকালত প্ৰাথমিকৰ বিষয়ববীয়া সকল হ'ল - শ্ৰীবিশ্বেশ্বৰ চুতীয়া সভাপতি, শ্ৰীবোধেশ্বৰ বৰুৱা সম্পাদক, শ্ৰীনবেন বৰুৱা সহঃ সম্পাদক ।

## কমাৰচুক প্ৰাথমিক শাখা, ফৰকাটিং

### গঠন ঃ ১৯৯৪ চন

গোলাঘাট জিলাৰ আঠগাঁও মৌজাৰ ২ নং তিবোৱাল গাৱঁৰ অন্তৰ্গত 'কমাৰচুক'

এটা চুবুৰী বা চুক । এই চুবুৰীত কমাৰচুক বাজহুৱা নামঘৰ আৰু কমাৰ চুক নিম্ন বুনিয়াদী বিদ্যালয় নামেৰে এখন প্ৰাথমিক বিদ্যালয় আছে । বৰ্ত্তমান ২৫ ঘৰ গৃহস্থীৰ শতকৰা ৬০ ভাগেই কৃষিজীৱি । আহোম ৰাজত্ব কালত এই গাঁৱৰ বাসীন্দাই যুদ্ধৰ 'তীৰ' (কাড়) তৈয়াৰ কৰি ৰজাৰ ঘৰত যোগান ধৰা কাৰণে এই গাঁৱৰ নাম তীৰুৱাল হয় আৰু দা, কটাৰী, তীৰ তৈয়াৰ কৰা কাৰণে এই চুবুৰীৰ নাম কমাৰ চুক হয় ।

এই চুকৰ চাৰিসীমা - উত্তৰে আঠগাঁও আলি । দক্ষিণে ফৰকাটিং জংচন । পূৰ্বে উত্তৰ পূৱ সীমান্ত ঘাই বেলপথ আৰু পশ্চিমে ফৰকাটিং, মৰিয়ণি শাখা বেলপথ ।

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ, ফৰকাটিং নগৰ প্ৰাথমিক শাখাৰ পৰা কেইঘৰমান গৃহস্থী আঁতৰি আহি ১৭-১২-৯৪ তাৰিখত নতুন কৈ ১২ ঘৰ গৃহস্থীৰ সৈতে 'কমাৰচুক প্ৰাথমিক শাখা গঠন কৰা হয় ।

ক্ৰমে শ্ৰীনন্দেশ্বৰ চুতীয়া আৰু শ্ৰীকিনাৰাম চুতীয়া বাপ, প্ৰতিষ্ঠাপক সভাপতি, সম্পাদক আছিল । বৰ্ত্তমান শ্ৰীলক্ষেশ্বৰ চুতীয়া বাপে সভাপতি আৰু শ্ৰীকিনাৰাম চুতীয়া বাপে সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে ।

এই প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীনন্দেশ্বৰ চুতীয়া বাপ ফৰকাটিং আঞ্চলিক শাখাৰ সভাপতি নিৰ্বাচিত হৈ কাৰ্য্যনিৰ্বাহ কৰাৰ উপৰিও বৰ্ত্তমান জিলা সদস্য হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছে । শ্ৰীফনী চুতীয়া বাপ গৰাকীও এই প্ৰাথমিক শাখাৰ পৰা জিলা সদস্য নিৰ্বাচিত হৈছিল ।

## ভক্তিপ্ৰদীপ প্ৰাথমিক শাখা, ফৰকাটিং
## গঠন ঃ ১৯৯৫ চন

১৯৯৫ চনৰ জানুৱাৰী মাহত আঠগাঁও নিবাসী শ্ৰীনাৰায়ণ বৰা বাপৰ বাসগৃহত শ্ৰীথানেশ্বৰ শইকীয়া বাপৰ সভাপতিত্বত এখন ধৰ্মালোচনী সভা অনুষ্ঠিত হয় । সভাত শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত ধৰ্মৰ ওপৰত বিশেষভাৱে আলোচনা হোৱাৰ অন্তত সংঘৰ এটি শাখা গঠনৰ বিষয়ে আলোচনা হয় । সভাত সংঘৰ নীতি আদৰ্শৰ বিষয়ে শ্ৰীলোকেশ্বৰ বৰা বাপে বহলাই কয় আৰু প্ৰাথমিক শাখা গঠনৰ পৰামৰ্শ আগবঢ়ায় । উক্ত সভাতে সৰ্বসন্মত ভাবে আঠ গাঁও ভক্তি প্ৰদীপ প্ৰাথমিক শাখা নামকৰণেৰে এখন শাখা গঠন কৰা হয় । ৭জন সদস্যৰে শ্ৰীনাৰায়ণ বৰা বাপক সভাপতি আৰু শ্ৰীললিত শইকীয়া বাপক সম্পাদক হিচাবে লৈ এখন কাৰ্য্যকৰী সমিতি গঠন কৰা হয় । ইংৰাজী ১২-৩-৯৫ তাৰিখৰ সভাত শ্ৰীথানেশ্বৰ শইকীয়া বাপক ফৰকাটিং আঞ্চলিক শাখাৰ সদস্য নিৰ্বাচন কৰে । প্ৰাথমিক শাখাই প্ৰতি বছৰে বাৰ্ষিক সভা, আলোচনা চক্ৰ আদি সভা সমিতি অনুষ্ঠিত কৰি সংঘৰ প্ৰচাৰ প্ৰসাৰত অৰিহণা যোগাইছে । আৰ্থ-সামাজিক দিশত প্ৰাথমিকৰ সঙ্গীসকল কৃষি নিৰ্ভৰশীল । বৰ্ত্তমান প্ৰাথমিকৰ সভাপতি শ্ৰীনাৰায়ণ বৰা, সম্পাদক শ্ৰীথানেশ্বৰ শইকীয়া বাপে কাৰ্যনিহৰ্বাহ কৰি আছে । □□

# নাৰায়ণ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৭ চন

ফৰকাটিং অঞ্চলৰ জ্যোতিময় প্ৰাথমিক শাখাৰ একাংশ সঙ্গী আঁতৰি আহি নাৰায়ণ প্ৰাথমিক শাখা গঠন কৰে। ফৰকাটিং আঞ্চলিক শাখাৰ আহ্বান ক্ৰমে অনুষ্ঠিত ইংৰাজী ১৪-৫-৯৭তাৰিখৰ সাংগঠনিক সভাত সৰ্বসন্মতভাৱে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি ইংৰাজী ১১-৬-৯৭ তাৰিখে নাৰায়ণ প্ৰাথমিক শাখা গঠন কৰা হয়। প্ৰাথমিক ভাগ গঠনৰ ক্ষেত্ৰত শ্ৰীচেনীৰাম নাথ বাপৰ ভূমিকা উল্লেখ কৰিব পাৰি।

বৰ্ত্তমান প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ১১ ঘৰ আৰু সঙ্গীৰ সংখ্যা ৩৯ গৰাকী। সঙ্গীসকলৰ মাজত মহাপুৰুষীয়া ধৰ্ম,দৰ্শন, প্ৰচাৰ প্ৰসাৰৰ উদ্দেশ্যে আলোচনা চক্ৰ, দেউৰী বিলনীয়াৰ প্ৰশিক্ষণ আৰু শৰণ কক্ষ অনুষ্ঠিত কৰা হৈছে। প্ৰতি সপ্তাহত ভাগৱত পাঠ অনুষ্ঠিত কৰা হয়। আলোচনা চক্ৰ, ভাগৱত পাঠ অনুষ্ঠানত আঞ্চলিক শাখাৰ বিশিষ্ট সঙ্গীসকল সততে উপস্থিত থাকি সঙ্গীসকলক অনুপ্ৰেৰণা যোগাই। নিয়মিত ভাৱে যুৱক-যুৱতী শিশুসকল আৰু আইমাতৃসকলৰ মাজত গুৰুজনাৰ প্ৰৱৰ্ত্তিত কলা-সংস্কৃতি আৰু নৃত্য, গীত, বাদ্যৰ অনুশীলন কৰোৱা হয়। নৃত্য, গীত, বাদ্যৰ অনুশীলনত শ্ৰীচেনি নাথ বাপে অশেষ চেষ্টা কৰা পৰিলক্ষিত হয়। শ্ৰীনাথ বাপ শঙ্কৰী গীত বাদ্যত প্ৰশিক্ষণপ্ৰাপ্ত এগৰাকী সচেতন ব্যক্তি।

নাৰায়ণ প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ একনিষ্ঠ সেৱক শ্ৰীডিম্বেশ্বৰ নাথ বাপে তেখেতৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘলৈ দান কৰি প্ৰাথমিকখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। তেখেতৰ পত্নী শ্ৰীমতী প্ৰমিলা নাথ আই গৰাকী এগৰাকী ধৰ্মশীলা মহিলা। নাৰায়ণ প্ৰাথমিক শাখাৰ সঙ্গী তথা শ্ৰীডিম্বেশ্বৰ নাথ বাপৰ আমন্ত্ৰণ ক্ৰমে ফৰকাটিং আঞ্চলিক শাখাৰ সৌজন্যত গুৰুজনাৰ ৫৪৯ তম জন্ম জয়ন্তীভাগ এই অঞ্চলত অনুষ্ঠিত কৰা হয়। সভাত বৈষ্ণৱ পণ্ডিত শ্ৰীসোনাৰাম চুতীয়া বাপ মূল সংঘৰ প্ৰচাৰ শাখাৰ সভাপতি শ্ৰীচন্দ্ৰ হাজৰিকা, জিলা শাখাৰ সভাপতি শ্ৰীবীৰেণ বৰা, জিলা সম্পাদক শ্ৰীনবীন বৰা, সংস্কৃতি শাখাৰ সভাপতি শ্ৰীগোলাপ শইকীয়া, প্ৰাক্তন জিলা সম্পাদক শ্ৰীপ্ৰফুল্ল শইকীয়া, সাহিত্য শাখাৰ সভাপতি সম্পাদক ক্ৰমে শ্ৰীবংশীধৰ বৰা, শ্ৰীবোধেশ্বৰ কাকতিয়ে অংশ গ্ৰহণ কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

১৯৯৭ - ২০০০ বৰ্ষৰ নাৰায়ণ প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকল- উপদেষ্টা সৰ্বশ্ৰী ডিম্বেশ্বৰ নাথ, হিৰেশ্বৰ নাথ, টংকেশ্বৰ নাথ।

সৰ্বশ্ৰী চেনিৰাম নাথ সভাপতি, শ্ৰীমতী কনমাই নাথ উপ সভানেত্ৰী, গঙ্গাধৰ নাথ সম্পাদক, তোষেশ্বৰ নাথ সহঃসম্পাদক।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

আঞ্চলিক সদস্যা শ্ৰীমতী গোলাপী নাথ, শ্ৰীমতী তৰুলতা নাথ । সদস্য - শ্ৰীপ্ৰদীপ নাথ । শ্ৰীবিমান নাথ, শ্ৰীমাধৱ নাথ, শ্ৰীদিলীপ নাথ । সদস্যা - শ্ৰীমতী প্ৰমিলা নাথ । শশীপ্ৰভা নাথ, কুশদা নাথ ।

সংঘৰ সংবিধান অনুসৰি সেৱা বাহিনী গঠন কৰি প্ৰাথমিক শাখাৰ উন্নয়ণৰ কামৰ অগ্ৰসৰ হৈছে । সৰ্বশ্ৰী মাধৱ নাথ নায়ক, শ্ৰীকমী নাথ উপ নায়িকা , সদস্য-সদস্যাসকল -শ্ৰীকমা নাথ , শ্ৰীবিজুনাথ, শ্ৰীকৃষ্ণ নাথ ।

প্ৰাথমিকৰ অধিক সংখ্যক সঙ্গীয়েই কৃষি নিৰ্ভৰশীল । ব্যৱসায় বাণিজ্য কৰি দুই এগৰাকী সঙ্গীয়ে জীৱন নিৰ্বাহ কৰে ।

(শ্ৰীডিম্বেশ্বৰ নাথ আৰু শ্ৰীপ্ৰদীপ নাথ বাপৰ কৰ্ম জীৱনী সম্পৰ্কে পৰৱৰ্ত্তী অধ্যায়ত সন্নিবিষ্ট কৰা হৈছে । )

# সাৰঙ্গপাণি প্ৰাথমিক শাখা ফৰকাটিং আঞ্চলিক
## গঠন ঃ ১৯৯৫ চন

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলাৰ ফৰকাটিং আঞ্চলিক শাখাৰ অন্তৰ্গত 'সাৰঙ্গাপাণি' প্ৰাথমিক শাখাখনি যোৱা ইংৰাজী ৩০/৮/৯৫ তাৰিখে, বুধবাৰে ৰাজহুৱা নামঘৰত অনুষ্ঠিত হোৱা সভাত ফৰকাটিং আঞ্চলিক কাৰ্যনিৰ্বাহক সভাৰ সৰ্বসন্মত সিদ্ধান্তক্ৰমে গঠন হয় ।

সভাই সৰ্বসন্মতি ক্ৰমে নিম্ন উল্লেখিত সংগীবৃন্দক অন্তৰ্ভুক্ত কৰিবলৈ অনুমতি দিয়ে । শ্ৰীযুত মহেন্দ্ৰ বৰুৱা বাপে নতুন প্ৰাথমিকখনিৰ নাম 'সাৰঙ্গপাণি' ৰাখিবৰ বাবে প্ৰস্তাৱ কৰে আৰু সকলো সদস্যৰ সন্মতি সাপেক্ষে গ্ৰহণ হয় ।

প্ৰাথমিক গঠনৰ তাৰিখ ৩০/৮/৯৫ । প্ৰাথমিকৰ অন্তৰ্ভূক্তিৰ তাৰিখ ১/৯/৯৫ । প্ৰতিষ্ঠাপক সভাপতি, শ্ৰীবিশ্ব দত্ত, সম্পাদক, শ্ৰীপ্ৰদীপ নাথ ।
সদস্যসকল ঃ সৰ্বশ্ৰীগণেশ ভূঞা, দুলাল চাংমাই, ৰাজেন বৰুৱা, ৰীণু বৰুৱা, ৰীণা শইকীয়া ।

শ্ৰীবিশ্ব দত্তক সভাপতি আৰু শ্ৰীগণেশ ভূঞা বাপক সম্পাদক নিৰ্বাচন কৰে। পৰৱৰ্ত্তী বছৰত পুৰণা কমিটিয়ে পদত্যাগ কৰে আৰু বিশ্ব দত্ত সভাপতি আৰু প্ৰদীপ নাথ সম্পাদক হয় । শ্ৰীগণেশ ভূঞা আঞ্চলিকৰ কাৰ্যনিৰ্বাহকৰ সভাপতি হয়। ১৯৯৮ চনত তিনিঘৰ নতুন সংগী অন্তৰ্ভুক্ত হয় । বৰ্ত্তমান গৃহস্থীৰ সংখ্যা ১১ ঘৰ আৰু সংগীৰ সংখ্যা ৪২ জন হৈছে । ❑

# ১ নং চকৰ ধৰা প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৬ চন

গোলাঘাট জিলাৰ অন্তৰ্ভুক্ত আঠগাঁও মৌজাটো এটা বৃহৎ এলেকা। এই মৌজাটোত থকা গাঁওবিলাকৰ ভিতৰত চকৰধৰ গাঁওখনো এখন উল্লেখযোগ্য গাঁও । বুৰঞ্জীত হেনো ইয়াৰ ঐতিহ্য আছে । যিয়েই নহওক গাঁওখনৰ ঐতিহাসিক বিৱৰণ এৰি কেৱল মাত্ৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ চকৰধৰা প্ৰাথমিক শাখাটিৰ এটি ইতিবৃত্ত দাঙি ধৰা হ'ল ।

১৯৭৬ চনৰ ২৪ এপ্ৰিল তাৰিখে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এক শৰণ নাম ধৰ্ম স্বীকাৰ কৰি প্ৰচাৰ সম্পাদক প্ৰয়াত ভুৱন চন্দ্ৰ নাথে চকৰধৰা গাৱঁৰ নিবাসী শ্ৰীমনেশ্বৰ নাথ বাপৰ সহযোগত এখনি প্ৰাথমিক শাখা গঠন কৰাৰ অৰ্থে প্ৰয়াত গোলোক চন্দ্ৰ নাথৰ গৃহত এখন সাধাৰণ সভাৰ আহ্বান দিয়ে । সভাত সভাপতিত্ব কৰে প্ৰচাৰ সম্পাদক প্ৰয়াত ভুৱন চন্দ্ৰ নাথে । সভাত একশৰণ নাম ধৰ্মৰ বিষয়ে বিষদ আলোচনা হয় আৰু প্ৰাথমিক শাখাটি পূৰ্ণ পৰ্যায়ত গঠন কৰা হয় । সৰ্বসন্মতি ক্ৰমে প্ৰয়াত পুনিচন্দ্ৰ নাথ বাপক সভাপতি আৰু শ্ৰীমহেন নাথ বাপক সম্পাদক হিচাপে লৈ এখনি কমিটি গঠন কৰা হয় । নিম্ন উল্লেখিত সংগী (গৃহস্থী) লৈ প্ৰাথমিকখনক স্বীকৃতি দিয়ে । প্ৰয়াত পুনি চন্দ্ৰ নাথ, শ্ৰীতিলেশ্বৰ নাথ, শ্ৰীললিত নাথ, শ্ৰীলক্ষেশ্বৰ নাথ, শ্ৰীমনেশ্বৰ নাথ, শ্ৰীসৰুল'ৰা নাথ, শ্ৰীকনকেশ্বৰ নাথ, শ্ৰীপদ্মধৰ নাথ, প্ৰয়াত কেৰপাই নাথ, শ্ৰীউপেন নাথ, শ্ৰীনোমল নাথ, শ্ৰীদেৱেশ্বৰ নাথ, শ্ৰীলীলা নাথ ।

প্ৰাথমিকখনে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাংবিধানিক সন্মান জনাই প্ৰচাৰ-প্ৰসাৰ সংগঠনত আত্ম নিয়োগ কৰি সংগীৰ সংখ্যা বৃদ্ধি কৰিছে ।

**আৰম্ভণিৰপৰা প্ৰাথমিক ৰ বিষয়ববীয়াসকল ক্ৰমে ঃ**

সভাপতি পুনি নাথ, হিৰেশ্বৰ নাথ, নোমল নাথ, লক্ষেশ্বৰ নাথ, তিলেশ্বৰ নাথ, পদ্মধৰ নাথ, লীলা নাথ, সম্পাদক মহেন নাথ, লক্ষ্মীৰাম নাথ, প্ৰদীপ নাথ, যোগেন নাথ।

# গোলাঘাট উত্তৰ আঞ্চলিক শাখা

## শ্ৰীমন্ত শংকৰদেৱ সংঘ, মিছামৰা

## গঠন ঃ ১৯৭৭ চন

গোলাঘাট জিলাৰ উত্তৰ অঞ্চলৰ বিভিন্ন গাৰঁত গঠন হোৱা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাথমিকসমুহ এক গোট হৈ সংবিধানৰ আধাৰত এখন আঞ্চলিক গঠন কৰিবৰ কাৰণে মিছামৰা মৌজাৰ মাহনীয়াল গাঁও নামঘৰত ২।১১।৭৭ তাৰিখে ৰামকৃষ্ণ প্ৰাথমিকৰ সভাপতি প্ৰয়াত বাপুৰাম বৰাৰ সভাপতিত্বত এখন প্ৰতিনিধি মূলক সভা বহে । সেই প্ৰতিনিধি সভাত সৰ্বমুঠ ১১ খন প্ৰাথমিক শাখাৰ প্ৰতিনিধিয়ে যোগ দিয়ে । সেই সভাতে ৩৩ জনীয়া এখন সাধাৰণ সমিতি আৰু তাৰ মাজৰপৰা ১৩ জন সদস্যৰে এখন কাৰ্য্যনিৰ্বাহক সভা পাতি উত্তৰ আঞ্চলিক শাখাটি গঠন কৰা হয় । ইয়াৰ সভাপতি প্ৰয়াত বাপুৰাম বৰা আৰু সম্পাদক শ্ৰীনিৰঞ্জন বৰাক নিৰ্বাচিত কৰে। তদুপৰি শ্ৰীবোধেশ্বৰ বৰাক উপসভাপতি আৰু শ্ৰীক্ষীৰেশ্বৰ বৰাক সহকাৰী সম্পাদক পতা হয় । শ্ৰীগুণ বৰাক সমিতিৰ কোষাধ্যক্ষ পাতে। এই অনুক্ৰমে উত্তৰ আঞ্চলিক শাখাৰ জন্ম আৰু জিলা শাখাৰ স্বীকৃতি লাভ কৰে । প্ৰাথমিককেইখন হ'ল - মাহনিয়াল গাঁও অনন্ত প্ৰাথমিকৰ, দুলীয়া গাঁও মাধৱদেৱ প্ৰাথমিক, দৈয়ঙ্গীয়া গাঁও কল্পতৰু, গুৱাল গাঁও ৰামকৃষ্ণ, দাধৰা কল্পতৰু, কবৈয়নী শ্ৰীমন্ত হাবিগাঁও শংকৰজ্যোতি, ইকৰাণী জ্যোতি, জৰাগুৰি প্ৰাথমিক, মুদৈ গাঁও জয়গুৰু, খনিকৰ প্ৰাথমিক শাখাসমুহ ।

প্ৰথমখন সমিতিৰ কাৰ্য্যকালত ১৩ খন কাৰ্য্য নিৰ্বাহক সভা, ১ টা শৰণ কক্ষ। গুৰু জয়ন্তী আৰু ধৰ্মালোচনী সভা অনুষ্ঠিত হয় । ২১/৪/৭৯ তাৰিখৰপৰা ৪/৩/৭৯ তাৰিখলৈ প্ৰয়াত ভোলা ফুকনে অস্থায়ী ভাৱে সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল । ২১/৪/৭৯ তাৰিখে মুদৈগাঁও নামঘৰত আঞ্চলিকৰ প্ৰথম বাৰ্ষিক অধিবেশন বহে । এই অধিবেশনতে শ্ৰীগুণকান্ত বৰাক সভাপতি আৰু শ্ৰীভোলা ফুকনক সম্পাদক হিচাপে লৈ আঞ্চলিক সমিতিখন নতুনকৈ গঠন কৰা হয় । এই নতুন কমিটিখনে ৫৩১ শঙ্কৰাব্দত

বহাগ বিহুত হুচৰি গাই আঞ্চলিকৰ পুঁজি সংগ্ৰহ কৰে । সাংগঠনিক দিশ সবল কৰিবৰ কাৰণে ২৮।৬।৭৯ তাৰিখে মাহনীয়াল নামঘৰত প্ৰাথমিকৰ সভাপতি/সম্পাদক সন্মিলন অনুষ্ঠিত কৰে ।

গোলাঘাট জিলাৰ ২৭ তম্ বাৰ্ষিক অধিবেশন ভাগ এই আঞ্চলিকৰ উদ্যোগত মাহনীয়াল নামঘৰত অনুষ্ঠিত হয় । ১৯৭৯ চনত মলাই কুমাৰ নিৰঞ্জন প্ৰাথমিকৰ সৌজন্যত ৫৩১ তম্ গুৰু জয়ন্তী আৰু কেইবাখনো ধৰ্মালোচনী সভা বিভিন্ন ঠাইত আঞ্চলিক ভিত্তিত অনুষ্ঠিত হয় । ইয়াৰ ভিতৰত ৩০/১/৮১ তাৰিখে সেই সময়ৰ মূল সংঘৰ পদাধিকাৰ শ্ৰীঋষেশ্বৰ দলৈ বাপৰ সভাপতিত্বত হোৱা ধৰ্মালোচনী সভাখনি বিশেষভাৱে উল্লেখযোগ্য । এই সভাত মূল সংঘৰ প্ৰচাৰক প্ৰয়াত মোহন চন্দ্ৰ মহন্ত আৰু প্ৰয়াত নবীন ভুঞা বাপে বক্তা হিচাপে যোগদান কৰে । সভা উদ্বোধন কৰে মূল সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীগোবিন্দ্ৰ চন্দ্ৰ শইকীয়া বাপে ।

এই আঞ্চলিক শাখাৰ দ্বিতীয় বাৰ্ষিক অধিৱেশনখনি ২১/৩/৮১ তাৰিখে মুদৈ গাঁও নামঘৰত অনুষ্ঠিত হয় । তাত ১৯ জন সদস্যৰে আঞ্চলিকৰ কাৰ্য্যনিৰ্বাহক কমিটি গঠন হয় । এই কমিটিৰ সভাপতি হিচাপে শ্ৰীপ্ৰফুল্ল শইকীয়া আৰু সম্পাদক হিচাপে শ্ৰীভোলা হাজৰিকাই কাৰ্য্যভাৰ গ্ৰহণ কৰে । সেই অনুক্ৰমে ২৭/২/৮২ তাৰিখে দৈয়াঙ্গীয়া নামঘৰত আঞ্চলিকৰ ৩য় বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয় । ১৮।৯।৮৩ তাৰিখে চতুৰ্থ বাৰ্ষিক অধিবেশনখনি মুদৈগাঁও নামঘৰত পতা হয় । প্ৰয়াত ভোলা ফুকন বাপে সভাপতি আৰু শ্ৰীসোমেশ্বৰ দত্তবাপে সম্পাদকৰ দায়িত্ব লয় । সেইদৰে ১৯৮৪ চনত জৰাগুৰিত প্ৰাঃ শাখাত পঞ্চম বাৰ্ষিক অধিৱেশন বহে। এই বছৰতে আঞ্চলিক শাখাৰ সভাপতি শ্ৰীভোলা ফুকনে পৰলোক প্ৰাপ্তি হয় । শ্ৰীসোমেশ্বৰ দত্ত বাপে বহুদিন ধৰি আঞ্চলিক শাখাৰ সম্পাদকৰ দায়িত্ব লৈ আঞ্চলিকখনৰ সাংগঠনিক, ধৰ্মীয় আৰু প্ৰচাৰৰ দিশত বিশেষ ভাৱে মনোনিবেশ কৰে ।

১৯৮৪ চনৰপৰা ১৯৮৯ চনলৈ এই সময়ছোৱাত এই আঞ্চলিক শাখাটি মূল সংঘৰ লগত কিছু আভ্যন্তৰীণ বুজাবুজিৰ খেলি-মেলি হোৱাত তিনিজন বিশিষ্ট সংগী আৰু আঞ্চলিকৰ বিষয় ববীয়াই সংগী পদ হেৰুৱাব লগা হয় যদিও ২৮।১০।৮৯ তাৰিখে এই সমস্যাৰ সমাধান ঘটে । মূলৰ সম্পাদক শ্ৰীমুখ্যেশ্বৰ শইকীয়া বাপে এভাগ সাংগঠনিক সভা জিলা শাখাৰ উদ্যোগত অনুষ্ঠিত কৰি সকলো বিষয় নিষ্পত্তি কৰে আৰু সংগীপদ হেৰোৱা সদস্যসকলৰ সংগী পদ পুনৰ বাহাল ৰাখি আঞ্চলিক শাখাটি পুনৰ সঞ্জীৱিত

কৰি জিলা শাখাৰ লগত সম্বন্ধ সুত্ৰ ঘটাই । আঞ্চলিক শাখাটিয়ে নবীকৰণ জমা দি পুনৰ স্বীকৃতি লাভ কৰে । ১৯৯০ চনত মুদৈগাঁও নামঘৰত ১১৮ জন সংগীয়ে শ্ৰীঘন তামুলী শৰণ সদস্য বাপৰ ওচৰত শৰণ গ্ৰহণ কৰে । যথাক্ৰমে দৈয়ঙ্গীয়া নামঘৰ আৰু জৰাগুৰি নামঘৰতো দুটা শৰণ কক্ষ অনুষ্ঠিত হয় ।

১৯৯১ চনত কৰৈয়নি নামঘৰত আঞ্চলিকৰ ৭ম বাৰ্ষিক অধিৱেশন হয়। শ্ৰীমহেশ্বৰ দত্তক সভাপতি আৰু শ্ৰীসোমেশ্বৰ দত্ত বাপক সম্পাদক নিৰ্বাচিত কৰা হয় । সৰ্বশ্ৰী পোনাৰাম ভূএগ উপ সভাপতি আৰু ধৰ্মেশ্বৰ বৰা, গুনন্দ ভৰালীক সহকাৰী সম্পাদক নিৰ্বাচন কৰো । কাৰ্য্যনিৰ্বাহকৰ সদস্য সংখ্যা ২৩ জন ৰখা হয় । ৫/৬/৯৩ চনত মামৰণি গাৱঁৰ নামঘৰত আঞ্চলিক শাখাৰ ৯ ম বাৰ্ষিক অধিৱেশন হয় । তাত শ্ৰীমহেশ্বৰ দত্তক সভাপতি আৰু শ্ৰীগুনন্দ চন্দ্ৰ ভৰালীক সম্পাদক নিৰ্বাচিত কৰে । সেই বছৰতে জানুৱাৰী মাহত ২১, ২২, ২৩ জানুৱাৰীত ৯৩ গোলাঘাট জিলা শাখাৰ ৪০ তম্ বাৰ্ষিক অধিৱেশন ভাগ আঞ্চলিক শাখা আৰু স্থানীয় প্ৰাথমিক শাখাসমূহৰ সহযোগত মিছামৰা মৌজাৰ বৰটিকাত অনুষ্ঠিত হয়। তাত শ্ৰীবোধেশ্বৰ কাকতিদেৱৰ সম্পাদনাত "ভক্তি প্ৰবাহ" নামে এখন স্মৰণিকাও প্ৰকাশ পায় । এইদৰে আঞ্চলিক শাখাটিয়ে শ্ৰীমন্ত গুৰুজনাৰ ধৰ্ম, সংস্কৃতি আৰু সাহিত্যৰ দিশত যথেষ্ট অৰিহণা যোগাই আহিছে । ধৰ্মালোচনী সভা, সাংগঠনিক সভা, প্ৰচাৰ সভা আদি অনুষ্ঠান পাতি অনুষ্ঠানটিৰ প্ৰতি অনুগত্য প্ৰকাশ কৰিছে । তদুপৰি ১৯৯৫ চনৰ মূলৰ ৬৪ তম্ অধিৱেশন, ১৯৯৬ চনৰ ঢেকীয়ালস্থ মাগুলিক যুৱ সমাৰোহ, কলিয়াবৰত হোৱা মূলৰ যুৱ সমাৰোহ আদিত আঞ্চলিক শাখাই অংশ গ্ৰহণ কৰিছে ।

আঞ্চলিক শাখাৰ ২০ তম্ বাৰ্ষিক অধিৱেশনখনি ২।২।৯৭ তাৰিখে মুদৈ গাঁও নামঘৰত অনুষ্ঠিত হয়। উক্ত অধিৱেশনতে শ্ৰীসোমেশ্বৰ দত্তক সভাপতি, শ্ৰীগুনন্দ ভৰালীক সম্পাদক হিচাপে লৈ এখন কাৰ্যনিৰ্বাহক সভা গঠন হয় । এখেতসকলৰ কাৰ্য্যকালতে ৫৪৮ তম্ শঙ্কৰাব্দৰ গুৰু জয়ন্তী ভাগ বিস্তৃত কাৰ্য্যসূচীৰে পালন কৰে । সেই কাৰ্য্য কালতে কৰৈয়নী নামঘৰত আঞ্চলিকৰ যুৱ সমাৰোহ ভাগ কৰৈয়নী শ্ৰীমন্ত প্ৰাথমিক শাখাৰ উদ্যোগত দুদিনীয়া কাৰ্য্যসূচীৰে পালন কৰা হয়। তাত মুল সংঘৰ পদাধিকাৰ শ্ৰীকৰুণাকান্ত কলিতা বাপে ভাষণ প্ৰদান কৰে ।

১৯৯৭ চনত ৫৪৯ শঙ্কৰাব্দৰ গুৰুজয়ন্তী ভাগ গুৱাল গাঁও নামঘৰত

অনুষ্ঠিত হয় । তাত মূল সংঘৰ সম্পাদক শ্ৰীহৰি প্ৰসাদ হাজৰিকা, মূলৰ সাংস্কৃতিক শাখাৰ সভাপতি শ্ৰীনীলকান্ত বৰা আৰু সদস্য শ্ৰীযোগেশ্বৰ দত্ত বাপে সহযোগ কৰে । শংকৰ-মাধৱ বঁটা বিজয়ী বৈষ্ণৱ পণ্ডিত শ্ৰীসোণাৰাম চুতীয়া বাপে মূল সভাত অংশ গ্ৰহণ কৰি বহুমূলীয়া ভাষণ প্ৰদান কৰে । উক্ত সভাত জিলা শাখাৰ বিষয়ববীয়া সকলেও অংশ গ্ৰহণ কৰে ।

১১/১২/৯৩ তাৰিখে মুদৈ গাঁও বুঢ়া নামঘৰত আঞ্চলিক শাখাৰ ২১ তম্ বাৰ্ষিক অধিৱেশন ভাগ পতা হয় । এদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত এই সভাতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংবিধানৰ আধাৰত জিলা শাখাৰ সেৱা বাহিনীৰ সচিব আৰু অধিনায়কৰ উপস্থিতিত আঞ্চলিকৰ সেৱা বাহিনী গঠন হয় । শ্ৰীঅনুপজ্যোতি দত্তক সেই বাহিনীৰ অধিনায়ক নিৰ্বাচন কৰে । উক্ত অধিবেশনৰ প্ৰতিনিধি সভাত আঞ্চলিক শাখাৰ নতুন কাৰ্য্যনিৰ্বাহক গঠন হয়। শ্ৰীকনক বৰুৱা সভাপতি, শ্ৰীবুবাই ভৰালী উপসভাপতি, শ্ৰীঅজিত বৰা, সম্পাদক, শ্ৰীজিতেন বৰা আৰু শ্ৰীঅনুপজ্যোতি দত্তক, সহ সম্পাদক নিৰ্বাচন কৰে । শ্ৰীমহেশ্বৰ দত্তক মুখ্যউপদেষ্টা হিচাপে ৰাখে । শ্ৰীসোমেশ্বৰ দত্ত, শ্ৰীধৰ্মেশ্বৰ বৰা আৰু শ্ৰীৰূপেশ্বৰ বৰাক জিলা সদস্য হিচাপে মনোনিত কৰে। বৰ্তমান কাৰ্য্যকালৰ শ্ৰীগোলাপ বৰা সভাপতি সাংস্কৃতিক শাখা, শ্ৰীধৰ্মেশ্বৰ বৰা সম্পাদক সাংস্কৃতিক শাখা । উক্তৰ আঞ্চলিক শাখা বৰ্তমান মিছামৰা, দেৰগাঁও মৌজা, আৰু ব্ৰহ্মপুত্ৰ অঞ্চলৰ ১৮ খন প্ৰাথমিক শাখাৰ দ্বাৰা গঠিত এখন বৃহৎ আঞ্চলিক শাখা । উক্ত আঞ্চলিকৰ গৃহস্থী সংখ্যা ২৬৫ ঘৰ আৰু সংগী সংখ্যা ৬৯৪ জন । এই শাখাটিয়ে মূল সংঘ আৰু জিলা শাখাৰ দ্বাৰা অনুষ্ঠিত সাহিত্য, সংস্কৃতি আৰু সেৱা বাহিনীৰ বিভিন্ন কাৰ্য্যসূচীত পাৰ্য্যমানে অংশ গ্ৰহণ কৰি আহিছে । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি, আদৰ্শ ৰক্ষা কৰি সংগীসকলৰ মাজত আধ্যাত্মিক চেতনা জগোৱাত আগভাগ লৈ আহিছে।

সৰ্বশ্ৰী কনকেশ্বৰ বৰা, সোমেশ্বৰ দত্ত, বীৰেন দত্ত, মোহদা হাজৰিকা, গুণকান্ত বৰা, ধৰ্মেশ্বৰ বৰা, পোনাৰাম ভূঞা, মহেশ্বৰ দত্ত, কনক বৰুৱা, ৰূপেশ্বৰ বৰা বাপসকলে জিলা সদস্য হিচাপে প্ৰতিনিধিত্ব কৰে । মূলৰ সদস্য হিচাপে শ্ৰীভোলা হাজৰিকা বাপে কাৰ্যনিৰ্বাহ কৰিছিল। বৰ্তমান মুদৈ গাঁও নামঘৰত শঙ্কৰী নৃত্য গীত, বাদ্য প্ৰশিক্ষণ চলি আছে । ◯◯

# উত্তৰ আঞ্চলিক শাখাৰ অন্তৰ্গত প্ৰাথমিক শাখাসমূহ

## গঠন ঃ ১৯৭৭ চন

ৰামকৃষ্ণ প্ৰাথমিক শাখা (খ) গঠন ১৯৬৯
দাধৰা কল্পতৰু প্ৰাথমিক শাখা - গঠন ১৯৭০
গহিয়া গাঁও প্ৰাথমিক শাখা - গঠন ১৯৭০
মুদৈ গাঁও নাৰায়ণ প্ৰাথমিক শাখা - গঠন ১৯৭৩
দেৱগাঁও নগৰ প্ৰাথমিক শাখা - গঠন ১৯৭৪
কবৈয়নী শ্ৰীমন্ত প্ৰাথমিক - গঠন ১৯৭৫
মুদৈ গাঁও জয়গুৰু প্ৰাথমিক শাখা - গঠন ১৯৭৫
কবৈয়নী যদুমণি প্ৰাথমিক শাখা - গঠন ১৯৭৬
ইকৰাণী জ্যোতি প্ৰাথমিক শাখা - গঠন ১৯৭৬
জৰাগুৰি জগন্নাথ প্ৰাথমিক শাখা - গঠন ১৯৮২
হাবিগাঁও মিলন প্ৰাথমিক শাখা - গঠন ১৯৮৩
দৈয়ঙীয়া চক্ৰপানীপ্ৰাথমিক শাখা - গঠন ১৯৮৫
নৱজ্যোতি প্ৰাথমিক শাখা (মুদৈ গাঁও) - গঠন ১৯৮৬
জলকানি গাঁও কৃষ্ণ প্ৰাথমিক শাখা - গঠন ১৯৮৯
জৰাগুৰি (খ) প্ৰাথমিক শাখা - গঠন ১৯৯০
কোবাল শঙ্কৰজ্যোতি প্ৰাথমিক শাখা - গঠন ১৯৯২
বঙাল গাঁও মণিকাঞ্চন প্ৰাথমিক শাখা - গঠন ১৯৯৮
মামৰণি গোপাল কৃষ্ণ প্ৰাথমিক শাখা - গঠন ১৯৮৪

# গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ কাৰ্যনিৰ্বাহক সমিতি

## ৫৫০-৫১ শঙ্কৰাব্দ ঃ ১৯৯৯-২০০০

মুখ্য উপদেষ্টা ঃ শ্ৰীমহেশ্বৰ দত্ত
শ্ৰীনাৰায়ণ বৰা

সৰ্বশ্ৰী কনক বৰুৱা ঃ সভাপতি,
,, বুপাই ভৰালী ঃ উপ-সভাপতি
,, অজিত বৰা ঃ সম্পাদক
,, জিতেন বৰা ঃ সহঃ সম্পাদক
,, অনুপজ্যোতি দত্ত ঃ সহঃ সম্পাদক
,, সোমেশ্বৰ দত্ত ঃ জিলা সদস্য
,, ধৰ্মেশ্বৰ বৰা ঃ জিলা সদস্য
,, ৰূপেশ্বৰ বৰা ঃ জিলা সদস্য
,, মোহদা হাজৰিকা ঃ (মনোনীত সদস্যা)

সদস্য ঃ ক্ৰমে সৰ্বশ্ৰী গুবিন হাজৰিকা, জিতেন হাজৰিকা, তৰুণ বৰুৱা, ভোগেশ্বৰ বৰা, প্ৰমোদ বৰা, গুণকান্ত ৰাজখোৱা, কনকেশ্বৰ বৰা, গুনন্দ ভৰালী, ৰবীন বৰা, অশোক কাকতি, খগেন হাজৰিকা, লক্ষীধৰ বৰা, গোলাপ বৰা, ফটিক বৰা, ধৰ্মেশ্বৰ বৰা, নবীন বৰুৱা, দেউৰাম শইকীয়া, অকমান শইকীয়া, অকমান বৰা, ভোলাৰাম বৰা, অমূল্য শইকীয়া, প্ৰবীণ বৰা, ৰবীন ভূঞা, অতুল হাজৰিকা ।

**সংস্কৃতি শাখা ঃ**

সভাপতি ঃ শ্ৰীগোলাপ বৰা
সম্পাদক ঃ শ্ৰীধৰ্মেশ্বৰ বৰা

**সেৱা বাহিনী ঃ**

সচিব ঃ শ্ৰীঅজিত বৰা
সহঃ সচিব ঃ শ্ৰীদ্বীপেন বৰুৱা
অধিনায়ক ঃ শ্ৰীঅশোক কাকতি
উপঃ অধিনায়ক ঃ শ্ৰীৰবীন বৰা

আঞ্চলিক শাখাৰ কাৰ্য্যালয় তথা নামঘৰ নিৰ্মাণৰ কাৰণে ভুমি বিচৰা হৈছে । এই উদ্দেশ্যে আঞ্চলিক শাখাৰ সভাপতি সম্পাদকক লৈ এখন উপ সমিতি গঠন কৰা হৈছে । ✧

# প্ৰয়াত কতিকৰি বৰুৱা

প্ৰয়াত কতিকৰি বৰুৱা গোলাঘাট জিলা, মিছামৰা মৌজাৰ গুৱাল গাৱঁত ১৯০৫ চনত এটি কৃষক পৰিয়ালত জন্ম গ্ৰহণ কৰে । ১৯৯১ চনৰ মাৰ্চ মাহত তেখেতে ইহলীলা সম্বৰণ কৰে । ওৰে জীৱন তেখেতে কৃষি কৰ্মত ব্যস্ত থাকি পৰিয়ালৰ ভৰণ-পোষন দিয়াৰ লগতে নানা অনুষ্ঠানত জড়িত হৈ খোল, মৃদং, ঢোল-বাদ্যৰ শিল্পী হিচাপে নিজক প্ৰতিষ্ঠা কৰিছিল। মহাপুৰুষীয়া সংস্কৃতিৰ সাধক হিচাপে ভাওনা অভিনয় গীত-বাদ্য অনুশীলন কৰি শুদ্ধসত্ত্বভাৱে প্ৰদৰ্শন কৰিছিল । এই অঞ্চলত তেখেতে গায়ন-বায়ন তথা হিৰা নামৰ গুৰি ধৰোতা আছিল । নিজ গাঁও নিবাসী অভয়পুৰীয়া বংশৰ প্ৰখ্যাত বাবুলা হাজৰিকা তেখেতৰ কলা-কৃষ্টি সাধনাৰ পথ প্ৰদৰ্শক বুলি পৰিচয় দি যায় । শ্ৰীবৰুৱা বাপৰ অনুপ্ৰেৰণাত কেইজনমান সংগীৰে ১৯৬৯ চনত গুৱাল গাৱঁত "ৰামকৃষ্ণ প্ৰাথমিক শাখা" গঠন কৰে । গোলাঘাট উত্তৰ আঞ্চলিক শাখা গঠন আৰু সংঘৰ প্ৰচাৰ-প্ৰসাৰত তেখেতে এগৰাকী নিৰব কৰ্মীৰ দৰে অৰিহণা আগবঢ়ায় । তেখেতৰ সুযোগ্যা কন্যা শ্ৰীমতী স্বৰ্ণলতা বৰাই তথ্য আৰু জন সংযোগ বিভাগত কাম কৰি শংকৰী কলা-কৃষ্টিৰ উপৰি বিভিন্ন চৰকাৰী Integrationৰ ওপৰত নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ সক্ষম হৈছে । ইয়াৰ মূলতে পিতৃদেৱেই আছিল বুলি স্বৰ্ণলতাই নিজে স্বীকাৰ কৰে ।

# প্ৰয়াত ভোলা ফুকন -

গোলাঘাট জিলাৰ বুৰঞ্জী প্ৰসিদ্ধ অঞ্চলত আহোম ৰাজবংশী লুথুৰাখনীয়া ফৈদৰ ফুকন বংশত ১৯৪১ চনত ডিচেম্বৰ মাহত জন্ম হৈছিল। তেখেতৰ পিতৃৰ নাম প্ৰয়াত ত্ৰিলোৰাম ফুকন আৰু মাতৃৰ নাম ৰূপহী ফুকন। দেৰগাঁও ইন্দ্ৰানীদেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষা লাভ কৰি প্ৰথমে মিছামৰা সমবায় সমিতিৰ দোকানত পৰিচালক হৈ থকাৰ পাছত ১৯৬৩ চনত তেখেতে কেন্দ্ৰীয় ডাকতাঁৰ বিভাগত নিযুক্তি লৈ চাকৰি জীৱনৰ পাতনি মেলে । ১৯৮৯ চনৰ ফেব্ৰুৱাৰী মাহত চাকৰি কালতে তেখেত পৰলোক প্ৰাপ্ত হয় ।

ফুকনদেৱ এগৰাকী সমাজকৰ্মী, খেলুৱৈ, অভিনেতা আৰু গুৰুজনাৰ কলা-কৃষ্টিৰ প্ৰতি অনুৰাগী ব্যক্তি আছিল । ১৯৭০ চনত দাধৰা কল্পতৰু প্ৰাথমিক শাখাৰ জৰিয়তে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংগী পদ গ্ৰহণ কৰে আৰু প্ৰাথমিক শাখাৰ বিভিন্ন দায়িত্ব গ্ৰহণ কৰে । প্ৰাথমিক শাখাৰ বিভিন্ন দায়িত্ব গ্ৰহণ কৰাৰ উপৰি গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ সম্পাদকৰ পদত কাৰ্যনিৰ্বাহ কৰিছিল । সংঘৰ প্ৰচাৰ সংগঠনত তেখেতৰ বৰঙণি লেখত ল'বলগীয়া ।

# গোলাঘাট উত্তৰ আঞ্চলিকৰ বিশিষ্ট সঙ্গী

**গুণকান্ত বৰা ঃ** ১৯৩৪ চনৰ ৫ এপ্রিল তাৰিখে মিছামৰা মৌজাৰ মাহনিয়াল গাৱঁত জন্ম হয়। পিতৃৰ নাম প্ৰয়াত টুনিৰাম বৰা। তেখেত জলকানি গাওঁ কৃষ্ণ প্ৰাথমিক শাখাৰ বৰ্ত্তমান সভাপতি। ১৯৯২ চনত চৰকাৰী চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰে। গোলাঘাট জিলা শাখাৰ সদস্য আছিল।

**দেউৰাম শইকীয়া ঃ** ১৯৪৩ চনত ইকৰানী গাৱঁত তেখেতৰ জন্ম হয়। ইকৰানী জ্যোতি প্ৰাথমিক শাখাৰ কেইবাটাও কাৰ্যকাল সভাপতি হৈ আছিল। বৰ্ত্তমান উত্তৰ আঞ্চলিক শাখাৰ সদস্য পদত আছে।

**প্ৰয়াত দেউৰাম বৰা ঃ** কৰৈয়নী আঁহত গুৰি সত্ৰৰ এগৰাকী মুক্তিয়াৰ আছিল। ১৯৭৩ চনত খকগুগুৰি প্ৰাথমিক শাখাৰ জৰিয়তে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ অন্তৰ্ভুক্ত হয়। ১৯৭৫ চনত কৰৈয়নী শ্ৰীমন্ত প্ৰাথমিক শাখা গঠন কৰি ১৯৮৬ চনলৈ সভাপতি হিচাবে কাৰ্যনিৰ্বাহ কৰে। ১৯৯১ চনত প্ৰায় ৭০ বছৰ বয়সত তেখেতে ইহলীলা সম্বৰণ কৰে। স্থানীয়ভাৱে বিভিন্ন সামাজিক কামত তেখেত জড়িত।

**ধৰ্মেশ্বৰ বৰা ঃ** ইং ১৯৬২ চনত কৰৈয়নী ভকত গাৱঁত তেখেতৰ জন্ম হয়। পিতৃৰ নাম প্ৰয়াত দেউৰাম বৰা, মাতৃৰ নাম দেহেশ্বৰী বৰা আছিল। ১৯৮০ চনত কৰৈয়নী শ্ৰীমন্ত প্ৰাথমিক শাখাৰ সম্পাদক, গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ সহকাৰী সম্পাদক, (১৯৮৭ চনৰ কাৰ্যকালত) হিচাবে কাৰ্যভাৰ গ্ৰহণ কৰাৰ উপৰি ১৯৯৫ চনৰপৰা বৰ্ত্তমানলৈকে গোলাঘাট জিলা শাখাৰ সদস্য হিচাবে কাৰ্যনিৰ্বাহ কৰি আছে।

**গুণন্দ ভৰালী ঃ** ১৯৬২ চনৰ ১ মাৰ্চ তাৰিখে বালিদোৱাৰ গাৱঁত জন্ম হয়। পিতৃৰ নাম প্ৰয়াত ভোকোন্দ ভৰালী, মাতৃৰ নাম বকুলী ভৰালী। জৰাগুৰি মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষকতা কৰে। ১৯৮৭ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সঙ্গীভুক্ত হৈ প্ৰচাৰ প্ৰসাৰত ব্ৰতী হয়। উত্তৰ আঞ্চলিক শাখাৰ সম্পাদক হিচাবে কাৰ্যনিৰ্বাহ কৰে। অন্যান্য অনুষ্ঠানৰ লগত জড়িত।

**জীতেন বৰা ঃ** ১৯৬০ চনৰ আগষ্ট মাহত ২ নং খকগুগুৰি গাৱঁত জন্ম হয়। পিতৃৰ নাম প্ৰয়াত কন্দুৰা বৰা। ১৯৮৮ চনৰপৰা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক হিচাবে কাৰ্যনিৰ্বাহ কৰি আছে। ১৯৯৫ চনৰপৰা শ্ৰীমন্ত প্ৰাথমিক শাখাৰ সম্পাদক পদত থকাৰ উপৰিও উত্তৰ আঞ্চলিক শাখাৰ সহকাৰী সম্পাদক পদত আছে। স্থানীয় অনুষ্ঠানৰ লগত জড়িত।

**বেৰুকান্ত বৰা ঃ** ১৯৪০ চনৰ জুলাই মাহত ঢেকীয়াল মৌজাৰ বেতিয়নী কাকতি গাৱঁত জন্ম হয়। পিতৃৰ নাম আছিল মনেশ্বৰ বৰা। ১৯৬২ চনৰপৰা কৰৈয়নী মধ্য

ইংৰাজী বিদ্যালয়ত প্ৰধান শিক্ষক হিচাবে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰে। ১৯৬৪ চনৰপৰা ১৯৮৬ চনলৈ কৰৈয়নী শ্ৰীমন্ত প্ৰাথমিক শাখাৰ সম্পাদক পদত আছিল। ১৯৯৪-৯৮ চনৰ কাৰ্যকালত উত্তৰ আঞ্চলিক শাখাৰ, উপ-সভাপতিৰ পদত আছিল। ৰাজহুৱা অনুষ্ঠানৰ লগত জড়িত ব্যক্তি।

**অশোক কাকতি ঃ** জন্ম ১৯৬৫ চনত দেৰগাওঁ মৌজাৰ গন্ধিয়া গাৱঁত। পিতৃৰ নাম প্ৰয়াত শশীধৰ কাকতি, মাতৃ শ্ৰীযুতা হেম কান্তি কাকতি। গন্ধিয়া গাওঁ নৱজ্যোতি প্ৰাথমিক শাখাৰ সহকাৰী সম্পাদক, দেৰগাওঁ আঞ্চলিক শাখাৰ সেৱা বাহিনীৰ অধিনায়ক পদত আছিল। বৰ্ত্তমান উত্তৰ আঞ্চলিক শাখাৰ সেৱা বাহিনীৰ অধিনায়ক, জিলা সেৱা বাহিনীৰ কৰ্ম পৰিষদৰ সদস্য, কেন্দ্ৰীয় সেৱা বাহিনীৰ সদস্য, গন্ধিয়া গাওঁ নৱজ্যোতি প্ৰাথমিকৰ সম্পাদক পদত আছে। ইয়াৰ উপৰি মইনা পাৰিজাত, পুথিভঁৰাল আদি স্বেচ্ছাসেৱী অনুষ্ঠানৰ লগত জড়িত হৈ আছে। এগৰাকী সুবক্তা হিচাবে পৰিচিত।

**নবীনচন্দ্ৰ বৰুৱা ঃ** ১৯৪১ চনত মিছামৰা মৌজাৰ হাবিগাৱঁত জন্ম হয়। পিতৃৰ নাম প্ৰয়াত হেলাই বৰুৱা। ১৯৯৯ চনত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰে। ১৯৭২ চনত সংঘভুক্ত হৈ ১৯৮০ চনৰপৰা ১৯৮৫ চনলৈ হাবিগাওঁ মিলনজ্যোতি প্ৰাথমিকৰ সম্পাদক পদত কাৰ্যনিৰ্বাহ কৰে। বৰ্ত্তমান উত্তৰ আঞ্চলিক শাখাৰ সদস্য। সদৌ অসম মইনা পাৰিজাতৰ আজীৱন সদস্য।

**অৰুণি বৰা ঃ** ১৯৪১ চনত ইকৰানী গাৱঁত জন্ম। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ একনিষ্ঠ সঙ্গী। সংঘৰ এগৰাকী সংগঠক আৰু নীৰৱ কৰ্মী।

**ভৰতচন্দ্ৰ দত্ত ঃ** শ্ৰীমন্ত শঙ্কৰ দেৱ সংঘৰ এগৰাকী নিষ্ঠাবান সঙ্গী। ১৯৩৫ চনত দাধৰা গাৱঁত জন্ম হয়। পিতৃ কণ্ঠিৰাম দত্ত আৰু মাতৃ আইতি দত্ত আছিল। ১৯৫৬ চনত অসম চৰকাৰৰ হস্ত বস্ত্ৰ শিল্প বিভাগত প্ৰশিক্ষণ গ্ৰহণ কৰি ১৯৫৭ চনত উক্ত বিভাগত কৰ্ম জীৱন আৰম্ভ কৰে। ১৯৯৩ চনত অৱসৰ গ্ৰহণ কৰে। দাধৰা কল্পতৰু প্ৰাথমিক শাখাৰ সংগঠনৰ দিশত জড়িত হৈ আছে।

**প্ৰভাতকুমাৰ ফুকন ঃ** মিছামৰা মৌজাৰ দা ধৰা গাৱঁত জন্ম। শ্ৰীমন্ত শঙ্কৰ দেৱ সংঘৰ এগৰাকী সক্ৰিয় সঙ্গী। কল্পতৰু প্ৰাথমিক শাখাৰ সম্পাদক পদত আছে। বৰ্ত্তমান দেৰগাওঁ কমল দুৱৰা মহাবিদ্যালয়ৰ ভুগোল বিভাগৰ মূৰব্বী অধ্যাপক।

**নন্দেশ্বৰ দত্ত ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী নিষ্ঠাবান সঙ্গী। বৰ্ত্তমান কল্পতৰু প্ৰাথমিক শাখাৰ সভাপতি। ১৯৩৭ চনত দাধৰা গাৱঁৰ নিবাসী পিতৃ কণ্ঠিৰাম দত্ত আৰু মাতৃ আইতি দত্তৰ ঔৰসত জন্ম গ্ৰহণ কৰে। ১৯৬১ চনত কাৰিকৰী শিক্ষা গ্ৰহণ কৰি চাহ ফেক্টৰীত কৰ্ম জীৱনৰ পাতনি মেলে। ১৯৭৪-৭৭ চনৰ কাৰ্যকাল ১৯৯৯-২০০০ চনৰ বৰ্ষত দাধৰা কল্পতৰু প্ৰাথমিক শাখাৰ সভাপতি লগতে ১৯৮৫-

৮৭ চনলৈ শাখাৰ সম্পাদক হিচাবে কাৰ্যনিৰ্বাহ কৰে। উত্তৰ আঞ্চলিক শাখাৰ সদস্য পদত আছিল।

**লীলাৱতী ফুকন ঃ** শ্ৰীযুতা লীলাৱতী ফুকন খুমটাই মৌজাৰ ন-গাওঁ অঞ্চলৰ প্ৰয়াত বাপুকণ গগৈ আৰু মাতৃ ৰঙিলা গগৈৰ ঔৰসত ১৯৩১ চনত জন্ম হয়। ১৯৫২ চনৰ দাধৰা আহোম গাৱঁৰ প্ৰয়াত ঘনশ্যাম ফুকনৰ লগত বিবাহ পাশত আৱদ্ধ হয়। ১৯৭০ চনৰ দাধৰা কল্পতৰু প্ৰাথমিক শাখা গঠন হোৱাত সঙ্গীভুক্ত হয়। প্ৰাথমিক শাখাৰ উপদেষ্টা, আঞ্চলিক সমিতিৰ সদস্যা হিচাবে কাৰ্যনিৰ্বাহ কৰে। ১৯৪২ চনৰ গণ আন্দোলনৰপৰা আৰম্ভ কৰি মিছামৰা সমবায় সমিতিৰ সদস্যা হৈ সমাজৰ কামত সক্ৰিয় ভূমিকা লৈ আহিছে।

**কনক বৰুৱা ঃ** প্ৰয়াত লক্ষীৰাম বৰুৱা আৰু ফুল বৰুৱাৰ প্ৰথম হিচাবে ইং ১৯৫০ চনত মুদৈ গাৱঁত জন্ম গ্ৰহণ কৰে। ১৯৭২ চনতে ধৰ্মীয় চিন্তা চৰ্চা কৰি গুৰুজনাৰ ৰচিত 'কীৰ্ত্তন ঘোষা' অধ্যয়নৰ দ্বাৰা সংঘৰ প্ৰতি আকৃষ্ট হৈ ১৯৭৫ চনত জয় গুৰু প্ৰাথমিক শাখা গঠন কৰি সঙ্গীভুক্ত হয়। বৰ্ত্তমান নৱগঠিত নৱজ্যোতি প্ৰাথমিক শাখাৰ সঙ্গী। গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ সদস্য, ১৯৯৫-৯৬ চনত জিলা সদস্য পদত কাৰ্যনিৰ্বাহ কৰে। ১৯৯৯-২০০০ চনৰ কাৰ্যকালত উত্তৰ আঞ্চলিক শাখাৰ সভাপতি পদত কাৰ্যনিৰ্বাহ কৰি আছে। বৰ্ত্তমান মুহিৰাম হাজৰিকা মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক পদত কাম কৰি আছে।

**নাৰায়ণ বৰুৱা ঃ** যোৰহাটত ১৯৩২ চনত জন্ম হয়। পিতৃৰ নাম কুলাই বৰা আৰু মাতৃৰ নাম বুন্দী বৰা। ১৯৬৯ চনৰপৰাই ৰামকৃষ্ণ প্ৰাথমিক শাখাৰ জৰিয়তে সংঘৰ সঙ্গী হয়। গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ সদস্য, উপ-সভাপতি হিচাবে কাৰ্যনিৰ্বাহ কৰে। বৰ্ত্তমান আঞ্চলিকৰ উপদেষ্টা।

**কনকেশ্বৰ বৰা ঃ** কবৈয়নী ভকত গাঁৱত ১৯৪৬ চনত জন্ম হয়। পিতৃ সোমেশ্বৰ বৰা আৰু মাতৃ সৰু বৰা আছিল। ১৯৭৩ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সঙ্গীভুক্ত হয়। ১৯৭৫ চনত কবৈয়নী শ্ৰীমন্ত প্ৰাথমিক গঠন হোৱাত এই প্ৰাথমিকৰ উপ-সভাপতি, সভাপতিৰ পদ অলংকৃত কৰে। উত্তৰ আঞ্চলিক শাখাৰ সদস্য আৰু গোলাঘাট জিলা শাখাৰ সদস্য হিচাবে কাৰ্য নিৰ্বাহ কৰে।

**পোনাৰাম ভূঞা ঃ** বৰ্ত্তমান জৰাগুৰি গাঁৱৰ নিবাসী শ্ৰীপোনাৰাম ভূঞাৰ জন্ম হয় মিছামৰা মৌজাৰ মলাই কুমাৰ গাঁৱত। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী নিষ্ঠাবান সেৱক। প্ৰথমতে তেখেত মলাই কুমাৰ নিৰঞ্জন প্ৰাথমিক শাখাৰ সঙ্গী আছিল। জৰাগুৰি

অঞ্চলত প্ৰাথমিক গঠন হোৱাত তেখেতে সেই অঞ্চলৰ প্ৰাথমিকত অন্তৰ্ভুক্ত হয়। জৰাগুৰি প্ৰাথমিক শাখাৰ সভাপতি। উত্তৰ আঞ্চলিক শাখাৰ সদস্য পদত থকাৰ উপৰি তেখেতে গোলাঘাট জিলা শাখাৰ সদস্য হিচাবে কাৰ্যনিৰ্বাহ কৰে। স্থানীয় অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত এগৰাকী সমাজ সচেতন ব্যক্তি।

**প্ৰয়াত নন্দেশ্বৰ বৰা ঃ** গুৱালগাওঁ, ডাকঘৰ ঃ মুদৈগাওঁ, মিছামৰা মৌজাৰ ৰামকৃষ্ণ প্ৰাথমিকৰ সঙ্গী আছিল। এক শৰণ হৰি নাম ধৰ্মৰ নীতি আদৰ্শত গভীৰ বিশ্বাসী আৰু অনুগামী হৈ তেখেতে শংকৰী কলা-কৃষ্টিৰ চৰ্চা কৰি নামাচাৰ্য্য পাঠক, গায়ন-বায়নত কৃতিত্ব দেখুৱাই স্থানীয় জন সাধাৰণৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। ১৯৭০ চনৰপৰা তেখেত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সঙ্গীপদ গ্ৰহণ কৰি ৰাম-কৃষ্ণ প্ৰাথমিক শাখাৰ সম্পাদক, উপদেষ্টা আৰু গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ সদস্য হিচাবে গুৰুধৰ্ম প্ৰচাৰ-প্ৰসাৰ আৰু সেৱাকৰ্মত ব্ৰতী হৈছিল। স্বৰ্গীয় সৰু লৰা বৰাৰ ঔৰষত আৰু স্বৰ্গীয় ভদ্ৰেশ্বৰী বৰাৰ গৰ্ভজাত নন্দেশ্বৰ বৰাই ১৯৩৫ চনৰপৰাই জীৱনৰ পাতনি মেলি ৫৯ বছৰ বয়সত ৰোগাক্ৰান্ত হৈ অকালতে ইহসংসাৰ ত্যাগ কৰিলে। সামান্য খেতি-বাতি কৰি আৰু বাঁহ বেতৰ সঁজুলি তৈয়াৰ কৰি তেখেতে জীৱিকা অৰ্জন কৰিছিল। ইহসংসাৰত বৰ্ত্তমান তেখেতৰ পত্নী শ্ৰীমতী মাখনি বৰা, তিনিজনী অবিবাহিত কন্যা আৰু দুজনী বিবাহিত কন্যা আছে।

**অজিত কুমাৰ বৰা ঃ** পিতা —স্বৰ্গীয় যজ্ঞেশ্বৰ বৰা, মাতৃ--স্বৰ্গীয় সুস্বৰী বৰা। ১৯৬৩ চনত ব্ৰহ্মপুত্ৰ অঞ্চলৰ বালিদোৱা গাঁৱত জন্ম। কলা শাখাৰ স্নাতক আৰু হিন্দী বিশাৰদ পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৯০ চনৰপৰা খনিকৰ উচ্চ বুনিয়াদী বিদ্যালয়ত শিক্ষক হিচাবে কৰ্মজীৱনৰ পাতনি মেলে। ৫৪০ তম শঙ্কৰাব্দৰপৰা একেৰাহে দহ বছৰ গুৱালগাওঁ ৰামকৃষ্ণ প্ৰাঃ(খ) শাখাৰ সম্পাদক হিচাবে কাৰ্যনিৰ্বাহ কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি-আদৰ্শ আৰু উদ্দেশ্য প্ৰচাৰ-প্ৰসাৰৰ কাৰণে অদ্যপৰিমিত জড়িত হৈ আছে। বৰ্ত্তমান গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ সম্পাদকৰ দায়িত্ব পালন কৰা শ্ৰীবৰাৰ নিজ গাৱঁৰ যুৱ সংঘ, মহিলা সমিতি গঠন কৰা আৰু বিকাশৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা আছে। তদুপৰি তেখেত বৰ্ত্তমান মিছামৰা আঞ্চলিক মইনা পাৰিজাতৰ আজীৱন সভ্য হোৱাৰ লগতে মিছামৰা সাহিত্য সভাৰ কাৰ্যনিৰ্ব্বাহক সমিতিৰো সদস্য।○○

# ৰামকৃষ্ণ প্ৰাথমিক শাখা (খ)

## গঠন ঃ ১৯৬৯ চন

গোলাঘাট জিলা দেৰগাঁও ৰাজহ চক্ৰৰ মিছামৰা মৌজাৰ 'গুৱাল গাঁও' এখনি বুৰঞ্জী প্ৰসিদ্ধ গাঁও । প্ৰায় দুশ বছৰীয়া এই গাঁওখনত থকা এটা বংশ 'গুৱাল বংশ' । কিংবদন্তি মতে এই বংশৰ পৰাই গাঁওখনৰ নামৰ সৃষ্টি হৈছে । ৰাজাবাহাৰত আহোম ৰজাই বাহৰ পাতি থাকোতে এই ঠাইৰ মানুহে গাখীৰ যোগান ধৰিছিল । ৰজাৰ দিনত গুৱালৰ কাম কৰা বাবেই 'গুৱাল গাঁও' হ'ল বুলি মানুহৰ মুখে মুখে আছিল । এশৰো অধিক ঘৰ গৃহস্থীৰে জনসংখ্যা প্ৰায় ৮০০ জন । এখন প্ৰাথমিক বিদ্যালয়, এখন স্বাস্থ্য কেন্দ্ৰ, এটা পুথিভঁৰাল, এটা ডাকঘৰ আৰু ধৰ্ম সংস্কৃতিৰ কেন্দ্ৰস্থল এটি নামঘৰ গাঁওখনত আছে । আৰ্থিক ভাবে মধ্যবিত্ত শ্ৰেণীৰ । কৃষিজীৱী, চাকৰিয়াল, ব্যৱসায়ী সকলো বিদ্যমান । শিক্ষা-সংস্কৃতিৰ ক্ষেত্ৰতো গাঁওবাসী পিছপৰা নহয় ।

গুৱাল গাঁও নামঘৰক কেন্দ্ৰকৰি প্ৰয়াত কুষেশ্বৰ কলিতা, শ্ৰীজগত বৰাদেৱৰ প্ৰচেষ্টাত গুৱাল গাঁও ৰামকৃষ্ণ প্ৰাথমিক শাখাৰ জন্ম হৈছিল ১৯৬৯ চনত। আৰম্ভণীতে দহ ঘৰ গৃহস্থীৰপৰা পিছলৈ পঁচিশ ঘৰ হয়গৈ । শাখাটিৰ জন্মলগ্নৰে পৰা জড়িত থকা ব্যক্তিসকল হৈছে প্ৰয়াত কতিকৰি বৰুৱা, সৰ্বশ্ৰী প্ৰফুল্ল দত্ত, নাৰায়ণ বৰা, পুণ্যেশ্বৰ বৰা, তৰুণ বৰা, থানেশ্বৰ হাজৰিকা, বোধেশ্বৰ বৰা, গগন হাজৰিকা, টঙ্কেশ্বৰ বৰুৱা, সুৰেন বৰা, যোগেন হাজৰিকা, অতুল দত্ত আৰু প্ৰয়াত ৰত্নেশ্বৰ হাজৰিকা, উমাই হাজৰিকা, বাপুৰাম বৰা, নন্দেশ্বৰ বৰা, আধান বৰাবৰা আদি ।

১৯৮০ চনত সাংগঠনিক বিভ্ৰাটৰ বাবে ৰামকৃষ্ণ প্ৰাথমিক শাখাটি ৰামকৃষ্ণ (ক) আৰু ৰামকৃষ্ণ (খ) নামেৰে দুটা শাখাত বিভক্ত হয় । এটা অংশই মূল সংঘই বাতিল কৰা গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ লগত যোগাযোগ কৰি বিৰত হৈ থাকিব লগীয়া হৈছিল । মূল সংঘৰ সেই সময়ৰ প্ৰধান সম্পাদকৰ প্ৰচেষ্টাত গুৱাল গাঁও নামঘৰত ১৯৮৮ চনত হোৱা সাংগঠনিক সভাত বিষয়টিৰ মীমাংসা হয় যদিও প্ৰাথমিক শাখা দ্বিখণ্ডিত হৈয়েই ৰ'ল ।

সাহিত্য-সংস্কৃতিৰ দিশত শাখাটি যথেষ্ট আগবঢ়া । বিশেষকৈ শংকৰী

সংস্কৃতিৰ সাধক হিচাপে প্ৰয়াত কতিকৰী বৰুৱা বৰ্তমান তেৰাৰ পুত্ৰ শ্ৰীভোগেশ্বৰ বৰুৱাৰ নাম উল্লেখযোগ্য । জিলা তথা মূল শাখাৰ বিভিন্ন কাৰ্য্যসূচীত প্ৰাথমিক শাখাই অংশ গ্ৰহণ কৰি সুনাম অৰ্জন কৰিছে । মহাপুৰুষ দুজনাৰ জন্ম জয়ন্তী, বিভিন্ন ধৰ্মালোচনী সভা অনুষ্ঠিত কৰিছে । যোৱা ২৫ আৰু ২৬ অক্টোবৰ '৯৭ তাৰিখে গুৱাল গাঁও নামঘৰত প্ৰাথমিক শাখাৰ ৰূপালী জয়ন্তী মহা উলহ-মালহেৰে আড়ম্বৰ পূৰ্ণভাৱে দুদিনীয়া কাৰ্য্যসূচীৰে উদযাপন কৰে ।

**১৯৬৯ চনৰ পৰা বৰ্তমানলৈকে সভাপতি আৰু সম্পাদক দায়িত্ব পালন কৰা ব্যক্তিসকল হৈছে -**

**সভাপতি** ঃ প্ৰয়াত কতিকৰি বৰুৱা, ৰত্নেশ্বৰ হাজৰিকা সৰ্বশ্ৰী নাৰায়ণ বৰা, কোযেশ্বৰ বৰা, আৰু ১৯৮৮ চনৰ পৰা বৰ্তমানলৈকে প্ৰমোদ বৰা।

**সম্পাদক** ঃ সৰ্বশ্ৰী গগন হাজৰিকা, যজ্ঞেশ্বৰ বৰা, প্ৰফুল্ল দত্ত, প্ৰয়াত নন্দেশ্বৰ দত্ত, আধান বৰবৰা, নগেন বৰা, আৰু ১৯৮৮ চনৰ পৰা বৰ্তমানলৈকে শ্ৰীঅজিত বৰা ।

# দাধৰা কল্পতৰু প্ৰাথমিক শাখা

## গঠন ঃ১৯৭০ চন

গোলাঘাট জিলাৰ মিছামৰা মৌজাৰ মধ্যস্থানত দাধৰা আহোম গাঁও এখন ৰাজহ গাঁও ।আহোম ৰজাৰ দিনত ৰজাৰ দাধৰা বিষয়াক এই অঞ্চলত থাকিবলৈ দিছিল ।এই দাধৰা বিষয়াৰ পৰাই এই অঞ্চলটিৰ নাম দাধৰা হ'ল বুলি জনা যায় । বৰ্তমান বাৰঘৰীয়া দৈয়ঙ্গীয়া লুথুৰাখনীয়া, দাধৰা, ধৰমপুৰ আদি গাঁওসমূহ এই দাধৰা অঞ্চলৰ অন্তৰ্ভুক্ত চাৰিসীমা হৈছে পূৱে লোবাদোং, জান, পশ্চিমে কলীয়াপানী জান উত্তৰে ৩৭ নং ৰাষ্ট্ৰীয় পথ, আৰু দক্ষিণে মুদৈ বাৰিছোৱা গাঁও । প্ৰায় তিনি হাজাৰৰো অধিক জনসংখ্যাৰে মাটি কালি প্ৰায় ৪ বৰ্গ কিঃ মিঃ ।বিভিন্ন সম্প্ৰদায়, ভিনভিন ধৰ্মাবলম্বী লোকেৰে ভৰপূৰ এই দাধৰা অঞ্চল।প্ৰায় শতকৰা ৬০ ভাগ লোক শিক্ষিত আৰু সতকৰা ২৫ ভাগ লোক চাকৰিজীৱি বাকী শতকৰা ৩০ ভাগ লোক কৃষিজীৱী । এই অঞ্চলত ছয় ভাগ নামঘৰ, চাৰিখন প্ৰাথমিক বিদ্যালয়, এখন উচ্চ ইংৰাজী বিদ্যালয়ৰ ওপৰিও মিছামৰা সমবায় সমিতি আৰু মিছামৰা গাঁও পঞ্চায়তৰ কাৰ্যালয় আছে। তিনিটা পুথিভঁৰাল আৰু এটা সাংস্কৃতিক অনুষ্ঠানে এই অঞ্চলত ধৰ্ম, শিক্ষা, কলা-সংস্কৃতিৰ পথাৰখন সজীৱ কৰি তুলিছে ।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

মূল সংঘৰ প্ৰাক্তন পদাধিকাৰ শ্ৰীযুত সোণাৰাম চুতীয়া আতা, শৰণ সদস্য প্ৰয়াত যোগেন দত্ত, দৈয়ঙ্গীয়া গাৱঁৰ শ্ৰীজগত বৰা আদিলোকসকলৰ পৰামৰ্শমতে ধৰমপুৰ দৈয়ঙীয়া, ইকৰাণী, লুথুৰাখনীয়া বাৰিছোৰা আদি গাৱঁৰ প্ৰায় ২২ ঘৰ গৃহস্থীৰ সহযোগত ২৭।৯।৭০ তাৰিখত প্ৰয়াত বাপুকণ শইকীয়া (ইকৰাণী গাঁও) দেৱৰ গৃহত অনুষ্ঠিত হোৱা আলোচনা চক্ৰৰ সিদ্ধান্ত মতে গুৰুজনাৰ প্ৰবৰ্ত্তিত নাম ধৰ্মৰ শুদ্ধ, সত্য আদৰ্শক আশ্ৰয় কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শ, আচাৰ সদাচাৰত মুগ্ধহৈ "দাধৰা কল্পতৰু" নামেৰে এখনি প্ৰাথমিক শাখা গঠন কৰে । প্ৰাথমিক গঠন কৰাত প্ৰয়াত উত্তৰাকান্ত বৰা, দণ্ডেশ্বৰ গগৈ, বাপুৰাম বৰা, বাপুকণ শইকীয়া, ফুলেশ্বৰ ফুকন, সৰ্বশ্ৰী জগত বৰা, ভৰত দত্ত, নন্দেশ্বৰ দত্ত, চেনিৰাম শইকীয়া আদিলোকসকলে ভূমিকা গ্ৰহণ কৰিছিল । বিভিন্ন গাৱঁৰ পৰা অহা মুঠ ৩০ ঘৰ গৃহস্থীলৈ প্ৰাথমিকৰ কলেৱৰ বৃদ্ধি হয় । ১৯৭৩ চনত ইকৰাণী গাৱঁত, ১৯৭৭ চনত দৈয়ঙীয়া গাৱঁত প্ৰাথমিক গঠন হোৱাত ইকৰাণী আৰু দৈয়ঙীয়া গাৱঁৰ লোকসকল নিজ গাৱঁৰ প্ৰাথমিকত অন্তৰ্ভুক্ত হয় ।

প্ৰচাৰ-প্ৰসাৰৰ দিশত দাধৰা কল্পতৰু প্ৰাথমিক শাখাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে । নতুনকৈ সংগী ভৰ্ত্তি সমীপৱৰ্ত্তী গাঁওসমূহত প্ৰাথমিক শাখা গঠন আদিয়েই প্ৰধান । প্ৰাথমিক শাখাই নিজা ৰবীয়াকৈ এভাগি নামঘৰ নিৰ্মাণ কৰি "কল্পতৰু নামঘৰ" নামকৰণ কৰে । এই নামঘৰতে প্ৰাথমিক শাখাই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি অনুযায়ী পালনীয় অনুষ্ঠান যেনে গুৰুজয়ন্তী উদযাপন, কৃষ্ণ জন্মাষ্টমী, মাধৱদেৱৰ জন্ম জয়ন্তী প্ৰতি বছৰে পালন কৰি সাহিত্য সংস্কৃতিৰ উৎকৰ্ষ সাধনত ব্ৰতী হৈছে । তদুপৰি মূলসংঘৰ নিৰ্দেশনা মতে শিশু, যুৱ আৰু আইমাতৃ সমাৰোহ অনুষ্ঠিত কৰি সমাজৰ সকলো শ্ৰেণীৰ লোকক গুৰু ধৰ্মত জড়িত কৰিবলৈ প্ৰয়াস কৰিছে । তদুপৰি ১৯৭৪ আৰু ১৯৮৪ চনত তিনিদিনীয়া কাৰ্য্যসূচীৰে দাধৰাবাসী ৰাইজৰ সহযোগত উত্তৰ আঞ্চলিক শাখাৰ গুৰু আৱিৰ্ভাৱ মহোৎসৱ, দাধৰা কল্পতৰু নামঘৰত আৰু ১৯৮৪ চনত বাৰিছোৰা গাৱঁৰ নামঘৰত মাধৱদেৱ জয়ন্তী ভাগ আঞ্চলিক ভিত্তিত এদিনীয়া কাৰ্য্যসূচীৰে সাহিত্য, সংস্কৃতিৰ ভিন ভিন প্ৰতিযোগিতা অনুষ্ঠিত কৰি উদযাপন কৰে ।

বৰ্তমান দাধৰা কল্পতৰু প্ৰাথমিক শাখাৰ গৃহস্থীৰ সংখ্যা ১৬ ঘৰ আৰু সংগী ৪৯ জন ।

**প্ৰাথমিক শাখাৰ সভাপতি - সম্পাদকসকল ঃ**

প্ৰয়াত বাপুৰাম বৰা - সভাপতি ১৯৭০-৭১ চন

শ্ৰীমহেন বৰা - সম্পাদক

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

প্ৰয়াত বাপুৰাম বৰা - সভাপতি ১৯৭০-৭১ চন
প্ৰয়াত ভোলা ফুকন - সম্পাদক

প্ৰয়াত দণ্ডেশ্বৰ গগৈ - সভাপতি ১৯৭১-৭২ চন
প্ৰয়াত ভোলা ফুকন - সম্পাদক

শ্ৰীনন্দেশ্বৰ দত্ত - সভাপতি ১৯৭২-৭৩ চন
শ্ৰীনীল বৰা - সম্পাদক

শ্ৰীৰাজেন বৰা - সভাপতি ১৯৭৩-৭৪ চন
শ্ৰীনীল বৰা - সম্পাদক

শ্ৰীনন্দেশ্বৰ বৰা - সভাপতি ১৯৭৬-৭৭ চন
শ্ৰীদিলীপ ফুকন - সম্পাদক

প্ৰয়াত ভোলা ফুকন - সভাপতি ১৯৭৮-৭৯ চন
শ্ৰীদিলীপ ফুকন - সম্পাদক

প্ৰয়াত ভোলা ফুকন - সভাপতি ১৯৭৯-৮৩ চন
শ্ৰীহৰেশ্বৰ বৰা - সম্পাদক

শ্ৰীভোলাৰাম বৰা - সভাপতি ১৯৮৩-৮৪ চন
শ্ৰীদিলীপ ফুকন - সম্পাদক

শ্ৰীভোলাৰাম বৰা - সভাপতি ১৯৮৪-৯০ চন
শ্ৰীনন্দেশ্বৰ দত্ত - সম্পাদক

শ্ৰীফুলেশ্বৰ ফুকন - সভাপতি ১৯৯০-৯৩ চন
শ্ৰীপ্ৰদীপ ৰাজখোৱা - সম্পাদক

শ্ৰীহৰেশ্বৰ বৰা - সভাপতি ১৯৯৩-৯৭ চন
শ্ৰীপ্ৰদীপ ৰাজখোৱা - সম্পাদক

শ্ৰীহৰেশ্বৰ বৰা - সভাপতি ১৯৯৭-২০০০ চন
শ্ৰীগুণকান্ত ৰাজখোৱা - সম্পাদক ।

# গন্ধীয়া গাঁও প্ৰাথমিক

## গঠন ঃ ১৯৭০ চন

গন্ধিয়া গাঁও দেৰগাঁও মৌজাৰ মাজ মজিয়াৰ এখন ঐতিহাসিক গাঁও। আহোমসকলে ৰাজত্ব কৰাৰ সময়ত এই অঞ্চলৰ এটি পৰিয়ালে ৰজাক গোন্ধতেল যোগান ধৰিছিল। ৰজাই সেই পৰিয়ালটিক 'গন্ধিয়া ফুকন' উপাধি প্ৰদান কৰিছিল। কিংবদন্তিমতে এই 'গন্ধিয়া ফুকন' উপাধিধাৰী পৰিয়ালটিৰ প্ৰসাৰতা লাভ কৰি গন্ধিয়া গাঁও হয়। কালক্ৰমত অন্য ঠাইৰ পৰা আহিও বসতি কৰিবলৈ লোৱাত গন্ধিয়া, পাচনি, কাকতি, পোৰা, নগএগ্ৰা আদি কেইবাটাও চুবুৰীৰ সৃষ্টিত ৬০ ঘৰ গৃহস্থীৰে প্ৰায় ৩০০ জন জনসংখ্যাৰে এক বৃহৎ গাঁও। গাৱঁৰ পূবে পুৰণা ৰেল লাইন আৰু কোঁচ গাঁও, পশ্চিমে হেমচন্দ্ৰ গোস্বামী পথ, উত্তৰে আফুৰা গাঁও আৰু দক্ষিণে বৰুৱা গাঁও, বৰুৱাবামুণ গাঁও ৰেল ষ্টেচন।

গাঁওখন সৰু-বৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানেৰে পৰিপূৰ্ণ। সোঁমাজতে মহাপুৰুষীয়া ধৰ্মৰ স্তম্ভ স্বৰূপ নামঘৰ, প্ৰাথমিক বিদ্যালয়, মইনা পাৰিজাতৰ শাখা তথা মহিলা সমিতিৰ শাখা এই গাঁৱত আছে। গাঁওখনৰ গুণ সম্পন্ন ব্যক্তিৰ ভিতৰত প্ৰয়াত কেৰকণ কলিতা, চাদিৰাম দত্ত, কেহো গন্ধিয়া বাপ বায়ন, ৰামেশ্বৰ পাচনি, ফেদুৰাম কলিতা, হাইৰা গন্ধিয়া, নাৰায়ণ দত্ত, লোকনাথ কাকতিয়েই প্ৰধান। স্কুলঘৰ, নিৰ্মল পুস্তকালয় নিৰ্মাণ আদিত প্ৰয়াত সুৰেন দত্ত, যোগেন দত্ত, বাবাই গন্ধিয়া, মণি দত্ত, শ্ৰীমহেশ্বৰ দত্ত আদি বাপসকলৰ ভূমিক উল্লেখযোগ্য। গাঁওখনৰ আৰ্থ-সামাজিক শিক্ষা-দীক্ষা বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত প্ৰয়াত গঙ্গাৰাম গন্ধিয়া, বেণুধৰ কাকতি, চন্দ্ৰ কাকতি, শশী কাকতি, ডম্বৰুধৰ কাকতি, থানুৰাম গন্ধিয়া আদিবাপসকলৰ প্ৰচেষ্ট আছিল উল্লেখনীয়। প্ৰয়াত নিৰূপমা কাকতি শিশু সম্প্ৰসাৰণ বিষয়া, প্ৰয়াত নৃপেন দত্ত বিপ্লৱী যুৱনেতা তথা সুবক্তা, মণি দত্ত গোলাঘাট জিলা মইনা পাৰিজাতৰ সম্পাদক তথা সদৌ অসম মইনা পাৰিজাতৰ সাংগঠনিক সম্পাদক আছিল।

১৯৭০ চনত প্ৰয়াত কুশেশ্বৰ কলিতা আৰু শ্ৰীচন্দ্ৰ হাজৰিকা (মূলৰ সদস্য) আদি ব্যক্তিসকলৰ প্ৰচেষ্টাত লগতে সৰ্বশ্ৰী মহেশ্বৰ দত্ত, বাপুৰাম দত্ত, মহেন কাকতি, প্ৰয়াত বাপু গন্ধিয়া, ডম্বৰুধৰ কাকতি, সোমেশ্বৰ দত্তৰ চেষ্টাত গন্ধিয়া, বঙাল গাঁও, আফুৰা গাঁও আদিৰ মুঠ নঘৰ গৃহস্থীৰে গন্ধিয়া

গাঁও প্ৰাথমিক গঠন হয় । বেলেগ, বেলেগ, গাৱঁৰ সংগীসকলে যোগদান কৰে যদিও তেখেতসকলৰ নিজা গাৱঁত প্ৰাথমিক হোৱাত গন্ধিয়া প্ৰাথমিকৰ পৰা আঁতৰি যায় । আৰম্ভণিতে সভাপতি, সম্পাদকৰ দায়িত্বত আছিল ক্ৰমে প্ৰয়াত ডম্বৰুধৰ কাকতি আৰু শ্ৰীমহেন্দ্ৰ নাথ কাকতি । প্ৰচাৰ-প্ৰসাৰত সংগীসকলৰ ভূমিকা অন্যতম । গাঁওখনৰ প্ৰায় শতকৰা ৯০ ভাগেই সংঘ ভুক্ত হৈ গুৰু ধৰ্ম পালন কৰি আছে । সংগঠনৰ সুবিধাৰ্থে গন্ধিয়া প্ৰাথমিক দুভাগত বিভক্ত হয় । প্ৰাথমিকখনৰ সিংহ ভাগ গৃহস্থী আঁতৰি আহি 'গন্ধিয়া নৱজ্যোতি' নামেৰে গাৱঁতে অন্য এভাগ প্ৰাথমিক গঠন কৰে । দ্বিখণ্ডিত হোৱাৰ পিছতেই গন্ধিয়া প্ৰাথমিক গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ - অন্তৰ্ভুক্ত হয় ।

গন্ধিয়া প্ৰাথমিকৰ অৰ্থনৈতিক দিশ সিমান সবল নহয় । চৰকাৰী চাকৰি বেপাৰ-বাণিজ্য আৰু কৃষি কৰ্মই জীৱন নিৰ্বাহৰ প্ৰধান আহিলা । প্ৰাথমিকৰ প্ৰতিষ্ঠাতা সভাপতি প্ৰয়াত ডম্বৰুধৰ কাকতি বৃত্তিত শিক্ষক আছিল। গুৰুজনাৰ একান্তসেৱক তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এগৰাকী অতি নিষ্ঠাবান সংগী আছিল । গুৰুধৰ্ম প্ৰচাৰ-প্ৰসাৰত এখেতৰ বৰঙণি অপৰিসীম । প্ৰয়াত যোগেন দত্তই গেলামালৰ দোকান দি জীৱিকা আৰ্জিছিল আৰু প্ৰয়াত ৰামেশ্বৰ গন্ধিয়া এগৰাকী সুদক্ষ বায়ন, কাৰিকৰী বিদ্যাত পাৰ্গত আছিল । বৰ্তমান সংগীসকলেও সৰু-বৰ চাকৰিৰ লগতে বিভিন্ন কাম-কাজ কৰি আছে । প্ৰাথমিক শাখাৰ বৰ্তমান জীৱিত নেতৃস্থানীয় লোকসকলৰ ভিতৰত সৰ্বশ্ৰী বীৰেণ দত্ত, প্ৰফুল্ল কলিতা, পুতুল গন্ধিয়া, সুৰেন শইকীয়া, মাণিক গন্ধিয়া, উপেন গন্ধিয়াই অন্যতম । বৰ্তমান প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকল হ'ল -

সভাপতি - শ্ৰীমহেশ্বৰ দত্ত
সম্পাদক - শ্ৰীপ্ৰফুল্ল কলিতা
সহঃ সম্পাদক - শ্ৰীউপেন গন্ধিয়া

# মুদৈগাঁও নাৰায়ণ প্ৰাথমিক

## গঠন ঃ ১৯৭৩ চন

মুদৈ গাৱঁৰ ৭ ঘৰ গৃহস্থী ক্ৰমে প্ৰয়াত বংশী বৰুৱা, সৰ্বশ্ৰী যোগ হাজৰিকা, মাণিক দত্ত, নবীন হাজৰিকা, প্ৰয়াত লীলাধৰ হাজৰিকা, দেৱেশ্বৰ হাজৰিকা, দিনাই হাজৰিকা, সোণাৰাম হাজৰিকা আদি সংগী কেইঘৰ মাহনিয়াল অনন্ত প্ৰাথমিক শাখাত অন্তৰ্ভুক্ত হৈ আছিল । ১৯৭২ চনত প্ৰয়াত

বংশী বৰুৱাক সভাপতি আৰু শ্ৰীমাণিক দত্তক সম্পাদক হিচাবে লৈ 'মুদৈ গাঁও নাৰায়ণ প্ৰাথমিক' নামকৰণেৰে প্ৰাথমিক শাখাটি গঠন কৰা হয় । জন্মৰে পৰা সংগী বাপসকলে গুৰুধৰ্ম শুদ্ধভাৱে পালন, প্ৰচাৰ-প্ৰসাৰত আত্ম নিয়োগ কৰি আহিছে । বিভিন্ন সভা-সমিতি অনুষ্ঠিত কৰি, প্ৰচাৰ প্ৰসাৰত গুৰুত্ব দিছে । গাৱঁৰ অন্য প্ৰাথমিকসমূহৰ লগত সৌহাদ্যমূলক পৰিৱেশত একত্ৰিতভাৱে বিভিন্ন ধৰ্মীয়অনুষ্ঠান সম্পাদন কৰি মংগল শ্ৰীবৃদ্ধি কৰিছে । বৰ্তমান গৃহস্থীৰ সংখ্যা ১৩ ঘৰ, সংগী ২৯ গৰাকী ।

আৰম্ভণিৰপৰা বৰ্তমানলৈকে সভাপতি/সম্পাদকসকল হৈছে -

সভাপতি - প্ৰয়াত বংশী বৰুৱা, শ্ৰীযোগ হাজৰিকা

সম্পাদক - সৰ্বশ্ৰী মানিক দত্ত, সৰ্বেশ্বৰ হাজৰিকা, আনন্দ হাজৰিকা আৰু জগত হাজৰিকা ।

# দেৰগাঁও নগৰ প্ৰাথমিক শাখাৰ বুৰঞ্জী

## গঠন ঃ ১৯৭৪ চন

আহোম ৰাজত্বৰ কালত এই ঠাইত বিভিন্ন দেৱ-দেৱতাৰ পূজা-অৰ্চনা হৈছিল । ইয়াৰ ওচৰৰ নেঘেৰিটিঙত স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত বুৰঞ্জী বিখ্যাত শিৱদ'ল প্ৰতিষ্ঠা কৰা হয় । দেৱ-দেৱতাৰ পূজা কৰা এই ঠাইক দেৱৰ গাঁও বুলিছিল । ইয়াৰ পৰাই দেৰগাঁও নামৰ উৎপত্তি হয় বুলি পণ্ডিতসকলে ঠাৱৰ কৰে ।

**প্ৰাথমিক শাখাৰ** সীমা ঃ স্বৰ্গীয় লক্ষ্মীনাথ ফুকন পথ আৰু পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথৰ কাষৰ গৃহস্থীসকলৰ একাংশক লৈ দেৰগাঁও নগৰ প্ৰাথমিক শাখা গঠন কৰা হৈছে ।

**গুণ সম্পন্ন ব্যক্তিৰ** নাম ঃ স্বৰ্গীয় গঙ্গাই বৰমেধি, স্বৰ্গীয় পদ্ম দত্ত, স্বৰ্গীয় মাণিক বৰা ।

**অনুষ্ঠান-প্ৰতিষ্ঠান** ঃ দেৰগাঁও মহিলা সমিতি, বাপুজী মইনা পাৰিজাত, দেৰগাঁও টাউন ক্লাব, দেৰগাঁও উঃ মাঃ বিদ্যালয় আদি ।

বৃহত্তৰ দেৰগাঁও অঞ্চলৰ দেৰগাঁও নগৰ প্ৰাথমিক শাখা এটি অতি পুৰণি শাখা । ১৯৭৪ চনত বৰুৱা বামুণ গাৱঁত হোৱা মূল অধিৱেশনৰ পিছতে এই প্ৰাথমিক শাখা গঠন কৰা হয় । এই অঞ্চলৰ কেইগৰাকীমান ধৰ্মপ্ৰাণ লোকৰ প্ৰচেষ্টাত এই প্ৰাথমিক শাখা গঠন কৰা হয় । প্ৰাথমিক শাখা গঠনত বিশেষ ভূমিকা লোৱা ব্যক্তিসকল হ'ল সৰ্বশ্ৰী ভুবন হাজৰিকা, পূৰ্ণ হাজৰিকা, নবীন হাজৰিকা, টংক হাজৰিকা, দেৱেশ্বৰী হাজৰিকা, হৰেন বৰা, গজেন বৰা, খগেন

হাজৰিকা আদিয়েই প্ৰধান । প্ৰাথমিক গঠন হোৱা সময়ত প্ৰায় বিশ-পঁচিশ ঘৰমান গৃহস্থীক লৈ এটি ডাঙৰ শাখা গঠন কৰা হৈছিল । মৌজাদাৰ আলিৰ পৰা আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়লৈকে ৩ নং আৰু ৪ নং ৱাৰ্ডৰ অন্তৰ্ভুক্ত গৃহস্থী এই প্ৰাথমিক শাখাৰ সংগী আছিল। পিছলৈ কিছু সংখ্যক সংগীয়ে এই প্ৰাথমিক শাখাৰ সংগী পদৰপৰা বদলি হৈ অন্য প্ৰাথমিকত অন্তৰ্ভুক্ত হৈ নতুন প্ৰাথমিক শাখা গঠন কৰে । ইয়াৰ কাষতে ভালেকেইঘৰ পুৰণি সংগীয়ে দেৰগাঁও কল্পতৰু নগৰ প্ৰাথমিক শাখা গঠন কৰে । এই প্ৰাথমিক শাখা গঠন কৰা বৰ বেছি দিন হোৱা নাই । সেয়েহে দেৰগাঁও নগৰ প্ৰাথমিক শাখাৰ গৃহস্থীৰ সংখ্যা হ্ৰাস হৈ বাৰঘৰ গৃহস্থীত পৰিণত হ'ল । বৰ্তমান দেৰগাঁও নগৰ প্ৰাথমিক শাখাৰ গৃহস্থীৰ সংখ্যা বাৰঘৰ আৰু সংগীৰ সংখ্যা ২৭ জন । ১৯৯৮ চনত প্ৰাথমিক শাখাত ২ ঘৰ নতুন গৃহস্থীয়ে সংগী পদ গ্ৰহণ কৰে । দেৰগাঁও নগৰ প্ৰাথমিক শাখা গোলাঘাট জিলাৰ উত্তৰ আঞ্চলিক শাখাৰ অন্তৰ্ভুক্ত । বিভিন্ন ধৰ্মীয় অনুষ্ঠানত আঞ্চলিক শাখাৰ সংগীসকলে সহায়-সহযোগ কৰি আহিছে ।

দেৰগাঁও নগৰ প্ৰাথমিক শাখাৰ স্থায়ী নামঘৰ এটিৰ অভাৱ বহুদিনীয়া। সুবিধাজনক ঠাইত মাটিৰ অভাৱৰ বাবেই নামঘৰ এটি নিৰ্মাণ কৰিব পৰা নাই। বৰ্তমান প্ৰাথমিক শাখাৰ বয়োজেষ্ঠা সংগী, মুক্তি যোদ্ধা শ্ৰীযুতা দেৱেশ্বৰী হাজৰিকাই নিজা ঘৰৰ কাষত থকা পুখুৰী এটিত থকা মাটি ১ কঠামান নামঘৰ নিৰ্মাণৰ বাবে দান কৰাৰ কথা ঘোষণা কৰিছে। পুখুৰীটো পুতি নামঘৰ এটা নিৰ্মাণ কৰা যথেষ্ট ব্যয় বহুল হ'ব । তথাপি স্থানীয় ৰাইজৰ সহায়-সহযোগ পালে নামঘৰ এটি নিৰ্মাণ কৰিব পৰা যাব। এই উদ্দেশ্যে প্ৰাথমিক শাখাৰ সাধাৰণ সভা অনুষ্ঠিত কৰি নামঘৰ নিৰ্মাণ সমিতি এখনো গঠন কৰা হৈছে ।

প্ৰচাৰ-প্ৰসাৰৰ দিশত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শৰ বিষয়ে সভা-সমিতি, আলোচনা চক্ৰৰ যোগেদিয়েই প্ৰচাৰ কৰাৰ চেষ্টা কৰি অহা হৈছে।

**আৰ্থ-সামাজিক অৱস্থাৰ বৰ্ণনা ঃ** দেৰগাঁও নগৰ প্ৰাথমিক শাখাৰ অন্তৰ্ভুক্ত সৰহ সংখ্যক সংগীয়েই চাকৰি জীৱী । দুই-এজন ব্যৱসায়ী ব্যক্তিয়ো আছে । সংগীসকলৰ কৃষিভূমি যথেষ্ট নাই । সেয়েহে কৃষিৰ ওপৰত জীৱিকা নিৰ্বাহৰ সুবিধা কম । নিম্ন মধ্য বিত্ত পৰিয়ালৰ সংগীসকলে নিজৰ সীমিত উপাৰ্জনেৰেই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অনুষ্ঠান-প্ৰতিষ্ঠানলৈ, সভা-সমিতি আদিলৈ যথাসাধ্য দান-বৰঙণি আগবঢ়াই আহিছে ।

**নেতৃস্থানীয় ব্যক্তি ঃ** শ্ৰীদেৱেশ্বৰী হাজৰিকা ............ ভাৰতৰ স্বাধীনতা আন্দোলনৰ এগৰাকী আগশাৰীৰ মুক্তি যোদ্ধা ।

**শ্ৰীলক্ষ্মী বৰা ঃ** শ্ৰীযুতা দেৱেশ্বৰী হাজৰিকাৰ জ্যেষ্ঠা কন্যা । এগৰাকী শিক্ষয়িত্ৰী, দেৰগাঁও মহিলা সমিতি, বাপুজী মইনা পাৰিজাতৰ সৈতে ওতঃপ্ৰোত ভাৱে জড়িত ।

**শ্ৰীগজেন বৰা ঃ** দেৰগাঁও নগৰ প্ৰাথমিক শাখা প্ৰতিস্থা হোৱাৰ পৰাই সংগী হৈ আছে । গড়কাপ্তানী বিভাগৰ অৱসৰ প্ৰাপ্ত কৰ্মচাৰী ।

**শ্ৰীহৰেন বৰা ঃ** দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ উদ্ভিদ বিদ্যা বিভাগৰ মূৰব্বী অধ্যাপক । প্ৰাথমিকৰ পুৰাণ সংগী, প্ৰাক্তন সম্পাদক।

শ্ৰীনৰকান্ত শইকীয়া ঃ দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিষয়ৰ বিষয় শিক্ষক । প্ৰাথমিকৰ প্ৰাক্তন সম্পাদক ।

**১৯৮৮ চনৰপৰা ১৯৯৪ চনলৈ বিষয়ববীয়া আৰু সদস্যৰ নাম তালিকা -**

শ্ৰীগজেন বৰা - উপদেষ্টা
শ্ৰীখগেন হাজৰিকা - সভাপতি
শ্ৰীব্ৰজেন বৰা - উপ সভাপতি
শ্ৰীনৰকান্ত শইকীয়া - সম্পাদক
শ্ৰীহৰেণ বৰা - সহঃ সম্পাদক
শ্ৰীবনমালী বৰা - সদস্য
শ্ৰীযতিন বৰা - সদস্য
শ্ৰীপ্ৰবাল হাজৰিকা - সদস্য (হিচাপ পৰীক্ষক)
শ্ৰীযুতা লক্ষ্মী বৰা - সদস্যা

**১৯৯৫ চনৰপৰা বৰ্তানলৈকে বিষয়ববীয়া আৰু সদস্যৰ নাম -**

শ্ৰীগজেন বৰা - উপদেষ্টা
শ্ৰীখগেন হাজৰিকা - সভাপতি
শ্ৰীপ্ৰবাল হাজৰিকা - সম্পাদক
শ্ৰীনৰকান্ত শইকীয়া - সদস্য
শ্ৰীহৰেণ বৰা - সদস্য
শ্ৰীবনমালী বৰা - সদস্য (হিচাপ পৰীক্ষক)
শ্ৰীযুতা লক্ষ্মী বৰা - সদস্যা
শ্ৰীশচীন্দ্ৰ ৰাজখোৱা -- সদস্য
শ্ৰীযতিন বৰা - সদস্য
শ্ৰীব্ৰজেন বৰা - সদস্য
শ্ৰীসুৰেন্দ্ৰ মোহন হাজৰিকা - সদস্য, নতুনকৈ অন্তৰ্ভুক্ত
শ্ৰীদেবানন্দ ভূঞা - সদস্য, নতুনকৈ অন্তৰ্ভুক্ত

# কৰৈয়নী শ্ৰীমন্ত প্ৰাথমিক শাখা সংঘ

### গঠন ঃ ১৯৭৫ চন

মিছামৰা মৌজাৰ গেলাবিল নদীৰ উত্তৰপাৰৰ পৰা আৰম্ভ কৰি কোৱাল জানলৈকে জুৰি থকা দ অঞ্চলটোৰ নামেই কৰৈয়নী গাঁও । প্ৰায় ২৫ বছৰৰ আগতে এই অঞ্চলত প্ৰায় বসতি নাছিলেই । বিবিধ গছ-গছনিৰে ভৰা এই অঞ্চলত অসংখ্য কৰৈ গছো আছিল । এই কাৰণেই এই অঞ্চলৰ নাম কৰৈয়নী হয় বুলি বুঢ়ালোকে কয় ।

এই গাৱঁৰ আয়তন প্ৰায় দুই বৰ্গ কিলোমিটাৰ হ'ব আৰু জনসংখ্যা হ'ব প্ৰায় পাঁচশ জন ।

শ্ৰীযুত কতিকৰী বৰুৱা, স্বৰ্গীয় মিণাৰাম বৰা, শ্ৰীযুত দেউৰাম বৰা আৰু শ্ৰীযুত কনকেশ্বৰ বৰা আদি বাপসকলৰ অনুপ্ৰেৰণা আৰু সাংগঠনিক প্ৰচেষ্টাত ১৯৭৫ চনৰ জুলাই মাহত এঘাৰ ঘৰ গৃহস্থীৰে এটি প্ৰাথমিক শাখা সংঘ গঠন কৰা হয় । গাৱঁৰ নাম অনুসৰি এই প্ৰাথমিক শাখাৰ নাম ৰকা হয় 'কৰৈয়নী শ্ৰীমন্ত প্ৰাথমিক শাখা সংঘ।' বৰ্তমান গৃহস্থীৰ সংখ্যা ২১, সংগীৰ সংখ্যা ৫৫ জন ।

এই প্ৰাথমিক শাখা সংঘৰ আৰম্ভণিৰপৰা বৰ্তমানলৈকে সভাপতি শ্ৰীযুত দেউৰাম বৰা, সম্পাদক শ্ৰীৰেৱ বৰা আৰু পুথি ভৰালী শ্ৰীকনকেশ্বৰ বৰা ।

# মূদৈ গাঁও জয় গুৰু প্ৰাথমিক

### গঠন ঃ ১৯৭৫ চন

গোলাঘাট জিলাৰ মিছামৰা মৌজাৰ দেৰগাঁও থানাৰ অন্তৰ্ভুক্ত মুদৈগাঁও এখনি বুৰঞ্জী প্ৰসিদ্ধ গাঁও । গাৱঁৰ দক্ষিণ পশ্চিম কোণত থকা অভয়পুৰীয়া ৰজাদিনীয় পুখুৰীটোৱেই ইয়াৰ সাক্ষী বহন কৰিছে । আহোম ৰজাৰ দিনত এই ঠাইৰ লোক বেপাৰ বাণিজ্য কৰাৰ প্ৰবাদ থকাৰ বাবেই এই গাৱঁৰ নাম মূদৈ গাঁও হ'ল বুলি জনা যায় । এশ ঘৰ গৃহস্থীৰে প্ৰায় সাতশজন জনসংখ্যাৰে এখনি বৃহৎ গাঁও । গাঁওখনৰ উত্তৰে দাধৰা, দক্ষিণে ৰাজ্যিক পশু চিকিৎসালয়, পূবে মিছামৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু পশ্চিমে

দুলীয়া আলি আৰু সাগৰ গাঁও । গাঁওখনত থকা দুভাগি নামঘৰত গাঁওখনৰ চাৰিওখন প্ৰাথমিকৰ প্ৰায় ৭০ ঘৰ গৃহস্থীয়ে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংবিধানৰ আধাৰত মহাপুৰুষীয়া ধৰ্ম পালন কৰি আছে । দূৰ-দূৰণিৰ খেলুৱৈয়ে খেলিবপৰা চৰকাৰী অনুদানেৰে অৰ্দ্ধনিৰ্মিত বৰটিকা ষ্টেডিয়াম, মুহিৰাম হাজৰিকা মধ্য আৰু উচ্চ ইংৰাজী বিদ্যালয়, ৰাজ্যিক পশু চিকিৎসালয়, পুথিভঁৰাল, মইনা পাৰিজাত, পশ্চিম মিছামৰা মহিলা সমিতি, দুখন প্ৰাইমেৰী বিদ্যালয়েই অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভিতৰত প্ৰধান ।

১৯৭৫ চনৰ আৰম্ভণিতে ১৮ ঘৰ গৃহস্থীয়ে "জয় গুৰু" নামকৰণেৰে প্ৰাথমিক শাখাটি গঠন কৰা হয় । প্ৰয়াত যোগেন দত্ত আৰু ভোলা ফুকনে প্ৰাথমিক গঠনত গুৰি ধৰিছিল । প্ৰাক্তন মূল সংঘৰ উপ পদাধিকাৰ শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া, হেম শইকীয়া বৈষ্ণৱ পণ্ডিত কুশেশ্বৰ কলিতাদেৱৰ প্ৰাথমিক শাখা গঠনত যথেষ্ট অৱদান আছে । প্ৰাথমিক শাখাৰ সৰ্বশ্ৰী সোমেশ্বৰ দত্ত ভোগেশ্বৰ হাজৰিকা, ভোলা হাজৰিকা, মাণিক দত্ত, হৰেশ্বৰ দত্ত আদিৰ প্ৰাথমিক শাখাটি গঠনত থকা অৱদান উল্লেখযোগ্য । সংগীসকলৰ ভিতৰত অধ্যাপক, চিকিৎসক, চাহ বাগান ব্যৱসায়ী শিক্ষকৰ উপৰি বিভিন্ন বিভাগৰ কৰ্মচাৰী, বেপাৰ-বাণিজ্য আৰু অধিকাংশই কৃষিজীৱী। শিক্ষিত নিবনুৱা যুৱক-যুৱতীৰ সংখ্যাও কম নহয় । সংগীসকলৰ মাজত সমবায় ভিত্তিত আহুখেতি, কুঁহিয়াৰ যাতায়তৰ বাবে ৰাস্তা পদূলি বন্ধা আদি উন্নয়নমূলক কাম-কাজ কৰাৰ পদ্ধতি আছে । ৰাস্তাৰ কাম কৰি থকা অৱস্থাতে প্ৰাথমিক শাখাৰ নামকৰণ 'জয়গুৰু' থিৰাং কৰে । এই প্ৰাথমিক শাখাটিয়ে বিভিন্ন সময়ত ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি মহাপুৰুষীয়া ধৰ্ম তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৰীতি আদৰ্শ প্ৰচাৰৰ দিশত অহৰহ চেষ্টা কৰি আহিছে। সংগীসকলে প্ৰচাৰৰ দিশত গুৰুজনাৰ জন্মোৎসৱ, শিশু সমাৰোহ, যুৱ সমাৰোহ, আইমাতৃ সমাৰোহ অনুষ্ঠিত কৰাৰ উপৰি চাহ বাগান আদিতো গুৰুধৰ্ম প্ৰচাৰ অব্যাহত ৰাখিছে এই অনুষ্ঠানসমূহত সৰ্বশ্ৰী ভোলা হাজৰিকা, সোমেশ্বৰ দত্ত, ভোগেশ্বৰ হাজৰিকা আদিৰ অৱদান উল্লেখযোগ্য । গোলাঘাট উত্তৰ আঞ্চলিকৰ কৰ্বৈয়নীত হোৱা যুৱ সমাৰোহত বৰগীত প্ৰতিযোগিতাত প্ৰাথমিকৰ বন্তী হাজৰিকাই প্ৰথম পুৰস্কাৰ লাভ কৰে । সৰ্বশ্ৰী ভোলা হাজৰিকা, মোহদা হাজৰিকা, সোমেশ্বৰ দত্ত, গোবিন চন্দ্ৰ হাজৰিকা, ভোগেশ্বৰ হাজৰিকা আদি ব্যক্তিসকলে ভিনভিন সময়ত প্ৰাথমিক, আঞ্চলিক, জিলা তথা মূল সংঘত বিভিন্ন দায়িত্বত প্ৰতিনিধিত্ব কৰিছে । সংঘৰ গোপনীয়তা ভংগ কৰাৰ অপৰাধত

শ্ৰীসোমেশ্বৰ দত্তক সংগীপদ বাতিল কৰাত প্ৰাথমিক তথা গোলাঘাট উত্তৰ আঞ্চলিক শাখাত সাংগঠনিক বিভ্ৰাটে দেখা দিয়ে । পুনৰ ২৮।১০।৯৮ তাৰিখত গুৱাল গাঁও নামঘৰত হোৱা সাংগঠনিক সভাত সৌহাদ্যমূলক ভাৱে বিষয়টো নিষ্পত্তি কৰা হয় । এই ক্ষেত্ৰত প্ৰয়াত ঋষেশ্বৰ দলৈ প্ৰভুৰ বৰঙণি আছিল অপৰিসীম ।

**১৯৭৫ চনৰপৰা বৰ্তমানলৈকে সভাপতি আৰু সম্পাদকসকলৰ নাম-**

**সভাপতি ঃ** সৰ্বশ্ৰী ভোগেশ্বৰ হাজৰিকা, সোমেশ্বৰ দত্ত, নগেন হাজৰিকা, বৰ্তমান সভাপতি শ্ৰীভোগেশ্বৰ হাজৰিকা ।

**সম্পাদক ঃ** সৰ্বশ্ৰী মানিক দত্ত, গোবিন চন্দ্ৰ হাজৰিকা, সোমেশ্বৰ দত্ত, অনন্ত কুমাৰ দত্ত, প্ৰবীন দত্ত, আৰু সুৰেণ দত্ত ।

বৰ্তমান সম্পাদক শ্ৰীসুৰেন দত্ত ।

# কৰৈয়নী যদুমণি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৬ চন

(ক) গোলাঘাট মহকুমাৰ মিছামৰা মৌৰ উত্তৰ ফালে থকা গেলাবিল নদীৰ উত্তৰ অংশত এই গাঁও অৱস্থিত । এই গাৱঁৰ মাজেদি জৰাগুৰি ৰঙামাটি নামে গড় কাপ্তানি পথ পাৰ হৈ গৈছে ।

লোক প্ৰবাদমতে এই গাৱঁত প্ৰচুৰ পৰিমাণে কৰৈ গছ আছিল । অধিক কৰৈ গছ থকাৰ বাবে এই গাৱঁৰ নাম কৰৈয়নি দিছিল বুলি জনা যায়।

এই গাঁওখনৰ ৰাজহ চক্ৰ মতে দুটা ভাগ ঃ এটাৰ নাম পুলি কৰৈয়নি আৰু আনটোৰ নাম বৰ কৰৈয়নি ।

উত্তৰে ২ নং খকগুগুৰি, পুৱে কোবাল গাঁও, দক্ষিণে গেলাবিল নদী, পশ্চিমে বালিদোৱা গাঁও ।

এই গাৱঁৰ জনসংখ্যা প্ৰায় তিনিহাজাৰ দুশ । গুণসম্পন্ন ব্যক্তিৰ নাম উল্লেখ্য ঃ এই গাৱঁৰ উল্লেখযোগ্য গুণ সম্পন্ন ব্যক্তিসকলৰ ভিতৰত প্ৰয়াত ভোকোন ভৰাঁলী, দেউৰাম বৰা, মিনাই বৰা পদ্মকান্ত দেৱ গোস্বামী, ধৰ্মেশ্বৰ বৰা আদি ।

**অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ইয়াত জড়িত ব্যক্তিসকলৰ নাম ঃ**

এই গাৱঁত এখন উচ্চ ইংৰাজী বিদ্যালয় দুখন প্ৰাথমিক বিদ্যালয়, এটি পুথিভঁৰাল আছে । এই গাৱঁতে ন মাটি আহঁত গুৰি সত্ৰ নামে এখন

সত্ৰও আছে । এই গাৱঁত থকা অনুষ্ঠান প্ৰতিষ্ঠানবিলাকত ওপৰত উল্লেখ কৰা গুণ সম্পন্ন ব্যক্তিসকল সদায় জড়িত হৈ আছিল ।

এই গাৱঁত থকা সত্ৰৰ মাজতে এই সত্ৰৰ ভকত হৈয়ো প্ৰয়াত দেউৰাম বৰা, মিনাই বৰা আৰু শ্ৰীকনকেশ্বৰ বৰাৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলতে এই গাৱঁত কৰৈয়নী শ্ৰীমন্ত প্ৰাথমিক নামে এখনি প্ৰাথমিক ১৯৭৬ চনতে গঠন কৰা হয় । বৰ্তমান এই প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ২১ ঘৰ সংগীৰ সংখ্যা বৰ্তমান ৫৬ জন ।

**প্ৰচাৰ প্ৰসাৰ আৰু সংগঠনৰ দিশত প্ৰাথমিক শাখাৰ ভূমিকাঃ** প্ৰাথমিক গঠন হোৱাৰ পিছত এই গাৱঁত গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ সৌজন্যত দুবাৰকৈ গুৰুজনাৰ জন্মোৎসৱ, এবাৰ যুৱ আৰু আই মাত্ৰ সমাৰোহ উলহ-মালহেৰে পতা হয় । শিশুসকলৰ আধ্যাত্মিক বিকাশৰ বাবে শিশু সমাৰোহ পতা হয় । এই ধৰণে গুৰু ধৰ্ম প্ৰচাৰ-প্ৰসাৰ দিশত প্ৰতিমাহে ধৰ্মালোচনী সভা প্ৰাথমিক ভিত্তিত পতা হয় । ইয়াৰ ফলশ্ৰুতিতেই কৰৈয়নী যদুমণি প্ৰাথমিক শাখা নামেৰে এখনি প্ৰাথমিক শাখা গঠন কৰা হয় ।

এই প্ৰাথমিকৰ সংগীসকলৰ আৰ্থ-সামাজিক অৱস্থা স্বচ্ছল নহয় । কৃষিৰ ক্ষেত্ৰত বৰষুণৰ ওপৰত নিৰ্ভৰশীল সংগীসকলে কোনো বছৰত পানীৰ অভাৱত খেতি কৰিব নোৱাৰে আৰু বানপানী আদিৰ বাবেও খেতি নহয়। মুঠতে এই অঞ্চলটোৰ ৰাইজ অৰ্থনৈতিক দিশত উন্নত নহয় ।

প্ৰয়াত দেউৰাম বৰা কৰৈয়নী গাৱঁৰ নিবাসী, প্ৰয়াত মাঘিৰাম বৰা (মুক্তিয়াৰ)ৰ এক মাত্ৰ পুত্ৰ এই গাৱঁৰ এজন গণ্যমান্য ব্যক্তি আছিল । তেখেত প্ৰাথমিকৰ এজন নামাচাৰ্য্য আছিল । তেখেতে নিজা ঘৰৰ সমীপত প্ৰায় দুই কঠা মাটি প্ৰাথমিকৰ নামঘৰ সাজিবৰ বাবে কেইবাখন প্ৰাথমিকৰ সাক্ষাতে দান কৰে আৰু তাতেই বৰ্তমান প্ৰাথমিকৰ নামঘৰটি আছে । তেখেত ইয়াৰ আগতে খকন্দগুৰি প্ৰাথমিকৰ সংগী আছিল স্মৰণযোগ্য যে তেখেতে এই নামঘৰৰ মণিকূটত নাম-প্ৰসংগ কৰি থাকোতেই মনুষ্য দেহা ত্যাগ কৰি পৰমাত্মাত বিলীন হৈ গ'ল ১৯৯০ চনত প্ৰয়াত মিনাই বৰা প্ৰয়াত ভেকোলা বৰাৰ পুত্ৰ । তেখেত এজন আগৰণুৱা ব্যক্তি আছিল। প্ৰয়াত বৰা বাপ খকন্দগুৰি প্ৰাথমিকৰ সংগী আছিল । প্ৰায় ৫৮ বছৰ বয়সত তেখেত বৈকুণ্ঠীগামী হয় । শ্ৰীকনকেশ্বৰ প্ৰয়াত সোমেশ্বৰ বৰাৰ পুত্ৰ । তেখেত এজন সংঘৰ অক্লান্ত কৰ্মী । বৰ্তমান এই প্ৰাথমিক সংগী কৰি ৰখাৰ ক্ষেত্ৰত অহৰহ ভাৱে লাগি বৰ্তমান অৱস্থা পাইছেহি । অন্যহাতে এখেত এজন সমাজ কৰ্মী আৰু জিলা সদস্য আছিল । শ্ৰীৰেৱকান্ত বৰা

এখেত প্ৰাথমিক গঠন হোৱাত দহ বছৰলৈকে প্ৰাথমিকৰ সম্পাদক হৈ কাৰ্য্য নিৰ্বাহ কৰিছিল । এখেত বেতিয়নি কাকতি গাওঁৰ নিবাসী প্ৰয়াত মনেশ্বৰ বৰাৰ পুত্ৰ । চাকৰি কৰিবলৈ আহি ইয়াতে বসতি কৰিবলৈ লয়। বৰ্তমান প্ৰাথমিকৰ সভাপতি আৰু গোলাঘাট উত্তৰ আঞ্চলিকৰ উপ সভাপতি হিচাপে কাৰ্য্য কৰি আছে । তেখেত কৰৈয়নী মধ্য ইংৰাজী বিদ্যালয়ৰ এগৰাকী কৃতি শিক্ষক ।

শ্ৰীজিতেন বৰা ২ নং থকন্দগুৰি গাওঁৰ নিবাসী প্ৰয়াত কন্দুৰা বৰাৰ পুত্ৰ । প্ৰাথমিকৰ বৰ্তমান সম্পাদক আৰু গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ সহকাৰী সম্পাদক । প্ৰাথমিকৰ কাৰ্য্য প্ৰণালী চলোৱাত যথেষ্ট দায়িত্ব সহকাৰে কাম কৰি প্ৰাথমিকখন প্ৰগতিৰ দিশত আগবঢ়াই নিয়াত যথেষ্ট অৰিহণা যোগাইছে । ১৯৭৬ চনৰ পৰা বৰ্তমানলৈকে সভাপতি-সম্পাদকসকল হ'ল সভাপতি প্ৰয়াত দেউৰাম বৰা, সৰ্বশ্ৰী কনকেশ্বৰ বৰা, আৰু বেৰকান্ত বৰা । সম্পাদক সৰ্বশ্ৰী বেৰকান্ত বৰা, ধৰ্মেশ্বৰ বৰা, জিতেন বৰা ।

# ইকৰাণী জ্যোতি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৬ চন

গোলাঘাট জিলাৰ উত্তৰ প্ৰান্তত মিছামৰা মৌজাৰ ৩৭ নং ৰাষ্ট্ৰীয় পথৰ উত্তৰফালে গেলাবিল নদীৰ কাষত অৱস্থিত ইকৰাণী গাঁওখন দীঘে ৩ কিলোমিটাৰ আৰু বহলে এক কিলোমিটাৰ । এই অঞ্চলটি অতীত কালত ইকৰা, নল, খাগৰী আদিৰে ভৰি আছিল । এই ইকৰা কাটি মানুহে ঠাইডোখৰ বসতিৰ উপযোগী কৰে । কালক্ৰমত ইকৰা থকা বাবে সেই অঞ্চলত বসতি কৰা লোকে গাঁওখনৰ নাম ইকৰাণী ৰাখে । মিছামৰা মৌজাৰ মুদৈগাঁও, দাধৰা, ধৰমপুৰ, বাৰিচোৱা, বৰপুখুৰী পাৰ আদি ঠাইৰ লোকসকলে গৈ এই অঞ্চলত বাস কৰি খেতি কৰিছিল। তদুপৰি কৈৱৰ্ত্ত সম্প্ৰদায় আৰু ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোকসকলেও তাত বসতি কৰিবলৈ লয়। শেষত ইকৰাণী এখন গাওঁত পৰিণত হয় । এই গাওঁৰ মুঠ জনসংখ্যা প্ৰায় ৬০০ জন আৰু গৃহস্থীৰ সংখ্যা ৯০ ঘৰ । এই গাওঁৰ আয়তন দুই বৰ্গ কিলোমিটাৰ, এই গাওঁৰ উত্তৰে গেলাবিল নদী, দক্ষিণে ৩৭ নং ঘাই ৰাষ্ট্ৰীয় পথ, পূবে লোৱাদোং জান, পশ্চিমে ৰঙামাটি মৌজা ।

এই গাওঁৰ বিশিষ্ট ব্যক্তিসকল হ'ল সৰ্বশ্ৰী স্বৰ্গীয় বাপুকণ শইকীয়া,

কমাৰ বুঢ়া, কান্তি বৰা, কণ্ঠি বৰা শইকীয়া, মুকুটা বৰা, বাপ বৰা, পূৰ্ণ বৰা অতুল শইকীয়া, আনন্দ শইকীয়া, দেউৰাম শইকীয়া আৰু নগেন শইকীয়া। এই গাৱঁত তিনিখন প্ৰাথমিক বিদ্যালয় আৰু এখন মধ্য ইংৰাজী বিদ্যালয় আছে ।

আজিৰপৰা ২৫ বছৰৰ পূৰ্বে ইকৰাণী গাৱঁৰ কেইজনমান ব্যক্তিয়ে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শৰ প্ৰতি লক্ষ্য কৰি ইকৰাণী গাৱঁত এখন প্ৰাথমিক গঠনৰ জল্পনা কল্পনা চলে । শেষত ১৫ ঘৰ গৃহস্থী লৈ এখন প্ৰাথমিক গঠন কৰা হয় । সেই প্ৰাথমিক শাখাটিৰ নাম 'জ্যোতি' প্ৰাথমিক ৰখা হয় ।

এই শাখাটি গঠনত দাধৰা কল্পতৰু প্ৰাথমিক শাখাৰ অৱদান স্মৰণীয়। কল্পতৰু প্ৰাথমিক শাখাৰ ৬ ঘৰ গৃহস্থীয়ে আহি প্ৰথমতে সংগী ভৰ্তি হয়। তেওঁলোকৰ ইকৰাণীৰ পৰা আহি দাধৰাত বিভিন্ন সেৱা কৰ্ম আদিত যোগ দান কৰাত অসুবিধা হোৱাত আৰু যোগাযোগৰ ব্যৱধান দূৰ হোৱা বাবে ১৯৭৬ চনত আৰু কেইঘৰ গৃহস্থীৰ সহযোগত এই প্ৰাথমিকখনি খোলা হয়। পূৰ্বৰ ৬ ঘৰ গৃহস্থী সহ তাত ১৫ ঘৰ গৃহস্থী সংগীভুক্ত হয় । শ্ৰীবাপুৰাম শইকীয়াক সভাপতি আৰু শ্ৰীআনন্দ শইকীয়াক সম্পাদক হিচাপে নিৰ্বাচন কৰি প্ৰাথমিক শাখাটিয়ে জিলা শাখাৰ স্বীকৃতি বিচাৰে । জিলা শাখাই স্বীকৃতি প্ৰদান কৰে ।

প্ৰাথমিক শাখাটি খোলাৰ পাছত তাত এখন ধৰ্মালোচনী সভা হয়। তাত সেই সময়ৰ মূলৰ সম্পাদক বৰ্তমান প্ৰাক্তন উপ-পদাধিকাৰ শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া বাপ, জিলা সম্পাদক (প্ৰাক্তন) শ্ৰীহেম শইকীয়া বাপ আৰু প্ৰয়াত বৈষ্ণৱ পণ্ডিত কুযেশ্বৰ কলিতা বাপে ভাষণ প্ৰদান কৰে । এইসকলৰ পৰামৰ্শমতে প্ৰাথমিকখনি অগ্ৰগতি কৰাত অনুপ্ৰেৰণা লাভ কৰে ।

'জ্যোতি প্ৰাথমিক শাখাৰ সহযোগত আশে-পাশে আৰু দুখন প্ৰাথমিক গঢ়ি উঠে । প্ৰাথমিকৰ বিশিষ্ট সংগীসকল হ'ল বাপুকণ শইকীয়া, শ্ৰীআনন্দ শইকীয়া, অকণি বৰা, দেউৰাম শইকীয়া, সোণ হাজৰিকা । এইসকল লোকে গুৰুজনাৰ আদৰ্শ প্ৰচাৰ আৰু প্ৰসাৰত আগ-ভাগ লৈছিল ।

প্ৰাথমিক শাখাৰ সংগীসকলৰ আৰ্থ সামাজিক দিশ বৰ উন্নত নহয়। ১৯৮৭/৮৮ চনৰ বান পানীয়ে এই অঞ্চলৰ লোক সকলক একেবাৰে জুৰুলা কৰাত সংগীসকলৰ যথেষ্ট ক্ষতি হয় ।

এই প্ৰাথমিক শাখাৰ স্মৰণীয় প্ৰয়াত ব্যক্তি হ'ল স্বৰ্গীয় গজেন বৰা, এখেতৰ জন্ম ১৯৪৯ চন আৰু মৃত্যু ১৯৭৮ চনৰ ১৪ জানুৱাৰীত ।

তেখেতে ইকৰাণি প্ৰাথমিক শাখাটি বহুদূৰ আগবঢ়ায় গ'ল । আন এগৰাকী স্বৰ্গীয় বাপুকণ শইকীয়া এখেত ১৯১৫ চনত জন্ম গ্ৰহণ কৰি ৮৫ বছৰ বয়সত মৃত্যু হয় । এখেত ইকৰাণী জ্যোতি প্ৰাথমিকৰ জন্ম লগ্নৰ পৰা জড়িত হৈ আছিল । বৰ্তমান সংগীসকলৰ ভিতৰত শ্ৰীগুণীন শইকীয়া শ্ৰীদেউৰাম শইকীয়া আৰু শ্ৰীআনন্দ শইকীয়া । এই কেইজনৰ চেষ্টাতে প্ৰাথমিক শাখাটিয়ে গুৰু ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত আগবাঢ়ি গৈছে ।

**আৰম্ভণিৰেপৰা বৰ্তমানলৈকে জ্যোতি প্ৰাথমিক শাখাৰ সভাপতি আৰু সম্পাদকসকল হ'ল ঃ**

**সভাপতিসকল ঃ** শ্ৰীবাপুকণ শইকীয়া, শ্ৰীসোণ হাজৰিকা, শ্ৰীঅকণি বৰা, শ্ৰীদেউৰাম শইকীয়া, শ্ৰীআনন্দ শইকীয়া ।

**সম্পাদকসকল ঃ** শ্ৰীআনন্দ শইকীয়া, শ্ৰীগোপাল বৰা, শ্ৰীমহেন শইকীয়া। ইয়াৰ ভিতৰত শ্ৰীআনন্দ শইকীয়াই আৰম্ভণিৰপৰা ৫ বাৰ সম্পাদকৰ দায়িত্ব পালন কৰে । বৰ্তমান শ্ৰীআনন্দ শইকীয়া সভাপতি আৰু শ্ৰীমহেন শইকীয়া বাপে সম্পাদক হিচাপে কাৰ্য্য নিৰ্বাহ কৰি আছে ।

# জৰাগুৰি জগন্নাথ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮২ চন

গোলাঘাট জিলাৰ মিছামৰা মৌজাৰ অন্তগৰ্গত ব্ৰহ্মপুত্ৰ আৰু গেলাবিলৰ মধ্যাংশত দিছৈ নদীৰ পাৰত অৱস্থিত জৰাগুৰি অঞ্চল আজিৰ পৰা প্ৰায় ৪০ বছৰৰ আগতে এই অঞ্চল নল, খাগৰী, বিৰিণা, কহুৱাৰে ভৰপূৰ আছিল । কালক্ৰমত মুদৈ গাঁও, কুমাৰ গাঁও, সাগৰ গাঁও, হাবি গাঁও আদি গাৱঁৰপৰা অহা লোকসকলে পমুৱা হিচাপে প্ৰথমে খেতি-বাতি আৰম্ভ কৰি ক্ৰমান্বয়ে স্থায়ী বাসিন্দা হয় । চাহ জনজাতিৰ কিছুলোকে গৰু-ম'হৰ খুটি পাতি গাখীৰৰ ব্যৱসায় কৰে । প্ৰয়াত ভোলাই দত্ত, বাপুতি বুঢ়া, নেপালি বুঢ়া, সোমেশ্বৰ দত্ত, কেদু বুঢ়া, কোন্দাই বুঢ়া আদি । তদুপৰি নেপালী আৰু মিচিং সম্প্ৰদায়ৰ লোকেও হাবি-বন কাটি মুকলি কৰি স্থায়ীভাৱে বাস কৰিবলৈ লয় । জনশ্ৰুতিমতে এই অঞ্চলত প্ৰচুৰ পৰিমাণে জৰাটেঙা পোৱা গৈছিল আৰু জৰা টেঙাৰপৰাই জৰাগুৰি হয় বুলি মানুহৰ বিশ্বাস । এই গাৱঁৰ পূবে ১নং খকগুৰি, পশ্চিমে ৰঙামাটি মৌজা, উত্তৰে দিচৈ নদী, দক্ষিণে বালিদোৱা গাঁও । জন সংখ্যা প্ৰায় ২২০০ জন । এই

গাৱঁত বৰ্তমান ৫ খন প্ৰাইমেৰী বিদ্যালয়, ১ খন মধ্য ইংৰাজী আৰু উচ্চ ইংৰাজী বিদ্যালয় আছে । এটি ডাকঘৰ, যুৱ সংঘ আৰু তিনিটা নামঘৰে মহাপুৰুষীয়া সমাজখনৰ অস্তিত্বৰ প্ৰমাণ দিয়ে । সৰ্বশ্ৰী ৰামেশ্বৰ হাজৰিকা, বুকুল দত্ত, বগাই দত্ত, পোনা হাজৰিকা, দুৰ্গেশ্বৰ হাজৰিকা, সোন্তি হাজৰিকা, ৰবীন বৰা, পুৱাৰাম বৰা, লীলাধৰ দত্ত, গোপীনাথ মাঝি, নিতুল হাজৰিকা, লক্ষণা দত্ত, ধৰ্মেশ্বৰ বৰা আদি ব্যক্তিসকল গাঁওখনৰ প্ৰতিটো উন্নয়ণমূলক কাম-কাজৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত ।

প্ৰায় ২৩ বছৰৰ আগতে মলাই কুমাৰ গাঁও আৰু মুদৈ গাৱঁৰ কেইঘৰমান গৃহস্থীয়ে জৰাগুৰি অঞ্চলত এভাগি প্ৰাথমিক গঠন কৰে । সেয়া আছিল ১৯৭৬ চনৰ কথা । পুনৰ ১৯৮২ চনত জৰাগুৰিত মুদৈ গাৱঁৰ লোকসকলে 'জৰাগুৰি জগন্নাথ' প্ৰাথমিক শাখা নামেৰে অন্য এভাগ প্ৰাথমিক গঠন কৰে । সভাপতিৰ আৰু সম্পাদকৰ দায়িত্ব বহন কৰে - ক্ৰমে শ্ৰীবিপিন হাজৰিকা, শ্ৰীপোনা হাজৰিকা। প্ৰাথমিকখনি গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ অন্তৰ্গত হয় । বৰ্তমান গৃহস্থীৰ সংখ্যা ১২ ঘৰ, সংগী ৩৭ জন । প্ৰচাৰ-প্ৰসাৰত প্ৰাথমিক শাখাই বিশেষ ভূমিকা পালন কৰি আহিছে । আৰম্ভণিতে ছয়ঘৰ গৃহস্থীৰ পৰা ১২ ঘৰলৈ বৃদ্ধি হ'ল, দাঁতি কাষৰীয়া গাঁওসমূহত গুৰুধৰ্ম প্ৰচাৰ, অনুসূচীত জাতি, চাহ-জনজাতি, মিছিং সম্প্ৰদায় আৰু বেংগলীলোক সকলৰ মাজত গুৰুধৰ্ম প্ৰচাৰৰ বিভিন্ন কাৰ্য্যসূচীৱেই প্ৰচাৰ প্ৰসাৰৰ উল্লেখযোগ্য দিশ । যুৱক-যুৱতী, আই-মাতৃ, শিশুসকলক গুৰু ধৰ্মৰ প্ৰতি আকৃষ্ট কৰিবলৈ প্ৰাথমিক শাখাই সাপ্তাহিক আৰু মাহেকীয়া ধৰ্মালোচনী সভা অনুষ্ঠিত কৰি আহিছে । শিশুসকলৰ গুৰু পৰিচয় কৰি ধৰ্মীয় দিশত অৰিহণা যোগাইছে ।

প্ৰাথমিকৰ সংগীসকলৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল নহয় । বছৰি বছৰি হোৱা বান পানীয়েই ইয়াৰ প্ৰধান কাৰণ । প্ৰায়লোকেই কৃষিজীৱী যদিও দুই-এগৰাকী চৰকাৰী কৰ্মচাৰী, বেপাৰ-বাণিজ্য কৰা লোকো আছে। নিয়মিতভাৱে সকলো সংগীয়েই মুষ্টিদান ৰাখে । মুষ্টিদান সংগ্ৰহৰ জৰিয়তেই প্ৰকৃততে প্ৰাথমিকৰ মূল পুঁজি গঠিত হৈছে ।

**শ্ৰীপোনা হাজৰিকা ঃ** জন্ম হয় ১৯৪০ চনত । উচ্চ ইংৰাজী বিদ্যালয়ত দশমমান শ্ৰেণীলৈকে পঢ়ি স্কুলীয়া শিক্ষা শেষ কৰে । মহাপুৰুষীয়া ধৰ্মৰ এজন নিষ্ঠাবান সংগী আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এগৰাকী একনিষ্ঠ সংগী । বিভিন্ন জনকল্যাণমূলক কামত জড়িত । জৰাগুৰি আৰু জৰাগুৰি জগন্নাথ প্ৰাথমিকৰ প্ৰতিষ্ঠাতা সম্পাদক। গুৰু ধৰ্ম তথা শ্ৰীমন্ত

শংকৰদেৱ সংঘৰ নীতি আদৰ্শ প্ৰচাৰ কৰি বহুলোকক সংঘৰ সংগী ভুক্ত কৰিছে । বৰ্তমানেও গুৰুধৰ্ম প্ৰচাৰৰ কাৰ্য্যতে লাগি আছে।

**ৰামেশ্বৰ হাজৰিকা ঃ** মিছামৰা মৌজাৰ মুদৈ গাৱঁত ১৮৪৫ শকত জন্ম হয় । মুদৈ গাৱঁতে প্ৰাথমিক শিক্ষা শেষ কৰি শিক্ষা জীৱনৰ অৱসান ঘটায় । গুৰু ধৰ্মৰ নীতি আদৰ্শ, সদাচাৰত আকৃষ্ট হৈ গুৰু ধৰ্ম গ্ৰহণ কৰি সুদীৰ্ঘকাল একশৰণ হৰিনাম ধৰ্মৰ প্ৰচাৰত আত্ম নিয়োগ কৰি আহিছে ।

**আৰম্ভণিৰেপৰা বৰ্তমানলৈকে সভাপতি আৰু সম্পাদকৰ নাম ঃ**

**সভাপতি ঃ** সৰ্বশ্ৰী বিপিন হাজৰিকা, উপেন হাজৰিকা, বগাই দত্ত, পুৱাৰাম বৰা, বিপিন হাজৰিকা, পোনা হাজৰিকা, সোন্তী হাজৰিকা, ৰামেশ্বৰ হাজৰিকা, ফণীধৰ হাজৰিকা ।

**সম্পাদক ঃ** সৰ্বশ্ৰী পোনা হাজৰিকা, (৩ বছৰ), সোন্তি হাজৰিকা, পোনা হাজৰিকা, ইন্দ্ৰ হাজৰিকা, ৰবীন বৰা, নিতুল হাজৰিকা, ৰবীন বৰা।✧

# হাবিগাঁও মিলন প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮৩ চন

হাবিগাঁও নামটো অতি পুৰণি নাম । এই গাৱঁৰ চাৰিসীমা এনে ধৰণৰ - পূৱে সাগৰ গাঁও, মুদৈ গাঁও আৰু বৰটিটা গ্ৰেজিং । পশ্চিমে দাধৰা গড়কাপ্তানি আলি, উত্তৰে - ৩৭ নং ৰাষ্ট্ৰীয় পথ আৰু ৰাংগলিটিং চাহ বাগিছা আৰু দক্ষিণে- উত্তৰ-পূৱ সীমান্ত ৰেল শাখা, ৰেল পথ আৰু মিছামৰা চাহ বাগিছা । এই গাৱঁৰ দৈৰ্ঘ্য প্ৰায় এক কিলোমিটাৰ আৰু প্ৰস্থ প্ৰায় ১.৫ কিলোমিটাৰ । হাবিগাৱঁৰ মুঠ প্ৰায় ৮৫ ঘৰ জনসংখ্যা ৫০০ জন ।

'হাবিগাঁও' নামটো আমাৰ উপৰিপুৰুষ পিতামহ সকলৰ সৃষ্টি । তেখেতসকল পূৰ্বতে বৰুৱাবামুণ গাৱঁৰ ওচৰৰ 'বৰুৱা', গাৱঁত বাস কৰিছিল আৰু তাৰে কিছুলোক 'গুৱাল গাৱঁত' বাস কৰিছিল । এই 'গুৱাল গাৱঁত' বাস কৰি থাকোতে তাত জনসংখ্যা বৃদ্ধি হোৱাত তথা খেতিৰ মাটিবো নাটনি হোৱাত তাৰে ৪/৫ টা বংশৰ মানুহ মাটি বিচাৰি এই অঞ্চললৈ আহে। তেতিয়া ইয়ালৈ অহা বংশ কেইটাৰ লোকসকল হ'ল - যথাক্ৰমে বৰুৱা বংশৰ দুজন, ভেনা বংশৰ দুজন, মৈচন্দিয়া বংশৰ দুজন আৰু চাপৰিয়াল বংশৰ এজন । এই লোকসকল আহি প্ৰথমতে ইয়াত হাবি তথা কোৰোকানি

ভাঙি মাটি উলিয়াইছিল । অটব্য হাবি-জংঘল ভাঙি খেতিৰ মাটি উলিয়াই ইয়াতে বসবাস কৰিবলৈ লয় । সেইবাবে অতি কষ্টৰে হাবি কাটি, জংঘল ভাঙি মাটি উলিয়াই বসবাস কৰি গাঁও পতাৰ কাৰণে, তেখেতসকলে এই গাঁৱৰ নামকৰণ কৰিছিল - 'হাবিগাঁও ।'

ক্ৰমান্বয়ে এই গাঁৱঁত তেখেতসকলৰ জনসংখ্যা বাঢ়ি অহাত এখন সমাজ পাতি চলন-ফুৰণ কৰিবলৈ লয় । ধৰ্ম কৰিবৰ বাবে এটি নামঘৰ সাজি লয় । কিছু বছৰৰ পাছত এটি প্ৰাথমিক শিক্ষানুষ্ঠান পাতি তাতে ল'ৰা-ছোৱালীৰ পঢ়াৰ সুবিধা কৰি দিয়ে । বৰ্তমান এই গাঁওখন এখন ৰাজহ গাঁও ।

হাবি গাঁৱৰ লোকসকলৰ বৰ্তমান জীৱিকাৰ ঘাই পথ হ'ল কৃষি । কৃষিৰ ওপৰতেই বিশেষকৈ ধান আৰু কুঁহিয়াৰ খেতিৰ ওপৰতে নিৰ্ভৰ কৰি চলিব লাগে । বৰ্তমান এই গাঁৱৰ শিক্ষাৰ ক্ষেত্ৰত কিছু আগবাঢ়িছে । গাঁৱৰ প্ৰায় ৬০ শতাংশ মানুহেই শিক্ষিত । কিন্তু চৰকাৰী কৰ্ম সংস্থাপনৰ ক্ষেত্ৰত গাঁওখনৰ অৱস্থা ভাল বুলিব নোৱাৰি । যিহেতু গাঁওখনৰ প্ৰায় ২০ শতাংশ মানুহহে চৰকাৰী সংস্থাপনভোগী । এই গাঁওখনত অনুষ্ঠানৰ ভিতৰত এখন প্ৰাথমিক বিদ্যালয়, দুটি নামঘৰ, এটি পুথি ভঁড়াল আৰু এটি মহিলা সমিতিৰ কাৰ্য্যালয় আছে । ইয়াৰ বাহিৰে ইয়াত বৰ্তমানলৈকে একো অনুষ্ঠান গঢ়ি উঠা নাই ।

১৯৭১ চনৰপৰা এই গাঁৱৰ কিছু সংখ্যক লোক শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শৰ প্ৰতি অনুৰক্ত হয় । এইসকল ব্যক্তিৰ ভিতৰত - স্বৰ্গীয় দেবেশ্বৰ হাজৰিকা, স্বৰ্গীয় ঘনকান্ত বৰুৱা স্বৰ্গীয় দেহীৰাম হাজৰিকা, স্বৰ্গীয় কুশল বৰা, স্বৰ্গীয় মোলোক হাজৰিকা,শ্ৰীমহেশ্বৰ হাজৰিকা, শ্ৰীভেবুকৃষ্ণ হাজৰিকা, শ্ৰীদন্দেশ্বৰ বৰুৱা আৰু শ্ৰীবংশীধৰ বৰুৱাৰ নাম বিশেষ ভাৱে উল্লেখযোগ্য । এই লোকসকলৰ প্ৰচেষ্টাতে ১৯৭৩ চনত 'শ্ৰীমন্ত শংকৰদেৱ সংঘ'ৰ মূলৰ প্ৰাক্তন সম্পাদক শ্ৰীযুত গোবিন্দ চন্দ্ৰ শইকীয়া বাপ আৰু স্বৰ্গীয় কুমেশ্বৰ কলিতা বাপৰ সৌজন্যত ৭ ঘৰ গৃহস্থীক লৈ "হাবিগাঁও শঙ্কৰজ্যোতি প্ৰাথমিক শাখা" নাম দি এখনি প্ৰাথমিক খোলা হয় । সেই শাখাত সেই সময়ত সভাপতি আছিল স্বৰ্গীয় কুশল বৰা আৰু সম্পাদক আছিল শ্ৰীদন্দেশ্বৰ বৰুৱা কিছু বছৰৰ পাছত গৃহস্থীৰ সংখ্যা ১৮ ঘৰলৈ বৃদ্ধি হয় । কিন্তু এইখিনিতে বিশেষকৈ দুটা নামঘৰৰ অংশীদাৰৰ বিষয়টোক লৈ সংগীসকলৰ মাজত মতবিৰোধ হোৱাত, শঙ্কৰজ্যোতি প্ৰাথমিক শাখাই ৬ ঘৰ গৃহস্থীক প্ৰাথমিকৰপৰা বহিষ্কাৰ কৰি দিয়ে আৰু অনিৰ্দিষ্ট কালৰ কাৰণে

সংসৰ্গৰ পৰা বিৰত ৰাখে । উক্ত ৬ ঘৰ গৃহস্থীয়েও 'শংকৰজ্যোতি প্ৰাথমিক শাখাত' নাথাকো বুলি অসম শ্ৰীমন্ত শংকৰদেৱ সংঘৰ, গোলাঘাট জিলা শাখাৰ সৈতে যোগাযোগ কৰি অন্য এখন প্ৰাথমিক শাখা দিবৰ কাৰণে আবেদন-নিবেদন কৰা হয় । সেইমৰ্মে গোলাঘাট জিলা শাখাই গৃহস্থীৰ সংখ্যা কম হৈ থকাৰ কাৰণে নতুন প্ৰাথমিক শাখা দিব নোৱাৰো বুলি জনাই আৰু লগত এইকেইঘৰ গৃহস্থীক 'মুদৈ গাঁও জয়গুৰু প্ৰাথমিক শাখাত' সংগী ভৰ্তি হৈ চলন-ফুৰণ কৰিবৰ বাবে ব্যৱস্থা কৰে । উক্ত সংগীসকলে শংকৰদেৱ সংঘৰ একনিষ্ঠ সংগী হিচাপে প্ৰায় দুইবছৰ কাল উক্ত প্ৰাথমিকৰ সংগী হৈ থাকো । পুনৰ 'জয়গুৰু প্ৰাথমিক শাখাত' থকা অৱস্থাতে সাতঘৰ গৃহস্থীয়ে আমাৰ সৈতে সহযোগ কৰাত আমি পুনৰ এখন নতুন প্ৰাথমিক পাবৰ কাৰণে জিলা শাখাত আবেদন কৰো আৰু সেই মৰ্মে গোলাঘাট জিলা শাখাই, গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ যোগেদি নতুন এখন প্ৰাথমিক শাখা খুলিবৰ কাৰণে অনুমতি দিয়ে ।

সেই অনুমতি মৰ্মে ১৯৮৩ চনৰ ২০ ফেব্ৰুৱাৰী তাৰিখে গোলাঘাট উত্তৰ আঞ্চলিকৰ বিষয়ববীয়াসকল আৰু মুদৈগাঁও, জলকানি গাঁও আৰু গুৱাল গাঁও প্ৰাথমিকৰ সংগীবাপসকল আহি হাবিগাৱঁত দ্বিতীয়খন প্ৰাথমিক শাখা - 'হাবিগাঁও মিলন প্ৰাথমিক শাখা' নামকৰণ কৰি ১৩ ঘৰ গৃহস্থীয়ে এখন নতুন প্ৰাথমিক শাখা খুলি দিয়ে ।

বৰ্তমান 'হাবিগাঁও মিলন প্ৰাথমিক'ৰ গৃহস্থীৰ সংখ্যা ২১ ঘৰ । এই শাখাৰ বৰ্তমান জনসংখ্যা ১৪০ জন আৰু সংগীৰ সংখ্যা প্ৰায় ৭৫ জন হৈছে। বৰ্তমান 'মিলন প্ৰাথমিক'ৰ সংগী বাপ শ্ৰীযুত মহেশ্বৰ হাজৰিকাদেৱক সভাপতি, শ্ৰীযুত বংশী বৰুৱা বাপক সম্পাদক হিচাপে আৰু সংগী বাপ সৰ্বশ্ৰী নবীন বৰুৱা, থানেশ্বৰ বৰুৱা, বাপীৰাম হাজৰিকা, ধৰ্মেশ্বৰ বৰা, ৰেণু বৰুৱা, ভেবুকৃষ্ণ হাজৰিকা, পুণ্যেশ্বৰ বৰা, দেউৰাম বৰা আৰু যোগেন বৰুৱাক সদস্য হিচাপে লৈ এখনি কাৰ্য্যনিৰ্বাহক সমিতি গঠন কৰি লোৱা হৈছে । ✧

# দৈয়ঙ্গীয়া চক্ৰপাণি প্ৰাথমিক

## গঠন ঃ ১৯৮৫ চন

দৈয়ঙীয়া গাৱঁৰ নামঘৰক কেন্দ্ৰ কৰি এই প্ৰাথমিক গঢ় লৈ উঠিছে। এই গাৱঁৰ পূৰ্ব পুৰুষসকল আদিতে মাজ দৈয়াঙ অঞ্চলত বাস কৰিছিল । এইলোকসকল চুতীয়া সম্প্ৰদায়ৰ লোক আছিল । এওঁলোকক তিপমীয়া

খেলৰ লোক বুলি জনা যায় । দৈয়াঙৰপৰা আহি এই অঞ্চলত বসবাস কৰালোকক দৈয়ঙীয়া বুলি কোৱা হ'ল আৰু তেওঁলোকৰ গাৱঁক দৈয়ঙীয়া গাঁও বোলা হ'ল । এই গাৱঁত চৰকাৰৰ ৰাজহ গাঁও (Boundary) তিনিখন অন্তৰ্ভুক্ত হৈছে । এই গাৱঁৰ মুঠ গৃহস্থীৰ সংখ্যা ১০০ ঘৰতকৈও অধিক আৰু জনসংখ্যা প্ৰায় ৬০০ জন । গাৱঁৰ আয়তন প্ৰায় দুই বৰ্গ কিলোমিটাৰ। গাৱঁৰ পূবে লোৱা ডোং জান, দক্ষিণে যখৈয়া পথাৰ (এই পথাৰত আহোম ৰজাৰ দিনত যৰক্ষৰীয়া খেলৰ মানুহে যৰক্ষাৰ প্ৰস্তুত কৰিছিল, এতেকে তাৰপৰা যৰক্ষৰীয়া পথাৰ বা য-খৈয়া পথাৰ হ'লগৈ) পশ্চিমে তেলিয়া সোণাৰী আলি, উত্তৰে গেলাবিল শাখা নদী ।

বৰ্তমান প্ৰাথমিকৰ নাম দৈয়ঙীয়া চক্ৰপাণি প্ৰাথমিক শাখা, গৃহস্থী ১৬ ঘৰ, সংগী ৫৮ গৰাকী ।

এই প্ৰাথমিকৰ লোকসকল আগতে দৈয়ঙীয়া কল্পতৰু আৰু দৈয়ঙীয়া প্ৰাথমিকৰ সংগী আছিল । পিছত এওঁলোক ১৯৮৫ চনত দৈয়ঙীয়া চক্ৰপাণি প্ৰাথমিক গঠন কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘ গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ অন্তৰ্ভুক্ত হয় । বৰ্তমান এই প্ৰাথমিকৰ সভাপতি শ্ৰীবলো শইকীয়া আৰু সম্পাদক শ্ৰীফটিক বৰা । ✧

# নৱজ্যোতি প্ৰাথমিক শাখা (মুদৈ গাঁও)

## গঠন ঃ ১৯৮৬ চন

পূবে মিছামৰা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, দক্ষিণে ফৰকাটিং, মৰিয়নী সংযোগী ৰেলপথৰ দাঁতিতে লাগি থকা প্ৰায় ১০০ ঘৰমান গৃহস্থীৰে মুদৈ গাঁও এখনি বৃহৎ গাঁও । শতকৰা ৮০ জন শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংগী থকা মুদৈ গাৱঁৰে অন্য এক অংশ নৱজ্যোতি প্ৰাথমিক শাখা । এই গাৱঁৰ পশ্চিম কোণত থকা ৰজাদিনীয়া পুখুৰীটোৱে গাঁওখনৰ পৌৰাণিক ঐতিহ্য বহন কৰিছে ।

সম্পূৰ্ণ কৰ্মকাণ্ড পদ্ধতিৰে চলালোকসকলৰ মাজত ১৯৭৫ চনতে এই গাৱঁত এভাগি প্ৰাথমিক গঠন হয় । পুনৰ ১৯৭৮ চনত এই গাৱঁত অন্য এভাগ প্ৰাথমিক গঠন হোৱাত কৰ্ম-কাণ্ডত প্ৰবৰ্ত্তালোকৰ সংখ্যা হ্ৰাস পায়। দুয়োভাগ প্ৰাথমিকৰ সংগীসকলৰ প্ৰচেষ্টাত, কৰ্মকাণ্ডলোকসকলৰ উপস্থিতিত মুদৈ গাঁও নামঘৰত প্ৰায় সন্ধ্যা ভাগত প্ৰতিদিনে ভাগৱত পাঠৰ জড়িয়তে

ধৰ্ম বিষয়ক আলাপ-আলোচনা অব্যাহত থাকে । সৰ্বশ্ৰী নবীন হাজৰিকা, সোমেশ্বৰ দত্ত, কণক বৰুৱা, প্ৰয়াত বংশীধৰ বৰুৱাদেৱৰ সংঘৰ নীতি-আদৰ্শ, সাংগঠনিক দিশত হোৱা বিস্তৃত ব্যাখ্যাৰ অন্তত ১২ ঘৰ গৃহস্থীয়ে কৰ্মকাণ্ডৰ প্ৰসাৰতা উপলব্ধি কৰি একশৰণবাদৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰি সংঘভুক্ত হ'বলৈ ইচ্ছা প্ৰকাশ কৰে । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সামাজিক নীতি-নিয়ম, আচাৰ ব্যৱহাৰত মুগ্ধহৈ ১৯৮৬ চনত মুদৈ গাৱঁত জন্ম হ'ল সংঘৰ তৃতীয়খন প্ৰাথমিক 'নৱজ্যোতি প্ৰাথমিক' শাখা । ১২ ঘৰ গৃহস্থীৰ পৰা বৃদ্ধি হৈ বৰ্তমান ১৯ ঘৰ হয় আৰু সংগীৰ সংখ্যা ১৪ জন । গাঁওখনৰ অন্য দুখন প্ৰাথমিক শাখাৰ লগত সকলো দিশতে সহযোগিতা অব্যাহত ৰাখিছে । প্ৰাথমিক শাখাটি গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ লগত অন্তৰ্ভুক্ত হয় । আঞ্চলিক শাখা, জিলা শাখা তথা মূলৰ বিভিন্ন কাৰ্য্যসূচীতে সক্ৰিয় অংশ গ্ৰহণ কৰি আহিছে । জিলাশাখা, মূল সংঘৰ নীতি নিৰ্দেশাৱলী মতে শিশু সমাৰোহ, যুৱ সমাৰোহ, আইমাতৃ সমাৰোহ অনুষ্ঠিত কৰি মুল সংঘৰ নীতি আদৰ্শ প্ৰচাৰ প্ৰসাৰত অৰিহণা যোগাইছে ।

প্ৰাথমিক শাখাৰ সংগীসকলৰ শতকৰা ৮০ জনেই কৃষিজীৱী । আৰ্থিক ভাৱে স্বচ্ছল নহয় । প্ৰতিমাহে মুষ্টিদান সংগ্ৰহৰ ব্যৱস্থা আছে । কাৰ্য্যালয় পৰিচালনাৰ বাবে লাগতিয়াল সকলোবিলাক নথি-পত্ৰ মূল সংঘৰ নিৰ্দেশনা অনুযায়ী ৰাখি কাৰ্য্যালয় পৰিচালনা কৰিছে । ৰঙামাটি গাৱঁলীয়া বেংকত সভাপতি, সম্পাদকৰ নামত প্ৰাথমিক শাখাৰ এটি হিচাপ খোলা হৈছে ।

১৯৮৬ চনৰ পৰা বৰ্তমানলৈকে দুবছৰীয়া কাৰ্য্যকালৰ অন্তত প্ৰাথমিক শাখাৰ কাৰ্য্যনিৰ্বাহক সমিতি সলনি কৰা হৈছে যদিও প্ৰথম সভাপতি আৰু সম্পাদক সৰ্বশ্ৰী শিৱকান্ত হাজৰিকা আৰু নগেন হাজৰিকাদেৱকে প্ৰতি দুবছৰৰ অন্তত পুনৰ নিৰ্বাচন কৰাত দুয়োজন সংগীয়েই বৰ্তমানলৈকে সভাপতি আৰু সম্পাদকৰ দায়িত্ব পালন কৰি আহিছে । ◇

## শ্ৰীমন্ত শংকৰদেৱ সংঘ, জলকাণি গাঁও প্ৰাথমিক শাখা

### গঠন ঃ ১৯৮৯ চন

জলকাণি গাঁওখনিৰ নামৰ উৎপত্তি সম্পৰ্কত এই বুলি জনা যায় যে গাঁওখনৰ যি গৰাকী বয়োবৃদ্ধ আজো ককা আছিল তেৰা অনবৰতে

জলকা লাগি বহি থাকিছিল আৰু সেই কাৰণেই সেই সময়ৰ লোকসকলে এই চুকটো জলকাণি চুক বুলি কোৱা হ'ল । শেষলৈ গৃহস্থী বৃদ্ধি হৈ অহাত চুকৰ পৰিবৰ্তে এই চুককে গাঁও বুলি জনাজাত হয় । ১৯৭১ চনত জলকাণি, মাহনিয়াল আৰু মুদৈ গাঁও একত্ৰিত হৈ শ্ৰীমন্ত শংকৰদেৱ সংঘ অনন্ত প্ৰাথমিক শাখা নামকৰণেৰে এখন প্ৰাথমিক শাখা গঠন কৰা হয় । প্ৰাথমিক শাখাটিৰ গৃহস্থী বৃদ্ধি হৈ অহাত প্ৰতি গাৱঁতে একোখনি প্ৰাথমিক শাখা গঠন কৰা হয় । জলকাণি গাঁও ভিত্তিত দহঘৰ গৃহস্থীৰে শ্ৰীমন্ত শংকৰদেৱ সংঘ, জলকাণি প্ৰাথমিক শাখা নামকৰণেৰে ১৯৮৯ চনৰ ২৮ অক্টোবৰ তাৰিখে জিলাৰ পঞ্জীয়ন ভুক্ত হয় । বৰ্তমান মাহনিয়াল গাৱঁৰ এঘৰ আৰু নিজ গাৱঁৰ দুঘৰ গৃহস্থী নতুনকৈ প্ৰাথমিক শাখাত অন্তৰ্ভুক্ত হোৱাত গৃহস্থীৰ মুঠ সংখ্যা হয়গৈ তেৰ ঘৰ । সংগী সংখ্যা সৰ্বমুঠ সাতত্ৰিশ জন ।

**প্ৰাথমিক শাখা গঠনৰ পৃষ্ঠভূমি ঃ** গোলাঘাট উত্তৰ অঞ্চলত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাথমিক গাঁও ভিত্তিত ১৯৭১ চনৰ আগলৈকে কোনো এখন গাৱঁতে গঠন হোৱা নাছিল । ১৯৬৪ চনৰ ২৪ ডিচেম্বৰত তাৰিখে জলকানি চুকৰ বয়োবৃদ্ধ ব্যক্তি স্বৰ্গীয় টুনি ৰাম বৰাদেৱৰ এজন পুত্ৰ হানি হোৱাত মৃতকৰ কৰ্ম নাম-কীৰ্তনেৰে সম্পন্ন কৰে । এই কৰ্মত গাৱঁৰ কৰ্মকাণ্ডী লোকসকলে প্ৰয়াত টুনিৰাম বৰাক এঘৰীয়া কৰি ৰাখে । পুনৰ গাৱঁৰ কৰ্মকাণ্ডীসকলৰ সংগ ল'বলৈ অমান্তি হৈ মাহনিয়াল আৰু মুদৈ গাৱঁৰ বয়োবৃদ্ধসকল একত্ৰিত হৈ নামধৰ্ম সম্পৰ্কে আলোচনা কৰিবলৈ ধৰে। সেই সময়ত স্বৰ্গীয় টুনিৰাম বৰাৰ পুত্ৰ শ্ৰীগুণকান্ত বৰাদেৱ আৰু তেতিয়াৰ শ্ৰীমন্ত শংকৰদেৱ সংঘ গোলাঘাট জিলা শাখাৰ সম্পাদকৰ দায়িত্বত থকা শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া দুয়ো একেখন বিদ্যালয়ত অৰ্থাৎ মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত চাকৰি কৰি থকাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি-আদৰ্শ সম্পৰ্কে আলোচনা কৰিবলৈ সুচল হয় । তেৰাৰ পৰামৰ্শ অনুসৰি 'নামধৰ্ম' বিষয়ত বহুবাৰ আলোচনা চক্ৰ অনুষ্ঠিত কৰা হৈছিল । সেই আলোচনা চক্ৰসমূহত অংশ গ্ৰহণকাৰী স্বৰ্গীয় টুনিৰাম বৰা, স্বৰ্গীয় বংশীধৰ বৰা, স্বৰ্গীয় বাপুতা বৰা, স্বৰ্গীয় ৰঙাই হাজৰিকা, স্বৰ্গীয় হেমধৰ বৰা, স্বৰ্গীয় বাবুলা বৰা, স্বৰ্গীয় পোনা বৰা আদি লোকসকলৰ গুৰুজনাৰ প্ৰচাৰিত এক শৰণ হৰি নাম ধৰ্মৰ প্ৰতি অত্যন্ত অনুৰাগী আৰু শ্ৰদ্ধাশীল হৈ পূবৰ পৰা প্ৰচলিত কু-সংস্কাৰ পূৰ্ণ ধৰ্মীয় নীতি আদৰ্শ পৰিত্যাগ কৰি শ্ৰীমন্ত শংকৰদেৱৰ সম্পূৰ্ণ আদৰ্শত প্ৰতিষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘত অন্তৰ্ভুক্ত হ'বলৈ স্থিৰ কৰে আৰু এই

সৰ্ম্পকেই আগতে উল্লেখিত প্ৰাথমিক শাখা গঠন কৰা হয় । সংঘ গঠনৰ কিছুদিনৰ পিছতে সেই সময়ৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উপ-পদাধিকাৰ আসনত অধিষ্ঠিত পৰম বৈষ্ণৱ সুবক্তা, প্ৰচাৰক শ্ৰীইলাৰাম দাসবাপক নিমন্ত্ৰণ কৰি আনি সংগী বাপসকলক শৰণীয়া ভজনীয়া কৰোৱা হয় । তিনিভাগ ৰাজহুৱা ধৰ্মালোচনী সভাও দাস বাপৰ উপস্থিতিত অনুষ্ঠিত কৰা হৈছিল । এভাগ অনুষ্ঠিত হৈছিল মাহনিয়াল গাঁও নামঘৰত, এভাগ নেঘেৰিয়াল নামঘৰত আৰু আনভাগ মুদৈ গাঁও নামঘৰত । সংঘৰ দ্বাৰা প্ৰচাৰিত গুৰুজনাৰ সাৰ্বজনীন নীতি আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ এইখন প্ৰাথমিক শাখাত আজিৰপৰা চৌবিশ বছৰ আগতেই এখনি অসবৰ্ণ-সবৰ্ণ আৰু হোম ৰহিত বিবাহ সম্পন্ন হৈছিল । এইখন বিবাহত সেই সময়ৰ মুলৰ পদাধিকাৰ শ্ৰীঅচ্যুত কৃষ্ণ মিশ্ৰ বাপৰ উপস্থিতিত জিলা সম্পাদক শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়াই বিবাহ পৰিচালনা কৰি সংগী ভকতসকলক উৎসাহিত কৰিছিল।

১৯৭১ চনত প্ৰাথমিক শাখাটি গঠন কৰি সভাপতিৰ দায়িত্ব দিয়া হৈছিল শ্ৰীগুণ বৰাদেৱক । কিছুদিন সভাপতিৰ দায়িত্ব বহন কৰিছিল ক্ৰমে স্বৰ্গীয় বাপুতা বৰা আৰু শ্ৰীসুনন্দ বৰা বাপদ্বয়ে । পুনৰ ১৯৮৯ চনৰ ১৩ অক্টোবৰ তাৰিখে জলকানি গাঁও কৃষ্ণ প্ৰাথমিক শাখা গঠন হোৱাত এই প্ৰাথমিকৰো সভাপতিৰ দায়িত্ব শ্ৰীগুণ বৰা বাপৰ ওপৰতে অৰ্পিত হয় । বৰ্তমানলৈকে সম্পাদক হিচাপে ক্ৰমে সৰ্বশ্ৰী ভোগেশ্বৰ বৰা, ৰাজেন বৰা আৰু গণেশ বৰাই সম্পাদক ৰূপে কাৰ্য নিৰ্বাহ কৰে । প্ৰাথমিক শাখাটিত বৰ্তমান গৃহস্থীৰ সংখ্যা ১৩ ঘৰ । সংগী সংখ্যা ৬৫ জন ।

প্ৰাথমিক শাখাটিৰ অধিকাংশ সংগীয়েই কৃষিজীৱী । অৰ্থনৈতিক দিশত প্ৰায় সকলেই টনকীয়াল নহয় । গাঁওখনত বছৰত প্ৰধানকৈ দুটা খেতি কৰা হয় । ধান আৰু কুঁহিয়াৰ খেতি । সময় অনুসৰি পৰিয়াল পোহপালৰ কাৰণে লাগতিয়াল অন্যান্য খেতি-বাতিও প্ৰতি গৃহস্থই কৰে । বৰ্তমান চাহ খেতিৰ প্ৰতিও গাৱঁৰ লোকসকলে মনোনিবেশ কৰিছে ।

শিক্ষাৰ দিশত যুগৰ সাপেক্ষে প্ৰতি ঘৰতে যুৱক-যুৱতী আগবাঢ়ি যোৱাটো লক্ষণীয় বিষয় । নিৰক্ষৰ লোক নাই বুলিলেই হয় । শিক্ষাৰ পোহৰ পাই গাঁওখনিত ইতিমধ্যে কেইবাটাও অনুষ্ঠানে জন্ম লাভ কৰিছে। সেইকেইটি হ'ল -

(১) জলকানি গাঁও নামঘৰ

(২) পূৱেৰুণ মইনা পাৰিজাত

(৩) জলকানি গাঁও জয়মতী মহিলা সমিতি

(৪) জ্যোতিৰাভা পুথিভৰাল

(৫) জলকানি গাঁও খেলা-ধূলা বিভাগ

(৬) জলকানি গাঁও উন্নয়ণ সমিতি ।

বৰ্তমান প্ৰাথমিক শাখাটি ধৰ্ম-সংস্কৃতিৰ আদৰ্শৰ ৰক্ষা কৰি মূল সংঘৰ সৌষ্ঠৱ বৃদ্ধিৰ অৰ্থে অবিৰত প্ৰচেষ্টাত অগ্ৰসৰ অৱস্থাত আছে । বৰ্তমান শ্ৰীগুণ বৰাই সভাপতি, শ্ৰীমিনা বৰা আই গৰাকীয়ে সম্পাদিকাৰ দায়িত্বৰে কাৰ্য্যনিৰ্বাহ কৰি আছে । ✧

# মামৰণি গোপাল কৃষ্ণ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮৪ চন

গোলাঘাট জিলাৰ উত্তৰ প্ৰান্তত মিছামৰা মৌজাৰ অন্তৰ্গত গেলাবিল নদীৰ উত্তৰ পাৰে অৱস্থিত এক বিস্তৃত অঞ্চল মামৰণি গাঁও । ইয়াৰ আয়তন প্ৰায় ৫ বৰ্গ কিলোমিটাৰ । আজিৰ পৰা প্ৰায় ৫০ বছৰৰ আগত এই অঞ্চল নল, বিৰিঙা, কহুৱা, ইকৰা আদিৰে ভৰপূৰ আছিল । এই অঞ্চল নানা বনৰীয়া জীৱ-জন্তুৰ ৰম্যভূমি আছিল ।

মিছামৰা মৌজাৰ দৈয়ঙীয়া গাৱঁৰ নিবাসী গেৰেলা বংশৰ স্বৰ্গীয় মামৰণি নামৰ এজন বুঢ়া মানুহে ইয়াত খেতি-পথাৰৰ পাম পাতিছিল । সেই মানুহজনৰ নামেৰেই গাঁওখনৰ নাম মামৰণি গাঁও হয় । ইয়াৰ উত্তৰে কোবাল গাঁও। দক্ষিণে গেলাবিল নদী, পুৱে বগৰিয়নী গাঁও, পশ্চিমে বৰকৰৈয়নী গাঁও । এই গাৱঁত ১৫০ ঘৰ গৃহস্থী আৰু প্ৰায় ৮০০ জন মানুহ বসবাস কৰে ।এই গাৱঁত দুখন প্ৰাথমিক বিদ্যালয়, এখন মধ্য ইংৰাজী বিদ্যালয়, এখন উচ্চ মাধ্যমিক বিদ্যালয় আছে । একাধিক নামঘৰ, এটা পুথি ভৰাল, এখন মইনা পাৰিজাত আৰু এখন মহিলা সমিতি আছে ।

**অনুষ্ঠানৰ লগত জড়িত ব্যক্তিসকল হ'ল ঃ** সৰ্বশ্ৰী সোমেশ্বৰ বৰা, অকণি বৰা, প্ৰবীণ বৰা, বুবু শইকীয়া, অকণমান শইকীয়া, ধ্ৰুৱজ্যোতি বৰা, প্ৰদীপ বৰা, লক্ষ্মীৰাম বৰা, দুলাল বৰা, দুলু কৰ্মকাৰ, বিষ্ণু বৰা, স্বৰ্গীয় অতুল বৰা, স্বৰ্গীয় ৰাজিব শইকীয়া, স্বৰ্গীয় ভুবন চন্দ্ৰ বৰা, স্বৰ্গীয় ধনীৰাম বৰা, শ্ৰীজিতু বৰা আদি । মামৰণি গাৱঁৰ কেইঘৰমান গৃহস্থীক লৈ মামৰণি গোপাল কৃষ্ণ প্ৰাথমিক শাখা গঠন কৰা হয় । প্ৰাথমিকভাগ গঠন কৰাত শ্ৰীঅকনি বৰাই বিশেষ যত্ন লৈছিল । শ্ৰীঅকনি বৰা ইয়াৰ আগতে ইকৰাণী

জ্যোতি প্ৰাথমিক শাখাৰ সংগী আছিল । গোপাল কৃষ্ণ প্ৰাথমিক শাখা গঠন কৰি শ্ৰীঅকনি বৰাই প্ৰাথমিকৰ সভাপতি আৰু শ্ৰীঅকণমান শইকীয়াদেৱে সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে । বৰ্তমান প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ১৮ ঘৰ সংগীৰ সংখ্যা ৩৫ জন ।

প্ৰচাৰ-প্ৰসাৰৰ দিশত প্ৰাথমিক শাখাটিয়ে যুৱক-যুৱতীসকলৰ মাজত গুৰুজনাৰ নীতি আদৰ্শ প্ৰচাৰ কৰিবলৈ প্ৰতি সপ্তাহত ধৰ্মালোচনী সভা অনুষ্ঠিত কৰি আহিছে ।

প্ৰাথমিক শাখাটিৰ সংগীসকলৰ আৰ্থিক অৱস্থা অতি টনকিয়াল নহয়। প্ৰাকৃতিক দুৰ্যোগ, বানপানীত আক্ৰান্ত হৈ প্ৰতি বছৰে সংগীসকলে নানা দুখ কষ্টৰ মাজত জীৱন নিৰ্বাহ কৰিব লগা হয় । গাৱঁৰ সকলো মানুহেই কৃষিৰ ওপৰত নিৰ্ভৰশীল ।

শ্ৰীঅৰুণি বৰা এই প্ৰাথমিক শাখাৰ এগৰাকী নিষ্ঠাবান সংগী । জন্ম ১৯৩৭ চনৰ আহিন মাহত । গোপাল কৃষ্ণ প্ৰাথমিকৰ প্ৰতিষ্ঠাপক সভাপতি। একশৰণ নাম ধৰ্ম গ্ৰহণ কৰি সমীপবৰ্তী অঞ্চলত তেখেতে গুৰুধৰ্ম প্ৰচাৰত ব্ৰতী হয় । শ্ৰীসোমেশ্বৰ বৰাদেৱে প্ৰাথমিকৰ উপ সভাপতি পদত থাকি নীতি আদৰ্শ ৰক্ষা কৰি সাংগঠনিক দিশত বৰঙণি আগবঢ়ায় ।

প্ৰাথমিকৰ বৰ্তমান সভাপতি শ্ৰীপ্ৰবীণ বৰা, সম্পাদক শ্ৰীবুবু শইকীয়া।

# জৰাগুৰি (খ) প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯০ চন

গোলাগাট জিলাৰ দেৰগাঁও ৰাজহ চক্ৰৰ উত্তৰ দিশত ব্ৰহ্মপুত্ৰৰ বিস্তীৰ্ণ চৰ অঞ্চল অৱস্থিত । বিভিন্ন জনগোষ্ঠী, বিভিন্ন ভাষা-ভাষী লোকেৰে পৰিপূৰ্ণ জৰাগুৰি গাঁও । জন প্ৰবাদমতে অতীজত বিস্তৰ পৰিমাণে 'বনজৰা' পোৱা বাবে এই অঞ্চলৰ নাম 'জৰাগুৰি' হয় । থলুৱা জনগোষ্ঠীৰ উপৰি খেতিৰ মাটিৰ তাগিদাত মিছামৰা অঞ্চলৰ বিভিন্ন গাৱঁৰপৰা লোক গৈ পমুৱা হিচাপে থাকিবলৈ লয় । বছৰ বাগৰাৰ পিছত পমুৱা স্থায়ী হৈ গাঁও সংগঠন কৰে। দিচৈৰ পাৰত বাংলাভাষীৰ এখন বৃহৎ গাঁও আছে । এই গাৱঁৰ পুৱে ১ নং খকগুগুৰি গাঁও, পশ্চিমে ওপৰটেমেৰা কমলামিৰি গাঁও, উত্তৰে দিচৈ নদী আৰু দক্ষিণে বালিদোৱা গাঁও । মুঠ জনসংখ্যা ৫ হাজাৰৰো অধিক । প্ৰায়বিলাক লোকৰেই প্ৰধান জীৱিকা খেতি । এই গাৱঁত এখন প্ৰাইমেৰী স্কুল, ১ খন মধ্য ইংৰাজী বিদ্যালয় আৰু এখন হাইস্কুল আছে । এই গাৱঁত থকা তিনিভাগ নামঘৰে মহাপুৰুষীয়া ধৰ্মীয় সমাজখনৰ গুৰি ধৰিছে ।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

মিছামৰা অঞ্চলৰপৰা গৈ প্ৰথমে পমুৱা হিচাপে পিছলৈ স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱা, বিশেষকৈ মলাই কুমাৰ গাৱঁৰ একশৰণীয়া লোকসকলৰ জৰিয়তে এই গাৱঁত একশৰণ হৰিনাম ধৰ্ম তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বীজ অঙ্কুৰিত হয় । ১৯৭৬ চনত বৃহত্তৰ জৰাগুৰি গাৱঁক কেন্দ্ৰ কৰি জৰাগুৰি প্ৰাথমিক শাখা গঠন হয় । সময় বাগৰাৰ লগে লগে সংগী, গৃহস্থীৰ সংখ্যা বৃদ্ধি হয় । সাংগঠনিক দিশৰ ওপৰত লক্ষ্য ৰাখি জৰাগুৰি প্ৰাথমিক শাখাৰ পৰাই জৰাগুৰি (খ) নামেৰে অন্য এভাগ প্ৰাথমিকৰ সৃষ্টি হয় ১৯৯০ চনত । গঠনৰ পিছতে গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ অন্তৰ্গত হয় ।

প্ৰাথমিক শাখাৰ সংগীসকলে সংঘভুক্ত হোৱাৰেপৰা গুৰুজনাৰ মহান ধৰ্ম আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ লক্ষ্য, উদ্দেশ্যৰ প্ৰচাৰ-প্ৰসাৰত মনোনিবেশ কৰিছে । সমীপবৰ্তী গাঁওবিলাকত সংগী ভৰ্তী কৰি প্ৰাথমিক শাখা গঠন কৰিছে। শেহতীয়াকৈ সমগ্ৰ ব্ৰহ্মপুত্ৰ অঞ্চল সামৰি জৰাগুৰিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শৰে শংকৰী গীত, বাদ্য আৰু নৃত্যৰ প্ৰশিক্ষণৰ বাবে এখনি শংকৰী কৃষ্টি বিকাশ কেন্দ্ৰ স্থাপন কৰা হৈছে । গোলাঘাট জিলা শাখাৰ দ্বাৰা নিয়োজিত প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণৰ কাৰ্য্যসূচী চলাই থকা হৈছে ।

প্ৰাথমিক শাখাৰ প্ৰয়াত ধনদা ভূঞা, সোণেশ্বৰী হাজৰিকা, যোগাই হাজৰিকা, পদুমী হাজৰিকা আদি বাপসকলে প্ৰাথমিক শাখাটি গঠন, ৰক্ষণ আৰু গুৰুধৰ্ম প্ৰচাৰ-প্ৰসাৰত যথেষ্ট অৰিহণা যোগাইছিল । বৰ্তমান অৱস্থাত সৰ্বশ্ৰী পোনাৰাম ভূঞা, অতুল হাজৰিকা, প্ৰফুল্ল হাজৰিকা, অৰুণ বৰুৱা, ৰবীন ভূঞা, পোনা বৰা আদি বাপসকলে প্ৰাথমিক শাখাৰ সাংগঠনিক দিশ অটুট ৰখাৰ লগতে গুৰু ধৰ্ম তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত আত্ম নিয়োগ কৰি আহিছে ।

১৯৯০ চনৰপৰা বৰ্তমানলৈকে সভাপতি, সম্পাদকসকল -

সভাপতি - শ্ৰীপ্ৰফুল্ল হাজৰিকা

উপ-সভাপতি - শ্ৰীনকুল হাজৰিকা

সম্পাদক - শ্ৰীৰবীন ভূঞা

সহঃ সম্পাদক - শ্ৰীবিৰিঞ্চীত হাজৰিকা ।

(শ্ৰীমতী ৰঞ্জুমণি ভূঞাই ঝুমুৰা নৃত্যত জিলা ভিত্তিত অনুষ্ঠিত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে ।)

# কোবাল শংকৰজ্যোতি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯২ চন

গোলাঘাট জিলাৰ মিছামৰা মৌজাৰ কোবাল আৰু মামৰণি গাওঁৰ ১২ ঘৰ গৃহস্থীক লৈ কোবাল শংকৰজ্যোতি প্ৰাথমিক ভাগি গঠিত হৈছে। ১৯৯২ চনৰ ২৮ ডিচেম্বৰ তাৰিখে কোবাল মামৰণী নৱজ্যোতি নামঘৰত শ্ৰীদেউৰাম শইকীয়াৰ পৌৰহিত্যত এভাগি ৰাজহুৱা সভা অনুষ্ঠিত হয় । গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ সহকাৰী সম্পাদক শ্ৰীধৰ্মেশ্বৰ বৰাদেৱো সভাত উপস্থিত থাকে । একশৰণ নাম ধৰ্ম আৰু গুৰুজনাৰ আদৰ্শেৰে প্ৰতিষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্দেশ্য, লক্ষ্য নীতি সদাচাৰৰ বিষয়ে হোৱা বিস্তৃত আলোচনাৰ অন্ততঃ সভাত উপস্থিত থকা ১২ ঘৰ গৃহস্থী সংঘভুক্ত হয় আৰু কোবাল শংকৰজ্যোতি নামেৰে প্ৰাথমিক ভাগে জন্ম লাভ কৰে । সভাপতি আৰু সম্পাদকৰ দায়িত্ব লয় ক্ৰমে সৰ্বশ্ৰী সোমেশ্বৰ হাজৰিকা আৰু বীৰেন বৰাই । প্ৰাথমিক ভাগি গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ অন্তৰ্ভুক্ত হয় ।

প্ৰাথমিক ভাগ গঠনৰ পৰাই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দ্বাৰা প্ৰকাশিত সংবিধান, প্ৰসংগ প্ৰণালী, অশৌচ পদ্ধতি, বিবাহ পদ্ধতি এই চাৰি পুস্তিকাৰ আধাৰত পৰিচালিত হৈ আহিছে । কেইবাবাৰো মূল সংঘৰ শৰণ সদস্যৰ দ্বাৰা শৰণ কাৰ্য্য সম্পাদন কৰিছে । নামাচাৰ্য্য, দেউৰী, বিলনীয়া গাণিকাৰ প্ৰশিক্ষণ সত্ৰ অনুষ্ঠিত কৰি প্ৰাথমিক ভাগ আত্মনিৰ্ভৰশীল হোৱা দেখা গৈছে। গুৰু জয়ন্তী, শিশু সমাৰোহ, আই মাতৃ তথা যুৱ সমাৰোহ অনুষ্ঠিত কৰি গুৰুজনাৰ সাহিত্য-সংস্কৃতিৰ চৰ্চা অব্যাহত ৰাখিছে । আঞ্চলিক শাখা তথা গোলাঘাট জিলা শাখাৰ লগত সকলো দিশতে সম্পূৰ্ণ যোগাযোগ ৰক্ষা কৰি আহিছে ।

**১৯৯২ চনৰপৰা বৰ্তমানলৈকে সভাপতি, সম্পাদক সকল হৈছে ঃ**

সভাপতি - সৰ্বশ্ৰী সোমেশ্বৰ হাজৰিকা, উপেন বৰা

সম্পাদক - সৰ্বশ্ৰী বীৰেন বৰা, অমূল্য শইকীয়া।

# মণিকাঞ্চন প্ৰাথমিক শাখা ঃ বঙাল গাঁও

## গঠন ঃ ১৯৯৮ চন

প্ৰায় ৩৫০ ঘৰ গৃহস্থীৰে ভৰা বঙাল গাঁও এখন বৃহৎ গাঁও । উত্তৰে ৰাজাবাহাৰ, দক্ষিণে ভাৰলি গাঁও, পুৱে হেমচন্দ্ৰ গোস্বামী পথ আৰু পশ্চিমে লোহাৰ দোং । গাঁওখনত বিভিন্ন সম্প্ৰদায়ৰ লোকে বসবাস কৰে । প্ৰায় লোকেই পুৰণি পৰম্পৰাৰে কৰ্ম কাণ্ডৰ মাৰ্গেৰে ধৰ্মীয় অনুষ্ঠান সম্পাদন কৰে ।

১৯৭৬ চনৰ মাজ ভাগত প্ৰয়াত কুবেশ্বৰ কলিতা, ডম্বৰুধৰ কাকতি, সৰ্বশ্ৰী মহেশ্বৰ দত্ত, মহেন্দ্ৰনাথ কলিতা আদিৰ পৰামৰ্শ ক্ৰমে এই গাৱঁৰে বৃহৎ গুৰিয়ালৰ বংশৰ মাত্ৰ ৪ ঘৰ সংগী ক্ৰমে প্ৰয়াত সৰ্বেশ্বৰ বৰা, গুৰু চৰণ বৰা আৰু সৰ্বশ্ৰী সুৰেন্দ্ৰ নাথ বৰা, ৰূপেশ্বৰ বৰা বাপসকলে একশৰণ গ্ৰহণ কৰে আৰু গন্ধিয়া গাঁও প্ৰাথমিক শাখাত সংগীভুক্ত হয় । সেই গুৰিয়ালৰ বংশৰ অন্য আটাইকেইঘৰ গৃহস্থীয়েও পিছত শংকৰদেৱ সমাজৰ অন্তৰ্ভুক্ত হয় । এইদৰে ২১ বছৰ যোৱাৰ পিছত গন্ধিয়া গাঁও প্ৰাথমিকত থকা শ্ৰীৰূপেশ্বৰ বৰাআৰু আৰু সমাজভুক্ত অন্য ৯ ঘৰ সংগী একত্ৰিত হৈ বৃহত্তৰ বঙাল গাৱঁত প্ৰাথমিক গঠন কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বীজ ৰোপণ কৰে । ৩০।৬।৯৮ তাৰিখে আছিল বংশৰ বয়োজ্যেষ্ঠ লোক, আদৰ্শ (আফুৱা) প্ৰাথমিকৰ প্ৰাক্তন সভাপতি সৰ্বেশ্বৰ বৰা বাপৰ একাদশ দিৱস । তেখেতৰ মৃতাহ কৰ্ম ভাগি শ্ৰীৰূপেশ্বৰ বৰা বাপে সমাজভুক্ত অন্য কেইঘৰ লোকৰ সহযোগত নিজৰ ঘৰতে পাতে । এই অনুষ্ঠানত গন্ধিয়া গাৱঁৰ সৰ্বশ্ৰী মহেশ্বৰ দত্ত, মহেন কাকতি, উত্তৰ আঞ্চলিক শাখাৰ সম্পাদক গুণন্দ ভৰালী, সহকাৰী সম্পাদক অজিত বৰা বাপ উপস্থিত আছিল । সেইদিনাই মুঠ ১১ ঘৰ গৃহস্থীক লৈ বৃহত্তৰ বঙাল গাৱঁত 'মধ্য বঙাল গাঁও, মণিকাঞ্চন' প্ৰাথমিক নামকৰণেৰে এভাগি প্ৰাথমিক গঠন কৰে । উল্লেখযোগ্য যে প্ৰাথমিক শাখাৰ সকলো সংগী একেটা বংশতে সীমাবদ্ধ । প্ৰাথমিক শাখাটি উত্তৰ আঞ্চলিক শাখাৰ অন্তৰ্ভুক্ত হৈ জিলা শাখা আৰু মূল সংঘৰ স্বীকৃতি লাভ কৰে ।

**প্ৰাথমিক শাখাৰ বিষয় ববীয়াসকল - (১৯৯৮-২০০০ বৰ্ষৰ বাবে)-**

সভাপতি -প্ৰবীৰ বৰা

সম্পাদক - শ্ৰীবিপুল বৰা

সহঃ সম্পাদক - শ্ৰীৰাজীৱ বৰা

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

প্ৰাথমিক শাখাৰ সংগী শ্ৰীৰূপেশ্বৰ বৰা বাপে ১৯৯৮-২০০০ বৰ্ষৰ বাবে উক্ত গোলাঘাট আঞ্চলিক শাখাৰপৰা নিৰ্বাচিত হৈ গোলাঘাট জিলা শাখাৰ কাৰ্য্যনিৰ্বাহকৰ সদস্য হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছে । শ্ৰীলক্ষীধৰ বৰাবাপেও আঞ্চলিক শাখাৰ সদস্য নিৰ্বাচিত হয় ।

# মৰঙি আঞ্চলিক শাখা

## গঠন ঃ ১৯৭৭-৭৮ চন

**মৰঙি মৌজাৰ আৰ্থ-সামাজিক অবস্থা ঃ**

'মৰঙি' এটি ঐতিহাসিক নাম । ইতিহাস প্ৰসিদ্ধ মৰঙি গোলাঘাট জিলাৰ ভিতৰতে এটি সৰ্ববৃহৎ মৌজা । জিলাখনৰ পশ্চিম প্ৰান্তত অৱস্থিত মৰঙি মৌজাই কাৰ্বি আংলং সীমান্ত চুই আছে । প্ৰায় দুই লাখ আঠসত্তৰ হেজাৰ নশ পাঁচ লোচা মাটি কালিৰে আগুৰা মৰঙি উত্তৰ-পূব সীমান্ত ধনশিৰি নদী, দক্ষিণ-পশ্চিমত কালিয়নী নদী আৰু মাজেদি দৈগ্ৰোং নদী প্ৰবাহিত হৈ আছে । সেই কাৰণে মৰঙি অঞ্চলৰ মাটি উৰ্বৰ ।

মৰঙি একালত বড়ো কছাৰীসকলৰ বসতি প্ৰধান ঠাই আছিল । আনকি বড়ো কছাৰীসকলৰ ৰাজত্ব কালতে 'মৰঙি' নামটোৰো উৎপত্তি হয় বুলি জনা যায় । প্ৰচলিত প্ৰবাদ অনুসৰি বড়ো শব্দ 'মৰং' শব্দৰ অৰ্থ খেল-ধেমালিৰ ঠাই । আন এক প্ৰবাদ মতে তিৰ্ব্বতীয় ধৰ্মী ভাষাৰ শব্দ 'মইৰং' শব্দৰ অৰ্থ ভাল ধান খেতি হোৱা ঠাই।

বুৰঞ্জী অধ্যয়নৰপৰা জনা যায় যে, ষোড়শ শতিকাৰ মাজভাগতে আহোমসকলে 'মৰঙি খোৱা' গোহাঁই নিযুক্তি কৰি বড়ো, কছাৰী, টাইৰ মিলনভূমি গঢ়ি তুলিছিল । পঞ্চদশ শতিকাৰ শেষভাগত আহোম আৰু কছাৰীৰ মাজত সংঘৰ্ষৰ অন্তত মৰঙিৰ এখন নদীৰ মাজত সন্ধি হয় । এই সন্ধি কৰা নদীখনৰ নাম পিছলৈ 'দৈগ্ৰোং' (পানীৰ মাজত সন্ধি) হয় আৰু ক্ৰমে ঠাইখনৰ নামো 'দৈগ্ৰোং' হয় । বৰ্তমান 'দৈগ্ৰোং' মৰঙি মৌজাটিৰ ভিতৰতে এখন উল্লেখযোগ্য ঠাই ।

বৰ্তমানৰ পূবে গোলাঘাট পাৰঘাটৰপৰা পশ্চিমে কানাইঘাট, দক্ষিণে কাৰ্বি আংলং আৰু উত্তৰ-পূবে ধনশিৰি নদীয়ে আগুৰা এই সৰ্ববৃহৎ ভূমিখণ্ড মৰঙি নামে জনা যায় । ২৬.৩১ অক্ষৰেখা, ৯৮.৫৯ দ্ৰাঘিমা ৰেখাৰ অন্তৰ্ভুক্ত মৌজাটি সমুদ্ৰ পৃষ্ঠৰপৰা ৯৫.৩৬ মিটাৰ উচ্চতাত অৱস্থিত ।

মৌজাটোৰ ২৫ খন চাহ বাগিচা সহ প্ৰায় ১০৭ খন গাঁৱৰ ২,১৭০০০,৯০৫ লোচা মাটি আগুৰি আছে । জনসংখ্যা প্ৰায় দুই লাখৰো অধিক । বিভিন্ন ভাষা আৰু জনগোষ্ঠীৰ মানুহে বসবাস কৰা মৰঙিৰ আৰ্থ-সামাজিক উন্নয়নো জিলাখনৰ উন্নয়নৰ ওপৰতে বহুখিনি নিৰ্ভৰ কৰিছে ।

মৰঙি এটি কৃষি প্ৰধান অঞ্চল হিচাপে মুঠ জনসংখ্যাৰ ৭০ জন লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল । ধনশিৰি, দৈগ্ৰোং আৰু কালিয়নী নদীৰ বাঢ়নি পানীয়ে কৃষক ৰাইজক বছৰি জুৰুলা কৰি আহিছে । প্ৰায় ২৫ খন গাঁও বছৰি বানত ক্ষতিগ্ৰস্ত হয় । মৰঙি উন্নয়ন খণ্ডৰ ভূমিকা এই দিশত আশানুৰূপ নহয় । নুমলীগড় শোধনাগাৰ আৰু টাটা কোম্পানীৰ বাগিচাই কৃষিৰ ক্ষেত্ৰত লোৱা আঁচনিয়ে এতিয়াও মৌজাটোৰ আটাইবিলাক গাঁও সামৰি ল'বপৰা নাই । চৰকাৰী সা-সুবিধাৰপৰাও মৰঙিৰ বহুতো কৃষক বঞ্চিত ।

এটা অঞ্চলৰ উন্নতি নিৰ্ভৰ কৰে সেই অঞ্চলৰ নাগৰিকৰ শিক্ষাৰ অগ্ৰগতিৰ ওপৰত । শিক্ষাৰ দৰে এটি গুৰুত্বপূৰ্ণ দিশত মৌজাটো আজিও পিছ পৰি আছে । সমগ্ৰ মৌজাটোত মৰঙি, দৈগ্ৰোং, উল্টাজান কেন্দ্ৰত মুঠ ১০৩ খন প্ৰাথমিক বিদ্যালয়, ৪১ খন মজলীয়া বিদ্যালয়, ৩ খন উচ্চ বুনিয়াদী বিদ্যালয়, ১৮ খন উচ্চ মাধ্যমিক বিদ্যালয় আৰু এখন উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে । ১৯৯০ চনত উচ্চ শিক্ষাৰ কাৰণে মৰঙি মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা হয় । জাতীয় বিদ্যালয়ৰ আৰ্হিত 'শিশুভৱন' শংকৰদেৱ শিশু নিকেতন, 'বিবেকানন্দ কেন্দ্ৰ' নামে তিনিখন প্ৰাইভেট অসমীয়া বিদ্যালয় গঢ় লৈ উঠিছে ।

যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ অবিহনে প্ৰগতি সম্ভৱ নহয় । মৌজাটোৰ মাজেদি ৩৯ নং ৰাষ্ট্ৰীয় পথ গৈছে । ই স্বাভাৱিকতে মৌজাটোৰ যাতায়ত আৰু যোগাযোগ ব্যৱস্থাত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছে । ৰাষ্ট্ৰীয় ঘাই পথৰ কাষতে দেশৰ ভিতৰতে বৃহৎ উদ্যোগ  নুমলীগড় তেল শোধনাগাৰ মৰঙি মৌজাতে প্ৰতিষ্ঠিত হৈছে । তেল শোধনাগাৰৰ দৰে এটি প্ৰচুৰ সম্ভাৱনা থকা উদ্যোগে থলুৱা জনসাধাৰণৰ তথা জিলাখনৰ উন্নতি হ'বপৰাকৈ ভালেমান আঁচনি গ্ৰহণ কৰিব পাৰে । ইতিমধ্যে জিলাখনৰ ৰাস্তা-ঘাট নিৰ্মাণত শোধনাগাৰ কৰ্তৃপক্ষই অনুদান আগবঢ়াইছে ।

মৌজাটোত অৱস্থিত ২৫ খনৰো অধিক চাহ বাগিচা, তিনিখন বালি মহল, এটা শিল কোৱাৰী, ছয়খন বজাৰ, ছয়খন বিল, তিনিখন দেশীয় মদৰ মহল, পাঁচখন বিলাতি মদৰ দোকানৰপৰা বছৰি চৰকাৰে বহু টকা ৰাজহ লাভ কৰে যদিও মৌজাটোৰ উন্নয়নত বিশেষ আগবঢ়া নাই । বিশেষতে মৰঙি অঞ্চলত ব্যৱসায় কৰি থকা চাহ বাগিচাৰ  মালিকসকলে অঞ্চলটিৰ উন্নতিৰ হকে যৎসামান্যও বৰঙণি যোগোৱাৰ উদাহৰণ নাই । অৱশ্যে ধলাগুৰি বাগিচাৰ বৰঙণি মৌজাটোত সকলোৱে সোঁৱৰে । বৰ্তমান মৰঙি মৌজাত থকা প্ৰায়বোৰ চৰকাৰী মাটিত চাহ খেতি কৰিবলৈ আৰম্ভ কৰিছে ।

মৌজাটো কাৰ্বি আংলঙৰ সীমামূৰীয়া হোৱা বাবে ইয়াত মেলেৰীয়া ৰোগৰ প্ৰকোপ বেছি । সমগ্ৰ অঞ্চলটোত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ--৫ টা, উপ স্বাস্থ্যকেন্দ্ৰ ১১

টা, পশু চিকিৎসা কেন্দ্ৰ ১ টা, উপকেন্দ্ৰ ৩ টা । কেন্দ্ৰকেইটাৰ অৱস্থা সন্তোষজনক নহয় ।

ক্ৰীড়া চৰ্চাতো মৰঙি পিছ পৰি থকা নাই । চন্দ্ৰ কুমাৰ সিং, নলীন শৰ্মা, গোবিন শইকীয়া জিলাখনৰে আগশাৰীৰ খেলুৱৈ আছিল ।

**সাংস্কৃতিক দিশত মলঙি ঃ** সাংস্কৃতিক দিশত মৌজাটোৰ অগ্ৰগতি আশাব্যঞ্জক । মৰঙিৰপৰা ভালে কেইগৰাকী নৃত্য শিল্পী, কণ্ঠ-শিল্পী, অভিনয় শিল্পীয়ে যথেষ্ট সুনাম অৰ্জন কৰিছে । আঁনাতাৰ শিল্পী ৰুমী শইকীয়া, চন্দেশ্বৰ গগৈ, সংযুক্তা হাজৰিকা, কল্লোল বৰঠাকুৰ, কবিতা ৰাণী বৰপুজাৰী, শংকৰী নৃত্য শিল্পী সদা হাজৰিকা, বৰগীত শিল্পী তুলিকা বৰুৱা, জয়ন্ত কমল বৰুৱা, অভিনয় শিল্পী অপূৰ্ব গোস্বামী, মঃ ৰুকুন আহমেদ, 'মমতা কথাছবিৰ' শিল্পী পুণ্যেশ্বৰী শইকীয়া, ভনিটী বৰগোহাঁই, দেৱযানী শৰ্মা বৰা, ৰুণজুন শৰ্মা বৰা, বিহুৱা শিল্পী গোলাপ গগৈ, কণ্ঠ শিল্পী ৰবীন বৰপুজাৰী, নৃত্য শিল্পী কাশ্মিৰী হাজৰিকাই অঞ্চলটিলৈ সুনাম কঢ়িয়াই আনিছে । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মৰঙি আঞ্চলিক শাখাই শংকৰী নৃত্য গীত-বাদ্যৰ পদ্ধতিগত চৰ্চা আৰু অনুশীলনৰ বাস্তৱ পদক্ষেপে আশাৰ বতৰা কঢ়িয়াই আনিছে । মৰঙি মৌজাৰ নাট্য চৰ্চাৰ এক ঐতিহ্য আছে । নাটক অভিনয় চৰ্চা আৰু অনুশীলন অব্যাহত আছে । ফলস্বৰূপে দৈগ্ৰোং, বকিয়াল, মৰঙি, ফলঙনী, থুৰাজানত একোটিকৈ মঞ্চ সহ প্ৰেক্ষাগৃহ গঢ়ি উঠিছে ।

শ্ৰীমন্ত শংকৰদেৱ সংঘ গঠন হোৱাৰ বহু বছৰৰ পিছত মৰঙি অঞ্চলত সংঘৰ প্ৰভাৱ পৰে । অৱশ্যে এই জিলাতেই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ জন্ম হয় । এই অঞ্চলটিত মৰঙি আঞ্চলিক শাখা গঠন হোৱাৰ পূৰ্বে বগীজান চতিয়নাত ধৰ্মালোচনী সভা, মৰঙি পানীকৰা গাঁৱত চলন্ত ভাগৱত পাঠ আৰু আলোচনা চক্ৰ, ফলঙনিত প্ৰয়াত সৰুবাপ দত্তৰ একক প্ৰচেষ্টাত মহাপুৰুষীয়া ধৰ্মাদৰ্শ প্ৰচাৰ-প্ৰসাৰত কিছু অগ্ৰগতি লাভ কৰিছিল । ১৯৭০ চনৰ ১৫ মাৰ্চত বালিজানত প্ৰথম শুৱলা প্ৰাথমিক শাখা গঠন হয় । পৰৱৰ্তী সময়ত সাতখন প্ৰাথমিক শাখা গঠন হয় । ১৯৭৭ চনত সাতখন প্ৰাথমিক শাখাৰ সহযোগত মৰঙি আঞ্চলিক শাখা গঠন হয় । প্ৰাথমিক কেইখন হ'ল — শুৱলা প্ৰাথমিক, পানীকৰা, নিৰাময়, নিৰাকাৰ, ১নং ফলঙনি, অভয়পুৰীয়া আৰু বেৰেজীয়া প্ৰাথমিক শাখা । আঞ্চলিক শাখাটিৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত সৰুবাপ দত্ত আৰু সম্পাদক শ্ৰীলেখোৰাম বৰুৱাবাপ আছিল । ২০০০ চন, ৫৫১ শংকৰাব্দ বছৰত আঞ্চলিক শাখাৰ মুঠ প্ৰাথমিক ৩১ খন ।

মৰঙি আঞ্চলিক শাখাৰ কৰ্মকৰ্ত্তাসকলে গুৰুজনাৰ ধৰ্ম, সাহিত্য-সংস্কৃতি প্ৰচাৰৰ উদ্দেশ্যে মূল সংঘৰ আঁচনিৰ ভিত্তিত প্ৰতি বছৰে কৰ্ম আঁচনি গ্ৰহণ কৰিছে । আঞ্চলিক শাখাই প্ৰতি বছৰে বাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰি কৰ্ম আঁচনি ৰূপায়ণ

কৰিছে । গুৰু জয়ন্তী, মাধৱ জয়ন্তী আৰু কৃষ্ণৰ জন্মাষ্টমী তিথিৰ লগত সংগতি ৰাখি শিশু সমাৰোহ, যুব সমাৰোহ আৰু আইমাতৃ সমাৰোহ অনুষ্ঠিত কৰি সাহিত্য-সংস্কৃতি শীৰ্ষক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে । তদুপৰি জিলা আৰু আঞ্চলিক শাখাৰ উদ্যোগত শৰণ কক্ষ, কৰ্মশালা আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰি শংকৰী সংস্কৃতিৰ সকলো দিশতে আলোকপাত হোৱাকৈ চেষ্টা চলাই থকা হৈছে । মৰঙি আঞ্চলিক শাখাৰ আমন্ত্ৰণক্ৰমে নিম্ন লিখিত স্থানত জিলা অধিৱেশন অনুষ্ঠিত কৰা হয় ।

**সংস্কৃতি শাখা গঠন ঃ** ১৯৮৭ চনত মৰঙি আঞ্চলিক সংস্কৃতি শাখা গঠন হয় । সংস্কৃতি শাখাৰ উদ্যোগত মৰঙি অঞ্চলত শংকৰী নৃত্য-গীত-বাদ্যৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰি কৰ্ম আঁচনি ৰূপায়ণ কৰা হয় । ১৯৮৮ চনত ৫৪০ তম্ গুৰুজনাৰ আবিৰ্ভাৱ তিথিত সংগীত প্ৰতিযোগিতা, ফলঙনি স্বৰ্ণ প্ৰাথমিক শাখাত এটি বৰগীত প্ৰশিক্ষণ শিবিৰ, নিৰাময় প্ৰাথমিক শাখাত গাণিকা প্ৰশিক্ষণ, ১৯৯৮ চনত স্বৰ্ণ প্ৰাথমিক শাখাত গাণিকা প্ৰশিক্ষণ অনুষ্ঠিত কৰি ৭০ জন প্ৰশিক্ষাৰ্থীক শিক্ষা প্ৰদান কৰা হয় । শ্ৰীগকুল মহন্ত আৰু শ্ৰীজয়ন্ত কমল বৰুৱাৰ পৰিচালনাত কেন্দুগুৰি কেলিগোপাল, জগন্নাথ, ঢুলীয়া গাঁও প্ৰাথমিকসমূহত বৰগীতৰ প্ৰশিক্ষণ সত্ৰ অনুষ্ঠিত কৰা হয় । শ্ৰীসদা হাজৰিকাৰ পৰিচালনাত কেন্দুগুৰি প্ৰাথমিক শাখাত নৃত্য প্ৰশিক্ষণ অনুষ্ঠিত হয় । ১৯৯৮ চনৰ মূল সংঘৰ সংস্কৃতিৰ গৱেষক শ্ৰীযোগেশ্বৰ বৰদলৈবাপৰ যোগেদি পানীকৰা প্ৰাথমিকত নামাচাৰ্য প্ৰশিক্ষণ অনুষ্ঠিত হৈছিল ।

**সাংস্কৃতিক কৰ্মশালা অনুষ্ঠিত ঃ** ১৯৯৮ চনত পানীকৰা প্ৰাথমিক শাখাত, ১৯৯৯ চনত কেন্দুগুৰি প্ৰাথমিক, নাৰায়ণ প্ৰাথমিক, স্বৰ্ণ প্ৰাথমিক শাখা, নিৰাময় প্ৰাথমিক শাখাত, ২০০০ চনত শ্ৰীমন্ত প্ৰাথমিক শাখাৰ সহযোগত সাংস্কৃতিক কৰ্মশালা অনুষ্ঠিত হয় আৰু শতাধিক প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰে ।

**মূল সংঘৰ প্ৰশিক্ষণ গ্ৰহণ ঃ** শ্ৰীমতী তুলিকা বৰুৱা, শ্ৰীগকুল মহন্ত আৰু শ্ৰীজয়ন্ত কমল বৰুৱাই মূল সংঘৰ দ্বাৰা অনুষ্ঠিত প্ৰশিক্ষণ সত্ৰত প্ৰশিক্ষণ গ্ৰহণ কৰিছে । শ্ৰীমতী তুলিকা বৰুৱা, শ্ৰীজয়ন্ত কমল বৰুৱা, ৰাজেন বৰা, গিৰিন তামুলী, পাপুমণি গগৈ, শ্ৰীমতী নিলীমা বৰুৱা, ৰাজু শইকীয়া, বিমান মুদৈয়ে মূল সংঘই আয়োজন কৰা যুব সমাৰোহ, শিশু সমাৰোহৰ নৃত্য-গীত-বাদ্যত বিশেষ পাৰদৰ্শিতাৰে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে । এইসকল শিল্পীৰ লগতে শ্ৰীলক্ষীৰাম গগৈ, ধ্ৰুৱজ্যোতি শইকীয়া, জুৰিমণি গগৈ আদিয়ে জিলা শাখাই অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাত স্থান দখল কৰি সু-নাম কঢ়িয়াই আনিছে ।

**সাহিত্য শাখা ঃ** ১৯৮৭ চনত মৰঙি আঞ্চলিক সাহিত্য শাখা গঠন হয় । শাখাটিয়ে শংকৰী সাহিত্য সংস্কৃতিৰ প্ৰচাৰ সংৰক্ষণৰ ক্ষেত্ৰত গুৰুত্ব সহকাৰে কৰ্ম-আঁচনি প্ৰস্তুত কৰি ৰূপায়ণৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

জিলা শাখাৰ সপ্তত্ৰিংশ অধিৱেশনত শ্ৰীধৰ্মেশ্বৰ বৰদলৈবাপৰ সম্পাদনাত 'মৰঙি স্মৃতি' প্ৰকাশ পায় । ১৯৯৯ বৰ্ষত মৰঙি আঞ্চলিক, সাহিত্য শাখাই তলত উল্লেখ কৰা পুস্তিকা কেইভাগ সম্পাদনা কৰিছে । শিলৰ ৰেখা ৰাণী পত্ৰিকা; কিশোৰ কণ্ঠহাৰ শিশু সাহিত্য, ব্ৰজবধু, কবিতা সংকলন ।

নৈমিষাৰণ্য বাৰ্ষিক আলোচনী প্ৰথম সংখ্যা ২০০০ চন প্ৰকাশ পাইছে । আকাশী গংগা প্ৰাচীৰ পত্ৰিকা প্ৰথম, দ্বিতীয় আৰু তৃতীয় সংখ্যা প্ৰকাশ । তদুপৰি মূল সংঘৰ আঁচনিভুক্ত বক্তৃতা, ৰচনা, স্বৰচিত কবিতা, চিত্ৰাংকন, কুইজ আদি প্ৰতিযোগিতা যুৱ সাহিত্য চ'ৰা, শিশু সাহিত্য চ'ৰা, সাহিত্য কৰ্মশালা অনুষ্ঠিত কৰি শিশু যুৱকসকলৰ মানসিক উৎকৰ্ষ সাধনত সহায় কৰে । নিৰাময় প্ৰাথমিক শাখাৰ সংগী — শ্ৰীগিৰিন তামুলীয়ে গোলাঘাট জিলা শাখাৰ '৯৯ চনৰ যুৱ সমাৰোহৰ বক্তৃতা প্ৰতিযোগিতাত দ্বিতীয় স্থান পাইছে ।

**আঞ্চলিক শাখাৰ সভাপতি, সম্পাদকসকল ঃ**

| সভাপতি ঃ | সম্পাদক ঃ | কাৰ্যকাল ঃ |
|---|---|---|
| প্ৰয়াত সৰুবাপ দত্ত | শ্ৰীলেখোৰাম বৰুৱা | ১৯৭৭-৭৮ |
| শ্ৰীলেখোৰাম বৰুৱা | শ্ৰীফটিক বৰুৱা | ১৯৭৯-৮০ |
| শ্ৰীবনমালি বৰা | শ্ৰীডিম্বেশ্বৰ বৰা | ১৯৮১-৮২ |
| প্ৰয়াত পুষ্প শইকীয়া | শ্ৰীদুৰ্গেশ্বৰ শইকীয়া | ১৯৮৩-৮৪ |
| শ্ৰীবীৰেশ্বৰ বৰা | শ্ৰীদুৰ্গেশ্বৰ শইকীয়া | ১৯৮৫-৮৬ |
| শ্ৰীকনকেশ্বৰ দুৱৰা | শ্ৰীমানিক গগৈ | ১৯৮৭-৮৮ |
| শ্ৰীঅমূল্য বৰদলৈ | শ্ৰীফটিক বৰুৱা | ১৯৮৯-৯০ |
| | শ্ৰীবাণী ফুকন (ভাৰপ্ৰাপ্ত) | |
| শ্ৰীঅমূল্য বৰদলৈ | শ্ৰীসোমেশ্বৰ শইকীয়া | ১৯৯১-৯২ |
| শ্ৰীমানিক গগৈ | শ্ৰীনৃপেন শইকীয়া | ১৯৯৩-৯৪ |
| শ্ৰীমানিক গগৈ | শ্ৰীনৃপেন শইকীয়া | ১৯৯৫-৯৬ |
| শ্ৰীভূপেন বৰদলৈ | শ্ৰীনৃপেন শইকীয়া | ১৯৯৭-৯৮ |
| শ্ৰীভূপেন বৰদলৈ | শ্ৰীনৃপেন শইকীয়া | ১৯৯৯-২০০০ |

**উপ-সভাপতি ক্ৰমে ঃ** প্ৰয়াত পুষ্প শইকীয়া (১৯৮২), শ্ৰীযোগেশ্বৰ বৰা (৮৭-৮৮), শ্ৰীতোষেশ্বৰ বুঢ়াগোহাঁই (১৯৮৫-৮৬), শ্ৰীনগেন দুৱৰা (৯১-৯২), শ্ৰীটুপাৰাম বৰা (১৯৯৫-৯৬), শ্ৰীঅৰুণ দত্ত (১৯৯৩-৯৪), শ্ৰীকোষেশ্বৰ ৰাজখোৱা (১৯৯৭-২০০০), শ্ৰীদুৰ্গেশ্বৰ শইকীয়া (১৯৯৯-২০০০) ।

**সহঃ সম্পাদকসকল ঃ** শ্ৰীনাৰায়ণ গগৈ (১৯৮১-৮২), শ্ৰীসোমেশ্বৰ শইকীয়া (১৯৮৩-৮৪), শ্ৰীমানিক গগৈ (১৯৮৫-৮৬), শ্ৰীবোধেশ্বৰ শইকীয়া (১৯৮৭-৮৮), শ্ৰীকুলধৰ

বৰা (১৯৯৩-৯৪), শ্ৰীউপেন চন্দ্ৰ বৰুৱা (১৯৯৫ বৰ্তমান), শ্ৰীউপেন শইকীয়া (১৯৯৯-২০০০)।

**সাহিত্য শাখা সমিতি গঠন ১৯৮৭ চন ঃ**

**সভাপতিসকল ঃ** সৰ্বশ্ৰীধৰ্মেশ্বৰ বৰদলৈ (৮৭-৮৮), ডিম্বেশ্বৰ বৰা (৮৯-৯০), শ্ৰীমতী হেমপ্ৰভা বৰা (৯৫-৯৬), বিনোদ হাজৰিকা (৯৭-৯৮), বসন্ত মুদৈ (৯৯-২০০০)।

**সম্পাদকসকল ঃ** সৰ্বশ্ৰীনাৰায়ণ গগৈ (৮৭-৯০), শ্ৰীনৃপেন শইকীয়া (৯৫-৯৬), শ্ৰীউপেন শইকীয়া (৯৭-৯৮), শ্ৰীনাৰায়ণ গগৈ (৯৯-২০০০)।

**সাংস্কৃতিক শাখা গঠন ঃ ১৯৮৭ চন ঃ**

**সভাপতিসকল ঃ** সৰ্বশ্ৰীদুৰ্গেশ্বৰ শইকীয়া (৮৭-৯২), ডিম্বেশ্বৰ বৰা (৯৩-৯৪), গকুল মহন্ত (৯৭-২০০০)।

**সম্পাদক ঃ** সৰ্বশ্ৰীনৃপেন শইকীয়া (৮৭-৯২), উপেন দুৱৰা (৯৩-৯৪), গকুল মহন্ত (৯৫-৯৬), জয়ন্ত কমল বৰুৱা (৯৭-২০০০)।

মৰঙি আঞ্চলিক শাখাৰ বৰ্তমান কাৰ্যনিৰ্বাহকৰ তালিকা, (১৯৯৯-২০০০ চনৰ বাবে)

**মুখ্য উপদেষ্টা ঃ** শ্ৰীলেখোৰাম বৰুৱা, শৰণ সদস্য, মূল সংঘ।

**উপদেষ্টা ঃ** সৰ্বশ্ৰীকমলেশ্বৰ দুৱৰা, বীৰেশ্বৰ বৰা, অমূল্য বৰদলৈ, বনমালি বৰা, মানিক গগৈ।

**সভাপতি ঃ** শ্ৰীভুপেন বৰদলৈ, **উপ-সভাপতি ঃ** শ্ৰীকোষেশ্বৰ ৰাজখোৱা, শ্ৰীদুৰ্গেশ্বৰ শইকীয়া, **সম্পাদক ঃ** শ্ৰীনৃপেন শইকীয়া, **সহঃ সম্পাদক ঃ** (ভাৰপ্ৰাপ্ত সম্পাদক) শ্ৰীউপেন শইকীয়া, শ্ৰীউপেন চন্দ্ৰ বৰুৱা।

**সভাপতি, সংস্কৃতি শাখা ঃ** শ্ৰীগকুল মহন্ত, **সম্পাদক ঃ** শ্ৰীজয়ন্ত কমল বৰুৱা।

**সভাপতি, সাহিত্য শাখা ঃ** শ্ৰীবসন্ত মুদৈ, **সম্পাদক ঃ** শ্ৰীনাৰায়ণ গগৈ, **সদস্য ঃ** সৰ্বশ্ৰীৰবীন ওৰাং, উমেশ তামুলী, গোলাপ বৰুৱা, জয়ন্ত বৰা, বিপিন গগৈ, ৰাতুল বৰা, কানাই ৰাজখোৱা, থানেশ্বৰ গগৈ, অজিত ফুকন, চুৰেন হাজৰিকা, লক্ষীৰাম গগৈ, ধনীৰাম গগৈ, কমল শইকীয়া, ভদ্ৰেশ্বৰী গোহাঁই, পদুমী কলিতা, ৰূপা বৰদলৈ।

**জিলা সদস্য ঃ** সৰ্বশ্ৰীগণেশ তাঁতী, দণ্ড ফুকন, থানেশ্বৰ হাজৰিকা, ডিম্বেশ্বৰ বৰা।

**সেৱা বাহিনী ঃ** শ্ৰীটুটুমণি গগৈ (অধিনায়ক), ৰাজেন বৰা (উপ-অধিনায়ক)।

# মৰঙি আঞ্চলিক শাখাৰ বিশিষ্ট কৰ্মীসকলৰ চমু পৰিচয়

✡ লেখোৰাম বৰুৱা আৰু শ্ৰীঅমূল্য ববদলৈৰ জীৱনী পৰৱৰ্ত্তী অধ্যায়ত সন্নিবিষ্ট কৰা হৈছে।

✡ প্ৰয়াত সৰুৰাপ দত্ত - জন্ম - ১৯১৫, মৃত্যু -১৯৯৭ চন। তেখেত মৰঙি আঞ্চলিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। এগৰাকী সমাজসেৱী, সংঘৰ একনিষ্ঠ সঙ্গী।

✡ বনমালি বৰা - জন্ম-১৯৪২ চন। মৰঙিৰ ফলঙনিৰ বাসিন্দা। মৰঙি আঞ্চলিক শাখাৰ সভাপতি আছিল।

✡ প্ৰয়াত পুষ্প শইকীয়া - জন্ম-১৯৩৭, মৃত্যু - ১৯৮০ চন। নিৰাকাৰ প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক আৰু মৰঙি আঞ্চলিকৰ সভাপতি আছিল। এগৰাকী সু-সংগঠক।

✡ বীৰেশ্বৰ বৰা - জন্ম ১৯৩৬ চন। ফুলবাৰী গাৱঁৰ বাসিন্দা। তেখেত সুদীৰ্ঘ দিন শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰে। মৰঙি আঞ্চলিক শাখাৰ সভাপতি আৰু জিলা শাখাৰ সদস্য হিচাবে কাৰ্যনিৰ্বাহ কৰে।

✡ কণকেশ্বৰ দুৱৰা - বেবেজিয়া প্ৰাথমিক শাখাৰ সভাপতি, মৰঙি আঞ্চলিক শাখাৰ সভাপতি হিচাবে কাৰ্যনিৰ্বাহ কৰে।

✡ মাণিক গগৈ - জন্ম- ১৯৪৮ চন। ফুলবাৰী গাৱঁৰ বাসিন্দা। নিৰাময় প্ৰাথমিক শাখাৰ সভাপতি ( ১৯৭৮ - ৮৩ ), মৰঙি আঞ্চলিক শাখাৰ সহঃসম্পাদক (৮৩-৮৫), সম্পাদক (৮৭-৮৯), সভাপতি (৯৩-৯৬), জিলা শাখাৰ প্ৰাক্তন সদস্য। ৩৭ তম জিলা অধিবেশনৰ আঞ্চলিক আদৰণি সমিতিৰ সম্পাদক পদত কাৰ্যনিৰ্বাহ কৰে। ফুলবাৰী গাঁও পঞ্চায়ত ১৯৮১ -৮৮ চনৰ কাৰ্যকালৰ উপ-সভাপতি আছিল।

✡ তোষেশ্বৰ বুঢ়াগোহাঁই - জন্ম ১৯৪০। মৰঙি পানীকৰা গাৱঁত। এগৰাকী শিক্ষক। পানীকৰা প্ৰাথমিক শাখাৰ বৰ্ত্তমান সম্পাদক। সামাজিক অনুষ্ঠানৰ লগত জড়িত এগৰাকী সচেতন ব্যক্তি। মৰঙি আঞ্চলিক শাখাৰ প্ৰাক্তন উপ-সভাপতি পদত আছিল।

✡ যোগেশ্বৰ বৰা - জন্ম১৯৩০ চন। ফলঙণি গাৱঁত বাসস্থান। মৰঙি আঞ্চলিক শাখাৰ উপ-সভাপতি আছিল।

✡ নগেন দুৱৰা - ১৯৩৫ চনত জন্ম হয়। এগৰাকী ভাল কৃষক। মৰঙি আঞ্চলিক শাখাৰ উপ সভাপতি পদত আছিল। স্থানীয় অনুষ্ঠানৰ লগত জড়িত। এগৰাকী সমাজ সচেতন ব্যক্তি।

✡ অৰুণ দত্ত - জন্ম১৯৫০ চন। জন্মস্থান ফলঙণি। ৰামকৃষ্ণ প্ৰাথমিক শাখাৰ সম্পাদক আঞ্চলিক শাখাৰ উপ-সভাপতি হিচাবে কাৰ্যনিৰ্বাহ কৰিছিল।

স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত সততে জৰিত ব্যক্তি ।

✡ টুপাৰাম বৰা - জন্ম ১৯২৯ চনত ১ নং ফলঙণি গাৱঁত । শুৱলা প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতি আছিল । আঞ্চলিক শাখাৰ উপ সভাপতি পদত আছিল ।

✡ ফটিক বৰুৱা - জন্ম ১৯৫০ চনত কাকডোঙা চোমনি গাৱঁত । এগৰাকী শিক্ষক । নিৰাময় প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক । মৰঙি আঞ্চলিক শাখাৰ সম্পাদক হিচাবে কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও স্থানীয় অনুষ্ঠানৰ লগতে জৰিত এগৰাকী সমাজকৰ্মী ।

✡ সোমেশ্বৰ শইকীয়া - জন্ম ১৯৫২ চন । জন্মস্থান কেন্দুগুৰি । কেন্দুগুৰি প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক । তেখেত জিলা সদস্য হিচাবে কাৰ্য নিৰ্বাহক কৰাৰ উপৰিও আঞ্চলিক শাখাৰ সম্পাদক আছিল ।

✡ বাণীফুকন - ১৯৫৬ চনত কুৰুৱাবাহীত জন্ম হয় । ৰংবংৰ তেলগৰমৰ স্থায়ী বাসিন্দা । সনাতন প্ৰাথমিক শাখাৰ সম্পাদক । মৰঙি আঞ্চলিকৰ সম্পাদক পদত আছিল । মইনা পাৰিজাত শাখাৰ বিভিন্ন দায়িত্বত আছে ।

✡ বোধেশ্বৰ শইকীয়া - জন্মস্থান মৰঙি, ১৯৫১ চনত । বৰ্ত্তমান ৰংবংৰ স্থায়ী বাসিন্দা । নৱ মুক্তি প্ৰাথমিক শাখাৰ সম্পাদক আছিল আৰু বৰ্ত্তমান চিন্তামণি প্ৰাথমিক শাখাৰ সম্পাদক । কৃষকৰ সমস্যাৰ প্ৰতি সদা সচেতন ।

✡ ধৰ্মেশ্বৰ বৰদলৈ - মৰঙি পানীকৰা গাৱঁত ১৯৪৭ চনত জন্ম হয় । এগৰাকী শিক্ষক অসমীয়া সাহিত্য সংস্কৃতি চৰ্চাত ব্ৰতী সু লিখক । মৰঙি আঞ্চলিক শাখাৰ সাহিত্য শাখাৰ সভাপতি । মৰঙি শাখা সাহিত্য সভাৰ সম্পাদক পদত কাৰ্যনিৰ্বাহ কৰে ।

✡ সোণেশ্বৰ কলিতা - কছাৰিহাটত ১৯৪১ চনত জন্ম হয় । অসম গৱকাপ্তানী বিভাগ ৰাষ্ট্ৰীয় পথৰপৰা উপ-অভিযন্তা হিচাপে অৱসৰ গ্ৰহণ কৰে । স্বৰ্ণ প্ৰাথমিক শাখাৰ সভাপতি আছিল । জিলা শাখাৰ সভাপতি আছিল । জিলা শাখাৰ প্ৰাক্তন সদস্য ।

✡ নবীন শইকীয়া - অভয়পুৰীয়া গাঁও নিবাসী । অভয়পুৰীয়া প্ৰাথমিক শাখাৰ সম্পাদক, জিলা শাখাৰ সদস্য আছিল ।

✡ স্বৰ্গীয় অকনেশ্বৰ শইকীয়া - জন্ম ১৯৩১ চনত কাকডোঙাত । ফলঙণিত স্থায়ী ভাৱে বসবাস কৰে । ১ নং ফলঙণি প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক, জিলা শাখাৰ সদস্য আছিল । এগৰাকী আদৰ্শ খেতিয়ক আছিল ।

✡ কুলধৰ বৰা - জন্ম ১৯৬১ চনত । জন্মস্থান কুৰুৱাবাহীত, বৰ্ত্তমান ৰংবংৰ নিৰ্বাসী । নৱ মুক্তি প্ৰাথমিক শাখাৰ বৰ্ত্তমান সম্পাদক । আঞ্চলিক শাখাৰ সহঃসম্পাদক ।

✡ হেমপ্ৰভা বৰা - জন্ম, ১৯৫৪ চন । জন্মস্থান আছিল শালিকিহাট । বৰ্ত্তমান ফুলবাৰী নিৰ্বাসী । মৰঙি আঞ্চলিক সাহিত্য শাখাৰ সভানেত্ৰী পদত আছে । মহিলা সমিতিৰ লগত জড়িত ।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

✡ বিনোদ হাজৰিকা - জন্ম ১৯৪১ চন । অভয়পুৰীয়া গাঁৱত জন্ম । এগৰাকী শিক্ষক । অভয়পুৰীয়া প্ৰাথমিকশাখাৰ প্ৰাক্তন সভাপতি । মৰঙি আঞ্চলিক সাহিত্য শাখাৰ সভাপতি আছিল ।

✡ উপেন দুৱৰা - কেন্দুগুৰি প্ৰাথমিক শাখাৰ সঙ্গী । মৰঙি আঞ্চলিক সংস্কৃতি শাখাৰ সম্পাদক পদত কাৰ্যনিৰ্বাহ কৰিছে ।

✡ গনেশ তাঁতি - জন্ম ১৯৫৯ চন । মৰঙি চেচামুখত জন্ম । এগৰাকী শ্ৰমিক ভৱিষ্যত নিধিৰ কৰ্মচাৰী । কেন্দুগুৰি প্ৰাথমিক শাখাৰ সঙ্গী । সংঘৰ একনিষ্ঠ সঙ্গী । জিলা শাখাৰ সদস্য হিচাবে কাৰ্যনিৰ্বাহ কৰি আছে । ৪৭ তম্ জিলা অধিবেশনৰ 'স্মৃতি গ্ৰন্থ' সম্পাদনা সমিতিৰ সভাপতি আছিল ।

✡ থানেশ্বৰ হাজৰিকা - বৰ্ত্তমান চতিয়না বগিজান নিবাসী তেখেতৰ জন্ম ১৯৬২ চনত । বৰ্ত্তমান গোলাঘাট জিলা শাখাৰ সদস্য । এগৰাকী ভাল ব্যৱসায়ী হিচাবে প্ৰতিষ্ঠিত ব্যক্তি ।

✡ দণ্ডনাথ ফুকন - বৰ্ত্তমান ফলঙণি গাৱঁৰ নিবাসী । মৰঙি আঞ্চলিক শাখাৰ সদস্য আৰু বৰ্ত্তমান জিলা শাখাৰ সদস্য পদত আছে ।

✡ ভূপেন বৰদলৈ - মৰঙিৰ পানীকৰা গাৱঁত ১৯৪১ চনত জন্ম হয় । শিক্ষকতা হ'ল তেখেতৰ বৃত্তি । জিলা শাখাৰ প্ৰাক্তন সদস্য । বৰ্ত্তমান মৰঙি আঞ্চলিক শাখাৰ সভাপতি । কৃতি শিক্ষকৰ পুৰস্কাৰ প্ৰাপ্ত গোলাঘাট জিলা শিক্ষা বিভাগৰ দ্বাৰা ।

✡ কোমেশ্বৰ ৰাজখোৱা - হাবিয়াল গাৱঁত ১৯৩৮ চনত জন্ম হয় । পূৰ্বতে হাবিয়াল মুক্তি প্ৰাথমিকৰ সঙ্গী আছিল । বৰ্ত্তমান বংবং নৱমুক্তি প্ৰাথমিকৰ সঙ্গী হৈ আঞ্চলিক শাখাৰ উপ-সভাপতি হিচাবে কাৰ্যনিৰ্বাহ কৰিছে ।

✡ দুৰ্গেশ্বৰ শইকীয়া বেবেজিয়া গাঁৱত ১৯৪৯ চনত জন্ম হয় । বেবেজিয়া প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক আঞ্চলিক শাখাৰ সম্পাদক আৰু ৪৭ তম জিলা অধিবেশনৰ আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি আছিল ।

✡ নৃপেন শইকীয়া - ১৯৫৪ চনত বঙামাটি বাদুলিপাৰত জন্ম হয় । এগৰাকী শিক্ষক হিচাবে জীৱন নিৰ্বাহ কৰিছে । ফলঙণি স্বৰ্ণপ্ৰাথমিক শাখাৰ সম্পাদক, মৰঙি আঞ্চলিক শাখাৰ সংস্কৃতি শাখাৰ সম্পাদক, সাহিত্য শাখাৰ সম্পাদক আৰু বৰ্ত্তমান আঞ্চলিক শাখাৰ সম্পাদক হিচাবে কাৰ্যনিৰ্বাহ কৰি আছে । তেখেতৰ সু-চিন্তিত কবিতা-প্ৰৱন্ধ আদি প্ৰকাশ পাইছে । অন্যান্য অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত সক্ৰীয় ভাবে জড়িত হৈ আছে ।

✡ উপেন শইকীয়া - ১৯৫৩ চনত ঢেকীয়াত জন্ম । বৰ্ত্তমান ফুলবাৰীৰ বাসিন্দা । নিৰাময় প্ৰাথমিক শাখাৰ সম্পাদক, মৰঙি আঞ্চলিক সাহিত্য শাখাৰ সম্পাদক পদত আছিল ।

✡ উপেন্দ্ৰ চন্দ্ৰ বৰুৱা - ফলঙণিত ১৯৫৬ চনত জন্ম হয় । ২ নং ফলঙণি

প্ৰাথমিক শাখাৰ সম্পাদক আছিল । বৰ্ত্তমান ৰামকৃষ্ণ প্ৰাথমিক শাখাৰ সম্পাদক । মৰঙি আঞ্চলিক শাখাৰ সহঃসম্পাদক পদত আছে । অন্যান্য অনুষ্ঠানৰ লগত জড়িত এগৰাকী উদ্যোগী ব্যক্তি ।

✡ বসন্ত মুদৈ - মাজুলী ন মাটি - আহতগুৰিত ১৯৫১ চনত জন্ম হয় । বৰ্ত্তমান থুৰাজান প্ৰান্তৰ বাসিন্দা । এগৰাকী শিক্ষক আৰু ক্ষুদ্ৰ চাহ খেতিয়ক । সুন্দৰ প্ৰাথমিক শাখাৰ উপ-সভাপতি । মৰঙি আঞ্চলিক সাহিত্য শাখাৰ সভাপতি । ৪৭ তম জিলা শাখাৰ অধিবেশনৰ আদৰণি সমিতিৰ সাধাৰণ সম্পাদক আছিল ।

✡ গকুল মহন্ত - ওল্টাজান গাঁৱত (ফলঙণিত) ১৯৬০ চনত জন্ম হয় । আই কনকলতাৰ আজ্ঞাপৰ শালমৰা সত্ৰৰ পৰিৱেশত ডাঙৰ হৈও তেখেতে শুদ্ধ সত্ত্ব মহাপুৰুষীয়া ধৰ্ম গ্ৰহণ কৰি একান্ত সঙ্গীৰ্ভুক্ত হয় । ১৯৮৮ চনত তেখেতৰ খুৰাকৰ আদ্যশ্ৰাদ্ধত পিতৃ শিৱকান্ত মহন্ত প্ৰভুৰ লিখিত সম্মতিক্ৰমে তেখেতৰ মাতৃ শ্ৰীযুতা খুদেশ্বৰী মহন্ত আই গৰাকী সহ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘত অন্তৰ্ভুক্ত হৈ শৰণ গ্ৰহণ কৰে । ১ নং ফলঙণি স্বৰ্ণ প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক । মৰঙি আঞ্চলিক শাখাৰ সম্পাদক , সভাপতি পদত থাকি সংঘৰ প্ৰচাৰ প্ৰসাৰত অৰিহণা যোগায় । তেখেত এগৰাকী শঙ্কৰী সংস্কৃতিৰ সাধক ।

✡ জয়ন্ত কমল বৰুৱা - মৰঙি পানীকৰা গাৱঁত ১৯৬৮ চনত জন্ম হয় । মৰঙি আঞ্চলিক সংস্কৃতি শাখাৰ সম্পাদক । (১৯৯৭-৯৯) ৪৭ তম জিলা অধিৱেশনৰ কৃষ্টি সম্পাদক । পানীকৰা প্ৰাথমিক শাখাৰ সেৱা বাহিনীৰ নায়ক । আঞ্চলিক শাখাৰ অধিনায়ক, গোলাঘাট জিলাৰ সেৱাবাহিনীৰ সহঃজিলাধিনায়ক । শঙ্কৰী সংস্কৃতিৰ গায়ন বিষাৰদ । কলা বিভাগৰ স্নাতক আৰু শিক্ষণ -প্ৰশিক্ষণ মহাবিদ্যালয়ৰ স্নাতক পৰীক্ষাত উৰ্ত্তীৰ্ণ এগৰাকী শিক্ষিত নিবনুৱা । স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত সততে জড়িত হৈ আছে ।

টুটুমণি গগৈ - ফুলবাৰী গাৱঁত ১৯৭৬ চনত জন্ম হয় । শিক্ষা কলা স্নাতক । মৰয়নি আঞ্চলিক শাখাৰ সেৱা বাহিনীৰ অধিনায়ক । সামাজিক কেন্দ্ৰৰ লগত জড়িত ।

ৰাজেন বৰা - খুৰা মুখত ১৯৭৪ চনত জন্ম হয় । শিক্ষা প্ৰাক স্নাতক, হিন্দী ৰত্ন । সুন্দৰ প্ৰাথমিক শাখাৰ সেৱাবাহিনীৰ নায়ক । মৰঙি আঞ্চলিক শাখাৰ সহঃ অধিনায়ক । এগৰাকী শিক্ষক । □□

# শুৱলা প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭০ চন

গোলাঘাট জিলাৰ পশ্চিম প্ৰান্তত কাৰবি আংলং জিলাৰ সীমাত অৱস্থিত চটিয়ানাগুৰি ঠাই টুকুৰা বিভিন্ন ঠাইৰপৰা অহা লোকসকলেৰে জনবসতিপূৰ্ণ ঠাই। বুৰঞ্জী প্ৰসিদ্ধ মৰঙি অঞ্চলৰ সৰহভাগ ঠায়েই হাবি-জংঘলেৰে ভৰা। দেশ স্বাধীন হোৱাৰ আগৰেপৰা এই বনাঞ্চললৈ বিভিন্ন ঠাইৰ লোকসকল খেতিৰ মাটি বিচাৰি আহি বসতি স্থাপন কৰে। সেই জনস্ৰোত আজি প্ৰায় বন্ধ হৈছে। মৌখিক জনশ্ৰুতি মতে চটিয়ানা গছৰ সংখ্যাধিক্যৰ বাবেই এই বনাঞ্চলৰ নাম চটিয়ানাগুৰি হয়। অৱশ্যে বৰ্তমান এই ঠাইডোখৰক বগীজান নামেৰেও জনা যায়। এই বগীজান নামটোও এটি জানৰপৰাই হোৱা। বৰ্তমান বিভিন্ন জাতি, উপজাতিৰ মিলনভূমি এই চটিয়ানাগুৰি অঞ্চলৰ প্ৰায় ১ বৰ্গ কিলোমিটাৰ বিস্তৃত এই চটিয়ানাগুৰি অঞ্চলৰ শতকৰা ৯৯ ভাগ লোকেই কৃষিজীৱী। কাৰবি আংলঙৰ জুৰিৰ পানীৰে উপচিপৰা পথাৰত খেতি কৰা প্ৰায় সকলো কৃষকৰে স্বচ্ছল অৱস্থা।

চটিয়ানাগুৰিৰ বৰ্তমান জনসংখ্যা প্ৰায় ১০০০ জন। গৃহস্থী সংখ্যা প্ৰায় ২০০ ঘৰ। এই ঠাইডোখৰৰ লগত অন্য ঠাইৰ বিশেষ সম্পৰ্ক নাছিল। ইয়াৰ প্ৰধান অন্তৰায় হ'ল দৈগ্ৰোং নদীখন। বাৰিষা পাহাৰীয়া পানীৰে প্লাৱিত হোৱা এই নদীখনে সেই সময়ত যাতায়তৰ অচলাৱস্থা সৃষ্টি কৰিছিল। ইয়াত অসম চৰকাৰৰ বন বিভাগৰ কাৰ্যালয় আৰু কাৰবি আংলঙৰ সীমাত বগীজান চাহ বাগিচা অৱস্থিত।

চটিয়ানাগুৰি 'শুৱলা প্ৰাথমিক শাখা' গঠনৰ বিষয়ে ক'বলৈ হ'লে কেইগৰাকীমান চিন্তাশীল ব্যক্তিৰ নাম উল্লেখ কৰিব লাগিব। বগীজান চাহবাগিচাৰ মেনেজাৰ শ্ৰীদয়ানন্দ গোহাঁই, শিক্ষক শ্ৰীমালভোগ বৰা, মণি গগৈ, শ্ৰীনবীন কোঁৱৰ এইসকলৰ ভিতৰত অগ্ৰণী। শ্ৰীমালভোগ বৰাদেৱে স্থানীয় লোকসকলৰ লগত আলোচনা-বিলোচনা কৰি শ্ৰীমন্ত শংকৰদেৱৰ প্ৰৱৰ্ত্তিত এক শৰণ নামধৰ্মৰ বিষয়ে উপদেশ দিয়ে। তেখেতসকলৰ উদ্‌গণিত আৰু তেতিয়াৰ শুৱলা প্ৰাথমিক শাখাৰ সভাপতি শ্ৰীটুনাৰাম বৰাৰ চেষ্টাত আৰু স্থানীয় লোকসকলৰ সহযোগত স্থানীয় লিক্‌চন্ নামঘৰত এখনি ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। উক্ত সভাত প্ৰয়াত মণি গগৈকে আদি কৰি কেইবাজনো বক্তাই গুৰুজনাৰ শুদ্ধ-সত্ত্ব একশৰণ নাম ধৰ্মৰ

বিষয়ে সমজুৱাভাৱে বুজাই কয় । ১৯৬৯ চনৰ আহিন মাহত অনুষ্ঠিত হোৱা এই সভাতেই বক্তাসকলে গুৰুজনাৰ ধৰ্ম ৰক্ষা কৰিবলৈ আগবাঢ়ি অহা 'অসম শ্ৰীমন্ত শংকৰদেৱ সংঘ'ৰ অন্তৰ্ভুক্ত হ'বলৈ ৰাইজক উপদেশ দিয়ে ।

ইয়াৰ পিছ বছৰত অৰ্থাৎ ১৯৭০ চনৰ মাৰ্চ মাহৰ ১৫ তাৰিখে গুৰুজনাৰ ধৰ্মৰ প্ৰতি আকৃষ্ট হোৱা কেইগৰাকীমান লোকৰ পৰিযত্নত শ্ৰীদয়ানন্দ গোহাঁইৰ সহযোগত শ্ৰীনবীন কোঁৱৰক নিৰ্দিষ্ট বক্তা হিচাপে লৈ এখন ধৰ্মালোচনী সভা অনুষ্ঠিত হয় । এই সভাতেই চটিয়ানাগুৰি 'গুৰলা প্ৰাথমিক' গঠন কৰা হয় । প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ৯ ঘৰ আৰু সংগীৰ সংখ্যা ২৫ জন ।

**প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকল ঃ**

| | |
|---|---|
| সভাপতিসকল ঃ | শ্ৰীটোপাৰাম বৰা (১৯৭০-৯৮ চন ।) |
| | শ্ৰীদ্ৰোণকান্ত গোহাঁই (১৯৯৯-২০০০ চন ।) |
| উপ-সভাপতি ঃ | শ্ৰীৰেব বৰা (১৯৯৯-২০০০ চন ।) |
| সম্পাদকসকল ঃ | প্ৰয়াত কেশৱ গগৈ (১৯৭০-৮২ চন ।) |
| | শ্ৰীতীৰ্থ গোহাঁই (১৯৮২-৯৪ চন ।) |
| | শ্ৰীৰবীন ওৱাং (১৯৯৪-৯৮ চন ।) |
| | শ্ৰীসুৰেন ৰাজখোৱা (১৯৯৯-২০০০ চন ।) |
| সহঃ সম্পাদক | শ্ৰীমোহন গগৈ (১৯৯৯-২০০০ চন ।) ❑ |

# ফুলবাৰী নিৰাকাৰ প্ৰাথমিক

## গঠন ঃ ১৯৭৬ চন

১৯৩৫ চনত পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ পুত্ৰ শ্ৰীশৰৎ চন্দ্ৰ গোস্বামীদেৱৰ শ্যামৰাইপূৰ চাহ বাগিচা খুলি বাগিচাত কাম কৰিবলৈ যোৰহাট আৰু বোকাখাত অঞ্চলৰ দলামৰাৰ কিছু বনুৱা আৰু কাৰ্বি সম্প্ৰদায়ৰ মানুহ এই অঞ্চললৈ আনে । বৰ্তমান এই ফুলবাৰী অঞ্চলত বনুৱা কাৰ্বি আৰু বিভিন্ন জাতি-উপজাতিয়ে বসবাস কৰে ।

ফুলবাৰী নিৰাকাৰ প্ৰাথমিক শাখা গঠনৰ আগতে মৰঙি মৌজাৰ বিভিন্ন অঞ্চলৰ লোকসকল কৰ্মকাণ্ডতেই চলি আহিছিল । মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ একশৰণ নামধৰ্মৰ আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ এই অঞ্চলৰ কেইগৰাকীমান উদ্যোগী লোকে এখন প্ৰাথমিক শাখা গঠনত আগভাগ লয় ।

যোৱা ইংৰাজী, ১৯৭৪ চনত মিছামৰা মৌজাৰ 'মলাই কুমাৰ গাঁৱৰ নিৰঞ্জন প্ৰাথমিক শাখা'ৰ সংগী শ্ৰীপুণ্যেশ্বৰ হাজৰিকাৰ লগত ফুলবাৰী গাঁৱৰ প্ৰয়াত পুষ্প শইকীয়াৰ ভগ্নী শ্ৰীমতী তৰুলতা শইকীয়াৰ বিবাহ কাৰ্য্য হোম ৰহিত প্ৰথাৰে উক্ত প্ৰাথমিকৰ সহযোগত সম্পাদন কৰা হয় । এই বিবাহৰ পাছৰপৰাই স্থানীয় ৰাইজে কৰ্মকাণ্ড ত্যাগ কৰি 'অসম শ্ৰীমন্ত শংকৰদেৱ সংঘ'ৰ আৰ্হিৰে এখন শুদ্ধ সত্ৰ সমাজ গঢ়াৰ কল্পনা কৰে । ইতিমধ্যে শ্ৰীবীৰেশ্বৰ বৰা আৰু শ্ৰীবোপাৰাম বৰা মলাই কুমাৰ নিৰঞ্জন প্ৰাথমিকৰ সংগীভুক্ত হয় । অন্যহাতে প্ৰয়াত পুষ্প শইকীয়াৰ পিতৃ বলোৰাম শইকীয়াৰ মৃতাহ কৰ্ম নিৰঞ্জন প্ৰাথমিকৰ সহযোগত নাম-কীৰ্ত্তনেৰে সম্পাদন কৰা হয়। এনেদৰে গুৰুজনাৰ ধৰ্মাদৰ্শ চিন্তা-চৰ্চা কৰাৰ পাছত মৰঙি মৌজাৰ অন্তৰ্গত ফুলবাৰী গাঁৱত ১৯৭৬ চনত শ্ৰীতুৰাৰাম হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত ফুলবাৰী নিৰাকাৰ প্ৰাথমিক শাখা গঠন কৰা হয় আৰু জিলাৰ অনুমোদন লাভ কৰে ।

১৯৭৬ চনত গঠন হোৱা এই প্ৰাথমিকৰ সেই সময়ত গৃহস্থীৰ সংখ্যা আছিল ১৫ ঘৰ আৰু সংগীৰ সংখ্যা ৩৩ জন । প্ৰাথমিকৰ সংগী শ্ৰীবীৰেশ্বৰ বৰা আৰু প্ৰয়াত পুষ্প শইকীয়া আঞ্চলিক শাখাৰ সভাপতি আৰু জিলা শাখাৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল । প্ৰাথমিকৰ বৰ্তমান মুঠ গৃহস্থী ১৭ ঘৰ, সংগী ৩৭ জন।

### গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

**প্ৰাথমিকৰ কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়া ঃ**

শ্ৰীবীৰেশ্বৰ বৰা, সভাপতি, প্ৰয়াত পুষ্প শইকীয়া, (১৯৭৪-৭৯ চন), শ্ৰীপ্ৰফুল্ল হাজৰিকা, সভাপতি, শ্ৰীপুৰাৰাম বৰা, শ্ৰীকুলধৰ বৰা, সম্পাদক (১৯৭৯-৮২ চন), শ্ৰীবসন্ত হাজৰিকা, সভাপতি, শ্ৰীপুৰাৰাম বৰা, সম্পাদক, (১৯৮৩-৮৫ চন), প্ৰয়াত কেহুৰাম হাজৰিকা, সভাপতি, শ্ৰীপুৰাৰাম বৰা, সম্পাদক, (১৯৮৫-৯০ চন), শ্ৰীপোনাৰাম বৰা, সভাপতি, শ্ৰীসৰুপোনা বৰা, সম্পাদক, (বৰ্তমান)।

উপ-সভাপতি ঃ শ্ৰীপুণ্যেশ্বৰ বৰা, সহঃ সম্পাদক ঃ শ্ৰীঅজিত দত্ত, শ্ৰীশৰৎ বৰুৱা।

সেৱাবাহিনীৰ নায়ক ঃ শ্ৰীশৰৎ বৰুৱা।

প্ৰাথমিকৰ সংগীসকলৰ উদ্যোগত বিভিন্ন সময়ত সংঘৰ প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যৰে গুৰুজয়ন্তী, ধৰ্মালোচনী সভা, শৰণ কক্ষ, অনুষ্ঠিত কৰি আহিছে।❑

# বেৰেজীয়া প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৬ চন

মৰঙি আঞ্চলিক শাখাৰ জন্মলগ্নৰেপৰা বেৰেজীয়া প্ৰাথমিক শাখাটি ৮০ ঘৰ গৃহস্থীৰে ভৰা বেৰেজীয়া গাঁৱত অৱস্থিত। এই স্থানত ১৯৭৬ চনত এই গাঁৱৰ সমীপত থকা কাঠকটীয়া গাঁৱত, বৈষ্ণৱ পণ্ডিত শ্ৰীসোণাৰাম চুতীয়া আৰু শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়াই অংশ গ্ৰহণ কৰা এখনি ধৰ্মালোচনী সভা হৈছিল। তেখেতলোকৰ শাস্ত্ৰৰ শুদ্ধ ব্যাখ্যা শুনি কেইবাজনৰ মনৰপৰা কৰ্মকাণ্ডৰ কলিয়া ডাৱৰ আঁতৰ হৈছিল, সেই ক্ষেত্ৰত শ্ৰীকনেকেশ্বৰ দুৱৰা, শ্ৰীদুৰ্গেশ্বৰ শইকীয়া আদি সংগীসকলৰ প্ৰচেষ্টা উল্লেখযোগ্য। অৱশেষত নানা আলোচনা কৰাৰ পিছত ২৪/৫/৭৬ তাৰিখে ১০ ঘৰ গৃহস্থী ৩৫ জন সংগী শ্ৰীমন্ত শংকৰদেৱ সংঘত অন্তৰ্ভুক্ত হৈ বেৰেজীয়া প্ৰাথমিক শাখা নামেৰে প্ৰাথমিক গঠন কৰে। প্ৰাথমিক শাখাটিৰ প্ৰতিষ্ঠাপক সভাপতি শ্ৰীকনেকেশ্বৰ দুৱৰা, তেখেতে মৰঙি আঞ্চলিক শাখাৰো সভাপতি পদ অলংকৃত কৰিছিল। তদুপৰি বাপজনে প্ৰাথমিকৰ নামঘৰৰ বাবে তিনি কঠা মাটি আগবঢ়াই প্ৰাথমিক শাখাক ডাঙৰ উপকাৰ কৰে। এই শাখাৰ প্ৰথম সম্পাদক শ্ৰীদুৰ্গেশ্বৰ শইকীয়া। শ্ৰীশইকীয়া ৪ বছৰ আঞ্চলিক সম্পাদক, ৪ বছৰ কাল জিলা সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰে। ইয়াৰ বাদে শ্ৰীদেউকণ বৰা, আনন্দ গগৈ, কমল শইকীয়া

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

আদি সংগীসকলে প্ৰাথমিকৰ বিষয়বাব লৈ সংঘৰ সেৱা আগবঢ়ায় ।বৰ্তমান প্ৰাথমিকত ২৩ ঘৰ গৃহস্থী আৰু ৬০ জন সংগী আছে ।

সভাপতিসকল ঃ সৰ্বশ্ৰীকনকেশ্বৰ দুৱৰা, থানেশ্বৰ গগৈ, শ্ৰীদীননাথ গগৈ, শ্ৰীপূৰ্ণকান্ত গগৈ, শ্ৰীদেউকণ গগৈ, বৰ্তমান সভাপতি, শ্ৰীনলীন গগৈ ।

উপ-সভাপতিসকল ঃ শ্ৰীসোণাৰাম গগৈ, শ্ৰীআনন্দ গগৈ, শ্ৰীপূৰ্ণকান্ত গগৈ, শ্ৰীদেউকণ বৰা, বৰ্তমান উপ-সভাপতি, শ্ৰীআনন্দ গগৈ ।

সম্পাদকসকল ঃ শ্ৰীদুৰ্গেশ্বৰ শইকীয়া, শ্ৰীদেবেশ্বৰ শইকীয়া, শ্ৰীআনন্দ গগৈ, শ্ৰীউমাকান্ত দুৱৰা, বৰ্তমান শ্ৰীলাচিত দুৱৰা ।

সহঃ সম্পাদকসকল ঃ শ্ৰীদীননাথ গগৈ, ঘনকান্ত গগৈ, শ্ৰীউমাকান্ত দুৱৰা, বৰ্তমান, শ্ৰীঅমূল্য শইকীয়া ।

সেৱাবাহিনীৰ নায়ক ঃ শ্ৰীদ্বীপেন শইকীয়া । ❑

# পানীকৰা প্ৰাথমিক শাখা

### গঠন ঃ ১৯৭৬ চন

পানীকৰা প্ৰাথমিক হিচাপে গঠন হোৱাৰ চাৰি বছৰ আগৰেপৰা মৰঙিৰ মধ্যস্থল পানীকৰা গাঁৱত কেইজনমান লোকে কৰ্মকাণ্ড ত্যাগ কৰি গুৰু ধৰ্মৰ আৰ্হিৰে এখন শুদ্ধ-সত্ব সমাজ প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰি আছিল । প্ৰথমে ১৮৯৭ শকত স্থানীয় কমল চন্দ্ৰ বৰদলৈৰ মৃতাহকৰ্ম ভাগ সংঘৰ নীতিৰে সমাধা কৰি সংঘমুখী হোৱাৰ পাতনি মেলে । তদুপৰি এই স্থানত শ্ৰীপ্ৰৱীণ বুঢ়াগোহাঁইৰ চেষ্টাত ১/৬/৭৬ আৰু ৬/৬/৭৬ তাৰিখে দুখন ধৰ্মালোচনী সভা আহবান কৰি সভালৈ শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া, শশীকান্ত বৰুৱা আৰু শ্ৰীতুলসী বৰদলৈক আমন্ত্ৰণ জনায় । সেই সভাত তেখেতলোকৰ ভাষণে কিছুলোকৰ মাজত ক্ৰীয়া কৰে । এই সভাৰ বহু আগৰেপৰা সৰ্বশ্ৰী ˚ফটিক হাজৰিকা, ফটিক বৰদলৈ, অমুল্য বৰদলৈ, লেখোৰাম বৰুৱা, ভূপেন বৰদলৈ, তোযেশ্বৰ বুঢ়াগোহাঁই, মানিক বুঢ়াগোহাঁই আদি বাপসকলে কৰ্মকাণ্ডৰ প্ৰতি বিৰাগভাৱ অহাত প্ৰতি বৃহস্পতিবাৰে চলন্তভাৱে ভাগৱত পাঠ কৰি আলোচনা কৰে। তাৰ ফলতেই ২৭/৯/৭৬ চনত তেখেতলোক সমবেত হৈ 'পানীকৰা' নাম দি এখন প্ৰাথমিক গঠন কৰে । ১৪ ঘৰ গৃহস্থী আৰু ৩৭ জন সংগীলৈ প্ৰতিষ্ঠা কৰা প্ৰাথমিকখনৰ সভাপতি ˚ফটিক হাজৰিকা আৰু সম্পাদক শ্ৰীলেখোৰাম বৰুৱাই

প্ৰাথমিকৰ দায়িত্ব বহন কৰে । পিছত ১৯৭৯ চনত ২৩ ঘৰ গৃহস্থী ৭০ জন সংগীলৈ বৃদ্ধি হয় যদিও অঞ্চলটিত নৱ বৈষ্ণৱ নাম দি সমান্তৰালভাৱে আন কেইজনমান বুদ্ধিজীবীয়ে এটা সংগঠন কৰাত শ্ৰীশংকৰদেৱৰ সংঘৰ অন্তৰায় সৃষ্টি কৰে । ১৯৯৮ চনত মুঠ গৃহস্থী ১৩ ঘৰ । বৰ্তমানৰ সভাপতি শ্ৰীকনকেশ্বৰ ফুকন আৰু সম্পাদক শ্ৰীতোষেশ্বৰ বুঢ়াগোহাঁয় ।

এই প্ৰাথমিকৰ সংগী শ্ৰীযুত লেখোৰাম বৰুৱা, প্ৰাথমিকৰ সম্পাদক, আঞ্চলিকৰ প্ৰতিষ্ঠাপক সম্পাদক, আঞ্চলিকৰ সভাপতি জিলা শাখাৰ সম্পাদক, সভাপতি আৰু বৰ্তমান আঞ্চলিকৰ মুখ্য উপদেষ্টা হিচাপে অবিৰতভাৱে সংঘৰ সেৱা কৰি আছে । শ্ৰীঅমূল্য বৰদলৈয়ে মূল সংঘৰ সদস্যৰ উপৰি আঞ্চলিকৰ সভাপতি হিচাপেও কাৰ্যনিৰ্বাহ কৰে । শ্ৰীভূপেন বৰদলৈয়ে প্ৰাথমিকৰ সম্পাদকৰ উপৰি আঞ্চলিক শাখাৰ বৰ্তমান সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে । শ্ৰীতোষেশ্বৰ বুঢ়াগোহাঁয়ে প্ৰাথমিকৰ সম্পাদকৰ উপৰি আঞ্চলিক শাখাৰ এটা কাৰ্যকাল উপ-সভাপতি হিচাপে কাম কৰে । পানীকৰা প্ৰাথমিকৰ সৌজন্যত ১৯৮০ চনত জিলা অধিৱেশন উদ্‌যাপন কৰা হয় । প্ৰাথমিক শাখাৰ অংগী তথা যুৱক-যুৱতীসকল সংস্কৃতি প্ৰিয় । এই শাখাৰ শ্ৰীযুত লেখোৰাম বৰুৱাৰ একমাত্ৰ পুত্ৰ শ্ৰীজয়ন্তীকমল বৰুৱা বায়ন বিশাৰদ আৰু আঞ্চলিক শাখাৰ সংস্কৃতি সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে । তেখেতৰ কনিষ্ঠ কন্যা শ্ৰীমতী তুলিকা বৰুৱা প্ৰথম শ্ৰেণীৰ প্ৰথম গায়ন (বৰগীত) বিশাৰদ সন্মান অৰ্জন কৰিছে ।

সভাপতিসকল ঃ ক্ৰমে সৰ্বশ্ৰীফটিক চন্দ্ৰ হাজৰিকা, (১৯৭৬-৮৯), কনকেশ্বৰ ফুকন (১৯৮৯ বৰ্তমানলৈকে) ।

সম্পাদকসকল ঃ সৰ্বশ্ৰীলেখোৰাম বৰুৱা (১৯৭৬-৭৯), ভূপেন বৰদলৈ (১৯৭৯-৮৯), তোষেশ্বৰ বুঢ়াগোহাঁই (১৯৮৯ বৰ্তমানলৈ) ।

সেৱাবাহিনীৰ নায়ক ঃ শ্ৰীজয়ন্তকমল বৰুৱা । ❑

# নিৰাময় প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৬ চন

১৯৭৪-৭৫ চন । সেই সময়ত ফুলবাৰীলৈ বিভিন্ন ঠাইৰ বহুলোক আহে। তাৰ ভিতৰতে মলাই কুমাৰ প্ৰাথমিকৰপৰাও কেইজনমান সংঘৰ সংগী আছিল । শ্ৰীপ্ৰৱীণ বুঢ়াগোহাঁইয়ে ৰাইজক ভাগৱত শাস্ত্ৰ অধ্যয়নত সজাগ কৰাত ৰাইজৰ এক

শৰণ হৰিনাম ধৰ্মৰ প্ৰতি ধাউতি বৃদ্ধি পায় । তদুপৰি শ্ৰীডিম্বেশ্বৰ বৰাই (যুৱক) বৰুৱাবামুণ গাঁৱত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাদেশিক অধিৱেশনত বিশিষ্ট লোকৰ ভাষণত মুগ্ধ হৈ নামধৰ্মী হ'বলৈ উঠি-পৰি লাগিল । দ্বিতীয়তে আন এজন সংঘৰ নীতি আদৰ্শত মুগ্ধ হোৱা যুৱক শ্ৰীফটিক বৰুৱা শ্ৰীবৰাৰ লগলাগি শুদ্ধ-সত্ব ধৰ্ম প্ৰচাৰ কৰি ফুলবাৰীত এখন প্ৰাথমিক গঠন হোৱাৰ বাট মুকলি কৰে । ১৫/১০/৭৬ তাৰিখে জয়ৰাম বৰাৰ গৃহত শ্ৰীপ্ৰবীণ বুঢ়াগোহাঁইৰ সভাপতিত্বত এখন ধৰ্মালোচনী সভা হয় । সেই সভাতে ১০ ঘৰ গৃহস্থী আৰু ২৬ জন সংগীক লৈ 'নিৰাময়' নামেৰে প্ৰাথমিক গঠন হয় । উপস্থিত সকলোজনে পৰম্পৰা আৰু কৰ্মকাণ্ড ত্যাগ কৰি সংঘৰ সংগী হয় । ২২/১০/৭৬ তাৰিখে বৰ্তমান ২২ ঘৰ গৃহস্থী ৭০ জন সংগী আছে ।

প্ৰাথমিক শাখাৰ প্ৰথম সভাপতি শ্ৰীডিম্বেশ্বৰ বৰা, এখেতে ইয়াৰ উপৰি জনাৰ্দন আৰু বৃন্দাবন নামে দুখন প্ৰাথমিক গঠনত মুখ্য ভূমিকা লৈ সভাপতি হয় । আঞ্চলিক শাখাৰ সম্পাদক সংস্কৃতি শাখাৰ সভাপতিও বাছে । বৰ্তমান তেখেত 'বৃন্দাবন' প্ৰাথমিকৰ সংগী । প্ৰথম সম্পাদক শ্ৰীফটিক বৰুৱা, শ্ৰীবৰুৱা প্ৰাথমিক সভাপতিৰ উপৰি আঞ্চলিক শাখাৰ কাৰ্যকৰী সম্পাদক হিচাপে কাম কৰে । প্ৰাথমিকত এটি গাণিকা দল আছে তদুপৰি যুৱক শ্ৰীগিৰিণ তামূলীয়ে মূল সংঘত যুৱ সমাৰোহত কৃষ্ণ নৃত্যত পুৰস্কাৰ পাই প্ৰাথমিকৰ গৌৰৱ কঢ়িয়াই আনিছে । বাকী কেইবাজনো যুৱক, শিশুৱে বৰ্তমান সংস্কৃতিৰ দিশত গীত-বাদ্য নৃত্যত প্ৰশিক্ষণ লৈ আছে । আঞ্চলিক ভিত্তিত হোৱা প্ৰতিযোগিতাত পুৰস্কাৰ বিজেতা কেইবাজনো যুৱক শিশু আছে ।

এই প্ৰাথমিকৰ অন্যতম সংগী শ্ৰীমাণিক গগৈ আঞ্চলিক শাখাৰ দুটা কাৰ্যকালৰ সভাপতি আছিল । বৰ্তমান জিলা সাঃ নিঃ সভাৰ সদস্য ।

সভাপতিসকল ঃ ক্ৰমে **সৰ্বশ্ৰীডিম্বেশ্বৰ বৰা** (১৯৭৬-৭৭), ধৰ্মেশ্বৰ বৰা (১৯৭৭-৮১, ১৯৮৮-৯১, ১৯৯৬ বৰ্তমানলৈ), সিদ্ধেশ্বৰ শইকীয়া (১৯৮২-৮৭), ফটিক বৰুৱা (১৯৯২-৯৫) ।

উপ-সভাপতি ক্ৰমে ঃ শ্ৰীসিদ্ধেশ্বৰ শইকীয়া (১৯৭৮-৮১), প্ৰয়াত জয়ৰাম বৰা (১৯৮৮-৯১), শ্ৰীভদ্ৰেশ্বৰ গগৈ (১৯৯৬) ।

সম্পাদকসকল ক্ৰমে ঃ শ্ৰীফটিক বৰুৱা (১৯৭৬-৭৭), শ্ৰীমাণিক গগৈ (১৯৭৮-৮৩), প্ৰয়াত লোহিত গোহাঁই (১৯৮৪-৮৭), শ্ৰীবিপিন তামুলী (১৯৮৮-৯১), শ্ৰীউপেন শইকীয়া (১৯৯২-৯৫), শ্ৰীবিপিন তামুলী (১৯৯৬-৯৮, ১৯৯৯) ।

সহঃ সম্পাদক, ক্ৰমে ঃ শ্ৰীনগেন শইকীয়া (১৯৭৮-৮১), শ্ৰীৰণজিৎ শইকীয়া (১৯৯৯)।

সেৱাবাহিনীৰ নায়ক ঃ শ্ৰীঠগেন বৰা । ❑

# মিলন প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৯ চন

মৰঙি মৌজাৰ পশ্চিম দিশত ৰংবং অঞ্চলত বিভিন্ন ধৰ্মাৱলম্বী লোকৰ মাজত মিলন প্ৰাথমিক শাখাটি গঠন হয়। পূৰ্বতে পোৱাল বৰা, মাণিক চৌধুৰী, টঙ্কেশ্বৰ বাইলুং, লক্ষেশ্বৰ হাজৰিকা, যোগেন গগৈ আৰু সেই সময়ৰ সঙ্ঘৰ প্ৰচাৰক ডিম্বেশ্বৰ বৰা বাপ লগলাগি শুদ্ধ ধৰ্মৰ চিন্তা-চৰ্চা কৰি কৰি শেষত ১৯৭৯ চনৰ ২২ ফেব্ৰুৱাৰীত এই প্ৰাথমিক শাখাটি গঠন হয়। এই উপলক্ষে অনুষ্ঠিত হোৱা সভাত সভাপতিত্ব কৰে বৰদিহিঙীয়া গাঁৱৰ বেণু বৰুৱাই। সভাত ৯ ঘৰ গৃহস্থী ২৫ জন সঙ্গীয়ে একেলগে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘত অন্তৰ্ভুক্ত হৈছিল। প্ৰাথমিকৰ প্ৰথম সভাপতি আছিল শ্ৰীযোগেন গগৈ আৰু সম্পাদক আছিল শ্ৰীজিতেন বৰা।

**কাৰ্যনিৰ্বাহক আৰু কাৰ্যকাল ঃ**

সভাপতিসকল ক্ৰমে ঃ শ্ৰীযোগেন গগৈ, মাণিক চৌধাৰী, শ্ৰীমালভোগ বৰা, শ্ৰীটঙ্কেশ্বৰ বাইলুং, শ্ৰীযোগেন শইকীয়া, শ্ৰীহৰেন বৰা, শ্ৰীচুৰেণ হাজৰিকা (বৰ্তমান)।
সম্পাদসকল ঃ শ্ৰীজীতেন বৰা (১৯৭৯-৮২ আৰু বৰ্তমান), শ্ৰীভদ্ৰেশ্বৰ তামুলী, শ্ৰীমালভোগ বৰা, শ্ৰীলীলা বৰা, শ্ৰীকেশৱ বাইলুং, বৰ্তমান সহঃ সম্পাদক শ্ৰীবিপুল তামুলি, উপ-সভাপতি শ্ৰীবুবুল শইকীয়া।❑

# অভয়পুৰীয়া প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৯ চন

১৯৭৪ চনত অভয়পুৰীয়া নামঘৰত এভাগ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মোৎসৱ হয়। সেই উদ্দেশ্য আয়োজন কৰা সভাত শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া, শ্ৰীঘোষ দত্ত বাপদ্বয়ে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ লক্ষ্য, উদ্দেশ্যৰ লগতে এক শৰণ হৰিনাম ধৰ্মৰ ওপৰত বিতংভাৱে বুজনি দিয়ে। ইয়াৰ পিছত শ্ৰীপ্ৰৱীণ বুঢ়াগোহাঁই, স্থানীয় যুৱক শ্ৰীনবীন শইকীয়াই ৰাইজৰ মাজত সঙ্ঘৰ দ্বাৰা প্ৰকাশিত আলোচনী পুথি পঢ়িবলৈ

দি প্ৰচাৰ চলাই পুনৰ ১৯৭৬ চনত শ্ৰীযুত সোণাৰাম চুতীয়া বাপৰ সভাপতিত্বত সৰ্বশ্ৰী গোবিন্দ শইকীয়া, ঋষেশ্বৰ দলৈ আদি বৈষ্ণৱ পণ্ডিতে অংশ গ্ৰহণ কৰা ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। তেখেতলোকৰ পাণ্ডিত্যপূৰ্ণ যুক্তি আৰু আলোচনা শুনি ॰গকুলেশ্বৰ হাজৰিকা, ॰যোগেশ্বৰ শইকীয়া, বিনোদ হাজৰিকা, স্বৰ্ণ কমল বৰগোহাঁই, মহেন শইকীয়া, কমল শইকীয়া, ॰জগদীশ হাজৰিকা আদি লোকসকলে ঐক্যমত হৈ ১৯৮০ চনত ৫৩২ শঙ্কৰাব্দত অভয়পুৰীয়া প্ৰাথমিক নাম দি প্ৰাথমিক গঠন কৰে। শাখাৰ প্ৰতিষ্ঠাপক সভাপতি, সম্পাদক ক্ৰমে শ্ৰীবিনোদ হাজৰিকা আৰু শ্ৰীমহেন শইকীয়া, তদুপৰি শ্ৰীকমল শইকীয়াও কিছু বছৰ সভাপতি হয়, পিছত সম্পাদকসকল দীপক শইকীয়া, লোকনাথ শইকীয়া, নবীন শইকীয়া আৰু লক্ষীন্দ্ৰ শইকীয়া। শ্ৰীনবীন শইকীয়াই জিলা সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। শ্ৰীবিনোদ হাজৰিকা বৰ্ত্তমান আঞ্চলিক শাখাৰ সাহিত্য শাখাৰ সভাপতি। এই প্ৰাথমিকৰ ভৌগোলিক সীমাৰ ভিতৰত ॰ববিতা স্মৃতি ক্ষেত্ৰত মৰঙি আঞ্চলিক শাখাৰ কাৰ্যালয় নিৰ্মাণ কৰা হৈছে।

বৰ্ত্তমান ৫৪৯ শঙ্কৰাব্দত নবীকৰণকৃত মুঠ গৃহস্থী ২১ ঘৰ, সঙ্গীৰ সংখ্যা ৫৬ জন আছে।

সভাপতিসকল ঃ সৰ্বশ্ৰীবিনোদ হাজৰিকা (১৯৮০-৮১), প্ৰয়াত সুৰেন শইকীয়া (১৯৮২-৮৩), শ্ৰীবলোবাম শইকীয়া (১৯৮৪-৮৫), কুহিৰাম শইকীয়া (১৯৮৬-৯৪), বিনোদ হাজৰিকা (১৯৯৫-৯৬), কমল শইকীয়া (১৯৯৭ বৰ্ত্তমানলৈ) সম্পাদকসকল শ্ৰীমহেন শইকীয়া (১৯৮০-৮১), প্ৰয়াত অবনী বৰগোহাঁই (১৯৮২-৮৩), শ্ৰীকমল শইকীয়া (১৯৮৪-৮৫), লোকনাথ শইকীয়া (১৯৮৬-৯৪), নবীন শইকীয়া (১৯৯৫-৯৬), লোকনাথ শইকীয়া (১৯৮৬-৯৪), নবীন শইকীয়া (১৯৯৫-৯৬), দীপক শইকীয়া (১৯৯৭-৯৮), লক্ষিন্দৰ শইকীয়া (১৯৯৮-৯৯)।

সেৱাবাহিনী নায়ক ঃ শ্ৰীদাদু শইকীয়া। ❑

# কেন্দুগুৰি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮১ চন

দৈগ্ৰোং অঞ্চলত ১৯৮০ চনলৈকে প্ৰায় সকলো মানুহেই কৰ্মকাণ্ডীয় পদ্ধতিৰেই অনুষ্ঠান সম্পাদন কৰিছিল। সময়ৰ আহ্বানত ন-ভেটা গাঁৱৰ শ্ৰীডিম্বেশ্বৰ ফুকন আৰু কেইগৰাকীমানৰ ব্যক্তিৰ সহযোগত ইংৰাজী ৪-৩-৮১ তাৰিখে শ্ৰীফনীধৰ

গোহাঁইৰ ঘৰত এখন ধৰ্মালোচনী সভা বহে। সেই সভাতে ১৩ ঘৰ গৃহস্থী আৰু ২৭ জন সঙ্গী বাপক লৈ এখন প্ৰাথমিক গঠনৰ সিদ্ধান্ত লোৱা হয়। এই ক্ষেত্ৰত মৰঙ্গীৰ পানীকৰা প্ৰাথমিকৰ সঙ্গী তথা মৰঙি আঞ্চলিকৰ বিষয়ববীয়াসকলৰ সহযোগত পঙ্কা নামঘৰত এখন ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। সেই সভাতেই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সংবিধান অনুসৰি কেন্দুগুৰি প্ৰাথমিক নামকৰণেৰে এখন প্ৰাথমিক গঠন কৰা হয়। এই প্ৰাথমিকৰ অগ্ৰণী সঙ্গীসকল হ'ল -- সৰ্বশ্ৰীফনীধৰ গোহাঁই, সোমেশ্বৰ শইকীয়া, ইন্দেশ্বৰ বৰা আদি। প্ৰাথমিকৰ প্ৰতিষ্ঠাপক সভাপতি শ্ৰীফনিধৰ গোহাঁই, সম্পাদক, শ্ৰীসোমেশ্বৰ শইকীয়াবাপ আছিল। শ্ৰীসোমেশ্বৰ শইকীয়া বাপে দুবছৰ মৰঙ্গী আঞ্চলিকৰ সম্পাদক আৰু চাৰি বছৰ জিলা সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰে। দ্বিতীয় কাৰ্যকালত প্ৰাথমিকৰ সভাপতি শ্ৰীফনিধৰ গোহাঁই, সম্পাদক থানেশ্বৰ গগৈ নিৰ্বাচিত কৰা হয়। বৰ্তমান প্ৰাথমিকৰ যুৱক-যুৱতী আৰু শিশুসকলে শংকৰী নৃত্য-গীত বাদ্যৰ অনুশীলন কৰি আছে। বৰ্তমান প্ৰাথমিকৰ সভাপতি থানেশ্বৰ গগৈ, উপ-সভাপতি গোলাপ শইকীয়া, সম্পাদক যোগেন শইকীয়া, সহঃ সম্পাদক বিনোদ দাস, সেৱাবাহিনীৰ নায়ক ৰিজু গগৈ। ❑

## ৰামকৃষ্ণ প্ৰাথমিক শাখা

### গঠন ঃ ১৯৮১ চন

১৯৮১ চনৰ ১৮ জুন তাৰিখে ফলঙনিৰ পশ্চিম দিশত এই প্ৰাথমিক শাখাটি গঠন হয়। এই শাখাৰ জন্মৰ মূলতে ঁসৰুবাপ দত্তৰ নাম ল'ব লাগিব। ঁদত্ত বাপে লগত ঁনন্দেশ্বৰ গগৈ শ্ৰীমহেন্দ্ৰ ফুকনক লৈ এক শৰণ হৰিনাম ধৰ্মত ব্ৰতি হয়। তাৰ ফলতে ১৮/৬/৮১ তাৰিখে ঁনন্দেশ্বৰ গগৈৰ গৃহত বহা এক ধৰ্মালোচনী সভাত ঁদত্ত, আঞ্চলিকৰ সহঃ সম্পাদক (সেই সময়ৰ) শ্ৰীনাৰায়ণ গগৈয়ে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক মহান উদ্দেশ্য আৰু নামধৰ্মৰ আচৰণ বিধিৰ বিষয়ে কয়; সেই শুভ দিনটোতে ১৬ ঘৰ গৃহস্থী ২৫ জন সঙ্গীক লৈ ৰামকৃষ্ণ প্ৰাথমিক শাখা হয়। প্ৰাথমিক শাখা পৰিচালনাৰ্থে শ্ৰীবসন্ত হাজৰিকা সভাপতি শ্ৰীমুহিকান্ত গগৈ সম্পাদক হিচাপে নিৰ্বাচিত হয়। পৰৱৰ্তী কালছোৱাত শ্ৰীঅৰুণ দত্ত, শ্ৰীনন্দেশ্বৰ বৰা শ্ৰীসংৰাম শইকীয়া, শ্ৰীচন্দ্ৰ গগৈ আৰু শ্ৰীউপেন চন্দ্ৰ বৰুৱাই প্ৰাথমিকৰ সভাপতি আৰু সম্পাদকৰ বিষয়বাব লৈ কাম কৰে। উল্লেখযোগ্য যে, শ্ৰীঅৰুণ দত্ত এটা কাৰ্যকাল আঞ্চলিকৰ উপ-সভাপতি থাকে। শ্ৰীউপেন চন্দ্ৰ বৰুৱা বৰ্তমানলৈকে একেৰাহে ৪ বছৰ আঞ্চলিকৰ সহকাৰী সম্পাদক হয়। অতি স্মৰণযোগ্য বিষয় হ'ল যে, এই প্ৰাথমিকৰ প্ৰয়াত সঙ্গী

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

১৯৫৫ চনত জন্ম গ্ৰহণ কৰা আৰু ১৯৯৭ ত মৃত্যু হোৱা ঁসৰুবাপ দত্ত, আঞ্চলিকৰ প্ৰতিষ্ঠাপক সভাপতি । ইয়াৰ বাদেও তেখেতে নিজাববীয়াকৈ পোৰজন্মলত সঙ্ঘৰ প্ৰচাৰ কাৰ্য চলাই ফলৱৰ্তী হৈছিল ।

**কাৰ্যনিৰ্বাহক সমিতি ঃ**

সভাপতিসকল ঃ ক্ৰমে শ্ৰীবসন্ত হাজৰিকা, শ্ৰীনন্দেশ্বৰ বৰা, শ্ৰীসৎৰাম শইকীয়া, শ্ৰীচন্দ্ৰ গগৈ, শ্ৰীমোহন গগৈ (বৰ্ত্তমান) ।

উপ-সভাপতিসকল ঃ শ্ৰীপ্ৰফুল্ল দত্ত, শ্ৰীমহেন্দ্ৰ ফুকন, শ্ৰীনন্দেশ্বৰ গগৈ, মোহন গগৈ ।

সম্পাদকসকল ঃ সৰ্বশ্ৰীমুহিকান্ত গগৈ, শ্ৰীঅৰুণ দত্ত, শ্ৰীনৰেন বৰা, শ্ৰীউপেন বৰুৱা (১৯৯৫ ৰপৰা বৰ্ত্তমানলৈকে) ।

সহঃ সম্পাদক ঃ শ্ৰীসুন্দৰ গগৈ, শ্ৰীনৰেন বৰা, শ্ৰীধনীৰাম ফুকন, শ্ৰীনন্দ ভৰালী, শ্ৰীদিবাকৰ ৰাজবংশী, শ্ৰীতুলসী গগৈ (বৰ্ত্তমান) ।❑

# নৰমুক্তি প্ৰাথমিক শাখা

## গঠন ১৯৮২ চন

ৰংবং অঞ্চলত এই প্ৰাথমিকখন আছে । এই স্থানলৈ নামধৰ্মৰ ধ্যান-ধাৰণা আগবঢ়াই শ্ৰীকুশেশ্বৰ ৰাজখোৱাবাপে । শ্ৰীৰাজখোৱা ১৯৫৫ চনতে হাবিয়াল গাঁৱৰ সংগী হিচাপে সংঘত শৰণ গ্ৰহণ কৰে । ৰংবংলৈ আহি অকলশলীয়া হৈ থকা অৱস্থাপৰা তুমুল ধৰ্মীয় যুদ্ধত অৱতীৰ্ণ হয় স্থানীয় বাইজৰ লগত । প্ৰথমে তেখেতে কেইজনমানলোকক তেখেতৰ মাতৃৰ মৃতাহ কৰ্মত হাবিয়ালৰ নিজা ঘৰত জড়িত কৰোৱাত সমাজত আলোড়ন সৃষ্টি হৈছিল । ঁগোপাল বৰা, ঁগুণাৰাম দত্ত, ঁগেৰজাই শইকীয়া আছিল তেখেতৰ প্ৰথম সংগী । কালক্ৰমত সঘনাই হোৱা আলোচনাৰ ফলশ্ৰুতিত শ্ৰীযোগেন বড়া, শ্ৰীজয় চন্দ্ৰ বৰা আদি লগলাগি ২৯/১২/৮২ তাৰিখে 'নৰমুক্তি' নামেৰে এখনি প্ৰাথমিক গঠন কৰে । প্ৰাথমিকৰ প্ৰতিষ্ঠাপক সভাপতি ঁগোপাল বৰা একাদিক্ৰমে ১০ বছৰ প্ৰাথমিক পৰিচালনা কৰে । সম্পাদক শ্ৰীযোগেন বৰা । আৰম্ভণিতে এই শাখাৰ ১৬ ঘৰ গৃহস্থী ৩১ জন সংগী আছিল যদিও এলেকাটিত আন প্ৰাথমিক গঠন হোৱাত বৰ্ত্তমান ১৪ ঘৰ আৰু ৩৩ জন সংগী আছে । বৰ্ত্তমান এই শাখাৰ সভাপতি শ্ৰীজয় চন্দ্ৰ বৰা আৰু সম্পাদক শ্ৰীৰামেশ্বৰ বৰা । প্ৰাথমিকৰ মুখ্য পৃষ্ঠপোষক শ্ৰীকুষেশ্বৰ ৰাজখোৱাবাপ বৰ্ত্তমান আঞ্চলিক শাখাৰ উপ-সভাপতি। ইয়াবপৰা শ্ৰীকুলধৰ বৰাই এটা কাৰ্যকাল আঞ্চলিকৰ সহকাৰী সম্পাদক আছিল ।

সভাপতিসকল ঃ ঁগোপাল চন্দ্ৰ বৰা, শ্ৰীজয় চন্দ্ৰ বৰা, শ্ৰীটঙ্কেশ্বৰ বৰা, শ্ৰীযোগেন বৰা (বৰ্ত্তমান) ।

সম্পাদকসকল ঃ শ্ৰীযোগেন বৰা, শ্ৰীবোধেশ্বৰ শইকীয়া, শ্ৰীউপেন বৰা, শ্ৰীকুলধৰ বৰা ।

সহঃ সম্পাদক ঃ শ্ৰীপুণ্যেশ্বৰ দত্ত, শ্ৰীৰামেশ্বৰ বৰা (বৰ্ত্তমান) ।

উপ-সভাপতি ঃ শ্ৰীযোগেন বৰা ।❑

# কৃষ্ণ শংকৰ প্ৰাথমিক শাখা
## গঠন ঃ ১৯৮৩ চন

ফলঙনিৰ পশ্চিম দিশত কৃষ্ণ শংকৰ প্ৰাথমিক অৱস্থিত । সেই সময়ৰ আঞ্চলিক শাখাৰ সহঃ সম্পাদক নাৰায়ণ গগৈ, শ্ৰীদণ্ডনাথ ফুকন, ̐ধৰ্মেশ্বৰ নাথ আৰু শ্ৰীধৰণীধৰ ভূএগ বাপসকলে অহোপুৰুষাৰ্থ কৰি ১৯৮৩ চনত কৃষ্ণ শংকৰ প্ৰাথমিকখনি গঠন কৰে । তেতিয়া প্ৰাথমিকৰ গৃহস্থী ১১ ঘৰ, ৩৫ জন সংগী আছিল। প্ৰথম সভাপতি ̐ৰিখেশ্বৰ ভূএগ, সম্পাদক খৰ্গ ভড়ালী । বৰ্ত্তমান প্ৰাথমিকৰ সংগী বৃদ্ধি হোৱা পৰিলক্ষিত হোৱা নাই । বৰ্ত্তমান প্ৰাথমিকৰ সভাপতিৰ দায়িত্ব বহন কৰে শ্ৰীধৰণীধৰ ভূএগ আৰু সম্পাদক শ্ৰীতুলাৰাম ভড়ালীবাপে । □

# নাৰায়ণ প্ৰাথমিক শাখা
## গঠন ঃ ১৯৮৪ চন

নাৰায়ণ প্ৰাথমিক শাখাটি ফুলবাৰী গাঁৱৰ মাজত অৱস্থিত । পূৰ্বতে এই প্ৰাথমিকৰ কেইবাজনো সংগী নিৰাময় প্ৰাথমিকৰ সংগী আছিল । পিছত সুবিধাৰ্থে ̐তোৰাৰাম হাজৰিকা, শ্ৰীবোপাৰাম বৰা, শ্ৰীবীৰেশ্বৰ বৰা, শ্ৰীখগেশ্বৰ হাজৰিকা আৰু শ্ৰীমাণিক বৰা আদি বাপসকলৰ ত্যাগ আৰু বৰঙণি উল্লেখযোগ্য । তেখেতলোকৰ নিৰাকাৰৰ সংগীহে থকা অৱস্থাতে নিজা প্ৰতিবেশীৰ মাজত প্ৰচাৰকাৰ্য্য চলোৱাৰ ফলশ্ৰুতিতেই ১৯৮৪ চনত ৫৩৬ শঙ্কৰাব্দত 'নাৰায়ণ' প্ৰাথমিক শাখা নাম দি নতুন প্ৰাথমিক গঠন কৰে । সেই সময়ত যদিও ৫ ঘৰ গৃহস্থী ১০ জন সংগী আছিল পৰৱৰ্তী সময়ত ক্ৰমান্বয়ে বৃদ্ধি হৈ ৩৫ ঘৰ গৃহস্থী ৮৫ জন সংগী হয়গৈ ।

প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতি সম্পাদকসকল ক্ৰমে — ̐তুৰাৰাম হাজৰিকা, শ্ৰীবীৰেশ্বৰ বৰা, তদুপৰি প্ৰাথমিক শাখাৰ সভাপতি-সম্পাদকসকল হ'ল -

প্ৰাক্তন সভাপতিসকল ঃ প্ৰয়াত তুৰাৰাম হাজৰিকা, সৰ্বশ্ৰী মানিক বৰা, নগেন দুৱৰা, দেহেশ্বৰ হাজৰিকা, বীৰেশ্বৰ বৰা, খগেশ্বৰ শইকীয়া ।

সম্পাদকসকল ঃ শ্ৰীবীৰেশ্বৰ বৰা, শ্ৰীখগেশ্বৰ শইকীয়া, ̐হৰকান্ত বৰা, লোকেশ্বৰ বৰা, সদানন্দ বৰা, চেনিৰাম বৰুৱা, গোলাপ বৰুৱা ।

গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

বৰ্তমান সভাপতিসকল ঃ শ্ৰীলোকেশ্বৰ বৰা, উপ-সভাপতি ঃ শ্ৰীৰবীন বৰা, সম্পাদক, শ্ৰীসদানন্দ বৰা, সহঃ সম্পাদক ঃ শ্ৰীঘনকান্ত দুৱৰা, মুখ্য উপদেষ্টা ঃ শ্ৰীবোপাৰাম বৰা। ❑

## কেশৱচৰণ প্ৰাথমিক শাখা

### গঠন ঃ ১৯৮৫ চন

মৰঙি মৌজাৰ মউৰ গাঁৱত শ্ৰীঘনশ্যাম গগৈ, শ্ৰীবীৰেন দুৱৰা, প্ৰৱীণ দুৱৰা আদি বাপসকলৰ প্ৰচেষ্টাত গুৰুজনাৰ শুদ্ধ ধৰ্ম-চৰ্চাৰ পাতনি মেলা হয় আৰু এখন শুদ্ধ সমাজ গঠনত তেখেতসকলে মনোনিৱেশ কৰে । মৰঙি মৌজাৰ পানীকৰা প্ৰাথমিকৰ সংগীসকলে উক্ত গাঁৱত ভাগৱত পাঠ, ধৰ্মালোচনী সভা অনুষ্ঠিত কৰি বিভিন্ন দিহা-পৰামৰ্শৰে এই প্ৰাথমিক শাখা গঠনৰ পথ প্ৰশস্ত কৰে । এই উদ্দেশ্যে ১৯৮৫ চনৰ ১৫ মে' তাৰিখে এখন ধৰ্মালোচনী সভা অনুষ্ঠিত কৰি তাতে কেশৱচৰণ প্ৰাথমিক নামকৰণেৰে এটি গোট গঠন কৰা হয় । বৰ্তমান প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ৯ ঘৰ আৰু সংগীৰ সংখ্যা ১৮ জন । প্ৰাথমিকৰ সভাপতিসকল ক্ৰমে — শ্ৰীপৰীণ দুৱৰা, শ্ৰীসভাৰাম গগৈ । সম্পাদকসকল শ্ৰীৰোমেশ্বৰ দুৱৰা, শ্ৰীপ্ৰৱীণ দুৱৰা, শ্ৰীচুৰেন দুৱৰা । বৰ্তমানৰ সভাপতি শ্ৰীপ্ৰৱীণ দুৱৰা আৰু সম্পাদক শ্ৰীবীৰেন দুৱৰা । ❑

## ১ নং ফলঙনি স্বৰ্ণ প্ৰাথমিক শাখা

### গঠন ঃ ১৯৮৫ চন

মৰঙি মৌজাৰ পশ্চিম দিশত ফলঙনি নামে ডাঙৰ গাঁওখন অৱস্থিত । ইয়াতে ১নং ফলঙনি স্বৰ্ণ প্ৰাথমিক শাখাটি ১৯৭৬ চনৰপৰাই শ্ৰীমন্ত শংকৰদেৱ সংঘত আছে । অৱশ্যে সমগ্ৰ ফলঙনিত তেতিয়া ১নং ফলঙনি নামেৰে এখনহে প্ৰাথমিক আছিল । পিছত শ্ৰীদুৰ্গেশ্বৰ শইকীয়া আঞ্চলিক সম্পাদক থকাৰ দিনত ১৯৮৫ চনত কিছুমান সা-সুবিধা আৰু সংগী বৃদ্ধিলৈ লক্ষ্য ৰাখি ১নং ফলঙনি আৰু সুৰ্বণ প্ৰাথমিকৰ নামত দুখন প্ৰাথমিক হয় । এই বৃহৎ অঞ্চলটিত স্বৰ্গীয় সৰুবাপ দত্তই অনেক সংগ্ৰাম কৰি প্ৰথম কিছুলোকক সংঘ তথা নামধৰ্মৰ প্ৰতি আকৃষ্ট কৰে । ১৯৭৪ চনত হাবিয়াল মদাৰগুৰি সত্ৰৰ মোহন মহন্তৰ সভাপতিত্বত বহা ধৰ্মালোচনী সভাৰ অন্তত ১৬ ঘৰ গৃহস্থী আৰু ৩২ জন সংগীয়ে সংঘত অন্তৰ্ভুক্ত হয় । প্ৰাথমিকৰ

প্ৰতিষ্ঠাপক সভাপতি হয় স্বৰ্গীয় সৰুবাপ দত্ত আৰু সম্পাদক স্বৰ্গীয় অকণেশ্বৰ শইকীয়া।

১৯৮৫ চনত ১২ ঘৰ গৃহস্থী আৰু ২৭ ঘৰ সংগীক ১নং ফলঙনি স্বৰ্ণ প্ৰাথমিক হিচাপে জিলাই স্বীকৃতি দিয়ে। এই নতুন নামকৰণৰ প্ৰাথমিকৰ সভাপতি শ্ৰীসোণাৰাম শইকীয়া। তেখেতে বৰ্ত্তমানো ১৯৯৮ চনত সভাপতি, সম্পাদক শ্ৰীগকুল মহন্ত। ইয়াৰ বাদেও শ্ৰীসোণেশ্বৰ কলিতাই প্ৰাথমিকৰ সম্পাদক, সভাপতি হিচাপে দায়িত্বহন কৰাৰ উপৰি ২ টা কাৰ্যকাল জিলা সদস্য হয়। শ্ৰীনৃপেন শইকীয়া প্ৰাথমিকৰ সম্পাদক হয় আৰু শেষত শ্ৰীটংকেশ্বৰ শইকীয়া সম্পাদক নিৰ্বাচিত হৈ বৰ্ত্তমানলৈকে কাৰ্যনিৰ্বাহ কৰি আছে। এই প্ৰাথমিকৰ শ্ৰীনৃপেন শইকীয়াই আঞ্চলিক শাখাৰ ৪ বছৰ সাংস্কৃতিক সম্পাদক, ৪ বছৰ সাহিত্য শাখাৰ সম্পাদক আৰু একেৰাহে ৬ বছৰ (বৰ্ত্তমানলৈকে) আঞ্চলিক সম্পাদক হিচাপে সংঘৰ সেৱা আগবঢ়ায়। শ্ৰীগকুল মহন্তই ২ বছৰ সাংস্কৃতিক শাখাৰ সম্পাদক আৰু বৰ্ত্তমান সেই শাখাৰ সভাপতি হিচাপে কাৰ্য কৰি আছে। কৃষ্টি সংস্কৃতিত প্ৰাথমিকৰ শিশু কেইবাটাইও বিভিন্ন প্ৰতিযোগিতাত পুৰস্কৃত হয়। বৰ্ত্তমান ৮ জন শিশু যুৱকে গীত-নৃত্য-বাদ্যত প্ৰশিক্ষণ গ্ৰহণ কৰি আছে।

সভাপতিসকল ক্ৰমে ঃ শ্ৰীসোণাৰাম শইকীয়া (১৯৮৬-৮৮), শ্ৰীসোমেশ্বৰ কলিতা (১৯৮৯-৯০), শ্ৰীসোণাৰাম শইকীয়া (১৯৯১-১৯৯৯)।

উপ-সভাপতিসকল ক্ৰমে ঃ শ্ৰীযোগেশ্বৰ বৰা (১৯৮৬), শ্ৰীসোণেশ্বৰ কলিতা (১৯৮৭-৮৮), বৰ্ত্তমান শ্ৰীদশুনাথ ফুকন (১৯৮৯-৯০)।

সম্পাদকসকল ঃ শ্ৰীগকুল মহন্ত (১৯৮৬-৮৭), শ্ৰীনৃপেন শইকীয়া (১৯৮৮-৯০), শ্ৰীটংকেশ্বৰ শইকীয়া (১৯৯০-৯৭), শ্ৰীবীৰেন কলিতা (১৯৯৮)।

সহঃ সম্পাদকসকল ক্ৰমে ঃ শ্ৰীনামু গগৈ (১৯৮৬-৯০), শ্ৰীসৰ্বেশ্বৰ গোৱালা (১৯৯৮), শ্ৰীপ্ৰবীণ বৰদলৈ (১৯৯১-৯২), শ্ৰীঅসীম শইকীয়া (১৯৯৮), শ্ৰীনামু গগৈ (১৯৯৩-৯৪)।❑

## সনাতন প্ৰাথমিক শাখা
### গঠন ঃ ১৯৮৫ চন

সনাতন প্ৰাথমিক শাখাটি গঠনৰ ক্ষেত্ৰত স্থানীয় শ্ৰীঅনিল ফুকনৰ প্ৰচেষ্টাই প্ৰধান। তেখেত আৰু তেখেতৰ ভাই-ককাইসকলে কৰ্মকৰ্ত্তাৰ নীতিৰ বিৰুদ্ধে ওচৰ-চুবুৰীয়াৰ লগত আলোচনা কৰে। ৰাইজৰ তৰ্কৰ জাল ফালিবৰ বাবে শ্ৰীফুকনে

এখন ভাগৱত পুথি কিনি আনি মুক্তিৰ আলোচনা কৰে । এই ক্ষেত্ৰত মিলন প্ৰাথমিকৰ শ্ৰীমালভোগ বৰাই যথেষ্ট সহায় কৰে । শেষত ৫/১০/৮৫ চনত প্ৰাক্তন জিলা সভাপতি শ্ৰীলোথোৰাম বৰাৰ সভাপতিত্বত এখন ধৰ্মালোচনী সভা হৈছিল । সেই সভাতেই সনাতন প্ৰাথমিক শাখা নাম দি প্ৰাথমিক গঠন কৰে । সেই সভাতেই শ্ৰীভেদোৰাম শইকীয়াক সভাপতি, শ্ৰীঅজিত ফুকনক সম্পাদক হিচাপে লৈ ৯ জনীয়া কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰে । বৰ্তমান প্ৰাথমিকৰ সভাপতি শ্ৰীপ্ৰমোদ হাজৰিকা (ভাৰপ্ৰাপ্ত), সম্পাদক শ্ৰীবাণী ফুকন । শ্ৰীফুকন আঞ্চলিক শাখাৰ সহকাৰী সম্পাদকো আছিল । ১৯৯৮ চনত ২০ ঘৰ গৃহস্থী, ৫০ জন সংগী আছে । কৃষ্টি সংস্কৃতিৰ ক্ষেত্ৰত আগ্ৰহ আছে যদিও এতিয়ালৈকে প্ৰশিক্ষণ লৈ উপযুক্ত শিল্পী হ'বপৰা নাই ।

সভাপতিসকল ক্ৰমে ঃ সৰ্বশ্ৰীভেদুৰাম শইকীয়া, ধৰ্মেশ্বৰ শইকীয়া, ৰজনী হাজৰিকা, মাধৱ বৰা, মাখন দাস, প্ৰমোদ হাজৰিকা, অজিত ফুকন (বৰ্তমান) ।

সম্পাদকসকল ঃ সৰ্বশ্ৰীঅজিত ফুকন, অনিল ফুকন, বাণী ফুকন, প্ৰবীণ ফুকন (বৰ্তমান) ।

উপ-সভাপতি ঃ শ্ৰীযোগেন শইকীয়া (বৰ্তমান) ।

সহঃ সম্পাদক ঃ শ্ৰীনকুল তামুলী (প্ৰাক্তন), শ্ৰীতৰুণ বৰুৱা (বৰ্তমান) । ❑

# জগন্নাথ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮৫ চন

বুৰঞ্জী প্ৰসিদ্ধ মৰঙি মৌজাৰ মধ্য অঞ্চলত অৱস্থিত পোৰাজংঘল গাঁৱত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ জগন্নাথ প্ৰাথমিক শাখা গঠন হ'ল । পোৰাজংঘল গাঁও প্ৰতিষ্ঠাৰ ৰূপালী জয়ন্তী উৎসৱ উপলক্ষে শ্ৰীবাবাই দাসৰ দ্বাৰাই সম্পাদিত স্মৃতিগ্ৰন্থৰ মতে এই গাঁৱৰ উৎপত্তি সম্পৰ্কে এনেদৰে জনা যায় — 'কৃষক আন্দোলনৰ জৰিয়তে দখল কৰা ঢলা কাঠনী চাহ বাগিচাৰ আবাদী হৈ পৰি থকা পতিত মাটিত এই গাঁও অঞ্চলটি প্ৰতিষ্ঠিত হৈছে । ঢলা কাঠনী বাগানৰ আবাদী হৈ পৰি থকা এই বিশাল অটব্য জংঘল অঞ্চলটো এদিন আকস্মিকভাৱে জুই লগাত ইয়াৰ গছ-গছনি, হাবি-বন প্ৰচণ্ড অগ্নিয়ে পুৰি নিঃশেষ কৰিছিল । বাকী আছিল কেৱল বৃহদাকায় লঙঠা গছ কেইজোপামান । সেইদিন ধৰি এই ঠাইডোখৰ পোৰাজংঘল নামেৰে পৰিচিত হ'ল । সংঘৰ প্ৰাথমিক গঠনৰ পূৰ্বে এই গাঁৱত মৰঙি আঞ্চলিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত সৰুবাপ দত্ত, আঞ্চলিক শাখাৰ প্ৰাক্তন সম্পাদক শ্ৰীডিম্বেশ্বৰ বৰা, শ্ৰীঅৰুণ দত্ত, শ্ৰীত্ৰৈলোক্য হাজৰিকা আদিয়ে এই অঞ্চলত গুৰুজনাৰ ধৰ্মাদৰ্শ প্ৰচাৰ কৰি

আছিল । এই অঞ্চলৰ শ্ৰীসৰুপাই দত্ত আৰু শ্ৰীপদ বৰাৰ বিবাহকাৰ্য সংঘৰ নীতি-আদৰ্শৰে সম্পাদন কৰা হৈছিল ।

এইখিনিতে উল্লেখ কৰা দৰকাৰ যে, ১৯৮৫ চনত আঞ্চলিক শাখাৰ সভাপতি প্ৰয়াত পুষ্প শইকীয়া আৰু সম্পাদক দুৰ্গেশ্বৰ শইকীয়াৰ কাৰ্যকালত পোৰাজংঘল গাঁৱত জনাৰ্দন প্ৰাথমিক শাখা নামেৰে এটি শাখা গঠন কৰা হয় । ১৯৮৫-৯০ বৰ্ষৰ কাৰ্যকালত সভাপতি আছিল ক্ৰমে — সৰ্বশ্ৰীপুনিৰাম গগৈ, পুনিৰাম হাজৰিকা, পদ বৰা । সম্পাদকসকল ক্ৰমে -- সৰ্বশ্ৰীলোকেশ্বৰ হাজৰিকা, অজিত বৰা । এই অঞ্চলত শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ ৫৪০ তম্ আবিৰ্ভাৱ মহোৎসৱভাগ আঞ্চলিক শাখাৰ সৌজন্যত অনুষ্ঠিত হৈছিল । আঞ্চলিক সাহিত্য শাখাৰ উদ্যোগত এখনি আলোচনা চক্ৰ অনুষ্ঠিত হয় । আলোচনা চক্ৰৰ সঞ্চালক শ্ৰীধৰ্মেশ্বৰ বৰদলৈ। আলোচনাত অংশ গ্ৰহণ কৰিছিল শ্ৰীসুৰেন্দ্ৰ মোহন হাজৰিকা, দণ্ডেশ্বৰ বৰুৱা, গোলাপ শইকীয়া, কেশৱ বৰুৱাবাপসকলে । ১৯৯৭ চনত জগন্নাথ প্ৰাথমিক শাখা দ্বিখণ্ডিত হৈ চিন্তামণি নামেৰে আন এটি শাখা গঠন হয় । প্ৰাথমিক ভাগ দ্বিখণ্ডিতকৰণ হোৱাৰ পিছত দুয়োখন প্ৰাথমিকৰ মাজত সাংগঠনিক বিভ্ৰাটে দেখা দিলে । সংগীসকলৰ মাজত দেখা দিয়া মনান্তৰ আঁতৰ কৰিবৰ উদ্দেশ্যে এই গাঁৱৰ বিশিষ্ট ব্যক্তি শ্ৰীঘনশ্যাম বৰা আৰু উমাকান্ত দত্তবাপৰ আহ্বানত জনাৰ্দন আৰু চিন্তামণি প্ৰাথমিক শাখাৰ সংগীসকলৰ মাজত এখন সাংগঠনিক সভা অনুষ্ঠিত হয় । এই সভাতে পূৰ্বৰ দুয়োখন প্ৰাথমিক একত্ৰিত হৈ জগন্নাথ প্ৰাথমিক নামকৰণেৰে গঠন কৰা হয় ।

প্ৰাথমিকৰ সভাপতি, সম্পাদকসকল — সভাপতি সৰ্বশ্ৰীসৰুপাই দত্ত, গিৰিশ কলিতা । সম্পাদকসকল ঃ উপেন তামুলী, লোকেশ্বৰ হাজৰিকা (১৯৯১-৯৭) ।

সভাপতি, শ্ৰীউমাকান্ত দত্ত, উপসভাপতি, শ্ৰীযোগেন গগৈ, সম্পাদক, শ্ৰীঘনশ্যাম বৰা, সহঃ সম্পাদক, শ্ৰীৰাতুল বৰা (১৯৯৭-৯৮) ।

সভাপতি, শ্ৰীউমাকান্ত দত্ত, উপ-সভাপতি, শ্ৰীবুবুল কাকতি, সম্পাদক, শ্ৰীঘনশ্যাম বৰা, সহঃ সম্পাদক, শ্ৰীৰাতুল বৰা (১৯৯৯-২০০০) । আঞ্চলিক সদস্য ক্ৰমে — সৰ্বশ্ৰীনাৰায়ণ গগৈ, ৰাতুল বৰা ।

এই প্ৰাথমিকৰ সহযোগত মৰঙি আঞ্চলিক শাখাৰ চতুৰ্থ বাৰ্ষিক যুৱ সমাৰোহ অনুষ্ঠিত হয় । আঞ্চলিক সাহিত্য শাখাৰ বাণী পত্ৰিকা 'শিলৰ ৰেখা' ইয়াতেই উন্মোচন হয় । ১৯৯৩ চনত মৰঙি আঞ্চলিক শাখাৰ বাৰ্ষিক অধিৱেশনভাগ এই প্ৰাথমিকৰ সহযোগত অনুষ্ঠিত হৈছিল । ❑

# দিব্যজ্যোতি প্ৰাথমিক শাখা
## গঠন ঃ ১৯৮৬ চন

মৰঙি মৌজাৰ বৰ্ত্তমান নুমলীগড় তেল শোধনাগাৰৰ সমীপত বিষ্ণুপুৰ গাঁও অৱস্থিত । ইংৰাজী ২৯/৯/৮৬ তাৰিখে কোনো এক শুভমুহূৰ্ত্তত দিব্যজ্যোতি প্ৰাথমিক শাখা নামকৰণেৰে এটি শাখা গঠন হয় । এই ক্ষেত্ৰত শ্ৰীযোগেন গগৈ, প্ৰয়াত নগেন গগৈৰ প্ৰচেষ্টাত সংগীসকলৰ মাজত ভাগৱত পাঠ আৰু ধৰ্মালোচনী সভা অনুষ্ঠিত হয় । শ্ৰীঅৰূপ গগৈৰ গৃহত অনুষ্ঠিত ধৰ্মালোচনী সভাত ৭ ঘৰ গৃহস্থী আৰু ১৫ জন সংগীৰে প্ৰাথমিক শাখা গঠন হয় । প্ৰতিষ্ঠাপক সভাপতি শ্ৰীসোণ ভড়ালী আৰু সম্পাদক শিৱ বৰাবাপ আছিল । বৰ্ত্তমান গৃহস্থীৰ সংখ্যা ১৬ ঘৰ আৰু ৩৬ জন সংগীলৈ বৃদ্ধি পাইছে । বৰ্ত্তমান শ্ৰীৰিখেশ্বৰ হাজৰিকা আৰু দ্বীপেন শইকীয়াবাপে ক্ৰমে সভাপতি আৰু সম্পাদকৰ দায়িত্ব পালন কৰি আছে । সভাপতিসকল ক্ৰমে — সৰ্বশ্ৰীসোণ ভড়ালী, আনন্দ কাকতি, ৰিখেশ্বৰ হাজৰিকা । সম্পাদকসকল ক্ৰমে ঃ সৰ্বশ্ৰীশিৱ বৰা, দ্বিপেন শইকীয়া, অৰূপ গগৈ । ❑

# বৃন্দাবন প্ৰাথমিক শাখা
## গঠন ঃ ১৯৮৭ চন

কেন্দ্ৰীয় চৰকাৰৰ ১৯৯৭ চনৰ প্ৰস্তাৱিত আদৰ্শ গাঁও 'নৱৰত্ন'ৰ অন্তৰ্গত বালিজান গাঁৱত শ্ৰীমন্ত শংকৰ সংঘৰ বৃন্দাবন প্ৰাথমিক শাখা গঠন কৰা হয় । বালিৰ কোৱাৰি প্ৰাধান্য থকা বাবে আৰু এই অঞ্চলৰ মাজেদি এটি জান বৈ যোৱাৰ বাবে এই গাঁৱৰ নাম বালিজান হয় । ১৯৮৭ চনত মৰঙি আঞ্চলিক শাখাৰ সভাপতি শ্ৰীকনকেশ্বৰ দুৱৰা আৰু সম্পাদক, শ্ৰীমাণিক গগৈৰ কাৰ্যকালত আঞ্চলিকৰ প্ৰাক্তন সম্পাদক শ্ৰীডিম্বেশ্বৰ বৰা আৰু স্থানীয় নিবাসী শ্ৰীপূৰ্ণকান্ত চেতিয়াৰ পৰিযত্নত বৃন্দাবন প্ৰাথমিক শাখা গঠন হয় । প্ৰাথমিকৰ সভাপতি, সম্পাদকসকল ঃ

১৯৮৭-৯৫ চনৰ ঃ সভাপতি, শ্ৰীডিম্বেশ্বৰ বৰা, উপ-সভাপতি, শ্ৰীতিলেশ্বৰ গগৈ, সম্পাদক, শ্ৰীপূৰ্ণকান্ত চেতিয়া ।

গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

১৯৯৬-২০০০ চনৰ ঃ সভাপতি, শ্ৰীদিলেশ্বৰ গগৈ, উপ-সভাপতি, শ্ৰীপূৰ্ণকান্ত চেতিয়া, সম্পাদক ঃ শ্ৰীযাদৱ চেতিয়া, সহঃ সম্পাদক, শ্ৰীলীলাধৰ গগৈ, আঞ্চলিক সদস্য শ্ৰীবিপিন গগৈ, সেৱাবাহিনীৰ নায়ক, শ্ৰীজীতু গগৈ ।

মৰঙি আঞ্চলিক শাখাৰ পঞ্চদশ অধিৱেশনভাগ বৃন্দাবন প্ৰাথমিকৰ সহযোগত অনুষ্ঠিত হৈছিল ।

## বিষ্ণুপুৰ প্ৰাথমিক শাখা

### গঠন ঃ ১৯৮৮ চন

বৰ্ত্তমান নুমলীগড় তেল শোধনাগাৰৰ সমীপৰ মৰঙি মৌজাৰ ৰংবং অঞ্চলৰ বিষ্ণুপুৰ নামৰ গাঁৱৰ ১৯৮৮ চনত এই গাঁৱৰ নামেৰেই এখন প্ৰাথমিক গঠন কৰা হয় । প্ৰাথমিকখন গঠন কৰাৰ ক্ষেত্ৰত মৰঙি আঞ্চলিক শাখাৰ সভাপতি, সম্পাদক ক্ৰমে — শ্ৰীভূপেন বৰদলৈ আৰু নৃপেন শইকীয়াই আগভাগ লয় । সংঘৰ নীতি-আদৰ্শৰে প্ৰাথমিকৰ সংগীসকলে স্থানীয় চিন্তামণি প্ৰাথমিকত অনুষ্ঠিত শৰণ শিবিৰত শৰণ গ্ৰহণ কৰে । প্ৰাথমিকৰ বিষয়ববীয়াসকল ঃ শ্ৰীযোগেন গগৈ সভাপতি, শ্ৰীমাধৱ চন্দ্ৰ বৰা, সম্পাদক, শ্ৰীলক্ষী সোণোৱাল, উপ-সভাপতি, শ্ৰীমহেন্দ্ৰ বৰা, সহঃ সম্পাদক । ❑

## কেলিগোপাল প্ৰাথমিক শাখা

### গঠন ঃ ১৯৯১ চন

এই প্ৰাথমিক শাখাটি তেলিয়া গাঁৱৰ প্ৰান্তত থকা ঘাটোৱাৰ পৰিয়ালৰ লোকসকলেৰে প্ৰধানকৈ গঠন হোৱা বুলি ক'লে বেছি ভাল হ'ব । প্ৰাথমিক ভাগ গঠনৰ ক্ষেত্ৰত পানীকৰা প্ৰাথমিকৰ শ্ৰীযুত লেখোৰাম বৰুৱা, শ্ৰীঅমূল্য বৰদলৈ, শ্ৰীভূপেন বৰদলৈবাপসকল আৰু শ্ৰীমহেশ্বৰ বৰাৰ ত্যাগ লেখত ল'বলগীয়া । আঞ্চলিক শাখাৰ বিষয়ববীয়াসকলৰ প্ৰচেষ্টাত কেলিগোপাল প্ৰাথমিক শাখা গঠন কৰা হয় । প্ৰাথমিক শাখাৰ সভাপতি শ্ৰীৰামু ঘাটোৱাৰ আৰু সম্পাদক শ্ৰীমুহি চন্দ্ৰ চাৰাৰী তাঁতী । মুঠ গৃহস্থী ১৬ ঘৰ আৰু সংগী ৩৭ জন ।

প্ৰাথমিক শাখাটিৰ বিষয়ববীয়াসকল ঃ সভাপতি, শ্ৰীৰামু ঘাটোৱাৰ, ১৯৯১-

৯৮, শ্ৰীকানাই ৰাজুৱাৰ, ১৯৯৯-২০০০, উপ-সভাপতি, শ্ৰীমহেশ্বৰ বৰা, ১৯৯১-৯৮, শ্ৰীযদু ৰাজুৱাৰ, ১৯৯৯-২০০০, সম্পাদক, শ্ৰীমুহিচন চাৰাৰী তাঁতী, ১৯৯১-৯৮, শ্ৰীঅৰুণ ৰাজুৱাৰ, ১৯৯৯-২০০০, সহঃ সম্পাদক, শ্ৰীতিলেশ্বৰ ৰাজবংশী, ১৯৯৯-২০০০ ।❑

# কৃষ্ণৰাম প্ৰাথমিক শাখা
## গঠন ঃ ১৯৯২ চন

ফলঙনি ৰাম-কৃষ্ণৰ প্ৰাথমিকৰপৰা ফালৰি কাটি গৈ ৭ ঘৰ গৃহস্থী, ১৮ জন সংগীৰে বহুত দিন সংঘৰপৰা আঁতৰত থাকি ১৯৯২ চনত পুনৰ কৃষ্ণৰাম প্ৰাথমিক নামেৰে গঠন হয় । প্ৰাথমিকৰ সভাপতি, শ্ৰীৰূপৰাম গগৈ, সম্পাদক শ্ৰীতৰুণ হাজৰিকা, উপ-সভাপতি, শ্ৰীসোমেশ্বৰ গগৈ, সহঃ সম্পাদক, শ্ৰীমিনেশ্বৰ গগৈ ।❑

# ঢুলীয়া গাঁও প্ৰাথমিক শাখা
## গঠন ঃ ১৯৯৪ চন

এই গাঁৱত প্ৰাথমিক শাখা গঠন হোৱাৰ বহু বছৰৰ আগতে মূল সংঘৰ প্ৰাক্তন উপ-পদাধিকাৰী শ্ৰীযুত গোবিন্দ চন্দ্ৰ শইকীয়াবাপে এখন ধৰ্মালোচনী সভাত অংশ গ্ৰহণ কৰি গুৰুজনাৰ এক শৰণ নাম-ধৰ্মৰ ওপৰত বিষদভাৱে আলোচনা কৰিছিল । তেতিয়াৰপৰাই এই অঞ্চলৰ লোকসকলৰ মনত শংকৰদেৱৰ ধৰ্মাদৰ্শনৰ প্ৰভাৱ পৰিছিল । শ্ৰীসভাৰাম গগৈবাপে, নিজস্বভাৱে গুৰুজনাৰ ধৰ্ম গ্ৰহণ কৰি কেশৱ চৰণ প্ৰাথমিকৰ সংগীভুক্ত হয় । সেই সময়ৰপৰা তেখেতে নিজৰ গাঁৱত এখন প্ৰাথমিক গঠন কৰাৰ প্ৰচেষ্টা চলায় । তেখেতৰ প্ৰচেষ্টাত সৰ্বশ্ৰীলেখোৰাম বৰুৱা, নৃপেন শইকীয়া, অমূল্য বৰদলৈ, কমল শইকীয়া, নবীন শইকীয়া আদি লোকসকলৰ উপস্থিতিত নামানুষ্ঠান তথা ধৰ্মালোচনী সভা অনুষ্ঠিত হয় আৰু এভাগ প্ৰাথমিক গঠনৰ পথ সুগম কৰে । ইংৰাজী ২৪/১০/৯৪ তাৰিখে শ্ৰীলেখোৰাম বৰুৱা, শ্ৰীনৃপেন শইকীয়াৰ উপস্থিতিত ঢুলীয়া গাঁও নামঘৰত অনুষ্ঠিত সভাত উক্ত গাঁৱৰ নামকৰণেৰে এখন প্ৰাথমিক গঠন কৰা হয় ।প্ৰাথমিকৰ কাৰ্যানিৰ্বাহকৰ সভাপতি চন্দ্ৰ হাজৰিকা আৰু সম্পাদক শ্ৰীসভাৰাম গগৈক নিৰ্বাচন কৰা হয় ।প্ৰথম অৱস্থাত

১৩ ঘৰ গৃহস্থী, ৩২ জন সংগী আছিল । বৰ্ত্তমান গৃহস্থী ১৭ ঘৰ আৰু সংগী ৩৫ জনলৈ বৃদ্ধি পাইছে । বৰ্ত্তমান প্ৰাথমিকৰ সভাপতি, শ্ৰীসভাৰাম গগৈ, সম্পাদক শ্ৰীসুনীবান তামুলী, উপ-সভাপতি, দেবেন গগৈ, সহঃ সম্পাদক, শ্ৰীযোগেশ্বৰ গগৈ, সেৱা বাহিনীৰ নায়ক, শ্ৰীযোগেশ্বৰ গগৈ । ❑

# জ্ঞানোদয় প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৭ চন

এই প্ৰাথমিকখনি ৰঙাজান বাগানৰ লোকসকলক লৈ গঠন কৰা হয় । প্ৰাথমিক গঠনৰ বাবে দৈয়াঙৰপৰা অহা শ্ৰীজয় গগৈয়ে প্ৰচেষ্টা চলায় । তদুপৰি মৰঙি আঞ্চলিকৰ সম্পাদক শ্ৰীনৃপেন শইকীয়া আৰু সংস্কৃতি শাখাৰ সম্পাদক শ্ৰীগকুল মহন্তই ৰাইজক বুজনি দিবলৈ দুই বাৰকৈ সভা অনুষ্ঠিত কৰে । শেষত শ্ৰীচন্দ্ৰ ৰাজবংশীক সভাপতি আৰু শিৱ ঘাটোৱাৰক সম্পাদক হিচাপে লৈ জ্ঞানোদয় নাম দি প্ৰাথমিক শাখাটি গঠন কৰে । এই শাখাৰ বাবে শ্ৰীমুহি চন্দ্ৰ চৌৰাৰী, শ্ৰীমহেশ্বৰ বৰা, শ্ৰীৰামু ঘাটোৱাৰবাপ কেইজনে অনবৰতে লাগি আছিল । বৰ্ত্তমান ১০ ঘৰ গৃহস্থী, ২২ জন সংগী প্ৰাথমিক শাখাত আছে । ১৯৯৭-২০০০ চনৰ সভাপতি, সম্পাদক ক্ৰমে — শ্ৰীচন্দ্ৰ গগৈ, শ্ৰীচিবু ঘাটোৱাৰ । ❑

# চিন্তামণি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৭ চন

১৯৬৩ চনত ৰংবং ৫ নং গাঁওখন স্থাপিত হৈছিল । সেই গাঁৱৰ শ্ৰীবোধেশ্বৰ শইকীয়া, মৰঙি নৱ মুক্তি প্ৰাথমিকৰ সংগী আছিল । এওঁ কাৰ্যাকাল তেখেতে মৰঙি আঞ্চলিকৰ সহকাৰী সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল । তেখেতে স্থানীয় ৰাইজৰ মাজত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ আৰ্হিৰে এখন প্ৰাথমিক খোলাৰ মানসেৰে বিভিন্ন সময়ত ভাগৱত পাঠ, ধৰ্মালোচনী সভা অনুষ্ঠিত কৰাইছিল আৰু সংঘৰ নীতি-নিয়মেৰে ধৰ্মীয় অনুষ্ঠান সম্পাদন কৰিছিল । ইংৰাজী ৩১/১০/৯৭ তাৰিখে শ্ৰীবোধেশ্বৰ শইকীয়া, শ্ৰীভৱকান্ত শইকীয়া আৰু শ্ৰীচুধেন বৰা আদি লোকৰ উদ্যোগত এখন সভা অনুষ্ঠিত হয় । সভাত মৰঙি আঞ্চলিক শাখাৰ সভাপতি শ্ৰীভূপেন বৰদলৈ, সম্পাদক শ্ৰীনৃপেন শইকীয়া আৰু উপদেষ্টা শ্ৰীলেখোৰাম বৰুৱা, শ্ৰীমাণিক গগৈ, শ্ৰীবীৰেশ্বৰ

বৰাবাপসকল উপস্থিত আছিল আৰু তেখেতসকলে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাংগঠনিক নীতি-আদৰ্শৰ কথা বিষদভাৱে দাঙি ধৰে । সেই শাখাতেই চিন্তামণি প্ৰাথমিক শাখা নামকৰণেৰে এখন প্ৰাথমিক গঠন কৰা হয় । প্ৰাথমিকৰ সভাপতি শ্ৰীবেণু বৰা, উপ-সভাপতি, শ্ৰীভৱকান্ত শইকীয়া, সম্পাদক, শ্ৰীবোধেশ্বৰ শইকীয়া, সহঃ সম্পাদক, শ্ৰীনৰেন বৰাক লৈ এখনি কাৰ্যনিৰ্বাহক সভা গঠন কৰা হয় । বৰ্তমান সেৱা বাহিনীৰ নায়ক শ্ৰীৰাজীৱ শইকীয়া । বৰ্তমান প্ৰাথমিকৰ গৃহস্থী, ২৬ ঘৰ আৰু সংগী ৭০ জন । ❑

# সুন্দৰ প্ৰাথমিক শাখা
## গঠন ঃ ১৯৯৭ চন

এই অঞ্চলটি থুৰাজান নামাকৰণেৰে পৰিচিত । এই ডাঙৰ অঞ্চলত বকুলি গাঁৱৰ ১১ ঘৰ গৃহস্থী আৰু ৩১ জন সংগী শ্ৰীমন্ত শংকৰদেৱ সংঘত অন্তৰ্ভুক্ত হয় । এই অঞ্চলত প্ৰাথমিক গঠনৰ ২০ বছৰ আগতে মুল সম্পাদক শ্ৰীগোবিন্দ শইকীয়া আৰু গোলাঘাট জিলা শাখাৰ সম্পাদক শ্ৰীলেখোৰাম বৰুৱাই এখন প্ৰচাৰমুলক সভা পাতিছিল । পৰৱৰ্তী কালত শ্ৰীবসন্ত মুদৈ, শ্ৰীদণ্ডৰাম ফুকন, শ্ৰীপ্ৰদীপ বৰা আদিয়ে প্ৰচেষ্টা চলাই আছিল । অৱশেষত বকুলি গাঁৱত কেইজনমান যুৱকে এখনি ধৰ্মালোচনী সভা আহ্বান কৰি আঞ্চলিক সম্পাদক শ্ৰীনৃপেন শইকীয়া আৰু সাংস্কৃতিক শাখাৰ সভাপতি শ্ৰীগকুল মহন্তক আমন্ত্ৰণ কৰে । সভাত শ্ৰীশইকীয়াই বহু প্ৰশ্নৰ উত্তৰ দিয়াৰ উপৰি সংঘৰ লক্ষ্য, উদ্দেশ্য আৰু নিয়মৰ সম্পৰ্কে বিৱৰি কয় আৰু থুৰাজান সুন্দৰ প্ৰাথমিক শাখা গঠন কৰি আঞ্চলিক সম্পাদকৰ অন্তৰ্ভূক্তি মাচুল দিয়ে। প্ৰাথমিকৰ সভাপতি শ্ৰীমহেশ্বৰ বৰা আৰু সম্পাদক শ্ৰীবিপুল বৰাক লৈ ১১ জনীয়া সমিতি গঠন কৰা হয় ।

সভাপতি, শ্ৰীমহেশ্বৰ বৰা (১৯৯৭-৯৯), উপ-সভাপতি, শ্ৰীনোমল বৰা (১৯৯৭-৯৮), শ্ৰীবসন্ত মুদৈ, (১৯৯৮-৯৯), সম্পাদক, শ্ৰীবিপুল বৰা (১৯৯৭-৯৯), সহঃ সম্পাদক, শ্ৰীলোকেশ্বৰ বৰা, (১৯৯৭-৯৯), সেৱাবাহিনীৰ নায়ক, শ্ৰীৰাজেন বৰা। ❑

# শ্ৰীমন্ত প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৮ চন

মৰঙি আঞ্চলিক শাখাৰ অন্তৰ্গত শ্ৰীমন্ত প্ৰাথমিক শাখাটি ফলঙনিত অৱস্থিত। প্ৰাথমিকখনি যদিও নতুন আচলতে ভালেকেইজন সংগী ৫৪০ তম্ লৈকে সংগী আছিল । কিন্তু মাজতে সংঘৰ বাহিৰত থাকি কেইবাজনো সংগীক আনি সমাজত জড়িত কৰে । এই ক্ষেত্ৰত শ্ৰীনগেন বৰা, শ্ৰীযোগেশ্বৰ বৰা, শ্ৰীসোণ বৰা আদি বাপসকলে লগ লাগি এখন বহল সমাজ গঠন কৰে । মৰঙি আঞ্চলিকৰ সম্পাদকৰ পৰামৰ্শমতে ২৬/২/৯৮ তাৰিখে এখন সভা আহ্বান কৰে । সভাত শ্ৰীনৃপেন শইকীয়া, জিলা সদস্য শ্ৰীসোণেশ্বৰ কলিতা আৰু গকুল মহন্তই অংশ গ্ৰহণ কৰে। শ্ৰীনৃপেন শইকীয়াই সংঘৰ বৰ্ত্তমানৰ স্থিতি, লক্ষ্য, উদ্দেশ্য আৰু সংগীৰ দায়িত্বৰ বিষয়ে বিৱৰি কয় । সেই সভাতে ৭৮ জন সংগীয়ে অন্তৰ্ভুক্ত হ'বলৈ প্ৰতিশ্ৰুতি কৰি ফলঙনি শ্ৰীমন্ত নামেৰে এখন প্ৰাথমিক গঠন কৰি যাৱতীয় কামৰ বাবে আঞ্চলিক সম্পাদকৰ দায়িত্ব দিয়ে । সভাপতি শ্ৰীবেণুধৰ বৰা, সম্পাদক শ্ৰীসোণ বৰা এই প্ৰাথমিকৰ সংগী শ্ৰীযোগেশ্বৰ বৰা সভাপতি কিছুদিন আছিল । বৰ্ত্তমান প্ৰাথমিকখনিৰ সকলো দিশতে যত্ন লোৱাত শ্ৰীনগেন বৰাই অবিৰত চেষ্টা চলাই আছে ।

কাৰ্যনিৰ্বাহক ১৯৯৮-৯৯ চনৰ ঃ শ্ৰীবেণু বৰা, সভাপতি সম্পাদক, শ্ৰীনৰেন বৰা, সম্পাদক ।

১৯৯৯-২০০০ চনৰ ঃ শ্ৰীনগেন বৰা, সভাপতি, সম্পাদক, শ্ৰীসোণ বৰা, সম্পাদক, শ্ৰীপ্ৰফুল্ল হাজৰিকা, উপ-সভাপতি, শ্ৰীডিম্বেশ্বৰ বৰা, সহঃ সম্পাদক । ❑

# যুগান্ত প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৮ চন

গোলাঘাট জিলাৰ মৰঙি মৌজাৰ অন্তৰ্গত কাঠকটিয়া গাঁৱৰ নিবাসী প্ৰয়াত প্ৰমেধৰ বৰাই মৰঙি মৌজাত প্ৰাথমিক তথা আঞ্চলিক গঠন হোৱাৰ আগৰপৰাই কৰ্মকাণ্ড ত্যাগ কৰি সম্পূৰ্ণ নাম-ধৰ্মৰে অনুষ্ঠান সম্পাদন কৰি আছিল । তেখেতৰ পৰিযত্নত ১৯৭৫ চনত কাঠকটিয়া প্ৰাথমিকৰ শাখাই আত্মপ্ৰকাশ কৰে । কাঠকটিয়া প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকল ১৯৭৫-৯৮ বৰ্ষৰ সভাপতিসকল ক্ৰমে — প্ৰয়াত

প্ৰমেধৰ বৰা, তুনীৰাম শইকীয়া, হৰেন্দ্ৰ বৰা, কমলেশ্বৰ বৰা, সম্পাদক, শ্ৰীতুনীৰাম বৰা, শ্ৰীখুদৌ বৰা।

১৯৮৫ চনত আঞ্চলিকৰ সভাপতি প্ৰয়াত পুষ্প শইকীয়া আৰু সম্পাদক দুৰ্গেশ্বৰ শইকীয়া বাপৰ কাৰ্যকালত আঞ্চলিকৰ অষ্টম অধিৱেশনভাগি এই প্ৰাথমিকৰ সহযোগত অনুষ্ঠিত হৈছিল।

১৯৮৫ চনত কাঠকটিয়া গাঁৱত কাঠকটিয়া বৰা প্ৰাথমিক শাখা নামেৰে এখন প্ৰাথমিক শাখা গঠন হৈছিল। এই প্ৰাথমিকখন গঠন কৰাত আঞ্চলিকৰ সভাপতি প্ৰয়াত পুষ্প শইকীয়া আৰু দুৰ্গেশ্বৰ শইকীয়াৰ ভূমিকা উল্লেখযোগ্য। প্ৰাথমিকৰ বিষয়ববীয়াসকল —

১৯৮৫-৯৮ চনৰ সভাপতি ক্ৰমে ঃ সৰ্বশ্ৰীমহেন্দ্ৰ বৰা, নৰেন্দ্ৰ বৰা।

সম্পাদক ক্ৰমে ঃ সৰ্বশ্ৰীখগেন বৰা, বোধেশ্বৰ বৰা, মানিক বৰা।

১৯৯৮ চনৰ আগষ্ট মাহত কাঠকটিয়া প্ৰাথমিক আৰু কাঠকটিয়া বৰা প্ৰাথমিক শাখাৰ সংগীৰ উপস্থিতিত সৰ্বসন্মতভাৱে দুয়োখন প্ৰাথমিক একত্ৰীকৰণ কৰি যুগাগু প্ৰাথমিক শাখা নামকৰণেৰে পুনৰ গঠন কৰা হয়। বৰ্ত্তমান প্ৰাথমিকৰ সভাপতি সৰ্বশ্ৰী খুদৌ বৰুৱা, উপসভাপতি, খগেন বৰা, সম্পাদক, মাণিক বৰা, সহঃ সম্পাদক বীৰেন বৰা, সেৱা বাহিনীৰ নায়ক, শ্ৰীধ্ৰুৱ বৰুৱা। ❑

# কাঠকটিয়া প্ৰাথমিক শাখা

## গঠন ঃ চন

মৰঙি অঞ্চলৰ বেবেজীয়া আৰু অভয়পুৰীয়াৰ মাজত একাংশ সংগীক লৈ কাঠকটীয়া প্ৰাথমিক শাখা গঠন হয়। প্ৰাথমিক শাখাটি গঠনৰ আগতে কেইবাখনো ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। বেবেজীয়া প্ৰাথমিকৰ সংগীসকলৰ উৎসাহ-উদ্দীপনাৰ ফলতে কাঠকটিয়া শাখাটি গঠন হয়। পৰবৰ্ত্তী সময়ত এই প্ৰাথমিকৰপৰা কেইঘৰমান গৃহস্থী আঁতৰি গৈ কাঠকটীয়া বৰা প্ৰাথমিক শাখা গঠন হয়। কাঠকটীয়া প্ৰাথমিকক শ্ৰীখুদৌ বৰুৱাবাপে নেতৃত্ব দি জীয়াই ৰাখিছে।

## কল্পতৰু প্ৰাথমিক শাখা
### গঠন ঃ      চন

ঐতিহাসিক অসম চুক্তি অনুসৰি প্ৰতিষ্ঠা হোৱা নুমলীগড় ৰিফাইনেৰীৰ সমীপৱৰ্ত্তী অঞ্চল বিষ্ণুপুৰ গাঁৱত শংকৰদেৱ সংঘৰ এটি শাখা কল্পতৰু প্ৰাথমিক শাখা নামকৰণেৰে গঠন কৰা হয় । এই শাখাটি গঠন কৰাৰ ক্ষেত্ৰত মৰঙি আঞ্চলিকৰ অন্তৰ্গত মিলন প্ৰাথমিকৰ সংগী শ্ৰীচুৰেন হাজৰিকা, দিব্যজ্যোতি প্ৰাথমিকৰ শ্ৰীউমাকান্ত সন্দিকৈ আৰু স্থানীয় শ্ৰীদেবেন হাজৰিকাবাপে আগভাগ লয় । প্ৰাথমিকভাগ গঠন হোৱাৰ সভাত আঞ্চলিক শাখাৰ সভাপতি, সম্পাদক ক্ৰমে -- শ্ৰীভূপেন বৰদলৈ আৰু শ্ৰীনৃপেন শইকীয়া উপস্থিত আছিল । শ্ৰীভূপেন বৰদলৈ বাপৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত সৰ্বসন্মতভাৱে কল্পতৰু প্ৰাথমিক গঠন কৰা হয় । শাখাটিৰ বিষয়ববীয়া হিচাপে সৰ্বশ্ৰীযাদৱ হাজৰিকা, সভাপতি, শ্ৰীদিলীপ বৰুৱা, উপ-সভাপতি, শ্ৰীখগেন বৰুৱা, সম্পাদক, শ্ৰীইন্দ্ৰ শইকীয়া, সহঃ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছে। শাখাটিৰ উপদেষ্টা হ'ল সৰ্বশ্ৰীমুলাৰাম শইকীয়া, দেবেন শইকীয়া, সেৱা বাহিনীৰ নায়ক শ্ৰীঅনুপ শইকীয়া । ❑

## নৰনাৰায়ণ প্ৰাথমিক শাখা
### গঠন ঃ ১৯৯৯ চন

কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ আধাৰত সদ্য ঘোষিত আদৰ্শ গাঁও 'নৱৰত্ন' গাঁৱৰ অংশ বিশেষ ফুলবাৰী গাঁও । শ্ৰীসুৰেন্দ্ৰ নাথ ৰাজখোৱাদেৱৰ দ্বাৰা সম্পাদিত শ্ৰীমন্ত শংকৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ বুৰঞ্জীত ফুলবাৰী গাঁৱৰ নামৰ উৎপত্তি সম্বন্ধে উল্লেখ আছে -- 'এই ঠাই ডোখৰলৈ আহিল উৰ্বৰ মাটিৰ অনুসন্ধানত এটি পাহাৰীয়া জাতি । এওঁলোকে ঠাই ডোখৰৰ নাম দিলে 'ফুলবাৰী' ... হাবিত উৎপত্তি হোৱা এই বগা বগা ফুলবোৰক 'কখণ্ডা' ফুল বোলা হয় । বসন্ত কালৰপৰা বৰ্ষা কাললৈকে এই বগা বগা ফুলবোৰে গোটেই বনাঞ্চল জাতিষ্কাৰ কৰি থাকে । তলত 'কখণ্ডা ফুলৰ শোভা আৰু ওপৰত নাহৰ আজাৰ গছৰ ফুলৰ মনোৰম শোভা দেখিয়েই প্ৰকৃতিপ্ৰিয় এই পাহাৰীয়া দলটিয়ে ঠাইডোখৰৰ নাম দিলে 'ফুলবাৰী' ।

সাংগঠনিক কাৰণত উক্ত গাঁৱৰ নাৰায়ণ প্ৰাথমিক শাখাৰ একাংশ সংগীৰে 'নৰনাৰায়ণ প্ৰাথমিক শাখা' নামকৰণেৰে ১৯৯৯ চনৰ ২১ আহাৰ তাৰিখে গঠন কৰা হ'ল । প্ৰাথমিক গঠনৰ সভাত মৰঙি আঞ্চলিক শাখাৰ সাহিত্য শাখাৰ সম্পাদক শ্ৰীনাৰায়ণ গগৈ আৰু আঞ্চলিকৰ সহঃ সম্পাদক শ্ৰীউপেন শইকীয়াবাপ উপস্থিত আছিল । প্ৰাথমিক শাখাৰ সভাপতি, সম্পাদকসকল হ'ল -- সৰ্বশ্ৰীখগেশ্বৰ শইকীয়া, সভাপতি, খীৰেশ্বৰ বৰা, উপ-সভাপতি, উপেন বৰা, সম্পাদক, ৰবীন বৰা, সহঃ সম্পাদক, মুখ্য উপদেষ্টা বীশ্বেশ্বৰ বৰা, উপদেষ্টা, নগেন দুৱৰা, হেমপ্ৰভা বৰা ।

আঞ্চলিকৰ সদস্য ঃ শ্ৰীগোলাপ বৰুৱা, শ্ৰীজয়ন্ত বৰা, সেৱাবাহিনীৰ নায়ক শ্ৰীজয়ন্ত বৰা ।

প্ৰাথমিকৰ মুঠ গৃহস্থীৰ সংখ্যা ৯ ঘৰ, সংগী মুঠ, ২৫ গৰাকী । ইংৰাজী ২৬/৯/৯৯ তাৰিখে এই প্ৰাথমিক শাখাৰ সহযোগত অনুষ্ঠিত সভাত মৰঙি আঞ্চলিক সাহিত্য শাখাৰ সম্পাদক শ্ৰীনাৰায়ণ গগৈবাপৰ দ্বাৰা সম্পাদিত কবিতা আলোচনী 'ব্ৰজবধূ' উন্মোচন কৰা হয় ।❑

# নাৰায়ণ কৃষ্ণ প্ৰাথমিক শাখা
## গঠন ঃ ১৯৯৯ চন

গোলাঘাট জিলাৰ মৰঙি মৌজাৰ অন্তৰ্গত কাৰ্বি আংলং পশ্চিম সীমান্তৱৰ্তী কালিয়নী নদীৰ কাষত অৱস্থিত নাহৰচলা গাঁও । এই গাঁৱৰ কাষত ইতিহাস প্ৰসিদ্ধ বুদ্ধ মন্দিৰ অৱস্থিত । মিৰজুমলাই অসম আক্ৰমণ কৰাৰ সময়তো এই বুদ্ধ মন্দিৰ আছিল বুলি প্ৰবাদ আছে । ১৯৫৫ চনৰপৰাই এই গাঁৱত জনবসতি আৰম্ভ হয় । নাহৰ গছৰ পৰিমাণ বেছি হোৱাৰ বাবে এই ঠাইৰ নাম নাহৰ চলা হয় বুলি জনা যায় ।

প্ৰাথমিক গঠনৰ প্ৰাৰম্ভিক কালত নাহৰচলা গাঁৱত ন-পাম মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰীসদা বৰাই আৰু ফুলবাৰী নাৰায়ণ প্ৰাথমিক শাখাৰ সংগীবৃন্দই শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ প্ৰচাৰ কাৰ্য চলাই আছিল । গাঁৱৰ নিবাসী শ্ৰীমন্ত বৰাই এই ক্ষেত্ৰত আগভাগ লয় । নাৰায়ণ প্ৰাথমিক শাখাৰ যোগেদি শ্ৰীমন্ত বৰা বাপৰ ঘৰত এভাগি নামানুষ্ঠান সংঘৰ আৰ্হিৰে অনুষ্ঠিত হয় । এই নামানুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ প্ৰৱৰ্ত্তিত এক শৰণ হৰি নামৰ ওপৰত আলোচনা কৰা হয় আৰু নাম-ধৰ্মৰ প্ৰতি গাঁৱৰ ৰাইজ আকৃষ্ট হয় ।

ইংৰাজী ১৫/১০/৯৯ তাৰিখে নাহৰচলা গাঁৱৰ নামঘৰত ফুলবাৰী নাৰায়ণ

প্ৰাথমিক শাখাৰ পৰিযত্নত গাঁৱৰ ৰাইজৰ মাজত এখন ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। শ্ৰীলোকেশ্বৰ বৰা আৰু শ্ৰীকমল গগৈবাপে সভাত শ্ৰীমন্ত শংকৰদেৱৰ প্ৰৱৰ্ত্তিত ধৰ্মাদৰ্শৰ ওপৰত ব্যাখ্যা দিয়ে । সভাত ১১ ঘৰ গৃহস্থী আৰু ৩১ জন সংগীৰে নাৰায়ণ কৃষ্ণ প্ৰাথমিক শাখা নামকৰণেৰে এটি শাখা গঠন হয় ।

প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকল ঃ সৰ্বশ্ৰীশ্ৰীমন্ত বৰা, সভাপতি, কিৰণ দাস, উপ-সভাপতি, বাপুৰাম শইকীয়া, সম্পাদক, ভাইটি দাস, সহঃ সম্পাদক । সেৱাবাহিনীৰ নায়ক শ্ৰীৰবীন দাস । ❑

# মথুৰা প্ৰাথমিক শাখা
## গঠন ঃ ১৯৯৯ চন

বুৰঞ্জী প্ৰসিদ্ধ মৰঙি মৌজাৰ ২ নং ফলঙনি গাঁৱত মথুৰা প্ৰাথমিক শাখা গঠন হয় । ১৯৮০ চনৰপৰা ১৯৯০ চনলৈ এক দশক কাল ২ নং ফলঙনি প্ৰাথমিক নামেৰে এখনি প্ৰাথমিক শাখাই কাৰ্যনিৰ্বাহ কৰি আছিল । শাখাটিৰ সভাপতি ক্ৰমে — প্ৰয়াত ঘনশ্যাম বৰা, চেনিৰাম বৰদলৈ, বিপিন গগৈ, চন্দ্ৰ গগৈ, মনু বৰা আছিল । সম্পাদকসকল সৰ্বশ্ৰীনাৰায়ণ গগৈ, উপেন বৰুৱা, ৰবীন বুঢ়াগোহাঁই, খীৰেশ্বৰ শইকীয়া।

প্ৰাথমিক শাখাৰ সংগীসকলৰ মাজত এভাগ ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। সভাত মূল সংঘৰ পদাধিকাৰ বৈষ্ণৱ পণ্ডিত শ্ৰীসোণাৰাম চুতীয়া আৰু প্ৰধান সম্পাদক শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়াবাপ উপস্থিত আছিল । ইংৰাজী ১৯৮৯ চনত আঞ্চলিক শাখাৰ সৌজন্যত এই প্ৰাথমিক শাখাৰ সহযোগত মাধৱ জয়ন্তী উদ্‌যাপন কৰা হৈছিল ।

ইংৰাজী ১৯৯৯ চনৰ নৱেম্বৰ মাহত আঞ্চলিক সাহিত্য শাখাৰ সম্পাদক শ্ৰীনাৰায়ণ গগৈবাপৰ সভাপতিত্বত অনুষ্ঠিত সভাত এখন নতুন প্ৰাথমিক শাখা গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰে । ১০ ঘৰ গৃহস্থীৰ ২৭ গৰাকী সংগীৰে গঠন কৰা শাখাটিৰ নাম মথুৰা প্ৰাথমিক শাখা । বৰ্ত্তমান শাখাটিৰ সভাপতি, শ্ৰীবেণুধৰ বৰা, উপ-সভাপতি শ্ৰীৰমেশ বৰা, সম্পাদক শ্ৰীবদন গগৈ । ❑

# দৈয়াং আঞ্চলিক শাখাৰ ইতিবৃত্ত

## গঠন ঃ ১৯৭৮ চন

দৈয়াং এটা বৃহত্ত অঞ্চল । দৈয়াং নদীৰ আশে পাশে থকা নদী উপত্যকাকে দৈয়াং বুলি জনাজাত । দৈয়াং কছাৰী ভাষাৰ শব্দ । 'দৈ' মানে পানী আৰু 'য়াং' মানে বৈ থকা । দৈয়াং নদীখন নগা পাহাৰৰ পৰা ওলাই আহি ধনশ্ৰী নদীত পৰিছে । এই নদী উপত্যকাটো প্ৰথমে সংৰক্ষিত বনাঞ্চল আছিল । কালক্ৰমত বিভিন্ন ঠাইত কৃষিজীৱী লোকসকল সেই ঠাইলৈ আহি বনাঞ্চল কাটি খেতিৰ উপযোগী কৰি গাঁও পাতে । বনাঞ্চল জনাঞ্চললৈ পৰিবৰ্ত্তন হয় । প্ৰথমে এই ঠাইত কছাৰী জন-জাতিয়ে বাস কৰিছিল । কছাৰী ৰজাৰ ৰাজত্ব কালৰ জয় পুখুৰী, বৰ পুখুৰী আৰু তেলীশালে কছাৰী সকলৰ বসবাস কৰাৰ সাক্ষ্য বহন কৰিছে ।

১৯০২ চনৰপৰা ১৯০৫ চনৰ ভিতৰত দৈয়াঙৰ মেৰাপানী চাউদাং পথাৰ আৰু কাছমাৰীৰ অন্য ঠাইৰপৰা আহি লোকসকলে বসতি কৰেহি আৰু বনগাঁও পাতে । তাৰপৰা ক্ৰমান্বয়ে বছৰে বছৰে মানুহৰ সোঁত বয় আৰু বনাঞ্চলৰ খেতিৰ উপযোগী ঠাইবিলাকৰ হাবি-বন কাটি মাটি চহাই খেতি কৰে । গাঁও বাঢ়ে আৰু লগে লগে জনসংখ্যাও বাঢ়ে । এতিয়া দৈয়াং এক জনবসতিপূৰ্ণ বৃহৎ অঞ্চল । ১৯৯১ চনৰ লোক পিয়ল মতে জনসংখ্যা ৯২,৪৫৬ জন । মাটি কালি ৮৪,০০০ বৰ্গ কিলোমিটাৰ ।

এই অঞ্চলত ২ খন উচ্চ-মাধ্যমিক বিদ্যালয় (প্ৰাদেশিকৃত) । ১৫ খন বেচৰকাৰী । ৭০ খন প্ৰাথমিক বিদ্যালয় আৰু ৪০ খন মধ্য ইংৰাজী বিদ্যালয় আছে । এখন মহাবিদ্যালয়, এখন ত্ৰিশখন বিছনা যুক্ত গ্ৰাম্য চিকিৎসালয়, এখন পশু চিকিৎসালয়, এখন সঙ্গীত বিদ্যালয় আৰু ভালে সংখ্যক সামাজিক অনুষ্ঠান আছে ।

দৈয়াং অঞ্চলত জনজাতি (অনুসূচীত), অনুসূচীত জাতি, পিছপৰা সম্প্ৰদায় আৰু সাধাৰণ শ্ৰেণীৰ লোকে বসবাস কৰে । ইয়াৰ ভিতৰত জনজাতি লোকৰ সংখ্যা অধিক ।

দৈয়াং অঞ্চলৰ পৰিসীমা পূবে কাকডোঙা নদী, পশ্চিমে দৈয়াং নদী, উত্তৰে গঙ্গা আৰু ঘিলাধাৰী নদী, দক্ষিণে নগাপাহাৰ । এই বৃহৎ অঞ্চলত সৰু,ডাঙৰ ৪০ খন গাঁও আছে । গাঁৱৰ লোকসকল কৃষিজীৱী, চৰকাৰী কৰ্মচাৰী আৰু ব্যৱসায়ী লোক মিশ্ৰিত ভাৱে আছে । শতকৰা ৮০ ভাগেই কৃষক । ধান, মাহ, সৰিয়হ আৰু কুঁহিয়াৰ এই অঞ্চলৰ উৎপাদিত সামগ্ৰী । ধানৰ উৎপাদন অধিক । তদুপৰি এই অঞ্চলত বতৰৰ শাক-পাচলি প্ৰচুৰ পৰিমাণে হয় । অঞ্চলৰ আলি-পদূলি বিলাক দিনে দিনে উন্নত হৈছে । গড়কাপ্তানী আৰু পঞ্চায়তী পথৰ সংখ্যা সীমিত যদিও ৰাইজে নিজৰ চেষ্টাৰে

সুন্দৰ আলি-পদুলি তৈয়াৰ কৰি লৈছে। খোৱা পানীৰ ব্যৱস্থাও ভাল। নলীনাদ আৰু পুখুৰীৰ পানী দুয়োটা চলে। চৰকাৰী আৰু বে-চৰকাৰী বাছ সেৱাই অঞ্চলটি গোলাঘাট নগৰৰ লগত সংযোগ কৰিছে।

এই বিস্তীৰ্ণ অঞ্চলৰ লোকসকলৰ গাৱেঁ গাৱেঁ নামঘৰ আছে। মহাপুৰুষ গুৰুজনাৰ ধৰ্ম্মীয় আদৰ্শৰে নামঘৰ বিলাক পৰিচালিত হয়। শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰণিত শাস্ত্ৰ কীৰ্ত্তন, দশম, ভাগৱত আদি নামঘৰত পাঠ হয়। মাধৱদেৱৰ নাম-ঘোষা গাই সকলোৱে ভগৱানক প্ৰাৰ্থনা কৰে। বিভিন্ন জনগোষ্ঠীৰ পৰা অহা লোক সকলে এই বিলাকৰ লগতে নিজৰ লোক সংস্কৃতিৰ পালন কৰে। ধৰ্ম্মীয় বিশ্বাস সকলোৰে একে নহয়। নিজ নিজ পৰম্পৰা ভাৱে ধৰ্ম্ম পালন কৰে। শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰচাৰিত একশৰণ হৰিনাম ধৰ্ম্মৰ প্ৰতিও বহুলোক আকৃষ্ট হয় আৰু একেশ্বৰবাদ ধৰ্ম্ম সংগঠনৰ প্ৰতি মনোনিবেশ কৰে। ইয়াৰ ফলশ্ৰুতি হিচাবে দৈয়াঙৰ বিভিন্ন ঠাইত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ আদৰ্শ আৰু সাংবিধানিক নিয়ম নীতি মতে প্ৰাথমিক শাখা সমূহ গঠন হয়। এনেকৈ গঠন হোৱা প্ৰাথমিক শাখা বিলাক একগোট হৈ ২৪-৩-৭৮ তাৰিখে গমাৰীগুৰি অনন্তপুৰ প্ৰাথমিক শাখাত একগোট হৈ শ্ৰীযুত কেশৱ চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত এখন ধৰ্ম্মালোচনী পাতে। সেই সভাতে ১৪ খন প্ৰাথমিকৰ প্ৰতিনিধি সকলৰ উপস্থিতিত দৈয়াং আঞ্চলিক শাখা নামে এটি আঞ্চলিক শাখা গঠন কৰা হয়। সেই সময়ত অন্তৰ্ভূক্ত হোৱা প্ৰাথমিক শাখা সমূহ আছিল - অনন্তপুৰ, শঙ্কৰ জেউতি, জয়পুৰ, বিষ্ণুপুৰ, নাৰায়ণপুৰ, বৈষ্ণৱপুৰ, কৃষ্ণ শঙ্কৰ জ্যোতি, মিলনপুৰ বাৰিছোৱা, মধ্যঘিলাধাৰী, ফুকন টোল শ্ৰীমন্ত, চৰাইমাৰী ন মাটি, শুভন গাঁও, কৃষ্ণপুৰ আৰু ৰামপুৰ। এই আঞ্চলিক শাখাটি গঠনত আগ ভাগ লোৱা বিশিষ্ট সঙ্গীসকল আছিল সৰ্বশ্ৰী কেশৱ চন্দ্ৰ বৰুৱা, কেশৱ ৰাজখোৱা, চন্দ্ৰ বৰা, থিৰেশ্বৰ শইকীয়া, স্বৰ্গীয় টংক ফুকন, স্বৰ্গীয় মিথাৰাম বৰা, স্বৰ্গীয় কমল বৰা, শ্ৰীপোনাৰাম চুতীয়া, শ্ৰীসোণাৰাম গগৈ, স্বৰ্গীয় টিপাই বৰা, শৰৎ বৰা, ডিম্বেশ্বৰ গগৈ, খগেন গগৈ, টেপুৰাম চাংমাই, ভদ্ৰেশ্বৰ সোণোৱাল, গান্ধীৰাম লইং আদি।

আঞ্চলিক শাখাটি গঠন কৰাৰ পাচত, এটি কাৰ্য্যালয়ৰ আৱশ্যক হোৱাত, গমাৰী বজাৰৰ চাউদাং আলিৰ কাষত এডোখৰ ঠাই নিৰ্ব্বাচন কৰি এটি পকীঘৰ নিৰ্ম্মাণ কৰা হয়। বৰ্ত্তমানলৈকে সেই কাৰ্য্যালয় ভাগ চলি আছে। শাখাটি গঠন হোৱাৰ পাচত সাহিত্য শাখাৰ উদ্যোগত আৰু কেইজনমান বিশিষ্ট সঙ্গীৰাপৰ যত্নত ঠায়ে ঠায়ে ধৰ্ম্মালোচনী সভা পাতি ১৯৮১ চনৰ পৰা ১৯৯৬ চনলৈ ২১ খন প্ৰাথমিক শাখা গঠন কৰা হয়।

সাহিত্য আৰু সংস্কৃতি শাখাৰ উদ্যোগত বিভিন্ন সময়ত ধৰ্মালোচনী সভা অনুষ্ঠিত কৰি আহিছে। মূল সংঘৰ প্ৰাক্তন পদাধিকাৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া, প্ৰাক্তন

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

প্ৰধান সম্পাদক শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া বাপসকলৰ উপস্থিতিত অনুষ্ঠিত হোৱা ধৰ্মালোচনী সভাৰ পিছতেই দৈয়াং অঞ্চলত ২১ খন প্ৰাথমিক গঠন হয়। সেইদৰে মক্ৰং বৰ চাপৰী অঞ্চলত কিছু বছৰৰ পিছত মূল সংঘৰ প্ৰাক্তন পদাধিকাৰ সোণাৰাম চুতীয়া আতা, প্ৰয়াত খৰেশ্বৰ দলৈ আৰু প্ৰাক্তন জিলা সম্পাদক শ্ৰীচন্দ্ৰ বৰদলৈ বাপ সকলৰ উপস্থিতিত ধৰ্মালোচনী সভা অনুষ্ঠিত হয় আৰু মক্ৰং বাগনত 'মাধৱ গুৰু' নামেৰে এখন প্ৰাথমিক শাখা গঠন হয়।

মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱ দেৱৰ আবিৰ্ভাৱ মহোৎসৱ উপলক্ষে প্ৰতিবছৰে শিশু, যুৱক-যুৱতীসকলৰ মাজত শঙ্কৰী নৃত্য-গীত, বাদ্য আৰু সাহিত্য শীৰ্ষক বক্তৃতা, ৰচনা প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰি অহা হৈছে। আঞ্চলিক শাখাই সময়ে সময়ে শৰণ শিবিৰ, সভাপতি সম্পাদক সন্মিলন, জিলাৰ দ্বাৰা পৰিচালিত সংস্কৃতি কৰ্মশালা অনুষ্ঠিত কৰি আহিছে। মূল সংঘৰ কৰ্ম আঁচনিৰ আধাৰত প্ৰতিবছৰে শিশু কল্যান দিৱস, যুৱ-সমাৰোহ আই-মাতৃ সমাৰোহ অনুষ্ঠিত কৰি শঙ্কৰী কলা-কৃষ্টি, সাহিত্য চৰ্চ্চাৰ পথ সুগম কৰিছে।

মূল সংঘৰ আৰ্হিৰে আঞ্চলিক শাখাই এটি সেৱা বাহিনীৰ দল গঠন কৰিছে। সেৱা বাহিনীৰ কৰ্ম আঁচনিৰ জৰিয়তে আঞ্চলিক সেৱা বাহিনীয়ে বিভিন্ন জন কল্যাণমূলক কাৰ্য্য সম্পাদন কৰিছে।

| | | |
|---|---|---|
| সাহিত্য শাখাৰ সভাপতি | ঃ | শ্ৰীঅনুপ কুমাৰ গগৈ |
| সম্পাদক | ঃ | শ্ৰীঅনন্ত চাংমাই |
| সংস্কৃতি শাখাৰ সভাপতি | ঃ | শ্ৰীফিলীপ বৰা |
| সম্পাদক | ঃ | শ্ৰীপুলিন শইকীয়া |
| সেৱাবাহিনীৰ অধিনায়ক | ঃ | শ্ৰীৰবীন শইকীয়া |
| উপ অধিনায়ক | ঃ | শ্ৰীমহেন্দ্ৰ শইকীয়া |

দৈয়াং আৰু ফৰকাটিং আঞ্চলিক শাখাৰ সহযোগত ১৯৭৮ চনত জিলা শাখাৰ ২৬ তম অধিৱেশন ফৰকাটিঙৰ গজানন জালান বালিকা বিদ্যালয় অনুষ্ঠিত হয়। ১৯৮৪ চনত ফৰকাটিং আৰু দৈয়াং আঞ্চলিক শাখাৰ আমন্ত্ৰণ ক্ৰমে জিলা শাখাৰ ৩১ তম্ বাৰ্ষিক অধিৱেশন খিলাধাৰী অঞ্চলৰ মাহিমেলিয়াত অনুষ্ঠিত হয়। ১৯৯৩ চনত দৈয়াং আঞ্চলিক শাখাৰ আমন্ত্ৰণ ক্ৰমে জিলা শাখাৰ ৪১ তম্ বাৰ্ষিক অধিবেশন জয়পুৰ প্ৰাথমিক শাখাত অনুষ্ঠিত হয়। গোলাঘাট জিলাৰ ফৰকাটিংৰ কুশল কোঁৱৰ ক্ষেত্ৰত অনুষ্ঠিত মূলৰ ৬৪ তম্ অধিৱেশনত দৈয়াং আঞ্চলিক শাখাৰ সংগীসকলে কায়িক শ্ৰমদান আগবঢ়োৱাৰ লগতে এসাজ সিদ্ধান্ন আগবঢ়ায়।

আঞ্চলিক শাখাটিয়ে উল্লেখিত ব্যক্তিসকলক বিভিন্ন সময়ত সম্বৰ্দ্ধনা জনায়। স্বৰ্গীয় দুৰ্গেশ্বৰ বৰা, স্বৰ্গীয় গান্ধীৰাম লইং, স্বৰ্গীয় টঙ্কেশ্বৰ ফুকন, স্বৰ্গীয় বলোৰাম

শইকীয়া, স্বৰ্গীয় ভদ্র ফুকন, শ্ৰীশশী শইকীয়া, শ্ৰীনন্দেশ্বৰ ফুকন, শ্ৰীথিৰেশ্বৰ শইকীয়া, শ্ৰীসোণাৰাম গগৈ, শ্ৰীটেপুৰাম চাংমাই, শ্ৰীসুনন্দ বড়ী আৰু স্বৰ্গীয় তিপাই বৰা ।

আঞ্চলিক শাখাটিৰ পৰা বৰ্ত্তমানলৈকে হোৱা জিলা সদস্যসকল হ'ল - প্ৰয়াত গান্ধীৰাম লইং, শ্ৰীশশী শইকীয়া, শ্ৰীপীতাম্বৰ বৰুৱা, শ্ৰীশৰৎ বৰা, শ্ৰীসোণাৰাম গগৈ, শ্ৰীথিৰেশ্বৰ শইকীয়া, শ্ৰীচন্দ্ৰ বৰা, শ্ৰীনীলকান্ত বৰি, শ্ৰীবীৰেন বৰা, শ্ৰীসত্য নাৰায়ণ পাঠৰি, শ্ৰীটংকেশ্বৰ গগৈ, শ্ৰীবুদ্ধেশ্বৰ বৰা, শ্ৰীলক্ষ্যেশ্বৰ শইকীয়া, চিতাই পাঠৰি, শ্ৰীটংক ফুকন, শ্ৰীমেনেজৰ বড়ি আৰু শ্ৰীপোনাৰাম শইকীয়া ।

**দৈয়াং আঞ্চলিক শাখাৰ আৰম্ভণীৰপৰা বৰ্ত্তমানলৈকে বিষয়ববীয়াসকল ঃ**

| | | |
|---|---|---|
| ১৯৭৮-৮০ | সভাপতি - | শ্ৰীকেশৱ চন্দ্ৰ ৰাজখোৱা । |
| | উপ সভাপতি- | শ্ৰীচন্দ্ৰকান্ত বৰা । |
| | সম্পাদক - | শ্ৰীচন্দ্ৰ বৰা । |
| | সহ সম্পাদক - | শ্ৰীসোণাৰাম গগৈ । |
| ১৯৮১-৮৩ | সভাপতি - | শ্ৰীটংকেশ্বৰ ফুকন |
| | উপ সভাপতি- | শ্ৰীচন্দ্ৰকান্ত বৰা |
| | সম্পাদক - | শ্ৰীচন্দ্ৰ বৰা |
| | সহ সম্পাদক- | শ্ৰীশৰৎ বৰা । |
| ১৯৮৩-৮৬ | সভাপতি- | প্ৰয়াত গান্ধীৰাম লইং |
| | উপ সভাপতি- | শ্ৰীথিৰেশ্বৰ শইকীয়া |
| | সম্পাদক - | শ্ৰীচন্দ্ৰকান্ত বৰা |
| | সহ সম্পাদক - | শ্ৰীগজেন বৰা । |
| ১৯৮৬-৮৮ | সভাপতি - | শ্ৰীথিৰেশ্বৰ শইকীয়া |
| | উপ সভাপতি - | শ্ৰীশশী শইকীয়া |
| | সম্পাদক - | শ্ৰীচন্দ্ৰকান্ত বৰা |
| | সহ সম্পাদক - | শৰৎ বৰা । |
| ১৯৮৮-৯০ | সভাপতি - | শ্ৰীটেপুৰাম চাংমাই |
| | উপ সভাপতি - | শ্ৰীভদ্ৰেশ্বৰ সোণোৱাল |
| | সম্পাদক - | শ্ৰীপোলেন ফুকন |
| | সহ সম্পাদক - | শ্ৰীৰবীন বৰা |
| ১৯৯০-৯২ | সভাপতি - | শ্ৰীনন্দেশ্বৰ ফুকন |
| | উপ সভাপতি- | শ্ৰীচন্দ্ৰকান্ত বৰা |
| | সম্পাদক - | শ্ৰীধৰ্মেশ্বৰ বৰা |
| | সহ সম্পাদক - | শ্ৰীটঙ্কেশ্বৰ গগৈ । |

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

১৯৯২-৯৪ সভাপতি - শ্ৰীবীৰেন বৰা
উপ সভাপতি - শ্ৰীসত্যনাৰায়ণ পাঠৰি
শ্ৰীভদ্ৰেশ্বৰ সোণোৱাল
সম্পাদক - শ্ৰীটংকেশ্বৰ গগৈ
সহ সম্পাদক - শ্ৰীটোলন ফুকন, ৰমা গগৈ

১৯৯৪-৯৫ সভাপতি - শ্ৰীবীৰেন বৰা
উপ সভাপতি - শ্ৰীখগেন গগৈ, নবীন বৰা
সম্পাদক - শ্ৰীটংকেশ্বৰ গগৈ
সহ সম্পাদক - শ্ৰীসত্যনাৰায়ণ পাঠৰি, টিপেশ্বৰ গগৈ ।

১৯৯৫-৯৬ সভাপতি - শ্ৰীবীৰেন বৰা
উপ সভাপতি - শ্ৰীখগেন গগৈ
সম্পাদক - শ্ৰীসত্যনাৰায়ণ পাঠৰি
সহ সম্পাদক - শ্ৰীবকুল বৰা, টিপেশ্বৰ গগৈ

১৯৯৬-৯৮ সভাপতি - শ্ৰীবুদ্ধেশ্বৰ বৰা
উপ সভাপতি - শ্ৰীখগেন গগৈ, অৰুণ খাজখোৱা
সম্পাদক - শ্ৰীবকুল বৰা
সহ সম্পাদক - শ্ৰীগবেন গগৈ, শ্ৰীযুতা অম্বিকা শইকীয়া বৰা

১৯৯৮-২০০০ সভাপতি ঃ শ্ৰীখগেন গগৈ
সম্পাদক ঃ শ্ৰীবকুল বৰা

বৰ্ত্তমান দৈয়াং আঞ্চলিক শাখাটি এটি সক্ৰিয় অনুষ্ঠান । দৈয়াং আঞ্চলিকৰ পৰা শ্ৰীবীৰেন বৰা বাপে তিনিটা কাৰ্য্যকাল ধৰি জিলা শাখাৰ সভাপতি হিচাবে কাৰ্য্যনিৰ্বাহ কৰি আহিছে । শ্ৰীসত্য নাৰায়ণ পাঠৰি বাপেও দুটা কাৰ্য্যকালত জিলা শাখাৰ সহকাৰী সম্পাদক হিচাবে সেৱা আগবঢ়াই আহিছে । বৰ্ত্তমান আঞ্চলিক শাখাৰ পৰা প্ৰতিনিধিত্ব কৰা সদস্য কেইগৰাকী হ'ল -

# দৈয়াং আঞ্চলিক শাখা

### গঠন ঃ ১৯৭৮ চন

| | | |
|---|---|---|
| (১) নাৰায়ণ পুৰ প্ৰাথমিক - | গঠন - | ৭১ |
| (২) বিষ্ণুপুৰ প্ৰাথমিক - | গঠন - | ৭৪ |
| (৩) কৃষ্ণপুৰ প্ৰাথমিক - | গঠন - | ৭৪ |

| | |
|---|---|
| (৪) চৰাইমাৰী ন-মাটি প্ৰাথমিক - | গঠন - ৭৫ |
| (৫) বৈষ্ণৱপুৰ প্ৰাথমিক - | গঠন - ৭৫ |
| (৬) আহোম গাঁও অনন্তপুৰ প্ৰাথমিক- | গঠন - ৭৫ |
| (৭) শঙ্কৰজেউতি প্ৰাথমিক - | গঠন - ৭৬ |
| (৮) জয়পুৰ প্ৰাথমিক শাখা - | গঠন - ৭৭ |
| (৯) কাছমাৰী নৱমিলন প্ৰাথমিক | গঠন - ৭৭ |
| (১০) দ্বাৰকাপুৰ প্ৰাথমিক | গঠন - ৭৮ |
| (১১) ৰামপুৰ প্ৰাথমিক - | গঠন - ৭৮ |
| (১২) শুক্লা প্ৰাথমিক - | গঠন - ৮০ |
| (১৩) শঙ্কৰ মাধৱ প্ৰাথমিক - | গঠন - ৮০ |
| (১৪) বনমালি প্ৰাথমিক - | গঠন - ৮৩ |
| (১৫) কাছমাৰী প্ৰাথমিক - | গঠন - ৮৪ |
| (১৬) নৱমিলন প্ৰাথমিক - | গঠন - ৮৭ |
| (১৭) চন্দনপুৰ প্ৰাথমিক - | গঠন - ৮৮ |
| (১৮) মাধৱ মিলন প্ৰাথমিক - | গঠন - ৯২ |
| (১৯) নৱজ্যোতি কৰুণাময় প্ৰাথমিক - | গঠন - ৯৫ |
| (২০) কৃপাময় প্ৰাথমিক - | গঠন - ৯৫ |
| (২১) অৰুণোদয় প্ৰাথমিক - | গঠন - ৯৫ |
| (২২) নৱবৈষ্ণৱ প্ৰাথমিক - | গঠন - ৯৪ |
| (২৩) অযোধ্যাপুৰ প্ৰাথমিক - | গঠন - ৯৪ |
| (২৪) চৰাইমাৰী গকুলপুৰ প্ৰাথমিক - | গঠন - ৮১ |
| (২৫) মাধৱগুৰু প্ৰাথমিক - | গঠন - ৮২ |
| (২৬) গোবিন্দপুৰ প্ৰাথমিক - | গঠন - ৮৮ |
| (২৭) বৰ চাপৰি উদয়পুৰ প্ৰাথমিক | গঠন - ৮৩ |
| (২৮) দয়ালপুৰ প্ৰাথমিক - | গঠন - ৯০ |
| (২৯) অৰুণজ্যোতি প্ৰাথমিক - | গঠন - ৯৪ |
| (৩০) অজামিল প্ৰাথমিক - | গঠন - ৯৮ |
| (৩১) পদ্মপুৰ প্ৰাথমিক - | গঠন - ৯৮ |
| (৩২) পাঞ্চজন্য প্ৰাথমিক - | গঠন - ৯৮ |
| (৩৩) কৃষ্ণপুৰ প্ৰাথমিক - | গঠন - ৯৯ |

# নাৰায়ণপুৰ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭১ চন

১৯৫০ চন । শাওন মাহৰ পূৰ্ণিমা তিথি । হঠাৎ অসমভূমি কঁপি উঠিল । তীব্ৰবপবা ক্ৰমান্বয়ে তীব্ৰতৰ । জীৱ-জন্তু, মানুহৰ হুৱা-দুৱা লাগিল । ফেনেফোটোকাৰে পানী বাঢ়িবলৈ ধৰিলে । মাছ-মগৰ যেনি -তেনি পলাল । সমগ্ৰ গাঁও বাসী বানপানীত প্লাৱিত । নিৰাপদ ঠাই বিচাৰি মানুহবোৰ যেনি তেনি পলাল । ১৯৫০ চনৰ বৰভূঁইকপৰ ফলত অশান্তি গ্ৰস্ত বাইজে শান্তি বিচাৰি সুদূৰ ৰঙামাটি মৌজাৰ গুলুং, মিছিং গাৱঁৰ পৰা আহি দৈয়াং বনাঞ্চলৰ হাবি-বন কাটি নিগাজিকৈ বসতি কৰিবলৈ লয় । সেয়েহে দৈয়াং, গমাৰি গুৰিত অৱস্থিত মিছিং লোকসকলে বসতি কৰা গাঁওখনৰ নাম ৰখা হ'ল 'শান্তিপুৰ' । এই গাৱঁৰ বৰ্ত্তমান গৃহস্থীৰ সংখ্যা দুশ ঘৰ । মাটি কালি প্ৰায় ২ বৰ্গ কিলোমিটাৰ । শতকৰা ৮০ শতাংশ লোকেই কৃষিজীৱী । ইয়াৰ ভিতৰত সৰ্বশ্ৰী সিদ্ধেশ্বৰ পাঠৰি, মাটিৰাম লইং, বৰুৱা বড়ী, চেনিমল মৰাং, বোধেশ্বৰ পাঠৰি, বিতিৰাম বড়ী, ভজেধৰ লইং, শস্যে, মৎস্যে অনুপমা আৰু প্ৰগতিবাদী চিন্তাশীল লোক । পূৰ্বতে গাৱঁৰ সকলোলোকেই নিৰক্ষৰ আছিল । বৰ্ত্তমান সাক্ষৰতা অভিযানৰ ফলত ৯৫ শতাংশ ভাগেই সাক্ষৰতা লাভ কৰিছে । শতকৰা ৬০ ভাগ শিক্ষিত । শ্ৰীবিষ্ণুৰাম বড়ী হোমিঅ' চিকিৎসা আৰু শ্ৰীসোণা পাঠৰিয়ে শৈল চিকিৎসাৰে গাৱঁৰ সৌষ্ঠৱ বঢ়াইছে ।

এখন প্ৰাথমিক বিদ্যালয়, এখন মধ্য ইংৰাজী, বিদ্যালয় আৰু এখন উচ্চ ইংৰাজী বিদ্যালয়ে এই অঞ্চলটোত দিনক-দিনে শিক্ষাৰ পোহৰ বিলাই আহিছে । ইয়াত এটা গাঁও পঞ্চায়ত কাৰ্য্যালয় আছে । প্ৰতি শনিবাৰে এখন বজাৰ বহে । গাঁও বাসীয়ে আধুনিক পদ্ধতিৰে নিৰ্মাণ কৰা তোৰণ ভাগি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ গোলাঘাট জিলা শাখাৰ সদস্য তথা প্ৰচাৰক, দৈয়াং আঞ্চলিকৰ প্ৰাক্তন সভাপতি প্ৰয়াত গান্ধীৰাম লইং বাপৰ নামত তেৰাৰ অমূল্য বৰঙণিৰ বাবে উছৰ্গা কৰিছে । তেখেতে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ মিছিং গাঁও সমূহত নাম ধৰ্ম প্ৰচাৰ কৰাৰ লগতে গোলাঘাট জিলাৰ বিভিন্ন ঠাইতো গুৰু ধৰ্ম প্ৰচাৰ কাৰ্য্যত ব্ৰতী হৈছিল । বৰ্ত্তমান গাৱঁৰ ৮০ শতাংশ ভাগেই নাম ধৰ্মত আশ্ৰয় গ্ৰহণ কৰি পূৰ্বৰ তান্ত্ৰিকতাবাদ পৰিহাৰ কৰি মানৱ ধৰ্মৰ মূল সুঁতিলৈ ঘূৰি আহিছে ।

এই গাৱঁৰ বাসিন্দা প্ৰয়াত নাজৰি পাঠৰি আৰু তুলাৰাম মৰাঙ দুয়ো অতিশয় ধৰ্মপ্ৰাণ লোক আছিল । দিনত কঠোৰ পৰিশ্ৰমৰ অন্তত ৰাতিৰ ভাগত শাস্ত্ৰ অধ্যয়ন কৰি সেইমতে চলিছিল আৰু গাঁৱৰ অন্যান্যলোককো শাস্ত্ৰনুসাৰে আচৰণ কৰিবলৈ পৰামৰ্শ দিছিল । এইদৰে পাঠৰি, মৰাঙ আৰু গান্ধীৰাম লইঙৰ প্ৰচেষ্টাত ১৯৫৯ চনৰ

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

১৫ জানুৱাৰী তাৰিখে আধ্যাত্মিক, পৰমাৰ্থিক তত্ত্বৰ স্থলী, মহাপুৰুষীয়া ধৰ্মৰ ধ্বজাবাহক 'নাৰায়ণ' নামেৰে গাঁওখনৰ মধ্যস্থলীত এভাগি নামঘৰ প্ৰতিষ্ঠা কৰে । মহাপুৰুষীয়া মতা দৰ্শেৰে কিছু বছৰ চলাৰ পিছত গোলাঘাট জিলাৰ সেই সময়ৰ সম্পাদক শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়াদেৱৰ উপস্থিতিত অনুষ্ঠিত হোৱা ধৰ্মালোচনী সভাত নামঘৰৰ নাম নাৰায়ণপুৰ নামঘৰ কৰে । এই নামঘৰকে কেন্দ্ৰ কৰি গঠিত হোৱা প্ৰাথমিক শাখাক 'নাৰায়ণপুৰ প্ৰাথমিক' নামেৰে নামকৰণ কৰা হয় । ১৯৭৪ চনত গোলাঘাট জিলা শাখাৰ অন্তৰ্ভুক্ত হৈ ১৯৭৪ চনৰ ১৫ জানুৱাৰীত মূল সংঘৰ স্বীকৃতি লাভ কৰে । প্ৰাথমিক শাখাৰ গৃহস্থী আছিল ২২ ঘৰ, সংগীৰ সংখ্যা ৫১ জন । প্ৰাথমিক শাখাটি গঠনত প্ৰয়াত শশীকান্ত পাঠৰি আৰু গংগাধৰ বড়ীদেৱৰ বৰঙণিও কম নাছিল । প্ৰাথমিকখনি বিভাজন হোৱাৰ সময়ত গৃহস্থীৰ সংখ্যা ৫০ ঘৰ আৰু সংগীৰ সংখ্যা আছিল ১২২ জন । ইতিমধ্যে এই প্ৰাথমিকৰ পৰা কেইঘৰমান গৃহস্থী ওলাই গৈ 'বৈকুণ্ঠপুৰ' , 'নৱ-বৃন্দাবন' আৰু 'ৰুদ্ৰপুৰ' নামৰ তিনিখন প্ৰাথমিক শাখা গঠন কৰে । প্ৰাথমিক শাখাৰ সংগীসকলে শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ নীতি -আদৰ্শ, সদাচাৰ প্ৰচাৰ-প্ৰসাৰত নিজকে নিয়োগ কৰি আহিছে । শিশু, যুৱ, আইমাতৃ সমাবেশ অনুষ্ঠিত কৰি সমাজৰ সকলো শ্ৰেণীকে গুৰু ধৰ্মত জড়িত কৰিবলৈ প্ৰয়াস কৰিছে । মূল সংঘৰ নিৰ্দেশনামতে সেৱা বাহিনী গঠন কৰিছে । দৈয়াং আঞ্চলিক শাখাৰ অন্তৰ্গত হৈ আঞ্চলিক শাখাতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে ।

**আঞ্চলিক সদস্য, বিষয়ববীয়া ঃ** সৰ্বশ্ৰী চিতানন্দ লইং, বৰুৱা বড়ী, বোধেশ্বৰ পাঠৰি, হুলিৰাম মৰাঙ, সত্যনাৰায়ণ পাঠৰি আৰু প্ৰয়াত গান্ধীৰাম লইং ।

**জিলাৰ বিষয়ববীয়া ঃ** প্ৰয়াত গান্ধীৰাম লইং, - প্ৰচাৰক সদস্য ঃ সত্যনাৰায়ণ পাঠৰি (সহঃসম্পাদক ) ।

মূল প্ৰাথমিক ভাগ কেইবা ভাগতো বিভক্ত হোৱাত বৰ্তমান প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ১০ ঘৰ, সংগী ২৫ গৰাকী ।

**প্ৰয়াত গান্ধীৰাম লইং ঃ** মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ গুৰুজনাৰ একনিষ্ঠ সেৱক, মিচিং সমাজত প্ৰথম মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ কৰোঁতা, গোলাঘাট জিলা শাখাৰ প্ৰচাৰক সদস্য, দৈয়াং, আঞ্চলিক শাখাৰ সভাপতিৰ আসন অলঙ্কৃত কৰা প্ৰয়াত গান্ধীৰাম লইঙৰ জন্ম হয় ১৯১০ চনৰ ২৫ এপ্ৰিলত । গোলাঘাট জিলাৰ ৰঙামাটি মৌজাৰ গুলুং, মিছিং, গাৱঁত । পিতৃৰ নাম আতিৰাম লইং আৰু মাতৃৰ নাম পুৰী লইং । ১২ বছৰলৈকে লিখা-পঢ়া নকৰা ল'ৰাটো নষ্ট হোৱাৰ ভয়ত জাতীয় শ্বহীদ কমলামিৰিয়ে নিজৰ লগত ৰাখি অ, আৰ শিক্ষা দিছিল । কমলামিৰিৰ নামত প্ৰতিষ্ঠা হোৱা উচ্চ বুনিয়াদী বিদ্যালয়তে চতুৰ্থ শ্ৰেণীলৈকে পঢ়ি শিক্ষা জীৱনৰ সামৰণি মাৰে । শিক্ষা জীৱন সাং কৰি পাৰিবাৰিক জীৱন আৰম্ভ কৰাৰ লগে লগে গীতা, ভাগৱত, ঘোষা, কীৰ্তন,

দশম, ৰত্নাৱলী আদি শাস্ত্র অধ্যয়ন কৰি গাঁওবাসীৰ মাজত প্রচাৰ কৰে। গাঁৱঁৰ উপৰিও গোলাঘাট জিলাৰ মিছিং গাঁওসমূহত মহাপুৰুষীয়া ধর্ম প্রচাৰত ব্রতী হয়। মিছিং সমাজত মহাপুৰুষীয়া ধর্মৰ নীতি-সদাচাৰৰ বিষয়ে তেৱেঁই প্রথমে শিক্ষা দি নেগেৰা নাম, টোকাৰী গীত, দিহানাম আদিৰ শিক্ষা দিছিল। তেখেতৰ শাস্ত্র ব্যাখ্যা অতি মনোগ্রাহী আছিল। প্রলয়ংকাৰী বৰ ভুঁইকপত বিধ্বস্ত হৈ দৈয়াং বালাঞ্চলৰ হাবি-বন কাটি, গাঁও পাতি মহা পুৰুষীয়া ধর্মৰ পাতনি মেলে। গোলাঘাট জিলাৰ প্রচাৰক নিযুক্ত হৈ চাউদাং পথাৰ, মেৰাপানী, শোভন গাঁও, তৰানী, মাহি খেলীয়া, মধ্যখিলাধাৰী, গণক পুখুৰী, শিঙৰাজান, মৰঙী, পানীকবা, মজদুৰ পাট, কমাৰ পট্টি, ফৰকাটিং, দেৰগাঁৱঁৰ বিভিন্ন ঠাইত শ্রীমন্ত শংকৰদেৱ সংঘৰ দ্বাৰা প্রচাৰিত এক শৰণ নামধর্মৰ প্রচাৰ কার্যত আত্মোৎসর্গ কৰিছিল। ইয়াৰ উপৰিও অসমৰ বিভিন্ন ঠাইত বিশেষকৈ বৰ লুইতৰ দুয়োপাৰৰ মিছিং গাঁওসমূহত নামধর্মৰ প্রচাৰ কৰে। ১৯৮৯ চনৰ ৮ জানুৱাৰীত তেখেতৰ পৰলোকপ্রাপ্তি হয়। প্রয়াত গান্ধীৰাম লইং বাপ এগৰাকী বহুধা গুণ সম্পন্ন ব্যক্তি, একনিষ্ঠ সেৱক, সংগঠক, প্রচাৰক, তার্কিক, ব্যাখ্যাকাৰ, সুগায়ক আছিল।

**১৯৭১ চনৰ পৰা বৰ্ত্তমানলৈকে সভাপতি-সম্পাদকসকল ঃ**

সভাপতি ঃ সর্বশ্রী গুণন্দ বড়ী, জয়গুৰাম লইং, বৰুৱা বড়ী, হুজিৰাম মৰাঙ, এলাগি দাও, মতিলাল লইং, চিনাৰাম লইং, সত্যনাৰায়ণ পাঠৰি, বলীন্দ্র পাঠৰি।

সম্পাদক ঃ প্রয়াত চক্রেশ্বৰ পাঠৰি, সর্বশ্রী মুলাই বড়ী, সৰুচন লইং, বোধেশ্বৰ পাঠৰি, সত্যনাৰায়ণ পাঠৰি, বাবুকান্ত বড়ী, চিতাই পাঠৰি, দ্রোণ বড়ী, কণেকেশ্বৰ লইং।

বৰ্ত্তমান সভাপতিৰ দায়িত্বত শ্রীবলীন্দ্র পাঠৰি আৰু সম্পাদকৰ দায়িত্বত আছে শ্রীকণেকেশ্বৰ লইং।

# বিষ্ণুপুৰ প্ৰাথমিক শাখা (দৈয়াং আঞ্চলিক)

## গঠন ঃ ১৯৭৪ চন

গোলাঘাট জিলাৰ দক্ষিণ পূবে নগা পাহাৰৰ সীমান্তৱৰ্ত্তী ভৈয়াম অঞ্চলতে দৈয়াং বনাঞ্চল। চাউদাং পথাৰ গাঁওখনি এই বনাঞ্চলৰে অন্তর্ভুক্ত। ১৯০৫ চনৰ পূর্বে বালিজান চাউদাং চাৰি আলিৰ পৰা আহি কেইঘৰমান মানুহ এই অঞ্চলত বাস কৰিছিল বাবে এই ঠাইৰ নাম চাউদাং পথাৰ বুলি জনাজাত হয়। এই ঠাইত পুৰণি কলিয়া ভাঙৰ পুখুৰী, শিলৰ মূর্ত্তি আদি ভগ্নাশেষ আছে। এই বিলাক কাৰণতে বহুতে এই ঠাইত কছাৰী জনজাতি লোকৰ বাসস্থান আছিল বুলি অনুমান কৰে। চাউদাং পথাৰ গাঁৱৰ মাটি কালি ১৮০০ বিঘা আৰু জনসংখ্যা প্ৰায় ১৫৪৫০ জন।

এই গাঁওৰ পূর্বে মেৰাপানী গাঁও পঞ্চায়ত, কৃষি শ্ৰমি গাঁও আৰু মেৰা নৈ।

পশ্চিমে কাছমাৰী ৰতনপুৰ গাঁও আৰু চৰাইমাৰী । উত্তৰে ৰতনপুৰ গাঁও পঞ্চায়ত আৰু আদৰ্শ গমাৰি গাঁও । দক্ষিণে কাছমাৰী গাঁও পঞ্চায়ত । এই গাঁৱৰ গুণ সম্পন্ন ব্যক্তিসকল হ'ল শ্ৰীবাপুকণ বৰা, গাঁওবুঢ়া । শ্ৰীমাণিক ঠেঙাল আৰু শ্ৰীসিদ্ধেশ্বৰ বৰা । তদুপৰি সৰ্বশ্ৰী শৰৎ বৰা, নিৰ্ম্মল বৰা, দুলেশ্বৰ বৰা আৰু বুদ্ধেশ্বৰ বৰাৰ নাম সুঁৱৰিব পাৰি ।

১৯৭৪ চনত শ্ৰীৰঙাই বৰা । শ্ৰীজোণাৰাম হাজৰিকা, ভূবন গঁগে আৰু মনুৰাম ফুকনৰ নেতৃত্বত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শৰে এখন প্ৰাথমিক গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হয় । এই সম্পৰ্কত এখন ৰাজহুৱা সভা বহে । সভাত সভাপতিত্ব কৰে শ্ৰীজোনাৰাম হাজৰিকাই । এই সভাতে নামঘৰ সাজিবৰ কাৰণে শ্ৰীমাণিক শইকীয়াই অস্থায়ী ভাৱে ১ বিঘা মাটি দান দিয়ে । ১৯৭৪ চনতে বিষ্ণুপুৰ প্ৰাথমিক নামে এই প্ৰাথমিক গঠন হয় । প্ৰথমে দক্ষিণ আঞ্চলিকৰ অন্তৰ্ভুক্ত হয় । পাচত দৈয়াং আঞ্চলিক গঠন হোৱাত সেই আঞ্চলিকৰ অন্তৰ্ভুক্ত হয় । এই প্ৰাথমিকৰ স্থায়ী নামঘৰ স্বৰ্গীয় বজ্ৰেশ্বৰ বৰাৰ পত্নীয়ে দান কৰা মাটিত প্ৰতিষ্ঠা কৰা হয় । এই প্ৰাথমিকৰ প্ৰথম সভাপতি শ্ৰীমাণিক বৰা আৰু সম্পাদক শ্ৰীমনুৰাম ফুকন ।

এই প্ৰাথমিকৰ গৃহস্থী সংখ্যা ৩৫ ঘৰ আৰু সঙ্গীৰ সংখ্যা ১৮২ জন । প্ৰচাৰ আৰু প্ৰসাৰৰ দিশত প্ৰাথমিকে ধৰ্ম্মালোচনী সভা, ভাগৱত পাঠ, গুৰু জয়ন্তী পালন আদি অনুষ্ঠান পাতে । এই প্ৰাথমিকৰ শাখাতে সভাপতি - সম্পাদক সন্মিলন আৰু আঞ্চলিক শাখাৰ অধিবেশন অনুষ্ঠিত হয় । বৰ্ত্তমান সভাপতি শ্ৰীপদ্মেশ্বৰ গঁগে আৰু সম্পাদক শ্ৰীকিৰণ বৰা ।

# কৃষ্ণপুৰ আদৰ্শ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৪ চন

১৯৭০ চনত তিতাবৰ, বাৰিচোৱা, ইকৰাণী, ফৰকাটিং, বৰহোলা, গজপা আদিৰ বিভিন্ন ঠাইৰপৰা লোক আহি বসতি কৰিবৰ লৈ লোৱাত প্ৰায় ৩৬৫ ঘৰ গৃহস্থীয়ে, ১৭০০ জনসংখ্যাৰে জন্ম দিলে আদৰ্শ গাঁও । বৰ্ত্তমান অসম চৰকাৰে এই গাঁওখনক মডেল গাঁও কৰাৰ আঁচনি হাতত লৈছে । গাঁৱৰ চাৰিসীমা হ'ল - পূবে মকবৰ চাপৰি, পশ্চিমে মেৰাপানী ৰাস্তা, উত্তৰে ঘিলাধাৰী আৰু দক্ষিণে গমাৰী গুৰি ।

এই অঞ্চলত ফৰকাটিং, গুৱাল গাঁও নিবাসী প্ৰয়াত বেথাৰাম শইকীয়া বাপৰ পৰা একশৰণ হৰিনাম ধৰ্মৰ তথা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰভাৱ পৰে । নামঘৰত কীৰ্ত্তন,ভাগৱত, ঘোষা পাঠৰ জৰিয়তে ধৰ্মপ্ৰাণ ৰাইজক একশৰণৰ দিশত ধাৱিত কৰিছিল । এইদৰে মহাপুৰুষীয়া ধৰ্ম তথা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি - আদৰ্শত মোহিত হৈ প্ৰয়াত বেথাৰাম শইকীয়াদেৱৰ সভাপতিত্বত বহা আলোচনী সভাতেই

এভাগি প্ৰাথমিক গঠনৰ সিদ্ধান্ত কৰে। প্ৰাথমিকৰ নামঘৰৰ বাবে মাটি দান দিয়ে বৈষ্ণৱ প্ৰাণ ব্যক্তি প্ৰয়াত লক্ষীৰাম শইকীয়াদেৱে। এইদৰে ১৯৭৪ চনৰ ৬ মে তাৰিখে গুৰু ধৰ্ম পালন, প্ৰচাৰ, প্ৰসাৰৰ উদ্দেশ্য সাৰোগত কৰি 'কৃষ্ণপুৰ আদৰ্শ প্ৰাথমিক' শাখা নামকৰণেৰে জন্ম হ'ল গোলাঘাট জিলা শাখাৰ এভাগি প্ৰাথমিক। জন্ম লগ্নতে প্ৰাথমিক শাখাৰ গুৰি ধৰে ক্ৰমে প্ৰয়াত লক্ষীৰাম হাজৰিকা আৰু শ্ৰীজীৱেশ্বৰ ৰাজবংশী বাপদ্বয়ে।

**১৯৭৪ চনৰপৰা বৰ্ত্তমানলৈকে সভাপতি আৰু সম্পাদকসকল হৈছে ঃ**

সভাপতি - সৰ্বশ্ৰী ধৰণী ৰাজবংশী, চন্দ্ৰকান্ত বৰা আৰু মুহিৰাম শইকীয়া।

সম্পাদক - সৰ্বশ্ৰী কেশৰাম বৰা, মোহন বৰা, বুবুল শইকীয়া আৰু চন্দ্ৰকান্ত বৰা।

# চৰাইমাৰী ন-মাটি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৫ চন

গোলাঘাট জিলাৰ অসম, নগালেণ্ড সীমান্ত অঞ্চল একালৰ দৈয়াং বনাঞ্চল আৰু বৰ্ত্তমান দৈয়াং জনাঞ্চল। এই দৈয়াং অঞ্চলৰ পশ্চিম সীমাত দৈয়াং নৈৰ কাষৰীয়া প্ৰায় পাঁচ বৰ্গ কিলোমিটাৰৰ এটা এলেকাৰ নাম চৰাইমাৰী। এসময়ত বিভিন্ন বনৰীয়া জীৱ-জন্তু আৰু চৰাই আদিৰে ভৰপূৰ এই চৰাইমাৰী অঞ্চলত বিভিন্ন ঠাইৰ পৰা চৰাই চিকাৰৰ বাবে মানুহ অহাৰ বাবেই এই অঞ্চলৰ নাম চৰাইমাৰী হয়।

১৯৭০-৭১ চনৰ পৰাই এই চৰাইমাৰী অঞ্চলত অবিভক্ত শিৱসাগৰ জিলাৰ বিভিন্ন ঠাইৰ পৰা ভিন ভিন সম্প্ৰদায়ৰ লোক আহি বস-বাস কৰিবলৈ আৰম্ভ কৰে। প্ৰায় ৩০০০ জনবসতি পূৰ্ণ চৰাইমাৰীত দুখন মধ্য ইংৰাজী বিদ্যালয়, এখন উচ্চ ইংৰাজী বিদ্যালয় আৰু ৮-৯ খন প্ৰাথমিক বিদ্যালয় এই অঞ্চলৰ কেইজন মান স্বনামধন্য ব্যক্তিৰ অশেষ কষ্টৰ অন্তত গঢ় লৈ উঠিছে। এইক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰা ব্যক্তিসকল হৈছে প্ৰয়াত খৰেশ্বৰ গগৈ সৰ্বশ্ৰী গকুল বৰা, ভোগেশ্বৰ শইকীয়া, সোণেশ্বৰ বৰা (প্ৰাক্তন মন্ত্ৰী), ভীমকান্ত গগৈ, কৃষ্ণ বৰা, সুৰেশ বৰা, টিপুৰাম বৰা, ফণীধৰ গগৈ, ধীৰেন ৰাজবংশী, পূৰ্ণানন্দ বৰা আদি। ১৯৯৭ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত শ্ৰীমান মৃদুল চুতীয়াই প্ৰথম বিভাগত উত্তীৰ্ণ হৈ নিজৰ তথা এই অঞ্চলৰ গৌৰৱ আনিছে।

গুৰুজনাৰ আদৰ্শ তথা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰতি আগ্ৰহী লোকৰো এই অঞ্চললৈ আগমন হৈছিল। সেইসকলৰ ভিতৰত লাহিং অঞ্চলৰ সৰ্বশ্ৰী ডিম্বেশ্বৰ চুতীয়া, কুমেশ্বৰ ৰাজবংশীৰ ভাতৃদ্বয়, ভোগেশ্বৰ শইকীয়া, অমল ৰাজবংশী প্ৰয়াত ধীৰেন ৰাজবংশীয়েই প্ৰধান। এইসকলৰ চেষ্টাতে ১৯৭৫ চনত শ্ৰীকুমেশ্বৰ ৰাজবংশীক সভাপতি আৰু শ্ৰীধৰ্মেশ্বৰ ৰাজবংশীক সম্পাদক হিচাবেলৈ এখনি প্ৰাথমিক শাখা সংঘ স্থাপন কৰা হয়। প্ৰয়াত বিপিন বৰা, সৰ্বশ্ৰী লীলা বৰা, হেম বাৰৈ, সোণাৰাম বৰুৱা

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

আদি ব্যক্তিসকলৰ চেষ্টাত প্ৰাথমিকখনে সৱল হৈ আত্মপ্ৰকাশ কৰে । কৰ্মবীৰ প্ৰয়াত ঋষেশ্বৰ দলৈ বাপৰ দ্বাৰা শৰণ গ্ৰহণ কৰোৱা হয় । দিন বাগৰাৰ লগে লগে কৰ্মকাণ্ডীয় লোকসকলৰ দ্বাৰা সংঘৰ লোকসকল নিজৰ নীতি ৰক্ষাৰ ক্ষেত্ৰত বিভিন্ন সময়ত ভিন ভিন প্ৰকাৰে নিৰ্য্যাতিত হ'ব লগা হৈছিল । বিপৰ্য্যৰ সময়তো সংগীসকলে ধৈৰ্য্য নেহেৰুৱাই একতাৰ ডোলেৰে বান্ধ খাই থাকি প্ৰাথমিকখনিৰ উন্নতিৰ কাৰণে দেহে-কেহে খাটি ১২ ঘৰ গৃহস্থীৰ পৰা ৪৫ ঘৰলৈ বৃদ্ধি কৰে । এই ক্ষেত্ৰত প্ৰয়াত বিপিন বৰাৰ বৰঙণি উল্লেখযোগ্য । গুৰুজনাৰ ধৰ্ম-সংস্কৃতি পালনৰ বাবে এভাগি নামঘৰো স্থায়ীভাৱে প্ৰাথমিক ভিত্তিত স্থাপন কৰে । প্ৰাথমিক শাখাৰ প্ৰতি সংগীয়েই প্ৰয়াত বিপিন বৰাৰ বৰঙণি শ্ৰদ্ধাৰে আজিও স্মৰণ কৰে ।

সাংগঠনিক ভেটি সৱল কৰাৰ বাবে এই প্ৰাথমিকৰ পৰাই (১) দৈয়াং কাচমাৰী, (২) দ্বাৰকাপুৰ আৰু (৩) গোবিন্দায় নামৰ তিনিখন প্ৰাথমিকৰ জন্ম হয় । সাংগঠনিক দিশৰ পৰা তিনিখনকৈ নতুন প্ৰাথমিকৰ জন্ম দিয়াৰ গৌৰৱ ডাঙৰৰ মুখৰ ব'দৰ দৰেই নিশ্চয় এই চৰাইমাৰী ন-মাটি প্ৰাথমিকৰে । ইয়াৰোপৰি এই প্ৰাথমিকৰ একক প্ৰচেষ্টাতেই স্থানীয় মোছৰ ভঞ্জী গাঁও, জিংপুৰ আৰু মিলনপুৰ গাঁৱৰ ১৫ ঘৰ গৃহস্থীকলৈ গোবিন্দপুৰ নামেৰে এখন প্ৰাথমিক গঠন কৰি দিয়ে । চাহ-জনজাতিসকলৰ মাজতো প্ৰচাৰ কাৰ্য্য চলাই প্ৰাথমিক গঠনৰ চেষ্টা চলাই থকা হৈছে ।

সাহিত্য-সংস্কৃতিৰ চৰ্চাৰ ক্ষেত্ৰত শঙ্কৰী সংস্কৃতিৰ গীত-বাদ্য-নৃত্যৰ প্ৰশিক্ষণ কাৰ্য্যসূচী হাতত লৈছে । এটি গণিকাৰ জোৰা প্ৰস্তুত হৈছে । শিশু যুৱ আৰু আই মাতৃ সমাৰোহ অনুষ্ঠিত কৰি গীত-নৃত্য বাদ্যৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰি শঙ্কৰী সংস্কৃতিৰ চৰ্চাৰ ক্ষেত্ৰ তৈয়াৰ কৰিছে । উন্নত মানৰ গুৰু আসন তৈয়াৰ কৰাৰ ক্ষেত্ৰত শ্ৰীভবেন বৰাৰ শিল্পীসত্তা সৰ্বজন স্বীকৃত । দৈয়াং, আঞ্চলিকৰ সহযোগত সাংস্কৃতিক কৰ্মশালা অনুষ্ঠিত কৰিছে । কেইবাবাৰো বিভিন্ন সাংগঠনিক সভা আৰু আঞ্চলিক অধিবেশন প্ৰাথমিক শাখাই অনুষ্ঠিত কৰিছে ।

বৰ্ত্তমান ২২ ঘৰ গৃহস্থীৰে সকলো দিশতে আত্মনিৰ্ভৰশীলভাৱে প্ৰাথমিকখন চলি আছে । গুৰুজনাৰ আদৰ্শ তথা শ্ৰীমন্ত শঙ্কৰ দেৱ সংঘৰ নীতি আদৰ্শ সততে কঠোৰভাৱে পালন কৰি প্ৰাথমিক শাখাৰ সংগীসকলে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গৌৰৱ ধ্বজা বহন কৰি আহিছে ।

**আৰম্ভণিৰপৰা বৰ্ত্তমানলৈকে সভাপতি, সম্পাদকসকল ঃ**

সভাপতি ঃ সৰ্বশ্ৰী কুষেশ্বৰ ৰাজবংশী, ডিম্বেশ্বৰ চুতীয়া, ভোগেশ্বৰ শইকীয়া, থানেশ্বৰ বৰা, অমল ৰাজবংশী, মতিৰাম ফুকন, সুখ হাজৰিকা, নন্দেশ্বৰ বৰা, ধীৰেন ৰাজবংশী, (বৰ্ত্তমান) ।

সম্পাদক ঃ সৰ্বশ্ৰী ধৰ্মেশ্বৰ ৰাজবংশী, চন্দ্ৰ ৰাজবংশী, তিলেশ্বৰ বৰুৱা, ধীৰেন ৰাজবংশী, বিপিন বৰা আৰু গকুল বৰা । (বৰ্ত্তমান )

# বৈষ্ণৱপুৰ প্ৰাথমিক

## গঠন ঃ ১৯৭৫ চন

গোলাঘাট মহকুমাৰ অন্তৰ্গত তথাপি বনাঞ্চলৰ মধ্যস্থলত অৱস্থিত বিশ্ৰামপুৰ এখনি সৰু গাঁও । এই বনাঞ্চলতেই নানা ঠাইৰ পৰা আহি লোকসকলে বসতি কৰিবলৈ লয় । ভূমিহীন আৰু অৱস্থাহীন হৈ অনেক আলৈ-আহুকাল সহ্য কৰি ইয়াতে তেওঁসকলে এমুঠি আহাৰ আৰু এখনি বস্তুৰ সংস্থাপন কৰিবৰ পাৰি সঁকাহ পোৱাৰ কাৰণে কালক্ৰমত ঠাইডোখৰৰ নাম ৰখা হয় বিশ্ৰামপুৰ । বৰ্তমানলৈকে গাঁওখনৰ মুঠ জনসংখ্যা দুশ পঞ্চাশ জন । গৃহস্থীৰ ঘৰ পঞ্চাশ । বাসিন্দাসকল ধৰ্মপ্ৰাণ আৰু কষ্ট সহিষ্ণু । এই গাৱঁৰে অধিবাসী শ্ৰীটেপুৰাম চাংমাই, আদিৰাম চাংমাই আৰু প্ৰিয়ৰাম চাংমাই বাপ সকলৰ অনুপ্ৰেৰণাত ১৯৭৫ চনত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এটি প্ৰাথমিক গোট গঠন কৰা হয় । সেই প্ৰাথমিক শাখাৰ নাম ৰখা হয় - বৈষ্ণৱপুৰ । প্ৰাথমিক শাখাটি গঠন কৰা সময়ত গৃহস্থীৰ সংখ্যা আছিল দহঘৰ আৰু সঙ্গীৰ সংখ্যা আছিল ২৫ গৰাকী । বৰ্তমান ১৫ ঘৰ গৃহস্থীলৈ বৃদ্ধি কৰিছে ।

গাঁওখনত দুটা নামঘৰ, এখন ছোৱালী মধ্য ইংৰাজী বিদ্যালয়, গুৰু সংঘ এটা, এল,পি স্কুল দুখন আছে । পঞ্চায়ত কাৰ্য্যালয়ে গাঁওখনৰ আৰু শোভা বৰ্দ্ধন কৰিছে ।

তলত উল্লেখ কৰা বাপসকলে প্ৰাথমিক শাখা গঠনৰ দিনৰপৰা কাৰ্য্যনিৰ্বাহ কৰি আছে ।

১৯৭৫-৮৫

সভাপতি - শ্ৰীটেপুৰাম চাংমাই

সম্পাদক - শ্ৰীপ্ৰিয়ৰাম চাংমাই ।

১৯৮৫-৮৯

সভাপতি - শ্ৰীনিত্যানন্দ ৰাজবংশী ।

সম্পাদক - শ্ৰীনোমল গঁগৈ ।

১৯৮৯ - ৯১

সভাপতি - শ্ৰীধনীৰাম বৰা

সম্পাদক - শ্ৰীযোগল চাংমাই

১৯৯১-৯৩

সভাপতি - শ্ৰীজীৱ বৰা

সম্পাদক - শ্ৰীযোগল চাংমাই

১৯৯৩-৯৫

সভাপতি - শ্ৰীধনীৰাম বৰা

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

সম্পাদক- শ্ৰীবোধেশ্বৰ গগৈ

১৯৯৫-৯৮

সভাপতি - শ্ৰীযোগল চাংমাই

সম্পাদক - শ্ৰীবোধেশ্বৰ গগৈ ।

১৯৯৮-৯৯

সভাপতি - শ্ৰীধনীৰাম বৰা

সম্পাদক - নীৰেন গগৈ ।

আঞ্চলিক সদস্য - শ্ৰীটংক বৰা

শ্ৰীবোধশ্বেৰ গগৈ ।

# আহোম গাঁও অনন্তপুৰ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৫ চন

ঘিলাধাৰী মৌজাত আহোম গাঁও নামে এখন গাঁও আছে । এই গাঁওৰ বাসিন্দা সকলৰ সৰহ সংখ্যক আহোম সম্প্ৰদায়ৰ হোৱা বাবে গাঁওখনক আহোম গাঁও বোলা হয় । এই গাঁৱৰ উত্তৰে বাৰে ঘৰীয়া মিচিং গাঁও, দক্ষিণে কৈৱৰ্ত্ত গাঁও । পূবে তিৰোৱাল গাঁও আৰু পশ্চিমে গমাৰীগুৰি গাঁও । জনসংখ্যা ২৬০ জন । শিক্ষিত লোকৰ সংখ্যা নিচেই কম । ইয়াত এখন প্ৰাথমিক বিদ্যালয়, দুটা নামঘৰ, এটা যুৱক সংঘৰ কাৰ্য্যালয় আৰু এটা হস্ত তাঁত শিল্প উদ্যোগৰ কাৰ্য্যালয় আছে ।

১৯৭৫ চনত শ্ৰীমন্ত শঙ্কৰ দেৱ সংঘৰ প্ৰভাৱত এই গাঁওৰ লোকসকলে এখন প্ৰাথমিক গঠন কৰে । ১৩ ঘৰ গৃহস্থী আৰু ২৫ জন সঙ্গীৰে অনন্তপুৰ প্ৰাথমিক শাখা নামেৰে ৩০-৯-৭৭ তাৰিখে (৫২৮ শঙ্কৰাব্দত) গোলাঘাট জিলা শাখাৰ অন্তৰ্ভুক্ত হয় । শ্ৰী সোণাৰাম গগৈ আৰু শ্ৰীনোমল চন্দ্ৰ বৰা বাপে যথাক্ৰমে সভাপতি আৰু সম্পাদক হিচাবে প্ৰাথমিকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰে ।

দৈয়াং আঞ্চলিক শাখা গঠন হোৱাৰ পাচত এই প্ৰাথমিকখনি আঞ্চলিক অন্তভূক্ত হয় । শ্ৰীখগেন গগৈ বাপ এই প্ৰাথমিকৰপৰা আঞ্চলিকৰ উপ-সভাপতি হয় । শ্ৰীসোণাৰাম গগৈ বাপ আৰু শ্ৰীথিৰেশ্বৰ শইকীয়া বাপ জিলা শাখাৰ সদস্য হৈ কাৰ্য নিৰ্ব্বাহ কৰিছিল । বৰ্ত্তমান গৃহস্থী সংখ্যা ১৪ ঘৰ আৰু সঙ্গী সংখ্যা ৪০ গৰাকী । শ্ৰীসোণাৰাম গগৈ, শ্ৰীনোমল বৰা, শ্ৰীচেনীৰাম গগৈ, শ্ৰীপ্ৰেমধৰ শইকীয়া বাপে আৰম্ভণিৰ পৰা বৰ্ত্তমানলৈ সভাপতি, শ্ৰীধৰ্ম্মেশ্বৰ গগৈ, শ্ৰীপ্ৰেমধৰ শইকীয়া, শ্ৰীটিংকুমণি গগৈ প্ৰাথমিকৰ সম্পাদক হয় ।

বৰ্ত্তমান সভাপতি শ্ৰীপ্ৰেমধৰ শইকীয়া আৰু সম্পাদক শ্ৰীটিংকুমণি গগৈ । প্ৰাথমিকৰ আৰ্থ- সামাজিক দিশ টনকিয়াল আৰু প্ৰচাৰ প্ৰসাৰ সন্তোষজনক ।

# শঙ্কৰ জেউতি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৬ চন

গমাৰি গুৰি দৈয়াং বনাঞ্চলৰ এখন গাঁও । ১৯৫১-৫২ চনত অসমৰ বিভিন্ন ঠাইৰ পৰা ভূমিহীন লোকসকল আহি যি অঞ্চলত বাস কৰিছিল তাত এজোপা প্ৰকাণ্ড গমাৰী গছ আছিল, সেইবাবে এই গাঁৱৰ নাম গমাৰিগুৰি বনগাঁও । এই গাঁওখন ৪ বৰ্গ মাইল । ইয়াত এক দুই কৰি ৬টা ভাগ আছিল । প্ৰতি ভাগক ১ নং, ২ নং গমাৰী গুৰি নাম দিয়া হয় । এনে এখন গাঁও ৪ নং গমাৰী গুৰি গাঁও । ১৯৭২ চনত এই গাঁৱৰ ৭ ঘৰ গৃহস্থীয়ে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ অন্তৰ্ভুক্ত এঘৰ সঙ্গী গৃহস্থীৰ ঘৰত এটা সংস্কাৰ সেৱা কৰ্ম্মত যোগ দিয়াত গাঁৱৰ অন্যলোক সকলে তেওঁ লোকক প্ৰায়শ্চিত্তৰ বিধান দিয়ে । সঙ্গী গৃহস্থী ঘৰৰ পুৰণা ঠাই ঘিলাধাৰী বেবেজিয়া গাঁৱত আছিল । তেখেতৰ গৃহত নাম প্ৰসঙ্গত যোগ দিয়া বাবে ৭ ঘৰ গৃহস্থী সমাজ চ্যুৎ হ'ব লগা হোৱাত পুৰণা নীতি ত্যাগ কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ অন্তৰ্ভুক্ত হ'বলৈ সিদ্ধান্ত কৰে । তাৰ ফলস্বৰূপে ১৯৭৬ চনত ১৬ ঘৰ গৃহস্থীয়ে ৪-৫ নং গমাৰিগুৰি গাঁৱত । শঙ্কৰ জেউতি প্ৰাথমিক শাখা নামে এখন প্ৰাথমিক গঠন কৰে । এই প্ৰাথমিক গঠনত শ্ৰীকেশৱ বাজখোৱা, শ্ৰীসোণাৰাম গগৈ আৰু শ্ৰীখিৰেশ্বৰ শইকীয়াৰ অবদান উল্লেখনীয় ।

এই প্ৰাথমিকৰ পৰা শ্ৰীখিৰেশ্বৰ শইকীয়া আৰু বৰ্ত্তমান জিলা শাখাৰ সভাপতি শ্ৰীবীৰেন বৰা বাপ দৈয়াং আঞ্চলিকলৈ নিৰ্ব্বাচিত হয় । শ্ৰীবীৰেণ বৰা বাপ আঞ্চলিক শাখাৰ সভাপতি হয় । তেখেত ১৯৯৩ চনৰপৰা ১৯৯৭ চনলৈ দুটা কাৰ্য্যকালৰ কাৰণে দৈয়াং আঞ্চলিকৰ সভাপতি হয় । তেখেতৰ দেউতাক শ্ৰীফটিক বৰা এগৰাকী নামাচাৰ্য্য আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰধান সঙ্গী । এই প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ২৪ ঘৰ আৰু ৪০ ঘৰৰ ওপৰত প্ৰায় বিলাক সঙ্গীয়েই ভজনীয়া লোক । সঙ্গীসকলৰ সৰহ ভাগেই কৃষি-জীৱী আৰু আৰ্থিক অৱস্থা ভাল । শিক্ষাৰ দিশতো প্ৰায় বিলাকেই আগবঢ়া ।

১৯৭৬ চনৰপৰা ১৯৮৭ চনলৈ স্বৰ্গীয় ভজু বৰাই সম্পাদক হিচাবে সুখ্যাতিৰে প্ৰাথমিকখনি পৰিচালনা কৰিছিল । ১৯৮৯ চনৰপৰা বৰ্ত্তমানলৈ শ্ৰীসোণেশ্বৰ বৰা বাপে সম্পাদক হিচাবে কাৰ্য্যনিৰ্ব্বাহ কৰি আছে । বৰ্ত্তমান সভাপতি শ্ৰীপেপাৰাম হাজৰিকা আৰু সম্পাদক শ্ৰীসোণেশ্বৰ বৰা ।

প্ৰাথমিকৰ এটি আহল-বহল নামঘৰ আছে । প্ৰতি বৃহস্পতিবাৰে গধূলি পাঠ আৰু ধৰ্ম্মালোচনা হয় । দেওবাৰে আইসকলে দিনত পাঠ আৰু ধৰ্ম্মালোচনা কৰে ।

প্ৰতি ভাদ মাহত গধূলি নাম-প্ৰসঙ্গ , পাঠ নিয়মীয়াকৈ হয় ।

এই প্ৰাথমিকৰ প্ৰতিষ্ঠাপক সম্পাদক স্বৰ্গীয় ভজু বৰা এজন নিষ্ঠাবান সঙ্গী আছিল । তেখেতে বহুতো সংঘাটিত মাজেদি প্ৰাথমিকখন পৰিচালনা কৰি আগবঢ়াই নিছিল । ১৯৮৭ চনত তেখেত ৫০ বছৰ বয়সতে অকালতে বৈকুণ্ঠী হ'ল । তেখেতৰ কনিষ্ঠ পুত্ৰ শ্ৰীসোণেশ্বৰ বৰাই বৰ্ত্তমান ১৯৮৭ চনৰ পৰা সম্পাদক হিচাবে প্ৰাথমিক খনিৰ কাৰ্য্যনিৰ্ব্বাহক কৰি আছে ।

বিশিষ্ট সঙ্গীসকলৰ ভিতৰত বৰ্ত্তমান জিলা শাখাৰ সভাপতি শ্ৰীবীৰেন বৰা বাপ, তেখেত দৈয়াং উচ্চ মাধ্যমিক বিদ্যালয়ৰ এজন শিক্ষক আৰু অঞ্চলৰ অগ্ৰগণী ব্যক্তি ।

# জয়পুৰ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৯ চন

গোলাঘাট জিলাৰ সদৰ, গোলাঘাট নগৰৰ দক্ষিণে প্ৰায় ২৮ কিলোমিটাৰ দূৰত্বত চাউদাং পথাৰ গাঁও অৱস্থিত । বৃটিছ চৰকাৰৰ দিনত ১৯০৫ চনতেই এই 'বন গাঁও' খন স্থাপন কৰা হৈছিল । গাঁওখনৰ নাম কেনেকৈ 'চাউদাং পথাৰ' হ'ল তাৰ কোনো প্ৰাথমিক তথ্য পোৱা নাযায়, যদিও অঞ্চলটোৰ বাসিন্দাসকলৰ মাজত কেইবাটাও জনশ্ৰুতিৰ প্ৰচলন আছে । প্ৰথমটো জনজাতি মতে বৃটিছ চৰকাৰে গাঁওখন স্থাপন কৰাৰ সময়ত কেইঘৰমান চাউদাং মানুহ থকাৰ বাবেই গাঁওখনৰ নাম 'চাউদাং পথাৰ' দিয়ে । অন্য এক জনশ্ৰুতিৰ মতে চাউদাং পথাৰ গাঁওৰ পূৰণি বাসিন্দাসকলে, বৰ্ত্তমান উঁৰা গৰুভাৰ ওচৰৰ পৰা আহি এই অঞ্চলত বসতি স্থাপন কৰাৰ পৰাই গাঁওখনৰ নাম 'চাউদাং পথাৰ' হ'ল । আৰৌ আন এক জনশ্ৰুতি হ'ল যে এজন বৃটিছ চাহাবে চিকাৰ কৰিবলৈ আহোঁতে এই অঞ্চলটো চাই এখন উদং পথাৰ দেখিলে । সেয়ে অঞ্চলটোৰ নাম 'চাই উদং পথাৰ' কালক্ৰমত 'চাউদাং পথাৰ' হ'ল ।

অতিজৰেপৰা বিভিন্ন ঠাইৰ মানুহ আহি বসতি স্থাপন কৰাৰ ফলত, লগতে পূৰণি বাসিন্দা সকলৰো সতি-সন্ততি বৃদ্ধি হৈ গৈ থকা ফলস্বৰূপে গাঁওখনৰ পৰিসীমাও বৰ্দ্ধিত হৈ গৈ আছে ।

বৰ্ত্তমান প্ৰায় সাত হেজাৰ জনসংখ্যাৰে চাউদাং পথাৰ এখন বৃহৎ গাঁও । ৮ খন প্ৰাথমিক বিদ্যালয়, ৪ খন মধ্য ইংৰাজী বিদ্যালয় আৰু এখন উচ্চ মাধ্যমিক বিদ্যালয়ে গাঁওখনৰ শিক্ষাৰ ক্ষেত্ৰত অবিহণা যোগাই আহিছে । গাঁওখনত প্ৰগতি সংঘ, বস্তি যুৱক সংঘ, মুক্তি যুৱক সংঘ আদি কেইবাটাও স্বেচ্ছাসেৱী সংগঠন আছে । বিশেষকৈ কলা-সংস্কৃতিৰ অনুষ্ঠান চাউদাং পথাৰ কলাক্ষেত্ৰই কলা-সংস্কৃতিৰ চৰ্চাৰ ক্ষেত্ৰত সমগ্ৰ অঞ্চলটোতে বিশেষ সু-নাম অৰ্জন কৰিবলৈ সক্ষম হৈছে । এই গাঁৱৰ তথা 'জয়পুৰ'

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীনন্দ বৰাই বৰ্ত্তমান গোলাঘাট বাণিজ্য বিদ্যালয়ৰ অধ্যক্ষৰ আসন অলংকৃত কৰি অঞ্চলটোলৈ গৌৰৱ বহন কৰি আনিছে।

এই 'চাউদাং পথাৰ' গাঁৱৰ বুকুতেই অৱস্থিত 'শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ 'জয়পুৰ' প্ৰাথমিক শাখাৰ নামঘৰ । নামঘৰটি স্থাপনৰ ক্ষেত্ৰত কেইগৰাকীমান সঙ্গী বাপৰ কথা বিশেষ ভাৱে উল্লেখ কৰিব লাগিব ।

মহাপুৰুষৰ একান্ত সেৱক শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ একনিষ্ঠ সঙ্গী শ্ৰীতিপাই বৰা দেৱৰ মাটিত 'জয়পুৰ প্ৰাথমিক শাখাৰ' নামঘৰ প্ৰতিষ্ঠাৰ কামত দেহে-কেহে আত্ম নিয়োগ কৰা ব্যক্তিসকল হ'ল প্ৰয়াত লোকেশ্বৰ বৰা, সৰ্ব্বশ্ৰী চন্দ্ৰ বৰা, হেমকান্ত মিনেশ্বৰ বৰা আদি ।

সমূহ ৰাইজৰ আশাশুধীয়া প্ৰচেষ্টাত ১৯৭৭ চনৰ চ'ত মাহৰ ১৫ তাৰিখে প্ৰতিষ্ঠা কৰা হয় 'জয়পুৰ প্ৰাথমিক শাখা' নামঘৰ । বৰ্ত্তমান নামঘৰটি অঞ্চলটোৰ এটি জাকতজিলিকা নামঘৰ ৰূপে পৰিচিত । ২০ ঘৰ গৃহস্থী আৰু ৫৭ গৰাকী সঙ্গীৰে 'জয়পুৰ প্ৰাথমিক শাখাই শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শক সাৰোগত কৰি গুৰুজনাৰ চৰণ সেৱা কৰিছে ।

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰচাৰ-প্ৰসাৰ আৰু সংগঠনৰ প্ৰতি লক্ষ্য ৰাখি জয়পুৰ প্ৰাথমিক শাখাই ১৯৮৮ চনৰ ৪ আহিন বুধবাৰে স্থানীয় চাউদাং পথাৰ উচ্চ মাধ্যমিক বিদ্যালয় আৰু সমূহ চাউদাং পথাৰবাসী ৰাইজৰ সহযোগত শ্ৰীমন্ত শঙ্কৰ গুৰুজনাৰ জন্মোৎসৱভাগী সমাৰোহেৰে উদ্‌যাপন কৰা হৈছিল । বিশেষকৈ যোল্লটা হাতীৰে কৰা বৰ্ণাঢ্য শোভাযাত্ৰা অতি মোহনীয় আছিল । তাৰোপৰি ১৯৮৮ চনৰ ৮ আৰু ৯ মাঘ তাৰিখে দৈয়াং আঞ্চলিক শাখাৰ একাদশ বাৰ্ষিক অধিবেশন, ১৯৯৪ চনৰ ৭,৮,৯ মাঘ তাৰিখে গোলাঘাট জিলা শাখাৰ ৪১ তম্ বাৰ্ষিক অধিৱেশন ১৯৯৬ চনৰ ৬,৭ জানুৱাৰী তাৰিখে আঞ্চলিক যুৱ সমাৰোহ ৬-৭-৯৭ তাৰিখে আঞ্চলিক ভিত্তিত কৰ্মশালাভাগী সফলতাৰে অনুষ্ঠিত কৰা হয় । যুৱক-যুৱতী আৰু আই মাতৃসকলৰ মাজত গুৰুজনাৰ আদৰ্শৰাজিৰ চৰ্চ্চা আৰু প্ৰচাৰৰ উদেশ্যেৰে আঁচনি গ্ৰহণ কৰা হৈছে । সংঘৰ নিৰ্দেশ মতে সেৱা বাহিনী গঠন কৰা হৈছে ।

চাউদাং পথাৰ গাৱঁৰ ৰাইজ মূলত কৃষিজীৱী । চাকৰিজীৱী আৰু অন্যান্য ব্যৱসায় বাণিজ্য কৰা লোকৰ সংখ্যা অতি সীমিত । কৃষিৰ ক্ষেত্ৰতো ধান খেতিয়েই প্ৰধান । বিগত কিছু দিনৰ পাছত দুই এজন ব্যক্তিয়ে ৰবি শস্যৰ খেতি ব্যৱসায়িক ভিত্তিত কৰিবলৈ লৈছে । শেহতীয়াকৈ ক্ষুদ্ৰ চাহ খেতিৰ প্ৰতি এই অঞ্চলৰ ৰাইজ আকৰ্ষিত হোৱা পৰিলক্ষিত হৈছে ।

'জয়পুৰ প্ৰাথমিক শাখা' গঠন হোৱাৰপৰা বৰ্ত্তমানলৈকে কাৰ্য্যনিৰ্বাহক সভাৰ বিষয়ববীয়া আৰু সদস্যসকল হ'ল - সভাপতি - শ্ৰীতিপাই বৰা, শ্ৰীভদেশ্বৰ সোণোৱাল,

শ্ৰীকেশৰাম কচাৰী, শ্ৰীনবীন সোণোৱাল । সম্পাদক - শ্ৰীচন্দ্ৰ বৰা, শ্ৰীনবীন সোণোৱাল, শ্ৰীপুণ্যেশ্বৰ কচাৰী,শ্ৰীগগন বৰা আৰু শ্ৰীৰুদ্ৰেশ্বৰ ৰাজখোৱা ।

# কাছমাৰী নৱমিলন প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৭ চন

দৈয়াং কাছমাৰী নৱমিলন প্ৰাথমিক শাখা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ গোলাঘাট জিলাৰ দৈয়াং আঞ্চলিক এখন পঞ্জীয়নভুক্ত প্ৰাথমিক শাখা । এই প্ৰাথমিক শাখা গঠিত হয় ১৯৭৭ চনত । প্ৰথম অৱস্থাত ১৩ ঘৰ গৃহস্থীৰে নৱমিলন প্ৰাথমিক শাখাটি গঠন হয় । সৰ্বশ্ৰী লক্ষীবড়ো আৰু গণেশ ভূঞা বাপৰ পৰা সঙ্গীসকলে শ্ৰীমন্ত শঙ্কৰদেৱৰ 'একশৰণ নামধৰ্ম 'ৰ নীতি আদৰ্শ গ্ৰহণ কৰাত প্ৰেৰণা পায় ।

শাখাটিৰ সভাপতি আৰু সম্পাদকসকল ক্ৰমে শ্ৰীখগেশ্বৰ গগৈ আৰু শ্ৰীখাগেশ্বৰ গগৈ । মূল সংঘৰ শৰণ সদস্য শ্ৰীঘন তামুলী বাপৰ পৰিচালনাত এটি শৰণ শিবিৰ অনুষ্ঠিত কৰি প্ৰাথমিকৰ সঙ্গীসকলক শৰণ দিয়া হয় ।

# দ্বাৰকাপুৰ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৮ চন

দৈয়াং বনাঞ্চলৰ অন্তৰ্ভুক্ত ১ নং চৰাইমাৰী ন-মাটি গাঁও । ১৯৭০ চনত এই গাঁও প্ৰতিষ্ঠা হয় । ৰাষ্ট্ৰীয় নিশ্চিত নিয়োগ আঁচনিৰ এটা ৰাস্তাই গাঁওখনক দুভাগ কৰিছে । এখন প্ৰাথমিক আৰু এখন মধ্য ইংৰাজী বিদ্যালয়ে গাঁওখনত বুনিয়াদী শিক্ষাৰ পোহৰ বিলাইছে । ৰাস্তাৰ আশে-পাশে সপ্তাহত দুখন বজাৰ বহে । জনসংখ্যা প্ৰায় ৪০০০ জন । উল্লেখ কৰিবলগীয়া লোকৰ ভিতৰত সৰ্বশ্ৰী ধনেশ্বৰ ৰাজখোৱা আৰু চন্দ্ৰ চুতীয়া । এই অঞ্চলত প্ৰতিষ্ঠা হোৱা অনুষ্ঠান-প্ৰতিষ্ঠান, হাট-বজাৰ আদিত এই দুজন লোকৰ বৰঙণি উল্লেখযোগ্য । অন্যহাতে এই ৰাজহুৱা অনুষ্ঠানৰ উপৰিও শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ, প্ৰচাৰ প্ৰসাৰতো আৰ্থিক, কায়িক, মানসিক তথা বৌদ্ধিক ভাৱে এই লোক দুজনৰ বৰঙণি অপৰিসীম ।

এই প্ৰাথমিক ভাগি ন-মাটি প্ৰাথমিকৰ পৰা খণ্ড হিচাবে আঁতৰি আহি ১৯৭৮ চনত নতুনকৈ দ্বাৰকাপুৰ নামকৰণেৰে গঠিত হয় । দৈয়াং আঞ্চলিকৰ লগত অন্তৰ্ভুক্ত হৈ বৰ্ত্তমানে গুৰুধৰ্ম পালন কৰি আছে । প্ৰয়াত গণেশ ভূঞা , পিতাম্বৰ গগৈ আদিৰ গুণসম্পন্ন ব্যক্তিৰ যোগেদি প্ৰাথমিকত ধৰ্মালোচনী সভা অনুষ্ঠিত কৰি গুৰুধৰ্ম প্ৰচাৰ প্ৰসাৰত মনোনিবেশ কৰিছে । প্ৰাথমিকৰ জন্ম লগ্নতে ১১ ঘৰ গৃহস্থীৰ পৰা বৰ্ত্তমান ২৭ ঘৰ হৈছে । প্ৰাথমিকৰ সংগীসকলে বিভিন্ন সভা-সমিতিৰ যোগেদি প্ৰচাৰ-প্ৰসাৰৰ

পদক্ষেপ হাতত লৈছে । আইমাতৃ সমাবেশ, শিশু সমাবেশ আদি অনুষ্ঠিত কৰি মহাপুৰুষৰ প্ৰৱৰ্ত্তিত ধৰ্ম, সাহিত্য, সংস্কৃতিৰ বিস্তৃত ব্যাখ্যা কৰা হয় । এই সভা বিলাকলৈ অনান্য ধৰ্মৱলম্বীলোকসকলকো নিমন্ত্ৰণ কৰি ধৰ্মৰ বীজ বিস্তাৰ ব্যৱস্থা কৰিছে ।

প্ৰাথমিক শাখাৰ প্ৰায় সকলোলোকেই খেতি -বাতিৰ ওপৰতে নিৰ্ভৰশীল । আৰ্থিক অৱস্থা স্বচ্ছল নহয় । প্ৰাথমিক শাখাৰ প্ৰয়াত ভদ শইকীয়া - এগৰাকী নিষ্ঠাৱান গুৰুজনাৰ একান্ত সেৱক । তেখেতৰ কাৰ্য্যকালত প্ৰাথমিক শাখাই বিশেষ অগ্ৰগতি লাভ কৰিছিল । তেখেত এগৰাকী বৰ শান্ত, শ্ৰদ্ধাবান আৰু ভক্তিপৰায়ণ লোক আছিল । আৰম্ভণিৰ পৰা বৰ্ত্তমানলৈকে সভাপতি আৰু সম্পাদকসকল সভাপতি, সৰ্বশ্ৰী ভোগেশ্বৰ ৰাজবংশী, সিদ্ধেশ্বৰ চাংমাই, কুলেম চাংমাই সম্পাদক সৰ্বশ্ৰী পদ্ম বৰা, কুলেন চাংমাই । মনু ৰাজবংশী, ভদ শইকীয়া, চন্দ্ৰ চুতীয়া ।

১৯৮৬ চনৰ পৰা বৰ্ত্তমানলৈকে সভাপতি হিচাবে শ্ৰীকুলেন চাংমাই আৰু সম্পাদক হিচাবে শ্ৰীচন্দ্ৰ চুতীয়াই কাৰ্য্যনিৰ্বাহ কৰি আছে । ❑❑

# ৰামপুৰ প্ৰাথমিক শাখা

## স্থাপিত ঃ—১৯৭৮ চন

গোলাঘাট জিলাৰ দক্ষিণত নগাৰাজ্যৰ সীমান্ত বৰ্ত্তী মেৰাপানী গাঁও পঞ্চায়তৰ অন্তৰ্ভুক্ত গোলাঘাট মেৰাপানী N.E.C ৰাস্তাৰ পূবে এসময়ত অটব্য অৰণ্যৰে বিস্তৃত এটি অঞ্চল আছিল। গোলাঘাট মেৰাপানী পথৰপৰা ৪/৫ কিলোমিটাৰ বিস্তৃত এই অঞ্চল নানা সৰু ডাঙৰ গছ-গছনিৰে ভৰপূৰ আছিল। ১৯৫১-৫২ চন মানত অবিভক্ত শিৱসাগৰ জিলাৰ বিভিন্ন ঠাইৰ বানপানী প্ৰাকৃতিক দুৰ্য্যোগ আদি কাৰণত ভূমিহীন হৈ পৰা বহুত পৰিয়াল আহি দৈয়াং বনাঞ্চলৰ পূব প্ৰান্তৰ হাবি-জঙ্ঘল ভাঙি বসবাস কৰিবলৈ ধৰে। গোলাঘাট মহকুমাৰ অন্তৰ্গত দেৰগাঁও, ৰঙাগড়া অঞ্চলৰ মিছিং জনগোষ্ঠীৰ বহুতো লোক আহি নলখাগৰি কাটি খেতিৰ উপযোগী কৰি বাস কৰে। পূবে তৰানি গাওঁ পঞ্চায়ত তথা ৪ নং তৰানি ব্লক, পশ্চিমে গোলাঘাট মেৰাপানী ৰাজপথ, উত্তৰে নগাপাহাৰৰ মাজৰ বিস্তৃত সমতল অঞ্চল বিশেষভাৱে নলখাগৰি কাটি মুকলি কৰি লোৱা এলেকাটিক 'নলনী পথাৰ' বুলি জনা যায়। কালক্ৰমত এই 'নলনী পথাৰ' অঞ্চলত দেৰগাঁও, ৰঙাগড়া, মহুৰা, ওপৰ টেমেৰা অঞ্চলৰপৰা বিভিন্ন সম্প্ৰদায়ৰ লোক কৈবৰ্ত্ত, নাথ, আহোম, চুতীয়া, মিছিং লোকসকল আহি বৰ্ত্তমান স্থায়ী বাসিন্দা হিচাপে আছে। পৰবৰ্ত্তী কালত এই জনগোষ্ঠীসকলৰ নামেৰে একোটা অঞ্চল নামকৰণ হয়।

নলনী পথাৰ এলেকাৰ পূবত উত্তৰা-দক্ষিণাকৈ থকা মিকিৰ পটি ৰাস্তাৰপৰা নেঘেৰী বিল নগা পাহাৰৰ কাষলৈকে এই অঞ্চলটিক নাহৰণী গাওঁ বুলি নামকৰণ কৰা হয়। এই অঞ্চলত দেৰগাঁৱৰ নাহৰণী গাঁৱৰ মানুহ আহি স্থায়ী বাসিন্দা হোৱাত 'নাহৰণী গাঁও' হৈছে।

নলনী পথাৰ এলেকাৰ নাহৰণী গাঁওখনত বিভিন্ন সম্প্ৰদায়ৰ প্ৰায় ২০০ ঘৰ গৃহস্থী আছে। এই গাঁৱত দুটা নামঘৰ আৰু এখন প্ৰাথমিক বিদ্যালয় আছে। এই গাৱঁৰ বিশিষ্ট ব্যক্তি শ্ৰীকুলাৰাম নাথ, শ্ৰীচিতাৰাম দাস, শ্ৰীভুৰাম দাস, স্বৰ্গীয় ধনীৰাম দাস, শ্ৰীবুদাই দাস, শ্ৰীশাওনা দাসৰ উদ্যোগত নামঘৰ নিৰ্মাণ কৰা হয়। ১৯৮৪ চনত এই গাঁৱৰ শিক্ষিত যুৱক শ্ৰীৰাজেন নাথ দেৱৰ চেষ্টাত গাঁৱৰ ৰাইজৰ সহযোগত নাহৰণী গাঁও নৱজ্যোতি প্ৰাথমিক বিদ্যালয় স্থাপন কৰা হয়। এই বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে শ্ৰীৰাজেন নাথ দেৱক দায়িত্ব দিয়ে।

১৯৬৮ চনত ফৰকাটিং তিৰুৱাল প্ৰাথমিক শাখাৰ সঙ্গী স্বৰ্গীয় ৰূপেশ্বৰ নাথ, শ্ৰীকুলাৰাম নাথ, শ্ৰীকনৰাম নাথ আৰু স্বৰ্গীয় বানেশ্বৰ নাথ এই সঙ্গীসকল

নলনী পথাৰলৈ উঠি আহে। এওঁলোকে স্থানীয় নামঘৰত ভাগৱত পাঠ আৰু অন্যান্য মহাপুৰুষীয়া শাস্ত্ৰ অধ্যয়ন কৰাত মনোনিবেশ কৰে। ১৯৭৮ চনতে শ্ৰীকুলাৰাম নাথ বাপৰ পত্নী জানেকী নাথৰ মৃতাহ কৰ্ম সংঘৰ নিয়মেৰে ফৰকাটিং তিৰুৱাল প্ৰাথমিক শাখাৰ সহযোগত সম্পন্ন কৰা হয় আৰু এই কৰ্ম সম্পাদন কৰি উক্ত প্ৰাথমিক শাখাৰ তৎপৰতাত প্ৰয়াত থানেশ্বৰ নাথক সভাপতি, প্ৰয়াত ৰূপেশ্বৰ নাথদেৱক সম্পাদক হিচাপে লৈ 'ৰামপুৰ প্ৰাথমিক শাখা' গঠন কৰা হয়। ১৯৭৮ চনত দৈয়াং আঞ্চলিক শাখা গঠন হোৱাত ৰামপুৰ প্ৰাথমিক শাখাই দৈয়াং আঞ্চলিক শাখাৰ অন্তৰ্গত হৈ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সংবিধান মতে প্ৰচাৰ প্ৰসাৰত সঙ্গীসকল ব্ৰতী হৈ আহিছে। সঙ্গীসকলৰ সংখ্যা ক্ৰমাগত বৃদ্ধি পোৱাত ৰামপুৰ প্ৰাথমিক শাখাৰ সৌজন্যত কৃষ্ণপুৰ প্ৰাথমিক(১৯৮১ চন), গোবিনপুৰ প্ৰাথমিক (১৯৮৪ চন), অযোধ্যাপুৰ প্ৰাথমিক (১৯৯৬ চনত) গঠন হয়।

প্ৰাথমিক গঠনৰপৰা বৰ্ত্তমানলৈকে কাৰ্য নিৰ্বাহকৰ সভাপতি/ সম্পাদকসকলৰ নাম ঃ

| | | | |
|---|---|---|---|
| ১৯৭৮–৮০ | প্ৰয়াত থানেশ্বৰ নাথ | ঃ | সভাপতি |
| ,, | ৰূপেশ্বৰ নাথ | ঃ | সম্পাদক |
| ১৯৮১-৮৮ চন, | শ্ৰীকুলাৰাম নাথ | ঃ | সভাপতি |
| ,, | শ্ৰীকনৰাম নাথ | ঃ | সম্পাদক |
| ১৯৮৯-৯০ চন, | শ্ৰীৰূপাই শইকীয়া | ঃ | সভাপতি |
| ,, | শ্ৰীকুলাৰাম নাথ | ঃ | সম্পাদক |
| ১৯৯১-৯২ চন, | শ্ৰীমণিৰাম শইকীয়া | ঃ | সভাপতি |
| ,, | শ্ৰীনগেন নাথ | ঃ | সম্পাদক |
| ১৯৯৩-৯৪ চন, | শ্ৰীচেনীৰাম শইকীয়া | ঃ | সভাপতি |
| ,, | শ্ৰীবনৰাম নাথ | ঃ | সম্পাদক |
| ১৯৯৫-৯৬ চন, | শ্ৰীবুধেন শইকীয়া | ঃ | সভাপতি |
| ,, | শ্ৰীফিলিপ বৰা | ঃ | সম্পাদক |

১৯৯৭ -৯৮ চন বছৰৰ কাৰ্যনিৰ্বাহক সমিতি —

সৰ্বশ্ৰীকুলাৰাম নাথ সভাপতি, ফিলিপ বৰা সম্পাদক, সোমেশ্বৰ হাজৰিকা, কোষাধ্যক্ষ, সদস্যসকল— সৰ্বশ্ৰী বুধেন শইকীয়া, চেনীৰাম শইকীয়া, প্ৰদীপ নাথ, বিতুল নাথ, জিতেন হাজৰিকা, কলিয়া নাথ।

প্ৰাথমিকৰ বিশিষ্ট সঙ্গীসকলৰ ভিতৰত অন্যতম প্ৰয়াত ৰূপেশ্বৰ নাথ গুৰুজনাৰ একনিষ্ঠ সঙ্গী। এখেত ৰামপুৰ প্ৰাথমিকৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল। এই গৰাকী একান্ত সংঘৰ সঙ্গীৰ ১৯৯৬ চনত পৰলোক প্ৰাপ্তি ঘটে।

প্ৰয়াত থানেশ্বৰ নাথ ৰামপুৰ প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। এই অঞ্চলত গুৰুজনাৰ ধৰ্ম প্ৰচাৰত যথেষ্ট অৰিহণা আগবঢ়াই ১৯৯৬ চনত বৈকুণ্ঠগামী হয়।

শ্ৰীবুপাৰাম নাথ ৰামপুৰ প্ৰাথমিক শাখাৰ অন্যতম প্ৰতিষ্ঠাতা আছিল, তেখেতে ইং ১৯৮১ চনৰপৰা ১৯৮৮ চনলৈকে প্ৰাথমিকৰ সভাপতি, ১৯৮৯-৯০ চনত সম্পাদক আৰু চলিত কাৰ্যকালত প্ৰাথমিকৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। তদুপৰি স্থানীয় অনুষ্ঠানসমূহত সক্ৰিয় ভূমিকা গ্ৰহণ কৰি আহিছে।

শ্ৰীসৰুৰাম নাথে গুৰুধৰ্ম প্ৰচাৰত বিশেষ অৰিহণা আগবঢ়ায়। ৰামপুৰ প্ৰাথমিকৰ নামঘৰ নিৰ্মাণৰ কাৰণে তেখেতে একঠা মাটি দান কৰে।

শ্ৰীফিলিপ বৰা বৰ্ত্তমান ৰামপুৰ প্ৰাথমিকৰ সম্পাদক। ১৯৯৫ চনৰপৰা তেখেত দৈয়াং আঞ্চলিক শাখাৰ সংস্কৃতি শাখাৰ সভাপতি হিচাপে দায়িত্বও পালন কৰি আহিছে। দৈয়াং শঙ্কৰী সংগীত বিদ্যালয়ৰ অধ্যক্ষ। তেখেতে শংকৰী গীত-মাত চৰ্চ্চা কৰি আছে।

শ্ৰীৰাজেন নাথে ১৯৯৩ চনৰপৰা ১৯৯৮ চনলৈ দৈয়াং আঞ্চলিক শাখাৰ সাহিত্য শাখাৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰে। কেইবাবছৰো ধৰি তেখেতে গোলাঘাট জিলা সাহিত্য শাখাৰ সদস্য হিচাপে দৈয়াং আঞ্চলিক শাখাক প্ৰতিনিধিত্ব কৰে। দৈয়াং নাহৰণী গাঁও নৱজ্যোতি প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক। এজন ভাল যুৱ বক্তা।

## শুৱলা প্ৰাথমিক শাখা
### (দৈয়াং আঞ্চলিক)
### স্থাপিত ঃ–১৯৮০ চন

শুৱলা প্ৰাথমিক শাখা দৈয়াং আঞ্চলিক শাখাৰ অন্তৰ্ভুক্ত। বিভিন্ন ঠাইৰপৰা আহি দৈয়াং বনাঞ্চলত বাস কৰা ২০ ঘৰ গৃহস্থীয়ে শোণিতপুৰ নামে এখন নতুন গাওঁ পাতিছিল। সেই গাৱঁৰ বিশিষ্ট ব্যক্তি শ্ৰীপূৰ্ণকান্ত গগৈ আৰু শ্ৰীযোগেশ গগৈৰ নেতৃত্বত এটা নামঘৰ প্ৰতিষ্ঠা হয়। সেই নামঘৰতে বহি গাৱঁৰ লোকসকলে কীৰ্ত্তন, দশম, ভাগৱত আদি শাস্ত্ৰ পাঠ আৰু আলোচনা কৰে। শ্ৰীহৰেন গগৈ বাপেও তাত আগভাগ লয়। এইসকলৰ যত্নতে কালক্ৰমত গাৱঁৰ লোকসকলে গুৰুজনাৰ ধৰ্ম্মীয় আদৰ্শৰ প্ৰতি আগ্ৰহী হয়। শেষত ১৯৮০ চনত 'শুৱলা প্ৰাথমিক' শাখা নামে এটা

শাখা গঠন কৰে। এই শাখাৰ সভাপতি পদ শ্ৰীলক্ষেশ্বৰ বৰা আৰু সম্পাদক শ্ৰীহৰেন গগৈ বাপক দিয়া হয়। তেখেতসকলে প্ৰথমৰপৰা আজি পৰ্য্যন্ত এই দায়িত্ব লৈ কাৰ্য্য নিৰ্ব্বাহ কৰি আছে। মাজতে দুটা বছৰ শ্ৰীপূৰ্ণকান্ত গগৈ আৰু শ্ৰীহৰেন গগৈ বাপো সভাপতি হয়। দৈয়াং আঞ্চলিক শাখাৰ অন্তৰ্ভুক্ত এই প্ৰাথমিকৰ লোকসকল শতকৰা ৯৫ জনেই খেতিয়ক। সঙ্গী গৃহস্থীৰ সংখ্যা ২০ ঘৰ মাত্ৰ।

## শঙ্কৰ-মাধৱ প্ৰাথমিক শাখা
### শোৰন গাঁও,
### স্থাপিত -১৯৮০ চন

শোৰন গাওঁ দৈয়াং বনাঞ্চলৰ এখন গুৰুনী গাওঁ। এই গাৱঁৰ বুৰঞ্জী আগৰ 'নৱবৈষ্ণৱ প্ৰাথমিক শাখাৰ' বুৰঞ্জীত দিয়া হ'ল। এই গাৱঁৰ লোকসকল গুৰুধৰ্ম্মৰ প্ৰতি যথেষ্ট আগ্ৰহী। ইয়াত প্ৰথমে বিষ্ণুপুৰ প্ৰাথমিক নামে এখন প্ৰাথমিক হয়। পাছত সেই প্ৰাথমিকৰপৰা ওলাই যোৱা সঙ্গীসকলে ১ নং শোৰন গাওঁ প্ৰাথমিক শাখাটি গঠন কৰে। ইয়াৰ পাছত গোবিন্দ পুৰ প্ৰাথমিক শাখা, হলধৰ প্ৰাথমিক আৰু কৃষ্ণপুৰ প্ৰাথমিক পৰ্য্যায়ক্ৰমে গঠন হয়। শেষত এইবিলাক প্ৰাথমিকৰপৰা ওলাই অহা সঙ্গীসকলক লৈ আৰু লগত নতুন সঙ্গী গৃহস্থীৰে শঙ্কৰ-মাধৱ প্ৰাথমিক শাখাটি গঠন হয় আৰু জিলাৰ স্বীকৃতি লাভ কৰে। এই প্ৰাথমিক গঠনত শ্ৰীডিম্বেশ্বৰ গগৈ বাপে আগভাগ লয়। শ্ৰীপ্ৰমোদ কছাৰীক সভাপতি আৰু শ্ৰীলক্ষীৰাম শইকীয়াক সম্পাদক হিচাবে নিৰ্ব্বাচন কৰে। শ্ৰীথানেশ্বৰ বৰা বাপক উপদেষ্টা হিচাবে ৰখা হয়। বৰ্ত্তমান গৃহস্থী সংখ্যা ২৯ আৰু সঙ্গী সংখ্যা ৭৭ জন। এই প্ৰাথমিকৰ বিশিষ্ট ব্যক্তিসকল হ'ল শ্ৰীলক্ষ্যেশ্বৰ শইকীয়া, শ্ৰীডিম্বেশ্বৰ গগৈ, শ্ৰীকনৰাম শইকীয়া, শ্ৰীথানেশ্বৰ গগৈ আৰু শ্ৰীহেম কছাৰী আদি। প্ৰাথমিকৰ নিজা নামঘৰ নিৰ্ম্মাণৰত অৱস্থাত আছে। লোকসকল কৃষিজীৱী, আৰ্থ সামাজিক অৱস্থা টনকীয়াল। নামঘৰত নামপ্ৰসঙ্গ, শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, গুৰুজয়ন্তী আদি পতা হয়। সঙ্গীসকল অনুষ্ঠানৰ প্ৰতি নিষ্ঠাবান আৰু সামাজিক কামত আগবঢ়া।

# চৰাইমাৰী গকুলপুৰ প্ৰাথমিকৰ ইতিবৃত্ত ঃ

## স্থাপিত –১৯৮১ চন

গোলাঘাট জিলা, বিলাধাৰী মৌজা, মেৰাপানী থানা, ডাক সাপেখাইটি চৰাইমাৰী গাওঁ। ১৯০৫ চনতে স্থাপন হোৱা অতি পুৰণি কলীয়া চাউদাং পথাৰ গাৱঁৰ সমীপতে এইখনি গাওঁ অৱস্থিত। এই গাৱঁৰ মাজেদি এটা গড়কাপ্তানী ৰাস্তা পূবা পশ্চিমাকৈ গমাৰিবপৰা গৈ জামুগুৰি হৈ গোলাঘাটত ওলাইছেগৈ। এই গাওঁখন প্ৰায় ১৯৬৯ চনত স্থাপিত। এই গাওঁখনত কেবাটাও জনগোষ্ঠীৰলোকে বসবাস কৰি আছে। যেনে –আহোম, চুতীয়া, ঠেঙাল, কছাৰী, সোণোৱাল কছাৰী আদি প্ৰায় পাঁচশ ঘৰ মানুহ আছে। এই গাঁৱৰ সকলো লোকেই কৃষিজীৱী। শিক্ষাৰ ক্ষেত্ৰত এই গাৱঁৰ শিক্ষিতৰ হাৰ অতি নগণ্য। পঢ়াশালিৰ ক্ষেত্ৰত এই গাৱঁত প্ৰাথমিক বিদ্যালয় তিনিখন, মধ্য ইংৰাজী বিদ্যালয় এখন, নৱউদিত নামেৰে এটা ক্লাব আছে। চৰাইমাৰী প্ৰাথমিক বিদ্যালয়, জ্ঞানোদয় মধ্য ইংৰাজী বিদ্যালয় আৰু নৱউদিত ক্লাবৰ সন্মুখত এখন ডাঙৰ খেল পথাৰ আছে। এই গাৱঁৰ মাজ মজিয়াত পাঁচটা ৰাজহুৱা নামঘৰ আছে।

উক্ত গাৱঁৰ মাজেদি এখন নদী বৈ গৈছে। এই নদীখনৰ নাম চৰাইমাৰী। এই নদীখনৰ নাম অনুসৰি এই গাৱঁৰ নাম চৰাইমাৰী হ'ল। অতীততে এই ঠাই ডোখৰত ডাঙৰ ডাঙৰ গছ-গছনিৰে ভৰা ৰিজাৰ্ভ আছিল। এই ৰিজাৰ্ভ সেই সময়ত নানা ধৰণৰ পশু-পক্ষীৰ আশ্ৰয়স্থান আছিল। কালৰ কুটিল গতিত ৰিজাৰ্ভ বনাঞ্চল গুচি জনাঞ্চলত পৰিণত হ'ল। সেই সময়ত এই ৰিজাৰ্ভৰ গছ-গছনিবোৰত এবিধ ডাঙৰ কনুৱা চৰাইয়ে বাহ সাজি বংশ বিস্তাৰ কৰিছিল আৰু অধিক চৰাইৰ বাসস্থান হোৱাৰ কাৰণেই এই ঠাইত থকা নদীখনৰ নাম চৰাইমাৰী। সেই নদীখনৰ নাম অনুসৰিয়েই গাওঁখনৰ নাম হল চৰাইমাৰী। এই গাৱঁৰ পূবে চাউদাং পথাৰ, পশ্চিমে পুষ্পবন, উত্তৰে গড়জান গাওঁ, দক্ষিণে ৰাংঢালী গাওঁ। এই গাৱঁৰ মাটিকালি প্ৰায় ছয় বৰ্গকিলোমিটাৰ।

১৮৮১ চনতে চৰাইমাৰী গকুলপুৰ প্ৰাথমিকখনি ৯ ঘৰ গৃহস্থীৰ আৰু ৪৮ জন সংগী বাপ আইক লৈ গঠিত হৈছিল। বৰ্তমান গকুলপুৰ প্ৰাথমিকত ২১ ঘৰ গৃহস্থী আছে। শৰুৰী প্ৰায় এশ গৰাকী। এই প্ৰাথমিকৰ পৃষ্ঠপোষকতা কৰিছিল স্বনামধন্য কষ্ঠিৰাম ঠেঙাল বাপে। তেখেতৰ অশেষ ত্যাগ স্বীকাৰতেই এই প্ৰাথমিকখনে জন্মলাভ কৰে বুলি ক'লেও বহলাই কোৱা নহয়। এটি নামঘৰ প্ৰতিষ্ঠা কৰিবৰ বাবে শ্ৰীভাবিৰাম ঠেঙালবাপে তেখেতৰ ভোগ দখলৰ প্ৰায় এবিঘা মাটি

ৰাইজক দান কৰে। এই মাটিতে বৰ্তমান গকুলপুৰ প্ৰাথমিকৰ নামঘৰটি প্ৰতিষ্ঠিত। এই নামঘৰটোৰ উন্নতিকল্পে প্ৰাথমিকৰ সঙ্গীসকলৰ শ্ৰম দানেৰে তথা পুজিৰে গৃহ নিৰ্মাণ কৰা হৈছে। বৰ্তমান প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ২১ ঘৰ।

প্ৰাথমিকৰ বিষয়ববীয়াসকলৰ নাম তালিকা ঃ—সৰ্বশ্ৰী লক্ষী কছাৰী সভাপতি (১৯৮১-৮৩), কণ্ঠিৰাম ঠেঙাল সম্পাদক। ১৯৮৬-৮৭ বালিৰাম ঠেঙাল সভাপতি, বনমালি ঠেঙাল সম্পাদক, ১৯৮৮-৮৯ বালিৰাম ঠেঙাল সভাপতি, বনমালি ঠেঙাল সম্পাদক। ১৯৯০-৯১ সৰুবাপু সোণোৱাল সভাপতি, লক্ষী কছাৰী সম্পাদক। ১৯৯২-৯৫ লক্ষী কছাৰী সভাপতি, পদ্মেশ্বৰ লাহন সম্পাদক। ১৯৯৬-৯৭ নবীন কছাৰী সভাপতি, সোণাধৰ ঠেঙাল সম্পাদক। ১৯৯৮-২০০০ ৰূপেশ্বৰ গগৈ সভাপতি, বীৰেণ ঠেঙাল সম্পাদক।

## মাধৱগুৰু প্ৰাথমিক শাখা (মকৰং বাগান)

### গঠন —১৯৮২ চন

মক্ৰং নদীৰ পাৰত অৱস্থিত বাবেই বাগানখনৰ নাম ৰখা হয় মক্ৰং বাগান। এই বাগানত কাম কৰিবৰ বাবে সুদুৰ উৰিষ্যা প্ৰদেশৰ জয়পুৰ জিলাৰপৰা কিছু সংখ্যক লোক বনুৱা হিচাবে আহি স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। পৰিবৰ্তনশীল সময়ৰ লগতে সেই বাগানৰ বনুৱাসকলৰ মাজতো আৰ্থ সামাজিক আৰু ধৰ্ম সংস্কৃতিৰো কিছু পৰিবৰ্তন সাধন হয়। ফলস্বৰূপে শ্ৰীমন্ত শংকৰদেৱ সংঘ, দৈয়াং আঞ্চলিক শাখাত প্ৰচাৰিত হোৱা মহাপুৰুষীয়া ধৰ্ম সংস্কৃতিৰ প্ৰতি এই বাগানৰ কিছু লোক আকৃষ্ট হয়। প্ৰায় দহ হাজাৰ গৃহস্থীৰ পৰিপূৰ্ণ বাগানৰ ভিতৰত তাঁতী বস্তীৰ লোকসকলক লৈয়েই প্ৰথমে দৈয়াং আঞ্চলিক শাখাৰ শ্ৰীটঙ্কেশ্বৰ গগৈ, সোণেশ্বৰ বৰা, খিৰেশ্বৰ শইকীয়া, খগেন গগৈ আদি বাপসকলে মহাপুৰুষীয়া ধৰ্মদৰ্শনৰ ওপৰত এলানি ভাগৱত পাঠৰ আয়োজন কৰে। ভক্তি অনুষ্ঠানতে তাঁতী বস্তীৰ লোকসকলে মহাপুৰুষীয়া ধৰ্মত দীক্ষিত হৈ প্ৰাথমিক খোলাৰ কথা ঘোষণা কৰে। ফলস্বৰূপে তাত ইংৰাজী ২৭/১০/৮২ তাৰিখত ৪ নং লাইনৰ নামঘৰত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। সেই সভাতেই ৰাইজৰ সৰ্ব সন্মতিক্ৰমে ১১ ঘৰ গৃহস্থী আৰু ২১ গৰাকী সঙ্গীক লৈ 'মাধৱগুৰু' নামকৰণেৰে এখনি প্ৰাথমিক গঠন কৰা হয়। বৰ্তমান প্ৰাথমিকখন দৈয়াৰ অন্তৰ্গত।

শ্ৰীবুধু কৰৌৱাই প্ৰাথমিক শাখাৰ বাবে তিনিকঠা মাটি দান দিয়ে আৰু সঙ্গীসকলে সেই স্থানতে এটি নামঘৰ স্থাপন কৰে। মুল সংঘৰ সদস্য শ্ৰীবল্লভ

হাজৰিকা বাপে নামঘৰ ভাগত এখন আসন প্ৰতিষ্ঠা কৰে। বৰ্তমান শ্ৰীবুধু কৰ্বৌয়াই সংঘ ত্যাগ কৰাত আৰু পুনৰ মাটিভাগ ঘূৰাই লোৱাত নামঘৰ ভাগ নাইকিয়া হৈ আছে যদিও সঙ্গীসকলে নবনিৰ্মাণৰ বাবে প্ৰচেষ্টা চলাই আছে।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ স্বীকৃতি লাভ কৰাৰ পিছত প্ৰাথমিক শাখাৰ গুৰুজয়ন্তীকে আদি কৰি বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰি অহা হৈছে।

প্ৰাথমিক গঠনৰপৰা কাৰ্য্যনিৰ্বাহক সমিতি সমূহ তলত উল্লেখ কৰা ধৰণেৰে পোৱা যায়।

১৯৮২-৯৭

সভাপতি ঃ শ্ৰী নিধন তাঁতী

সম্পাদক ঃ শ্ৰীৰত্ন তাঁতী

আঞ্চলিক সদস্যা ঃ নিধন তাঁতী

১৯৯৭ -২০০০

সভাপতি ঃ শ্ৰীনিধন তাঁতী

সম্পাদক ঃ কলিৰাম গড়

ৰাজহুৱা অনুষ্ঠান ঃ নামঘৰ এটা, পূজামন্দিৰ এটা, বে-চৰকাৰী প্ৰাথমিক বিদ্যালয় এখন, চৰকাৰী প্ৰাথমিক বিদ্যালয় এখন আছে।

বৰ্তমানৰ সভাপতি—সম্পাদক দ্বয়ৰ নেতৃত্বত মহাপুৰুষীয়া ধৰ্ম-সংস্কৃতিৰ প্ৰচাৰ কাৰ্য্য অব্যাহত আছে। ভৱিষ্যতে সঙ্গী-গৃহস্থী বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে।

# বনমালি প্ৰাথমিক শাখা

## স্থাপিত —১৯৮৩ চন

গোলাঘাট জিলাৰ দৈয়াং বনাঞ্চলৰ এখন সৰু গাঁও। এই অঞ্চলটো তৰানি বনাঞ্চল নামে খ্যাত। এই অঞ্চলটো অটব্য অৰণ্যৰে ভৰপূৰ আছিল। বিভিন্ন বনৰীয়া জন্তুৰে এই অৰণ্য ভৰি আছিল। কালক্ৰমত ১৯৫৫ চনত মানুহে হাবি ভাঙি বসবাস কৰিবলৈ ললে। ১৯৬০ চনত অসম চৰকাৰে মানুহখিনিক ভূমিৰ প্ৰমাণ পত্ৰ দি স্থায়ীভাবে বসবাস কৰিবলৈ সুবিধা দিলে। পূৰ্বতে এই অঞ্চলত বাস কৰা জনজাতিসকলৰ মাজত নানা দেৱ-দেৱীৰ পূজা সেৱা উপাসনা চলি আছিল।

কালক্ৰমত পুৰণি কালৰ অন্ধ ৰীতি-নীতি পৰিহাৰ কৰি এই অঞ্চলৰ বাসিন্দাসকলে মহাপুৰুষ শঙ্কৰদেৱৰ আৰ্হিৰে এটি নামঘৰ প্ৰতিষ্ঠা কৰিলে। এই নামঘৰতে নানা-মহাপুৰুষীয়া শাস্ত্ৰ, ভাগৱত পাঠ আৰু কীৰ্ত্তন-নামঘোষা অধ্যয়ন

কৰিছিল। মধ্য ঘিলাধাৰী অঞ্চলৰ এগৰাকী বিশিষ্ট লোক শ্ৰীতোলন ফুকনদেৱে এই গাৱঁত প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰিবলৈ আহিল আৰু তেখেতৰ সান্নিধ্যত গাৱঁৰ মানুহে মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত শুদ্ধ সত্ 'এক শৰণ হৰিনাম ধৰ্মৰ' তত্ত্ব বুজি পাবলৈ সক্ষম হ'ল। তেখেতৰ প্ৰেৰণাতে গাঁৱৰ কেইঘৰমান গৃহস্থীয়ে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘত অন্তৰ্ভুক্ত হোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে।

সেই সময়ৰ দৈয়াং আঞ্চলিক শাখাৰ শ্ৰীকেশৱ ৰাজখোৱা, সম্পাদক শ্ৰীচন্দ্ৰ বৰা দেৱৰ প্ৰচেষ্টাত ই ১৯৮২ চনত উক্ত গাৱঁত বনমালি প্ৰাথমিক শাখা নামকৰণেৰে এখন প্ৰাথমিক গঠন কৰা হয়। উক্ত প্ৰাথমিকৰ এলেকা উত্তৰে চচিয়েলিষ্ট পথাৰ, দক্ষিণে নগা পাহাৰ, পূবে কাকডোঙা নদী আৰু পশ্চিমে মত্ৰং বাগান। প্ৰাথমিকৰ বৰ্তমান সঙ্গী গৃহস্থী ২১ ঘৰ, সঙ্গীৰ সংখ্যা ৪২ জন। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰচাৰ প্ৰসাৰৰ উদ্দেশ্যে এই অঞ্চলত যুৱ সমাৰোহ, শিশু কল্যাণ দিবস উদ্‌যাপন কৰা হৈছে। এই অঞ্চলৰ সঙ্গীসকলৰ প্ৰচেষ্টাত মক্ৰং চাহ বাগিচাত চাহ জনজাতিৰ মাজত প্ৰচাৰ চলাই মাধৱগুৰু প্ৰাথমিক শাখা গঠন কৰা হয়।

প্ৰাথমিকৰ সভাপতিসকল ঃ

সৰ্বশ্ৰী চণ্ডিৰাম বৰা, ৰত্নেশ্বৰ বৰা, যোগেন্দ্ৰ বৰা, বাবুলি চুতীয়া, ভলক বৰা।

সম্পাদকসকল ঃ

সৰ্বশ্ৰী ধৰ্মেশ্বৰ বৰা, টিপেশ্বৰ গগৈ, যুগল হাজৰিকা, ৰমেন বৰা।

দৈয়াং আঞ্চলিক শাখা

# বৰ চাপৰি উদয়পুৰ প্ৰাথমিক শাখা

## স্থাপিত ঃ ১৯৮৩ চন

গোলাঘাট জিলাৰ ঘিলাধাৰী মৌজাৰ অন্তৰ্গত মক্ৰং এলেকাত দৈয়াং ৰিজাৰ্ভৰ পূব দিশত এটা অংশ বহু বছৰ ধৰি পতিত ভূমি হিচাপে আছিল। এই পতিত পৰি থকা অংশটো ১৯৬০ চনত কিছুলোকে দখল কৰে। সেই সময়ত এই অঞ্চলত বনৰীয়া হাতী, বাঘ, শৰ হুগৰি আদি জন্তুৱে ভৰপুৰ হৈ আছিল। কালৰ কুটিল গ্ৰাসত পৰি বৰ্তমান সেই বনৰীয়া জন্তুবোৰ স্থানান্তৰ হ'ল। প্ৰথমতে এই অঞ্চলৰ মাটি দখল কৰিবলৈ বৰহোলা ইকৰানি চুকৰ শ্ৰীবাপুৰাম ৰাজবংশীয়ে কেইজনমান মানুহ লগত লৈ হাবি ভাঙিবলৈ আহে। এই কথা গম পাই বিভিন্ন প্ৰান্তৰপৰা বহুলোক আহি হাবি জঙ্ঘল কাটি মাটি দখল কৰে। প্ৰথম অৱস্থাত মানুহখিনিয়ে বামখেতি কৰিবলৈ আৰম্ভ কৰে। কচু কুঁহিয়াৰ কল বাঁহ তামোল পাণ ইত্যাদি খেতি কৰে। এই অঞ্চলটি এটি ডাঙৰ চাপৰি আছিল। সেইয়ে এই অঞ্চলটি

বৰচাপৰি বুলি জনাজাত হয়।

প্ৰথম অৱস্থাত মানুহখিনিয়ে খৰি, খেৰ, শাক-পাচলি আদি বেছা-কিনা কৰি জীৱিকাৰ উপায় হিচাপে লৈছিল। পৰৱৰ্ত্তী সময়ত এই অঞ্চলত ধান খেতি যথেষ্ট উপাৰ্জন কৰিছে। বৰচাপৰি গাঁৱৰ নামেৰে এটি নামঘৰ নিৰ্মাণ কৰে। শিক্ষা গ্ৰহণৰ কাৰণে বৰচাপৰি প্ৰাথমিক বিদ্যালয় স্থাপন কৰা হয়।

এই গাঁৱৰ গৃহস্থীৰ সংখ্যা ৬৫ ঘৰ। জনসংখ্যা ৩৪৫ জন। মাটি কালিৰ পৰিমাণ প্ৰায় ৯৭৫ বিঘা। গাঁৱৰ প্ৰায় বিলাক মানুহে কৰ্মকাণ্ডীয় পদ্ধতিৰে পূজা সেৱা কৰে। একাংশ মানুহ গুৰুজনাৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ মহাপুৰুষীয়া ধৰ্ম গ্ৰহণ কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সঙ্গী হৈছে।

গাৱঁৰ চাৰিসীমা হ'ল পূবে মকৰং চাহ বাগিচা দৈনিক বজাৰ, পশ্চিমে আদৰ্শ গাঁৱৰ মাজেদি গৈ গোলাঘাট নগৰলৈ যাব পাৰি। উত্তৰে চম্বিয়েলিষ্ট পথাৰৰ সমীপত ঘিলাধাৰী বাগান বজাৰ। দক্ষিণে ফুলনি গমাৰি গুৰি পাৰহৈ গমাৰি বজাৰ।

প্ৰাথমিক গঠন —এই অঞ্চলত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰভাৱ পৰা নাছিল। কিছুদিনৰ পিছত যোৰহাটৰ বৰবাম চুঙীৰপৰা সংঘৰ সঙ্গী শ্ৰীমাণিক হাজৰিকা এই অঞ্চললৈ হাবি ভাঙিবলৈ আহিছিল। তেখেতে গমাৰি গুৰি শঙ্কৰ জেউতি প্ৰাথমিকৰ সঙ্গী শ্ৰীথিৰেশ্বৰ শইকীয়াৰ লগত পৰিচয় হয়। অন্য এগৰাকী সঙ্গী এই বৰচাপৰি গাঁৱৰ নিচেই কাষতে বাস কৰা শ্ৰীজিতেন গগৈদেৱ এখেতসকলৰ লগত পৰিচয় ঘটে। শ্ৰীথিৰেশ্বৰ শইকীয়াৰ গৃহত প্ৰায়ে ভাগৱত পাঠ, আলোচনা আদি হয়। এনে ধৰ্মালোচনী সভাতে বৰচাপৰি গাৱঁত সংঘৰ এটি শাখা গঠনৰ সিদ্ধান্ত লোৱা হয়। গৃহস্থীৰ সংখ্যা ৯ ঘৰ, সঙ্গী ১৬ জন। ১৯৯৮ চনত প্ৰাথমিক কাৰ্যনিৰ্বাহি সমিতিৰ সভাপতি শ্ৰীজিতেন গগৈ, সম্পাদক শ্ৰীমোহন বৰা বাপ আছিল।

প্ৰাথমিক গঠন হোৱাৰ পৰা সঙ্গীসকলে সংঘৰ নীতি আদৰ্শ প্ৰচাৰ কৰি আহিছে। বৰ্ত্তমান মাঙলিক যুৱ সমাৰোহ, আইমাতৃ সমাৰোহ, শিশু সমাৰোহ অনুষ্ঠিত কৰি শঙ্কৰী কলা-কৃষ্টি বিকাশত গুৰুত্ব আৰোপ কৰিছে। সংঘৰ সাংবিধানিক নীতিৰে সঙ্গীসকলৰ মাজত 'মুষ্ঠি দান' নীতি প্ৰৱৰ্ত্তন কৰি প্ৰাথমিকৰ পুঁজি গঠন কৰা হৈছে। এই গাৱঁৰ সৰবৰহী ব্যক্তি শ্ৰীগণেশ ৰাজবংশীয়ে নামঘৰ প্ৰতিষ্ঠাৰ কাৰণে ৩ কঠা ১০ লোচা মাটি দান দিয়ে। প্ৰাথমিকৰ বৰ্ত্তমান কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য —

সভাপতি ঃ শ্ৰীজিতেন গগৈ

সম্পাদক ঃ শ্ৰীমোহন বৰা

কোষাধ্যক্ষ ঃ শ্ৰীমাণিক হাজৰিকা

আঞ্চলিক সদস্য ঃ শ্ৰীকুশ হাজৰিকা।

# কাছমাৰি প্ৰাথমিক শাখা

## গঠন : ১৯৮৫ চন

কাছমাৰি দৈয়াং বনাঞ্চলৰ অন্তৰ্গত এটা সু-বৃহৎ অঞ্চল। বৃটিছৰ শাসন কালতে এজন ইংৰাজ চাহাবে কৰ্মীসকলৰ লগত ভ্ৰমণ কৰিবলৈ আহি থাকোতে কাছমাৰি অঞ্চলৰ উত্তৰে থকা কাছ জানৰ মাছ-কাছ দেখি কৰ্মীসকলে সেই জানৰপৰা মাছকাছ ধৰি নিয়াত এই জানটোৰ নাম কাছ মৰা জান হয়। কালক্ৰমত সেই জানৰ আশে পাশে মানুহ বসবাস কৰিবলৈ ধৰে। এই গাঁওখনৰ নাম কাছমাৰি বনগাওঁ নামে জনা যায়। কালক্ৰমত এই সমগ্ৰ অঞ্চলটি কাছমাৰি অঞ্চল নামে জনাজাত হ'ল।

দৈয়াং অঞ্চলৰ কাছমাৰি প্ৰাথমিক শাখা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ গোলাঘাট জিলা শাখাৰ পঞ্জীয়নভুক্ত এখন প্ৰাথমিক শাখা। ইং ২১/১/৮৫ তাৰিখে (৫৩৬ শঙ্কৰাব্দ) দৈয়াং কাছমাৰি প্ৰাথমিক শাখা নামকৰণেৰে গঠন কৰা হয়। প্ৰাথমিকখন গঠন কৰাৰ ক্ষেত্ৰত যিসকল সঙ্গী গৃহস্থীয়ে উদ্যোগ লৈছিল সেইসকলৰ ভিতৰত শ্ৰীশশী শইকীয়া, শ্ৰীপীতাম্বৰ বৰুৱা, শ্ৰীৰমা গগৈ, প্ৰয়াত জ্যোতি বসুমতাৰী আদি বাপসকলৰ নাম উল্লেখযোগ্য। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে ইং ২১/১/৮৭ তাৰিখে কাছমাৰি দুৰৱণী প্ৰাথমিক শাখাৰ সঙ্গীসকলৰ সন্মতি ক্ৰমে উক্ত প্ৰাথমিকখন দৈয়াং কাছমাৰি প্ৰাথমিক শাখাত চামিল হয়।

ইং ২৮ আৰু ২৯ মাৰ্চ ১৯৮৭ চনত দৈয়াং আঞ্চলিক শাখাৰ বাৰ্ষিক অধিবেশন ভাগ অনুষ্ঠিত হয়। অধিবেশনত মূল সংঘৰ প্ৰাক্তন পদাধিকাৰ শ্ৰীযুত সোণাৰাম চুতীয়া, তেতিয়াৰ পদাধিকাৰ শ্ৰীযুত মোহন মহন্ত বাপ উপস্থিত থাকি গুৰুজনাৰ একশৰণ নামধৰ্মৰ ওপৰত তত্ত্বগধুৰ ভাষণ দিয়ে। ইং ৩০/৩/৮৭ তাৰিখে কাছমাৰি প্ৰাথমিক শাখাৰ সৌজন্যত স্থানীয় প্ৰাথমিক সমূহৰ শতাধিক সঙ্গীক শ্ৰীযুত ঘনকান্ত তামুলী বাপৰ দ্বাৰা শৰণ দিয়া হয়।

দৈয়াং কাছমাৰি প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীসোণাৰাম বৰুৱা বাপে আগবঢ়োৱা দুই কঠা ৫ লোচা মাটিত প্ৰাথমিকৰ নামঘৰ ভাগৰ মণিকূটৰ নিৰ্মাণ কাম সম্পূৰ্ণ হৈছে। সংঘৰ আঁচনিসমূহ কাৰ্যকৰী কৰণৰ উদ্দেশ্যে প্ৰাথমিকৰ সঙ্গীসকল অগ্ৰসৰ হৈছে।

প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীযুত শশী শইকীয়া বাপে জিলা শাখাৰ উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেখেত এগৰাকী সমাজ সেৱক আৰু সংঘৰ নিষ্ঠাবান কৰ্মী।

শ্ৰীযুত পীতাম্বৰ বৰুৱা বাপে দৈয়াং আঞ্চলিক শাখাৰ সদস্য আৰু জিলা শাখাৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছে।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

শ্ৰীহেম বাঢ়ে বাপ প্ৰাথমিকৰ এগৰাকী নিষ্ঠাবান আদৰ্শ ব্যক্তি। শ্ৰীঅনিল গোহাঁই বাপে দৈয়াং আঞ্চলিকৰ সদস্য পদত সেৱা আগবঢ়া। শ্ৰীযুতা অনু গোহাঁই আইগৰাকী আঞ্চলিকৰ সদস্যা আছিল। শ্ৰীযুত গোলোক শইকীয়া কাছমাৰি প্ৰাথমিক শাখাৰ সেৱা বাহিনীৰ নায়ক হিচাপে দায়িত্ব গ্ৰহণ কৰিছে।

প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকল ঃ

দৈয়াং কাছমাৰী প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক —

১৯৮৪-৮৫ চন

সভাপতি ঃ শ্ৰীশশী শইকীয়া

সম্পাদক ঃ শ্ৰীপীতাম্বৰ বৰুৱা

১৯৮৫-৮৮

সভাপতি ঃ শ্ৰীতিলেশ্বৰ বৰুৱা

সম্পাদক ঃ শ্ৰীপীতাম্বৰ বৰুৱা

১৯৮৮-৯০

সভাপতি ঃ শ্ৰীহেম বাঢ়ে

সম্পাদক ঃ শ্ৰীপীতাম্বৰ বৰুৱা

১৯৯০-৯২

সভাপতি ঃ শ্ৰীপীতাম্বৰ বৰুৱা

সম্পাদক ঃ ৰমা গগৈ

১৯৯২-৯৬

সভাপতি ঃ শ্ৰীপীতাম্বৰ বৰুৱা

সম্পাদক ঃ শ্ৰীজীবৰাম মিলি

১৯৯৬-৯৮

সভাপতি ঃ শ্ৰীৰমা গগৈ

সম্পাদক ঃ খগেন বৰুৱা

সভাপতি ঃ শ্ৰীৰমা গগৈ

উপ-সভাপতি ঃ শ্ৰীঅনিল বৰগোঁহাই

সম্পাদক ঃ শ্ৰীখগেন বৰুৱা

সহঃ সম্পাদক ঃ শ্ৰীকৃষ্ণকান্ত বাঢ়ে

আঞ্চলিক সদস্যা ঃ শ্ৰীমতী অণু গোঁহাই

কেন্দ্ৰীয় সেৱাবাহিনীৰ সাধাৰণ

পৰিষদৰ সদস্য ঃ শ্ৰীমহেন্দ্ৰ শইকীয়া

প্ৰাথমিকৰ সেৱা বাহিনীৰ নায়ক ঃ শ্ৰীগোলোক শইকীয়া

# নৱমিলন প্ৰাথমিক শাখা(গমাৰি ৪ নম্বৰ)
## স্থাপিত –১৯৮৭ চন

প্ৰকৃতিৰ অৱদান নগাপাহাৰৰপৰা বৈ অহা দৈয়াং নদী। এইখন দৈয়াং নদীৰ পাৰতে পূব দিশত থকা অঞ্চলটোৱেই দৈয়াং বনাঞ্চল। এসময়ত বনৰীয়া জীৱ-জন্তুৱে এই অঞ্চলটো ভৰি আছিল। বৰ্ত্তমান ভাৰত তথা অসমৰ জন বিস্ফোৰণে সমগ্ৰ মানৱ জাতিটোক বিপদমুখী কৰি তুলিছে। সেই কাৰণে মানৱ জাতিয়ে নিজৰ অভাৱ অনাটন দূৰ কৰিবৰ বাবে অমূল্য সম্পদ ভৰি থকা বনাঞ্চল কাটি খেতিৰ উপযোগীকৈ মাটি প্ৰস্তুত কৰি ল'বলৈ বাধ্য হৈছে। সেই সময়ত দৈয়াং বনাঞ্চলো বাদ পৰি নগ'ল। এই দৈয়াং বনাঞ্চলতেই আছে গমাৰি বন গাওঁ। সেই সময়ৰ লোক সকলৰ মতে বৰ্ত্তমান গমাৰি মজগুৰি তিনি আলিৰ ওচৰত এজোপা ডাঙৰ গমাৰি গছ আছিল, সেই সময়ত বেদখলকাৰী মানুহবিলাকে গমাৰি গছজোপাকে জিৰণি ঠাই ৰূপে ব্যৱহাৰ কৰিছিল। কালক্ৰমত সেই গছজোপাৰপৰাই গমাৰি নামটো উৎপত্তি হৈছিল।

বৰ্ত্তমান গমাৰি গুৰি এলেকাত মিকিৰ পট্টিৰ পৰা পুলি বাগান আৰু পূব দিশে শান্তিপুৰ অৰ্থাৎ ভাস্কৰজ্যোতি মধ্য ইংৰাজী বিদ্যালয়লৈকে আৰু আনফালে দৈয়াং প্ৰগতি হাইস্কুল পৰ্যন্ত আগুৰি আছে। বৰ্ত্তমান গমাৰি বনগাৱঁৰ জনসংখ্যা চাৰি হেজাৰলৈ বৃদ্ধি পাইছে। এই অঞ্চলত এক শৰণ হৰিনাম ধৰ্মৰ প্ৰভাৱপৰা নাছিল। কেইগৰাকীমান কৃপালু বাপ বান্ধৱে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই বিলোৱা 'হৰি নামৰ প্ৰেম ৰস' এই অঞ্চললৈ কঢ়িয়াই আনিলে। সেই কেইগৰাকী লোক আছিল প্ৰয়াত ফটীক তাঁতি, গান্ধীৰাম মৰাং, শ্ৰীফনিধৰ দাস আতৈ), প্ৰয়াত ফনিধৰ। এই লোকসকলৰ চেষ্টাত গমাৰি গুৰি অঞ্চলত কেইবাটাও শিক্ষানুষ্ঠান গঢ় লৈ উঠে।

ইং ১৯৮৭ চনত গমাৰি গুৰিত নৱমিলন প্ৰাথমিক শাখা গঠন হয়। প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ২১ ঘৰ আৰু সঙ্গীৰ সংখ্যা ৪৪ জন।

প্ৰাথমিকৰ কাৰ্যনিৰ্বাহিক সমিতিৰ নাম তালিকা তলত উল্লেখ কৰা হ'ল - সভাপতিসকল ঃ সৰ্বশ্ৰী যোগেশ্বৰ বৰা (১৯৮৭-৮৯ বছৰ) ভৱকান্ত শইকীয়া (১৯৯০-৯২ বছৰ), যোগেশ্বৰ বৰা (১৯৯৩-৯৫ বছৰ), ধৰ্মেশ্বৰ গগৈ (১৯৯৬-৯৮ বছৰ),

গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

সম্পাদকসকল ঃ সৰ্বশ্ৰী যোগেন শইকীয়া, (১৯৮৭-৮৯) উপেন শইকীয়া (১৯৯০-৯২), যোগেন শইকীয়া (১৯৯৩-৯৪) ভৱকান্ত শইকীয়া (১৯৯৫-৯৭), শিশুৰাম শইকীয়া (১৯৯৬-৯৮)

শ্ৰীকাশীনাথ বৰা সাহিত্য শাখাৰ সভাপতি।

শ্ৰীনবীন শইকীয়া আঞ্চলিকৰ সদস্য।

শ্ৰীপুলিন শইকীয়া, দৈয়াং আঞ্চলিক শাখাৰ সেৱা বাহিনীৰ নায়ক। মাণ্ডলিক যুৱ সমিতিৰ প্ৰাক্তন সভাপতি আছিল।

## চন্দনপুৰ প্ৰাথমিক শাখা
### স্থাপিত ঃ ১৯৮৮ চন

১৯৫১ চনত গোলাঘাট জিলাৰ অন্তৰ্গত দৈয়াং বনাঞ্চলত বিভিন্ন ঠাইৰপৰা অহা মানুহে স্থায়ী সংস্থাপনৰ বাবে হাবি জঙ্ঘল কাটি খেতিৰ উপযোগী কৰি পতিত পথাৰক গাৱঁলৈ ৰূপান্তৰ কৰিলে। সেই সময়ত বন বিভাগে এই অঞ্চলটি ৫/৬ নং ব্লক ৰূপে চিহ্নিত কৰে। ইং ১৯৭৫ চনত এই অঞ্চলৰ মধ্য স্থানত এখন প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠা কৰা হয়। এই প্ৰাথমিক বিদ্যালয়ৰ চৌহদত এই অঞ্চলৰ বয়োজ্যেষ্ঠ ব্যক্তি শ্ৰীঘনশ্যাম বৰাদেৱে এটি চন্দন পুলি ৰোৱে আৰু প্ৰাথমিক বিদ্যালয়খনৰ নাম চন্দনপুৰ প্ৰাথমিক বিদ্যালয় নামে নামকৰণ কৰে। স্থানীয় ৰাইজে গাঁওখনৰ নামো 'চন্দনপুৰ গাঁও' হিচাপে নামকৰণ কৰে।

এই গাঁৱৰ পূবে সেউজী পথাৰ সোণোৱাল গাঁও, পশ্চিমে ৪ নং গমাৰি গুৰি গাওঁ, উত্তৰে নৰ দ বাৰিচোৱা গাওঁ আৰু দক্ষিণে শান্তিপুৰ মিচিং গাঁও। গাঁৱৰ গৃহস্থীৰ সংখ্যা ৩২ ঘৰ আৰু জন সংখ্যা প্ৰায় ২০৫ জন।

চন্দনপুৰ গাঁৱত এটা নামঘৰ, এখন প্ৰাথমিক বিদ্যালয় আৰু যুৱ সংঘ আছে। এই যুৱ সংঘৰ সভাপতি শ্ৰীচুচেন শইকীয়া সম্পাদক শ্ৰীকেশ ৰাম বৰা।

ইং ১৯৮৮ চনত চন্দনপুৰ গাঁৱৰ যুৱকসকলে নামঘৰত 'ভাগৱত পাঠ' কৰাৰ প্ৰস্তাৱ আগবঢ়াই। গাঁৱৰ বয়োজ্যেষ্ঠ লোকসকলে ভাগৱত শাস্ত্ৰ অধ্যয়ন কৰাটো অশৰণীয়া যুৱক কাৰণে শাস্ত্ৰ সন্মত নহয় বুলি বাধা আৰোপ কৰিছিল। গাঁৱৰ মুৰব্বীসকলৰ বাধা নিষেধ অগ্ৰাহ্য কৰি একাংশ যুৱকে ভাগৱত পাঠ কৰি ইয়াৰ তত্ত্ব

বুজি উঠে। তেওঁলোক ক্ৰমাত গুৰুজনাৰ প্ৰৱৰ্ত্তিত একশৰণ হৰিনাম ধৰ্মৰ প্ৰতি অনুৰাগী হৈ পৰে। তেওঁলোকে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘত অন্তৰ্ভুক্ত হোৱাৰ ইচ্ছা প্ৰকাশ কৰাত গাঁৱত তেওঁলোকক কটু সমালোচনা কৰিলে। সংঘত অন্তৰ্ভুক্ত হোৱাত দৈয়াং আঞ্চলিক শাখাৰ সভাপতি শ্ৰীটেপুৰাম চাংমাইয়ে দিহা পৰামৰ্শ আগবঢ়ায়। স্থানীয় শঙ্কৰ জেউতী প্ৰাথমিক শাখাৰ সঙ্গী আৰু দৈয়াং আঞ্চলিকৰ প্ৰাক্তন সভাপতি শ্ৰীকেশৱ ৰাজখোৱা বাপে প্ৰাথমিক গঠনত বিশেষ সহায় কৰে। ইং ১৪/১১/৮৮ তাৰিখে এই গাৱঁৰ ৭ জন যুৱকে এখন প্ৰাথমিক গঠন কৰে। প্ৰাথমিক শাখাৰ শ্ৰীপদ্মেশ্বৰ শইকীয়াক সভাপতি, শ্ৰীটংকেশ্বৰ গগৈক সম্পাদক হিচাপে লৈ এখন কাৰ্য নিৰ্বাহিক সমিতি গঠন কৰে। কেইজনমান সঙ্গীৰে গঠন কৰা প্ৰাথমিকখনৰ বৰ্ত্তমান সঙ্গী গৃহস্থীৰ সংখ্যা ২০ ঘৰ আৰু সঙ্গীৰ সংখ্যা ৩৮ জন হৈছে।

সংঘৰ প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত সঙ্গীসকল সচেতন। গুৰুজনাৰ শুদ্ধসত্ব নামধৰ্ম ধৰ্মালোচনী সভা অনুষ্ঠিত কৰি প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰে। মূল সংঘৰ আৰ্হিৰে যুব সমাৰোহ, শিশু সমাৰোহ, আইমাতৃ সমাৰোহ অনুষ্ঠিত কৰা হয়।

চন্দনপুৰ নামঘৰ নিৰ্মাণ কৰিবৰ কাৰণে শ্ৰীবুদ্ধেশ্বৰ বৰা বাপে ২ কঠা ভূমি দান দিয়ে। সঙ্গীসকলৰ পৰিশ্ৰমেৰে নামঘৰ ভাগ নিৰ্মাণ কৰা হয়। প্ৰাথমিকৰ সঙ্গী শ্ৰীটংকেশ্বৰ গগৈদেৱে 'দৈয়াং আঞ্চলিক শাখাৰ' দুটা কাৰ্যকাল সম্পাদকৰ দায়িত্ব পালন কৰে। শঙ্কৰী নৃত্য গীত চৰ্চ্চাত প্ৰাথমিকখনৰ যুৱক-যুৱতীসকল আগ্ৰহী। জিলাৰ উদ্যোগত অনুষ্ঠিত শিল্পী প্ৰশিক্ষণত যুৱক-যুৱতীসকলে অংশ লয়।

আৰম্ভণিৰপৰা প্ৰাথমিক শাখাৰ সভাপতি/সম্পাদকসকল ঃ

সভাপতি ঃ সৰ্বশ্ৰী পদ্মেশ্বৰ শইকীয়া (৫৪০/৫৪১ শঙ্কৰাব্দ)

সম্পাদক ঃ শ্ৰীটংকেশ্বৰ গগৈ

সভাপতি ঃ শ্ৰীবেনু বৰা (৫৪২/৫৪৩ শঙ্কৰাব্দ)

সম্পাদক ঃ শ্ৰীবুদ্ধেশ্বৰ গগৈ

সভাপতি ঃ পদ্মেশ্বৰ শইকীয়া (৫৪৪/৫৪৫ শঙ্কৰাব্দ)

সম্পাদক ঃ শ্ৰীলীলাধৰ ৰাজখোৱা (৫৪৪/৫৪৫ শঙ্কৰাব্দ)

সভাপতি ঃ শ্ৰীমহেন্দ্ৰ সোণোৱাল (৫৪৬/৫৪৭ শঙ্কৰাব্দ)

সম্পাদক ঃ শ্ৰীলীলাধৰ ৰাজখোৱা (৫৪৬/৫৪৭ শঙ্কৰাব্দ)

সভাপতি ঃ শ্ৰীলীলো বৰা, মহন শইকীয়া (৫৪৮/৫৪৯ শঙ্কৰাব্দ)

সম্পাদক ঃ শ্ৰীগজেন শইকীয়া (৫৪৮/৫৪৯ শঙ্কৰাব্দ)।

# গোবিন্দপুৰ প্ৰাথমিক শাখা

## গঠন —১৯৮৮ চন

দৈয়াং বনাঞ্চলৰ চৰাইমাৰী অঞ্চলৰ নিবাসী শ্ৰীডম্বৰুধৰ বৰা, পৰাগ শইকীয়া, ফণিধৰ বৰা এই তিনিজন বাপৰ প্ৰচেষ্টাত ১৯৮৭ চনৰেপৰা একশৰণ হৰিনাম ধৰ্মৰ বিষয়ে আলোচনা কৰি কীৰ্তন, ভাগৱত নামঘোষা আদি শাস্ত্ৰ পাঠৰ ব্যৱস্থাৰে সামাজিকভাৱে আলোচনা চলোৱাৰ পাছত ইং ১৯৮৮ চন(৫৩৯ শংকৰাব্দ) শ্ৰীমন্ত শংকৰদেব সংঘৰ অন্তৰ্ভুক্ত হোৱাৰ ব্যৱস্থা কৰা হয়। মুঠ ৯ ঘৰ গৃহস্থীৰে গোবিন্দপুৰ প্ৰাথমিক শাখা নামে নামকৰণ কৰি দৈয়াং আঞ্চলিকৰ অন্তৰ্ভুক্ত প্ৰাথমিক হিচাবে স্বীকৃতি লাভ কৰে।

এই নতুনকৈ স্বীকৃতি পোৱা প্ৰাথমিক ফাত সঙ্গীসকলক এক শৰণ হৰি নাম ধৰ্মৰ নীতি, সদাচাৰ সম্পৰ্কত সময়ে সময়ে ভাগৱত আদি পাঠত চৰাইমাৰী ন মাটি প্ৰাথমিক শাখাৰ বয়োজ্যেষ্ঠ সংগী শ্ৰীলালা বৰা বাপে অংশ গ্ৰহণ কৰি দিহা পৰামৰ্শ আগবঢ়াই প্ৰাথমিকৰ বাপ আইসকল আগবাঢ়ি যোৱাত সহায় কৰে। ১৯৮৮ চনৰপৰা বৰ্তমানলৈকে সভাপতি আৰু সম্পাদকসকল হ'ল —

সভাপতি ঃ সৰ্বশ্ৰী ডম্বৰুধৰ বৰা, সোনিকণ চুতীয়া, নাম চুতীয়া, বুদ্ধেশ্বৰ ঠেঙাল আৰু বৰ্তমান নাম চুতীয়া।

সম্পাদক ঃ সৰ্বশ্ৰী ভাইটি শইকীয়া, পিটি দুৱৰা, ডিম্বেশ্বৰ শইকীয়া, পিটি দুৱৰা আৰু বৰ্তমান তৰুণ বৰা। বৰ্তমান গৃহস্থীৰ সংখ্যা ১৩ ঘৰ। সঙ্গীৰ সংখ্যা ২৬ জন।

প্ৰাথমিক শাখা গঠন হোৱাৰ পিছৰপৰাই সভাপতি সম্পাদককে ধৰি সঙ্গী বাপসকলে গুৰুজনাৰ ধৰ্মাদৰ্শ, সাহিত্য-সংস্কৃতি, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শ, প্ৰচাৰ-প্ৰসাৰৰ দিশত মনোনিৱেশ কৰি আহিছে। শিশু, যুবক-যুৱতীসকলক গুৰুমুখী কৰি গুৰু পৰিচয়, শিশু সমাৰোহ, যুব সমাৰোহ আৰু আইমাতৃ সমাৰোহ অনুষ্ঠিত কৰি মহাপুৰুষীয়া ধৰ্ম সংস্কৃতি, মূল সংঘৰ লক্ষ্য উদ্দেশ্য, প্ৰচাৰ-প্ৰসাৰত অৰিহণা যোগাইছে।

# দয়ালপুৰ প্ৰাথমিক শাখা

## স্থাপিত ঃ ১৯৯০ চন

বৰ্দ্ধিত জনসংখ্যা আৰু অভাৱৰ তাড়নাত পৰি তিতাবৰ অঞ্চলৰ কিছুলোকে দৈয়াং বনাঞ্চলৰ তৰানি অঞ্চলত হাবি ভাঙি নিগাজিকৈ থাকিবলৈ লয়। এই গাঁৱৰ নাম তৰানি টংকীয়া। এই গাঁৱৰে শ্ৰীডিম্ব চুতীয়া, অতুল শইকীয়া, মইনা গগৈ আদিৰ প্ৰচেষ্টাত দৈয়াং আঞ্চলিক শাখাৰ প্ৰাক্তন সভাপতি শ্ৰীটেপুৰাম চাংমাই, সম্পাদক শ্ৰীচন্দ্ৰ বৰা, গান্ধীৰাম লহিং, আদিৰাম চাংমাই বাপৰ উপস্থিতিত এখন ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। উক্ত সভাত(১৯৯০ চনত) শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এটি শাখা গঠন কৰা হয়। প্ৰাথমিক শাখাৰ নাম দয়ালপুৰ প্ৰাথমিক। প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ১০ ঘৰ সঙ্গী ৩০ গৰাকী।

গাঁৱৰ সকলো মানুহ কৃষিজীৱী। এখন প্ৰাথমিক বিদ্যালয়ৰ বাহিৰে অন্য অনুষ্ঠান নাই। প্ৰাথমিক গঠনৰ সময়ত সভাপতি সৰ্বশ্ৰী ডিম্ব চুতীয়া, উপ সভাপতি মইনা গগৈ, সম্পাদক অতুল শইকীয়া, সহকাৰী সম্পাদক প্ৰদীপ বৰা, সদস্য ভুৱন বৰা, বিমান গগৈ আছিল। বৰ্ত্তমান কাৰ্যনিৰ্বাহক সভাৰ বিষয়ববীয়াসকল সৰ্বশ্ৰী বিমান গগৈ, সভাপতি, প্ৰদীপ বৰা সম্পাদক।

# মাধৱ মিলন প্ৰাথমিক শাখা

## বিশ্ৰামপুৰ দৈয়াং

## স্থাপিত ঃ –১৯৯২ চন

দৈয়াং বন গাঁৱৰ অন্তৰ্গত তৰানি গাঁও পঞ্চায়ত এলেকাৰ বিশ্ৰামপুৰ এখন নৱগঠিত গাঁও। তৰানি বনগাৱঁত জীৱিকাৰ সন্ধানত গোলাঘাট জিলাৰ বিভিন্ন প্ৰান্তৰপৰা বহুলোক আহি বসবাস কৰিবলৈ লয়। এই লোকসকলৰ লগতে শ্ৰীযুত অতুল হাজৰিকা নামৰ এজন ফকিৰে আহি এই অঞ্চলত এখন আশ্ৰম পাতে। দুপৰীয়া গধূলি এই আশ্ৰমত বহুলোকৰ সমাগম হয়। লোকসকলৰ জিৰণিৰ স্থান হোৱাত এই গাঁৱৰ নাম 'বিশ্ৰামপুৰ' নামে জনা যায়। এই গাঁৱৰ উত্তৰে বনোৱা টঙীয়া, দক্ষিণে কল্যাণপুৰ, পূবে মাজগাঁও, পশ্চিমে সেউজী পথাৰ। এই গাঁৱৰ জনসংখ্যা প্ৰায় ৫০০ জন।

গাঁৱৰ বিভিন্ন অনুষ্ঠানত আগভাগ লোৱা ব্যক্তিসকল হ'ল সৰ্বশ্ৰী নোমল চন্দ্ৰ গগৈ প্ৰধান শিক্ষক মিলিত তৰানি এম ই স্কুল, দিবন গগৈ প্ৰধান শিক্ষক তৰানি ছোৱালী এম ই স্কুল, ভুবন সোণোৱাল, শিক্ষক নুৰেন গগৈ সহকাৰী শিক্ষক তৰানি সেউজী পথাৰ এম ই স্কুল। পুন্যেশ্বৰ হাজৰিকা চৰকাৰী চাকৰিয়াল, শ্ৰীআদিৰাম চাংমাই প্ৰাক্তন কাউন্সিলৰ, শ্ৰীবিপিন চন্দ্ৰ শইকীয়া প্ৰাঃ কাইন্সিলৰ। শ্ৰীমহেন্দ্ৰ বৰা গাঁৱৰ গাঁওবুঢ়া।

ইং ১৯৯২ চনত বিশ্ৰামপুৰ গাঁৱক কেন্দ্ৰ কৰি মাধৱ মিলন প্ৰাথমিক শাখা গঠন হয়। প্ৰাথমিকখন গঠন হোৱাত বৈষ্ণৱপুৰ প্ৰাথমিক শাখাৰ সঙ্গী সৰ্বশ্ৰী আদিৰাম চাংমাই, প্ৰিয়ৰাম চাংমাই, ৰজনী চাংমাই থগিৰাম বৰা আদিয়ে ভাগৱত পাঠ অনুষ্ঠান অনুষ্ঠিত কৰি প্ৰচাৰৰ জৰিয়তে অনুপ্ৰেৰণা যোগাইছিল। বৰ্ত্তমান প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ২২ ঘৰ, সঙ্গী ৩৫ জন।

প্ৰাথমিকখনৰ প্ৰতিষ্ঠাপক সভাপতি শ্ৰীকেহোৰাম চাংমাই, সম্পাদক শ্ৰীপ্ৰিয়ৰাম চাংমাই। (১৯৯২-৯৪ চন) ১৯৯৫-৯৭ চনৰ কাৰ্যকালত সভাপতি শ্ৰীবালিৰাম বৰা, সম্পাদক শ্ৰীআদিৰাম চাংমাই। বৰ্ত্তমান শ্ৰীবালিৰাম বৰা আৰু শ্ৰীপ্ৰিয়ৰাম চাংমাইয়ে ক্ৰমে সভাপতি আৰু সম্পাদক হিচাবে কাৰ্যনিৰ্বাহিক কৰি আছে।

# অযোধ্যাপুৰ প্ৰাথমিক শাখা

## গঠন —১৯৯৪ চন

গোলাঘাট জিলাৰ অন্তৰ্গত দৈয়াং বনাঞ্চলত মেৰাপানী এখন সৰু চহৰ। মেৰাপানীৰপৰা পূবলৈ প্ৰায় ২ কিলোমিটাৰ দুৰত নেঘেৰি বিল নামেৰে এখনি গাঁও আছে। এই গাঁৱৰ মাজেদি পূবা পশ্চিমাকৈ এটা গড়কাপ্তানি পথ গৈছে। এই গাঁৱৰ নামৰ উৎপত্তি সম্পৰ্কে কিংবদন্তি আছে। ইয়াত বিভিন্ন জাতি উপজাতিৰ মানুহে বসবাস কৰে। এই গাঁৱত দুখন প্ৰাথমিক বিদ্যালয়, এটি নামঘৰ, এটি পুথি ভঁৰাল আছে। গাঁওখনৰ জনসংখ্যা প্ৰায় পাঁচ হেজাৰৰ অধিক। শ্ৰীদেবেশ্বৰ নাথ, প্ৰয়াত ৰূপেশ্বৰ নাথ, শ্ৰীলোক নাথ বৰা, শ্ৰীৰূপাই শইকীয়া, শ্ৰীমণিৰাম শইকীয়া, শ্ৰীৰুদ্ৰেশ্বৰ নাথ, শ্ৰীহেমধৰ নাথ, শ্ৰীলোকেশ্বৰ নাথ, শ্ৰীহেমকান্ত নাথ, শ্ৰীকলাৰাম নাথ, শ্ৰীসোমেশ্বৰ হাজৰিকা, শ্ৰীকণ ৰাম নাথ আদি ব্যক্তিসকলৰ অশেষ চেষ্টাৰ ফলত গাঁৱত বিভিন্ন অনুষ্ঠান গঢ় লৈ উঠিছিল।

১৯৭০ চনত কেইগৰাকীমান ব্যক্তিৰ যত্নত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৰামপুৰ প্ৰাথমিক শাখা গঠন হয়। কালক্ৰমত সঙ্গী গৃহস্থীৰ সংখ্যা বৃদ্ধি হোৱাত ৰামপুৰ প্ৰাথমিক শাখাৰ একাংশ সঙ্গীৰে এখন নতুন প্ৰাথমিক শাখা গঠন হয়। প্ৰাথমিকখনৰ নামকৰণ কৰা হয় অযোধ্যাপুৰ প্ৰাথমিক শাখা, গঠন হয় ১৯৯৪ চনত। প্ৰাথমিকখন গঠন হোৱাত সৰ্বশ্ৰীলোক নাথ বৰা, মণিৰাম শইকীয়া, দেবেশ্বৰ নাথ, লোকেশ্বৰ নাথ, হেম নাথ, থানেশ্বৰ নাথ আদি ব্যক্তিসকলৰ ভূমিকা উল্লেখযোগ্য। বৰ্ত্তমান প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ১০ ঘৰ আৰু সঙ্গী ২৭ গৰাকী।

ৰামপুৰ প্ৰাথমিক আৰু অযোধ্যাপুৰ প্ৰাথমিক শাখাৰ জন্ম লগ্নৰপৰা যিগৰাকী ব্যক্তিয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল সেই গৰাকী হ'ল প্ৰয়াত ৰূপেশ্বৰ নাথ। তেখেত ১৯৩৫ চনত ফৰকাটিং নগৰৰ তিৰুৱাল নাথ গাঁৱত এটি কৃষক পৰিয়ালত জন্ম হৈছিল। তেখেত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী একনিষ্ঠ সঙ্গী। এই অঞ্চলত গুৰুজনাৰ প্ৰৱৰ্ত্তিত নৱ বৈষ্ণৱ ধৰ্মৰ বিষয়ে প্ৰচাৰ কৰি সংঘৰ প্ৰসাৰতা বৃদ্ধি কৰাত অশেষ চেষ্টা কৰিছিল। ১৯৯০ চনত তেখেত পৰলোক প্ৰাপ্তি হয়।

প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত প্ৰাথমিকখনে শিশু সমাৰোহ, যুৱ সমাৰোহ, আইমাতৃসমাৰোহ অনুষ্ঠিত কৰিছে।

প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকল —

সভাপতিসকল ঃ শ্ৰীলোকনাথ বৰা, দেবেশ্বৰ নাথ।

উপ-সভাপতিসকল ঃ শ্ৰীদেবেশ্বৰ নাথ, হৰেশ্বৰ নাথ।

সম্পাদকসকল ঃ শ্ৰীলোকেশ্বৰ নাথ, শ্ৰীহেম নাথ।

সহ ঃ সম্পাদক ঃ শ্ৰীহেম নাথ, ৰূপাই শইকীয়া।

# নৱ বৈষ্ণৱ প্ৰাথমিক শাখা, শোৱন গাঁও

## দৈয়াং আঞ্চলিক

## স্থাপিত ঃ ১৯৯৪ চন

শোৱন গাওঁ দৈয়াং বনাঞ্চলৰ এখন গাওঁ। ১৯৬০ চনত এই গাওঁখনি থকা ঠাইখনি হাবি জংঘলে ভৰি আছিল। চৰকাৰী সংৰক্ষিত বন অঞ্চলত বিভিন্ন ঠাইৰ লোকসকল আহি বনাঞ্চলৰ মাটি দখল কৰি খেতি কৰে। এনেকৈ দখল কৰা লোকসকলে মিলি এই গাওঁ গঠন কৰে। সমাজবাদী নেতা প্ৰাক্তন কৃষি মন্ত্ৰী শ্ৰীসোণেশ্বৰ বৰাই এই গাওঁ গঠনত অৰিহণা যোগাইছিল। গাওঁখন অতিকৈ ধুনীয়াকৈ গঠন কৰা বাবে এই গাঁৱক শোৱন গাঁও নাম দিয়া হয়।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

এই গাৱঁৰ উত্তৰে বাৰিছোৱা পতি, দক্ষিণে ২ নং শোৰুন গাওঁ, পূবে মেৰাপানী চহৰ আৰু পশ্চিমে চাওদাং পথাৰ তিনিআলি। জনসংখ্যা ১০০০ জনৰ অধিক।

১৯৯৪ চনত এই গাৱঁত শ্ৰীমন্ত শঙ্কৰ দেৱ সংঘৰ সাংবিধানিক নীতি আৰু আদৰ্শৰে নৱ বৈষ্ণৱ প্ৰাথমিক শাখাটি গঠন হয়। এই প্ৰাথমিক শাখাটি দৈয়াং আঞ্চলিকৰ অন্তৰ্ভুক্ত। গৃহস্থীৰ সংখ্যা ১৪ ঘৰ। প্ৰাথমিকখন গঠনত শ্ৰীমানিক বৰা, শ্ৰীদেৱকান্ত বৰা আৰু শ্ৰীহেম শইকীয়াৰ নাম উল্লেখ কৰিব পাৰি। তদুপৰি প্ৰাথমিকৰ বিশিষ্ট সঙ্গীসকলৰ ভিতৰত শ্ৰীনিৰ্ম্মল শইকীয়া, শ্ৰীনগেন কছাৰী, শ্ৰীবেনধৰ কছাৰীৰ নাম স্মৰণীয়।

প্ৰাথমিকৰ সঙ্গীসকলৰ সৰহ সংখ্যক খেতিয়ক। ভৈয়াম জনজাতি লোকৰ সংখ্যা বেছি। শিক্ষা-দীক্ষাত যথেষ্ট আগবঢ়া ব্যক্তিও প্ৰাথমিকত আছে। লোকসকল গুৰুধৰ্মৰ প্ৰতি আগ্ৰহী আৰু অনুষ্ঠানৰ প্ৰতি অনুগত্য।

# অৰুণজ্যোতি প্ৰাথমিক শাখা

## স্থাপিত ঃ ১৯৯৪ চন

দৈয়াং নদীৰ পাৰত অৱস্থিত চৰাইমাৰী অঞ্চলত ফৰকাটিং বৰহোলা আদি ঠাইৰপৰা অহা লোকসকলে জীৱিকাৰ তাড়নাত পৰি মাটি ভাঙি নিগাজিকৈ থাকিবলৈ লয়। এই ঠাইডোখৰলৈ তৰানি, গমাৰি আৰু চাউদাং পথাৰৰ পৰাও মানুহ আহি থাকিবলৈ লয়। সময়ৰ লগে লগে এই অঞ্চলত বসবাস কৰা মানুহখিনিয়ে নিজৰ গাঁওখনৰ নাম --''চৰাইমাৰী ন-মাটি গাঁও' ৰাখিলে।

বৰ্ত্তমান চৰাইমাৰী ন-মাটি গাঁৱৰ লোকস্থিতি ১৫০ ঘৰ। তাৰ ভিতৰত মহাপুৰুষীয়া ধৰ্মত চলা লোকৰ সংখ্যাই অধিক বুলি ক'লেও অত্যুক্তি কৰা নহয়। এই গাঁৱৰ নিবাসী সৰ্বশ্ৰী পুন্যেশ্বৰ শইকীয়া, ভোগেশ্বৰ শইকীয়া, নৰেন বৰুৱা, তিলেশ্বৰ বৰুৱা বাপৰ প্ৰচেষ্টাত দৈয়াং আঞ্চলিকৰ অনুসন্ধান সমিতিৰ সভাপতি শ্ৰীনবীন বৰা, উপ-সভাপতি শ্ৰীসত্য নাৰায়ণ পাঠৰি, সম্পাদক শ্ৰীটংকেশ্বৰ গগৈ বাপৰ প্ৰেৰণাত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ আদৰ্শ, উদ্দেশ্য আৰু লক্ষ্য আগত ৰাখি 'অৰুণজ্যোতি প্ৰাথমিক শাখা' নামকৰণেৰে এটি শাখা গঠন কৰা হয়। বৰ্ত্তমান প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ১০ ঘৰ আৰু সঙ্গী ৩৫ গৰাকী। ১৯৯৪ চনত অৰুণজ্যোতি

প্ৰাথমিক শাখাই জিলা শাখাৰপৰা স্বীকৃতি লাভ কৰে।

গাওঁখনত এখন বে-চৰকাৰী আৰু চৰকাৰী প্ৰাথমিক বিদ্যালয় আছে। এখন এম ই স্কুল প্ৰতিষ্ঠা কৰা হৈছে। লগতে গাঁৱত মহিলা সমিতি আৰু যুৱক সংঘই সকলো উন্নয়নমূলক কামত সহযোগ কৰিছে। গাঁওখনৰ সকলো মানুহেই কৃষিজীৱী। বৰ্ত্তমান গাঁৱৰ আৰ্থ সামাজিক দিশত কিছু পৰিবৰ্ত্তন আনিবলৈ সক্ষম হৈছে।

প্ৰাথমিক শাখাটিৰ জন্ম লগ্নৰেপৰা জড়িত পুন্যেশ্বৰ শইকীয়া ৭০ বছৰ বয়সত ১৯৯৬ চনত বৈকুণ্ঠগামী হয়। প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকল ক্ৰমে--
১৯৯৪/৯৭ চন ঃ সভাপতি শ্ৰীতিলেশ্বৰ বৰুৱা, উপ-সভাপতি শ্ৰীভোগেশ্বৰ শইকীয়া, সম্পাদক —নগেন বৰুৱা, সহঃ সম্পাদক -শ্ৰীনৰেন বৰুৱা।
১৯৯৭/৯৯ চন ঃ সভাপতি শ্ৰীপদ্মেশ্বৰ গগৈ, উপ- সভাপতি শ্ৰীতিলেশ্বৰ বৰুৱা, সম্পাদক —শ্ৰীকেশৱ শইকীয়া, সহঃ সম্পাদক শ্ৰীকুমুদ বৰুৱা, সদস্য—শ্ৰীপুতুল শইকীয়া, ভোগেশ্বৰ শইকীয়া, উমেশ শইকীয়া, নিৰেন শইকীয়া, লক্ষ্যেশ্বৰ শইকীয়া, কেশ বৰা, নগেন বৰুৱা।

# নৰজ্যোতি কৰুণাময় প্ৰাথমিক শাখা
## (পঞ্জীয়ন নং -২২/৬২-৬৩)
## স্থাপিত —১৯৯৫ চন

দৈয়াং অঞ্চলৰ অন্তৰ্গত তৰানি গাওঁখন পূৰ্বতে হাবিবন গছ-গছনিৰে আৰু বনৰীয়া জীৱজন্তুৰে ভৰপূৰ হৈ আছিল। ১৯৫৯ চনত মাননীয় অসমৰ মুখ্যমন্ত্ৰী প্ৰয়াত বিমলা প্ৰসাদ চলিহাদেৱৰ চৰকাৰৰ সিদ্ধান্ত ক্ৰমে এই সংৰক্ষিত এলেকাৰ হাবি বন কাটি বিভিন্ন জাতি জনজাতি বসবাস কৰিবলৈ আৰম্ভ কৰে। এই অঞ্চলটি তৰা গছেৰে ভৰপূৰ আছিল কাৰণে গাঁওখন তৰানি নামে নামকৰণ কৰা হয়।

এই গাঁৱৰ পূবে কাকডোঙা নদী, পশ্চিমে মক্ৰং বাগান, উত্তৰে বৰকছাৰি গাঁও আৰু দক্ষিণে নগা পাহাৰ। তৰানি অঞ্চলৰ জনসংখ্যা প্ৰায় সাত-আঠ হেজাৰ হব।

১৯৮৩ চনত মধ্য ঘিলাধাৰীৰ ফুকন টোল প্ৰাথমিকৰ সঙ্গী শ্ৰীতুলন ফুকনদেৱে শ্ৰীৰত্নেশ্বৰ বৰা, শ্ৰীচণ্ডিৰাম বৰা, শ্ৰীটিপেশ্বৰ গগৈ আৰু শ্ৰীধৰ্মেশ্বৰ বৰাৰ লগত মহাপুৰুষীয়া ধৰ্মৰ বিষয়ে চৰ্চ্চা কৰে। দহঘৰ গৃহস্থীক লৈ বনমালী প্ৰাথমিক শাখা গঠন কৰা হয়। প্ৰায় বাৰ বছৰৰ পিছত ১৯৯৫ চনত বনমালী প্ৰাথমিকৰ

ছয় গৰাকী সঙ্গীক লৈ কেইগৰাকীমান নতুন সঙ্গীৰে 'নৰজ্যোতি করুণাময় প্ৰাথমিক শাখা' গঠন কৰা হয়।

এই অঞ্চলৰ মানুহৰ জীৱিকাৰ প্ৰধান উপায় কৃষি। শিক্ষাৰ ক্ষেত্ৰত আশানুৰূপভাৱে আগবাঢ়িব পৰা নাই। প্ৰাথমিক শাখাৰ কাৰ্যনিৰ্বাহক সভাৰ বিষয়ববীয়া আৰু সদস্যসকলৰ নাম যথাক্ৰমে ১৯৯৫ চনৰপৰা ১৯৯৭ চনলৈকে শ্ৰীসোণেশ্বৰ বৰা সভাপতি, শ্ৰীটিপেশ্বৰ গগৈ উপসভাপতি, শ্ৰীসোমেশ্বৰ বৰা, সম্পাদক, শ্ৰীগোলাপ গগৈ, সহ-সম্পাদক। সদস্যসকল সৰ্বশ্ৰী ৰোমেশ্বৰ চুতীয়া, যুগল হাজৰিকা, যোগেন বৰা, পিটি শইকীয়া, কমলা গগৈ, পদ্মেশ্বৰ হাজৰিকা, লক্ষী হাজৰিকা, ধৰ্মেশ্বৰ হাজৰিকা, মহেন্দ্ৰ বৰাই কাৰ্য নিৰ্বাহ কৰে। ১৯৯৮ চনৰ কাৰ্যনিৰ্বাহক সমিতি সৰ্বশ্ৰী টিপেশ্বৰ গগৈ সভাপতি, ৰত্নেশ্বৰ বৰা উপ সভাপতি, গোলাপ গগৈ সম্পাদক, যুগল হাজৰিকা সহ- সম্পাদক, সদস্যসকল সৰ্বশ্ৰী ৰোমেশ্বৰ চুতীয়া, যোগেন বৰা, মহেন্দ্ৰ বৰা, পিটি শইকীয়া, পদ্মেশ্বৰ হাজৰিকা, লক্ষী হাজৰিকা, কমলা গগৈ, ধৰ্মেশ্বৰ হাজৰিকা, সোণেশ্বৰ বৰা। গাঁৱৰ বিশিষ্ট প্ৰয়াত ব্যক্তি হেলচি বৰাই গুৰুজনৰ ধৰ্ম প্ৰচাৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। শ্ৰীটিপেশ্বৰ গগৈয়ে বিভিন্ন শাস্ত্ৰ অধ্যয়ন কৰি শংকৰদেৱৰ আদৰ্শ প্ৰচাৰত মনোনিবেশ কৰে। তেখেতে মক্ৰং বাগানৰ চাহ-জনজাতিৰ মাজত 'মাধৱগুৰু প্ৰাথমিক' আৰু 'দয়ালপুৰ প্ৰাথমিক' দুখন গঠন কৰে।

## কৃপাময় প্ৰাথমিক শাখা

### স্থাপিত ঃ ১৯৯৫ চন

উত্তৰে চাউদাং পথাৰ বাৰিচোৰা আৰু বিজয়পুৰ, দক্ষিণে আঠ গাঁও আৰু চলংপথাৰ, পূবে শোভন গাঁও আৰু নৱগ্ৰাম, পশ্চিমে চাউদাং পথাৰৰ দ-চুক আৰু তৰাণী সাপেখাটি। এই মাজৰ ঠাই খণ্ডক আমগুৰি(চুক) গাঁও। এই অঞ্চলতে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ শাখা 'কৃপাময় প্ৰাথমিক' নামকৰণেৰে গঠিত হয়।

এই গাঁওখনৰ নামকৰণ সম্পৰ্কে এটি কাহিনী শুনা যায়। বহু বছৰৰ আগত এই অঞ্চল ডাঠ হাবি জঙ্ঘলেৰে ভৰি আছিল। ইয়াত প্ৰকাণ্ড এজোপা আমগছ আছিল। এই গছজোপা নিৰীক্ষণ কৰিয়েই বাটকৰা, হাতী চিকাৰি, পছ চিকাৰিসকলে দিশ-নিৰ্ণয় কৰিছিল। কালক্ৰমত বিভিন্ন ঠাইৰপৰা ভূমিহীন লোকসকল আহি আমগছ জোপাৰ ওচৰে পাজৰে বসবাস কৰিবলৈ ধৰে; পিচত আমগুৰি(চুক) গাঁও নামেৰে জনাজাত হ'ল। এই অঞ্চলত এখন প্ৰাথমিক বিদ্যালয়, এখন মধ্য ইংৰাজী বিদ্যালয়,

শঙ্কৰজ্যোতি পুথিভঁৰাল নামেৰে বিভিন্ন অনুষ্ঠান গঢ়লৈ উঠিছে। গাঁৱৰ বৰ্তমান গৃহস্থীৰ সংখ্যা ৯৯ ঘৰ।

১৯৯৫ চনত(৫৪৬ শঙ্কৰাব্দ) ১৪ ঘৰ গৃহস্থীৰে কৃপাময় প্ৰাথমিক শাখা গঠন কৰা হয়। প্ৰাথমিক শাখাৰ কাৰ্যনিৰ্বাহিক সমিতিৰ সদস্যসকল হ'ল—(১৯৯৫ চন বছৰৰ বাবে) সৰ্বশ্ৰী ডম্বৰুধৰ বৰা সভাপতি, নৰ বৰা উপসভাপতি, জগত গগৈ সম্পাদক, সোণেশ্বৰ বৰা সহঃ সম্পাদক, সদস্য সৰ্বশ্ৰী ৰঙাই বৰা, বলোৰাম বৰা, পুনা বৰা, বনগুটি বৰা, দেৱ কছাৰী। উপদেষ্টা ঃ ভূবন গগৈ, শ্ৰীপ্ৰদেশ্বৰ গগৈ।

১৯৯৭/৯৮ চনৰ কাৰ্যনিবাহিক সমিতি ঃ

সৰ্বশ্ৰী ভূবন গগৈ সভাপতি, পোনা বৰা উপ-সভাপতি, জগত গগৈ সম্পাদক, দিলীপ পেগু-সহঃসম্পাদক, সদস্যসকল-সৰ্বশ্ৰী নৰকান্ত বৰা, দেৱ কছাৰী, বলোৰাম বৰা, কেতেকু চুতিয়া, ৰাজেন বৰা, শ্ৰীমতী জিতা বৰা, শ্ৰীমতী তিল কছাৰী।

এই অঞ্চলৰ মানুহৰ প্ৰধান জীৱিকাৰ উপায় কৃষি। ধান, আলু, কচু আদি উৎপাদিত সামগ্ৰী উৎপাদন হয়। মানুহখিনিয়ে নিজৰ অঞ্চলটোৰ উন্নতি সাধন কৰাৰ উপৰিও দেশৰ উন্নতিকল্পে ৰাজনীতি, ধৰ্মনীতি তথা সমাজ সংগঠনত মনোনিবেশ কৰি আহিছে। গুৰুজনাৰ আদৰ্শেৰে এটি নামঘৰ নিৰ্মাণ কৰি গুৰুৰ প্ৰৱৰ্ত্তিত কৃষ্টি অনুশীলন কৰি বৰ্তমান শুদ্ধ সত্ৰ সমাজ গঠনৰ প্ৰক্ৰিয়াত সকলো মানুহ ব্ৰতী হৈছে।

# অৰুণোদয় প্ৰাথমিক শাখা

## স্থাপিত —১৯৯৫ চন

গোলাঘাট জিলাৰ লক্ষীবাৰী অঞ্চলৰ ২ নং বৰজান, লক্ষীজুৰি, ১ নং জামুগুৰি আৰু ২ নং জামুগুৰি গাঁৱৰ কেইঘৰমান গৃহস্থীক লৈ ইং ১৯৯৫ চনত শ্ৰীগণেশ নাথ আৰু শ্ৰীভূপেন বৰাদেৱৰ আহ্বান ক্ৰমে এখনি সভাত 'অৰুণোদয় প্ৰাথমিক শাখা' গঠন কৰা হয়। আৰম্ভণিতে এই প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ১০ ঘৰ আৰু সঙ্গীৰ সংখ্যা ২৬ জন আছিল। বৰ্তমান অৰুণোদয় প্ৰাথমিক শাখাৰ গৃহস্থীৰ সংখ্যা ১৪ ঘৰ আৰু সঙ্গীৰ সংখ্যা ৩৫ জন।

প্ৰাথমিক শাখাৰ নামঘৰ ভাগ ২ নং বৰজান গাঁৱত নিৰ্মাণ কৰা হয়। সেয়ে গাঁৱৰ ইতিবৃত্ত হিচাপে ২ নং বৰজান গাঁৱৰ চমু পৰিচয় দিয়া হ'ল। এটি 'ডাঙৰ জান'ৰ নামেৰে এই অঞ্চলটি বৰজান বুলি জনা যায়। গাঁৱৰ দক্ষিণ অংশত এই জানৰ অৱস্থিতি। প্ৰায় ৫০ বছৰৰ আগতে এই অঞ্চললৈ গোলাঘাট জিলাৰ বিভিন্ন

ঠাই ঢেকীয়াল, এলেঙি, কমাৰ বন্ধা আদিৰপৰা মানুহ আহি বসবাস কৰিবলৈ লয়। এই লোকসকলে এই গাঁৱৰ নাম 'বৰজান'ৰ আখ্যাৰে বৰজান গাঁও নামকৰণ কৰে। ২ নং বৰজান গাঁৱত প্ৰায় ১২০ ঘৰ মানুহ আছে। ইয়াৰ পূব সীমাত ঘিলাধাৰী নদী আৰু ১ নং বৰজান গাঁও, উত্তৰে হাতীগড় মাটিখোলা আৰু চাহ বাগিচা, পশ্চিমত লক্ষীজুৰি গাঁও আৰু লক্ষীবাৰী চাহ বাগিচা, দক্ষিণত দৈয়াং বনাঞ্চল আৰু লক্ষীবাৰী চাহ বাগিচা। সকলো মানুহেই কৃষিজীৱী। চৰকাৰী চাকৰি কৰা লোকৰ সংখ্যা নগণ্য।

এই গাঁৱত এখন প্ৰাথমিক বিদ্যালয়, এখন মধ্য ইংৰাজী বিদ্যালয়, এখন উচ্চ মাধ্যমিক বিদ্যালয় আছে। ইয়াৰ উপৰি স্থানীয় ৰাইজে গঢ়ি তোলা নামঘৰ, যুৱ সংঘ আদি সামাজিক অনুষ্ঠান আছে। শ্ৰীলক্ষ্যেশ্বৰ দত্ত বাপে তেখেতৰ পৰিয়ালে নিৰ্মাণ কৰা 'নামঘৰ ভাগি' দেউতাক প্ৰয়াত অনন্ত দত্ত দেৱৰ স্মৃতিত প্ৰাথমিক শাখাক দান দিয়ে। লগতে এবিঘা মাটি নাৰিকলৰ গছ, তামোল পাণ গছসহ দান দিয়ে।

প্ৰাথমিকৰ কাৰ্যনিৰ্বাহিক সভাৰ সদস্যসকল সৰ্বশ্ৰী ভূপেন বৰা সভাপতি, গণেশ নাথ সম্পাদক, লক্ষ্যেশ্বৰ দত্ত উপ-সভাপতি, সদস্যসকল —শ্ৰীপ্ৰবীণ ডেকা, শ্ৰীবলিন নাথ, কনক নাথ, মানিক কলিতা।

# অজামিল প্ৰাথমিক শাখা

## দৈয়াং

## স্থাপিত ঃ ১৯৯৮ চন

১৯৯৮ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ আৰ্হিৰে অজামিল প্ৰাথমিক শাখা গঠন কৰা হয়। প্ৰাথমিক শাখাটিৰ সঙ্গীসকলে শ্ৰীগুণাৰাম শইকীয়া আৰু শ্ৰীডিম্বেশ্বৰ শইকীয়াদেৱে দান দিয়া একঠা মাটিত গুৰুজনৰ আদৰ্শেৰে এটি নামঘৰ নিৰ্মাণ কৰে। ইং ২/১০/৯৮ তাৰিখে গুৰু আসন প্ৰতিষ্ঠা কৰা হয়। বৈষ্ণৱপুৰ প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীটেপুৰাম চাংমাই বাপৰ পৰিযত্নত অজামিল প্ৰাথমিক শাখাই পূৰ্ণাঙ্গ ৰূপ লাভ কৰে। বৰ্ত্তমান প্ৰাথমিকৰ সঙ্গী গৃহস্থী ২৩ ঘৰ, সঙ্গীৰ সংখ্যা ৫৪ গৰাকী।

প্ৰাথমিকখন পৰিচালনাত শ্ৰীযুত ইন্দ্ৰেশ্বৰ গগৈ আৰু শ্ৰীযুত নন্দেশ্বৰ গগৈ বাপে ক্ৰমে সভাপতি আৰু সম্পাদক হিচাবে কাৰ্যনিৰ্বাহ কৰি আছে।

# পদ্মপুৰ প্ৰাথমিক(দৈয়াং) শাখা

## স্থাপিত ঃ ১৯৯৮ চন

নগা পাহাৰৰ নামনি অংশত বসবাস কৰা মিচিং লোকসকলৰ সমষ্টিয়েই নেঘেৰি বিল মিচিং গাঁও। এই গাঁৱৰে সচেতন, বিজ্ঞব্যক্তি সৰ্বশ্ৰী বেঞ্চি নৰহ আৰু মুখ্যেশ্বৰ নৰহৰ তৎপৰতাত গাঁৱৰ সকলো গৃহস্থীকে একত্ৰিত কৰি এভাগ সভা অনুষ্ঠিত হয়। গোলাঘাট জিলা শাখাৰ বৰ্ত্তমান সহকাৰী সম্পাদক শ্ৰীযুত সত্য নাৰায়ন পাঠৰি বাপো সভাত উপস্থিত আছিল। সভা ভাগত মিচিং সম্প্ৰদায়ৰ ধৰ্ম, সংস্কৃতি আৰু মহাপুৰুষীয়া ধৰ্ম, সাহিত্য, কলা-কৃষ্টিৰ বিষয়ে তুলনামূলক আলোচনা কৰা হয়। দৈয়াং আঞ্চলিক শাখাৰ সম্পাদক বাপ শ্ৰীযুত বকুল বৰা বাপেও সভাত যোগদান কৰে। উপস্থিত সমূহ ৰাইজৰ একান্ত ইচ্ছাৰ সাপেক্ষে এই সভাতেই 'পদ্মপুৰ' প্ৰাথমিক শাখা নামকৰণেৰে সৃষ্টি হ'ল এভাগি নতুন প্ৰাথমিক। গুৰুধৰ্ম প্ৰচাৰ-প্ৰসাৰত জনজাতীয় লোকসকলৰ মাজত এই প্ৰাথমিক ভাগে যথেষ্ট অৰিহণা যোগাইছে। এঘাৰ ঘৰ গৃহস্থীৰে এই প্ৰাথমিক ভাগ গঠিত হৈছে।

প্ৰাথমিক শাখাৰ কাৰ্য্যনিৰ্বাহিক সমিতি

সভাপতি ঃ শ্ৰীবদন চুতীয়া

উপ-সভাপতি ঃ শ্ৰীবেঞ্চি নৰহ

সম্পাদক ঃ শ্ৰীবিষ্টু পাও

সহ সম্পাদক ঃ শ্ৰীৰাজেন নৰহ

এই অঞ্চলৰ প্ৰাথমিক শিক্ষাৰ বাবে এখনি প্ৰাথমিক বিদ্যালয়, ধৰ্মীয় অনুষ্ঠান হিচাবে এটি মৰংঘৰ আছে।

# পাঞ্চজন্য প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৮ চন

নবগ্ৰাম বিজয়পুৰ গাওঁখন পঞ্চায়তৰ ভিতৰতেই এখন সু-বৃহৎ গাঁও বুলি ক'ব পাৰি। গাঁওখনত মুঠ ২৫৯ ঘৰ গৃহস্থী আছে। গাঁওখনত ঠেঙাল, কছাৰী, আহোম, চুতীয়া, বৰাহী, কলিতা, লালুক, ৰাজস্থানী, কোচ, মেচ, কছাৰী আদি বাসিন্দাৰে পৰিপূৰ্ণ। গাঁওখন শৈক্ষিক দিশত যথেষ্ট আগবঢ়া যদিও চৰকাৰী চাকৰিয়াল প্ৰায় নোহোৱাৰ দৰে।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

গাঁৱৰ চাৰিসীমা ঃ পূবে মেৰানদী, পশ্চিমে অনন্তপুৰ আৰু চলং পথাৰ, উত্তৰে নবগ্ৰাম দ্বিতীয় গাঁও, দক্ষিণে মেৰাপানী উৰিয়ামঘাট ৰাস্তা।

নবগ্ৰাম দ্বিতীয়খণ্ডক সাঙুৰি নবগ্ৰাম প্ৰাথমিক বিদ্যালয় আৰু বিজয়পুৰ চিৰিংপাবা বাৰঘৰীয়াক লৈ বিজয়পুৰ প্ৰাথমিক বিদ্যালয় দুখনি গঢ়লৈ উঠিছে। অঞ্চলটোৰ বালক বালিকাসকলৰ শিক্ষাৰ ক্ষেত্ৰত এই বিদ্যালয় দুখনে বহুখিনি অৰিহণা যোগাই আহিছে। ইয়াৰ লগে লগে ভোলাগুৰিত এখনি মধ্য ইংৰাজী বিদ্যালয় আৰু চলংপথাৰ, মেৰাপানী আৰু গমাৰীগুৰিতো একোখনকৈ উচ্চ ইংৰাজী বিদ্যালয় আছে। অঞ্চলটোৰ যুৱক-যুৱতীসকলৰ এই বিদ্যালয়খনেই প্ৰাণকেন্দ্ৰ স্বৰূপ। এই বিদ্যালয়খনে অঞ্চলটোৰ প্ৰগতিৰ ক্ষেত্ৰত বহুখিনি অৰিহণা যোগাইছে। ইয়াৰ লগে লগে উচ্চ শিক্ষাৰ বাবে নতুনকৈ গঢ় দিয়া হৈছে একোখন মহাবিদ্যালয়। যাক দৈয়াং মহাবিদ্যালয় নামেৰে নামাকৰণ কৰা হয়।

এই গাঁৱৰ শেষ প্ৰান্তত প্ৰায় ১৮ ঘৰ গৃহস্থীৰে কৰ্মকাণ্ডীয় সমাজ আছে। ইয়াক ১৯৮২ চনত গঠন কৰা হয়। মুঠৰ ওপৰত এখন তেনেই সৰু সমাজ সকলো ব্ৰহ্মসংহতি আউনিআটিয় সত্ৰৰ শিষ্য। এটা সময়ত শ্ৰীলক্ষ্যেশ্বৰ শইকীয়া বাপ সেই সমাজৰেই সদস্য আছিল। তেওঁলোক আছিল যাগ-যজ্ঞ আৰু ব্ৰাহ্মণ বিদ্বেষী লোক। এইবোৰক লৈয়েই তেখেতে সমাজৰ বৰমূৰীয়াসকলক লৈ বিতৰ্কত লিপ্ত হয়। তেওঁ কৰা সমাজ সংস্কাৰৰ প্ৰস্তাৱ অথবা আলোচনা সমালোচনা তেওঁলোকে কোনো দিনেই প্ৰশ্ৰয় নিদিয়ে অথবা গ্ৰাহ্য কৰিব নোখোজে। শেষত উপায়ান্ত হৈ তেখেতে সেই সমাজখনক এক ঈশ্বৰ বাদত পতিয়ন নিয়াব নোৱাৰি নিজে সৎ সঙ্গ তথা এক হৰিত বিশ্বাসী এখন সমাজ বিচাৰি শোৱন গাঁৱৰ 'শংকৰ-মাধৱ' প্ৰাথমিকৰ লগত যোগসূত্ৰ স্থাপন কৰে। তেখেতে পিছত সেই শংকৰ মাধৱ প্ৰাথমিকৰ এজন বিশ্বাস ভাজন সদস্যৰূপে অন্তৰ্ভুক্ত আৰু স্বীকৃতি পায়। ইয়াৰ পিছত প্ৰায় তিনিমাহৰ পাছতেই তেখেতে একশৰণ হৰিনামত দীক্ষিত হৈ শৰণ সংশোধনেৰে সমাজ সংস্কাৰক এজন সচেতন ব্যক্তি স্বৰূপে আত্মনিয়োজিত কৰিলে। ১৯৯৪ চনৰ প্ৰথম ভাগতেই তেখেতে 'শংকৰ মাধৱ' প্ৰাথমিকৰ সভাপতিৰ গুৰুত্বপূৰ্ণ পদটি অলংকৃত কৰিছিল। তাৰ পিছত তেওঁ পিছলৈ ঘূৰি চোৱাৰ অৱকাশ পোৱা নাই। অবিৰতভাৱে কেৱল সমাজ সংস্কাৰৰ দিশত ধাবিত তেওঁ। খুউব কম সময়ৰ ভিতৰতেই নিজৰ কৰ্মৰ গুণেৰেই তেওঁ আঞ্চলিকৰ সদস্য পদো লাভ কৰিবলৈ সমৰ্থ হয়। আনকি ১৯৯৭-৯৮ বৰ্ষত তেওঁ জিলাৰ সদস্যৰ পদো গ্ৰহণ কৰিছিল। যিটো সময়ত তেওঁ কেৱল সাতঘৰ গৃহস্থীক লৈ 'শংকৰ মাধৱ' প্ৰাথমিক খনিক গঢ় দিবলৈ চেষ্টা কৰে। প্ৰথমাৱস্থাত যদিও সমাজখন সৰু আছিল তেখেতৰ আপ্ৰাণ চেষ্টাত এঘৰৰ পিছত এঘৰ সঙ্গী বাঢ়ি গৈ ১৯৯৮ চনত ২৯ ঘৰ গৃহস্থীক লৈ এখন পূৰ্ণাঙ্গ প্ৰাথমিক গঠন

কৰা হয়। তেখেতে 'শংকৰ মাধব' প্ৰাথমিকলৈ প্ৰায় তিনি কিলোমিটাৰ বাট ধৰ্ম চৰ্চাৰ হেতু অকলেই যায়। সেয়ে তেখেতে ওচৰতে এখন প্ৰাথমিক গঢ় দিয়াৰ কথা ভাবিলে।

পাঞ্চজন্য প্ৰাথমিক গঠন ঃ প্ৰথমাবস্থাত তেখেতে ওপৰত উল্লেখিত কৰ্মকাণ্ডীয় সমাজৰ পাঁচঘৰ মানুহক নিজৰ হাতলৈ আনিলে। ইয়াৰ পাছত বাৰঘৰীয়া, অনন্তপুৰ ভেলৌগুৰি আদি ঠাইত গুৰুৰ বাণী প্ৰচাৰ কৰি তেখেতে আৰু পাচঘৰমান গৃহস্থীক সংঘভুক্ত কৰে। এই সকলক লৈ তেখেতেই পোহৰৰ পথ প্ৰদৰ্শক হিচাবে শোৱন গাৱঁৰ 'শঙ্কৰ মাধব' প্ৰাথমিকলৈ ধৰ্মালোচনাৰ হেতুলৈ যায়। এনেকৈয়ে তেওঁ ধৰ্ম প্ৰচাৰত ব্ৰতী হয়। ইয়াৰ পাছত এই দহোজন বাপ আৰু আই মাতৃসকলৰ লগত আলোচনা কৰি ইং ১৯৯৮ চনত এভাগ নতুন প্ৰাথমিক গঠনৰ সিদ্ধান্ত লয়। কমিটিখনৰ কাৰ্য্যকালৰ ম্যাদ শেষ হোৱাৰ লগে লগে আঞ্চলিকৰ সিদ্ধান্ত আৰু পৰামৰ্শমতেই 'শংকৰ মাধব' প্ৰাথমিকৰ লগত সমন্বয় ৰক্ষা কৰি আঞ্চলিকৰ সম্পাদক শ্ৰীযুত বকুল বৰা বাপে কৰা নামকৰণে 'পাঞ্চজন্য' প্ৰাথমিক গঠন কৰা হয়। লগে লগে শ্ৰীযুত কণৰাম বাপৰ সহযোগত তিনিঘৰ গৃহস্থীক সদস্যভুক্ত কৰা হয়।

বৰ্তমান এই ১৩ ঘৰ গৃহস্থীৰ ২৮ জন শৰণীয়া বাপ। প্ৰাথমিক ভাগো আগৰ পুৰণা নামঘৰতেই দুভাগকৈ থকা হৈছে। অৱশ্যে শ্ৰীশইকীয়া বাপে প্ৰথমাৱস্থাত শ্ৰীমদ্ভাগৱত শেষ কৰি ভাগৱত সামৰা পাতিছিল। সেই নামত অংশ গ্ৰহণৰে সহযোগিতা আগবঢ়ায় বিষ্ণুপুৰ প্ৰাথমিকৰ শ্ৰীৰঙাই বৰা বাপ শ্ৰীযুত শৰৎ বৰা বাপ আঞ্চলিকৰ সভাপতি শ্ৰীবীৰেন বৰা বাপৰ প্ৰমুখ্যে 'শংকৰ মাধৱ'ৰ সঙ্গী বাপসকলে। এই সময়ছোৱাত নামঘৰ ভাগৰ মণিকূট ভাগ পকী কৰা হৈছিল যদিও আসনভাগ প্ৰতিষ্ঠা কৰা হোৱা নাছিল। অৱশ্যে কৰ্মকাণ্ডীয় লোক সকলকো আমন্ত্ৰণ জনোৱাত তেওঁলোক উপস্থিত আছিল।

এই পাঞ্চজন্য প্ৰাথমিকত প্ৰাক্তন জিলা সদস্য শ্ৰীলক্ষ্মেশ্বৰ শইকীয়া বৰ্তমানে আঞ্চলিকৰ সহঃ সম্পাদক আৰু শ্ৰীৰত্ন গগৈক আঞ্চলিক সেৱা বাহিনীৰ অধিনায়কৰূপে নিয়োজিত কৰা হৈছে। শ্ৰীৰবীন বৰা বৰ্তমান কাৰ্য্যনিৰ্বাহক ৰূপে কাম কৰি আছে।

নবগ্ৰাম বিজয়পুৰ এই সুবৃহৎ গাঁওখনৰ আঠঘৰ গৃহস্থীৰ বাহিৰে বাকীসকল আজিও কৰ্মকাণ্ডীয় লোক হিচাবেই সৰ্বজনবিদিত। তেওঁলোকে আজিও এক হৰিৰ নাম ধৰ্মত আকৃষ্ট নহয়। তথাপিতো সংগঠকসকলে চেষ্টাৰ কোনো ত্ৰুটি কৰা নাই। পাৰ্য্যমানে চেষ্টা চলাই থকা হৈছে আৰু লাহে লাহে দুই এঘৰ সংঘৰ সান্নিধ্যলৈ আহিবলৈ ধৰিছে। তেওঁলোকে তেওঁলোকৰ মনৰ অভিপ্ৰায় প্ৰত্যক্ষ অথবা পৰোক্ষভাবেই হওক সঙ্গীসকলক জনাইছে।

'পাঞ্চজন্য' প্ৰাথমিকৰ সঙ্গীসকলে সপ্তাহৰ প্ৰতি দেওবাৰে নামঘৰত শ্ৰীমদ্ভাগৱত পাঠ আৰু ভাগৱত আলোচনা আৰু সংগঠনৰ বিষয়ে বিশদ আলোচনা কৰে। কণ কণ শিশু সকলক লৈ শিশু সমাৰোহ পাতি গুৰু পৰিচয় আৰু শিশু

কল্যাণ দিৱসত কবিতা আবৃত্তি, আকস্মিক বক্তৃতা আদি অনুষ্ঠানৰ জৰিয়তে শিশুসকলৰ আধ্যাত্মিক আৰু মানসিক বিকাশৰ চেষ্টা অব্যাহত ৰখা হৈছে। ভৱিষ্যতে মূলৰ সকলো নীতি নির্দেশনা মানি চলিবলৈ চেষ্টাৰ ত্রুটি নকৰিম।

বিষয়ববীয়াসকল ঃ

উপদেষ্টা ঃ লক্ষ্যেশ্বৰ শইকীয়া

সভাপতি ঃ কণৰাম শইকীয়া

উপ সভাপতি ঃ ৰত্ন গগৈ

সম্পাদক ঃ মহেন গগৈ

সহ ঃ সম্পাদক ঃ মহেন্দ্র গগৈ।

# কৃষ্ণপুৰ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৯ চন

দৈয়াং বনাঞ্চলৰ ইতিহাস আছে। ইংৰাজসকলৰ শাসন কালৰপৰা এই অঞ্চল ডাঠ হাবিৰে ভৰপূৰ আছিল। দিনতে জাক লৈ ফুৰা হাতী, বাঘ, ঘোঙৰ উপৰি লানি নিছিগা গাহৰি, বাৰে বৰণীয়া হৰিণৰ জাক। অনেক জান জুৰিৰে ভৰা দৈয়াং বনাঞ্চলত চৰাই চিৰিকতিৰ লগতে নানা ধৰণৰ সাপ বেং মাছ কাছৰ উপৰিও মহামূল্যবান গছ, বাঁহ বেতেৰে পৰিপূর্ণ আছিল এই অঞ্চল।

এই হাবিৰ মাটি কৃষিৰ কাৰণে উপযোগী পলসুৱা সাৰুৱা হৈ আছিল। বালিজান চাৰি আলিৰ সাতঘৰ চাউদাং মানুহ, ইংৰাজ চৰকাৰৰ ফৰেষ্ট বিভাগৰ অনুমতি লৈ ১৯০৫ চনত এই অঞ্চলত হাবি জংঘল কাটি মাটি মুকলি কৰে। বয়োবৃদ্ধ লোকসকলৰ মতে চাউদাং মানুহ কেইঘৰ প্ৰথমতে এই অঞ্চলত স্থিতি লোৱাৰ বাবে হেনো চাউদাং পথাৰ নাম হয়।

কিছু ব্যক্তিৰ মতে ইংৰাজ চাহাবে গছ চিকাৰলৈ যাওঁতে অৰণ্যৰ মাজত এডোখৰ আহল-বহল মুকলি ঠাই দেখা পাইছিল। ঠাইখন চাই উদং দেখাৰ কাৰণে চাউদাং পথাৰ হয় বুলি বহুজনে মন্তব্য কৰে।

স্থিতি আৰু নাম সম্পৰ্কে কৃষ্ণপুৰ প্ৰাথমিক শাখাৰ ওচৰতে থকা চাউদাং পথাৰ সম্পৰ্কে বিষ্ণুপুৰ প্ৰাথমিক শাখাৰ ইতিবৃত্তত বিস্তৃত বিৱৰণ দাঙি ধৰা হৈছে। ইয়াৰ চাৰিসীমা —

পূবে মেৰাপানী এন, ই, টি ৰাস্তা, পশ্চিমে কাছমাৰী দৈয়াং নৈ, উত্তৰে ঘিলাধাৰী

বাগান, দক্ষিণে চলংপথাৰ, আঠগাওঁ। চাউদাং পথাৰ গাঁৱৰ মাটি কালি প্ৰায় ২২ বৰ্গ কিলোমিটাৰ। চাউদাং পথাৰ অঞ্চলৰ জনসংখ্যা ১৯৮৫ চনৰ লোক পিয়ল মতে ২১,০০০ জন।

বনাঞ্চল চাউদাং পথাৰ এখন কৃষি প্ৰধান আহল-বহল গাঁও। ই কেইবাটাও সৰু চুবুৰী বা চুকলৈ ৰূপান্তৰ হয়। জনশ্ৰুতি মতে প্ৰাকৃতিক সম্পদক ভিত্তি কৰি চুবুৰীৰ নামবোৰ ৰখা হয়। যেনে নৈখন চুবুৰীৰ কাষেৰে বৈ যোৱা বাবে মেৰাচুক, ডাঙৰ আমগছ থকাৰ কাৰণে আমগুৰি চুক। বজাল বাঁহ আছিল বাবে বজাল বাৰীচুক। ঠাইখনত তৰা গছ থকা কাৰণেই তৰানী চুক ইত্যাদি চুবুৰী হৈ বৃহৎ চাউদাং পথাৰ গাঁও হৈছে।

চৰকাৰী বে-চৰকাৰী অনুষ্ঠান ঃ –এই বৃহৎ এলেকা চাউদাং পথাৰ গাঁৱৰ মধ্য স্থলক নাওজান চুক বুলি জনা যায়। ইয়াত এখন চৰকাৰী এম, ই স্কুল আছে। ৰূপ কলিয়া দ চাউদাং পথাৰত এখন এম, ই স্কুল আছে। প্ৰতি চুবুৰীতে এখনকৈ প্ৰাথমিক বিদ্যালয় আছে। ৰূপকলিয়া চাউদাং পথাৰত চৰকাৰী পশু চিকিৎসালয়ৰ কেন্দ্ৰ এটি আছে। নাওজান চুকত এখন হাইস্কুল আছে। সংস্কৃতি বিকাশৰ কাৰণে চৰকাৰী সাহায্যত নৱনিৰ্মিত কলাক্ষেত্ৰ, প্ৰতি চুবুৰীতে সংঘ, ক্লাব, পুথিভঁৰাল, মহিলা সমিতি আদি অনুষ্ঠান আছে।

অসমৰ বিভিন্ন ঠাইৰপৰা বিভিন্ন ধৰ্মৰ মানুহ আহি ইয়াত বসবাস কৰিবলৈ লয়। এই অঞ্চলত বসবাস কৰা ঠেঙাল কছাৰী সম্প্ৰদায়ৰ লোক সৰহ সংখ্যক ইয়াত আছে। ইয়াৰ উপৰি ইয়াত চুতীয়া, আহোম, ভূএগ আৰু কোচ বংশৰ লোকসকল আছে। পূৰ্ব পুৰুষৰ ৰীতি-নীতি মতে নামঘৰসমূহ পৰিচালিত হৈ আছে।

যাতায়তৰ ক্ষেত্ৰত চাউদাং পথাৰ বহু পিছপৰি আছে। গমাৰী বজাৰৰপৰা এটি মুখ্য পথ হিচাবে আহি ৰূপকলিয়া দ চাউদাং পথাৰত দুফালে দুটা মুখ্য পথ হিচাবে গতি কৰিছে। পশ্চিমৰ পথটোৱে গোলাঘাট জামুগুৰি হাট লৈ আৰু দক্ষিণলৈ কাছমাৰী বজাৰলৈকে সংযোগ কৰিছে। মেৰাপানী টাউনৰ পৰা এটি শাখা পথ শোভন গাঁও হৈ ৰূপকলিয়া দ চাউদাং পথাৰলৈকে অঞ্চলটোৰ যাতায়তৰ সূচল কৰিছে।

ধৰ্মীয় আচাৰ পদ্ধতি ঃ– অসমৰ বিভিন্ন ঠাইৰপৰা বিভিন্ন সম্প্ৰদায়ৰ মানুহ আহি ইয়াত বসবাস কৰিবলৈ লয়। চাউদাং পথাৰ বিভিন্ন ধৰ্মাৱলম্বী লোকেৰে গঢ়ি উঠা এখন সমন্বয় ভূমি। এই অঞ্চলত ঠেঙাল কছাৰী সম্প্ৰদায়ৰ লোকৰ সংখ্যাই অধিক। ইয়াৰ উপৰি চুতীয়া, আহোম, ভূএগ আৰু কোচ ৰাজবংশী লোকসকল

আছে। ইয়াৰ লোকসকল হিন্দু। প্ৰতি চুবুৰীতে একোটা নামঘৰ আছে। পুৰ্বৰ ৰীতি-নীতি পৰম্পৰা মতে কৰ্মকাণ্ডীয় পদ্ধতিৰে ধৰ্মীয় অনুষ্ঠান সম্পাদন কৰে। বহু দেৱ-দেৱী পূজা, শিৱপূজা, শীতলা পূজা আদি অৰ্চন বন্দনত অভ্যস্ত। বৰ্ত্তমান শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ প্ৰৱৰ্ত্তিত একশৰণ নামধৰ্মৰ প্ৰভাৱ পৰিছে। ইতিমধ্যে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ অধীনত এই অঞ্চলত পাঁচখন প্ৰাথমিক গঠন হৈছে। আমগুৰি চুকত বিষ্ণুপুৰ প্ৰাথমিক, মেৰাচুকত জয়পুৰ প্ৰাথমিক, ৰূপকলিয়া দ-চুকত গকুল পুৰ প্ৰাথমিক, মধ্য আমগুৰি চুকত কৃপাময় প্ৰাথমিক শাখা গঠন হৈ সংঘৰ স্থিতি লাভ কৰিছে। আমগুৰি চুকত কৃষ্ণপুৰ প্ৰাথমিক শাখা গঠন হৈছে।(১৯৯৯চন)।

প্ৰাথমিক ভাগ গঠন হোৱাৰ ক্ষেত্ৰত বিষ্ণুপুৰ প্ৰাথমিক শাখাৰ বিশিষ্ট সঙ্গী শ্ৰীপদেশ্বৰ গগৈ আৰু শ্ৰীৰঙাই বৰা বাপৰ যত্ন আৰু দিহাপৰামৰ্শ উল্লেখযোগ্য। ইং ২৬/৬/৯৮ তাৰিখে শ্ৰীমতী বীণা আই গৰাকীৰ গৃহত এভাগ আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। সেই সভাতে সৰ্বসন্মতভাবে শ্ৰীনৰকান্ত বৰাক সভাপতি আৰু শ্ৰীদেৱ কছাৰীক সম্পাদক হিচাবে লৈ এঘাৰজন সদস্যাৰে কৃষ্ণপুৰ প্ৰাথমিক শাখা সংঘৰ এখন কাৰ্যনিৰ্বাহিক সমিতি গঠন কৰা হয়। প্ৰাথমিক ভাগৰ আৰ্থিক দিশ টনকীয়াল কৰিবৰ উদ্দেশ্যে প্ৰাথমিকৰ সঙ্গীসকলে আঘোণ মাহত ৰাইজৰ ধান দাই পুঁজি সংগ্ৰহ কৰে। ইং ১৩/১/৯৯ তাৰিখে প্ৰাথমিকৰ সঙ্গী শ্ৰীবলোৰাম বৰাৰপৰা ২ কঠা মাটি ক্ৰয় কৰে। এই মাটিতে ৰাইজৰ দান বৰঙণিৰে এভাগ নামঘৰ নিৰ্মাণ কৰে। ইং ৫/৫/৯৯ তাৰিখে নামঘৰত স্থায়ী আসন প্ৰতিষ্ঠা কৰে। প্ৰাথমিকৰ সঙ্গীসকলে কৃষ্ণ জন্মাষ্টমী মাধৱ জয়ন্তী, গুৰুজয়ন্তী আদি অনুষ্ঠান গুৰুজনাৰ আৰ্হিৰে পালন কৰিছে। বৰ্ত্তমান শ্ৰীনৰকান্ত বৰা সভাপতি আৰু শ্ৰীদেৱ কছাৰীয়ে সম্পাদক হিচাবে কাৰ্যনিৰ্বাহ কৰি আছে। ❑

# গোলাঘাট আঞ্চলিক শাখা

## গঠন ঃ ১৯৯৬ চন

প্ৰচাৰ, সংগঠন আৰু যোগাযোগৰ সুবিধাৰ কাৰণে গোলাঘাট নগৰক কেন্দ্ৰ কৰি একাধিক মৌজাৰ অন্তৰ্গত ৯ খন প্ৰাথমিক শাখাৰে গঠন কৰা হয় গোলাঘাট আঞ্চলিক শাখা যোৱা ইং, ২৫-৩-৯৬ আৰু স্বীকৃতি লাভ কৰে ২৫-৮-৯৬ তাৰিখত।

বিভিন্ন কাৰণত যোৱা ১৯৯২ চনতে ফৰকাটিং আঞ্চলিক শাখাৰ পৰা আঁতৰি অহা কোচ গাঁও প্ৰাথমিক, পাঞ্চজন্য, তিৰুৱাল (খ) শ্ৰীহৰি আৰু দিনমনি প্ৰাথমিক সমূহ জিলা শাখাৰ লগত পোনপতীয়াকৈ আছিল। গুৰুজনাৰ প্ৰবৰ্ত্তিত ধৰ্মাদৰ্শ প্ৰচাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি, সামূহিক প্ৰচেষ্টাৰ উপলব্ধিৰে উক্ত প্ৰাথমিক ৫ খনে শ্ৰীভোগৰাম শইকীয়াক সভাপতি আৰু শ্ৰীঅৰুণ নাথক সম্পাদক হিচাবে লৈ এখন 'সমন্বয় সমিতি' গঠন কৰে। এই সমন্বয় সমিতিৰ জৰিয়তে সামুহিক ভাৱে, গুৰুজয়ন্তী, মাধৱদেৱ জয়ন্তী পালনৰ উপৰিও অঞ্চলটোৰ বিভিন্ন ঠাইত ধৰ্মালোচনী তথা আলোচনা চক্ৰ অনুষ্ঠিত কৰি গুৰু ধৰ্মপ্ৰচাৰ প্ৰসাৰত অগ্ৰণী ভূমিকা পালন কৰে। সমন্বয় সমিতিৰ উক্ত প্ৰচেষ্টাত সহযোগ আগবঢ়াবলে শঙ্কৰ-মাধৱ (বচা) গোলাঘাট নগৰ, কৃষ্ণনগৰ আৰু ৰূপজ্যোতি প্ৰাথমিক শাখাসমূহে। পাছলৈ সমন্বয় সমিতিৰো অন্তৰ্ভূক্ত হয়। সেয়েহে সংবিধানৰ নীতি ৰক্ষা কৰি সমন্বয় সমিতিৰ ৯ খন প্ৰাথমিক শাখাকলৈ শ্ৰীভোগৰাম শইকীয়াক সভাপতি আৰু শ্ৰীযোগেন গগৈ দেৱক সম্পাদক হিচাবে লৈ 'গোলাঘাট আঞ্চলিক' শাখা গঠন হয়।

বৰ্ত্তমান নৱগঠিত আঞ্চলিক শাখাটিৰ পৰিসৰ দ্ৰুত গতিত বৃদ্ধি পাইছে আৰু অৰবিন্দলোচন, কাবৰু নবোদয়, বেঙেনাখোৱা জ্যোতি আৰু কোঁচগাঁও সুদৰ্শন আদি প্ৰাথমিক সমূহ আঞ্চলিকৰ অন্তৰ্ভূক্ত হোৱাত প্ৰাথমিকৰ সংখ্যা ১৩ খনলৈ বৃদ্ধি হয়।

বৰ্ত্তমান আঞ্চলিক শাখাৰ সভাপতি আৰু সম্পাদক ক্ৰমে সৰ্বশ্ৰী তৰুণ বৰা আৰু মানিক নাথ।

# গোলাঘাট আঞ্চলিক শাখা ঃ প্ৰাথমিক সমূহ

## গঠন - ১৯৯৬

| | |
|---|---|
| (১) তিৰুৱাল (খ) প্ৰাথমিক - গঠন | - ১৯৬৪ |
| (২) কুঁহিয়াৰবাৰী ৰূপজ্যোতি প্ৰাথমিক | - '৭২ |
| (৩) ফৰকাটিং কোচ গাঁও | - '৭৫ |

(৪) গোলাঘাট নগৰ প্ৰাথমিক - '৭৮
(৫) পাঞ্চজন্য প্ৰাথমিক - '৮৬
(৬) কৃষ্ণ নগৰ প্ৰাথমিক, গোলাঘাট নগৰ - '৮১
(৭) দিনমণি প্ৰাথমিক - '৯১
(৮) সুদৰ্শন প্ৰাথমিক - ৯৯
(৯) তিৰুৱাল শ্ৰীহৰি প্ৰাথমিক - '৯১
(১০) শঙ্কৰ মাধৱ (বছা) প্ৰাথমিক -
(১১) কাবৰু গাঁও নবোদয় প্ৰাথমিক -
(১২) অৰবিন্দ লোচন প্ৰাথমিক চিনাতলি -
(১৩) জ্যোতি প্ৰাথমিক বেঙেনাখোৱা -

# তিৰুৱাল 'খ' শাখা প্ৰাথকি

## গঠন ঃ ১৯৬৪ চন

তেতিয়া ১৯৬৪ চন। সেই সময়ৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ প্ৰচাৰক শ্ৰীযুত যোগেন দত্ত বাপ ঢেকীয়াৰ শ্ৰীযুত তিলেশ্বৰ নাথ, শ্ৰীযুত পদনাথ - এই তিনিজন ব্যক্তিয়ে এই গাৱঁৰ লোকসকলক এক শৰণ নামধৰ্ম্ম গ্ৰহণ আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অন্তৰ্ভুক্ত হ'বলৈ প্ৰেৰণা দিলে। ইয়াৰ ফলত উক্ত চনতে তিৰোৱাল 'খ' শাখা প্ৰাথমিক গঠন কৰা হয়।

সেই সময়ত প্ৰাথমিক শাখাত সঙ্গী গৃহস্থীৰ সংখ্যা ১৫ ঘৰ আছিল। বৰ্ত্তমান ২০ ঘৰলৈ বৃদ্ধি পাইছে। বৰ্ত্তমান সঙ্গীৰ সংখ্যা ৫৬ জন। প্ৰাথমিক শাখাৰ সভাপতি আৰু সম্পাদক সকল যথাক্ৰমে সভাপতি শ্ৰীথানুৰাম নাথ, শ্ৰীখুদেশ্বৰ নাথ, শ্ৰীলীলাকান্ত নাথ। সম্পাদক শ্ৰীলীলাকান্ত নাথ ,শ্ৰীউমাকান্ত নাথ।

স্বৰ্গগত সঙ্গী হিচাবে স্বৰ্গীয় বগাই নাথৰ অৱদান উল্লেখযোগ্য। তেখেত মৃত্যুৰ আগমুহূৰ্তলৈকে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সঙ্গী আছিল আৰু প্ৰচাৰ সংগঠনৰ কামত পথ প্ৰদৰ্শক আছিল।

# কুঁহিয়াৰবাৰী ৰূপজ্যোতি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭২ চন

কুঁহিয়াৰবাৰী এখন নতুনকৈ পতা গাঁও। আগতে এই ঠাইখন অটব্য হাবি-বননিৰে ভৰা বনৰীয়া জন্তুৰ বাসস্থান আছিল। ১৯৭২ চনত ২৭ ঘৰ গৃহস্থীৰে গাৱঁত

'বেঙেনাখোৱা গ্ৰান্ট' নামেৰে এটি প্ৰাথমিক গঠন হয় । সভাপতি ক্ৰমে প্ৰয়াত তুলাৰাম নাথ আৰু সম্পাদক শ্ৰীমানিক নাথ । তিনিবছৰ মানৰ পিছত এই প্ৰাথমিক ভংগ হৈ পুনৰ 'কুঁহিয়াববাৰী প্ৰাথমিক' নামকৰণেৰে সৰ্বশ্ৰী তুলক্ষীনাথ আৰু ৰূপেশ্বৰ নাথৰ নেতৃত্বত গঠিত হোৱা প্ৰাথমিক শাখাটি ফৰকাটিং আঞ্চলিক শাখাৰ অন্তৰ্ভুক্ত হয় । প্ৰাথমিক শাখাটিত পুনৰ সাংগঠনিক বিভ্ৰাটে গা কৰি উঠে । ফলশ্ৰুতিত জন্ম হয় আকৌ নতুন এটি প্ৰাথমিক শাখাৰ । সভাপতি আৰু সম্পাদক ক্ৰমে সৰ্বশ্ৰী তুলক্ষীনাথ আৰু জিতেন নাথ । 'কুঁহিয়াৰবাৰী ৰূপজ্যোতি' প্ৰাথমিক শাখা নামকৰণেৰে গঠিত হোৱা এই প্ৰাথমিক ভাগি গোলাঘাট আঞ্চলিক শাখাৰ অন্তভুৰ্ক্ত হয় । বৰ্ত্তমান গৃহস্থী সংখ্যা ১৫ ঘৰ । শাখাৰ বৰ্ত্তমান সভাপতি - শ্ৰীতুলক্ষী নাথ, সম্পাদক - শ্ৰীতৰুণ নাথ ।

# ফৰকাটিং কোচ গাঁও প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৫ চন

গোলাঘাট জিলাৰ আঠগাঁও আৰু মৌ খোৱা মৌজাৰ অন্তৰ্গত গোলাঘাট নগৰৰ পৰা দক্ষিণ পূব দিশত প্ৰায় ছয় কিলোমিটাৰ দূৰত অৱস্থিত কোচ গাঁও । গাঁৱৰ লোকসকল কোচ সম্প্ৰাদয়ৰ হোৱা হেতুকে গাঁওখন কোচ গাঁও নামে জনাজাত । এই গাৱঁৰ বৰ্ত্তমান গৃহস্থীৰ সংখ্যা ৬২ ঘৰ জনসংখ্যা প্ৰায় ৩০০ জনৰো অধিক ।

প্ৰায় পঞ্চাশ বছৰৰ আগৰেপৰাই এই গাৱঁৰ ধৰ্মপ্ৰাণ লোক প্ৰয়াত ৰূপ চান্দ বৰা, প্ৰয়াত ভুৱনেশ্বৰ বৰুৱা আৰু প্ৰয়াত সোমশ্বৰ বৰুৱা আদি লোক সকলে গুৰুজনাৰ প্ৰচাৰিত নামধৰ্ম তথাকথিত সমাজত প্ৰচলিত ৰীতিৰে পালন কৰি আহিছিল । ১৯৭৫ চনত বৰুৱা বামুণ গাৱঁত অনুষ্ঠিত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৰাজ্যিক (মূল) অধিবেশন অনুষ্ঠিত নোহোৱা পৰ্যন্ত এই অঞ্চলৰ লোকসকলে সংঘৰ আৰ্হিৰে প্ৰাথমিক শাখা গঠন কৰিবলৈ অনুপ্ৰেৰণা পোৱা নাছিল ।

এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি ১৯৩৪ /৩৫ চনত শ্ৰীমন্ত গুৰুজনাৰ দ্বাৰা প্ৰৱৰ্ত্তিত একশৰণ হৰিনাম ধৰ্মৰ শুদ্ধ নীতি আদৰ্শ প্ৰচাৰৰ অৰ্থে প্ৰয়াত গোপীকা বল্লভ গোস্বামী, প্ৰয়াত ৰমাকান্ত মুক্তিয়াৰ আতা, প্ৰয়াত ভূবন চন্দ্ৰ ভূঞা আদি পণ্ডিত, শাস্ত্ৰজ্ঞ আৰু ধৰ্মপ্ৰাণ ব্যক্তিসকলে অসমৰ বিভিন্ন স্থানত ধৰ্ম সভা অনুষ্ঠিত কৰি জনগণৰ মাজত এক নৱজাগৰণৰ সৃষ্টি কৰিছিল । তেনে এখন ধৰ্ম সভা কোচ গাঁও নামঘৰত অনুষ্ঠিত হৈছিল । সেই সভাত প্ৰয়াত ভূৱন চন্দ্ৰ ভূঞা, গোপীকা বল্লভ গোস্বামী আৰু শঙ্কৰ বৰুৱাই যোগদান কৰিছিল । সভাত বৈষ্ণৱ পণ্ডিত সকলৰ জ্ঞান গভীৰ ভাষণত এই অঞ্চলৰ লোক অনুপ্ৰাণীত হৈ গুৰুজনাৰ পৱিত্ৰ শুদ্ধ সত্ব ধৰ্মৰ আদৰ্শেৰে কৰ্মকাণ্ড

নীতি পদ্ধতি ত্যাগ কৰি সৰ্ব্ব দশা অশৌচ, হোমবহিত বিবাহ কাৰ্য সম্পাদন কৰি এই ধৰ্ম আন্দোলনত আগভাগ লৈছিল ।

এই ক্ষেত্ৰত প্ৰয়াত ৰূপচান্দ বৰা, ভুবনেশ্বৰ বৰুৱা, যদুনাথ শইকীয়া, অনিৰাম শইকীয়া (এডভকেট), সোমেশ্বৰ বৰুৱাৰ ভূমিকা উল্লেখ্যযোগ্য ।

পৰৱৰ্ত্তী সময়ত ১৯৭৫ চনত বৰুৱা বামুণ গাৱঁত অনুষ্ঠিত মূল সংঘৰ অধিবেশনখনিয়ে গাৱঁৰ একাংশ লোকক সংঘভূক্ত হোৱাত অনুপ্ৰেৰণা যোগালে । মূল সংঘৰ সেই সময়ৰ প্ৰধান সম্পাদক শ্ৰীগোবিন্দ্ৰ চন্দ্ৰ শইকীয়া বাপৰ উপস্থিতিত কোচ গাঁও নামঘৰত অনুষ্ঠিত এখন সভাত ১০ ঘৰ গৃহস্থীৰ ২৫ জন সঙ্গীৰে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ অধীনত এখন প্ৰাথমিক গঠন কৰা হয় । এই প্ৰাথমিক শাখাটি হ'ল ফৰকাটিং কোচ গাঁও প্ৰাথমিক শাখা । বৰ্ত্তমান গৃহস্থীৰ সংখ্যা ৩৫ ঘৰ আৰু সঙ্গীৰ সংখ্যা ৯০ জন । গাঁওখনত বৰ্ত্তমান ২১ ঘৰ গৃহস্থীয়ে 'সুদৰ্শন প্ৰাথমিক শাখা' নাম কৰণেৰে এখন প্ৰাথমিক শাখা গঠন কৰিছে ।

বৰ্ত্তমান কোচ গাঁও প্ৰাথমিক শাখাৰ সভাপতি শ্ৰীশৈলেন শইকীয়া আৰু সম্পাদক শ্ৰীপ্ৰসাদ শইকীয়া ।

প্ৰাথমিক খনিৰ প্ৰাক্তন সভাপতি শ্ৰীসুবোধ শইকীয়া আৰু সম্পাদক শ্ৰীজীৱ বৰা বাপৰ সাংগঠনিক ভূমিকা উল্লেখযোগ্য ।

এই প্ৰাথমিক শাখাৰ প্ৰতি বিশেষ অৱদান থকা স্বৰ্গগত সঙ্গী সোমেশ্বৰ বৰুৱা বাপৰ নাম প্ৰাথমিক সঙ্গীসকলে পাহৰিব নোৱাৰে । তেখেত ১৯৭৬ চনত ভাদ্ৰ মাহৰ ৪ তাৰিখে স্বৰ্গী হয় ।

# গোলাঘাট নগৰ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৮ চন

গোলাঘাট নগৰ হ'ল ইয়াৰ স্থায়ী বাসিন্দাৰ উপৰিও বিভিন্ন ঠাইৰ পৰা ব্যৱসায় বাণিজ্য, চৰকাৰী চাকৰিৰ বাবে আহি স্থায়ী বা অস্থায়ী ভাৱে বসবাস কৰিবলৈ লোৱা বিভিন্ন ভাষা-ভাষী, সম্প্ৰদায় আৰু বিভিন্ন ধৰ্ম তথা সংস্কৃতিৰ মিলনভূমি ।

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া আৰু মূল সংঘৰ প্ৰাক্তন শৰণ সদস্য শ্ৰীযুত ধন তামূলীদেৱৰ অনুপ্ৰেৰণাতে ১৯৭৮ চনত গোলাঘাট নগৰৰ অন্তৰ্ভুক্ত শান্তিপুৰত এভাগি আলোচনা চক্ৰ অনুষ্ঠিত হয় । এই চক্ৰত সৰ্বশ্ৰী তৰুণ চন্দ্ৰ বৰা, পদম বৰা, হেৰেম্ব বৰা, কৃষ্ণ বৰা, তিলক গগৈ, লীলা গগৈ, ৰহণ বাজখোৱা আদি ব্যক্তিসকল উপস্থিত থাকে । এই আলোচনা চক্ৰতেই শ্ৰীপদ্ম বৰা বাপক সভাপতি আৰু শ্ৰীতৰুণ বৰা বাপক সম্পাদক হিচাবেঁলৈ 'গোলাঘাট

নগৰ' প্ৰাথমিক শাখা নাম কৰণেৰে প্ৰাথমিক শাখাটিয়ে জন্ম লাভ কৰে ।

বৰ্ত্তমান এই প্ৰাথমিকৰ উদ্যোগত কৃষ্ণনগৰ প্ৰাথমিকৰ সহযোগত বেঙেনাখোৱা বাগানৰ ওচৰত ৭ (সাত) কথা মাটিত এটি জিলা শঙ্কৰী সংস্কৃতি কেন্দ্ৰ নামঘৰ প্ৰতিষ্ঠা কৰি, গোলাঘাট জিলা শাখাৰ কাৰ্য্যালয়ো স্থাপন কৰা হৈছে । মূল সংঘৰ অনুদানেৰে নামঘৰতে এখনি শঙ্কৰী সংস্কৃতি বিদ্যালয় স্থাপন কৰি শিক্ষাদান কৰি আহিছে ।

এই নগৰ প্ৰাথমিক শাখাটি বৰ্ত্তমান গোলাঘাট আঞ্চলিক শাখাৰ অন্তৰ্গত আঞ্চলিক শাখাৰ কাৰ্য্যালয়টিও এই নামঘৰতে অৱস্থিত । বৰ্ত্তমান প্ৰাথমিক শাখাৰ গৃহস্থী মুঠ ৪০ ঘৰ, সঙ্গীৰ সংখ্যা ২৫০ জন । বৰ্ত্তমান প্ৰাথমিকৰ সভাপতি - শ্ৰীক্ষীৰেণ বৰুৱা, সম্পাদক - শ্ৰীমহেশ্বৰ শইকীয়া ।

## কৃষ্ণনগৰ প্ৰাথমিক শাখা ঃ গোলাঘাট নগৰ

### গঠন ঃ ১৯৮১ চন

১৯৭৮ চনত গোলাঘাট কৃষ্ণ নগৰ নিবাসী প্ৰয়াত যোগেশ্বৰ হাজৰিকা, শ্ৰীসত্যেন বৰুৱা শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ নগৰ প্ৰাথমিক শাখাৰ সঙ্গী অন্তৰ্ভূক্ত হৈছিল । গোলাঘাট নগৰৰ মাজ মজিয়াৰ এই প্ৰাথমিক শাখাটি গঠিত হয় ইং ১৯৭৮ চনত । তেতিয়াৰ মূল সংঘৰ প্ৰধান সম্পাদক শ্ৰীযুত গোবিন্দ চন্দ্ৰ শইকীয়া আৰু শৰণাচাৰ্য্য শ্ৰীযুত ঘন তামূলী বাপৰ অনুপ্ৰেৰণাত গোলাঘাট নগৰৰ অন্তৰ্গত শান্তিপুৰত শ্ৰীযুত তৰুণ চন্দ্ৰ বৰা বাপৰ গৃহত ৩০-৩-৭৮ তাৰিখে অনুষ্ঠিত সভাত গোলাঘাট নগৰ প্ৰাথমিক শাখা সংঘ নাম কৰণেৰে এই শাখা সংঘটি গঠন কৰা হয় ।

১৯৮১ চনত গোলাঘাট নগৰৰ কেইঘৰমান গৃহস্থীৰ সহযোগত কৃষ্ণ নগৰ প্ৰাথমিক শাখা গঠন হয় । শাখাটিৰ সভাপতি শ্ৰীসত্যেন বৰুৱা আৰু সম্পাদক প্ৰয়াত যোগেশ্বৰ হাজৰিকা বাপদ্বয়ে কাৰ্যনিৰ্বাহ কৰিছিল । ১৯৮৪ চনৰপৰা শ্ৰীসত্যেন বৰুৱা আৰু শ্ৰীতিগেশ্বৰ তামূলীয়ে ক্ৰমে সভাপতি আৰু সম্পাদক হিচাপে কাৰ্যনিৰ্বাহে কৰি আছে । বৰ্ত্তমান প্ৰাথমিক শাখাৰ গৃহস্থী ১৪ ঘৰ আৰু সঙ্গী ৩৫ জন ।

বৰ্ত্তমান গোলাঘাট শঙ্কৰী সংস্কৃতি বিকাশ কেন্দ্ৰৰ লগতে নামঘৰ মণিকূট নিৰ্মাণ কৰি সংঘৰ প্ৰসাৰ প্ৰচাৰত গোলাঘাট নগৰৰ সঙ্গীসকলে আগ ভাগ লৈছে ।

## পাঞ্চজন্য প্ৰাথমিক শাখা

### গঠন ঃ ১৯৮৬ চন

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ অন্তৰ্গত 'পাঞ্চজন্য প্ৰাথমিক' শাখাটিৰ জন্ম হয় ১৯৮৬ চনৰ ১৯ ফেব্ৰুৱাৰী তাৰিখে । সেই সময়ত গোলাঘাট

আঞ্চলিক শাখাটিৰ জন্ম হোৱা নাছিল । সেয়ে এই প্ৰাথমিক শাখাটি তেতিয়া ফৰকাটিং আঞ্চলিক শাখাৰ ভিতৰুৱা আছিল । তিৰুৱাল গাঁও আৰু ফৰকাটিং নগৰ অঞ্চলৰ কেইঘৰমান সঙ্গী গৃহস্থীক লৈ এই প্ৰাথমিক শাখাটি গঠন কৰা হৈছিল । উল্লেখযোগ্য যে এই সঙ্গী গৃহস্থীসকলৰ অধিকাংশই আছিল আগৰ চকৰ ধৰা প্ৰাথমিক আৰু নৱজ্যোতি প্ৰাথমিক শাখাৰ সঙ্গী । অৱশ্যে কেইঘৰমান নতুন সঙ্গীগৃহস্থীত আছিল ।

প্ৰাথমিক শাখাটি গঠনৰ বাবে প্ৰথম সভাখন অনুষ্ঠিত হৈছিল শ্ৰীনোমল চন্দ্ৰ নাথ বাপৰ গৃহত । এই সভাত সভাপতিত্ব কৰিছিল প্ৰাথমিক শাখাৰ বৰ্ষীয়ান সঙ্গী তথা প্ৰাথমিক শাখাটিৰ কৰ্ণধাৰ ব্যক্তি প্ৰয়াত উমাকান্ত নাথবাপে । এই সভাতে সৰ্বসন্মতিক্ৰমে এখনি নতুন প্ৰাথমিক গঠন কৰা হয় আৰু শাখাটিৰ নাম 'পাঞ্চজন্য প্ৰাথমিক শাখা' ৰাখিবলৈ সিদ্ধান্ত লোৱা হয় । প্ৰথম বছৰৰ বাবে তলত দিয়া বিষয়ববীয়া আৰু সদস্যসকলক লৈ কাৰ্যনিৰ্বাহক খনি গঠন কৰা হয় ।

সভাপতি ঃ নোমল চন্দ্ৰ নাথ

উপ-সভাপতি ঃ বাচিৰাম নাথ

সম্পাদক ঃ টঙ্কেশ্বৰ নাথ

সহঃসম্পাদক ঃ হিৰেশ্বৰ নাথ

প্ৰতিষ্ঠাৰ সময়ত প্ৰাথমিক শাখাটিৰ সঙ্গী গৃহস্থী আছিল ১৭ ঘৰ আৰু সঙ্গীৰ সংখ্যা আছিল ৪৮ জন । আঞ্চলিক কাৰ্যনিৰ্বাহকলৈ মনোনিত কৰা হৈছিল হিৰেশ্বৰ নাথবাপক । যথা সময়ত প্ৰাথমিক শাখাটিয়ে ফৰকাটিং আঞ্চলিক শাখা আৰু গোলাঘাট জিলা শাখাৰ অনুমোদন লাভ কৰে ।

জন্মলগ্নৰ পৰাই এই প্ৰাথমিক শাখাটিৰ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ নীতি-আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ হৈ গুৰুজনাৰ এক শৰণ ধৰ্ম তথা সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰত আত্মানিয়োগ কৰি আহিছে । ভালে সংখ্যক নতুন সঙ্গীৰ অন্তৰ্ভুক্ত প্ৰাথমিক শাখাটিত হৈছে । অৱশ্যে আগৰ কিছু সংখ্যক সঙ্গী নিজৰ সুবিধা অনুসৰি আন আন প্ৰাথমিক শাখালৈও আঁতৰি গৈছে । আঞ্চলিক শাখা তথা জিলা শাখাৰ দ্বাৰা আয়োজিত বিভিন্ন কৰ্মশালা, অধিবেশন, আলোচনা চক্ৰ, প্ৰশিক্ষণ শিবিৰ আদিত সক্ৰিয় অংশগ্ৰহণেৰে প্ৰাথমিক শাখাটিয়ে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে । প্ৰাক্তন পদাধিকাৰ শ্ৰীযুত মোহন চন্দ্ৰ মহন্তবাপ আৰু গোলাঘাট জিলা শাখাৰ প্ৰাক্তন শৰণ সদস্য শ্ৰীযুত ঘন তামুলীবাপৰ দ্বাৰাই শৰণ-কক্ষ অনুষ্ঠিত কৰি সঙ্গীসকলক শৰণ গ্ৰহণ কৰাই সক্ৰিয় কৰি তোলা হৈছে । বৰ্তমান পাঞ্চজন্য প্ৰাথমিক শাখাৰ সাংগঠনিক দিশ বেচ টনকিয়াল আৰু সন্তোষজনক ।

# তিৰুৱাল শ্ৰীহৰি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯১ চন

আজিৰপৰা প্ৰায় ৪৪ বছৰৰ আগতে, ১৯৫৫ চনতেই শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শমতে তিৰুৱাল প্ৰাথমিক শাখা গঠন হয়। ক্ৰমান্বয়ে প্ৰাথমিক সংগী গৃহস্থীৰ সংখ্যা বৃদ্ধি হোৱাত যাতায়ত, সংগঠনৰ ওপৰত লক্ষ্যৰাখি তিৰুৱাল প্ৰাথমিক শাখাটি তিৰুৱাল (ক) আৰু তিৰুৱাল (খ) নামলৈ দ্বিখণ্ডিত হয়। এইদৰে কিছুবছৰ যোৱাৰ পাছত ৮-১-৯১ তাৰিখে তিৰুৱাল (ক) প্ৰাথমিক শাখাৰে ১২ ঘৰ গৃহস্থী আঁতৰি আহি সৌহাদ্য মূলকভাৱে 'তিৰুৱাল শ্ৰীহৰি প্ৰাথমিক' শাখা নামকৰণেৰে অন্য এভাগ প্ৰাথমিক শাখা গঠন কৰে। সভাপতি আৰু সম্পাদৰ দায়িত্বত থাকে ক্ৰমে শ্ৰীহিৰেশ্বৰ নাথ (১) আৰু শ্ৰীহিৰেশ্বৰ নাত (২)। উপদেষ্টা শ্ৰীৰোমেশ্বৰ নাথ দহোতীয়া। প্ৰাথমিক ভাগি পোনপতীয়াভাবে জিলা শাখাৰ লগত থাকে।

সাংগঠনিক দিশত প্ৰাথমিক সংগীসকলে যথেষ্ঠ গুৰুত্ব দিছে। প্ৰাথমিকৰ পুঁজিৰ বাবে বেংকত হিচাব খোলা, নিয়মীয়াভাৱে মুষ্টিদান সংগ্ৰহ কৰা, প্ৰতি সপ্তাহে সপ্তাহে গৃহস্থীৰ ঘৰত ভাগৱত পাঠ আদিয়েই উল্লেখযোগ্য দিশ। সেইদৰে প্ৰচাৰ প্ৰসাৰতো মনোনিবেশ নকৰাকৈ থকা নাই। আৰম্ভণীৰ ১২ ঘৰ গৃহস্থীৰ পৰা বৰ্ত্তমান ১৫ ঘৰলৈ বৃদ্ধি পাইছে। জিলা তথা মূল সংঘই সময়ে সময়ে দিয়া নীতি নিৰ্দেশনা বিলাক কাৰ্য্যকৰী কৰে।

**আৰম্ভণীৰ পৰা বৰ্ত্তমানলৈকে সভাপতি আৰু সম্পাদকসকলৰ নাম ঃ**

**সভাপতি ঃ** সৰ্বশ্ৰী হিৰেশ্বৰ নাত (১) গনেশ নাথ, আৰু হিৰেশ্বৰ নাথ। (বৰ্ত্তমান)

**সম্পাদক -** সৰ্বশ্ৰী হিৰেশ্বৰ নাথ (২) উপেন নাথ। (বৰ্ত্তমান)

# দিনমণি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯১ চন

ফৰকাটিং আঞ্চলিক শাখাৰ অন্তৰ্গত ফৰকাটিং, নগৰ প্ৰাথমিক শাখাত অন্তৰ্ভূক্ত হৈ থকা যথেষ্ঠ সংখ্যক সঙ্গীয়ে সাংগঠনিক যোগাযোগ আদি বিভিন্ন কাৰণত এভাগি নতুন প্ৰাথমিক গঠন কৰে ১৯৯১ চনত। 'দিনমণি প্ৰাথমিক শাখা' নামেৰে নামকৰণ কৰে। প্ৰাথমিক ভাগি গঠনত মুখ্য ভূমিকা লয় সৰ্বশ্ৰী মুনীন বৰদলৈ, চন্দ্ৰকান্ত ভূঞা, লক্ষেশ্বৰ শইকীয়া, ভদ্ৰেশ্বৰ শইকীয়া, ফণীধৰ শইকীয়া, হিৰণ্যময়ী বৰদলৈ, প্ৰবোধ

বৰদলৈ, ভদ্ৰকান্ত হাজৰিকা, ধীৰেণ বৰা, অজিত হাজৰিকা, বীৰেণ হাজৰিকা আৰু ঠগীৰাম শইকীয়া আদি। সভাপতি আৰু সম্পাদকৰ দায়িত্ব লয় ক্ৰমে সৰ্বশ্ৰী লক্ষ্মেশ্বৰ শইকীয়া আৰু চন্দ্ৰকান্ত ভূঞা। প্ৰাথমিক ভাগে পোনপতীয়াকৈ জিলা শাখাৰ লগত যোগাযোগ ৰক্ষা কৰে। ১৯৯৬ চনত গোলাঘাট আঞ্চলিক গঠন হোৱাত প্ৰাথমিক শাখাটি আঞ্চলিক ভুক্ত হয়।

আঞ্চলিক শাখাটি গঠন হোৱাৰ পৰা বিভিন্ন সময়ত, বিভিন্ন স্থানত গুৰু জয়ন্তী, মাধৱদেৱ জয়ন্তী, ধৰ্মালোচনী সভা অনুষ্ঠিত কৰি গুৰু ধৰ্ম প্ৰচাৰ প্ৰসাৰত যথেষ্ঠ অৰিহণা যোগাইছে। গোলাঘাট জিলাই আমন্ত্ৰণ কৰি অনা মূল সংঘৰ ৬৪ তম বাৰ্ষিক অধিৱেশন ভাগিত প্ৰাথমিক শাখাৰ সমূহ সংগীয়েই কায়িক-আৰ্থিক ভাৱে সহযোগ আগবঢ়ায়। প্ৰাথমিক শাখাৰ সংগী শ্ৰীগনেশ ভূঞাদেৱে দিয়া মাটিতেই প্ৰাথমিকৰ নামঘৰ ভাগি গঢ়লৈ উঠিছে। প্ৰতিবছৰে বাৰ্ষিক অধিৱেশন পাতি সাংগঠানিক দিশ টনকীয়াল কৰা দেখা গৈছে। মূল সংঘৰ শেহতীয়া সংযোজন, 'সেৱা বাহিনী' গঠন কৰি যুৱক-যুৱতীসকলক গুৰু ধৰ্মৰ ফালে আকৰ্ষিত কৰিছে। মূল সংঘই বা জিলা শাখাই বিভিন্ন সময়ত পঠোৱা কাৰ্য বিৱৰণী সমূহ প্ৰাথমিক সভাত পৰ্য্যালোচনা কৰি কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰি আহিছে। বৰ্ত্তমান সভাপতি আৰু সম্পাদকৰ দায়িত্বত আছে ক্ৰমে সৰ্বশ্ৰী সুৰেণ বৰদলৈ আৰু চন্দ্ৰ কান্ত ভূঞা।

# অনন্ত প্ৰাথমিক শাখা ঃ (গোলাঘাট নগৰ)

## গঠন ঃ ১৯৯৭ চন

গোলাঘাট নগৰ প্ৰাথমিক শাখাৰ সম্পাদক শ্ৰীভৰাম গগৈদেৱৰ প্ৰচেষ্টাত অনন্ত প্ৰাথমিক গঠিত হয়। ১৯৯৭ চনৰ ১৫ জানুৱাৰী তাৰিখে হাম্দৈ পথাৰৰ বনগাঁৱত বিভিন্ন সম্প্ৰদায়ৰ মুঠ ২২ ঘৰ গৃহস্থীক লৈ শ্ৰীৰূপাধৰ বৰাবাপৰ সভাপতিত্বত এভাগি আলোচনা চক্ৰ অনুষ্ঠিত হয়। সভাত শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্ত্তিত 'একশৰণ হৰিনাম ধৰ্ম' তথা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ উদেশ্য লক্ষ্য, নীতি- সদাচাৰ আদিৰ ওপৰত বিস্তৃত ব্যাখ্যা আগবঢ়ায় সভাপতি শ্ৰীৰূপধৰ বৰা আৰু শ্ৰীভৰাম গগৈদেৱে। সভাতেই ২২ ঘৰ গৃহস্থীয়ে কৰ্মকাণ্ড ত্যাগ কৰি 'একশৰণ' গ্ৰহণ কৰাৰ সিদ্ধান্ত কৰে। অন্যহাতে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ উদেশ্য, নীতি আদৰ্শত আপ্লুত হৈ সংঘত যোগদান কৰাৰ মানস কৰি এভাগি প্ৰাথমিক শাখা গঠন কৰাৰো সিদ্ধান্ত কৰে। সভাৰ সিদ্ধান্তনুযায়ী সেই সভাতেই সৰ্বশ্ৰী মহানন্দ নায়কক সভাপতি আৰু সুভাষ চন্দ্ৰ ঘোষক সম্পাদক হিচাবে লৈ 'অনন্ত প্ৰাথমিক শাখা' গোলাঘাট নগৰ নামকৰণেৰে এভাগি নতুন প্ৰাথমিকৰ জন্ম হয়। ইয়াৰ উপৰিও প্ৰাথমিক ভাগ গঠন কৰাত সৰ্বশ্ৰী শৈলেন্দ্ৰনাথ গগৈ দীননাথ বৰা, বিষ্টুৰাম বৰা, মীনাৰাম

কলিতা, বিপুল গায়ন আৰু সোমেশ্বৰ বৰা আদি ব্যক্তিসকলৰ বৰঙণি উল্লেখযোগ্য।

প্ৰাথমিক সংগীসকলে গুৰুধৰ্ম, মূল সংঘৰ নীতি আদৰ্শ প্ৰচাৰ প্ৰসাৰত মনোনিবেশ কৰিছে। বৰ্ত্তমান গৃহস্থীৰ সংখ্যা ৩৬ ঘৰ, সংগীৰ সংখ্যা ৭২ জন। শ্ৰীৰূপাধৰ বৰাদেৱে আৰম্ভণীৰে পৰা বৰ্ত্তমানলৈকে সভাপতি দায়িত্ব পালন কৰি আহিছে অন্যহাতে সৰ্বশ্ৰী মহানন্দ নায়ক আৰু ভৰাম গগৈদেৱে সম্পাদক আসন অলঙ্কৃত কৰিছে।

# সুদৰ্শন প্ৰাথমিক শাখা

## গঠন : ১৯৯৯ চন

গোলাঘাট জিলাৰ, গোলাঘাট মহকুমাৰ বামবৰাহি এখন ডাঙৰ গাঁও। এই গাঁও আঠগাঁও মৌজাৰ অন্তৰ্গত। এই গাঁৱৰ উত্তৰে সোণাৰি গাঁও, দক্ষিণে দলৌজান গাঁও, পূৱে বামবৰাহি চৰণীয়া পথাৰ আৰু পশ্চিম সীমাত উত্তৰ পূৱ-সীমান্ত ৰেলপথ । সৰহ সংখ্যক লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। গাঁও খনৰ মাটিকালি প্ৰায় ৪ বৰ্গ কিঃমিঃ।

প্ৰায় ১৯৩৬ চন মানৰ পৰাই এই গাঁৱত নামধৰ্মৰ প্ৰভাৱ পৰে। ১৯৪৪ চনত গাঁৱৰে প্ৰয়াত ৰূপচান্দ্ৰ বৰা, সোমেশ্বৰ বৰুৱা, ভূৱনেশ্বৰ বৰুৱা আদি ব্যক্তিয়ে শ্ৰীঅমূলানন্দ মহন্ত কৃষ্ণাচাৰীৰ ওচৰত নামধৰ্মৰ দীক্ষা লয়। ১৯৭৮ চনত কেইঘৰ মান গৃহস্থীৰ তৎপৰতাত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শ অনুযায়ী 'কোঁচ গাঁও' প্ৰাথমিক শাখা নামেৰে এভাগি প্ৰাথমিকৰ জন্ম হয়। প্ৰাথমিক শাখাৰ প্ৰথম সভাপতি প্ৰয়াত গুণাৰাম শইকীয়াদেৱৰ প্ৰাথমিক শাখা গঠন, পৰিচালনা আদিত থকা অৰিহণা অপৰিসীম। ১৯৮৫ চনত এই গাঁৱৰ সকলো গৃহস্থীয়েই প্ৰাথমিক শাখাত ভৰ্তি হয়। এইদৰে প্ৰাথমিক শাখাৰ সংগী, গৃহস্থী ক্ৰমান্বয়ে বৃদ্ধি পোৱাত সাংগঠনিক দিশৰ সুবিধাৰ্থে কোঁচ গাঁও প্ৰাথমিক শাখাৰে ২১ ঘৰ গৃহস্থী লৈ ৪৮ গৰাকী সংগীকলৈ জন্ম হ'ল 'সুদৰ্শন' প্ৰাথমিক শাখা ১০-৪-৯৯ তাৰিখে। বৰ্ত্তমান প্ৰাথমিক শাখাৰ

সভাপতি - শ্ৰীবিশ্বেশ্বৰ শইকীয়া।

উপ সভাপতি - শ্ৰীধৰ্মেশ্বৰ শইকীয়া।

সম্পাদক - শ্ৰীবতুল বৰুৱা।

আঞ্চলিক সদস্য - শ্ৰীপৰমানন্দ বৰুৱা।

নতুনকৈ গঠিত হোৱা এই সুদৰ্শন প্ৰাথমিক ভাগ গোলাঘাট আঞ্চলিক শাখাৰ লগত অন্তৰ্ভুক্ত হৈ আছে।

□□

# বৈকুণ্ঠপুৰ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮০ চন

৫ নং গমাৰি গুৰি শান্তিপুৰ মিছিং গাঁও এখন মিছিং সম্প্ৰদায়ৰ গাঁও । পঞ্চাশৰ দশকৰ পৰা ইয়ালৈ প্ৰবজন ঘটা বান বিধস্ত অঞ্চলৰ সহজ-সৰল জীৱিকা সন্ধানী কৃষকৰ দ্বাৰা এই গাঁও গঠিত । দৈয়াং অঞ্চলৰ অন্য গাওঁৰ দৰে এই গাঁওৰ বাসিন্দাসকলে না না সমস্যাৰ সন্মুখিন হৈ আহিছিল । ধৰ্ম্মৰ ক্ষেত্ৰত এই অঞ্চলত এক জাগৰণৰ সৃষ্টি হৈছিল । স্বৰ্গীয় গান্ধৰাম লইং বাপৰ নেতৃত্বত শ্ৰীমন্ত শঙ্কৰ গুৰুজনাৰ আদৰ্শত শ্ৰীমন্ত শঙ্কৰ দেৱ সংঘৰ শাখা প্ৰশাখা বাঢ়ি দৈয়াং আঞ্চলিক শাখাটি গঠন হৈছিল । এই গাওঁতো সেই ধৰ্ম্মৰ জোকাৰণিয়ে সচেতন ব্যক্তিসকলক গুৰু ধৰ্ম্মৰ প্ৰতি আকৃষ্ট কৰিছিল । তাৰ ফল স্বৰুপে ১৯৮০ চনত ১০ ঘৰ গৃহস্থী আৰু ২৬ জন সঙ্গীৰে এই বৈকুণ্ঠপুৰ প্ৰাথমিক শাখাটি গঠন হৈছিল । আৰম্ভণিতে শ্ৰীগুণান্দ বৰি, মেনেজাৰ বৰি,উঁৱাই লইং, প্ৰয়াত যজ্ঞো ৰাম লইং প্ৰয়াত দেৰদেৱী লইং, ভেকুলা পাঠৰী, প্ৰয়াত ৰাধা লইং ৷ নৰহৰি বৰি, প্ৰয়াত এলাগুৰি বৰি, ললিত লইং, প্ৰিয়ৰাম বৰি, প্ৰয়াত ফটিক তাঁতী আৰু শ্ৰীসোমেশ্বৰ লইং বাপসকলে সঙ্গী গৃহস্থী হিচাবে প্ৰাথমিক ভাগ গঠন কৰে । পাচত গৃহস্থী সংখ্যা ১৮ ঘৰলৈ বৃদ্ধি হয় । ক্ৰমান্বয়ে গৃহস্থীৰ সংখ্যা বৃদ্ধি হৈ আছে । বৰ্ত্তমানৰ সভাপতি শ্ৰীদুৰ্ল্লভ কৰি আৰু সম্পাদক শ্ৰীজিকানন্দ বৰি বাপ । প্ৰাথমিক শাখাৰ নামঘৰৰ কাৰণে প্ৰয়াত এলাগুচি বৰি বাপে ভূমি দান দিছিল ।

এই প্ৰাথমিক শাখাৰ পৰা দৈয়াং আঞ্চলিক শাখা আৰু গোলাঘাট জিলা শাখালৈ সদস্য নিৰ্ব্বাচিত হৈছে ঃ ১৯৮২-৮৩ চনত শ্ৰীমেনেজাৰ বৰি আৰু ১৯৮৯-৯০ চনত শ্ৰীনীলকান্ত বৰি বাপ জিলা সদস্য হৈ আহিছিল । এই প্ৰাথমিক শাখাত দৈয়াং আঞ্চলিক শাখাৰ ত্ৰয়োদশ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয় । তদুপৰি এই প্ৰাথমিক শাখাৰ কৃষ্টি সংস্কৃতিৰ ক্ষেত্ৰত অবদান আছে ।

১৯৮০ চনৰপৰা ১৯৮৭ চনলৈ শ্ৰীকৃষ্ণৰ ৰাস যাত্ৰা সঙ্গী বাপ সকলৰ উদ্যোগত পালন কৰা হয় । ইয়াৰ উপৰি গুৰুজয়ন্তী , শ্ৰীকৃষ্ণৰ জন্মাষ্টমী আদি পালন কৰে । প্ৰাথমিক শাখাৰ নিজা নামঘৰত নাম প্ৰসঙ্গ ভাগৱত পাঠ আৰু ধৰ্ম্মালোচনী সভা অনুষ্ঠিত হয় ।

এই প্ৰাথমিক শাখাৰ ধৰ্ম্মৰ দিশত স্মৰণীয় ব্যক্তি সকল হ'ল শ্ৰীগুণন্দ বৰি, প্ৰয়াত যজ্ঞোৰাম লইং প্ৰয়াত ৰাধা লইং আৰু প্ৰয়াত ফটিক তাঁতী । গুৰু ধৰ্ম্ম প্ৰচাৰ আৰু প্ৰসাৰত শ্ৰীগুণন্দ বৰি বাপৰ যথেষ্ট অৱদান আছে । বৰ্ত্তমান এই প্ৰাথমিক শাখাত সেৱা বাহিনীৰ শাখাও গঠন হৈছে ।

# নৱবৃন্দাবন প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯২ চন

জীৱিকাৰ তাৰণাতে হওক বা বৰ্দ্ধিত জন সংখ্যাৰ অনুপাতিক ভাৱে মাটিৰ অভাৱতেই হওক গোলাঘাট মহকুমাৰ ৰঙামাটি মৌজা আৰু বোকাখাট মৌজাৰ কিছু বাণপ্ৰপীড়িত মিছিং লোক আহি দৈয়াং সংৰক্ষিত বনাঞ্চলত বসতি কৰিবলৈ লয় । নল খাগৰিৰে ভৰা অঞ্চলটি পৰিষ্কাৰ কৰি বসবাস কৰিবলৈ লৈ ঠাইদোখৰৰ নাম নলনী পথাৰ মিছিং গাঁও ৰাখিছিল । প্ৰথমে এই গাঁওত ৩০ ঘৰ লোকে বাস কৰিছিল পাচত ৫০ ঘৰলৈ বৃদ্ধি পায় । এই গাঁওৰ ১০ ঘৰ গৃহস্থীয়ে মহাপুৰুষে শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰদৰ্শিত শুদ্ধ ধৰ্ম্ম গ্ৰহণ কৰিবৰ কাৰণে আগবাঢ়ি আহে । তাৰফল স্বৰূপে এই অঞ্চলত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এখন প্ৰাথমিক শাখা গঠন হয় । ১৫-৯-৯২ তাৰিখে শ্ৰীসুৰেণ বৰী বাপৰ গৃহত এখন ধৰ্ম্ম সভা বহে । সেই সভাত দৈয়াং আঞ্চলিক শাখাৰ কেইবা গৰাকী বিষয় ববীয়া আৰু বিশিষ্ট সঙ্গী বাপে সভাখনত যোগ দিয়ে আৰু তেখেতসকলৰ বুজনি লাভ কৰি সেই সভাতে এখন প্ৰাথমিক গঠন হয় । সকলোৱে একমুখে নৱবৃন্দাবন প্ৰাথমিক শাখা নামকৰণ কৰে । শ্ৰীসুৰেণ বৰিয়ে তেখেতৰ পিতৃৰ সোঁৱৰণত প্ৰাথমিক শাখাক তিনি কঠা মাটি দান কৰে । তলত নাম দিয়া বিষয় ববীয়াসকল নিৰ্ব্বাচন কৰি প্ৰাথমিকখনিয়ে আঞ্চলিকৰ যোগেদি জিলা শাখাৰ স্বীকৃতিৰ বাবে আবেদন কৰে ।

সভাপতি শ্ৰীসুৰেণ বৰি, উপসভাপতি - শ্ৰীমীনেশ্বৰ শইকীয়া, সম্পাদক শ্ৰীগোবিন্দ মৰাং ।

সেই প্ৰাথমিকৰ পৰা শ্ৰীচিতাই পাঠৰী জিলা সদস্যও নিৰ্ব্বাচিত হৈছিল ।

প্ৰাথমিকখন আৰ্থ সামাজিক দিশত উল্লেখনীয় নহ'লেও প্ৰায় ৯০শতাংশ লোক কৃষিজীৱি । তাত সেৱা বাহিনীৰ শাখা এটিও গঠন হৈছে ।

### প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকল ঃ

**১৯৯২-৯৩ চন**

শ্ৰীসুৰেন বড়ি সভাপতি

শ্ৰীমিনেশ্বৰ শইকীয়া - উপসভাপতি

শ্ৰীগোবিন্দ মৰাং - সম্পাদক

শ্ৰীচিতাই পাঠৰি - সহঃসম্পাদক

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

**১৯৯৪-৯৫ চন**

শ্ৰীমতিলাল লইং - সভাপতি

শ্ৰীলবিৰাম দলে - উপ সভাপতি

শ্ৰীকনকেশ্বৰ লইং - সম্পাদক

শ্ৰীবাবুকান্ত বড়ি - সহঃসম্পাদক

**১৯৯৬-৯৭ চন**

শ্ৰীমিনেশ্বৰ শইকীয়া - সভাপতি

শ্ৰীলবিৰাম দলে - উপ সভাপতি

শ্ৰীৰূপেশ্বৰ লইং- সম্পাদক

শ্ৰীবাবুকান্ত বড়ি - সহঃসম্পাদক

**১৯৯৮-৯৯ চন**

শ্ৰীচিতাই পাঠৰি সভাপতি

শ্ৰীসুৰেন বড়ি - উপ সভাপতি

শ্ৰীবাবুকান্ত বড়ি -সম্পাদক

শ্ৰীগোবিন্দ মৰাং - সহঃসম্পাদক

শ্ৰীকমলেশ্বৰ লইং - আঞ্চলিক সদস্য

শ্ৰীৰজনীকান্ত দত্ত - সেৱা বাহিনীৰ নায়ক ।

সামাজিক অনুষ্ঠানে এখন মহিলা সমিতি আৰু এটি যুৱক সংঘ আছে । শিক্ষানুষ্ঠান হিচাপে এখন প্ৰাইমেৰী বিদ্যালয় আৰু এখন মধ্য ইংৰাজী বিদ্যালয় আছে ।

□□

# দেৰগাঁও আঞ্চলিক শাখা, দেৰগাঁও

## গঠন ঃ ১৯৯৬ চন

**শ্ৰীমন্ত শংকৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ দেৰগাঁও আঞ্চলিক শাখাৰ বুৰঞ্জী ঃ**

**দেৰগাঁৱৰ বিৱৰণ ঃ** দেৰগাঁও এখন উন্নত আৰু ইতিহাস প্ৰসিদ্ধ ঠাই। দেৰগাঁৱৰ উত্তৰে ব্ৰহ্মপুত্ৰ নদী, দক্ষিণে গণকপুখুৰী, পূবে কাকডোঙা নদী আৰু পশ্চিমে দৰিয়াজান। এই অঞ্চলত বৰ্তমান চাৰিটা মৌজাৰে গঠিত এটি ৰাজহ চক্ৰ আছে। এই মৌজাত ১৯৬০ চনতে দেৰগাঁও নগৰ সমিতিও গঠন হয়।

**দেৰগাঁও শাখাৰ উৎপত্তি ঃ** দেৰগাঁও নামৰ উৎপত্তি সম্পৰ্কে বিভিন্ন মতামত পোৱা যায়। পূৰ্বৰ 'দেৱগ্ৰাম' নামৰ অপ্ৰভংশ হৈ দেৰগাঁও নাম হৈছে বুলি কিংবদন্তি আছে। আৰু কিছুলোকে কয় কছাৰী ৰাজত্বৰ সময়ত 'দেউৰী' গাঁও নামৰপৰা দেৰগাঁও উৎপত্তি। চুহুংমুংহুং ৰজাৰ কালৰপৰাই 'দেৱৰগাঁও' বা দেৰগাঁও নাম বুৰঞ্জীত পোৱা যায়। কছাৰীসকলৰ পূজাৰ বাবে বহুৱা গাঁও আৰু কছাৰী বীৰ দেৰচা আৰু দেৰচাংফাৰ প্ৰাধান্যৰপৰাই দেৰগাঁও নামৰ উৎপত্তি বুলি জনশ্ৰুতি আছে।

১৫২৬ চনলৈকে দেৰগাঁও কছাৰী ৰজাৰ অধীনত আছিল। আহোম ৰজা চুহুংমুংহুংয়ে কছাৰী ৰজাক হৰুৱাই দেৰগাঁও আহোম ৰজাৰ অধীনলৈ নিয়ে। আহোম ৰজাই ৰাজধানী ৰংপুৰৰপৰা গুৱাহাটীলৈ অহা-যোৱা কৰোঁতে জিৰণি লোৱাৰ বাবে দেৰগাঁৱত বাহৰ পাতিছিল সেয়ে দেৰগাঁৱৰ ৰজাবাহাৰ বুৰঞ্জী বিখ্যাত। খাদ্য আৰু অন্যান্য সামগ্ৰী মজুত ৰখাৰ বাবে দেৰগাঁৱতে ভড়ালৰো নিৰ্মাণ কৰিছিল বৰ্তমান ভড়ালবাৰী নামে এই ঠাই জনাজাত। এই ৰজাবাহাৰ ভড়ালবাৰীতে দেৰগাঁৱৰ উন্নত শিক্ষাস্থলী দেৰগাঁও কমলদুৱৰা মহাবিদ্যালয় অৱস্থিত।

দ্বিতীয় মহাযুদ্ধৰ সময়ত ব্ৰিটিছ চৰকাৰে দেৰগাঁও কপাহতলি পথাৰত যুদ্ধৰ ঘাটি স্থাপন কৰে। বৰ্তমান এই পথাৰতে ১৯৪৯ চনৰপৰা অসম আৰক্ষী বাহিনী, ১৯৫২ চনৰপৰা অসম পুলিচ ট্ৰেইনিং কলেজ আৰু বহুতো আৰক্ষী অনুষ্ঠান গঢ় লৈছে।

বিদেশী ইংৰাজৰ ৰাজত্ব ওৰ পেলোৱাৰ বাবে ১৮৫৭ চনতে যি স্বাধীনতা আন্দোলনৰ আৰম্ভ হৈছিল সেই সময়ৰপৰা দেৰগাঁওবাসী ৰাইজে আন্দোলনত অংশ

গ্ৰহণ কৰিছিল । স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰি কাৰাবৰণ হোৱা মুক্তিযোদ্ধাসকল হ'ল -- প্ৰয়াত গংগাৰাম বৰমেধি, *পূৰ্ণদেৱ ঠাকুৰ, *বগাই দত্ত হাজৰিকা, মঃ আখনুৰ আলি, *জীৱেশ্বৰ হাজৰিকা, *চেনিৰাম দত্ত, শ্ৰীযুতা দেৱেশ্বৰী হাজৰিকা, *চেনিৰাম দত্ত, *ত্ৰিলোচন বৰা, *ডিম্বেশ্বৰ মিৰি বৰুৱা, *ছুছেইন আলি, *নৰেন শৰ্মা, *নাৰায়ণ শৰ্মা, চিদা হাজৰিকা, ৰামেশ্বৰ হাজৰিকা আদি বহুতে কাৰাবৰণ কৰি দেশ মাতৃক ৰক্ষা কৰিছিল।

**দেৰগাঁৱৰ শিক্ষা ব্যৱস্থাৰ পাতনি ঃ** বৰ্তমান প্ৰচলিত আনুষ্ঠানিক শিক্ষা প্ৰৱৰ্তনৰ পূৰ্বে দেৰগাঁৱত ঘৰুৱাভাৱে পুৰণি অসমীয়া আৰু সংযুক্ত ভাষা লিখা-পঢ়াৰ চৰ্চা হৈছিল । ১৮৮৬ চনত দেৰগাঁৱৰ জয়নাথ শৰ্মা সংস্কৃত বিদ্যালয়খন স্থাপিত হয় । ঊনৈশ শতিকাতহে অনুষ্ঠানিক শিক্ষা প্ৰবৰ্তন হয় । বৰ্তমান দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয় আৰু চাৰিখন উচ্চতৰ মাধ্যমিক বিদ্যালয়, কেইবাখনো উচ্চ মাধ্যমিক বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয় আৰু প্ৰাথমিক বিদ্যালয় গঢ় লৈছে ।

**বৈষ্ণৱ ধৰ্মৰ ধাৰাবাহিকতা আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাথমিক শাখা গঠন ঃ**

প্ৰায় চতুৰ্দশ শতিকাৰপৰা বৈষ্ণৱ ধৰ্ম দেৰগাঁওবাসী ৰাইজে পালন কৰিছিল। সেই সময়ত ৰাণী ফুলেশ্বৰী কুঁৱৰীৰ অত্যাচাৰতো মহন্তসকলে বৈষ্ণৱ ধৰ্ম ৰক্ষা কৰিবলৈ যত্নবান হৈছিল আৰু দেৰগাঁও অঞ্চলত কেইবাখনো বৈষ্ণৱ সত্ৰ আৰু গাঁৱে-গাঁৱে মহাপুৰুষ শ্ৰীমন্ত গুৰুজনাৰ জাতীয় জীৱন গঢ়াৰ শ্ৰেষ্ঠ অৱদান নামঘৰ প্ৰতিষ্ঠা হৈছিল । অৱশ্যে দেৰগাঁৱত বিভিন্ন ঠাইত মছজিদ আৰু মন্দিৰো প্ৰতিষ্ঠা হৈছিল ।

১৯৩১ চন মানৰপৰাই প্ৰয়াত ৰমাকান্ত মুক্তিয়াৰ আতা, *পীতাম্বৰদেৱ গোস্বামী, প্ৰমুখ্যে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অগ্ৰণীসকলৰ আগমন আৰু সভা-সমিতি অনুষ্ঠান আদিত প্ৰদান কৰা মনোমোহা, শাস্ত্ৰৰ যুক্তি আধ্যাত্মিক ভাষণৰ ফলশ্ৰুতিত এক শৰণ হৰি নাম ধৰ্ম শুদ্ধ ৰূপত পালন কৰিবলৈ আৰু প্ৰচাৰ কৰিবলৈ বহুতো বৰেণ্য লোকে মনোনিৱেশ কৰে । সেইসকলৰ ভিতৰত *গংগাৰাম বৰমেধি, *দুৰ্গেশ্বৰ হাজৰিকা, *উমেশ হাজৰিকা আদি বাপসকলৰ বৰঙণি অতুলনীয় । ১৯৫৭ চনতে দেৰগাঁৱত শ্ৰীমন্ত শংকৰদেৱ জন্মোৎসৱ সমিতি গঠন হৈ মহাপুৰুষ গুৰুজনাৰ জন্মোৎসৱ পালনৰ মাধ্যমেৰে মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ কৰে । এই সমিতিয়ে 'শ্ৰীমন্ত' নামেৰে ১৯৬৬ চনত যিখন আলোচনী প্ৰকাশ কৰে সেইখনেই বৰ্তমান গোলাঘাট জিলাৰ মুখপত্ৰ স্বৰূপ, শ্ৰীমন্ত আলোচনী । এই আলোচনী ষান্মাসিক হিচাপে প্ৰকাশ কৰাত ধৰ্ম সাহিত্য-সংস্কৃতি আদি পৰিশুদ্ধ ৰূপত গ্ৰহণ কৰাত বৰঙণি যোগাইছিল ।

এই অঞ্চলৰ প্ৰয়াত বৈষ্ণৱ পণ্ডিত কুশেশ্বৰ কলিতা প্ৰভুৱে কেইবাখনিও যুগজয়ী গ্ৰন্থ প্ৰণয়ন কৰি, কৰ্মকাণ্ডৰ অসাৰতা প্ৰতিপন্ন কৰি এক শৰণ নাম ধৰ্মৰ

প্ৰচাৰ কৰিছিল । শ্ৰীহৰনাথ হাজৰিকা আৰু প্ৰয়াত কুলেশ্বৰ কলিতা প্ৰভুৰ উদ্যোগত বিভিন্ন স্থানত সভা-সমিতি, জন্মোৎসৱ আদিৰ আয়োজন কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অগ্ৰণী বৈষ্ণৱ পণ্ডিত শ্ৰীযুত সোণাৰাম চুতীয়া আতা, শ্ৰীযুত অচ্যুৎ কৃষ্ণ মিশ্ৰ, নবীন কোঁৱৰ, নবীন ভূঞা আদি বাপসকলৰ যোগেদি শাস্ত্ৰসন্মত আধ্যাত্মিক ভাষণত মুগ্ধ হৈ বহুলোকে সংঘমুখী হ'বলৈ ইচ্ছা প্ৰকাশ কৰে । শ্ৰীযুত হৰনাথ হাজৰিকা, শ্ৰীযুত চন্দ্ৰ বৰদলৈ, শ্ৰীযুত চন্দ্ৰ হাজৰিকা, শ্ৰীযুত আনন্দ হাজৰিকা, ডম্বৰুধৰ কাকতী, শ্ৰীপ্ৰমোদ বৰুৱা আদি বাপসকলৰ প্ৰচাৰৰ ভূমিকাত দেৰগাঁও অঞ্চলে প্ৰসাৰতা লাভ কৰে । আনকি ১৯৬০ চনত নেঘেৰেটিং চাহ মজদুৰসকলৰ মাজত প্ৰয়াত পীতাম্বৰ দেৱ গোস্বামীদেৱক আমন্ত্ৰণ কৰি আনি শৰণ বস্তুও প্ৰদানৰ ব্যৱস্থা কৰে ।

১৯৭০-৭১ চনত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি মতে দেৰগাঁৱত প্ৰাথমিক শাখা গঠন হয় । এই অঞ্চলত পূব আঞ্চলিক নামকৰণেৰে এটি আঞ্চলিক শাখাও গঠন হয় । ১৯৭৫ চনত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৪৪ তম্ বাৰ্ষিক অধিৱেশনখনি বৰুৱাবামুণ গাঁৱত অনুষ্ঠিত হয় । তাৰ পাছৰপৰাই গাঁৱে গাঁৱে প্ৰাথমিক শাখা গঠনৰ ঢৌ উঠে । কিছুমান প্ৰাথমিক পোনপটীয়াভাৱে গোলাঘাট জিলা শাখাৰ লগত জড়িত হৈ গঠন হয় । গোলাঘাট জিলা শাখাৰ প্ৰতিনিধি সভাৰ সিদ্ধান্ত অনুসৰি এনে পৰ্যায়ৰ প্ৰাথমিকসমূহে আঞ্চলিক গঠন কৰিবলৈ ধৰে ।

**দেৰগাঁও আঞ্চলিক শাখা গঠন ঃ** ইং ৮/১২/৯৬ তাৰিখত গন্ধিয়া গাঁও নামঘৰত সমূহ আঞ্চলিক বিহীন প্ৰাথমিক গোটক আহ্বান কৰি সেই সময়ৰ জিলা সদস্য শ্ৰীহৰেন নেওগ আৰু শ্ৰীআনন্দ হাজৰিকা (গোলাঘাট জিলাৰ প্ৰাক্তন উপ-সভাপতি) জিলা সদস্যদ্বয়ৰ উদ্যোগত এখনি সভা অনুষ্ঠিত কৰা হয় । সভাৰ সিদ্ধান্ত মৰ্মে দেৰগাঁও আঞ্চলিক নামকৰণেৰে আঞ্চলিক শাখা গঠন কৰা হয় । এই আঞ্চলিক শাখা গঠনত মুখ্য ভূমিকা লোৱা উদ্যোগী বাপসকল হ'ল শ্ৰীযোগেন বৰগোহাঁই, শ্ৰীবীৰেন দত্ত, শ্ৰীভোলানাথ বৰা, শ্ৰীমহেন্দ্ৰনাথ কাকতী, শ্ৰীভূবন হাজৰিকা, শ্ৰীথানেশ্বৰ হাজৰিকা, শ্ৰীৰমাকান্ত বৰা, শ্ৰীচন্দ্ৰকান্ত আহোম আৰু শ্ৰীগজেন বৰুৱাবাপসকলৰ আঞ্চলিক শাখাৰ এলেকা মৌজাভিত্তিত গণ্য কৰা হয় ।

**সাহিত্য ঃ** আঞ্চলিক শাখা গঠন হোৱা পূৰ্বৰপৰা এই অঞ্চলত তথা দেৰগাঁৱত যথেষ্ট সাহিত্য চৰ্চা হয় । ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা, পণ্ডিত হেমচন্দ্ৰ গোস্বামী, কুশেশ্বৰ কলিতা, নীলমণি ফুকন, নগেন ঠাকুৰ, সাহিত্যাচাৰ্য চৈয়দ আব্দুল মালিক, কীৰ্তিনাথ হাজৰিকা, লক্ষ্মীনাথ ফুকন, শ্ৰীযুত প্ৰফুল্ল বৰা, লক্ষ্মী মহন্ত আৰু বহুতো সাহিত্যিকৰ এই দেৰগাঁৱতে জন্ম হয় । এইসকলৰ অনুপ্ৰেৰণাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি অনুসৰি আঞ্চলিক শাখাই সাহিত্যৰ দিশত গুৰুত্ব দি এটি সাহিত্য শাখাও মুকলি কৰি বিভিন্ন বিষয়ত প্ৰাথমিকসমূহত সভা-সমিতি অনুষ্ঠিত কৰি মহাপুৰুষ গুৰুজনাৰ ধৰ্ম সংস্কৃতি গ্ৰহণ কৰাৰ ব্যৱস্থা কৰা হৈছে । তাৰ উপৰি এই সাহিত্য শাখাৰ যোগেদি

যুৱক-যুৱতী আৰু শিশুসকলৰ আধ্যাত্মিক উৎকৰ্ষ সাধন, বৌদ্ধিক বিকাশৰ বাবে গুৰুত্ব দি বিভিন্ন বিষয়ত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় । প্ৰয়াত সৰু আইতা বৰা ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰি পুৰস্কাৰ প্ৰদান কৰা হয় ।

**সংস্কৃতি ঃ** দেৰগাঁও অঞ্চল পূৰ্বৰপৰাই সংস্কৃতিৰ দিশতো সম্পদশালী । ১৯১১ চনতেই মহাপুৰুষীয়া ধৰ্মৰ দিশেৰে 'মেঘনাদ বধ' নাটক মঞ্চস্থ কৰিছিল বুলি জনা যায় । এই অঞ্চলৰে শ্ৰীযুত যতীন্দ্ৰনাথ গোস্বামী এজন শংকৰী সংস্কৃতিৰ সাধক । আজান চাহেব ৰচিত জিকিৰ আৰু জাৰীৰ গীতৰ সম্ৰাট মঃ ৰেকিবউদ্দিন আহমদ সৰ্বভাৰতীয় শিল্পী । কথাছবিৰ পৰিচালক আৰু কণ্ঠ শিল্পী প্ৰয়াত ডাঃ উপেন কাকতী, কথাছবিৰ প্ৰযোজক শিৱ ঠাকুৰ, কথাছবিৰ পৰিচালক শ্ৰীযুত অতুল বৰদলৈ, দেৰগাঁৱৰ মইনা পাৰিজাতৰ প্ৰতিষ্ঠাপক তথা শিল্পী পেঞ্চন পাওঁতা শ্ৰীযুত ভোলা হাজৰিকা, শংকৰদেৱ বঁটা বিজয়ী কীৰ্তিনাথ হাজৰিকা, ডেকা কবি নীলমণি ফুকন আদি সংস্কৃতিবান লোকসকলৰ অনুপ্ৰেৰণাতে দেৰগাঁওবাসী বাইজ সংস্কৃতিৰ দিশত আগুৱাবলৈ সক্ষম হৈছে । মানুহৰ চেতনা মানসিক শৃংখলা আৰু আধ্যাত্মিক গভীৰতাই হৈছে সংস্কৃতিৰ সূক্ষ্ম কেন্দ্ৰবিন্দু । সেয়েহে গীত, নৃত্য, বাদ্য আৰু ভাওনাৰ মাধ্যমেৰে মানৱক কৃষ্ণ সংস্কৃতিৰে উদ্বুদ্ধ কৰি সংস্কৃতিবান হ'বলৈ শিকালে । দেৰগাঁও আঞ্চলিক শাখাৰ জন্মৰেপৰাই সংস্কৃতি শাখা গঠন কৰি প্ৰাথমিক শাখাসমূহত কৃষ্টি-সংস্কৃতি বিকাশত গুৰুত্ব দিয়া হৈছে । শংকৰী সংস্কৃতি কেন্দ্ৰ গঠন কৰি আঞ্চলিক সেৱা বাহিনীৰ তত্বাৱধানত যুৱক-যুৱতী আৰু শিশুসকলক বৰগীত, নৃত্য প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে । ইং ৫/৭/৯৭ তাৰিখত মূল সংঘৰ সংস্কৃতি সম্পদক (বৰ্তমান সংস্কৃতি সভাপতি) শ্ৰীনীলকান্ত বৰা আৰু সেই সময়ৰ সংস্কৃতি সভাপতি শ্ৰীযোগেশ্বৰ বৰদলৈদেৱৰ তত্বাৱধানত গোলাঘাট জিলা সংস্কৃতি শাখাৰ যোগে 'নামাচাৰ্য সন্মিলন' অনুষ্ঠিত কৰে । এই অনুষ্ঠানতে বৰগীতৰ ৰাগৰ, প্ৰসংগ প্ৰণালীৰ আধাৰত নাম-প্ৰসংগৰ আলোচনা আৰু অনুশীলন কৰা হয় । সংস্কৃতি শাখাৰ জৰিয়তে জিলা অধিৱেশন আদিত বিভিন্ন প্ৰতিযোগীয়ে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি সুখ্যাতি লাভ কৰিছে । মূল সংঘৰ অনুষ্ঠিত সংস্কৃতি কৰ্মশালা, বক্তৃতা, প্ৰশিক্ষণ আদিত সহযোগ কৰি আঞ্চলিক তথা জিলালৈ সুনাম কঢ়িয়াই আনিছে । সংস্কৃতি শাখাৰ আঁচনি অনুযায়ী বৰ্তমান এভাগী মহাপুৰুষীয়া (অংকীয়া) নাটৰ ভাওনা প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰিছে ।

**শিশু কল্যাণ দিৱস ঃ** কৃষ্ণ জন্মাষ্টমীৰ লগত সংগতি ৰাখি আঞ্চলিক শাখাই শিশু কল্যাণ দিৱস উদ্‌যাপন কৰি আহিছে । এই দিৱসত শিশুসকলক আধ্যাত্মিক আৰু নৈতিক শিক্ষা দিয়াৰ উপৰি গুৰু পৰিচয় প্ৰদান কৰাৰ ব্যৱস্থা কৰা হয় ।

**আবিৰ্ভাৱ মহোৎসৱ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱ দেৱৰ জন্মোৎসৱ আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত কৰি অহা হৈছে । আঞ্চলিক শাখা জন্মৰেপৰা ক্ৰমে,

১৯৯৭ দেৰগাঁও শংকৰধাম অৰুণোদয় নামঘৰত ৫৪৯ তম্, ৫৫০ তম্ আফুৰা গাঁও নামঘৰত, ৫৫১ তম্ গন্ধিয়া গাঁও নামঘৰত দুদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয় । এই অনুষ্ঠানতে যুৱ সমাৰোহ আৰু আই-মাতৃ সমাৰোহো অনুষ্ঠিত কৰে । মুকলি সভাত আঞ্চলিক শাখাৰ আঁচনি অনুযায়ী অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাৰ বঁটা বিতৰণ কৰে । অঞ্চল ভিত্তিত মেধা ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা আদিও জ্ঞাপন কৰে । ৫৪৯ তম্ আবিৰ্ভাৱ মহোৎসৱত বৈষ্ণৱ পণ্ডিত তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন পদাধিকাৰ শ্ৰীযুত সোণাৰাম চুতীয়া প্ৰভুক আনুষ্ঠানিকভাৱে সম্বৰ্দ্ধনা জনায় ।

**আৰ্থ-সামাজিক অৱস্থা ঃ** দেৰগাঁও অঞ্চলৰ প্ৰায় লোকেই খেতিৰ ওপৰত নিৰ্ভৰশীল হ'লেও বিভিন্ন ভাগত চৰকাৰী-বেচৰকাৰী ব্যৱসায়-বাণিজ্য কৰা লোকৰ সংখ্যাও সীমিত নহয় । জাতিগত, গোষ্ঠীগত সংঘৰ্ষ হোৱা পৰিলক্ষিত হোৱা নাই । সকলোৰে মাজত ঐক্য-সম্প্ৰীতি অটুত থকা দেখা যায় ।

**সেৱা বাহিনী ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ আঁচনি অনুযায়ী 'আঞ্চলিক সেৱা বাহিনী' গঠন কৰি যুৱক-যুৱতীসকলক সেৱাৰ মনোভাৱ গঢ়াৰ চেষ্টা কৰা হৈছে । সেৱা বাহিনীৰ সেৱক-সেৱিকাসকলৰ শৰণ গ্ৰহণ কৰোৱা হয় । সেৱা বাহিনীৰ তত্বাৱধানত দুটাকৈ শৰণ কক্ষ অনুষ্ঠিত হৈছে অঞ্চলভিত্তিত । সেৱা বাহিনীৰ আঁচনি অনুযায়ী গীত, নৃত্য, বাদ্যৰ প্ৰশিক্ষণ বৰ্তমানে অব্যাহত আছে । সেৱা বাহিনীৰ উদ্যোগতে ৫৫১ তম্ মহাপুৰুষ গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন কৰে । প্ৰাথমিক সেৱা বাহিনীসমূহৰ সেৱক-সেৱিকাসকলৰ আধ্যাত্মিক, বৌদ্ধিক আৰু নৈতিক শিক্ষাৰ উৎকৰ্ষ সাধনৰ উদ্দেশ্যে সাহিত্য-সংস্কৃতি শাখাৰ যোগে ধৰ্মীয় আলোচনা চক্ৰও অনুষ্ঠিত কৰি আহিছে । বয়ন শিল্প, সমাজ সেৱা, ৰক্তদান, বিনামূলীয়াকৈ ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদানৰ আঁচনি গ্ৰহণ কৰি কাৰ্য্যকৰী কৰি আহিছে ।

**সংগঠন ঃ** আঞ্চলিক শাখা গঠনৰপৰা বৰ্তমানলৈকে সাংগঠনিক বিভ্ৰাট হোৱা নাই । সাতখন প্ৰাথমিকৰ সহযোগত আঞ্চলিক গঠন হৈছিল যদিও বৰ্তমান আঠখনলৈ বৃদ্ধি পাইছে ।

**আঞ্চলিক শাখাৰ অন্তৰ্গত প্ৰাথমিক শাখাসমূহ ঃ**

১। জেলেঙ্গা প্ৰাথমিক শাখা
২। সৰ্বগুণাকৰ প্ৰাথমিক শাখা
৩। আদৰ্শ প্ৰাথমিক শাখা (আফুৰা গাঁও)
৪। দেৰগাঁও নগৰ কল্পতৰু প্ৰাথমিক শাখা
৫। গন্ধিয়া গাঁও নৱজ্যোতি প্ৰাথমিক শাখা
৬। শংকৰধাম আৰু নৱোদয় প্ৰাথমিক শাখা
৭। আফুৰা গাঁও প্ৰাথমিক শাখা
৮। দেৰগাঁও নগৰ শ্ৰীমন্ত প্ৰাথমিক শাখা

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

**আঞ্চলিক শাখাৰ সভাপতি, সম্পাদক, বিষয়ববীয়াসকল ঃ**

১৯৯৭-৯৮ চনৰ সমিতি ঃ

সভাপতি ঃ শ্ৰীবীৰেন দত্ত

উপ-সভাপতি ঃ শ্ৰীযোগেন্দ্ৰনাথ বৰগোহাঁই

সম্পাদক ঃ শ্ৰীহৰেন নেওগ

সহঃ সম্পাদক ঃ শ্ৰীগিৰীশ চন্দ্ৰ বৰা

সভাপতি, সাহিত্য শাখা ঃ শ্ৰীভোলানাথ বৰা

সম্পাদক ,সাহিত্য শাখা ঃ শ্ৰীপ্ৰশান্ত কুমাৰ নেওগ

সভাপতি, সংস্কৃতি শাখা ঃ শ্ৰীমহেন্দ্ৰনাথ কাকতী

সম্পাদক,সংস্কৃতি শাখা ঃ শ্ৰীথানেশ্বৰ হাজৰিকা

উপদেষ্টা ঃ শ্ৰীআনন্দ হাজৰিকা

১৯৯৯-২০০০ চনৰ সমিতি ঃ

সভাপতি ঃ শ্ৰীগজেন্দ্ৰ নাথ বৰা

উপ-সভাপতি ঃ শ্ৰীভোলানাথ বৰা

সম্পাদক ঃ শ্ৰীহৰেন নেওগ

সহঃ সম্পাদক ঃ শ্ৰীসুভাস চন্দ্ৰ বৰুৱা

সভাপতি, সাহিত্য শাখা ঃ শ্ৰীনৰেন হাজৰিকা

সম্পাদক, সাহিত্য শাখা ঃ শ্ৰীনোমল চন্দ্ৰ বৰা

সভাপতি, সংস্কৃতি শাখা ঃ শ্ৰীৰমাকান্ত বৰা

সম্পাদক, সংস্কৃতি শাখা ঃ শ্ৰীঅনিল দত্ত

উপদেষ্টা ঃ শ্ৰীআনন্দ হাজৰিকা আৰু পদেন সদস্য তথা জিলা প্ৰচাৰ সম্পাদক শ্ৰীথানেশ্বৰ হাজৰিকা ।

সদস্য/সদস্যাসকল ঃ সৰ্বশ্ৰীসুৰেন বৰা, ভব বৰা, সূৰ্য্যকান্ত কাকতী, বিপিন হাজৰিকা, ভূৱন হাজৰিকা, জয়চৰণ কলিতা, দিলীপ বৰা, সদানন্দ দত্ত, গিৰীশ চন্দ্ৰ বৰা, দেবেন গগৈ, ৰাজেন দত্ত, প্ৰশান্ত হাজৰিকা, ৰাণী ফুকন, চিত্ৰা হাজৰিকা, লীলা হাজৰিকা, ভানু বৰা, পুণ্যপ্ৰভা বৰা ।

**সেৱা বাহিনীৰ বৰ্তমানৰ বিষয়ববীয়াসকল ঃ**

শ্ৰীউৎপল বৰা, আঃ অধিনায়ক

শ্ৰীদেবাঞ্জন বৰা, আঃ উপ-অধিনায়ক

শ্ৰীহৰেন নেওগ, সচিব

শ্ৰীঐশ্চৰ্য বিভূতি বৰা, সহঃ সচিব

শ্ৰীসব্যসাচী নেওগ, কেন্দ্ৰীয় সদস্য

শ্ৰীবিপিন বুঢ়াগোহাঁই, কেন্দ্ৰীয় সদস্য

উল্লেখিত সমিতিয়ে বৰ্তমান আঞ্চলিক শাখা কায্যনিৰ্বাহ কৰি গুৰু ধৰ্ম প্ৰচাৰ-প্ৰসাৰত মনোনিৱেশ কৰিছে । ❑

# জেলেংহুৰা গাঁও প্ৰাথমিক শাখা
## গঠন ঃ ৫২৩ শংকৰাব্দ ঃ ইং, ১৯৭১ চন

দেৰগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত দেৰগাঁও মৌজাৰ জেলেংহুৰা গাঁও এখন প্ৰাচীনতম গাঁও । আহোম ৰজা ৰাজেশ্বৰ সিংহই শিৱদ'ল নিৰ্মাণত পাইক প্ৰচলনৰ বাবে ৰংপুৰৰপৰা ৰংমন হাজৰিকা নামে এজন লোক অনাইছিল । জলহ পোছাক পিন্ধাৰ বাবে এই ৰংমন হাজৰিকাই স্বৰ্গদেউৰপৰা 'জলহ' উপাধি পায় আৰু 'জলহ হাজৰিকা' নামে পৰিচিত হয়, বংশটোৰ নাম 'জলহ' বংশ ঠাইখনৰ নাম 'জলহ গাঁও' -- কালক্ৰমত জেলেংহুৰা গাঁও নামে জনাজাত হয় । প্ৰায় ৫ বৰ্গ কিঃ মিঃ ক্ষেত্ৰফলৰ গাঁওখনৰ মুঠ গৃহস্থী ১৪০ ঘৰ । এখন মধ্য ইংৰাজী বিদ্যালয়, প্ৰাইমেৰী বিদ্যালয়, পুথিভঁৰাল, মইনা পাৰিজাত আদি কেইবাটাও অনুষ্ঠান আছে । দ্বিতীয় মহাযুদ্ধই এই গাঁৱৰ বাসিন্দাসকলক বাৰুকৈয়ে জুৰুলা কৰিছিল । প্ৰয়াত চেনিৰাম দত্ত, চিদানন্দ হাজৰিকা, ত্ৰিলোচন বৰা, ৰামেশ্বৰ শইকীয়াই ১৯৪২ চনৰপৰা গণ আন্দোলনত অংশ গ্ৰহণ কৰি মুক্তি যোদ্ধাৰ তাম্ৰপত্ৰ লাভ কৰিছিল । প্ৰায়বিলাক লোকেই কৃষিজীৱী যদিও শিক্ষক আৰু অন্যান্য চৰকাৰী কৰ্মচাৰীও আছে ।

**ধৰ্মীয় আন্দোলন ঃ** দেৰগাঁও নগৰৰ প্ৰয়াত দুৰ্গেশ্বৰ হাজৰিকাদেৱৰ মৃতাহ কৰ্মভাগী এঘাৰদিনীয়া পদ্ধতিৰে সম্পাদন কৰা হৈছিল । এই কৰ্মভাগত প্ৰয়াত বেপাই কলিতা, গুণাই হাজৰিকা, তাভুৰাম হাজৰিকা মাটিৰাম বৰা, চেনিৰাম দত্ত, বংশী বৰা আদি লোকসকলে সহযোগ কৰাৰপৰাই একশৰণমুখী হোৱাৰ পথ প্ৰশস্ত হয় । কিছুলোকে তেৰদিনীয়া পদ্ধতিৰেও কৰ্ম সম্পাদন কৰিছিল ।

১৯৬২ চন মানৰপৰা গোলাঘাট জিলাৰ প্ৰাক্তন সভাপতি, বৈষ্ণৱ পণ্ডিত কুশেশ্বৰ কলিতা, প্ৰয়াত বাপুৰাম দত্ত, নৰেশ্বৰ বৰা, হৰনাথ হাজৰিকা আৰু গোলাঘাট জিলা প্ৰাক্তন উপ-সভাপতি শ্ৰীআনন্দ হাজৰিকা আদিলোকে সংঘৰ প্ৰচাৰ, প্ৰসাৰত মনোনিৱেশ কৰিছিল । ১৯৭০ চনত প্ৰয়াত চেনিৰাম দত্ত, সৰ্বশ্ৰীভৱ কলিতা, আনন্দ হাজৰিকা আদি বাপসকলৰ আহ্বানত অনুষ্ঠিত হোৱা সভাত শিৱসাগৰ জিলাৰ প্ৰাক্তন সভাপতি শ্ৰীযুত নবীন কোঁৱৰ, মূল সংঘৰ শংকৰদেৱ-মাধৱদেৱ বঁটা বিজয়ী শ্ৰীযুত মাধৱ ভাগৱতী আদি বাপসকলৰ সাৰগৰ্ভ, তত্ত্বদৰ্শী ভাষণে গাঁৱৰ লগতে ওচৰৰ লোকসকলৰ মাজত একশৰণ হৰিনাম ধৰ্মৰ প্ৰভাৱ পৰে । ফলশ্ৰুতিতে ৫২৩ শংকৰাব্দৰ ১৯৭১ চনৰ এটি শুভ মুহূৰ্তত ১৫ ঘৰ গৃহস্থীৰে 'জেলেংহুৰা গাঁও প্ৰাথমিক শাখা' নামকৰণেৰে প্ৰাথমিক শাখাটিৰ জন্ম হয় । প্ৰাথমিক শাখা গঠনত প্ৰয়াত

টিপাই বৰা, বাপুৰাম বৰা ত্ৰিলোচন বৰা, আইকণ হাজৰিকা, সোমেশ্বৰ হাজৰিকা, মাটিৰাম বৰা, বংশী বৰা, চেনিৰাম দত্ত, শ্ৰীচেনিৰাম হাজৰিকা কুমাৰ গাঁৱৰ প্ৰয়াত যজ্ঞেৰাম বৰা, আৰক্ষী বিভাগত কাম কৰা সৰ্বশ্ৰী ফনীধৰ গগৈ, বলো বৰা, গুণপ্ৰভা গগৈ, প্ৰয়াত কণলৰা কলিতা, ৰত্নেশ্বৰ হাজৰিকা, ৰামনাথ কলিতা আদি ব্যক্তিসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল । ১৯৭৪ চনত প্ৰাথমিক শাখাই গাঁৱৰ সমূহ ৰাইজৰ সহযোগত পাঁচদিনীয়াকৈ অনুষ্ঠিত কৰা গুৰু আৱিৰ্ভাৱ মহোৎসৱৰ মুকলি সভাত সভাপতিত্ব কৰে মূল সংঘৰ প্ৰাক্তন পদাধিকাৰ ককা নীলমণি ফুকনদেৱে। প্ৰাক্তন পদাধিকাৰ অচ্যুৎকৃষ্ণ মিশ্ৰ, বৈষ্ণৱ পণ্ডিত শ্ৰীযুত সোণাৰাম চুতীয়া, কুশেশ্বৰ কলিতা, নতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী, শ্ৰীযুত ভীম কোঁৱৰ আদি বাপসকলৰ জৰিয়তে পতা সভাসমূহত বক্তাসকলৰ ভাষণে যথেষ্ট অৰিহণা যোগাইছিল । গোলাঘাট জিলা শাখাৰ প্ৰাক্তন সভাপতি আৰু সম্পাদক প্ৰয়াত যোগেন দত্ত বাপে এই প্ৰাথমিক শাখাটি গঠনত যথেষ্ট অৰিহণা যোগাইছিল ।

এই প্ৰাথমিক শাখাটি প্ৰথমতে ১৯৭৩ চনত গোলাঘাট পূব আঞ্চলিক শাখা গঠন হোৱাত আঞ্চলিকৰ অন্তৰ্ভুক্ত হয় । ১৯৭৭ চনত প্ৰাথমিকৰে শ্ৰীকেশৱ বৰা আঞ্চলিক সভাপতিও হয় আৰু শ্ৰীযুত আনন্দ হাজৰিকা সম্পাদক নিৰ্বাচিত হয়, কিন্তু পূব আঞ্চলিক শাখাৰপৰা ওলাই আহি কিছু বছৰ পোনপটীয়াকৈ জিলা শাখাৰ লগত থকাৰ পাছত ১৯৯৬ চনত দেৰগাঁও আঞ্চলিক গঠন হোৱাত দেৰগাঁও আঞ্চলিকৰ অন্তৰ্ভুক্ত হয় । দেৰগাঁও আঞ্চলিক গঠনত প্ৰাথমিকৰ সংগী শ্ৰীআনন্দ হাজৰিকাদেৱৰ অৰিহণা উল্লেখযোগ্য ।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি-আদৰ্শ ৰক্ষণ প্ৰচাৰ প্ৰসাৰৰ দিশত জেলেংৱা প্ৰাথমিক শাখাটিয়ে যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে । বিশেষকৈ উদ্যোগী, আপোচহীন ব্যক্তি শ্ৰীআনন্দ হাজৰিকাদেৱৰ বৰঙণি অপৰিসীম । ১৯৭১ চনতে নেঘেৰিটিং প্ৰাথমিক শাখা, দেৰগাঁও নগৰ কল্পতৰু প্ৰাথমিক শাখা, কপাহতলি প্ৰাথমিক শাখা দ্বীপজ্যোতি প্ৰাথমিক শাখা আদি শাখাসমূহ গঠনত শ্ৰীহাজৰিকাদেৱে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল ।

সাহিত্য, সংস্কৃতিৰ দিশত এই প্ৰাথমিক শাখাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে । দেৰগাঁও আঞ্চলিক গঠনৰ পিছতেই জিলা সংস্কৃতি শাখাৰ যোগেদি সংস্কৃতি বিষয়ক এটি কৰ্মশালা অনুষ্ঠিত কৰে । মূল সংঘই বাৰ বছৰৰপৰা যুৱক-যুৱতীসকলক 'শৰণ' দিয়া কাৰ্য দেৰগাঁও আঞ্চলিক শাখাৰ যোগেদি প্ৰাথমিক শাখাৰ সৌজন্যত প্ৰায় ১০০ জন যুৱক-যুৱতীক লৈ সম্পাদন কৰা হয় । মূল সংঘৰ নীতি অনুযায়ী দেৰগাঁও আঞ্চলিক শাখাৰ সহযোগত সেৱা বাহিনী গঠন, শিশু সমাৰোহ, যুৱ-সমাৰোহ, আইমাতৃ সমাৰোহ আদি উদ্‌যাপন কৰা হৈছে ।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি-আদৰ্শ প্ৰচাৰ প্ৰসাৰৰ দিশত অৰিহণা আগবঢ়োৱা ব্যক্তিসকল হ'ল --

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

**প্ৰয়াত চেনিৰাম দত্ত ঃ** জন্ম ঃ ১৯০৯ চন, মৃত্যু ঃ ১৯৮৯ চন, ৮ ফেব্ৰুৱাৰী। এটি সাধাৰণ কৃষক পৰিয়ালত জন্ম গ্ৰহণ কৰি, স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰি ভাৰত চৰকাৰৰপৰা তাম্ৰপত্ৰ লাভ কৰে । শ্ৰীমন্ত শংকৰ সংঘৰ এগৰাকী একনিষ্ঠ সংগী তথা একান্ত সেৱক আছিল ।

**প্ৰয়াত চিদানন্দ হাজৰিকা ঃ** হাইস্কুলৰ নৱম শ্ৰেণীতে ভাৰতৰ স্বাধীনতা আন্দোলনত যোগদি কাৰাবৰণ কৰে । বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ জন্ম দি, দায়িত্ব বহন কৰি ১৯৮৫ চনত দেহ ত্যাগ কৰে ।

**প্ৰয়াত ত্ৰিলোচন বৰা ঃ** ১৯০৩ চনত এটি কৃষক পৰিয়ালত জন্ম গ্ৰহণ কৰি নিজ অধ্যৱসায়ৰ জৰিয়তে আদৰ্শ কৃষকৰূপে প্ৰতিষ্ঠা কৰি ১৯৭৮ চনত ইহলীলা সম্বৰণ কৰে ।

**শ্ৰীআনন্দ হাজৰিকা ঃ** আজীৱন শ্ৰীমন্ত শংকৰদেৱ সংঘৰ আপোচহীন সেৱক, উদ্যোগী পুৰুষ, দেৰগাঁও অঞ্চলৰ বিভিন্ন প্ৰাথমিক জন্মৰ লগত জড়িত এগৰাকী ব্যক্তি । গোলাঘাট জিলা শাখাৰ প্ৰাক্তন সংস্কৃতি সভাপতি আৰু উপ-সভাপতিৰ আসন অলংকৃত কৰিছিল ।

**সভাপতি, সম্পাদকসকলৰ তালিকা ঃ**

সভাপতিসকল ঃ প্ৰয়াত চেনিৰাম দত্ত, সৰ্বশ্ৰীচন্দ্ৰমোহন হাজৰিকা, ভূৱন হাজৰিকা, কেশৱ বৰা, প্ৰয়াত ৰত্নেশ্বৰ হাজৰিকা, ৰামনাথ কলিতা, সৰ্বশ্ৰীফণিধৰ গগৈ, ৰামনাথ বৰা, আনন্দ হাজৰিকা, ভৱ কলিতা ।

সম্পাদকসকল ঃ সৰ্বশ্ৰীভৱ কলিতা, হৰেন হাজৰিকা, চন্দ্ৰমোহন হাজৰিকা, আনন্দ হাজৰিকা, ভোলা বৰা, ৰবীন শইকীয়া, অৰুণ বৰা ।

এখন গাঁৱত এটা নামঘৰক কেন্দ্ৰ কৰি এখন প্ৰাথমিক থকাটোহে গুৰু ধৰ্মৰ আদৰ্শ যদিও বিভিন্ন কাৰণত দুৰ্ভাগ্যবশতঃ ১৯৮৩ চনত প্ৰাথমিক শাখাটি দ্বিখণ্ডিত হৈ নৱজ্যোতি প্ৰাথমিক শাখাই জন্ম লাভ কৰে । আকৌ ১৯৮৮ চনত নৱজ্যোতি প্ৰাথমিক শাখাটিও দ্বিখণ্ডিত হৈ শিৰোমণি প্ৰাথমিক শাখাই জন্মলাভ কৰে । অৱশ্যে বৰ্তমান অৱস্থাত তিনিওটি প্ৰাথমিক শাখাই সৌহাৰ্দ্যমূলক পৰিবেশত অনুষ্ঠানসমূহ সম্পাদন কৰি থকা দেখা গৈছে ।

জেলেঙ্গৰা গাঁও প্ৰাথমিক শাখাৰ সহযোগত ১৯৯৯ চনত দেৰগাঁও আঞ্চলিক শাখাৰ দ্বিবাৰ্ষিক অধিৱেশন ভাগি, লগতে যুৱ সমাৰোহ আৰু আইমাতৃ সমাৰোহৰ বিস্তৃত কাৰ্যসূচীৰে তিনিদিনীয়াকৈ আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত কৰে । ☐

# আদৰ্শ প্ৰাথমিক (আফুৰা গাঁও) শাখা

## গঠন ঃ ৫৩৩ শংকৰাব্দ ঃ ১৯৮৪ চন

ইতিহাস প্ৰসিদ্ধ দেৰগাঁও মৌজাৰ আফুৰা গাঁওস্থিত আদৰ্শ প্ৰাথমিক শাখা গোলাঘাট জিলা শাখাৰ এখনি পুৰণি প্ৰাথমিক । জনশ্ৰুতি মতে অতীজত এই অঞ্চলৰ এঘৰ লোকে আফু খেতি কৰিছিল । কালক্ৰমত আফু খেতি কৰা লোকজনৰ বংশ পৰিয়ালক আফুৰা বংশ আৰু উক্তবংশৰপৰা আফুৰা চুবুৰী তথা গাঁৱৰ উৎপত্তি হয় । বৰ্তমানৰ আফুতলি পথাৰে পূৰ্বৰ আফু খেতিৰ স্বাক্ষৰ বহন কৰিছে । বৰ্তমান এই গাঁৱত আফুৰা, মুদৈ, মেনা, জ-খৰীয়া, পাঠক, লাইঘিলা, বৰুৱা আৰু শইকীয়া বংশ আছে । গাঁৱৰ গৃহস্থীৰ সংখ্যা ১৫০ ঘৰ আৰু জনসংখ্যা প্ৰায় ১০০০ জন । উত্তৰে চৰাই গাঁও, দক্ষিণে গন্ধিয়া গাঁও, পূবে কমাৰ গাঁও আৰু পশ্চিমে দেৰগাঁও নগৰ । বৰ্তমান দুঘৰ গোসাঁইলোকে বহু পূৰ্বতে থকা ফুলবাৰী সত্ৰখনৰ স্বাক্ষৰ বহন কৰিছে । গাঁৱৰ সকলোলোকেই মূলত কৃষিজীৱী । শিক্ষক, বাগানৰ কৰ্মচাৰী আৰু অন্যান্য চৰকাৰী, বে-চৰকাৰী বিভাগৰ কৰ্মচাৰীৰ উপৰি ব্যৱসায়-বাণিজ্য কৰা লোকৰ সংখ্যাও যথেষ্ট আছে । গাঁৱৰ মধ্যস্থলতে মহাপুৰুষীয়া ধৰ্মৰ প্ৰাণকেন্দ্ৰ আফুৰা গাঁও নামঘৰ অৱস্থিত । এই নামঘৰ অস্থায়ীভাৱে প্ৰায় ২০০ বছৰৰ আগতে প্ৰতিষ্ঠা কৰা হয় । নামঘৰ প্ৰতিষ্ঠা আৰু গাঁৱৰ উন্নয়নমূলক কাম-কাজত অগ্ৰণী ভূমিকা লোৱা পুণ্যাত্মাসকল হৈছে প্ৰয়াত সোণাই গাঁওবুঢ়া, মিহিৰাম বৰা, ঠনু বৰুৱা, বাপ বায়ন, মহো বায়ন, ভোগৰাম দত্ত, থানু ভকত, কণ ভকত, তিলো বায়ন, কুমলী গোস্বামী আৰু বাথু ভকত । বাপ বায়ন কমলাবাৰী সত্ৰৰ বায়ন আছিল আৰু সমগ্ৰ দেৰগাঁও অঞ্চলত গাণিকা প্ৰশিক্ষণ দি মহাপুৰুষীয়া সংস্কৃতিলৈ প্ৰভূত বৰঙণি যোগাইছিল । সময়ৰ গতিত উক্তৰ পুৰুষসকলে স্থায়ীভাৱে নামঘৰ সজাৰ প্ৰচেষ্টা হাতত লৈ ১৯৫৮ চনত এখনি নিৰ্মাণ সমিতি গঠন কৰি সৰ্বশ্ৰীবাপুৰাম হাজৰিকা আৰু গণেশ হাজৰিকাক ক্ৰমে সভাপতি আৰু সম্পাদকৰ দায়িত্ব দিয়ে । বৰ্তমানলৈকে গাঁৱৰ সংবিধান অনুসৰি গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে নিৰ্বাচিত হোৱা পৰিচালনা সমিতিৰ জৰিয়তে নামঘৰ, গাঁৱৰ বিভিন্ন উন্নয়ণমূলক কাম কৰি আহিছে । প্ৰয়াত অনন্ত দত্তৰ স্মৃতি ৰক্ষাৰ্থে তেখেতৰ জীৱিতকালতে দান দিয়া অনন্ত দত্ত প্ৰাথমিক বিদ্যালয়, আদৰ্শ প্ৰাক্ প্ৰাথমিক বিদ্যালয়, আফুৰা গাঁও আদৰ্শ পুথি ভঁৰাল আদিয়েই গাঁৱৰ অনুষ্ঠান-প্ৰতিষ্ঠান । পিছৰ সময়ত মেনা, বৰুৱা আৰু লাইঘিলা বংশৰ উদ্যোগত শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামী নামকৰণেৰে অন্য এভাগি নামঘৰ প্ৰতিষ্ঠা হয় । প্ৰয়াত অৰুণ বায়ন,

হেঙাই বৰা, কণলৰা বৰা, শ্ৰীগোলাপ বৰুৱা আদিলোকসকলে এই নামঘৰৰ ভাগি প্ৰতিষ্ঠাত মুখ্য ভূমিকা গ্ৰহণ কৰে ।

গাঁৱৰ লোকসকল অতীজৰেপৰা তথাকথিত মহাপুৰুষীয়া লোক । ১৯৭০-৭১ চন পৰ্যন্ত একশৰণ হৰিনাম ধৰ্মৰ প্ৰভাৱ পৰা নাছিল । দেৰগাঁও অঞ্চলত অনুষ্ঠিত হোৱা বিভিন্ন ধৰ্মালোচনী সভাসমূহত বক্তাসকলৰ ভাষণ, বৈষ্ণৱ পণ্ডিত কুশেশ্বৰ কলিতা, শ্ৰীহৰনাথ হাজৰিকা আদি বাপসকলে নাম অনুষ্ঠানত আগবঢ়োৱা একশৰণ হৰিনাম ধৰ্মৰ তত্ত্ব মধুৰ আলোচনাত মুগ্ধ হৈ প্ৰয়াত বেপাই বাঢ়ে, সৰ্বশ্ৰী বাপু হাজৰিকা, হৰেণ নেওগ, খগেন হাজৰিকা আদি লোকসকলে একশৰণ গ্ৰহণ কৰাৰ মানসেৰে প্ৰয়াত বেপাই বাঢ়েয়ে বৰুৱাবামুণ গাঁও প্ৰাথমিকত, বাপু হাজৰিকা আৰু খগেন হাজৰিকাই কোচগাঁও আৰু শ্ৰীহৰেণ নেওগ বাপে গন্ধিয়া গাঁও প্ৰাথমিকত অন্তৰ্ভুক্তি হয় । শ্ৰীহৰেণ নেওগ বাপৰ চেষ্টাতে প্ৰয়াত কুশেশ্বৰ কলিতাবাপৰ সহযোগত গন্ধিয়া গাঁও প্ৰাথমিক শাখা গঠন হয় । শ্ৰীহৰেণ নেওগে সেই সময়ৰপৰাই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ আদৰ্শ প্ৰচাৰ প্ৰসাৰত ব্ৰতী হয় । একাদিক্ৰমে কেইবাবাৰো জিলা কাৰ্যনিৰ্বাহকৰ সদস্য হৈ থকাৰ উপৰি বাৰ বছৰ গন্ধিয়া গাঁও প্ৰাথমিকৰ বিষয়ববীয়া থাকি বৰ্তমান দেৰগাঁও আঞ্চলিক শাখাৰ সম্পাদকৰ গধুৰ দায়িত্ব পালন কৰিছে । মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ, বিভিন্ন ধৰ্মালোচনী সভাসমূহত কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী মূল সংঘৰ প্ৰাক্তন পদাধিকাৰ প্ৰয়াত মোহন মহন্ত, নবীন ভূঞা, নবীন কোঁৱৰ আদি বাপসকলে একশৰণ হৰিনাম ধৰ্ম, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি-আদৰ্শ, আচাৰ-ব্যৱহাৰৰ ওপৰত দিয়া বিস্তৃত ব্যাখ্যাত মুগ্ধ হৈ গাঁৱৰ কেইবাঘৰ গৃহস্থী সংঘমুখী হয় । এইদৰে গাঁৱত সংঘত অন্তৰ্ভুক্ত হোৱা গৃহস্থীৰ সংখ্যা বৃদ্ধি হোৱাত, বিভিন্ন প্ৰাথমিক শাখাত সংগী হৈ থকালোক কেইঘৰে নিজ গাঁৱত এভাগি প্ৰাথমিক গঠন কৰাৰ কাম হাতত লয় ।

**প্ৰথামিক শাখাৰ জন্ম ঃ** ১৯৮৪ চনৰ এটি শুভ মুহূৰ্ত্তত বিভিন্ন প্ৰাথমিকত সিঁচৰতি হৈ থকা লোকসকল, বঙাল গাঁৱৰ দুঘৰীক লৈ মুঠ ১৪ ঘৰ গৃহস্থীৰে আফুৰা গাঁও নামঘৰক কেন্দ্ৰকৰি 'আদৰ্শ প্ৰাথমিক (আফুৰা গাঁও) শাখা নামকৰণেৰে প্ৰাথমিক শাখাটিৰ জন্ম হয় আৰু জিলা তথা মূল সংঘৰ স্বীকৃতি লাভ কৰে । প্ৰাথমিক শাখাটি গঠনত প্ৰয়াত সৰ্বেশ্বৰ বৰা, সৰ্বশ্ৰীহৰেণ নেওগ, সুৰেন বৰা, মহেশ্বৰ বৰা, বাপু হাজৰিকা, গণেশ হাজৰিকা, বাপুৰাম দত্ত আদি বাপসকলৰ অৱদান উল্লেখযোগ্য । জন্মলগ্নৰেপৰা প্ৰাথমিক শাখাটি জিলা শাখাৰ লগত পোনপটীয়াকৈ থাকি ১৯৯৬ চনত গঠন হোৱা দেৰগাঁও আঞ্চলিকৰ অন্তৰ্গত হয় । দেৰগাঁও আঞ্চলিক গঠনতো প্ৰাথমিকৰ সংগী সৰ্বশ্ৰীহৰেন নেওগ, থানেশ্বৰ হাজৰিকা আদি বাপসকলে বিশেষ ভূমিকা পালন কৰিছে ।

**প্ৰচাৰ প্ৰসাৰত ভূমিকা ঃ** গুৰুধৰ্ম তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ লক্ষ্য আদৰ্শ প্ৰচাৰ প্ৰসাৰত প্ৰাথমিক শাখাই মনোনিৱেশ কৰি আহিছে । কুমাৰ গাঁও আৰু আমনিপামৰ

কেইবাঘৰো গৃহস্থী এই প্ৰাথমিক শাখাত আছিল । সেই গাঁৱত ক্ৰমান্বয়ে সংগীৰ সংখ্যা বৃদ্ধি হোৱাত কুমাৰ গাঁৱত 'শংকৰধাম অৰুণোদয়' আৰু আমনিপামত 'মাধৱদেৱ' প্ৰাথমিক শাখা গঠন কৰে । পিছত গাঁৱৰো কেইবাঘৰ লোক, চৰাই গাঁৱৰ আৰু চাৰকিসূত্ৰে দেৰগাঁৱত স্থায়ী বা অস্থায়ীভাৱে বসবাস কৰিবলৈ লোৱা কেইবাঘৰো গৃহস্থী অন্তৰ্ভুক্ত হৈ বৰ্তমান প্ৰাথমিক শাখাৰ গৃহস্থীৰ সংখ্যা ২৭ ঘৰ আৰু সংগীৰ সংখ্যা ৭৫ জন । সংগীসকলে নিষ্ঠাৰে শ্ৰীমন্ত শংকৰদেৱ সংবিধান, নীতি-নিয়ম মানি চলাত গুৰুত্ব আৰোপ কৰে । প্ৰায় সংগীয়েই খেতিৰ ওপৰত নিৰ্ভৰশীল যদিও চৰকাৰী, বে-চৰকাৰী, বাগানৰ কৰ্মচাৰী, ব্যৱসায়-বাণিজ্য কৰালোকো আছে ।

বিভিন্ন ধৰ্মালোচনী সভা-সমিতিৰ জৰিয়তে সংগীসকলৰ আধ্যাত্মিক উৎকৰ্ষসাধান, শিশুসকলক গুৰু পৰিচয় কৰোৱা, বিভিন্ন প্ৰতিযোগিতামূলক আঁচনিৰ যোগেদি মানসিক আৰু বৌদ্ধিক বিকাশৰ প্ৰচেষ্টা হাতত লৈছে । আঞ্চলিক, জিলা শাখাই আয়োজন কৰা প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ কৰি প্ৰাথমিকৰ শিশু যুৱক-যুৱতীয়ে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে । জিলা শাখাৰ সংস্কৃতি শাখাৰ দ্বাৰা পৰিচালিত দেউৰী, বিলনীয়া, নামাচাৰ্য, বিবাহ-পৰিচালক আদিৰ প্ৰশিক্ষণ সত্ৰ প্ৰাথমিক শাখাই অনুষ্ঠিত কৰি যিকোনো অনুষ্ঠান সম্পাদনাৰ দিশত শাখাটি স্ব-নিৰ্ভৰশীল । বিভিন্ন সময়ত শৰণ কক্ষ অনুষ্ঠিত কৰিছে । দেৰগাঁও আঞ্চলিকৰ সেৱা বাহিনীৰ দ্বাৰা পৰিচালিত শংকৰী বিকাশ কেন্দ্ৰত কেইবাগৰাকী যুৱকে গাণিকা, গীত, নৃত্যৰ প্ৰশিক্ষণ লৈ শংকৰী সংস্কৃতি সাধনত অগ্ৰসৰ হৈছে । পুৰুষসকলৰ লগতে মহিলাসকলকো ধৰ্মীয় সংস্কৃতিৰ ক্ষেত্ৰত আগবঢ়াই নিয়াৰ উদ্দেশ্যে 'আদৰ্শ মহিলা চ'ৰা' নামকৰণেৰে এটি শাখা খুলি সংবিধান, প্ৰসংগ প্ৰণালী, অশৌচ পদ্ধতি, বিবাহ পদ্ধতি এই চাৰিও পুথিৰ আলোচনা কৰাৰ আঁচনি লৈছে । মূল সংঘই অনুশোধনৰ অৰ্থে প্ৰচলন কৰা 'মুষ্টিদান' ব্যৱস্থা কাৰ্যকৰী কৰি প্ৰতিমাহে চুবুৰীত হোৱা সাংগঠনিক সভাত সংগ্ৰহৰ ব্যৱস্থা কৰিছে । মূল তথা জিলা শাখাৰ নিৰ্দেশনাত প্ৰাথমিক শাখাৰ সমূহ যুৱক-যুৱতীক লৈ সেৱা বাহিনী গঠন কৰি এই অঞ্চলৰ যাৱতীয় সেৱা অনুষ্ঠান সম্পাদন কৰাৰ লগতে উঠি অহা প্ৰজন্মক মহাপুৰুষীয়া নীতি-আদৰ্শেৰে আদৰ্শৱান কৰি গঢ়ি তুলিবলৈ প্ৰচেষ্টা লোৱা পৰিলক্ষিত হৈছে । গোলাঘাট জিলা শাখাৰ নামঘৰত অনুষ্ঠিত হোৱা মাণ্ডলিক অভিবৰ্তন আৰু কৰ্মশালাত প্ৰাথমিক শাখাৰ সেৱা বাহিনীৰ সেৱক-সেৱীকাসকলে অংশ গ্ৰহণ কৰে । শ্ৰীদেবাঞ্জন বৰাৰ নেতৃত্বত প্ৰাথমিক শাখাৰ সেৱা বাহিনী পৰিচালিত হৈ দেৰগাঁও আঞ্চলিক তথা জিলা শাখাটো সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে । শ্ৰীদেবাঞ্জন বৰা বৰ্তমান দেৰগাঁও আঞ্চলিক শাখাৰ উপ-অধিনায়ক । যোৱা চাৰি বছৰৰপৰা বয়োজ্যেষ্ঠ বাপ আই, মেধা ছাত্ৰ-ছাত্ৰীসকলক প্ৰাথমিকৰ বাৰ্ষিক সাধাৰণ সভাত ৰাজহুৱাভাৱে সম্বৰ্দ্ধনা জনোৱা হৈছে । প্ৰাথমিক শাখাত প্ৰতিবছৰে গুৰু আবিৰ্ভাৱ মহোৎসৱ, মাধৱদেৱ জন্ম জয়ন্তী, জন্মাষ্টমী পালন কৰি আহিছে । ইয়াৰ লগত সংগতি ৰাখি যুৱ সমাৰোহ,

আইমাতৃ সমাৰোহ, শিশু সমাৰোহ আৰু শিশু কল্যাণ দিৱস অনুষ্ঠিত কৰি মূল সংঘৰ নীতি-নিৰ্দেশনা কাৰ্যকৰী কৰাৰ লগতে শিশু, যুৱক-যুৱতী, আইমাতৃসৱৰ বৌদ্ধিক তথা আধ্যাত্মিক বিকাশত বৰঙণি যোগাইছে।

**প্ৰাথমিক শাখাৰ কেইগৰাকীমান বিশিষ্ট, অগ্ৰণী ধৰ্মপ্ৰাণ বাপৰ চমু পৰিচয় ঃ**

**প্ৰয়াত সৰ্বেশ্বৰ বৰা ঃ** জন্ম ঃ ১৯২৪ চন, মৃত্যু ঃ ১৯৯৮ চন। ৩৪০ ঘৰ গৃহস্থীৰে ভৰা বৃহৎ বঙাল গাঁওখনৰপৰা মাত্ৰ দুঘৰ গৃহস্থী প্ৰয়াত সৰ্বেশ্বৰ বৰা, তেৰাৰ ভাতৃ শ্ৰীসুৰেন্দ্ৰনাথ বৰা বাপদ্বয় গাঁৱৰ নানান বিপদ-বিঘিনিকো একাৰবীয়াকৈ থৈ ১৯৭৫-৭৬ চনতে মহাগুৰুৰবীয়া ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অন্তৰ্ভুক্ত হয়। প্ৰাইমেৰী স্কুলৰ ডেওনা পাৰ হোৱা প্ৰয়াত বৰাবাপ সংঘৰ এজন নিষ্ঠাবান সেৱক আছিল। প্ৰাথমিক শাখাটি পৰিচালনা, সু-সংগঠিত কৰি ৰখাত ভূমিকা আছিল অপৰিসীম। ভাতৃ শ্ৰীসুৰেন্দ্ৰ নাথ বৰাবাপে বাগানৰ অতি কৰ্মবহুল কৰ্মচাৰী হৈয়ো প্ৰাথমিক গঠনকে ধৰি গুৰুধৰ্ম, সংঘৰ নীতি-আদৰ্শ প্ৰচাৰ প্ৰসাৰত যোগোৱা অৰিহণা উল্লেখযোগ্য।

**শ্ৰীবাপচন বৰা ঃ** দেৰগাঁও, গৰুমৰা, গেন্ধালি অঞ্চলত বিশিষ্ট বায়ন নাম লগোৱা হিচাপে খ্যাত শ্ৰীবাপচন বায়ন বাপে ত্ৰিশৰ দশকত জন্ম গ্ৰহণ কৰি গুৰু ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ সংঘভুক্ত হৈ প্ৰচাৰ-প্ৰসাৰত ব্ৰতী হয়। এগৰাকী নিষ্ঠাবান সেৱক।

**শ্ৰীমহেশ্বৰ বৰা ঃ** প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতি শ্ৰীমহেশ্বৰ বৰা বাপৰ জন্ম হয় আফুৰা গাঁৱৰ জ-খৰীয়া চুবুৰীত। কৃষি কৰ্মকে মুখ্য জীৱিকা হিচাপে লৈয়ো বিভিন্ন ধৰ্মালোচনী সভাসমূহত বক্তাসকলৰ মুখ নিশ্ৰিত শাস্ত্ৰৰ তত্ত্ব মধুৰ বাণীসমূহৰ দ্বাৰা মুগ্ধ হৈ একশৰণ গ্ৰহণ কৰি সংঘভুক্ত হয়। প্ৰাথমিক শাখাটিক বিভিন্ন দিশত আগুৱাই নিয়াত আৰু সংঘৰ নীতি-সদাচাৰ ৰক্ষা, আদৰ্শ প্ৰচাৰ-প্ৰসাৰত ব্ৰতী হয়।

**১৯৮৪ চনৰপৰা বৰ্তমানলৈকে বিষয়ববীয়াসকল ঃ**

**সভাপতি ঃ** শ্ৰীমহেশ্বৰ বৰা, প্ৰয়াত সৰ্বেশ্বৰ বৰা, সৰ্বশ্ৰীহৰেন নেওগ, দৌলেশ্বৰ হাজৰিকা আৰু বৰ্তমান সুৰেন্দ্ৰনাথ বৰা।

**সম্পাদক ঃ** সৰ্বশ্ৰীবিপিন দত্ত, হৰেন নেওগ, বীৰেন হাজৰিকা, ভৱকান্ত বৰা, থানেশ্বৰ হাজৰিকা, বাবুল নেওগ আৰু বৰ্তমান ভৱকান্ত বৰা।

শ্ৰীথানেশ্বৰ হাজৰিকা বাপে জিলা কাৰ্যনিৰ্বাহকৰ সদস্য নিৰ্বাচিত হৈ বৰ্তমান জিলা প্ৰচাৰ শাখাৰ সম্পাদকৰ দায়িত্বত কাৰ্যনিৰ্বাহ কৰি আছে। ❑

# গন্ধিয়া গাঁও নৱজ্যোতি প্ৰাথমিক শাখা
## গঠন ঃ ১৯৮৬ চন

গন্ধিয়া গাঁও এখনি প্ৰাচীন গাঁও । নেঘেৰিটিং দ'ললৈ ৰজা, বৰফুকন আহোঁতে ৰজা বাহৰলৈ গান্ধ বিৰিঙা আদি ঔষধি গছৰ সুগন্ধি তেল তৈয়াৰ কৰি যোগান ধৰাৰ কাৰণে সেই বংশৰ মানুহৰ নামেৰে গন্ধিয়া গাঁও হয় বুলি জনশ্ৰুতি আছে । ইয়াত ৰজাদিনীয়া উপাধিধাৰী পাচনি (দত্ত) কাকতি, বৰা আদি ফৈদৰ মানুহ আছে । উত্তৰে আফুৰা গাঁও, দক্ষিণে বৰুৱা গাঁও, পূবে কোচ গাঁও আৰু পশ্চিমে হেমচন্দ্ৰ গোস্বামী পথ । গৃহস্থী ৪৫ ঘৰ, জনসংখ্যা প্ৰায় ৩৫০ জন । এই গাঁৱৰ ভালেকেইঘৰ গন্ধীয়া বংশৰ মানুহ লক্ষীমপুৰলৈ উঠি যায় । ইয়াত ৰজাৰ ঘৰত হাতীক ঘাঁহ যোগান ধৰা লোকো আছিল । সেইলোকসকল ঘাঁহি বুলি জনাজাত ।

এই গাঁৱৰ বিশিষ্ট ব্যক্তি ক্ৰমে প্ৰয়াত শশীধৰ কাকতি, নাৰায়ণ দত্ত, উমেশ্বৰ বৰা, ডম্বৰুধৰ কাকতি আৰু বেণুধৰ কাকতিয়ে চৰকাৰী বিভাগত চাকৰি কৰিছিল আৰু গাঁওখনৰ উত্তৰণত যথেষ্ট অৰিহণা যোগাইছিল । শ্ৰীমহেন্দ্ৰ নাথ কাকতি বিভিন্ন ঠাইত উচ্চ বুনিয়াদী বিদ্যালয়ত সুখ্যাতিৰে প্ৰধান শিক্ষক ৰূপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰে । বৰ্তমান গাঁওখনৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ আছে । তেখেতে ১৯৪২ চনত অসহযোগ আন্দোলন আৰু ১৯৬০ চনত ভাষা আন্দোলনতো সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল । বিশেষকৈ নিৰ্মল পুস্তকালয়, সমবায়, পঞ্চায়ত আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংগঠনৰ কামত আত্মনিয়োগ কৰি প্ৰাথমিক শাখাৰ সভাপতি আৰু দেৰগাঁও আঞ্চলিক শাখাৰ সংস্কৃতি শাখাৰ সভাপতি পদতো অধিষ্ঠিত হৈছিল ।

প্ৰায় ২৮/২৯ বছৰৰ আগতে এই গাঁৱত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বীজ অংকুৰিত হৈ গন্ধিয়া গাঁও প্ৰাথমিক শাখাই জন্ম লাভ কৰে, কিন্তু ১৯৮৬ চনত সিংহভাগ গৃহস্থীক লৈ গন্ধিয়া গাঁও নৱজ্যোতি প্ৰাথমিক শাখাই জন্মলাভ কৰে আৰু ১৯৯৬ চনত দেৰগাঁও আঞ্চলিক শাখাৰ অন্তৰ্ভুক্ত হয় । প্ৰাথমিক শাখাটি গঠনত প্ৰয়াত ফেন্দুৰাম কলিতা, ৰাজেন বৰা, সৰ্বশ্ৰীযোগেশ্বৰ দত্ত, বাপুৰাম দত্ত, মহেন্দ্ৰনাথ কাকতি, হৰেন নেওগ আদি ব্যক্তিসকলৰ ভূমিকা লেখত ল'বলগীয়া । প্ৰাথমিক শাখাটি জন্মৰেপৰা গুৰুজনাৰ ধৰ্ম আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি-আদৰ্শ প্ৰচাৰ-প্ৰসাৰত মনোনিৱেশ কৰি আহিছে । প্ৰাথমিক শাখাৰ মধ্যস্থলত অৱস্থিত নামঘৰতে

কেইবাবাৰো গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱ, দেৰগাঁও আঞ্চলিক শাখাৰ জন্ম এই নামঘৰতে হয় আৰু উলহ-মালহেৰে প্ৰথম বাৰ্ষিক অধিৱেশন ভাগি তিনিদিনীয়া কাৰ্যসূচীৰে এই নামঘৰতে গন্ধিয়া গাঁও নৱজ্যোতি প্ৰাথমিকৰ সৌজন্যত অনুষ্ঠিত কৰা হয়। শিশুসকলৰ গুৰু পৰিচয়, কেইবাবাৰো শৰণকক্ষ কৰি শৰণ কাৰ্য সম্পাদন, শিশু সমাৰোহ, আইমাতৃ, যুৱ সমাৰোহ অনুষ্ঠিত কৰি নাম ধৰ্ম তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি-আদৰ্শ প্ৰচাৰ-প্ৰসাৰত অৰিহণা যোগাইছে। শেহতীয়াকৈ সেৱা বাহিনী গঠন কৰি বিভিন্ন উন্নয়নমূলক কৰ্ম কৰাৰ লগতে সেৱকসকলৰ মাজত এটি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি-আদৰ্শ মতে গানিকা প্ৰশিক্ষণ সত্ৰ চলি আছে। যোৱা বছৰ গন্ধিয়া গাঁও নামঘৰত দেৰগাঁও আঞ্চলিক শাখাই দুদিনীয়া কাৰ্যসূচীৰে গন্ধিয়াগাঁও নৱজ্যোতি প্ৰাথমিকৰ সহযোগত শ্ৰীমন্ত শংকৰদেৱৰ ৫৫১ তম্ জন্মোৎসৱ ভাগি আড়ম্বৰপূৰ্ণভাৱে পালন কৰে। দেৰগাঁও আঞ্চলিকৰ সেৱা বাহিনীয়ে গানিকা আৰু ভাওনা প্ৰদৰ্শন কৰে। এই গাঁৱৰ প্ৰয়াত চন্দ্ৰনাথ কাকতিয়ে দেৰগাঁও হাইস্কুলত প্ৰতিষ্ঠাপক হিচাপে কিছুদিন চাকৰি কৰিছিল। প্ৰয়াত মণি দত্ত গোলাঘাট জিলা মহিলা পাৰিজাতৰ সভাপতি, ডম্বৰুধৰ কাকতি সদৌ অসম মহিলা পাৰিজাতৰ সভাপতি, গোলাঘাট জিলা প্ৰাইমেৰী বিদ্যালয় শিক্ষক সন্থাৰ সম্পাদক আৰু সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰি প্ৰাথমিক তথা গাঁৱৰ সুনাম অৰ্জন কৰিছিল। প্ৰয়াত ফেন্দুৰাম কলিতা এগৰাকী বিশিষ্ট সমাজসেৱী। গাঁৱৰ নামঘৰ নিৰ্মাণৰ বাবে তেখেতে ৮,০০০.০০ (আঠ হেজাৰ) টকা দান কৰিছিল। প্ৰাথমিক শাখাৰ সংগীসকলৰ অৱস্থা সিমান টনকিয়াল নহয়। কৃষিৰ ওপৰতে প্ৰায় নিৰ্ভৰশীল যদিও চৰকাৰী কৰ্মচাৰী, ব্যৱসায়ী আদিও আছে।

**১৯৮৬ চনৰপৰা বৰ্তমানলৈকে সভাপতি, সম্পাদক তথা বিষয়ববীয়াসকল ঃ**

**সভাপতি ঃ** প্ৰয়াত ফেন্দুৰাম কলিতা, সৰ্বশ্ৰীৰোমেশ্বৰ দত্ত, মহেন্দ্ৰনাথ কাকতি (বৰ্তমান)

**সম্পাদক ঃ** সৰ্বশ্ৰীসূৰ্য কাকতি, মাখন বৰা। ❑

# কপাহতলি সৰ্বগুণাকৰ প্ৰাথমিক শাখা
## গঠন ঃ ১৯৮৭ চন

দ্বিতীয় মহাযুদ্ধত বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা লোৱা 'কপাহতলি পথাৰ দেৰগাঁও থানা তথা মৌজাৰ এখন ইতিহাসে গৰকি যোৱা ঠাই। দ্বিতীয় মহাযুদ্ধৰ বৃটিছ সৈন্যৰ মুখ্য ঘাটি আছিল কপাহতলি পথাৰ। এই কপাহতলি পথাৰতে ১৯৫২ চনত আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয় স্থাপিত হৈ আৰক্ষী বিভাগৰ বিভিন্ন প্ৰশিক্ষণ, শিক্ষা-দীক্ষা দিয়া কাৰ্য সম্পন্ন কৰাত গুৰু দায়িত্ব পালন কৰি আহিছে।

অসমৰ বিভিন্ন প্ৰান্তৰপৰা চাকৰি তথা কৰ্তব্যৰ খাটিৰত আহি একত্ৰিত হোৱা গুৰুধৰ্মৰ প্ৰতি অনুৰক্ত মুষ্টিমেয় কেইগৰাকীমান লোক আৰক্ষী কেন্দ্ৰৰ ওচৰৰ বিশেষকৈ জেলেহুৱা, ফেটা, ভকতীয়া আদি প্ৰাথমিক সমূহত সংগীভুক্ত হৈ একশৰণ হৰিনাম ধৰ্মৰ নীতি-আদৰ্শ পালন, প্ৰচাৰ-প্ৰসাৰত মনোনিৱেশ কৰিছিল। এইদৰে দিন বাগৰাৰ পিছত ক্ৰমান্বয়ে সংগীৰ সংখ্যা বৃদ্ধি হৈ অহাত বিভিন্ন প্ৰাথমিকত সিঁচৰতি হৈ থকা আৰক্ষী বিভাগৰ সংগীসকলে নিজাববীয়াকৈ, নিজৰ ঠাইতে এখনি প্ৰাথমিক গঠনৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। তাৰে ফলশ্ৰুতিত ১৯৮৭ চনৰ এটি শুভক্ষণত বুৰঞ্জী প্ৰসিদ্ধ 'কপাহতলি পথাৰৰ' স্মৃতি কাললৈ যুগমীয়া কৰি, কেইগৰাকীমান স্থানীয় উদ্যোগী ব্যক্তিৰ প্ৰচেষ্টাত 'কপাহতলি সৰ্বগুণাকৰ' প্ৰাথমিক শাখা নামকৰণেৰে এই শাখাটি গঠন হয়। জন্মলগ্নৰেপৰা ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা বিশিষ্ট ব্যক্তিসকল হৈছে সৰ্বশ্ৰীভোলা বৰা, আনন্দ হাজৰিকা, হৰনাথ হাজৰিকা, গুণপ্ৰভা গগৈ, ধ্ৰুৱকান্ত বৰা, ফণীধৰ গগৈ আদি। বিশেষকৈ বৰ্তমান মৰাণত স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱা ফণীধৰ গগৈদেৱৰ বৰঙণি চিৰস্মৰণীয় হৈ থাকিব। আদিতে. কেৱল আৰক্ষী বিভাগৰ লোকসকল সংগীভুক্ত হৈছিল যদিও বৰ্তমান সমীপৱৰ্তী অঞ্চলৰ অসামৰিক গৃহস্থীলোকে এই প্ৰাথমিক শাখাৰ সংগীভুক্ত হৈছে। জন্মৰেপৰা জিলা শাখাৰ লগত পোনপটীয়াভাৱে থাকি ১৯৯৬ চনত দেৰগাঁও আঞ্চলিক শাখা গঠন হোৱাত আঞ্চলিকৰ অন্তৰ্ভুক্ত হয়। আৰম্ভণীৰপৰাই প্ৰাথমিক শাখাটিৰ সংগীসকলে মূল সংঘৰ নীতি-আদৰ্শ প্ৰচাৰ-প্ৰসাৰত মনোনিৱেশ কৰি আহিছে। দেৰগাঁও আঞ্চলিক শাখাটো বিভিন্ন দায়িত্বত থাকি অৰিহণা আগবঢ়াইছে। ২৪ ঘণ্টাই চাকৰিৰ দায়িত্বত থাকিও গুৰুধৰ্ম প্ৰচাৰ-প্ৰসাৰত প্ৰাথমিক শাখাৰ সংগীসকল ব্ৰতী হৈ যি কৰ্তব্যনিষ্ঠাৰ পৰিচয় দাঙি ধৰিছে সঁচাকৈয়ে প্ৰশংসনীয়। কৰ্তব্যৰ খাটিৰত ইয়াৰপৰা বহু সংগী গুচি গৈছে যদিও অন্যান্য বহু নতুন সংগীও অন্তৰ্ভুক্ত হৈ বৰ্তমান ২৯ ঘৰ গৃহস্থী হৈছেগৈ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

বিভিন্ন সময়ত আঞ্চলিক তথা জিলা শাখাৰ দ্বাৰা আয়োজিত শিশু সমাৰোহ, যুৱ সমাৰোহ, আইমাতৃ সমাৰোহ আদিত সাহিত্য-সংস্কৃতিৰ দিশত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাসমূহত প্ৰাথমিক শাখাৰ কিশোৰ-কিশোৰী, যুৱক-যুৱতী, আইমাতৃসকলে অংশ গ্ৰহণ কৰি সুনাম অৰ্জন কৰিছে।

জিলা শাখাৰ মূল সংঘৰ শৰণ সদস্যৰ দ্বাৰা ভিন ভিন সময়ত তিনিটাকৈ 'শৰণ কক্ষ' অনুষ্ঠিত কৰা, প্ৰাথমিকৰ শিশুসকলক গুৰু পৰিচয় কৰোৱা, জিলা সংস্কৃতি শাখাৰ দ্বাৰা অনুষ্ঠিত সংস্কৃতি বিষয়ক প্ৰশিক্ষণ সত্ৰসমূহত সংগীসকলে প্ৰশিক্ষণ লোৱা, আড়ম্বৰপূৰ্ণভাৱে গুৰু আবিৰ্ভাৱ মহোৎসৱ পালন কৰা আদিয়েই শাখাটিয়ে সাহিত্য-সংস্কৃতিৰ দিশত আগবঢ়োৱা উল্লেখযোগ্য অৱদান।

মূল সংঘত শেহতীয়া তথা এক যুগ নিৰ্ণায়ক আঁচনি 'সেৱা বাহিনী'। এই আঁচনি অনুসৰি সেৱা বাহিনী গঠন কৰি আঞ্চলিক শাখাৰ লগতে জিলা শাখাটো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। সেৱা বাহিনীৰ উদ্যোগত ১২ বছৰ বয়সৰেপৰা শৰণ গ্ৰহণ কাৰ্যসূচী যুৱক-যুৱতীৰ মাজত কাৰ্যকৰী কৰা হয়। সেৱা বাহিনীৰ মুখ্য কাৰ্যাৱলীৰ ভিতৰত বিভিন্ন জনকল্যাণমূলক আঁচনি ৰূপায়ণ, গৃহস্থীৰ ঘৰত প্ৰয়োজনবশত সহায়-সহযোগ আগবঢ়োৱা, শিশু যুৱক-যুৱতীৰ মানসিক, বৌদ্ধিক বিকাশৰ বাবে বিভিন্ন কাৰ্য্য ব্যৱস্থা আদিয়েই প্ৰধান। আৰম্ভণীৰেপৰা বৰ্তমানলৈকে সভাপতি ক্ৰমে সৰ্বশ্ৰী অজিত চেতিয়া, ৰবীন শইকীয়া, কমল বৰা আৰু ৰমাকান্ত বৰা আৰু সম্পাদক, সৰ্বশ্ৰী অতুল বৰা, দেবেন গগৈ, মুনীন গগৈ।

প্ৰাথমিক শাখাৰ বৰ্তমানৰ সভাপতি শ্ৰীৰমাকান্ত বৰাদেৱৰ গুৰুধৰ্মৰ নীতি-আদৰ্শ পালন, প্ৰচাৰ-প্ৰসাৰ, সংগী-গৃহস্থী বৃদ্ধি কৰা আদি অন্যান্য সংগঠনমূলক কামত আগবঢ়োৱা বৰঙণি উল্লেখযোগ্য। ❑

# শংকৰধাম অৰুণোদয় প্ৰাথমিক শাখা

## গঠন ১৯৮৮ চন

দেৰগাঁও মৌজাৰ অন্তৰ্গত, বিভিন্ন জনগোষ্ঠীৰ আবাসভূমি কুমাৰ গাঁও এখনি প্ৰাচীনতম গাঁও । মৃন্ময় শিল্পৰ দ্বাৰা প্ৰায়বিলাক লোকৰেই জীৱিকাৰ মুল উৎস হোৱা বাবে এই গাঁৱৰ নাম কুমাৰ গাঁও হয় । প্ৰায় তিনি হাজাৰজন জনসংখ্যাৰে গাঁৱৰ পৰিসীমাত পূবে অসম আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়, পশ্চিমে হেমচন্দ্ৰ গোস্বামী পথ, উত্তৰে গেলাবিল নদী আৰু দক্ষিণে ৩৭ নং ৰাষ্ট্ৰীয় পথ ।

এই গাঁৱৰ কেইগৰাকীমান অতি গুণসম্পন্ন ব্যক্তিক সুঁৱৰিব খুজিছোঁ । সু-সাহিত্যিক, ডেকাকবি নীলমণি ফুকন এই গাঁৱৰে চকিয়াল চুকত জন্ম । সৰ্বশ্ৰীযুত ৰমা বৰুৱা, গিৰীশ বৰুৱা, মহেন্দ্ৰনাথ কলিতা, উপেন বৰুৱা (বৰ্তমান গাঁওবুঢ়া) প্ৰবীণ খ্যাতনামা অধিবক্তা প্ৰদীপ শৰ্মা, সুবক্তা, শংকৰী সাহিত্য-সংস্কৃতিৰ সাধক কামিনী কুমাৰ দত্ত, প্ৰয়াত গোলাপ পুজাৰী (মুক্তি যুজাৰু) এই গাঁৱৰে সু-সন্তান ।

কুমাৰ গাঁও এখনি আদৰ্শবান গাঁও হিচাপে পৰিগণিত । ইয়াৰ প্ৰাথমিক বিদ্যালয়ৰপৰা উচ্চ মাধ্যমিক বিদ্যালয়লৈ মুঠ ৯ (ন) টি শিক্ষানুষ্ঠান, দুখনি মহিলা সমিতি, চৰকাৰী পেঞ্চনাৰ সন্থাৰ মুখ্য কাৰ্যালয় আদি আছে ।

এই গাঁৱত বিভিন্ন ধৰ্মাৱলম্বী লোক আছে যদিও মহাপুৰুষীয়া লোকৰ সংখ্যাই সৰ্বাধিক । কুমাৰ গাঁৱৰ বিভিন্ন চুবুৰীত থকা ৭ (সাত) টি নামঘৰেই ইয়াৰ সাক্ষী বহন কৰে । বৃহত্তৰ কুমাৰ গাঁও অঞ্চলত মহাপুৰুষীয়া ধৰ্মৰ প্ৰভাৱ সুস্পষ্ট যদিও কৰ্মকাণ্ড মাৰ্গৰ প্ৰভাৱহে গভীৰ হোৱা পৰিলক্ষিত হৈছে । কৰ্মকাণ্ডৰ অসাৰতা উপলব্ধি কৰা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি-আদৰ্শৰ প্ৰতি গভীৰভাৱে আকৰ্ষিত হোৱা কেইবাঘৰো গৃহস্থী আহুৰা আদৰ্শ প্ৰাথমিকৰ সংগীভুক্ত হয় । এইদৰে গাঁৱত গুৰু ধৰ্মৰ প্ৰতি আকৰ্ষিত হোৱা গৃহস্থীৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পোৱাত ১৯৮৮ চনৰ ১৭ জুলাই তাৰিখে ১০ (দহ) ঘৰ গৃহস্থীৰে 'শংকৰধাম অৰুণোদয় প্ৰাথমিক শাখা' নামকৰণেৰে এই প্ৰাথমিক শাখাটিয়ে আত্মপ্ৰকাশ কৰে । সৰ্বশ্ৰীযুত বোপাৰাম গগৈ, যোগেন বৰগোহাঁই, খগেন্দ্ৰনাথ দত্ত, গজেন্দ্ৰনাথ বৰা, সুভাষ বৰুৱা, হৰেন নেওগ, ভোলা বৰা, ধ্ৰুৱ বৰা, খগেশ্বৰ দত্ত, চন্দ্ৰকান্ত আহোম আদি লোকসকলৰ প্ৰাথমিক শাখাটি গঠনত বৰঙণি অপৰিসীম । বিশেষকৈ প্ৰয়াত যজ্ঞেৰাম বৰাদেৱৰ অৱদান অতুলনীয় । তেখেতৰ ভূমিতেই (২ কঠা) শংকৰধাম অৰুণোদয় প্ৰাথমিক শাখাৰ নামঘৰটি গঢ় লৈ উঠিছে । তেখেতৰ পুত্ৰসৱেও নামঘৰটিৰ বাটচ'ৰাৰ লগতে এখনি তোৰণ দান দিয়াৰ প্ৰতিশ্ৰুতি দিছে ।

পূৰ্বৰ ১০ ঘৰ গৃহস্থীৰপৰা বৰ্তমান ৩৫ ঘৰ গৃহস্থীৰে প্ৰাথমিক শাখাৰ কলেৱৰ বৃদ্ধি হৈছে । প্ৰাথমিক শাখাৰ সংগী বাপসকলে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ

৫৪৮ শঙ্কৰাব্দ । সংগী সংখ্যা ২২ জন । সংগীসকলৰ আৰ্থ সামাজিক অৱস্থাত সকলোৱে উন্নত নহয় । খেতিয়ক, বনুৱা আৰু বৰ্তমানৰ ক্ষুদ্ৰ চাহ খেতিয়কো আছে । ৫% চাকৰিয়াল । এসময়ত এই প্ৰাথমিকত অন্তৰ্ভুক্ত হোৱা সংগীসকলৰ চেষ্টাতে বেতিয়নী বাগিচা নামঘৰত গুৰুজয়ন্তী পালন কৰি লোকসকলক শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্ম প্ৰতি আকৃষ্ট কৰা হয় । সকলো সংঘৰ সংগী নহ'লেও বাগানৰ বনুৱাৰ মাজত গুৰু ধৰ্মৰ প্ৰভাৱ আছে । এতিয়াও নামঘৰত ভাওনা, নাম-প্ৰসংগ আদি কৰে । বৰ্তমান প্ৰচাৰ আৰু প্ৰসাৰৰ দিশত প্ৰাথমিকে আগভাগ লোৱা হৈছে । ভাগৱত পাঠ, ধৰ্মালোচনী সভা আৰু নাম-প্ৰসংগৰ মাধ্যমেৰে সংগী বঢ়োৱাৰ চেষ্টা অব্যাহত আছে। বৰ্তমান সভাপতি শ্ৰীউমাকান্ত গগৈ আৰু সম্পাদক শ্ৰীযতীন ফুকন ।

# বুঢ়ালিকচন চাৰিঙীয়া প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৩ চন

বুঢ়ালিকচন আৰু চাৰিঙীয়া দুখন গাৱঁৰ লোকৰ মিলনত এই প্ৰাথমিক শাখাটি গঠন হোৱাৰ কাৰণে এই প্ৰাথমিকৰ নাম বুঢ়ালিকচন চাৰিঙীয়া হৈছে। বুঢ়ালিকচন আৰু চাৰিঙীয়া দুয়োখনি গাৱঁৰেই আয়তন ডাঙৰ আৰু বিভিন্ন সম্প্ৰদায়ৰ লোকেৰে জনবহুল । ৰাইজৰ মূল জীৱিকাৰ উপায় খেতি, চাকৰিজীৱী সংখ্যালঘিষ্ঠ ।

১৯৭৩ চনৰ ২০ ডিচেম্বৰ তাৰিখে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংবিধান অনুসৰি এই প্ৰাথমিক শাখা গঠন হয় । ইয়াৰ আগতে স্থানীয় শ্ৰীসদানন্দ গগৈ আৰু শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া বাপে সংঘ গঠনৰ কাৰণে বহুতো যত্ন কৰিছিল । তেখেতসকলৰ যত্নতে এই অঞ্চলৰ গুৰুজনাৰ অনুগামী লোকসকলে সংঘ গঠনৰ প্ৰেৰণা পায় আৰু শ্ৰীবুবাই ৰান্ধনি, শ্ৰীকামেশ্বৰ ৰান্ধনি, শ্ৰীসোমেশ্বৰ দাস, শ্ৰীকলাই দাস, শ্ৰীবাপুৰাম দাসআদি লোকসকল সংঘৰ সংগী হৈ প্ৰাথমিক গঠন কৰে । বৰ্তমান প্ৰাথমিকখনৰ সংগীসকলে সংঘৰ নীতি আদৰ্শ পালন কৰি প্ৰচাৰ-প্ৰসাৰত মনোনিবেশ কৰি আছে ।

প্ৰাথমিকৰ প্ৰথম সভাপতি শ্ৰীসোমেশ্বৰ দাস আঁতৰি যোৱাত শ্ৰীদেহীৰাম দাসে সভাপতিৰ দায়িত্ব গ্ৰহণ কৰিছিল । সম্পাদকৰ দায়িত্বত প্ৰথমৰপৰা শ্ৰীচন্দ্ৰ দাস আছে । সংগীৰ সংখ্যা বৰ্তমান কিছু বৃদ্ধি পাইছে ।

OO

# চেতীয়া গাঁও প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৫ চন

গোলাঘাট জিলাৰ চেতীয়া গাঁও মুঠতে চাৰিটা চুবুৰী লগ লাগি গঠন হৈছে। মামৰ চুক, চেতীয়া চুক, ফুলমৰা চুক আৰু বৰুৱা চুক।

প্ৰতিটো চুবুৰীৰে একোটা নিজা বৈশিষ্ট্য আছিল। বৰ্তমান এই চাৰিটা চুবুৰীৰ নাম লুপ্ত হৈ আহিছে। এতিয়া ১ নং চেতীয়া গাঁও আৰু ২ নং চেতীয়া গাঁও নামে দুখন গাঁও আছে। মূলত ৰাজহ তপচিল ভুক্ত গাঁও এখনহে। এই গাৱঁৰ জনসংখ্যা ১৬০২ জন আৰু গৃহস্থী সংখ্যা ২৪০ ঘৰ। এই গাৱঁত বৰ্তমান এটা উপস্বাস্থ্য কেন্দ্ৰ, এখন প্ৰাথমিক বিদ্যালয়, দুটা নামঘৰ আছে। এই গাৱঁৰ মাজেদি এটা গড়কাপ্তানী পথ পাৰ হৈ গৈছে। এই গাৱঁতে আহোম ৰজাদিনৰ ৰহচলা পুখুৰী আছিল। বৰ্তমান তাৰ চিন মাত্ৰহে আছে। গাৱঁৰ সৰহ সংখ্যক লোক কৃষিজীৱি। আহোম, চুতীয়া, কোচ, কলিতা আৰু ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোকসকলে এই গাৱঁত বাস কৰে। বিভিন্ন সম্প্ৰদায়ৰ বসতি থাকিলেও গাৱঁৰ ঐক্য-সংহতি ৰক্ষা কৰি চলাত সকলোৰে মিলা-প্ৰীতি আছে।

চেতীয়া গাঁও নামতো সম্পৰ্কে এটা প্ৰবাদ আছে যে, মান ভগনীয়াত শিৱসাগৰ অঞ্চলৰ জনৈক চেতিয়া উপাধিধাৰী লোকে আহি বসতি কৰা বাবে গাঁওখনৰ নাম চেতীয়া হয়। এই গাৱঁত বাস কৰা চুতীয়া সম্প্ৰদায়ৰ লোকসকল দেৰগাৱঁৰ দৈয়ঙীয়া গাৱঁৰ পৰা উঠি অহা লোক। এই গাৱঁৰ মূল বাসিন্দাসকল হ'ল মামৰৰ ঘৰৰ।আগতে এই ঠাইক ক'লা হাবি বুলি কোৱা হৈছিল। এই গাৱঁৰ বৰ্তমান অৱস্থা ভাল, কৃষি বাণিজ্য আৰু ৰাজসেৱা অৰ্থাৎ চৰকাৰী কৰ্মচাৰী, আদি সকলো দিশতে উপাৰ্জন কৰি খোৱা লোক আছে।

এই গাৱঁৰ ধৰ্মীয় বুৰঞ্জী চালে দেখা যায় যে, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰভাৱ পৰাৰ আগতেই এই গাঁও স্বৰ্গীয় মহেশ্বৰ বৰা, স্বৰ্গীয় লৰিকা দত্ত, স্বৰ্গীয় দীনাৰাম শইকীয়া, স্বৰ্গীয় কমলেশ্বৰ বৰা, স্বৰ্গীয় টঙ্কেশ্বৰ বৰা আদিয়ে নাম ধৰ্ম প্ৰচাৰ কৰিছিল। কৰ্মকাণ্ড ত্যাগ কৰি নাম কীৰ্তনেৰে মৃতাদি কৰ্ম কৰাত ব্ৰতী হৈছিল। কিন্তু এই ক্ষেত্ৰত তেখেতসকলে পুৰণি পৰম্পৰাৰ লগত জড়িত ব্যক্তিসকলৰপৰা যথেষ্ট বাধা পাইছিল। তেতিয়াই সেই

অঞ্চলত ভাগৱত পাঠ, ধৰ্মালোচনী সভা আদি অনুষ্ঠিত হৈছিল । স্বৰ্গীয় মহেশ্বৰ বৰাৰ পুত্ৰ স্বৰ্গীয় ভদ্ৰেশ্বৰ বৰা বাপেও এই ক্ষেত্ৰত আগভাগ লৈছিল। তেখেতসকলে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সঙ্গীবাপসকলক মাতি বিভিন্ন গৃহত ধৰ্মালোচনী সভা অনুষ্ঠিত কৰাইছিল । তাৰ ফলস্বৰূপে জিলা শাখাৰ একনিষ্ঠ সদস্য প্ৰাক্তন উপ-সভাপতি আৰু বৰ্তমান প্ৰচাৰ শাখাৰ সদস্য শ্ৰীনন্দেশ্বৰ শইকীয়া বাপৰ যত্নত সেই সময়ৰ শৰণ সদস্য শ্ৰীঘনকান্ত তামুলী বাপ আৰু জিলা শাখাৰ সম্পাদক শ্ৰীহেম শইকীয়াৰ উপস্থিতিত ১৯৭৫ চনত চেতীয়া গাঁও প্ৰাথমিক শাখাটি গঠন কৰা হয় । এই শাখাৰ সভাপতি হিচাপে শ্ৰীপূৰ্ণকান্ত চেতীয়া আৰু সম্পাদক হিচাপে শ্ৰীফণী চেতীয়া আৰু শ্ৰীভদ্ৰেশ্বৰ বৰাক যুটীয়া ভাৱে নিৰ্বাচিত কৰা হয় ।জিলা শাখাৰ স্বীকৃতি লাভ কৰি শাখাটিয়ে গুৰু ধৰ্ম প্ৰচাৰত একনিষ্ঠ ভাৱে সেৱা আগবঢ়াই আহিছে । বৰ্তমান গৃহস্থী সংখ্যা ১৫ ঘৰ আৰু সংগীৰ সংখ্যা ৩২ জন । এই প্ৰাথমিক শাখাটি বৰ্তমান ঢেকীয়াল আঞ্চলিক শাখাৰ অন্তৰ্ভুক্ত হৈ আছে । ১৯৯৯ চনত ঢেকীয়াল আঞ্চলিক শাখাৰ ২ য় বাৰ্ষিক অধিৱেশনখনি দুদিনীয়া কাৰ্য্যসূচীৰে এই প্ৰাথমিকৰ শাখাৰ সৌজন্যত চেতিয়া গাঁও নামঘৰত অনুষ্ঠিত হয় ।

এই প্ৰাথমিকৰ সংগী বাপ শ্ৰীজীতেন বৰা সদস্য বাপে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ মূল কাৰ্যালয় ভাগৰ তেখেতৰ ককাক স্বৰ্গীয় মহেশ্বৰ বৰা বাপৰ স্মৃতিত ১৯৯৪ চনত ৭৫,০০০.০০ টকা খৰচ কৰি স্থায়ীভাৱে তৈয়াৰ কৰি দিয়ে । ২৩।১০।৯৪ চনত ইয়াৰ দ্বাৰাই উন্মোচন কৰা হয় । এইটো প্ৰাথমিক শাখাটিৰ বাবে গৌৰৱৰ বিষয় । বৰ্তমান এই শাখাৰ সভাপতি আৰু সম্পাদক শ্ৰীৰঞ্জিত বৰা এই প্ৰাথমিক শাখাৰ পৰা শ্ৰীপাবিজাত বৰাই একাধিকবাৰ জিলা শাখাৰ সদস্যা হিচাপে কাৰ্য্য নিৰ্বাহ কৰিছিল ।

# যোগীগাঁও নবোদয় প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৭ চন

পৌৰাণিক যোগী জাতিৰ নাথ সম্প্ৰদায়ৰ লোকে একে ঠাইতে বসবাস কৰাৰ কাৰণে এই গাওঁৰ নাম যোগীগাঁও হয় । কাঠকটীয়া আৰু ঢেকীয়ালৰ একাংশ লৈ এই গাঁও গঠিত হৈছে । ইয়াৰ আয়তন প্ৰায় তিনি বৰ্গ কিলোমিটাৰ । গৃহস্থীৰ সংখ্যা ৭২ ঘৰ আৰু জনসংখ্যা ৩৬১ জন । এই গাওঁত প্ৰয়াত ৰঙাই নাথ বৰা মেধীৰ ১৯৩৫ চনত ৰমাকান্ত মুক্তিয়াৰ

আতাৰ লগত সাক্ষাত হয় । তেৰাৰ লগত মেধীয়ে বহুবাৰ মহাপুৰুষীয়া ধৰ্মৰ বিষয়ে আলোচনা কৰে । ৰঙাই নাথ বৰমেধীয়ে আতাক লৈ এই অঞ্চলৰ ধৰ্ম প্ৰচাৰ কৰে আৰু নিজে ইয়াৰ সক্ৰিয় কৰ্মী হিচাপে ৰাইজৰ আগত কাম কৰে। মেধী বাপ এই গাৱঁৰ কৰ্ণধাৰেই নহয় গোলাঘাটৰ প্ৰায় ঠাইতে সংঘৰ এজন নিৰ্ভীক প্ৰচাৰক, '৪২ গণ আন্দোলনৰ এজন আগশাৰীৰ মুক্তি যোদ্ধা আছিল।

১৯৪২ চনতে শংকৰ সংঘ নামেৰে এটি অনুষ্ঠান গঠন হয় । এখন নিৰ্দিষ্ট গাৱঁৰ লোকেই ইয়াৰ সংগী নাছিল । ওচৰ-চুবুৰীয়া কেবাখনো গাৱঁৰ দূৰ-দূৰণিৰ পৰা আহিও এই অনুষ্ঠানত যোগ দিছিল আৰু এটি স্থায়ী নামঘৰ নিৰ্মাণ কৰিবৰ কাৰণে প্ৰয়াত ব'মনাথ (গাঁওবুঢ়া) আৰু বিত্থু কোঁচে মাটি দান কৰে । যোগীগাৱঁৰ সেই মাটিও সংঘৰ নামত দান দিয়া হৈছে । মাহেকীয়া নীতিৰ পৰা ১১ দিনত মৃতাহ কৰ্ম কৰাটোৱেই প্ৰথম অৱস্থাত এই গাৱঁত এক প্ৰকাৰৰ ধৰ্মীয় আন্দোলনে গা কৰি উঠিছিল । শ্ৰীমন্ত শংকৰদেৱ সংঘত অন্তৰ্ভুক্ত হোৱাৰ এইয়ে আছিল গাৱঁৰ ৰাইৰ প্ৰথম প্ৰেৰণা।

১৯৫৬ চনত যোগীগাঁও প্ৰাথমিক শাখাটি গঠন কৰা হয় । এই প্ৰাথমিক শাখাটি গঠনত প্ৰয়াত নোমল চন্দ্ৰ নাথ, প্ৰয়াত থোপোৰ নাথ, প্ৰয়াত কমলা কান্ত নাথ, শ্ৰীতিলেশ্বৰ নাথ, শ্ৰীপদ্মধৰ নাথ, প্ৰয়াত গঙ্গা নাথ আদি লোকসকলৰ যথেষ্ট বৰঙণি আছে । কিছুদিনৰ পিছত এই শাখাটি অচল হৈ পৰে ।

১৯৭৭ চনত যোগীগাঁও নবোদয় প্ৰাথমিক নাম দি আন এটি প্ৰাথমিক শাখা গঠন কৰা হয় । এই শাখাটিয়ে ৩০।১২।৭৮ তাৰিখে জিলাৰ স্বীকৃতি লাভ কৰে । শাখাৰ সভাপতিসকল শ্ৰীলীলাধৰ নাথ; আৰু শ্ৰীলোকেশ্বৰ নাথ ।

সম্পাদকসকল শ্ৰীঘনকান্ত নাথ আৰু শ্ৰীলোকেশ্বৰ নাথ । বৰ্তমান প্ৰাথমিকৰ মুঠ সংগী ১৫ জন, গৃহস্থীৰ সংখ্যা ৬ ঘৰ । প্ৰয়াত ৰঙাই নাথ মেধি, প্ৰয়াত নোমল চন্দ্ৰ নাথ, প্ৰয়াত কমলাকান্ত নাথ, প্ৰয়াত থোপোৰ নাথৰ গুৰুধৰ্মৰ প্ৰতি থকা আস্থা পৰিযত্নৰ বাবেই যোগীগাঁও নবোদয় প্ৰাথমিক গঠন কৰা সম্ভৱ হয় । প্ৰকৃতাৰ্থত এই কেইজনেই স্মৰণীয় লোক।

বৰ্তমান ঢেকীয়াল যোগী গাৱঁত পাঁচখন প্ৰাথমিক শাখা গঠন হৈছে। প্ৰাথমিককেইখন হ'ল (১) যোগীগাঁও ৰামকৃষ্ণ প্ৰাথমিক শাখা (২) নাথ গাঁও প্ৰাথমিক শাখা (৩) যোগীগাঁও প্ৰাথমিক শাখা (৪) কাঠকটীয়া প্ৰাথমিক শাখা (৫) যোগীগাঁও নবোদয় প্ৰাথমিক শাখা । সংঘৰ প্ৰচাৰ-প্ৰসাৰত এই

অঞ্চলত উক্ত প্ৰাথমিক শাখাৰ সংগীসকলে বিশেষ ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে ।

## ঢেকীয়াল যোগীগাঁও প্ৰাথমিক শাখা

### গঠন ঃ ১৯৭৮ চন

১৯৭৮ চনত ঢেকীয়াল যোগীগাঁও প্ৰাথমিক নামে ১০ ঘৰ গৃহস্থী ২৫ জন সংগী লৈ ইং ৭।৭।৭৮ তাৰিখে গঠন কৰা হয় । উক্ত প্ৰাথমিক শাখাটি গঠন কৰাত জিলাৰ বিষয়ববীয়া হিচাপে শ্ৰীনন্দেশ্বৰ শইকীয়া বাপৰ বৰঙণি স্মৰণীয় ।

প্ৰাথমিক শাখাটি পৰিচালনা কৰা বিষয়ববীয়াসকল ক্ৰমে সম্পাদক শ্ৰীবলোৰাম নাথ সভাপতি শ্ৰীবংশীধৰ নাথ, সম্পাদক শ্ৰীবিদ্যাধৰ নাথ, তৃতীয় কাৰ্য্যকালত সভাপতি - যুগেশ্বৰ নাথ, সম্পাদক-শ্ৰীবীৰেশ্বৰ নাথ । চতুৰ্থ কাৰ্য্যকালত সভাপতি - শ্ৰীপানেশ্বৰ নাথ সম্পাদক শ্ৰীবীৰেশ্বৰ নাথ।

বৰ্তমান প্ৰাথমিক শাখাটি ঢেকীয়াল যোগীগাঁও নামেৰেই চলি আছে আৰু সংগী সদস্য বঢ়োৱাত চেষ্টা চলাই থকা হৈছে । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উন্নতিৰ কামনা কৰি প্ৰচাৰ-প্ৰসাৰৰ চেষ্টা কৰি থকা হৈছে ।

## ঢেকীয়াল কুমাৰ গাঁও প্ৰাথমিক শাখা

### গঠন ঃ ১৯৭৯ চন

১৯৭৯ চনৰ ২৩ জানুৱাৰীত ঢেকীয়াল কুমাৰ গাঁও প্ৰাথমিক শাখাটি গঠন কৰা হয় । কলহ বনোৱা কুমাৰসকলৰ নাম অনুসৰিয়েই গাঁওখনৰ নাম কুমাৰ গাঁও হয় বুলি কয় । এই প্ৰাথমিক শাখাটি গঠন হোৱাত এই অঞ্চলৰে সংঘৰ সেৱক শ্ৰীযুত নন্দেশ্বৰ শইকীয়া বাপৰ অৱদান স্মৰণীয় হৈ ৰ'ব । গাৱঁৰ উত্তৰে বৰুৱাবামুণ গাৱঁত অৱস্থিত অসম সমবায় চেনীকল, দক্ষিণে বেতিয়নি, পূৱে নৰাকোৱঁৰ গাঁও আৰু পশ্চিমে বুঢ়ালিকচন কুঁহিয়াৰ গৱেষণা ফাৰ্ম অৱস্থিত । গাৱঁৰ প্ৰায়খিনি লোক কৃষিজীৱী । 'ঢেকীয়লীয়া কলহ' নিৰ্মাণ কৰা ব্যৱসায় গাৱঁৰ প্ৰায়খিনি মানুহৰ মুখ্য বৃত্তি । গুৰুধৰ্ম পালন কৰি প্ৰাথমিক শাখাৰ সংগীসকলে সংঘৰ নীতি-নিৰ্দেশ মতে ক্ৰিয়া কৰ্ম সম্পাদন কৰি আছে । সংগীৰ সংখ্যা বৃদ্ধি কৰাৰ বাবে প্ৰচাৰত

সংগীসকলে গুৰুত্ব দিছে । ঢেকীয়াল আঞ্চলিক শাখাৰ অন্তৰ্ভুক্ত এই প্ৰাথমিক শাখাৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈকে বিষয়ববীয়াসকল ক্ৰমে -

সৰ্বশ্ৰী হলিৰাম বৰা, ভোলা বৰা, পুনিৰাম কলিতা, কৃষ্ণৰাম বৰা ।

# বৰগুৰি মিলন প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৩ চন

বৰগুৰি উচ্চ বুনিয়াদী বিদ্যালয়কে কেন্দ্ৰ কৰি হালোৱা, চাৰিঙীয়া, ঢেকীয়াল, কাঠকটীয়া গাৱঁৰ সীমা অঞ্চলটিক আজি কিছুদিনৰপৰা বৰগুৰি নামে জনাজাত । বিদ্যালয়খনি প্ৰাথমিক অৱস্থাত থাকোতে স্বৰ্গীয় বংশীধৰ বৰাদেৱে অনুষ্ঠানটিক গঢ় দিছিল আৰু বৰগছ জোপাও তেখেতেই ৰুইছিল।

চাৰিখন গাৱঁৰ সংগমস্থল বৰগুৰি প্ৰাথমিক শাখাত চাৰিওখনি গাৱঁৰে সংগী আছে । কাঠকটীয়া গাৱঁৰ সংগীৰ সংখ্যা অধিক হাবে আৰু কাঠকটীয়া নামঘৰতে প্ৰাথমিকৰ বিভিন্ন অনুষ্ঠান হয় বাবে কাঠকটীয়া গাঁও প্ৰাথমিক বুলিও ধৰিব পাৰি ।

এসময়ৰ মূল্যবান কাঠেৰে ভৰা এই অঞ্চলটিত উত্তম কাঠ সংগ্ৰহ কৰিবৰ কাৰণে ৰজাঘৰীয়া এজন বিষয়াক নিয়োগ কৰিছিল । সেই অৰ্থে গাঁওখনিৰ নাম কাঠকটীয়া হয় বুলি শুনা যায় । গাৱঁৰ মুঠ গৃহস্থীৰ সংখ্যা ৮৭ ঘৰ, জনসংখ্যা প্ৰায় ৬০০ জন । আয়তন প্ৰায় ৪ বৰ্গ কিলোমিটাৰ ।

প্ৰাথমিক শাখাটি নিয়মমতে গঠনৰ আগতে ভাগৱত, ঘোষা, কীৰ্ত্তন আদি পাঠ কৰি আলোচনা কৰিবৰ কাৰণে ঘৰুৱা ভাৱে বা বিদ্যালয়ত মাজে সময়ে আলোচনা সভা অনুষ্ঠিত হয় । জিলা সংঘৰ কৰ্মী শ্ৰীযোগেশ্বৰ বৰা, শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া আৰু মাণিক চন্দ্ৰ গায়ন বাপ মাজে-সময়ে আহি উৎসাহ দিয়ে । ইয়াতে অনুপ্ৰাণিত হৈ ১৯৭৩ চনৰ ১০ এপ্ৰিলত বহা এখনি সভাত প্ৰাথমিক গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয় । সভাত শ্ৰীমাণিক গায়নে সভাপতিত্ব কৰিছিল । শাখাটিৰ নাম "বৰগুৰি মিল প্ৰাথমিক" দিয়া হয় ।

প্ৰথমতে ৮ ঘৰ গৃহস্থীৰ পৰা বৰ্তমান ১৪ ঘৰলৈ বৃদ্ধি পাইছে । সভাপতি সকল ক্ৰমে - শ্ৰীভোলানাথ বৰা, শ্ৰীতুলসী বুঢ়াগোহাঁই, শ্ৰীবপাই বৰা, সম্পাদকসকল শ্ৰীনাথুৰাম শইকীয়া, প্ৰয়াত তৰুণ চন্দ্ৰ বৰা, শ্ৰীনাথুৰাম শইকীয়া (পুনৰ) বৰ্তমান শ্ৰীতুলসী বুঢ়াগোহাঁই ।

এই শাখাটি প্ৰতিষ্ঠানত প্ৰয়াত তৰুণ চন্দ্ৰ বৰাৰ নাম উল্লেখযোগ্য। ১৯৭৩ চনত ঢেকীয়াল আঢলিচুকত জন্ম গ্ৰহণ কৰা এই উদ্যোগী ডেকাজনে

সংঘৰ প্ৰতি অক্লান্তভাৱে কাম কৰিছিল । প্ৰায় এবছৰ কৰ্কটৰোগত ভুগি যোৱা ৩০।৮।৯৬ তাৰিখে যুৱকজনে ইহসংসাৰ ত্যাগ কৰে । শিক্ষাৰ ফালৰপৰা বেছি নহ'লেও তেওঁ এজন জনপ্ৰিয় যুৱক আছিল । বৰগুৰি প্ৰাথমিক শাখা পৰৱৰ্ত্তী সময়ত কাঠকটীয়া প্ৰাথমিক শাখা নামকৰণেৰে গঠন হয় ।

## কাঠকটীয়া প্ৰাথমিক শাখা

### গঠন ঃ ১৯৭৯ চন

**গাৱঁৰ ইতিবৃত্তি ঃ** প্ৰবাদ আছে যে বুঢ়াল'ৰাৰ ঘৰ এলাইৰ ঘৰৰ আৰু ৰঙা চুতীয়াৰ ঘৰৰ জনচেৰেক লোকে মৰঙী অঞ্চলৰ পৰা খৰি বা অন্য কামৰ কাৰণে প্ৰয়োজন হোৱা কাঠ কাটি আনি আহোম ৰজাৰ ঘৰত যোগান ধৰাৰ বাবেই গাঁওখনৰ নাম কাঠকটীয়া হয় ।

গাৱঁৰ পুবে হেমচন্দ্ৰ গোস্বামী পথ , পশ্চিমে গোহাঁই আলি, উত্তৰে হালোৱা আৰু হাবিয়াল গাঁও, দক্ষিণে-ঢেকীয়াল গাঁও । জনসংখ্যা প্ৰায় ৬০০ ঘৰ । শিক্ষিত হাৰ শতকৰা ৯০ ভাগ । প্ৰধান জীৱিকাৰ উপায় খেতি, কিছু সংখ্যক লোকে চাকৰি আৰু ব্যৱসায় কৰে ।

**গাৱঁৰ বিশিষ্ট লোকৰ নাম ঃ** শ্ৰীনীৰেন বুঢ়াগোহাঁই, শ্ৰীনীলকান্ত বৰা, শ্ৰীহৰকান্ত বৰা, শ্ৰীঘনকান্ত বৰা আদিয়েই প্ৰধান ।

প্ৰাথমিক গঠনৰ উদ্যোক্তাসকল ঃ প্ৰয়াত তৰুণ বৰা, প্ৰয়াত হেমধৰ বৰা, প্ৰয়াত মাণিক নেওগ, প্ৰয়াত ডিম্বেশ্বৰ বৰা, প্ৰয়াত বিষ্ণুৰাম বৰা, শ্ৰীবগাই বৰা, শ্ৰীচন্দ্ৰকান্ত বুঢ়াগোহাঁই ।

**প্ৰাথমিকখনিৰ নতুন ৰূপ দিয়াসকল ঃ** প্ৰয়াত মানিক নেওগ, প্ৰয়াত ডিম্বেশ্বৰ বৰা, শ্ৰীনীলকান্ত বৰা, শ্ৰীবগাই বৰা, শ্ৰীপূৰ্ণ বৰা, শ্ৰীনীৰেন বুঢ়াগোহাঁই, শ্ৰীচন্দ্ৰকান্ত বুঢ়াগোহাঁই আদি ।

**প্ৰাথমিকৰ প্ৰথম বিষয়ববীয়াসকল ঃ** সভাপতি - শ্ৰীনীলকান্ত বৰা, সম্পাদক - প্ৰয়াত ডিম্বেশ্বৰ বৰা, বৰ্তমান বিষয়ববীয়াসকল হ'ল - সভাপতি শ্ৰীঘনকান্ত বৰা, সম্পাদক - শ্ৰীযোগেন বুঢ়াগোহাঁই ।

প্ৰাথমিকৰ বিশিষ্ট লোকসকলৰ চমু জীৱনী ঃ

**শ্ৰীনীৰেন বুঢ়াগোহাঁই ঃ** জন্ম ১৯২৬ চন । হাইস্কুলীয়া শিক্ষা সম্পূৰ্ণ কৰা গোহাঁই দেৱ এগৰাকী শিল্পী বিশেষকৈ বাঁহী বাদনত তেখেতে সুখ্যাতি অৰ্জন কৰিছে । লগতে তবলা, হামনিয়াম আদি শিক্ষাগত স্থানীয় আগ্ৰহী যুৱক-যুৱতীৰ মাজত দি আহিছে ।

**শ্ৰীপূৰ্ণ বৰা ঃ** জন্ম ১৯৪০ চন । বৃত্তিত শিক্ষক কৰা বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত । বৰাদেৱে কৃতি শিক্ষক হিচাপে ৰাজ্যিক পুৰস্কাৰ লাভ কৰিছে । বৰ্তমান ক্ষুদ্ৰ চাহ খেতিয়ক হিচাবেও শ্ৰীবৰাই খ্যাত অৰ্জন কৰি ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ (সদৌ অসম) বিভিন্ন দায়িত্ব পালন কৰিছে।

**শ্ৰীনীলকান্ত বৰা ঃ** শঙ্কৰী কলা-কৃষ্টিৰ সাধক শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সেৱক । এগৰাকী সংগঠক হিচাপে গুৰুজনাৰ ধৰ্মাদৰ্শ প্ৰচাৰ-প্ৰসাৰত ব্ৰতী হৈ আছে ।

(তেখেতৰ জীৱনী পৰবৰ্ত্তী অধ্যায়ত দিয়া হৈছে ।)

# শেনছোৱা প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৯ চন

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ অন্তৰ্গত শেনছোৱা প্ৰাথমিক শাখা ১৯৭৯ চনত গঠন হয় । সৰ্বপ্ৰথমে ইয়াৰ সংগী আছিল প্ৰয়াত মুখেশ্বৰ বৰা, প্ৰয়াত অৰূপ বৰুৱা, শ্ৰীঅৰুণ বৰা, শ্ৰীমনাই পাত্ৰ বৰা, শ্ৰীভদ্ৰেশ্বৰ মুদৈ, শ্ৰীধৰ্মেশ্বৰ মুদৈ, শ্ৰীবংশী মুদৈ, শ্ৰীযতীন মুদৈ, প্ৰয়াত চতাই বৰা, প্ৰয়াত চিন্তাৰাম বৰা আদি সংগীসকলক লৈ প্ৰথম শেনছোঁৱা প্ৰাথমিক গঠন হয় । প্ৰাথমিকৰ প্ৰথম সভাপতি আছিল প্ৰয়াত মুখ্যেশ্বৰ বৰা, সম্পাদক শ্ৰীমনাই পাত্ৰ বৰা । প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ১৫ ঘৰ আৰু সংগীৰ সংখ্যা ২৫ জন আছিল ।

শেনছোৱা গাৱঁৰ আয়তন ডাঙৰ কাৰণে দুই খণ্ডত ভাগ হয় । ১ নং শেনছোৱা আৰু ২ নং শেনছোৱা । ১ নং শেনছোৱাৰ পূৱে - শালমৰা বাগান আৰু হাবি গাঁও । পশ্চিমে ২ নং শেনছোৱা, উত্তৰে - অঁকা গাঁও হাবিচোৱা, দক্ষিণে - আধাৰ সত্ৰ ।

আহোম ৰাজত্বত ইয়াত শেনছোৱা বৰুৱাই শেন চৰাই মেলি খুঁজ লগাইছিল কাৰণে এই গাৱঁৰ নাম 'শেনছোৱা' হয় ।

স্বাধীনতা আন্দোলনত শেনছোৱা গাঁও কংগ্ৰেছৰ কঠিয়াতলী আছিল বুলি ক'লেও বঢ়াই কোৱা নহয় । প্ৰয়াত নীলমণি ফুকন, প্ৰয়াত শংকৰ বৰুৱা, প্ৰয়াত ৰাজেন বৰুৱা আৰু স্থানীয় ধৰ্মেশ্বৰ বৰুৱা, প্ৰয়াত উমাকান্ত দাস, প্ৰয়াত হেমকান্ত শইকীয়া, শ্ৰীচেনা প্ৰভা বৰা আদি লোকসকলে স্বাধীনতা আন্দোলনত মুখ্য ভূমিকা লয় । ইয়াৰ বাহিৰেও প্ৰয়াত হেমধৰ বৰপাত্ৰ বৰা ইংৰাজ শাসনতে কংগ্ৰেছৰ তৰফৰ পৰা এম্ এল এ আছিল।

# মলখুকুৰি চিন্তামণি প্ৰাথমিক শাখা
## গঠন ঃ ১৯৮১ চন

মলখুকুৰি ঢেকীয়াল গাৱঁৰ এটা অঞ্চল । আহোম ৰাজবিষয়া মোমাই তামূলী বৰবৰুৱাৰ ঢেকীয়াল শায়েকৰ চাৰিটা কুৰিৰ ভিতৰত এটা কুৰি । এই কুৰিত ঘূৰাই, তামূলী, মেধি, কুন্দাৰ নামে চাৰিটা চুবুৰী আছে । এই কুৰিৰ লোকসকলে আহোম ৰাজবিষয়াসকলক মলখু চাউল যোগান ধৰিব লাগিছিল । সেই বাবে অঞ্চলটিক মলখুকুৰি বুলি কোৱা হয় । কোনো কোনোৱে জনৈক মলখু বৰা নামৰ এজন ব্যক্তিৰ নামৰ পৰা মলখু কুৰি হোৱা বুলি কয় । ঐতিহ্যমণ্ডিত ঢেকীয়াল গাৱঁৰ অন্তৰ্ভুক্ত এই অঞ্চলটিৰ জন সংখ্যা ৬০০/৭০০ৰ কম নহয় । অঞ্চলটিত এটা মাত্ৰ নামঘৰ আছে। নামঘৰটি অতিকে পুৰণি । এই অঞ্চলৰ লোকসকল কৃষিজীৱী । শতকৰা ১০ জন চৰকাৰী চাকৰিয়াল । একমাত্ৰ নামঘৰটিৰ অধীনত বৰ্তমান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অন্তৰ্ভুক্ত তিনিখন প্ৰাথমিক আৰু ২৫ ঘৰৰ অধিক গৃহস্থী কৰ্মকাণ্ডি ফৈদৰ । চাৰিটা গোট একেলগে নামঘৰ পৰিচালনা কমিটি গঠন কৰি নিজ নিজ নীতি মতে থাকি মিলা-প্ৰীতিৰে বসবাস কৰে । উল্লেখিত তিনিখন প্ৰাথমিকৰ ভিতৰত 'চিন্তামণি প্ৰাথমিক' শাখা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এটা শাখা ।

এসময়ৰ মলখুকুৰি প্ৰাথমিক শাখাটি ভাগ হৈ তিনিখন প্ৰাথমিক গঠন হৈছে । চিন্তামণি প্ৰাথমিকৰ জন্ম হয় ১৯৮১ চনত । কোনো কাৰণত সংগীসকলৰ মাজত মতানৈক্য হোৱাত জিলাৰ হস্তক্ষেপত 'চিন্তামণি' আৰু 'প্ৰগতি' নামে দুখন প্ৰাথমিক গঠন হয় । কেইবছৰৰ পাছত 'চিন্তামণি' প্ৰাথমিকৰ পৰা কেইঘৰ গৃহস্থী আঁতৰি গৈ 'যদুমণি' নামে আন এখন প্ৰাথমিক গঠন কৰে । বৰ্তমান তিনিওখন প্ৰাথমিকৰ মাজত চালচলন অব্যাহত আছে । 'চিন্তামণি প্ৰাথমিক' শাখাত এসময়ত কাকতি নপমোৱা আৰু সন্দিকৈ গাৱঁৰ সংগী সকলো আছিল । বৰ্তমান সেই সেই ঠাইত প্ৰাথমিক শাখা গঠন হ'ল । এতিয়াও কুৰালগুৰি আৰু কাঠকতিয়া গাৱঁৰ পশ্চিম অঞ্চলৰ কেইঘৰ সংগী এই প্ৰাথমিকতে আছে ।

বৰ্তমান প্ৰাথমিকৰ গৃহস্থী সংখ্যা ২৩ ঘৰ আৰু সংগী সংখ্যা ৬০ জনৰ অধিক । সভাপতি শ্ৰীঘনশ্যাম তামূলী আৰু সম্পাদক শ্ৰীফণীধৰ শইকীয়া।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

এই প্ৰাথমিকখন গঠনত বৰ্তমান জিলা উপ সভাপতি শ্ৰীনন্দেশ্বৰ শইকীয়াৰ যথেষ্ট বৰঙণি আছে । তেখেত বহু বছৰ ধৰি অবিভক্ত মলখুকুৰী প্ৰাথমিকৰ সম্পাদক আৰু জিলাৰ সংস্কৃতি শাখাৰ সম্পাদক আছিল । প্ৰাথমিক গঠন হোৱাত তেখেতক সভাপতি আৰু বৰ্তমান জিলা সাহিত্য শাখাৰ সভাপতি শ্ৰীবংশীধৰ বৰাক সম্পাদক পতা হয় । তেখেতসকলে এই দুই পদত ১৯৯৬ পৰ্য্যন্ত কাৰ্যনিৰ্বাহ কৰে । বৰ্তমান এই প্ৰাথমিক শাখাটি ঢেকীয়াল আঞ্চলিক শাখাৰ অন্তৰ্ভুক্ত ।

প্ৰাথমিক শাখাৰ বিশিষ্ট ধৰ্মপ্ৰাণ ব্যক্তি আৰু সংগীসকলৰ ভিতৰত স্বৰ্গীয় মিনেশ্বৰ তামূলীৰ নাম স্মৰনীয় । লগতে কুৱালগুৰিৰ নিবাসী (কছাৰী গাৱঁৰ) স্বৰ্গীয় হৰকান্ত মুদৈৰ নামো উল্লেখনীয়। এই প্ৰাথমিকৰ সংগী আৰু এসময়ৰ উপ সভাপতি ন-পমোৱাৰ স্বৰ্গীয় লক্ষেশ্বৰ হাজৰিকা আৰু সহকাৰী সম্পাদক বেতিয়ানীৰ সোমেশ্বৰ বৰুৱাৰ কতা সুঁৱৰিব লাগিব । বিশিষ্ট ধৰ্মপ্ৰাণ ব্যক্তিসকলৰ ভিতৰত সৰ্বগুণী স্বৰ্গীয় পুণ্যেশ্বৰ বৰা (গাঁওবুঢ়া), স্বৰ্গীয় সোমনাথ খাউণ্ড স্বৰ্গীয় নৰাম বৰা, স্বৰ্গীয় উমাৰাম শইকীয়া, স্বৰ্গীয় মুখাই বৰা আৰু স্বৰ্গীয় ভৰত বৰাৰ নাম ল'ব লাগিব । গায়ন-বায়ন ভাওনা, ৰাস, উঠানাম, দিহানাম আৰু ওজাপালি, সূত্ৰধাৰী, নটুৱা আদি নৃত্যত এই সকলৰ যথেষ্ট বৰঙণি আছে ।

বৰ্তমানৰ বিশিষ্ট সংগী, প্ৰখ্যাত গ্ৰাম্য শিল্পী, একেধাৰে, নামাচাৰ্য্য, বায়েন, গায়ন, সূত্ৰধাৰ, নৃত্য পৰিচালক, উঠা নাম ওজা, হিৰানামৰ ওজা শ্ৰীনন্দেশ্বৰ শইকীয়া বাপৰ নাম ল'ব লাগিব । তেখেতক ১৯৯৭ চনত এখন মানপত্ৰ দি প্ৰাথমিক পৰ্য্যায়ত এখন সম্পৰ্দ্ধনা সভা পাতি, বায়েন উপাধিৰে বিভূষিত কৰি সম্বৰ্দ্ধনা জনোৱা হয় ।

সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত প্ৰাথমিকৰ ঐতিহ্য স্মৰ্তব্য । স্বৰ্গীয় হৰকান্ত মুদৈৰ পৰিয়ালৰ বৰুৱা বামুণ গাৱঁত অৱস্থিত জিলাৰ শংকৰী কৃষ্টি বিকাশ কেন্দ্ৰৰ নামঘৰলৈ আগবঢ়োৱা আটক ধুনীয়া 'গুৰু আসন'ৰ অমূল্য দানৰ বাবে প্ৰাথমিক শাখা গৌৰৱৰ পাত্ৰ । অন্যহাতে ৫৪৮/৪৯ শঙ্কৰাব্দৰ বাবে নিৰ্বাচিত জিলা শাখাৰ দুজন বিষয়ববীয়া এই প্ৰাথমিকৰ সংগী হোৱা বাবে প্ৰাথমিক শাখাই নিশ্চয় গৌৰৱ অনুভৱ কৰে । প্ৰচাৰ সংগঠন নীতি সদাচাৰ আৰু ধৰ্মীয় কাৰ্য পালনত প্ৰাথমিক শাখাটিয়ে বিশিষ্ট ভূমিকা পালন কৰিছে। তদুপৰি এই প্ৰাথমিক শাখাই এখন অসবৰ্ণ বিবাহ সম্পাদন কৰি কন্যা গৰাকীক ধৰ্মান্তৰ কৰোৱা কাৰ্যই শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ নীতি আদৰ্শৰ অভিলেখ স্থাপন কৰিছিল। অনুষ্ঠানৰ ঐক্য আৰু সংহতি প্ৰাথমিকৰ লক্ষ্য হওক ।

# নাথ গাঁও প্ৰাথমিক শাখা (ঢেকীয়াল)

**গঠন ঃ ১৯৮১ চন**

একে স্থানতে পুৰণি কালৰপৰাই যোগী সম্প্ৰদায়ৰ লোকসকলে বসবাস কৰি থকাৰ কাৰণেই এই গাঁও যোগীৰ গাঁও বুলি কোৱা হয় ।

যোগী জাতিৰ ইতিহাসৰ মতে এই যোগী সম্প্ৰদায়ৰ আদি পুৰুষ আছিল মীন নাথ আৰু ধৰ্মীয় পুৰুষ গোৰক্ষ নাথ মধ্য ভাৰৰ লোক আছিল। প্ৰায় এহেজাৰ দুশ খ্ৰীষ্টপূৰ্বত শেন বংশীয় ৰজা বল্লাল শেনৰ বিযুগ যজ্ঞত সহযোগ নকৰাৰ অপৰাধত এওঁলোকৰ নানা ধৰণৰ অত্যাচাৰ চলিবলৈ ধৰে। অত্যাচাৰত জৰ্জৰিত হৈ এওঁলোক ভাৰতৰ বিভিন্ন স্থানলৈ স্থানান্তৰিত হ'বলৈ ধৰে । ইয়াৰ এটি দল ভাৰতবৰ্ষৰ উত্তৰ পূব দিশলৈ ধাৱমান হৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ ফালে (নগাঁও, দৰং, কামৰূপ, বৰপেটা, শিৱসাগৰ) বসবাস কৰিবলৈ ধৰে । এইলোকসকলৰ প্ৰধান ব্যৱসায় আছিল মুগা, এড়ী পাতপলু আদি পালন কৰি তাৰপৰা সূতা প্ৰস্তুত কৰা । সেয়ে হয়তো আহোম ৰজাৰ দিনত এওঁলোক কাটনি হিচাপে খ্যাত হৈছিল ।

এইলোকসকলে কেইজনমান ব্যক্তি ব্যৱসায় বৃত্তিৰে আহি এই ঢেকীয়াল অঞ্চলত বসবাস কৰিবলৈ লয় । এওঁলোকে সূতা কটাৰ উপৰি কাঠৰ সামগ্ৰী কুণ্ডত কাটি সুন্দৰকৈ প্ৰস্তুত কৰাৰ ব্যৱসায়ো গ্ৰহণ কৰে । উপৰুৱাকৈ কৃষি কৰ্মতো মনোনিবেশ কৰে । এওলোকৰ পৰাই বংশ বৃদ্ধি হৈ হৈ বৰ্তমান ৮৫ ঘৰ গৃহস্থী হৈছেহি ।

উল্লেখনীয় যে এওঁলোকৰ বংশৰে বহুলোক এই থানৰেপৰা শাওঁতলি, বেঙেনাখোৱা, ফৰকাটিং, লক্ষীবাৰী, জামুগুৰি, কছাৰিহাট, দেৰগাঁও, গোলাঘাট কাজিৰঙা, বোকাখাট আদি স্থানলৈ স্থানান্তৰিত হৈ বিয়পি পৰিছে ।

প্ৰথম অৱস্থাতে এই গাঁওখনিৰ কাটনিৰ গাঁও বুলিয়েই নামকৰণ কৰা হৈছিল । বহুতে 'বামুণ কাটনি' বুলি অভিহিত কৰিছিল । যিহেতু এই যোগী সম্প্ৰদায়ৰ লোকসকলে শৈব্য ধৰ্মালম্বিত লোক আছিল । এওঁলোকে উগুৰি (লগুণ) গ্ৰহণ কৰাৰ প্ৰথা আছিল । আৰু এই সম্প্ৰদায়ৰে শৰ্মা, শৰ্মা, গিৰি পাটগিৰি আৰু মহিলাসকলে দেৱী উপাধি গ্ৰহণ কৰিছিল । (বৰ্তমানেও

নগাঁও, দৰং আদি বহু স্থানত এইদেৱী আৰু উত্তৰি (লগুণ) প্ৰচলন হৈ আছে। কালক্ৰমত বিশেষকৈ প্ৰয়াত ৰঙাই নাথ বৰমেধি, নোমল চন্দ্ৰ নাথ আদি ব্যক্তিসকলৰ দিনত এই উত্তৰি সম্পূৰ্ণ ৰূপে ত্যাগ কৰাৰ পাছত গাঁওখনি 'যোগী গাঁও' বুলি খ্যাত হয় ।

বৰ্তমান 'নাথগাঁও'খনি প্ৰায় তিনিবৰ্গ কিলোমিটাৰ জুৰি বিস্তৃত হৈ আছে । গাৱঁৰ মাজেদি খণ্ডৰেখা (চৰকাৰী জৰীপৰ সীমাৰেখা) পাৰ হৈ যোৱাৰ বাবে এটা অংশ কাঠকটীয়া নাথ গাঁও অন্য অংশক ঢেকীয়াল নাথ গাঁও বোলা হয় ।

নাথ গাৱঁৰ উত্তৰে বৰফলা আলি, দক্ষিণে শেনছোৱা আলি, পূবে হেমচন্দ্ৰ গোস্বামী পথ আৰু পশ্চিমে মেদেলুৱা পথাৰ । এই সীমাৰ ভিতৰতে অৱশ্যে মুছলমান গাৱঁৰো এটি অংশ সোমাই পৰিছে । যিহেতু কেইঘৰমান মুছলমানক যদিও আগতে আমাৰ গাৱঁৰ ভিতৰতে ধৰা হৈছিল এওঁলোকৰ বংশৰ বৃদ্ধি পোৱাৰ বাবে এওঁলোকক বেলেগ গাঁও হিচাপে খণ্ডিত কৰা হৈছে ।

**প্ৰাথমিক গঠন ঃ** ১৯৫৬ চনত সমূহ গাৱঁৰ ৰাইজে 'যোগীগাঁও' প্ৰাথমিক শাখা নামেৰে এখনি প্ৰাথমিক শাখা গঠন কৰা হয় । এই শাখাটি গঠনত প্ৰয়াত নোমল চন্দ্ৰ নাথ, প্ৰয়াত থোপোৰ নাথ, প্ৰয়াত কমলা কান্ত নাথ, প্ৰয়াত গঙ্গা নাথ, শ্ৰীতিলেশ্বৰ নাথ, শ্ৰীপদ্মধৰ নাথ আদি ব্যক্তিসকল বিষয়ববীয়া আছিল ।

কিছুবছৰৰ পাছত ১৯৭১ চনত সংগী গৃহস্থী অতিৰিক্ত হোৱাৰ বাবে এই প্ৰাথমিক শাখাটি দুভাগত বিভক্ত হৈ পৰে আৰু নতুনকৈ হোৱা শাখাটিক 'কাঠকটীয়া যোগীগাঁও প্ৰাথমিক নামেৰে নামকৰণ কৰা হয় । ১৯৭৬ চনত উক্ত প্ৰাথমিকখনৰ একাংশ ৰাইজৰ দ্বাৰা 'নবোদয় প্ৰাথমিক নামেৰে এখন নতুন প্ৰাথমিক গঠন কৰা হয় । পুনৰ ১৯৮১ চনত এই 'কাঠকটীয়া যোগীগাঁও প্ৰাথমিক শাখাৰ কিছু সংখ্যক নতুন গৃহস্থীক লৈ এটি নতুন শাখা গঠন কৰা হয় আৰু এই শাখাটি "নাথ গাঁও" প্ৰাথমিক শাখা হিচাপে পৰিচিত হয় । এই শাখাটিৰ সভাপতি নিৰ্বাচিত কৰা হয় শ্ৰীবলোৰাম নাথ বাপক আৰু উপ-সভাপতি শ্ৰীপদ্মধৰ নাথ, সম্পাদক শ্ৰীবদন নাথ, সহ সম্পাদক শ্ৰীখগেন নাথ উপদেষ্টা আছিল, প্ৰয়াত গংগা নাথ ।

১৯৮৭ চনত কমিটি পুনৰ গঠন কৰি সভাপতি শ্ৰী পদ্মধৰ নাথ, উপ-সভাপতি শ্ৰীগোপাল দত্ত, সম্পাদক ্ৰীখগেন নাথ, সহ সম্পাদক শ্ৰীচন্দ্ৰধৰ নাথ উপদেষ্টা শ্ৰীবলোৰাম নাথ, শ্ৰীবদন নাথ, সদস্য শ্ৰীললিত

নাথ, শ্ৰীমুকুন্দ নাথ, শ্ৰীভদ্ৰেশ্বৰ নাথ । এই কমিটিয়ে বৰ্তমানেও নবিকৰণ কৰি কাৰ্য্যভাৰ অব্যাহত আছে ।

নাথ গাঁও প্ৰাথমিক শাখাৰ সংগী গৃহস্থীৰ সংখ্যা ২০ ঘৰ সংগীৰ সংখ্যা ৪০ জন আৰু মুঠ জনসংখ্যা ১২৫ জন।

প্ৰচাৰ আৰু সংগঠনৰ দিশত প্ৰাথমিক শাখাৰ ভূমিকা 'নাথ গাঁও' প্ৰাথমিক শাখাৰ কলেৱৰ বৰ সৰু আৰু ইয়াৰ সংগীসকল ব্যৱসায়, চাকৰি আদিৰে ব্যস্ত, সেয়ে বিশেষভাৱে প্ৰচাৰ সংগঠনত অৰিহণা যোগাব পৰা নাই। তথাপিও এই সংঘটিৰ উন্নতিৰ বাবে দহৰ লগতে পাৰ্য্যমানে চেষ্টা অব্যাহত ৰখা হৈছে । এই শাখাটি গঠন হোৱাৰ পৰা প্ৰতিভাগ জিলা-প্ৰাদেশিক অধিৱেশনত অংশ গ্ৰহণ কৰি অহা হৈছে আৰু শাখাটিৰ পৰা প্ৰয়াত গঙ্গা নাথ, শ্ৰীবদন নাথ, আদি ব্যক্তি জিলা সদস্যও নিৰ্বাচিত হৈছে । ফৰকাটিং 'কুশল কোঁৱৰ' ক্ষেত্ৰত অনুষ্ঠিত ৬৪ তম্ বাৰ্ষিক অধিৱেশনত সমূহ গৃহস্থীয়ে সহায় সহযোগ কৰিছিল ।

১৯৯৭ চনত ঢেকীয়াল আঞ্চলিক গঠনত শ্ৰীবদন নাথ আদি সংগীয়ে আহ্বায়ক হিচাপে সেৱা আগবঢ়াইছিল । শ্ৰীপদ্মধৰ নাথ দেৱে মুখ্য সহায়ক তথা উপ সভাপতি হিচাপে বৰ্তমানো সেৱা আগবঢ়াইছে ।

**আৰ্থ সামাজিক অৱস্থাৰ বৰ্ণনা ঃ** বিশেষকৈ ঘৰুৱা অনুষ্ঠানৰ আঁচনি মুষ্টিদান, বৃক্ষদান, আদিয়েই প্ৰাথমিকৰ পুঁজি সংগ্ৰহৰ প্ৰধান উপায় । তদুপৰি মজলীয়া ভাৱে সংগীসকলৰ পৰা দান-বৰঙণিও গ্ৰহণ কৰি শাখাটি পৰিচালিত কৰাৰ ব্যৱস্থা কৰা হয় ।

**প্ৰাথমিক শাখাৰ নেতৃস্থানীয় বক্তিৰ সংক্ষিপ্ত জীৱনী ঃ**

**শ্ৰীপদ্মধৰ নাথ ঃ** ১৯৫৩ চনতে তেৰাই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংগী পদ গ্ৰহণ কৰে । ১৯৫৬ চনত 'যোগীগাঁও' প্ৰাথমিক শাখাটি গঠন কৰাত তেৰাই মুখ্য ভূমিকা গ্ৰহণ কৰে । ১৯৬৪ চনত ফৰকাটিংত গৈ তিৰোৱাল (খ) শাখা নামে এটি পপ্ৰাথমিক শাখা গঠন কৰি সংঘৰ প্ৰচাৰ প্ৰসাৰত আগ-ভাগ লয় । যুৱ অৱস্থাৰ পৰাই তেখেত সংঘৰ একনিষ্ঠ সেৱক হিচাপে কাম কৰি আহিছে ।

**স্বৰ্গীয় গঙ্গা নাথ ঃ** জন্ম ১৯২১, মৃত্যু ১৯৯৬ চন । তেৰা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সেৱক আছিল । ১৯৫৬ চনৰপৰা তেৰা কেবাবাৰো জিলা সদস্যও নিৰ্বাচিত হৈছিল । তেৰাই জিলা শাখাৰ কৃষ্টি সম্পাদক হিচাপেও কাৰ্য্যনিৰ্বাহ কৰিছিল আৰু এগৰাকী স্বীকৃতি প্ৰচাৰক হিচাপে সেৱা আগবঢ়াইছিল । তেৰাই অনাতাঁৰ শিল্পী হিচাপে স্বীকৃতি পাইছিল । শংকৰী

কৃষ্টি প্ৰচাৰৰ হেতু প্ৰসঙ্গীয়া নাম অনাতঁাৰ যোগে প্ৰচাৰ কৰি গৈছে ।

**শ্ৰীডিম্বেশ্বৰী নাথ ঃ** আই গৰাকী সংঘৰ একনিষ্ঠ সেৱকী হিচাপে স্বীকৃত । তেৰা প্ৰয়াত গঙ্গা নাথৰ পত্নী তথা সহযোগী । বিশেষকৈ তেৰা ১৯৪২ চনৰ গণ আন্দোলনৰ সময়ত অনা-অনুষ্ঠানিক শিক্ষাৰ শিক্ষয়িত্ৰী হিচাপে সেৱা আগবঢ়াই সকলোৰে প্ৰিয় গৰাকী হ'ব পাৰিছিল । বৰ্তমানো তেৰা সেৱীকা হিচাপে পৰিচিত ।

**স্বৰ্গীয় কমল চন্দ্ৰ নাথ ঃ** জন্ম ১৯২৭ মৃত্যু ১৯৭৯ চন । তেৰা ঢেকীয়াল অঞ্চলটিৰে এজন অগ্ৰস্থানীয় ব্যক্তি আছিল। তেৰাই ১৯৫৬ চনৰ পৰাই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পৃষ্ঠপোষক হিচাপে কাৰ্য কৰিছিল । তেৰাই সামাজিক, ৰাজনৈতিক সকলো দিশতে উল্লেখনীয় স্থানত আছিল । তেৰা ঢেকীয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ (সেই সময়ৰ ঢেকীয়াল উচ্চ ইংৰাজী বিদ্যালয়) পৰিচালনা কমিটিৰ সদস্য ঢেকীয়াল বালিকা বিদ্যালয়ৰ প্ৰতিষ্ঠাতাৰ অন্যতম । ঢেকীয়াল মইনা পাৰিজাতৰ উপদেষ্টা-উদ্যোক্তা । 'যোগীগাঁও' বৰনামঘৰৰ নৱ নিৰ্মাণ কমিটিৰ প্ৰতিস্থাপক সভাপতি আদি পদেৰে বিভূষিত হৈছিল ।

তদুপৰি তেৰা কেবাবাৰো ঢেকীয়াল গাঁও পঞ্চায়তৰ সভাপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল । গুৰযোগনীয়া সমবায় সমিতিৰ প্ৰতিষ্ঠাৰ প্ৰধান হোতা হিচাপে তেৰা খ্যাত হৈছিল । তেৰাৰ উল্লেখনীয়া অৱদান হৈছে চাৰিঙীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ তিনিবিঘা মাটি দান কৰি চিকিৎসালয়খনি ঢেকীয়াল তিনি আলিৰ সমীপত স্থায়ীভাৱে প্ৰতিষ্ঠা হোৱাত সহায়তা কৰা । ১৯৭৫ চনতে এটি মাটি চিকিৎসালয়ৰ নামে চৰকাৰী ভাৱে নামজাৰি কৰি অনুষ্ঠান ভাগ প্ৰতিষ্ঠা কৰে ।

**প্ৰতাপ নাথ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সেৱক আছিল । যুৱক হিচাপে তেৰাই সংঘটিৰ কৃষ্টি প্ৰচাৰত বিশেষ ভাৱে অৰিহণা যোগাইছিল । তেৰাই ১৯৭২/৭৩ চনত যোগীগাঁও প্ৰাথমিক শাখাৰ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰে । তেৰা ঢেকীয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহ শিক্ষক আছিল । তেৰা সংস্কৃতিৰ প্ৰিয় যুৱক আছিল আৰু তেনে সাংস্কৃতিক সন্ধ্যাতে তেৰাৰ অকাল বিয়োগ ঘটে ।

**শ্ৰীবদন নাথ ঃ** তেৰা ১৯৭১ চনত 'কাঠকটীয়া যোগীগাঁও' প্ৰাথমিক শাখাৰ সম্পাদক ১৯৮২ চনৰ জিলা কাৰ্য্যনিৰ্বাহকৰ সদস্য আছিল । ১৯৮১ চনত নাথ গাঁও প্ৰাথমিক শাখাৰ সম্পাদক ৰূপে সেৱা আগবঢ়াইছে । বৰ্তমান

তেৰা একনিষ্ঠ সেৱক । ইয়াৰ উপৰি তেৰা ৰাজনৈতিক ভাবেও আঞ্চলিক পঞ্চায়তৰ সদস্য, সমবায় সমিতিৰ সভাপতি নিৰ্বাচিত হৈছিল ।

**প্ৰাথমিক গঠনৰ চন-তাৰিখ পঞ্জীয়ন নং উদ্যোক্তাসকলৰ ভূমিকা ঃ**

'নাথগাঁও' প্ৰাথমিক ভাগ ১৯।৩।৮১ তাৰিখে গঠন কৰা হয় । ইয়াত প্ৰয়াত গঙ্গা নাথ, শ্ৰীপদ্মধৰ নাথ, শ্ৰীবলোৰাম নাথ আৰু শ্ৰীখগেন নাথ আদিয়ে বিশেষভাৱে প্ৰেৰণা যোগায়, শাখাটি গঠন কৰাত সহায়তা কৰে ।

জনসংখ্যা ঃ 'নাথ গাৱঁৰ' বৰ্তমান গৃহস্থীৰ সংখ্যা ৮৫ ঘৰ । মুঠ জনসংখ্যা ৪০০ বো অধিক আৰু এই গাৱঁৰ প্ৰায় শতকৰা ৮০ লোকৰে জীৱিকাৰ প্ৰধান উৎস কৃষি কৰ্ম ।

**গুণ সম্পন্ন ব্যক্তি বিশেষৰ নাম উল্লেখ্য ঃ** গাঁওখনিৰ বাসিন্দাসকলে সময়ৰ গতিত খোজ মিলাই যাওঁতে বহু ত্যাগ স্বীকাৰ কৰিবলগীয়া হৈছে আৰু বহুজনে নিজকে উৎসৰ্গিত কৰি খ্যাত হৈছিল । অৱশ্যে তেৰাসৱৰ সবিশেষ ব্যাখ্যা কৰাত আমি অসমৰ্থ । তথাপিও স্মৰণীয়সকলৰ ভিতৰত-

**প্ৰয়াত ৰঙাই নাথ ৰৰমেধি ঃ** গোলাঘাট জিলাৰ এগৰাকী প্ৰসিদ্ধ মুক্তি যোদ্ধা । সেই সময়ৰ এগৰাকী উল্লেখনীয় ব্যক্তি । সামাজিক ৰাজসিক আদি সকলো দিশতে কৰ্ণধাৰ সকলৰ মুখ্য জন হিচাপে পৰিচিত আছিল । বিশেষকৈ তেৰাই অকল গাৱঁতেই নহয় এই অঞ্চলটিতে শংকৰী ধৰ্মৰ প্ৰতিষ্ঠা হিচাপে স্মৰণীয় ব্যক্তি আছিল । তেৰাই প্ৰথমেই কৰ্ম কাণ্ড প্ৰথা কৰি নিজ গৃহতে শংকৰী প্ৰথাৰে কৰ্ম কৰি এই ধৰ্মৰ নীতি আদৰ্শক প্ৰতিষ্ঠা কৰি স্মৰণীয় হৈ ৰয় । সেয়ে আজিও তেৰাক বিশেষভাৱে এই অঞ্চলৰ বাইজে স্মৰণ কৰে ।

**প্ৰয়াত নৰেন্দ্ৰ নাথ ঃ** তেৰা আছিল প্ৰয়াত মেধীদেৱৰ সহযোগী প্ৰতিষ্ঠাতা আৰু মুক্তি যোদ্ধা । ১৯৪২ চনৰ গণ আন্দোলনত তেৰাই ছমাহ কাল ফাটেক খাটিছিল । সেয়ে স্বাধীনতাৰ পাছত চৰকাৰে তেৰাক সন্মানিত কৰি চৰকাৰী অনুদানো আগবঢ়াইছিল । ইয়াৰ উপৰি তেৰা জুৰিৰ (প্ৰশাসনিক আদালত) সদস্য হিচাপেও নিৰ্বাচিত হৈছিল ।

**প্ৰয়াত থোলোক নাথ ঃ** মুক্তি যোদ্ধা আৰু শংকৰী ধৰ্মৰ প্ৰধান পৃষ্ঠপোষক হিচাপে খ্যাত হৈছিল ।

**প্ৰয়াত নোমল নাথ ঃ** মুক্তি যোদ্ধা বিশেষকৈ এগৰাকী প্ৰবীণ শিক্ষাবিদ আৰু সমাজ সংগঠক । তেৰাই চৰকাৰী চাকৰিও কৰিছিল । বিশেষকৈ তেৰা সেই সময়ৰ বৈষ্ণৱ ধৰ্মৰ ব্যাখ্যা কাৰক । শংকৰ সংঘৰ

পৃষ্ঠপোষক হিচাপে স্বীকৃত হৈছিল । তেৰাই শংকৰী কৃষ্টিৰ বাবে বহুখিনি গাঁওখনত কৰিছিল ।

**প্ৰয়াত ৰঙাই নাথ ঃ** মুক্তি যোদ্ধা, ওপৰত উল্লেখিত কেইগৰাকীৰ সহযোগী তথা শংকৰী ধৰ্মৰ সংগঠক হিচাপে স্বীকৃত হৈছিল ।

**প্ৰয়াত মিঠাই বায়ন ঃ** শংকৰী ধৰ্মৰ পৃষ্ঠপোষক । প্ৰয়াত বায়ন প্ৰয়াত ৰঙাই মেধি ব্যক্তিসকলৰ লগত একত্ৰিত হৈ শংকৰী ধৰ্মৰ লগত পুৰণা নীতিৰ খোল বাদ্য শংকৰী কৃষ্টিৰ প্ৰচাৰত অগ্ৰগণি হিচাপে খ্যাত হৈছিল ।

**প্ৰয়াত বৰ্মনাথ (গাঁও বুঢ়া) ঃ** তেৰা আছিল গাৰঁৰ গাঁও বুঢ়া তথা মুক্তি যোদ্ধা । তেৰাই নিজে কৰ্ম কাণ্ডিৰ নীতিৰে কৰ্মাদি কৰিছিল । যদিও শংকৰ সংঘৰ প্ৰতিষ্ঠাৰ হুতা স্বৰূপ আছিল । তেৰাই নিজ পট্টাৰ মাটি দান কৰি সংঘ প্ৰতিষ্ঠা কৰাত আগভাগ লৈছিল । বৰ্তমানেও সেই মাটি শংকৰ সংঘৰ কামতেই আছে যদিও তেৰাৰ অকাল বিয়োগৰ পাছত তেৰাৰ উত্তৰ পুৰুষে নিজেই ভোগ দখল কৰি আছে ।

**প্ৰয়াত সুভাই নাথ মেধি ঃ** তেৰাই সত্ৰৰ মেধি পদবী পাইছিল। পিছত ৰঙাই নাথ বৰমেধিৰ লগলাগি শংকৰী ধৰ্মৰ বাৰ্তাবাহক হোতাৰূপে স্বীকৃত হয় ।

**প্ৰয়াত কেমেৰা নাথ ঃ** শংকৰ সংঘৰ প্ৰতিষ্ঠাৰ আনজন তথা স্বাধীনতা আন্দোলনৰ যোদ্ধা হিচাপে খ্যাত আছিল ।

**প্ৰয়াত যোগপ্ৰভা নাথ ঃ** প্ৰয়াত খোলোক নাথৰ পত্নী । ১৯৪২ ৰ গণ আন্দোলনৰ অনানুষ্ঠানিক শিক্ষাৰ শিক্ষয়িত্ৰী । তেওঁ সেই সময়তে মহিলাসকলক শংকৰী ধৰ্মৰ প্ৰতি আকৃষ্ট কৰিবৰ কাৰণে উঠি-পৰি লাগিছিল। তদুপৰি তেৰাই স্বাধীনতা আন্দোলনৰ বাহক হিচাপে মুখ্য ভূমিকা গ্ৰহণ কৰিছিল ।

**প্ৰয়াত কমলাকান্ত নাথ (গাঁওবুঢ়া) ঃ** স্বৰ্গীয় ৰঙাই নাথ বৰমেধিৰ একমাত্ৰ পুত্ৰ কমলাকান্ত নাথ এগৰাকী ধৰ্মপ্ৰাণ ব্যক্তি আছিল । সমাজ ধৰ্মীয় অন্ধ-বিশ্বাসবোৰ দূৰ কৰিবলৈ এইজন ব্যক্তিয়ে আপ্ৰাণ চেষ্টা কৰিছিল। গুৰুজনাৰ একশৰণ নাম ধৰ্মৰ বাহিৰে অন্য তান্ত্ৰিক আলাপ-আলোচনা এইজন ব্যক্তিয়ে আনকি শুনিবলৈও ভাল নেপাইছিল । শ্ৰীমন্ত শংকৰদেৱৰ সংঘক সুপ্ৰতিষ্ঠিত কৰিবলৈ তেৰাই অশেষ অৰিহণা যোগাইছিল ।

**অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ইয়াত জড়িত ব্যক্তিৰ নাম ঃ** 'নাথ গাৰঁত' নামঘৰ দুভাগ আছে । ইয়াৰ প্ৰথম ভাগক 'যোগী গাঁও' বৰনামঘৰ

নামে খ্যাত এই গুৰু গৃহভাগ আহোম ৰজাৰ বিষয়া মোমাই তামুলি বৰবৰুৱাৰ দিনতে প্ৰতিষ্ঠিত । মোমাই তামুলি বৰবৰুৱাই শাসনৰ সুবিধাৰ বাবে চাৰি শয়েক পাতিছিল (ক) ঢেকীয়াল, (খ) ভেতুৱা, (গ) মলখু, আৰু এই যোগী শয়েকৰ গুৰু গৃহ ভাগ প্ৰথম অৱস্থাত খেৰ বাঁহেৰে প্ৰতিষ্ঠা কৰা হয় । পাছত তাকো কাঠৰখুটা টিন পাতেৰে নিৰ্মাণ কৰা হয় । ইয়াৰ পাছত পৰিচালনা কমিটিৰ জৰিয়তে পকী নিৰ্মাণ কৰা হয় ।

'যোগী গাৱঁৰ' অন্যটি গুৰু গৃহক 'সৰু নামঘৰ' বোলা হয় । গাৱঁৰে কেইঘৰমান অংশীদাৰে 'বৰনামঘৰৰ' পৰা আঁতৰি আহি এই গুৰু গৃহ ভাগো নিৰ্মাণ কৰে । এইগুৰু গৃহ ভাগো পকী কৈ নিৰ্মাণ হৈছে ।

**প্ৰাথমিক বিদ্যালয় ঃ** ১৯৪৯ চনতে সেই সময়ৰ উদীয়মান ব্যক্তি প্ৰয়াত ৰঙাই নাথ, স্বৰ্গীয় নোমল চন্দ্ৰ নাথ, স্বৰ্গীয় বমনাথ গাঁওবুঢ়া, প্ৰয়াত নৰেন্দ্ৰ নাথ, প্ৰয়াত ৰঙাই নাথ, প্ৰয়াত সুভাই মেধি আদি ব্যক্তিয়ে গাৱঁত প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা নথকাত প্ৰাথমিক শিক্ষাৰ চিন্তা কৰে । তেৰাসৱৰ চেষ্টাতে প্ৰয়াত ৰঙাই নাথ বৰমেধিয়ে নিজৰ পট্টাৰ দুকঠা মাটি দান দি এখন প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰে । সেই প্ৰাথমিক বিদ্যালয়খনিক 'কাঠকটীয়া যোগী গাঁও' প্ৰাথমিক বিদ্যালয় নামাকৰণ কৰা হয় । প্ৰয়াত ৰঙাই নাথ আৰু নোমল চন্দ্ৰ নাথ উক্ত বিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰথম সভাপতি আৰু সম্পাদক আছিল । উল্লেখযোগ্য যে দাতা হিচাপে প্ৰয়াত ৰঙাই নাথ বৰমেধি বাপক বিদ্যালয় পৰিচালনা কমিটিৰ সভাপতি নিৰ্বাচিত কৰা হয় । উক্ত ব্যক্তি দুগৰাকী সকলোৰে চিৰপূজ্য ।

১৯৯৬ চনত 'জবাহৰ ৰোজগাৰ' আঁচনিৰ আৰ্থিক সাহাৰ্যৰে উক্ত বিদ্যালয়খন স্থায়ীভাৱে নিৰ্মাণ কৰা হয় ।

**প্ৰতাপ নাথ সোঁৱৰণী উদ্যান ঃ** এই গাৱঁৰ সীমা ৰেখাৰ ভিতৰতে এই অনুষ্ঠান ভাগো অৱস্থিত ।গাৱঁৰ ৰাইজৰ সহযোগত 'ঢেকীয়াল ক্ৰীড়া সন্থাই' বিভিন্ন সাংস্কৃতিক অনুষ্ঠানাদি অনুষ্ঠিত কৰি পুঁজি সংগ্ৰহ কৰি নিৰ্মাণ কৰিছে । উক্ত অনুষ্ঠানটিয়ে সেই অঞ্চলৰ ৰাইজক কৃষ্টি সংস্কৃতি চৰ্চাত অৰিহণা যোগাইছে ।

শেহতীয়া ভাৱে এই সংগঠনে এই অনুষ্ঠানটোৰ কাৰণে চৰকাৰী অনুদানো লাভ কৰি প্ৰায় সম্পূৰ্ণ কৰিবলৈ সমৰ্থ হৈছে । স্বৰ্গীয় প্ৰতাপ নাথ এই গাৱঁৰে এগৰাকী উদীয়মান সংস্কৃতি প্ৰেমী যুৱক আছিল, আৰু ঢেকীয়াল ক্ৰীড়া সন্থাৰ উন্নতিৰ হকে যাওঁতেই তেৰাৰ অকাল বিয়োগ ঘটে। সেয়ে সেই অঞ্চলৰ ৰাইজে তেৰাক চিৰস্মৰণীয় কৰাৰ মানসেৰে তেখেতৰ পৰিয়ালে দান দিয়া সেই ভূমিতেই এই অনুষ্ঠানটিৰ স্থায়ী ৰূপ দিয়ে ।

# ৰামকৃষ্ণ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮৪ চন

গোলাঘাট জিলা, ঢেকীয়াল মৌজা ৰাজহ গাঁও কাঠকটীয়াক দক্ষিণে অৱস্থিত পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথৰপৰা ঢেকীয়াল গাৱঁৰ সীমালৈ প্ৰায় দুই বৰ্গ কিলোমিটাৰ জুৰি একে সম্প্ৰদায়ৰ বসবাস কৰি যোগী সম্প্ৰদায়ৰ নামেৰে এই গাৱঁক যোগীগাঁও বোলা হয় । একেখন গাঁও একে সম্প্ৰদায়ৰে লোকসকলক কাটনি গাঁও নামে চিৰপৰিচিত । এই গাৱঁত পাট-পলু পোহা পাট সূতা তৈয়াৰ কৰা প্ৰধান ব্যৱসায় আছিল । এই শিল্প বৰ্তমান এই অঞ্চলত লোপ পাই আহিল । এই গাৱঁৰ পূবে হেমচন্দ্ৰ গোস্বামী পথ, পশ্চিমে মেদেলুৱা পথাৰ, উত্তৰে বৰফলং আলি, দক্ষিণে ঢেকীয়াল গাঁও একে সম্প্ৰদায়তে ১৫০০ লোক এই গাৱঁত বসবাস কৰে । এই গাৱঁৰ প্ৰয়াত ৰঙাই নাথ মেধি, প্ৰয়াত মিঠাই নাথ বায়ন, প্ৰয়াত নোমল নাথ, প্ৰয়াত নৰেন্দ্ৰ নাথ, প্ৰয়াত গোলাপ নাথ, প্ৰয়াত নন্দীৰাম নাথ, মুক্তি যোদ্ধা, সমাজকৰ্মী, সংগঠক আদি গুণৰ অধিকাৰী আছিল । শিক্ষক, প্ৰবক্তা, বিচাৰ পতি, আদি জীৱিত ব্যক্তিও আছিল । এই গাৱঁত শিক্ষানুষ্ঠান আৰু এটি নামঘৰ, মহিলা সমিতি, যুৱক সংঘ আদি অনুষ্ঠান-প্ৰতিষ্ঠান আছে । শিক্ষানুষ্ঠানতো জড়িত ব্যক্তিসকল শ্ৰীমতী চাৰুবালা নাথ, শ্ৰীতিলেশ্বৰ নাথ, শ্ৰীপীতাম্বৰ নাথ, শ্ৰীডম্বুধৰ নাথ, শ্ৰীপুণ্যেশ্বৰ নাথ, শ্ৰীমতী কমলাপ্ৰভা নাথ, শ্ৰীমতী ৰঙিলা নাথ আদি আইসকলেই প্ৰধান ।

ৰামকৃষ্ণ প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক প্ৰয়াত নন্দীৰাম নাথ, শ্ৰীদম্বুধৰ নাথ, শ্ৰীপুণ্যেশ্বৰ নাথ, শ্ৰীসোণাৰাম নাথ, বাপসকলে বৰ কষ্টৰে এই প্ৰাথমিকখন ১৯৮৪ চনৰ ২৬।৩।৮৪ তাৰিখে গঠন কৰে আৰু এই প্ৰাথমিকখনৰ নাম 'ৰামকৃষ্ণ' প্ৰাথমিক শাখা (ঢেকীয়াল) ৰখা হয় ।

এই প্ৰাথমিকখন ১৪ ঘৰ গৃহস্থীক লৈ গঠন কৰা হয় । কালক্ৰমত এই প্ৰাথমিকৰ নীতি সদাচাৰলৈ লক্ষ্য ৰাখি গৃহস্থীৰ সংখ্যা বৃদ্ধি হৈ বৰ্তমান সংগীৰ সংখ্যা ৬২ জন আৰু গৃহস্থীৰ সংখ্যা ২৮ ঘৰ হৈছে । শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ ৰামকৃষ্ণ প্ৰাথমিক শাখাৰ সংগী শ্ৰীদম্বুধৰ নাথ বাপে একশৰণ নামধৰ্ম নিষ্ঠাৰে পালন কৰি আছে । তেখেতে নিজৰ গাঁও আৰু আশে-পাশে থকা গাৱঁত সংঘৰ প্ৰসাৰ-প্ৰচাৰৰ কাম কৰাৰ উপৰি বকলাই

আদি ঠাইত প্ৰাথমিক গঠন কৰে । ঢেকীয়াল অঞ্চলত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ আঞ্চলিক শাখা এটি গঠন কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰে । এই প্ৰাথমিকৰ একনিষ্ঠ সেৱকসকলৰ সহযোগত 'শংকৰজ্যোতি' নামৰ এখন (গুৰুজয়ন্তী উপলক্ষে) স্মৰণিকা প্ৰকাশৰ দায়িত্ব লৈ দুটা সংখ্যা প্ৰকাশ কৰিছে । প্ৰয়াত শ্ৰীনন্দীৰাম নাথ আৰু বলোৰাম নাথ সমাজ কৰ্মী শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সেৱক ।

১৯৮৪ চনৰপৰা ১৯৯৮ চনলৈ ৰামকৃষ্ণ প্ৰাথমিক শাখাৰ কাৰ্য্যনিৰ্বাহ কৰা প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকল ক্ৰমে শ্ৰীতাৰা চন্দ্ৰ নাথ, মৃত লোৰাম নাথ, শ্ৰীবংশীধৰ নাথ, আৰু শ্ৰীলীলাধৰ নাথ আৰু কাৰ্য্যনিৰ্বাহ কৰা উপসভাপতি ক্ৰমে শ্ৰীসোণাৰাম নাথ, শ্ৰীবাণীকান্ত নাথ, ১৯৮৪ চনৰপৰা ১৯৯৮ চনলৈ কাৰ্য্যনিৰ্বাহ সম্পাদকসকল ক্ৰমে শ্ৰীডম্বুধৰ নাথ, শ্ৰীপুণ্যেশ্বৰ নাথ ।

১৯৯১ চনৰ পৰা ১৯৯২ চনলৈ ৰামকৃষ্ণ প্ৰাথমিক শাখাৰ সংগী শ্ৰীদম্বুধৰ নাথে কাৰ্য্যনিৰ্বাহ কৰিছে জিলা সদস্য হিচাপে ১৯৯৪ চনৰপৰা ১৯৯৮ চনলৈ কাৰ্য্যনিৰ্বাহ কৰা জিলা সদস্য শ্ৰীডম্বুধৰ নাথ । ১৯৯৬ চনত গঠিত হোৱা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অন্তৰ্গত ঢেকীয়াল আঞ্চলিক শাখাৰ সম্পাদক আছিল ।

## ১ নং কাকতি ন-পমুৱা প্ৰাথমিক শাখা

### গঠন ঃ ১৯৮৫ চন

চৰকাৰী ভাৱে স্বীকৃত গাৱঁৰ নাম কাকতি গাঁও । এই গাৱঁৰ জনসংখ্যা ক্ৰমে বৃদ্ধি হোৱাত ন পমুৱা নামেৰে নতুন গাঁও হ'ল যদিও এই গাৱঁৰ নাম কাকতি ন পমুৱা থাকিল । কাকতি ন-পমুৱা প্ৰাথমিক শাখাই দ্বিখণ্ডিত হৈ ১ নং আৰু ২ নং কাকতি ন-পমুৱা প্ৰাথমিক শাখা নামেৰে স্বীকৃতি পাইছে । নতুনকৈ সংস্থাপিত হোৱাৰ বাবেই ন-পমুৱা গাঁও নাম হৈছে । এই গাৱঁৰ পূবে লৰা কোৱঁৰ গাঁও, পশ্চিমে কমলাবৰীয়া গাঁও, উত্তৰে সন্দিকৈ গাঁও আৰু দক্ষিণে কলাপাম, কাকতি গাঁও, গাঁওখনৰ জনসংখ্যা প্ৰায় ৮০ ঘৰ । জনসংখ্যা প্ৰায় ৪০০ জন । গাঁওখনৰ অনুষ্ঠান-প্ৰতিষ্ঠানসমূহত জড়িত গুণ সম্পন্ন ব্যক্তিৰ ভিতৰত ফণিধৰ বৰা, প্ৰভাত চন্দ্ৰ বৰা আৰু নৃপেন বৰাৰ নাম উল্লেখযোগ্য ।' এই প্ৰাথমিক শাখাটি

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

২৭।১০।৮৫ তাৰিখে গঠন হয় । প্ৰাথমিক শাখাৰ গৃহস্থীৰ সংখ্যা দহ আৰু সংগীৰ সংখ্যা বিশ গৰাকী । সংগীসকলৰ আৰ্থিক অৱস্থা মধ্যমীয়া । কৃষিৰ ওপৰতে নিৰ্ভৰশীল । গুৰুধৰ্মৰ প্ৰচাৰ সংগঠনত জড়িত হৈ সংঘৰ শ্ৰীবৃদ্ধিৰ বাবে প্ৰাথমিক শাখাই অৰিহণা যোগাইছে ।

**আৰম্ভণিৰপৰা বৰ্তমানলৈকে প্ৰাথমিক শাখাৰ বিষয়-ববীয়াসকল ক্ৰমে-**

যজ্ঞেশ্বৰ বৰা - সভাপতি (প্ৰতিষ্ঠাপক সভাপতি)
ফণিধৰ বৰা - সভাপতি (১৯৯০-২০০০)
কনকেশ্বৰ বৰা - সম্পাদক (১৯৮৫-২০০০)

# মধুসোধন প্ৰাথমিক শাখা

### গঠন ঃ ১৯৮৬ চন

ঢেকীয়াল মৌজা কাঠকটীয়া যোগী গাঁও । ১৯৮৬ চনত যোগী গাঁও নামঘৰক কেন্দ্ৰ কৰি ১০ ঘৰ গৃহস্থী ২৫ জন সংগীৰ সৈতে মধুসোধন নাম লৈ প্ৰাথমিকখন গঠন হয় । উক্ত প্ৰাথমিক গঠন কৰাত সংগঠক জিলাৰ প্ৰচাৰক শ্ৰীযুত নন্দেশ্বৰ শইকীয়াদেৱে সাংবিধানিক নীতি বুজাই সন্দিসকলক শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰচাৰ-প্ৰসাৰৰ চেষ্টা চলাই যাবলৈ ব্যাখ্যা দিয়ে । তলত উল্লেখ কৰা এখনি কাৰ্য্যকৰি কমিটি গঠন কৰে । মহিলাসকলক বিশেষ মুক্তিদান ৰাখি অন্ন শোধন কৰি অন্ন সিদ্ধ কৰাৰ প্ৰয়োজনতেহে শৰণ ৰক্ষা হ'ব। বছৰেকীয়া সভা-সমিতি গুৰু জয়ন্তী পালন কৰাৰ পৰামৰ্শ লয় । (কাৰ্যকৰী কমিতি) আৰু পালন কৰি থকা হয় ।

শ্ৰীসবেশ্বৰ নাথ - সভাপতি
শ্ৰীসৰুলৰা নাথ - সম্পাদক
শ্ৰীৰবীন নাথ - সহকাৰী সম্পাদক
শ্ৰীউমেশ্বৰ নাথ - সদস্য
শ্ৰীমতী মাণিকী নাথ - সদস্য
শ্ৰীকুমুদ নাথ - সদস্য
শ্ৰীদণ্ড নাথ - সদস্য

# সন্দিকৈ পদ্মপাণি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮৮ চন

সন্দিকৈ গাৱঁৰ উত্তৰ পাৰে আজিৰপৰা প্ৰায় ৫০ বছৰৰ আগতেই মুলাই শইকীয়া নামৰ এজন সাহসী আৰু ধৰ্মপৰায়ণ লোকে বাস কৰিছিল। তেখেতে লোক বাদ্য হিচাপে ঢোল বজাই বৰ ভাল পাইছিল । পাছলৈ তেখেত এজন বিখ্যাত ঢুলীয়া ওজা হ'লগৈ । তেখেতৰ মৃত্যুৰ পিছত তেখেতৰ বংশটো ওজা বংশ বুলি পৰিচিত হ'ল । তাৰ পৰাই এতিয়া সকলোৱে ওজা চুক বুলি নাম কোৱা হ'ল । উক্ত স্বৰ্গীয় মুলাই শইকীয়া নামকৰণতেই সন্দিকৈ ওজাচুক পদ্মপাণি প্ৰাথমিক নামকৰণে নামাকৰণ দি গুৰুজনাৰ আদৰ্শৰে প্ৰাথমিক গঠন কৰা হয় ।

সীমা ঃ পূবে ঢেকীয়াল, পশ্চিমে গোহাঁই আলি, উত্তৰে আধলিচুক, হালোৱা আৰু হাবিয়াল গাঁও, দক্ষিণে শেনছোৱা আলি ।

জনসংখ্যা ঃ সন্দিকৈ ওজাচুক প্ৰাথমিকত ১৪ ঘৰ গৃহস্থী আছে। সংগী সংখ্যা ৮০ জন ।

গুণ সম্পন্ন ব্যক্তি ঃ স্বৰ্গীয় মুলাই শইকীয়া, স্বৰ্গীয় ভোলাই শইকীয়া, স্বৰ্গীয় ভদ্ৰৰাম শইকীয়া, স্বৰ্গীয় গেৰেলা শইকীয়া, স্বৰ্গীয় লীলাধৰ শইকীয়া, স্বৰ্গীয় ললিত শইকীয়া, শ্ৰীটঙ্কেশ্বৰ শইকীয়া, শ্ৰীনোমল শইকীয়া, শ্ৰীপোনাৰাম শইকীয়া আৰু শ্ৰীমহেন শইকীয়া ।

## প্ৰাথমিক গঠন ঃ (খ)

সন্দিকৈ পদ্মপাণি প্ৰাথমিকখনি ১৪/১০/৮৮ চনত গঠিত হয় ।? উক্ত প্ৰাথমিকখনৰ গঠন সম্পৰ্কে শ্ৰীনন্দেশ্বৰ শইকীয়াৰ পৰামৰ্শমতেই গঠন কৰা হয় । প্ৰথম অৱস্থাত নতুন প্ৰাথমিকখনৰ সভাপতি শ্ৰীলীলাধৰ শইকীয়া আৰু সম্পাদক শ্ৰীপৱন শইকীয়াক দায়িত্ব ভাৰ দিয়া হয় । তাৰ পাছত শ্ৰীলীলাধৰ শইকীয়া স্বৰ্গীয় হোৱাত তেখেতৰ ঠাইত শ্ৰীনোমল শইকীয়াক সভাপতিৰ দায়িত্বভাৰ দিয়া হয় । এনেকৈ সভাপতিৰ দায়িত্বভাৰ শ্ৰীনোমল শইকীয়াই চলাই থাকি তেখেতৰ ব্যক্তিগত নানা অসুবিধা হোৱাত এই সভাপতি দায়িত্বভাৰ চলাবৰ নোৱাৰাৰ বাবে শ্ৰীডিম্বেশ্বৰ শইকীয়াক সভাপতি দায়িত্বভাৰ চমজাই দিয়ে । লগতে সম্পাদকৰ দায়িত্বত থকা শ্ৰীপৱন শইকীয়াই দায়িত্বভাৰ এৰি শ্ৰীমতী হেম শইকীয়াক উক্ত প্ৰাথমিকখনৰ সম্পাদিকাৰ দায়িত্বভাৰ দিয়া হয় । বৰ্তমান শ্ৰীমতী হেম শইকীয়াৰ দায়িত্বতেই প্ৰাথমিকখন চলি আছে ।

## কাকতি ন-পমুৱা প্ৰাথমিক শাখা

### গঠন ঃ ১৯৯৩ চন

ইংৰাজী ১৯৯৩ চনৰ ২৫ ডিচেম্বৰত বেতিয়নী কাকতি গাৱঁৰ ন-পমুৱা নামঘৰত প্ৰয়াত ফটিক চন্দ্ৰ হাজৰিকাদেৱৰ সভাপতিত্বত এখনি সভা অনুষ্ঠিত হয় । উক্ত সভাৎ সিদ্ধান্ত মৰ্মে ১৫ ঘৰ গৃহস্থী ২৫ জন সংগীৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কাকতি ন-পমুৱা প্ৰাথমিক শাখা গঠন কৰা হয় । উক্ত প্ৰাথমিক শাখাৰ সভাপতি হিচাপে প্ৰয়াত ফটিক চন্দ্ৰ হাজৰিকা আৰু সম্পাদকৰ পদত শ্ৰীবিতুল বৰাক নিৰ্বাচিত কৰা হয় । ১৯৯৪ চনত এই প্ৰাথমিক শাখাই স্বীকৃতি লাভ কৰে । প্ৰয়াত হাজৰিকাদেৱ ১৯৯৮ চনলৈকে এই প্ৰাথমিক শাখাৰ সভাপতি পদত আছিল । ১৯৯৮ চনৰ ২৩ অক্টোবৰত হাজৰিকাদেৱৰ পৰলোক হোৱাত আৰু শ্ৰীবিতুল বৰাই সম্পাদকৰ পদৰপৰা অব্যাহতি লোৱাত কিছুদিনৰ বাবে অস্থায়ী হিচাপে শ্ৰীতৰুণ চন্দ্ৰ হাজৰিকাই সভাপতি পদত আৰু শ্ৰীনাৰায়ণ বৰাই সম্পাদকৰ দায়িত্ব পালন কৰিছিল।

১৯৯৯ চনৰ ১০ জানুৱাৰীত অনুষ্ঠিত হোৱা প্ৰাথমিকৰ সাধাৰণ সভাত এখনি নতুন সমিতি গঠন কৰা হয় । উক্ত সমিতিৰ সভাপতিৰ বাবে শ্ৰীদিবাকৰ বৰা আৰু সম্পাদকৰ দায়িত্ব শ্ৰীসুৰেন হাজৰিকাক দিয়া হয় । বৰ্তমান প্ৰাথমিক শাখাৰ গৃহস্থীৰ সংখ্যা ২১ ঘৰ আৰু সংগীৰ সংখ্যা ৪৫ জন ।

(মুক্তিযোদ্ধা প্ৰয়াত ফটিক চন্দ্ৰ হাজৰিকাদেৱৰ জীৱনী পৰৱৰ্তী অধ্যায়ত সন্নিবিষ্ট কৰা হৈছে ।)

## মলিয়া গাঁও আহঁতগুৰি প্ৰাথমিক শাখা

### গঠন ঃ ১৯৯৪ চন

গুৰযোগনীয়া মৌজাৰ মলিয়া গাঁও এখন বৃহৎ গাঁও । এই গাঁও ঢেকীয়াল মৌজা, ঢেকীয়াল গাৱঁৰ পুব সীমাত অৱস্থিত । এই গাৱঁৰ পূবে বৰকাঠনি বাগান, পশ্চিমে ঢেকীয়াল গাঁও আৰু ঢেকীয়াল চাৰিআলি, উত্তৰে এলেংমূৰীয়া আৰু ৰাংঢালি গাঁও, দক্ষিণে চেতিয়া গাঁও আৰু ৰহঢলা পথাৰ। এই গাৱঁৰ জনসংখ্যা ২৫০০ ৰ অধিক । অধিবাসীসকলৰ শতকৰা ৯০ খেতিয়ক আৰু শতকৰা ১০ চাকৰিজীৱী লোক । এই গাৱঁত হিন্দু মুছলমান দুয়ো সম্প্ৰদায়ৰ লোক আছে । হিন্দুৰ সংখ্যা বেছি, সেইসকলৰ ভিতৰত

ব্ৰাহ্মণ, কলিতা, চুতিয়া আহোম আৰু কৈৱৰ্ত্ত সম্প্ৰদায়ৰ লোক আছে । সৰহ সংখ্যক লোক কৰ্মকাণ্ডি, মাত্ৰ কিছু অংশহে একশৰণীয়া গুৰুধৰ্মৰ আস্থাশীল ব্যক্তি আছে । একশৰণীয়া ভাগৱতী সমাজ শ্ৰীমন্ত শংকৰদেৱ সমাজৰ অন্তৰ্ভুক্ত লোকে আছে । মলিয়া গাৱঁৰ বহুঘৰ গৃহস্থী ইতিমধ্যে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংগী, তেখেতসকল ঢেকীয়াল প্ৰাথমিক শাখাৰ অন্তৰ্ভুক্ত। যি ঠাইত মলিয়া- মলিয়া আহঁতগুৰি প্ৰাথমিক গঠন হৈছে সেই ঠাইৰ লোকসকল আহোম-চুতীয়া সম্প্ৰদায়ৰ লোক বেছি । আহঁতগুৰি বুলি ঠাই নাই । বাটৰ কাষত এজোপা প্ৰকাণ্ড আহঁত গছ থকা বাবে মানুহে আহঁতগুৰি বুলি কয় । সেইবাবে প্ৰাথমিকৰ নাম আহঁতগুৰি দিয়া হয় । এই শাখাটি গঠন কৰোতে শ্ৰীঘনকান্ত গগৈ বাপে আগভাগ লয় আৰু জিলাৰ উপ-সভাপতি শ্ৰীযুত নন্দেশ্বৰ শইকীয়া বাপে গুৰি ধৰি প্ৰাথমিকখন গঠন কৰে। সংগী গৃহস্থী ১০ ঘৰ, সংগী সংখ্যা ২৫ জন । ১৯৯৪ চনত এই প্ৰাথমিকৰ জন্ম হয় । বৰ্তমান সভাপতি শ্ৰীঘনকান্ত গগৈ আৰু সম্পাদক শ্ৰীচেনীৰাম বৰা । প্ৰাথমিকৰ আৰ্থ-সামাজিক অৱস্থা ভাল ।

## শ্ৰীমন্ত প্ৰাথমিক শাখা ঃ কহাৰ চুক
## (ঢেকীয়াল তিনিআলি)
### গঠন ঃ ১৯৯৬ চন

শ্ৰীমন্ত প্ৰাথমিক শাখা গুৰুযোগনীয়া মৌজাৰ অৰ্ন্তগত কঁহাৰ, ভেটুৰা, ফুকলি এই তিনিটা চুবুৰী লৈ কঁহাৰ চুক গঠিত । কঁহাৰ চুক গুৰুযোগনীয়া মৌজাৰ এটি প্ৰাচীন চুবুৰী । এই চুবুৰী কাঁহ-পিতলৰ কাৰণে প্ৰখ্যাত । আহোম ৰজা স্বৰ্গদেউ প্ৰতাপসিংহৰ ৰাজত্ব কালত মোমাই তামুলি বৰবৰুৱাদেৱৰ শাসনৰ সুবিধাৰ কাৰণে এই অঞ্চলৰ ৰাইজক অঞ্চল বিশেষে একোটি ৰজাঘৰীয়া দায়িত্ব দি কাম অনুসৰি একোটা গোট তৈয়াৰ কৰি ঢেকীয়াল শয়ক গঠন কৰিছিল । এই শয়ক গঠন কৰা বিশিষ্ট লোক প্ৰয়াত কনকেশ্বৰ বৰগোহাঁই, খগেশ্বৰ তামুলী, কেৰকণ দত্ত, বিষ্ণুৰাম দত্ত, বাপুতি হাজৰিকা, চেৰাজত গাঁওবুঢ়া, ৰঙাই নাথ মেধি ইত্যাদি । তেতিয়াৰ পৰা এই চুবুৰীৰ নাম কঁহাৰ চুক নামে জনাজাত ।

বৰ্তমান এই চুবুৰীৰ গৃহস্থীৰ সংখ্যা ৪৬ ঘৰ আৰু জনসংখ্যা প্ৰায় ২০৫ জন জীৱিকাৰ পথ, বিশেষত কৃষি আৰু ২/৪ জন চাকৰিয়াল । ইয়াত শংকৰী কলা-কৃষ্টিৰ চৰ্চা আগৰেপৰা আছে ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

শ্ৰীমন্ত শংকৰদেৱ সংঘ গোলাঘাট জিলা শাখা গঠন হোৱাৰ আগতে ঢেকীয়াল অঞ্চলত এখনি প্ৰাথমিক গঠন কৰা হয় । এই প্ৰাথমিকত এই চুবুৰীৰ বাটকটীয়া হিচাপে স্বৰ্গীয় কেৰকণ দত্ত, পদ্ম দত্ত, পোনাৰাম বৰুৱা আদিও আছিল । যিহেতু এই চুবুৰীৰ সকলো গৃহস্থীয়েই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংগী আৰু নিজা ৰবীয়াকৈ নামঘৰৰ ব্যৱস্থা থকাত সাংগঠনিক দিশলৈ চিন্তা-চৰ্চা কৰি ঢেকীয়াল প্ৰাথমিকৰপৰা ফাটি শ্ৰীমন্ত প্ৰাথমিক শাখা নামকৰণেৰে এখনি প্ৰাথমিক গঠন কৰা হয় । ইংৰাজী ১৫।১।৯৬ তাৰিখে।

**প্ৰাথমিকৰ বিষয়ববীয়াসকল ঃ**

শ্ৰীডিম্বেশ্বৰ বৰা - উপদেষ্টা
শ্ৰীযজ্ঞেশ্বৰ দত্ত - সভাপতি
শ্ৰীচিন্দানন্দ দত্ত - সম্পাদক
শ্ৰীগোপাল দত্ত - সহঃ সম্পাদক

**১৯৯৯-২০০০ চনৰ বিষয়ববীয়াসকল -**

শ্ৰীডিম্বেশ্বৰ বৰা - উপদেষ্টা
শ্ৰীযজ্ঞেশ্বৰ দত্ত - সভাপতি
শ্ৰীগোপাল দত্ত - উপঃ সভাপতি
শ্ৰীচিদানন্দ দত্ত - সম্পাদক
শ্ৰীৰবীন দত্ত - সহঃ সম্পাদক

## আধলিচুক কল্পতৰু প্ৰাথমিক শাখা

### গঠন ঃ ১৯৯৬ চন

**গাঁৱৰ বৰ্ণনা ঃ** গোলাঘাট জিলাৰ ঢেকীয়াল মৌজাৰ অন্তৰ্গত ঢেকীয়াল গাঁও । এই গাৱঁৰ এটি অংশৰ নাম আধলিচুক । স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনত শাসন কৌশলী মোমাই তামুলী বৰবৰুৱাই শৃংখলিত শাসন ব্যৱস্থাৰ কাৰণে গাঁওবিলাক নতুন পদ্ধতিৰে সংগঠন কৰিছিল আৰু বিশেষ কিছুমান বিভিন্ন বিষয়ৰ তথ্য সম্বলিত কাৰণতহে গাঁওবিলাকৰ নামাকৰণ কৰা হৈছিল । মোমাই তামুলীয়ে চাৰিকুৰিৰো অধিক শয়েক সৃষ্টি কৰিছিল। ঢেকীয়াল কুৰি, মলখুকুৰি, ভেটুৱা কুৰি আৰু যোগী কুৰীৰে এক ঢেকীয়াল শয়েক সংগঠন কৰিছিল ।

'ঢেকীয়াল' শব্দটো ঢেকীশালৰ অপভ্ৰংশ । আধলিচুক জনৈক এটি পৰিয়ালৰ নামানুসৰি সৃষ্টি হোৱা আধলি হাজৰিকা নামে পৰিয়ালৰ মনিৰাম দেৱানৰ পৰাই বেছি পৰিচিত । সেই সময়ৰ মহকুমা আৰক্ষী বিষয়া পদবীৰ হৰনাথ বৰুৱা আৰু থানাৰ বিষয়া চৰম নাথ দুয়ো দেৱানৰ গ্ৰেপ্তাৰ আৰু

ঘৰ তালচী কৰাত আগ-ভাগ লয় । এই পৰিয়ালৰ নাম অনুসৰি চুকটিৰ নাম আধলিচুক হয় বুলি বৰ্তিত আছে ।

আধলি চুকৰ উত্তৰ সীমাত হালোৱা গাঁও, পুবত কাঠকটীয়া আৰু যোগী গাঁও, দক্ষিণে কুমাৰ গাঁও আৰু পশ্চিমে দৰিয়াজান ।

**জনসংখ্যা ঃ** ইয়াৰ বাসিন্দাৰ ঘৰ হিচাপে ৪৫ ঘৰ । জনসংখ্যা প্ৰায় ৮০০ জন । আমাৰ গাৱঁত এটি নামঘৰ এটি পুথিভঁৰাল আৰু এটি মহিলা সমিতি অনুষ্ঠান আছে । প্ৰয়াত বংশীধৰ বৰা এই অঞ্চলৰ বিশিষ্ট ব্যক্তি আছিল । তেখেত বগাই পণ্ডিত নামে সকলোৰে পৰিচিত । সেই সময়ত তেখেতৰ পাণ্ডিত্যই এক নতুন আলোকৰ সন্ধান দিছিল । সামাজিক জীৱনতো তেখেতৰ বিশেষ অৱদান আছিল । তেখেতৰ পুত্ৰ-পুত্ৰাদি সকলেও অদ্য পৰিমিত সমাজ জীৱন তথা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ আছে । আধলি হাজৰিকাৰ ঘৰৰ সু সন্তান প্ৰয়াত দেৱেশ্বৰ ৰাজখোৱা এজন সুদক্ষ আইনজ্ঞ আছিল । তেখেত এসময়ত বিধান সভাৰ সদস্য পদো অলংকৃত কৰিছিল ।

**আৰ্থ-সামাজিক দিশ ঃ** এই অঞ্চলৰ লোকসকলৰ মূল জীৱিকা নিৰ্বাহৰ পথ হৈছে কৃষি । দুই-চাৰি জনৰ সৰু-সুৰা চৰকাৰী চাকৰি থাকিলেও প্ৰতি ঘৰতে কম-বেছি পৰিমাণে কৃষিৰ ব্যৱস্থা আছে । আৰ্থিক দিশত বেছি সচ্ছল ন'হলেও দৰিদ্ৰ সীমা ৰেখাৰ তলত লোক নাই বুলিব পাৰি । খেতিৰ ভিতৰত ধান, কুঁহিয়াৰ, আৰু ৪/৫ ঘৰত সামান্য পৰিমাণে চাহ খেতিও আছে । অৰ্থনৈতিক সংকট অধিক নাই কাৰণেই সামাজিক দিশ বহু পৰিমাণে সুস্থ ।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ অন্তৰ্গত সৰ্ববৃহৎ প্ৰাথমিক ঢেকীয়াল । এই প্ৰাথমিক শাখাৰ সংগীসকল একান্ত সংগী আছিলো, কিন্তু কালক্ৰমত শংকৰাব্দৰ প্ৰাক্ মুহূৰ্তত কিছু আভ্যন্তৰিণ অসুবিধা বোধ কৰি পৰিচালনাৰ সুবিধাৰ্থে এখনি পৃথক প্ৰাথমিকৰ প্ৰয়োজন বোধ কৰি কেইজনমান সংগীয়ে ১৬।২।৯৬ তাৰিখত কল্পতৰু প্ৰাথমিক গঠন কৰে। প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকল ক্ৰমে বীৰেন বৰদলৈ সভাপতি, শ্ৰীসুৰেণ বৰা উপ সভাপতি, শ্ৰীপ্ৰভাত বৰা সম্পাদক, শ্ৰীঅজিত ভৰালী সহ সম্পাদক ।

বৰ্তমান প্ৰাথমিক শাখাটিত মুঠ গৃহস্থীৰ সংগী ১৪ ঘৰ ৩২ গৰাকী পুৰুষ-মহিলা সংগী আছে ।

সাহিত্য-সংস্কৃতিৰ দিশতো শাখাটিৰ কিছু ভূমিকা নথকা নহয়। ৫০৯

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

আৰু ৫১০ তম্ মহাপুৰুষ মাধৱদেৱৰ জন্ম উপলক্ষে পতা জিলা নামঘৰস্থ শিশু সমাৰোহত সাহিত্য শাখাৰ আকস্মিক বক্তৃতাত এই প্ৰাথমিকৰ শিশু শ্ৰীমান উজ্জ্বল বৰাই দুয়ো বাৰেই প্ৰথম স্থান অধিকাৰ কৰিছে ।

সংস্কৃতিৰ দিশটো উক্ত সমাৰোহত সংস্কৃতি শাখাই আয়োজন কৰা, সূত্ৰ, কৃষ্ণ, নৃত্যত শ্ৰীমিন্টু বৰদলৈ, শ্ৰীমানস বৰদলৈ আৰু শ্ৰীমতী পম্পী ভৰালীয়ে যথাক্ৰমে প্ৰথম, দ্বিতীয় স্থান লাভ কৰি সু-নাম অৰ্জন কৰিছে । তদুপৰি বিভিন্ন ঠাইত অনুষ্ঠিত কৰা প্ৰতিযোগিতাত তেওঁলোকে বিজেতা হিচাপে সন্মান বুটলিবলৈ সক্ষম হৈছে ।

প্ৰচাৰ-প্ৰসাৰৰ দিশটো যথেষ্ট আগবাঢ়িছে । উক্ত প্ৰাথমিক শাখাৰ একালৰ সংগী প্ৰয়াত গোলাপ বৰাবাপে তেখেতৰ কৰ্মময় জীৱনত গুৰুজনাৰ মতাদৰ্শক শিৰত লৈ বহুতো অনুষ্ঠান সম্পাদনা কৰিছিল । তেখেতৰ গভীৰ শাস্ত্ৰ ব্যাখ্যাৰে মানুহৰ অন্তৰ জয় কৰিব পাৰিছিল । অন্ধ আৰু কুপ্ৰথাৰ বিৰুদ্ধে বিপ্লৱ কৰিছিল ধৰ্মান্ধ লোকক চক্ষু দিবলৈ সক্ষম হৈছিল । সহজ সৰল অমায়িক প্ৰকৃতিৰ এই গৰাকী ব্যক্তিৰ বিয়োগ আমাৰ কাৰণে এক অপূৰণীয় ক্ষতি হৈ ৰ'ল ।

এসময়ত গোলাঘাট জিলাৰ সভাপতি পদ অলংকৃত কৰা মাননীয় শ্ৰীযোগেশ্বৰ বৰা বাপ এজন সুদক্ষ সংগঠক । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ চালুকীয়া অৱস্থাৰ পৰাই তেখেতে কষ্ট সাধ্যৰ প্ৰচেষ্টাৰে সংঘৰ সাংগঠনিক দিশত অদ্যপৰিমিত জড়িত হৈ আছে । সু বক্তা হিচাপে তেখেতৰ সুনাম আছে । তেখেতৰ বক্তৃতাই মানুহক আকৰ্ষিত কৰিব পাৰিছিল । সংঘৰ দ্বাৰা প্ৰকাশ হৈ থকা 'শ্ৰীমন্ত"নামধৰ্ম', ইত্যাদিও তেখেতৰ তত্ত্বগধুৰ লিখনি প্ৰকাশ পাইছে । শিক্ষকতা কৰি থকা অৱস্থাতো তেখেতে ধৰ্মীয় আন্দোলনৰ সক্ৰীয় কৰ্মী আছিল ।

শ্ৰীপলাশ বৰা ঢেকীয়াল শ্ৰীমন্ত আঞ্চলিক শাখাৰ সাহিত্য শাখাৰ সম্পাদক । শ্ৰীযুত বীৰেন বৰদলৈ বাপেও ঢেকীয়াল আঞ্চলিক শাখাৰ সভাপতি পদেৰে সেৱা কৰি সংস্কৃতি শাখাক আগবঢ়াই নিছে । ✧

# শ্ৰীমন্ত আঞ্চলিক শাখা ঃ সংক্ষিপ্ত ইতিহাস

## গঠন ঃ ১৯৯৬চন

দেশ, জাতি আৰু জীৱনক জানিবৰ হ'লে সৰ্ব্বাগ্ৰে প্ৰয়োজন হয় তাৰ অতীত ইতিহাস জনাৰ। বিভিন্ন দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰি প্ৰণয়ণ কৰা অতীত ইতিহাসে ভৱিষ্যত প্ৰজন্মৰ বাবে এক ব্যঞ্জনাময় গতিবেগ প্ৰদান কৰে। ইতিহাসৰ পৰা প্ৰেৰণা পোৱা যায়, ই প্ৰগতিৰ উৎস। সেয়ে দেশ, জাতি আৰু জীৱনৰ বাহিৰেও বিভিন্ন সামাজিক, অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ লিপিবদ্ধ অতীত ইতিহাস বুৰঞ্জী বা ইতিবৃত্তই সেৱকৰ অনুসন্ধিৎসু মন নতুন আলোকেৰে আলোকিত কৰে। চিন্তাৰ উৎকৰ্ষ সাধনৰ ই এক বাহন।

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ অন্তৰ্গত শ্ৰীমন্ত আঞ্চলিক শাখাটিৰ নেপথ্য ইতিহাস সম্পৰ্কে চিন্তা কৰিলে মনত পৰে ১৯৯৪ চনৰ কথা। গণকপুখুৰী অঞ্চলৰ যোগনীয়া আধলি চুক নামঘৰৰ প্ৰাংগণত অঞ্চলটিৰ এঘাৰখন প্ৰাথমিক শাখা একত্ৰিতহৈ উদ্‌যাপিত ৫৪৬ তম গুৰু আৱিৰ্ভাৱ মহোৎসৱ থলিত এক প্ৰস্তাৱ যোগে 'গোলাঘাট' মধ্য আঞ্চলিক গুৰুজয়ন্তী উদ্‌যাপন সমিতি নামকৰণেৰে এটি প্ৰতিষ্ঠান গঠন কৰা হয়। এই স্থানতে শ্ৰীৰমাকান্ত কলিতা বাপক সভাপতি আৰু শ্ৰীপুৰ্ণ হাজৰিকা বাপক সম্পাদক ৰূপে লৈ এখনি একত্ৰিশজনীয়া কাৰ্যনিৰ্ব্বাহক সমিতি গঠন কৰা হয়। এই সমিতিখনৰ কাৰ্যকালত যোগনীয়া জেলমণি বৰ নামঘৰত ৫৪৭ তম আৰু জিলা শাখাক আমন্ত্ৰণ জনাই গণকপুখুৰী নামঘৰত ৫৪৬ তম গুৰু জয়ন্তী আৱিৰ্ভাৱ মহোৎসৱ ভাগ উদ্‌যাপন কৰা হয়। সেই উদ্‌যাপন থলিতে এখনি আঞ্চলিক শাখা গঠনৰ বীজ অংকুৰিত হৈ ৭-১২-৯৬ তাৰিখে যোগনীয়া আধলি চুক নামঘৰত অনুষ্ঠিত এখনি ৰাজহুৱা সভাত অঞ্চলটিৰ ১২ খনি প্ৰাথমিক শাখাক লৈ 'শ্ৰীমন্ত আঞ্চলিক শাখা' নামকৰণেৰে এখনি আঞ্চলিক শাখা গঠন কৰা হয়। (পিছত ১৬ খন হয়গৈ) এই আঞ্চলিক শাখাৰ ক্ৰমে ডাঃ হেম বৰাক সভাপতি পূৰ্ণানন্দ বৰা সম্পাদক ৰূপে নিৰ্ব্বাচিত হয়। এই শাখাটি গঠনৰ ক্ষেত্ৰত সৰ্বশ্ৰী পূৰ্ণানন্দ বৰা, শ্ৰীৰমাকান্ত কলিতা, ডাঃ হেম বৰা, পূৰ্ণ হাজৰিকা বাপসমস্তৰ ঐকান্তিক প্ৰচেষ্টা সদা স্মৰণীয়। এলেংমূৰীয়া বৰ নামঘৰত অনুষ্ঠিত আঞ্চলিক শাখাৰ ২য় বাৰ্ষিক অধিবেশনৰ (১৬-১-৯৯) প্ৰতিনিধি সভাত শ্ৰীৰমাকান্ত কলিতা বাপক সভাপতি আৰু শ্ৰীপূৰ্ণ হাজৰিকা বাপক সম্পাদক, শ্ৰীচিদানন্দ হাজৰিকা বাপক উপ সভাপতি, শ্ৰীগণেশ কলিতা আৰু খগেন বৰা বাপদ্বয়ক সহঃযুঃ সম্পাদক, দুৰ্দ্ধ দত্ত আৰু মহেন বৰা

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

বাপদ্বয়ক সাহিত্য শাখাৰ সভাপতি সম্পাদক , হিমেশ্বৰ ভৰালী আৰু ডিম্বেশ্বৰ কলিতা বাপদ্বয়ক ক্ৰমে সংস্কৃতি শাখাৰ সভাপতি সম্পাদক ৰূপে নিৰ্ব্বাচিত কৰে । ইয়াৰোপৰি অঞ্চল বিশেষে বাইশ গৰাকী সদস্য-সদস্যা মনোনিত কৰি এখনি পূৰ্ণাংগ কাৰ্যনিৰ্ব্বাহক সমিতি গঠন কৰে । উল্লেখযোগ্য অনিবাৰ্য কাৰণত শ্ৰীৰমাকান্ত কলিতা বাপে আঞ্চলিক শাখাৰ সভাপতি পদৰ পৰা অব্যহতি লোৱাত তেখেতৰ ঠাইত ইংৰাজী ৩০-১-৯৯ তাৰিখে ডাঃ হেম বৰা বাপক আঞ্চলিক শাখাৰ সভাপতি হিচাবে মনোনিত কৰা হয় । জিলা সদস্য হিচাবে ভবেশ বৰা, নগেন ৰাজখোৱা আৰু ঘনকান্ত দত্ত বাপ সমন্তক নিৰ্ব্বাচন কৰা হয় । এই সমিতিৰ কাৰ্যকাল ৫৫২ শঙ্কৰাব্দ বছৰত উকলি যাব । বিভিন্ন আঁচনি গ্ৰহণ আৰু ৰূপায়ণ কৰিব পাৰিলেহে কোনো অনুষ্ঠান-প্ৰতিষ্ঠানে সৰ্ব্বাংগীণ উন্নতি সাধন কৰিব পাৰে ।এই ক্ষেত্ৰত শ্ৰীমন্ত আঞ্চলিক শাখাৰ জন্মৰ আয়ুস অনুযায়ী বিশেষ প্ৰগতি লাভ কৰিব পৰা নাই । একাগ্ৰতাৰে আঁচনি সমূহ যথাযথ ৰূপায়ণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে । আঁচনি সমূহৰ ভিতৰত সংস্কৃতি শাখাৰ আঁচনি ৰূপায়ণত অগ্ৰাধিকাৰ দিয়া হৈছে । শঙ্কৰী নৃত্য-গীত গানিকাৰ প্ৰশিক্ষণ শিবিৰ মুকলি কৰা হৈছে ইতিমধ্যে নাট্যাভিনয় প্ৰশিক্ষণ কেন্দ্ৰৰ বাবে ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তিৰ কাম চলি আছে । সাহিত্যৰ ক্ষেত্ৰত শিশু আৰু মহিলাৰ বক্তৃতা প্ৰশিক্ষণ, কুইজৰ প্ৰশিক্ষণ, চুটি নাট ৰচনা প্ৰতিযোগিতা আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰি ফলপ্ৰসু কৃতকাৰ্যতা লাভ কৰা হৈছে । তাৰোপৰি প্ৰাথমিক শাখা সমূহৰ সংগী সকলকলৈ চাৰি পুথি পঠন আৰু ব্যাখ্যাৰ অনুষ্ঠান অনুষ্ঠিত কৰা হৈছে । আঞ্চলিক শাখাটিয়ে সেৱা বাহিনীৰ সৌজন্যত এক জনকল্যাণ মূলক বিস্তৃত আঁচনি গ্ৰহণ কৰি কামত আগবাঢ়িছে । শ্ৰীমন্ত আঞ্চলিক শাখাটি আঠটি অঞ্চলক লৈ গঠিত হ'লেও গণকপুখুৰী ডাকঘৰে যামৰা প্ৰাথমিক শাখাৰ সংখ্যা অধিক বাবে গণকপুখুৰী অঞ্চলটিৰ নামৰ উৎপত্তি সম্পৰ্কত ব্যাখ্যা ডাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে । গণকপুখুৰী অঞ্চলৰ ঐতিহাসিক তথ্য পোৱাটো সম্ভৱতাৰ হৈ উঠা নাই । কিম্বদন্তিৰ মতে স্বৰ্গদেউ প্ৰতাপসিংহ ঢেকিয়াললৈ আহোঁতে সগত অনা এটি দেৱজ্ঞৰ পৰিয়ালক মাটি-বাৰী দি ইয়াতেই সংস্থাপন কৰিছিল আৰু ব্যৱহাৰৰ কাৰণে ওচৰতে এটি পুখুৰী খন্দাই দিছিল । এই দৈৱজ্ঞ ব্ৰাহ্মণ বা গণকৰ পুখুৰীৰ বাবে এই স্থানৰ নামো গণকপুখুৰী হয় । আন এটি প্ৰবাদ মতে আহোম ৰাজত্ব কালত কোনো বৰবৰুৱা উপাধিধাৰী ৰাজ বিষয়াই কিছু সংখ্যক দৈৱজ্ঞক সংস্থাপন দি কাষতে এটা পুখুৰী খন্দাই দিছিল । লোকে সেই পুখুৰীটোক গণকৰ পুখুৰী কোৱাৰ প্ৰথমে সেই নাম আৰু শেষত অঞ্চলটো গণক পুখুৰী নামে জনাজাত হ'ল । কিংম্বদন্তি যিয়েই নহওক, দৈৱজ্ঞ ব্ৰাহ্মণ লোকৰ পৰাই যে অঞ্চলটো গণকপুখুৰী নামে জনাজাত হ'ল তাৰ সাক্ষী হিচাবে আজিও হেমচন্দ্ৰ গোস্বামী পথৰ কাষতে অৱস্থিত সেই পুখুৰীটো ।

গণকপুখুৰী অঞ্চলত শিক্ষিতৰ সংখ্যা ৬৭শতাংশ হ'ব বুলি ধাৰণা হয় । কৃষি

প্ৰধান অঞ্চল হ'লেও কম মাটি থকা কৃষকৰ সংখ্যাই অধিক । চৰকাৰী কৰ্ম্মচাৰীৰ ভিতৰত শিক্ষকৰ সংখ্যাই বেছি । সৰু সুৰা ব্যৱসায় বাণিজ্যত কিছু সংখ্যক যুৱকে মন মেলিছে ।

বিভিন্ন জাতি -উপজাতিৰ প্ৰায় ৩৫ হেজাৰ জনসংখ্যাৰ গণকপুখুৰী এটা বৃহৎ অঞ্চল । ইয়াত সাতখন প্ৰাথমিক, ১ খন উচ্চ বুনিয়াদী, এখন মধ্য ইংৰাজী আৰু এখন উচ্চ মাধ্যমিক বিদ্যালয় আছে । সম্প্ৰতি এখনি মহা বিদ্যালয়ো প্ৰতিষ্ঠা হৈছে । তাৰোপৰি ডাকঘৰ, লখিমী গাঁৱলীয়া বেংকৰ শাখা, গুৰযোগনীয়া গাঁও পঞ্চায়ত কাৰ্যালয় আৰু গুৰুযোগনীয়া সমবায় সমিতিৰ কাৰ্যালয়ো গণকপুখুৰীত অৱস্থিত ।

গৌৰৱৰ বিষয় যে, ১৯৪৯ চনতেই গণকপুখুৰীত 'শংকৰদেৱ সংঘৰ শাখা প্ৰতিষ্ঠা হয় । সংঘৰ এগৰাকী অন্যতম প্ৰচাৰক নগাঁৱৰ প্ৰয়াত ৰমাকান্ত মুক্তিয়াৰ আতাই সঘনে গণক পুখুৰীলৈ আহি এই অঞ্চলত সংঘৰ পাতনি মেলে । গণকপুখুৰীৰ স্বৰ্গীয় ভেবেলা ভৰালী, স্বৰ্গীয় কামেশ্বৰ হাজৰিকা, স্বৰ্গীয় মাধিৰাম বৰা, স্বৰ্গীয় অৰুণ ৰাজখোৱা, স্বৰ্গীয় মোহন ৰাজখোৱা আদিয়ে গণকপুখুৰীত সংঘৰ শাখা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগ-ভাগ লয় । ১৯৪১ চনতে গণকপুখুৰীৰ প্ৰয়াত মুহিৰাম বৰা পাঠকৰ অন্ত্যেষ্টি ক্ৰিয়া আৰু আদ্যশ্ৰাদ্ধ শংকৰদেৱ সংঘৰ নীতিৰে হৰিনামেৰে সম্পাদিত হয় । সেই বাবে এই অঞ্চলৰ বহু সংখ্যক লোক সমাজ বৰ্জ্জিত হ'বলগীয়া হয় । কিন্তু এনে তিক্ত অভিজ্ঞতাৰ মাজতো শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ শক্তি দিনে দিনে বৃদ্ধি হৈ সংঘৰ বৰ্ত্তমান স্থিতিৰ নিশ্চয়তা প্ৰদান কৰিলে ।

## শ্ৰীমন্ত আঞ্চলিক শাখাৰ অন্তৰ্গত প্ৰাথমিক শাখাসমূহ

| | |
|---|---|
| (১) এলেংমুৰীয়া সৰ্বোদয় প্ৰাথমিক - | ১৯৭২ গঠন । |
| (২) হাবিয়াল প্ৰাথমিক শাখা - | ১৯৭৫ গঠন । |
| (৩) শিঙৰাজান, শান্তিজান (খ) প্ৰাথমিক - | ১৯৭৬ গঠন । |
| (৪) যোগনীয়া যদুমনি প্ৰাথমিক - | ১৯৭৯ গঠন । |
| (৫) ৰাংঢালি নৱজ্যোতি প্ৰাথমিক - | ১৯৮১ গঠন । |
| (৬) যোগনীয়া সৰ্বোদয় প্ৰাথমিক - | ১৯৮৪ গঠন । |
| (৭) জেলমণি শ্ৰীহৰি প্ৰাথমিক - | ১৯৮৬ গঠন । |
| (৮) যোগনীয়া কল্পতৰু প্ৰাথমিক - | ১৯৮৮ গঠন । |
| (৯) পূব ৰাংঢালী মণিকাঞ্চন প্ৰাথমিক - | ১৯৮৯ গঠন । |

(১০) পূব বাংঢালী ৰূপজ্যোতি প্ৰাথমিক - ১৯৮৯ গঠন ।
(১১) হাবিয়াল অৰুনোদয় প্ৰাথমিক - ১৯৯০ গঠন ।
(১২) হালোৱা গাঁও ভাস্কৰজ্যোতি প্ৰাথমিক - ১৯৯২ গঠন ।
(১৩) যোগনীয়া বনমালি প্ৰাথমিক - ১৯৯৪ গঠন ।

## এলেংমূৰীয়া সৰ্বোদয় প্ৰাথমিক শাখা

### গঠন ঃ ১৯৭২ চন

১৯৩৮ চনত মিছামৰা মৌজাৰ তেলীয়া সোণাৰী গাঁৱৰ প্ৰয়াত বোমাই বাজখোৱাৰ সভাপতিত্বত গণকপুখুৰীত শ্ৰীশ্ৰী শঙ্কৰদেৱ সংঘৰ এটি শাখা গঠনৰ প্ৰক্ৰিয়াৰ পৰাই যোগনীয়া এলেংমূৰীয়া আদি গাঁৱত একশৰণ নাম ধৰ্ম্মৰ বীজ অঙ্কুৰিত হয় । একশৰণ নাম ধৰ্ম্ম প্ৰচাৰ-প্ৰসাৰৰ অগ্ৰদূত হিচাবে এই অঞ্চলত কাম কৰা প্ৰয়াত ব্যক্তি সকলৰ ভিতৰত জিউৰাম হাজৰিকা, অৰুণ চন্দ্ৰ বাজখোৱা, ৰমাকান্ত মুক্তিয়াৰ আতাৰ নাম উল্লেখযোগ্য । ৬-৯ -৫৪ তাৰিখৰপৰা ঢেকীয়াল হাইস্কুলত স্বৰ্গীয় ডিম্বেশ্বৰ নেওগ দেৱৰ সভাপতিত্বত অনুষ্ঠিত সংঘৰ তিনিদিনীয়া অধিৱেশনৰ পিছত গণকপুখুৰী অঞ্চলত সংঘৰ প্ৰচাৰ তীব্ৰতৰ হৈ উঠে । প্ৰয়াত ভেবেলা ভৰালী, প্ৰয়াত ফণী বৰা, প্ৰয়াত মাধিৰাম বৰা, প্ৰয়াত কামেশ্বৰ হাজৰিকা, প্ৰয়াত কামেশ্বৰ বান্ধনী, প্ৰয়াদ ভদ্ৰাম পাঠক, প্ৰয়াত গঙ্গা নাথ আদিৰ অনুপ্ৰেৰণাত গণকপুখুৰী অঞ্চলত সংঘৰ প্ৰাথমিক শাখা গঠন হয় । ইয়াৰ আধাৰতেই ১৯৭০ চনত যোগনীয়া আৰু এলেংমূৰীয়া গাঁৱৰ কেইঘৰমান গৃহস্থী একত্ৰিতহৈ সংঘৰ প্ৰাথমিক গোট এটি গঠন কৰি প্ৰচাৰ অভিযান চলায় । এই গোটৰ সম্পাদক হিচাবে শ্ৰীযুত অতুল বৰা বাপক নিৰ্ব্বাচন কৰে ।

১৯৭২ চনত যোগনীয়া এলেংমূৰীয়া আৰু বাংঢালি গাঁৱৰ ১৮ ঘৰ গৃহস্থি আৰু ৪৪ জন সংগীৰে এখনি পূৰ্ণ পৰ্যায়ৰ প্ৰাথমিক শাখা গঠন কৰি গোলা ১৩৭-৫২৩ নংত জিলাত পঞ্জীয়ণ কৰে । প্ৰাথমিক শাখাটি 'এলেঙমূৰীয়া সৰ্ব্বোদয় প্ৰাথমিক শাখা' নামেৰে নামকৰণ কৰা হয় । শাখাটিৰ প্ৰথম সভাপতি প্ৰয়াত ৰমাকান্ত দত্ত আৰু সম্পাদক শ্ৰীপূৰ্ণ হাজৰিকা । শ্ৰীযুত হাজৰিকা বাপে এই প্ৰাথমিক শাখাৰ তেৰ বছৰ কাল সম্পাদক হিচাবে কাৰ্যনিৰ্বাহ কৰে । এই কালছোৱাৰ ভিতৰত শাখাটিৰ সভাপতি হিচাবে স্বৰ্গীয় দীননাথ ভৰালী আৰু শ্ৰীঠানুৰাম দত্ত নিৰ্ব্বাচিত হয় ।

১৯৮৫ চনত প্ৰাথমিক শাখাটি যোগনীয়া সৰ্ব্বোদয় আৰু এলেংমূৰীয়া সৰ্ব্বোদয় নামকৰণেৰে দুটা ভাগত ভাগ কৰা হয় ।

এলেংমূৰীয়া সৰ্ব্বোদয় প্ৰাথমিক শাখাৰ প্ৰথম সভাপতি প্ৰয়াত বাপুৰাম ভৰালী,

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

সম্পাদক শ্ৰীপৱিত্ৰ দত্ত । পৰৱৰ্ত্তী সভাপতি সকল হ'ল - বাপুৰাম ভৰালী, শ্ৰীহৰেণ দত্ত, বাপুৰাম ভৰালী, বোধেশ্বৰ ভৰালী , শ্ৰীহৰেণ দত্ত । সম্পাদকসকল হ'ল শ্ৰীহিমেশ্বৰ ভৰালী, শ্ৰীঠানুৰাম দত্ত, শ্ৰীহৰেণ দত্ত, হিমেশ্বৰ ভৰালী, শ্ৰীকমলেশ্বৰ দত্ত আৰু বৰ্ত্তমান শ্ৰীবীৰেণ ভৰালী ।

পূৰ্ব্বতে এলেঙী অঞ্চলৰপৰা আহি কেইঘৰমান লোক এই ঠাইত বাস কৰাৰ বাবে লোককেইঘৰক এলেংপৰীয়া বুলি লোকে কৈছিল । কালক্ৰমত জনসংখ্যা বৃদ্ধি হ'ল আৰু মুখ বাগৰি এলেংপৰীয়াৰ ঠাইত এলেংমুৰীয়া নামে খ্যাত হ'ল । এই গাঁৱত জন সংখ্যা হিচাবে পাঁচশৰো অধিক । শিক্ষা গ্ৰহণৰ কাৰণে এখন প্ৰাথমিক আৰু এখন উচ্চ মাধ্যমিক বিদ্যালয় আছে । ছভাগী নামঘৰে গাঁওখনিৰ (সৌষ্ঠৱ বৃদ্ধিত সহায় কৰিছে । সমূহীয়া সংগঠন হিচাবে মহিলা সমিতি, যুৱক সংঘ, পুথিভঁৰাল আদিয়ে গাঁওখন উন্নয়ণত সহায় আগবঢ়াই আহিছে ।

শংকৰী সংস্কৃতিৰ পৰম্পৰা ৰক্ষাৰ ক্ষেত্ৰত ভাওনাৰ নাট বচক প্ৰয়াত বাপুৰাম ভৰালী, অভিনেতা অকমান ভৰালী, দীননাথ ভৰালী, ভদ কলিতা, উমেশ্বৰ ভৰালী, যাদব দত্ত, ধৰ্ম্ম কলিতা আদিৰ অবিহণা উল্লেখযোগ্য ।

গাঁওখনিত বিভিন্ন ধৰ্ম্ম সম্প্ৰদায়ৰ লোকে বসবাস কৰিলেও সকলো ক্ষেত্ৰতে লোকগণৰ একতা স্মৰণযোগ্য । গাঁওখনৰ প্ৰায়খিনি লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল হ'লেও শিক্ষক আৰু অন্যান্য বিভাগৰ চাকৰীয়ালৰ সংখ্যাও কম নহয় ।

# হাবিয়াল প্ৰাথমিক শাখা

### গঠন ঃ ১৯৭৫ চন (৫২৬ শঙ্কৰাব্দা)

হাবিয়াল মুক্তি প্ৰাথমিকৰ একাংশ গৃহাস্থি পৃথকহৈ ১৯৭৫ চনত হাবিয়াল প্ৰাথমিক গঠন হয় । সভাপতি আৰু সম্পাদকৰ দায়িত্ব পালন কৰে ক্ৰমে দুৰ্গেশ্বৰ গায়ন আৰু শোণিৰাম বৰাদেৱে । ১৯৯৬ চনত হাবিয়াল প্ৰাথমিকত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ পৰা প্ৰায় ১৮ বছৰ আঁতৰি থকা শ্ৰীমানিক চন্দ্ৰ গায়নৰ ২ঘৰ গৃহস্থী পুনৰ সংঘভুক্ত হয় । প্ৰাথমিকৰ সংগী শ্ৰীপূৰ্ণানন্দ বৰাৰ প্ৰচেষ্টাটেই প্ৰাথমিক শাখাটি আত্মনিৰ্ভৰশীল হৈছে । আৰম্ভণিতে ন ঘৰ গৃহস্থীৰ পৰা বৰ্ত্তমান সংগী গৃহস্থী বৃদ্ধিহৈ ২২ ঘৰ হৈছেগৈ । প্ৰচাৰ সংগঠনত প্ৰাথমিক শাখাই সঙ্ঘৰ নীতি নিৰ্দেশ মানি সেৱা আগবঢ়াইছে ।

১৯৯৭ চনৰপৰা হাবিয়াল প্ৰাথমিক শ্ৰীমন্ত আঞ্চলিকৰ অন্তৰ্ভুক্ত হয় । আঞ্চলিক ভাগৰ দায়িত্বত থাকে এই প্ৰাথমিকৰে একনিষ্ঠসেৱক শ্ৰীপূৰ্ণানন্দ বৰা ।

**১৯৭৫ চনৰপৰা বৰ্ত্তমানলৈকে সভাপতি সম্পাদকৰ নাম ঃ**

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

**সভাপতি ঃ**

সৰ্বশ্ৰী দুৰ্গেশ্বৰ গায়ন, ভীম বৰা, বীৰেন বৰা ( ৩ বছৰ) নবীন বৰা, হৰেন বৰা, বীৰেন বৰা, পূৰ্ণানন্দ বৰা (৩ বছৰ), বীৰেন বৰা ।

**সম্পাদক ঃ**

সৰ্বশ্ৰী শোন্তিৰাম বৰা, নোমল বৰা, পদ্ম বৰা, পূৰ্ণানন্দ বৰা (৩ বছৰ) প্ৰতুল বৰা, পূৰ্ণানন্দ বৰা, সুৰেন বৰা, প্ৰতুল বৰা (২ বছৰ) সুৰেন বৰা । এই প্ৰাথমিক গঠনত প্ৰয়াত দেহেশ্বৰ বৰা (গাওবুঢ়া) তিলেধৰ বৰা, ইন্দ্ৰেশ্বৰ বৰা, দুৰ্গেশ্বৰ গায়ন আৰু ডাঃ ভীমকান্ত বৰাৰ নাম উল্লেখযোগ্য ।

# শিঙৰাজান শান্তিজান প্ৰাথমিক শাখা (খ)

## গঠন ঃ ১৯৭৬ চন

১৯৬৪ চনলৈকে শিঙৰাজান গাৱঁত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰভাৱ পৰা নাছিল । ১৯৬৫ চনত যোৰহাটৰ শ্ৰীশৰৎ বৰুৱাৰ (কৃষি পৰিদৰ্শক ) পৰা গাৱঁৰ ৰাইজে নামধৰ্ম সম্পৰ্কে কিছু আভাস পায় । ইয়াৰ পিছতে খনিকৰৰ শ্ৰীটংক দত্ত, জিলা সংঘৰ প্ৰাক্তন সভাপতি প্ৰয়াত যোগেন দত্ত, প্ৰাক্তন জিলা সভাপতি শ্ৰীযোগেশ্বৰ বৰাই এই অঞ্চলত এখন প্ৰাথমিক সংঘ গঠনৰ কাৰণে অশেষ চেষ্টা কৰিছিল । কৰ্ম কাণ্ডৰ বাধা ছিঙি বাপুৰাম বৰা, সোমনাথ কলিতা, মাঘিৰাম কলিতা, আৰু ফটিক কলিতাই প্ৰথম শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সঙ্গী হয় । চাৰিঘৰ সঙ্গীৰে প্ৰাথমিক গঠন কৰিব নোৱাৰাত খনিকৰ প্ৰাথমিকৰ সঙ্গীপদ গ্ৰহণ কৰে ।

অৱশেষত ৫২০ শঙ্কৰাব্দত ১৯৬৯ চনত ১৫ ঘৰ গৃহস্থীৰে শিঙৰাজান প্ৰাথমিক শাখা গঠন কৰি জিলা সংঘৰ অন্তৰ্ভুক্ত হয় ।

৫২২ শঙ্কৰাব্দ ১৯৭১ চনৰ বহাগ মাহত গোলাঘাট জিলা শাখাৰ প্ৰাথমিক সমূহৰ সভাপতি সম্পাদক সন্মিলন আৰু ১৮ আহাৰত মূল সংঘৰ জিলা সভাপতি সম্পাদক সন্মিলন অনুষ্ঠিত হয় । এই দুয়োখন সন্মিলনৰ প্ৰভাৱে গোটেই গাঁৱৰ ৰাইজৰ মাজত এক আলোড়ণ তোলে আৰু প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা বৃদ্ধি পায় ।

১৯৭৬ চনত বিভিন্ন কাৰণত শিঙৰাজান প্ৰাথমিক শাখাৰ একাংশ সঙ্গীয়ে এখন সুকীয়া প্ৰাথমিক গঠনৰ মতপোষন কৰে । আলোচনাক্ৰমে শিঙৰাজান প্ৰাথমিক শাখাৰ কেইঘৰমান সঙ্গী গৃহস্থী আৰু লাওভগা গাৱঁৰ কেইঘৰমান সঙ্গী গৃহস্থী লগ লাগি ১৯৭৬ চনত শান্তিজান প্ৰাথমিক শাখা সংঘটি গঠন কৰে । প্ৰাথমিক গঠনৰ সময়ত সঙ্গী গৃহস্থীৰ সংখ্যা ত্ৰিশ ঘৰ আৰু সঙ্গীৰ সংখ্যা ৭০ জন ।

স্বৰ্গীয় গঙ্গাধৰ বৰা বাপ এই প্ৰাথমিকৰ এগৰাকী বিশিষ্ট সঙ্গী আছিল । তেখেতৰ জন্ম হৈছিল ১৯২১ চনত আৰু ১৯৭৭ চনত ৫৫ বছৰ বয়সত স্বৰ্গী হয় । প্ৰাথমিক শাখাটি গঠন হোৱাৰ অৱস্থাত শ্ৰীবাপুৰাম বৰাই সভাপতি, শ্ৰীবগীৰাম কলিতাই উপ-

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

সভাপতি আৰু শ্ৰীভৱেশ বৰাই সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিছিল। শ্ৰীগণেশ কলিতাই সহকাৰী সম্পাদক হিচাবে শাখাটিৰ পৰিচালনা কাৰ্যত সহায় কৰিছিল।

**প্ৰাথমিক শাখাটিৰ সভাপতি সম্পাদকসকল ঃ**

**সভাপতিসকল ঃ** প্ৰয়াত বাপুৰাম বৰা, প্ৰয়াত কণকেশ্বৰ দত্ত, সৰ্বশ্ৰী ৰমা কলিতা, ভৱেশ বৰা, ৰমা কলিতা, ৰবীন কলিতা, ভৱেশ বৰা, ৰমা কলিতা, ভৱেশ বৰা (বৰ্ত্তমান)।

**সম্পাদকসকল ঃ** প্ৰয়াত কণকেশ্বৰ দত্ত, সৰ্বশ্ৰী ভৱেশ বৰা, বিপুল বৰা, হৰেণ কলিতা, সুৰেন কলিতা, হৰেন কলিতা (বৰ্ত্তমান)।

১৯৯৯ চনত সাংগঠনিক কাৰণত শান্তিজান প্ৰাথমিক শাখা দুটা ভাগত ভাগ হয় - শান্তিজান প্ৰাথমিক শাখা (ক) আৰু শান্তিজান প্ৰাথমিক শাখা (খ)। বৰ্ত্তমান শান্তিজান প্ৰাথমিক শাখা (খ) ত সঙ্গী গৃহস্থীৰ সংখ্যা অধিক। সঙ্গী গৃহস্থীৰ সংখ্যা ৩৫ ঘৰ আৰু সঙ্গী ১১০ জন। সংঘৰ আঁচনি অনুসৰি প্ৰাথমিকে কাৰ্যসূচী ৰূপায়ণ কৰাত গুৰুত্ব দি আহিছে।

প্ৰাথমিকৰ সঙ্গী সকলৰ আৰ্থিক অৱস্থা স্বচ্ছল নহয়। শতকৰা ৮০ ভাগ গৃহস্থী কৃষি নিৰ্ভৰশীল। ☐☐

# যোগনীয়া যদুমণি প্ৰাথমিক শাখা

**গঠন ঃ ১৯৭৯ চন**

১৯৭৯ চনৰ এপ্ৰিল মাহত যোগনীয়া গাঁও নামঘৰত অনুষ্ঠিত হোৱা সভাত কেইবাজনো বিশিষ্ট ব্যক্তিৰ উপস্থিতিত যোগনীয়া যদুমণি প্ৰাথমিক শাখা নামে এখনি প্ৰাথমিক শাখা গঠন হয়। উল্লেখিত বছৰতে জিলা আৰু মূলসংঘৰ স্বীকৃতিও লাভ কৰে। প্ৰাথমিক শাখাটি গঠনত প্ৰয়াত মহীধৰ বৰা, গংগাৰাম নাথ, সৰ্বশ্ৰী হেম শইকীয়া, পূৰ্ণ হাজৰিকা, প্ৰয়াত সৰু ল'ৰা বৰা আদি বাপসকলে বিশেষ বৰঙণি আগবঢ়াইছিল। প্ৰাথমিক শাখা গঠনৰ সময়ত গৃহস্থীৰ সংখ্যা ১৯ ঘৰ আছিল। বৰ্ত্তমান গৃহস্থীৰ সংখ্যা ৪০ ঘৰলৈ বৃদ্ধি পাইছে। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শ প্ৰচাৰ প্ৰসাৰত প্ৰাথমিক শাখাটিয়ে যথেষ্ট অৰিহণা যোগাইছে। মূল সংঘই প্ৰকাশ কৰা চাৰিপুথিৰ আধাৰত সংগীসকল পৰিচালিত হৈ মূল আৰু জিলা শাখাৰ আঁচনি সমূহ ৰূপায়ণ কৰি আহিছে। মুষ্টিদান, প্ৰাথমিক শাখাই নিয়মীয়াভাৱে কাৰ্য্যকৰী কৰিছে। যুৱক-যুৱতীসকলকলৈ প্ৰাথমিক শাখাত সেৱা বাহিনী গঠন কৰি প্ৰাথমিক শাখাৰ বিভিন্ন অনুষ্ঠান, আৰু জিলা সেৱা বাহিনীৰ সহযোগত বিভিন্ন জনকল্যাণমূলক আঁচনি ৰূপায়ণ কৰিছে। প্ৰতিবছৰে গুৰুজয়ন্তী, শিশুকল্যাণ দিৱস অনুষ্ঠিত কৰিছে। প্ৰাথমিক শাখাটি স্বয়ং সম্পূৰ্ণ হ'বৰ বাবে দেউৰী, বিলনীয়া, নামাচাৰ্য্য বিৱাহ পৰিচালক আদিৰ কৰ্মশালা, শৰণ কক্ষ আৰু সংগীসকলৰ আধ্যাত্মিক বিকাশৰ অৰ্থে সময়ে সময়ে ধৰ্মালোচনী সভা অনুষ্ঠিত কৰি আহিছে। শ্ৰীমন্ত আঞ্চলিক শাখাই গুৰুজনাৰ ৫৫১ তম আবিৰ্ভাৱ মহোৎসৱ ভাগি এই প্ৰাথমিকৰ সহযোগত আড়ম্বৰ পূৰ্ণভাৱে উদ্‌যাপন কৰে। কেইবাজনো সুবক্তাৰ ভাষণে সংগীসকলৰ মাজত আধ্যাত্মিক আলোড়ণৰ সৃষ্টি কৰে। জন্ম-জয়ন্তী ভাগৰ অংশ হিচাবে কুইজ, বৰগীত, লোক গীত, কৃষ্ণ নৃত্য, সূত্ৰধাৰী নৃত্য আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি শঙ্কৰী সংস্কৃতি বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

**প্ৰাথমিক শাখা গঠনৰ পৰা বৰ্ত্তমানলৈকে বিষয়ববীয়াসকল ঃ**

**সভাপতি ঃ** প্ৰয়াত মোলাই বৰা, সৰ্বশ্ৰী মহিম বৰা, ৰাজেন বৰা, মহিম বৰা, যোগেন বৰা, গজেন বৰা (বৰ্ত্তমান)

**সম্পাদক সকল ঃ** প্ৰয়াত মহীধৰ বৰা, সৰ্বশ্ৰী কমল বৰা, প্ৰবীন বৰুৱা, খগেন বৰা, ৰাজেন বৰা, খগেন বৰা, ৰাজেন বৰা আৰু বৰ্ত্তমানৰ দিবাকৰ বৰা।

# ৰাংঢালী নৱজ্যোতি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮১ চন

গোলাঘাট জিলাৰ দেৰগাঁও থানাৰ অন্তৰ্গত গুৰযোগনীয়া মৌজাৰ ৰাংঢালী গাঁও। এই গাঁৱৰ পূবে চোনাঘাট চাহ-বাগিচা, পশ্চিমে এলেংমূৰীয়া গাঁও আৰু যোগনীয়া গাঁও, উত্তৰে কলাহাবি আৰু কাতিপৰীয়া গাঁও, দক্ষিণে হাতীয়ে খোৱা আৰু বৰকাঠনী চাহ বাগিচা। ৰাংঢালী গাঁওখনক দুটা ভাগত ভাগ কৰা হৈছে। - পূব ৰাংঢালী আৰু পশ্চিম ৰাংঢালী।

ইং, ১৯৮১ চনৰ ১ ফেব্ৰুৱাৰী তাৰিখে ৰাংঢালী গাঁৱত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এটি শাখা 'ৰাংঢালী নৱজ্যোতি প্ৰাথমিক' নামকৰণেৰে গঠন কৰা হয়। এই প্ৰাথমিক ভাগ গঠন কৰাত সৰ্বশ্ৰী উদ্ধিধৰ কলিতা, অতুল শইকীয়া, দুগ্ধ দত্ত, দিলীপ বৰা, অতুল কলিতা আদি বাপ সকলে বিশেষ যত্ন লৈছিল। এই ক্ষেত্ৰত জিলা সংঘৰ উপস্থিতিত এই গাঁৱৰ নামঘৰত কেইবাখনো ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। সভাত গুৰুজনাৰ প্ৰৱৰ্ত্তিত এক শৰণ হৰিনাম ধৰ্মৰ বিষয়ে আলোচনা কৰি শুদ্ধ সত্ত্ব এখন সমাজ গঠনৰ ওপৰত গুৰুত্ব দিয়া হয়।

প্ৰাথমিকৰ প্ৰতিষ্ঠাপক সভাপতি সম্পাদক ক্ৰমে শ্ৰীউদ্ধিধৰ কলিতা আৰু শ্ৰীদিলীপ বৰা আছিল। প্ৰাথমিকৰ বৰ্ত্তমান গৃহস্থীৰ সংখ্যা ২১ ঘৰ আৰু সঙ্গী ৫৫ গৰাকী। প্ৰাথমিকৰ সঙ্গীসকলক শৰণ, নামচাৰ্যৰ প্ৰশিক্ষণ দিয়া হয়।

প্ৰাথমিকৰ সভাপতি সম্পাদকসকল ক্ৰমে ঃ

**সভাপতি সকল ঃ** সৰ্বশ্ৰী উদ্ধিধৰ কলিতা, অতুল শইকীয়া, টংকেশ্বৰ কলিতা, শিশুৰাম কলিতা।

**সম্পাদকসকল ঃ** সৰ্বশ্ৰী দিলীপ বৰা, ডিম্বেশ্বৰ কলিতা, অতুল কলিতা।

ৰাংঢালী গাঁৱত বৰ্ত্তমান চাৰিখন প্ৰাথমিক শাখাৰ সঙ্গীসকলে গুৰুজনাৰ ধৰ্মাদৰ্শ প্ৰচাৰ প্ৰসাৰত আত্ম নিয়োগ কৰি আছে।

প্ৰাথমিক কেইখন হ'ল - (১) ৰাংঢালী প্ৰাথমিক শাখা - (অনা আঞ্চলিক)।

শ্ৰীমন্ত আঞ্চলিক শাখাৰ অন্তৰ্গত প্ৰাথমিকৰ কেইখন হ'ল - (১) পূব বাংঢালী ৰূপজ্যোতি প্ৰাথমিক, (৩) ৰাংঢালী নৱজ্যোতি প্ৰাথমিক , (৪) পূব ৰাংঢালী মণিকাঞ্চণ প্ৰাথমিক শাখা ।

# যোগনীয় সৰ্বোদয় প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮৪ চন

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ অন্তৰ্গত সৰ্ব্বোদয় প্ৰাথমিক শাখাটিৰ নামৰ আগত সংযোজিত 'যোগনীয়া' শব্দটিৰ সম্পৰ্কত পৰম্পৰা ভাৱে বহুধৰণৰ ব্যাখ্যা চলি থাকিলেও কাকতৰ পিঠিত ছপা আকাৰত এনেদৰে পোৱা যায় । 'কাকডোঙা নদৰ পশ্চিম দিশে এক স্থান বিশেষ আছে । তাতে কুঁহিয়াৰ প্ৰচুৰ হয় । সেই স্থানৰ কুঁহিয়াৰৰ গুৰ বৰ পুষ্টিকৰ । স্বাদ বৰ ভাল । অতত্ৰব এই স্থানৰ লোকগণে স্বৰ্গদেউক গুৰ যোগাব লাগে । স্থানৰ নাম থাকে গুৰ যোগনীয়াৰ ।' স্বৰ্গদেউ শিৱসিংহৰ দিনত এই অঞ্চল গুৰযোগনীয়া নামে প্ৰসিদ্ধ হয় । ইয়াৰ পিছত ১৮৯৭ চনত ইংৰাজসকলে অসমৰ মাটি-কালি জৰীপ কৰাই গাঁৱৰ নাম যোগনীয়া আৰু মৌজাৰ নাম গুৰযোগনীয়া ৰাখে ।

গণকপুখুৰী অঞ্চলে সামৰি লোৱা যোগনীয়া গাঁওখনি সাহিত্য-সংস্কৃতি-ৰাজনীতি, ধৰ্ম্মনীতি সকলো ক্ষেত্ৰতে বিশেষ তাৎপৰ্য্যপূৰ্ণ । ইতিবৃত্তৰ উপলক্ষত থকা বিষয় যিহেতু ধৰ্ম্মৰ লগত সম্পৰ্কিত সেই বাবে প্ৰাৰম্ভতে এই গাঁৱত একশৰণ ভাগৱতী ধৰ্ম্মৰ সূচনা নিৰপেক্ষভাৱে উল্লেখ কৰিবলৈ প্ৰয়াস কৰা হৈছে ।

গোলাঘাটৰ বিখ্যাত উকীল, শ্ৰুতি-স্মৃতি বিষাৰদ পণ্ডিত ৰায়চাহাব প্ৰয়াত গোপীকাবল্লভ গোস্বামী দেৱে ভাৰতৰ বিভিন্ন ঠাইৰপৰা বেদ-বেদান্ত, শ্ৰুতি-স্মৃতি আদি শাস্ত্ৰ সমূহ নানা কষ্টেৰে সংগ্ৰহ কৰি অধ্যয়নৰ পিছত হৰি নামৰ দ্বাৰা শ্ৰাদ্ধ পিণ্ডাদি ব্যৱস্থা আৰু উপযুক্ত অ ব্ৰাহ্মণ তন্ত্ৰ ধাৰাৰ দ্বাৰাই বিবাহ কাৰ্য্য সম্পাদন কৰাৰ ব্যৱস্থাৰ বিষয়ে ১৯২২ চনতে গোস্বামীদেৱে এই গাঁৱৰ জনচেৰেক লোকৰ মাজত প্ৰচাৰ কৰে । সেইসকলৰ ভিতৰ অগ্ৰণী ভূমিকা গ্ৰহণ কৰা গৰাকী হ'ল প্ৰয়াত ভেবেলা ভৰালী । অনুগামী গৰাকী হ'ল প্ৰয়াত কামেশ্বৰ হাজৰিকা । শিৱসাগৰ কালুগাঁও নিৰ্বাসী প্ৰয়াত ভুৱন চন্দ্ৰ ভূঞা ব্যাকৰণ তীৰ্থ, তৰ্কশাস্ত্ৰী, নগাঁৱৰ প্ৰয়াত ৰমাকান্ত মুক্তিয়াৰে গড়মূৰীয়া সত্ৰাধিকাৰ প্ৰয়াত পীতাম্বৰ দেৱ গোস্বামী প্ৰভুৰ অনুমোদনক্ৰমে ১৯৩৩ চনত গোলাঘাট নগৰ নিবাসী প্ৰয়াত ঘনশ্যাম বৰুৱা পৰিয়ালৰ এগৰাকী মহিলাৰ মৃতাহাশৌচ ১১ দিনত আদ্যশ্ৰদ্ধ আৰু ১২ দিনত সপিণ্ডীকৰণ সমাধা কৰে । এই অনুষ্ঠানলৈ ভুমুকি মাৰি অহাৰ পিছত উক্ত দুয়োগৰাকীৰে মনোবল বাঢ়ে আৰু প্ৰচাৰ কাৰ্য্যত ব্ৰতী হয় । নতুন ব্যৱস্থাৰ প্ৰচাৰকসকলে প্ৰথমে ১০ দিনত অশৌচ পালনৰ

বাবে চেষ্টা চলালে আৰু লগে লগে ব্ৰাহ্মণেত্তৰ (শূদ্ৰ) তন্ত্ৰধাৰৰ দ্বাৰাই বিবাহকাৰ্য্য কৰোৱালে আৰু শেষত সমস্ত কৰ্ম্মাদি নামকীৰ্ত্তণেৰে সম্পন্ন কৰোৱাই এখন আদৰ্শ সমাজ গঠনৰ বাবে আগবাঢ়িল। ১৯৫৪ চনত উত্তৰলক্ষিমপুৰত বহা শ্ৰীশ্ৰীশঙ্কৰদেৱ সংঘৰ অধিৱেশনত প্ৰতিনিধিত্ব কৰি অহা যোগনীয়া গাঁও নিবাসী প্ৰয়াত ভেবেলা ভৰালীৰ তৎপৰতাত যোগনীয়া গাঁৱত একশৰণ নাম ধৰ্ম্মৰ সাংগঠনিক প্ৰক্ৰিয়া আৰম্ভ হয়। সহযোগিসকল হ'ল - স্বৰ্গীয় ফণী বৰা, মাধিৰাম বৰা, স্বৰ্গীয় কামেশ্বৰ হাজৰিকা, স্বৰ্গীয় বিবেচন বান্ধনী, স্বৰ্গীয় ৰামেশ্বৰ ৰান্ধনী, স্বৰ্গীয় মুহিৰাম বৰা পাঠক, নাৰায়ণ বৰা, সোণাৰাম বৰা, আদি। তেওঁসকলৰ অক্লান্ত পৰিশ্ৰম আৰু ঐকান্তিকতাই এই গাঁৱত নামধৰ্মৰ প্ৰতি লোকসকল আকৃষ্ট হৈ সাংগঠনিক দিশৰ প্ৰতি চিন্তা চৰ্চা কৰে। ফলশ্ৰুতিত বিশিষ্ট শঙ্কৰীবিদ প্ৰয়াত কুষেশ্বৰ কলিতা বাপৰ পৌৰাহিত্যত ৩০-৪-৭২ তাৰিখে এলেংমূৰীয়া বৰনামঘৰত অনুষ্ঠিত ৰাজহুৱা সভাৰ সিদ্ধান্ত মৰ্ম্মে যোগনীয়া আৰু এলেংমূৰীয়া গাঁৱৰ ১১ ঘৰ গৃহস্থী আৰু ৩৩ জন সংগীক লৈ এখনি প্ৰাথমিক শাখা গঠন কৰা হয়। এই সভাতেই প্ৰয়াত ৰমাকান্ত দত্ত বাপক সভাপতি আৰু শ্ৰীপূৰ্ণ হাজৰিকা বাপক সম্পাদক ৰূপে লৈ এখনি ১১ জনীয়া কাৰ্য্য নিৰ্ব্বাহক সমিতি গঠন কৰা হয়। ১৭-১১-৭৬ তাৰিখে প্ৰয়াত দত্ত বাপে সভাপতিৰ দায়িত্ব এৰাত প্ৰয়াত দীন নাথ ভৰালীক সভাপতি আৰু শ্ৰীপূৰ্ণ হাজৰিকা বাপক সম্পাদকৰ দায়িত্ব দিয়ে।

প্ৰাথমিক শাখাটিৰ গৃহস্থিৰ সংখ্যা বৃদ্ধি পোৱাৰ পৰিপেক্ষিতত ১৬-১০-৮৪ তাৰিখে যোগনীয়া সাৰ্ব্বজনীন নামঘৰলৈ জিলা বিষয়ববীয়া সকলক আমন্ত্ৰণ কৰি আনি অতি সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশত দুভাগ নামঘৰক কেন্দ্ৰ কৰি যোগনীয়া সৰ্ব্বোদয় আৰু এলেংমূৰীয়া সৰ্ব্বোদয় নামকৰণেৰে দুটি প্ৰাথমিক শাখা গঠন কৰা হয়। যোগনীয়া সৰ্ব্বোদয় প্ৰাথমিক শাখাৰ সভাপতি নিৰ্ব্বাচিত হয় প্ৰয়াত সৰুৰাম বৰা আৰু পুনৰ শ্ৰীপূৰ্ণ হাজৰিকা বাপকেই সম্পাদকৰ দায়িত্ব দিয়ে। সুদীৰ্ঘ ১৫ বছৰ কাল সম্পাদকৰ দায়িত্বত থকা শ্ৰীপূৰ্ণ হাজৰিকা বাপৰ পিছত শ্ৰীপদ্ম বৰা, শ্ৰীসুৰেণ হাজৰিকা আৰু বৰ্ত্তমানৰ সম্পাদক শ্ৰীসোণেশ্বৰ বৰা, তেনেকৈয়ে ডাঃ হেম বৰা, শ্ৰীপীতাম্বৰ বৰা বাপে প্ৰাথমিক শাখাটিৰ সভাপতিৰ বাব অলংকৃত কৰাৰ পিচত বৰ্ত্তমানৰ সভাপতি শ্ৰীআনন্দ বৰা বাপ। বৰ্ত্তমানে প্ৰাথমিক শাখাটিৰ গৃহস্থিৰ সংখ্যা ২৩ আৰু সংগীৰ সংখ্যা ৫৪ গৰাকী।

৫৮৭ ঘৰ গৃহস্থী আৰু ২৭৯১ জন বিভিন্ন জাতিগোষ্ঠীয়ে সমন্বয়েৰে বাস কৰা যোগনীয়া গাঁৱৰ উত্তৰে ধোদাং, গাঁও, দক্ষিণে এলেংমূৰীয়া গাঁও পূবে বাংচালী গাঁও, পশ্চিমে পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথ। পুৱা-গধুলি একালে ডবা-শঙ্খৰ মাত আনফালে আজানৰ মাতে ৰজনজনাই থকা এই গাঁৱত তিনিখন প্ৰাথমিক বিদ্যালয়, দুখন মধ্য ইংৰাজী বিদ্যালয় আৰু দুখন উচ্চ ইংৰাজী বিদ্যালয়ে শিক্ষা বিস্তাৰিত অৰিহণা আগবঢ়াইছে। আনহাতে এই গাঁও খনত যুৱক সংঘ, মহিলা সমিতি আদি বহুতো

স্বেচ্ছাসেৱী সংগঠনে জনকল্যাণৰ দিশত যথেষ্ট ৰবঙণি আগবঢ়াইছে। বিশেষকৈ যোগনীয়া গাঁও মহিলা সমিতিয়ে 'ৰাষ্ট্ৰীয় গ্ৰামীন বিকাশ নিধিৰ' পৰা লাখৰ হিচাবত ঋণ লৈ মহিলা সকলৰ স্বনিয়োজন আঁচনি ৰূপায়ণত অৰিহণা আগবঢ়াইছে। উল্লেখযোগ্য যে, এই গাঁৱৰ পৰাই তিনিগৰাকী সমাজ কৰ্মী যথাক্ৰমে শ্ৰীযুত নীলকান্ত হাজৰিকা, শ্ৰীযুত হেমপ্ৰকাশ নাৰায়ণ আৰু প্ৰয়াত লক্ষেশ্বৰ দাস দেৱে দেশ মাতৃকাৰ চৰণ সেৱা কৰিবলৈ সুযোগ পোৱা যোগনীয়া গাঁও বাসীয়ে গৌৰৱ অনুভৱ কৰে।

সাহিত্য-সংস্কৃতিৰ দিশত পূৰ্ব্বতে কোনো ব্যক্তিয়ে চেগা-চোৰোকাকৈ কিছু কাম কৰিছিল যদিও সাম্প্ৰতিক সময়ত যোগনীয়া গাঁও নিবাসী শ্ৰীযুত পূৰ্ণ হাজৰিকাই এই বিষয়ৰ ওপৰত একাধাৰে দুকুৰি বছৰ কাল চিন্তা-চৰ্চ্চা কৰি উল্লেখনীয় ৰবঙণি আগবঢ়াইছে। ১৯৬২-৬৩ চনত অসম চৰকাৰৰ জলপানী লৈ বম্বেৰ ফাগুৱাৰাত Acting of Management বিষয়ত প্ৰশিক্ষণলৈ Diploma লাভ কৰে। ইয়াৰ পিছত ১৯৬৩ চনতেই কলিকতাত কেৰল নাটকত পোহৰ সংযোজনা বিষয়ত দুমাহ প্ৰশিক্ষণলৈ উত্তীৰ্ণ হয়। ইয়াৰ পিছত ১৯৬৪ চনৰ পৰা নাট্য সাহিত্যত মনোনিবেশ কৰি একুৰি বাৰখন একাংকিকা, চাৰিখন পূৰ্ণাঙ্গ নাট, সংস্কাৰমূলক ন খন ভাওনাৰ নাট লিখাৰ উপৰিও অলেখ নাটকৰ পৰিচালনাৰ দায়িত্ব বহন কৰি আহিছে। ১৯৮৫ চনত ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰই এখেতক নাট্য অভিনেতাৰ স্বীকৃতি প্ৰদান কৰে। ইয়াৰোপৰি এখেত 'ভাৰতীয় গণনাট্য সংঘ' গোলাঘাট জিলা শাখাৰ সম্পাদক আৰু ৰাষ্ট্ৰীয় সদস্য, দেৰগাঁও, গোলাঘাট, তেজপুৰ আৰু নগাঁৱত সদৌ অসমভিত্তিত অনুষ্ঠিত পূৰ্ণাংগ আৰু একাংক নাটত সাতবাৰ শ্ৰেষ্ঠ অভিনেতা নিৰ্ব্বাচিত হয়। তেখেতে 'কেতেকী' আৰু 'ৰামবিজয়' নাটক দুখন দূৰদৰ্শনৰ বাবে পৰিচালনা কৰে। শ্ৰীযুত হাজৰিকা এজন ভাল চিত্ৰশিল্পী আৰু নাটকৰ পোহৰ সংযোজক। তেখেতে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, গোলাঘাট জিলা সংস্কৃতি শাখাৰ সম্পাদকৰূপে ৫২৭-২৮ আৰু ৫৪৭-৪৮ শঙ্কৰাব্দ বছৰত কাৰ্য্যনিৰ্ব্বাহ কৰি শাখাটি প্ৰসাৰত যথেষ্ট অৰিহণা আগবঢ়ায়। যোৱা বছৰ 'অসম সাহিত্য সভা গোলাঘাট' জিলা শাখাই সম্বৰ্দ্ধনা জনায়। তেখেতে ভাওনা আৰু মঞ্চ নাটৰ ওপৰত লিখা কেবাটাও প্ৰবন্ধ 'দৈনিক জনমভূমিত প্ৰকাশ পাইছে।

এলেংমুৰীয়া সৰ্ব্বোদয় প্ৰাথমিক শাখাৰ প্ৰচাৰ শাখাৰ দ্বাৰা ইতিমধ্যে বিভিন্ন প্ৰক্ৰিয়াৰে জনসমাজক সংঘমুখী কৰাৰ চেষ্টা অব্যাহত ৰাখিছো।

## জেলমণি শ্ৰীহৰি প্ৰাথমিক শাখা

### গঠন ঃ ১৯৮৬ চন

১৭৫১ খৃঃত নুমলী বৰগোহাঁয়ে লিখা 'চকৰীফেটী' নামৰ বুৰঞ্জীত এই গাঁৱৰ উৎপত্তি সম্পৰ্কে কিছু কথা আছিল বুলি জনা যায়। যোগনীয়া ৰাজহ গাঁওত জেলমণি গাঁও অৱস্থিত।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

কাকডোঙা নদীৰ পশ্চিমে স্থান বিশেষ আছে । তাতে কুঁহিয়াৰ প্ৰচুৰ হয় । সেই গাঁওৰ কুঁহিয়াৰৰ গুৰ বৰ পুষ্টিকৰ । স্বাদ বৰ ভাল । সেয়েহে স্থানৰ পাইবা বোৰে স্বৰ্গদেউক গুৰ যোগাব লাগে । তাৰ নাম থাকে গুৰযোগনীয়াৰ । স্বৰ্গদেউ শিৱ সিংহৰ দিনত এই অঞ্চল গুৰযোগনীয়া নামে প্ৰসিদ্ধ হয় । ইয়াৰ পিছত ১৮৯৭ চনত ইংৰাজ সকলে অসমৰ মাটি কালি জৰীপ কৰাই এই গাঁৱৰ নাম যোগনীয়া গাঁও আৰু মৌজাৰ নাম গুৰযোগনীয়া ৰাখে । বৰ্তমান এই গাঁৱৰ মাটি কালি ৪১৭০ বিঘা ৪ কঠা ৬ লোচা । জন সংখ্যা প্ৰায় ৮০০০ জন ইংৰাজৰ শাসন কালত এই জেলমণি অঞ্চল এটি চুবুৰীৰ দৰে আছিল যদিও কালক্ৰমত জনসংখ্যা বৃদ্ধি হৈ এখন গাঁৱৰ আকাৰ ধাৰণ কৰিলে । ই যোগনীয়া গাঁৱৰে অন্তৰ্গত । প্ৰত্যেক অঞ্চলৰে ইতিবৃত্ত থকাৰ দৰে জেলমণিৰো এটা ইতিবৃত্ত নিশ্চয় আছে । কিন্তু কোনো নিৰ্ভৰযোগ্য তথ্যৰ বাবে তাক উল্লেখ কৰিবপৰা নহ'ল ।

১২১ ঘৰ গৃহস্থী বস বাস কৰা এই যোগনীয়া জেলমণি অঞ্চলৰ সকলোৱেই অনুসূচিত জাতি সম্প্ৰদায়ৰ তালিকাভূক্ত । অঞ্চলটিৰ পূৰ্বে বৰুৱাচাপ আৰু বাতিপৰীয়া গাঁও, পশ্চিমে পোলোঙামৰীয়া আৰু হাবুঙীয়া চুবুৰী দক্ষিণে ৰাংচালী গাঁও আৰু উত্তৰে লাওভগা আৰু শিঙৰাজান গাঁও । পুৱা-গধূলি এফালে ডবা-শঙ্খৰ মাত আনফালে আজানৰ মাত ৰজন-জনাই থকা এই অঞ্চলটিত তিনিটি নামঘৰ এখন মধ্য ইংৰাজী বিদ্যালয়, এখন উচ্চ মাধ্যমিক বিদ্যালয় আৰু এখন প্ৰাথমিক বিদ্যালয় থকাৰ উপৰিও এটি আটক ধুনীয়া সভা ঘৰ আছে । বোকাত পদুম ফুলৰ দৰে এই অঞ্চলৰ পৰাই দুগৰাকী দেশবাসীয়ে দেশ মাতৃকাৰ চৰণ সেৱা কৰিবলৈ সুযোগ পোৱাত আমি গৌৰান্বিত । সেই সুযোগ্য ব্যক্তিসকলৰ ভিতৰত এগৰাকী হ'ল বোকাখাট সমষ্টিৰ প্ৰাক্তন বিধায়ক প্ৰয়াত লক্ষেশ্বৰ দাস তেখেতে বোকাখাটৰ বিধায়ক হৈ থকাৰ কালত এই গাঁওখনৰ প্ৰতিও দৃষ্টি ৰাখি উল্লেখনীয় ভাৱে উন্নয়ণ মূলক কাম কৰি গৈছে । আন গৰাকী হ'ল দেৰগাঁৱৰ প্ৰাক্তন বিধায়ক তথা ৰাজ্যিক শিক্ষামন্ত্ৰী আৰু এই অঞ্চলৰে সংঘৰ শ্ৰীহৰি প্ৰাথমিক শাখাৰ একান্ত সঙ্গী শ্ৰীহেম প্ৰকাশ নাৰায়ণ । তেখেতে ছাত্ৰ অৱস্থাৰ পৰাই বিভিন্ন সামাজিক কামত ব্ৰতী হৈ দেশ মাতৃৰ চৰণ সেৱিবলৈ সুযোগ লাভ কৰিছিল । বিভিন্ন সংঘাট আৰু প্ৰতিকূল অৱস্থাতো ধৈৰ্য্য নেহেৰুৱা এই গৰাকী জন সেৱকে এই অঞ্চলটিৰ বাবে যথেষ্ট খিনি উন্নয়ণ মূলক কাম কৰাত জন সমাজৰ প্ৰশংসাৰ পাত্ৰ হৈ আছে । উচ্চ শিক্ষাৰ বাবে অঞ্চলত কোনো শিক্ষানুষ্ঠান নথকাৰ প্ৰতি লক্ষ্য ৰাখি তেখেতৰ মাতৃৰ স্মৃতিত 'বীৰেশ্বৰী দেৱী উচ্চ মাধ্যমিক বিদ্যালয়' নামকৰণেৰে এখনি বিদ্যালয় জন সমাজলৈ উৰ্চগা কৰাৰ উপৰিও চৰকাৰৰ পৰা অনুদান আনি এটি ৰাজহুৱা আভাষৰ নিৰ্মাণ কৰাত এই অঞ্চল তথা সমগ্ৰ যোগনীয়া গাঁৱৰ এটি বহুদিনীয়া অভাৱ পূৰণ হ'ল । আনহাতে বিশুদ্ধ খোৱা পানী আৰু কৃষিৰ বাবে পানী

যোগানৰ আঁচনি প্ৰৱৰ্ত্তিত হৈছে । সেয়েহে হেম প্ৰকাশ নাৰায়ণ দেৱ সকলোৰে শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰ পাত্ৰ ।

এই অঞ্চলৰ শতকৰা ৯৭ জনেই কৃষিৰ ওপৰত নিৰ্ভৰশীল । শিক্ষিতৰ শতকৰা হাৰ ৩৫ ৰ ওপৰ নহয় । ধৰ্মৰ ক্ষেত্ৰত সংগঠনৰ বিভিন্নতা থাকিলেও এই অঞ্চলৰ সকলোজন মহাপুৰুষীয়া ধৰ্মৰ অনুগামী । একশৰণ নামধৰ্মৰ প্ৰভাৱ এই অঞ্চলত কেনেকৈ পৰে সেই সম্পৰ্কে চমুকৈ উল্লেখ কৰা হ'ল ।

গোলাঘাট স্বনাম ধন্য উকিল শ্ৰুতি স্মৃতি বিযাৰদ পণ্ডিত ৰায়চাহাব গোপীকা বল্লভ গোস্বামী প্ৰভুৱে ভাৰতৰ বিভিন্ন ঠাইৰ বেদ-বেদান্ত শাস্ত্ৰ সমূহ অতি কষ্টৰে সংগ্ৰহ কৰি আনি প্ৰমাণ সহকাৰে হৰিনামৰ দ্বাৰা শ্ৰাদ্ধ পিণ্ডাদি দিয়াৰ ব্যৱস্থা আৰু উপযুক্ত অব্ৰাহ্মণ অস্ত্ৰ ধাৰাৰ দ্বাৰাই বিৱাহ কাৰ্য্য সম্পাদন কৰাৰ কাৰ্য্যত যোগনীয়া গাঁৱৰ বহুজন লোকে পূৰ্ণ সমৰ্থন আগবঢ়াইছিল । তেখেত সকলৰ ভিতৰত প্ৰয়াত ভেৰেলা ভৰালী কামেশ্বৰ হাজৰিকা , মাধিৰাম বৰা আদিৰ নাম উল্লেখযোগ্য ।

ইয়াৰ পিছতে সত্ৰাধিকাৰ প্ৰয়াত শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামী প্ৰভু, ৰমাকান্ত মুক্তিয়াৰ আতা, ভুৱন চন্দ্ৰ ভূঞা , যোগেন দত্ত, পোৱাল শইকীয়া, বৈষ্ণৱ পণ্ডিত শ্ৰীসোণাৰাম চুটীয়া পৰম বৈষ্ণৱ শ্ৰীইলাৰাম দাস, শ্ৰীঅচ্যুত কৃষ্ণ মিশ্ৰ, শ্ৰীগোলোক শৰ্মা আদি নমস্য বাপ সমস্তৰ প্ৰচাৰ কাৰ্য্যৰ জৰীয়তে এই যোগনীয়া জেলমণি অঞ্চলত একশৰণ নাম ধৰ্মই প্ৰসাৰতা লাভ কৰে ।

বৰ্ত্তমান এই অঞ্চলত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ শ্ৰীহৰি আৰু পুৰুষোত্তম নামৰ দুখনি প্ৰাথমিক শাখা আছে । ১৯৮৬ চনত শ্ৰীহৰি প্ৰাথমিক শাখা আৰু ১৯৯৪ চনত পুৰুষোত্তম প্ৰাথমিক শাখা গঠন কৰা হয় । এই প্ৰাথমিক শাখা সমূহ গঠনৰ ক্ষেত্ৰত মূল সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া, গোলাঘাট জিলাৰ সহঃ সম্পাদক শ্ৰীগোলাপ শইকীয়া, শিঙৰাজানৰ শ্ৰীসোণাৰাম কলিতা আৰু শ্ৰীবানেশ্বৰ কলিতা বাপসকলৰ প্ৰত্যক্ষ উপস্থিতি আৰু দিহা পৰামৰ্শ প্ৰণিধান যোগ্য ।

(খ) প্ৰাথমিক শাখাৰ নাম জেলমণি - প্ৰাথমিক শাখা প্ৰাথমিকৰ গঠনৰ তাৰিখ ১৯৮৬ চন । প্ৰাঃ প্ৰঞ্জিয়ন নং ২২-৬২-৬৩ গৃহস্থীৰ সংখ্যা ২৫ ঘৰ । সঙ্গীৰ সংখ্যা ৫০ জন (পুৰুষ মহিলা সহ ) ।

(গ) প্ৰচাৰ প্ৰসাৰ আৰু সংগঠনৰ দিশত মহাপুৰুষীয়া নীতি আদৰ্শ, ধৰ্ম পালন কৰি প্ৰাথমিকৰ সঙ্গী বাপ আইসকল সংঘৰ উন্নতিৰ কামনা কৰিছে । আৰ্থ সামাজিক ব্যৱস্থা সিমান টনকিয়াল নহয় । মাত্ৰ ৬-৭ ঘৰ গৃহস্থীৰ বাদে সকলোৱেই খেতি,বেপাৰ, বাণিজ্য, দিন-হাজিৰা কৰি জীৱন নিৰ্বাহ কৰি আছে ।

১৯৮৬ চনৰপৰা বৰ্ত্তমানলৈকে সভাপতি আৰু সম্পাদকসকল হ'ল সভাপতি সৰ্ব্বশ্ৰী কিৰণ দাস, ৰজনী কান্ত দাস, সম্পাদক শ্ৰীটুনীৰাম দাস ।

# যোগনীয়া কল্পতৰু প্ৰাথমিক শাখা

### গঠন ঃ ১৯৮৮ চন

যোগনীয়া গাঁৱৰ 'তেৰাচুক' নামৰ এটি চুবুৰীত প্ৰাথমিকখনি অৱস্থিত। গাঁৱৰ চাৰিসীমা হৈছে উত্তৰে লাওভগা, দক্ষিণে এলেংমূৰীয়া গাঁও, পূবে জেলমণি আৰু পশ্চিমে গণকপুখুৰী।

এই গাঁৱৰ পূৰ্বপুৰুষসকলে পৰম্পৰা অনুসৰি কৰ্মকাণ্ড মাৰ্গেৰে একনিষ্ঠ সংগী সৰ্বশ্ৰী প্ৰফুল্ল শইকীয়া আৰু নগেন দত্ত বাপৰ প্ৰচেষ্টাত এই ঠাইত নামধৰ্মৰ প্ৰভাৱ পৰে। ১০-১-৮৮ তাৰিখে অনুষ্ঠিত হোৱা সভাত সৰ্বশ্ৰী দুৰ্গাধৰ দত্ত আৰু ঘনকান্ত দত্তক ক্ৰমে সভাপতি আৰু সম্পাদক হিচাবে লৈ 'যোগনীয়া কল্পতৰু' নামকৰণেৰে এভাগি প্ৰাথমিক শাখা গঠন হয়। এই সভাত সৰ্বশ্ৰী প্ৰফুল্ল শইকীয়া আৰু নগেন দত্ত বাপ দুজনাত উপস্থিত থাকে। সংগীসকলৰ আৰ্থ সামাজিক অৱস্থা উন্নত নহয়। জিলা শাখাৰ সংস্কৃতি শাখাৰ উদ্যোগত দেউৰী, বিলনীয়া, নামাচাৰ্য্য আদিৰ প্ৰশিক্ষণ সত্ৰ, শৰণ শিবিৰ, অনুষ্ঠিত কৰিছে। প্ৰতিবছৰে গুৰুজয়ন্তী, মহাপুৰুষ মাধৱদেৱৰ জন্মজয়ন্তী, উদ্‌যাপন কৰি আহিছে। শিশু সমাৰোহ, যুৱ আৰু আইমাতৃ সমাৰোহ অনুষ্ঠিত কৰি গুৰুধৰ্ম্ম প্ৰচাৰ প্ৰসাৰত অৰিহণা যোগাইছে।

**আৰম্ভণীৰে পৰা বৰ্ত্তমানলৈকে প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকল ঃ**

**সভাপতি ঃ** শ্ৰীদূৰ্গাধৰ দত্ত, প্ৰয়াত পোনাৰাম শইকীয়া, শ্ৰীদ্ৰোণ শইকীয়া (বৰ্ত্তমান)

**উপ সভাপতি ঃ** শ্ৰীফণিধৰ দত্ত।

**সম্পাদক ঃ** সৰ্বশ্ৰীঘনকান্ত দত্ত, সুৰেন দত্ত (বৰ্ত্তমান)

প্ৰাথমিক শাখাৰ বৰ্ত্তমান উপদেষ্টা সকল হৈছে - সৰ্বশ্ৰী ঘনকান্ত দত্ত আৰু লোকনাথ দত্ত।

# পূৱ ৰাংঢালী মণি-কাঞ্চন প্ৰাথমিক শাখা

### গঠন ঃ ১৯৮৯ চন

এই গাঁওখনৰ নাম ৰাংঢালী গাঁও। এই গাঁৱৰ নামৰ উৎপত্তি সম্পৰ্কে প্ৰবাদ আছে - এই গাঁৱতেই অৱস্থিত কৰদৈ গুৰিত এগৰাকী সুশ্ৰী, হাস্যবদনা, ৰূপৱতী তিৰোতা আছিল। তেওঁৰ নাম আছিল ৰাংঢালী। কালক্ৰমৰ তেওঁৰ নামেৰেই এই অঞ্চলটোৰ নাম ৰাংঢালী আৰু আজি ৰাংঢালী গাঁও হিচাবে পৰিচিত হয়। এই গাঁওখনৰ

মাজেদি উত্তৰ দিশৰ পৰা দক্ষিণলৈ নাহৰণি চোকোৰা আলি পাৰ হৈ যোৱাত এই পথৰ পূব দিশত অৱস্থিত অঞ্চলটোক বৰ্ত্তমান পূব ৰাংঢালী গাঁও আৰু পশ্চিম দিশৰ অঞ্চলটোক পশ্চিম ৰাংঢালী গাঁও নামেৰে জনা যায়। পূব ৰাংঢালী গাঁৱৰ নামঘৰক কেন্দ্ৰ কৰি পূব ৰাংঢালী মণিকাঞ্চন প্ৰাথমিক শাখা গঠন কৰা হয়।

গুৰযোগনীয়া মৌজাৰ অন্তৰ্গত পূব ৰাংঢালী গাওঁখনৰ উত্তৰে বাতিপৰীয়া, পূবে চোমনী গাঁও, দক্ষিণে হাতীয়েখোৱা গাঁও আৰু পশ্চিমে এলেংমুৰীয়া আৰু যোগনীয়া গাঁও। গাওঁখনৰ মাটি কালি আঢ়ৈ বৰ্গ কিলোমিটাৰ হ'ব। গাঁৱৰ গৃহস্থীৰ সংখ্যা প্ৰায় সত্তৰ ঘৰ। হিন্দু আৰু মুছলমান ধৰ্মীয় লোকৰ সংখ্যাই অধিক। গাঁৱৰ গুণ সম্পন্ন ব্যক্তিৰ ভিতৰত শ্ৰীনৰেশ্বৰ শইকীয়া (৯০ বছৰ), শ্ৰী উমেশ্বৰ দত্তৰ (৮৫ বছৰ) নাম উল্লেখ কৰিব পাৰি। দুয়োগৰাকী ব্যক্তিয়ে গুৰুজনাৰ আৰ্হিৰে নাম প্ৰসঙ্গ আৰু গায়ন-বায়ন প্ৰদৰ্শন কৰি গুৰুধৰ্ম্ম প্ৰচাৰত ব্ৰতী হৈ আছে।

প্ৰাথমিকৰ সঙ্গী শ্ৰীদুগ্ধ দত্ত দেৱে বৰ্ত্তমান শ্ৰীমন্ত আঞ্চলিক শাখাৰ সহঃ সম্পাদকৰ পদত কাৰ্য নিৰ্বাহ কৰে। শ্ৰীসূৰ্য শইকীয়া বাপে প্ৰাথমিকখন গঠন হোৱাৰ সময়ৰ পৰা সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি বৰ্ত্তমান সভাপতি হিচাবে কাৰ্য্যনিৰ্বাহ কৰি আছে।

এই গাঁৱত এভাগ নামঘৰ আছে। শ্ৰীশ্ৰীপুখুৰী পাৰ সত্ৰ এই গাঁৱত অৱস্থিত। গাঁৱৰ মধ্য স্থলত পূব ৰাংঢালী যুৱক সংঘ' নামৰ এটি সামাজিক অনুষ্ঠান আছে। শ্ৰীৰণজিৎ ফুকনদেৱে এই অনুষ্ঠানটিৰ জৰিয়তে শঙ্কৰী সৃষ্টি সংস্কৃতি বিকাশত যথেষ্ট অৰিহণা যোগাইছে। গাঁওখনৰ অন্য এটি উদ্যোগ হ'ল 'ৰাংঢালী খাদী উৎপাদন কেন্দ্ৰ।' সৰ্বশ্ৰী ডিম্বেশ্বৰ দাস, পদ্মেশ্বৰ বৰা, গোপাল বৰুৱা, নৰেশ্বৰ শইকীয়া আৰু দুগ্ধ দত্ত আদি ব্যক্তিসকল এই অনুষ্ঠানবিলাকৰ লগত সক্ৰিয়ভাৱে জৰিত হৈ আছে।

ইংৰাজী ১৯৮৯ চন ৫৪০ শঙ্কৰাব্দৰ ২৬-২-৮৯ তাৰিখে 'পূব ৰাংঢালী মণিকাঞ্চণ প্ৰাথমিক' শাখা গঠন কৰা হয়। প্ৰাথমিক ভাগ গঠন হোৱাৰ ক্ষেত্ৰত এই গাঁৱৰ প্ৰয়াত টংকেশ্বৰ শইকীয়া আৰু প্ৰয়াত খেতেকেশ্বৰ দত্ত বাপৰ নাম উল্লেখযোগ্য। যিহেতু প্ৰাথমিক ভাগ গঠন হোৱাৰ আগতে এই দুয়ো গৰাকী ব্যক্তিয়ে গুৰুজনাৰ শুদ্ধ-সত্ত্ব ধৰ্ম গ্ৰহণ কৰি স্থানীয় ভাৱে প্ৰচাৰ প্ৰসাৰত আগ ভাগ লৈছিল। প্ৰয়াত খেতেকেশ্বৰ দত্ত বাপ সভাপতি, শ্ৰীসূৰ্য শইকীয়া সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ৮ ঘৰ সঙ্গীৰ সংখ্যা ২৪ গৰাকী। প্ৰাথমিক সঙ্গীসকলৰ উদ্যোগত গুৰুজয়ন্তী আৰু কেইখনো ধৰ্মালোচনী সভা অনুষ্ঠিত কৰা হয়।

প্ৰাথমিকৰ সঙ্গীসকলৰ আৰ্থিক অৱস্থা অতি স্বচ্ছল নহয়। প্ৰায়বিনিয়ে কৃষি কৰ্মৰ ওপৰত নিৰ্ভৰশীল যদিও ব্যৱসায় বাণিজ্যও কৰে।

**প্ৰাথমিক শাখাৰ বিষয়ববীয়াসকল, ক্ৰমে -**

**সভাপতিসকল ঃ** প্ৰয়াত খেতেকেশ্বৰ দত্ত (১৯৮৯-৯০), শ্ৰীদণ্ড শইকীয়া

(৯১-৯৩), শ্ৰীসূৰ্য শইকীয়া (৯৩-৯৭), শ্ৰীসূৰ্য শইকীয়া (৯৮-২০০০)।

সম্পাদকসকল ঃ শ্ৰীসূৰ্য শইকীয়া - (১৯৮৯-৯০), শ্ৰীদুৰ্দ্ধ দত্ত (৯১-৯৭), শ্ৰীপাপু দত্ত (৯৮-২০০০)।

প্ৰয়াত টংকেশ্বৰ শইকীয়া উপদেষ্টা আছিল। বৰ্ত্তমান শ্ৰীহেৰেম্বেশ্বৰ দত্ত প্ৰাথমিকৰ উপদেষ্টা।

প্ৰয়াত টংকেশ্বৰ শইকীয়া - ১৯০৪ চনত জন্ম হয়। মৃত্যু - ১৯৯৭ চনত। কৃষি কৰ্মৰ ওপৰত নিৰ্ভৰশীল এটি বৃহৎ পৰিয়ালৰ ভৰণ-পোষণৰ দায়িত্ব গ্ৰহণ কৰি সুচাৰু ৰূপে পৰিচালনা কৰে। এই গৰাকী ব্যক্তিয়ে ১৯৬৯ চনত পিতৃৰ মৃতাহ গৰ্ম সংঘৰ আৰ্হিৰে সম্পাদন কৰি গাঁৱত প্ৰথম সংঘৰ পথ প্ৰদৰ্শক ৰূপে নিজক পৰিচয় দিছিল। তেখেত এগৰাকী সংঘৰ নিষ্ঠাবান কৰ্মী আছিল। প্ৰয়াত খেতেকেশ্বৰ দত্ত ১৯২৪ চনত জন্ম হয়। ১৯৯৫ চনত ৰুৰকাটিং কুশল কোঁৱৰ ক্ষেত্ৰত অনুষ্ঠিত মূল সংঘৰ অধিৱেশন থকিত তেখেতে নশ্বৰ দেহ পৰিত্যাগ কৰি বৈকুণ্ঠগামী হয়। প্ৰাথমিকখন গঠন কৰাত তেখেতৰ ত্যাগ অনস্বীকাৰ্য। তেখেত মণিকাঞ্চন প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতি আছিল।

# পূৱ-ৰাংঢালী ৰূপজ্যোতি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮৯ চন

গাঁওখনৰ নাম ৰাংঢালী গাঁও। গাঁওখনৰ নামকৰণ সম্পৰ্কে লিখিত অতীত বুৰঞ্জী পাবলৈ নাই যদিও প্ৰবাদ আছে যে এই গাঁৱতেই অৱস্থিত কৰদৈগুৰিত এগৰাকী ৰূপৱতী তিৰোতা আছিল। তেওঁৰ নাম আছিল ৰাংঢালী। উক্ত তিৰোতা গৰাকী সুশ্ৰী, হাস্যবদনা আৰু সকলোকে আকৰ্ষণ কৰিব পৰা গুণৰ অধিকাৰী আছিল। কালক্ৰমত তেওঁৰ নামেৰেই এই অঞ্চলটোৰ নাম ৰাংঢালী আৰু আজি ৰাংঢালী গাঁও হিচাপে পৰিচিত হয়। এই গাঁৱৰ মাজেদি উত্তৰ দিশৰপৰা দক্ষিণলৈ নাহৰণি চোকোৰা আলি পাৰ হৈ যোৱাত এই পথৰ পূৱ দিশত অৱস্থিত অঞ্চলটোক বৰ্ত্তমান পূৱ ৰাংঢালী গাঁও নামেৰে নামাঙ্কিত কৰা হয়, যত গাঁৱৰ নামঘৰ ভাগক কেন্দ্ৰকৰি পূৱ ৰাংঢালী মণিকাঞ্চণ প্ৰাথমিক শাখাটি গঢ়ি উঠিছে।

গুৱযোগনীয়া মৌজাৰ অন্তৰ্গত পূৱ ৰাংঢালী গাঁওখনৰ উত্তৰে বাতিপৰীয়া, পূৱত চোমনী গাঁও, দক্ষিণত হাতীয়েখোৱা গাঁও আৰু পশ্চিমত মূল ৰাংঢালী গাঁও। গাঁও খনৰ মাটি কালি আঢ়ৈ বৰ্গ কিঃ মিটাৰ হ'ব। জন সংখ্যা প্ৰায় সত্তৰ ঘৰ গৃহস্থী। হিন্দু আৰু মুছলমান ধৰ্মী মানুহেই প্ৰধান। হিন্দুসকলৰ ভিতৰতো চতুৰ্বৰ্ণৰ লোক আছে। গাঁওখনৰ গুণসম্পন্ন ব্যক্তিৰ নাম উল্লেখ কৰিবলৈ যাওঁতে বৰ্ত্তমান ৯০ (নৱৈ) বছৰীয়া শ্ৰীনবেশ্বৰ শইকীয়া আৰু ৮৫ (পঁচাশী) বছৰীয়া শ্ৰীউমেশ্বৰ

দত্ত দেৱৰ নাম উল্লেখ কৰিব পাৰি । দুয়োগৰাকী ব্যক্তিয়ে বৰ্ত্তমানেও গুৰুজনাৰ প্ৰচলিত নাম প্ৰসঙ্গ আদি গায়ন-বায়ন আদিত গাঁওখনক প্ৰতিনিধিত্ব কৰি আহিছে । অন্য এগৰাকী ব্যক্তি শ্ৰীদুৰ্দ্ধ দত্ত দেৱ যি গৰাকীয়ে শ্ৰীমন্ত আঞ্চলিক শাখালৈ সদস্য হিচাপে প্ৰতিনিধিত্ব কৰি সহঃসম্পাদক পদত কাৰ্যনিৰ্বাহ কৰিছে । শ্ৰীসূৰ্য্য শইকীয়া দেৱে প্ৰাথমিক ভাগ গঠন হোৱাৰ মূহূৰ্ত্তত সম্পাদক দায়িত্ব বহন কৰি বৰ্ত্তমান সভাপতি হিচাপে কাৰ্য নিৰ্বাহ কৰি আছে । এই গাঁৱৰ এভাগ নামঘৰ আছে । ইয়াৰ উপৰিও শ্ৰী শ্ৰী পুখুৰীপাৰ সত্ৰ' নামৰ এখনি পুৰণি সত্ৰ আছে । পলাশগুৰি আৰু থলকীয়া নামৰ দুভাগ নামঘৰ আছে । গাঁওখনৰ মধ্যস্থলত 'পূব ৰাংঢালী যুৱক সংঘ' নামৰ এটি সামাজিক অনুষ্ঠান আছে । উক্ত অনুষ্ঠানটিৰ সভাপতি শ্ৰীসূৰ্য্য শইকীয়া আৰু সম্পাদক শ্ৰীজয়ন্ত শইকীয়া । শ্ৰীৰণজিৎ ফুকনদেৱে এই অনুষ্ঠানটিৰ জৰিয়তে গাঁওখনত শঙ্কৰী কৃষ্টি বিকাশত যথেষ্ট অৰিহণা যোগাই আহিছে । গাঁওখনৰ উল্লেখযোগ্য অনুষ্ঠান হ'ল 'খাদী গ্ৰামদ্যোগ বৰ্ডৰ' অধীনত প্ৰতিষ্ঠাৰ ৰাংঢালী খাদী উৎপাদন কেন্দ্ৰ ।

ইংৰাজী ১৮৮৯ চনত (৫৪০ শঙ্কৰাব্দ) 'পূব ৰাংঢালী মণিকাঞ্চন প্ৰাথমিক ' গঠন হয় । প্ৰাথমিকখনি গঠন কৰাৰ বহু বছৰৰ আগতে এই গাঁৱৰ নমস্য ব্যক্তি প্ৰয়াত টংকেশ্বৰ শইকীয়া আৰু প্ৰয়াত খেতেকেশ্বৰ দত্ত দুয়োগৰাকীয়েই শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ একান্ত সেৱক আছিল । তেখেতসকল প্ৰথমতে সমীপৰ গাঁৱৰ প্ৰাথমিকৰ লগত সমীভুক্ত হৈ আছিল । কালক্ৰমত এই দুগৰাকী সঙ্গীৰ তৎপৰতাত গাঁৱৰ নামঘৰত ভাগক কেন্দ্ৰ কৰি 'মণিকাঞ্চন প্ৰাথমিক' গঠন কৰা হয় । শ্ৰীসূৰ্য্য শইকীয়া সম্পাদক আৰু প্ৰয়াত খেতেকেশ্বৰ দত্ত দেৱক সভাপতিক দায়িত্ব দিয়ে । তেতিয়াৰে পৰা এই প্ৰাথমিকভাগি বিভিন্ন সমস্যাৰ সন্মুখীন হৈও গুৰুজনাৰ প্ৰৱৰ্ত্তিত শুদ্ধ সত্ত্ব ধৰ্মাদৰ্শৰে উজ্জীৱিত হৈ আছে । বৰ্ত্তমান প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ৮ ঘৰ আৰু সঙ্গীৰ সংখ্যা ২৪ জন ।

প্ৰাথমিক শাখাৰ সঙ্গীসকলৰ আৰ্থ সাম অৱস্থা স্বচ্ছল নহয় ; নিম্ন মধ্য বিত্ত শ্ৰেণীৰ ব্যক্তি প্ৰায়খিনিয়েই কৃষি কৰ্মৰ ওপৰত নিৰ্ভৰশীল ব্যৱসায় বাণিজ্য আদিও কৰে । প্ৰয়াত টংকেশ্বৰ শইকীয়া এই গাঁৱৰ এগৰাকী বিশিষ্ট ব্যক্তি । ১৯০৪ চনত তেখেতেজন্ম গ্ৰহণ কৰে, ১৯৯৭ চনত বৈকুণ্ঠগামী হয় ।

তেখেতে ১৯৬৯ চনত প্ৰথমে এই গাঁৱত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰৱৰ্ত্তিত নিয়মেৰে নিজ পিতৃৰ মৃতাহ কৰ্ম কৰি গুৰুজনাৰ একান্ত সেৱক ৰূপে আহি দেখুৱাই । প্ৰথম অৱস্থাত গাঁওখনৰ তথা নিজ বংশ পৰিয়ালৰ পৰা অহা নানা বাধা বিঘিনি তথা নিষেধাজ্ঞা অতিক্ৰম কৰি সংঘৰ মতত অচল অটল হৈ সকলোৰে কাৰণে আদৰ্শ ৰাখি থৈ যায় । প্ৰয়াত খেতেকেশ্বৰ দত্তদেৱে ১৯২৫ চনত জন্ম গ্ৰহণ কৰি ১৯৯৫ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৬৪ তম্ অধিৱেশনৰ 'কুশল কোঁৱৰ ক্ষেত্ৰত সভা চলি থকা

অৱস্থাতে বৈকুণ্ঠগামী হয়। প্ৰাথমিক শাখা গঠনৰ মুহূৰ্তত তেখেতৰ যথেষ্ঠ অৰিহণা আছে।

**প্ৰাথমিকৰ সভাপতি সম্পাদক তথা সদস্যসকল ঃ**

১৯৮৯-৯০ - সভাপতি - প্ৰয়াত খেতেকেশ্বৰ দত্ত

সম্পাদক - শ্ৰীসূৰ্য্য শইকীয়া

উপদেষ্টা - প্ৰয়াত টংকেশ্বৰ শইকীয়া

সদস্য সৰ্বশ্ৰী দুগ্ধ দত্ত, দত্ত শইকীয়া, থানেশ্বৰ দত্ত, বোধেশ্বৰ দত্ত,

১৯৯১-৯৩ চন - সৰ্বশ্ৰী দত্ত শইকীয়া - সভাপতি, দুগ্ধ দত্ত, সম্পাদক, সূৰ্য্য শইকীয়া - উপদেষ্টা।

সদস্যসকল - সৰ্বশ্ৰী নোমল দত্ত, প্ৰণৱ শইকীয়া, টংকেশ্বৰ শইকীয়া, স্বৰ্গীয় খেতেকেশ্বৰ দত্ত।

১৯৯৩ - ৯৭ চন - সৰ্বশ্ৰী সূৰ্য্য শইকীয়া সভাপতি দুগ্ধ দত্ত সম্পাদক, স্বৰ্গীয় টংকেশ্বৰ শইকীয়া - উপদেষ্টা,

সদস্যসকল - সৰ্বশ্ৰী পাপু দত্ত, নবেন দত্ত, বোধেশ্বৰ দত্ত, নোমল দত্ত।

# হাবিয়াল অৰুণোদয় প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯০ চন

১৯৯০ চনত ১৯ ঘৰ গৃহস্থী, ৪০ জন সঙ্গীৰে সৰ্বশ্ৰী লোকেশ্বৰ শইকীয়া আৰু নগেন ৰাজখোৱা ক্ৰমে সভাপতি আৰু সম্পাদক হিচাবে লৈ হাবিয়াল অৰুনোদয় প্ৰাথমিক শাখা গঠন কৰা হয়। প্ৰাথমিক ভাগ জন্ম হোৱাত সাংগঠনিক দিশত সহায় সহযোগ আগবঢ়োৱা ব্যক্তিসকল আছিল প্ৰয়াত চেনাৰাম শইকীয়া, সৰ্বশ্ৰী গোলাপ শইকীয়া, হেম শইকীয়া, সুৰেন্দ্ৰনাথ ৰাজখোৱা আৰু সেই সময়ৰ জিলা সম্পাদক শ্ৰীপ্ৰফুল্ল শইকীয়া আদি।

প্ৰাথমিক ভাগ প্ৰতিষ্ঠা হোৱাৰ সময়ত হাবিয়াল গাঁৱত আগতে জন্ম হোৱা দুভাগ প্ৰাথমিক শাখা আছিল। প্ৰচাৰ প্ৰসাৰৰ দিশত সংগীসকলে অহৰহ চেষ্টা চলাই আছে। বৰ্ত্তমান প্ৰাথমিক শাখাৰ মুঠ গৃহস্থী ১৭ ঘৰ। প্ৰতি বছৰে গুৰুজয়ন্তী শ্ৰীশ্ৰীমাধৱদেৱৰ জয়ন্তী উলহ-মালহেৰে প্ৰাথমক শাখাত পালন কৰা হয়। মূল সংঘৰ নিৰ্দেশনা মতে শিশুসমাৰোহ, যুৱ সমাৰোহ, আইমাতৃ সমাৰোহ অনুষ্ঠিত কৰা হয়। বৰ্ত্তমান উপদেষ্টা শ্ৰীনগেন ৰাজখোৱা, শ্ৰীপুণ্যেশ্বৰ ৰাজখোৱা আৰু অনান্য প্ৰাক্তন বিষয়ববীয়াসকলৰ তৎপৰতাত প্ৰাথমিক শাখাৰ সংগঠন সুদৃঢ় হৈ আছে।

সভাপতি - সৰ্বশ্ৰী লোকেশ্বৰ শইকীয়, ৰাজেন ৰাজখোৱা।

সম্পাদক - সৰ্বশ্ৰী নগেন ৰাজখোৱা, ৰঞ্জীত ৰাজখোৱা।

# হালোৱা গাঁও ভাস্কৰজ্যোতি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯২ চন

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ অন্তৰ্গত হালোৱা গাঁও প্ৰাথমিক শাখা । হালোৱা গাঁও ২নং, নামঘৰক কেন্দ্ৰ কৰি ১৯৯২ চনত ১০ ঘৰ গৃহস্থীকলৈ হালোৱা গাঁও প্ৰাথমিক শাখা গঠন কৰা হয় । প্ৰাথমিকৰ প্ৰতিষ্ঠাপক সভাপতি শ্ৰীআনন্দ বৰা আৰু সম্পাদক শ্ৰীযজ্ঞেশ্বৰ শইকীয়া । বৰ্ত্তমান সভাপতি আৰু সম্পাদকৰ দায়িত্বত আছে ক্ৰমে সৰ্বশ্ৰী হৰেশ্বৰ শইকীয়া আৰু অতুল বৰা । শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, এটি মহান ধৰ্ম সাংস্কৃতিক তথা জাতীয় অনুষ্ঠান । প্ৰাথমিক শাখাৰ সমূহ সঙ্গীবৃন্দই এই মহান অনুষ্ঠানৰ চত্ৰছায়াতে গুৰুজনাৰ প্ৰৱৰ্ত্তিত মহাপুৰুষীয়া ধৰ্ম পালন কৰি আছে । উল্লেখযোগ্য যে এই প্ৰাথমিক ভাগি ১৯৮৪ চনতে গঠন হোৱা পূব শঙ্কৰজ্যোতি প্ৰাথমিক শাখাৰ একাংশ সঙ্গীক লৈ ১৯৯২ চনত গঠন হয় । বৰ্ত্তমান শ্ৰীমন্ত আঞ্চলিক শাখাৰ অৰ্ন্তগত । গাৱঁৰ অৱস্থিতি, বিস্তৃত বিৱৰণ হালোৱা গাঁও পূব শঙ্কৰজ্যোতি প্ৰাথমিকত দিয়া আছে ।

# যোগনীয়া বনমালি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯৪ চন

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সাৰ্বজনীনতা, নীতি-সদাচাৰত মুগ্ধ হৈ মূল সংঘৰ সংবিধান, প্ৰসঙ্গ প্ৰণালী , বিবাহ পদ্ধতি আৰু অশৌচ পদ্ধতি এই চাৰি পুথিৰ প্ৰতি সম্পূৰ্ণ আনুগত্য প্ৰকাশ কৰি সৰ্বশ্ৰী কমল বৰাক সভাপতি আৰু ৰেৱকান্ত বৰাক সম্পাদক হিচাবে লৈ ১৯৯৪ চনত যোগনীয়া বনমালি প্ৰাথমিক শাখা গঠিত হয় । প্ৰাথমিকৰ সংগীসকলৰ আচাৰ ব্যৱহাৰ নীতি সদাচাৰত মুগ্ধ হৈ প্ৰাথমিক শাখাত নতুনকৈ ৮ ঘৰ গৃহস্থীয়ে যোগদান কৰি প্ৰাথমিক তথা শ্ৰীমন্ত শঙ্কৰ দেৱ সংঘৰ পৰিসৰ বৃদ্ধিত অৰিহণা যোগাই । ১৯৯৭ চনলৈকে প্ৰাথমিকখনি জিলাৰ লগত পোন পতীয়াকৈ থাকে । ১৯৯৭ চনত গণকপুখুৰী অঞ্চলত শ্ৰীমন্ত আঞ্চলিক শাখা গঠন হোৱাত প্ৰাথমিকখনি আঞ্চলিকৰ অন্তৰ্ভূক্ত হয় । সৰ্বশ্ৰী খগেন বৰা আৰু প্ৰবীন বৰুৱাক আঞ্চলিকৰ সদস্য দিয়া হয় ।

সাংগঠনিক দিশ অটুত ৰাখি প্ৰচাৰৰ জড়িয়তে সংগী বৃদ্ধিকৰাত প্ৰাথমিক শাখাই সৰ্বাধিক গুৰুত্ব দিছে । শিশু-যুৱক-যৱতী আৰু মহিলা সকলকো গুৰুধৰ্মৰ লগত জড়িত কৰাৰ উদেশ্যেৰে শিশু, যুৱ আৰু আই-মাতৃ সমাৰোহ অনুষ্ঠিত কৰি আঞ্চলিক আৰু জিলা শাখাৰ দ্বাৰা অনুষ্ঠিত প্ৰতিযোগিতা সমূহত শিশু যুৱক-যুৱতীসকলে অংশ গ্ৰহণ কৰি সুনাম অৰ্জন কৰিছে ।

**আৰম্ভণিৰে পৰা বৰ্ত্তমানলৈকে বিষয়-ববীয়াসকলঃ**

সভাপতি ঃ সৰ্বশ্ৰী কমল বৰা, অকণমান দত্ত ।
সম্পাদক ঃ সৰ্বশ্ৰী ৰেৱকান্ত বৰা, দিলীপ বৰা ।
উপদেষ্টা ঃ শ্ৰীকমল বৰা । ❑❑

# ঘিলাধাৰী আঞ্চলিক শাখা

**গঠন ঃ ১৯৯৭ চন**

গোলাঘাট জিলা শাখাৰ অন্তৰ্গত ঘিলাধাৰী আঞ্চলিক শাখাটি ১৯৯৭ চনৰ জানুৱাৰী মাহলৈকে অবিভক্ত দৈয়াং আঞ্চলিক শাখাৰ অন্তৰ্ভুক্ত হৈ আছিল । কালক্ৰমত দৈয়াং আঞ্চলিক শাখাৰ কলেৱৰ বৃদ্ধি পোৱাত বিশেষকৈ দৈয়াং অঞ্চলৰ পৰা ঘিলাধাৰী অঞ্চললৈ দূৰত্ব বেছি হোৱাত যোগাযোগৰ সুবিধাৰ কাৰণে ঘিলাধাৰী ৰাজহ চক্ৰৰ ৯ খন প্ৰাথমিক শাখাক সামৰি ইংৰাজী ২৮।১।৯৭ তাৰিখে ঘিলাধাৰী আঞ্চলিক নামকৰণেৰে এখন আঞ্চলিক গঠন কৰা হয় । অবিভক্ত দৈয়াং আঞ্চলিকৰ মধ্য ঘিলাধাৰী প্ৰাথমিক শাখাত হোৱা বাৰ্ষিক অধিৱেশনত আঞ্চলিক বিভাজনৰ প্ৰস্তাৱটি উত্থাপন কৰা হয় । কিন্তু ইয়াৰ পাছৰ বছৰত উদয়পুৰ প্ৰাথমিক শাখাত হোৱা বাৰ্ষিক অধিৱেশনত গৃহীত প্ৰস্তাৱমৰ্মে ২৮।১।৯৭ তাৰিখে ফুকনটোল প্ৰাথমিক শাখাত এখন ৰাজহুৱা সভা বহে । উক্ত সভাতে আঞ্চলিক শাখাটি গঠন কৰা হয় । এই সভাত শ্ৰীকেশৱ চন্দ্ৰ ৰাজখোৱা বাপে সভাপতিত্ব কৰে । শ্ৰীবিষ্ণুৰাম শইকীয়াক সভাপতি, শ্ৰীজীতেন ফুকনক উপ-সভাপতি আৰু শ্ৰীগোলেন চন্দ্ৰ ফুকন বাপক সম্পাদক আৰু হীৰানাথ ফুকনক সহ-সম্পাদক হিচাপে লৈ শাখাৰ কাৰ্যনিৰ্বাহক সভাখন গঠিত হয় । উক্ত সভাত চন্দ্ৰ বৰা আৰু কেশৱ চন্দ্ৰ ৰাজখোৱা বাপক জিলা সদস্য হিচাপে মনোনীত কৰি জিলা অধিৱেশনত প্ৰস্তাৱৰ দিহা কৰে।

সাংবিধানিক নীতিমতে শাখাটিৰ সাহিত্য, সংস্কৃতি আৰু প্ৰচাৰ শাখা গঠন কৰা হয় । শ্ৰীসিদ্ধেশ্বৰ ফুকন, শ্ৰীনন্দেশ্বৰ সন্দিকৈ আৰু শ্ৰীনন্দেশ্বৰ ফুকনক উপদেষ্টা হিচাপে নিৰ্বাচন কৰে ।এই শাখাটিয়ে সাংবিধানিক নীতিমতে জিলা শাখাৰ স্বীকৃতি লাভ কৰে ।

১১।৫।৯৭ তাৰিখৰ কাৰ্যনিৰ্বাহক বৈঠকৰ সিদ্ধান্ত মৰ্মে লক্ষ্মীমী গাঁৱলীয়া বেঙ্ক মক্ৰং শাখাত আঞ্চলিকৰ নামত এটি আমানত (Saving Account) খোলা হয় ।

আঞ্চলিক শাখাৰ এটি স্থায়ী কাৰ্যালয় নিৰ্মাণৰ বাবে ঘিলাধাৰী প্ৰাথমিক শাখাৰ শ্ৰীযুত পোণাৰাম শইকীয়া বাবে ৬ কঠা ১২ লোচা মাটি দান ৰূপে দিয়ে । বিধায়ক পুঁজিৰ পৰা উক্ত স্থানত এটি স্থায়ী কাৰ্যাকাল স্থাপনৰ বাবে

৫০,০০০.০০ টকাৰ এটি অনুদান লাভ কৰে । বৰ্তমান এখন গৃহ নিৰ্মাণৰ কমিটি গঠন কৰি নিৰ্মাণৰ কাম চলাই থকা হৈছে । এই স্থানতে সাহিত্য-সংস্কৃতি বিকাশ কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হৈছে ।

আঞ্চলিক শাখাই কেইবাজনো বিশিষ্ট সংগীক সম্বৰ্দ্ধনা জনায় । ইয়াৰ ভিতৰত শ্ৰীকেশৱ চন্দ্ৰ ৰাজখোৱা উল্লেখযোগ্য । তদুপৰি কাৰ্য্যালয়লৈ ভূমি দাতা শ্ৰীযুত পোণাৰাম শইকীয়া বাপক আঞ্চলিকৰ আজীৱন সদস্য হিচাবে মনোনীত কৰে।

আঞ্চলিক শাখাটিয়ে প্ৰতি বছৰ গুৰুজয়ন্তী বিভিন্ন প্ৰাথমিক শাখাত পালন কৰি আহিছে । আই-মাতৃ সমাৰোহ, যুৱ সমাৰোহ, শিশু সমাৰোহ অনুষ্ঠানকেইভাগ সাহিত্য আৰু সংস্কৃতি শাখাই গুৰুজয়ন্তী আৰু কৃষ্ণৰ জন্মাষ্টমী সাংবিধানিক নীতিমতে পালন কৰিছে । শিশুসকলক গুৰু পৰিচয় কৰা, শৰণ কক্ষ, কৃষ্টি প্ৰশিক্ষণ আদি কাৰ্য্যসূচী যথাবিহিত ভাবে পাতি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰচাৰ প্ৰসাৰত আগবাঢ়ি যোৱাত আঞ্চলিক শাখাই ত্ৰুটি কৰা নাই । কেইবাখনো নতুন প্ৰাথমিক শাখা গঠন কৰা হৈছে । বৰ্তমান আঞ্চলিক শাখাৰ অন্তৰ্ভুক্ত প্ৰাথমিক শাখাসমূহ হ'ল- মধ্য খিলাধাৰী, কৃষ্ণ শঙ্কৰ জ্যোতি, ফুকন টোল শ্ৰীমন্ত, মুদৈ গাঁও কল্পতৰু, কৃষ্ণ-সূৰ্য্য, শ্ৰীহৰি প্ৰাথমিক, শ্ৰীমাধৱ ফুকন টোল আৰু ৰামকৃষ্ণ প্ৰাথমিক শাখা । আঞ্চলিকৰ পৰিসীমা হ'ল পূবে কাকডোঙা নদী আৰু আঠখেলীয়া নামঘৰ, পশ্চিমে দৈয়াং নদী, উত্তৰে শিঙিজান আৰু খিলাধাৰী নদী, দক্ষিণে খিলাধাৰী আৰু মক্ৰং চাহ বাগিচা ।

আঞ্চলিকৰ বিষয়ববীয়া সকল হ'ল শ্ৰীবিষ্ণুৰাম শইকীয়া সভাপতি আৰু শ্ৰীপোলেন চন্দ্ৰ ফুকন সম্পাদক । শাখা সমিতিবিলাকৰ বিষয়ববীয়া সকল শ্ৰীপোণাৰাম শইকীয়া সাহিত্য শাখা সভাপতি, শ্ৰীৰবীন বৰা, সম্পাদক, সাহিত্য শাখা । শ্ৰীতৰুণ ফুকন, সভাপতি সংস্কৃতি শাখা আৰু দুৰ্দ্ধনাথ বৰা, সম্পাদক সাংস্কৃতিক শাখা । শ্ৰীকেশৱ চন্দ্ৰ ৰাজখোৱা সভাপতি, শ্ৰীইন্দ্ৰ বৰা, সম্পাদক - প্ৰচাৰ শাখা । উপদেষ্টামণ্ডলী - সৰ্বশ্ৰী সিদ্ধেশ্বৰ ফুকন, নন্দেশ্বৰ সন্দিকৈ, নন্দেশ্বৰ ফুকন।

বৰ্তমান আঞ্চলিকৰ গৃহস্থী সংখ্যা ১২৪ ঘৰ আৰু সঙ্গী সংখ্যা ৩২২ জন । যোৱা ২১।৪।৯৮ তাৰিখে আঞ্চলিক শাখাৰ ৮ম কাৰ্যনিৰ্বাহক সভাত শ্ৰীবিষ্ণুৰাম শইকীয়া উপদেষ্টা, শ্ৰীহীৰানাথ ফুকন সচিব, শ্ৰীইন্দ্ৰ বৰা, অধিনায়ক আৰু শ্ৰীৰূপজ্যোতি ফুকন, উপ-অধিনায়ক হিচাপে লৈ আঞ্চলিক সেৱা বাহিনী

গঠন কৰা হয় । আঞ্চলিক শাখাৰ সেনাবাহিনীয়ে জিলা শাখাৰ সেৱাবাহিনীৰ লগত সময়ে সময়ে সহযোগিতা আগবঢ়োৱাৰ লগতে নিজৰ অঞ্চলৰ বিভিন্ন জন-কল্যাণমূলক কাম-কাজ কৰি আছে ।

## ঘিলাধাৰী আঞ্চলিক শাখাৰ অন্তৰ্গত প্ৰাথমিক শাখা ঃ

| | | | | |
|---|---|---|---|---|
| ১। মধ্য ঘিলাধাৰী প্ৰাথমিক শাখা | - | গঠন | ১৯৬৬ | চন |
| ২। বাৰিচোৱা মিলন প্ৰাথমিক শাকা | - | ” | ” ৫৭ | ” |
| ৩। কৃষ্ণ শঙ্কৰ জ্যোতি প্ৰাথমিক শাখা | - | ” | ” ৭৬ | ” |
| ৪। ফুকন টোল শ্ৰীমন্ত প্ৰাথমিক শাখা | - | ” | ” ৭৭ | ” |
| ৫। মুদৈ গাঁও কল্পতৰু প্ৰাথমিক শাখা | - | ” | ” ৮১ | ” |
| ৬। কৃষ্ণ-সূৰ্য প্ৰাথমিক শাখা | - | ” | ” ৯০ | ” |
| ৭। শ্ৰীহৰি প্ৰাথমিক শাখা | - | ” | ” ৯৩ | ” |
| ৮। শ্ৰীশ্ৰীমাধৱ ফুকন টোল প্ৰাথমিক শাখা | - | ” | ” ৯৭ | ” |
| ৯। চচিয়েলিষ্ট পথাৰ ৰামকৃষ্ণ প্ৰাথমিক শাখা | - | ” | ” ৯৭ | ” |

# বাৰিছোৱা মিলন প্ৰাথমিক শাখা

## গঠন ঃ ১৯৫৭ চন

বাৰিচোৱা এখন বুৰঞ্জী প্ৰসিদ্ধ গাঁও । এই বাৰিচোৱা গাঁৱৰ পূৰ্বা পুৰুষসকল শিৱসাগৰৰ পৰা অহা । জয়সাগৰ পুখুৰী খন্দাবৰ কাৰণে মাটিৰ আৱশ্যক হোৱাত, সেই ঠাইত বসতি কৰা লোকসকলক অন্য ঠাইলৈ স্থানান্তৰ কৰে । তেনেকৈ স্থানান্তৰ হৈ অহা এই গাঁওৰ লোকসকলৰ বেছি সংখ্যক চুতীয়া সম্প্ৰদায়ৰ লোক । ৰজাৰ আজ্ঞা মতে এই বাৰিছোৱা গাঁৱৰ উপৰি পুৰুষে ঘিলাধাৰী নদীৰ আশে-পাশে থকা এই ঠাইতে গাঁও পাতি বসতি কৰে । এই অঞ্চলৰ মহগিৰি বৰাক ৰজাই তামৰ ফলী দিছিল । বাৰিছোৱা আহোম ৰজাই দিয়া এক উপাধী বিশেষ । এই গাঁৱৰ পূৱে মক্ৰং নদী, পশ্চিমে হাবি চুকীয়া গাঁও, উত্তৰে বেবেজিয়া গাঁও আৰু দক্ষিণে নাওবৈছা । ইয়াৰ জনসংখ্যা ১০০০ জন হ'ব । এই অঞ্চলৰপৰা বহুলোকে দৈয়াং বনাঞ্চললৈ গৈছে।

১৯৫৭ চন, ৫০৮ শঙ্কৰাব্দতে বাৰিছোৱা মিলন প্ৰাথমিক শাখাৰ জন্ম হয়। ১৯৫০ চন মানৰপৰা এই অঞ্চলত নামধৰ্ম সম্পৰ্কে আলোচনা-বিলোচনা হৈ থাকে । ১৯৫৪ চনত বাৰিচোৱা নামঘৰত ধৰ্মালোচনী সভা বহে । সভাত বহু লোকে অংশ গ্ৰহণ কৰে । এক শৰণ নাম-ধৰ্মত আস্থা প্ৰকাশ কৰি বহুলোক সমবেত হয় । ১৯৫৫ চনত আন এভাগ ধৰ্ম্মালোচনী সভা বহে আৰু সেই সভাতে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘত অন্তৰ্ভুক্তি সম্পৰ্কে আলোচনা হয় । সেই সভাৰ সিদ্ধান্তক্ৰমে বাৰিছোৱাত প্ৰাথমিক শাখা গঠন হয় । সেই প্ৰাথমিক শাখাটিৰ নাম বাৰিছোৱা মিলন প্ৰাথমিক নামে নামকৰণ কৰা হয় । সভাপতি দলপুং গগৈ, আৰু সম্পাদক কেশৱ ৰাজখোৱা । তেতিয়াৰপৰা বৰ্তমানলৈকে প্ৰাথমিকখনি সু-সংগঠিত ভাৱে চলি আছে । বৰ্ত্তমান গৃহস্থী সংখ্যা ১০ঘৰ আৰু সঙ্গী ৪৭ জন । সভাপতি শ্ৰীবিষ্ণুৰাম শইকীয়া আৰু সম্পাদক শ্ৰীবুদ্ধিৰাম বৰা । এই প্ৰাথমিক শাখাতে গোলাঘাট জিলা শাখাৰ বাৰ্ষিক অধিৱেশন এবাৰ অনুষ্ঠিত হয় । সেই সভাত শ্ৰীঅচ্যুৎকৃষ্ণ মিশ্ৰ, প্ৰয়াত ডিম্বেশ্বৰ নেওগ আৰু শ্ৰীসোণাৰাম চুতিয়া বাপে অংশ গ্ৰহণ কৰে । ৩৫

বছৰৰ আগতে এই সভা হয় ।

প্ৰাথমিক গৃহস্থী সংখ্যা বৰ্তমান নগণ্য হ'লেও সংঘৰ নীতি-আদৰ্শৰ প্ৰতি সংগীসকলৰ সচেতনতা আস্থা আৰু দৃঢ়তা অটুট আছে । এই প্ৰাথমিকৰ স্মৰণীয় ব্যক্তিসকল হ'ল - প্ৰয়াত দুৰ্গেশ্বৰ বৰা, উিস্বধৰ ফুকন, জীৱকান্ত ফুকন, কমল বৰা, অৰুণচন্দ্ৰ বৰা, দ্ৰোণকান্ত শইকীয়া, বলোৰাম শইকীয়া, পুণ্যেশ্বৰ ফুকন, যোগেশ্বৰ ফুকন, শ্ৰীকেশৱ চন্দ্ৰ ৰাজখোৱা, শ্ৰীবলোৰাম গগৈ, শ্ৰীবলোৰাম শইকীয়া, শ্ৰীবিপিন চন্দ্ৰ ফুকন, শ্ৰীবেণুধৰ বৰা, শ্ৰীৰজত বৰা আদি লোকসকলৰ চেষ্টাত প্ৰাথমিকখন গঠন হৈছিল । উল্লেখযোগ্য যে উক্ত ব্যক্তিসকলৰ সহযোগত দৈয়াং গমাৰিগুৰি অঞ্চলৰ প্ৰয়াত গাঙ্গীৰাম লইং বাপৰ প্ৰচেষ্টাত পৰ্য্যায়ক্ৰমে দৈয়াং আঞ্চলিকৰ প্ৰাথমিকসমূহ গঠন হৈছিল।

# মধ্য ঘিলাধাৰী প্ৰাথমিক শাখা

## গঠন ঃ ১৯৬৬ চন

গোলাঘাট জিলাৰ অন্তৰ্গত ঘিলাধাৰী মৌজাৰ প্ৰায় মধ্য অঞ্চলত ওচৰা-ওচৰিকৈ চাৰিখন গাঁও আছে । গাঁওকেইখনৰ নাম হ'ল - বেবেজীয়া, খাৰিচুকীয়া, মাহিমেলীয়া আৰু বাৰিছোৱা । এই চাৰিওখন গাঁৱৰ সৰ্বমুঠ আয়তন প্ৰায় চৈধ্য বৰ্গ কিলোমিটাৰ আৰু সৰ্বমুঠ জনসংখ্যা প্ৰায় পাঁচহাজাৰ হ'ব ।

১৯৫৭ চনত (৫০৮ শঙ্কৰাব্দত) প্ৰয়াত উপেন ফুকনদেৱৰ অনুপ্ৰেৰণাত স্থানীয় কিছুসংখ্যক লোকে এই অঞ্চলত এখনি ধৰ্মালোচনী সভাৰ আয়োজন কৰে । এই সভাত শ্ৰীযুত ফুকন বাপ, শ্ৰীযুত কেশৱ বাজখোৱা আৰু শ্ৰীযুত বলোৰাম গগৈ বাপসৱে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ উদ্দেশ্য আৰু নীতিৰ বিষয়ে লোকসকলক বুজনি দিয়ে । ইয়াৰ ফলত সংঘৰ প্ৰতি লোকসকল অনুপ্ৰাণিত হয় আৰু সংঘৰ সাংবিধানিক নীতিৰে সেই সভাতে সত্তৰ ঘৰ সঙ্গী গৃহস্থীৰে এটি প্ৰাথমিক শাখা গঠন কৰা হয় । সেইদিনা আছিল ৫০৮ শঙ্কৰাব্দৰ ২৮ ফাগুন, ইং ১৯৫৭ চন । সৰ্বসম্মতভাবে প্ৰাথমিক শাখাটিৰ নামকৰণ কৰা হৈছিল 'ঘিলাধাৰী মিলন প্ৰাথমিক শাখা' । ইয়াৰ কিছুদিনৰ পাচত প্ৰাথমিক শাখাটি দ্বি-খণ্ডিত হৈ দুখন প্ৰাথমিক হয় । তাৰে এখন প্ৰাথমিক শাখাৰ নাম 'মধ্য ঘিলাধাৰী প্ৰাথমিক শাখা সংঘ' । এই বিভাজন ঘটে ৫১৭ শঙ্কৰাব্দত।

প্ৰথম অৱস্থাত প্ৰাথমিকখনৰ সভাপতি আছিল - শ্ৰীকেশৱ ৰাজখোৱা আৰু সম্পাদক আছিল শ্ৰীবলোৰাম গগৈ ।

৫১৭ শঙ্কৰাব্দৰ পৰা বৰ্তমানলৈকে প্ৰাথমিকৰ সভাপতি-সম্পাদক সকল হ'ল ক্ৰমে -

সভাপতিসকল ঃ শ্ৰীকেশৱ ৰাজখোৱা, শ্ৰীবলোৰাম গগৈ, শ্ৰীবলোৰাম শইকীয়া, শ্ৰীলোকেশ্বৰ শইকীয়া, শ্ৰীকোষেশ্বৰ ৰাজখোৱা, শ্ৰীপোণাৰাম শইকীয়া, শ্ৰীনিৰ্মল চন্দ্ৰ শইকীয়া।

সম্পাদকসকল ঃ শ্ৰীচন্দ্ৰ বৰা, শ্ৰীৰোষেশ্বৰ ৰাজখোৱা, শ্ৰীপোণাৰাম শইকীয়া, শ্ৰীৰমেন বৰা । বৰ্তমান শ্ৰীচন্দ্ৰ বৰাবাপে সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে ।

## কৃষ্ণশঙ্কৰ জ্যোতি প্ৰাথমিক শাখা ঃ ঘিলাধাৰী অঞ্চল
### গঠন ঃ ১৯৭৬ চন

গোলাঘাট জিলাৰ দক্ষিণ অঞ্চলৰ ঘিলাধাৰী এটা বিস্তীৰ্ণ অঞ্চল । আমাৰ দেশে স্বাধীনতা লাভ কৰাৰ সময়ত ইয়াৰ বিস্তীৰ্ণ অঞ্চল জনবসতিপূৰ্ণ আছিল । ঘিলাধাৰী চাহ বাগিচাৰ অসীম ভূমিখণ্ড আছিল অটব্য অৰণ্য । গণ আন্দোলনৰ গইনা লৈয়ে বাপুজীৰ আদৰ্শেৰে সত্যাগ্ৰহৰ অস্ত্ৰ হাতত লৈ সমসাময়িক জননেতা স্বৰ্গীয় শঙ্কৰচন্দ্ৰ বৰুৱাৰ নেতৃত্বত হাজাৰ-বিজাৰ লোকে এই পতিত মাটি নিজৰ দখললৈ আনি বসতি স্থাপন কৰিলে । এই সত্যাগ্ৰহৰ নীতিৰে বসতি স্থাপন কৰা এই গাঁওখনিৰ নাম হ'ল 'চছিয়েলিষ্ট সত্যাগ্ৰহ পথাৰ গাঁও ।'

বিভিন্ন ঠাইৰপৰা উঠি আহি ইয়াত বসতি স্থাপন কৰিবলৈ লোৱা লোকসকলৰ ধৰ্মনীতি আছিল তান্ত্ৰিক । ১৯৭৫ চনত ইয়াৰ সমীপৱৰ্তী হাবিচুকীয়া গাঁৱৰ প্ৰাইমেৰী বিদ্যালয় প্ৰাঙ্গণত এখনি ধৰ্মালোচনী সভা অনুষ্ঠিত হয় । এই সভাত অংশ গ্ৰহণ কৰা সংঘৰ প্ৰচাৰক বৈষ্ণৱ পণ্ডিত কুশেশ্বৰ কলিতা, শ্ৰীঅচ্যুত কৃষ্ণ মিশ্ৰ, শ্ৰীসোণাৰাম চুতীয়া বাপ আদি কেইবাগৰাকী বক্তাৰ সাৰগৰ্ভ

ভাষণে লোকসকলৰ পূৰ্বাপৰ পালনীয় ধৰ্মাদেশ নীতিৰ সংস্কাৰ সাধনৰ অনুপ্ৰেৰণা যোগালে । ফলত ইং ১৯৭৬ চনত দহঘৰ গৃহস্থী আৰু সাতাইশজন সঙ্গীৰে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এটি শাখা গঠন হ'ল । শ্ৰীকৃষ্ণৰ জন্মাষ্টমী দিৱসত নীতিগত ভাবে গঠন হোৱাৰ কাৰণেই প্ৰাথমিক শাখাটিৰ নামকৰণ কৰা হ'ল - 'কৃষ্ণ শঙ্কৰ জ্যোতি প্ৰাথমিক শাখা ।'

এই প্ৰাথমিকৰ জন্মলগ্নত জড়িত থকা ব্যক্তিসকল হ'ল প্ৰয়াত ডম্বৰুধৰ ফুকন, প্ৰয়াত কেশৰাম বৰা, প্ৰয়াত মিঠাৰাম বৰা, প্ৰয়াত কমল চন্দ্ৰ বৰা, জীৱকান্ত ফুকন, দুৰ্গেশ্বৰ বৰা, প্ৰয়াত পাঠান বৰা, শ্ৰীউত্তম চন্দ্ৰ কোৱঁৰ, শ্ৰীইন্দ্ৰেশ্বৰ ফুকন (মুক্তিযোদ্ধা), শ্ৰীপোণাৰাম চুতীয়া আদি ব্যক্তিসকল । প্ৰাথমিকখনৰ প্ৰথম সভাপতি, সম্পাদক আৰু সহকাৰী সম্পাদক আছিল - ক্ৰমে প্ৰয়াত কেশৰাম বৰা, প্ৰয়াত মিঠাৰাম বৰা আৰু শ্ৰীলক্ষী বৰা বাপ। প্ৰাথমিকখনিত আৰম্ভণিৰ পৰা এজন যুৱবক্তাই গুৰুজনাৰ প্ৰৱৰ্ত্তিত ধৰ্ম, কলা-সংস্কৃতি প্ৰচাৰ কৰি আহিছে, তেখেত হ'ল শ্ৰীৰবীন বৰা বাপ । তেখেতে দৈয়াং, ফৰকাটিং, বৰহোলা আদি অঞ্চলত বিভিন্ন ধৰ্মালোচনী সভাত শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্মৰ ওপৰত মনোগ্ৰাহী ভাষণ দিছিল ।

বৰ্তমান প্ৰাথমিকখনিৰ সভাপতি আৰু সম্পাদক হ'ল - শ্ৰীনন্দেশ্বৰ সন্দিকৈ আৰু শ্ৰীতৰুণ ফুকন । প্ৰাথমিকখনিত বৰ্তমান গৃহস্থীৰ সংখ্যা বৃদ্ধি পাইছে । উল্লেখযোগ্য যে কৃষ্ণ শঙ্কৰ জ্যোতি প্ৰাথমিক শাখাৰ যত্নত নতুন প্ৰাথমিক 'ৰামকৃষ্ণ' প্ৰাথমিক শাখাৰ জন্ম হয় ।

## ফুকনটোল শ্ৰীমন্ত প্ৰাথমিক শাখা

### গঠন ঃ ১৯৭৭ চন

গাঁওখনৰ নাম হাবিচুকীয়া গাঁও আৰু ইয়াৰ চুবুৰীটোৰ নাম ফুকনটোল। উল্লেখযোগ্য যে গাঁওখন হাবিৰ এচুকত অৱস্থিত বাবেই ইয়াৰ নাম হ'ল হাবিচুকীয়া গাঁও । বুৰঞ্জী প্ৰসিদ্ধ লটা-কটা ৰণৰ সময়ত হৰনাথ ভিতৰুৱাল ফুকনে এই গাঁওখন প্ৰতিষ্ঠা কৰে । ই প্ৰায় ১৫০ বৰ্গ কিলোমিটাৰ বিস্তৃত এখন বাহজবন্দী গাঁও । এই অঞ্চলৰ বিশিষ্ট ব্যক্তি শ্ৰীকেশৱ চন্দ্ৰ বৰুৱা , শ্ৰীগুণাৰাম ফুকন, শ্ৰীকেশৱ ৰাজখোৱাদেৱৰ প্ৰচেষ্টাত 'ফুকনটোল শ্ৰীমন্ত প্ৰাথমিক'ৰ জন্ম হয় । ইং ১৯৭৭ চনৰ ৫ এপ্ৰিলত উক্ত প্ৰাথমিকখন ফুকনটোল

চুবুৰীটোৰেই সীমাৱদ্ধ । এই চুবুৰীৰ মুঠ গৃহস্থীৰ সংখ্যা ৪৫ ঘৰ আৰু ইয়াৰ মুঠ জনসংখ্যা ২৪৪ জন । প্ৰাথমিকৰ প্ৰতিষ্ঠাপকসকল হ'ল- ১। উপদেষ্টা- প্ৰয়াত ভদ্ৰ ফুকন, ২। সভাপতি- প্ৰয়াত টংকেশ্বৰ ফুকন, ৩। সম্পাদক- প্ৰয়াত পুণ্যেশ্বৰ ফুকন, ৪। সদস্য- শ্ৰীযোগেন্দ্ৰ নাথ ফুকন, শ্ৰীধনীৰাম ফুকন, প্ৰয়াত সিদ্ধেশ্বৰ ফুকন ।

প্ৰাথমিকৰ কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়-ববীয়াসকল- যথাক্ৰমে -

৫২৯ শঙ্কৰাব্দ - ১৯৭৭ চন :-

উপদেষ্টা : প্ৰয়াত ভদ্ৰ ফুকন ।

সভাপতি : প্ৰয়াত টংকেশ্বৰ ফুকন ।

সম্পাদক : প্ৰয়াত পুণ্যেশ্বৰ ফুকন ।

৫৩২ শঙ্কৰাব্দ ১৯৮০ চনত নতুন কমিটি গঠন কৰা হয় যদিও সভাই পুৰণা কমিটিক বাহাল ৰাখে ।

৫৩৪ শঙ্কৰাব্দ ১৯৮২ চন : সভাপতি - প্ৰয়াত টংকেশ্বৰ ফুকন, উপ-সভাপতি - প্ৰয়াত পুণ্যেশ্বৰ ফুকন, সম্পাদক - প্ৰয়াত সিদ্ধেশ্বৰ ফুকন, সহঃ সম্পাদক শ্ৰীনন্দেশ্বৰ ফুকন ।

৫৩৬ শঙ্কৰাব্দ - ১৯৮৪ চন - সভাপতি প্ৰয়াত টংকেশ্বৰ ফুকন । উপ-সভাপতি - শ্ৰীযোগেন্দ্ৰনাথ ফুকন, সম্পাদক - শ্ৰীনন্দেশ্বৰ ফুকন, সহঃ সম্পাদক - শ্ৰীপ্ৰদীপ ফুকন ।

৫৩৮ শঙ্কৰাব্দ - ১৯৮৬ চন - সভাপতি প্ৰয়াত টংকেশ্বৰ ফুকন, উপ-সভাপতি - শ্ৰীযোগেন্দ্ৰ নাথ ফুকন, সম্পাদক - শ্ৰীবিমল ফুকন, সহঃসম্পাদক - শ্ৰীতোলন ফুকন ।

৫৪০ শঙ্কৰাব্দ- ১৯৮২ চন - সভাপতি প্ৰয়াত সিদ্ধেশ্বৰ ফুকন, উপ-সভাপতি - শ্ৰীআনন্দেশ্বৰ ফুকন, সম্পাদক - শ্ৰীজিতেন ফুকন, সহঃ সম্পাদক - শ্ৰীতাৰা ফুকন ।

৫৪৫ শঙ্কৰাব্দ - ১৯৯৫ চন - সভাপতি - শ্ৰীজিতেন ফুকন, উপ-সভাপতি শ্ৰীবিপিন ফুকন, সম্পাদক শ্ৰীবিমল ফুকন ।

৫৪৮ শঙ্কৰাব্দ - ১৯৯৭ চন - সভাপতি শ্ৰীবিপিন ফুকন, সম্পাদক - শ্ৰীপোৱাল ফুকন ।

ফুকনটোল শ্ৰীমন্ত প্ৰাথমিকৰ পৰা এখন নতুন প্ৰাথমিক শাখা 'শ্ৰীশ্ৰী মাধৱদেৱ ফুকন টোল প্ৰাথমিক' নামেৰে গঠন হয় ১৯৯৬ চনত । বৰ্তমান

ফুকনটোল শ্ৰীমন্ত প্ৰাথমিকৰ ৩২ ঘৰ গৃহস্থীৰ ৮১ জন সঙ্গী আছে । প্ৰাথমিকৰ সঙ্গীসকলে গুৰুজনাৰ ধৰ্মাদৰ্শ তথা সাহিত্য-সংস্কৃতি প্ৰচাৰ প্ৰসাৰৰ উদ্দেশ্যে গুৰুজয়ন্তী শ্ৰীশ্ৰীমাধৱদেৱৰ আৱিৰ্ভাৱ তিথি উদ্‌যাপন কৰাৰ লগতে শিশু আৰু যুৱসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে ।

এই প্ৰাথমিকৰ বিশিষ্ট সঙ্গীসকল হ'ল - মুক্তিযোদ্ধা সমাজবাদী নেতা প্ৰয়াত ভদ্ৰ ফুকন । একাধিকবাৰ প্ৰাথমিকৰ সভাপতিৰ পদ গ্ৰহণ কৰা অৱসৰপ্ৰাপ্ত প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰয়াত টংকেশ্বৰ ফুকন । অন্যান্যসকল হ'ল প্ৰয়াত সিদ্ধেশ্বৰ ফুকন । এখেত এগৰাকী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক আছিল । শ্ৰীনন্দেশ্বৰ ফুকন, অৱসৰপ্ৰাপ্ত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক । এখেত এসময়ত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ দৈয়াং আঞ্চলিক শাখাৰ সভাপতি আছিল ।

ধানখেতি এই অঞ্চলৰ প্ৰধান খেতি । সৰহ সংখ্যক লোক খেতিয়ক । তাৰ মাজতে চাকৰি জীৱি লোকো নথকা নহয় । অঞ্চলটিৰ লোকসকল গুৰু ধৰ্মত আগ্ৰহী ।

## মুদৈগাঁও কল্পতৰু প্ৰাথমিক শাখা

### ঘিলাধাৰী অঞ্চল

### গঠন ঃ ১৯৮১

মুদৈজান গাঁও কল্পতৰু প্ৰাথমিক শাখা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, ঘিলাধাৰী আঞ্চলিক শাখাৰ অন্তৰ্গত । এই প্ৰাথমিকখনি ঘিলাধাৰী মৌজাৰ মুদৈগাঁৱত অৱস্থিত ।

এই প্ৰাথমিকখনিত জড়িত ব্যক্তিসকল হ'ল - শ্ৰীবংশীধৰ শইকীয়া, শ্ৰীগোলাপ শইকীয়া আৰু শ্ৰীচন্দ্ৰ বৰা বাপ । বিশেষকৈ শ্ৰীবংশীধৰ শইকীয়া বাপে তেখেতৰ আপ্ৰাণ চেষ্টাত ১২ ঘৰ গৃহস্থীক লৈ ইং ১৯৮১ চনত কল্পতৰু প্ৰাথমিকৰ জন্ম দিয়ে । এই ক্ষেত্ৰত শ্ৰীশইকীয়া বাপৰ প্ৰচাৰ আৰু প্ৰসাৰ কাৰ্য্য শলাগিবলগীয়া ।

সেই সময়ত কল্পতৰু প্ৰাথকিখনিৰ সভাপতি আৰু সম্পাদক, ক্ৰমে প্ৰয়াত নালিয়া হাজৰিকা আৰু শ্ৰীসুৰেন হাজৰিকা বাপ আছিল । এই দুয়োগৰাকী ব্যক্তিয়ে প্ৰাথমিকখনি পৰিচালনাৰ যাৱতীয় কাম-কাজ সুচাৰুৰূপে

সম্পাদনা কৰাত অশেষ যত্ন কৰিছিল । প্ৰাথমিকখনিৰ বৰ্তমান সভাপতি আৰু সম্পাদক হ'ল - ক্ৰমে শ্ৰীদেবেন শইকীয়া আৰু শ্ৰীলক্ষেশ্বৰ শইকীয়া । বৰ্তমান প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ১৪ ঘৰ । গৃহস্থীৰ সংখ্যা বঢ়োৱাৰ বাবে আৰু প্ৰাথমিকৰ উন্নতিৰ কল্পে সংগীসকলে চেষ্টা চলাই আছে ।

# কৃষ্ণ-সূৰ্য্য প্ৰাথমিক শাখা

## ঘিলাধাৰী অঞ্চল

## গঠন ঃ ১৯৯০ চন

কৃষ্ণ-সূৰ্য্য প্ৰাথমিকখনি ঘিলাধাৰী মৌজাৰ ১ নং মাহিমেলীয়া গাঁৱত অৱস্থিত । এই প্ৰাথমিকখনি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, ঘিলাধাৰী আঞ্চলিক শাখাৰ অন্তৰ্গত । ১ নং মাহিমেলীয়া গাঁৱৰ ঘনকান্ত ফুকনৰ মৃত্যু হোৱাত মৃতকৰ কৰ্মভাগ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শ মতে সম্পাদন কৰা হয় । সেই উদ্দেশ্যে ১৯৯০ চনত ফুকনটোল শ্ৰীমন্ত প্ৰাথমিকৰ সঙ্গী শ্ৰীনন্দেশ্বৰ ফুকন, মধ্য ঘিলাধাৰী প্ৰাথমিকৰ সঙ্গী শ্ৰীকেশৱ চন্দ্ৰ ৰাজখোৱা আৰু শ্ৰীচন্দ্ৰ বৰা আদি বাপসকলৰ যত্নত 'কৃষ্ণ-সূৰ্য' প্ৰাথমিক শাখা গঠন হয় । প্ৰাথমিক শাখাটিৰ প্ৰথম সভাপতি আৰু সম্পাদক আছিল ক্ৰমে- সৰ্বশ্ৰী বাপধন বুঢ়াগোঁহাই, নগেন গগৈ বাপ বৰ্তমান শ্ৰীবিজিত গগৈ আৰু শ্ৰীজিতেন গগৈ বাবে কাৰ্যনিৰ্বাহ কৰি আছে । উপদেষ্টাৰ দায়িত্বত আছিল শ্ৰীমুখ্যেশ্বৰ বুঢ়াগোহাঁই আৰু শ্ৰীকৃষ্ণকান্ত বুঢ়াগোহাঁই । বৰ্তমান এখেতসকলেই প্ৰাথমিকৰ কাৰ্যনিৰ্বাহ কৰি আছে । বৰ্তমান গৃহস্থীৰ সংখ্যা ১৩ ঘৰ আৰু সঙ্গীৰ সংখ্যা ৩৫ জন ।

এই প্ৰাথমিকৰ সঙ্গীসকলৰ আৰ্থিক অৱস্থা অতি শোচনীয় । যিহেতু কৃষিজীৱী গৃহস্থীসকলক বানপানীয়ে প্ৰতি বছৰে জুৰুলা কৰি পেলাই । তথাপি সঙ্গীসকলৰ ধৰ্মৰ প্ৰতি বিশেষ অনুৰাগ আছে । প্ৰাথমিকখনৰ উজ্জ্বল ভৱিষ্যত আশা কৰিব পাৰি ।

# শ্ৰীহৰি প্ৰাথমিক শাখা
## ঘিলাধাৰী আঞ্চলিক
### গঠন ঃ ১৯৯৩ চন

শ্ৰীহৰি প্ৰাথমিক শাখা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ, ঘিলাধাৰী আঞ্চলিক শাখাৰ অন্তৰ্ভুক্ত । এই প্ৰাথমিক শাখাটি গোলাঘাট জিলাৰ ঘিলাধাৰী মৌজাৰ অন্তৰ্গত চকিয়াল দুলীয়া গাঁৱত অৱস্থিত । ১৯৯৩ চনৰ ১০ মাৰ্চ তাৰিখত স্থানীয় প্ৰাথমিকসমূহৰ চেষ্টাত সেইখন গাঁৱৰ দহঘৰ গৃহস্থীক লৈ শ্ৰীহৰি প্ৰাথমিক শাখা গঠন হয় ।

এই প্ৰাথমিক শাখাৰ পূৱে কাকডোঙা নদী আৰু সৰু কছাৰী গাঁও, পশ্চিমে মকৰং নদী আৰু মানুহ কটা জান, উত্তৰে আহোম ৰজা গদাধৰ সিংহৰ পলায়ন কালত স্থাপিত শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰ, দক্ষিণে আহোম ৰজাৰ বাৰী পৰিচালনা দায়িত্বত থকা বাৰিছোৱা গাঁও ।

বৰ্তমানে শ্ৰীহৰি প্ৰাথমিক শাখাৰ সভাপতি, সম্পাদক আৰু সাংগঠনিক সম্পাদক ক্ৰমান্বয়ে শ্ৰীনগেন বৰা, শ্ৰীমহেন শইকীয়া আৰু শ্ৰীবগাই বৰুৱা বাপ । উপদেষ্টাৰ দায়িত্বত আছে শ্ৰীচেনীৰাম বৰা আৰু শ্ৰীতিল বৰা বাপ । এই প্ৰাথমিক শাখাৰ সঙ্গীসকল শঙ্কৰী কৃষ্টিৰ প্ৰতি বিশেষ আকৰ্ষিত হোৱা পৰিলক্ষিত হৈছে । শ্ৰীহৰি প্ৰাথমিক শাখাই গুৰুজনাৰ আৰ্হিত ধৰ্মাদৰ্শ পালন কৰি অগ্ৰগতি লাভৰ বাবে অশেষ চেষ্টা কৰিছে ।

# শ্ৰীমাধৱ ফুকন টোল প্ৰাথমিক শাখা
## ঘিলাধাৰী আঞ্চলিক
### গঠন ঃ ১৯৯৭ চন

শ্ৰীমাধৱ ফুকন টোল প্ৰাথমিক শাখাটি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ঘিলাধাৰী আঞ্চলিক শাখাৰ অন্তৰ্ভুক্ত । এই শাখাটি 'হাবিচুকীয়া' নামে গাঁৱত অৱস্থিত। এই গাঁওখনৰ নামটি হাবি-বন কাটি বসতিৰ সুচল কৰি লোৱাৰ বাবে হাবিচুকীয়া গাঁও বুলি প্ৰবাদ আছে । এই গাঁৱৰ মাটি কালি ১ বৰ্গ কিলোমিটাৰ হ'ব । ইয়াৰ পূৱে বাৰীছোৱা গাঁও, পশ্চিমে ৰূপকলীয়া আৰু পুৰণি মেলীয়া গাঁও।

উত্তৰে মাহিমেলীয়া গাঁও আৰু দক্ষিণে গোলাঘাট বৰহোলা পথ । এই গাঁৱৰ সৰহ সংখ্যক লোক খেতিয়ক । চৰকাৰী চাকৰি সেৱাত থকা লোকৰ সংখ্যা কম । আহোম, চুতিয়া সম্প্ৰদায়ৰ লোক বেচি । ফুকন উপাধীধাৰী বেচি লোক থকা বাবে ফুকন টোল বুলি অঞ্চলটোৰ এটা খ্যাতি আছে । প্ৰয়াত ভদ্ৰকান্ত ফুকনৰ জীৱনী স্তম্ভত সন্নিবিষ্ট কৰা হৈছে । সমাজবাদী নেতা ভদ্ৰকান্ত ফুকন এই অঞ্চলৰ বিশেষ খ্যাতি সম্পন্ন ব্যক্তি আছিল । তেখেত এগৰাকী ধৰ্মপ্ৰাণ ব্যক্তি আৰু মুক্তিযোদ্ধা । স্বৰ্গীয় ভদ্ৰকান্ত ফুকনৰ যত্নতে এই অঞ্চলত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰাথমিক গঠন নহয় ।

১৯৭৭ চনত গোলাঘাট জিলা শাখাৰ সেই সময়ৰ প্ৰচাৰক শ্ৰীপ্ৰবীণ বুঢ়াগোহাঁই বাপে ভদ্ৰকান্ত ফুকনৰ আলমতে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰাথমিক শাখা এটা গঠনৰ উদ্দেশ্যে সভা-সমিতি পাতি আলোচনা কৰে । তাৰ ফল স্বৰূপে সেই অঞ্চলত 'শ্ৰীমন্ত ফুকন টোল' প্ৰাথমিক শাখাটি গঠন হয় । কেইবছৰমানৰ পাচত চলন-ফুৰণৰ সুবিধাৰ্থে কেইঘৰমান সঙ্গীয়ে আগৰ প্ৰাথমিক শাখাৰ পৰা আঁতৰি আহি 'শ্ৰীমাধৱ ফুকন টোল প্ৰাথমিক' নামে ১৯৯৭ চনত এই শাখাটি গঠন কৰে । গৃহস্থীৰ সংখ্যা প্ৰায় ৮ ঘৰ আৰু সঙ্গীৰ সংখ্যা ২০ জন । শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সাংগঠনিক নীতি মতে গৃহস্থী আৰু সঙ্গী নাথাকিলেও নতুন সঙ্গী গৃহস্থী বাঢ়িব বুলি আশা কৰা হৈছে । দুয়োখন প্ৰাথমিকৰ মাজত চালন চলন আৰু বুজাপৰা আছে । বৰ্তমান সভাপতি শ্ৰীকনকেশ্বৰ ফুকন আৰু সম্পাদক শ্ৰীৰোহিণী ফুকন ।

## চছিয়েলিষ্ট পথাৰ/ৰাম-কৃষ্ণ প্ৰাথমিক শাখা

### ঘিলাধাৰী আঞ্চলিক

### গঠন ঃ ১৯৯৭ চন

১৯৫০ চনত চছিয়েলিষ্ট সত্যাগ্ৰহী পথাৰ গাঁওখন স্থাপিত হৈছিল । ভাৰতবৰ্ষই স্বধীনতা লাভ কৰাৰ পিছতেই কংগ্ৰেছ চৰকাৰৰ আমোলত, ভাৰতীয় সমাজবাদী দলৰ জৰিয়তে প্ৰাক্তন মন্ত্ৰী শ্ৰীসোণেশ্বৰ বৰাদেৱৰ নেতৃত্বত ঘিলাধাৰী চাহ বাগিচাৰ অন্তৰ্গত অঞ্চলৰ হাবি-বন কাটি উক্ত গাঁওখন প্ৰতিষ্ঠা হৈছিল । 'সমাজবাদী' শব্দটোৰ ইংৰাজী প্ৰতিশব্দ 'চছিয়েলিষ্ট' শব্দ ইয়াত প্ৰয়োগ কৰা হৈছে । বাগানৰ মাটি বেদখল কৰোঁতে বহুতো সত্যাগ্ৰহী লোক

জেললৈ যাব লগা হৈছিল । মহাত্মা গান্ধীৰ সত্যাগ্ৰহী আন্দোলনৰ আধাৰত সেই সময়ত বিপ্লৱ হৈছিল আৰু তাৰপৰাই 'সত্যাগ্ৰহী' শব্দ ব্যৱহাৰ কৰা হৈছে । বৰ্ত্তমানে গাঁওখনৰ নাম চহিয়েলিষ্ট পথাৰ ।

ইং ১৯৭০ চনত এই অঞ্চলৰ বিশিষ্ট ব্যক্তি প্ৰয়াত কমল বৰা, শ্ৰীইন্দ্ৰ ফুকনদেৱে একশৰণ হৰিনাম ধৰ্ম গ্ৰহণ কৰে । তেখেতকসকলৰ প্ৰচেষ্টাত গাঁওখনত নামধৰ্মৰ বিষয়ে আলোচনা হৈছিল । কালক্ৰমত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি-আদৰ্শ প্ৰচাৰ আৰু প্ৰসাৰ হ'বলৈ ধৰে । ইং ১৯৯৬ চনত স্বৰ্গীয় মহন বৰাদেৱৰ মৃতাহ কৰ্ম তেওঁৰ পৰিয়ালে দৈয়াঙৰ কৃষ্ণ-শঙ্কৰ জ্যোতি প্ৰাথমিক শাখাৰ সহযোগত সংঘৰ আৰ্হিৰে সম্পন্ন কৰে । ইয়াৰ এবছৰৰ পিছত স্বৰ্গীয় নগাৰাম বৰাদেৱৰ মৃতাহ কৰ্মও সংঘৰ আৰ্হিত সম্পন্ন কৰা হয়। উক্ত গাঁৱৰ সংঘৰ সঙ্গীৰ সংখ্যা বৃদ্ধি পোৱাত শ্ৰীমোহনৰাম বৰা, শ্ৰীতিলেশ্বৰ বৰা আৰু শ্ৰীদণ্ডেশ্বৰ বৰাদেৱৰ উদ্যোগত ইং ১৯৯৭ চনত নৰেশ্বৰ মাহত চহিয়েলিষ্ট পথাৰৰ নতুন নামঘৰত অনুষ্ঠিত সভাত 'ৰাম কৃষ্ণ প্ৰাথমিক শাখা' গঠন কৰা হয় । সেই সভাতে শ্ৰীতিলেশ্বৰ বৰা আৰু শ্ৰীপদ্মেশ্বৰ বৰাক ক্ৰমে সভাপতি আৰু সম্পাদক হিচাপে লৈ ৯জন সদস্যৰে এখন কাৰ্যনিৰ্বাহক কৰি আছে । প্ৰাথমিক শাখাৰ সঙ্গী গৃহস্থী ১৪ ঘৰ ।

# মণিকাঞ্চন আঞ্চলিক শাখা

## গঠন ঃ ১৯৯৯ চন

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ গোলাঘাট জিলা শাখাৰ উত্তৰ-পূৱ অঞ্চলত অৱস্থিত কাকডোঙা আৰু গুৰযোগনীয়া মৌজাৰ ৯ খন প্ৰাথমিক শাখাক লৈ ‘মণিকাঞ্চন আঞ্চলিক শাখা গঠিত হৈছে। যোৱা ইং ৫-১-৯৯ তাৰিখে গোলাঘাট জিলা শাখাৰ পৰা স্বীকৃতি পোৱা আঞ্চলিক শাখাৰ অন্তৰ্গত প্ৰাথমিক সমূহ হৈছে - (১) উজিৰ গাঁও প্ৰাথমিক গঠন - ১৯৬৯ চন, (২) ডুবিয়াল প্ৰাথমিক - ১৯৭৩, (৩) নামখাটোৱাল প্ৰাথমিক - ১৯৭৬, (৪) ডোমজৰীয়া নাৰায়ণ প্ৰাথমিক - ১৯৮৪, (৫) শ্ৰীমন্ত প্ৰাথমিক ১৯৮৬, (৬) লুকুমাই শ্ৰীমন্ত প্ৰাথমিক - ১৯৮৬, (৭) মাজুকুচী প্ৰাথমিক শাখা - ১৯৯১, (৮) বেজগাঁও ৰাম কৃষ্ণ প্ৰাথমিক -১৯৯২, (৯) পশ্চিম লুকুমাই প্ৰাথমিক - ১৯৯৫ চন

**আঞ্চলিক শাখাৰ কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়ববীয়াসকল - ১৯৯৯ - ২০০০ চন**

সভাপতি - শ্ৰীবংশী শইকীয়া, উপসভাপতি - শ্ৰীবংশী ভূঞা, সম্পাদক - শ্ৰীগোপাল দত্ত, সহঃসমপাদক - শ্ৰীঅজিত দত্ত, সাহিত্য শাখা - সভাপতি- শ্ৰীহৰেণ দত্ত, সম্পাদক-শ্ৰীদিগন্ত শইকীয়া, সংস্কৃতি শাখা - সভাপতি - শ্ৰীদিলীপ দত্ত, সম্পাদক - শ্ৰীৰমেন পাঠক, প্ৰচাৰ সমিতি - শ্ৰীঅনিল বৰপাত্ৰ গোঁহাই।

বৰ্তমান ডুবিয়াল নামঘৰতে আঞ্চলিক শাখাৰ অস্থায়ী কাৰ্য্যালয় হিচাবে যাবতীয় কাম-কাজ চলাই থকা হৈছে।

# উজৰি গাঁও প্ৰাথমিক শাখা

## গঠন ঃ ১৯৬৯ চন

**গাৱঁৰ নামৰ উৎপত্তি ঃ** উত্তৰ লক্ষীমপূৰ জিলাৰ নাৰায়ণ পুৰৰ কলাবাৰীৰ পৰা অন্ন সংস্থানৰ বাবে চাৰি-পাঁচ জনমান বাৰ ভূঞা বংশৰ উজিৰ পদবীধাৰী তথা উজিৰ ফৈদৰ লোক, লগতে চৌৰাচোৱা বংশৰ এজন লোক আহি লহকৰ ভূঞাৰ আশ্ৰয়ত বসবাস কৰিবলৈ লয়। তাৰ বহু বছৰৰ পাছত দলকিনা হাজৰিকা আৰু চৰাই চুত্তী নামৰ দুঘৰ মানুহ আহি উক্ত গাৱঁৰ লগতে থাকিবলৈ লয়। এই লোক সকলেই গাঁৱৰ নাম উজিৰ গাঁও দিয়ে। তাৰ বহু বছৰৰ পাছত কাশী ঘৰা ঘৰৰ এজন লোক থাকিবলৈ আহি এই গাঁৱতে স্থায়ী বাসিন্দা হয়।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

উজিৰ গাঁৱৰ এলেকা প্ৰায় ১২০ পুৰা মাটিৰ । গোলাঘাট চহৰৰ পূৱে ২৪ কিঃমিঃ দূৰত কাকডোঙা মৌজাৰ মধ্য পূব ভাগত এই গাঁও অৱস্থিত ।

উজিৰ গাঁৱৰ পূৱে দলৈ গাঁও আৰু ন-পমুৱা গাঁও । পশ্চিমে পেটুৱা গাঁও আৰু চমুৱা গাঁও, উত্তৰে - নাম খাটোৱাল আৰু এনাই ঘৰীয়া গাঁওত, দক্ষিণে -বেজগাঁও আৰু কুকুৰাপুহীয়া গাঁও ।

উজিৰ গাঁৱৰ জনসংখ্যা প্ৰায় ২০০ জন আৰু গৃহস্থী মুঠ ৪৪ ঘৰ ।

এই গাঁৱৰ গুণ সম্পন্ন ব্যক্তিসকলৰ ভিতৰত প্ৰয়াত ডম্বোধৰ ভূঞা, মইনা হাজৰিকা, বগাই বৰা, কেহাঁই বৰা, শ্ৰীশান্তিৰাম বৰা, শ্ৰীহেমধৰ ভূঞা, শ্ৰীতোষেশ্বৰ দত্ত আদিয়ে প্ৰধান । এইসকল ব্যক্তিৰ প্ৰচেষ্টাতে উজিৰ গাঁৱত এখনি প্ৰাথমিক বিদ্যালয়, নামঘৰ আদিৰ জন্মৰ লগতে উজিৰ গাঁৱত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এখন প্ৰাথমিকো প্ৰতিষ্ঠা হয় ।

১৯৬৯ চনত প্ৰয়াত ডম্বোধৰ ভূঞাক সভাপতি আৰু শ্ৰীযুত বোষেশ্বৰ শইকীয়া বাপক সম্পাদক হিচাপে লৈ প্ৰয়াত মইনা হাজৰিকা , প্ৰয়াত কেঁহাই বৰা, প্ৰয়াত বগাই বৰা, শ্ৰীহেম ভূঞা, শ্ৰীশান্তিৰাম বৰা, শ্ৰীতোষেশ্বৰ দত্তক লৈ এখনি প্ৰাথমিক সমিতি গঠন কৰা হয় । আৰু 'উজিৰ গাঁও প্ৰাথমিক' নামেৰে এখনি প্ৰাথমিক শাখা খোলা হয় আৰু জিলালৈ স্বীকৃতি পাবৰ বাবে আবেদন কৰা হয় ১৯৭৩ চনত । ২-৪-৭৪ তাৰিখে উক্ত প্ৰাথমিকক জিলাই স্বীকৃতি প্ৰদান কৰে । উক্ত প্ৰাথমিক গঠনৰ উদ্যোক্তা সকলে অশেষ জ্বালা-যাভ্ৰনা ভূগিব লগা হয় আৰু অক্লান্ত পৰিশ্ৰমৰ ফলত প্ৰাথমিকখনি গঠন কৰা হয় । বৰ্ত্তমান প্ৰাথমিকত ৮ ঘৰ গৃহস্থী আৰু ২১ জন সঙ্গী আছে ।

প্ৰচাৰ আৰু প্ৰসাৰ আৰু সংগঠনৰ দিশত উজিৰ গাঁও প্ৰাথমিকে যথেষ্ট অৰিহণা যোগাই আহিছে । এই প্ৰাথমিকৰ জড়িয়তে বেজ গাঁও প্ৰাথমিক আৰু নাম খাটোৱাল প্ৰাথমিক গঠন কৰা হয় । এই দুখন প্ৰাথমিক গঠন কৰোঁতে নানা দিহা-পৰামৰ্শ দি কষ্ট স্বীকাৰ কৰি সংগঠনৰ দিশত কাম কৰা হয় । বৰ্ত্তমান এই দিশত কোনো ধৰণৰ কামত আগবাঢ়িব পৰা নাই । কেইজনমান সঙ্গী এই প্ৰাথমিকলৈ আহিছিল যদিও সংঘৰ নীতি নিয়ম মানি চলিব নোৱাৰি নিজে নিজে প্ৰাথমিকৰ পৰা আঁতৰি যায় ।

উক্ত প্ৰাথমিকৰ আৰ্থিক অৱস্থা-সবল নহয় যদিও সমাজিক দিশত পিছ পৰি থকা নাই । মহাপুৰুষ গুৰুজনাৰ জন্ম তিথি উৎসৱ ভাগো পাৰ্য্যমানে পালন কৰি থকা হৈছে । তাৰোপৰি বাৰ্ষিক নাম, ভাওনা ইত্যাদিও বছৰি আয়োজন কৰা হয় ।

প্ৰাথমিক শাখাৰ নেতৃ স্থানীয় ব্যক্তি বুলিলে প্ৰয়াত ডম্বোধৰ ভূঞাৰ নামেই উল্লেখ কৰিব লাগিব । তেখেতে গাঁৱৰ 'গাঁও বুঢ়া'ৰ পদ লৈও যি পৰিশ্ৰম তথা কষ্ট স্বীকাৰ কৰি উক্ত প্ৰাথমিক গঠন কৰিলে তাক নু-সুঁৱৰি নোৱাৰি । প্ৰয়াত ভূঞা বাপেই বৈষ্ণৱ পণ্ডিত কুমেশ্বৰ কলিতা বাপ আৰু শ্ৰী চন্দ্ৰ হাজৰিকা বাপক উক্ত গাঁৱলৈ আনি

এই প্ৰাথমিকখনি গঠন কৰে। ১৯০১ চনত জন্ম গ্ৰহণ কৰি ৮৯ চনৰ বহাগ মাহত তেখেতে সকলোকে কন্দুৱাই চিৰ দিনলৈ বৈকুণ্ঠগামী হয়। তেখেতে বৈকুণ্ঠ গামী হ'ল সঁচা কিন্তু তেখেতৰ কৰ্মৰাজী চিৰদিনলৈ উজ্জ্বল হৈ থাকিব।

ক্ৰমান্বয়ে হোৱা প্ৰাথমিকৰ সভাপতি/সম্পাদকৰ তালিকা স্বৰ্গীয় ভদ্ৰেশ্বৰ ভূঞা সভাপতিৰ পদত মুঠ ১২বছৰ, শ্ৰীশান্তিৰাম বৰা সভাপতিৰ পদত মুঠ ৭ বছৰ, শ্ৰীতোষেশ্বৰ দত্ত একেৰাহে ৫ বছৰ কাল সভাপতিৰ কাৰ্য্যকাল চলাই আহিছে। প্ৰাথমিকৰ সম্পাদকৰ পদত শ্ৰীৰোমেশ্বৰ শইকীয়াই মুঠ ১২ বছৰ, শ্ৰীহেমধৰ ভূঞাই ১১ বছৰ কাল চলাই। বৰ্ত্তমান বছৰত প্ৰাথমিকৰ সম্পাদক হিচাপে শ্ৰীদিগন্ত শইকীয়াৰ কাম-চলাই আছে। বৰ্ত্তমান বছৰত প্ৰাথমিকৰ সম্পাদক হিচাপে শ্ৰীদিগন্ত শইকীয়াই কাম-চলাই আছে।

# ডুবিয়াল প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৩ চন

গোলাঘাট জিলাৰ অন্তৰ্গত কাকডোঙা মৌজাৰ উত্তৰ পশ্চিম দিশত এই ডুবিয়াল গাঁওখন অৱস্থিত। গাঁওখনৰ নামটোৰ উৎপত্তি সম্পৰ্কে গাঁৱৰ বয়োজেষ্ঠ ব্যক্তিসকলৰ মন্তব্য হ'ল - মানৰ আক্ৰমণৰ সময়ত বৰ্ত্তমানৰ দৰং জিলাৰ 'ডুবিয়া' নামৰ অঞ্চলৰ পৰা লোকসকল আহি এই অঞ্চলত বসতি কৰিবলৈ লৈছিল। কালক্ৰমত সেই ডুবিয়া লোকসকলৰ পৰাই এই গাঁওখনৰ নাম ডুবিয়াল গাঁও হয়।

বৰ্ত্তমান এই গাঁৱৰ গৃহস্থীৰ সংখ্যা ৭৫ ঘৰ। জন সংখ্যা ৪৫০ জন। গাঁওখনৰ জনবসতি অঞ্চল প্ৰায় আঢ়ৈ বৰ্গ কিলোমিটাৰ। ইয়াৰ অধিক সংখ্যক লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। কুঁহিয়াৰ, ধান আদি খেতিয়েই প্ৰধান যদিও বৰ্ত্তমান কেইবাঘৰো গৃহস্থীয়ে চাহ খেতি কৰি আৰ্থিকভাৱে উপকৃত হোৱা দেখা গৈছে।

১৯৭৩ চনত বাৰঘৰ গৃহস্থীয়ে ডুবিয়াল প্ৰাথমিক শাখাটি গঠন কৰা হয়। সময়ৰ অগ্ৰতিত উক্ত প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ৩৫ ঘৰলৈ বৃদ্ধি পাইছিল যদিও যোৱা ৫৪৮ শঙ্কৰাব্দত এই প্ৰাথমিকৰপৰা একাংশ সঙ্গী আঁতৰি গৈ আন এখন নতুন প্ৰাথমিকৰ জন্ম দিয়ে। বৰ্ত্তমান ডুবিয়াল প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ২১ ঘৰ।

এই প্ৰাথমিক ভাগ প্ৰতিষ্ঠাত বিশেষভাৱে অবিহণা যোগাইছিল প্ৰাক্তন পদাধিকাৰ শ্ৰীঅচ্যুত কৃষ্ণ মিশ্ৰ আৰু বৈষ্ণৱ পণ্ডিত শ্ৰীসোণাৰাম চুতিয়া বাপে। ইয়াৰ উপৰিও এই গাঁৱৰে সঙ্গী শ্ৰীকমল পাঠক বাপৰ অবদান উল্লেখ্যযোগ্য। শ্ৰীকমল পাঠক বাপে প্ৰথমে হাবিয়াল মুক্তি প্ৰাথমিকৰ সঙ্গীভৰ্ত্তি হৈ তেখেতৰ বিবাহ কাৰ্য্য ভাগ নামধৰ্মৰে সম্পন্ন কৰে। তদুপৰি এই প্ৰাথমিকৰে সঙ্গী শ্ৰীইন্দ্ৰেশ্বৰ দত্ত বাপে তেখতৰ দুহিতাক কাকডোঙা মৌজাত সৰ্বপ্ৰথমে বিবাহ কাৰ্য ভাগ নাম ধৰ্মৰে সম্পন্ন কৰি এক আদৰ্শ ৰাখি থৈ

যায় ।

এই গাঁৱৰ নামঘৰতেই ১৯৭২ চনৰ ২৬ মে' তাৰিখে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সঙ্গী সকল আৰু বেঙেনা আটী তথা এলেঙ্গীসত্ৰৰ সত্ৰাধিকাৰৰ মাজত এখন বিৰ্তকমূলক ধৰ্মালোচনী সভা অনুষ্ঠিত হৈছিল । সত্ৰাধিকাৰ দুগৰাকীয়ে শাস্ত্ৰৰ বিকৃত ব্যাখ্যাৰে সংঘৰ নীতি আদৰ্শক সমালোচনা কৰিছিল । কিন্তু সংঘৰ ফালৰপৰা উপস্থিত থকা শ্ৰীঅচ্যুত কৃষ্ণ মিশ্ৰ, শ্ৰীগোপাৰাম চুতীয়া, শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া, শ্ৰীযোগেশ্বৰ বৰা আৰু প্ৰযাত কুমেশ্বৰ কলিতা আদি বাপসকলৰ শাস্ত্ৰসম্মত যুক্তিত তেখেতসকল হাৰ মানিব লগাত পৰিছিল । শেষত বেঙেনাআটী সত্ৰৰ সত্ৰাধিকাৰৰ পৰা সংঘৰ নীতি আদৰ্শ প্ৰচাৰত সম্পূৰ্ণ স্বীকৃতি পোৱা হৈছিল ।

এই প্ৰাথমিকৰ প্ৰথম সভাপতি প্ৰয়াত বগাই পাঠকদেৱ । প্ৰাথমিকখনৰ সংগঠনত তেখেতৰ বহুমূলীয়া অৱদান আছে । প্ৰথম সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰে । শ্ৰীনগেন হাজৰিকাদেৱে । ইয়াৰ পিছত ইয়াৰ দায়িত্ব পালন কৰে শ্ৰীদ্ৰোণ হাজৰিকাদেৱে ।

বৰ্ত্তমান ডুবিয়াল প্ৰাথমিকৰ সভাপতি শ্ৰীদেহি ৰাম বৰা আৰু সম্পাদক শ্ৰীহৃৰেণ দত্ত দেৱ ।

# নামখাটোৱাল প্ৰাথমিক শাখা

## গঠন ঃ ১৯৭৬ চন

গোলাঘাট জিলাৰ অন্তৰ্গত কাকডোঙা মৌজাত নামখাটোৱাল গাঁও অৱস্থিত । এই গাঁৱৰ উৎপত্তি সম্পৰ্কে জনা যায় যে অতি পুৰণি কালত আউনীআটী, বেঙেনাআটী আৰু এলেঙী সত্ৰৰ সত্ৰাধিকাৰ সকল এই গাঁৱলৈ 'খাটোৱালা'ত আহিছিল । গাঁৱৰ শিষ্যসকলে খাটোলা ভাৰ বৈ আনিছিল । সেই বাবে এই গাঁৱৰ লোকসকলক 'খাটোৱাল' বোলা হৈছিল । সত্ৰাধিকাৰ সকল আহি গাঁৱৰ দুটা অঞ্চলত বাহৰ পাতি কৰকাটল সংগ্ৰহ কৰিছিল । ইয়াৰ এটা ভাগক 'ওপৰ খাটোৱাল' আৰু আনটো ভাগক 'নামখাটোৱাল' বুলি জনা যায় । কাকডোঙা নদীৰ চাবুক ধৰা ঘাটৰ কাষৰ অংশক 'ওপৰ খাটোৱাল ' আৰু এই নদীৰ নামনি অঞ্চলক 'নাম খাটোৱাল ' বুলি আখ্যা দিয়া হয় । বৰ্ত্তমান এই গাঁৱৰ গৃহস্থীৰ সংখ্যা ৮০ ঘৰ আৰু জনসংখ্যা প্ৰায় ৮৫০ জন । গাঁৱৰ মাটিকালি ৫ বৰ্গকিলোমিটাৰ হ'ব ।

১৯৭৬ চনত এই গাঁৱৰ ৬ঘৰ গৃহস্থীৰে সংঘৰ প্ৰাথমিক শাখাটি গঠন কৰা হয় । সময়ৰ অগ্ৰগতিত এই প্ৰাথমিকৰ গৃহস্থীৰ সংখ্যা ১৩ ঘৰলৈ বৃদ্ধি পায় ।

প্ৰাথমিক ভাগ প্ৰতিষ্ঠাত হাবিয়াল মুক্তি প্ৰাথমিকৰ সঙ্গী শ্ৰী--- শইকীয়া, প্ৰায়ত খগেশ্বৰ ৰাজখোৱা, প্ৰায়ত বেথাৰাম ৰাজখোৱা আৰু শ্ৰীমাণিক চন্দ্ৰ গায়নৰ অৰিহণা উল্লেখযোগ্য । শ্ৰীঅনিল বৰপাত্ৰ গোহাঁই দেৱে মাজে সময়ে ধৰ্মীয় অনুষ্ঠানত অংশ

গ্ৰহণ কৰি মহাপুৰুষীয়া ধৰ্মৰ ব্যাখ্যাৰে সঙ্গীসকলক সংঘৰ প্ৰতি অনুপ্ৰেৰণা যোগাই আহিছে। প্ৰাথমিকৰ প্ৰতিষ্ঠাপক সভাপতি সম্পাদক ক্ৰমে প্ৰয়াত মুহিৰাম দত্ত আৰু শ্ৰীবিৰাই দত্ত আছিল। বৰ্ত্তমান শ্ৰীবিৰাই দত্ত- সভাপতি, শ্ৰীঅজিত দত্ত সম্পাদক হিচাপে প্ৰাথমিকৰ কাৰ্যনিৰ্বাহ কৰি আছে।

# দোমজৰীয়া নাৰায়ণ প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮৪ চন

গোলাঘাট জিলাৰ অন্তৰ্গত গুৰ যোগনীয়া মৌজাৰ দোমজৰীয়া গাঁওখন অৱস্থিত। এই গাঁও গোলাঘাট জিলাৰ পূব দিশৰ একেবাৰে শেষ গাঁও। এই গাঁও পাৰ হৈয়ে যোৰহাট জিলা পায়।

দোমজৰীয়া গাঁওখনৰ নামটো আহোম ৰজাৰ দিনৰপৰা হয়। কাৰণ এই গাঁৱৰ এজন লোক আহোম ৰজা কনচেং বৰ পাত্ৰ গোহাঁইৰ কৰ্মচাৰী আছিল। কিন্তু তেখেত সদায় কামত উপস্থিত নাথাকে। এদিন ৰজাই মতাই নি সোধাত লোকজনে মাজে সময়ে 'দোমাজ্বৰ' উঠা বুলি কোৱাত ৰজাই সৈমান হৈ লোকজনক দোমজ্বৰ নাম দিয়ে। সেই লোকজনৰ 'দোমজ্বৰ' নামৰ পৰাই গাঁওখনৰ নাম দোমজৰীয়া হয়।

এই গাঁওখনৰ মাটি কালি প্ৰায় ১ বৰ্গ কিল'মিটাৰ। এই গাঁৱৰ উত্তৰ সীমাত আছে মহবন্ধা আলি, পূৰ্বে পণ্ডিত বাগান আৰু কাকডোঙা নদী, পশ্চিমে লুকুমাই গাঁও আৰু দক্ষিণে ৰেল লাইন।

দোমজৰীয়া গাঁৱৰ ৮০ ঘৰ গৃহস্থী আৰু জনসংখ্যা প্ৰায় ৫০০ জন। এই গাঁৱৰ গুণ সম্পন্ন ব্যক্তিসকল হ'ল সৰ্বশ্ৰী অনিল বৰপাত্ৰ গোহাঁই, শিশুৰাম তামুলী, অৰুণ বৰা, গোলাপ বৰা, নৰেণ বৰপাত্ৰ গোহাঁই আদি।

এই গাঁৱৰ অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ ফালৰপৰা একেবাৰে সীমিত। এখন প্ৰাইমেৰী বিদ্যালয়, এটি যুৱক সংঘ, আৰু এখন মহিলা সমিতি আৰু এটি নামঘৰ আছে।

দোমজৰীয়া নাৰায়ণ প্ৰাথমিক ভাগ জন্ম হোৱাৰ আগতে প্ৰয়াত ৰূপেশ্বৰ বৰপাত্ৰ গোহাঁই, জপৰা বৰা, শ্ৰীমহেন বৰপাত্ৰ গোহাঁই আদিয়ে আপ্ৰাণ চেষ্টা চলাইও প্ৰাথমিক গঠন কৰিব পৰা নাছিল। কিন্তু প্ৰয়াত ৰূপেশ্বৰ বৰপাত্ৰ গোহাঁইৰ মৃত্যুৰ পাছত শ্ৰীমহেন বৰপাত্ৰ গোহাঁই আৰু শ্ৰীঅনিল বৰপাত্ৰ গোহাঁয়ে প্ৰাথমিক গঠন কৰিব নোৱাৰি কছুলিয়াল প্ৰাথমিকৰ সঙ্গীভূক্ত হৈও দোমজৰীয়াত এখন প্ৰাথমিক প্ৰতিষ্ঠাৰ চেষ্টাা এৰা নাছিল। ১৯৬১ চনত লুকুমাই গাঁৱত মূল সংঘৰ ৩০ তম অধিৱেশন হোৱাত কিছুলোকৰ আত্ম চেতনাবোধ হোৱাত ১৯৮৪ চনত এখনি প্ৰাথমিক গঠন হয়। এই গাঁৱৰ প্ৰাথমিক ভাগৰ নাম ৰখা হয় 'দোমজৰীয়া নাৰায়ণ প্ৰাথমিক'। এই প্ৰাথমিকৰ

উদ্যোক্তা সকল হ'ল - সৰ্বশ্ৰী অনিল বৰপাত্ৰ গোহাঁই, বেজিয়া বৰা, পোনাৰাম বৰা, অৰুণ চন্দ্ৰ বৰা গৃহস্থীৰ সংখ্যা দহ ঘৰ আৰু সঙ্গীৰ সংখ্যা ২৭ জন।

প্ৰচাৰ প্ৰসাৰ আৰু সংগঠনৰ দিশত এই প্ৰাথমিক শাখাৰ ভূমিকা অতি কম নহয়। কাৰণ এই প্ৰাথমিকৰ সঙ্গী শ্ৰীঅনিল বৰপাত্ৰ, গোহাঁইৰ অৱদান উল্লেখযোগ্য। তেখেতে বিভিন্ন ঠাইত বক্তৃতা দি কোনো কোনো অঞ্চলত প্ৰাথমিকো গঠন কৰিছে। আৰ্থ সামাজিক দিশত এই প্ৰাথমিক তেনেই পিছপৰা।

১৯৮৬ চনত পোনাৰাম বৰা, সভাপতি, অনিল বৰাপাত্ৰ গোহাঁই সম্পাদক ১৯৯২ চনতে সভাপতি শ্ৰীদ্ৰোণ বৰপাত্ৰ গোহাঁই সম্পাদক - শ্ৰীপদ্মধৰ বৰা। ১৯৯৪ চনৰ পৰা বৰ্ত্তমানলৈকে কাৰ্য্য নিৰ্ব্বাহক কৰি থকা সভাপতি শ্ৰীমহেন বৰাপাত্ৰ গোহাঁই সম্পাদক শ্ৰীপদ্ম বৰা।

# শ্ৰীমন্ত প্ৰাথমিক শাখা (লুকুমাই গাঁও)

## গঠন ঃ ১৯৮৬ চন

গোলাঘাট জিলাৰ দেৰগাঁও আৰু গুৰুযোগনীয়া মৌজাৰ, দেৰগাঁও আৰু খুমটাই বিধান সভা সমষ্টিৰ অন্তৰ্গত লুকুমাই গাঁও। আহোম ৰজাৰ শাসন কালতে জন্ম লাভ কৰা বুৰঞ্জী প্ৰসিদ্ধ লুকুমাই এখন পুৰণি গাঁও। এই গাৱত ৰজাদিনীয়া বহু উপাধিধাৰী ব্যক্তিৰ পৰা বহুতো চুবুৰী সংগঠিত হৈ এই গাঁও পৰিপূৰ্ণ হৈছে। তাৰ ভিতৰত লুকুমাই বৰা, হাত চিগা বৰাৰ পৰা বৰাৰ চুক গঠন হয়। বৰ ভকতৰ চুক, সৰু ভকতৰ চুক, বাঘে খোৱা, ভোজ খোৱা, উজিৰ, আঁৰৰীয়া, দেউৰী, দতুৰ, শইকীয়া, সুতকলীয়া চুক ইত্যাদি। ইয়াৰ উপৰিও সত্ৰীয়া উপাধিৰ বহুলোক - মেধী, সাতোলা, বায়ন, ভকত আদি এই অঞ্চলত আছে। ইংৰাজৰ শাসন কালত মহামাৰীৰ প্ৰতিশেধক চিন স্বৰূপে খন্দোৱা লুকুমাই 'বৰ পুখুৰী' গাঁৱৰ মধ্য স্থলতে আছে। পূবা-পশ্চিমা ম'হবন্ধা আলি, উত্তৰা-দক্ষিণাকৈ লুকুমাই টেকেলা আলি আৰু গোহাঁই মেৰ আলি এই গাঁৱৰ মাজেদি পাৰ হৈ গৈছে। ইয়াৰ বাসিন্দাসকলৰ প্ৰধান জীৱিকা কৃষি। চাকৰিয়াল সংখ্যা অতি নগন্য হ'লেও শিক্ষিতৰ সংখ্যা প্ৰায় ৬০ শতাংশ।

প্ৰায় ৬ বৰ্গ কিলোমিটাৰ আয়তনৰ এই গাঁও। চৰকাৰী জৰিপ মতে নাহৰণী, খঙ্গিয়া, ডোমজৰীয়া, কছলিয়াল আৰু বাতিপৰীয়া লুকুমাইৰ ৰাজহ এলেকাৰ অন্তৰ্ভূক্ত।

উত্তৰে নাহৰণী কৈৱৰ্ত্ত গাঁও (খাট গাঁও) পূবে ডোমোজৰীয়া কছলিয়াল গাঁও, দক্ষিণে ফৰকাটিং মৰিয়নি ৰেলপথ আৰু কছুৱৰীয়া গাঁও, পশ্চিমে নাহৰণী মুছলমান গাঁও।

লুকুমাই এখন জনবহুল গাঁও। ইয়াৰ জন সংখ্যা প্ৰায় ২০০ ঘৰ গৃহস্থীৰ

২০০০ জন মানুহেৰে ভৰপূৰ এই গাঁও । কোঁচ, কেওট, কলিতা, ব্ৰাহ্মণ আদি বিভিন্ন সম্প্ৰদায়ৰ লোক এই গাঁৱত আছে । উভয় - সম্প্ৰদায়ৰ মাজত সম্প্ৰীতি অটুত আছে ।

এইজন বহুল গাঁও খনত অতীতৰ পৰা বৰ্তমানলৈকে বহুগুণী জ্ঞানী ব্যক্তিৰ জন্ম হৈছে । সেইসকলৰ ভিতৰত স্বৰ্গীয় দেৱেশ্বৰ তামুলী (গাঁও বুঢ়া), স্বৰ্গীয় মগুৰাম বৰা, স্বৰ্গীয় কাশী মুক্তিয়াৰ , স্বৰ্গীয় চন্দ্ৰ নাথ শৰ্মা, আদিৰ ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিব পাৰি । শিক্ষাবিদ শ্ৰীগিৰিধক শৰ্মা, সংঘৰ সংগঠক শ্ৰীডিম্বেশ্বৰ ভূঞা, স্বৰ্গীয় তিলধৰ বৰা,শ্ৰীযোগেশ্বৰ তামুলী আৰু শ্ৰীপ্ৰফুল্ল বৰা এই গাঁৱৰে বাসিন্দা । বৰ্ত্তমান এই গাঁৱত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ চাৰিখন প্ৰাথমিক শাখা আছে । ১৯৬১ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৩০ তম অধিৱেশন এই গাঁৱত অনুষ্ঠিত হোৱাৰ পৰাই গাঁৱৰ ৰাইজ সংঘমুখী হয় । তেতিয়াই জন্ম হৈছিল লুকুমাই প্ৰাথমিক শাখা ।১৯৮৬ চনৰ ১০ মাৰ্চ তাৰিখে এই গাঁৱৰ একাংশ সঙ্গীক লৈ শ্ৰীমন্ত প্ৰাথমিক শাখা গঠন হয় । শ্ৰীমন্ত প্ৰাথমিক শাখাৰ সঙ্গীসকলে সংঘৰ প্ৰচাৰ, প্ৰসাৰ আৰু সংগঠনৰ কাৰণে আলোচনা চক্ৰ, সামুহিক অনুষ্ঠান আদি সম্পাদন কৰি আহিছে ।

প্ৰাথমিক শাখাটিৰ নেতৃ স্থানীয় ব্যক্তিৰ ভিতৰত বৰ্ত্তমান প্ৰাথমিকৰ সভাপতি শ্ৰীবংশীধৰ ভূঞা এগৰাকী সক্ৰীয় আৰু নিষ্ঠাবান লোক । তেখেতৰ আৰ্থিক অৱস্থা স্বচ্ছল । বৰ্ত্তমান নৱ গঠিত মণিকাঞ্চন আঞ্চলিক শাখাৰ তেখেত উপ-সভাপতি পদত আছে । প্ৰাথমিকৰ সম্পাদক শ্ৰীপ্ৰফুল্ল বৰা এজন নিষ্ঠাবান সংঘৰ একান্ত সেৱক ।

প্ৰাথমিকৰ সভাপতি, সম্পাদক সকল, ক্ৰমে -

শ্ৰীবংশীধৰ ভূঞা সভাপতি ১৯৮৬-৯০

শ্ৰীবিনন্দ বৰা - সম্পাদক

শ্ৰীবংশীধৰ ভূঞা - সভাপতি - ১৯৯১ - ২০০০

শ্ৰীপ্ৰফুল্ল বৰা - সম্পাদক - ১৯৯১ - ২০০০ ।

□□

# লুকুমাই শ্ৰীমন্ত প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮৬ চন

আহোম ৰজাৰ শাসন কালতে এই গাঁও প্ৰতিষ্ঠিত । এই গাঁৱত ৰজা দিনীয়া উপাধী প্ৰাপ্ত ভালে কেইটি বংশ অদ্যপৰ্য্যন্ত বস-বাস কৰি আছে । তাৰ ভিতৰত লুকুমাই বৰা তথা হাত ছিগা বৰাৰ ঘৰৰ পৰাই লুকুমাই গাঁৱৰ জন্ম বুলি কঠিত আছে । লুকুমাই শব্দৰ আৰ্য এলেখৰণৰ লুকুমানে ধুনীয়া আৰু মাই শব্দই ছোৱালীক বুজাইছে । অন্যহাতে লুকু নামৰ এজনী দাসী আহোম ৰজাই এই গাঁৱত দান দিছিল বুলি কঠিত আছে । সেয়ে এই গাঁৱৰ নাম লুকুমাই হ'ল ।

এই গাঁৱৰ সীমা দীঘে প্ৰায় দুই কিঃমিঃ আৰু পঠালিয়ে দেৰ কিঃমিঃ হ'ব । ৰাজনৈতিক এলেকা হিচাপে এই গাঁও দেৰগাঁও আৰু খুমটাই দুয়োটা সমষ্টিৰ অন্তৰ্গত । এই গাঁৱৰ উত্তৰে নাহৰণি খাট গাঁও, দক্ষিণে ফৰকাটিং মৰিয়ণী ৰেলপথ, পূবে ডোমজৰীয়া আৰু কছুলিয়াল গাঁও, পশ্চিমে নাহৰণি মুছলমান গাঁও । এই গাঁৱৰ গৃহস্থীৰ সংখ্যাৰ প্ৰায় ২০০ ঘৰ, জন সংখ্যা প্ৰায় পোন্ধৰশ । শিক্ষিতৰ হাৰ প্ৰায় ৫০ শতাংশ । সকলো মানুহেই কৃষিজিৱী কম সংখ্যক মানুহে চাকৰী আৰু ব্যৱসায় কৰে । লুকুমাই গাঁৱৰ গুণী-জ্ঞানী ব্যক্তি সকলৰ ভিতৰত প্ৰয়াত দেৱেশ্বৰ তামুলী প্ৰয়াত মগুৰাম বৰা, বংশীৰাম মুক্তিয়াৰ, প্ৰয়াত চন্দ্ৰনাথ শৰ্মা, প্ৰয়াত বগাই মেধী, প্ৰয়াত মিনাৰাম বায়নৰ নাম উল্লেখযোগ্য । বৰ্ত্তমান গোলাঘাট জিলা শাখাৰ প্ৰাঃ উপ সভাপতি শ্ৰীডিম্বেশ্বৰ ভূঞা, প্ৰাঃ জিলা সদস্য প্ৰয়াত তিলধৰ বৰা, প্ৰাঃ জিলা সদস্য শ্ৰীযোগেশ্বৰ তামুলী এই গাঁৱৰ বাসিন্দা ।

এই গাঁৱত চাৰিখন প্ৰাথমিক শাখা গঠিত হৈছে । এই গাঁৱত তিনটি নামঘৰ, এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়, এখন মধ্য ইংৰাজী বিদ্যালয় আৰু এখন প্ৰাথমিক বিদ্যালয় আছে । ইয়াৰ উপৰিও এখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ যুৱক সংঘ এটি ৰাজহুৱা পুথিভঁৰাল আছে ।

লুকুমাই গাঁৱতে ১৯৬১ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৩০ তম বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয় । তাৰে পটভূমিত লুকুমাই প্ৰাথমিক শাখাৰ জন্ম হৈছিল । শেষত গঠন হোৱা প্ৰাঃ শাখাৰ নাম শ্ৰীমন্ত প্ৰাঃস শাখা লুকুমাই । গঠনৰ চন, তাৰিখ ১০-৭-৮৬ সঙ্গীৰ আখ্যা এঘাৰ জন । প্ৰচাৰ প্ৰসাৰৰ ক্ষেত্ৰতো সঙ্গীসকলে ধৰ্মীয় আলোচনা চক্ৰ অনুষ্ঠিত কৰি আহিছে । নেতৃস্থানীয় ব্যক্তিসকলৰ ভিতৰত শ্ৰীবংশীধৰ ভূঞা এগৰাকী নিষ্ঠাৱান সঙ্গী । শ্ৰীপ্ৰফুল্ল বৰা এই গাঁৱৰ এগৰাকী নিষ্ঠাবান কৰ্মী । ক্ৰমে শ্ৰীবংশীধৰ ভূঞা সভাপতি, শ্ৰীপ্ৰফুল্ল বৰা সম্পাদক, শ্ৰীঅজিত ভূঞা সদস্য, জিতেন বৰা সদস্য, শ্ৰীমতী পুতলী ভূঁঞা সদস্যা ।

# মাজুউকুচি প্ৰাথমিক শাখা

## গঠন ঃ ১৯৯১ চন

১৯৭৪ চনতে শ্ৰীযুত হৰনাথ হাজৰিকা বাপৰ তত্বাৱধানত মাজিউকুছি গাঁৱৰ প্ৰয়াত ফনিধৰ শইকীয়া বাপৰ সহযোগত মাজিউকুচি গাঁওখনিত শ্ৰীশোণ্ডি বায়ন বাপক সভাপতি আৰু শ্ৰীসোণাৰাম শইকীয়া বাপক সম্পাদক হিচাবে লৈ ১০ (দহ) ঘৰ গৃহস্থীৰ প্ৰায় ২০ (বিছ) গৰাকী সঙ্গী সহ মাজিউকুছি প্ৰাথমিক খণি গঠন কৰা হয়। ইয়াৰ পাছত সভাপতিকে ধৰি কেইঘৰমান গৃহস্থী গাঁৱঁৰ পৰা স্থানান্তৰ হোৱাত উক্ত প্ৰাথমিক খন নিষ্ক্ৰিয় হৈ যোৱাত প্ৰয়াত ফনিধৰ শইকীয়া বাপৰ পৰিয়াল ডুবিয়াল প্ৰাথমিকত অন্তৰ্ভুক্ত হৈ কিছুদিন থকাৰ পাছত ১৯৯১ চনত জিলা সদস্য শ্ৰীযোগেশ্বৰ তামুলী বাপৰ সহযোগত মাজিউকুছি গাঁৱত শ্ৰীযুত সোণাৰাম শইকীয়া আৰু শ্ৰীহিৰেশ্বৰ বৰুৱা বাপৰ তত্বাৱধানত ১-১-৯১ তাৰিখে শ্ৰীযুত হিৰেশ্বৰ বৰুৱা বাপৰ সভাপতি আৰু শ্ৰীসোণাৰাম শইকীয়া বাপক সম্পাদক হিচাবে লৈ এখনি মাজিউকুছি প্ৰাথমিক শাখা নামকৰণেৰে গঠন কৰা হয়। বৰ্ত্তমান উক্ত প্ৰাথমিকখনিত ৮ (আঠ) গৃহস্থী সঙ্গী হৈ চলি আছে। ভৱিষ্যত কিছু সঙ্গী বঢ়াৰ সম্ভাৱনা আছে।

# ৰাম-কৃষ্ণ প্ৰাথমিক শাখা ঃ বেজগাঁও

## গঠন ঃ ১৯৯২ চন

গোলাঘাট জিলাৰ অন্তৰ্গত কাকডোঙা মৌজাৰ চাবুক ধৰা খণ্ডৰ বেজ গাঁওত 'ৰাম কৃষ্ণ প্ৰাথমিক শাখা' ১৯৯২ চনত গঠন কৰি গত ইংৰাজী ২০-১-৯৩ তাং ত স্বীকৃতি পোৱা হয়। পূৰ্ব্বতে কোনো বেজলোক উক্ত গাঁৱত বাস কৰাৰ বাবেই এই গাঁওখনৰ নাম বেজ গাঁও নাম হ'ব পাৰে। যোৰহাট জিলাত সীমা অৰ্থাৎ কাকডোঙা নদীৰ কাষত থকা ৯০ নব্বৈ ঘৰ গৃহস্থীৰে প্ৰায় পাঁচশ জন সংখ্যাত এখনি গাঁও। উক্ত গাঁওখনতে শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ আদৰ্শত গঠিত দুশ প্ৰাথমিক শাখা আছে। উক্ত 'ৰাম কৃষ্ণ প্ৰাথমিক শাখাত বৰ্ত্তমান গৃহস্থীৰ সংখ্যা ৭, (সাত) ঘৰ। জনসংখ্যা ৩৩ জন।

বেজ গাঁও শিক্ষাৰ ক্ষেত্ৰত বিশেষ আগবাঢ়িব পৰা নাই। বৰ্ত্তমান কেইবাগৰাকী যুৱক-যুৱতীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰিছে। বেজগাঁওত এখনি প্ৰাথমিক বিদ্যালয় এখন এম.ই. স্কুল চৰকাৰ স্বীকৃতি প্ৰাপ্ত আছে। আৰু এখনি নতুন কৈ হাইস্কুল প্ৰতিষ্ঠা কৰা হৈছে। এটি ৰাজহুৱা নামঘৰ আৰু এটি পুথিভঁৰাল আছে। উক্ত গাঁৱৰ মাজেদি চাবুক

ধৰা গড়কাপ্তানী ৰাস্তাটি গৈছে।

বেজগাঁও চৌহদ ঃ পূবে কাকডোঙা নদী আৰু ওপৰখাটোৱাল গাঁও। পশ্চিমে, কুকুৰাপুহিয়া গাঁও আৰু দলৈ গাঁও। উত্তৰে, উজিৰ গাঁও আৰু। দক্ষিণে, পতান জৰা গাঁও। 'ৰাম কৃষ্ণ প্ৰাথমিক শাখা বেজ গাঁও' নৱগঠিত 'মণিকাঞ্চন আঞ্চলিকৰ' অন্তৰ্ভুক্ত প্ৰাথমিক শাখা হয়। উক্ত প্ৰাথমিক শাখা আৰম্ভণীৰ পৰাই সভাপতি শ্ৰীযুত পোনাৰাম শইকীয়া আৰু সম্পাদক শ্ৰীবংশী শইকীয়াৰ পৰিচালনাত চলি আছে। শ্ৰীবংশী শইকীয়া বৰ্ত্তমান মণিকাঞ্চন আঞ্চলিক শাখাৰ ' সভাপতি আৰু বেজ গাঁও নামঘৰ পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্ব বহন কৰাৰ উপৰিও ১৯৮৬ অক্তোবৰ মাহৰ পৰা অদ্য-পৰিমিত গোলাঘাট জিলা তৰুণী সংঘৰ সম্পাদকৰ দায়িত্ব বহন কৰি আহিছে।

বেজ গাঁওত সৰ্ব্বপ্ৰথম নাম ধৰ্ম্মৰ প্ৰভাৱ প্ৰয়াত ধৰ্ম্মপ্ৰাণ মুক্তি যোদ্ধা ঠানুৰাম শইকীয়া দেৱৰ চেষ্টাত পৰে তেখেতৰ পৰিয়াল বৰ্গ বৰ্ত্তমান ৰাম কৃষ্ণ প্ৰাথমিক শাখা বেজগাঁও। প্ৰয়াত থানুৰাম শইকীয়া এগৰাকী সংঘৰ নিষ্ঠাবান কৰ্মী আৰু সমাজ সচেতন ব্যক্তি।

# পশ্চিম লুকুমাই প্ৰাথমিক শাখা

## গঠন ঃ ১৯৮৫ চন

লুকুমাই গাঁৱৰ উৎপত্তি সম্পৰ্কে এটি আখ্যান আছে। লুকুমাই শব্দটো হৈছে এটি টাই ভাষা শব্দ। আহোম ৰজাৰ চন্দ্ৰকান্ত সিংহৰ ভনীয়েক ডলৈ নাৰায়ণী আইদেউক কনচেং বৰপাত্ৰ গোহাঁই দেৱৰ নাতিনিয়েক দুৰ্গেশ্বৰ বৰপাত্ৰ গোঁহাই দেৱলৈ বিয়া দিওঁতে যৌতুক হিচাবে এহাল মতা-মাইকী মানুহ পঠায়। প্ৰথম অৱস্থাত এই বৰপাত্ৰ গোহাঁই পৰিয়ালটো মহৰাত আছিল। যেতিয়া অসম দেশখন ইংৰাজ সকলৰ অধীনলৈ আহে তেতিয়া দুৰ্গেশ্বৰ বৰপাত্ৰ গোহাঁইক নাহৰণি মৌজাটোৰ চলাবলৈ দিয়াত তেতিয়া দুৰ্গেশ্বৰ বৰপাত্ৰ গোহাঁই নাহৰণি গাঁৱলৈ গুছি আহিছিল লগতে লুকুমাই পৰিয়ালটোৱো গুছি আহিছিল আৰু সেই পৰিয়ালটো নামৰ পৰাই লুকুমাই গাঁওখনৰ উৎপত্তি হয়।

গোলাঘাট জিলাৰ গুৰযোগনীয়া মৌজাৰ অন্তৰ্গত 'লুকুমাই' গাঁওখন। এই গাঁৱত জনসংখ্যা বৃদ্ধি হোৱাত বৰ নামঘৰৰ পূব আৰু পশ্চিম অংশত দুটা নামঘৰ প্ৰতিষ্ঠা কৰে। পশ্চিম অংশত প্ৰতিষ্ঠা হোৱা নামঘৰক কেন্দ্ৰ কৰিয়েই পশ্চিম লুকুমাই প্ৰাথমিক শাখাটো গঠন হয়। ১৯৬১ চনৰ ৩০ তম মূল সংঘৰ অধিবেশনৰ পিছৰপৰা শ্ৰীমন্ত শঙ্কৰ দেৱ সংঘৰ প্ৰভাৱ লুকুমাই পশ্চিম অংশতো পৰে। সেয়েহে ১৯৯৫ চনত এই অংশত পুনৰ প্ৰাথমিক এভাগ গঠন হয়।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

পশ্চিম লুকুমাই গাঁওখনৰ চাৰিসীমা হ'ল উত্তৰে নাহৰণি পথাৰ, পূৱে মধ্য লুকুমাই গাঁও। পশ্চিমে নাহৰণি গাঁও, দক্ষিণে ৰেল লাইন।

লুকুমাই গাঁৱৰ পশ্চিমে নামঘৰত জড়িত থকা গৃহস্থীৰ সংখ্যা ২৫ ঘৰ আৰু জন সংখ্যা প্ৰায় ৪০০ জন। এই অংশৰ গুণ সম্পন্ন ব্যক্তিসকল হ'ল সৰ্বশ্ৰী কমলেশ্বৰ বৰা, কেশৱ বৰা, ভদ্ৰৰাম বৰা, অৰুণ বৰা, ফুলেশ্বৰ বৰা আৰু বাবা বৰা। বিভিন্ন ক্ষেত্ৰত জড়িত থকা ব্যক্তি হ'ল শ্ৰীযোগেশ্বৰ তামূলী বাপ।

এই নামঘৰত জড়িত থকা গৃহস্থীসকলৰ মাজত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এখনি প্ৰাথমিক শাখাৰ আৱশ্যকতা বোধ কৰি শ্ৰীযোগেশ্বৰ তামূলী বাপৰ সভাপতিত্বত কেবাখনো সাংগঠনিক সভা অনুষ্ঠিত কৰা হয় আৰু বাপজনে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি নিয়মৰ ব্যাখ্যা কৰি ৰাইজক বুজাই দিয়ে। তেতিয়া প্ৰায় ১০ ঘৰ গৃহস্থীৰে একগোট হৈ এখন প্ৰাথমিক গঠনৰ প্ৰস্তাৱ আগবঢ়াই।

পশ্চিম লুকুমাই প্ৰাথমিক ভাগ সৰ্ব্বশ্ৰী কমলেশ্বৰ বৰা, কেশৱ বৰা, জিলা সদস্য শ্ৰীযোগেশ্বৰ তামূলী আৰু শ্ৰীকমলেশ্বৰ বৰাই কষ্ট স্বীকাৰ কৰি গঠন কৰে। প্ৰায় এমাহ মানৰ পিছতে শ্ৰীমন্ত শঙ্কৰ দেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ শৰণ সদস্য শ্ৰীকমল হাজৰিকা বাপৰ দ্বাৰা শৰণৰ কাম ভাগো শেষ কৰা হয়। এই প্ৰাথমিকৰ সঙ্গী শ্ৰীমান ৰঞ্জিত বৰা বাপ এজন বৰগীতৰ সু-গায়ক হিচাবে পৰিচিত হৈছে। যুৱ সমাৰোহত বৰগীত প্ৰতিযোগিতাত অসমৰ ভিতৰত প্ৰথম স্থান লাভ কৰি শ্ৰীমন্ত শঙ্কৰ দেৱ সংঘৰ গোলাঘাট জিলা শাখালৈ সুনাম কঢ়িয়াই অনাত তেখেত আমাৰ শলাগৰ পাত্ৰ হৈ পৰিছে।

আৰ্থ সামাজিক দিশত এই অংশৰ গৃহস্থীসকল সিমান পিছপৰা নহয়। চাকৰিয়ালৰ একেবাৰে সীমিত। সকলো গৃহস্থীয়েই কৃষিজীৱি। খেতিয়েই এই অঞ্চলৰ জীৱিকাৰ পথ।

প্ৰাথমিক শাখাৰ জীৱিত নেতৃস্থানীয় ব্যক্তিসকল হ'ল সৰ্ব্বশ্ৰী কমলেশ্বৰ বৰা, কেশৱ বৰা, অৰুণ বৰা আৰু ফুলেশ্বৰ বৰা।

১৯৯৫ চনৰ পৰা বৰ্ত্তমানলৈকে কাৰ্যনিৰ্বাহকৰ সভাপতি শ্ৰীকমলেশ্বৰ বৰা, উপ-সভাপতি কেশৱ বৰা, সম্পাদক শ্ৰীফুলেশ্বৰ বৰাই বিষয়ববীয়া হিচাবে কাৰ্য নিৰ্ব্বাহ কৰি আছে।

পশ্চিম লুকুমাই প্ৰাথমিক ভাগ যদিও চালুকীয়া তথাপিও সংগঠনৰ দিশত বৰ নিয়াৰি আৰু প্ৰত্যেকজন সঙ্গীয়েই সংঘৰ প্ৰচাৰ প্ৰসাৰত চেষ্টা চলাই আছে।

□□

## শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ লাওভগা শান্তিজান প্ৰাথমিক শাখা

## শ্ৰীমন্ত আঞ্চলিক শাখা

গুৰযোগনীয়া মৌজাৰ অন্তৰ্গত লাওভগা গাৱঁৰ কেইঘৰমান গৃহস্থী শিঙৰাজান শান্তিজান প্ৰাথমিক শাখাৰ অন্তৰ্ভূক্ত হৈ আছিল । পিছত গাৱঁত সঙ্গী গৃহস্থীৰ সংখ্যা বঢ়াত, উক্ত গৃহস্থী কেইঘৰ শিঙৰাজান শান্তিজান প্ৰাথমিক শাখাৰ পৰা ওলাই আহি নতুন গৃহস্থী কেইঘৰৰ সৈতে লাওভগা গাৱঁত লাওভগা শান্তিজান প্ৰাথমিক শাখা গঠন কৰি সঙ্গী বাপ সমস্তই বৰ্ত্তমানলৈকে শ্ৰীমন্ত শঙ্কৰ দেৱ সংঘৰ নীতি, আদৰ্শ ,প্ৰচাৰ, সংগঠনত ব্ৰতী হৈ আহিছে । প্ৰাথমিক শাখাৰ সঙ্গী সৰ্বশ্ৰী বোধেশ্বৰ কলিতা, গনেশ কলিতা, দুলু কলিতা, দেৱেশ্বৰ কলিতা নিষ্ঠাবান কৰ্মী ।

প্ৰাথমিক শাখাৰ সভাপতি সকলৰ নাম উল্লেখ কৰা হ'ল । সৰ্বশ্ৰী বোধেশ্বৰ কলিতা, দুলু কলিতা । শ্ৰীগনেশ কলিতা বাপে প্ৰাথমিক প্ৰতিষ্ঠাৰ পৰা বৰ্ত্তমানলৈকে সম্পাদকৰ দায়িত্বৰে কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও জিলা সদস্য, আৰু আঞ্চলিকৰ সহকাৰী সম্পাদকৰ দায়িত্বও নিষ্ঠাৰে পালন কৰিছিল ।

## যোগনীয়া পুৰুষোত্তম প্ৰাথমিক শাখা

### গঠন- ১৯৯৩ চন

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ গোলাঘাট জিলা শাখাৰ যোগনীয়া পুৰোষোত্তম প্ৰাথমিক শাখা ইংৰাজী ১৯৯৩ চনত গঠন হয় । উক্ত প্ৰাথমিক শাখাৰ সঙ্গী গৃহস্থী ৮ ঘৰ আৰু সঙ্গী ১৬ গৰাকী । যোগনীয়া গাৱঁত একাধিক প্ৰাথমিক শাখা গঠন হৈ গুৰুজনাৰ ধৰ্মাদৰ্শ প্ৰচাৰ প্ৰসাৰত সঙ্গী সকলে মনোনিবেশ কৰি আহিছে । গাঁৱৰ উৎপত্তি আৰু প্ৰাথমিকৰ সঙ্গী সকলৰ আৰ্থ-সামাজিক অৱস্থাৰ বিষয়ে স্থানীয় প্ৰাথমিক কেইখনত বিষদ ভাৱে আলোচনা কৰা হৈছে । বৰ্ত্তমান প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীলোকেশ্বৰ দাস আৰু শ্ৰীচন্দ্ৰ কমল বৰা বাপে কাৰ্যনিৰ্বাহকৰ, ক্ৰমে সভাপতি আৰু সম্পাদক হিচাবে কাৰ্য নিৰ্বাহ কৰি আছে ।

# কোঁচ গাঁও নবোদয় প্ৰাথমিক শাখা

## গঠন ঃ ১ ৯৯৭ চন

**প্ৰতিষ্ঠাপক সভাপতি ঃ** শ্ৰীচেনিৰাম হাজৰিকা

**প্ৰতিষ্ঠাপক সম্পাদক ঃ** শ্ৰীপ্ৰফুল্ল ৰাজখোৱা

কোঁচ গাঁও প্ৰাথমিকৰ একাংশ সংগীৰ আভ্যন্তৰীণ কাৰণে নবোদয় প্ৰাথমিক শাখাৰ জন্ম হয় ১৯৯৭ চনত । বৰ্তমান শ্ৰীপ্ৰভাত হাজৰিকা সভাপতি আৰু শ্ৰীৰাজিব হাজৰিকা সম্পাদক ।

স্বৰ্গীয় পোনা হাজৰিকা ঃ কোঁচ গাঁও প্ৰাথমিক শাখা গঠন কৰাত অগ্ৰণী ভূমিকা লৈ ১৯৬৩ চনতে এই কোঁচ গাঁও প্ৰাথমিক গঠন কৰি সুদীৰ্ঘ কাল শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰচাৰ আৰু প্ৰসাৰৰ দিশত প্ৰভূত অৰিহণা যোগায় । বৰ্তমান শ্ৰীচেনিৰাম হাজৰিকা বাপেও সংঘৰ প্ৰচাৰ-প্ৰসাৰৰ দিশত আত্মনিয়োগ কৰি আছে । গৃহস্থী সংখ্যা - ১৩ ঘৰ, ৩২ জন সংগী ।

---

**তলত উল্লেখ কৰা প্ৰাথমিক কেইখনৰ প্ৰতিবেদন যথা সময়ত প্ৰেৰণ নকৰাত ইতিবৃত্তত সন্নিবিষ্ট কৰিব পৰা নহল ঃ**

**গোলাঘাট আঞ্চলিক শাখা ঃ**

(১) শঙ্কৰ মাধৱ (বছা) প্ৰাথমিক ।

(২) কাবৰু গাঁও নবোদয় প্ৰাথমিক ।

(৩) অৰবিন্দ লোচন প্ৰাথমিক ।

(৪) জ্যোতি প্ৰাথমিক বেঙেনা খোৱা ।

**ফৰকাটিং আঞ্চলিক শাখা ঃ**

(১) নাহৰখনা প্ৰাথমিক ।

(২) নাহৰখনা শ্ৰীমন্ত প্ৰাথমিক ।

(৩) গুৱাল গাঁও নৱজ্যোতি প্ৰাথমিক ।

**শ্ৰীবোধেশ্বৰ কাকতি**

সম্পাদক

# অষ্টম অধ্যায়

## শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা সংস্কৃতি শাখাৰ ইতিবৃত্ত

অসমীয়া সমাজৰ সাংস্কৃতিক জীৱনলৈ শ্ৰীমন্ত শঙ্কৰদেৱৰ অৱদান সৰ্বব্যাপক । পৰম্পৰাভাৱে প্ৰাচীন কালৰেপৰা অসমত প্ৰচলিত বিভিন্ন কলা-সংস্কৃতিক গুৰুজনাই নতুন ৰূপত সজাই পৰাই বিশ্ব-সংস্কৃতিৰ লগত উল্লেখনীয় ভাৱে জিলিকাই তুলিবলৈ মানস কৰিছিল । মানৱ আৰু সমাজৰ মানৱীয় কৰ্ম্ম সমূহৰ উৎকৰ্ষ সাধন কৰাই আছিল তেখাৰ দ্বাৰা প্ৰৱৰ্ত্তিত সংস্কৃতিৰ মূল লক্ষ্য । সেই উদ্দেশ্য আগত ৰাখিয়েই তেখাই মানুহৰ মাজলৈ কৌশলগত ভাৱে নব্য সংস্কৃতিৰ চেতনাৰ সোঁত বোৱাই আনিছিল । সেই সাংস্কৃতিক চেতনাৰ মাধ্যমেদি মানুহৰ মনোজগতত আধ্যাত্মিক চিন্তাৰ জোৱাৰ তুলিছিল । এই চিন্তাই মানুহৰ বহিঃ আৰু অন্তঃ সংস্কৃতি শুদ্ধ আৰু সুন্দৰ কৰে ।

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ ধৰ্ম্ম, সাহিত্য,সংস্কৃতিৰ অনুষ্ঠান । শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্ত্তিত একশৰণ নাম ধৰ্ম্ম, তেখাৰ বিশাল সাহিত্যৰাজিৰ শুদ্ধ ৰূপত বহুল প্ৰচাৰ আৰু প্ৰসাৰৰ ওপৰত এই অনুষ্ঠান বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে । তেনেদৰেই শঙ্কৰী সংস্কৃতি শুদ্ধৰূপত প্ৰকাশ আৰু প্ৰচাৰ ওপৰত সমানে মনোনিৱেশ কৰি আহিছে । শৃংখলাবদ্ধভাৱে কাৰ্যৰূপায়ণাৰ্থে বিভিন্ন বিষয়ৰ শাখা সমিতি গঠন কৰাৰ দৰে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই 'সংস্কৃতি শাখা সমিতি' নাম-কৰণেৰে এটি শাখাৰ সৃষ্টি কৰে । মানুহৰ পালনীয় নীতি-সদাচাৰ, উপাসনা,গীত, খোল বাদ্য, ভাওনা, নৃত্য, বোল আৰু এই সকলোবোৰৰ ঐক্য বা একীকৰণ প্ৰণালী সমূহৰ প্ৰশিক্ষণ, গৱেষণা, অনুসন্ধান, প্ৰচাৰ আদিৰ কাম এই শাখা সমিতিৰ উদ্যোগত কাৰ্যকৰণৰ ব্যৱস্থা কৰা হয় । মূল সংঘৰ দ্বাৰা স্বীকৃত আৰু প্ৰশিক্ষণ প্ৰাপ্ত লোকৰ দ্বাৰা প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থাও এই শাখা সমিতিৰ কৰণীয় বিষয় ।

শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম্ম, সাহিত্য, কলা,সংস্কৃতিক সত্য আৰু শুদ্ধৰূপত নিজে আচৰি আৰু আনকো আচৰণ কৰিবলৈ শিক্ষা দি এখন নিকা বহল সমাজ ৰচনা কৰি শ্ৰীমন্ত গুৰুজনাৰ শুদ্ধ, সত্য, সনাতন ধৰ্ম্ম-সংস্কৃতি অসমৰ সীমা ভেদি ভাৰতবৰ্ষৰ প্ৰান্তে বিয়পাই বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ সংঘৰ যি আঁচনি তাত সৰ্ব্বতোপ্ৰকাৰে অৰিহণা আগবঢ়োৱাৰ অৰ্থে গোলাঘাট জিলা

শাখাতো ১৯৭৪ চনত কৃষ্টি শাখা সমিতি গঠন কৰা হয় । অৱশ্যে এই শাখা সমিতি গঠন কৰাৰ আগতে জিলা শাখাৰ উদ্যোগত জিলা শাখাৰ শিল্পীদলে নতুন দিল্লীত শঙ্কৰী নৃত্য-গীত পৰিবেশন কৰা আৰু নগাঁও জিলা পুথিভৰালত ৰুক্মিণী হৰণ অঙ্কীয়া ভাৱনা কৰি ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সমৰ্থ হয় । এই শিল্পীদলটিক নেতৃত্ব দিয়ে কৃষ্টি শাখা সমিতিৰ সম্পাদক প্ৰয়াত আধান বৰবৰা আৰু শ্ৰীযুত গোলাপ শইকীয়া বাপে । উল্লেখযোগ্য যে, এই শাখা সমিতিৰ নাম পূৰ্ব্বতে 'কৃষ্টি' শাখা সমিতি আছিল যদিও পৰৱৰ্ত্তী সময়ত তাক 'সংস্কৃতি শাখা সমিতি' নামকৰণ কৰা হয় । আনহাতে ১৯৮৪ চনলৈকে জিলা শাখাৰ সভাপতিয়েই সংস্কৃতিৰ শাখা সমিতিৰো সভাপতিৰ দায়িত্ব পালন কৰিছিল । পূৰ্ণ পৰ্য্যায়ৰ কমিটি গঠন হয় ১৯৮৫ চনত ।

**প্ৰাপ্ত তথ্যানুযায়ী সংস্কৃতি শাখা সমিতিৰ সভাপতি সম্পাদকসকলৰ নাম আৰু কাৰ্যকালৰ চন তলত দিয়া হ'ল -**

| কাৰ্যকাল | সভাপতি | সম্পাদক |
|---|---|---|
| ১৯৭৪-৭৫ চনলৈ | জিলা সভাপতি | প্ৰয়াত গঙ্গা নাথ । |
| ১৯৭৬-৭৭ চনলৈ | জিলা সভাপতি | প্ৰয়াত আধান বৰবৰা |
| ১৯৭৭-৭৮ চনলৈ | জিলা সভাপতি | শ্ৰীপূৰ্ণ হাজৰিকা |
| ১৯৭৯-৮০ চনলৈ | জিলা সভাপতি | শ্ৰীগোলাপ শইকীয়া |
| ১৯৮০-৮১ চনলৈ | জিলা সভাপতি | শ্ৰীপ্ৰফুল্ল শইকীয়া । |
| ১৯৮১-৮৮ চনলৈ | শ্ৰীনীলকান্ত বৰা | শ্ৰীপ্ৰফুল্ল শইকীয়া |
| ১৯৮৯-৯৪ চনলৈ | শ্ৰীআনন্দ হাজৰিকা | শ্ৰীনন্দেশ্বৰ শইকীয়া |
| ১৯৯৫-৯৬ চনলৈ | শ্ৰীৰোষ দত্ত | শ্ৰীপূৰ্ণ হাজৰিকা |
| ১৯৯৭- চনলৈ | শ্ৰীগোলাপ শইকীয়া | শ্ৰীপূৰ্ণ হাজৰিকা |
| ১৯ ৯৮ চনলৈ | শ্ৰীগোলাপ শইকীয়া | শ্ৰীঅজিত বৰা |
| ১৯৯৮-৯৯ চনলৈ | শ্ৰীগোলাপ শইকীয়া | শ্ৰীবদন বৰা |
| ১৯৯৯-২০০০ চনলৈ | শ্ৰীগোলাপ শইকীয়া | শ্ৰীদুলু নাথ |

বিভিন্ন সময়ত বিভিন্নজনৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলশ্ৰুতিত ১৯৮০-৮১ চনত শঙ্কৰী কৃষ্টি বিকাশ সমিতি গঠন হয় । সমিতিখন পঞ্জীয়ণ হয় ১৯৮২-

৮৩ চনত । পঞ্জীয়ণ নম্বৰ হ'ল ৮৮১-৮২-৮৩ । এই সমিতিৰ অধ্যক্ষ হিচাবে শ্ৰীযুতৰোষ দত্ত বাপে বহু বছৰ কাৰ্যনিৰ্ব্বাহ কৰি অনুষ্ঠানটিৰ সৰ্ব্বাংঙ্গীন উন্নতি, প্ৰচাৰ-প্ৰসাৰত অৰিহণা আগবঢ়ায় । আনহাতে ৫৩৬ শঙ্কৰাব্দ (১৯৮৫ চন) বছৰত জিলা সংস্কৃতি শাখাই পূৰ্ণাংগ ৰূপ পোৱাৰ বছৰতে বৰ্ত্তমানৰ মূলৰ সংস্কৃতি শাখাৰ সভাপতি শ্ৰীযুত নীলকান্ত বৰা বাপে গায়নত আৰু বিশিষ্ট শিল্পী শ্ৰীযুত দীন-মাধৱ বৰা বাপে নৰ্ত্তণত সাফল্যতা অৰ্জন কৰিছে ।

১৯৮০-৮১ চনত মূল সংঘৰ দ্বাৰা প্ৰেৰিত প্ৰশিক্ষক শ্ৰীযুত পুতুল দাসৰ তত্বাবধানত জিলাখনৰ বিভিন্ন অঞ্চলত নৃত্য-গীত বাদ্যৰ প্ৰশিক্ষণ দিওৱা হয় । জিলা সংস্কৃতি শাখাৰ সিদ্ধান্ত অনুসৰি গুৰুজনা বিৰচিত 'পাৰিজাত হৰণ' আৰু 'ৰুক্মিণী হৰণ' নাট দুভাগ বৰ্ত্তমান সময়োপযোগী অভিনয়ৰ যোগ্য কৰি সম্পাদনা কৰিবলৈ শ্ৰীযুত প্ৰফুল্ল শইকীয়া (প্ৰাক্তন জিলা সম্পাদক) বাপৰ নেতৃত্বত সৰ্ব্বশ্ৰী পুতুল দাস, পূৰ্ণ হাজৰিকা আৰু অজিত বৰা গোলাপ শইকীয়া বাপসকলে কামত আগবাঢ়ে । অংকীয়া নাটৰ অভিনয়ৰ ক্ষেত্ৰত অঙ্কুৰিত সেই বীজেই কালক্ৰমত ঠন ধৰি উঠে । শ্ৰীযুত প্ৰফুল্ল শইকীয়া বাপৰ সবল নেতৃত্বত । বহু সময়, অৰ্থ ব্যয়ৰ ফলত 'পাৰিজাত হৰণ' অঙ্কীয়া নাট ভাগ প্ৰস্তুত হৈ উঠে । এই ক্ষেত্ৰত বাদ্য বিষাৰদ শ্ৰীযুত যোগেশ্বৰ বৰদলৈ আৰু নৃত্য ভাৰতীয় শ্ৰীযুত যতীন গোস্বামী প্ৰভুৰ ঐকান্তিক চেষ্টা আৰু ত্যাগ প্ৰণিধানযোগ্য । লগতে শ্ৰীযুত নীলকান্ত বৰা বাপৰ প্ৰচেষ্টা প্ৰশংসনীয় । পাৰিজাত হৰণ নাট ভাগৰ গীতসমূহৰ ৰাগ-তাল -সুৰ আদি বিষয়ত শিল্পী শ্ৰীঅজিত বৰা বাপে নিজৰ সাধনাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল । তেখেতসকলৰ উপৰি জিলা শাখাৰ অন্তৰ্গত সংস্কৃতি প্ৰেমী প্ৰয়াত অন্ধ শিল্পী ইন্দ্ৰ বৰা আৰু গোলাপ শইকীয়া প্ৰমুখ্যে সদাশয় লোকৰ দিহা-পৰামৰ্শ, সহযোগিতাই পাৰিজাত হৰণ নাট ভাগ প্ৰদৰ্শনৰ উপযোগী কৰি তোলে । সময়ে সময়ে জিলা তথা অসমৰ বিভিন্ন স্থানত পাৰিজাত হৰণ নাট ভাগ অভিনয় কৰি ৰাইজৰ ভূয়সী প্ৰশংসা লাভ কৰিব পৰাটো জিলাখনৰ বাবে গৌৰৱৰ বিষয় ।

১৯৭৪ চনতে জিলা সংস্কৃতি শাখাটি গঠন কৰা হ'লেও শৃংখলিত অৱস্থা প্ৰাপ্ত হয় ১৯৭৭ চনৰ পৰাহে । পৰৱৰ্ত্তী সময়চোৱাত বিভিন্ন প্ৰাথমিক গোট আঞ্চলিক শাখা আদিত সংগঠিত ভাৱে সংস্কৃতি প্ৰশিক্ষণ কেন্দ্ৰ প্ৰতিষ্ঠা

কৰি শঙ্কৰী সংস্কৃতি বিশেষকৈ গায়ন, নৰ্ত্তণ, বায়ন, আদি বিষয়ৰ শিক্ষা দানৰ ব্যৱস্থা কৰা হয় । ফলত জিলাখনত শঙ্কৰী সংস্কৃতিৰ ধাৰাৰ প্ৰতি লোকসকল আকৃষ্ট হোৱাৰ লগতে এচাম শিল্পীৰ সৃষ্টিত প্ৰভূত অবিহণা যোগাই আহিছে । 'শঙ্কৰী সংগীত বিদ্যালয়' নামৰ এই প্ৰতিষ্ঠানটিৰ মাধ্যমেদি বিভিন্ন সময়ত পৰীক্ষা দি যথেষ্ট সংখ্যক পৰীক্ষাৰ্থীয়ে বিষাৰদ উপাধি পাবলৈ সক্ষম হৈছে । সেইসকল হৈছে -

(১) শ্ৰীৰঞ্জন কুমাৰ বৰা (গায়ন) চতুৰ্থ বাৰ্ষিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ
(২) শ্ৰীৰুণু শইকীয়া কাকতি (গায়ন) চতুৰ্থ বাৰ্ষিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ
(৩) শ্ৰীপঙ্কজ দত্ত (নৰ্ত্তণ)
(৪) শ্ৰীদুলু নাথ (গায়ন)
(৫) শ্ৰীনিতুল কুমাৰ বৰা (গায়ন)
(৬) শ্ৰীজয়ন্ত কমল বৰুৱা (বায়ন)
(৭) শ্ৰীপৰাগজ্যোতি হাজৰিকা (বায়ন )
(৮) শ্ৰীনীৰু শইকীয়া (গায়ন)
(৯) শ্ৰীপ্ৰণামী শইকীয়া (গায়ন)
(১০) শ্ৰীশেৱালী নাথ (গায়ন)
(১১) শ্ৰীতুলিকা বৰুৱা (গায়ন)

ইয়াৰ বাহিৰেও সংঘ ভূক্ত নোহোৱা সকলেও বিষাৰদ উপাধি লাভ কৰিবলৈ সমৰ্থ হয় । উদাহৰণ স্বৰূপে শ্ৰীসদা হাজৰিকা অন্যতম । শঙ্কৰী সংস্কৃতি বিকাশৰ অৰ্থে জিলাখনৰ বিভিন্ন স্থানত 'শঙ্কৰী সংগীত বিদ্যালয় প্ৰতিষ্ঠাৰ কাম অব্যাহত আছে । বৰ্ত্তমানলৈকে জিলা শাখাৰ বিভিন্ন প্ৰান্তত সৰ্ব্বমুঠ ন খন বিদ্যালয় প্ৰতিষ্ঠা কৰি শিক্ষাদান কাৰ্য্য অব্যাহত ৰাখিছে । বৰ্ত্তমান বিদ্যালয় প্ৰতিষ্ঠা হোৱা স্থান সমূহ হ'ল ঃ ঢেকীয়াল, গোলাঘাট নগৰ, দৈয়াং, উত্তৰ আঞ্চলিক শাখা, মৰঙী আঞ্চলিক শাখা, দেৰগাঁও আঞ্চলিক শাখা, খণিকৰ, হালোৱা গাঁও, বেতিয়নি ।

ইয়াৰ বাহিৰেও সংবিধানসম্মত ভাৱে গুৰু আসন প্ৰতিষ্ঠা, শৰাই অৰ্চ্চন, নাম-প্ৰসঙ্গ, বিবাহ পৰিচালনা আদি বিষয়ৰ ওপৰত প্ৰশিক্ষণ সূত্ৰ সমূহ জিলা শাখাৰ বিভিন্ন ঠাইত অনুষ্ঠিত কৰিবলৈ তৎকালীন সভাপতি শ্ৰীযুত গোলাপ শইকীয়া আৰু সম্পাদক শ্ৰীযুত পূৰ্ণ হাজৰিকা বাপদ্বয়ে বিশেষ উদ্যোগ

লয় । সেইমতে ইংৰাজী ৬-৯-৯৭ তাবিখবপৰা ১৪-১১-৯৭ তাৰিখলৈ এক কাৰ্যসূচী গ্ৰহণ কৰি কামত আগবাঢ়ে । বৰ্ত্তমানো সেই কৰ্ম্মশালাৰ কাৰ্যসূচী অব্যাহত আছে । লগতে ৰামায়ণ, মহাভাৰত, আদি গ্ৰন্থ সমূহৰ অন্তৰ্গত কোনো গ্ৰহণযোগ্য আখ্যানৰ ভিত্তিত আঢ়ৈ ঘন্টাৰ ভিতৰত অভিনয় কৰিবপৰা অসমীয়া ভাষাৰ ভাওনাৰ নাটৰ পাণ্ডুলিপি প্ৰতিযোগিতা আয়োজন কৰাটো এটা উল্লেখনীয় দিশ ।

জিলা সংস্কৃতি শাখাৰ পৰা মূল সংঘই আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতালৈ প্ৰেৰণ কৰা শিল্পীসকলে বিশেষ স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হোৱাটো গৌৰৱৰ বিষয় । গোলাঘাট জিলা সংস্কৃতি শাখাটি উল্লেখনীয় ভাৱে আগবঢ়াই নিয়াত অৰিহণা আগবঢ়োৱা বিশিষ্ট সংগী শ্ৰীযুত নীলকান্ত বৰা বাপ প্ৰথমে মূল সংস্কৃতি শাখাৰ সম্পাদক আৰু পিছত সভাপতি হিচাবে নিৰ্ব্বাচিত হয় । আনহাতে আন এগৰাকী বিশিষ্ট সংগী শ্ৰীযুত চন্দ্ৰ বৰদলৈ মূল শাখাৰ সম্পাদক হিচাবে কাৰ্যনিৰ্বাহ কৰে । দুয়োগৰাকী বাপ জিলাখনৰ গৌৰৱৰ স্থল । আনহাতে শ্ৰীযুত বোৰ দত্ত বাপেও মূল সংস্কৃতি শাখাৰ সভাপতি হিচাবে কাৰ্যনিৰ্বাহ কৰাত জিলা শাখা গৌৰৱান্বিত ।

সভ্যতা কৃষ্টি-সংস্কৃতিৰ সম্পৰ্ক মানৱ জীৱনৰ লগতে সীমাবদ্ধ । জগতৰ আন প্ৰাণীসমূহ জন্ম লগ্নৰে পৰা বৰ্ত্তমানলৈ একে অৱস্থাতে আছে । মানুহে আদিম অৱস্থাৰপৰা বহু স্তৰ পাৰ কৰিলে । মানুহ আৰু পশুৰ মাজত প্ৰভেদ নথকা প্ৰবৃত্তিবোৰক মানুহে নিজৰ দাস কৰিলে । প্ৰতি ক্ষণে ক্ষণে মানুহ সভ্যতাৰ পথত আগুৱাই গৈয়েই আছে । এই সভ্যতাৰ মাজতে সংস্কৃতিয়ে গা কৰি উঠে ।

শ্ৰীমন্ত শঙ্কৰদেৱৰ কৃষ্টি-সংস্কৃতি অসমীয়া জাতিৰ সকলো কামৰ সমষ্টি । সেয়ে, গুৰুজনাৰ সেই মহান কৃষ্টি সংস্কৃতি প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, গোলাঘাট জিলা সংস্কৃতি শাখা সমিতি সদা তৎপৰ ।

---

ইতিবৃত্ত প্ৰস্তুত কৰ্ত্তাসকল ঃ সৰ্ব্বশ্ৰী পূৰ্ণ হাজৰিকা, প্ৰফুল্ল শইকীয়া আৰু গোলাপ শইকীয়া ।

# জিলা সাহিত্য শাখাৰ প্ৰতিবেদন

## গঠন ঃ ১৯৭৬ চন

### সাহিত্য শাখা সমিতি গঠন, পৰিসৰ, কৰ্ম আঁচনি ৰূপায়ণ ঃ

গোলাঘাট জিলা সংঘৰ সাহিত্য শাখা সমিতিৰ জন্ম প্ৰায় পচিশ বছৰ সম্পূৰ্ণ হৈছে । ইংৰাজী ১৯৭৬ চনৰ ৩০ অক্টোবৰ তাৰিখে হাবিয়াল মুক্তি প্ৰাথমিকত আয়োজিত হোৱা জিলা সংঘৰ প্ৰাথমিকৰ সভাপতি সম্পাদক সম্মিলনতে জিলা কাৰ্য্যনিৰ্বাহক সমিতিৰ কেইজনমান সদস্যক লৈ সাহিত্য শাখা সমিতি গঠন কৰা হয় । জিলা সংঘৰ সভাপতি গৰাকী এই শাখাৰ সভাপতিৰ দায়িত্বত থাকিব । সভাত শ্ৰীসুৰেন্দ্ৰনাথ ৰাজখোৱা দেৱক সম্পাদক ৰূপে নিৰ্বাচন কৰা হয় । প্ৰথম অৱস্থাত এই সমিতিয়ে সাহিত্য প্ৰকাশৰ দিশত বিভিন্ন আঁচনি গ্ৰহণ কৰি স্মৃতিগ্ৰন্থ আৰু জিলা সংঘৰ এখন বুৰঞ্জী প্ৰণয়ণৰ কাম হাতত লয় । সংঘৰ প্ৰচাৰ প্ৰসাৰৰ উদ্দেশ্য আগত ৰাখি মূল সংঘৰ সংবিধান তথা কৰ্ম আঁচনিৰ আধাৰত জিলা সাহিত্য শাখাই বিস্তৃত আঁচনি গ্ৰহণ কৰে ।

**আঁচনিঃ**

(১) শ্ৰীমন্ত শংকৰদেৱৰ সাৰ্বজনীন ধৰ্মৰ মূলতত্ত্ব বিশ্লেষণ কৰি তাক প্ৰচাৰ কৰা আৰু মানৱ জাতিৰ আধ্যাত্মিক সামাজিক উন্নতি বিধায়ক কাৰ্যত সহায় কৰা ।

(২) শ্ৰীমন্ত শংকৰদেৱৰ প্ৰচাৰিত নাম-কীৰ্ত্তন, নৃত্য-গীত কৃষ্টি সংস্কৃতিৰ নৈষ্ঠিক সংৰক্ষণ আৰু বহুল প্ৰচাৰৰ ব্যৱস্থা কৰা ।

(৩) শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্য সংস্কৃতি আৰু ধৰ্মমত প্ৰচাৰৰ বাবে আলোচনী, গ্ৰন্থ আৰু পুস্তকাদি সম্পাদন আৰু প্ৰকাশৰ ব্যৱস্থা কৰা ।

(৪) বিভিন্ন জাতি-উপজাতিৰ মাজত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আৰ্হিৰে মহাপুৰুষীয়া ধৰ্ম, কলা-কৃষ্টি, সাহিত্য প্ৰচাৰৰযোগে এখন শুদ্ধ সত্ত্ব সমাজ গঠনত ব্ৰতী হোৱা আৰু ধৰ্মালোচনী সভা, কৰ্মশালা, বক্তৃতা প্ৰশিক্ষণ অনুষ্ঠিত কৰা ।

(৫) প্ৰকাশিত আৰু অ-প্ৰকাশিত অমূল্য বৈষ্ণৱী গ্ৰন্থ সংগ্ৰহ, সংৰক্ষণ আৰু সম্পাদন কৰি শুদ্ধৰূপে প্ৰকাশ কৰা ।

(৬) প্ৰাচীন পুথি, জ্ঞান-বিজ্ঞান সম্পৰ্কীয় বিভিন্ন গ্ৰন্থাদি সংৰক্ষণ কৰাৰ উদ্দেশ্য গ্ৰন্থগাৰ প্ৰতিষ্ঠা কৰা ।

এই আঁচনিসমূহ ৰূপায়ণৰ উদ্দেশ্যে সাহিত্য শাখাই গঠনৰ প্ৰাৰম্ভিক কালত বিশেষ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছিল ।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

১৯৭৯ চনৰ ১০ মার্চ তাৰিখে শ্ৰীসুৰেন্দ্ৰ নাথ ৰাজখোৱা বাপৰ সম্পাদনাত শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘ গোলাঘাট, জিলাৰ শাখাৰ বুৰঞ্জী ভাগ প্ৰথম প্ৰকাশ পায়। প্ৰকাশক আছিল জিলা সংঘৰ সম্পাদক শ্ৰীহেম শইকীয়া বাপ। সম্পাদনা সমিতিৰ সদস্যসকল হ'ল - সৰ্বশ্ৰী ঘনকান্ত তামূলী, বত্নেশ্বৰ দত্ত, গোবিন্দ চন্দ্ৰ শইকীয়া, প্ৰফুল্ল শইকীয়া, যোগেশ্বৰ বৰা, ফণী হাজৰিকা, ভোলা হাজৰিকা, শোভন শইকীয়া, ভুবন তামূলী, হেম শইকীয়া, প্ৰয়াত কুশেশ্বৰ কলিতা, শ্ৰীসুৰেন্দ্ৰ নাথ ৰাজখোৱা - সম্পাদক। সমিতিৰ উপদেষ্টা প্ৰয়াত তুলশীনাথ বৰগোহাঁই।

গোলাঘাট জিলা শাখাৰ ৰূপালী জয়ন্তী উৎসৱ উপলক্ষে ১৯৭৮ চনত ঢেকীয়ালত অনুষ্ঠিত সভাত 'ভক্তি প্ৰবাহ' নামাকৰণেৰে এভাগ স্মৃতিগ্ৰন্থ শাখাৰ উদ্যোগত প্ৰকাশ পায়।

## শ্ৰীমন্ত প্ৰকাশ ঃ

১৯৬৫ চনত গোলাঘাট উত্তৰ আঞ্চলিক জন্মোৎসৱ সমিতিৰ দ্বাৰা শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত কলা সাহিত্য সংস্কৃতিৰ প্ৰচাৰ প্ৰসাৰৰ উদেশ্য 'শ্ৰীমন্ত' নামাকৰণেৰে এখন বাৰ্ষিক পত্ৰিকা প্ৰকাশ কৰা হয়। এই পত্ৰিকাৰ বৈষ্ণৱ পণ্ডিত কুশেশ্বৰ কলিতা আৰু শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰা ক্ৰমে প্ৰতিষ্ঠাপক সভাপতি আৰু সম্পাদক আছিল। শ্ৰীমন্ত আলোচনীভাগ কেইবছৰমান প্ৰকাশ পোৱাৰ পিছত ইয়াৰ সম্পাদনাৰ দায়িত্ব শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ ওপৰত অৰ্পণ কৰে। গোলাঘাট জিলা সাহিত্য শাখাই ১৯৮৪ চনৰ পৰা ২০০০ চন পৰ্যন্ত সম্পাদনা কৰি জিলা সংঘৰ উদ্যোগত প্ৰকাশ কৰি অহা হৈছে। শ্ৰীমন্তৰ উদ্দেশ্য হ'ল - শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰদত্ত কলা সাহিত্য সংস্কৃতিৰ প্ৰচাৰ প্ৰচাৰৰ মাধ্যমেৰে গুৰুজনাৰ ধৰ্মাদৰ্শ প্ৰকাশ কৰা।

১৯৬৫ চনৰ পৰা ১৯৬৭ চনলৈ শ্ৰীমন্তৰ সম্পাদক আছিল শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰা, ১৯৬৮ চনৰপৰা ১৯৭২ চনলৈ সম্পাদক আছিল শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া, ১৯৭৩ চনলৈ সম্পাদক আছিল শ্ৰীচন্দ্ৰ বৰদলৈ, ১৯৮০ চনৰপৰা ১৯৮৫ চনলৈ সম্পাদক আছিল শ্ৰীসুৰেন্দ্ৰ নাথ ৰাজখোৱা, । ১৯৮৬ চনৰপৰা ২০০০ চনলৈ শ্ৰীবোধেশ্বৰ কাকতিয়ে শ্ৰীমন্ত সম্পাদনা কৰিছে। 'শ্ৰীমন্ত' ২০০০চন ত্ৰিংশতম সংখ্যা প্ৰকাশ হ'ল।

প্ৰচাৰ প্ৰসাৰৰ দিশত- সাহিত্য শাখাই প্ৰতিবছৰে জিলাখনৰ বিভিন্ন স্থানত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। সাহিত্য সংস্কৃতি বিকাশৰ উপৰিও জিলাখনৰ বিভিন্ন স্থানত ধৰ্মালোচনী সভা, আলোচনা চক্ৰ, কৰ্মশালা অনুষ্ঠিত কৰি সংঘৰ আদৰ্শ আৰু প্ৰচাৰ কৰাত শাখাই অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। ১৯৯৫ চনত মূল সংঘৰ ৬৪ তম বাৰ্ষিক অধিবেশন উপলক্ষে জিলা সংঘই গোলাঘাট জিলাৰ আঞ্চলিক আৰু প্ৰাথমিকৰ সহযোগত প্ৰায় 'বিশ' খন যুব সমাৰোহ অনুষ্ঠিত কৰিছিল। এই সমাৰোহত

যুৱক-যুৱতী শিশুসকলৰ মানসিক, আধ্যাত্মিক উন্নতি সাধনৰ উদ্দেশ্য মহাপুৰুষীয়া ধৰ্ম-দৰ্শন, সাহিত্য সংস্কৃতিৰ ওপৰত আলোচনা কৰা হৈছিল। গোলাঘাট জিলা শাখাৰ আমন্ত্ৰণ ক্ৰমে গুৱাহাটীৰ – শ্ৰীপ্ৰভাত চন্দ্ৰ দাসে সভাত ভাষণ প্ৰদান কৰি যুৱ সমাজত এক সংগঠন ভেঁটিৰ সূচনা কৰিছিল। যুৱ সমাৰোহ সমূহ যুৱ সংগঠনৰ সংঘৰ প্ৰথম পদক্ষেপ আছিল।

চাহ জনজাতি আৰু মিছিং সম্প্ৰদায়ৰ মাজত সাহিত্য সংস্কৃতি শাখাৰ সহযোগত সভা সমিতি অনুষ্ঠিত কৰি প্ৰাথমিক গঠন কৰাৰ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। প্ৰতিবছৰে মাধৱ জয়ন্তী, কৃষ্ণৰ জন্মাষ্টমী আৰু গুৰুজয়ন্তী উৎসৱৰ লগত সঙ্গতি ৰাখি শিশু সমাৰোহ, আইমাতৃ সমাৰোহ অনুষ্ঠিত কৰা হৈছে। এই সমাৰোহত শিশু, যুৱক-যুৱতীসকলৰ মাজত গুৰু পৰিচয়, সাহিত্য সংস্কৃতি শীৰ্ষক প্ৰতিযোগিতা অনুষ্ঠিত কৰি প্ৰতিযোগীতাত স্থান লাভ কৰা প্ৰতিযোগীসকলক মূল সংঘই আয়োজন কৰা সমাৰোহত অংশ গ্ৰহণ কৰাৰ ব্যৱস্থা কৰে।

১৯৮০-৮১ চনৰপৰা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাই গোলাঘাট জিলাৰ মৰঙি মৌজাৰ অন্তৰ্গত অভয়াপুৰী গাঁওৰ নিবাসী প্ৰয়াত ৰহীতো হাজৰিকাৰ সোঁৱৰণত প্ৰতিবছৰে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত মহাপুৰুষীয়া সাহিত্য সংস্কৃতি সম্পৰ্কীয় বিষয়ত ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে।

## গ্ৰন্থ প্ৰকাশ ঃ

সাহিত্য শাখাই ভিন্নসুৰী প্ৰগ্ৰন্থৰে মহাপুৰুষীয়া সংস্কৃতিৰ তত্ত্ব বিচাৰ – সম্পাদক শ্ৰীবোধেশ্বৰ কাকতি নতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীযুত নাৰায়ণ চন্দ্ৰ গোস্বামী প্ৰভুৰ গুৰু কোন ? সম্পাদক বোধেশ্বৰ কাকতি, পুস্তিকা, হিন্দীভাষাৰ ৰচিত 'শঙ্কৰদেৱ প্ৰতিভা', সম্পাদক দেৱেশ্বৰ বৰা, গোলাঘাট জিলা শাখাৰ বুৰঞ্জী সম্পাদক শ্ৰীসুৰেন্দ্ৰ নাথ ৰাজখোৱা সম্পাদনা কৰিছে। ইয়াৰ উপৰিও জিলা অধিৱেশন উপলক্ষে ভক্তি প্ৰবাহ, গুৰু নবলোক আদি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰি শঙ্কৰী সাহিত্য সংস্কৃতি প্ৰচাৰত অৰিহণা যোগাইছে।

(১) সাহিত্য শাখাৰ জৰিয়তে ৰামায়ণ মহাভাৰত আৰু পুৰাণ আদিৰ আখ্যানৰ ভিত্তিত ভাওনাৰ উপযোগী নাটৰ পাণ্ডুলিপি যুগুত কৰাৰ ব্যৱস্থা কৰা হৈছে।

(২) মহাপুৰুষীয়া সাহিত্য সংস্কৃতি শীৰ্ষক গ্ৰন্থৰ পাণ্ডুলিপি প্ৰস্তুত কৰি প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে।

(৩) মেধা ছাত্ৰ-ছাত্ৰীক আৰ্থিক সাহায্য প্ৰদান, উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অসমীয়া বিষয়ত সৰ্ব্বোচ্চ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক পুৰস্কাৰ প্ৰদান আঁচনিৰ অন্তৰ্ভূক্ত কৰা হৈছে।

(৪) জিলা কাৰ্য্যালয় ঢেকীয়ালত কেন্দ্ৰীভাৱে প্ৰাচীন গ্ৰন্থ, দেশ-বিদেশৰ জ্ঞান-

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

বিজ্ঞান সম্পৰ্কীয় গ্ৰন্থ সংৰক্ষণ আৰু অধ্যয়নৰ উদ্দেশ্যে পুথিভৰাল প্ৰতিষ্ঠা কৰা হৈছে। জিলা সাহিত্য শাখাই প্ৰতিবছৰে গ্ৰহণ কৰা কৰ্ম আঁচনি বাস্তৱ ৰূপায়ণৰ ওপৰত গুৰুত্ব দি আহিছে। আঁচনি সমূহ ৰূপায়ণত আৱশ্যকীয় পুঁজিৰ অভাৱ স্বত্বে কিছু আঁচনি ৰূপায়ণ কৰিব পৰা নাই। ইংৰাজী ১৯৭৯ চনৰ ১০ মাৰ্চ তাৰিখে শ্ৰীমন্তশঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ বুৰঞ্জীভাগ গ্ৰন্থ আকাৰে প্ৰকাশ পায়। গ্ৰন্থভাগ প্ৰকাশ কৰে জিলা শাখাৰ সম্পাদক শ্ৰীহেম শইকীয়া বাপে - সম্পাদনা কৰে - সুৰেন্দ্ৰনাথ ৰাজখোৱা বাপে। ১৯৯৯ -২০০০ চনৰ কাৰ্য্যকালত গোলাঘাট জিলা শাখাৰ বুৰঞ্জীভাগ পৰিবৰ্দ্ধিত ৰূপত প্ৰকাশ কৰাৰ যি আঁচনি গ্ৰহণ কৰা হ'ল ইয়াৰ কাৰণে শাখাই জিলা সংঘৰ বিষয়ববীয়া, সদস্য-সদস্যাসকলৰ অকুণ্ঠ সহযোগত এনে মহৎ কামটি সম্পূৰ্ণ কৰাত সমৰ্থ হৈছে। এনে কাৰ্যই শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এটি মহৎ কৰ্ম সাধন কৰিব নিশ্চয়।

## জিলা বুৰঞ্জী প্ৰণয়ন উপ সমিতিৰ সদস্যসকল ঃ

**(১৯৯৮-৯৯ চন ৫৪৯-৫১ শঙ্কৰাব্দ)**

শ্ৰীবংশীধৰ বৰা - সভাপতি

শ্ৰীনবীন বৰা - সদস্য।

শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া - সদস্য।

শ্ৰীহেম শইকীয়া - সদস্য।

শ্ৰীদণ্ডেশ্বৰ বৰুৱা - সদস্য।

শ্ৰীপ্ৰফুল্ল শইকীয়া - সদস্য।

শ্ৰীসুৰেন্দ্ৰ নাথ ৰাজখোৱা - সদস্য।

শ্ৰীগোলাপ শইকীয়া - সদস্য।

শ্ৰীঅজিত বৰা - সদস্য

শ্ৰীবীৰেণ বৰা - সদস্য।

শ্ৰীৰবীন কলিতা - সদস্য।

শ্ৰীসত্য নাৰায়ণ পাঠৰী - সদস্য।

শ্ৰীআনন্দ হাজৰিকা - সদস্য।

শ্ৰীনন্দেশ্বৰ শইকীয়া - সদস্য।

শ্ৰীকুশল শইকীয়া - সদস্য।

শ্ৰীবোধেশ্বৰ কাকতি - সম্পাদক

## জিলা সাহিত্য শাখা সমিতিৰ বিষয়ববীয়াসকল ঃ

### গঠন - ১৯৭৬ চন

| কাৰ্যকাল | সভাপতি | সম্পাদক |
|---|---|---|
| ১৯৭৬-৭৭ চন | জিলা সভাপতি | শ্ৰীসুৰেন্দ্ৰ নাথ ৰাজখোৱা |
| ১৯৭৭-৭৮ চন | জিলা সভাপতি | শ্ৰীসুৰেন্দ্ৰ নাথ ৰাজখোৱা |
| ১৯৭৯-৮০ চন | জিলা সভাপতি | শ্ৰীসুৰেন্দ্ৰ নাথ ৰাজখোৱা |
| ১৯৮১-৮২ চন | শ্ৰীচন্দ্ৰ বৰদলৈ | শ্ৰীসুৰেন্দ্ৰ নাথ ৰাজখোৱা |
| ১৯৮৩-৮৪ চন | শ্ৰীপ্ৰফুল্ল দত্ত | শ্ৰীসুৰেন্দ্ৰ নাথ ৰাজখোৱা |
| ১৯৮৫-৮৬ চন | শ্ৰীসুৰেন্দ্ৰ ৰাজখোৱা | শ্ৰীবোধেশ্বৰ কাকতি |
| ১৯৮৭-৯০ চন | শ্ৰীসুৰেণ কলিতা | শ্ৰীবোধেশ্বৰ কাকতি |
| ১৯৯০-৯৭ চন | শ্ৰীহেম শইকীয়া | শ্ৰীবোধেশ্বৰ কাকতি |
| | শ্ৰীবংশীধৰ বৰা | শ্ৰীযতীন বৰা(১৯৯৬-৯৭) |
| ১৯৯৮-২০০০ চন | শ্ৰীবংশীধৰ বৰা | শ্ৰীবোধেশ্বৰ কাকতি |

## জিলা সাহিত্য শাখাৰ সদস্যসকল ঃ ১৯৯৯-২০০০ চন

### ৫৫০-৫২ শঙ্কৰাব্দ বছৰ

সৰ্বশ্ৰী বংশীধৰ বৰা -- সভাপতি
নবীন বৰা - সদস্য
ডিম্বেশ্বৰ বৰা - সদস্য
গগন হাজৰিকা - সদস্য
যোগেশ্বৰ তামূলী -- সদস্য
ৰাজেন নাথ -- সদস্য
নগেন ৰাজখোৱা - সদস্য
সোনাৰাম শইকীয়া - সদস্য
থানেশ্বৰ হাজৰিকা - সদস্য
বোধেশ্বৰ কাকতি - সম্পাদক

□□

# 'শ্ৰীমন্ত'ৰ জন্মলগ্ন সম্পৰ্কত ঃ প্ৰকাশ প্ৰচাৰ

১৯৬৪ চনৰ অক্টোবৰ মাহ ৫১৫ শঙ্কৰাব্দৰ আহিন মাহত উত্তৰ গোলাঘাট শ্ৰীশ্ৰী শঙ্কৰদেৱৰ জন্মোৎসৱ সমিতিৰ উদ্যোগত স্থানীয় অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়া প্ৰয়াত লীলাধৰ ফুকন সভাপতি, প্ৰয়াত পোনাৰাম হাজৰিকা উপ সভাপতি, প্ৰয়াত ফুলেশ্বৰ কাকতি আৰু প্ৰয়াত ধৰ্মেশ্বৰ হাজৰিকা যুটীয়া সম্পাদক, প্ৰয়াত তিলেশ্বৰ ভৰালী, প্ৰয়াত হেমধৰ বৰা আৰু প্ৰয়াত হিৰণ বৰা সহঃযুটীয়া সম্পাদক, শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰা সম্পাদক ( আলোচনা চক্ৰ), আনন্দৰাম বৰা, কোষাধ্যক্ষ্য আৰু স্থানীয় ৰাইজৰ অভ্যৰ্থনাত দেৰগাঁও পাচনী বৰা গাঁও নামঘৰ প্ৰাঙ্গণত গুৰুজনাৰ ৫১৫ তম জন্মোৎসৱ ভাগ গাম্ভীৰ্যপূৰ্ণ ভাৱে সম্পাদন হয় । ৫১৫ শঙ্কৰাব্দৰ বছৰটোৰ বাবে জন্মোৎসৱ সমিতিৰ বিষয়ববীয়াসকল আছিল বৈষ্ণৱ পণ্ডিত প্ৰয়াত কুশেশ্বৰ কলিতা সভাপতি, বিপিন দত্ত উপ সভাপতি, প্ৰয়াত ৰবীন্দ্ৰ নাথ হাজৰিকা যুটীয়া সম্পাদক ।

উত্তৰ গোলাঘাট জন্মোৎসৱ সমিতিৰ নৱম বাৰ্ষিক অধিৱেশনৰ মুকলি সভাত দশম বাৰ্ষিক অধিৱেশনত শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্য সংস্কৃতি ধৰ্মদৰ্শন প্ৰচাৰ, প্ৰসাৰ আৰু সংৰক্ষণৰ উদ্দেশ্যে 'শ্ৰীমন্ত' নামকৰণেৰে এভাগ আলোচনী প্ৰকাশৰ আঁচনি সৰ্ব সম্মতিক্ৰমে গ্ৰহণ কৰা হয় । সভাই প্ৰফুল্লচন্দ্ৰ বৰাক সম্পাদকৰ দায়িত্ব দিয়ে ।

পুৰণা সমিতিখনৰ কাৰ্যকাল অন্ত পৰাত ৫১৬ - ১৭ শঙ্কৰাব্দ বছৰৰ বাবে এখন নতুন জন্মোৎসৱ সমিতি গঠন কৰা হয় । এই সমিতিৰ কৰ্ম পৰিষদত আছিল প্ৰয়াত কুশেশ্বৰ কলিতা সভাপতি, প্ৰয়াত ৰবীন্দ্ৰ নাথ হাজৰিকা, উপ সভাপতি, শ্ৰীপ্ৰমোদ বৰুৱা প্ৰধান সম্পাদক, শ্ৰীগনেশ হাজৰিকা আৰু শ্ৰীমহেন্দ্ৰ নাথ হাজৰিকা সহঃযুটীয়া সম্পাদক, শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰা সম্পাদক (শ্ৰীমন্ত) সদস্যসকল হ'ল - প্ৰয়াত গোলাপচন্দ্ৰ পূজাৰী, প্ৰয়াত লক্ষীকান্ত মহন্ত, মণি দত্ত, প্ৰয়াত ডম্বৰুধৰ কাকতি, শ্ৰীদেবেন্দ্ৰনাথ মহন্ত, শ্ৰীডালিম চন্দ্ৰ পাঠক, প্ৰয়াত পদ্মকান্ত দত্ত, প্ৰয়াত নগেন্দ্ৰ নাথ বৰুৱা, প্ৰয়াত চেনাৰাম শইকীয়া, শ্ৰীপ্ৰফুল্ল চন্দ্ৰ শইকীয়া, শ্ৰীউপেন বৰা, শ্ৰীবোধেশ্বৰ দত্ত, প্ৰয়াত জীউৰাম হাজৰিকা, প্ৰয়াত বিপিনচন্দ্ৰ দত্ত, শ্ৰীভৱ কলিতা, শ্ৰীচন্দ্ৰ বৰদলৈ, প্ৰয়াত ফুলেশ্বৰ কাকতি, শ্ৰীআনন্দৰাম বৰা, প্ৰয়াত দুৰ্গা দত্ত, প্ৰয়াত যোগেশ্বৰ দত্ত, শ্ৰীভোলা হাজৰিকা, শ্ৰীমুক্তিনাথ দত্ত, প্ৰয়াত ৰঙাই কাকতি ।

জন্মোৎসৱ সমিতিৰ কৰ্ম পৰিষদে 'শ্ৰীমন্ত' ৰ বাৰ্ষিক আলোচনীভাগ প্ৰকাশৰ কাৰ্যকৰী ব্যৱস্থা হাতত লৈ জন্মোৎসৱ সমিতিৰ উন্নতি আৰু 'শ্ৰীমন্ত' প্ৰকাশৰ বাবে পৰামৰ্শ আৰু আৰ্থিক সাহাৰ্য বিচাৰি এখন গোহাৰি পত্ৰ প্ৰকাশ কৰে । গোহাৰি পত্ৰখনৰ অংশবিশেষ তলত উল্লেখ কৰা হ'ল -

'অসমৰ ইতিহাসৰ সৰ্বকালৰ শ্ৰেষ্ঠ ব্যক্তি যিজনা অসীম প্ৰতিভাৰ মহাপুৰুষে

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

অসমীয়া জাতিৰজনক ৰূপে আমাৰ সভ্যতা সংস্কৃতিক গঢ় দি চিৰকালৰ নিমিত্তে আমাক বচাই থৈ গ'ল, সেইজনা মহাপুৰুষৰ বিষয়ে - কৃতজ্ঞ জাতিটোক আৰু বহলাই জনোৱাৰ প্ৰয়োজন নাই। মহাপুৰুষজনাৰ প্ৰদত্ত মূল ধনেৰে আমি যুগ-যুগান্তৰ আমাৰ জাতীয় সংহতি, সমাজ , কলা, কৃষ্টি উজ্বলাই ৰাখিব পাৰিমহঁত। গুৰুজনাৰ আদৰ্শেৰে জাতীয় জীৱনৰ অগ্ৰগতিত আজি আমি নিশ্চয় বৰঙণি যোগোৱাৰ থল আছে। আগত মহান উদ্দেশ্য লৈ 'উত্তৰ গোলাঘাট শ্ৰীশ্ৰী শঙ্কৰদেৱ জন্মোৎসৱ সমিতি' য়ে কাৰ্যপন্থা হাতত লৈ মহাপুৰুষীয়া কলা কৃষ্টি ধৰ্ম প্ৰচাৰৰ অৰ্থে ব্ৰতী হোৱাৰ সংকল্প গ্ৰহণ কৰিছে। সেই উদ্দেশ্যে জন্মোৎসৱ সমিতিয়ে গাঁৱে গাঁৱে মহাপুৰুষীয়া ধৰ্মৰ চৰ্চা, কলা সংস্কৃতিৰ প্ৰসাৰতা, আলোচনা চক্ৰ আদি অনুষ্ঠানৰ ব্যৱস্থা কৰিছে। তদুপৰি গুৰুজনাৰ পৱিত্ৰ স্মৃতিত 'শ্ৰীমন্ত' নামেৰে এখন বাৰ্ষিক পত্ৰিকা প্ৰকাশৰ আয়োজন কৰিছে।'

প্ৰথম বছৰৰ আলোচনীখনত ১২২ আৰু ১২৩ পৃষ্ঠাত যিসকল সহৃদয় লোকৰ সহাৰিৰ বাবে 'শ্ৰীমন্তই প্ৰকাশৰ পথ দেখিছে সেইসকলক কৃতজ্ঞতাৰে সোঁৱৰা হৈছে।

'শঙ্কৰী কলা সাহিত্য সংস্কৃতিৰ বাৰ্ষিক পত্ৰিকা' 'শ্ৰীমন্ত'ৰ প্ৰথম সংখ্যা প্ৰকাশ হৈ ওলায় ১৯৬৫ চনৰ ১৮ অক্টোবৰত। ইয়াৰ প্ৰথম প্ৰকাশৰ উন্মোচনী সভা অনুষ্ঠিত হয় স্থানীয় দেৰগাঁও টাউন ক্লাব ভৱনত । উন্মোচনী সভাত ৰাইজৰ হৰ্ষধ্বনিৰ মাজত আলোচনীখন উন্মোচন কৰে দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হৰকান্ত মহন্ত ডাঙৰীয়াই । সভাত সভাপতিত্ব কৰে সু সাহিত্যিক চৈয়দ আব্দুল মালিকে। প্ৰথম বছৰৰ আলোচনীখনৰ সম্পাদনা সমিতিত আছিল - প্ৰয়াত কুশেশ্বৰ কলিতা সভাপতি, প্ৰফুল্লচন্দ্ৰ বৰা সম্পাদক/সদস্যসকল শ্ৰীপ্ৰফুল্ল চন্দ্ৰ শইকীয়া, শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া, শ্ৰীমহেন্দ্ৰ নাথ হাজৰিকা (ব্যৱস্থাপক) প্ৰকাশক আছিল জন্মোৎসৱ সমিতিৰ প্ৰধান সম্পাদক শ্ৰীপ্ৰমোদ বৰুৱা । ছপা কৰা হৈছিল দেৰগাঁৱৰ সুমিত্ৰা প্ৰেছত । মুঠ পৃষ্ঠা আছিল১৩১ । দাম ২.০০ টকা । বেতুপাতটো পোৱা হৈছিল আনন্দ। ৰাম বৰাৰ সৌজন্যত। আঁকিছিল যোৰহাটৰ 'চিত্ৰ পীঠৰ শিল্পী গোলাপ মহন্তই। বেটুপাতটোৰ মাজৰ 'শ্ৰীগুৰু চক্ৰ'টো আঁকিছিল অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মিত্ৰদেৱ মহন্ত সত্ৰাধিকাৰ প্ৰভুৱে। বেটুপাতটো ছপা কৰা হৈছিল কলিকতাৰ ষ্টেট্চমেন প্ৰাইভেট লিমিটেডত। 'শ্ৰীমন্ত'ৰ বেটুপাতটো প্ৰথম সংখ্যাৰপৰা বৰ্তমানলৈকে একেটাই আছে। 'শ্ৰীমন্ত'ৰ দ্বিতীয় বছৰৰ দ্বিতীয় সংখ্যা প্ৰকাশ পায় ১৫-১০-৬৬ তাৰিখে (আইন ৫১৮ শঙ্কৰাব্দ)। এই সংখ্যাৰ সম্পাদনা সমিতিখনত আছিল প্ৰয়াত কুশেশ্বৰ কলিতা সভাপতি, শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰা, সম্পাদক, প্ৰয়াত ৰবীন্দ্ৰ নাথ হাজৰিকা, শ্ৰীপ্ৰফুল্ল চন্দ্ৰ শইকীয়া, শ্ৰীজালিম চন্দ্ৰ পাঠক, শ্ৰীগোবিন্দচন্দ্ৰ শইকীয়া আৰু শ্ৰীমহেন্দ্ৰ নাথ হাজৰিকা (ব্যৱস্থাপক) সদস্যসকল।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

প্ৰকাশক - প্ৰয়াত কুশেশ্বৰ কলিতা সভাপতি জন্মোৎসৱ সমিতি । ছপা কৰা হৈছিল, যোৰহাট জনমভূমি প্ৰেছত । দাম আছিল ২.০০ টকা । তৃতীয় সংখ্যা 'শ্ৰীমন্ত' লৈ ভাৰতৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি ড০সৰ্বপল্লী ৰাধা কৃষ্ণণে পঠোৱা বাণীত লিখিছিল - (Dear Sri Profulla Chandra Bora, Editor, 'The Sreemanta.'---'Shree Sankardev was a great Social and Spiritual reformer, the people of Assam must profit from his teachings. It will be helpful to uplift the state and the nation.')

এইখিনিতে উল্লেখ কৰিব পাৰি - পঞ্চদশ সংখ্যালৈকে 'শ্ৰীমন্ত' উত্তৰ গোলাঘাট শ্ৰীশ্ৰী শঙ্কৰদেৱ জন্মোৎসৱ সমিতিৰ উদ্যোগত প্ৰকাশ পায় । ষষ্ঠদশ সংখ্যা 'শ্ৰীমন্ত' শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাই আনুষ্ঠানিক পত্ৰিকা হিচাপে প্ৰকাশ কৰাৰ দায়িত্ব গ্ৰহণ কৰে । অতি গৌৰৱৰ কথা পৰৱৰ্ত্তী বছৰত গুৰুজনাৰ আদৰ্শৰ প্ৰতীকস্বৰূপ ধ্বজা বাহক হিচাবে গোলাঘাট জিলা শাখাই 'শ্ৰীমন্ত' আলোচনী ভাগ বাৰ্ষিক পত্ৰিকা হিচাবে উচ্চ মানদণ্ডৰ প্ৰবন্ধ কবিতাৰে প্ৰকাশ কৰি বৰ্ত্তমান পইত্ৰিশ বছৰ পূৰ্ণ কৰিছে । 'শ্ৰীমন্ত' ই বয়োবৃদ্ধসকলক আধ্যাত্মিক জ্ঞান দিয়াৰ লগতে যুৱক-যুৱতী ছাত্ৰ-ছাত্ৰীসকলৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত কলা সংস্কৃতি তথা ধৰ্মাদৰ্শৰ বিষয়ে চিন্তা চৰ্চা কৰিবলৈ প্ৰেৰণা দিছে । 'শ্ৰীমন্ত'ৰ ত্ৰিশ বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে - ১৯৯৫ চনৰ জানুৱাৰী মাহত (৫৪৬ শঙ্কৰাব্দত ) পঞ্চ বিংশতিতম্ সংখ্যাটি ভিন্নসুৰী অসমৰ কেইবা গৰাকীও বশিষ্ট লিখকৰ লিখনিৰে প্ৰকাশ কৰা হয় । সম্পাদনা কৰে শ্ৰীবোধেশ্বৰ কাকতিয়ে ।

এই সংখ্যা 'শ্ৰীমন্ত'ত স্মৃতি চাৰণ কৰা হয় 'শ্ৰীমন্ত'ৰ জন্ম লগ্নত সুদীৰ্ঘ ত্ৰিশ বছৰৰ আগতে যি গৰাকী বৰেণ্য ব্যক্তিৰ অকুণ্ঠসহায় সহযোগত আৰু ত্যাগৰ বিনিময়ত আলোচনী ভাগ প্ৰকাশৰ সম্ভৱ হৈ উঠিল, সেই গৰাকী ব্যক্তি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ একনিষ্ঠ সঙ্গী, হোমিওপেঠিক চিকিৎসক, 'শ্ৰীমন্ত'ৰ প্ৰতিষ্ঠাপক সভাপতি, বৈষ্ণৱ পণ্ডিত প্ৰয়াত কুশেশ্বৰ কলিতা দেৱৰ পৱিত্ৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হয় । '

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ গোলাঘাট জিলা শাখাৰ বাৰ্ষিক পত্ৰিকা হিচাবে 'শ্ৰীমন্ত' ই গুৰুজনাৰ ধৰ্ম, সাহিত্য, কলা কৃষ্টি প্ৰচাৰ আৰু সংৰক্ষণৰ দিশত বাহক স্বৰূপ হৈ আহিছে । জন্মাৱধি এই আলোচনীখনে অসমীয়া জাতীয় জীৱনৰ আধ্যাত্মিক, নৈতিক আৰু বৌদ্ধিক বিকাশৰ এক উল্লেখযোগ্য বৰঙণী যোগাই নিজৰ স্থিতি ৰক্ষা কৰিছে । লগতে লব্ধ প্ৰতিষ্ঠ গুণী-জ্ঞানী ব্যক্তিসকলৰ তথ্য সমৃদ্ধভাৱ ব্যঞ্জক লিখনিয়ে অসমৰ জাতীয় চৈতন্য উদ্বুদ্ধ কৰণত পৰ্য্যাপ্ত পৰিমাণে সহায়ক হৈছে । আমাৰ আশা এনে এখন ধৰ্ম কলা সংস্কৃতি শীৰ্ষক আলোচনী চিৰঞ্জীৱী হৈও ৰওক আৰু ইয়াৰ জৰিয়তে গুৰুজনাৰ স্থান বিশ্বদৰবাৰত একক হৈ চিৰকাল জিলিকি থাকক ।

'শ্ৰীমন্ত'ৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত কুশেশ্বৰ কলিতা ।

### গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

সম্পাদকসকল - শ্ৰীপ্ৰফুল্লচন্দ বৰা (প্ৰথম (সংখ্যাৰ পৰা তৃতীয় সংখ্যালৈ)
শ্ৰীগোবিন্দ্ৰ চন্দ্ৰ শইকীয়া (চতুৰ্থ সংখ্যাৰ পৰা অষ্টম্ সংখ্যালৈ ।)
শ্ৰীচন্দ্ৰ বৰদলৈ - (নৱম সংখ্যাৰ পৰা পঞ্চদশ সংখ্যাত ।)
শ্ৰীসুৰেন্দ্ৰ নাথ ৰাজখোৱা - (ষোড়শ আৰু সপ্তদশ সংখ্যা ।)
শ্ৰীবোধেশ্বৰ কাকতি - (অষ্টাদশ সংখ্যাৰ পৰা বৰ্ত্তমান ত্ৰিশতম সংখ্যালৈ ।)

বৰ্ত্তমান শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ অন্তৰ্গত সাহিত্য শাখাৰ সভাপতি গৰাকী সম্পাদনা সামিতিৰ সভাপতিৰ দায়িত্বত থাকে ।

# প্ৰচাৰ শাখাৰ ইতিবৃত্ত

## গঠন ঃ ১৯৬১ চন

গুৰু প্ৰদত্ত ধৰ্ম, সাহিত্য-সংস্কৃতি পৰি শুদ্ধ ৰূপত জনসাধাৰণৰ মাজত প্ৰচাৰ কৰি আচৰণ কৰিবলৈ শিক্ষা দিয়াই এই সমিতিৰ মূল উদেশ্যে । শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই এই উদেশ্য কাৰ্যকৰী কৰাৰ বাবে 'প্ৰচাৰক নিৰ্দেশিকা' নামেৰে এভাগি হাতপুথি প্ৰকাশ কৰিছে । এই প্ৰচাৰক নিৰ্দেশিকাৰ আধাৰত মূল সংঘই, লগতে প্ৰতি জিলা শাখাই (নিজ নিজ জিলাত) প্ৰচাৰ কাৰ্য্য চলাবলৈ 'প্ৰচাৰক' নিযুক্তি দিছে । সংঘৰ প্ৰতিখন জিলাতে মূল সংঘৰ নিৰ্দেশ অনুযায়ী একোখন প্ৰচাৰক সমিতি গঠন কৰিছে ।

গোলাঘাট জিলা শাখাই ১৯৬১ চনত প্ৰচাৰ আৰু সংগঠন দুয়োটি দায়িত্ব ন্যস্ত কৰি জিলা শাখাৰ একনিষ্ঠ সেৱক প্ৰয়াত যোগেন দত্ত বাপক সামান্য পাৰিতোষিক দি জিলাখনৰ বিভিন্ন অঞ্চলত প্ৰচাৰ কাৰ্য্য চলায় । ইয়াৰ পিছত জিলা শাখাই এই দিশত সৰ্বাধিক গুৰুত্ব আৰোপ কৰি পোন্ধৰৰ পৰা সোতৰ জন সদস্যক লৈ প্ৰচাৰ সমিতি গঠন কৰে । জিলা কাৰ্য্যনিৰ্বাহকৰ সভাপতি বাপেই এই প্ৰচাৰ সমিতিখনৰ সভাপতিৰ দায়িত্ব পালন কৰে । পৰ্ব্বত ভৈয়াম-সকলো স্থানতে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ লক্ষ্য আৰু উদেশ্য সুদূৰ প্ৰসাৰি কৰি প্ৰাথমিক শাখা গঠনত এই সমিতিয়ে ত্যাগ নিষ্ঠাৰে আগবাঢ়ি যোৱাৰ ফলস্বৰূপে জনজাতি আৰু চাহ বাগান অঞ্চলত কেইবাখনিও শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শেৰে প্ৰাথমিক শাখা গঠন হয় । গোলাঘাট জিলা শাখাৰ প্ৰচাৰ শাখাৰ প্ৰথম গৰাকী সম্পাদক শ্ৰীৰোমেশ্বৰ দত্ত আৰু দ্বিতীয় গৰাকী সম্পাদক শ্ৰীদণ্ডেশ্বৰ বৰুৱা বাপে জিলাখনত ব্যাপক প্ৰচাৰ কাৰ্য্য চলায় প্ৰাথমিক শাখা গঠনত বিপুল - অৰিহণা যোগায় । মূল সংঘৰ নিৰ্দেশমৰ্মে পুনৰ জিলা শাখাই ২৫-৭-৯৯ ইংৰাজী তাৰিখৰ কাৰ্য্যনিৰ্বাহক সভাই এখনি প্ৰচাৰ শাখা সমিতি গঠন কৰে । এই শাখা সমিতিৰ সভাপতি শ্ৰীদণ্ডেশ্বৰ বৰুৱা আৰু সম্পাদক শ্ৰীথানেশ্বৰ হাজৰিকা । সমিতিৰ অন্য সদস্যসকল ক্ৰমে সৰ্বশ্ৰী ভবেশ কুমাৰ দত্ত, চৰিত্ৰ ৰবিদাস, গণেশ তাঁতী, তৰুণ বৰা ধ্ৰুৱকান্ত বৰা, নন্দেশ্বৰ শইকীয়া আৰু লক্ষেশ্বৰ শইকীয়া । বৰ্ত্তমান এই

প্ৰচাৰ সমিতিয়ে প্ৰচাৰৰ বাবে এলানি কাৰ্য্যসূচী গ্ৰহণ কৰি মূল সংঘৰ প্ৰচাৰক শ্ৰীবিপুল নাইডু বাপৰ জৰিয়তে চাহ বাগান অধ্যুষিত অঞ্চলত কেইবাখনি প্ৰচাৰমূলক সভা অনুষ্ঠিত কৰে । প্ৰচাৰিত অঞ্চলসমূহ- নেঘেৰেটিং অঞ্চলৰ চ'গুৰি কছাৰী গাঁও, নেঘেৰিটিং বাগানৰ বৰ লাইন, কছাৰী লাইন, টেকেলা লাইনত, বালিজান নতুন লাইন বাঙলিটিং বাগান, ৰঙামাটি বাগানৰ তুলচিয়া লাইন, মাজলাইন আৰু ঘিলাধাৰী মকৰং বাগান আদি । জিলা প্ৰচাৰ শাখা সমিতিয়ে গ্ৰহণ কৰা প্ৰচাৰ কাৰ্য্যসূচীৰ ভিতৰত চাহ বাগান আৰু মিচিং জনগোষ্ঠীৰ অঞ্চল সমূহ, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ একেবাৰে প্ৰভাৱ নথকা অঞ্চল সমূহত বিশেষ অগ্ৰাধিকাৰ ভিত্তিত প্ৰচাৰ সভা আলোচনা চক্ৰ, শঙ্কৰী নৃত্য-গীত আৰু স্থানীয় লোক-নৃত্য, গীত-মাতৰ অনুষ্ঠান আদিৰে আকৰ্ষণীয় কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে । ৫৫১-৫২ শঙ্কৰাব্দ বছৰত সাহিত্য আৰু সংস্কৃতি শাখাৰ যুটীয়া প্ৰচেষ্টাত সংঘৰ প্ৰচাৰ প্ৰসাৰৰ উদ্দেশ্যে চাহ-জনজাতি আৰু মিচিং জনগোষ্ঠীৰ মাজত আলোচনা চক্ৰ, কৰ্মশালা, শঙ্কৰী নৃত্য গীত বাদ্যৰ প্ৰশিক্ষণ সত্ৰ অনুষ্ঠিত কৰাৰ বিস্তৃত কৰ্ম আঁচনি গ্ৰহণ কৰা হৈছে । এই আঁচনিৰ সফল ৰূপায়ণত জিলা শাখাৰ সঙ্গী বাপ সমস্তৰ ঐকান্তিক সহযোগিতা নিতান্ত প্ৰয়োজন হ'ব ।

## জিলা শাখাৰ কেন্দ্ৰীয় বিদ্যালয় 'শঙ্কৰী সংস্কৃতি বিকাশ কেন্দ্ৰ' চমু ইতিবৃত্ত

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ বৰ্ত্তমানৰ সম্পাদক শ্ৰীযুত নবীন বৰা দেৱৰ আহ্বানত জিলা শাখা নামঘৰ ঢেকীয়ালত বহা ৫-৪-৯৮ ৰাজহুৱা সভাৰ সিদ্ধান্ত ক্ৰমে জিলা শাখাৰ নিষ্ক্ৰীয় হৈ যোৱা শঙ্কৰী কৃষ্টি বিকাশ কেন্দ্ৰটি সক্ৰিয় কৰাৰ মানসেৰে জিলাৰে কেন্দ্ৰীয় বিদ্যালয় ৰূপে 'শঙ্কৰী সংস্কৃতি বিকাশ কেন্দ্ৰ' নামে ঢেকীয়ালত স্থায়ী বিদ্যালয় শুভাৰম্ভ কৰা হয় । উক্ত কেন্দ্ৰীয় বিদ্যালয়খনিৰ এটি চমু খতিয়ান দাঙি ধৰা হ'ল ।

বিদ্যালয়ৰ শুভাৰম্ভ ঃ ৩০-৫-৯৮ চন । বিদ্যালয়ৰ স্থান ঃ জিলা নামঘৰ প্ৰাঙ্গণ ঢেকীয়াল ।

### বিদ্যালয়ৰ পৰিচালনা সমিতি ঃ

সৰ্বশ্ৰী ৰত্নেশ্বৰ দত্ত - উপদেষ্টা ।
প্ৰফুল্ল শইকীয়া - উপদেষ্টা ।
অমূল্য কলিতা - উপদেষ্টা
প্ৰদীপ বৰা -সভাপতি

দুলু প্ৰসাদ নাথ - সম্পাদক ।
পৰাগজ্যোতি হাজৰিকা - সদস্য
ৰাতুল শৰ্ম্মা - সদস্য ।
যাদৱ শইকীয়া - সদস্য ।
বিমান শইকীয়া - সদস্য
নিতুল বৰা - সদস্য ।
পুলিন শইকীয়া - সদস্য ।
চুৰেশ শইকীয়া - সদস্য ।
ৰবীন দত্ত - সদস্য ।

**বিদ্যালয়ৰ শিক্ষকসকল ঃ**

সৰ্বশ্ৰী পৰাগ জ্যোতি হাজৰিকা ।
বিমান শইকীয়া ।
দুলু প্ৰসাৰ্দ নাথ । (অধ্যক্ষ )

১৯৯৮-৯৯ বৰ্ষ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সংখ্যা ২৬ জন ।

**জিলা শাখা বিভিন্ন বিদ্যালয়ৰপৰা বাৰ্ষিক পৰীক্ষা দিয়া ছাত্ৰ-ছাত্ৰী সংখ্যা ঃ**

শঙ্কৰী সংস্কৃতি বিকাশ কেন্দ্ৰ - ১৯ জন
দৈয়াং আঞ্চলিক - ১০ জন
বহুমুখী সংস্কৃতি বিকাশ কেন্দ্ৰ ১২ জন

---

মুঠ পৰীক্ষাৰ্থী - ৪১ জন ।
উত্তীৰ্ণ হয় - ৩৯ জন ।

**১৯৯৮-৯৯ বৰ্ষৰ বাৰ্ষিক পৰীক্ষা পৰিচালনা সমিতি ঃ**

সৰ্বশ্ৰী নীলকান্ত বৰা - সভাপতি ।
প্ৰদীপ বৰা - সম্পাদক ।
গোলাপ শইকীয়া সদস্য
ৰাতুল শৰ্মা - সদস্য
অমুল্য কলিতা - সদস্য
অতুল শইকীয়া - সদস্য
ৰবীন দত্ত - সদস্য

**১৯৯৯-২০০০ বৰ্ষৰ ছাত্ৰ-ছাত্ৰী সংখ্যা**

(১) শঙ্কৰী সংস্কৃতি বিকাশ কেন্দ্ৰ,
মুঠ পৰীক্ষাৰ্থী - ১১ (এঘাৰজন)

| | |
|---|---|
| (২) খনিকৰ সংস্কৃতি কেন্দ্ৰ মুঠ পৰীক্ষাৰ্থী - | ১৭ জন (সোতৰ জন) |
| (৩) উত্তৰ আঞ্চলিক কেন্দ্ৰ মুঠ পৰীক্ষাৰ্থী - | ৭ জন (সাত জন) |
| (৪) পাঞ্চজন্য আঞ্চলিক কেন্দ্ৰ মুঠ পৰীক্ষাৰ্থী - | ৬ (ছয় জন) |
| (৫) দেৰগাঁও আঞ্চলিক কেন্দ্ৰ মুঠ পৰীক্ষাৰ্থী - | ১৯ জন (উনৈশ) |
| | ৫৯ জন |
| (৬) দৈয়াং আঞ্চলিক শাখা - | ৭ জন (সাতজন) |
| | ৬৬ জন। |

# মূল সংঘৰ দ্বাৰা প্ৰতিষ্ঠিত শঙ্কৰী সঙ্গীত বিদ্যালয়

## গোলাঘাট ঃ বেঙেনাখোৱা

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই ১৯৯৭ বৰ্ষত অসমৰ জিলা সমূহত শঙ্কৰী সঙ্গীত বিদ্যালয় প্ৰতিষ্ঠা কৰা আঁচনি গ্ৰহণ কৰে। আঁচনিৰ অন্তৰ্গত গোলাঘাট জিলা শাখাটো এখন শঙ্কৰী সঙ্গীত বিদ্যালয় স্থাপন কৰে। বিদ্যালয়খনৰ এটি চমু তথ্য দাঙি ধৰা হ'ল।

**বিদ্যালয়ৰ স্থান ঃ 'শঙ্কৰী সংস্কৃতি কেন্দ্ৰ ' গোলাঘাট (বৰ্তমান জিলাৰ শাখাৰ শাখা কাৰ্য্যালয় )**

**বিদ্যালয়ৰ নামকৰণ ঃ** শঙ্কৰী সঙ্গীত বিদ্যালয়। গোলাঘাট , শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ।

**বিদ্যালয়ৰ শুভাৰম্ভ ঃ ১৩-৯-৯৭ চন।**

**বিদ্যালয়ৰ পৰিচালনা সমিতিখন ঃ**

(১) শ্ৰীযোগেন গগৈ - সভাপতি।

(২) শ্ৰীবদন বৰা - সম্পাদক (অধ্যক্ষ)

(৩) শ্ৰীইলা গগৈ - সহ সম্পাদিকা।

(৪) শ্ৰীমানিক নাথ - সদস্য।

(৫) শ্ৰীতিলেশ্বৰ তামূলী - সদস্য।

(৬) শ্ৰীমহেশ্বৰ শইকীয়া - সদস্য।

(৭) শ্ৰীতৰুণ বৰা - উপদেষ্টা।

(৮) শ্ৰীগনেশ তাঁতী - সদস্য ।

**বিদ্যালয়ৰ শিক্ষকসকল ঃ (মূল সংঘদ্বাৰা নিয়োজিত)**

সৰ্বশ্ৰী নীলকান্ত বৰা । (অধ্যক্ষ)

পৰাগজ্যোতি হাজৰিকা । ( বায়ন)

দানেশ্বৰ বৰুৱা । (নৰ্ত্তন)

১৯৯৭ -৯৮ বৰ্ষত বিদ্যালয়ৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল ৭০ জন ।

বিভিন্ন বিভাগত বাৰ্ষিক পৰীক্ষা দিয়ে ৩৩ জন । উত্তীৰ্ণ হয় - ৩৩ জন ।

**১৯৯৮-৯৯ বৰ্ষ ঃ**

শিক্ষক তথা অধ্যক্ষ শ্ৰীনীল বৰাৰ পৰিবৰ্ত্তে গায়ন প্ৰশিক্ষক ৰূপে শ্ৰীদুলু প্ৰসাদ নাথক । নিয়োগ কৰে । অধ্যক্ষ হিচাবে শ্ৰীযুত বদন বৰাক নিয়োগ কৰা হয় ।

মুঠ ছাত্ৰ-ছাত্ৰী - ৩৫ জন

বাৰ্ষিক পৰীক্ষা দিয়ে - ২৫ জনে

উত্তীৰ্ণ হয় - ২৩ জনে ।

**১৯৯৯-২০০০ বৰ্ষ ঃ**

শিক্ষক শ্ৰীদীনেশ্বৰ বৰুৱাক বদলীকৰণ কৰি আগষ্ট মাহৰপৰা শ্ৰীপৱিত্ৰ বৰাক নিয়োগ কৰে ।

**বৰ্ত্তমান শিক্ষকসকল ঃ**

(১) গায়ন - শ্ৰীদুলু প্ৰসাদ নাথ ।

(২) বায়ন - শ্ৰীপৰাগজ্যোতি হাজৰিকা

(৩) নৰ্ত্তন - শ্ৰীপৱিত্ৰ বৰা ।

মুঠ ছাত্ৰ-ছাত্ৰী সংখ্যা ৩৫ জন ।

□□

# শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ 'সেৱা বাহিনীৰ' ইতিবৃত্ত

## গঠন ঃ ১৯৯৭ চন

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ অগ্ৰজ বাপ বান্ধৱসকলৰ সু-পৰিকল্পনা সু-চিন্তাৰ ফলস্বৰূপে জন্ম হ'ল 'সেৱা বাহিনী' বয়সৰ প্ৰাচীৰ ভাঙি প্ৰবীন-নবীন সকলোকে একে মঞ্চতে উপবিষ্ট কৰাই গুৰুজনাৰ ধৰ্ম সংস্কৃতিৰ ধাৰাটোক অধিক জীপাল কৰাৰ বাবেই সেৱা বাহিনীৰ জন্ম।

উত্তৰ পূব ভাৰতৰ সৰ্ব্ব বৃহৎ ধৰ্ম্ম সংস্কৃতিৰ অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ 'সেৱা বাহিনী' নুমলীয়া সন্তান, ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য অতিকৈ মহান। যুৱ মানসিকতাই যি সময়ত ভয়াবহ ৰূপ ধাৰণ কৰিছে, সমাজখনক বিপথগামী কৰিছে, ঠিক তেনে সময়তে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই এই 'সেৱা বাহিনী' গঠন কৰি বিপথগামী যুৱক-যুৱতীসকলক গুৰুজনাৰ ধৰ্ম্ম সংস্কৃতিৰ বান্ধোনেৰে বান্ধি এক সংগঠনৰ ভিতৰত ৰাখি ধৰ্মৰ মাজেদি কৰ্ম সংস্কৃতিৰ প্ৰতি আগ্ৰহী কৰি ভৱিষ্যত জীৱনৰ সৎ পথৰ সন্ধান দিবৰ কাৰণে চেষ্টা কৰা হৈছে।

সেৱাই (to serve) হল প্ৰকৃত ধৰ্ম, সেৱাই প্ৰকৃত কৰ্ম্ম। সেইহে যুৱক-যুৱতীসকলে ধৰ্ম্ম আৰু কৰ্ম্ম সাধনাৰ বাবে গুৰুজনাৰ প্ৰদৰ্শন পথেৰে আগবাঢ়ি ভকত বৈষ্ণৱসকলৰ সঙ্গত থাকি নিজক গঢ়াৰ লগতে সেৱা কৰ্ম্মত ব্ৰতী হোৱাই সেৱা বাহিনীৰ উদ্দেশ্য। ১৯৯৭ চনৰ ছিপাঝাৰত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় যুৱ সমাৰোহতে মূল সংঘই 'সেৱা বাহিনীৰ' জন্ম দিয়ে। সেই সমাৰোহৰ সিদ্ধান্ত মৰ্ম্মে প্ৰতি জিলাতে সেৱা বাহিনী গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হয়। গোলাঘাট জিলাতো ১৯৯৭ চনৰ ৩ অক্টোবৰত সেৱা বাহিনীৰ গোট গঠন কৰা হয়। ২১ জন সদস্যাৰে এই গোট গঠন হয়। শ্ৰীপৰাগজ্যোতি হাজৰীকাক জিলাধিনায়ক আৰু শ্ৰীজয়ন্ত কমল বৰুৱাক উপ জিলাধিনায়কৰ দায়িত্ব অৰ্পণ কৰে। জিলা গোটৰ আন বিষয়-ববীয়া আৰু সদস্যসকল হ'ল—

উপদেষ্টা ঃ শ্ৰীবীৰেন বৰা, জিলা সভাপতি।

সচিব ঃ শ্ৰীনবীন বৰা, জিলা সম্পাদক।

সদস্যসকল ঃ

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

(১) শ্ৰীবিপ্লৱজ্যোতি বৰা ঃ ব্ৰহ্মপুত্ৰ অঞ্চল।

(২) শ্ৰীজ্যোতি প্ৰসাদ বৰুৱা ঃ বেতিয়নী।

(৩) শ্ৰীপ্ৰবীণ কলিতা ঃ শিঙৰাজান।

(৪) শ্ৰীৰমেশ শইকীয়া ঃ হালোৱা গাওঁ

(৫) শ্ৰীনিবেদিতা শইকীয়া ঃ হালোৱা গাঁও

(৬) শ্ৰীমতী ৰীতা বৰা ঃ মলাই কুমাৰ।

(৭) শ্ৰীফুলেন বৰা ঃ পুব আঞ্চলিক।

(৮) শ্ৰীউৎপল বৰা ঃ দেৰগাঁও।

(৯) শ্ৰীমতী নিলিমা বৰুৱা ঃ মৰঙ্গী।

(১০) শ্ৰীৰঞ্জিত বৰা ঃ মণি কাঞ্চন আঞ্চলিক।

(১১) শ্ৰীৰঞ্জিত বাজখোৱা ঃ শ্ৰীমন্ত আঞ্চলিক।

(১২) শ্ৰীঅশোক কাকতি ঃ উত্তৰ আঞ্চলিক।

(১৩) শ্ৰীপুলিন শইকীয়া ঃ দৈয়াং আঞ্চলিক।

(১৪) শ্ৰীমতী দীপা বৰা ঃ ফৰকাটিং আঞ্চলিক।

(১৫) শ্ৰীদুলুপ্ৰসাদ নাথ ঃ ঢেকীয়াল আঞ্চলিক।

(১৬) শ্ৰীইন্দ্ৰ বৰা ঃ খিলাধাৰী আঞ্চলিক।

(১৭) শ্ৰীমতী অপৰাজিতা শইকীয়া ঃ ফৰকাটিং

৪৬ তম জিলা অধিবেশনত কোচৰগাওঁ নামঘৰত অনুষ্ঠিত হোৱা সাধাৰণ পৰিষদৰ সভাই পুনৰ শ্ৰীপৰাগজ্যোতি হাজৰীকাক জিলাধিনায়ক, শ্ৰীহৰেণ বৰা আৰু শ্ৰীজয়ন্ত কমল বৰুৱাক উপ-জিলাধিনায়ক নিৰ্বাচিত কৰে।

ইং ১১/৪/৯৯ তাৰিখত অনুষ্ঠিত হোৱা সভাত সেৱা বাহিনীৰ বিভিন্ন কাম-কাজ পৰিচালনা কৰিবৰ কাৰণে জিলা শাখাৰ এখন ২৩ জনীয়া কৰ্ম্ম পৰিষদ গঠন কৰা হয়। সেই কৰ্ম্ম পৰিষদৰ বিষয়-ববীয়াসকল হল ঃ--

শ্ৰীবীৰেন বৰা ঃউপদেষ্টা

শ্ৰীনবীন বৰা ঃ সচিব

শ্ৰীপৰাজজ্যোতি হাজৰীকা ঃ জিলাধিনায়ক

শ্ৰীহৰেন বৰা ঃ উপ জিলাধিনায়ক

শ্ৰীজয়ন্ত কমল বৰুৱা ঃ উপ জিলাধিনায়ক

ইয়াত প্ৰতি আঞ্চলিকৰ এজনকৈ সদস্য লোৱা হয় আৰু আঞ্চলিক বিহীন

প্ৰাথমিকসমূহৰপৰা ৭ জন সদস্য লোৱা হয়। এই কৰ্ম্ম পৰিষদৰ ৫ খন সভা জিলাৰ বিভিন্ন স্থানত অনুষ্ঠিত কৰি জিলা আৰু মূলৰ কৰ্ম্ম আচনি সম্পৰ্কে আলোচনা কৰি তাৰ সফল ৰূপায়ণৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি বিভিন্ন আঞ্চলিকসমূহৰ দ্বাৰা অনুষ্ঠিত হোৱা সেৱা কাৰ্য্য যেনে ৰাস্তা বন্ধা, ধৰ্ম্মালোচনী সভা, প্ৰচাৰ আৰু সাংগঠনিক সভাসমূহত জিলাৰ তৰফৰপৰা সক্ৰিয় সহযোগ কৰা হয়। দৈয়াং আঞ্চলিক, মৰঙ্গী আঞ্চলিক, শ্ৰীমন্ত আঞ্চলিক ফৰকাটিং আঞ্চলিক আৰু গোলাঘাট আঞ্চলিকত সেই সভা সমিতি আৰু সেৱা কাৰ্য্য সম্পাদান কৰা হয়। জিলা আৰু আঞ্চলিক শাখাৰ বিষয়-ববীয়া আৰু আন জ্যেষ্ঠ সঙ্গীসকলে ইয়াত যোগদান কৰে। সেৱা বাহিনীৰ জিলা শাখাই পতা সভা-সমিতি আৰু কাম-কাজৰ খতিয়ান ঃ

(১) সভা-সমিতি ঃ

২১/৯/৯৯ —নৱ নিৰ্ব্বাচিত সাধাৰণ পৰিষদৰ সভা। ফৰকাটিং কোচগাঁও নামঘৰ।

২১/৪/৯৯ —কৰ্ম্ম পৰিষদৰ সভা জিলা নামঘৰ ঢেকীয়াল।

২১/৭/৯৯ —কৰ্ম্ম পৰিষদৰ সভা জিলা নামঘৰ।

১৮/৯/৯৯ — „ „ „ „ „ ।

১১/১/২০০০ — „ „ „ „ „ ।

(২) বিভিন্ন প্ৰাথমিক আৰু আঞ্চলিক শাখাত হোৱা সভা-সমিতি ঃ

৭, ৮, ৯, ১০/৪/৯৯ —দৈয়াং আঞ্চলিক, বৃক্ষ ৰোপন, ৰাষ্টা বন্ধা, ধৰ্ম্ম আলোচনা সভা।

১০/৫/৯৯ —মৰঙ্গি আঞ্চলিক, সাংগঠনিক সভা।

২২/১০/৯৯ —ফৰকাটিং আঞ্চলিক „ „ ।

১৬/১০/৯৯ —ফৰকাটিং আঞ্চলিক „ „ ।

১৯/১০/৯৯ —গোলাঘাট „ „ ।

(৩) জিলা শাখাৰ শ্ৰমদান কাৰ্য্যসূচী ঃ

২১/১/৯৯ —কোঁচগাঁও, মইনা পাৰিজাতৰ কাৰ্য্যালয়ৰ ভেটি নিৰ্ম্মাণ।

৫/৬/৯৯ —ৰাস্তা বন্ধা কাৰ্য্যসূচী।

২৫/৯/৯৯ —গোলাঘাটৰ জিলা সাংস্কৃতিক শাখাৰ নামঘৰত শ্ৰমদান।

৫/১০/৯৯ —হাবিয়ালত জিলা গুৰু জয়ন্তীৰ মণ্ডপ নিৰ্ম্মাণ।

(৪) বিনামুলীয়া পাঠদান কাৰ্য্যসূচী ঃ

যোৱা গ্ৰীষ্ম বন্ধত ৪ খন বিদ্যালয়ত বিনামূলীয়া পাঠ দান কাৰ্য্যসূচী ৰূপায়ন কৰা হয়।

(৫) সাংস্কৃতি প্ৰশিক্ষণ ঃ দেৰগাঁৱত গায়ন বায়ন আৰু নৰ্ত্তণৰ প্ৰশিক্ষণ দিয়া হয়।
(৬) শৰণ কক্ষ ঃ ২১, ২২ (১৯৯৯) আগষ্ট মাহত জিলাৰ কেন্দ্ৰীয় সেৱা বাহিনীৰ কৰ্ম্ম শাখাত ৭২ জন সেৱক-সেৱীকাই শৰণ গ্ৰহণ কৰে। তদুপৰি নৱগঠিত পাঞ্চজন্য প্ৰাথমিক শাখাত ১০ জন সেৱক সেৱিকাই শৰণ গ্ৰহণ কৰে।

তদুপৰি সেৱা বাহিনীৰ জিলা শাখাৰ সৌজন্যত হস্ত শিক্ষা প্ৰশিক্ষণ আৰু ৰক্তদান কাৰ্য্যসূচী গ্ৰহণ কৰা হৈছে। ইতিমধ্যে ৫২ জন সেৱক-সেৱীকাৰ তেজৰ গ্ৰুপ পৰীক্ষা কৰি দুৰ্গত ৰোগীক ৰক্ত দান দিবৰ কাৰণে তালিকা প্ৰস্তুত কৰি ৰখা হৈছে।

জিলা সেৱা বাহিনীৰ উদ্যোগত মৰঙ্গী আঞ্চলিক শাখাত কৃষি কৰ্ম্মৰ আঁচনি গ্ৰহণ কৰিছে।

সেৱা বাহিনীয়ে ইতিমধ্যে ৬ খন বিবাহত অভ্যৰ্থনাৰ সকলো দায়িত্ব গ্ৰহণ কৰি বিবাহ কাৰ্য্য পৰিচালনা কৰিছে। ভৱিষ্যতলৈ এই ব্যৱস্থা কৰ্ম্ম আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে।

সেৱা বাহিনী আৰু মূল সংঘৰ যোগাযোগ ঃ

ইতিমধ্যে মূল সংঘৰদ্বাৰা আয়োজন কৰা যুৱ সমাৰোহ, মূলৰ মৰিগাওঁ অধিবেশন আৰু ৰঙিয়া অধিবেশনত সহযোগ কৰা হৈছে।

কৰ্ম্ম আচনি ঃ

(১) হস্ত বয়ন শিল্প গঢ়ি তোলা।
(২) মাদক দ্ৰব্য নিবাৰণ
(৩) ৰক্তদান আচনি ৰূপায়ন।
(৪) বিনামূলীয়া পাঠদান কাৰ্য্যসূচী।
(৫) আধ্যাত্মিক আলোচনা চক্ৰ।
(৬) সমবায় কৃষি আচনি কাৰ্য্যকৰী কৰা।
(৭) বৃক্ষ ৰোপন, পথ নিৰ্ম্মাণ
(৮) শঙ্কৰী সংস্কৃতি গায়ন-বায়ন, নৰ্ত্তণ আদি প্ৰশিক্ষণ দিয়া।❖❖

# শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ নাঘৰৰ সংক্ষিপ্ত ইতিবৃত্ত

এতিয়াৰপৰা প্ৰায় চল্লিশ বছৰৰ আগৰ কথা। অৰ্থাৎ কুৰি শতিকাৰ সত্তৰৰ দশকৰ প্ৰথম ভাগত ঢেকীয়াল চাৰি আলিৰ চাৰিচুকৰ গৃহস্থীসকলে সামূহিক উপাসনাৰ বাবে এটি নামঘৰৰ অভাৱ-অনুভৱ কৰিছিল। সেই সময়ত এই এলেকাত তেনেই সীমিত সংখ্যক গৃহস্থীহে আছিল। সেই কেইঘৰ গৃহস্থীৰ ভিতৰত প্ৰয়াত নন্দেশ্বৰ দত্ত, স্বৰ্গীয় বগীৰাম বৰা, স্বৰ্গীয় ধীৰেন বৰা, স্বৰ্গীয় লীলাধৰ বৰা, স্বৰ্গীয় মোলোকা বৰা, স্বৰ্গীয় ফণীধৰ বৰা(বাপু) আৰু শ্ৰীনিৰন নেওঁগ,—এই সাতঘৰ মাত্ৰ গৃহস্থীয়ে ঢেকীয়াল চাৰি আলিৰ ওচৰতে এটি নামঘৰ প্ৰতিষ্ঠাৰ বাবে পৰিকল্পনা কৰে।নামঘৰটি নিৰ্মাণৰ বাবে একঠা মাটি দান সূত্ৰে আগবঢ়াই মিঠৈ বস্কা ঘৰৰ স্বৰ্গীয় দণ্ডিৰাম বৰাৰ সন্তানত্ৰয় স্বৰ্গীয় খিৰেশ্বৰী বৰা, স্বৰ্গীয় ধীৰেন বৰা আৰু স্বৰ্গীয় লীলাধৰ বৰাই।প্ৰথম অবস্থাত খেৰ-বাঁহৰ এটি সৰু নামঘৰ নিৰ্মাণ কৰি মণিকূট আৰু নামঘৰৰ সংযোগ স্থলত এফাল চেৰা গছৰ নেওৰা লগাই পানী নপৰা কৰি থৈ নামঘৰটিৰ নাম 'আদৰ্শ নামঘৰ' নামাকৰণ কৰি গৃহস্থীসকলে গুৰুসেৱা কৰি আছিল। ইতিমধ্যে সেই সময়তে অঞ্চলটোত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰসাৰ আৰু প্ৰচাৰে বিস্তৃতি লাভ কৰে। এই নামঘৰটিৰ অংশীদাৰ গৃহস্থী সকলো শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ সংঘৰ সঙ্গী পদ গ্ৰহণ কৰে। গৃহস্থী কেইঘৰ ঢেকীয়াল প্ৰাথমিকৰ সঙ্গী হিচাপে অন্তৰ্ভুক্ত হয় সত্তৰ দশকৰ শেষ ভাগত। প্ৰথম অৱস্থাত ঢেকীয়াল প্ৰাথমিক শাখাৰ কোনো কাৰ্য্যালয় অথবা নামঘৰ নথকাৰ বাবে সঙ্গীসকল নানা সমস্যাৰ সন্মুখীন হ'ব লগা হৈছিল। মাজে সময়ে এই নামঘৰতে ঢেকীয়াল প্ৰাথমিক শাখাৰ সভা-সমিতি বহিছিল। ঢেকীয়াল প্ৰাথমিক শাখাৰ স্থায়ী কাৰ্যালয় বা নামঘৰ নথকাৰ হেতু উদ্ভৱ হোৱা সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি এই প্ৰাথমিকৰে প্ৰাক্তন সভাপতি তথা উল্লেখিত নামঘৰটিৰ নেতৃস্থানীয় সঙ্গী স্বৰ্গীয় নন্দেশ্বৰ দত্ত বাপে এই নামঘৰটিকে ঢেকীয়াল প্ৰাথমিক শাখাৰ নামঘৰ কৰিবলৈ প্ৰস্তাৱ আগবঢ়াই আৰু নামঘৰৰ অংশীদাৰ কেইঘৰ গৃহস্থীৰ লগত আলোচনাৰ দায়িত্ব লয়। সেইমৰ্মে ইং ৭/১০/১৯৭৩ তাৰিখে তেখেতৰ গৃহতে এটি আলোচনা চক্ৰ অনুষ্ঠিত কৰি সকলো কেইঘৰ গৃহস্থী সমবেত হৈ আলোচনা ক্ৰমে নামঘৰটি

ঢেকীয়াল প্ৰাথমিক শাখাক অৰ্পণ কৰে। ঢেকীয়াল প্ৰাথমিক শাখায়ো কৃতজ্ঞতা সহকাৰে নামঘৰটিৰ দায়িত্ব গ্ৰহণ কৰি উন্নয়নৰ ব্যৱস্থা হাতত লয়। সেইমৰ্মে স্বৰ্গীয় তুলসী নাথ বৰগোহাঁইক সভাপতি আৰু শ্ৰীযুত ৰূপেশ্বৰ দত্ত বাপক সম্পাদক হিচাপে লৈ এখনি নামঘৰ মণিকূট নিৰ্ম্মাণ সমিতি গঠন কৰা হয়। এই সমিতিয়ে প্ৰথমে এটি স্থায়ী মণিকুট নিৰ্ম্মাণৰ আঁচনি হাতত লৈ পূজি-সংগ্ৰহৰ অভিযান চলাই কিছু পূজি সংগ্ৰহ কৰে।

আনফালেদি ১৯৭৬ চনত গেলাবিলত অনুষ্ঠিত হোৱা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলাৰ ৩৩ তম্ বাৰ্ষিক অধিবেশনৰ প্ৰতিনিধি সভাই ঢেকীয়ালত গোলাঘাট জিলা শাখাৰ কাৰ্য্যালয় আৰু নামঘৰ স্থাপনৰ বাবে স্থানৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই সিদ্ধান্তৰ প্ৰতি ঢেকীয়াল প্ৰাথমিক শাখাই পৰম সন্তোষ প্ৰকাশ কৰি প্ৰাথমিক শাখাৰ নামঘৰটিকে জিলা শাখাক অপৰ্ণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। জিলা কাৰ্যালয় আৰু নামঘৰৰ বাবে তেতিয়া থকা মাটি কম হব বুলি বিবেচনা কৰি আৰু আৱশ্যকীয় মাটি যোগাৰ কৰি দিবলৈ জিলা শাখাক আশ্বাস দিয়ে। সেই মৰ্ম্মেহি পূৰ্ব্বৰ নামঘৰটিৰ ভূমি দাতা পৰিয়ালৰ লগত বিষয়টো আলোচনা কৰি অতিৰিক্ত আঢ়ৈ কঠা মাটি বিক্ৰীসূত্ৰে জিলাক দিবলৈ স্থিৰ কৰা হয়। দাতা পৰিয়ালৰ সঙ্গীসকল স্বৰ্গীয় থিৰেশ্বৰী বৰা স্বৰ্গীয় ধীৰেন বৰা আৰু স্বৰ্গীয় লৌলাধৰ বৰাই আঢ়ৈ কঠা মাটি মাত্ৰ আঢ়ৈ হাজাৰ টকাত জিলা শাখাক বিক্ৰী সূত্ৰে আগবঢ়োৱাত, পূৰ্বে দান সূত্ৰে আগবঢ়োৱা একঠাসহ মুঠ চাৰে তিনিকঠা মাটি ৰেজিষ্টাৰ দলিল যোগে ইং ৪/৮/১৯৭৭ তাৰিখে জিলা শাখাক চমজাই দিয়ে। উক্ত মাটিৰ চাৰিসীমা নিৰ্দ্ধাৰণ কৰি চমজি লবৰ বাবে ইং ১৫/১/১৯৭৮ তাৰিখে ঢেকীয়াল শাখাৰ সঙ্গীসকল সমীপস্থ প্ৰাথমিক কেইখনৰ সঙ্গী বাপসকল আৰু জিলাৰ বিষয়ববীয়াসকলৰ উপৰি স্থানীয় কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ উপস্থিতিত এখনি ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাত সভাপতিত্ব কৰে সেই সময়ৰ গুৰু যোগনীয়া গাঁও পঞ্চায়তৰ সভাপতি শ্ৰীযুত অনিলকুমাৰ গোস্বামীদেৱে। সেই দিনাই মাটিৰ চাৰিসীমা চমজি লোৱা হয় আৰু চাৰিসীমাত ধাপ মৰা হয়। ধাপ মৰা কাৰ্য্য প্ৰথম শুভাৰম্ভ কৰে বয়োজ্যেষ্ঠ সঙ্গী স্বৰ্গীয় বিষ্ণুৰাম দত্ত বাপে। সভাই মাটি চমজি লোৱাৰ পাচত অনুভব কৰিলে যে, উক্ত মাটি ডোখৰলৈ চৰকাৰী আলিৰপৰা যাবলৈ প্ৰয়োজনীয় ৰাস্তাৰ সুবিধা নাই। সেইবাবে সেইদিনা উপস্থিত ৰাইজৰ অনুৰোধ ক্ৰমে স্বৰ্গীয় ধীৰেন বৰাই চৰকাৰী আলিৰপৰা নামঘৰৰ মাটিলৈ যাব পৰাকৈ ১২ লোচা মাটি পুনৰ দান সূত্ৰে আগবঢ়াই। গতিকে জিলাৰ নামত সৰ্ব্বমুঠ মাটি হয়গৈ

দান কৰা একঠা বাৰ লোচা আৰু বিক্ৰী কৰা ২ কঠা ১০ লোচা মুঠ, নামঘৰৰ সম্পত্তি হয় চাৰিকথা দুই লোচা। এই সভাতে নামঘৰটিৰ নাম পূৰ্বৰ আদৰ্শ নামঘৰৰ পৰিবৰ্ত্তে জিলা নামঘৰ ৰক্ষাৰ সিদ্ধান্ত কৰা হয়। নিৰ্ম্মাণ সমিতিখনো জিল নামঘৰ নিৰ্ম্মাণ সমিতি কৰা হয়। ইতিমধ্যে নিৰ্ম্মাণ সমিতিয়ে পুঁজি সংগ্ৰহ কৰি থাকোতে ইং ১৪/৪/১৯৮১ তাৰিখে নিৰ্ম্মাণ সমিতিৰ ৭ জন সদস্য প্ৰয়াত জীউৰাম হাজৰিকা, প্ৰয়াত নন্দেশ্বৰ দত্ত, প্ৰয়াত মালভোগ বৰা, প্ৰয়াত গঙ্গাধৰ নাথ, শ্ৰীৰত্নেশ্বৰ দত্ত, শ্ৰীনন্দনাথ বৰা আৰু শ্ৰীযোগেন শইকীয়া গোলাঘাটৰ শ্ৰীযুত অপূৰ্ব্ব বৰগোহাঁই দেৱৰ ঘৰলৈ গৈ তেখেতক মণিকূট ঘৰটি নিৰ্ম্মাণ কৰাই দিবলৈ অনুৰোধ জনোৱা হয়। তেখেতে ৰাইজৰ অনুৰোধ নিঃসন্দেহেৰে গ্ৰহণ কৰি তেখেতৰ পিতৃ প্ৰয়াত কীৰ্ত্তিনাথ বৰগোহাঁইদেৱৰ স্মৃতিত মণিকুটটি নিৰ্ম্মাণ কৰাৰ দায়িত্ব গ্ৰহণ কৰে আৰু ইং ১২/৬/৮১ তাৰিখে তেখেতৰদ্বাৰা মণিকুটৰ আধাৰশিলা স্থাপন কৰা হয়। দাতা বৰগোহাঁইদেৱে ঘৰটি যিমান পাৰে সোনকালে সম্পূৰ্ণ কৰি দিয়াৰ আশ্বাস দিয়ে। এই আশ্বাসৰ প্ৰতি সন্তোষ প্ৰকাশ কৰি মণিকুটৰ আৱশ্যকীয় সিংহাসনভাগী ঢেকীয়াল প্ৰাথমিক শাখাই দান দিয়াৰ কথা চিন্তা কৰি ইং ২১/৬/১৯৮১ তাৰিখে প্ৰয়াত জীউৰাম হাজৰিকা, শ্ৰীৰত্নেশ্বৰ দত্ত আৰু শ্ৰীনন্দ নাথ বৰাই তেলীয়া সোণাৰি গাৱঁৰ প্ৰয়াত পুণ্যেশ্বৰ বৰা মিস্ত্ৰীৰ লগত এখন সিংহাসনৰ বন্দবস্ত কৰি আগধন দিয়া হয়। ইতিমধ্যে মণিকুটৰ কাম সম্পূৰ্ণ হোৱাত ইং ২৭/৯/১৯৮২ তাৰিখে মণিকুটত আসন প্ৰতিষ্ঠা কৰা হয়। উক্ত সিংহাসন ভাগ ঢেকীয়াল প্ৰাথমিক শাখাই আগবঢ়ায়। ইয়াৰ উপৰি মণিকুটৰ আৱশ্যকীয় ভালেকেইপদ সামগ্ৰী ঢেকীয়াল প্ৰাথমিকে আগবঢ়ায়।

ইং ২৮/৮/১৯৮৩ তাৰিখে জিলা সভাপতি শ্ৰীপ্ৰফুল্ল চন্দ্ৰ শইকীয়াৰ সভাপতিত্বত বহা সভাত নামঘৰ নিৰ্ম্মাণৰ বাবে এখন আঁচনি গ্ৰহণ কৰি নামঘৰ নিৰ্ম্মাণৰ কামত আগবঢ়া হয়। সমগ্ৰ জিলাখন সামৰি সঙ্গীসকলৰপৰা পুজিঁ সংগ্ৰহ কৰা হয়। ইং ৩/৫/১৯৮৭ তাৰিখে নামঘৰৰ আধাৰশিলা স্থাপন কৰা হয়। বৰ্ত্তমান নামঘৰটিয়ে ঘৰৰ ৰূপ লৈছে যদিও বহুকাম বাকী আছে। নিৰ্ম্মাণৰ কাম বিভিন্ন উৎসৰপৰা সংগৃহীত ধনেৰে কৰি থকা হৈছে। প্ৰায় দুকুৰিৰো অধিক সঙ্গীয়ে এহেজাৰ বা তাৰ ওপৰত টকা দান আগবঢ়াইছে। ইয়াৰ ভিতৰত ঢেকীয়াল প্ৰাথমিক শাখাৰ সঙ্গীদ্বয় শ্ৰীযুত কোষেশ্বৰ দত্ত বাপে এঘাৰ হেজাৰ টকা আৰু শ্ৰীযুত নগেন খাওণ্ড বাপে চাৰি হাজাৰ টকা একত্ৰে আগ বঢ়োৱা উল্লেখযোগ্য। লগতে ঢেকীয়াল প্ৰাথমিক শাখাৰ পুঁজিৰপৰা আঠ হেজাৰ টকা নামঘৰ নিৰ্ম্মাণৰ বাবে আগবঢ়াই।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

১৯৯৫ চনত শ্ৰীমন্ত শংকৰ দেৱ সংঘৰ মূল অধিৱেশন গোলাঘাট জিলাৰ আমন্ত্ৰণ ক্ৰমে ফৰকাটিংৰ কুশল কোঁৱৰ ক্ষেত্ৰত অনুষ্ঠিত হয়। ঢেকীয়ালঠৈ জিলা কাৰ্য্যালয় আৰু নামঘৰ উক্ত অধিবেশনৰ আদৰণি সমিতিৰ অন্যতম দ্বিতীয় কাৰ্য্যালয় হোৱাত সঙ্গীসকলৰ সুবিধাৰ্থে নামঘৰৰ চৌহদতে শৌচাগাৰ-স্নানাগাৰ নিৰ্ম্মাণ কৰা হয়। এই নামঘৰৰ চৌহদতে স্থানীয় ঢেঁতীয়া গাঁৱৰ নিষ্ঠাবান সঙ্গী শ্ৰীজিতেন বৰাদেৱে তেখেতৰ ককাক স্বৰ্গীয় মহেশ্বৰ বৰা আৰু পিতৃদেৱ স্বৰ্গীয় ভদ্ৰেশ্বৰ বৰাৰ পৱিত্ৰ স্মৃতিত জিলা কাৰ্য্যালয়ৰ গৃহটি নিৰ্ম্মাণ কৰাই দিয়ে। ইং ২০/১২/৯২ তাৰিখে এই কাৰ্য্যালয় গৃহটিৰ আধাৰ শিলা স্থাপন কৰা হয় আৰু ২৩/১০/৯৪ তাৰিখে এই গৃহৰদ্বাৰ উন্মোচন কৰি জিলা শাখাক চমজাই দিয়ে। বৰ্ত্তমান জিলা কাৰ্যালয় হিচাপে কাম-কাজ চলাই থকা হৈছে। ১৯৯৬ চনত চৰকাৰী অনুদান এককলাখ টকাৰে নামঘৰৰ চৌহদত শংকৰী সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ গৃহটো নিৰ্ম্মাণ কৰা হয়। বৰ্তমান তাত নিয়াৰিকৈ কাম-কাজ চলাই থকা হৈছে। ৰন্ধনশালাৰ গৃহটিৰো কাম প্ৰায় সম্পূৰ্ণ হৈছে। তদুপৰি ১৯৯৫ চনত তদানীন্তন খুমটাই সমষ্টিৰ বিধায়ক তথা অসমৰ বিত্ত মন্ত্ৰী শ্ৰীযুত জীৱকান্ত গগৈদেৱে নিজা পুঁজিৰ দহ হাজাৰ টকা আৰু চৰকাৰী অনুদান পঞ্চাশ হাজাৰ টকা জিলা শাখালৈ আগবঢ়াই সহায় কৰিছে। এই টকাৰে নামঘৰৰ চৌহদৰ পকী বেৰ নিৰ্ম্মাণ কৰা হয়। অৱশ্যে সেই টকাৰে কাম সম্পূৰ্ণ নোহোৱাত কিছু কাম বাকী আছে। লগতে আমাৰ বৰ্ত্তমানৰ বিধায়ক শ্ৰীযুত প্ৰবীণকুমাৰ গগৈদেৱেও নিজা পুঁজিৰ পাচ হেজাৰ টকা দিছে আৰু চৰকাৰী অনুদান একলাখ টকা দিয়াৰ প্ৰতিশ্ৰুতি দিছে। উক্ত ধন সোনকালে পোৱাৰ আশা কৰা হৈছে। তাৰোপৰি কলিয়াবৰ লোকসভা সমষ্টিৰ সংসদ শ্ৰীযুত তৰুণ গগৈদেৱেও চৰকাৰী অনুদান পঞ্চাশ হেজাৰ টকা নামঘৰলৈ আগবঢ়াই সহায় কৰাৰ প্ৰতিশ্ৰুতি দিছে। এই ধনো অতি সোনকালে পোৱাৰ আশা কৰা হৈছে। উল্লিখিত প্ৰতিশ্ৰুতি সমুদাই টকা পালে নামঘৰৰ কাম সম্পূৰ্ণ কৰিবপৰা হ'ব বুলি ভবা হৈছে।

নামঘৰৰ বাটচৰাটিৰ সমীপস্থ ঢেকীয়াল প্ৰাথমিক শাখাৰ সঙ্গী শ্ৰীযুতা গুণ প্ৰভা দত্ত আৰু তেখেতৰ পৰিয়ালবৰ্গই নিৰ্ম্মাণ কৰাই দিয়ে। শ্ৰীযুতা গুণ প্ৰভা দত্ত আই গৰাকীয়ে তেখেতৰ স্বামী প্ৰয়াত নন্দেশ্বৰ দত্ত বাপৰ পৱিত্ৰ স্মৃতিত বাট চৰাটি জিলা শাখাক ইং ১৭/১০/৯৭ তাৰিখে চমজাই দিয়ে। এই বছৰ ২০০০ চনত ভ্ৰাম্যমান থিয়েটাৰ প্ৰদৰ্শন কৰাৰ যোগেদি প্ৰায় আশী হাজাৰ টকা সংগ্ৰহ কৰি নামঘৰটিৰ কিছু কাম কৰি থকা হৈছে। শ্ৰীমন্ত শংকৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ মণিকুট,

নামঘৰ, কাৰ্য্যালয়, সাংস্কৃতিক বিদ্যালয়, ৰন্ধন শালা, চৌহদৰ পকী বেৰ, শৌচাগাৰ, স্নানাগাৰ, মাটি-সম্পত্তি, ভিতৰুৱা সামগ্ৰী, আচবাব আদি সকলোবিলাক লগাই জিলা শাখাৰ সম্পত্তিৰ মূল্য পোন্ধৰ লাখৰ বেছি হ'ব বুলি থাৱৰ কৰা হৈছে। এই সুযোগতে থাওকতে জিলা নামঘৰলৈ মুক্তহস্তে দান আগবঢ়োৱা দাতা, শুভাকাংখি তথা সঙ্গীবাপ সকললৈ আমাৰ হিয়া কৃতজ্ঞতাৰ সেৱা আগবঢ়ালো। জিলা নামঘৰৰ আৰম্ভণিৰপৰা বৰ্ত্তমানলৈ নিৰ্ম্মাণ আৰু পৰিচালনা সমিতিৰ বিষয়-ববীয়াসকলৰ নাম উল্লেখ কৰা হ'ল —

সভাপতিসকল ঃ স্বৰ্গীয় তুলসী নাথ বৰগোহাঁই, শ্ৰীৰত্নেশ্বৰ দত্ত, শ্ৰীনন্দনাথ বৰা।
সম্পাদকসকল ঃ শ্ৰীৰত্নেশ্বৰ দত্ত, শ্ৰীহেম শইকীয়া, শ্ৰীদণ্ডেশ্বৰ বৰুৱা(আহ্বায়ক) শ্ৰীনন্দনাথ বৰা (আহ্বায়ক) শ্ৰীপ্ৰফুল্ল শইকীয়া, শ্ৰীনবীন বৰা, নামঘৰীয়া শ্ৰীনিৰন নেওগ।

বৰ্ত্তমানৰ নামঘৰ নিৰ্ম্মাণ আৰু পৰিচালনা সমিতিৰ সদস্যসকল হ'ল শ্ৰীৰত্নেশ্বৰ দত্ত উপদেষ্টা, শ্ৰীনন্দনাথ বৰা সভাপতি, শ্ৰীনবীন বৰা সম্পাদক। সদস্যসকল সৰ্ব্বশ্ৰী ডিম্বেশ্বৰ বৰা, লোকনাথ হাজৰিকা, প্ৰফুল্ল শইকীয়া, নন্দেশ্বৰ শইকীয়া, অমূল্য কলিতা, দম্বুধৰ নাথ আৰু অতুল শইকীয়া।

শেষত এই ইতিবৃত্ত ভাগ যুগুত কৰোঁতে আমি নামঘৰটিৰ লগত জড়িত সদাশয় সকলোজনৰ লগতে যোগাযোগ, আলোচনা কৰাৰ যত্ন কৰা হৈছিল যদিও সময় আৰু সামৰ্থৰ অভাৱত সকলোৰে লগত যোগাযোগ কৰা সম্ভৱ নহ'ল। নামঘৰৰ বৃত্তান্ত যথা সম্ভৱ নিৰ্ভুল কৰিবলৈ চেষ্টা কৰাৰ সত্বেও সম্পূৰ্ণ ত্ৰুটীমুক্ত বুলি কব নোৱাৰো। তদুপৰি সকলোজন দাতাৰ প্ৰতি আমাৰ ভক্তিভৰা কৃতজ্ঞতা আছে যদিও স্থানৰ অভাবত সকলোৰে নাম উল্লেখ কৰিবপৰা নহ'ল। সেয়েহে সকলো ধৰণৰ ত্ৰুটী-বিচ্যুতিৰ বাবে সকলোজন সদাশয় ব্যক্তি, সঙ্গীবাপ আইৰ ওচৰত ক্ষমা প্ৰাৰ্থনাৰে চমু ইতিবৃত্ত সামৰণি মাৰিলোঁ।

# 'কুশল কোঁৱৰ ক্ষেত্ৰ' ফৰকাটিং বালিজান

## এটি চমু অৱলোকন

ঘিলাধাৰী, কাকডোঙা, মক্ৰং, দৈয়াং আৰু গৰঙ্গা নদীয়ে টৌৱাই যোৱা ইতিহাসে পৰশা এই অঞ্চলটোক দৈয়াং চহৰ, বছা চহৰ, পৰ্বতীয়া চহৰ বুলিও জনা যায়। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৬৪ তম অধিবেশনখনি গোলাঘাট জিলা শাখাৰ বৈষ্ণৱপ্ৰাণ ভক্তসকলে আমন্ত্ৰণ জনাই আঠগাঁও আৰু ঘিলাধাৰী মৌজাৰ সঙ্গমস্থলী ফৰকাটিঙৰ শিঙিজান পথাৰত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত ললে। ১৯৯৫ চনৰ ফেব্ৰুৱাৰী মাহত অধিৱেশন অনুষ্ঠিত হ'ল কুশলকোঁৱৰ ক্ষেত্ৰ ঃ বালিজান, ফৰকাটিং, গোলাঘাটত। 'কুশল কোঁৱৰ ক্ষেত্ৰ'ৰ মাজেদি উত্তৰা-দক্ষিণকৈ গোলাঘাট মেৰাপানী পথটিয়ে নগাৰাজ্যৰ লগত সংযোগ স্থাপন কৰিছে। প্ৰাণ প্ৰাচুৰ্য্য সোণালী শইচৰ সম্ভাৰেৰে কৃষকৰ হৃদয়ৰ এবোজা সুখ-দুখৰ বতৰা লৈ 'কুশল কোঁৱৰ ক্ষেত্ৰ'ৰ চৰণ পখালি বৈ গৈছে 'শিঙিজান।' জনপ্ৰবাদ মতে দৈয়াং নৈৰ এটি সুঁতি আহি(বৰ্ত্তমান শিঙিজান) ঘিলাধাৰী নদীত পৰেগৈ। আদিতে এই সুঁতিৰ নাম মৰ দৈয়াং আছিল বুলি জনা যায়। সুঁতিটো বন্ধ হোৱাৰ পিছত শিঙৰি গজি বন্ধ সুঁতিটো ভৰি পৰে। তেনেকৈয়ে হয়তো এদিন 'শিঙিজান' নামটোৰ উৎপত্তি হ'ল।

'কুশল কোঁৱৰ ক্ষেত্ৰ'ৰ গাতে লাগি থকা বালিজান কিছুবছৰ আগলৈকে চাউদাং নামেৰে পৰিচিত আছিল। সম্ভৱত ঃ আহোম ৰজাসকলৰ দিনত অথবা মানৰ আক্ৰমনৰ সময়ত চাউদাংসকলে এই অঞ্চলত থিতাপি লৈছিলহি, ঠিক সেইদৰে তুংখুঙীয়া ফৈদৰ কোঁৱৰ, গগৈ, বৰুৱা আদিকে ধৰি চুতীয়া, কোঁচ, কছাৰী, ব্ৰাহ্মণ, গোঁসাই, কলিতা, নাথ, কেওঁট, কৈৱৰ্ত্ত আদি বিভিন্ন জনগোষ্ঠীৰ লোকসকলে অঞ্চলটিত থিতাপি ললেহি বুলি জনা যায়। এক বুজন সংখ্যক মুছলমানো এই অঞ্চলটোত থিতাপি লৈ আৱহমান কালৰপৰা সম্প্ৰীতিৰ এনাজৰীৰে বান্ধ খাই আছে। চাহ মজদুৰসকল বৃটিছৰ দিনতে এই অঞ্চলৰ চাহবাগিচাসমূহত থাকিবলৈ লয়। তদুপৰি ভিন্ ভিন্ বৃত্তিৰ মাৰোৱাৰী, বঙালী, বিহাৰী, নেপালী আদি লোকেও অঞ্চলটোৰ আশে পাশে বসবাস কৰি আছে। সেয়ে 'কুশল কোঁৱৰ ক্ষেত্ৰ'ক অসমৰ ক্ষুদ্ৰ সংস্কৰণ বুলি অভিহিত কৰিব পাৰি।

উত্তৰ পূব সীমান্ত ৰেলৰ ক্ষণিক অৱস্থান ফৰকাটিং জংছন 'কুশল কোঁৱৰ ক্ষেত্ৰ'ৰ কাষতে বৈ ১৮৮১ চনৰ বৃটিছ সাম্ৰাজ্যৰ অৱদানৰ ইংগিত দিয়ে। উজনি অসমৰ চাহ, কয়লা, তেল আদিৰ বাবেই বৃটিছসকলে ৰেল লাইন স্থাপন কৰিছিল। ফৰকাটিং নামটোৰ লিখিত বুৰঞ্জী নাই যদিও বয়োবৃদ্ধসকলৰ মতে ফটোৱাল গাঁৱত

(ফৰকাটিং গাঁও) এসময়ত বাস কৰা ফেৰেকা নামৰ মানুহজনৰপৰাই ফৰকাটিং নামটোৰ উৎপত্তি হ'ল বুলি ক'ব পাৰি। ফেৰেকা নামৰ মানুহজনৰ এই অঞ্চলটোত এটা বৃহৎ চাপৰি আছিল। ফেৰেকাৰ নাম অনুসৰি চাপৰিটো ফেৰেকাটিং নামেৰে জনাজাত হ'ল। এইদৰে মানুহৰ মুখত ফেৰেকাটিং নামটো চলি আছিল। বৃটিছসকলে ফেৰেকাটিঙক ফৰকাটিং বুলি পৰিচিত কৰিলে। কালক্ৰমত ফাৰকাটিং ফৰকাটিং হৈ পৰিল বুলি ধাৰণা কৰিব পাৰি। ১৯২২ চনত ফৰকাটিং ৰেলষ্টেচনৰপৰা গোলাঘাট হৈ মৰিয়ণিলৈ শাখা লাইন খুলিলত ফৰকাটিং জংছন হিচাবে অসমৰ ৰেলৰ মানচিত্ৰত ঠাই পালে।

কুঁশল কোঁৱৰ ক্ষেত্ৰ'ৰ কেন্দ্ৰস্থলৰপৰা ৮ কিঃ মিঃ দূৰত্বত অৱস্থিত গোলাঘাট ১৯ শতিকাৰ মাজভাগ মানৰপৰাহে এই নামেৰে জনাজাত হৈছে। সপ্তদশ শতিকাত এই অঞ্চলক নামদৈয়াং আৰু ওপৰ দৈয়াং নামেৰেহে জনা গৈছিল। ধনশিৰি আৰু দৈয়াঙৰ সমতল অঞ্চলটিয়েই বৰ্ত্তমানৰ গোলাঘাট। দৈয়াং আৰু ধনশিৰি উপত্যকাৰ অপূৰ্ব কৃষ্টিধাৰৰ মিলনস্থল হ'ল দৈয়াং বনাঞ্চলৰ কাছমাৰি, চিচুপানী, চাউদাংপথাৰ, ৰজাবাৰী আদি। এই বিস্তৃত অঞ্চলটোত সিচৰতি হৈ থকা বিভিন্ন পুৰাতাত্বিক সমলে কছাৰী ৰজাসকলৰ স্মৃতি বহন কৰিছে। চিচুপানী অঞ্চলৰপৰা কিছু দূৰত ঘিলাধাৰী মক্ৰং অঞ্চলত কছাৰী ৰজা ডেৰচুচংফাৰ শিবিৰ আছিল বুলি জনা যায়। হামদৈ পথাৰৰ কোটোহা গুৰি থান, আইদেউ খাটৰ ৰাঙলী আইদেউৰ মৈদাম, উষাগৰঙ্গাৰ নগাকটা গড়, ফৰকাটিঙৰ বামুন পুখুৰী আদি ঐতিহাসিক স্মৃতিচিহ্ন অঞ্চলটোৰ অ'ত ত'ত আছে।

কাকডোঙাৰ পাৰত অৱস্থিত শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰ সমগ্ৰ অসমৰ বাবে এটি পৱিত্ৰ নাম। প্ৰবাদ মতে, গদাধৰ সিংহ পলাই থকা সময়ত বৰ্ত্তমানৰ নামঘৰ থকা স্থানত বাসকৰা এজন সন্ন্যাসীৰ আশ্ৰয়ত কিছুদিন কটাইছিল। নামঘৰৰ কিছুদূৰৈত থকা মক্ৰং নদীৰ পাৰত 'গদাধৰ সিংহ নৃপস্য' বুলি খোদিত কৰা এটা ৰূপৰ আঙুঠি উদ্ধাৰ হোৱাৰ কথা জনা যায়। গদাধৰ সিংহ ৰজা হৈ অসমৰ বিভিন্ন ঠাইৰপৰা আঠটা পৰিয়াল আনি আঠকুৰিয়া নামেৰে এগছি বন্তি সন্ন্যাসীজন থকা ঠাইত জ্বলোৱাৰ ব্যৱস্থা কৰে। তেতিয়াৰপৰা সেই গছ বন্তি আজিও সেই ঠাইত জ্বলি আছে। আঠকুৰিয়াই কালক্ৰমত আঠখেলিয়া হ'ল বুলি জনা যায়। হাজাৰ হাজাৰ ভক্তৰ সেৱাৰ থলী আঠখেলিয়া নামঘৰ বৰ্ত্তমান পৱিত্ৰ তীৰ্থ স্থানলৈ পৰিণত হৈছে। ইয়াৰ উপৰিও অঞ্চলটোৰ ভালে কেইখন সত্ৰ, যেনে, উলুতলি সত্ৰ, গজলা সত্ৰ, ঔগুৰি সত্ৰ, বাহজেঙণি সত্ৰ, কাঠৰ সত্ৰ, মদাৰ সত্ৰ, এলেঙ্গী সত্ৰ, আদিয়ে ঐতিহ্য তথা পৰম্পৰা ৰক্ষা কৰি আহিছে।

**শ্বহীদ কুশল কোঁৱৰ ঃ** বীৰ প্ৰসাধীনি 'কুশল কোঁৱৰ ক্ষেত্ৰ' ই ভাৰতৰ স্বাধীনতা

আন্দোলন, ভাষা আন্দোলন অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনত বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। ভাৰতৰ স্বাধীনতা আন্দোলনৰ অন্যতম শ্বহীদ কুশল-কোঁৱৰৰ জন্ম হয় চাউদাং গাঁৱত(বৰ্ত্তমান বালিজান) ১৯০৫ চনৰ ২১ মাৰ্চ তাৰিখে। দেউতাক প্ৰয়াত সোণাৰাম কোঁৱৰ আৰু মাক 'কনকেশ্বৰী কোঁৱৰৰ পঞ্চম সন্তান কুশল কোঁৱৰ(ভাটৌকাই) বালিজান এল, পি, স্কুলত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি ১৯১৮ চনত গোলাঘাট চৰকাৰী বেজবৰুৱা হাইস্কুলত নাম লগায়। পঢ়া আধৰুৱা কৰি ১৯২১ চনত ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯২৫ চনত ৰেংমাই অঞ্চলত এখন প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰি শিক্ষকতা কৰে যদিও ঘৰুৱা অৱস্থা ভাল নোহোৱাৰ কাৰণে ১৯২৯ চনত বালিজান চাহবাগিচাৰ কেৰেনী কামত যোগদান কৰে। ১৯২৯ চনত তেওঁ প্ৰভাৱতী কোঁৱৰৰ লগত বিবাহ পাশত আৱদ্ধ হয়। ১৯৩৬ চনলৈকে বাগিচাত চাকৰি কৰি পুনৰ স্বাধীনতা সংগ্ৰামত সহযোগ কৰে।

১৯৪২ চনৰ ১০ অক্টোবৰত সৰুপথাৰ ষ্টেচনৰ ওচৰত অসম-বেঙ্গল ৰেলৰ ডবা লাইনচ্যুত হয়। সেই অপৰাধত আন্দোলনৰ অন্যান্য কৰ্মীসকলৰ লগতে কোঁৱৰো জেল হাজোতলৈ যাব লগীয়া হয়। সাম্ৰাজ্যবাদী বৃটিছৰ মনেসজা সাক্ষ্যৰ ফলস্বৰূপে কুশল কোঁৱৰৰ ফাঁচীৰ হুকুম হয়। ১৯৪৩ চনৰ ২৫ জুন তাৰিখে পুৱতি নিশা ৪-৩০ বজাত হাঁহি হাঁহি কোঁৱৰে স্বদেশ আৰু স্বজাতিৰ মহান যজ্ঞত আত্মাহুতি দিলে। ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত কুশল কোঁৱৰৰ নাম সোণালী আখৰেৰে লিখা হৈ ৰ'ল।

কুশল কোঁৱৰৰ বাহিৰেও বালিজানৰ ভোলা বৰুৱা, কলিৰাম কোঁৱৰ, হাৰিচুকীয়াৰ ভদ্ৰ ফুকন, সুৰেন ফুকন, চছিয়েলিষ্ট পথাৰৰ ইন্দ্ৰেশ্বৰ ফুকন, ফৰকাটিঙৰ কান্তিৰাম বৰুৱা, প্ৰভৃতিয়েও স্বাধীনতা সংগ্ৰামত মহান অৱদান আগবঢ়াই গ'ল।

১৯৮৩ চনৰ ১৭ ফেব্ৰুৱাৰীত নিৰ্বাচন বৰ্জনৰ কাৰ্যসূচীত অংশ গ্ৰহণ কৰিবলৈ আহি ফাটোৱাল গাঁও নিবাসী ঘনকান্ত শইকীয়া আৰু দলৌজান গাঁৱৰ ছাত্ৰ চন্দনজ্যোতি ভূঞাই ভাৰতীয় সেনাবাহিনীৰ গুলিত বৰ্ত্তমান কুশল কোঁৱৰ ক্ষেত্ৰতে প্ৰাণ আহুতি দিলে। অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ এই দুজনা মহান শ্বহীদৰ স্মৃতি স্তম্ভ বুকুত সাৰটি 'শিঙিজান' সাক্ষী হৈ ৰ'ল ইতিহাসৰ পাতত সোণালী আখৰেৰে। অসমীয়া ভাষা-সংস্কৃতিৰ বিকাশৰ ক্ষেত্ৰতো অঞ্চলটোৰ অৱদান উল্লেখযোগ্য। ইয়াৰপৰা নাতিদূৰৈত অৱস্থিত দৈয়াং এলেঙি সত্ৰৰ ৰঘুনাথ মহন্তই ৰচনা কৰা 'কথা ৰামায়ণ' অসমীয়া সাহিত্যৰ এটি উজ্জ্বল ৰত্ন। গোলাঘাটৰ গোপিকাবল্লভ গোস্বামী, পূৰ্ণচন্দ্ৰ গোস্বামী আদিয়েও বৈষ্ণৱ ধৰ্ম তথা ভাষা-সংস্কৃতিৰ বিকাশত মহান বৰঙণি যোগাইছে, বৰ্ত্তমান সময়তো এই অঞ্চলৰ ভালে কেইগৰাকী

নবীন-প্ৰবীণ লেখক-লেখিকাই ভাষা জননীৰ সেৱাত আত্মনিয়োগ কৰিছে। ফৰকাটিং শাখা সাহিত্য সভা, পূব ঘিলাধৰী শাখা সাহিত্য সভা, ফৰকাটিং মহাবিদ্যালয় সাহিত্য কানন, অসমীয়া ভাষা সংস্কৃতি বিকাশ সমিতি(ফৰকাটিং), উপকণ্ঠ কাব্য গোষ্ঠী, গণকণ্ঠ কাব্য গোষ্ঠী আদি অনুষ্ঠান তথা সংগঠনে সাহিত্য-সংস্কৃতি বিকাশত বিপুল অহিণা আগবঢ়াইছে। এই অঞ্চলৰপৰা প্ৰকাশিত ৰঙামেঘ, পোৱাল মণি, নৈ ঘিলাধৰী, উপকণ্ঠ, অভিজ্ঞান, সন্ধানী, প্ৰাচীৰ পত্ৰিকা আদিয়ে সৃষ্টিশীল লিখনিৰ জৰিয়তে সাহিত্যৰ ক্ষেত্ৰত বিশেষ বৰঙণি । তদুপৰি চিন্তামণি, মণিকাঞ্চন, নামধৰ্ম, শ্ৰীমন্ত আদি মহাপুৰুষীয়া সাহিত্য-সংস্কৃতিৰ বাহক পত্ৰিকাত এই অঞ্চলৰ ভালে সংখ্যক লেখক লেখিকাই বৰঙণি যোগাইছে।

অতীজৰ ফৰকাটিং অঞ্চলৰ শিক্ষানুষ্ঠান বুলি কলে বৰ্ত্তমান ফৰকাটিং উচ্চ মাধ্যমিক বিদ্যালয়খনিৰ নামকে ল'ব লাগিব। এই অঞ্চলৰ স্বনামধন্য ব্যক্তি 'দেবেন দত্ত দেৱে ১৯৩৫ চনত' 'দি ফৰকাটিং ইংৰাজী মাইনৰ স্কুল' প্ৰতিষ্ঠা কৰে। ১৯৪৯ চনত এই স্কুলখনি ফৰকাটিং হাইস্কুললৈ ৰূপান্তৰিত হয়। বালিজানত বালিজান এল, পি, স্কুলখনি ১৯১৮ চনৰ আগতেই প্ৰতিষ্ঠা হয়। ১৯২৯ চনত এই স্কুলখনেই উচ্চ বুনিয়াদী বিদ্যালয় হ'ল। ইয়াৰ পিছৰপৰাই এই অঞ্চলটিত ভালেকেইখন প্ৰাথমিক বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয় আৰু উচ্চ মাধ্যমিক বিদ্যালয় গঢ়লৈ উঠিছে। এই অঞ্চলৰ উচ্চ শিক্ষাৰ অনুষ্ঠান ফৰকাটিং মহাবিদ্যাল আৰু ঘিলাধাৰী উচ্চতৰ মাধ্যমিক বিদ্যলয়। ফৰকাটিং মহাবিদ্যালয়খন ৰাইজৰ অশেষ চেষ্টাত ১৯৮১ চনত স্থাপন কৰা হয়। প্ৰথম অবৈতনিক অধ্যক্ষৰ দায়িত্ব বহন কৰে স্থানীয় কৃতি শিক্ষাবিদ ফিৰদোচ আলি আহমদ দেৱে। মহাবিদ্যালয়খনিৰ জন্মলগ্নত ফৰকাটিং 'অমৰজ্যোতি ক্লাব'ৰ বৰঙণি বিশেষভাৱে উল্লেখযোগ্য। মহাপুৰুষীয়া সাহিত্য-সংস্কৃতি তথা ধৰ্মৰ সৰ্ববৃহৎ অনুষ্ঠান 'শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ'ৰ অন্তৰ্ভুক্ত এই অঞ্চলৰ প্ৰথম প্ৰাথমিক শাখাটি গঠন কৰা হয় ১৯৫৬ চনত। ফৰকাটিং আঞ্চলিক শাখাটি গঠন হয় ১৯৭৬ চনত। তেতিয়াৰপৰা গুৰুজনাৰ এক শৰণ নাম-ধৰ্ম তথা সাহিত্য-সংস্কৃতিৰ প্ৰচাৰ কাৰ্যত আঞ্চলিক শাখাটিয়ে গুৰি ধৰি আহিছে। ইতিহাসে গৰকা বীৰ সন্তানৰ জননী মহামিলনৰ তীৰ্থ। 'কুশল কোঁৱৰ ক্ষেত্ৰ' যুগে যুগে অসমৰ ধৰ্মপ্ৰাণ বৈষ্ণৱ ভক্ত বৃন্দৰ হৃদয়ত মহান আদৰ্শ আৰু প্ৰেৰণাৰ উৎস হৈ ৰ'ব।□

# বৰুৱা বামুণ গাঁও শংকৰী কলা-কৃষ্টি বিকাশ কেন্দ্ৰৰ সংক্ষিপ্ত বুৰঞ্জী

প্ৰবাদ আছে যে, আহোম ৰাজত্বৰ শেষৰ ছোৱাত এই অঞ্চলৰে এজন লোকে বৰুৱা উপাধি লাভ কৰিছিল। এই অঞ্চলৰ আশে পাশে আছিল দুই-এখন ব্ৰাহ্মণ গাওঁ। বৰুৱা উপাধি লাভ কৰা লোকজনৰ নাম আছিল লাহবৰ বৰুৱা। এই লাহবৰ বৰুৱাৰ বাসাঞ্চল আৰু সমীপস্থ ব্ৰাহ্মণ গাওঁকে সামৰি লৈ গোটেই অঞ্চলটোৱেই কালক্ৰমত বৰুৱা বামুণ গাঁও নামেৰে জনাজাত হ'ল। বৰুৱা বামুণ গাঁও এলেকা বুলিলে, দেৰগাঁও, মিছামৰা, গুৰযোগনীয়া মৌজাৰ সংগম স্থলৰ সমগ্ৰ অঞ্চল বুলি ধৰি লোৱা হৈছে। বৰ্তমান এই অঞ্চলৰ বিস্তৃতি প্ৰায় ৩/২ বৰ্গ কিলোমিটাৰ।

বৰুৱা বামুণ গাঁও শংকৰী কলা-কৃষ্টি বিকাশ কেন্দ্ৰৰ জন্মলগ্নৰপৰা জড়িত থকা ব্যক্তিসকলৰ ভিতৰত ওতঃপ্ৰোতভাৱে জড়িত থকা ব্যক্তিজন আছিল প্ৰয়াত বিপিন চন্দ্ৰ দত্ত বাপ। শ্ৰীমন্ত শংকৰদেৱ সংঘৰদ্বাৰা প্ৰচাৰিত হোৱা নীতি আদৰ্শৰ প্ৰতি আকৃষ্ট হোৱা দত্ত বাপে নিজৰ গৃহতে মাজে সময়ে গুৰুজনাৰ নীতি, আদৰ্শ, শুদ্ধ ধৰ্ম্ম নীতি আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰসাৰ আৰু প্ৰচাৰৰ প্ৰতি লক্ষ্য ৰাখি বৰুৱা বামুণ গাঁও প্ৰাথমিক শাখাৰ লগতে শংকৰী কলা-কৃষ্টি বিকাশ কেন্দ্ৰ চৰ্চা কেনেকৈ আগুৱাই নিব পাৰি তাৰ অশেষ যত্ন কৰিছিল আৰু আলোচনা চক্ৰ আদি আহ্বান কৰিছিল। উক্ত আলোচনা চক্ৰত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বৰেণ্য বৈষ্ণৱ পণ্ডিত অচ্যুৎ কৃষ্ণ মিশ্ৰ, প্ৰয়াত কুশেশ্বৰ কলিতা, শ্ৰীগোবিন্দচন্দ্ৰ শইকীয়া আদিৰ সাৰগৰ্ভ ধৰ্ম্ম নীতিৰ প্ৰতি আকৃষ্ট হৈ সংঘভুক্ত হবলৈ আগবাঢ়ি আহে আৰু তাৰ ফলস্বৰূপে ২২/৭/৭১ তাৰিখে মাত্ৰ ১১ ঘৰ গৃহস্থিৰে বৰুৱা বামুণ গাঁও শংকৰী কলা-কৃষ্টি বিকাশ কেন্দ্ৰটো গঠন কৰা হয় আৰু লগতে বৰুৱা বামুণ গাঁও প্ৰাথমিক শাখাও গঠন কৰা হয়। ইয়াৰ পাচতেই এই সংগঠনটোৰ ১০০ তকৈয়ো অধিক গৃহস্থিৰ সংখ্যা বাঢ়ি যায়।

১৯৭১ চনৰপৰা ১৯৮৮ চনলৈকে প্ৰয়াত বিপিনচন্দ্ৰ দত্ত বাপে এই অনুষ্ঠানটোৰ সভাপতিত্ব কৰিছিল আৰু প্ৰয়াত দুৰ্গা দত্ত বাপে সম্পাদকৰ দায়িত্ব লৈছিল। তেখেতসকলৰ কাৰ্য্যকালৰ সময়ৰ পৰাই এই অনুষ্ঠানটো সবল কৰি তোলাত অশেষ কষ্ট কৰিছিল। যদিও ইয়াৰ পূৰ্ণাংগ ৰূপ দিয়া হয় ১৯৯৪ চনৰ গুৰু জয়ন্তীৰ দিনা।

এই অনুষ্ঠানৰ বৰ্তমানৰ স্মৃতিতেই ১৯৭৫ চনৰ মাৰ্চ মাহতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৪৪ তম অধিবেশনভাগো অনুষ্ঠিত হৈছিল। এই স্থানতেই হাজাৰ বিজাৰ ভক্তপ্ৰাণ ভকত বৈষ্ণৱৰ পদধূলা পৰি তীৰ্থক্ষেত্ৰত পৰিণত হৈছিল। ভক্তবৃন্দৰ মুখৰপৰা নিগৰি অহা নিৰ্গুণ কৃষ্ণৰ ৰসময়ী নামৰ ধ্বনীৰে, গুৰুজনাৰ ভটিমাৰে, খোলৰ ছেৱে চেৱে সকলোৱে গুৰুজনাৰ নীতি-আদৰ্শত নিজকে অৰ্পন কৰিছিল।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

বৰুৱা বামুণ গাঁও শংকৰী কলা-কৃষ্টি বিকাশ কেন্দ্ৰৰ প্ৰধান অংগ স্বৰূপ নামঘৰৰ মণিকুট ভাগ কছাৰী গাঁও নিবাসী আৰু এই অনুষ্ঠানৰে একনিষ্ঠ সেৱক প্ৰয়াত হৰকান্ত মুদৈ পৰিয়াল বৰ্গই পিতৃৰ চিন স্বৰূপে আগবঢ়োৱাৰ লগতে গুৰু আসন ভাগো দান আগবঢ়ায়। তেখেতসকলৰ এই মহৎ কৰ্মৰ কাৰণে অনুষ্ঠানৰ তৰফৰপৰা আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

বৰ্তমান এই অনুষ্ঠানটো নিৰ্মাণ কৰিবলৈ যিখিনি ভূমিৰ প্ৰয়োজন হৈছিল সেই ভূমিখিনি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৪৪ তম অধিবেশনতে নাহৰণি নিবাসী প্ৰয়াত হুছেইন আলিৰপৰা গোলাঘাট জিলা শাখাই ক্ৰয় কৰিছিল আৰু বৰুৱা বামুণ গাঁও শংকৰী কলা-কৃষ্টি বিকাশ কেন্দ্ৰক নিৰ্মাণ কাৰ্য্য কৰিবলৈ দিছে। উক্ত ভূমিৰ পৰিমাণ হ'ল ৩ বিঘা ১৭ লেছা। এই মহৎ অনুষ্ঠানটোৰ কাৰণে উক্ত মাটি টুকুৰা দিয়াত অনুষ্ঠানৰ তৰফৰপৰা আমি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ শলাগ লৈছো আৰু আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। এই বৃহৎ এলেকাৰ বিভিন্ন ধৰ্মাৱলম্বী ভাষা ভাষীৰ লোকৰ দান বৰঙণিৰ জৰিয়তে নামঘৰৰ দুটা কোঠা সম্পূৰ্ণ কৰা হৈছে। উক্ত অনুষ্ঠানলৈ যোৱা প্ৰধান পথটো বান্ধিবৰ কাৰণে মঃ আকবৰ হুছেইন, শ্ৰীযুতা লক্ষেশ্বৰী দত্ত আদিয়ে তেখেতসকলৰ মাটি দান কৰিছে। উক্ত পথটো বান্ধিবৰ কাৰণে এই অনুষ্ঠানৰ সঙ্গী-বাপসকলৰ লগতে মলাইকুমাৰ, ভাৰলী আদি প্ৰাথমিকসমূহৰ শ্ৰম দান উল্লেখযোগ্য।

বিগত বছৰ বিলাকত বৰুৱা বামুণ গাঁও শংকৰী কলা-কৃষ্টি বিকাশ কেন্দ্ৰৰ কাৰ্য্য নিৰ্বাহিক সমিতিৰ সভাপতি/সম্পাদক/সহঃ সম্পাদকসকলৰ তালিকা দিয়া হ'ল। তথ্যৰ অভাৱত সম্পূৰ্ণ হিচাবে চন আৰু তাৰিখ দিবপৰা নহ'ল—

(১) স্বৰ্গীয় বিপিন চন্দ্ৰ দত্ত (সভাপতি) ১৯৭১ চনৰপৰা ১৯৮৮ চনলৈ।
(২) স্বৰ্গীয় নৰেন বৰা(সভাপতি)
(৩) স্বৰ্গীয় ৰেবকান্ত কলিতা (সভাপতি)
(৪) শ্ৰীপদ্মকান্ত বৰা (উপ-সভাপতি)
(৫) শ্ৰীনবীন চন্দ্ৰ শইকীয়া (সভাপতি)
(৬) স্বৰ্গীয় দুৰ্গা দত্ত(সম্পাদক) ১৯৭১ চনৰপৰা ১৯৮৮ চনলৈ।
(৭) শ্ৰীললিত চন্দ্ৰ দত্ত (সম্পাদক) ১০/১২/৮৮ চনৰপৰা ৭/৩/৯৮ চনলৈ।
(৮) শ্ৰীযজ্ঞেশ্বৰ শইকীয়া —ঐ—

গত ইং ৮/২/৯৮ তাং অনুষ্ঠিত হোৱা সাধাৰণ সভাৰ সিদ্ধান্ত ক্ৰমে নতুন কাৰ্য্য নিৰ্বাহিক সমিতি গঠন কৰা হয়। উক্ত সমিতিৰ নতুন বিষয়-ববীয়াসকলৰ নাম তালিকা তলত দিয়া হল।

(১) শ্ৰীযুতা লক্ষেশ্বৰী দত্ত, (সভানেত্ৰী)
(২) শ্ৰীললিত চন্দ্ৰ দত্ত( উপ-সভাপতি)
(৩) শ্ৰীপদ্মকান্ত বৰা জ্ঞউপদেষ্টা)
(৪) শ্ৰীনবীন শইকীয়া (উপদেষ্টা)

(৫) শ্রীপুতু শইকীয়া (উপদেষ্টা)
(৬) শ্রীবীৰেন ভূএগ্রা (সম্পাদক)
(৭) শ্রীযজ্ঞেশ্বৰ শইকীয়া( সহঃ সম্পাদক)
(৮) শ্রীঅতুল হাজৰিকা (সদস্য)
(৯) শ্রীদেবজিৎ বৰা (সদস্য)
(১০) শ্রীবাবা কলিতা (সদস্য)
(১১) শ্রীমতী বেণু দত্ত (সদস্য)
(১২) শ্রীমতী মামণি শইকীয়া (সদস্য)
(১৩) শ্রীপুতৌ শইকীয়া (সদস্য)
(১৪) শ্রীবিজয় চন্দ্র দত্ত(সদস্য)

উপৰোক্ত নৱ নিৰ্বাচিত সমিতিখনে যোৱা ইং ৮/৩/৯৮ তাৰিখে দায়িত্বভাৰ বহন কৰি ক্ষিপ্রীতাৰে অশেষ কষ্ট আৰু পৰিশ্ৰমৰ বিনিময়ত নৱনিৰ্মিত নামঘৰৰ দুটা কোঠা সম্পূৰ্ণৰূপে নিৰ্মাণৰ কাম সমাধা কৰে। নামঘৰৰ চৌহদত বাহৰ জেওৰা দি সৌন্দৰ্য্য বৰ্দ্ধনৰ কাৰণে বিভিন্ন প্ৰজাতিৰ গছ-পুলি, কল পুলি, ফুল পুলি আদি ৰোপন কৰা হৈছে।

উক্ত অনুষ্ঠানত জিলাৰ সাংস্কৃতিক বিভাগৰ সদস্যা শ্রীমতী মামণি দত্তৰ তত্বাবধানত স্থানীয় শিষ্যসকলৰদ্বাৰা 'ভক্ত প্ৰহ্লাদ' নাটৰ ভাওনা প্ৰদৰ্শন কৰি দৰ্শকৰপৰা ভূয়সী প্ৰশংসা লাভ কৰাৰ লগতে শিশু শিল্পী শ্রীবেদান্ত বিকাশ দত্তই প্ৰথম পুৰস্কাৰ লাভ কৰে।

তদুপৰি বিভিন্ন সময়ত গোলাঘাট জিলা শাখাৰ তৰফৰপৰা কাৰ্য্যনিৰ্বাহিক, সাংগঠনিক সভাকে ধৰি কেইবাখনো সভা, আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰা হৈছে। এই অনুষ্ঠানতে গুৰুজনাৰ ৰচিত ৰজা হৰিশ্চন্দ্ৰ উপাখ্যান নামৰ নাট ভাগৰো ভাওনা প্ৰদৰ্শন কৰিছিল।

বৰ্তমান এই অনুষ্ঠানটো অতি চালুকীয়া অৱস্থাতে আছে যদিও ইয়াৰ সৰ্ব্বাঙ্গীন উন্নতি কল্পে যত্ন কৰি থকা হৈছে। সদাশয় ৰাইজৰপৰা সহায়-সহযোগ পালে নিশ্চয় অনুষ্ঠানটোৱে পূৰ্ণাংগ ৰূপ পাব বুলি আশা কৰা হৈছে।

## বীৰেন ভূএগ্রা

জন্ম —১৯৪১

প্ৰায় ১৯৭০ চনৰপৰা শ্রীমন্ত শংকৰদেৱ সংঘৰ সঙ্গী অন্তৰ্ভুক্ত হৈ সংঘৰ প্ৰচাৰ সংগঠনত একনিষ্ঠভাৱে সক্ৰিয় ভুমিকা গ্ৰহণ কৰে। ১৯৯৮ চনৰ ৩ মাৰ্চৰপৰা বৰুৱা বামুণ গাঁও শংকৰী কলা-কৃষ্টি বিকাশ কেন্দ্ৰ তথা নামঘৰৰ পৰিচালনা সমিতিৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। বৰ্তমানলৈকে উক্ত অনুষ্ঠানৰ উন্নয়ণ কল্পে মণিকুট ভাগিৰ নিৰ্মাণ কাৰ্য্য সম্পন্ন কৰি নামঘৰৰ দুটা কোঠা স্থায়ীভাৱে নিৰ্মাণ কৰিছে। চৌহদত বিভিন্ন প্ৰজাতিৰ গছ পুলি, ফুল পুলি আদি ৰোপন কৰি ইয়াৰ সৌন্দৰ্য্য বৰ্ধন কৰি পৰিৱেশ সৃষ্টি কৰাত এগৰাকী সদা সচেতন ব্যক্তি।❖❖

# ১৯৫৪ চনৰপৰা ২০০০ চনলৈকে গোলাঘাট জিলা সংঘৰ কাৰ্যনিৰ্বাহক সদস্যসকলৰ নাম ঃ

**১৯৫৪-৫৫-৫৬ চন ঃ** শ্ৰীসোণাৰাম চুতীয়া, সভাপতি, প্ৰয়াত যোগেন দত্ত, সম্পাদক, প্ৰয়াত গোলোক হাজৰিকা, প্ৰয়াত ভদৰাম পাঠক, প্ৰয়াত জীউৰাম হাজৰিকা, প্ৰয়াত পোৱাল চন্দ্ৰ শইকীয়া, প্ৰয়াত ভেবেলা ভৰালী, প্ৰয়াত খগেশ্বৰ তামুলী, প্ৰয়াত ৰঙাই নাথ মেধি, প্ৰয়াত অৰুণ চন্দ্ৰ শইকীয়া, প্ৰয়াত মইনা শইকীয়া ।

**১৯৫৬-৫৭ চন ঃ** শ্ৰীসোণাৰাম চুতীয়া - সভাপতি, শ্ৰীউপেন ফুকন-সম্পাদক, শ্ৰীযোগেশ্বৰ বৰা-উপসভাপতি , প্ৰয়াত গণেশ ভূঞা সহকাৰী সম্পাদক, গোলোক তামুলী, তিলেশ্বৰ শইকীয়া, প্ৰয়াত বেণুৰাম বৰুৱা, প্ৰয়াত মণিৰাম গগৈ, প্ৰয়াত যোগেন দত্ত, প্ৰয়াত পোৱাল শইকীয়া, প্ৰয়াত উমা বৰা, প্ৰয়াত গোলাপ বৰা ।

**১৯৫৭-৫৮-৫৯ চন ঃ** শ্ৰীসোণাৰাম চুতীয়া-সভাপতি, প্ৰয়াত যোগেন দত্ত-উপ-সভাপতি, শ্ৰীযোগেশ্বৰ বৰা-সম্পাদক, প্ৰয়াত পোৱাল শইকীয়া, প্ৰয়াত বেণুৰাম বৰুৱা, প্ৰয়াত ভুবন নাথ, শ্ৰীউপেন ফুকন, প্ৰয়াত ডিম্বেশ্বৰ বৰা, প্ৰয়াত মণিৰাম গগৈ, প্ৰয়াত তিলেশ্বৰ শইকীয়া, প্ৰয়াত ফটিক হাজৰিকা ।

**১৯৫৯-৬০ চন ঃ** শ্ৰীসোণাৰাম চুতীয়া-সভাপতি, প্ৰয়াত যোগেন দত্ত-উপ-সভাপতি, শ্ৰীযোগেশ্বৰ বৰা-সম্পাদক, প্ৰয়াত পোৱাল চন্দ্ৰ শইকীয়া, ৰূপেশ্বৰ বৰপাত্ৰ গোহাঁই, প্ৰয়াত বেণুৰাম বৰুৱা, প্ৰয়াত ডিম্বেশ্বৰ বৰা ।

**১৯৬০-৬১ চন ঃ** প্ৰয়াত ফটিকচন্দ্ৰ হাজৰিকা, প্ৰয়াত যোগেন দত্ত, সভাপতি, দুৰ্গাধৰ বৰগোহাঁই - উপ-সভাপতি, শ্ৰীযোগেশ্বৰ বৰা-সম্পাদক, শ্ৰীলোকনাথ হাজৰিকা-সহকাৰী সম্পাদক, পীতাম্বৰ গগৈ, বেণুৰাম বৰুৱা, তিলেশ্বৰ শইকীয়া, কেশৱ চন্দ্ৰ ৰাজখোৱা, শ্ৰীযতীন বৰুৱা-সহকাৰী সম্পাদক, নগেন চুতীয়া, মণ্ডৰাম বৰা, ডিম্বেশ্বৰ বৰা, বংশীধৰ চুতীয়া, আপীৰাম গগৈ, নন্দেশ্বৰ চুতীয়া, কেশৱ চন্দ্ৰ বৰুৱা ।

**১৯৬১-৬২ চন ঃ** প্ৰয়াত মণিৰাম গগৈ-সভাপতি, শ্ৰীযোগেশ্বৰ বৰা-সম্পাদক, শ্ৰীলোকনাথ হাজৰিকা-সহকাৰী সম্পাদক, প্ৰয়াত ফটিক চন্দ্ৰ হাজৰিকা, ডিম্বেশ্বৰ বৰা, দুৰ্গাৰাম বৰগোহাঁই, যোগেন দত্ত, বংশীধৰ

চুতীয়া, উপ-সভাপতি, আপীৰাম গগৈ, চেনিৰাম নাথ, তিলেশ্বৰ শইকীয়া, কেশৱ চন্দ্ৰ ৰাজখোৱা, পোৱাল চন্দ্ৰ শইকীয়া, উমাকান্ত বৰা, বেণুৰাম বৰুৱা, ৰূপেশ্বৰ বৰপাত্ৰ গোহাঁই ।

**১৯৬২-৬৩ চন ঃ** প্ৰয়াত মণিৰাম গগৈ-সভাপতি তিলেশ্বৰ শইকীয়া-সম্পাদক, মণ্ডৰাম বৰা - উপ-সভাপতি, বেণুৰাম বৰুৱা, আপীৰাম গগৈ, ডিম্বেশ্বৰ বৰা, ফনীধৰ বৰা, যোগেন দত্ত, ৰূপেশ্বৰ বৰপাত্ৰগোহাঁই, যোগেশ্বৰ বৰা, ফটিক চন্দ্ৰ হাজৰিকা, লক্ষেশ্বৰ শইকীয়া, বংশীধৰ চুতীয়া, দুৰ্গাৰাম বৰগোহাঁই, সুৰেন পাঠক, ৰামেশ্বৰ ৰাজখোৱা ।

**১৯৬৩-৬৪ চন ঃ** প্ৰয়াত মণিৰাম গগৈ-সভাপতি, যোগেশ্বৰ গগৈ-সম্পাদক, গঙ্গাধৰ নাথ উপ-সভাপতি, দামোদৰ গগৈ, প্ৰেমধৰ ৰাজখোৱা, ফণিধৰ বৰা । ৰূপেশ্বৰ বৰপাত্ৰগোহাঁই বেণুৰাম বৰুৱা, কেশৱ চন্দ্ৰ ৰাজখোৱা, তিলেশ্বৰ শইকীয়া, লক্ষণ চন্দ্ৰ বৰা, ভুবন চন্দ্ৰ নাথ, সোণাৰাম দাস, সুমথিৰা বৰা, আপীৰাম গগৈ ।

**১৯৬৪-৬৫ চন ঃ** প্ৰয়াত জীউৰাম হাজৰিকা, সভাপতি, পীতাম্বৰ গগৈ, উপ-সভাপতি, যোগেশ্বৰ গগৈ-সম্পাদক, হেমন্ত কুমাৰ হাজৰিকা, সহকাৰী সম্পাদক, মণিৰাম গগৈ, যোগেশ্বৰ বৰা, মাণিক চন্দ্ৰ গায়ন, কমল চন্দ্ৰ নাথ, বেণুৰাম বৰুৱা, ফণিধৰ বৰা, দামোদৰ গগৈ, গুণাৰাম ফুকন, পানীৰাম বৰা, সোণাৰাম দাস, দেবেন্দ্ৰ চন্দ্ৰ বড়ো ।

**১৯৬৫-৬৬ চন ঃ** প্ৰয়াত মণিৰাম গগৈ -সভাপতি, গণেশ চন্দ্ৰ ভূএগ, উপ-সভাপতি, গোবিন্দ চন্দ্ৰ শইকীয়া-সম্পাদক, যোগেশ্বৰ বৰা - সহ সম্পাদক, লক্ষেশ্বৰ দুৱৰা, গেম্বেউ বড়ো, জীউৰাম হাজৰিকা, মাণিক চন্দ্ৰ গায়ন, সদানন্দ গগৈ, গুণাৰাম ফুকন, ধৰ্মেশ্বৰ দাস, যোগেন দত্ত, ঘনকান্ত গগৈ, ভকতৰাম শইকীয়া, পদ্মেশ্বৰ হাজৰিকা ।

**১৯৬৬-৬৭ চন ঃ** প্ৰয়াত গণেশ চন্দ্ৰ ভূএগ-সভাপতি, ঘনকান্ত তামুলী উপ-সভাপতি, গোবিন্দ চন্দ্ৰ শইকীয়া-সম্পাদক, ভদ্ৰকান্ত ফুকন সহঃ সম্পাদক, মাণিক চন্দ্ৰ গায়ন, যোগেশ্বৰ বৰা, মণিৰাম গগৈ, মইনা শইকীয়া, ফনিধৰ বৰা, ভুবন চন্দ্ৰ নাথ, তিলেশ্বৰ শইকীয়া,, বগাই বড়ো, কুশেশ্বৰ কলিতা, যোগেন দত্ত, ডিম্বেশ্বৰ ফুকন, লক্ষেশ্বৰ দুৱৰা, ধৰ্মেশ্বৰ দাস ।

**১৯৬৭-৬৮ চন ঃ** শ্ৰীঘনকান্ত তামূলী - সভাপতি, যোগেন দত্ত - উপ-সভাপতি, গোবিন্দ চন্দ্ৰ শইকীয়া - সম্পাদক, ভদ্ৰকান্ত ফুকন সহঃ সম্পাদক, তিলেশ্বৰ শইকীয়া, গণেশ চন্দ্ৰ ভূএগ, যোগেশ্বৰ বৰা, গঙ্গাধৰ

নাথ, দুৰ্গাৰাম বৰগোহাঁই, মণিৰাম গগৈ, গোপাল চন্দ্ৰ দাস, জীউৰাম হাজৰিকা, নগেন্দ্ৰ নাথ চুতীয়া, পুহেশ্বৰ গগৈ, গেন্ধেউ বড়ো, ডিম্বধৰ ফুকন, লক্ষেশ্বৰ হাজৰিকা, ডম্বৰুধৰ বৰা, ভুবন সন্দিকৈ ।

**১৯৬৮-৬৯ চন ঃ** শ্ৰীঘনকান্ত তামুলী-সভাপতি, গোবিন্দ চন্দ্ৰ শইকীয়া-সম্পাদক, ভদ্ৰকান্ত ফুকন-সহঃসম্পাদক, তিলেশ্বৰ শইকীয়া, যোগেন দত্ত, লক্ষেশ্বৰ হাজৰিকা, চেনিৰাম বৰুৱা, ভুবন চন্দ্ৰ সন্দিকৈ, দিব্যধৰ গগৈ, গঙ্গাধৰ নাথ, যোগেশ্বৰ বৰা, জীউৰাম হাজৰিকা, ফটিক চন্দ্ৰ হাজৰিকা, খগেশ্বৰ বৰা, পদ্মেশ্বৰ হাজৰিকা।

**১৯৬৯-৭০ চন ঃ** শ্ৰীঘনকান্ত তামুলী-সভাপতি, গোবিন্দ চন্দ্ৰ শইকীয়া, সম্পাদক, কুশেশ্বৰ কলিতা, জীউৰাম হাজৰিকা, তিলেশ্বৰ শইকীয়া, যোগেন দত্ত, খগেশ্বৰ বৰা, ভদ্ৰকান্ত ফুকন, যোগেশ্বৰ বৰা, লক্ষেশ্বৰ হাজৰিকা, পদ্মেশ্বৰ হাজৰিকা, মণিৰাম গগৈ, দামোদৰ গগৈ ।

**১৯৭০-৭১ চন ঃ** শ্ৰীঘনকান্ত তামুলী - সভাপতি, গোবিন্দ চন্দ্ৰ শইকীয়া-সম্পাদক, কুশেশ্বৰ কলিতা, সোমেশ্বৰ বৰঘৰীয়া, যোগেন দত্ত, মণিৰাম গগৈ, জীউৰাম হাজৰিকা, বানেশ্বৰ কলিতা, জগত চন্দ্ৰ বৰা, মাণিকচন্দ্ৰ গায়ন, পীতাম্বৰ গগৈ, নন্দেশ্বৰ কছাৰি, বাপুৰাম পাঠক, বাপ চন্দ্ৰ দাস, খখেশ্বৰ বড়ি, বংশীধৰ দাস ।

**১৯৭১-৭২ চন ঃ** শ্ৰীঘনকান্ত তামুলী -সভাপতি, গোবিন্দ চন্দ্ৰ শইকীয়া-সম্পাদক, মণিৰাম গগৈ, মাণিক চন্দ্ৰ গায়ন, জীউৰাম হাজৰিকা, বানেশ্বৰ কলিতা, জীৱন বৰা, বাপুৰাম পাঠক, বংশীধৰ দাস, যোগেশ্বৰ বৰা, জগত বৰা, পীতাম্বৰ গগৈ, যোগেন দত্ত, সোমেশ্বৰ বৰঘৰীয়া, খন্দেশ্বৰ বড়ো, দীপচন দাস, কুশেশ্বৰ কলিতা, যদু হাজৰিকা ।

**১৯৭২-৭৩ চন ঃ** শ্ৰীঘনকান্ত তামুলী - সভাপতি, গোবিন্দ শইকীয়া-সম্পাদক, বিপিন দত্ত, বানেশ্বৰ কলিতা, সোমেশ্বৰ বৰঘৰীয়া, বেণুৰাম বৰুৱা, যোগেন দত্ত, জীৱেশ্বৰ গগৈ, কুশেশ্বৰ কলিতা, সুৰেন কলিতা-সহ সম্পাদক, বাবুলা গগৈ, সোমনাথ কলিতা, মণিৰাম গগৈ, যোগেশ্বৰ বৰা, মাণিক চন্দ্ৰ গায়ন, ভুবন চন্দ্ৰ নাথ, নগেন্দ্ৰ নাথ বৰা, লক্ষেশ্বৰী দত্ত, সুখদা কলিতা, যোগেন্দ্ৰ নাথ বৰা, চন্দ্ৰ মোহন হাজৰিকা, চুচেন দুৱৰা, হেম শইকীয়া ।

**১৯৭৩-৭৪ চন ঃ** প্ৰয়াত কুশেশ্বৰ কলিতা-সভাপতি, হেম শইকীয়া-সম্পাদক, গোবিন্দ শইকীয়া, মাণিক চন্দ্ৰ গায়ন, চুচেন দুৱৰা, যোগেন দত্ত, ঘনকান্ত তামুলী, সোমনাথ কলিতা, ভুবন চন্দ্ৰ নাথ, মণিৰাম গগৈ, নগেন বৰা, সুৰেন কলিতা, সুখদা কলিতা, বিপিন চন্দ্ৰ দত্ত, বীৰেন বৰা,

জীৱেশ্বৰ গগৈ, বাবুলা গগৈ, লক্ষেশ্বৰী দত্ত, বেণুৰাম বৰুৱা, ৰোযেশ্বৰ দত্ত, চন্দ্ৰ মোহন হাজৰিকা, চন্দ্ৰ বৰদলৈ ।

**১৯৭৪-৭৫ চন** ঃ প্ৰয়াত কুশেশ্বৰ কলিতা - সভাপতি, হেম শইকীয়া-সম্পাদক, গোবিন্দ শইকীয়া, মাণিক বায়ন, চুচেন দুৱৰা, যোগেন দত্ত, ঘনকান্ত তামুলী, সোমনাথ কলিতা, ভুবন চন্দ্ৰ নাথ, মণিৰাম গগৈ, নগেন বৰা, সুৰেন কলিতা, সুখদা কলিতা, বিপিন চন্দ্ৰ দত্ত, বীৰেন বৰা, জীৱেশ্বৰ গগৈ, বাবুলা গগৈ, লক্ষেশ্বৰী দত্ত, বেণু ৰাম বৰুৱা, ৰোযেশ্বৰ দত্ত, চন্দ্ৰ মোহন হাজৰিকা আৰু চন্দ্ৰ বৰদলৈ, গোলাপ শইকীয়া ।

**১৯৭৫-৭৬ চন** ঃ প্ৰয়াত কুশেশ্বৰ কলিতা-সভাপতি, হেম শইকীয়া-সম্পাদক, স্বৰ্গীয় মণিৰাম গগৈ, সোমনাথ কলিতা, সুখদা কলিতা, গোবিন্দ শইকীয়া, ৰোযেশ্বৰ দত্ত, ঘনকান্ত তামুলী, মাণিক চন্দ্ৰ গায়ন, সুৰেন ৰাজখোৱা, বিপিন হাজৰিকা, নীল বৰা, লক্ষেশ্বৰী দত্ত, বিপিন চন্দ্ৰ দত্ত, ডিম্বেশ্বৰ গগৈ, চন্দ্ৰ মোহন হাজৰিকা, যোগেশ্বৰ বৰা, আধানী বৰবৰা, বাবুলা গগৈ, প্ৰফুল্ল চন্দ্ৰ শইকীয়া, যোগেন দত্ত, চুচেন দুৱৰা, যজ্ঞেশ্বৰ ভূঞা, আৰু নীলকান্ত শইকীয়া ।

**১৯৭৬-৭৭ চন** ঃ যোগেশ্বৰ বৰা-সভাপতি, হেম শইকীয়া-সম্পাদক, কুশেশ্বৰ কলিতা, সুখদা কলিতা, খুনু দত্ত, ডিম্বেশ্বৰ বৰা, চুচেন দুৱৰা, দেবানন্দ গগৈ, ডিম্বেশ্বৰ ভূঞা, প্ৰবীণ বুঢ়াগোহাঁই, মাণিক চন্দ্ৰ গায়ন, ভোলা ফুকন, ঘন তামুলী, কেশৱ বৰুৱা, যোগেন দত্ত, গোবিন্দ শইকীয়া, জীৱ বৰা, ৰত্নেশ্বৰ দত্ত, ৰোযেশ্বৰ দত্ত সহঃ সম্পাদক, চন্দ্ৰ হাজৰিকা, বাবুলা গগৈ, বিদ্যাধৰ বড়ো, দণ্ডেশ্বৰ বৰুৱা, লক্ষেশ্বৰ দত্ত, দম্বু নাথ, পূৰ্ণ হাজৰিকা, ফটিক হাজৰিকা, সুৰেন ৰাজখোৱা, মেনেজৰ বড়ি, বিপিন দত্ত আৰু চন্দ্ৰকান্ত বৰা ।

**১৯৭৭-৭৮ চন** ঃ শ্ৰীযোগেশ্বৰ বৰা-সভাপতি, হেম শইকীয়া-সম্পাদক, ৰোষ দত্ত-সহ সম্পাদক, ফটিক হাজৰিকা-উপ-সভাপতি, ৰত্নেশ্বৰ দত্ত, পূৰ্ণ হাজৰিকা, প্ৰবীণ বুঢ়াগোহাঁই, দম্বু নাথ, গোবিন্দ শইকীয়া, চন্দ্ৰ বৰদলৈ, সুখদা কলিতা, কুশেশ্বৰ কলিতা, ঘনকান্ত তামুলী, ডিম্বেশ্বৰ বৰা, দণ্ডেশ্বৰ বৰুৱা, সোমেশ্বৰ দত্ত, দেবানন্দ গগৈ, মাণিক গায়ন, যোগেন দত্ত, কেশৱ বৰুৱা, চন্দ্ৰ বৰা, বিপিন দত্ত, লক্ষেশ্বৰী দত্ত, ডিম্বেশ্বৰ ভূঞা, ডিম্বেশ্বৰ গগৈ, ভোলা ফুকন, যজ্ঞেশ্বৰ ভূঞা, জীৱন বৰা, সুৰেন ৰাজখোৱা, বাবুলা গগৈ, অকণেশ্বৰ শইকীয়া, মেনেজৰ বড়ি, চুচেন দুৱৰা, বিদ্যা বড়ো, জীৱেশ্বৰ গগৈ, চন্দ্ৰ হাজৰিকা ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

**১৯৭৮-৮০ চন ঃ**

শ্ৰীঘনকান্ত তামুলী - সভাপতি

শ্ৰীচন্দ্ৰ বৰদলৈ - সম্পাদক

শ্ৰীডিম্বেশ্বৰ ভূঞা - সহঃ সম্পাদক

১৯৮০-৮১ চন ঃ প্ৰয়াত মণিৰাম গগৈ - সভাপতি
শ্ৰীলেখোৰাম বৰুৱা - সম্পাদক
শ্ৰীঅমূল্য বৰদলৈ - সহঃ সম্পাদক

১৯৮১-৮২ চন ঃ শ্ৰীপ্ৰফুল্ল চন্দ্ৰ শইকীয়া-সভাপতি
শ্ৰীলেখোৰাম বৰুৱা - সম্পাদক
শ্ৰীঅমূল্য বৰদলৈ - সহঃ সম্পাদক

**১৯৮২-৮৬ চনলৈ ঃ** শ্ৰীপ্ৰফুল্ল চন্দ্ৰ শইকীয়া - সভাপতি
শ্ৰীহেম শইকীয়া - সম্পাদক
শ্ৰীগোলাপ শইকীয়া - সহঃ সম্পাদক
শ্ৰীদণ্ডেশ্বৰ বৰুৱা - সহঃ সম্পাদক

**১৯৮৬-৮৮ চনলৈ ঃ** শ্ৰীৰত্নেশ্বৰ দত্ত - সভাপতি
শ্ৰীহেম শইকীয়া - সম্পাদক
শ্ৰীগোলাপ শইকীয়া - সহঃ সম্পাদক
শ্ৰীদণ্ডেশ্বৰ বৰুৱা - সহঃ সম্পাদক

**১৯৮৮-৯০ চনলৈ ঃ** শ্ৰীজীৱকান্ত বৰা - সভাপতি
শ্ৰীপ্ৰফুল্ল শইকীয়া - সম্পাদক
শ্ৰীগোলাপ শইকীয়া - সহঃ সম্পাদক
শ্ৰীবিপুল কাকতি - সহঃ সম্পাদক

**১৯৯০-৯২ চনলৈ ঃ** শ্ৰীচন্দ্ৰ বৰদলৈ - সভাপতি
শ্ৰীপ্ৰফুল্ল শইকীয়া - সম্পাদক
শ্ৰীগোলাপ শইকীয়া - সহঃ সম্পাদক
প্ৰয়াত সোমেশ্বৰ বৰুৱা - সহঃ সম্পাদক

**১৯৯৩-৯৬ চনলৈ ঃ** শ্ৰীলেখোৰাম বৰুৱা- সভাপতি
শ্ৰীপ্ৰফুল্ল শইকীয়া - সম্পাদক
শ্ৰীনবীন বৰা - সহঃ সম্পাদক
শ্ৰীঅৰুনী বৰা - সহঃ সম্পাদক

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

**১৯৯৭-৯৮ চনৰ বিষয়ববীয়া আৰু সদস্য/সদস্যাসকল ঃ**

সৰ্বশ্ৰী বীৰেন বৰা - সভাপতি

,, নন্দেশ্বৰ শইকীয়া - উপ-সভাপতি

,, আনন্দ হাজৰিকা - উপ-সভাপতি

,, নবীন বৰা - সম্পাদক

,, ৰবীন কলিতা - সহঃ সম্পাদক

,, সত্য নাৰায়ণ পাঠৰী - সহঃ সম্পাদক

,, বংশী বৰা - সভাপতি, সাহিত্য শাখা

,, বোধেশ্বৰ কাকতি - সম্পাদক, সাহিত্য শাখা

,, গোলাপ শইকীয়া - সভাপতি, সংস্কৃতি শাখা

,, অজিত বৰা - সম্পাদক, সংস্কৃতি শাখা

(ইংৰাজী ১৯৯৬ চন বছৰৰ কাৰ্যকালছোৱাত শ্ৰী পূৰ্ণ হাজৰিকা আৰু শ্ৰী যতীন বৰা বাপে ক্ৰমে সংস্কৃতি শাখাৰ সম্পাদক, সাহিত্য শাখাৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি উক্ত পদৰ পৰা অব্যাহতি লয় । পুনৰ কাৰ্যনিৰ্বাহক সভাই শ্ৰীবোধেশ্বৰ কাকতিক সাহিত্য শাখাৰ সম্পাদক, শ্ৰীঅজিত বৰাক সংস্কৃতি শাখাৰ সম্পাদক নিৰ্বাচন কৰে ।)

**১৯৯৯-২০০০ বৰ্ষৰ বিষয়ববীয়া আৰু সদস্যসকল আৰু উপদেষ্টা মণ্ডলী ঃ**

শ্ৰীঘনকান্ত তামূলী

শ্ৰীযোগেশ্বৰ বৰা

শ্ৰীপ্ৰফুল্ল চন্দ্ৰ শইকীয়া - মুখ্য উপদেষ্টা

শ্ৰীৰত্নেশ্বৰ দত্ত

শ্ৰীজীৱ বৰা

শ্ৰীচন্দ্ৰনাথ বৰদলৈ

শ্ৰীলেখোৰাম বৰুৱা

**বিষয়ববীয়াসকল ঃ**

শ্ৰীবীৰেন বৰা - সভাপতি

শ্ৰীসোমেশ্বৰ দত্ত - উপ-সভাপতি

শ্ৰীদণ্ডেশ্বৰ বৰুৱা - উপ-সভাপতি আৰু প্ৰচাৰ শাখাৰ সভাপতি

শ্ৰীনবীন বৰা - সম্পাদক

শ্ৰীৰবীন্দ্ৰ নাথ কলিতা - সহঃ সম্পাদক

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

শ্ৰীসত্যনাৰায়ণ পাঠৰি - সহঃ সম্পাদক

শ্ৰীবংশীধৰ বৰা - সভাপতি, সাহিত্য শাখা

শ্ৰীবোধেশ্বৰ কাকতি - সম্পাদক, সাহিত্য শাখা

শ্ৰীগোলাপ শইকীয়া - সভাপতি, সংস্কৃতি শাখা

শ্ৰীবদন বৰা- সম্পাদক, সংস্কৃতি শাখা (৫৫০ শঙ্কৰাব্দ)

শ্ৰীদুলু প্ৰসাদ নাথ - সম্পাদক, সংস্কৃতি শাখা (৫৫১ শঙ্কৰাব্দৰ পৰা)

শ্ৰীথানেশ্বৰ হাজৰিকা - সম্পাদক, প্ৰচাৰ শাখা

শ্ৰীযোগেন গগৈ - সভাপতি, শিক্ষা শাখা সমিতি

শ্ৰীঅৱনী বৰুৱা- সম্পাদক, শিক্ষা শাখা সমিতি

শ্ৰীনন্দনাথ বৰা - সভাপতি, নামঘৰ নিৰ্মাণ আৰু পৰিচালনা সমিতি, জিলা নামঘৰ, ঢেকীয়াল ।

**সদস্যসকল ঃ**

সৰ্বশ্ৰী তৰুণ বৰা, অজিত হাজৰিকা, পুলিন দত্ত, নবীন বৰা, উপেন শইকীয়া, অৰুণ বৰা, ৰবীন শইকীয়া, গগন হাজৰিকা, চৰিত্ৰ ৰবিদাস, ধৰ্মেশ্বৰ বৰা, ৰূপেশ্বৰ বৰা, দণ্ডনাথ ফুকন, গণেশ তাঁতী, ডিম্বেশ্বৰ বৰা, থানেশ্বৰ হাজৰিকা, নন্দেশ্বৰ শইকীয়া, লোকনাথ হাজৰিকা, ৰাজেন নাথ, খিৰেশ্বৰ শইকীয়া, টঙ্কেশ্বৰ গগৈ, হেম কছাৰী, পীতাম্বৰ বৰুৱা, নন্দেশ্বৰ চুতীয়া, তনুৰাম শইকীয়া, বুদুৰাম শইকীয়া, ৰবীন নেওগ, নগেন ৰাজখোৱা, ঘন দত্ত, ভৱেশ বৰা, প্ৰফুল্ল বৰা, গজেন বৰা, লক্ষী বৰা, ভৱেশ কুমাৰ দত্ত, মোহদা হাজৰিকা, মনোৰমা বৰা, প্ৰফুল্লী খাউণ্ড, আনন্দ হাজৰিকা,

**পদেন সদস্য ঃ** সৰ্বশ্ৰী গোবিন শইকীয়া, হেম শইকীয়া, প্ৰফুল্ল শইকীয়া।

### সেৱা বাহিনী শাখা সমিতি ঃ

শ্ৰীবীৰেন বৰা - উপদেষ্টা

শ্ৰীনবীন বৰা - সচিব

শ্ৰীপৰাগজ্যোতি হাজৰিকা - জিলাধিনায়ক

শ্ৰীজয়ন্ত কমল বৰুৱা - } উপ জিলাধিনায়ক

শ্ৰীহৰেন বৰা - } উপ জিলাধিনায়ক

### মুল কাৰ্যনিৰ্বাহিকৰ সদস্য

শ্ৰীচন্দ্ৰ হাজৰিকা - সভাপতি মুল প্ৰসাৰ শাখা

শ্ৰীডিম্বেশ্বৰ নাথ

শ্ৰীকমল হাজৰিকা

শ্ৰীনীলকান্ত বৰা - সভাপতি, মুল সংস্কৃতি শাখা

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

**শৰণ সদস্য**

শ্ৰীলেখোৰাম বৰুৱা

শ্ৰীৰোহেশ্বৰ দত্ত

**নামঘৰীয়া (জিলা নামঘৰ - ঢেকীয়াল)**

শ্ৰীনীৰন নেওগ

**১৯৯৯-২০০০ চন গোলাঘাট জিলা শাখাৰপৰা মূল সংঘলৈ প্ৰতিনিধিত্ব কৰি সেৱা আগবঢ়োৱা সদস্যসকলৰ নাম ঃ**

শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া - প্ৰাক্তন প্ৰধান সম্পাদক উপ-পদাধিকাৰ

শ্ৰীজীৱকান্ত বৰা- সদস্য

শ্ৰীৰত্নেশ্বৰ দত্ত - সদস্য

শ্ৰীবিপিন চন্দ্ৰ দত্ত - সদস্য

শ্ৰীহেম শইকীয়া - প্ৰাক্তন সম্পাদক সাহিত্য শাখা

শ্ৰীখুনু দত্ত - সদস্যা

শ্ৰীলক্ষ্যেশ্বৰী দত্ত - সদস্যা

শ্ৰীভোলা হাজৰিকা - সদস্য, গৱেষণা পৰিষদ

শ্ৰীঅমূল্য বৰদলৈ - সদস্য

শ্ৰীদণ্ডেশ্বৰ বৰুৱা - প্ৰাক্তন সম্পাদক, সংস্কৃতি শাখা

শ্ৰীচন্দ্ৰ বৰদলৈ - প্ৰাক্তন সম্পাদক, সংস্কৃতি শাখা

শ্ৰীৰোষ দত্ত-প্ৰাক্তন সভাপতি সংস্কৃতি শাখা, বৰ্তমান শৰণ সদস্য।

শ্ৰীনীলকান্ত বৰা - সভাপতি, সংস্কৃতি শাখা

শ্ৰীকমল হাজৰিকা - সদস্য শৰণ সদস্য

শ্ৰীচন্দ্ৰ হাজৰিকা- সদস্য, সভাপতি প্ৰচাৰ সমিতি

শ্ৰীঘনকান্ত তামুলী - সদস্য-শৰণ সদস্য

শ্ৰীগোলাপ শইকীয়া - প্ৰাক্তন সদস্য, গৱেষণা পৰিষদ বৰ্তমান সদস্য, সংস্কৃতি শাখা

শ্ৰীডিম্বেশ্বৰ নাথ - সদস্য

**মূল সংঘৰ ৪৪ তম বাৰ্ষিক অধিবেশনৰ আদৰণি সমিতিৰ বিষয়ববীয়া ঃ স্থান ঃ বৰুৱা বামুণ গাঁও**

প্ৰয়াত চক্ৰগোপাল কৰ্মকাৰ - সভাপতি

প্ৰয়াত বিপিন চন্দ্ৰ দত্ত - কাৰ্য্যকৰী সভাপতি

শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া- সম্পাদক

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

শ্ৰীপ্ৰফুল্ল চন্দ্ৰ শইকীয়া - সম্পাদক, স্মৃতিগ্ৰন্থ
প্ৰয়াত আধান বৰবৰা - সম্পাদক, সংস্কৃতি শাখা

**মূল সংঘৰ ৬৪ তম বাৰ্ষিক অধিৱেশনৰ আদৰণি সমিতিৰ বিষয়ববীয়া ঃ স্থান ঃ ফৰকাটিং, কুশল কোঁৱৰ ক্ষেত্ৰ, শিঙিজান, ১৯৯৫ চন।**

সৰ্বশ্ৰী প্ৰফুল্ল চন্দ্ৰ শইকীয়া - সভাপতি
তনুৰাম শইকীয়া - কাৰ্য্যকৰী সভাপতি
ডিম্বেশ্বৰ নাথ - সাধাৰণ সম্পাদক
ৰত্নেশ্বৰ দত্ত - কোষাধ্যক্ষ
নন্দ বৰা - সভাপতি } স্মৃতিগ্ৰন্থ
চন্দ্ৰ হাজৰিকা - সম্পাদক } স্মৃতিগ্ৰন্থ
ৰোমেশ্বৰ দত্ত - সভাপতি } সংস্কৃতি শাখা
গোলাপ শইকীয়া - সম্পাদক } সংস্কৃতি শাখা

**কৰ্ণধাৰ সমিতি ঃ**

সৰ্বশ্ৰী প্ৰফুল্ল চন্দ্ৰ শইকীয়া - সভাপতি
তনুৰাম শইকীয়া - কাৰ্যকৰী সভাপতি
ডিম্বেশ্বৰ নাথ - সাধাৰণ সম্পাদক
ৰত্নেশ্বৰ দত্ত - কোষাধ্যক্ষ
লেখোৰাম বৰুৱা - জিলা সভাপতি
ডিম্বেশ্বৰ ভূঞা - জিলা, উপ সভাপতি
প্ৰফুল্ল শইকীয়া - জিলা সম্পাদক
সুৰেন কলিতা - সভাপতি, জিলা সাহিত্য শাখা
বোধেশ্বৰ কাকতি - সম্পাদক জিলা সাহিত্য শাখা
আনন্দ হাজৰিকা - সভাপতি জিলা সংস্কৃতি শাখা
নন্দেশ্বৰ শইকীয়া - সম্পাদক জিলা সংস্কৃতি শাখা
নীলকান্ত বৰা - সদস্য
ভোলা হাজৰিকা - সদস্য
কমল হাজৰিকা - সদস্য
চন্দ্ৰ হাজৰিকা - সদস্য
হেম শইকীয়া - সদস্য
নবীন বৰা - সদস্য

গোলাপ শইকীয়া - সদস্য
দুৰ্গা দত্ত - সদস্য
প্ৰদীপ নাথ - সদস্য
বীৰেন বৰা - সদস্য
বুদুৰাম শইকীয়া - সদস্য
মহেন বৰুৱা - সদস্য
ডাঃ পদ্মেশ্বৰ গগৈ - সদস্য
বোধেশ্বৰ দত্ত - সদস্য
ডিম্বেশ্বৰ বৰা - সদস্য
দেবেশ্বৰ শইকীয়া - সদস্য
সৰ্বেশ্বৰ নাথ - সদস্য
ৰবীন বৰুৱা - সদস্য
প্ৰদীপ চাংমাই - সদস্য

মুখ্য উপদেষ্টা ঃ শ্ৰীগোবিন্দ চন্দ্ৰ **শইকীয়া**

## জিলা সেনা-বাহিনীৰ বিষয়ববীয়া (১৯৯৮-২০০০)

সৰ্বশ্ৰী বীৰেন বৰা - উপদেষ্টা
নবীন বৰা - সচিব
পৰাগজ্যোতি হাজৰিকা - জিলা সৰ্বাধিনায়ক
জয়ন্ত কমল বৰুৱা - উপ সৰ্বাধিনায়ক । ❑

**গোলাঘাট জিলা সংঘৰ স্থাৱৰ সম্পত্তি ঃ**

ঢেকীয়াল = ৪ কঠা ৯ লোচা
নাথ গাঁও = ১ বিঘা ১ লোচা
খনিকৰ = ৩ কঠা ৫ লোচা
মৰঙি = ১ বিঘা ২ কঠা ৫ লোচা
গোলাঘাট = ১ বিঘা ২ কঠা ১০ লোচা
বৰুৱাবামুণ গাঁও = ৩ বিঘা ১ কঠা ১২ লোচা

❑❑

## নৱম অধ্যায়

# গোলাঘাট জিলা শাখা সংঘ গঠনৰ প্ৰথম বাটকটীয়া
## কেইগৰাকীমান উল্লেখযোগ্য ব্যক্তিৰ চমু জীৱনী

**শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰচাৰ, প্ৰসাৰ তথা গোলাঘাট জিলা শাখা গঠনত এইসকল ব্যক্তিৰ ত্যাগ আৰু একনিষ্ঠ সেৱা স্মৰণীয়)**

**ৰায়বাহাদুৰ গোপিকাবল্লভ গোস্বামী** ঃ ইংৰাজী ১৮৭৭ চনৰ ১৭ জানুৱাৰী বুধবাৰে গোলাঘাট মহকুমাৰ দিচিৰী গঞা সত্ৰত স্বৰ্গীয় গোস্বামীদেৱে জন্ম গ্ৰহণ কৰে। তেখেতে এণ্ট্ৰেন্স পাছ কৰি ওকালতি পঢ়ে আৰু গোলাঘাট কাছাৰিতে আইন ব্যৱসায় কৰিবলৈ লয়। সংস্কৃতত তেখেত অগাধ পাণ্ডিত্য আছিল। গোস্বামীদেৱ অতিশয় জ্ঞান পিপাসু আৰু অধ্যয়নশীল লোক আছিল। তেখেতে শ্ৰুতি, স্মৃতি, জ্যোতিষ আদি শাস্ত্ৰ গভীৰভাৱে অধ্যয়ন কৰিছিল। এই গভীৰ অধ্যয়নৰ ফল স্বৰূপে তেখেতে তথাকথিত ব্ৰাহ্মণলোকৰ মাজত প্ৰচলিত মৰণা শৌচ পালন নীতিৰ সংস্কাৰ সাধন কৰিবলৈ উঠি-পৰি লাগিছিল। শূদ্ৰাদি লোকে এঘাৰ দিনত মৃতকৰ শ্ৰাদ্ধদি কৰ্ম সমাপন কৰি শুদ্ধ হ'ব পাৰে বুলি শাস্ত্ৰীয় যুক্তি দাঙি ধৰি এই নিয়মেৰে লোকসকলে কৰ্ম কৰিব পৰাকৈ এখনি বিধিও প্ৰণয়ন কৰি উলিয়াছিল আৰু গড়মূৰীয় সত্ৰাধিকাৰ স্বৰ্গীয় পীতাম্বৰদেৱ গোস্বামী প্ৰভুৱে এই বিধিক স্বীকৃতিও দিছিল। সমসাময়িক বৈষ্ণৱ পণ্ডিত স্বৰ্গীয় ৰমাকান্ত মুক্তিয়াৰ, স্বৰ্গীয় হলধৰ ভূঞা, স্বৰ্গীয় ভুৱন ভূঞা আদি লেখকসকলৰ সহযোগত সমগ্ৰ অসমতে পৰিশুদ্ধ নীতিৰে গুৰুজনাৰ ধৰ্ম পালন কৰিবলৈ ঠায়ে ঠায়ে ধৰ্মালোচনী সভা পাতি লোকসকলক বুজনি দিছিল। এই ধৰ্মালোচনী সভাই কালক্ৰমত অসম শ্ৰীমন্ত শংকৰদেৱ সংঘ নাম ল'লে। যৰ্যুৰ্বেদীয় বিবাহ বিধি ভাগ তেখেতে নতুনকৈ সংকলন কৰি শূদ্ৰাদি লোকেও চলাব পৰাকৈ প্ৰকাশ কৰিছিল। তেখেতৰ চেষ্টাতে ইংৰাজী ১৯৩৪-৩৫ চনত ঢেকীয়াল তিনি আলিত শূদ্ৰাদি ছাত্ৰক সংস্কৃত শিক্ষা দিবলৈ এখনি সংস্কৃত বিদ্যালয় স্থাপন হৈছিল।

সদৌ অসম শ্ৰীমন্ত শংকৰদেৱ সংঘৰ জন্মদাতা এই পণ্ডিত গৰাকীয়ে ইংৰাজী ১৯৪৮ চনৰ ১৯ জুন শনিবাৰে নিজা বাসভৱনত ইহলীলা সম্বৰণ কৰে। ❑

**কণকেশ্বৰ বৰগোহাঁই ঃ**

স্বৰ্গীয় বাপে ১৮৬৬ চনত ফৰকাটিং অঞ্চলৰ তিকৰাল নামে এখন গাঁৱত জন্ম গ্ৰহণ কৰিছিল। নিচেই সৰুকালতেই তেখেত পিতৃহীন হয়। অনেক কষ্ট স্বীকাৰ কৰি তেখেতে ইংৰাজী স্কুলৰ কেইশ্ৰেণী মানলৈকে পঢ়ে। আৰু মৰঙীত নতুনকৈ প্ৰতিষ্ঠা হোৱা মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষকতা কৰিবলৈ লয় আৰু মৰঙীতেই স্থায়ীভাৱে

বসবাস কৰে । ইয়াত শিক্ষকপদত থকা অৱস্থাতে ইংৰাজী ১৯১৪ চনত নাহৰণীৰ মৌজাদাৰ হিচাপে নিযুক্তি হয় । ইয়াৰ পাচত ১৯২২ চনত গুৰোযোগনীয়াৰ মৌজাদাৰ হয় আৰু ১৯২৬ চনত মলীয়া গাঁৱত স্থায়ীভাৱে থাকিবলৈ লয় ।

গোহাঁইবাপ এগৰাকী সংস্কাৰী মনোভাৱৰ সমাজপ্ৰিয় লোক আছিল । স্বৰ্গীয় ৰায় চাহাব গোপীকা বল্লভ গোস্বামী আৰু ৰমাকান্ত মুক্তিয়াৰ আতা সহযোগী হৈ শূদ্ৰৰ দশাহ, অশৌচ পালন আৰু নাম কীৰ্ত্তনৰ দ্বাৰা মৃতাহ অশৌচ পালন নীতি প্ৰচাৰ কাৰ্য্যত ব্ৰতী হয় । ১৯৩৫ চনত ঢেকীয়ালত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ জিলা শাখা প্ৰতিষ্ঠা হোৱাত তেখেতেই প্ৰথম সভাপতি হয় । তেখেতে নিজৰ পৰিয়ালৰ ভিতৰতে নানা কীৰ্ত্তনেৰে মৃতাহ অশৌচ পালন কৰি আদৰ্শ দাঙি ধৰিছিল । ১৯৪৫ চনৰ আহাৰ মাহৰ কৃষ্ণা দশমী তিথিত তেখেতে ইহলীলা সম্বৰণ কৰে । ❑

## ভাবুৰাম দত্ত মুক্তিয়াৰ ঃ

ইংৰাজী ১৮৬৯ চনৰ ২৪ নবেম্বৰ বৃহস্পতিবাৰে মিছামৰা মৌজাৰ খনিকৰ গাৱঁত মুক্তিয়াৰ বাপৰ জন্ম হয় । তেখেতৰ পিতৃৰ নাম স্বৰ্গীয় দেহিৰাম দত্ত আৰু মাতৃৰ নাম স্বৰ্গীয় বুধেশ্বৰী দত্ত ।

প্ৰাইমেৰী বিদ্যালয়ৰ কেইটামান শ্ৰেণী পঢ়িয়েই তেখেতৰ শিক্ষা জীৱন সাং হয় । ১৯৪৯ চনত সত্ৰাধিকাৰৰ দ্বাৰা তেখেতক মুক্তিয়াৰ উপাধি দিয়া হয় । অভিনয় কৰাত তেখেতৰ বিশেষ ৰাপ কাৰণেই মিছামৰা অঞ্চলত সেই সময়ত তেখেত এজন নামজ্বলা অভিনেতা হৈছিল । ১৯২১ চনত দত্ত বাপে মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰে আৰু খনিকৰ প্ৰাথমিক কংগ্ৰেছ কমিটি গঠন কৰি এই কমিটিৰ সভাপতি হয় । সেই সময়ত গঢ়ি উঠা স্থানীয় শান্তি সেনাদলৰ তেখেত এজন আগশাৰীৰ ভলন্টিয়াৰ আছিল ।

১৯৩৪ চনত স্বৰ্গীয় ৰমাকান্ত মুক্তিয়াৰ আতা, ৰায়চাহাব গোপিকা বল্লভ গোস্বামী আৰু স্বৰ্গীয় পীতাম্বৰ দেৱ গোস্বামী আদি বৈষ্ণৱ পণ্ডিতসকলৰ সহযোগী হৈ শূদ্ৰৰ মৃতাহ, অশৌচ নাম কীৰ্ত্তনেৰে কৰা নীতি প্ৰচাৰত ব্ৰতী হয় । খনিকৰ গাঁৱৰ মাজত নিজ ম্যাদি পট্টাৰ তিনিকঠা মাটি অসম শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নামত দান কৰি তাত নামঘৰ আৰু মণিকূট প্ৰতিষ্ঠা কৰায় । এই নামঘৰৰ তলত যিখন সমাজ গঢ়ি উঠিছিল সেই সমাজকে 'গোলাঘাট জিলা শ্ৰীশ্ৰী শংকৰদেৱ সংঘ' নামেৰে নামকৰণ কৰি মৃত্যু পৰ্যন্ত তেখেত ইয়াৰ সভাপতি হৈ আছিল । ইয়াৰ বাহিৰেও স্থানীয় মিছামৰা মধ্য ইংৰাজী বিদ্যালয়, খনিকৰ উচ্চ বুনিয়াদী বিদ্যালয় আদি বাজহুৱা অনুষ্ঠানসমূহ গঢ়ি তোলাত তেখেতৰ উল্লেখযোগ্য অৱদান আছিল । স্বৰ্গীয় বাপ গৰাকী এজন সুনিপুন বাঢ়ৈ আছিল । প্ৰায় ৮০ বছৰ বয়সত, ১৯৪৮ চনৰ পহিলা আগষ্টত তেখেতে ইহলীলা সম্বৰণ কৰে । ❑

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

## গঙ্গাৰাম বৰমেধি ঃ

গোলাঘাট জিলাৰ অন্তৰ্গত দেবগাঁৱৰ এটি কৃষক পৰিয়ালত ইংৰাজী ১৮৭৫ চনত বৰমেধি বাপৰ জন্ম হয় । তেখেত সকৰে পৰাই স্বাধীন চিতীয়া আৰু উদাৰ প্ৰকৃতিৰ লোক আছিল । স্বাধীনতাৰ গণ আন্দোলনত সক্ৰীয়ভাৱে অংশ গ্ৰহণ কৰা গোলাঘটীয়া নেতাসকলৰ ভিতৰত তেখেত আছিল অন্যতম । অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰি তেখেতে ১৯২৯ আৰু ১৯৩২ চনত দুবাৰ কাৰাবৰণ কৰিবলগীয়া হৈছিল । কিছুদিন ধৰি তেখেত গোলাঘাট জিলাৰ কংগ্ৰেছ কমিটিৰ সভাপতি আছিল ।

১৯২৬ চনত বহা পাণ্ডু কংগ্ৰেছ সাফল্যমণ্ডিত কৰি তোলাত বৰমেধি বাপে তৰুণৰাম ফুকনৰ সহযোগী হৈ দেহে-কেহে খাটিছিল । তাৰ উপৰিও ১৯১২ চনত গঞা, ১৯২৩ চনত দিল্লী, ১৯২৪ চনত বেলগ্ৰাম আৰু ১৯২৫ চনত কাণপুৰত বহা ভাৰতীয় জাতীয় কংগ্ৰেছ অধিবেশনত অসম কংগ্ৰেছ কমিটিৰ পৰা প্ৰতিনিধি হিচাবে যোগদান কৰে । ইয়াৰ পাচত কলিকতা, লাহোৰ, কৰাচী, বোম্বাই, লক্ষ্ণৌ, ত্ৰিপোলা কংগ্ৰেছ অধিবেশনতো অসমৰ প্ৰতিনিধি হিচাবে যোগদান কৰিছিল ।

ধৰ্মীয় দিশত তেখেত সংস্কাৰ মনোভাৱী আছিল । ৰায়চাহাব গোপীকা বল্লভ গোস্বামী, স্বৰ্গীয় ৰমাকান্ত মুক্তিয়াৰ, শ্ৰীযুত ভুৱন চন্দ্ৰ ভূঞা আদি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ লোকসকলৰ মতৰ তেখেত সমৰ্থক আছিল আৰু দেবগাঁও অঞ্চলত প্ৰথম কৰ্মকাণ্ড ত্যাগ কৰি আদৰ্শ দাঙি ধৰিছিল ।

তেখেতে দুগৰাকী পত্নী বিয়া কৰাইছিল । দুয়োগৰাকী পত্নীৰ মুঠ পাঁচ গৰাকী কন্যা সন্তান জন্ম হৈছিল । পুত্ৰ সন্তান তেখেতৰ নাছিল । সুদীৰ্ঘ পয়ষষ্ঠি বছৰ কাল কৰ্মময় জীৱন যাপন কৰি ১৯৪০ চনৰ জুন মাহত তেখেত স্বৰ্গীয় হয় । ❑

## অৰুণ চন্দ্ৰ ৰাজখোৱা ঃ

১৮৮২ চনত ঢেকীয়াল মৌজাৰ অন্তৰ্গত হাবিয়াল গাঁৱৰ এটি খেতিয়ক পৰিয়ালত ৰাজখোৱা বাপে জন্ম গ্ৰহণ কৰে । তেখেতৰ পিতৃৰ নাম স্বৰ্গীয় কৃষ্ণৰাম ৰাজখোৱা আৰু মাতৃৰ নাম আছিল স্বৰ্গীয় মালতী ৰাজখোৱা ।

স্কুলীয়া শিক্ষা নিচেই কম আছিল যদিও তেখেত শিক্ষানুৰাগী লোক আছিল । সৎসাহস আৰু স্পষ্টবাদিতা আছিল তেখেতৰ বিশেষ গুণ । দেশৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি কাৰাবৰণ খাটিবলগীয়া হৈছিল । কিছুদিন ধৰি যোৰহাট 'জৰ্জকোৰ্ট'ৰ জুৰিৰ সদস্য হিচাবেও তেখেতে কাৰ্য্যনিৰ্বাহ কৰিছিল । হাবিয়াল নিম্ন বুনিয়াদী বিদ্যালয়, ঢেকীয়াল উচ্চ ইংৰাজী বিদ্যালয় আদি স্থানীয় ৰাজহুৱা কেইবাটাও অনুষ্ঠান গঢ়ি তোলাত তেখেতৰ যথেষ্ট অৱদান আছে ।

গুৰুজনাৰ প্ৰচাৰিত একশৰণ নামধৰ্মৰ প্ৰতি তেখেতৰ অসীম শ্ৰদ্ধা আছিল ।

তেখেতৰ চেষ্টাতেই এই অঞ্চলৰ কৰ্মকাণ্ডৰ বিৰুদ্ধে বিপ্লৱ আৰম্ভ হয় আৰু হাবিয়াল, কাঠকটীয়া এই তিনিও গাৱঁৰ মাজত এখনি প্ৰাথমিক শাখা সংঘ গঠন কৰা হৈছিল। মৃত্যু পৰ্যন্ত তেখেতে এই প্ৰাথমিক শাখাৰ গুৰি ধৰিছিল আৰু তেখেতৰ প্ৰচেষ্টাতে আশে পাশে বহুকেইখন সংঘৰ প্ৰাথমিক শাখা গঢ়ি উঠিছিল।

শেষত ১৯৬৪ চনৰ পহিলা জানুৱাৰী তাৰিখে ৮২ বছৰ বয়সত নিজ পৰিয়ালবৰ্গৰ উপস্থিতিত নিজ বাসভৱনত তেখেতে ইহলীলা সম্বৰণ কৰে। ❑

## ৰঙাই নাথ মেধি ঃ

কাঠকটীয়া যোগী গাঁওখনি ঢেকীয়াল মৌজাৰ অন্তৰ্গত এখনি সৰু গাঁও। এই গাঁৱতেই ১৮৮৫ চনত স্বৰ্গীয় ৰঙাই নাথ মেধিৰ জন্ম হয়। তেখেতৰ পিতৃৰ নাম আছিল স্বৰ্গীয় নিজয় নাথ।

প্ৰাথমিক বিদ্যালয়ৰ দুই-এটা শ্ৰেণী পঢ়াৰ পাছতেই তেখেতৰ স্কুলীয়া শিক্ষাৰ সামৰণি পৰে। স্কুলীয়া শিক্ষাত পিছপৰা আছিল যদিও চিন্তা শক্তিৰ তেখেত বহুত আগবঢ়া আছিল। ধৰ্ম শাস্ত্ৰ সমূহ অধ্যয়ন কৰি তাৰ আধ্যাত্মিক তত্ত্বসমূহৰ যি বিজ্ঞানসম্মত যুক্তিৰে সমাজত তেখেতে দাঙি ধৰিব পাৰিছিল তাতেই তেখেতৰ চিন্তাশক্তি গভীৰতাৰ বিষয়ে অনুমান কৰিব পাৰি। যুক্তিশক্তি আৰু ব্যক্তিত্বৰ অধিকাৰী আছিল কাৰণেই স্থানীয় এক বিস্তীৰ্ণ অঞ্চলত মেধিবাপ আছিল এজন মুখ্য বিচাৰক। সকলো কথাতে তেখেত স্পষ্টবাদী আছিল। ধৰ্মনীতি আলোচনা, প্ৰচাৰ আদিৰ ক্ষেত্ৰত তেখেতৰ নিচেই ওচৰৰে স্বৰ্গীয় খগেশ্বৰ তামুলী, স্বৰ্গীয় ডিম্বেশ্বৰ হাজৰিকা, স্বৰ্গীয় অৰুণ চন্দ্ৰ ৰাজখোৱা আদি বিশিষ্ট লোকসকল সহযোগী আছিল। সময়ে সময়ে ধৰ্মালোচনী সভা আহ্বান কৰাই মেধি বাপে সহযোগীসকলৰ সৈতে ৰাইজৰ মাজত শাস্ত্ৰত উদ্ধৃতিৰে তান্ত্ৰিক নীতিৰ অসাৰতা প্ৰমাণ কৰিছিল। অসম শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি প্ৰচাৰ কৰি মেধিবাপে নগাঁৱ,লক্ষীমপুৰ, তেজপুৰ, কামৰূপ, মধুপুৰ আদি ঠাইসমূহ ভ্ৰমণ কৰিছিল। তেখেতৰ চেষ্টাতেই শাওঁতলি নাথ গাঁও, ফৰকাটিং আদি ভালেমান ঠাইত কেবাখনো প্ৰাথমিক শাখা সংঘ গঠন হয়।

ধৰ্মীয় অনুষ্ঠানৰ উপৰি স্থানীয় শিক্ষানুষ্ঠানকে আদি কৰি বহুতো ৰাজহুৱা অনুষ্ঠান গঢ় দিয়াত মেধি বাপৰ যথেষ্ট অৱদান আছে। তেওঁ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি কাৰাবৰণ কৰিবলগীয়া হয়।

এই সংগ্ৰামী পুৰুষ গৰাকীয়ে ৭২ বছৰ কাল কৰ্মময় জীৱন ভোগ কৰি ১৯৫৭ চনৰ ভাদ মাহৰ পূৰ্ণিমা তিথিত নিজ গৃহতে স্বৰ্গগামী হয়। ❑

## খগেশ্বৰ তামূলী ঃ

ঢেকীয়াল মৌজাৰ মলখুকুৰী গাৱঁত ১৮৮৮ চনৰ ভাদ মাহত স্বৰ্গীয় খগেশ্বৰ তামূলী বাপৰ জন্ম হয় । তেখেতৰ পিতাকৰ নাম আছিল স্বৰ্গীয় দয়াৰাম তামূলী । অলপ মাত্ৰ স্কুলীয়া শিক্ষা লৈয়েই ১৯১০ চনত ৰাজহ বিভাগৰ জৰীপ প্ৰশিক্ষণ লয় আৰু ঢেকীয়াল খণ্ডতে মণ্ডল পদত নিযুক্ত হয় । তামূলী বাপৰ ধৰ্ম চৰ্চাৰ প্ৰতি প্ৰবল ঢাউতি আছিল । এনেতে সোণত যে সুৰগা চৰিল, তামুলী বাপ ধৰ্মালোচনাত ৰায়চাহাব গোপীকা বল্লভ গোস্বামী প্ৰভুৰ সহযোগী হ'ল । তাতে আকৌ তামূলী বাপে লিখিবও পাৰিছিল । শূদ্ৰাদিৰ দৰ্শাহ, অশৌচ পালন, নামকীৰ্ত্তনেৰে জাতাহ-মৃতাহ অশৌচ পালন নীতিৰ যুক্তি-যুক্ততা প্ৰতিপন্ন কৰিবলৈ ভাগৱত, ঘোষা,কীৰ্ত্তন, দশম, ৰত্নাৱলীৰপৰা সাৰুৱা তথ্য উদ্ধাৰ কৰি 'যুক্তিৰত্ন' এখন পুস্তিকা ৰচনা কৰি প্ৰকাশ কৰিছিল । সেই সময়ত গোলাঘাট জিলাৰ ভিতৰত যিকোনো ঠাইতে অনুষ্ঠিত হোৱা ধৰ্মালোচনী সভা, জন্মোৎসৱ আদি অনুষ্ঠান সমূহত তামূলী বাপে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু ইয়াৰ উপৰি তেওঁ স্থানীয় ৰাজহুৱা অনুষ্ঠানসমূহ গঢ় দিয়াত দেহে কেহে খাটিছিল ।

স্বৰ্গীয় তামূলি বাপৰ তিনিজন পুত্ৰ সন্তান আৰু চাৰিটা কন্যা সন্তান বৰ্ত্তমান । পৰিবাৰৰ সৈতে এই পৰিয়ালটি এৰি থৈ ১৯৬০ চনত তামূলি বাপ পৰলোকগামী হয় । তেখেতৰ জ্যেষ্ঠপুত্ৰ শ্ৰীঘনকান্ত তামুলী বাপ অসম শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এগৰাকী শৰণাচাৰ্য্য আৰু বৰ্ত্তমান গোলাঘাট জিলা শাখা সংঘৰ সভাপতি । ❑

## ডিম্বেশ্বৰ হাজৰিকা ঃ

১৮৮৯ চনৰ অক্টোবৰ মাহৰ ৭ তাৰিখে ঢেকীয়াল মৌজাৰ হালোৱা গাঁও নিবাসী স্বৰ্গীয় মোহন চন্দ্ৰ হাজৰিকা (পণ্ডিত) ৰ পত্নী স্বৰ্গীয় ভুৰুকী হাজৰিকা গৰ্ভত স্বৰ্গীয় ডিম্বেশ্বৰ হাজৰিকা বাপে জন্ম গ্ৰহণ কৰে । তেখেত এগৰাকী সমাজপ্ৰিয়লোক আছিল । স্থানীয় ৰাজহুৱা অনুষ্ঠান যেনে - হালোৱা গাঁও নিম্ন বুনিয়াদী বিদ্যালয়, ঢেকীয়াল উচ্চ ইংৰাজী বিদ্যালয়, বৰগুৰি উচ্চ বুনিয়াদি বিদ্যালয়, ঢেকীয়াল উচ্চ ইংৰাজী বিদ্যালয় আদি শিক্ষানুষ্ঠানসমূহ প্ৰতিষ্ঠা কৰাত যথেষ্ট বৰঙণি যোগাইছিল । হালোৱা গাঁও নামঘৰৰ মণিকূট গৃহও স্থায়ীভাৱে সজাই দান কৰাইছিল ।

গুৰুজনাৰ ৰচিত ধৰ্মশাস্ত্ৰসমূহ অধ্যয়ন কৰি সমাজত তান্ত্ৰিক নীতিৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ আৰু সত্ত্ব শুদ্ধ এক শৰণ নামধৰ্ম গ্ৰহণ কৰিবলৈ উপদেশ দিছিল । অসম শ্ৰীমন্ত শংকৰদেৱ সংঘ গঠন হোৱাত তেখেতে এই অনুষ্ঠানৰ সঙ্গী হয় আৰু স্বৰ্গীয় অৰুণ চন্দ্ৰ ৰাজখোৱা বাপৰ সহযোগী হৈ হালোৱা, হাবিয়াল, কাঠকটীয়া প্ৰাথমিক শাখা সংঘ নামেৰে এটি প্ৰাথমিক শাখা গঠন কৰে । তেখেতে নিজে এই প্ৰাথমিক শাখাৰ গুৰি ধৰি সুচাৰুৰূপে অনুষ্ঠানটি পৰিচালনা কৰে । শেষত ১৯৬৭ চনৰ ১৬ ছেপ্তেম্বৰ তাৰিখে হাজৰিকা বাপে ইহলীলা সম্বৰণ কৰে । ❑

## কেৰকণ দত্ত ঃ

ইংৰাজী ১৮৮৯ চনৰ মে মাহৰ ১ তাৰিখে ঢেকীয়াল মৌজাৰ অন্তৰ্গত চুক নামৰ গাৱঁত স্বৰ্গীয় দত্ত বাপে জন্ম গ্ৰহণ কৰে । তেখেতৰ পিতৃ স্বৰ্গীয় শিৱ নাথ দত্ত আৰু মাতৃ আছিল স্বৰ্গীয়া প্ৰতিমা দত্ত ।

দত্তবাপ নিৰ্ভীক সমাজপ্ৰিয় লোক আছিল । ঢেকীয়াল উচ্চ ইংৰাজী বিদ্যালয়, ঢেকীয়াল চাবিঙ্গীয়া প্ৰাথমিক চিকিৎসালয় আদি স্থানীয় সামাজিক অনুষ্ঠানসমূহ প্ৰতিষ্ঠা কাৰ্যত তেখেতৰ অৱদান যথেষ্ট আছে ।

ধৰ্মৰ প্ৰতি তেখেতৰ একান্ত মতি আছিল । ধৰ্ম শাস্ত্ৰসমূহ অধ্যয়ন কৰি গুৰুজনাৰ শুদ্ধ ধৰ্মনীতিৰ বিষয়ে সমাজক বুজনি দিছিল । স্বৰ্গীয় ৰায়চাহাব গোপীকাবল্লভ গোস্বামী, বঙাই নাথ মেধি, খগেশ্বৰ তামুলী আদি বাপসকলৰ সহযোগী হৈ ঢেকীয়াল তিনি আলিত ১৯৪২ চনত অসম শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এটি কাৰ্য্যালয় প্ৰতিষ্ঠা কৰে। এই অনুষ্ঠানৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত থাকি আমৰণ তেখেতে সংঘৰ সংগী হৈ কটায় । সদৌ শেষত ১৯৭৪ চনৰ ২ ছেপ্তেম্বৰ তাৰিখে তেখেত স্বৰ্গীয় হয় । ❑

## বিপ্লৱী শংকৰ চন্দ্ৰ বৰুৱা ঃ

শংকৰ চন্দ্ৰ বৰুৱাদেৱৰ জন্ম হয় ইংৰাজী ১৮৯৫ চনৰ ভাদ মাহত শিৱসাগৰত বৰুৱাদেৱ আছিল এজন স্বাধীনতাপ্ৰিয়, দেশ প্ৰেমিক, সৎ সাহসী আৰু অক্লান্ত কৰ্মী বাপুজীৰ একান্ত শিষ্য হৈ তেখেতে দেশৰ স্বাধীনতা আন্দোলনত জঁপিয়াই পৰিছিল । ১৯২১ চনত শিৱসাগৰ এৰি গোলাঘাটত আহি বসতি স্থাপন কৰে আৰু তেতিয়াৰ পৰাই তেখেতে মুক্তি যুঁজত আত্মনিয়োগ কৰে । ১৯২২ চনৰ পৰা ১৯২৯ চনলৈকে মুক্তি সংগ্ৰামৰ দল গঢ়ি তোলাৰ উদ্দেশ্যেৰে মৰঙ্গী মৌজাত বুঢ়াগোহাঁই, খাট মৌখোৱা মৌজাৰ শিয়াল খতি আদি ঠাইত কেইবাখনো আশ্ৰম প্ৰতিষ্ঠা কৰে ।

স্বাধীনতা আন্দোলনত তেখেতে এনেভাৱে আত্মনিয়োগ কৰিছিল যে বিদেশী চৰকাৰৰ চকুত তেখেত এজন বিপ্লৱী নেতা হিচাবে পৰিগণিত হৈছিল । আইন অমান্য আন্দোলনৰ সময়ত তেখেত ছমাহ গোপন কৰি ফুৰিছিল । ১৯৪২ চনৰ গণ আন্দোলনত আত্মগোপন কৰি থাকিয়েই এই বিপ্লৱী বীৰ গৰাকীয়ে গাৱেঁ -ভূঞে জন শক্তি সংগঠন কৰি ফুৰিছিল । ১৯৪২ চনৰপৰা আত্মগোপন কৰি থাকি ১৯৪৫ চনৰ ২৫ ছেপ্তেম্বৰ তাৰিখে তেখেত পুলিচৰ হাতত ধৰা পৰে । এই বিপ্লৱী মুক্তি যুঁজাৰু গৰাকীয়ে ১৯২২ চনত তিনিমাহ, ১৯৩২ চনত এবছৰ ন মাহ বাৰ দিন , ১৯৪১ চনত চাৰিমাহ আঠাইশ দিন আৰু ১৯৪৫ চনত এমাহ ওঠৰ দিন কাৰাবৰণ কৰিবলগীয়া হৈছিল ।

ৰাজনীতিৰ দৰে ধৰ্মনীতিতো তেখেত সংস্কাৰী মনোভাৱ আছিল । অসম শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰচাৰিত পৰিশুদ্ধ গুৰু ধৰ্ম নীতি সমৰ্থন কৰি তেখেতৰ নিজৰ বিবাহ সংঘৰ নীতিৰে কৰি সমাজক আদৰ্শ দেখুৱাইছিল ।

শেষত ১৯৬৬ চনৰ ১৮ নৱেম্বৰ (১৯৮৮ শকৰ ২ আঘোণ) তাৰিখে এই গৰাকী বীৰ পুৰুষে ইহলীলা সম্বৰণ কৰে । ❑

## ব্ৰজ নাথ বৰা ঃ

ইংৰাজী ১৯০৪ চনৰ বহাগ মাহৰ ২৫ তাৰিখে মিছামৰা মৌজাৰ খনিকৰ গাৱঁত স্বৰ্গীয় বৰা বাপে জন্ম গ্ৰহণ কৰে। তেখেতৰ পিতৃ আছিল স্বৰ্গীয় কালিৰাম বৰা আৰু মাতৃ আছিল স্বৰ্গীয় উপমা বৰা।

স্বৰ্গীয় বৰাদেৱ আছিল এজন একনিষ্ঠ সমাজকৰ্মী। গুৰুজনাৰ ৰচিত ধৰ্মশাস্ত্ৰ সমূহ অধ্যয়ন কৰি তান্ত্ৰিক নীতিৰ অসাৰতা বৰা বাপে নিজে বুজি উঠিছিল আৰু আনকো এই বিষয়ে বুজনি দিছিল। অসম শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সঙ্গী হৈ নিজ গাঁৱত এটি প্ৰাথমিক শাখা সংঘ গঠন কৰিছিল আৰু নিজে এই শাখা পৰিচালনাৰ দায়িত্ব লৈছিল।

স্বৰ্গীয় বৰা বাপে মৃত্যু পৰ্য্যন্ত অসম শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একান্ত সঙ্গী হৈ থাকি শেষত ১৯৭২ চনৰ ২৩ আঘোণৰ দিনা ইহ সংসাৰ ত্যাগ কৰে। ❑

## দেহিৰাম হাজৰিকা (গাঁওবুঢ়া) ঃ

আজিৰপৰা ছয় কুৰি বছৰৰ আগতে মলাই কুমাৰ গাৱঁত গাঁওবুঢ়া কুশৰাম হাজৰিকাৰ ঘৰত জন্ম হয় দেহিৰাম হাজৰিকাৰ। কৃষিজীৱী হাজৰিকাৰ ডেকা বয়সতে গাঁওবুঢ়াৰ দায়িত্ব লৈ গাঁও তথা দেশসেৱা কামত ব্ৰতী হৈ এজন প্ৰসিদ্ধ গাঁওবুঢ়া হিচাপে চৰকাৰী স্বীকৃতি পায়। আৰু ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰি চৰকাৰৰ পৰা মুক্তিযোদ্ধা পেঞ্চন পায়।

গাঁওখনৰ ধৰ্মীয়, শিক্ষা আৰু সামাজিক অনুষ্ঠানত সক্ৰিয় ভূমিকা গ্ৰহণ কৰি নিস্বাৰ্থ সেৱা আগবঢ়াই যায়। আজিৰপৰা পঞ্চাচ বছৰৰ পূৰ্বেই মহাপুৰুষীয়া ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰতাত আত্মনিয়োগ কৰি স্বৰ্গীয় পোৱাল শইকীয়াৰ সহযোগত মলাই কুমাৰ গাঁৱত নাম ধৰ্মৰ ভেটি স্থাপন কৰে। ১৯৪৯ চনত গঠন হোৱা মলাই কুমাৰ নিৰঞ্জন প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতিৰ দায়িত্ব গ্ৰহণ কৰি প্ৰাথমিকৰ পৰিসৰ বঢ়োৱাত ভূমিকা লয়।

তেখেতে একশৰণ ভাগৱতী ধৰ্মইহে মানব মুক্তিৰ একমাত্ৰ শুদ্ধ পথ তাকে প্ৰতীয়মান কৰি ১৯৮৪ চনৰ ১১ অক্টোবৰত ইহলীলা সম্বৰণ কৰে। ❑

## পোৱাল চন্দ্ৰ শইকীয়া ঃ

স্বৰ্গীয় পোৱাল চন্দ্ৰ শইকীয়া ১৮৮৯ চনৰ জেঠ মাহত বাহকুৰা গাৱঁত জন্ম গ্ৰহণ কৰে। তেখেতৰ পিতৃৰ নাম আছিল মাধিৰাম শইকীয়া। তেখেতৰ বংশৰ নাম দলৈ বংশ গতিকে প্ৰায় লোকেই তেখেতক পোৱাল দলৈ বুলিহে মাতিছিল। তেখেতে ষষ্ঠমান শ্ৰেণীলৈকে পঢ়িছিল যদিও অসমীয়া হিন্দী, ইংৰাজী ভাষাত ভাল দখল আছিল। সেই সময়ত মলাই কুমাৰ গাঁওৰ স্বৰ্গীয় বগাই মণ্ডলৰ দুগৰাকী পত্নীৰ একো

গৰাকীকৈ কন্যা সন্তান আছিল । পুত্ৰ সন্তান নথকাৰ কাৰণে ডাঙৰ গৰাকী কন্যাক স্বৰ্গীয় পোন্নাজ শইকীয়ালৈ বিবাহ দিয়ে আৰু ঘৰ জোঁৱাই হিচাবে ৰাখে । তেতিয়াৰ পৰা তেখেতে মলাই কুমাৰ গাৱঁত স্থায়ী থাকিবলৈ লয় ।

১৯২১ চনত তেখেত অসহযোগ আন্দোলনত যোগদান কৰে । ১৯৩৫ চনত কানি নিবাৰণি আন্দোলনত যোগদান কৰি প্ৰচাৰৰ হিচাবে মিকিৰ পাহাৰলৈ যায় । তাত স্বৰ্গীয় খৰচিং তেৰাঙৰ সহযোগত কানি নিবাৰণি প্ৰচাৰ কৰে । তাৰ কাৰণে কংগ্ৰেছৰ ফালৰপৰা মাহিলী পাৰিশ্ৰমিক লাভ কৰিছিল । কংগ্ৰেছ কৰ্মী হোৱাৰ বাবে ব্ৰিটিছৰ ৰোষত পৰি বহুতো স্থাৱৰ-অস্থাৱৰ সা-সম্পত্তি হেৰুৱাবলগীয়া হয় আৰু বহুদিন ধৰি আত্মগোপন কৰিব লগা হয় । তেখেত গড়মূৰীয়া সত্ৰাধিকাৰ স্বৰ্গীয় শ্ৰীশ্ৰী পিতাম্বৰ দেৱ গোস্বামীৰ একান্ত সেৱক আছিল । একেলগে কংগ্ৰেছৰ সত্যাগ্ৰহ আন্দোলনত জেলো খাটিছিল । সেই সময়তে নাম ধৰ্মৰ প্ৰতি তেখেতৰ মন আৰ্কষিত হয় আৰু পাছলৈ এগৰাকী আগশাৰীৰ নামধৰ্ম প্ৰচাৰক হয় । এই অঞ্চলত নাম ধৰ্মৰে কৰ্ম কৰা আৰু ইয়াৰ গুৰি ধৰোতা তেখেতেই প্ৰথম ব্যক্তি আছিল ।

ৰাজনৈতিক নিৰ্য্যাতিত ব্যক্তি হিচাপে চৰকাৰৰপৰা আমৰণ পেঞ্চন ভোগ কৰিছিল । নিজৰ জীৱনৰ সুদীৰ্ঘ কালছোৱা সামাজিক সংস্কাৰৰ কামতে নিয়োগ কৰিছিল । ১৯৭৪ চনৰ চ'ত মাহৰ শুক্লা দশমীৰ দিনা এই গৰাকী ব্যক্তিয়ে ইহলীলা সম্বৰণ কৰে । শঙ্কৰ সংঘৰ গুৰি ধৰোঁতা হিচাবে এখেতৰ নাম অবিস্মৰণীয় হৈ ৰ'ব । ❑

## ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱা ঃ

ইংৰাজী ১৮৬৭ চনৰ ১৫ এপ্ৰিল তাৰিখে ঘনশ্যাম বৰুৱাদেৱৰ জন্ম হয় । জন্মস্থান গোলাঘাট মহকুমাৰ খুমটাই মৌজাৰ খুমটাই গাঁৱত । তেখেতৰ পিতৃৰ নাম আছিল কান্তিৰাম মৌজাদাৰ । মৌজাদাৰৰ তিনিজন পুতেক । নুমলীয়া পুতেকেই ঘনশ্যাম বৰুৱা ।

প্ৰয়াত ঘনশ্যাম বৰুৱাৰ একমাত্ৰ পুত্ৰ আছিল স্বৰ্গীয় মহেন্দ্ৰনাথ বৰুৱা । তেখেতৰ পুত্ৰ বৰ্ত্তমান দলৌজান চাহ বাগিচাৰ স্বত্বাধিকাৰ শ্ৰীশুভ্ৰজ্যোতি বৰুৱা ।

বৰুৱা পৰিয়ালৰ আদি পুৰুষ কন্দীদাস ভূঞা । এখেতৰ পুতেক একাদশ ভূঞাক আহোম ৰজাই সোণ কমোৱা মানুহৰ ওপৰত মূৰব্বী পাতি সোণোৱাল বৰুৱা উপাধি দিয়ে । তেখেতক মাটি - ভেটি দি খুমটাই মৌজাৰ বৰুৱা গাঁৱত ৰজাই প্ৰতিষ্ঠা কৰিছিল । মানৰ দিনত এওঁলোকৰ উপৰিপুৰুষ ঘৰ-বাৰি এৰি পলাই গ'ল । বহুদিনৰ

পাছত ক্ৰান্তিৰাম বৰুৱা আহি ওলোৱাত ইংৰাজ চৰকাৰে তেখেতক খুমটাই মৌজাৰ মৌজাদাৰ পাতে।

সেইসময়ত খুমটাইত পঢ়া-শুনা কৰিবলৈ ভাল শিক্ষানুষ্ঠান নোহোৱাত ঘনশ্যাম বৰুৱাদেৱে শিৱসাগৰত ককায়েকৰ লগত থাকি পঢ়া-শুনা কৰিছিল। ১৮৮২ চনত তেখেতে সুখ্যাতিৰে এন্ট্ৰেন্স পাছ কৰি কুৰি টকীয়া বৃত্তি লাভ কৰে। ইয়াৰ পাছত প্ৰেছিডেন্সী কলেজৰপৰা এফ এ আৰু জেনেৰেল এচেম্বলি কলেজৰ পৰা বি,এ পাছ কৰে আৰু ১৮৯২ চনত বি,এল পাছ কৰি পুনৰ অসমলৈ উভতি আহে।

প্ৰয়াত ঘনশ্যাম বৰুৱাদেৱৰ কৰ্মজীৱন বিচিত্ৰ। এহাতে গোলাঘাট কাছাৰিত ওকালতি আৰু আনহাতে গোলাঘাট বেজবৰুৱা হাইস্কুলত শিক্ষকতাৰে তেখেত কৰ্মজীৱনৰ শুভাৰম্ভ কৰে। তেখেতৰ চেষ্টাতেই গোলাঘাট বেজবৰুৱা হাইস্কুল চৰকাৰৰ হাতলৈ যায়। তেখেত আছিল গোলাঘাটৰ উল্লেখযোগ্য আইনজীৱী। গোলাঘাট সেই সময়ত প্ৰথম বি,এল আছিল বাবে তেখেতক মানুহে বৰ উকিল বুলি মাতিছিল।

শিক্ষকতা আৰু আইনজীৱী হিচাবে জীৱন আৰম্ভ কৰিলেও বৰুৱাদেৱৰ দৃষ্টি আছিল বিশাল ৰাজনৈতিক আকাশৰ পিনে। সেয়েহে ইংৰাজী ১৯১৩ চনত তেখেত অসম কাউন্সিলৰ সদস্য হয়। তাৰ পাছত ভাৰতীয় কাউন্সিললৈ প্ৰতিনিধি সদস্য হিচাবে নিৰ্বাচিত হয়। ১৯১৯ চনত তেখেত অসম কাউন্সিলৰ উপ-সভাপতি আৰু ১৯২১ চনত ৰিফৰ্ম কাউন্সিলৰ বাছনিত তেখেত অসমৰ মন্ত্ৰী হয়। তেখেতৰ দিনতে মিউনিচেপেল আইনবিলাক প্ৰণয়ন আৰু চৰকাৰী মাটি, গ্ৰেজিং লেণ্ড হিচাবে ৰখাৰ ব্যৱস্থা কৰা হ'ল।

সাহিত্য চৰ্চা নাটক অভিনয় মঞ্চ আদিৰ ক্ষেত্ৰতো তেখেত আছিল এগৰাকী সচেতন ব্যক্তি। ঊনবিংশ শতিকাৰ অন্তিম দশকত কলিকতাত থকা প্ৰৱাসী অসমীয়া ছাত্ৰসকলে জাতীয় আত্ম প্ৰতিষ্ঠাৰ বাবে যথেষ্ট চেষ্টা কৰিছিল। সেই সময়তে তেখেতে কবিতা প্ৰৱন্ধ, নাটক আদি ৰচনা আৰু অনুবাদত হাত দিছিল। গোলাঘাটৰ এমেচাৰ থিয়েটাৰ হলটিৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বৰুৱাদেৱৰ আপ্ৰাণ প্ৰচেষ্টা গোলাঘটীয়া ৰাইজে পাহৰিব নোৱাৰে। তেখেত এগৰাকী সুদক্ষ অভিনেতাও আছিল। ১৮৯৬ চনত গোলাঘাট এমেচাৰ হলত তেখেতে 'হৰিশ্চন্দ্ৰ নাটক' ত 'চান্দাল'ৰ ভূমিকাত দৰ্শকৰপৰা ভূয়সী প্ৰশংসা লাভ কৰিছিল।

এইবিলাক গুণৰ উপৰি বৰুৱাদেৱ এজন ভাল হেমিঅ'পেঠিক চিকিৎসাক, জোতিষী আৰু লব্ধপ্ৰতিষ্ঠ চাহ খেতিয়ক হিচাবেও খ্যাতি লাভ কৰে। তেখেত এগৰাকী শিক্ষাবীদ , বিদ্যুৎসাহী, ৰাজনৈতিক আৰু ধাৰ্মিক ব্যক্তি হিচাপেও স্মৰণীয় হৈ থাকিব।

মানৱ জীৱনৰ চাৰি পুৰুষাৰ্থৰ প্ৰথম খোজেই হৈছে ধৰ্ম। প্ৰয়াত বৰুৱাদেৱৰ ধৰ্ম জীৱন সঁচাকৈয়ে বিচিত্ৰ, প্ৰকৃতাৰ্থত ৰায় বাহাদুৰ ঘনশ্যাম বৰুৱা এগৰাকী ধৰ্মপ্ৰাণ

ব্যক্তি আছিল । তেখেত আছিল এগৰাকী অধ্যয়নশীল আৰু জ্ঞানপিপাসু ব্যক্তি । বিভিন্ন ধৰ্মৰ সাৰমৰ্ম উপলব্ধি কৰিবলৈকে বেদ-উপনিষদ ,কোৰাণ, বাইবেল আদি বিভিন্ন ধৰ্মৰ পুথিসমূহ আঁতিগুৰি মাৰি অধ্যয়ন কৰিছিল । তেখেতৰ পুতেক প্ৰয়াত মহেন্দ্ৰ নাথ বৰুৱাদেৱে দেউতাকৰ বিষয়ে যুগুতাই যোৱা এটা লেখাত উল্লেখ আছে । 'দেউতাই প্ৰথমতে কোৰাণখনৰ ইংৰাজী আৰু বঙালী অনুবাদ পঢ়ে পিছে মূল উৰ্দূ কোৰাণখন পঢ়াৰ প্ৰতি আগ্ৰহী হৈ উৰ্দূ ভাষা শিকিবলৈ লয় । সুদীৰ্ঘ দুটা বছৰ উৰ্দূ ভাষা লিখাত ব্যস্ত হৈ পৰে । তাৰ পাছত ৭৫০ টকা দি এখন মূল উৰ্দ্দূ কোৰাণ কিনি পঢ়িবলৈ লয় । ঠিক এনে সময়তে মহাপুৰুষ মাধৱদেৱ বিৰচিত এখন নামঘোষা পাই পঢ়িবলৈ ল'লে । সেই নামঘোষাৰ ভক্তিৰসত আপ্লুত হৈ তেখেতৰ মন-প্ৰাণ একান্তভাৱে মহাপুৰুষীয়া ধৰ্মলৈ ঢাল খাপে ।'

তেখেতে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ অন্তৰঙ্গ বন্ধু আছিল আৰু বেজবৰুৱাদেৱেও তেখেতৰ লগত ধৰ্ম সম্পৰ্কে আলোচনা কৰিছিল । বৰুৱাদেৱৰ আন এগৰাকী ধৰ্মলোচনাৰ সদালোপী সংগী আছিল মধুমিশ্ৰ সত্ৰৰ শ্ৰীশ্ৰীদ্বাৰিকানাথ গোস্বামীদেৱ । মহাপুৰুষৰ শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত ধৰ্মই বিশেষভাৱে তেখেতক আকৃষ্ট কৰিছিল । উল্লেখযোগ্য যে সেই সময়ত প্ৰচলিত মহাপুৰুষীয়া ধৰ্মত নানা 'অন্ধ সংস্কাৰ, আবৰ্জনা আৰু বিচাৰহীন আচাৰে খোপনি পুতিছিলি আৰু মহাপুৰুষীয়া সমাজে বাকলিকে সাহ বুলি আকোঁৱালি ধৰি থকাত গোলাঘাট নগৰ আৰু ইয়াৰ বাহিৰৰ ধৰ্মপ্ৰাণ ব্যক্তিসকলক আমন্ত্ৰণ কৰি আনি নিজৰ বাসভৱনত প্ৰতি দেওবাৰে একোখন ধৰ্মালোচনী সভা অনুষ্ঠিত কৰিছিল । উক্ত আলোচনা আৰু ধৰ্মালোচনী সভাবিলাক পতা হৈছিল একমাত্ৰ একশৰণ নাম ধৰ্মক শুদ্ধ সত্ৰ ৰূপত পুনৰ প্ৰতিষ্ঠা কৰিবৰ উদ্দেশ্যে । সেই ধৰ্মলোচনাত অংশ গ্ৰহণ কৰা ধৰ্মপ্ৰাণ ব্যক্তিসকলৰ মাজত ৰায়চাহাব গোপিকা বল্লভ গোস্বামীদেৱো অন্যতম ব্যক্তি আছিল ।'

স্মৰণযোগ্য কথা যে, ভক্তপ্ৰাণ ব্যক্তিসকলৰ সংখ্যাবৃদ্ধি হোৱাত বৰুৱাদেৱৰ বাস গৃহত ঠাইৰ নাটনি হোৱাত তেখেতৰ ঘৰৰ সন্মুখত ধৰ্মালোচনী সভাঘৰ নামে এটি গৃহ নিৰ্মাণ কৰাই দিলে । প্ৰয়াত ধৰ্মপ্ৰাণ বৰুৱাদেৱে প্ৰতিষ্ঠা কৰি থৈ যোৱা সেই ধৰ্মালোচনী সভা ঘৰটিয়েই বৰ্ত্তমান 'ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱা ৰাজহুৱা নামঘৰ' ৰূপে বৰ্ত্তি আছে । একশৰণীয়া নামধৰ্মৰ নামত আগবঢ়োৱা সেই সুবৰ্ণময়ী বন্তি গছি অদ্যপৰিমিত অনিৰ্বাপিত হৈ আছে । উল্লেখযোগ্য যে, ককাদেউতাক ৰায় বাহাদুৰ ঘনশ্যাম বৰুৱাদেৱে নিৰ্মাণ কৰি থৈ যোৱা সেই ৰাজহুৱা নামঘৰটি সম্প্ৰতি তেখেতৰ নাতিয়েক শ্ৰী শুভ্ৰজ্যোতি বৰুৱাদেৱে পকাকৈ বহল ভাৱে নিৰ্মাণ কৰি দিলে । এই নামঘৰতি সদৌ গোলাঘাট নগৰৰ ভিতৰতে এটি চকুতলগা নামঘৰ হিচাবে জিলিকি আছে ।

এই প্ৰসঙ্গতে স্বনামধন্য পণ্ডিত ভূবনচন্দ্ৰ ভূঞা দেৱৰ বিষয়ে দু -আষাৰ লিখাৰ

প্ৰয়াস কৰা হ'ল - পণ্ডিত ভূঞা দেৱ সেইসময়ত কাশীত সংস্কৃত ভাষা অধ্যয়ন কৰি ব্যাকৰণ তীৰ্থ শাস্ত্ৰী হৈ অসমলৈ ঘূৰি আহিল । গোলাঘাটলৈ আহি পণ্ডিতপ্ৰৱৰ ৰায়চাহাব গোপীকা বল্লভ গোস্বামী দেবৰ ঘৰতে থাকি তেখেতে মহাপুৰুষীয়া শাস্ত্ৰক পুংখানুপুংখ ভাৱে আলোচনা কৰি একশৰণ নামধৰ্মই যে আমাৰ প্ৰকৃত ধৰ্ম পন্থা সেই বিষয়ে সিদ্ধান্তত উপনীত হয় । মহাপুৰুষীয়া এক শৰণ নামধৰ্মৰ নীতি যে একেবাৰে শুদ্ধ সেই বিষয়ে দৃঢ়মত প্ৰচাৰাৰ্থে অসমৰ বিভিন্ন ঠাইত বিতৰ্কমূলক সভাও পতা হৈছিল । অবৈজ্ঞানিক আৰু অশাস্ত্ৰীয় অন্ধ পৰম্পৰাবোৰ দূৰীভূত কৰিবলৈ বিশেষভাৱে চেষ্টা চলোৱা হৈছিল । সুখৰ বিষয় এই গুৰু ধৰ্মৰ-নীতি আদৰ্শ সকলো ঠাইতে শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন হৈছিল । এই সকলোবোৰ কথাত ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱাদেৱে তীক্ষ্ণ দৃষ্টি ৰাখিছিল আৰু সমাজ সংস্কাৰত আগভাগ লৈছিল ।

ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱাদেৱৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলশ্ৰুতি হিচাবে গোলাঘাটত একশৰণ নামধৰ্মৰ সেন্দুৰীয়া পথৰ উন্মেষ ঘটিল । স্বনামধন্য ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱাদেৱৰ একমাত্ৰ পুত্ৰ প্ৰয়াত মহেন্দ্ৰনাথ বৰুৱাদেৱে সগৌৰৱে দেউতাকৰ ধৰ্মীয় মতাদৰ্শৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াই শ্ৰদ্ধাৰে সোঁৱৰাইছিল ।

পূজনীয় দেউতাই সিঁচি থৈ যোৱা গুটিৰ গছ এতিয়া গজি উঠাত মই কিমান আনন্দ পাইছোঁ তাক নকলেও আশা কৰা ৰাইজে বুজিব পাৰিব ।' প্ৰয়াত বৰুৱাদেৱৰ উক্তিক সম্মান জনাই আমি সেই একে ধৰ্মপন্থাৰ যাত্ৰী হিচাবে আশা আৰু বিশ্বাসী যে ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱাদেৱে অতি শ্ৰদ্ধা আৰু ভক্তি সহকাৰে ৰুই যোৱা গছ পুলিটি গুৰুজনাৰ নীতি আদৰ্শৰে এক প্ৰকাণ্ড মহীৰুহত পৰিণত হওক । মাত্ৰ ৫৮ (আঠাৱন্ন) বছৰ বয়সত এই জনা ধৰ্মপ্ৰাণ ব্যক্তি ১৯২৩ চনৰ ২৬ মাৰ্চ তাৰিখে শ্বিলঙত পৰলোক প্ৰাপ্তি ঘটে । আজিও শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই প্ৰয়াত বৰুৱাদেৱক শ্ৰদ্ধাৰে সোঁৱৰে । ❑

## তুলশী নাথ বৰগোহাঁই ঃ

ইংৰাজী ১৯২০ চনৰ ৫ মে'ত কুৰালগুৰিৰ ওচৰৰ শিঙৰাজান গাঁৱৰ প্ৰয়াত তুলশী নাথ বৰগোহাঁইদেৱৰ জন্ম হৈছিল । গোলাঘাট চৰকাৰী বেজবৰুৱা হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাচ কৰি কলিকতাৰ বিপন কলেজত নাম ভৰ্ত্তি কৰে । পাছত কটন কলেজৰ পৰা আই-এচ,চি পাচ কৰে ।

১৯৪৬ চনত ঢেকীয়াল হাইস্কুল প্ৰতিষ্ঠা কালৰেপৰা এৰা-ধৰাকৈ প্ৰধান শিক্ষক দায়িত্ব বহন কৰি ১৯৮৩ চনত এই বিদ্যালয়ৰ অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে ।

অসম মাধ্যমিক শিক্ষক কৰ্মচাৰী সন্থাৰ জন্মলগ্নৰেপৰাই এখেত সন্থাৰ লগত জড়িত আছিল । সন্থাৰ ৰাজ্যিক কাৰ্য নিৰ্বাহৰ সদস্য হোৱাৰ উপৰি ১৯৫১ চনৰপৰা ১৯৫৫ চনলৈকে জিলা সন্থাৰ সভাপতি আৰু ১৯৬০ চনত সম্পাদকৰ দায়িত্ব লৈছিল । ১৯৭০ চনৰ পৰা ১৯৮২ চনলৈ জিলা বাছনি পৰীক্ষা পৰিষদৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল । গহীন, গম্ভীৰ, অল্পভাষী, সুদক্ষ প্ৰশাসক, শিক্ষাবিদ এই গৰাকী ব্যক্তি ১৯৯০ চনত পৰলোকগামী হয় । ❑

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

### বৈষ্ণৱ পণ্ডিত কুশেশ্বৰ কলিতা :

১৯১০ চনৰ, ৬ চেপ্তেম্বৰ (১৯৩২ শক) তাৰিখে দেৰগাঁও মৌজাৰ ডেকা গাঁৱত জন্ম গ্ৰহণ কৰে। তেখেতে গোলাঘাট বেজবৰুৱা হাইস্কুলৰপৰা কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত প্ৰৱেশিকা পৰীক্ষা পাছ্ কৰে। তেখেতে সংস্কৃত ভাষা অধ্যয়ন কৰিছিল, বেদ-বেদান্ত জ্যোতিষ শাস্ত্ৰ অধ্যয়ন কৰি তাৰ সাৰমৰ্ম গভীৰ ভাৱে উপলব্ধি কৰিছিল। মহাপুৰুষীয়া ধৰ্মৰ আধাৰ গ্ৰন্থ 'গীতা' আৰু 'ভাগৱত' শাস্ত্ৰৰ মূল তত্ত্ব উপলব্ধি কৰি শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰচাৰিত 'একশৰণ হৰিনাম ধৰ্মৰ' নীতি আদৰ্শ তথা আচাৰ পদ্ধতি তেখেতে পালন কৰিছিল। তেখেতে অসমীয়া ভাষা--সাহিত্য চৰ্চ্চাৰ কৰিছিল। বৈষ্ণৱ ধৰ্মৰ তত্ত্বমূলক গ্ৰন্থ প্ৰবন্ধ আদি ৰচনা কৰি অসমীয়া সাহিত্যলৈ বৰঙণি আগবঢ়ায়। তেখেত এগৰাকী সুনিপুণ বিতৰ্কমূলক লেখক আছিল। তেখেতে গীতা শাস্ত্ৰ ভাগ ছন্দোবদ্ধ ভাষাত অনুবাদ কৰে। তেখেতৰ প্ৰকাশিত গ্ৰন্থ কেইখন হ'ল - মহাপুৰুষীয়া ধৰ্মৰ দৰ্শন, গীতা (অনুবাদ), শ্ৰীমন্ত শঙ্কৰদেৱ কোন ? ৰাসক্ৰীড়া তত্ত্ব. মাত্বত্ত তন্ত্ৰ, প্ৰেত কৰ্ম, আদি সত্যযুগৰ শুদ্ধ ধৰ্ম, কীৰ্ত্তনৰ তত্ত্ব কথা, বেদপথ আৰু তাৰ অপলাপ। ইয়াৰ উপৰি কীৰ্ত্তনৰ বহল ব্যাখ্যা, স্বৰ্গ ভূমি অসম, গীতাৰ তত্ত্ব, মোৰ জীৱন চৰিত্ৰ, অপ্ৰকাশিত গ্ৰন্থ। ইতিমধ্যে তেখেতৰ বহু লেখা শ্ৰীমন্তত নাম ধৰ্ম,আদি বিভিন্ন স্মৃতি গ্ৰন্থত প্ৰকাশ পাইছে।

১৯৬৬ চনত উত্তৰ গোলাঘাট আঞ্চলিক শ্ৰীমন্ত শঙ্কৰদেৱ জন্মোৎসৱ সমিতিৰ সৌজন্যত প্ৰকাশিত 'শ্ৰীমন্ত' আলোচনীৰ তেখেত প্ৰতিষ্ঠাপক সভাপতি আছিল। দেৰগাঁও ইন্দ্ৰানী দেৱী হাইস্কুলত শিক্ষকতা জীৱন আৰম্ভ কৰি এগৰাকী কৃতি শিক্ষক হিচাবে অৱসৰ গ্ৰহণ কৰে। ইয়াৰ উপৰি তেখেত এগৰাকী নিষ্ঠাবান হোমিওপেথিক চিকিৎসক আছিল। চিকিৎসা সেৱাৰ মাজেদি তেখেতে মানৱ সেৱা কৰিছিল। মহামানৱ মহাত্মা হেনিমানৰ অমৰ গ্ৰন্থ 'অৰ্গনন' হোমিওপেথিৰ একমাত্ৰ বিধি। এই পুথিৰ দ্বাৰা স্বৰ্গীয় কলিতাদেৱ অনুপ্ৰাণিত হৈছিল আৰু নিখুট জ্ঞানৰ অধিকাৰী হ'বলৈ সক্ষম হয়। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী একনিষ্ঠ সঙ্গী আছিল। গোলাঘাট জিলা শাখাৰ সভাপতি (১৯৭৩-৭৬) পদ অলংকৃত কৰাৰ উপৰিও তেখেতে সাত্বিক গুণৰ বলত সংঘৰ শৰণাচাৰ্যৰ আসন অলংকৃত কৰিছিল। তেখেতৰ মোহনীয়, ব্যক্তিত্ব কঠোৰ সাধনা, কায়িক আৰু মানসিক পৰিশ্ৰম, ব্যাপক অধ্যয়ন, মধুৰ আচৰণ, জ্ঞান তৃষ্ণা, ঐকান্তিক দৃঢ়তা আদি গুণেৰে সকলোকে আকৰ্ষণ কৰিছিল। এগৰাকী কৃতি শিক্ষক, চিকিৎসক আৰু পৰম বৈষ্ণৱ কলিতাদেৱ আমাৰ বহুতৰে অভিভাৱক স্বৰূপ আছিল। ১৯৮৩ চনৰ ১৯ মাৰ্চ তাৰিখে বৈষ্ণৱ পণ্ডিত কুশেশ্বৰ কলিতাদেৱে ইহলীলা সম্বৰণ কৰে। ❑

## উত্তৰা কান্ত বৰা ঃ (মুক্তি যোদ্ধা)

গোলাঘাট জিলাৰ মিছামৰা মৌজাৰ দৈয়ঙীয়া গাৱঁত ১৯০৩ চনত মুক্তি যোদ্ধা উত্তৰা কান্ত বৰাৰ জন্ম হয়। দেউতাক স্বৰ্গীয় বেথাৰাম বৰা (পণ্ডিত) আৰু মাক স্বৰ্গীয় সুমথিৰা বৰা। এই অঞ্চলৰ সকলো চুতীয়া জনগোষ্ঠীৰ লোকেই 'টিপমীয়া ফৈদৰ', চুতীয়া ৰাজ্য যেতিয়া আহোম ৰজাৰ অধীনলৈ আহে, তেতিয়া 'চেলবেল' নামৰ এজন ডেকাক আহোম ৰজাই টেকেলা বৰাৰ বিষয়-বাব দিয়ে। এই 'চেলবেলৰ' দুজন পুত্ৰ - লবো আৰু হামো। লবোৰে পৰিণতি স্বৰ্গীয় উত্তৰাকান্ত বৰা। দৈয়াংৰ পৰা উঠি অহা কাৰণে এই অঞ্চলৰ নাম দৈয়ঙীয়া গাঁও। চেলবেল টেকেলাৰ নামেৰে এই বংশৰ নাম টেকেলা বংশ।

স্বৰ্গীয় বৰাদেৱে নিম্ন প্ৰাইমেৰী বিদ্যালয়তহে শিক্ষা গ্ৰহণ কৰিছিল। বিভিন্ন অসুবিধাত পৰি উচ্চ শিক্ষা গ্ৰহণ কৰিব নোৱাৰিলে। তেতিয়া দেশত স্বাধীনতা সংগ্ৰামে শীৰ্ষ বিন্দু পাইছিল। সকলোৱেই কংগ্ৰেছী আদৰ্শেৰে অনুপ্ৰাণিত হৈ স্বাধীনতা সংগ্ৰামত জপিয়াই পৰিছিল। এই অঞ্চলৰ স্বৰ্গীয় কমলেশ্বৰ মহন্ত আৰু পেলন চন্দ্ৰ মুক্তিয়াৰে তেখেতক স্বাধীনতা আন্দোলনত যোগ দিবলৈ অনুপ্ৰাণিত কৰে। ১৯৩৯ চনত তেখেত বিপ্লৱী বীৰ শঙ্কৰ ..ন্দ্ৰ বৰুৱাৰ সংস্পৰ্শলৈ আহে। সেই সময়ত আৰম্ভ হোৱা মাদক দ্ৰব্য নিবাৰণী আন্দোলনত ৰঙামাটিৰ মদৰ মহল আৰু দেৰগাঁও তেলীয়াপতিৰ কানিৰ মহল বন্ধ কৰাৰ দায়িত্ব স্বৰ্গীয় বৰাদেৱে গ্ৰহণ কৰে। ১৯৩২ চনত তেখেতে এদল সহযোগীৰ সহায়ত বৃটিছৰ কপাহতলী গুদামঘৰ আৰু কামাতো বঙলাত অগ্নি সংযোগ কৰি পলাই যায়। ১৯৪২ চনত ব্ৰিটিছে স্বৰ্গীয় বৰাদেৱক বন্দী কৰি যোৰহাট জেললৈ পঠাই। তাত গোপীনাথ বৰদলৈ, বিমলা প্ৰসাদ চলিহা, পীতাম্বৰ দেৱ গোস্বামী, কুশল কোঁৱৰ আদি মুক্তি যোদ্ধাসকলৰ সান্নিধ্যলৈ আহে।

স্বৰ্গীয় বৰাদেৱ এগৰাকী সমাজ সচেতন ব্যক্তি আছিল। ১৯৫২ চনত মিছামৰা আঞ্চলিক পঞ্চায়তৰ সভাপতি, ১৯৫৪ চনত মধ্য মিছামৰা গাঁও পঞ্চায়তৰ সভাপতি, মহকুমা পৰিষদৰ সদস্য, লেণ্ড এড্‌ভাইছৰী সমিতিৰ সদস্য হিচাবে সমাজ সেৱাত ব্ৰতী হয়। ১৯৭২ চনত প্ৰয়াত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে এই গৰাকী মুক্তি যোদ্ধাক 'তাম্ৰপত্ৰ' প্ৰদান কৰে। সমাজ সচেতন ব্যক্তি হিচাবে নিজৰ গাঁৱৰ নামঘৰ, লাইব্ৰেৰী আদি অনুষ্ঠানৰ লগত জড়িত আছিল।

শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত ধৰ্মাদৰ্শৰ প্ৰতি তেখেত অনুপ্ৰাণিত হৈ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ অন্তৰ্ভুক্ত হয়। গুৰু ধৰ্ম পালন কৰি নিজৰ অঞ্চলত ইয়াৰ প্ৰচাৰ-প্ৰসাৰত গুৰুত্ব দিছিল। তেখেত এগৰাকী আদৰ্শ খেতিয়ক আছিল। ১৯৯৫ চনৰ ১৪ মাৰ্চ তাৰিখে ৯২ বছৰ বয়সত তেখেত পৰলোকপ্ৰাপ্তি হয়। সকলো সময়তে তেখেতৰ একমাত্ৰ সহযোগী আছিল সহধৰ্মিনী শ্ৰীমতী আইতা বৰা।

## শ্ৰীনীলকান্ত বৰা ঃ

তেখেতৰ এগৰাকী সুযোগ্য সন্তান। ১৯৩৭ চনত জন্ম হয়। প্ৰাথমিক বিদ্যালয়ৰ

শিক্ষকতা কৰি বৰ্ত্তমান অৱসৰ গ্ৰহণ কৰিছে। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী একনিষ্ঠ সঙ্গী , সংগঠক আৰু প্ৰচাৰক । দৈয়ঙীয়া গাঁও প্ৰাথমিকৰ সম্পাদক হিচাবে কাৰ্য নিৰ্বাহ কৰে । ইংৰাজী ১৯৭৪ চনৰপৰা কেইবাটাও কাৰ্যকাল ধৰি তেখেতে জিলা শাখাৰ সদস্য হিচাবে কাৰ্যনিৰ্বাহ কৰি স্থানীয় অঞ্চলৰ কেইবাখনো প্ৰাথমিক শাখা গঠন কৰে। সংঘৰ নীতি-আদৰ্শ আপোচহীনভাৱে পালন কৰাত সদা সচেতন ব্যক্তি। এগৰাকী কৃতি শিক্ষক আৰু সমাজ সচেতন ব্যক্তি। □

## জীউৰাম হাজৰিকা ঃ

গোলাঘাট জিলাৰ অন্তৰ্গত ঢেকীয়াল মৌজাৰ হালোৱা গাৱঁত ১৯৩১ চনৰ ছেপ্তেম্বৰ মাহৰ ৮ তাৰিখে জীউৰাম হাজৰিকাৰ জন্ম হয়। ছাত্ৰ হিচাপে অত্যন্ত মেধাবী হৈ এখেতে এম,ভি,এম,ই পৰীক্ষাত ১ ম বিভাগত উত্তীৰ্ণ হৈ বৃত্তি লাভ কৰে । ১৯৩৩ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত গোলাঘাট বেজবৰুৱা হাইস্কুলৰপৰা ইংৰাজী, অসমীয়া আৰু সংস্কৃত বিষয়ত লেটাৰ সহ ১ম বিভাগত প্ৰৱেশিকা পৰীক্ষা পাচ কৰে ।

ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি উচ্চ শিক্ষা ত্যাগ কৰিবলগীয়া হয় । ঢেকীয়াল হাইস্কুলৰ প্ৰতিষ্ঠা কালতে এই বিদ্যালয়ত শিক্ষকতা জীৱন আৰম্ভ কৰি ইংৰাজী ১৯৭৪ চনত অৱসৰ গ্ৰহণ কৰে। গোলাঘাট জিলা সন্থাৰ, পাৰস্পৰিক সাহাৰ্য্য নিধি আদি গঠন কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰাৰ উপৰি ১৯৬০ চনৰপৰা ১৯৬৮ চনলৈ জিলা সন্থাৰ সভাপতিৰ দায়িত্ব বহন কৰিছিল। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী উদ্যোগী তথা একনিষ্ঠ সেৱক হিচাপে ঢেকীয়াল,মিছামৰা, দেৰগাঁও আদি অঞ্চলত সংঘৰ প্ৰচাৰ সংগঠনত আত্মনিয়োগ কৰে। জিলা সংঘৰ প্ৰচাৰ সংগঠনৰ বিভিন্ন দায়িত্ব গ্ৰহণ কৰি প্ৰাথমিক সংঘ গঠন কৰে । ১৯৬৪-৬৫ চনৰ কাৰ্যকালত তেখেতে জিলা সংঘৰ সভাপতিৰ পদ অলংকৃত কৰিছিল । তেখেত এগৰাকী কৃতি শিক্ষক, ধৰ্মপ্ৰাণ ব্যক্তি আছিল। □

## ফটিক চন্দ্ৰ হাজৰিকা (মুক্তি যোদ্ধা) ঃ

গোলাঘাট জিলাৰ বেতিয়নী কাকতি গাঁৱত ১৯১৩ চনৰ ১৪ নৱেম্বৰ (১৮৮৫ শক) তাৰিখে ফটিক চন্দ্ৰ হাজৰিকাৰ জন্ম হয় । তেখেতৰ পিতৃ আছিল ভুতুক হাজৰিকা । জন্মৰ তিনিদিনৰ দিনা মাতৃ মালা হাজৰিকাক হেৰুৱাই মাতৃহাৰা হয় । তেখেতৰ শিক্ষা জীৱন আৰম্ভ হয় ১ নং বেতিয়নী প্ৰাথমিক বিদ্যালয়ত আৰু সেই বিদ্যালয়ৰপৰা বৃত্তিসহ উত্তীৰ্ণ হৈ প্ৰাথমিক শিক্ষা সাং কৰে। পুনৰ গোলাঘাট বেজবৰুৱা হাইস্কুলত উচ্চ শিক্ষা লাভৰ কাৰণে নাম ভৰ্ত্তি কৰে। উল্লেখযোগ্য যে ১৯৩৫ চনত কাৰ্নিংহাম চাহাবৰ এক চাৰ্কুলাৰ মৰ্মে ঘোষিত হৈছিল কোনো ছাত্ৰ-ছাত্ৰীয়েই স্বাধীনতা আন্দোলনত সহযোগ কৰিব নোৱাৰিব । অন্যথা স্কুলীয়া শিক্ষা ত্যাগ কৰিব লাগিব । উক্ত কাৰণতে স্বাধীনচিতিয়া ফটিক চন্দ্ৰ হাজৰিকাদেৱে আন্দোলনৰ পক্ষত থাকি শিক্ষানুষ্ঠান ত্যাগ কৰিব লগা হৈছিল আৰু গান্ধীজীৰ আহ্বানত গঢ়ি উঠা স্বাধীনতা

আন্দোলনত অংশ গ্ৰহণ কৰে । এই আন্দোলনত যোগ দিয়াৰ কাৰণে তেখেতে কেবাবাৰো কাৰাবাস খাটে আৰু বিভিন্ন শাস্তি মূৰ পাতি ল'ব লগা হয় । ইংৰাজী ২৩-৯-৪২ তাৰিখে তেখেত গোলাঘাট জিলা কংগ্ৰেছৰ সম্পাদক হৈ থাকোতে বৃটিছৰ হাতত গ্ৰেপ্তাৰ হৈ দহ মাহ সশ্ৰম কাৰাদণ্ড ভোগে । তদুপৰি তেখেতে একান্তভাৱে গোলাঘাটৰ বিপ্লৱী শঙ্কৰ বৰুৱাৰ সৌহাত স্বৰূপে আন্দোলন চলাই গৈছিল ।

১৯৪৭ চনত দেশে স্বাধীনতা লাভ কৰাৰ পিছত তেখেতে ৰুবেল পঞ্চায়তৰ সম্পাদক হৈ ১৯৮২ চনত অৱসৰ লয় । তেখেতে শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত 'একশৰণ হৰিনাম ধৰ্ম' মনে প্ৰাণে গ্ৰহণ কৰিছিল । শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ তেখেত এগৰাকী একনিষ্ঠ সেৱক হিচাবে সংঘৰ প্ৰচাৰ প্ৰসাৰত আত্ম নিয়োগ কৰিছিল । ইংৰাজী ১৯৬০-৬১ চনৰ কাৰ্যকালত জিলা সংঘৰ সভাপতি আছিল । মৃত্যু পৰ্যন্ত তেখেত কাকতি নগমুৱা প্ৰাথমিক শাখাৰ সঙ্গী আছিল আৰু গোলাঘাট জিলা শাখাৰ কাৰ্যনিৰ্বাহকৰ সদস্য তথা বিষয়ববাব গ্ৰহণ কৰি প্ৰচাৰ সংগঠনত সক্ৰিয় ভূমিকা পালন কৰিছিল । এগৰাকী সমাজ সচেতন ব্যক্তি হিচাবে তেখেত বেতিয়নী অঞ্চলৰ বিভিন্ন অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল । বিশেষকৈ বেতিয়নী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি আছিল । ১৯৯০ চনত তেখেত গোলাঘাট জিলা কংগ্ৰেছৰ সভাপতি হয় । ১৯৯২ চনত তেখেত বেতিয়নী গাঁও পঞ্চায়তৰ সভাপতি হয় । ১৯৯৮ চনৰ ২৩ অক্টোবৰত তেখেতে ইহলীলা সম্বৰণ কৰে । □

# প্ৰয়াত যোগেন দত্ত ঃ খনিকৰ গাঁও

প্ৰয়াত যোগেন দত্তদেৱৰ পিতৃৰ নাম আছিল ভাবুৰাম দত্ত মুক্তিয়াৰ । মিছামৰা মৌজাৰ খনিকৰ গাৱঁত ১৯১০ চনত জন্ম । ভূমি আৰু পচৰাই যাৰ একমাত্ৰ পোছাক, উদাৰ, সদালাপী, নিয়মানুবৰ্ত্তী সেইজন যোগেন দত্ত। সাধাৰণ শিক্ষাৰেই যে মহান কাম কৰিব পাৰি তেখেত তাৰেই নিদৰ্শন। খনিকৰৰ প্ৰথম লেখক হিচাবে এখেতকে উল্লেখ কৰিব পাৰি। এগৰাকী সমাজকৰ্মী, গান্ধীবাদী আদৰ্শেৰে আপ্লুত হৈ স্বৰাজ আন্দোলনত নামি কাৰাবৰণ খটা দত্তদেৱে ভাৰত চৰকাৰৰ তাম্ৰপত্ৰ লাভ কৰিছিল। তেখেত এগৰাকী নিৰৱ কংগ্ৰেছ কৰ্মী। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ জন্ম লগ্নৰপৰাই ওতঃপ্ৰোতভাৱে জড়িত হৈ খনিকৰ প্ৰাথমিকৰপৰা জিলা সংঘ তথা মূলৰ বিষয়ববীয়া হোৱাই নহয় কথাই কামে এজন বৈষ্ণৱী। লোভ, ক্ৰোধবিহীন এই লোকজন হাঁহিমুখীয়া সদা সন্তোষী ব্যক্তি আছিল। গোলাঘাট জিলা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ জিলা সম্পাদক, উপ-সভাপতি, সভাপতি আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ শৰণ সদস্য হিচাবে কাৰ্যনিৰ্বাহি কৰিছিল আৰু সংঘৰ প্ৰসাৰত আত্মনিয়োগ কৰিছিল। খনিকৰ, মিছামৰা, দেৰগাঁও তথা গোলাঘাটৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত আছিল। এইগৰাকী লোকক গোলাঘাট জিলা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ তৰফৰপৰা 'পিতামহ' উপাধি প্ৰদান কৰিছিল। ১৯৮৭ চনত তেখেত পৰলোকগামী হয়। তেখেতৰ পত্নী দময়ন্তী এগৰাকী সমাজকৰ্মী মহিলা আছিল। ১৯৩২ চনত মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰি খনিকৰ প্ৰাথমিক কংগ্ৰেছৰ সভাপতি হয়। প্ৰয়াত ভাবুৰাম দেৱৰ যত্নতে এই অঞ্চলত ভকতসকল সমবেত কৰাই নীতি আদৰ্শ প্ৰচাৰত যত্নপৰ হয়। প্ৰায় ১৯২০ চনৰ মানৰপৰাই খনিকৰ হিত সাধিনী সংঘ নামে অনুষ্ঠান-প্ৰতিষ্ঠা কৰি মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত বৈষ্ণৱ ধৰ্মৰ বিষয়ে আলাপ-আলোচনা কৰাৰ ব্যৱস্থা কৰিছিল। এই হিত সাধিনী সংঘ য'ত প্ৰতিষ্ঠা হৈছিল সেই চাৰিকঠা মাটি শঙ্কৰদেৱ সংঘলৈ দান আগবঢ়াই আৰু হিত সাধিনী সংঘৰ পৰিবৰ্তে 'খনিকৰ শঙ্কৰ সংঘ' নামকৰণ কৰি নামঘৰ মণিকূট প্ৰতিষ্ঠা কৰি সংঘৰ নীতি প্ৰচাৰত ব্ৰতী হয়। এই নামঘৰ কেন্দ্ৰীক যিখন সমাজ গঢ়ি উঠিছিল সেই

সমাজকে গোলাঘাট জিলা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ নামকৰণ কৰি মৃত্যু পৰ্য্যন্ত প্ৰয়াত ভাবুৰাম দত্ত ইয়াৰ সভাপতি হৈ আছিল। ইয়াৰ উপৰি ভাবুৰাম দত্তদেৱ স্থানীয় মিছামৰা মধ্য ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা, খনিকৰ উচ্চ বুনিয়াদী বিদ্যালয় আদি অনুষ্ঠান গঢ়ি তোলাত তেখেতৰ বৰঙণি যথেষ্ট। তেখেত এজন সুনিপুণ বাঢ়ৈ আছিল। প্ৰায় ৮০ বছৰ বয়সত ১৯৪৮ চনত তেখেত পৰলোকগামী হয়।

# মুক্তিযোদ্ধা আপিৰাম গগৈ ঃ ভোলাগুৰি

ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ছোৱাত দেশৰ বিভিন্ন প্ৰান্তত কিছুমান প্ৰতিভাসম্পন্ন লোকৰ জন্ম হৈছিল। যাৰ চিন্তা আৰু কৰ্মৰাজিয়ে পৰবৰ্ত্তী কালত সেই অঞ্চলৰ সমগ্ৰ সমাজ জীৱনকে প্ৰভাৱান্বিত কৰি এক নতুন গতিধাৰা দান কৰিবলৈ সক্ষম হৈছিল।

এনে এক বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তি আছিল গোলাঘাট জিলাৰ ৰঙামাটি মৌজাৰ বহুপথাৰ গাৱঁৰ ভোলাগুৰিৰ প্ৰয়াত আপিৰাম গগৈ। এইজনা লোকৰ বহু প্ৰচেষ্টাৰ ফলস্বৰূপে ৰঙামাটি আৰু ইয়াৰ আশে পাশে থকা অঞ্চলবোৰত এক অভূতপূৰ্ব জনজাগৰণৰ সৃষ্টি হৈছিল আৰু ইয়াৰ ফলত সমগ্ৰ সমাজখনেই সকলো দিশতে আগবাঢ়িবলৈ সক্ষম হৈছিল।

প্ৰয়াত আপিৰাম গগৈৰ জন্ম হৈছিল ইং ১৯০৫ চনৰ ভাদ মাহত বহুপথাৰ গাঁৱত। তেখেতৰ পিতৃ বদুৰাম গগৈ আৰু মাক আছিল খাদকেশ্বৰী (খাদৌ)। বদুৰাম গগৈৰ পাঁচজন পুত্ৰেক আৰু তিনিগৰাকী জীয়েক আছিল। তেখেতৰ পূৰ্বপুৰুষ শিৱসাগৰৰ এক ঐতিহ্যপূৰ্ণ আহোম পৰিয়ালৰ লোক আছিল। মানৰ অত্যাচাৰত তেখেতসকলে শিৱসাগৰৰপৰা আহি বাদুলিপাৰ বা লিকচন গাঁৱত থিতাপি লৈছিলহি।

আপিৰাম গগৈৰ পঢ়াশলীয়া শিক্ষা-দীক্ষা বেছি নাছিল। ১৯১১ চনত তেখেতে বহুপথাৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱন আৰম্ভ কৰে। সেই স্কুলৰপৰাই প্ৰাথমিক শিক্ষা সমাপ্ত কৰি তেখেতে গোলাঘাট বেজবৰুৱা হাইস্কুলত নামভৰ্ত্তি কৰে। কিন্তু সপ্তম শ্ৰেণীত থাকোতেই মহাত্মাগান্ধীৰ অসহযোগ আন্দোলনত যোগ দি শিক্ষা জীৱনৰ ইতি পেলায়।

আপিৰাম গগৈ প্ৰকৃত অৰ্থত আছিল এজন কৰ্মযোগী। বিভিন্ন ক্ষেত্ৰত তেখেতৰ কৰ্ম দক্ষতা ফুটি উঠিছিল। ১৯২০ চনত বেজবৰুৱা হাইস্কুলত সপ্তম

শ্ৰেণীত পঢ়ি থাকোঁতেই তেখেতে অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰি ভাৰতৰ স্বাধীনতা আন্দোলনত যোগ দিয়ে। ১৯৩৯ চনত ৰঙামাটি মৌজাৰ সত্যাগ্ৰহ আন্দোলনৰ প্ৰচাৰক আৰু সম্পাদকৰূপে তেখেতে মৌজা কংগ্ৰেছক নেতৃত্ব দিয়ে। বিয়াল্লিছৰ ভাৰত ত্যাগ আন্দোলনত যোগ দিয়াৰ পাছত তেখেতে ১৯৪৩ চনত উজনি অসম কংগ্ৰেছ গোলাঘাট শাখাৰ সাংগঠনিক সম্পাদকৰ দায়িত্ব সুচাৰুৰূপে সম্পাদন কৰিছিল। তদুপৰি শান্তিসেনা বাহিনী গঠন, ভগনীয়াৰ শুশ্ৰূষা আদি বহুকামত তেখেতে আত্মনিয়োগ কৰিছিল। এইদৰে দেশৰ মুক্তি আন্দোলনত জড়িত হোৱাৰ কাৰণে তেখেতে কেবাবছৰো আত্মগোপন কৰি থাকিবলগীয়া হৈছিল, কিন্তু ইয়াৰ বাবে তেখেতৰ ঘৰখন আৰু পৰিবাৰে বহুতো হাৰাশাস্তিৰ সন্মুখীন হ'ব লগা হৈছিল। সঘনে পুলিচ, মিলিটেৰিয়ে তেখেতক বিচাৰি ঘৰ ঘেৰাও কৰে। শাস্তিস্বৰূপে ঘৰখনে গোহালিৰ বলদগৰু হেৰুৱাব লগা হয় আৰু ভৰিব লগা হয় পাইকাৰী জৰিমনা।

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত স্বাধীন হোৱাৰ পাছত তেখেতে জয় প্ৰকাশ নাৰায়ণৰ নেতৃত্বত চছিয়েলিষ্ট পাৰ্টিত যোগ দিয়ে আৰু কৃষক, বনুৱা, মজদুৰৰ হকে কাম কৰিবলৈ লয়। তেখেত নিজেও আছিল এজন প্ৰকৃত কৃষক। সেয়েহে কৃষক আৰু কৃষিৰ বিভিন্ন সমস্যাৱলীৰ সমাধান কল্পে কৃষক সংগঠনত গুৰুত্ব দিছিল। ঘিলাধাৰীৰ কৃষক সত্যাগ্ৰহ আন্দোলনত তেখেতে অংশ গ্ৰহণ কৰাৰ উপৰি 'সদৌ অসম কৃষক মহাসভা' গঠনত আগভাগ লৈছিল। এই কৃষক মহাসভাৰ প্ৰথম গৰাকী নিৰ্বাচিত সভাপতিৰূপে কৃষকসকলক নেতৃত্ব দিছিল।

নানা সামাজিক কামত আপিৰাম গগৈদেৱে গোটেই জীৱনটোৱেই ব্যস্ত আছিল। শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰাৰ উপৰি তেখেতে অনুন্নত গাঁও অঞ্চলত ৰাইজক লগত লৈ সমাজৰ উন্নয়নমূলক কামত ব্যস্ত আছিল।

জীৱনৰ শেষৰ দিনে আপিৰাম গগৈ মহাপুৰুষীয়া ধৰ্মৰ প্ৰতি গভীৰভাৱে আকৃষ্ট হৈছিল। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী নিষ্ঠাবান সেৱকৰূপে তেখেতে মহাপুৰুষীয়া ধৰ্মৰ ব্যাপক প্ৰচাৰৰ বাবে পাৰ্য্যমানে চেষ্টা কৰিছিল। শঙ্কৰদেৱ সংঘৰ ভোলাগুৰি প্ৰাথমিক গোট তেখেতৰ উদ্যোগতে গঠন কৰি ভোলাগুৰিত এটি আঞ্চলিক নামঘৰ (শঙ্কৰ মন্দিৰ) প্ৰতিষ্ঠা কৰে। এই ক্ষেত্ৰত তেখেতক চেনিৰাম গগৈ, সদানন্দ গগৈ, দেৱানন্দ গগৈ, গোলাপ গগৈ আদি সঙ্গী বাপসকলে সহায় সহযোগ কৰিছিল। বৰ্ত্তমান এই নামঘৰেই শঙ্কৰী কলাকৃষ্টি বিকাশ কেন্দ্ৰৰূপে গঢ়লৈ উঠিছে। তেখেতে সঙ্গীসকলক কৈছিল 'মহাপুৰুষ শঙ্কৰদেৱ আৰু গান্ধীজীয়ে দেখুৱাই যোৱা পথটোৱেই আমাৰ বাবে আচল শুদ্ধ পথ।'

তেখেতে কুটীৰ শিল্পৰ ওপৰত গুৰুত্ব দিছিল। ঘৰতে তেখেতে মুগা পুহিছিল, পাটপলু পুহিছিল, কুঁহিয়াৰ খেতি কৰিছিল। আনকো এইবোৰ কাম কৰিবলৈ উৎসাহ আৰু পৰামৰ্শ দিছিল। প্ৰতিজন মানুহেই স্বাৱলম্বী হোৱাত তেখেতে গুৰুত্ব দিছিল।

এইদৰে নিজৰ অঞ্চল, ঠাইখন আৰু সমাজখনক প্ৰগতিৰ পথত আগবঢ়াই দি নানাজনক নানা বহুমূলীয়া পৰামৰ্শৰে উদ্বোদ্ধ কৰি ১৯৭৭ চনৰ ১৩ অক্টোবৰত তেখেতে বাৰ্দ্ধক্যজনিত ৰোগত ইহলীলা সম্বৰণ কৰে। আপিৰাম গগৈ আজি আমাৰ মাজত নাই। কিন্তু ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু ধৰ্মীয় কু-সংস্কাৰৰ বিৰুদ্ধে আজীৱন সংগ্ৰাম কৰি যোৱা এই বিপ্লৱী ব্যক্তি গৰাকীৰ চিন্তাধাৰা আৰু কৰ্মৰাজিয়ে সদায় আমাক অনুপ্ৰাণিত কৰি ৰাখিব।

# প্ৰয়াত ডিম্বেশ্বৰ শইকীয়া

প্ৰয়াত ডিম্বেশ্বৰ শইকীয়া ঢেকীয়াল প্ৰাথমিক শাখাৰ বিশিষ্ট সঙ্গী। ঢেকীয়াল অঞ্চলৰ সকলো অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত। তেখেত এগৰাকী প্ৰকৃতাৰ্থত সমাজকৰ্মী। গোলাঘাটৰ মহাপুৰুষীয়া আন্দোলনত জন্ম লগ্নৰেপৰা জড়িত হৈ তেখেতে মহাপুৰুষৰ মতাদৰ্শ প্ৰচাৰ-প্ৰসাৰত আজীৱন সেৱা আগবঢ়ায়। শঙ্কৰী সঙ্গীতৰ সাধক হিচাবে তেখেতে খোল বাদ্য (বায়ন), নৃত্য, নামাচাৰ্য্য আদি বিষয়ৰ চৰ্চা কৰাৰ উপৰি প্ৰচাৰ কাৰ্য চলাইছিল। ১৯০৮ শকাব্দ, ১৯ বহাগ (ইং ৩-৫-৮৭) তাৰিখে জিলা সঙ্ঘৰ উদ্যোগত ঢেকীয়ালস্থ জিলা নামঘৰৰ আধাৰশিলা স্থাপনত প্ৰয়াত শইকীয়া বাপে কৰণি আগবঢ়াই নামঘৰৰ নিৰ্ম্মাণৰ শুভাৰম্ভ কৰে।

এই গৰাকী মহা সাধকৰ জন্ম হয় ১৮৩১ শকাব্দ ১০ ফাগুনত। তেখেতে ইহসংসাৰ ত্যাগ কৰে ১৯১১ শকাব্দৰ ১২ আহিনত।

# সোমনাথ কলিতা

বৰুৱা বামুণ গাওঁৰপৰা গণক পুখুৰীলৈকে এই বিস্তৃত অঞ্চলটিত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বাটকটীয়া একনিষ্ঠ সেৱক প্ৰয়াত সোমনাথ কলিতা বাপে গোলাঘাট জিলাৰ অন্তৰ্গত মিছামৰা মৌজাৰ শিঙৰাজান গাওঁত ১৯১০ চনৰ মাৰ্চ মাহত জন্ম

গ্ৰহণ কৰে। তেখেতৰ পিতৃ-মাতৃৰ নাম ক্ৰমে স্বৰ্গীয় কানুৰাম কলিতা আৰু স্বৰ্গীয় কলিমাই কলিতা আছিল।

গণক পুখুৰী এম, ভি স্কুলত (বৰ্ত্তমান গণক পুখুৰী উচ্চ বুনিয়াদী বিদ্যালয়) প্ৰাথমিক শিক্ষা আৰম্ভ হৈছিল। উক্ত স্কুলৰপৰা প্ৰাথমিক শিক্ষা সমাপ্ত কৰি দেৰগাঁও হাইস্কুলত (বৰ্ত্তমান দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়) ভৰ্ত্তি হৈ উক্ত স্কুলৰপৰাই হাইস্কুলীয়া শিক্ষাৰ সু-সমাপ্তি ঘটায়।

১৯৩৬ চনত শিক্ষাদানৰ উদ্দেশ্যে গাঁৱৰ ল'ৰা-ছোৱালী বিচাৰি নি 'উমাকান্ত প্ৰাথমিক বিদ্যালয়ৰ শুভাৰম্ভ কৰি, প্ৰতিষ্ঠাপক প্ৰধান শিক্ষাক হিচাপে চাকৰি জীৱনৰ পাতনি মেলিছিল। স্কুলৰ আৰম্ভণীৰ ছাত্ৰী শ্ৰীমতী লক্ষেশ্বৰী দত্ত আই গৰাকীয়ে প্ৰাথমিক বৃত্তি লাভ কৰাটোৱেই কলিতা বাপৰ শিক্ষক হিচাপে থাকিব লগা একাগ্ৰতা, নিষ্ঠাৰ অধিকাৰী দক্ষতা সম্পন্ন শিক্ষক বুলি প্ৰতিপন্ন কৰে। ইয়াৰ পিছত চিনাতলী, জেলমণি, মিছামৰা দেৰগাঁও আদি ঠাইৰ বিদ্যালয়ত সুখ্যাতিৰে শিক্ষাদান কৰি শেষত বঙ্গালগাঁও প্ৰাথমিক বিদ্যালয়ৰপৰা ১৯৭২ চনত অৱসৰ গ্ৰহণ কৰে।

চাকৰী জীৱনৰ কালছোৱাতে ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰি, অসমলৈ মহাত্মাগান্ধী আহোতে গণক পুখুৰীত জাতিৰ পিতাৰ লগত কলিতাদেৱৰ পৰিচয় বিনিময় কৰাৰ সৌভাগ্য ঘটিছিল। তেখেত ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ লগত সততে জড়িত আছিল। শিঙৰাজান নামঘৰ পৰিচালনা সমিতিৰ সভাপতি, মিছামৰা গাঁও পঞ্চায়ত, মিছামৰা বাঃ বাঃ কিঃ ৰ সদ ধোদাং ভাৰলী কৃষি পামৰ সভাপতি হিচাপে কৰ্য্যনিৰ্বাহি কৰাৰ উপৰি বিভিন্ন সামাজিক কামত জড়িত আছিল। তেখেত ভাওনাৰ এগৰাকী সু-অভিনেতা আছিল। ৮৫ বছৰ বয়সত 'দশৰথৰ' ভাৱত অভিনয় কৰি দৰ্শকক চমক লগাইছিল। তেখেত এগৰাকী সত্যবাদী, পৰোপকাৰী, সৎ সাহসী ব্যক্তিত্ব সম্পন্ন ভকত আছিল। তেখেতৰ জীৱন কালত কোনোদিনে জোতা নিপিন্ধা আৰু চাইকেল নচলোৱাটো এটি বৈশিষ্ট্য।

১৯৬৫ চনত শ্ৰদ্ধেয় কলিতা বাপৰ যোৰহাটৰ কৰঙা নিবাসী কৃষি বিভাগৰ বিষয়া শ্ৰীশৰৎ চন্দ্ৰ বৰুৱা বাপৰ লগত পৰিচয় ঘটে আৰু বৰুৱা দেৱৰপৰা এক শৰণ নামধৰ্ম সম্পৰ্কে যথেষ্ট আভাষ পায়। সেই সময়তে খনিকৰ গাৱঁৰ প্ৰয়াত টঙ্ক দত্ত, গোলাঘাট জিলা সংঘৰ প্ৰাক্তন সভাপতি যোগেন দত্ত আৰু ঢেকীয়ালৰ যোগেশ্বৰ বৰা বাপৰ লগত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ লক্ষ্য উদ্দেশ্য সম্পৰ্কে আলোচনা পূৰ্বক অবগত হোৱাৰ পিছত গাৱঁৰ প্ৰয়াত বাপুৰাম বৰা, মাঘিৰাম কলিতাসহ কলিতা বাপে খনিকৰ প্ৰাঃ শাখাত সঙ্গীপদ গ্ৰহণ কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ অন্তৰ্ভুক্ত হৈ অনুষ্ঠানৰ

প্ৰচাৰ, প্ৰসাৰ আৰু সংগঠনত একাণ পটিয়াকৈ আত্ম নিয়োগ কৰে। গাৱঁত ভাগৱত পাঠৰ ব্যৱস্থা কৰি নিজে ভাগৱতৰ শ্লোকৰ সাৱলীল ব্যাখ্যা কৰি এক শৰণ নামধৰ্মৰ স্বৰূপ লোকসকলক বুজাই দিয়াৰ চেষ্টা কৰি সফল হৈছিল। ফল স্বৰূপে কলিতা বাপ আৰু বাপুৰাম বৰা বাপৰ প্ৰচেষ্টাত ৫২০ শঙ্কৰাব্দত ১৫ ঘৰ গৃহস্থীৰে শিঙৰাজান প্ৰাঃ গঠন হয়। উক্ত প্ৰাথমিক শাখাৰ তেখেত প্ৰতিষ্ঠাপক সভাপতি আছিল। প্ৰাথমিক শাখাটি গঠনৰ পুৰেই তেখেতৰ বাসগৃহত মূল সংঘৰ প্ৰাক্তন পদাধিকাৰ শ্ৰদ্ধেয় শ্ৰীযুত অচ্যুত কৃষ্ণ মিশ্ৰ বাপক আমন্ত্ৰণ জনাই এভাগি ধৰ্মালোচনী সভা অনুষ্ঠিত কৰিছিল। ইয়াৰ উপৰি ৫২২ শঙ্কৰাব্দৰ ১৮ আহাৰত মূলৰ কাৰ্য্যনিৰ্বাহিক সভাও তেখেতৰ গৃহত অনুষ্ঠিত হৈছিল। বৰুৱাবামুণ গাৱঁত অনুষ্ঠিত ৪৪ তম মূল অধিবেশনত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ উদ্দেশ্যেই কাৰ্য্যকাল সম্পূৰ্ণ হ'বলৈ ২ বছৰ বাকী থকা অৱস্থাতে চাকৰিৰপৰা স্বইচ্ছাই অৱসৰ গ্ৰহণ কৰে। মৃত্যুৰ আগলৈকে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰচাৰ, প্ৰসাৰ আৰু সংগঠনৰ কামত নিজকে সক্ৰিয়ভাৱে জড়িত কৰি ৰাখিছিল। তেখেতৰ প্ৰেৰণাতে কেইবাখনো প্ৰাথমিক শাখা গঠন হৈছিল। তেখেতে ১৯৭৩ চনৰপৰা ১৯৭৬ চনলৈকে জিলা সদস্য হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। তেখেত একেধাৰে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সেৱক, প্ৰচাৰক, সংগঠক, সু-পাঠক, বৈষ্ণৱ পণ্ডিত আছিল। ৰামায়ণ-মহাভাৰতৰ কাহিনীৰপৰা তেখেতে কেইবাখনো ভাওনাৰ উপযোগী নাট ৰচনা কৰিছিল।

১৯৯৮ চন,৩ ডিচেম্বৰ। কেইদিনমানৰ পূৰ্বৰপৰা শ্ৰদ্ধেয় কলিতা বাপ বাৰ্দ্ধক্যজনীত ব্যাধিত শয্যাগত হৈ আছিল। তেতিয়া সন্ধ্যা প্ৰায় ৬ বজাত নাতিনী শ্ৰীৰবীন্দ্ৰনাথ কলিতা, শ্ৰীঅকণি কলিতা, ভতিজাক শ্ৰীজগত কলিতা, শ্ৰীযুগল কলিতা তেখেতৰ তিনিজন পুত্ৰ বিছনাৰ ওচৰতে সমাজ পাতি বহি আছিল। জ্যেষ্ঠ পুত্ৰ শ্ৰীগুণীন কলিতা বাপে ঘোষা পাঠ কৰি আছিল। পঢ়ি পঢ়ি তলৰ ঘোষা জোকা পাইছিল 'হে কৃষ্ণ তযু পাদপদ্ম পঞ্জৰ ভিতৰে মোৰ মন ৰাজহংস পশি থাকোক প্ৰভু সৰ্ব্বথা। প্ৰাণ প্ৰয়াণৰ সময়ত কফ বাত পিত্ত আদি যত কণ্ঠ নিৰোধনে তোমাৰ স্মৰণ কথা। ৬৬৩ ঘোষা জোকা পঢ়ি শেষ হোৱাৰ মুহূৰ্ত্ততে পাঠ সামৰিবলৈ শ্ৰদ্ধেয় কলিতা বাপে আহ্বান জনাই বিছনাৰপৰাই সেৱা ধৰে আৰু কয় 'মোৰ জীৱন কালত জ্ঞাতে, অজ্ঞাতে ভকত, ভগৱন্তৰ ওচৰত অপৰাধ ঘটিছে। জীৱনৰ অন্তিম কালত আপোনা সৱে আমাক ক্ষমা কৰিব।' সমবেত সকলে হৰিধ্বনি কৰাৰ প্ৰায় ৩ মিনিট পিছতে ইহলীলা সম্বৰণ কৰে।

# প্ৰয়াত ডিম্বেশ্বৰ বৰা

শঙ্কৰী ধৰ্ম-সংস্কৃতিৰ একান্ত সাধক ডিম্বেশ্বৰ বৰা ১৯৩০ চনৰ ভাদ মাহত মিছামৰা মৌজাৰ খনিকৰ গাৱঁত জন্ম হয়। দেউতাক প্ৰয়াত জয়ৰাম বৰা আৰু মাতৃ প্ৰয়াত মহেশ্বৰী বৰা। আৰ্থিক দুৰৱস্থাৰ কাৰণে ষষ্ঠ শ্ৰেণীলৈকে শিক্ষা গ্ৰহণ কৰি সিমানতে সামৰিব লগা হয়। ১৯৫১ চনত তামুলী পথাৰত থকা বাইদেৰেক প্ৰয়াত ঈশেশ্বৰী শইকীয়াৰ ঘৰত থাকি সাধাৰণ এখন দোকান আৰম্ভ কৰে। সেই সময়তে মৰিগাৱঁৰ প্ৰয়াত গণেশ ভূএগ্ৰাৰ সান্নিধ্য লাভ কৰে। গণেশ ভূএগ্ৰা আছিল শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী বিশিষ্ট সঙ্গী। তেখেতৰ প্ৰেৰণাতে ডিম্বেশ্বৰ বৰাদেৱে সমগ্ৰ গোলাঘাট জিলাৰ পশ্চিম অঞ্চলত গুৰুজনাৰ জন্ম জয়ন্তী ভাগ উদ্‌যাপন কৰে (১৯৫৬ চনত)। এই সময়তে ডিম্বেশ্বৰ বৰাদেৱৰ উদ্যোগতে শ্ৰীযুত উপেন ফুকনৰ (গোলাঘাট জিলা শাখাৰ দ্বিতীয় গৰাকী সম্পাদক) বুঢ়ীমাক প্ৰয়াত ভাকুলি ফুকনৰ আদ্যশ্ৰাদ্ধ সংঘৰ আদৰ্শেৰে সম্পাদন কৰা হয়। ১৯৫৭ চনত তামুলী পথাৰত বৈষ্ণৱ পণ্ডিত শ্ৰীযুত সোণাৰাম চুতীয়া বাপৰ সহযোগত প্ৰাথমিক শাখা গঠন কৰা হয়। শ্ৰদ্ধেয় চুতীয়াবাপ এই প্ৰাথমিক শাখাৰে প্ৰতিষ্ঠাপক সঙ্গী। প্ৰয়াত গোলোক তামুলী আছিল এই প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতি। সম্পাদকৰ দায়িত্ব ল'ব লগা হয় ডিম্বেশ্বৰ বৰাই।

১৯৭০ চনত গোলাঘাট জিলা পশ্চিম আঞ্চলিক শাখা (শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ) গঠনত আগভাগ লৈ পাঁচটা কাৰ্যকাল সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰে। গোলাঘাট জিলা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘলৈ একনিষ্ঠ সেৱা আগবঢ়োৱাৰ বাবে ১৯৭৮ চনত (জিলা ৰূপালী জয়ন্তী উৎসৱত) সৰ্বক্ষণ প্ৰচাৰকৰূপে নিয়োগ কৰে। ১৯৯২ চনত বোকাখাত জিলা শাখা গঠন হোৱাত ডম্বেশ্বৰ বৰা বাপক প্ৰথম গৰাকী শৰণ সদস্য মনোনীত কৰে। মৃত্যুৰ আগমুহূৰ্ত্তলৈকে শৰণ সদস্যৰ দায়িত্বত থাকি সেৱা আগবঢ়াই। বোকাখাট জিলা শাখাৰ প্ৰতিখন প্ৰাথমিক শাখাৰ জন্ম দাতা হ'ল ডিম্বেশ্বৰ বৰা। অন্যান্য সামাজিক কামৰ ভিতৰত তামুলী পথাৰ বোৱা কটা সমবায় সমিতিৰ লগতো তেখেত জড়িত আছিল। চাহ বাগিচা আৰু মিচিং জনগোষ্ঠীৰ মাজত গুৰুজনাৰ ধৰ্ম-সংস্কৃতি প্ৰচাৰত সদায় আগভাগ লৈছিল। চিৰকুমাৰ, সহজ-সৰল, সদাহাস্য পৰম বৈষ্ণৱ ডিম্বেশ্বৰ বৰাৰ যোৱা ইং ২৪/৩/৯৬ তাৰিখে তামুলীপথাৰৰ নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। তেখেতৰ বিয়োগত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই এগৰাকী মহান কৰ্মী হেৰুৱালে।

# প্ৰয়াত গণেশ চন্দ্ৰ ভূঞা

গণেশ চন্দ্ৰ ভূঞাদেৱৰ ঘৰ ধনশিৰি মহকুমাৰ বৰপথাৰৰ প্ৰেমহৰা গাৱঁত। তেখেত এজন অতি দুখীয়া পৰিয়ালৰ লোক আছিল। ১৯৩০ চনৰপৰাই শ্ৰীমন্ত শঙ্কৰদেৱৰদ্বাৰা প্ৰচাৰিত 'মহাপুৰুষীয়া ধৰ্মত কৰ্মকাণ্ডৰ স্থান নাই' ইয়াক প্ৰতিপন্ন কৰি গোলাঘাটত যি ধৰ্ম সংস্কাৰ আন্দোলন গঢ়ি উঠিছিল ভূঞাদেৱে আৰম্ভণিৰপৰাই নীৰৱছিন্নভাৱে নিজকে জড়িত কৰিছিল আৰু প্ৰচাৰ কাৰ্যত নিয়োজিত কৰিছিল। বৰপথাৰৰ প্ৰতিখন গাঁৱত, লগতে সৰুপথাৰ আদি ঠাঁইত সংঘৰ প্ৰচাৰ চলাই। বৰপথাৰ আৰু সৰুপথাৰৰ প্ৰায়বিলাক গাঁৱতে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সংবিধান মতে প্ৰাথমিক গঠন কৰে। পৰবৰ্ত্তীকালত দক্ষিণ আঞ্চলিক শাখা গঠন কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, গোলাঘাট জিলা কাৰ্যনিৰ্বাহিকৰ দীৰ্ঘ দিনৰ বাবে সদস্য আছিল। ১৯৬৫-৬৬ চনত জিলা শাখাৰ উপ-সভাপতি আৰু ১৯৬৬-৬৭ চনৰ কাৰ্যকালত সভাপতি পদ গ্ৰহণ কৰিছিল। মূল সংঘৰ শৰণ সদস্যৰ পদটো তেখেত মনোনীত হৈছিল। তেখেত এজন সংঘৰ অক্লান্ত কৰ্মী আৰু নিজ গৃহৰ দায়িত্ব এৰি সংঘৰ কামত নিস্বাৰ্থভাৱে আত্মনিয়োগ কৰিছিল। সংঘৰ কাৰণে তেখেত সদা স্মৰণীয় ব্যক্তি হৈ ৰ'ব।

# প্ৰয়াত বদন চন্দ্ৰ শইকীয়া

গোলাঘাট জিলাৰ অন্তৰ্গত ঢেকীয়ালত ১৯০২ চনৰ জানুৱাৰী মাহত বদনচন্দ্ৰ শইকীয়াদেৱৰ জন্ম হৈছিল। তেখেতৰ পিতৃৰ নাম প্ৰয়াত উমাৰাম শইকীয়া আৰু মাতৃৰ নাম উত্তৰা শইকীয়া আছিল। বৃটিছৰ আমোলতে মণ্ডলৰ চাকৰিত নিযুক্তি লাভ কৰি সুদীৰ্ঘ বছৰ চাকৰি কৰি অৱসৰ গ্ৰহণ কৰিছিল। সৰুৰেপৰাই মহাপুৰুষ শঙ্কৰদেৱৰ ৰচিত কীৰ্ত্তন-দশম আদি পুথি অধ্যয়ন কৰিছিল আৰু তেখেতৰ মনটো মহাপুৰুষীয়া ধৰ্মৰ প্ৰতি আকৃষ্ট হৈছিল। ধৰ্মীয় চিন্তাধাৰাৰ মাজেৰে তেখেতে যিকোনো কথা যুক্তিৰে বিচাৰ বিবেচনা কৰিছিল।

ধৰ্মীয় আন্দোলনেই শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ জন্ম। এই আন্দোলন ১৯২৩ চনৰপৰা আৰম্ভ হয় যদিও ১৯৩০-৩১ চনৰপৰা পূৰ্ণ গতিত চলিবলৈ ধৰে।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

শ্ৰীমন্ত শঙ্কৰদেৱৰদ্বাৰা প্ৰচাৰিত 'একশৰণ হৰিনাম ধৰ্মৰ' প্ৰভাৱ গোলাঘাট জিলাৰ মধ্য অঞ্চলত পৰিছিল। ১৯৫৪ চনত ঢেকীয়াল মলখুকুৰি নামঘৰ প্ৰাঙ্গণত অসম প্ৰাদেশিক শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ত্ৰয়োবিংশতিতম বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। এই অঞ্চলত তাৰো আগৰেপৰাই সংঘৰ প্ৰভাৱ পৰিছিল। প্ৰয়াত বদনচন্দ্ৰ শইকীয়াদেৱ ঢেকীয়াল জিলা সংগঠন হোৱাত সংঘৰ সঙ্গীভুক্ত হয়। প্ৰথম অৱস্থাত তেখেতে সংঘৰ প্ৰচাৰ-প্ৰসাৰত মনোনিৱেশ কৰিছিল। ঢেকীয়াল মৌজাৰ বিভিন্ন গাৱঁৰ সঙ্গীসকলৰ সহযোগত সংগঠিত হোৱা ঢেকীয়াল সংঘৰ তেখেত প্ৰথম সভাপতি পদত কাৰ্যনিৰ্বাহি কৰে। তেখেত এগৰাকী ধৰ্মপ্ৰাণ শাস্ত্ৰজ্ঞ লোক আছিল। গুৰুজনাৰ ধৰ্মদৰ্শনৰ ওপৰত প্ৰগাঢ় বিশ্বাস ৰাখি শুদ্ধ সত্য এখন মহাপুৰুষীয়া সমাজ গঠন কৰাত দৃঢ়ভাৱ তেখেতে প্ৰকাশ কৰিছিল। ১৯৮৩ চনৰ জুলাই মাহত বদন চন্দ্ৰ শইকীয়াদেৱে ইহলীলা সম্বৰণ কৰে।

# প্ৰয়াত মণিৰাম গগৈ

খুমটাই মৌজাৰ বৰুৱা গাঁৱৰ নিবাসী প্ৰয়াত মণিৰাম গগৈয়ে অঞ্চলটোৰ ভিতৰতে মহাপুৰুষীয়া ধৰ্ম আদৰ্শ নিষ্ঠাৰে পালন কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ প্ৰচাৰ সংগঠনত আত্মনিয়োগ কৰিছিল। ১৯৬১ চনৰপৰা ১৯৬৪ চনৰ কাৰ্যকাল আৰু ১৯৬৫-৬৬ চনৰ কাৰ্যকালত মণিৰাম গগৈদেৱে গোলাঘাট জিলা শাখাৰ সভাপতিৰ পদ অলংকৃত কৰিছিল। বংশগতভাৱেই তেখেতসকলৰ পৰিয়াল শঙ্কৰী সংস্কৃতিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। গোলাঘাট জিলা পশ্চিম আঞ্চলিক শাখা জন্ম দিওঁতে (১৯৭০ চন) তেখেতে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। তেখেত এজন সুদক্ষ অভিনেতা আৰু সুবক্তা আছিল। সুললিত কণ্ঠেৰে গীত-মাত আদি গোৱাতো তেখেত পটু ব্যক্তি আছিল। স্থানীয় ভালেমান অনুষ্ঠান-প্ৰতিষ্ঠান গঢ় দিয়াত আগভাগ লৈছিল। শেষ বয়সতো তেখেত ৰাজনীতিৰ লগত জড়িত আছিল। খুমটাই মণ্ডল কংগ্ৰেছৰ একাধিকবাৰ সভাপতি হৈছিল। যোৱা ১৯৯৯ চনৰ শেষভাগত তেখেত পৰলোকগামী হয়।

# প্ৰয়াত হৰকান্ত মুদৈ

১৯৩০ চনৰ চ'ত মাহত গোলাঘাট জিলাৰ বৰুৱা বামুণ গাঁৱৰ সমীপৰ কছাৰী গাৱঁত হৰকান্ত মুদৈৰ জন্ম হয়। পিতৃৰ নাম আছিল নৰনাথ মুদৈ। ১৯৪৮ চনত দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালৰপৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫৫ চনত যোৰহাট Institute of Engineering & Technology ৰপৰা ডিপ্লমা লাভ কৰে। ১৯৫৯ চনত গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰপৰা I. S.C মহলালৈকে অধ্যয়ন কৰি শিক্ষা সাং কৰে। কুৰালগুৰি এম, ই স্কুলত তেখেতে কৰ্ম জীৱনৰ পাতনি মেলে। গুৰ যোগনীয়া এম, ই স্কুল, গুণী প্ৰভা ছোৱালী এম, ই স্কুল আৰু বৰজান এম, ই স্কুলত শিক্ষকতা কৰাৰ পিছত ১৯৬৫ চনত অসম সমবায় চেনিকলত নিযুক্তি লাভ কৰে। সুদীৰ্ঘ বছৰ চেনিকলত চাকৰি কৰাৰ পিচত ১৯৯৩ চনত অৱসৰ গ্ৰহণ কৰে। স্কুল প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেখেতে বৰুৱা বামুণ গাঁও গুণীপ্ৰভা এম, ই আৰু হাইস্কুল প্ৰতিষ্ঠাত অশেষ চেষ্টা আৰু ত্যাগ স্বীকাৰ কৰিছিল। গুণীপ্ৰভা এম, ই স্কুলৰ পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে গুৰু দায়িত্ব গ্ৰহণ কৰি অনুষ্ঠানটিৰ পূৰ্ণাঙ্গৰূপ দিয়াত ভূমিকা পালন কৰিছিল। তদুপৰি স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত কৰি সমাজৰ উন্নয়নৰ কামত আত্ম নিয়োগ কৰিছিল। এই ক্ষেত্ৰত তেখেতৰ উদাৰতাৰ লগতে নিস্বাৰ্থ ত্যাগ আৰু কৰ্মপ্ৰেৰণা সকলোৰে কাৰণে আদৰ্শ হৈ ৰ'ব। প্ৰয়াত হৰকান্ত মুদৈ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী একনিষ্ঠ সেৱক আছিল। তেখেতে সংঘৰ প্ৰচাৰ প্ৰসাৰত এগৰাকী নীৰৱ কৰ্মীৰ ভূমিকাৰে অগ্ৰসৰ হৈছিল। পাৰিবাৰিক জীৱনৰ বিভিন্ন ঘাত প্ৰতিঘাতৰ মাজত তেখেতে নিজৰ গাৱঁত একমাত্ৰ সংঘৰ সঙ্গী গৃহস্থী হৈ নিৰ্ভীকভাৱে আপোচবিহীনভাৱে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘত অন্তৰ্ভুক্ত হৈ সমীপৱৰ্ত্তী অঞ্চলৰ সঙ্গীসকলৰ লগত সমন্বয় স্থাপন কৰি অনুষ্ঠান আদি সম্পাদন কৰিছিল। এই ক্ষেত্ৰত গাৱঁৰ কোনো লোকৰ লগত মনান্তৰ নাছিল।

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বৰুৱাবামুণ গাৱঁত থকা জিলা সংঘৰ ভূমিত এটি নামঘৰ প্ৰতিষ্ঠাৰ যি কৰ্ম-আঁচনি, সেই আঁচনি বাস্তবায়ীত কৰাত তেখেতে সংঘৰ সঙ্গী প্ৰয়াত বিপিন দত্ত, ডাঃ দেৱেশ্বৰ হাজৰিকা, প্ৰয়াত দুৰ্গা দত্ত, শ্ৰীযুতা লক্ষ্যেশ্বৰী দত্তৰ লগত সহযোগ কৰি অশেষ চেষ্টা কৰিছিল যদিও জীৱিত অৱস্থাত সেই আঁচনি সফল হৈ নুঠিল।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

বৰ্ত্তমান বৰুৱা বামুণ গাঁও প্ৰাথমিক শাখাৰ উদ্যোগত এই অঞ্চলৰ প্ৰাথমিকসমূহৰ সঙ্গীসকল আৰু স্থানীয় ৰাইজৰ অকুণ্ঠ সহযোগত বৰুৱা বামুণ গাঁও কলাকৃষ্টি বিকাশ কেন্দ্ৰ তথা এভাগ নামঘৰ নিৰ্মিয়মান অৱস্থাত আছে। মণিকূটভাগ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে। প্ৰয়াত হৰকান্ত মুদৈদেৱৰ পৱিত্ৰ স্মৃতিত তেখেতৰ পত্নী শ্ৰীযুতা প্ৰেমলতা মুদৈ আৰু সুযোগ্য পুত্ৰ পৰিজনে প্ৰায় ডেৰলাখ টকা দান আগবঢ়াই মণিকূট ভাগ নিৰ্মাণ কৰাই গুৰু আসন সহ জিলা সংঘক চমজাই দিয়ে। এনে মহান কাৰ্যৰ কাৰণে মুদৈ বাপৰ পৰিয়ালবৰ্গ ধন্যবাদৰ পাত্ৰ।

এইখিনিতে প্ৰয়াত মুদৈ বাপৰ পৰিয়ালৰ চমু পৰিচয় দিয়া হ'ল। বৰ্ত্তমান তেখেতৰ পত্নী শ্ৰীযুতা প্ৰেমলতা মুদৈ এগৰাকী ধৰ্মপ্ৰাণ, অতি সৰল মনৰ মহিলা। তেখেতৰ পুত্ৰসকল ক্ৰমে সৰ্বশ্ৰী ধীৰেন মুদৈ, সূৰ্য মুদৈ, কৃষ্ণ নাৰায়ণ মুদৈ আৰু কন্যা শ্ৰীমতী মনোৰমা মুদৈ, শ্ৰীমতী তুনতুন মুদৈ, বোৱাৰী শ্ৰীমতী হেনা মুদৈ। উদাৰ মনৰ অধিকাৰী শ্ৰীধীৰেন মুদৈ এগৰাকী সমাজৰ সকলোৰে লগত মিলিবপৰা বহল মনৰ এজন যুৱক। বৰ্ত্তমান ব্যৱসায় বাণিজ্যৰে ঘৰখন স্বচ্ছল অৱস্থা। পাৰিবাৰিক সুখ-সন্তোষ বিৰাজ কৰিছে।

১৯৯৭ চনৰ জানুৱাৰী মাহত হৰকান্ত মুদৈৰ পৰলোকগামী হয়।

## কমল হাজৰিকা ঃ গোলাঘাট

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সংগী শিক্ষাবিদ শ্ৰীযুত কমল হাজৰিকাদেৱৰ জন্ম হয় বৰ্তমান গোলাঘাট জিলাৰ ফৰকাটিং অঞ্চলত । তেখেতে আজীৱন শিক্ষকতা কৰি ফৰকাটিং হাইস্কুলৰপৰা প্ৰধান শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ পাছত অৱসৰ গ্ৰহণ কৰে । এগৰাকী সমাজ কৰ্মী আৰু সাংবাদিক হিচাপে তেখেত পৰিচিত । স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত তেখেত জৰিত । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এগৰাকী একান্ত সেৱক তথা প্ৰচাৰক হিচাপে তেখেত সুপৰিচিত । প্ৰাথমিক শাখাৰ সভাপতি, ফৰকাটিং আঞ্চলিক শাখাৰ বিষয়বাব গ্ৰহণ কৰাৰ উপৰি তেখেতে গোলাগাট জিলা শাখাৰ সদস্য, মূল সংঘৰ সদস্য আৰু শৰণ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰে । তেখেত বৰ্তমান মূল সংঘৰ সদস্য । মহাপুৰুষীয়া ধৰ্ম দৰ্শন তথা সাহিত্য সংস্কৃতি অধ্যয়নত তেখেতে ৰত হৈ প্ৰবন্ধ-পাতি ৰচনা কৰিছে । বিভিন্ন আলোচনীত তেখেতৰ ধৰ্মীয় প্ৰবন্ধ প্ৰকাশ পাইছে ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

### বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া

১৮৩৭ শকৰ জেঠ মাহৰ ২৫ তাৰিখে (ইংৰাজী ১৯১৫ চনৰ ৮ জুন) যোৰহাট কাকজানৰ বামকুকুৰাচোৱা গাঁৱত শ্ৰীসোণাৰাম চুতীয়াদেৱৰ জন্ম হয়। ১৯২২ চনত বামকুকুৰাচোৱা পাঠশালাত নামভৰ্ত্তি কৰে। ১৯২৭ চনত পাঠশালাৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হয় আৰু তিনি টকাকৈ ছাত্ৰ বৃত্তি লাভ কৰে। ১৯৩১ চনত কাকজান চৰকাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ পৰা এম, ই, পৰীক্ষাত উত্তীৰ্ণ হৈ মাহে পাঁচ টকাকৈ ছাত্ৰ বৃত্তি লাভ কৰে। ১৯৩৫ চনত যোৰহাট চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা পাঁচটা বিষয়ৰ লেটাৰ সহ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। লেটাৰ প্ৰাপ্ত বিষয় সমূহ সাধাৰণ গণিত, সংস্কৃত, অসমীয়া, অতিৰিক্ত গণিত আৰু মেকানিকচ্। ১৯৩৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনস্থ কটন মহাবিদ্যালয়ৰ পৰা বিজ্ঞান শাখাত ডিষ্টিংশ্বনসহ স্নাতক ডিগ্ৰী লাভ কৰে। সেই বছৰৰে চাৰি চেপ্তেম্বৰত দ্বিতীয় মহাসমৰৰ সূচনা হোৱাত ইমানতে তেওঁ শিক্ষা সাং কৰিব লগা হ'ল। তেখেতে শিৱসাগৰ চৰকাৰী উঃমাঃ বিদ্যালয়ত বিজ্ঞান শিক্ষক হিচাবে নিযুক্তি লাভ কৰে। ১৯৪০ চনত শিক্ষকৰ চাকৰি ইস্তফা দি জাতীয় মহাসভাত যোগ দিয়ে।

১৯৪২ চনত ভাৰত ত্যাগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। স্বাধীনতা সংগ্ৰামী ৰূপে সেই বছৰৰ ৪ ডিচেম্বৰত গ্ৰেপ্তাৰ বৰণ কৰে আৰু যোৰহাট জেললৈ প্ৰেৰণ কৰে। কাৰাগাৰত তেখেতে গোপীনাথ বৰদলৈ, ফকৰুদ্দিন আলি আহমেদ্, দেবেশ্বৰ শৰ্মা আদি স্বাধীনতা সংগ্ৰামৰ নেতৃস্থানীয় লোকসকলৰ সান্নিধ্য লাভ কৰে। ১৯৪৩ চনত কাৰাগাৰত অমিয় কুমাৰ দাসে তেখেতক গড়মূৰ সত্ৰৰ প্ৰাক্তন অধিকাৰ প্ৰয়াত পীতাম্বৰ দেৱ গোস্বামীৰ সৈতে সাক্ষাত কৰায়। এইখিনিতে প্ৰসঙ্গ ক্ৰমে 'পূজ্যপাদ চুতীয়া বাপৰ' এটি ঘটনাৰ কথা উল্লেখ কৰিব লগীয়া হ'ল। তেখেত শ্ৰীমন্ত শঙ্কৰদেৱ মহাপুৰুষৰ প্ৰৱৰ্ত্তিত ধৰ্ম-দৰ্শনৰ প্ৰতি আকৃষ্ট হৈছিল যদিও দেশত সেই সময়তে ধৰ্মৰ নামত চলি থকা অনাচাৰ, ব্যভিচাৰবিলাকে তেখেতৰ মন বিচলিত কৰিছিল। সেয়ে তেখেতে খ্ৰীষ্ট ধৰ্মত দীক্ষা লোৱাৰ সিদ্ধান্ত কৰি এটা দিন ধাৰ্য কৰি সকলো যোগাৰ কৰিছিল। কিন্তু সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামী প্ৰভুৰ অনুপ্ৰেৰণাত তেখেতৰ মনৰ পৰিবৰ্ত্তন ঘটিল। সত্ৰাধিকাৰ প্ৰভুৱে তেখেতক বেদ উপনিষদ অধ্যয়নৰ পৰামৰ্শ দিয়ে আৰু যত যি শাস্ত্ৰৰ প্ৰয়োজন হয় সকলো দিব বুলি আশ্বাস দিলে। অধ্যয়নপুষ্ট, অনুসন্ধিৎসু চুতীয়াদেৱে সত্ৰাধিকাৰ প্ৰভুৰ পৰামৰ্শ আশীৰ্বাদ হিচাবে লৈ কাৰাগাৰৰ ভিতৰতে অধ্যয়ন আৰম্ভ কৰিলে। এগৰাকী বিদগ্ধ পণ্ডিতৰ আশ্বাস বাণীয়ে চুতীয়াদেৱৰ অন্তৰত অদম্য সাহসৰ সৃষ্টি কৰিলে আৰু গীতা, ভাগৱত, বেদ-উপনিষদ, কীৰ্ত্তন, ঘোষা আদি সকলো শাস্ত্ৰ অধ্যয়নত ৰত হ'ল। ১৯৪৫ চন। সৰ্বাত্মক ভাৰতত্যাগ আন্দোলনৰ ফলশ্ৰুতিত সাম্ৰাজ্যবাদী ইংৰাজ চৰকাৰে মহাত্মা গান্ধী প্ৰমুখ্যে নেতৃবৃন্দৰ

লগত আপোচ মীমাংসা লৈ আহিল । ক্ৰমে ভাৰতৰ স্বাধীনতাৰ বেলি পূব দিশত উদয় হ'ল ।

মুক্তি যোদ্ধা শ্ৰীসোণাৰাম চুতীয়াদেৱে পুনৰ শিক্ষকতাৰ বৃত্তি ল'লে আৰু বলমাৰ চন্দ্ৰ কমল বেজবৰুৱা হাইস্কুলত প্ৰধান শিক্ষক হিচাবে যোগদান কৰিলে । ১৯৪৬ চনত জাতীয় চৰকাৰ গঠন হোৱাত কংগ্ৰেছ মন্ত্ৰী সভাই গাঁও উন্নয়ণ আঁচনি আইনত পৰিণত কৰিলে । যোগ্যবান ব্যক্তিক বয়সলৈ আওকান কৰি গাঁও উন্নয়ণ বিষয়া নিয়োগ কৰিলে । তেখেতকো' গাঁও উন্নয়ণ বিষয়া' (Rural Development officer) হিচাবে মকলৰ কৰিলে ।

বেদ-বেদান্ত, ৰামায়ণ, মহাভাৰত আদি শাস্ত্ৰ বিলাক তেখেতে অধ্যয়ন কৰোঁতে মূল শাস্ত্ৰবিলাক আনি পঢ়িছিল । হিন্দী আৰু বঙালি ভাষা ভালকৈ জনা কাৰণে মূল শাস্ত্ৰৰ অনুবাদ চাই নিজৰ সন্দেহ দূৰ কৰিছিল; মূলতঃ সংস্কৃত ভাষাত তেখেত গভীৰ জ্ঞান থকাৰ বাবেই গীতা ভাগৱত অধ্যয়ন কৰা সহজ হৈছিল । শ্ৰীযুত চুতীয়াদেৱে ঈশ্বৰমুখী উপনিষদসমূহ সংগ্ৰহ কৰি তাৰ সূত্ৰ বিলাক তন্ন-তন্নকৈ অৰ্থ বিচাৰ কৰিছিল আৰু সৰ্বশাস্ত্ৰ বিশাৰদ শ্ৰীমন্ত শঙ্কৰদেৱ মহাপুৰুষেই নিজ মাতৃভাষাত এই তত্ত্বসমূহ অমৰ লিখনিৰে লিখি থৈ যোৱাৰ প্ৰমাণ উদ্ধাৰ কৰিছিল । এই বিলাকৰ প্ৰামাণ্য গ্ৰন্থ হিচাবে কীৰ্ত্তন, দশম, ভক্তি ৰত্নাকৰ শাস্ত্ৰ ৰচনা কৰিছিল । সহজ-সৰল ভাষাত এক ঈশ্বৰবদী এই শাস্ত্ৰ সমূহে কম বিদ্যাৰ লোকসকলক আকৃষ্ট কৰিছিল । মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অভিন্ন আত্মাস্বৰূপ প্ৰিয় শিষ্য শ্ৰীশ্ৰীমাধৱদেৱে নামঘোষা, ভক্তি ৰত্নাৱলী শাস্ত্ৰ ৰচনা কৰিছিল ? শ্ৰীযুত চুতীয়াদেৱে মহাপুৰুষদুজনাৰ পদাঙ্কণ কৰি বেদ-বেদান্ত, পুৰাণ , ভগৱদ্গীতা আদি শাস্ত্ৰৰ দুৰ্বোধ তত্ত্ব মাতৃভাষা অসমীয়লৈ অনুবাদ কৰিছিল ।

১৯৪৬ চনত গুৰু আৱিৰ্ভাৱ মহোৎসৱত ৰমাকান্ত মুক্তিয়াৰ আতাৰ দ্বাৰা পৰিচালিত নগাঁৱৰ পলাশনি আশ্ৰমত যোগ দিয়ে আৰু তেতিয়াৰপৰা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰচাৰ সংগঠনৰ কামত আত্মনিয়োগ কৰে । শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ মহাপুৰুষীয়া ধৰ্ম-সংস্কৃতিৰ এটি সৰ্ববৃহৎ শক্তিশালী অনুষ্ঠান । আৱহমান কালৰ পৰা চলি অহা ধৰ্মৰ নামত ভেদাভেদ, জাতি সম্প্ৰদায়ৰ প্ৰতি অবিচাৰ বিলাকত অসমীয়া জাতি খান-বান হোৱাৰ উপক্ৰমৰপৰা অৱসান ঘটাবলৈ এই অনুষ্ঠানে আজি তিনিকুৰি অধিককাল চেষ্টা চলাই আহিছে । কালপূৰ্বজ ধৰ্মাধিকাৰী গড়মূৰীয়া সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামী, ৰমাকান্ত মুক্তিয়াৰ আতা, হলধৰ ভূঞা, তীৰ্থনাথ গোস্বামী, ডিম্বেশ্বৰ নেওগ আদি বৰেণ্য ব্যক্তিসকলে এই অনুষ্ঠানৰ পদাধিকাৰৰ দায়িত্ব লৈ অসমীয়া জাতিক নতুন পোহৰৰ সংস্কাৰৰ বাট দেখুৱাই গ'ল । এনে এটি ধৰ্ম সংস্কৃতিৰ অনুষ্ঠানৰ পদাধিকাৰ হিচাবে শ্ৰীযুত চুতীয়াদেৱে সৰ্বাধিক কাল সেৱা কৰিলে ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

এইখিনিতে উল্লেখ কৰা দৰ্কাৰ ১৯৫৪ চনত গোলাঘাটত গ্ৰাম্য উন্নয়ণ বিষয়া হৈ থকাৰ সময়ছোৱাত তেখেতে গোলাঘাটৰ বিভিন্ন অঞ্চলত সংঘৰ প্ৰচাৰ প্ৰসাৰ ঘটাই প্ৰাথমিক শাখা গঠন কৰে আৰু গোলাঘাট জিলা শাখা গঠন কৰি (১৯৫৪-৫৫ চন) সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে। গোলাঘাট জিলা শাখাৰ প্ৰতিষ্ঠাপক সভাপতি হিচাবে তেখেতে ১৯৫৪ চনৰপৰা ১৯৬০ চনলৈ কাৰ্যনিৰ্বাহ কৰে। ১৯৫৬ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ চৰাই দলনি, উত্তৰ লক্ষীমপুৰত অনুষ্ঠিত ২৮ তম অধিবেশনত পদাধিকাৰৰ আসন অলংকৃত কৰিছিল। ইয়াৰউপৰি ১৯৬৫ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ দৰং জিলাৰ কলাবাৰীত অনুষ্ঠিত ৩৪ তম অধিবেশন, ১৯৬৬ চনত তিনিচুকীয়া, ডিব্ৰুগড়ত ৩৫ তম অধিবেশন, ১৯৬৭ চনত হাওৰাঘাট, কাৰ্বি আংলংত, ১৯৬৮ চনত বিজনী, গোৱালপাৰাত ৩৭ তম অধিবেশন, ১৯৬৯ চনত মাজবাট, দৰংৰ ৩৮ তম অধিবেশন, ১৯৭০ চনত উত্তৰ লক্ষীমপুৰ নগৰত ৩৯ তম অধিবেশন, ১৯৭৭ চনত কেন্দুগুৰি যোৰহাটত ৪৬ তম অধিবেশন, ১৯৭৮ চনত গুৱাহাটী, কামৰূপত ৪৭ তম অধিবেশনত সংঘৰ পদাধিকাৰ আসন অলংকৃত কৰি এই জাতীয় অনুষ্ঠানটিৰ গৌৰৱ কঢ়িয়াই আনিছিল।

শ্ৰীযুত চুতীয়াদেৱ এগৰাকী নিৰ্ভীক সমালোচক তেখেতৰ ভালেকেইখন মহাপুৰুষীয়া ধৰ্মৰ সমালোচনাৰ পুথি আৰু শতাধিক প্ৰৱন্ধ প্ৰকাশ পাইছে। প্ৰকাশিত গ্ৰন্থ কেইখন হ'ল - (১) ঈশ্বৰ সৰ্বাপিতা (অনুবাদ) ১৯৫৪ চন, (২) নামধৰ্ম প্ৰকাশ ১৯৫৪, (৩) মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ চৰিত্ৰ (সমালোচনা) ১৯৬৮, (৪) অসমৰ বৈষ্ণৱ দৰ্শনৰ স্বৰ্ণৰেখা ১৯৭২, (৫) বিষোদাগাৰৰ বিচিত্ৰ কাহিনী ১৯৭৬, (৬) মহাপুৰুষীয়া ধৰ্ম আৰু কৰ্ম-কাণ্ড - ১৯৮০ চন, (৭) শোৱৰ আষুধি ১৯৮০, (৮) ভাগৱত মাহাত্ম্য, ১৯৮৬, (৯) মহাপুৰুষীয়া ধৰ্ম-জিজ্ঞাসা ১৯৮৬ চন, (১০) বেদ আৰু মহাপুৰুষীয়া ধৰ্ম ১৯৮৮ চন, (১১) মুণ্ডণ, ১৯৭৮ চন, (১২) ভক্তি ৰত্নাৱলী টীকা - ভাষ্য সহ সম্পাদনা ১৯৭৯ চন। শ্ৰীযুত চুতীয়া দেৱৰ অধ্যয়নৰ পৰিসৰ অতি ব্যাপক। স্মৃতিশক্তি অসামান্য আৰু অনুকৰণীয়। মুক্তি যোদ্ধা শ্ৰীযুত সোণাৰাম চুতীয়াদেৱ ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় সন্মান পেঞ্চনেৰে সন্মানিত হোৱাৰ উপৰিও তাম্ৰ পত্ৰৰে সন্মানিত (১৯৭২ চন, ১৫ আগষ্ট)।

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰচাৰ আৰু প্ৰসাৰত আত্মনিয়োগ কৰি থকাৰ মাজতে বেদ, উপনিষদ, গীতা, ভাগৱত আদি মূল সংস্কৃত গ্ৰন্থ আৰু পৃথিৱী বিখ্যাত শ্ৰেষ্ঠ মনীষীসকলক লিখা অসংখ্য গ্ৰন্থ অধ্যয়নেৰে জ্ঞান সমৃদ্ধ হৈ তেখেতে বহুতো গ্ৰন্থ, প্ৰৱন্ধ লিখি গুৰুজনাৰ ধৰ্মীয় মতাদৰ্শ জনমানসত সুদৃঢ়ভাৱে প্ৰতিষ্ঠা কৰাত, যি অসামান্য বৰঙণি যোগাইছে। তাৰ বাবে ভক্ত-বৈষ্ণৱসকলৰ স্মৃতিত চিৰদিনৰ বাবে নমস্য আৰু বৰেণ্য ব্যক্তিৰূপে জিলিকি থাকিব। এই অসাধাৰণ প্ৰতিভা আৰু পাণ্ডিত্যৰ

বাবেই শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই এই গৰাকী বৰ্ষীয়ান সঙ্গীক 'বৈষ্ণৱ পণ্ডিত' উপাধিৰে বিভূষিত কৰি সংঘৰ দ্বাৰা ঘোষিত 'শ্ৰীমন্ত শঙ্কৰদেৱদেৱ মাধৱ দেৱ' বঁটা আগবঢ়াই পৰম কৃতাৰ্থ লভিছে।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ অসমৰ এজন অক্লান্ত সৈনিক হিচাবে তেখেতে যি অগ্ৰণী ভূমিকা লৈছিল সেইয়া সকলোৰে বাবে প্ৰেৰণাদায়ক। গণ মুক্তিৰ চেতনাৰ পৰা আধ্যাত্মিক মুক্তি আন্দোলনলৈ জীৱনৰ সুদীৰ্ঘ পথ অতিক্ৰমাত শত দুখ-গ্লানিক অতিক্ৰম কৰিব পৰাকৈ গান্ধীবাদৰ নৈতিকতা আৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ভক্তি মাৰ্গই শ্ৰীযুত চুতীয়া বাপক সাহসী আৰু নমনীয় কৰি তুলিছে। অস্পৃশ্যতা বৰ্জিত এখন বহল অসমীয়া সমাজ গঢ়াৰ স্বাৰ্থত নিষ্ঠাৰে জনসাধাৰণৰ মাজলৈ উচ্চ আধ্যাত্মিক আৰু সাংস্কৃতিক চিন্তা -চেতনাৰ সোঁত বোৱাই যি বলিষ্ঠ আৰু গতিশীল ভূমিকা লৈছে তাৰ বাবে অসমৰ বৈষ্ণৱ সমাজ গৌৰৱান্বিত।

শ্ৰীযুত চুতীয়াবাপৰ ছয় বছৰীয়া গোলাঘাট জিলা শাখাৰ সভাপতিৰ কালছোৱাত জিলাখনৰ চুকে কোনে মহাপুৰুষীয়া ধৰ্মৰ শুদ্ধ প্ৰচাৰ কাৰ্য চলাইছিল। ফলস্বৰূপে সেই সময়তে অৰ্থাৎ ষাঠীৰ দশকত প্ৰায় ৩০ খন প্ৰাথমিক শাখা গঠন হৈছিল। চুতীয়াবাপৰ সৱল নেতৃত্বত গঢ় লৈ উঠা গোলাঘাট জিলা শাখাই (অবিভক্ত) বৰ্ত্তমান পাঁচশখনৰো অধিক প্ৰাথমিক শাখা গঠন কৰিবলৈ সমৰ্থ হৈছে। তেখেতৰ অক্লান্ত পৰিশ্ৰম আৰু ত্যাগে গোলাঘাটৰ সঙ্গীসকলক যথেষ্ট উৎসাহিত কৰিছে। তেখেত ৰাইজৰ প্ৰেৰণাৰ উৎস হৈ ৰ'ব। গোলাঘাট জিলা শাখাৰ সঙ্গীসকলৰ হৈ আমি তেখেতক কৃতজ্ঞতা জনালোঁ। তেৰাৰ সুস্বাস্থ্য আৰু সুদীৰ্ঘ জীৱন কামনা কৰিলোঁ।

## শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া ঃ

১৯৩৫ চন, আহিন মাহ, শুক্লাষ্টমী, মঙ্গলবাৰৰ ষষ্ঠ প্ৰহৰ জগতৰ মনোৰম সৌন্দৰ্য্যৰে জগত আচ। জগত নিয়ন্তা পুৰুষৰ লীলা মায়াৰে মোহিত হৈ জগতৰ মনুষ্যগণৰ এটি সংখ্যাৰ সংযোগ ঘটিল। এটি পাৰ্থিব নশ্বৰদেহী এটি শিশুৰ। নাম ৰখা হ'ল - গোবিন্দ। স্বৰ্গীয় কেশৱৰাম শইকীয়াৰ পুত্ৰ স্বৰ্গীয় কান্তিৰাম শইকীয়াৰ অন্তৰ উপচি পৰিল প্ৰথম পুত্ৰ লাভৰ আনন্দেৰে। মাতৃ স্বৰ্গীয় খগেশ্বৰী শইকীয়াৰ হিয়াতো আনন্দৰ জোৱাৰ উঠিল নৱাগত শিশুৰ সুকোমল স্পৰ্শত। পুত্ৰ লাভৰ উৎকণ্ঠা নিৰ্বাপিত হ'ল পুত্ৰ মুখ দৰ্শনত। কি যে প্ৰশান্তি ?? কি যে সুখানন্দানুভূতি ???

কাল অতিক্ৰম কৰে, জগতৰ আয়ু দৰে। জগতৰ বহু ঘাত-প্ৰতিঘাত হয়তো পাৰ কৰে বহুলোকে বহু মনে। অপ্ৰত্যাশিত ভাৱে জীৱন কাল আগবাঢ়ি গৈ থাকে। এইজন শিশুৱেও বাল্যকাল অতিক্ৰমি ১৯৫৫ চনত ১৭ বছৰ বয়সত পৰিয়ালৰ

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

প্ৰথম সন্তান হৈ আধুনিক জগতৰ শিক্ষাৰে শিক্ষিত হোৱাৰ লক্ষ্যৰে প্ৰবেশিকা পৰীক্ষাৰ দেওনা পাৰ হোৱাৰ সৌভাগ্য ঘটে। দেশৰো কালচক্ৰৰ লগে লগে গাওঁভূঁই বিলাকতো এনেদৰে শিক্ষাৰ আলোক সিঁচৰতি হয়। গোলাঘাট জিলা, খুমটাই মৌজাৰ বুঢ়া লিকচন গাঁৱৰ ল'ৰায়ো মহাবিদ্যালয় গৰকে। যোৰহাট জগন্নাথ মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰি ১৯৫৭ চনত আই, এছ, ছি পৰীক্ষাত উত্তীৰ্ণ হয়। নিম্ন মধ্যবিত্ত সীমাৰেখাৰো তলৰ পৰিয়ালৰ ছাত্ৰ হোৱাৰ কাৰণে ১৯৫৭-৫৯ এই দুটা বছৰ শিক্ষকতা কৰি পুনৰ উক্ত মহাবিদ্যালয়তে তৃতীয় বাৰ্ষিক বিজ্ঞানৰ স্নাতক মহলাত নাম ভৰ্ত্তি কৰি ১৯৬১ চনত স্নাতক ডিগ্ৰী লাভ কৰে। শিক্ষা জীৱনৰ ইমানতে ইতি পেলাই এই চনৰে পৰাই ১৯৯৬ চনৰ ৩১ জানুৱাৰী পৰ্যন্ত মিছামৰা মৌজাৰ অৱস্থিত মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা বৃত্তিকে অৱলম্বন কৰি অৱসৰ গ্ৰহণ কৰে।

সামাজিক জীৱন ঃ সৰু অৱস্থাৰ পৰাই সমাজৰ ধৰ্ম্ম আচৰণ আৰু কৰ্ম্ম ৰাজিৰ লগত প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে জড়িত হোৱাৰ পৰিপ্ৰেক্ষিততে ধৰ্ম্ম চিন্তাই ঠাই পায়। তেওঁৰ পিতৃ এগৰাকী ধৰ্ম্মপৰায়ণ ব্যক্তি আছিল। জীৱনৰ শেষ অৱস্থালৈকে নিত্য প্ৰসঙ্গ কৰিছিল। অন্যান্য ধৰ্ম-কৰ্ম্ম সমূহো নিয়াৰিকৈ পালন কৰিছিল। গাঁৱৰ নামঘৰৰ উন্নতি সাধন, প্ৰাথমিক বিদ্যালয়ৰ প্ৰগতি সাধনাদি কৰ্ম্ম সমূহতো ওতঃপ্ৰোতঃ ভাৱে জড়িত আছিল। সেয়ে পিতৃয়েকৰ কৰ্ম্মৰাজিৰ প্ৰভাৱ অজানিতে পৰিছিল। পুত্ৰ হিচাপে পিতৃৰ আদৰ্শ আৰু কৰ্ম্ম প্ৰেৰণাই নিশ্চয় এখেতৰ মূলধন বুলি ক'ব পাৰি। তদুপৰি তদানিন্তন সামাজিক নীতি, আদৰ্শ আৰু কুসংস্কাৰ আদিৰ প্ৰতি-তেওঁৰ মনটোৱে বিদ্ৰোহী হৈ উঠিছিল তাৰ কেইবাটিও প্ৰমাণ কিশোৰ অৱস্থাতে দেখা পোৱা হৈছিল। এই সামাজিক কুসংস্কাৰ সমূহ সমাজৰ পৰা কেনেকৈ নিৰ্মূল কৰিব পাৰি তাৰ চিন্তাই বাৰকৈয়ে মনত খিতাপি লৈছিল। সেয়ে সৰুকালৰ পৰাই মহাপুৰুষ দুজনাৰ ধৰ্ম্ম, গ্ৰন্থ সমূহ অধ্যয়ন কৰিবলৈ মনোনিবেশ কৰে। মহাপুৰুষীয়া ধৰ্ম্ম সাহিত্য সংস্কৃতিৰ প্ৰতি প্ৰগাঢ় বিশ্বাসেৰে অনুপ্ৰাণিত হৈ ১৯৫৯ চনত শ্ৰীমন্ত শঙ্কৰ দেৱ সঙ্ঘৰ অন্তৰ্ভুক্ত হয়। তেতিয়াৰ পৰা অদ্যপৰিয়িত সংঘৰ একনিষ্ঠ সেৱক হিচাপে ৰাইজৰ সেৱাতে নিমগ্ন আছে। তেওঁাই জিলা আৰু মূল সঙ্ঘৰ কেইবাটিও পদত অধিষ্ঠিত হৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ অনুষ্ঠানটিক আগবঢ়াই নিয়াত অৰিহণা যোগাইছিল। ১৯৬৬ চনৰ ১২, ১৩ মাৰ্চত তামূলী পথাৰত অনুষ্ঠিত জিলা অধিবেশনত জিলা সম্পাদক নিৰ্ব্বাচিত হয়। ১৯৭৩ চনৰ ২১-১০-৭৩ তাৰিখে আঠ বছৰ একাধাৰে কাৰ্য নিৰ্ব্বাহ কৰাৰ অন্তত জিলা সম্পাদকৰ পদ ইস্তফা দি মূল কাৰ্যনিৰ্বাহকৰ সদস্য হয়। ১৯৭৫ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মুখপত্ৰ 'নামধৰ্ম' আলোচনীৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰে। ১৯৭৭ চনত যোৰহাট কেন্দুগুৰিত অনুষ্ঠিত ৪৬ তম্ অধিবেশনত মূল সঙ্ঘৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। সুদীৰ্ঘ আঠবছৰ কাল ৰাজ্যিক সম্পাদকৰ দায়িত্ব সুচাৰুৰূপে

পালন কৰি নলবাৰীত অনুষ্ঠিত মূলৰ অধিবেশনত উপ-পদাধিকাৰ পদত অধিষ্ঠিত হয়। উল্লেখযোগ্য যে ১৯৭৫ চনত গোলাঘাটৰ বৰুৱা বামুণ গাঁৱত অনুষ্ঠিত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ৪৪ তম অধিৱেশন মহা প্ৰয়োভৰেৰে অনুষ্ঠিত কৰা হয় । এই অধিৱেশনৰ আদৰণী সমিতিৰ প্ৰধান সম্পাদকৰ গুৰুভাৰ এইগৰাকী ব্যক্তিৰ ওপৰতে অৰ্পণ কৰা হয়। এখেতৰ সু পৰিচালনাতে অধিৱেশনখনি জাক জমকতাৰে সু-সম্পাদন হোৱাতো সদৌ গোলাঘাটবাসী ৰাইজৰে গৌৰৱৰ কথা ।

শ্ৰীশইকীয়া এজন সুলেখক হিচাপে পৰিগণিত । গোলাঘাটৰ দেৰগাঁও অঞ্চলৰপৰা প্ৰকাশিত ‘শ্ৰীমন্ত’ নামৰ সাহিত্য-কলা-সাংস্কৃতিক আলোচনীখনিৰো ১৯৭০ চনৰপৰা সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰে । এখেতে বহু আলোচনী, স্মৃতিগ্ৰন্থ, বাতৰি কাকত আদিত ধৰ্মমূলক প্ৰৱন্ধ অবিৰতভাৱে লিখি আছে । ‘কৃষ্ণ শঙ্কৰ’ নামৰ এখনি পুস্তিকাৰ উপৰি আৰু দুখন কবিতা পুথি প্ৰকাশ কৰি এজন কবি সাহিত্যিক হিচাপেও পৰিগণিত হৈছে । শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰচাৰিত হৰিনাম ধৰ্মৰ এজন অনুৰাগী ব্যক্তি আৰু শাস্ত্ৰজ্ঞ লোক হিচাপে গুৰুধৰ্ম প্ৰচাৰত আজীৱন ব্ৰতী হৈ আছে ।

## লেখোৰাম বৰুৱা ঃ

মৰঙি মৌজাৰ পানীকৰা গাঁৱত ১৮৬২ শক, ১৭ চ'ত, ইং ১৮৪০ চনৰ এপ্ৰিল মাহত শ্ৰীযুত লেখোৰাম বৰুৱা বাপৰ জন্ম হয় । ছাত্ৰ অৱস্থাৰ পৰাই তেখে সামাজিক কামত জড়িত আৰু ধৰ্মীয় চিন্তা-চৰ্চাৰ প্ৰতি আগ্ৰহী ব্যক্তি । ১৯৬১ চনত প্ৰৱেশিকা পৰীক্ষা পাছ কৰি পৰিয়ালৰ আৰ্থিক অৱস্থা টনকীয়াল নোহোৱাৰ কাৰণে উচ্চ শিক্ষা লাভ কৰাৰপৰা বঞ্চিত হ'ব লগা হ'ল । তেখেতৰ কৰ্মজীৱন আৰম্ভ হয় ১৯৬২ চনত ৰংবং প্ৰাথমিক বিদ্যালয়ত শিক্ষক হিচাপে । ১৯৬৩ চনত মৰঙি মোক্তাৰ প্ৰাইমেৰী বিদ্যালয়ত সহঃশিক্ষক, সেই চনতে দেৰগাঁৱৰ কচলিয়াল প্ৰাথমিক বিদ্যালয়ত সহ শিক্ষক, বৰপথাৰ নাহৰবাৰী উঃ বুঃ বিদ্যালয়ত সহঃ শিক্ষকতা কৰে । ১৯৬৬ চনত শ্ৰীযুত বৰুৱাদেৱে যোৰহাট নৰ্মাল স্কুলত প্ৰশিক্ষণ লৈ পুনৰ ১৯৭০ চনত নাহৰবাৰী উঃ বুনিয়াদী বিদ্যালয়ত প্ৰধান শিক্ষক পদত নিযুক্তি লাভ কৰে । যোৰহাটত থকা সময়ছোৱাত কেইগৰাকীমান মহাপুৰুষীয়া ধৰ্ম দৰ্শনৰ অনুৰাগী, তত্ত্বজ্ঞ লোকৰ সান্নিধ্য লাভ কৰি মহাপুৰুষীয়া ধৰ্মৰ প্ৰতি আকৃষ্ট হয় আৰু ভাগৱত শাস্ত্ৰ অধ্যয়ন কৰাত মনোনিবেশ কৰে । তেতিয়াৰপৰাই তেখেত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সঙ্গীভুক্ত হয় । ১৯৭৩ চনৰপৰা মৰঙি ৰামাসুন্দৰী উঃ বুনিয়াদী বিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে ।

এগৰাকী সংঘৰ একান্ত সেৱক হিচাবে তেখেতৰ ভূমিকা উল্লেখযোগ্য ।

তেখেতে পানীকবা প্ৰাথমিক শাখা গঠন আৰু প্ৰাথমিকৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰে। ৫২৯/৩০ শঙ্কৰাব্দত মৰঙি আঞ্চলিকৰ সম্পাদক, ৫৩১/৩২ শঙ্কৰাব্দত আঞ্চলিকৰ সভাপতি, ৫৩৩-৩৪ শঙ্কৰাব্দত গোলাঘাট জিলা শাখাৰ সম্পাদক, ৫৪৫-৪৮ শঙ্কৰাব্দ বছৰত জিলা সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে সংঘৰ প্ৰচাৰ প্ৰসাৰত বিশেষ ভূমিকা গ্ৰহণ কৰে। ইয়াৰ উপৰি মৰঙীত অনুষ্ঠিত জিলা অধিৱেশনৰ আদৰণী সমিতিৰ সম্পাদক, সভাপতিৰ দায়িত্ব বহন কৰিছিল। শ্ৰীযুত বৰুৱাদেৱ স্থানীয়ভাবে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ আছে। বৰ্তমান গোলাঘাট জিলা শাখাৰ উপদেষ্টা আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ শৰণ সদস্য। (১৯৯৯-২০০০ বৰ্ষ) পদত থাকি সংঘৰ প্ৰতি নিঃস্বাৰ্থ সেৱা আগবঢ়ায়।

## হেম শইকীয়া ঃ

১৯৩৮ চনৰ ১৬ জানুৱাৰী তাৰিখে বুঢ়ালিকচন গাঁৱত শ্ৰীযুত হেম শইকীয়াদেৱৰ জন্ম হয়। সাধাৰণ এটি কৃষক পৰিয়ালত জন্ম হোৱা শ্ৰীযুত শইকীয়াদেৱে নিজৰ প্ৰতিভাৰে সমাজত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়। ১৯৫৭ চনত প্ৰৱেশিকা পৰীক্ষা পাছ কৰি ১৯৬৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

১৯৫৯ চনত বেটিয়নী উচ্চ বুনিয়াদী বিদ্যালয়ত তেখেতে ইংৰাজী বিষয়ৰ শিক্ষক হিচাপে নিযুক্তি লাভ কৰে। ১৯৬০ চনত মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষকৰ পদত নিযুক্তি লাভ কৰি সুদীৰ্ঘ দিন ধৰি চাকৰি কৰাৰ পিছত ১৯৮৫ চনত উক্ত বিদ্যালয়তে অৰ্থনীতি বিষয়ৰ উচ্চতৰ শাখাৰ বিষয় শিক্ষক হিচাপে পদোন্নতি হয়। ১৯৯৬ চনৰ ফেব্ৰুৱাৰী মাহৰ ৯ তাৰিখৰপৰা মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপাধ্যক্ষ আৰু চলিত বছৰৰ অক্টোবৰ মাহৰ ১ তাৰিখৰপৰা অধ্যক্ষ হিচাপে নিযুক্তি পাই বৰ্তমান কাৰ্যনিৰ্বাহ কৰি আছে। ছাত্ৰ অৱস্থাৰেপৰা শ্ৰীযুত শইকীয়াদেৱ এগৰাকী সচেতন আৰু অধ্যয়নশীল ব্যক্তি আছিল। তেখেতে শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত ধৰ্ম-দৰ্শন তথা শঙ্কৰী সংস্কৃতি সূক্ষ্মভাৱে অধ্যয়ন কৰিছিল। গীতা, ভাগৱত, মহাভাৰত আৰু অন্যান্য পুৰাণ আদিৰ আখ্যানে তেখেতক বিশেষভাৱে অনুপ্ৰাণিত কৰিছিল। অসমৰ সৰ্ববৃহৎ ধৰ্ম-সংস্কৃতিৰ অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ আদৰ্শত শ্ৰীযুত শইকীয়া আপ্লুত হৈ সংঘভুক্ত হয়। গোলাঘাট জিলা শাখাৰ অন্তৰ্গত বুঢ়ালিকচন প্ৰাথমিক শাখাৰ সঙ্গীভুক্ত হৈ তেখেতে প্ৰচাৰ -প্ৰসাৰত মনোনিবেশ কৰে। কেৱল প্ৰাথমিক শাখাৰ সংগঠনতে আবদ্ধ নাথাকি অবিভক্ত গোলাঘাট জিলাৰ বিভিন্ন ঠাইত দৈয়াং, সৰুপথাৰ, বৰপথাৰ, বোকাখাটৰ মিচিং সম্প্ৰদায়ৰ মাজত, দেৰগাঁও, মিছামৰা অঞ্চলৰ চাহ

জনগোষ্ঠী তথা পিছপৰা অঞ্চলবোৰত সংঘৰ প্ৰচাৰ কাৰ্য চলাই শাখাসমূহ গঠন কৰাত মনোনিবেশ কৰে । গুৰুজনাৰ ধৰ্মাদৰ্শ প্ৰচাৰ কৰাত তেখেতে নিঃস্বাৰ্থভাৱে সংঘৰ প্ৰতি সেৱা আগবঢ়াইছিল । তেখেতৰ অগ্ৰজ শ্ৰীযুত গোবিন্দচন্দ্ৰ শইকীয়া বাপো শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী নিষ্ঠাবান কৰ্মী । বিশেষকৈ জিলাখনত প্ৰচাৰ সংগঠনত দুয়োগৰাকী সজীৱ ভূমিকা উল্লেখযোগ্য । গোলাঘাট জিলা সংঘৰ স্থায়ী কাৰ্যালয় নথকাৰ সময়ত শ্ৰীযুত শইকীয়া বাপৰ বাসগৃহকেই জিলা সংঘৰ কাৰ্যালয় বুলি গণ্য হৈছিল । সেই গৃহতেই অবিৰতভাৱে সংঘৰ সংগঠন, প্ৰচাৰ-প্ৰসাৰৰ কৰ্ম-আঁচনি সম্পৰ্কে আলোচনা হৈছিল ।

১৯৭৩ চনত শ্ৰীযুত হেম শইকীয়াবাপ গোলাঘাট জিলা শাখাৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি সুদীৰ্ঘ আঠ বছৰ ধৰি এই গুৰু দায়িত্ব পালন কৰে । ১৯৮১ চনৰপৰা ১৯৮৫ চনলৈ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সাহিত্য শাখাৰ সম্পাদকৰ পদত কাযনিৰ্বাহ কৰি 'নামধৰ্ম' আলোচনীৰ সম্পাদনা কৰিছিল । ইয়াৰউপৰি তেখেতে এটা কাৰ্যকাল গোলাঘাট জিলা সাহিত্য শাখাৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰে । তেখেত এগৰাকী মহাপুৰুষীয়া সাহিত্য-সংস্কৃতিৰ সমালোচক । ভালেসংখ্যক প্ৰবন্ধ-নামধৰ্ম, শ্ৰীমন্ত আৰু অন্যান্য সাময়িক পত্ৰিকাত প্ৰকাশ হৈছে । তেখেতৰ নিঃস্বাৰ্থ কৰ্মপ্ৰেৰণা আৰু ত্যাগ সংঘৰ ভকত বৈষ্ণৱসকলৰ কাৰণে সদায় অনুপ্ৰেৰণাৰ থলি হৈ থাকিব ।

## চন্দ্ৰ হাজৰিকা ঃ

১৮৭১ শক, ২৭ আহিন, ১৯৪৯ চনৰ ১৪ অক্টোবৰ তাৰিখে দেৰগাঁৱৰ কচুবৰীয়া গাঁৱত শ্ৰীযুত চন্দ্ৰ হাজৰিকাদেৱৰ জন্ম হয় । বৰ্তমান দেৰগাঁৱৰ কমাৰ গাঁৱৰ বাসিন্দা । তেখেতৰ দেউতাকৰ নাম প্ৰয়াত দেহীৰাম হাজৰিকা আৰু মাতৃ হিমেশ্বৰী হাজৰিকা । কচুবৰীয়া প্ৰাথমিক বিদ্যালয়ত শিক্ষা আৰম্ভ কৰি ১৯৭৩ চনত দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰপৰা বিজ্ঞান স্নাতক (B.Sc.) ডিগ্ৰী লাভ কৰে । ১৯৭৪ চনৰপৰা ১৯৭৭ চনলৈ নাহৰণী উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰে । ইং ১৫-১১-৭৭ তাৰিখৰপৰা তেল আৰু প্ৰাকৃতিক গেচ আয়োগৰ (O.N.G.C.) উৎপাদন বিভাগৰ (Production Section) চাকৰিত নিযুক্তি পায় । বৰ্তমান উৎপাদন বিভাগৰ উপ-অধীক্ষক অভিযন্তা (Dy. S. E. (P)) পদত কাৰ্য নিৰ্বাহ কৰি আছে ।

**সামাজীক জীৱন ঃ** পিতৃ-মাতৃ ধৰ্মানুৰাগী আৰু একান্ত ভক্তি পৰায়ণ হোৱাৰ কাৰণেই সৰুকালৰ পৰা অৰ্থাৎ প্ৰাথমিক বিদ্যালয়ৰপৰাই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মাদৰ্শৰ প্ৰতি তেখেতৰ প্ৰবল হেপাহ জন্মে । ১২ বছৰ বয়সত ১৯৬১ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৩০ তম্ অধিৱেশন (লুকুমাইত) স্বেচ্ছাসেৱক হোৱাৰ উপৰি ভাওনাত অংশগ্ৰহণ কৰি মহান ভক্তসকলৰ সান্নিধ্য লাভৰ সৌভাগ্য ঘটে । ১৯৬৯ চনত নীতিগতভাৱে

সংঘত শৰণ গ্ৰহণ কৰি লুকুমাই প্ৰাথমিকৰ যোগেদি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সঙ্গীপদ গ্ৰহণ কৰে। ১৯৭২ চনত প্ৰতিকূল পৰিৱেশ তথা নানা বাধা-বিঘিনি অতিক্ৰম কৰি পিতৃৰ মৃতাহ কৰ্ম শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ পদ্ধতিৰে সমাপন কৰে। ১৯৭২ চনত কচুবৰীয়া প্ৰাথমিক শাখা গঠন কৰি সম্পাদকৰ দায়িত্ব লয়। ১৯৭৩ চনত তেখেতৰ বাইদেৱেক শ্ৰীমতী পুষ্পলতা হাজৰিকাৰ বিবাহ নানা বাধা-বিঘিনিৰ মাজেৰে সংঘৰ পদ্ধতিৰে সম্পাদন কৰে। ১৯৭৩ চনত কচুবৰীয়া নামঘৰৰ গোলাঘাট পূৱ আঞ্চলিক শাখা গঠন কৰি সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে, (১৯৭৩-৭৮)। ১৯৭৫ চনত বৰুৱা বামুণ গাঁৱত অনুষ্ঠিত মূল সংঘৰ ৪৪ তম্ অধিৱেশনৰ আদৰণী সমিতিৰ কৰ্ণধাৰ শাখা সমিতিৰ সদস্য আৰু আসন আদিৰ ব্যৱস্থাপনা বিভাগৰ সম্পাদকৰ দায়িত্ব পালন কৰে।

১৯৭৮ চনত শিৱসাগৰ নগৰ প্ৰাথমিক শাখালৈ সঙ্গীপদ স্থানান্তৰ কৰে। সেই সময়ছোৱাত শিৱসাগৰ জিলাৰ গাৱেঁ-ভূঞে, নগৰে-চহৰে নানা সভা-সমিতিৰ জৰিয়তে সংঘৰ প্ৰচাৰৰ কামত ব্ৰতী হয়। ১৯৭৯ চনৰপৰা ১৯৮৫ চনলৈ শিৱসাগৰ জিলা শাখাৰপৰা মূল কাৰ্যনিৰ্বাহকৰ সদস্য নিৰ্বাচন হয়। মূল সাহিত্য শাখাৰ সদস্য, মূল অনুসন্ধান সমিতিৰ সদস্য হয়। ১৯৮৫ চনৰপৰা ১৯৮৭ চনৰ কাৰ্যকালৰ শিৱসাগৰ জিলা শাখাৰ উপ-সভাপতি পদত কাৰ্যনিৰ্বাহ কৰে। ১৯৮৮ চনত শিৱসাগৰত অনুষ্ঠিত ৫৭ তম্ মূল অধিৱেশনৰ আদৰণী সমিতিৰ কৰ্ণধাৰ সমিতিৰ সদস্য তথা সহকাৰী সাধাৰণ সম্পাদকৰ দায়িত্ব পালন কৰে। ১৯৯৩ চনত প্ৰকাশিত 'চিন্তামণি' বাৰ্তালোচনী কাকতৰ প্ৰকাশন পৰিষদৰ সভাপতি হয়। ১৯৯৫ চনত ফৰকাটিঙত অনুষ্ঠিত মূল সংঘৰ ৬৪ তম্ অধিৱেশনৰ কৰ্ণধাৰ সমিতিৰ সদস্য আৰু স্মৃতিগ্ৰন্থ 'শিঙিজানৰ বেঙনি' সম্পাদনা কৰে। ১৯৯৫ চনৰপৰা বৰ্তমানলৈকে মূল কাৰ্যনিৰ্বাহক সমিতিৰ গোলাঘাট জিলাৰ নিৰ্বাচিত সদস্য পদত থকাৰ লগতে বৰ্তমান মূলৰ প্ৰচাৰ শাখাৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। শ্ৰীযুত হাজৰিকাদেৱৰ মহাপুৰুষীয়া ধৰ্ম-দৰ্শনৰ ওপৰত লিখা ভালেসংখ্যক প্ৰবন্ধ-পাতি নামধৰ্ম, মণি-কাঞ্চন, শ্ৰীমন্ত, 'চিন্তামণি' কাকত আৰু বিভিন্ন স্মৃতিগ্ৰন্থ আদি সাময়িক পত্ৰিকাত প্ৰকাশ পাইছে। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী নিঃস্বাৰ্থ কৰ্মী হিচাপে তেখেতে মূল সংঘৰ 'ন্যাস পুঁজি'লৈ তেখেতৰ চাকৰিৰ কালৰ পৰৱৰ্তী সময়ছোৱাত প্ৰতিমাহে এহেজাৰ টকা দান আগবঢ়াবলৈ প্ৰতিশ্ৰুতি দিয়ে। এনে কাৰ্য সঁচাই মহান আৰু জিলাখনৰ কাৰণে গৌৰৱৰ কথা। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী একনিষ্ঠ সেৱক, সংগঠক, প্ৰচাৰক তথা নিৰ্ভীক সমালোচক হিচাপে তেখেতৰ যি ভূমিকা তেনে আদৰ্শ উত্তৰ পুৰুষৰ কাৰণে নিশ্চয় অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব।

## মুক্তিযোদ্ধা ভদ্ৰকান্ত ফুকন ঃ

১৯০৫ চনত ঘিলাধাৰী মৌজাৰ হাবিচুকীয়া গাঁৱত জন্মগ্ৰহণ কৰে। স্বাধীনতা

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

সংগ্ৰামী তথা বিপ্লৱী বীৰ ভদ্ৰকান্ত ফুকনদেৱৰ অক্লান্ত প্ৰচেষ্টাৰ ফলত ঘিলাধাৰী মৌজাৰ হাবিচুকীয়া গাঁৱৰ আশে-পাশে ১৯৭৭ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ফুকনটোল শ্ৰীমন্ত প্ৰাথমিক শাখা গঠন হয়। সেই সময়ত ফুকনদেৱে ভগ্ন শৰীৰ লৈয়ে একশৰণ নামধৰ্ম তথা বৈষ্ণৱ ভক্তিবাদ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে বহুখিনি অৱদান আগবঢ়াই গৈছে আৰু তাৰ প্ৰভাৱৰ আলমলৈয়ে ঘিলাধাৰীৰ পৰা নগাপাহাৰৰ দাতিলৈকে দৈয়াং আঞ্চলিক গঠন হ'বলৈ প্ৰয়াস পালে। সেই সময়ৰ জিলাৰ প্ৰচাৰক শ্ৰীযুত প্ৰবীণ গোহাঁই, শৰণাচাৰ্য্য শ্ৰীযুত ঘন তামুলী, যোৰহাটৰ পদ্ম বৰুৱা, ফৰকাটিং আঞ্চলিকৰ গুণাৰাম ফুকনদেৱৰ উপস্থিতিত ৭ ঘৰ গৃহস্থিক লৈ ফুকনটোল শ্ৰীমন্ত প্ৰাথমিক শাখা নামেৰে ভদ্ৰ ফুকন দেৱৰ গৃহত এখন প্ৰাথমিক গঠন হয়। তাৰ পাছতেই ফুকনটোল প্ৰাথমিক শাখাৰপৰা শ্ৰীমাধৱ ফুকনটোল প্ৰাথমিক শাখা গঠন হয়।

প্ৰয়াত ভদ্ৰ ফুকনদেৱে ১৯৩০ চনৰপৰাই স্বাধীনতাৰ আন্দোলনত জড়িত যদিও সামাজিক সংস্কাৰৰ কাম-কাজত জড়িত হৈ আছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলন আইন অমান্য আন্দোলন ইত্যাদি কামত তেখেত জড়িত থাকিও নিজৰ অঞ্চলৰ ধৰ্ম সংস্কাৰ তথা প্ৰচাৰত বিশেষ অৰিহণা যোগাই গৈছে।

বৰ্তমান তেখেতৰ বৰপুত্ৰ শ্ৰীযুত পূৰ্ণকান্ত ফুকনদেৱক এই সকলোখিনি গতাই থৈ গৈছে। প্ৰয়াত ভদ্ৰকান্ত ফুকনদেৱৰ জন্ম ঘিলাধাৰী মৌজাৰ হাবিচুকীয়া গাঁৱত এটি কৃষক পৰিয়ালত। এগৰাকী সমাজ সচেতন ব্যক্তি। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা পাচত তেখেতে ভাৰত চৰকাৰৰ পৰা পেঞ্চন আৰু তাম্ৰপত্ৰ লাভ কৰে। মুক্তিযোদ্ধা প্ৰয়াত ফুকনদেৱ সকলোৰে স্মৰণীয় হৈ থাকিব। ১৯৭৮ চনত অনুষ্ঠানত জিলা শাখাৰ ৰূপালী জয়ন্তী উৎসৱত তেখেতক সম্বৰ্দ্ধনা জনোৱা হয়।

ভদ্ৰকান্ত ফুকনৰ তিনিগৰাকী পুত্ৰ ক্ৰমে শ্ৰীপূৰ্ণকান্ত ফুকন, শ্ৰীতৰুণ ফুকন, শ্ৰীঅৰুণ ফুকন বৰ্তমান সংঘৰ একনিষ্ঠ সঙ্গী আৰু সংগঠক। শ্ৰীতৰুণ ফুকনদেৱ ঘিলাধাৰী আঞ্চলিক সংস্কৃতি শাখাৰ প্ৰাক্তন সভাপতি। শ্ৰীপূৰ্ণকান্ত ফুকন বৰ্তমান ঘিলাধাৰী আঞ্চলিক সংস্কৃতি শাখাৰ সভাপতি পদত আছে। শঙ্কৰী সংস্কৃতিৰ বিকাশত তেখেত এগৰাকী সচেতন ব্যক্তি।

## প্ৰয়াত গঙ্গাধৰ নাথ ঃ

প্ৰয়াত গংগাধৰ নাথ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী একনিষ্ঠ সেৱক আছিল। অষ্টমমান শ্ৰেণীলৈকে শিক্ষা গ্ৰহণ কৰি ১৯ বছৰ বয়সতে ধৰ্মীয় মত বিৰোধেৰে পিতৃ বাক্যকো নেওচি একশৰণ নামধৰ্মৰ দীক্ষা লয়। ঢেকীয়াল অঞ্চলকে কেন্দ্ৰ কৰি জিলাখনতে এঘাৰ দিনত মৃতাহ কৰ্ম কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল।

তেখেতে অবিভক্ত গোলাঘাট জিলাত গুৰুধৰ্মৰ প্ৰচাৰ-প্ৰসাৰত নিষ্ঠাৰে মনোনিবেশ কৰিছিল। সৰুপথাৰ, বৰপথাৰ, গোলাঘাট, বকলাই আদি ঠাইত সংঘ প্ৰচাৰত অধিক গুৰুত্বৰে দায়িত্ব পালন কৰিছিল।

তেখেত এগৰাকী সু-সংস্কৃতি প্ৰেমী শিল্পী আছিল। তেখেতে কীৰ্তন-ঘোষা, গীতা-ভাগৱতৰ বহু অধ্যায় মুখতে ৰাখিছিল। তেখেতৰ শাস্ত্ৰযুক্তি অতি তীক্ষ্ণ আছিল। কীৰ্তন-ঘোষাভাগ একাদিক্ৰমে মুখস্থ গাব পাৰিছিল। তেখেতৰ কণ্ঠৰ নাম-প্ৰসঙ্গ অতি নিখুঁতভাৱে প্ৰকাশ কৰিব পাৰিছিল। তেখেত এগৰাকী অনাতাঁৰ শিল্পীও আছিল। তেখেতে আকাশবাণীৰ যোগে সংঘৰ আৰ্হিত নাম-প্ৰসঙ্গ প্ৰচাৰ কৰিছিল।

গোলাঘাট জিলা শাখাৰ ঢেকীয়ালস্থ কেন্দ্ৰীয় নামঘৰ মণিকূট, কাৰ্য্যালয় গৃহভাগ নিৰ্মাণত অগ্ৰণী ভূমিকা লৈছিল। মণিকূট নিৰ্মাণ কৰি গুৰু আসন প্ৰতিষ্ঠাৰ পৰা বছৰ জোৰাই পুৱা-সন্ধ্যা প্ৰসঙ্গ কাৰ্য্য ৰক্ষা কৰিছিল। প্ৰচাৰ দিশতে বহু অঞ্চলতে প্ৰসঙ্গৰ শিক্ষা দি বহুজন বৈষ্ণৱক প্ৰসঙ্গ কাৰ্য্য পৰিচালনা কৰিবপৰা উপযোগী কৰি তুলিছিল।

১৯৯৫ চনৰ ১৯ ডিচেম্বৰ তাৰিখে তেখেতে ইহসংসাৰ ত্যাগ কৰে। তেখেতৰ বিয়োগে অঞ্চলটিৰ অপূৰণিয় ক্ষতি কৰে। ❖

## ঘনকান্ত তামূলী ঃ প্ৰাক্তন শৰণ সদস্য

গোলাঘাট জিলাৰ অন্তৰ্গত ঢেকীয়াল মৌজাৰ ঢেকীয়াল শয়কৰ মলখুকুৰি গাঁৱৰ প্ৰয়াত বৈষ্ণৱ খগেশ্বৰ তামূলীৰ গৃহত ১৯০৯ চনৰ বহাগ মাহৰ ১৮ দিন যোৱাত ঘনকান্ত তামুলীয়ে জন্ম গ্ৰহণ কৰে। তেখেতৰ শৈশৱ কালৰপৰাই বৈষ্ণৱ ধৰ্ম্মৰ প্ৰভাৱৰ মাজত ডাঙৰ-দীঘল হোৱাৰ সুযোগ ঘটিছিল। আনকি ছাত্ৰৱস্থাতো পুৱা-গধূলি নাম-গুণ শুনাৰ সৌভাগ্য ঘটিছিল। ছাত্ৰ জীৱনত অসহযোগ আন্দোলন, ধৰ্ম্মীয় আন্দোলনে তেখেতৰ জীৱনক গৰকিবলৈ পাইছিল। ধৰ্ম্মীয় আন্দোলন ভাগৰ গুৰি ধৰোতা পিতৃ পুৰুষো আছিল এজন। সেই সময়তে বৈষ্ণৱ বৃন্দৰ বুজা-পৰাৰ সুবিধালৈ 'যুক্তিৰত্ন' পুথি ভাগ তেখেতৰ পিতৃ দেৱে প্ৰকাশ কৰিছিল।

ছাত্ৰ জীৱন সামৰি চাকৰি জীৱন আৰম্ভ কৰিলে ১৯৩৮ চনত। ১৯৩৮ চনৰ পৰাই ধৰ্ম্মীয় আন্দোলনৰ সাধাৰণ সঙ্গী স্বৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল। ১৯৪২ চনৰ পৰা ১৯৪৭ চনলৈকে অসহযোগ আন্দোলনৰ কাৰণে ধৰ্ম্মীয় আন্দোলন দ্ৰুত গতিত আগবাঢ়িব পৰা নাছিল যদিও ১৯৫৪ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ত্ৰয়োদশ অধিবেশন ভাগ ঢেকীয়াল শয়কৰ মল খুকুৰি নামঘৰত তিনিদিনীয়া কাৰ্য্যসূচীৰে পালন কৰে। তেতিয়াৰ পৰা এই অনুষ্ঠান ঢেকীয়াল সঙ্ঘ বুলিয়েই জনাজাত হৈছিল আৰু তাৰ কাৰ্যবাহী সভাপতি আছিল খগেশ্বৰ তামূলী। ১৯৬৬ চনত তেখেতৰ পিতৃ বৈকুণ্ঠী হোৱাত অনুষ্ঠানৰ সক্ৰিয় দায়িত্ব গ্ৰহণ কৰিব লগা হয়। শ্ৰীযুত তামূলী বাপে প্ৰথমে জিলাৰ কাৰ্যবাহী সভাপতিৰ দায়িত্ব পালন কৰি ১৯৭১ চনত মূল সঙ্ঘৰ শৰণ সদস্য দায়িত্ব দিয়ে আৰু সেই দায়িত্ব ১৯৭১ চনৰপৰা ১৯৯৪ চনলৈকে পালন কৰি বাৰ্দ্ধক্যজনিত কাৰণত দায়িত্ব মূল সঙ্ঘৰ হাতত অৰ্পণ কৰি দিয়ে।

শৰণৰ দায়িত্ব অবিভক্ত গোলাঘাট জিলাৰ বোকাখাত কাজিৰঙাৰ পৰা আৰম্ভ

কবি মবঙ্গি আঞ্চলিকব সকলো প্ৰাথমিক ববপথাব, সৰুপথাব, বোকাজান, নগালেণ্ড (MES colony) কাছমাবি, চবাইমাবি, চাওডাংপথাব, মিকিৰপতি, ইকবাণি, কুহিঁয়াববাৰী আদি ভিতৰুৱা অঞ্চল বিলাকতো অনুষ্ঠানব সংবিধান সম্মতভাৱে প্ৰাথমিক গঠন কবি শবণ বস্তু প্ৰদান কবি সঙ্ঘব প্ৰচাব কাৰ্য চলোৱাত ব্ৰতী হৈছিল । তাবোপবি জিলাব পূব আঞ্চলিক আৰু আঞ্চলিক বিহীন চাহ বনুৱাব মাজতো প্ৰাথমিক গঠন কৰি শ্ৰীমন্ত শঙ্কবদেৱব একশবণ নামধৰ্ম্ম প্ৰচাব কবা হৈছিল আৰু জিলাব উত্তবে অৱস্থিত মিচিং সম্প্ৰদায়ব মাজত প্ৰাথমিক শাখা গঠন কবি নামঘব, মণিকূট গৃহ নিৰ্ম্মাণ কবাই শবণ -ভজন বস্তু প্ৰদান কৰি গুৰু ধৰ্ম্ম প্ৰচাব কবা হৈছিল । ইয়াৰ উপৰি ঢেকীয়াল মৌজাব পশ্চিমে অৱস্থিত শেনছোৱা, ভেলাগুবি, ঘৰকতিয়া আদি গাৱঁতো প্ৰাথমিক শাখা গঠন কৰি শবণ-ভজন প্ৰদানব ব্যৱস্থা কবা হৈছিল । আৰু বৰ্ত্তমানে উল্লেখিত প্ৰাথমিক সমূহ সক্ৰিয় অৱস্থাত থকা দেখা যায় ।

প্ৰথমতেই উল্লেখ কৰিছোঁ ১৯৩৭-৩৮ চনব পৰাই - এই অনুষ্ঠানটি 'ঢেকীয়াল সঙ্ঘ' নামেৰে সৰ্ব্বজন পৰিচিত আছিল । ইয়াব পৰিসব দিনক-দিনে বৃদ্ধি পোৱাত অনুশাসনব সুবিধাৰ বাবে নিজ নিজ নাম ঘৰক কেন্দ্ৰ কৰি প্ৰাথমিক শাখা গঠন কৰিবলৈ কাৰ্যনিৰ্ব্বাহকে প্ৰস্তাব গ্ৰহণ কবাত মলখুকুৰি নামঘবব নামানুসৰি দুখন প্ৰাথমিকে জন্ম লাভ কবে । যেনে মলখুকুৰি প্ৰগতি, আৰু মলখুকুৰি চিন্তামণি প্ৰাথমিক শাখা । এখেত মলখুকুৰি প্ৰগতি প্ৰাথমিক শাখাৰে সঙ্গী ।

## যোগেশ্বৰ বৰা ঃ

ঢেকীয়াল মৌজাব ঢেকীয়াল গাৱঁৰ আঢলীচুকত ১৯২৮ চনৰ ডিচেম্বৰ মাহত জন্ম হয় । বৰগুৰি প্ৰাথমিক বিদ্যালয়ত শিক্ষা শেষ কৰি গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ত স্নাতক শ্ৰেণীলৈ পঢ়ি শিক্ষা গ্ৰহণ শেষ কৰে । ১৯৫২ চনৰপৰা বেতীয়নী উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰি ১৯৮৮ চনত অৱসৰ গ্ৰহণ কৰে ।

ছাত্ৰ জীৱনত সদৌ ভাৰত ছাত্ৰ কংগ্ৰেছব সদস্য হিচাবে স্বাধীনতা আন্দোলনত সহযোগ, স্বাধীনতা লাভ কৰাব পিছত ডক্টৰ ৰামমনোহৰ লোহিয়াৰ সমাজবাদী ৰাজনীতিৰ এগৰাকী কৰ্ম্মী , শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্ম আদৰ্শত প্ৰতিষ্ঠিত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সক্ৰীয় কৰ্মী হিচাবে সমাজ সেৱাত মনোনিৱেশ, বিশেষকৈ শ্ৰীমন্তশঙ্কৰদেৱ সংঘৰ প্ৰতি অনুপ্ৰাণিত হৈ প্ৰথমতে অবিভক্ত ঢেকীয়াল প্ৰাথমিকৰ সম্পাদক, সভাপতি, পিছত অবিভক্ত গোলাঘাট জিলা সংঘৰ সম্পাদক, উপসভাপতি, দুবছৰৰ কাৰণে মূল সংঘৰ সদস্য, 'নামধৰ্ম' কাকতৰ সহকাৰী সম্পাদক আৰু ১৯৭৬ -৭৭ বৰ্ষৰ কাৰ্য্যকালত জিলা সভাপতি হিচাবে কাৰ্যনিৰ্বাহ কৰে ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

১৯৫৪-৫৫ চনত শ্ৰীমন্ত শংকৰদেৱ সংঘ এটি চালুকীয়া অৱস্থাত আছিল । সেই অৱস্থাৰপৰা বৰা দেৱে সঙ্ঘৰ লগত জড়িত হৈ ধৰ্ম সভাত বক্তৃতা দি গুৰুধৰ্ম প্ৰচাৰ-প্ৰসাৰ আৰু সঙ্ঘৰ সংগঠনত মনোনিৱেশ কৰিছিল ।

বৰাদেৱৰ ধৰ্মীয় সাহিত্যলৈ বহুখিনি অৱদান আছে । গোলাঘাট জিলা শাখাৰ বাৰ্ষিক পত্ৰিকা 'শ্ৰীমন্ত'ত ধাৰাবাহিকভাৱে লিখনি প্ৰকাশ পোৱাৰ উপৰি বিভিন্ন স্মৃতিগ্ৰন্থ, স্মৰণিকা আদিত তত্ত্বমূলক ধৰ্মীয় লিখনি প্ৰকাশ পাইছে । তেখেত এগৰাকী সমাজ সচেতন ব্যক্তি । সময়ে সময়ে ঢেকীয়াল অঞ্চলত হোৱা বিভিন্ন সামাজিক অনুষ্ঠানৰ সভাপতি, সম্পাদক আদি বিভিন্ন দায়িত্বৱে আগভাগ লৈ আহিছে । তেখেত এগৰাকী ভাল বক্তা, বৰ্ত্তমান গোলাঘাট জিলা শাখা পদেন সদস্য আৰু ঢেকীয়াল আঞ্চলিক শাখাৰ উপদেষ্টা । তেখেত এগৰাকী নিষ্ঠাবান সৎ সদাচাৰী নিস্বাৰ্থ লোক আৰু গুৰুধৰ্মৰ একান্ত সেৱক ।

### প্ৰফুল্ল চন্দ্ৰ শইকীয়া ঃ

গোলাঘাট জিলা মিছামৰা মৌজাৰ দুলীয়া গাঁৱত ১৯২৭ চনত এখেতৰ জন্ম হয় । মিছামৰা প্ৰাইমেৰী স্কুলত শিক্ষা জীৱন আৰম্ভ কৰি দেৰগাঁও হাইস্কুল (উচ্চতৰ মাধ্যমিক বিদ্যালয়) ৰ পৰা মেট্ৰিক, দেৱৰাজ ৰয় মহাবিদ্যালয়ৰপৰা আই, এ পৰীক্ষা পাছ কৰি ১৯৬৩ চনত অসমীয়া বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে । ১৯৫১ চনত ফৰকাটিং হাইস্কুলত সহকাৰী শিক্ষক হিচাবে কৰ্মজীৱনৰ পাতনি মেলে । গোলাঘাট চৰকাৰী মাধ্যমিক বিদ্যালয়ত এমাহ কাৰ্য্যালয় সহকাৰী চাকৰি কৰি ১৯৫২ চনত খনিকৰ চিনিঅ'ৰ বেচিক স্কুলত প্ৰধান শিক্ষকৰ দায়িত্ব বহন কৰে । ১৯৫৩ চনত মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষকৰ দায়িত্বত থাকি কাৰ্য্যনিৰ্বাহ কৰে । ১৯৫৬ চনৰপৰা ১৯৭২ চনলৈ মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষক, ১৯৭৩ চনৰপৰা ১৯৭৯ চনলৈ সহকাৰী প্ৰধান শিক্ষক , ১৯৭৯ -৮২ চনলৈ উপাধ্যক্ষ, ১৯৮২ -১৯৮৭ চনলৈ উক্ত বিদ্যালয়ৰ অধ্যক্ষ দায়িত্ব গ্ৰহণ কৰি ১৯৮৭ চনৰ মাৰ্চ মাহত তেখেতে অৱসৰ গ্ৰহণ কৰে । মিছামৰা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক, সভাপতি মিছামৰা গণ নাট্য মন্দিৰৰ সম্পাদক আৰু সভাপতি. গোলাঘাট সাহাৰ্যপ্ৰাপ্ত হাইস্কুল শিক্ষক সন্থাৰ সম্পাদক আৰু সভাপতি পদত কাৰ্যনিৰ্বাহ কৰি তেখেতৰ দক্ষতাৰ পৰিচয় দিয়ে । ইয়াৰোপৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰিচালনাৰ দায়িত্ব বহন কৰি এগৰাকী সমাজকৰ্মী হিচাবে শ্ৰী শইকীয়াই নিজক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয় । অসম সমবায় চেনিকল লিমিটেডৰ পৰিচালনা সমিতিৰ সদস্য দেৰগাঁও বেচা-কিনা সমবায় সমিতিৰ সভাপতি, দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি, জিলা প্ৰাইমেৰী শিক্ষক বাছনি কমিটিৰ সদস্য, মিছামৰা সমবায়

সমিতিৰ উপ-সভাপতি, তেলীয়া সোণাৰী আদৰ্শ কৃষিপাম সমবায় সমিতিৰ সম্পাদক, দক্ষিণ পূব মিছামৰা বোৱা-কটা সমবায় সমিতিৰ প্ৰতিষ্ঠাপক সদস্য, গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি, মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি আৰু মিছামৰা অঞ্চলৰ কেবাখনো প্ৰাইমেৰী আৰু চিনিঅ'ৰ বেচিক স্কুলৰ সভাপতি দায়িত্ব গ্ৰহণ কৰি অনুষ্ঠান-প্ৰতিষ্ঠান সমূহৰ উন্নতি কল্পে কাৰ্যনিৰ্বাহ কৰে। তেখেত মিছামৰা মৌজাৰ প্ৰধান চাহ খেতিয়ক। পৰিয়ালৰ ভিতৰত তেখেতৰ পত্নী শ্ৰীযুতা ৰিযেশ্বৰী শইকীয়া মিছামৰা বালিকা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী, কণ্যা শ্ৰীমতী জয়শ্ৰী শইকীয়াই কাকজান মহাবিদ্যালয়ত বুৰঞ্জী বিভাগৰ অধ্যাপিকা, শ্ৰীমতী ৰীতা শইকীয়াই মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষয়িত্ৰি, শ্ৰীমতী গীতাশ্ৰী শইকীয়াই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাৰ নৱমস্থান লাভ কৰি বৰ্ত্তমান নিতাই পুখুৰী মহাবিদ্যালয়ত ইংৰাজী বিভাগৰ অধ্যাপিকা কৰি আছে। শ্ৰীমতী কণজুন শইকীয়াই স্নাতক পৰীক্ষাত অসমীয়া বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান (১৯৯৯ বৰ্ষত) লাভ কৰে।

## মাণিক চন্দ্ৰ গায়ন ঃ

গোলাঘাট মহকুমাৰ অন্তৰ্গত গণকপুখুৰী অঞ্চলৰ হাবিয়াল গাঁৱত ১৯২১ চনত জন্ম গ্ৰহণ কৰা মাণিক চন্দ্ৰ গায়নে প্ৰাইমাৰী শিক্ষা সাং কৰি ১৯৩৫ চনৰেপৰা একাধাৰে ধৰ্মনীতি আৰু ৰাজনীতিত আত্ম নিয়োগ কৰে। ৰাজনীতিৰ ক্ষেত্ৰত চৰকাৰৰ ৰোষত পৰি তেখেতে কিছুদিন আত্মগোপন কৰিবলগীয়া হয়। জাগৃত জাতীয় চেতনাত উদ্বুদ্ধ হৈ মহকুমাটোৰ বিভিন্ন স্থানত তেখেতে সংগঠনৰ কামত ব্ৰতী হৈ থকা অৱস্থাত দেশৰ বহু সংখ্যক ৰাজনীতিজ্ঞৰ সান্নিধ্য লাভ কৰে। ৰাজনীতিৰ বিভিন্ন অভিজ্ঞতা পুষ্ট গায়ন দেৱ ভাৰতীয় জাতীয় কংগ্ৰেছৰ জিলা কাৰ্যকৰী কমিটিৰ সদস্য, গাঁও পঞ্চায়তৰ সভাপতি তেতিয়াৰ Rural পঞ্চায়তৰ এডালতটি সভাৰ সদস্য, অসম সমবায় চেনীকল খেতিয়ক সন্থাৰ সভাপতি, ১৯৭৩ চনৰ পৰা ১৯৮৩ চনলৈ থানা কমিটিৰ উপ সভাপতি, গুৰুযোগনীয়া সমবায় সমিতিৰ সদস্য, গণকপুখুৰী উচ্চ আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সদস্য আৰু পিছত সভাপতি, গণকপুখুৰী ক্ৰীড়া সন্থাৰ সভাপতি আৰু মিছামৰা উচ্চ মাধ্যমিক (বৰ্ত্তমান উচ্চতৰ) বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য ৰূপে কাৰ্য নিৰ্ব্বাহ কৰি জিলাখনৰ বিভিন্ন দিশৰ উন্নতিৰ বাবে অৰিহণা আগবঢ়াই অহাটো প্ৰণিধানযোগ্য।

১৯৩৫ চনতে তেখেতৰ হৃদয় মন্দিৰত অংকুৰিত একশৰণ হৰি নাম ধৰ্মৰ পৱিত্ৰ চিন্তাৰ জোৱাৰে অঞ্চলটোৰ জনচেতনাত নতুন পোহৰৰ সন্ধান দিয়ে। সেই

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

নতুন পোহৰৰ প্ৰতিবন্ধক হিচাবে দেখা দিয়া কালছোৱাক প্ৰতিৰোধ কৰিবলৈ তেখেতে অক্লান্ত পৰিশ্ৰম কৰিবলগীয়া হয় । এফালে চিৰসত্য ধৰ্মীয় চিন্তা, আনফালে ধৰ্মৰ নামত অপসংস্কৃতিৰ ব্যাখ্যা । এনে এক সামাজিক সংকটে দেখা দিয়া সময়তে মাণিক গায়ন দেৱে হালোৱা হাবিয়াল, কাঠকটীয়া গাঁৱৰ বাইজৰ উপস্থিতিত লেটুগ্ৰাম সত্ৰৰ এখনি সভাত এটি প্ৰস্তাৱযোগে এই সমাজিক সংকটৰ অৱসান ঘটায় । নগাঁৱৰ প্ৰয়াত ৰমাকান্ত মুক্তিয়াৰ আত্মাৰ আদৰ্শ আৰু বিষ্ণুৰাম দত্ত, কেৰকন দত্ত, ৰঙাইনাথ মেধি, পোৱাল দলৈ, যোগেন দত্ত, ভেবেলা ভৰালী আদিৰ স্মৰণীয় কৰ্ম্মৰাজীত , অনুপ্ৰাণিত হৈ তেতিয়াৰ 'শঙ্কৰ সঙ্ঘ' ৰ প্ৰাণ প্ৰতিষ্ঠাৰ হকে অন্তঃকৰণেৰে সৈতে আত্মনিয়োগ কৰে । তেখেতে ১৯৫৪ চনত পিতৃৰ আৰু ১৯৫৬ চনত মাতৃৰ আদ্যশ্ৰাদ্ধ এঘাৰদিনীয়া পদ্ধতিত সম্পন্ন কৰে । সেই সময়ৰ পৰা বৰ্ত্তমানলৈকে তেখেতে সুদীৰ্ঘ ৬৪ বছৰ কাল গুৰুধৰ্ম্ম প্ৰচাৰ, প্ৰকাশ আৰু কাৰ্যকৰণত ব্ৰতী হৈ আছে ।

গায়ন দেৱ এগৰাকী সাংগঠনিক সু-বক্তাও । তেখেতৰ যুক্তিনিষ্ঠ বক্তব্যই কোনো সমস্যা সমাধানৰ ক্ষেত্ৰত প্ৰভূত অৰিহণা আগবঢ়াই আহিছে ।

তেখেতৰ কৰ্ত্তব্যনিষ্ঠা অপৰিসীম । বকৰাবামুণ গাঁৱত অনুষ্ঠিত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ৪৪ তম অধিবেশনৰ বিভিন্ন কামত তেখেতৰ অগ্ৰণী ভূমিকা দেখি গোলাঘাট জিলা শাখাই আনুষ্ঠানিক শলাগ আগবঢ়াইছিল । একাধিকবাৰ তেখেত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ গোলাঘাট জিলা শাখাৰ কাৰ্যনিৰ্বাহক সদস্যৰূপে কাৰ্যনিৰ্বাহ কৰি জিলা শাখাৰ সাংগঠনিক দিশত প্ৰচুৰ অৰিহণা আগবঢ়াইছিল ।

বৰ্ত্তমান গায়ন দেৱ অসুস্থ হ'লেও শাৰীৰিক অসুস্থতাই তেখেতৰ কৰ্ম্মৰাজী অসুস্থতাৰ কবলত পৰা নাই । মনত চফল ডেকাৰ বল । তেখেতৰ আদৰ্শ উত্তৰ পুৰুষৰ পাথেয় ।

### জীৱ বৰা (ফৰকাটিং) ঃ

শ্ৰীজীৱ বৰা বাপে ১৯২৪ চনৰ আগষ্ট মাহত ফৰকাটিঙৰ কোচ গাঁৱত জন্ম গ্ৰহণ কৰে । পিতৃৰ নাম প্ৰয়াত পিঠুৰাম বৰা (গাঁওবুঢ়া) আৰু মাতৃৰ নাম প্ৰয়াত বহাগী বৰা । ১১ বছৰ বয়সতে পিতৃ বিয়োগ ঘটে আৰু আৰ্থিক দুৰাৱস্থাৰ বাবে ১৯৪১ চনতে শিক্ষা সাং কৰে । ১৯৪২ চনৰ গণ আন্দোলনৰ প্ৰতি আকৰ্ষিত হৈ স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰি ১৯৪৪ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ দলত যোগদান কৰে । ১৯৪৭ চনত সাম্যবাদী আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ বাম পন্থী ভাৰতীয় কমিউনিষ্ট পাৰ্টীত যোগদান কৰি ১৯৪৯ চনত যোৰহাট জেলত তিনি মাহৰ বাবে কাৰাবাস খাটে । জেলৰপৰা ওলাই আহি পাৰ্টীৰ নিৰ্দেশ মতে ১৯৫২ চনলৈকে আত্ম গোপন কৰি থাকিব লগাত পৰে ।

# গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

১৯৫৩ চনৰ মাৰ্চ মাহত প্ৰাথমিক বিদ্যালয়ত শিক্ষক হিচাবে চাকৰি জীৱনৰ পাতনি মেলি ১৯৮৪ চনত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। শিক্ষকতা কৰা কালছোৱাৰ ভিতৰত ১৯৫৫ চনৰপৰা ১৯৭৮ চনলৈকে শিক্ষক সন্মিলনীৰ বিভিন্ন দায়িত্বৰে সেৱা আগবঢ়ায়। এই সময়ছোৱাৰ ভিতৰত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আদিত জড়িত থাকি ব্যজহুৱা কাম-কাজত আগ-ভাগ লয়। তদুপৰি ৬ বছৰ কাল গোলাঘাট পূব উন্নয়ণ খণ্ডৰ কাউন্সিলাৰ হিচাবে জনসাধাৰণৰ সেৱাত আত্মনিয়োগ কৰে।

স্কুলীয়া শিক্ষা সাং কৰাৰ পাছতে ১৯৪২ চন মানৰপৰাই মহাপুৰুষ গুৰুজনাই প্ৰৱৰ্তন কৰা 'একশৰণ' নাম ধৰ্মৰ প্ৰতি মনোনিৱেশ কৰি প্ৰয়াত জীউৰাম হাজৰিকাদেৱৰ অনুপ্ৰেৰণাত প্ৰয়াত ভূৱন চন্দ্ৰ ভূঞা দেৱৰ দ্বাৰা সম্পাদিত বিৱাহ বিধিমতে 'শুদ্ৰতন্ত্ৰ' ধাৰ হিচাবে ১০ বছৰ কাল বিভিন্ন স্থানত বিৱাহ কাৰ্য্য পৰিচালনা কৰে।

১৯৬৮ - ৬৯ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সংগীপদ গ্ৰহণ কৰে। ১৯৭৫ চনত প্ৰাথমিক শাখা গঠন কৰি সম্পাদকৰ দায়িত্ব বহন কৰে। ১৯৭৯ চনত ফৰকাটিং আঞ্চলিক গঠন কৰি সম্পাদকৰ দায়িত্ব পালন কৰে।

১৯৮২ চনৰপৰা ১৯৮৫ চনলৈকে ফৰকাটিং আঞ্চলিক শাখাৰ সভাপতি নিৰ্বাচিত হয়।

একেৰাহে ২৩ বছৰ কাল গোলাঘাট জিলাকাৰ্য্য নিৰ্বাহকৰ সদস্য আৰু তাৰ ভিতৰতে ১৭ বছৰ কাল সহকাৰী সম্পাদক হিচাবে সেৱা আগবঢ়ায়।

১৯৮৭ চনত মূল সংঘৰ কাৰ্য্যনিৰ্বাহকৰ সদস্য হিচাবে কাৰ্য্যনিৰ্বাহ কৰে।

১৯৮৪ চনত গোলাঘাট জিলা শাখাৰ উপ সভাপতি আৰু ১৯৮৯ চনত সভাপতিৰ আসন অলঙ্কৃত কৰে।

## দণ্ডেশ্বৰ বৰুৱা ঃ

সমাজ জীৱনত বিভিন্ন গুণৰ অধিকাৰী হৈ দেশ আৰু জাতিৰ সেৱাত আত্ম নিয়োগ কৰা ব্যক্তিসকলৰ মাজৰে এগৰাকী শ্ৰীদণ্ডেশ্বৰ বৰুৱা বাপে মিছামৰা মৌজাৰ হাবি গাঁৱত এটি কৃষকৰ পৰিয়ালত ১৯৪৭ চনৰ আহিন মাহৰ সোতৰ তাৰিখে জন্ম গ্ৰহণ কৰে। পিতৃৰ নাম প্ৰয়াত সোমেশ্বৰ বৰুৱা আৰু মাতৃৰ নাম প্ৰয়াত প্ৰমীলা বৰুৱাণী। পত্নীৰ নাম শ্ৰীমতী প্ৰভা বৰুৱাণী। দুগৰাকী ককায়েক ক্ৰমে শ্ৰীথানেশ্বৰ বৰুৱা আৰু শ্ৰীযোগেন বৰুৱা। দুগৰাকী বায়েক ক্ৰমে শ্ৰীমতী গুণ আৰু শ্ৰীমতী আইজনীৰ বিয়া হৈ গ'ল। মাতৃৰ গৰ্ভত থাকোঁতেই শ্ৰীবৰুৱা বাপৰ পিতৃ বিয়োগ হোৱাত ডাঙৰ বায়েক শ্ৰীমতী গুণই তুলি-তালি ডাঙৰ দীঘল কৰে। নিৰক্ষৰ মাতৃ গৰাকী ভক্তিবাদী আই নাম আৰু গোসাঁই নামৰ সু কণ্ঠস্বৰৰ নামতী আছিল। প্ৰাইমেৰী বিদ্যালয়ৰ ছাত্ৰ বয়সতেই তেখেতে গুৰু জনাৰ বিৰচিত ধৰ্মীয় শাস্ত্ৰ সমূহ অধ্যয়ন

কৰে। একশৰণ হৰি নাম ধৰ্মৰ বিপৰীতে মাতৃয়ে শীতলা দেৱীৰ পূজা অৰ্চনাৰে আইনাম কিয় গাইছে বুলি শাস্ত্ৰ তৰ্কৰে গুৰু ধৰ্মৰ পদ ঘোষা মাতৃক গায় শুনায়। সেই সময়ৰ সমাজ ব্যৱস্থাত অ-শৰণীয়া ল'বাই গুৰুজনাৰ বিৰচিত ধৰ্ম গ্ৰন্থ পঢ়া বা শুনা নীতি বিৰোদ্ধ কথা আছিল কাৰণে মাতৃয়ে শ্ৰীবৰুৱা বাপৰ এনে কাৰ্য্যৰ বাবে প্ৰৱল বিৰোধীতা কৰে। মাতৃৰ বিৰোধীতাক অমান্য কৰাৰ বাবে কেইবা সাজ অন্ন মাতৃয়ে গ্ৰহণ কৰা নাছিল। অন্ধ বিশ্বাস আৰু কু সংস্কাৰৰ বিৰোদ্ধে সংগ্ৰামী ব্যক্তি শ্ৰীবৰুৱা বাপৰ মাতৃয়ে মৃত্যুৰ একবছৰৰ আগতেই পুত্ৰ বৰুৱা বাপৰ ওচৰত নিজৰ অজ্ঞতাৰ বাবে ঈশ্বৰৰ ওচৰত হোৱা অপৰাধ মাৰ্জনাৰ উদ্দেশ্যে তিনিমাহ গীতা পাঠ কৰি শুনাবলৈ আদেশ দিয়ে। এই সময়ত শ্ৰীবৰুৱাদেৱ হাইস্কুলীয়া জীৱনৰ ছাত্ৰ। পূৰ্বপুৰ গাঁৱৰ (ৰাঙলিটিং চাহবাগান) শ্ৰীভৱেশ কুমাৰ দত্তকো কৰ্মকাণ্ডী সাজপন্থী পুৰোহিত পিতৃৰ ধৰ্মৰ বিৰোধীতা কৰাৰ বাবে ঘৰৰপৰা বাহিৰ কৰি দিয়ে। দাধৰাৰ ১ ঘৰ মুছলমান সম্প্ৰদায়ৰ লোকৰ ঘৰত থাকি গুৰুধৰ্ম প্ৰচাৰত শ্ৰীবৰুৱা বাপৰ লগ লাগে। সমগ্ৰ মিছামৰা অঞ্চলত এই দুয়োজনক দেখিলে মানুহে থু পেলাই ধৰ্ম নষ্ট কৰিলি বুলি তিৰস্কাৰ কৰে। চাহ বাগানত গুৰুধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ভাওনা কৰাৰ বাবে ৰাজহুৱা বিচাৰৰ সন্মুখীন হোৱাই নহয় সমাজচ্যুত হৈও থাকিব লগা হৈছিল। সামাজিকভাৱে নানান নিৰ্য্যাতন ভোগ কৰি শ্ৰীবৰুৱা বাপৰ মাতৃ বিয়োগ হোৱাত ১৯৬৭ চনত সমাজৰ পনৱল বিৰোধীতা স্বত্বেও গুৰু ধৰ্মৰ আৰ্হি-আদৰ্শৰে মৃতাহ কৰ্ম সম্পাদন কৰে। ককায়েক দুয়োগৰাকীয়ে সংৰক্ষণশীল সমাজৰ আজ্ঞানুসাৰে কৰ্মকাণ্ডী পদ্ধতিৰে মাতৃৰ মৃতাহ কৰ্ম কৰিবলৈ বাধ্য হয়। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ভকত বৈষ্ণৱ যথাক্ৰমে, স্বৰ্গীয় কুষেশ্বৰ কলিতা, যোগেন দত্ত, কমল বৰা (যোৰহাট) শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়া, শ্ৰীহৰ নাথ হাজৰিকা, শ্ৰীজগত বৰা, শ্ৰীকৃষ্ণৰাম দাস আদিয়ে এই নামকীৰ্ত্তনত অংশ গ্ৰহণ কৰে।

১৯৭৩ চনত নিজ গাঁৱৰ যুৱক সংঘৰ সম্পাদক দায়িত্বৰে এখন ৰাজহুৱা সভা আহ্বান কৰি গাঁৱৰ ৰাইজক উক্ত সভাত অংশ গ্ৰহণ কৰোৱাই প্ৰাথমিক শাখা গঠন কৰে। এই সভাত সভাপতিত্ব কৰে বৈষ্ণৱ পণ্ডিত গোলাঘাট জিলা শাখাৰ সভাপতি স্বৰ্গীয় কুষেশ্বৰ কলিতাদেৱে। নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে জিলা সম্পাদক শ্ৰীগোবিন্দ চন্দ্ৰ শইকীয়াদেৱে।

শ্ৰীবৰুৱা বাপে একেৰাহে বহু বছৰ ধৰি জিলাৰ সদস্য প্ৰচাৰ সম্পাদক, সহকাৰী জিলা সম্পাদক, মূল সঙ্ঘৰ সংস্কৃতি শাখাৰ সম্পাদকৰ দায়িত্ব বহন কৰাৰ উপৰি জিলা শাখাৰ উপ-সভাপতিৰ পদত অধিষ্ঠিত হৈ গুৰু ধৰ্ম প্ৰচাৰত আত্ম-নিয়োগ কৰিছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ এগৰাকী সু বক্তা, লেখক আৰু নিভীক সমালোচক হিচাপেও নিজৰ পৰিচয় অক্ষুন্ন ৰাখিছে। নীতি আৰু আদৰ্শক কঠোৰ ভাৱে পালন কৰি তেখেতে দেশ আৰু জাতিৰ সেৱাত দুটা কাৰ্য্যকালৰ বাবে মহকুমা পৰিষদৰ সদস্য

নিৰ্বাচিত হয় । লোক সংস্কৃতিৰ এগৰাকী প্ৰবক্তা অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ তেখেত স্বীকৃতি প্ৰাপ্ত ঢোল বিশাৰদ । অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ে অসমৰ ঢোল কৃষ্টিৰ ছ অঁৰা হাতৰ সমস্ত ধাৰাটো শ্ৰীবৰুৱাৰ দ্বাৰা তেৰখন ক্লেছেটত বাণী বন্ধন কৰি সংগ্ৰহালয়ত ৰাখিছে । ইয়াৰোপৰি শ্ৰীবৰুৱাদেৱ দূৰদৰ্শন আৰু অনাতাঁৰ কেন্দ্ৰৰ স্বীকৃতিপ্ৰাপ্ত শিল্পী । সাম্প্ৰতিক কালৰ সমাজ সংস্কৃতিৰ ওপৰত এশ-এবুৰি মালিতা আৰু বুলনি ৰচনা কৰি লোক-সংস্কৃতি জগতলৈ বিপুল বৰঙণি আগবঢ়াইছে । গোলাঘাট জিলা গাঁও উন্নয়ণ পৰিষদৰ ক্ৰীড়া আৰু সাংস্কৃতিক সঞ্চালকৰ উপৰি তেখেত অসম ঢুলীয়া শিল্পী সন্মিলন, অসম বিহু সন্মিলন, গোলাঘাট জিলা বিহু কৃষ্টি চৰ্চা সমিতি, অসম হিংসা বিৰোধী নাগৰিক মঞ্চ, গাঁওৰক্ষী বাহিনী, অসম বেচম শিল্পী আদি জন কল্যাণমূলক অনুষ্ঠানৰ সভাপতি-সম্পাদকৰ দায়িত্ব বহন কৰি সেৱা আগবঢ়াইছে । শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী নিষ্ঠাবান সেৱক হিচাবে তেখেতৰ অৱদান সঞ্চ ইতিহাস স্মৰণীয় ।

## ভোলা হাজৰিকা ঃ

মিছামৰা মৌজাৰ মুদৈগাঁও নিবাসী শ্ৰীভোলা হাজৰিকাদেৱৰ জন্ম হয় ১৯৪৯ চনৰ ১ মাৰ্চ তাৰিখে । বৰ্ত্তমান দেৰগাঁও নগৰত স্থায়ী বাসিন্দা । ৰাঙলিটিং, প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষাৰ পাতনি মেলি, ১৯৬৪ চনত ইন্দ্ৰানীদেৱী হাইস্কুলৰ পৰা মেট্ৰিক, ১৯৬৮ চনত কমল দুৱৰা মহাবিদ্যালয়ৰপৰা স্নাতক আৰু ১৯৭০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে । ১৯৭১ চনত দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ত অৰ্থনীতিৰ অধ্যাপক হিচাবে কৰ্মজীৱন আৰম্ভ কৰি বৰ্ত্তমানলৈকে সু-খ্যাতিৰে অধ্যাপনাৰ কামত ব্ৰতী হৈ আছে ।

শ্ৰীভোলা হাজৰিকাদেৱ ছাত্ৰাৱস্থাৰপৰাই বিভিন্ন সামাজিক কামত জড়িত । ১৯৭৪ চনৰপৰা ১৯৮৪ চনলৈ মিছামৰা সমবায় সমিতিৰ চেয়াৰমেন হিচাবে কাৰ্য্যনিৰ্বাহ কৰি ১৬ খন সুলভ মূল্যৰ দোকান প্ৰতিষ্ঠা কৰে । ১৯৯৫ চনৰপৰা অদ্যপৰিমিত দেৰগাঁও প্ৰাথমিক গৃহ নিৰ্মাণ সমবায় সমিতিৰ সম্পাদক হিচাবে কাৰ্য্যনিৰ্বাহ কৰি আছে । মুহিৰাম হাজৰিকা এম.ই আৰু হাইস্কুল প্ৰতিষ্ঠা কৰি পৰিচালনা সমিতিৰ সম্পাদক আৰু সভাপতি হিচাবে কাৰ্য্যনিৰ্বাহ কৰি স্কুল চৰকাৰীকৰণ, স্কুলৰ ভৱন নিৰ্মাণকে ধৰি জনকল্যাণমূলক কামত ব্ৰতী হয় । অন্যহাতে অন্যান্য বহুতো প্ৰাথমিক, এম,ই. স্কুলৰ উন্নয়ণমূলক কামত জড়িত । উত্তৰ গোলাঘাট উন্নয়ণ খণ্ডৰ সদস্য হিচাৱে মিছামৰা গাঁও পঞ্চায়ত এলেকাত কেইবাটাও পথ নিৰ্মাণত অগ্ৰণীভূমিকা লয় । প্ৰাপ্ত বয়স্ক শিক্ষাৰ বহুল প্ৰচাৰৰ ক্ষেত্ৰটো শ্ৰীহাজৰিকা বাপ জড়িত । দেৰগাঁও প্ৰাপ্ত বয়স্ক প্ৰকল্প কেন্দ্ৰৰ সদস্য । ৰবটিকা পশু চিকিৎসালয়, ডাকঘৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত

ওতঃপ্ৰোতভাৱেও জড়িত। পশ্চিম মিছামৰা ক্ৰীড়া সন্থাৰ সদস্য হিচাবে ক্ৰীড়া আৰু খেল পথাৰ নিৰ্মাণত জড়িত হয়।

গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ সম্পাদক হিচাবে, একাধিক বাৰ গোলাঘাট জিলা শাখাৰ কাৰ্য্যনিৰ্বাকৰ সদস্য আৰু মূল সঙ্ঘৰ সদস্য হিচাবে শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ ধৰ্মাদৰ্শ প্ৰচাৰ, প্ৰসাৰ আৰু সাংগঠনিক দিশত শ্ৰী হাজৰিকা বাপে আত্ম নিয়োগ কৰি শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘলৈ প্ৰভূত বৰঙণি আগবঢ়াইছে। শেহতীয়াকৈ দেৰগাঁও নগৰ অঞ্চলত বসবাস কৰা সংগীসকলক একত্ৰিত কৰি 'দেৰগাঁও নগৰ শ্ৰীমন্ত প্ৰাথমিক শাখা' গঠন কৰি সম্পাদকৰ দায়িত্ব বহন কৰি আছে।

## খুনু দত্ত ঃ

শ্ৰীখুনু দত্ত আইগৰাকীয়ে ১৯৪৩ চনত, আঘোণ মাহৰ ১৪ তাৰিখে মিছামৰা মৌজাৰ গুৱলি গাঁও নিবাসী প্ৰয়াত সৰুনাথ হাজৰিকাৰ ঔৰসত, মাতৃ প্ৰয়াত প্ৰেমদা হাজৰিকাৰ গৰ্ভত জন্ম গ্ৰহণ কৰে। বৰুৱা গাঁৱত থকা সৰু পেহীয়েকৰ ঘৰত থাকি প্ৰাথমিক শিক্ষাৰ পাতনি মেলি, দেৰগাঁৱৰ প্ৰয়াত গংগাধৰ হাজৰিকা বাপৰ (পেহাক) ঘৰৰ পৰা ১৯৬৪ চনত দেৰগাঁও ছোৱালী বালিকা বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। সিমানতে শিক্ষাৰ যৱনিকা পেলাই গুৱাল গাঁও নিবাসী শ্ৰীপ্ৰফুল্ল দত্তৰ লগত বৈবাহিক পাশত আবদ্ধ হয় আৰু লগে লগে বিভিন্ন সামাজিক, জনকল্যাণমূলক কামতো আত্ম নিয়োগ কৰে। পশ্চিম মিছামৰা গাঁও পঞ্চায়তৰ সদস্যা, পশ্চিম মিছামৰা মহিলা সমিতিৰ সম্পাদিকা, মহিলাৰ নৈশ বিদ্যালয় চলোৱা, গঁয়া ৰেডিঅ' যোগে কৃষিমণ্ডল গঠন কৰি সম্পাদিকা হৈ কৃষি প্ৰশিক্ষণ, জাম,জেলিৰ প্ৰশিক্ষণ দিয়া আদি নানান সামাজিক কামত জড়িত হয়। ১৯৭৫ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা আন্তৰ্জাতিক মহিলা বৰ্ষত প্ৰতিনিধি হিচাবে যোগদান কৰে।

১৯৭৩ চনত গুৱাল গাঁৱত গঠিত হোৱা ৰাম কৃষ্ণ প্ৰাথমিক শাখাত অন্তৰ্ভুক্ত হয়। ১৯৭৭ নত জিলা সদস্যা হিচাবে নিৰ্বাচিত হয়। ১৯৮১ চনৰপৰা ৪টা দুবছৰীয়া কাৰ্য্যকালৰ বাবে মূল সঙ্ঘৰ কাৰ্য্যনিৰ্বাহকৰ সদস্যা হিচাবে কাৰ্য্যনিৰ্বাহ কৰে। ১৯৭৭ চনৰপৰা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ লক্ষ্মিমী অনুষ্ঠানত কথিকা, আলোচনা চক্ৰ আদিত অংশ গ্ৰহণ কৰি আহিছে। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ উপদেষ্টা কমিটিৰো সদস্য নিৰ্বাচিত হৈছিল। ১৯৮৩ চনত ভাৰতীয় শিশুকল্যাণ পৰিষদৰ তত্বাৱধানত এটি ক্ৰেচ কেন্দ্ৰ প্ৰতিষ্ঠা কৰে। গোলাঘাট জিলা শাখাৰ যোগে এটি শঙ্কৰী কৃষ্টি বিকাশ কেন্দ্ৰ প্ৰতিষ্ঠা কৰি সম্পাদিকা হয়। ক্ৰেচ কেন্দ্ৰ, মহিলা সমিতি, মইনা পাৰিজাতৰ শিশুসকলৰ দ্বাৰা বৰগীত, লোক গীত, জ্যোতি সঙ্গীত, দিহানাম, বিয়ানাম আদিৰ বাণীবদ্ধন কৰি

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ যোগেদি প্ৰচাৰৰ ব্যৱস্থা কৰে। বৰ্ত্তমান গুৱাল গাঁও ৰাম কৃষ্ণ (ক) প্ৰাথমিক শাখাটিৰ সম্পাদিকা হিচাবে গুৰি ধৰি সাংগঠনিক দিশ মজবুত কৰাৰ লগতে মণিকাঞ্চন, চিন্তামণি কাকতত গুৰুধৰ্মৰ তত্ত্ব গধূৰ প্ৰবন্ধ প্ৰকাশৰ যোগেদি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰতি সেৱা অব্যাহত ৰাখিছে।

## প্ৰফুল্ল দত্ত ঃ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ একনিষ্ঠ সেৱক তথা একালৰ গোলাঘাট জিলা শাখা, সাহিত্য শাখাৰ সভাপতি শ্ৰীপ্ৰফুল্ল দত্তই জন্ম গ্ৰহণ কৰে, ১৯৩৪ চনৰ আগষ্ট মাহৰ ১৬ তাৰিখে, মিছামৰা মৌজাৰ গুৱাল গাঁৱত। তেখেতৰ পিতৃৰ নাম প্ৰয়াত লোকনাথ দত্ত আৰু মাতৃৰ নাম আছিল প্ৰয়াত গুণদা দত্ত। উল্লেখযোগ্য যে, তেখেতৰ ববদেউতা প্ৰয়াত ভেকোলা কেওট ১৯৩০ চনতে গুৰু ধৰ্ম্ম প্ৰতিষ্ঠা কৰা প্ৰাতঃ স্মৰণীয় প্ৰয়াত কমলেশ্বৰ মহন্ত, ৰমাকান্ত মুক্তিয়াৰ আতা, গড়মূঢ় সত্ৰৰ সত্ৰাধিকাৰ পিতাম্বৰ দেৱ গোস্বামী, গোপিকাবল্লভ গোস্বামী আদিৰ সহযোগী আছিল। উক্ত স্মৰণীয় লোকসকলৰ সহযোগত গুৱাল গাঁও নামঘৰত দশহা -অশৌচ পালনাৰ্থে এখনি ধৰ্ম্মীয় সভা অনুষ্ঠিত কৰিছিল । উদ্যোক্তা আছিল প্ৰয়াত কমলেশ্বৰ মহন্ত আৰু ভেকোলা কেওঁট।

১৯৬৯ চনতে শঙ্কৰদেৱ মধ্য ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা কৰি (বৰ্ত্তমান এখন পূৰ্ণাঙ্গ উচ্চ মাধ্যমিক বিদ্যালয়) সেই বিদ্যালয়তে প্ৰতিষ্ঠাপক শিক্ষক হিচাবে পয়ত্ৰিশ বছৰ কাৰ্য্যনিৰ্ব্বাহ কৰি সেই অঞ্চলত শিক্ষাৰ পৰিৱেশ সৃষ্টি কৰি, গত ১৯৯৬ চনত অৱসৰ গ্ৰহণ কৰি বিভিন্ন সামাজিক অনুষ্ঠানত এতিয়াও তেখেত জড়িত ।

১৯৭৩ চনৰ ইংৰাজী ১৫ মে তাৰিখে শ্ৰীদত্তই গুৱালগাঁৱত ৰামকৃষ্ণ প্ৰাথমিক শাখা গঠন কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘত পৰম আগ্ৰহেৰে যোগদান কৰে। আৰু সঙ্ঘৰ সক্ৰিয় সঙ্গী হিচাবে সঙ্ঘৰ প্ৰচাৰ, সংগঠনত অবিহণা যোগায় আহিছে। তেখেতে একাধিকবাৰ জিলা সদস্য হিচাবে নিৰ্ব্বাচিত হৈ সংঘৰ কামত আত্মনিয়োগ কৰি, লগতে এবছৰ কালৰ বাবে গোলাঘাট জিলাৰ সাহিত্য শাখাৰো সভাপতি হিচাবে কাৰ্য্যনিৰ্ব্বাহ কৰে। উল্লেখযোগ্য যে তেখেতে এঘৰৰ ভাগৱতী ব্ৰাহ্মণৰ ঘৰত অনাদৃত হৈ পৰি থকা সাঁচিপতীয়া দশম স্কন্ধ ভাগৱত এভাগি বহু কষ্টেৰে উদ্ধাৰ কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰাক্তন পদাধিকাৰ তথা বৈষ্ণৱ পণ্ডিত শ্ৰীযুত সোণাৰাম চুতীয়া বাপৰ হাতত অৰ্পণ কৰে।

## সোমেশ্বৰ দত্ত ঃ

গোলাঘাট জিলাৰ অন্তৰ্গত মিছামৰা মৌজাৰ মুদৈগাঁও নিবাসী শ্ৰীসোমেশ্বৰ দত্ত, শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ এজন নিষ্ঠাৱান কৰ্মী ,পৰম গুৰু শ্ৰীমন্ত শংকৰদেৱৰ

ধৰ্মাদৰ্শৰ একান্ত অনুৰাগী সেৱক, সমাজকৰ্মী আৰু সকলোৰে পৰিচিত ব্যক্তি । ১৯৪২ চনত মুদৈগাওঁতে প্ৰয়াত মাখন দত্তৰ ঔৰসত তেখেতৰ জন্ম । শিক্ষকতাৰ চাকৰি কৰি জীৱন নিৰ্বাহ কৰা দত্ত বাপৰ পৰিয়ালত তেখেতৰ সহধৰ্মীণিৰে সৈতে দুজন পুত্ৰ আৰু এজনী বিবাহিতা কন্যা ।

মুদৈ গাঁও জয়গুৰু প্ৰাথমিক শাখাৰ জৰিয়তে শ্ৰী দত্ত বাপ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সঙ্গীভুক্ত হয় । গোলাঘাট উত্তৰ আঞ্চলিক শাখাৰ জন্ম লগ্নৰে পৰা তেখেত সাংগঠনিক দিশত ওতঃপ্ৰোত ভাৱে জড়িত হৈ আছে । ১৯৭৯ চনৰ এপ্ৰিলত মুদৈ গাঁও নামঘৰত অনুষ্ঠিত উত্তৰ আঞ্চলিক শাখাৰ প্ৰথম বাৰ্ষিক অধিৱেশনত তেখেতক কাৰ্যনিৰ্বাহক সমিতিৰ সহকাৰী সম্পাদক হিচাবে নিৰ্বাচন কৰে । ১৯৮৩ চনত তেখেত আঞ্চলিক শাখাৰ কাৰ্যনিৰ্ব্বাহকৰ সম্পাদক পদৰ বাবে নিৰ্ব্বাচিত হয় । তেখেত ১৯৯২ চনলৈকে গোঃ উঃ আঃ শাখাৰ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰি শাখাটিৰ অন্তৰ্গত প্ৰাথমিক সমূহত সাংগঠনিক ভেটি সুদৃঢ় কৰিছিল । ১৯৯৭ল চনৰপৰা ১৯৯৮ চনলৈ তেখেত আঃ শাখাৰ সভাপতি হিচাবে কাৰ্য্যনিৰ্বাহ কৰিছিল । ১৯৯৩ চনৰপৰা তেখেত গোলাঘাট জিলাৰ শাখাৰ কাৰ্যনিৰ্বাহকৰ সদস্য হিচাবে কেইবাবাৰো আঞ্চলিক শাখাৰ পৰা নিৰ্ব্বাচিত হৈছিল ।

গোঃ উঃ আঃ শাখাৰ সম্পাদক, সভাপতি , জিলা সদস্য আৰু শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ এজন সুদক্ষ প্ৰচাৰক হিচাবে শ্ৰীসোমেশ্বৰ দত্ত বাপ আঞ্চলটোত সকলোৰে আদৰৰ, শ্ৰদ্ধাৰ নেতৃস্থানীয় ব্যক্তি আৰু বিপদৰ বন্ধু । তেখেতৰ ত্যাগ কৰিব পৰা মহৎ গুণৰ বাবে আৰু সুদক্ষ সাংগঠনিক কৰ্ম-কুশলতাৰ বাবে অঞ্চলটিৰ প্ৰাথমিক শাখা সমূহৰ জন সাধাৰণৰ মাজত ভকতীয়া ৰীতি-নীতি , ভাতৃত্ব ভাৱ আৰু সম্প্ৰীতিৰ এনাজৰীডাল কট্‌কটীয়া কৰিবলৈ সক্ষম হৈছিল । ৰীতি-নীতি, ধৰ্মীয় পৰম্পৰা আৰু সততাৰ প্ৰতি প্ৰবল অনুৰাগী আৰু সেইবোৰ মানি চলিবলৈ যত্নপৰ হোৱাৰ বাবে ধৰ্মীয় অনুষ্ঠানটোৰ বিভিন্ন বিষয়-বাবৰ দায়িত্ব লৈ সাংসাৰিক চিন্তা-চৰ্চাৰ মাজতো তেখেতে সফলতা অৰ্জন কৰিছে ।

শ্ৰীযুত সোমেশ্বৰ দত্ত বাপে বৰ্ত্তমান গোঃ উঃ আঃ শাখাত উপদেষ্টা হিচাবে আৰু ১৯৯৮ চনৰপৰা গোঃ জিলাৰ শাখাৰ উপ সভাপতি হিচাবে কাৰ্যনিৰ্ব্বাহ কৰি আছে । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ, গুৰুজনাৰ ধৰ্মাদৰ্শ প্ৰচাৰ-প্ৰসাৰৰ আৰু সাংগঠনিক ভেঁটি সুদৃঢ় কৰাত তেখেতৰ অন্তৰত থকা মনোবলক স্বাস্থ্যজনিত কাৰণত অন্য কোনো কাৰণেই পৰাভূত কৰিব নোৱাৰে ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

### আনন্দ হাজৰিকা (দেৰগাঁও) ঃ

দেৰগাঁও মৌজাৰ জেলেহুৱা গাঁৱত তেখেতৰ জন্ম হয়। পিতৃৰ নাম প্ৰয়াত গুণাই হাজৰিকা। তেখেত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ এগৰাকী একনিষ্ঠ সঙ্গী। জেলেহুৱা গাঁও প্ৰাথমিক শাখা গঠন (১৯৭১) চন হোৱাৰ পৰাই তেখেতে সঙ্ঘৰ প্ৰচাৰ সংগঠনত সেৱা আগবঢ়াই আহিছে। জেলেহুৱা প্ৰাথমিক শাখাৰ সম্পাদক আৰু সভাপতিৰ দায়িত্ব গ্ৰহণ কৰি প্ৰাথমিকখনৰ সংগঠন সুদৃঢ় কৰে। গাঁওখনৰ ধৰ্মীয় অনুষ্ঠানক লগতে অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত তেখেত সক্ৰিয় ভাৱে জড়িত হৈ আহিছে।

১৯৬২ গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামী প্ৰভুৰ অনুপ্ৰেৰণাত শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ প্ৰবৰ্ত্তিত ধৰ্ম-দৰ্শন-কলা-সংস্কৃতিৰ শুদ্ধ সত্য নীতি সদাচাৰ গ্ৰহণ কৰে আৰু সঙ্ঘৰ সঙ্গীভুক্ত হয়। শ্ৰীযুত হাজৰিকা দেৱ এগৰাকী স্পষ্টবাদী, নিৰ্ভীক ব্যক্তি। তেখেতে অৰ্দ্ধ-চৰকাৰী বিভাগত তিনিটাপদ গ্ৰহণ নকৰি উন্নত ধৰণৰ কৃষি পদ্ধতিৰে খেতি-কৰাত মনোনিৱেশ কৰে। তেখেত এগৰাকী কাৰিকৰী শিল্পী; তেখেতে নিৰ্মাণ কৰা 'গুৰু আসন' ভাগে বিশেষ ভাৱে সমাদৰ লাভ কৰিছে। শ্ৰীহাজৰিকাদেৱে একেৰাহে কেইবা বছৰো জিলা সঙ্ঘৰ কাৰ্য নিৰ্বাহকৰ সদস্য, অনুসন্ধান সমিতিৰ সদস্য, জিলা সংস্কৃতি শাখাৰ সভাপতি আৰু জিলা শাখাৰ উপ সভাপতি হিচাবে কাৰ্যনিৰ্বাহ কৰাৰ সুযোগ লাভ কৰে। তেখেতৰ উদ্যোগতে দেৰগাঁও আঞ্চলিক শাখাটি গঠন হয় বৰ্ত্তমান অঞ্চালিক শাখাৰ তেখেত উপদেষ্টা।

OO

## প্ৰফুল্ল শইকীয়া (ঢেকীয়াল)

শ্ৰীযুত প্ৰফুল্ল শইকীয়া বাপৰ জন্ম হয় ১৯৪২ চনৰ ২০ অক্টোবৰ তাৰিখে । পিতৃ প্ৰয়াত ডিম্বেশ্বৰ শইকীয়া, মাতৃ শ্ৰীযুতা গিৰিজা বালা শইকীয়া । শিক্ষকতা বৃত্তিৰে সেৱা আগবঢ়াই ১৯৯৯ চনৰ ৩১ অক্টোবৰ তাৰিখে অৱসৰ গ্ৰহণ কৰে । নীৰৱ কৰ্মী হিচাবে শইকীয়া বাপে বহু বিষয়ৰ চৰ্চা কৰি আহিছে । বিশেষকৈ কবিতা, নাটক, গীত ৰচনা কৰাৰ উপৰি শিল্পী খনিকৰ হিচাবে অঞ্চলটোত খ্যাতি লাভ কৰিছে । ঢেকীয়াল অঞ্চলৰ সকলো সামাজিক কামতে ওতঃপ্ৰোত ভাৱে জড়িত । শিশু অনুষ্ঠান 'মইনা পাৰিজাত'ৰ লগত তেখেত বহু বছৰ ধৰি জড়িত হৈ আছে । শঙ্কৰী সংস্কৃতি প্ৰচাৰ প্ৰসাৰতো তেখেতৰ অৰিহণা প্ৰণিধানযোগ্য । ১৯৮০ চনৰপৰা তেখেত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ গোলাঘাট জিলা শাখাৰ সংস্কৃতি শাখাৰ সম্পাদক হিচাবে সমগ্ৰ জিলাখনত শঙ্কৰী সংস্কৃতিৰ প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল । ১৯৮৮ চনৰপৰা জিলা শাখাৰ সম্পাদক হিচাবে ১৯৯৫ চনলৈ তেখেতে জিলা সম্পাদকৰ দৰে গধূৰ দায়িত্ব বহন কৰি সাহিত্য সংস্কৃতি ধৰ্মীয় সকলো দিশতে জিলাখনৰ সৰ্ব্বাংগীন উন্নতি আৰু গৌৰৱ ৰক্ষাত আগবঢ়োৱা সেৱা জিলা সংঘৰ বুৰঞ্জীত স্মৰণীয় হৈ ৰ'ব ।

## সুৰেন্দ্ৰনাথ ৰাজখোৱা (হাবিয়াল)

গোলাঘাট জিলাৰ ঢেকীয়াল মৌজাৰ অন্তৰ্গত হাবিয়াল গাঁৱত ১৮৫৫ শকৰ আঘোণ মাহৰ ২৮ তাৰিখে সুৰেন্দ্ৰনাথ ৰাজখোৱাৰ জন্ম । পিতৃ দেউবৰ ৰাজখোৱা আৰু মাতৃ ডিম্বেশ্বৰী ৰাজখোৱা । গাঁৱৰ প্ৰাথমিক বিদ্যালয় খনিতে শিক্ষাজীৱন আৰম্ভ কৰি ঢেকীয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ২য় বিভাগত মেট্ৰিক, ১৯৫৮ চনত জগন্নাথ মহাবিদ্যালয়ৰ পৰা আই.এ.প্ৰিন্স অৱ ওৱেলচ্ কাৰিকৰী বিদ্যালয়ৰ পৰা দুবছৰীয়া শিক্ষক প্ৰশিক্ষণ আৰু ১৯৬৩ চনত দৰং মহাবিদ্যালয়ৰ পৰা বি. এ. পাছ কৰি শিক্ষা জীৱনৰ সামৰণি মাৰে । ১৯৫৮ চনত আই.এ. পাছ কৰিয়েই যোৰহাট শঙ্কৰদেৱ চেমিনাৰী স্কুলত সহকাৰী শিক্ষক হিচাবে যোগদান কৰি চাকৰি জীৱনৰ পাতনি মেলে । শিলঘাট টেক্‌নিকেল স্কুলত প্ৰধান শিক্ষক, শেষত ১৯৬৪ চনৰ আগষ্ট মাহৰপৰা মেলামৰা হাইস্কুলত শিক্ষকতা কৰি ১৯৯৩ চনৰ মাৰ্চ মাহত সহকাৰী প্ৰধান শিক্ষক পদত থকা অৱস্থাতেই অৱসৰ গ্ৰহণ কৰি চাকৰি জীৱনৰ ইতি পৰে। চাকৰি কৰি থকা অৱস্থাতেই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী শিক্ষাৰ প্ৰশিক্ষণ ( E .T) লৈ কৃতকাৰ্য্যতাৰে উত্তীৰ্ণ হয় ।

১৯৬৫ চনত হাবিয়াল নামঘৰত অনুষ্ঠিত হোৱা শৰণ শিবিৰত শ্ৰীউপেন

বৰাকে আদি কৰি কেইবাজনো শৰণাৰ্থীৰ শৰণ বস্তু গ্ৰহণ কৰে । প্ৰকৃততে ইয়াৰ পিছৰপৰাই শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ প্ৰচাৰ, প্ৰসাৰ সাহিত্য, সংস্কৃতিৰ বিকাশৰ দিশত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰে । ১৯৭৬ চনত শ্ৰীগোবিন শইকীয়া বাপৰ ঘৰত হোৱা কাৰ্য্যনিৰ্বাহক সভাত মূল সংঘৰ আৰ্হিত গোলাঘাট জিলা শাখাত 'সাহিত্য শাখা' গঠন কৰি সম্পাদকৰ দায়িত্ব শ্ৰীৰাজখোৱা বাপৰ ওপৰত অৰ্পণ কৰে । সাহিত্য শাখাৰ সম্পাদকৰ দায়িত্ব লৈয়েই প্ৰয়াত ৰবীতা হাজৰিকা সোঁৱৰণী ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰে । উত্তৰ পূৱ গোলাঘাট আঞ্চলিক জন্মোৎসৱ সমিতিয়ে প্ৰকাশ কৰা শ্ৰীমন্ত আলোচনীখন বন্ধ হোৱাত গোলাঘাট জিলা শাখাই নিজৰ মুখপত্ৰ হিচাবে প্ৰকাশ কৰিবলৈ সিদ্ধান্ত লয় । 'শ্ৰীমন্ত'ৰো গোলাঘাট জিলা শাখাই প্ৰকাশৰ দায়িত্ব লোৱা প্ৰথম সম্পাদক শ্ৰীৰাজখোৱা দেৱেই আছিল । ১৯৭০ চনত প্ৰকাশ পোৱা জিলা বুৰঞ্জীভাগৰ সম্পাদনাও তেখেতেই কৰিছিল । এই বুৰঞ্জীভাগেই গোলাঘাট জিলা শাখাৰ জন্ম পত্ৰিকাস্বৰূপ ।

সুৰেন্দ্ৰ নাথ ৰাজখোৱা হাবিয়াল মুক্তি প্ৰাথমিকৰ সঙ্গী । ১৯৭৬ চনত প্ৰাথমিকখনৰ সাংগঠনিক দিশ দুৰ্বল হোৱাত ইয়াৰ পুনঃগঠনৰ বাবেই সম্পাদকৰ দায়িত্ব ৰাজখোৱাবাপৰ ওপৰত পৰে । ১৯৮৪ চনলৈকে সম্পাদকৰ দায়িত্ব বহন কৰি শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ প্ৰচাৰ-প্ৰসাৰতে আত্মনিয়োগ কৰি ৯ ঘৰ গৃহস্থীৰ পৰা ৫০ ঘৰলৈ বৃদ্ধি কৰে । ইয়াৰ পিছত সভাপতিৰ দায়িত্ব পালন কৰি বৰ্ত্তমান প্ৰাথমিক শাখাৰ উপদেষ্টাৰ দায়িত্ব বহন কৰি আছে । গুৰুজনাৰ প্ৰৱৰ্ত্তিত হৰিনাম ধৰ্মৰ প্ৰচাৰ, শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ প্ৰচাৰ-প্ৰসাৰত বিশেষকৈ সাহিত্য সংস্কৃতিৰ যোগেদি - শ্ৰীৰাজখোৱাদেৱৰ বৰঙণি অপৰিসীম ।

## প্ৰয়াত বিপিন চন্দ্ৰ দত্ত (বৰুৱাবামুণ গাঁও)

বৰুৱাবামুণ গাঁও অঞ্চল গঢ়োতা অন্যতম সমাজ সচেতন ব্যক্তি বিপিন চন্দ্ৰ দত্তদেৱৰ জন্ম হৈছিল ১৯১৬ চনৰ ২৬ ফেব্ৰুৱাৰী তাৰিখে বেজ গাঁৱত । পিতৃ সোণাৰাম দত্ত আৰু মাতৃ গুণী প্ৰভা দত্ত । প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল ৰংচোৱা বৰ প্ৰাথমিক বিদ্যালয়ত । হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিল দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত । পৰৱৰ্ত্তী কালত পৈতৃক গাঁৱৰ পৰা উঠি আহি কুৰালগুৰিত স্থায়ীভাৱে বসবাস কৰিবলৈ লয় ।

তেখেতে দ্বিতীয় মহাসমৰৰ কালৰপৰাই ঠিকা কাম কৰিবলৈ আৰম্ভ কৰিছিল । সত্যতা আৰু নিষ্ঠাৰে কাম কৰি সম্পত্তিবান লোক হিচাবে সমাজত প্ৰতিষ্ঠা লাভ কৰে । তেখেতে শ্ৰমৰ মৰ্যাদা বুজি পাইছিল আৰু

এজন নিষ্ঠাবান ঠিকাদাৰ হিচাবে সুনাম অক্ষুন্ন ৰাখিব জানিছিল । সমাজত শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত দত্ত দেৱে বিশেষ গুৰুত্ব দিছিল । জন্মস্থান বেজগাৱত ল'ৰা-ছোৱালী গোটাই নিজেই পঢ়ুৱাবলৈ লৈছিল আৰু পাছত তাতেই বেজগাঁও প্ৰাথমিক বিদ্যালয়খনি স্থাপন হ'ল । এই ক্ষেত্ৰত বৰুৱাবামুণ গাঁৱৰ একমাত্ৰ নাৰী শিক্ষানুষ্ঠান গুণী প্ৰভা দত্ত বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ নাম বিশেষভাৱে উল্লেখযোগ্য । এই বিদ্যালয়খনি অৰ্থ আৰু মাটিৰ দানেৰে তেখেতৰ মাতৃদেৱীৰ নামেৰে ১৯৬৯ চনত প্ৰতিষ্ঠা কৰে । কুৰালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মূল ভৱনটিৰ (fundation) তেখেতেই কৰি দিয়াৰ উপৰি মাটিও দান দিয়ে । কছাৰীগাঁও প্ৰাথমিক বিদ্যালয় আৰু বেজগাঁও পানী যোগান কেন্দ্ৰলৈও মাটি দান দি গৈছে । বৰুৱা বামুণগাঁও নাট্যমন্দিৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগবঢ়োৱা তেখেতৰ কায়িক শ্ৰম তথা বৰঙণি লেখত ল'বলগীয়া । দেৰগাঁও কমল দুৱৰা কলেজ, বাপুজী মন্দিৰ, অসম সমবায় চেনিকল, মুকুল মইনা পাৰিজাত, বৰুৱাবমুণ গাঁও নামঘৰ আদিৰ অন্যতম প্ৰতিষ্ঠাতা । এই অনুষ্ঠানসমূহৰ পৰিচালনা সমিতিসমূহৰ সভাপতি, সদস্য হিচাবেই কাৰ্য্যনিৰ্বাহ কৰি এই অনুষ্ঠানবোৰৰ উত্তৰোত্তৰ উন্নতিৰ কাৰণে অহোপুৰুষাৰ্থ কৰি গৈছে । মৃত্যুৰ সময়লৈকে এই ৰাজহুৱা অনুষ্ঠানসমূহৰ প্ৰায়বোৰৰ লগতে সু-সম্পৰ্ক ৰাখি চলিছিল ।

দত্তদেৱ এজন ধৰ্মপ্ৰাণ ব্যক্তি আছিল । শ্ৰীমন্ত শঙ্কৰ সংঘৰ এজন বিশিষ্ট কৰ্মী আৰু সংঘৰ মূলৰ কাৰ্য্যনিৰ্বাহকৰ সদস্য হিচাবে কাৰ্য্যনিৰ্বাহ কৰিছিল । তেখেতৰ ঘৰখন অসমৰ ধৰ্মপ্ৰাণ ভকত বৈষ্ণৱৰ প্ৰাণকেন্দ্ৰ স্বৰূপ । এইসকল ভকতৰ ভিতৰত অচ্যুত কৃষ্ণ মিশ্ৰ, সোণাৰাম চুতীয়া, মাধৱ ভাগৱতী, গোলোক কাকতি, তুলসী বৰদলৈ, গোবিন্দ চন্দ্ৰ শইকীয়া আদিৰ নাম উল্লেখযোগ্য । বৰুৱাবামুণ গাঁও অঞ্চলত অনুষ্ঠিত হোৱা শংকৰ সঙ্ঘৰ ১৯৭৫ চনৰ ৪৪ তম অধিবেশনৰ কাৰ্য্যকৰী সভাপতিৰ পদ অলংকৃত কৰি এই অধিবেশন সফল কৰি তুলিছিল । ১৯৯৮ চনৰ জুলাই মাহৰ ৯ তাৰিখে তেখেত শংকৰদেৱ সঙ্ঘ কামৰ স্বীকৃতি স্বৰূপে আনুষ্ঠানিক ভাৱে বৰুৱা বামুণ গাঁও প্ৰাথমিকৰ নামঘৰত মৰণোত্তৰভাৱে সম্বৰ্দ্ধনা জনোৱা হয় ।

বৰুৱা বামুণ গাঁওৰ সামাজিক, সাংস্কৃতিক তথা ধৰ্মীয় কেউটাদিশতে বিশেষভাৱে বৰঙণি যোগোৱা এইজনা মহান ব্যক্তিৰ জীৱন বন্তি হৃদপিণ্ডৰ ক্ৰিয়া বন্ধ হৈ হঠাতেই নিৰ্বাপিত হয় - যোৱা ১৯৯৫ চনৰ ১৭ ডিচেম্বৰ, ১ পুহদিনা মাজনিশা এটা নিৰ্লোভ ভাস্কৰ্য্যৰ দৰে তেখেতৰ মৃত্যুও যেন এক শিল্প ।

**টঙ্কেশ্বৰ ফুকন (ঘিলাধাৰী ) ঃ**

গোলাঘাট জিলাৰ ঘিলাধাৰী মৌজাৰ হাবিচুকীয়া গাঁৱৰ স্থায়ী বাসিন্দা, সমাজকৰ্মী, জনপ্ৰিয় ব্যক্তি, প্ৰয়াত মহোৰাম ফুকনৰ তৃতীয় পুত্ৰ টঙ্কেশ্বৰ ফুকনৰ জন্ম হয় ১৯২৩ চনৰ জুন মাহৰ ১৫ তাৰিখে । ঘিলাধাৰী প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা আৰম্ভ কৰি, মধ্য ইংৰাজী শিক্ষা শেষ কৰি বালিজান উচ্চ বুনিয়াদী বিদ্যালয়ত শিক্ষকতা জীৱনৰ পাতনি মেলি ১৯৮০ চনৰ ৩০ জুন তাৰিখে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে । চাকৰি কৰি থকা অৱস্থাতে সুখ্যাতিৰে নৰ্মাল প্ৰশিক্ষণত উত্তীৰ্ণ হয় । যোৰহাট জিলা ভিত্তিত আৰু ঘিলাধাৰী মৌজা ভিত্তিত তেখেতে কৃতি শিক্ষকৰ সন্মান লাভ কৰে ।

সুদীৰ্ঘকাল শিক্ষাদানত ব্ৰতী হৈ থাকিও ১৯৪২ চনত মহা মানৱ মহাত্মা গান্ধীৰ নেতৃত্বত গঢ়লৈ উঠা ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় সহযোগ কৰিছিল । চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰি অসমবাসীৰ প্ৰাণত জাতীয় চেতনা বিকাশৰ কাৰণে আৰু শুদ্ধ, সত্য বৈষ্ণৱ ধৰ্ম শুদ্ধ ৰূপত প্ৰচাৰৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘত যোগদান কৰি সঙ্ঘৰ প্ৰচাৰ-প্ৰসাৰত নিজকে আত্মোৎসৰ্গ কৰিছিল । তেখেতৰ যত্নতেই কেইবাখনো প্ৰাথমিক শাখাই জন্ম লাভ কৰে । গীতা, ভাগৱতৰ তত্ত্ব গধূৰ, পাণ্ডিত্যপূৰ্ণ ব্যাখ্যাৰে সকলোকে মোহিত কৰিব পাৰিছিল । ফুকন বাপে প্ৰাথমিক শাখাৰ সভাপতি , দৈয়াং আঞ্চলিক শাখাৰ সভাপতি আৰু মূলসংঘৰ কাৰ্য্যনিৰ্বাহকৰ সদস্য হিচাবে কাৰ্য্য সম্পাদন কৰি গুৰুধৰ্ম তথা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰচাৰ প্ৰসাৰত অগ্ৰণী ভূমিকা পালন কৰিছিল । তদুপৰি তেখেত বিভিন্ন ৰাজহুৱা অনুষ্ঠান, প্ৰতিষ্ঠানৰ লগত জড়িত আছিল । দৈয়াং আঞ্চলিক শাখাই ১৯৯২ চনত প্ৰয়াত ফুকনদেৱক ৰাজহুৱা ভাৱে সম্বৰ্দ্ধনা জনায় । ১৯৯২ চনৰ জুলাই মাহৰ ২৩ তাৰিখে ফুকনদেৱে ইহলীলা সম্বৰণ কৰে ।

**প্ৰয়াত চেনীৰাম বৰা (ঘৰকটীয়া ) ঃ**

চেনীৰাম বৰাই গোলাঘাট জিলাৰ ঢেকীয়াল মৌজাৰ ঘৰকটীয়া গাঁৱত ১৮৮৭ চনত জন্ম গ্ৰহণ কৰে । তেখেত প্ৰয়াত সেহাই বৰাৰ পুত্ৰ । মাকৰ নাম আছিল প্ৰয়াত ৰঙিলী বৰা । এগৰাকী বায়েক আৰু তিনিগৰাকী ভনীয়েক আছিল । আহোম ৰজাৰ দিনত তেখেতৰ পিতৃ, পিতামহ সকলৰ মানৰ আক্ৰমণত কথমপি প্ৰাণ ৰক্ষা পৰিছিল । মানে অঞ্চলটোত আক্ৰমণ চলাই মানুহ বিলাকৰ ঘৰ-দুৱাৰ কাটি যাক যেনি পালে ধৰি ওচৰতে থকা হাবিৰ গছত শাল মাৰি অত্যাচাৰ কৰিছিল । মান যোৱাৰ পাছত ঠাইখনৰ কিছুলোকে

পুনৰ আগৰ ঠাইলৈ ঘূৰি আহি বসবাস কৰিবলৈ লোৱাৰ পৰা গাঁওখনৰ নাম ঘৰকটীয়া হয়, আৰু ওচৰতে মানে মানুহ ধৰি গছত শালমৰা ঠাইখনৰ নাম শালমৰা হয় ।

তেতিয়াৰ দিনত পঢ়া-শুনাৰ বাবে ওচৰত পঢ়াশালি নাছিল । পাঁচ কিলোমিটাৰ দূৰৈত গোলাঘাটত থকা (বৰ্ত্তমান চৰকাৰী বেজবৰুৱা উচ্চ ইংৰাজী বিদ্যালয়ত ) পঢ়িবলৈ যাব লগা হৈছিল । যাতায়ত আৰু ঘৰুৱা অসুবিধাৰ বাবে কেইশ্ৰেণীমান পঢ়িয়েই শিক্ষা সাং কৰিবলগা হয় । নিচেই কম শিক্ষা আহৰণ কৰিও তীক্ষ্ণ বুদ্ধি, বিশ্বাসী আৰু সত্যপৰায়ণতাৰ গুণত গোলাঘাট কোষাগাৰত পোদ্দাৰৰ কাম কৰিবলৈ সক্ষম হৈছিল ।

দহ বাৰ বছৰ বয়সৰ পৰা সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানত বিশেষকৈ শঙ্কৰী কলা, কৃষ্টি ,সবাহ, ভাওনা, খোল -মৃদং, ঢোল, তাল বাদ্য আদিৰ শিক্ষা আহৰণ কৰি বয়সত জিলাৰ ভিতৰতে প্ৰশংসাৰ পাত্ৰ হয় । সেই সময়তেই গুৰু ধৰ্ম্মৰ কলা-কৃষ্টিৰ বিদ্যাত অঞ্চলটোত বিশেষ প্ৰভাৱ পেলায় আৰু অঞ্চলটোৰ তেনে অনুষ্ঠান সমূহত তেখেত নহ'লেই নোহোৱা পৰিস্থিতি হৈছিল । গুৰু ধৰ্ম্মৰ প্ৰতি থকা একান্ত বিশ্বাস আৰু আস্থাৰ গুণতেই তেনে পাৰদৰ্শিতা দেখুৱাব পাৰিছিল । তেখেত এগৰাকী অতি উচ্চ খাপৰ নামলগোৱা বিচাৰেও বিখ্যাত আছিল ।

১৯২২ চনত তেখেতে স্বৰ্গীয় ৰায় চাহাব, গোপীকা বল্লভ গোস্বামী, শঙ্কৰ বৰুৱা, কণা তেৱাৰী, সোণাৰাম বৰা, হেমধৰ নাজিৰ আদিৰ লগত ভাগৱত পাঠ চৰ্চ্চা কৰে । তেনে সময়তে খুৰীয়েকৰ বিয়োগত উপৰোক্ত ভক্তসকলৰ লগত আলোচনা কৰি গুৰু ধৰ্ম্মৰ আৰ্হিৰে এঘাৰ দিনীয়া - পন্থাৰে প্ৰেত কাৰ্য্য সমাধা কৰে । এনে কাৰ্য্যকৰণৰ বাবে তেখেতৰ আৰু খুৰাকৰ ঘৰক ৰাইজে সমাজৰ পৰা বাদ দিয়ে । ফলত ভালে কেইবছৰ বাহিৰৰ পৰা ভকত বৈষ্ণৱ আনি দুয়োঘৰৰ অনুষ্ঠান আদি কৰিব লগা হয় ।

১৯৫৪ চনত এই জিলাৰ কলাবাম প্ৰাথমিক শাখাত তেখেত আৰু খুৰাক সঙ্গী ভৰ্ত্তি হয় আৰু লগে লগে নিজে সঙ্গী বঢ়াই গুৰু ধৰ্ম্মৰ আৰ্হি প্ৰণয়নৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা চলায় । তাৰবাবে ওচৰ পাজৰৰ গাঁৱত এই আৰ্হিৰ চেষ্টা কৰিবলৈ যাওঁতে গালি-শপনি, তিৰস্কাৰ, খেদা-খোৱা আনকি মাৰ পৰ্য্যন্ত খাব লগা হৈছিল ।

১৯৬৩ চনত নেৰানেপেৰা আশাশুধীয়া চেষ্টাৰ ফলত নিজৰ ভাই বন্ধু, ইষ্ট-মিত্ৰ আদিক লৈ অকা গাঁও আৰু ঘৰকটীয়া গাঁৱৰ মুষ্টিমেয় কেইজন মান সঙ্গীক লৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ঘৰকটীয়া প্ৰাথমিক শাখা গঠন কৰিবলৈ

সমৰ্থ হয় । তেখেত একেৰাহে তেতিয়াৰপৰা মৃত্যু পৰ্য্যন্ত প্ৰাথমিকৰ সভাপতি হৈ থাকি বৰ্ত্তমান সকলো দিশতে আগবঢ়াই নিয়াত অহোপুৰুষাৰ্থ কৰে । প্ৰয়াত চেনীৰাম খৰা বাপে সঙ্গীপদ লোৱাৰ পৰা মৃত্যু পৰ্য্যন্ত গুৰুজনাৰ প্ৰৱৰ্ত্তিত নাম ধৰ্ম আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰচাৰ-প্ৰসাৰতে আত্ম নিয়োগ কৰিছিল । গুৰু ধৰ্ম্ম প্ৰচাৰৰ বাবে তেখেতৰ দান বৰঙণি অপৰিসীম । ১৯৯৫ চনৰ ৮ মে তাৰিখে ১০৮ বছৰ বয়সত তেখেতে ইহ লীলা সম্বৰণ কৰে ।

## ঠানুৰাম শইকীয়া ( বেজগাঁও)

ঠানুৰাম শইকীয়া দেৱৰ ১৯১৪ চনৰ ফেব্ৰুৱাৰী মাহত কাকডোঙা মৌজাৰ বেজগাঁৱত জন্ম হয় । স্বাভাৱিকতে উগ্ৰ অথচ অতি ধৈৰ্য্যশীল গুৰুজনাৰ ধৰ্মত অত্যন্ত বিশ্বাসী আৰু মহামানৱ মহাত্মা গান্ধীৰ ভাৱাদৰ্শৰ প্ৰতি আগ্ৰহীল আছিল প্ৰয়াত শইকীয়াদেৱ । দেশৰ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল আৰু চৰকাৰৰ পৰা নিৰ্য্যাতিত পেন্সন লাভ কৰিছিল । বিপ্লৱীসকল সদায় বিপ্লৱীয়েই । দেশে স্বাধীনতা পোৱাৰ পিছত তেখেতৰ মন ধৰ্ম আন্দোলনৰ পিনে ঢাল খায় । ১৯৬৯ চনত দুবিয়াল প্ৰাথমিকৰ সঙ্গী হয় আৰু তাৰো আগৰ পৰাই গুৰুধৰ্মৰ সংস্কাৰৰ বাবে এক বৈপ্লৱীক আন্দোলনৰ অভিযান চলাইছিল । ৭০' ৰ দশকৰ প্ৰথমভাগতে উজীৰ গাঁৱত উজীৰ গাঁও প্ৰাথমিক শাখা প্ৰয়াত মুক্তিযোদ্ধা দামোদৰ ভূঞাৰ নেতৃত্বত খোলা হয় আৰু শইকীয়া বাপে দুবিয়ালৰ পৰা আহি উজীৰ গাঁৱত সঙ্গীভুক্ত হয় । তাৰ পিছত কছুবৰীয়াত, আৰু ৮০ৰ দশকত বেজগাঁৱত প্ৰাথমিক গঠন হোৱাত নিজ গাঁৱৰ প্ৰাথমিকৰ সঙ্গী হয় । ২ বছৰকাল প্ৰাথমিক শাখাৰ সভাপতিৰ দায়িত্বও অতি নিষ্ঠাসহকাৰে পালন কৰে । ধৰ্মীয় জগতখনত চলি থকা অন্যায়, অবিচাৰ-ব্যভিচাৰ আদি আঁতৰাই শুদ্ধৰূপত গুৰুধৰ্ম প্ৰতিষ্ঠা কৰাৰ বাবে তেখেত আছিল অতি সাহসী আৰু অক্লান্ত কৰ্ম্মী । ১৯৯২ চনৰ ১৪ আগষ্ট তাৰিখে আকস্মিক ভাৱে হৃদক্ৰিয়া বন্ধ হৈ ৭৮ বছৰ বয়সত শইকীয়া দেৱে ইহলীলা সম্বৰণ কৰে ।

□□

# প্ৰয়াত মহেশ্বৰ বৰা

গোলাঘাট জিলাৰ দক্ষিণ হেঙেৰা মৌজাৰ চেতীয়া গাঁও নিবাসী স্বৰ্গীয় সোণাৰাম বৰা (চুতীয়া) ৰ বৰপুত্ৰ মহেশ্বৰ বৰা ১৮৯৩ চনত জন্ম গ্ৰহণ কৰে। তেখেতে জীৱনৰ প্ৰাৰম্ভণীৰেপৰা অতি পৰিশ্ৰমী, সাহসী, সমাজকৰ্মী হিচাপে চিনাকি দিছিল। ৰাইজৰ সেৱক আৰু ধৰ্মপ্ৰাণ ব্যক্তি হিচাবে জীৱন অতিবাহিত কৰিছিল।

পূৰ্ব্বৰেপৰা তান্ত্ৰিক নীতিৰে চলি অহা এই গাঁৱৰ বিভিন্ন সম্প্ৰদায়ৰ বাসিন্দাসকলৰ মাজত গুৰুজনাৰদ্বাৰা প্ৰচাৰিত একশৰণ নাম ধৰ্মৰ প্ৰতি প্ৰথম অনুপ্ৰেৰণা যোগোৱা ব্যক্তিসকলৰ তেওঁ আছিল পথ প্ৰদৰ্শক। বিয়াল্লিছৰ গণ আন্দোলনৰ সময়ত যোগদান দি অনিৰ্দিষ্ট কাললৈ বন্দী হৈছিল। জেলত থকা অৱস্থাতে অসমৰ বিভিন্ন জিলাৰ কাৰাবন্দীসকলৰ লগত শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শত এখন সুস্থিৰ সমাজ নকৈ গঢ়ি তোলাৰ আঁচনি কৰি আলোচনা কৰিছিল। তেখেতৰ আলোচনাৰ সহযোগী আছিল সমাজকৰ্মী মুক্তিযোদ্ধা শংকৰ বৰুৱা, ৰাজেন বৰুৱা আদি লোকসকল। কাৰাগাৰত থকা অৱস্থাতে তেওঁৰ একমাত্ৰ পুত্ৰ স্বৰ্গীয় ভদ্ৰেশ্বৰ বৰাৰ বিবাহ নামেৰে পাতিবলৈ সিদ্ধান্ত কৰিছিল। ১৯৪৬ চনৰ ২৬ বহাগত দক্ষিণ হেঙেৰা মৌজাৰ ভিতৰত সৰ্ব্বপ্ৰথম নামধৰ্মেৰে বিয়া পাতিছিল দেৰগাৱঁৰ দাধৰা গাৱঁৰ গেৰেলা খনিকৰৰ বৰ জীয়ৰি স্বৰ্গীয়া ৰামেশ্বৰী বৰাৰ সৈতে। প্ৰচলিত নীতি বিৰোধী কাম কৰা বাবে তেতিয়া তেখেতক মানুহে নিন্দা, ভৎসনা কৰি সমালোচনা কৰিছিল। বুকুত অদম্য সাহস আৰু মনোবলেৰে 'একশৰণ নামৰ প্ৰতি সকলোকে বুজাইছিল। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাথমিক শাখা গঠন হোৱাৰ পূৰ্বে তেখেতে ঢেকীয়াল, হালোৱা, হাবিয়াল, কাঠকটীয়া, বেতিয়নী আদি ঠাই সমূহত ধৰ্মালোচনী সভা পাতিছিল। তাতে সন্তুষ্টি নাথাকি যোৰহাট জিলাৰ টীয়কৰ স্বৰ্গীয় গোলাপ শইকীয়া বাপ, কৰঙাৰ স্বৰ্গীয় বিমান বৰা, বৰবামচুঙীৰ স্বৰ্গীয় কনমইনা বৰাৰ গৃহত গৈ ৰাইজ গোটাই একশৰণ নামধৰ্ম্মৰ প্ৰচাৰ কৰিছিল। তেখেতে বিভিন্ন শাস্ত্ৰ অধ্যয়ন কৰি তত্ত্ব কথাসমূহ ভকতসকলৰ মাজত বুজাই দিছিল। প্ৰতি বৃহস্পতি বাৰে এই গাঁৱৰে স্বৰ্গীয় দিনাৰাম শইকীয়া, লৰিকা দত্ত, কমলেশ্বৰ বৰা, বিজুলী কোঁচ, বলোৰাম বৰা, সৰুমইনা চেতীয়া, ধোদোঙা ভকত, টঙ্ক বৰা আদিৰ গৃহত কীৰ্ত্তন, ভাগৱত আৰু বিভিন্ন শাস্ত্ৰ অধ্যয়ন কৰি গুৰু ধৰ্ম্মৰ প্ৰতি আকৃষ্ট কৰায়।

শৰণাচাৰ্য্য বৈষ্ণৱ পণ্ডিত শ্ৰীসোনাৰাম চুতীয়া বাপৰ সান্নিধ্যত প্ৰথম

প্ৰাথমিক প্ৰতিষ্ঠা কৰা হৈছিল এই জনাৰ গৃহতেই। ইয়াৰোপৰি শৰণাচাৰ্য্য শ্ৰী ঘন তামুলী বাপ, জিলা সম্পাদক শ্ৰীহেম শইকীয়া, শ্ৰীগোবিন শইকীয়া, শ্ৰীনন্দেশ্বৰ শইকীয়া আদি ব্যক্তিসকলে এই গাঁৱৰ প্ৰাথমিক খনিৰ বাবে অশেষ কষ্ট কৰি গৃহস্থীৰ সংখ্যা বঢ়াইছিল। ইমানখিনি হোৱাৰ পাচত তেখেতে ভাৰত চৰকাৰৰপৰা মুক্তি যুঁজাৰু সন্মিলনৰপৰা আগবঢ়োৱা তাম্ৰপাত্ৰ পাইছিল। ইয়াৰউপৰিও বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। এই অঞ্চলৰে ঢেকীয়াল হাইস্কুলৰ মেনেজিং কমিটিৰ চেয়াৰমেন হৈ কিছুদিন কাৰ্য্যনিৰ্ব্বাহ কৰিছিল। ১৯৬৭ চনৰ ৯ আঘোণত এইজনা মহাব্যক্তিৰ জীৱনৰ পৰিসমাপ্তি ঘটে।

# প্ৰয়াত ভদ্ৰেশ্বৰ বৰা

গোলাঘাট জিলাৰ দক্ষিণহেঙেৰা মৌজাৰ চেতীয়া গাঁও নিবাসী স্বৰ্গীয় মহেশ্বৰ বৰাৰ একমাত্ৰ পুত্ৰ স্বৰ্গীয় ভদ্ৰেশ্বৰ বৰা। ১৯২১ চনত তেখেতে জন্ম গ্ৰহণ কৰে। দেউতাকৰ অনুপ্ৰেৰণাত এই পিচপৰি থকা অঞ্চলত শিক্ষানুষ্ঠান নোহোৱা বাবে ঘৰৰপৰাই গোলাঘাট বেজবৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ত অধ্যয়ন কৰি বিদ্যালয়ৰপৰা সুখ্যাতিৰে সংস্কৃত আৰু ইংৰাজী বিষয়ত শতকৰা ৮০% ভাগ নম্বৰ পাই প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছিল। মহাবিদ্যালয়ত নামভৰ্ত্তি কৰাই যদিও স্বাধীনতা আন্দোলনটোত পৰি পুলিচৰ ভয়ত বিভিন্ন ঠাইত পলাই ফুৰিব লগা হৈছিল। সিমানতেই শিক্ষা জীৱনৰ সামৰণি পেলায়। বৰ্ত্তমানৰ ধলৰ সত্ৰ উচ্চ মাধ্যমিক বিদ্যালয়ত চাকৰি জীৱনৰ পাতনি মেলে। প্ৰায় ১৭ বছৰ শিক্ষকতা কৰাৰ পাচত ঘৰলৈ আহি গোলাঘাট হিন্দী হাইস্কুল, ফণী বৰদলৈ হাইস্কুল, দক্ষিণ হেঙেৰা মধ্য ইংৰাজী বিদ্যালয় আৰু আধাৰ সত্ৰ হাইস্কুলত শিক্ষকতা কৰে ঘৰুৱা অসুবিধাৰ বাবে চাকৰি কাল শেষ নকৰাকে গুচি আহি কৃষি কৰ্মত মনোনিবেশ কৰে।

তেখেত এজন সমাজকৰ্মী, ধৰ্মপ্ৰৱণ, সাহসী আৰু কষ্ট সহিষ্ণু ব্যক্তি আছিল। স্পষ্টবাদিতাৰ বাবে তেখেত কেতিয়াবা অপ্ৰিয়ও হৈছিল। অত্যন্ত পৰিশ্ৰমী হৈ এজন ভাল খেতিয়ক হিচাপে পৰিচয় দিছিল। শ্ৰীমন্ত শংকৰ সংঘৰ চেতীয়া গাঁও জনাৰ্দন প্ৰাথমিকৰ গুৰি ধৰোতা আছিল।

জীৱনৰ প্ৰায়খিনি সময় সৎ ব্যৱহাৰ কৰি নিজৰ পৰিয়াল তথা সমাজৰ উন্নতিৰ বাবে অশেষ কষ্ট কৰিছিল। তাৰোপৰি তেখেত এজন দক্ষ অভিনেতা

আৰু নাট্যকাৰ আছিল। জীৱনৰ শেষ সময়লৈকে ঢেকীয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰীক্ষা-নিৰীক্ষক হৈ থাকি ১৯৯০ চনৰ কাতি মাহৰ ৩ তাৰিখে তেখেতে ইহলীলা সম্বৰণ কৰে।

## জীতেন বৰা

গোলাঘাট জিলাৰ দক্ষিণহেঙেৰা মৌজাৰ নিবাসী স্বৰ্গীয় ভদ্ৰেশ্বৰ বৰাৰ জেষ্ঠ পুত্ৰ। ১৯৫৪ চনৰ দেৰগাঁৱৰ দাধৰাত জন্ম হয়। যোৰহাট শংকৰদেৱ চেমিনাৰী বিদ্যালয়ৰপৰা প্ৰবেশিকা আৰু গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰপৰা স্নাতক আৰু তাৰ পাচতে A. P. S. C. পৰীক্ষাত উত্তীৰ্ণ হৈ সম্প্ৰসাৰণ বিষয়া (ঋণ) হিচাপে চাকৰি জীৱন আৰম্ভ কৰি বৰ্ত্তমানলৈকে কাৰ্য্যনিৰ্ব্বাহ কৰি আছে। সৰুৰেপৰা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ আদৰ্শেৰে আকৃষ্ট হৈ উপৰিপুৰুষ ককাক স্বৰ্গীয় মহেশ্বৰ বৰা আৰু পিতৃ স্বৰ্গীয় ভদ্ৰেশ্বৰ বৰাৰ স্মৃতি ৰক্ষাৰ্থে গোলাঘাট জিলাৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কাৰ্য্যালয় ভৱনটি তেওঁৰ কষ্টোপাৰ্জ্জিত ধনৰ দানেৰে সজায় দিয়ে। বৰ্তমান চেতীয়া গাঁও প্ৰাথমিক শাখাৰ উন্নতিকল্পে নানা ধৰণৰ চেষ্টা চলাই আহিছে। চাকৰিৰ যোগেদি ৰাইজৰ সেৱাত মনোনিবেশ কৰি আহিছে।

শ্ৰীমতী পাৰিজাত বৰা শ্ৰীযুত জীতেন বৰাৰ পত্নী, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ একনিষ্ঠ সঙ্গী। প্ৰচাৰ সংগঠনৰ উদ্দেশ্যে বিভিন্ন সভা-সমিতিত অংশ গ্ৰহণ কৰি গুৰুজনাৰ ধৰ্মাদৰ্শ প্ৰচাৰত এগৰাকী মহিলা। বৰ্ত্তমান ঢেকীয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষয়িত্ৰী কৰি আছে।

## ৰোম দত্ত

১৯২৯ চনৰ মাৰ্চ মাহৰ মিছামৰা মৌজাৰ খনিকৰ গাঁৱত এখেত জন্ম হয়। ১৯৫৪ চনৰপৰা খনিকৰ মজলীয়া স্কুলত প্ৰতিষ্ঠাপক হিচাবে শিক্ষকতাৰ জীৱন আৰম্ভ কৰি ১৯৯০ চনৰ ৩১ মে' তাৰিখে অৱসৰ গ্ৰহণ কৰে। ছাত্ৰ অৱস্থাৰ পৰাই শ্ৰীদত্তদেৱ সামাজিক অনুষ্ঠানৰ লগত জড়িত হৈ আহিছে। ১৯৫৫ চনৰপৰা খনিকৰ গাঁও ৰক্ষী বাহিনীৰ সম্পাদক, সভাপতি আৰু দেৰগাঁও থানা সমিতিৰ সভাপতি হিচাবে কাৰ্যনিৰ্বাহ কৰে।

শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত ধৰ্ম দৰ্শনৰ প্ৰতি আকৃষ্ট হৈ তেখেতে শ্ৰীমন্ত

শঙ্কৰদেৱ সংঘৰ, সঙ্গীভুক্ত হয়। সুদীৰ্ঘ দিন ধৰি তেখেতে প্ৰাথমিক শাখাৰপৰা মূল সংঘলৈকে বিভিন্ন দায়িত্বৰে সেৱা আগবঢ়ায়। গোলাঘাট জিলা শাখাৰপৰা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সাংগঠনিক দায়িত্বত থকা বিষয়বাবসমূহ হ'ল– খনিকৰ শ্ৰীগুৰু প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতি, গোলাঘাট জিলা শাখাৰ সহকাৰী সম্পাদক, জিলা শাখাৰ সাংগঠনিক সম্পাদক, সংস্কৃতি শাখাৰ সম্পাদক, সংস্কৃতি শাখাৰ সভাপতি, শঙ্কৰী সংগীত বিদ্যালয়ৰ অধ্যক্ষ, মূল সংঘৰ সদস্য, মূল সংঘৰ সংস্কৃতি শাখাৰ সভাপতি, পৰীক্ষা পৰিষদৰ সদস্য হিচাবে কাৰ্য নিৰ্বাহ কৰে। বৰ্তমান ১৯৯৮-২০০০ বৰ্ষৰ মূল সংঘৰ শৰণ সদস্য হিচাবে কাৰ্যনিৰ্বাহ কৰি গুৰুধৰ্ম প্ৰচাৰ আৰু সংৰক্ষণত আত্মনিয়োগ কৰি সেৱা আগবঢ়াইছে।

# নীলকান্ত বৰা

গোলাঘাট জিলাৰ ঢেকীয়াল মৌজাৰ কাঠকটীয়া গাঁৱত ১৯৩৭ চনৰ ৩০ জানুৱাৰী তাৰিখে শ্ৰীনীলকান্ত বৰাৰ এটি কৃষক পৰিয়ালত জন্ম হয়। পিতৃৰ নাম হলিৰাম বৰা। তেখেতৰ শিক্ষাগত অৰ্হতা হ'ল এম, এ, বি, টি। গুৰযোগনীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী একনিষ্ঠ সঙ্গী হিচাবে গুৰুজনাৰ ধৰ্মাদৰ্শ তথা শঙ্কৰী নৃত্য-গীত বাদ্যৰ ওপৰত গভীৰ অনুসন্ধান চলাই বিজ্ঞান সম্মতভাৱে প্ৰচাৰ প্ৰসাৰত আত্ম নিয়োগ কৰে। ১৯৮১ চনৰপৰা ১৯৯১ চনলৈ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ গোলাঘাট জিলা শাখাৰ সংস্কৃতি শাখাৰ সভাপতি, ১৯৯১ চনৰপৰা ১৯৯৬ চনলৈ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সংস্কৃতি শাখাৰ সম্পাদক, ১৯৯৭ চনৰপৰা ১৯৯৮ চনলৈ সংস্কৃতি শাখাৰ সভাপতি হিচাবে সেৱা আগবঢ়ায়। বৰ্তমানে (১৯৯৮-২০০০ চন) তেখেত মূল সংঘৰ সংস্কৃতি শাখাৰ সভাপতি হিচাবে কাৰ্যনিৰ্বাহ কৰি আছে।

১৯৮১ চনৰপৰা ১৯৯৬ চনলৈ শঙ্কৰী সঙ্গীত বিদ্যাপীঠৰ শঙ্কৰী গায়ন বিদ্যাৰ প্ৰশিক্ষক আৰু গৱেষণা পৰিষদৰ আহ্বায়কৰ দায়িত্ব গ্ৰহণ কৰিছিল। ডিব্ৰুগড় আঁনাতাৰ কেন্দ্ৰৰ বৰগীতৰ নিয়মীয়া শিল্পী। তদুপৰি সাহিত্য-সংস্কৃতি চৰ্চাৰ ক্ষেত্ৰত তেখেতৰ বৰঙণি উল্লেখযোগ্য। তেখেতৰ লিখনি নামধৰ্ম, শ্ৰীমন্ত আৰু বিভিন্ন স্মৃতিগ্ৰন্থত প্ৰকাশ পাইছে। এইবোৰত তেখেতৰ গভীৰ অধ্যয়নশীল মনৰ পৰিচয় পোৱা যায়। বৰগীতৰ ৰাগৰ হাতপুথি আৰু আতাসকলৰ চৰিত নামৰ দুখন পুথি প্ৰকাশৰ পথত। কাঠকটীয়া প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। অমায়িক স্বভাৱৰ অধ্যয়নপুষ্ট মনৰ গৰাকী শ্ৰীবৰা দেৱ এগৰাকী শঙ্কৰী সংস্কৃতিৰ নীৰৱ সাধক।

# স্বৰ্গীয় বেণুৰাম বৰুৱা, বৰদিহিঙিয়া

প্ৰবীণ মুক্তি যোদ্ধা স্বৰ্গীয় বেণুৰাম বৰুৱা গোলাঘাট জিলাৰ বৰদিহিঙিয়া গাঁৱত জন্ম গ্ৰহণ কৰে। তেখেতৰ পিতৃৰ নাম স্বৰ্গীয় দুৰ্গা বৰুৱা। তেখেতৰ পত্নীৰ নাম টুপুলী বৰুৱা আছিল। তেখেতৰ তিনি বছৰ বয়সতে পিতৃ দুৰ্গা বৰুৱাৰ মৃত্যু হয়। স্বৰ্গীয় বেণুৰাম বৰুৱাই সেই সময়ত বৰদিহিঙীয়া, কমাৰ গাঁৱত থকা প্ৰাথমিক বিদ্যালয়ত নাম ভৰ্ত্তি কৰে আৰু প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষা গ্ৰহণ কৰে। তেখেতৰ গাৰ বৰণ ক'লা মটীয়া। সৰুৰপৰা তেখেতে খদ্দৰ ধুতি-পাঞ্জাৱী পৰিধান কৰিছিল। ১৯২১ চনৰ কংগ্ৰেছ আন্দোলনৰ স্বেচ্ছাসেৱক (ভলন্টিয়াৰ) হিচাবে স্বাধীনতা সংগ্ৰামত যোগদান কৰিছিল। মহাত্মা গান্ধী অসমলৈ আহি স্বাধীনতা সংগ্ৰামত বাণী প্ৰচাৰ কৰাৰ পাচৰপৰা তেখেতে গান্ধী টুপী পৰিধান কৰি স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰে। ১৯৪২ চনৰ অসহযোগ আন্দোলনত যোগ দি এবছৰ কাৰাবাস খাটে। তেখেতে তেজপুৰ জেলত থাকোতে প্ৰয়াত হলধৰ ভূঞা, অমিয়কুমাৰ দাস আৰু বিষ্ণুৰাম মেধিক লগ পায়। জেলৰপৰা ওলাই বোকাখাট অঞ্চলত স্বাধীনতা সংগ্ৰামৰ গুৰি ধৰে। বিদেশী বস্ত্ৰ বৰ্জ্জন, মাদক দ্ৰব্য নিবাৰণ, সুতাকটা, খদ্দৰ কাপোৰ পৰিধান কৰা কাৰ্য্যত সকলোকে উদ্বুদ্ধ কৰিছিল। তদুপৰি গান্ধীৰ ১৮ দফীয়া কাৰ্য্যসূচী ৰূপায়ণ কৰাত আগভাগ লৈছিল।

তেখেতে ৰাজনৈতিক পেঞ্চন ভোগ কৰিছিল। ১৯৭২ চনত তেখেতে ভাৰত চৰকাৰ তাম্ৰপত্ৰ লাভ কৰিছিল। প্ৰয়াত বেণুৰাম বৰুৱা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এজন পুৰণা সঙ্গী, প্ৰচাৰৰ সংগঠক আছিল। ১৯৫৫ চনত তেখেতে তামুলী পথাৰ প্ৰাথমিক শাখাত সংগীভূক্ত হয় আৰু ১৯৫৭ চনত নিজৰ বৰদিহিঙিয়া গাৱঁত প্ৰাথমিক গঠন কৰে। তেখেত গোলাঘাট জিলা শাখাৰ কাৰ্য্যনিৰ্ব্বাহকৰ সদস্য আছিল। তেখেতক সঙ্গীসকলে ভীষ্ম পিতামহ বুলি আখ্যা দিছিল। তেওঁ গোলাঘাট জিলাৰ পশ্চিম আঞ্চলিক শাখাৰ ভালে কেইখন প্ৰাথমিক গঠন কৰে আৰু পাচত আঞ্চলিকৰ সভাপতি হয়। বৰ্ত্তমান সেই আঞ্চলিক শাখা বোকাখাট জিলাৰ অন্তৰ্ভুক্ত হয়। তেখেতক ১৯৭৫ চনত বৰুৱা বামুন গাৱঁত হোৱা মূলৰ অধিবেশনত সম্বৰ্দ্ধনা জনোৱা হয়। প্ৰয় ... সংগঠনৰ লগতে বিভিন্ন সামাজিক কামত জড়িত আছিল। তেখেত গাওঁ ... লাঘাট থানা কমিটিৰ পথম সভা ... স্বৰ্গীয় বৰুৱাৰ

## ।। শোভন চন্দ্ৰ শইকীয়া।।

শ্ৰীশোভনচন্দ্ৰ শইকীয়াৰ জন্ম হয় ১৯৫১ চনৰ আহিন মাহৰ ৩০ তাৰিখে খুমটাই মৌজাৰ গাড়ীগাওঁত। পিতৃ প্ৰয়াত নবীন শইকীয়া। বনগাঁৱতে শিক্ষাৰম্ভ কৰি ১৯৬৯ চনত প্ৰাইভেটকৈ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৭৩ চনত দেৰগাওঁ কমল দুৱৰা মহাবিদ্যালয়ৰপৰা অসমীয়াত অনাৰ্ছ লৈ স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৭৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা অসমীয়া সাহিত্যত সুখ্যাতিৰে স্নাতকোত্তৰ উপাধি লাভ কৰে।

পিতৃ প্ৰয়াত নবীন শইকীয়া আছিল এগৰাকী শাস্ত্ৰজ্ঞ আৰু জ্ঞানী লোক। সৰুকালৰপৰাই দেউতাকৰপৰা পোৱা প্ৰেৰণা আৰু উৎসাহত মহাপুৰুষীয়া ধৰ্মৰ প্ৰতি আকৃষ্ট হোৱাৰ লগতে ধৰ্মশাস্ত্ৰসমূহ অধ্যয়নত ৰত হয়। কলেজীয়া জীৱনত দুগুণ উৎসাহেৰে লাগি পৰিল সহপাঠী সৰ্বশ্ৰী দণ্ডেশ্বৰ বৰুৱা, সুৰেন দত্ত আৰু চন্দ্ৰ হাজৰিকা আদিৰ সহযোগত। প্ৰয়াত পণ্ডিত কুশেশ্বৰ কলিতাৰপৰা পোৱা প্ৰেৰণা এই ক্ষেত্ৰত স্মৰণযোগ্য।

দেউতাকৰ মৃত্যুৰ পিচত বৃহত্তৰ বনগাঁও অঞ্চলত শাস্ত্ৰালাপ আৰু পৰামৰ্শ দাতাৰ অভাৱৰ স্বত্বেও মনোবল ভাঙি পেলোৱা নাছিল। ভালেকেইবছৰ ভোলাগুৰি প্ৰাথমিক শাখাৰ সঙ্গীৰূপে থাকি ১৯৮২ চনত নিজা গাঁৱত (গাড়ীগাঁৱত) এখন প্ৰাথমিক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ গোলাঘাট জিলা শাখাৰ একেৰাহে আঠোটা কাৰ্য্যকালত জিলা সদস্য নিৰ্ব্বাচিত হোৱাৰ উপৰি ১৯৮১-৮২ চনত জিলা সাহিত্য শাখাৰ সম্পাদকৰ দায়িত্ব নিষ্ঠাৰে পালন কৰে। ১৯৯৩ চনত বোকাখাত জিলা গঠনত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। প্ৰথমতে উক্ত জিলাৰ সাহিত্য শাখাৰ সভাপতি হোৱাৰ পাছত ক্ৰমে জিলাৰ উপ-সভাপতি আৰু শেষত(বৰ্ত্তমান) মূল সংঘৰ সদস্যৰূপে সেৱা আগবঢ়াই আহিছে।

সৰু কালৰেপৰা সাহিত্য চৰ্চা কৰা শ্ৰীশোভনচন্দ্ৰ ধিক

প্ৰবন্ধ অসম কাকত আলোচনী আদিত প্ৰকা নকে

সমিধান(শঙ্কৰী সাহিত্য-সংস্কৃতিৰ চমু প্ৰশ্নোত্তৰ), (খ) শঙ্কৰী সাহিত্যৰ কেইটিমান দিশ, (গ) কীৰ্ত্তন পুথিৰ শব্দাৰ্থ (ঘ) শঙ্কৰদেৱৰ সাহিত্য অলঙ্কাৰ।

কমাৰগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীশইকীয়া এগৰাকী সু-বক্তা ৰূপেও জিলাখনত পৰিচিত। গোলাঘাট জিলা সাহিত্য সভাৰ তিনিটা কাৰ্য্যকালৰ উপ-সভাপতি হোৱাৰ উপৰি ১৯৯৬ চনত বোকাখাতত অনুষ্ঠিত অসম সাহিত্য সভাৰ ৬২ তম অধিবেশনৰ স্মৃতিগ্ৰন্থ সম্পাদনাৰ কাম সু-খ্যাতিৰে পালন কৰে। সদৌ ভাৰত গ্ৰাম্য আৰু নগৰ উন্নয়ন কেন্দ্ৰৰ(AICURD) দ্বাৰা ১৯৯৭ চনত এখেতক সম্বৰ্দ্ধনা জনোৱা হয়। বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত শ্ৰীশইকীয়াৰপৰা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সঙ্গী বাপসকলে ভৱিষ্যতে আৰু আশা কৰিব পাৰে।

■ ■ ■

# বংশীধৰ বৰা, সভাপতি, সাহিত্য শাখা

১৯৪২ খ্রীষ্টাব্দ ১৮৬৭ শকৰ ভাদ মাহৰ জন্মাষ্টমী তিথি সোমবাৰে ঢেকীয়াল মৌজা, ঢেকীয়াল, গাওঁত শ্রীবংশীধৰ বৰাৰ জন্ম হয়। তেখেতৰ দেউতাকৰ নাম স্বৰ্গীয় পুণ্যেশ্বৰ বৰা আৰু মাতৃৰ নাম স্বৰ্গীয়া চুচিলা বৰা। তেখেতৰ দেউতাক এজন ধৰ্ম্মপ্ৰাণ ব্যক্তি আছিল আৰু খেতি-বাতিৰ লগতে কাঠমিস্ত্রী কৰি জীৱিকা নিৰ্ব্বাহ কৰিছিল। শ্রীবৰাই ঢেকীয়াল আদৰ্শ প্ৰাথমিক বিদ্যালয়তে শিক্ষা জীৱন আৰম্ভ কৰে। প্ৰাথমিক শিক্ষা সাং কৰি ১৯৫৮ চনত ঢেকীয়াল হাইস্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষা পাচ কৰে। ১৯৬৪ চনত দেৱৰাজ ৰয় মহাবিদ্যালয়ৰপৰা স্নাতক(কলা) আৰু ১৯৭২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ উপাধী লাভ কৰে। ১৯৭৫ চনত যোৰহাট প্ৰশিক্ষণ মহাবিদ্যালয়ৰপৰা বি, টি উপাধি পাচ কৰে। তদুপৰি ১৯৯২ চনত নেচনেল হোমিও কলেজৰপৰা (National Homoeo College )পৰা ডাকযোগে এম, দি, (এইচ) বি, দি, দি উপাধি গ্ৰহণ কৰে।

১৯৬৪ চনৰপৰা ১৯৬৬ চনলৈ আধাৰ সত্ৰ শেনছোৱা বাপুজী হাইস্কুলত আৰু ১৯৬৬ চনৰ ফেব্ৰুৱাৰী মাহৰপৰা বৰ্ত্তমানলৈকে চিনাতলী উচ্চ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষক, ১৯৯০ চনৰপৰা যথাক্ৰমে সহ-প্ৰধান শিক্ষক আৰু ১৯৯০ চনৰ অক্টোবৰ মাহৰপৰা প্ৰধান শিক্ষক হিচাবে কাৰ্য্যনিৰ্ব্বাহ কৰি আছে। ১৯৭৬ চনত তেখেতে বেতিয়নীৰ এটি ধৰ্ম্মপ্ৰাণ নৈষ্ঠিক পৰিয়ালৰপৰা শ্রীযুক্তা নিৰু বৰা নামৰ আইগৰাকীক বিয়া কৰায়।

শ্রীবংশীধৰ বৰা সৰুৰপৰা এজন ধৰ্ম্ম প্ৰাণ ব্যক্তি, কাৰণ তেখেতৰ দেউতাক গাৱঁৰ আগশাৰীৰ নামধাৰী ভকত আৰু প্ৰসঙ্গীয়া নাম, হিৰা নাম, গায়ন উঠা নামৰ তেখেত ওজা নামধাৰী আছিল। দেউতাকৰ অনুপ্ৰেণাতে তেখেতে কীৰ্ত্তন পাঠ, ঘোষাপাঠ, বৰগীত গোৱা ভাওনাত ভাওঁ লোৱা। ছচৰীত পদ দিয়া লগতে নাম প্ৰসঙ্গ কৰিবলৈও অভ্যাস কৰিছিল। ১৯৭৮ চনত দেউতাকৰ বিয়োগৰ পাচত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সঙ্গী ভৰ্ত্তি হয়। মানখুৰী চিন্তামণি প্ৰাথমিক বৰ্ত্তমান তেখেত সঙ্গী হোৱাৰ লগতে ৮ বছৰ সম্পাদক ১৯৯৭ চনলৈকে প্ৰাথমিকৰ সভাপতি হৈ আছিল। ১৯৯৭ চনত ঢেকীয়াল আঞ্চলিকৰপৰা জিলা সদস্য হিচাবে নিৰ্ব্বাচিত হয় আৰু জিলা শাখাৰ বৰুৱা গাওঁ অধিবেশনত সাহিত্য শাখাৰ সভাপতি হিচাবে নিৰ্ব্বাচিত

হয়। বৰ্ত্তমানলৈ তেখেতে সেই বিষয়-বাবত আছে।

তেখেতৰ শিক্ষামুলক, ধৰ্ম্ম আলোচনা বিষয়ক আৰু হোমিওপ্যেথিক চিকিৎসা সৰ্ম্পকীয় প্ৰবন্ধ প্ৰকাশ পাইছে। তদুপৰি গোলাঘাট জিলা শাখাৰদ্বাৰা অনুষ্ঠিত কৰা 'কলাপামৰ' মাধৱ জয়ন্তীত প্ৰকাশ পোৱা 'মাধৱ স্মৃতি' নামৰ স্মৰণিকাখনো সম্পাদান কৰিছিল। তেখেত একেধাৰে ১৯৭৮ চনৰপৰা ১৯৮২ চনলৈ ঢেকীয়াল জ্যোতি সাহিত্য শাখাৰ সম্পাদক আছিল। বিভিন্ন সামাজিক কামত শ্ৰীবৰা সদায় জড়িত তদুপৰি তেখেতে এসময়ত সাম্যবাদী ৰাজনীতিও কৰিছিল। শিক্ষক হিচাবে চিনাতলী অঞ্চলত ভাল নাম আছে। ১৯৭৬ চনত তেখেতে নতুন দিল্লীত এমাহ 'Proprogation of Indian Culture among School Students' নামৰ এটা প্ৰশিক্ষণ গ্ৰহণ কৰিছিল। তেখেতে সংস্কৃতি চৰ্চা কৰাৰ লগতে বিভিন্ন সংস্কৃতি সভা আৰু ধৰ্ম্ম সভাত ব্যক্তিতা দিয়ে। বৰ্ত্তমান তেখেত এজন ভাল হোমিওপ্যেথিক চিকিৎসক।❑

## ৰত্নেশ্বৰ দত্ত, ঢেকীয়াল

শ্ৰীৰত্নেশ্বৰ দত্তই গোলাঘাট জিলাৰ লেটেকুজান চাহবাগিচাত ১৯২৮ চনত জুন মাহৰ ২৭ তাৰিখ বুধবাৰে জন্ম গ্ৰহণ কৰে। সেই সময়ত তেখেতৰ দেউতাক লেটেকুজান চাহ বাগিচাৰ সহকাৰী পৰিচালক আছিল। তেখেতৰ ঘৰ গুৱ যোগনীয়া মৌজাৰ ঢেকীয়াল তিনি আলিৰ সমীপস্থ কহঁাৰ চুকত। চাহ বাগানত সেই সময়ত প্ৰাথমিক বিদ্যালয় নথকাত তেখেতে ঘৰতে প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি ১৯৩৮ চনত ঢেকীয়াল মধ্য ইংৰাজী বিদ্যালয়ত পঞ্চম মানত নামভৰ্ত্তি কৰি স্কুলীয়া জীৱন আৰম্ভ কৰে। ১৯৪০ চনত ২য় বিভাগত এম, ই, পৰীক্ষা পাচ কৰি গোলাঘাট বেজবৰুৱা চৰকাৰী হাইস্কুলত ৭ ম শ্ৰেণীত নাম লগায়। ১৯৪৫ চনত ২ য় বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ত নামভৰ্ত্তি কৰে আৰু ১৯৪৭ চনত আই, এ পৰীক্ষা পাচ কৰে। তাৰ পাচত ১৯৪৭ চনত শ্বিলংৰ চেণ্ট এন্থনীজ কলেজত বি, এ মহলাত নাম লগায় আৰু ১৯৪৯ চনত বি, এ, উপাধি গ্ৰহণ কৰে। তদুপৰি ১৯৫৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা বি, টি, পাচ কৰে।

শ্ৰীযুত দত্তই ১৯৪৯ চনৰ ১৩ চেপ্তেম্বৰত ঢেকীয়াল হাইস্কুলত সহকাৰী

শিক্ষক হিচাবে চাকৰিত যোগদান কৰে। ইয়াৰ পাচত ১৯৬১চনত সহ প্ৰধান শিক্ষক আৰু ১৯৭৭ চনত বিদ্যালয়খনি উচ্চতৰ মাধ্যমিকলৈ উন্নীত হোৱাত উপাধ্যক্ষ আৰু ১৯৮৩ চনত অধ্যক্ষ পদলৈ পদোন্নতি হয়। ১৯৮৫ চনত ৰাজ্যিক বঁটা লাভ কৰে। তেখেতে ১৯৮৬ চনৰ ৩০ চেপ্তেম্বৰত চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰে। ১৯৫৯ চনৰ ১২ মাৰ্চত তেখেতে বিবাহপাশত আবদ্ধ হয় আৰু বৰ্ত্তমান তেখেতৰ চাৰিজন পুত্ৰ, কন্যা সন্তান নাই।

১৯৫০ চনৰপৰা ঢেকীয়াল অঞ্চলৰ সকলো সামাজিক কাম-কাজৰ লগত জড়িত। ঢেকীয়াল আঞ্চলিক উন্নয়ন সমিতিৰ সম্পাদকৰ দায়িত্বৰে ঢেকীয়াল ছোৱালী হাইস্কুল প্ৰতিষ্ঠা কৰি সম্পাদক হিচাবে কাৰ্য্য নিৰ্ব্বাহ কৰে। ১৯৬৫ চনত চাৰিঙ্গিয়াত প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ প্ৰতিষ্ঠাত আগভাগ লয়। তদুপৰি ১৯৬৯ চনলৈকে একেৰাহে কেইবাবাৰো ভ্ৰাম্যমান থিয়েটাৰ আনি ঢেকীয়াল ছোৱালী হাইস্কুলৰ ঘৰ নিৰ্ম্মাণত আগভাগ লয়। ১৯৭২ চনত পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ শতবাৰ্ষিকী আৰু ঢেকীয়ালত হেমচন্দ্ৰ গোস্বামী ভৱন নিৰ্ম্মাণত তেখেতে মূল ভূমিকা গ্ৰহণ কৰে। তেখেতে ১৯৮৩ চনত, হাতীয়ে খোৱাত অৱস্থিত পূৰ্ব্বাঞ্চলিক মহাবিদ্যালয়, প্ৰতিষ্ঠাপক সভাপতি ১৯৯৬ চনত গণক পুখুৰীত প্ৰতিষ্ঠা হোৱা, পীতাম্বৰ বৰদলৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি আছিল।

১৯৬৪ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সঙ্গী হিচাবে ঢেকীয়াল প্ৰাথমিক শাখাত অন্তৰ্ভুক্ত হয়। ইয়াৰ পাচত যথাক্ৰমে ঢেকীয়াল প্ৰাথমিক শাখাৰ সভাপতি, জিলা কাৰ্য্য নিৰ্ব্বাহকৰ সদস্য, দুটা কাৰ্য্যকালৰ বাবে মূলৰ সদস্য, এটা কাৰ্য্যকালৰ বাবে জিলা সভাপতি আৰু বৰুৱা বামুণ গাঁৱত মূলৰ অধিবেশনৰ আদৰণি সমিতিৰ উপ-সভাপতি আৰু ফৰকাটিং শিঙিজান অধিবেশনৰ কোষাধ্যক্ষ আছিল। বৰ্ত্তমান তেখেত দত্ত প্ৰিণ্টাৰ্চৰ স্বত্বাধীকাৰ আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ তথা গুৰুজনাৰ একান্ত সেৱক। ❑

# নগেন্দ্ৰ নাথ বৰুৱা, প্ৰাক্তন, জিলা উপ-সভাপতি, কমাৰ গাঁও(বৰদিহিঙ্গীয়া)

শ্ৰীনগেন্দ্ৰ নাথ বৰুৱা, প্ৰয়াত মুক্তি যোদ্ধা গুৰুজনাৰ একান্ত সেৱক স্বৰ্গীয় বেণুৰাম বৰুৱাৰ চতুৰ্থ পুত্ৰ। ১৯৩৯ চনৰ ফাগুন মাহৰ ১৫ তাৰিখে, গোলাঘাট জিলাৰ বৰদিডিঙিয়া গাঁৱত শ্ৰীনগেন্দ্ৰ নাথ বৰুৱাৰ জন্ম হয়। ১৯৪৩ চনত শিক্ষা জীৱন আৰম্ভ কৰে আৰু স্নাতক পৰ্য্যায়ত শিক্ষা জীৱনৰ অন্ত পৰে। ১৯৬৩ চনত পৰিসংখ্যা আৰু অৰ্থনীতি বিভাগৰ যোৰহাট কাৰ্য্যালয়ত চাকৰী জীৱন আৰম্ভ হয় আৰু ১৯৯৯ চনৰ ৩১ মে তাৰিখে সহঃ পৰিদৰ্শক হিচাবে তেখেতে চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰে। তেখেতৰ সহধৰ্মিণী শ্ৰীতিলপ্ৰভা বৰুৱা আই গৰাকী আৰু তিনিটি সন্তান আছে।

শ্ৰীবৰুৱা সৰুৰপৰা ধৰ্মৰ প্ৰতি ৰাপ আছিল। দেউতাকৰপৰা তেখেতে ধৰ্ম্ম জীৱনত অনুপ্ৰেৰণা পাইছিল। ১৯৫৬ চনত তেখেতৰ গৃহখন সংঘৰ অন্তৰ্ভুক্ত হয়। তেতিয়াৰপৰা তেখেত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সঙ্গী আৰু গুৰুজনাৰ একনিষ্ঠ সেৱক। চাকৰী সুত্ৰে তেখেত গুৱাহাটীত থকা কালত গুৱাহাটী জিলা শাখাৰ প্ৰচাৰক, ১৯৭৮ চনৰ গুৱাহাটীত হোৱা মূলৰ অধিবেশনৰ এজন সৰ্ব্বক্ষণ কৰ্ম্মী সদস্য আছিল। তেখেতৰ যত্নতে গুৱাহাটী পূবাচল নগৰ শাখাটি গঠন হয়। শ্ৰীযুত সোণাৰাম চুতিয়া বাপক নি তেখেতে তাত শৰণ দিয়াই। ইয়াৰ পাচত ১৯৮২ চনত বৰদিহিঙীয়া প্ৰাথমিক শাখাৰ সভাপতি আৰু ১৯৮৭/৮৮ গোলাঘাট জিলা শাখাৰ উপ-সভাপতি আছিল। ১৯৯২ চনত গোলাঘাট জিলা শাখা বিভক্ত হোৱাত তেখেত বোকাখাট জিলাৰ অন্তৰ্ভুক্ত হয়। ১৯৯৩ চনৰপৰা ১৯৯৮ চনলৈ তেখেতে বোকাখাট জিলাৰপৰা মূলৰ সদস্য হিচাবে কাৰ্য্যনিৰ্ব্বাহ কৰে। বৰ্ত্তমান তেখেত বোকাখাট জিলা শাখাৰ শৰণ সদস্য।

# মইনা শইকীয়া, প্ৰাক্তন জিলা উপ-সভাপতি কমাৰ গাঁও

শ্ৰীমইনা শইকীয়া ১৯৩১ চনত জন্ম গ্ৰহণ কৰে। তেখেতৰ ঘৰ কমাৰ গাৱঁত। ১৯৫৮ চনত তেখেত সোণোৱাল প্ৰাথমিক শাখাত সঙ্গী ভৰ্ত্তি হয়। একেবাহে দহ বছৰ সেই প্ৰাথমিকৰ সঙ্গী হৈ থকাৰ পাচত কমাৰ গাওঁ প্ৰাথমিক শাখা গঠন কৰি তাৰ সঙ্গী হয়। ১৯৬৯ চনত এই প্ৰাথমিক শাখাই স্বীকৃতি লাভ কৰে। ১৯৭৮ চনত তেখেত গোলাঘাট পশ্চিম আঞ্চলিক শাখাৰ সভাপতি আৰু বোকাখাট জিলা গঠন হোৱাৰ আগতে এটা কাৰ্য্য কালৰ বাবে তেখেত গোলাঘাট জিলা শাখাৰ উপ-সভাপতি হিচাবে কাৰ্য্য নিৰ্ব্বাহ কৰিছিল। বৰ্ত্তমান তেখেত কমাৰ গাওঁ প্ৰাথমিক শাখাৰ সভাপতি।❑

# চন্দ্রনাথ বৰদলৈ - ভকতীয়া গাঁও

শিক্ষাবিদ, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সেৱক শ্ৰীচন্দ্ৰনাথ বৰদলৈদেৱৰ ১৯৩১ চনৰ ২৮ আগষ্ট তাৰিখে দেৰগাঁও মৌজাৰ ভকতীয়া গাৱঁত জন্ম হৈছিল । পিতৃৰ নাম প্ৰয়াত মহেশ্বৰ বৰদলৈ আৰু মাতৃৰ নাম প্ৰয়াত আইকণ বৰদলৈ ।

দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা ইন্টাৰমিডিয়েট পৰীক্ষাত উত্তীৰ্ণ আৰু শ্বিলঙৰ এন্থনি কলেজৰপৰা স্নাতক ডিগ্ৰী লাভ কৰে । ১৯৫৮ চনৰপৰা ১৯৬১ চনলৈ শ্বিলঙত অৱস্থিত অসম লোক সেৱা আয়োগৰ কাৰ্যালয়ত নিম্ন সহায়কৰ চাকৰি কৰিছিল । ১৯৬১ চনৰ এপ্ৰিল মাহৰপৰা দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষকৰ পদত কাম কৰি ১৯৯১ চনত অধ্যক্ষ পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল ।

১৯৭১ চনত শ্ৰীবৰদলৈ দেৱ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অন্তৰ্ভুক্ত হয়। ভকতীয়া গাঁও প্ৰাথমিক শাখাৰ সংগী হিচাপে প্ৰাথমিকৰ গুৰু দায়িত্ব পালন কৰে আৰু দেৰগাঁও অঞ্চলৰ বিভিন্ন অঞ্চলত সংঘৰ প্ৰচাৰ-প্ৰসাৰত আত্মনিয়োগ কৰে । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাহিত্য শাখাৰ ৬ বছৰ সম্পাদক, সংস্কৃতি শাখাৰ ২ বছৰ সম্পাদক হিচাপে তেখেতে কাৰ্যনিৰ্বাহ কৰে । ইয়াৰ উপৰি গোলাঘাট জিলা শাখাৰ ১৯৭৮-৮০ চনৰ কাৰ্যকালত সম্পাদক, ১৯৯০-৯২ চনৰ কাৰ্যকালত সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰে।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ বাৰ্ষিক পত্ৰিকা 'শ্ৰীমন্ত'ৰ ৯ ম সংখ্যাৰপৰা পঞ্চদশ সংখ্যালৈ তেখেতে সম্পাদনা কৰিছিল। মহাপুৰুষীয়া ধৰ্মদৰ্শন তথা সাহিত্য-সংস্কৃতি অধ্যয়ন কৰি এগৰাকী অনুসন্ধিৎসু ব্যক্তি হিচাপে প্ৰৱন্ধ-পাতি ৰচনা কৰি সাময়িক পত্ৰিকা নামধৰ্ম, শ্ৰীমন্ত , মণিকাঞ্চন, চিন্তামণি প্ৰকাশ কৰিছিল । তেখেতৰ পূৰ্ব প্ৰকাশিত প্ৰৱন্ধকেইটাক লৈ কেইবাখনো গ্ৰন্থ ইতিমধ্যে প্ৰকাশ পাইছে।

স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত সততে জড়িত হৈ উন্নয়নৰ কামত ব্ৰতী হোৱা শ্ৰীবৰদলৈদেৱ এগৰাকী সমাজসচেতন ব্যক্তি হিচাপে পৰিচিত। তেখেত এগৰাকী হোমিঅ পেথিক চিকিৎসক । তেখেতৰ চিকিৎসাই অঞ্চলটিৰ লোকসকলক উপকৃত কৰিছে । নিষ্ঠাবান কৰ্মী, গুৰুজনাৰ

ধৰ্মাদৰ্শৰ প্ৰতি প্ৰগাঢ় বিশ্বাসী শ্ৰীবৰদলৈ দেৱৰ কৰ্মৰাজি উত্তৰপুৰুষৰ পাথেয় হ'ব। ভকতীয়া গাঁও প্ৰাথমিক শাখাৰ কাৰ্যালয়ৰ বাবে তেখেতে ডেৰ কঠা ভূমি দান দিয়ে আৰু সেই ভূমিত প্ৰাথমিকৰ কাৰ্যালয় প্ৰতিষ্ঠা হৈছে ।

## বোধেশ্বৰ কাকতি ঃ মিছামৰা মৌজা

মিছামৰা মৌজাৰ মলাই কুমাৰ গাৱঁৰ এটি সাধাৰণ কৃষক পৰিয়ালত ইং ১৯৪৬ চনৰ মাৰ্চ মাহত শ্ৰীবোধেশ্বৰ কাকতিদেৱৰ জন্ম হয় । পিতৃৰ নাম প্ৰয়াত মহেশ্বৰ কাকতি আৰু মাতৃৰ নাম বীণা কাকতি আছিল । ইং ১৯৬২ চনত কুৰালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা প্ৰবেশিকা পৰীক্ষা, ১৯৬৩ চনত দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ পৰা এবছৰীয়া প্ৰাক্ বিশ্ববিদ্যালয় পৰীক্ষা, ১৯৬৬ চনত যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা স্নাতক আৰু ১৯৬৯ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে । ১৯৯৫ চনত গোলাঘাট শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ পৰা বি, এড পৰীক্ষাত উত্তীৰ্ণ হয় ।

স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছতে এবছৰীয়া কাৰ্যকালত মহুৰা মুখৰ বংকোৱাল হাইকুলত শিক্ষকতা কৰি উচ্চ শিক্ষাৰ কাৰণে ডিব্ৰুগড়লৈ যায়। স্নাতকোত্তৰ ডিগ্ৰী পোৱাৰ পিছত তেখেতে নৱপ্ৰতিষ্ঠিত কবৈয়নী হাইস্কুলত ১৯৭০ চনৰপৰা ১৯৭৩ চনলৈ শিক্ষকতা কৰি উক্ত অনুষ্ঠানৰ পৰা প্ৰধান শিক্ষক হিচাপে অব্যাহতি গ্ৰহণ কৰি ১৯৭৩ চনৰ চেপ্তেম্বৰ মাহৰপৰা দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অসমীয়া বিষয় শিক্ষক হিচাপে নিযুক্তি লাভ কৰে । উক্ত পদত বৰ্তমান কাৰ্যনিৰ্বাহ কৰি আছে। ইয়াৰ উপৰি ১৯৯৭ চনত প্ৰতিষ্ঠিত দেৰগাঁও শিৱলাল বায়াল শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ত অবৈতনিক ভাৱে প্ৰবক্তা হিচাপে কাম কৰিছে।

ছাত্ৰ অৱস্থাৰ পৰাই তেখেতে মহাপুৰুষীয়া ধৰ্ম দৰ্শন সম্পৰ্কীয় পুথি অধ্যয়ন কৰি শংকৰদেৱৰ ধৰ্মাদৰ্শৰ মূল নীতি উপলব্ধি কৰিছিল ।

মহাপুৰুষীয়া ধৰ্মৰ উদাৰ সাৰ্বজনীন নীতিয়ে তেখেতক আপ্লুত কৰিছিল । শংকৰদেৱ প্ৰবৰ্তিত 'এক শৰণ হৰি নাম ধৰ্ম'ৰ প্ৰতি আকৃষ্ট হৈ ১৯৮১ চনত শ্ৰীমন্ত শংকৰদেৱ সংঘত অন্তৰ্ভুক্ত হয় ।

১৯৮৪ চনত মলাই কুমাৰ নিৰঞ্জন প্ৰাথমিক শাখাৰ সম্পাদক, ১৯৮৫ চনত গোলাঘাট জিলা শাখালৈ সদস্য নিৰ্বাচিত হয় । ১৯৮৫-৮৬ চনৰ কাৰ্যকালৰ পৰা বৰ্তমানলৈকে জিলা সাহিত্য শাখাৰ সম্পাদক হিচাপে

কাৰ্যনিৰ্বাহ কৰি আছে । এই সময়ছোৱাত তেখেতৰ সম্পাদনাত জিলা শাখাৰ বাৰ্ষিক পত্ৰিকা 'শ্ৰীমন্ত' অষ্টাদশ সংখ্যাৰপৰা ত্ৰিংশতম্ সংখ্যা প্ৰকাশ পাইছে । তদুপৰি অসমৰ বিশিষ্ট লিখকৰ প্ৰবন্ধৰে 'মহাপুৰুষীয়া সংস্কৃতিৰ তত্ত্ব বিচাৰ' নতুন কমলাবাৰী সত্ৰাধিকাৰ শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী প্ৰভুৰ 'গুৰু কোন ?' পুস্তিকা সম্পাদনা কৰিছে । 'বেদান্তভাষ্য আৰু অসমৰ নৱবৈষ্ণৱ ধৰ্ম' তেখেতৰ মহাপুৰুষীয়া ধৰ্মৰ বৈজ্ঞানিক দৃষ্টি ভংগীৰে ৰচিত পুথি প্ৰকাশ পাইছে । শ্ৰীকাকতিদেৱৰ ৰচিত প্ৰবন্ধ পাতি বিভিন্ন সাময়িক পত্ৰিকাত প্ৰকাশ পাইছে ।

তেখেত স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত । মধ্য মিছামৰা মাধৱদেৱ মধ্য ইংৰাজী বিদ্যালয়খন প্ৰতিষ্ঠা কৰি পূৰ্ণাংগ ৰূপ দিয়াত সুদীৰ্ঘ কাল পৰিচালনা সমিতিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰে। বৰ্তমান মধ্য ইংৰাজী মাধৱদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি পদত আছে । মলাই কুমাৰ গাঁও উন্নয়ন সমিতিৰ সভাপতি হিচাপে বৰ্তমান কাৰ্যনিৰ্বাহ কৰি আছে । তেখেত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এগৰাকী একনিষ্ঠ সেৱক আৰু সংগঠক হিচাপে পৰিচিত।

## গোলাপ শইকীয়া ঃ হালোৱা গাঁও

গোলাঘাট মহকুমাৰ অন্তৰ্গত গণকপুখুৰী হালোৱা গাঁও অঞ্চলৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সংগী শংকৰী সংস্কৃতিৰ সাধক শ্ৰীগোলাপ শইকীয়াদেৱৰ জন্ম হয় ১৯৪৪ চনৰ ১৮ আগষ্ট তাৰিখে । প্ৰাইমেৰী বিদ্যালয়ত পঢ়ি থকা অৱস্থাৰ পৰাই তেওঁৰ বন্ধু আনন্দ বৰা বয়সত দুই তিনিবছৰ ডাঙৰ হ'লেও দুয়ো মিলি ঢোল বাদ্যটি বজাবলৈ আৰম্ভ কৰে। ঢোল বাদ্যৰ গুৰু আছিল প্ৰয়াত বংশীধৰ শইকীয়া । তাৰ পাছত খোল বাদ্যৰ প্ৰতি আকৃষ্ট হৈ লেটেকুগ্ৰাম সত্ৰৰ প্ৰভাৱত সোণাৰাম বৰাৰ ওচৰত গুৰু মানি খোল বাদ্য অনুশীলন কৰে । গোলাপ শইকীয়া এগৰাকী ম'হৰ শিঙৰ পেঁপা বাদক, বিহু নৃত্য-গীতৰ দক্ষ শিল্পী, শংকৰী বাদ্য তথা-ভাওনা অভিনয়ৰ বায়ন, ঢোল শিল্পৰ সুদক্ষ ওজা হিচাপে অঞ্চলটিত পৰিচিত হৈ আহিছে ।

১৯৭৭ চনত দিল্লী অসম সমিতিৰ সহযোগত আৰু স্বৰ্গীয় আধান বৰবৰা লগ হৈ গোলাঘাট জিলাৰ পৰা 'ৰুক্মিণী হৰণ' অঙ্কীয়া নাট প্ৰদৰ্শন

কৰি সুখ্যাতি লাভ কৰে । ১৯৭৮ চনত নগাঁও জিলা পুথি ভঁৰালত এই নাটখনি প্ৰদৰ্শন কৰি প্ৰশংসা লাভ কৰে । শইকীয়া এই দলটিৰ অন্যতম শিল্পী আছিল । বৰ্তমান জিলাখনৰ বিভিন্ন ঠাইত চাৰি-পাঁচটি দলক খোল বাদ্যৰ গাণিকা ঘোষাৰ প্ৰশিক্ষক হিচাপে প্ৰশিক্ষণ দিছে । শিল্পী গৰাকীয়ে দিহা নাম, নেগেৰা নাম, বিভিন্ন ঠাইত পৰিবেশন কৰিছে । ডিব্ৰুগড় আৰু যোৰহাট অনাতাঁৰ কেন্দ্ৰৰ জৰিয়তে তেওঁ নাম-প্ৰসংগ দিহা নাম, নেগেৰা নাম প্ৰদৰ্শন কৰিছে । গোলাঘাট নগৰস্থ কুসুম বৰুৱা শংকৰী সংগীত বিদ্যালয়ত কেইবাবছৰ ধৰি খোল বাদ্যৰ প্ৰশিক্ষণ দিছে । নিজৰ গাওঁৰ উপৰি সমীপৱৰ্ত্তী অঞ্চলত তেখেতে মহাপুৰুষীয়া ভাওনা, গীত-বাদ্য, বৰগীতৰ প্ৰশিক্ষণ দি গুৰুজনাৰ শুদ্ধ সত্ত্ব কলা-কৃষ্টি প্ৰচাৰ-প্ৰসাৰ অবিৰত ভাবে আত্ম নিয়োগ কৰি আহিছে । মূল সংঘৰ খোল অংকৰ স্বৰলিপি প্ৰস্তুত কৰিছে । শ্ৰীশইকীয়াদেৱ এগৰাকী ধৰ্মপ্ৰাণ ব্যক্তি । ডেকা বয়সতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংগীভুক্ত হৈ সংঘৰ প্ৰচাৰ সংগঠনত নিজকে সক্ৰিয়ভাৱে জড়িত কৰি প্ৰায় চাৰিটা দশক ধৰি সংঘৰ সৰ্বক্ষণ কৰ্মী হিচাপে নিস্বাৰ্থভাৱে কাম কৰি আহিছে । নিজ গাৱঁত প্ৰাথমিক গঠন কৰি বিভিন্ন দায়িত্ব বহন কৰাৰ লগতে আঞ্চলিকৰ সংগঠন বৃদ্ধি কৰাত তেখেতে সততে জিলাৰ বিষয়ববীয়া সকলৰ সহযোগত আত্মনিয়োগ কৰে। ১৯৭৪ চনৰ জিলা কাৰ্যনিৰ্বাহক সভাৰ সদস্য, জিলা অনুসন্ধান সমিতিৰ সদস্য, ১৯৭৬-৭৭ চনত মূল সংঘৰ গবেষণা পৰিষদৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰে। ১৯৭৮-৮০ চনত জিলা সংস্কৃতি শাখাৰ সম্পাদক, ১৯৮০ চনৰপৰা ১৯৯৩ চনলৈ জিলা শাখাৰ সহকাৰী সম্পাদক হিচাপে জিলাৰ সংগঠনত বিশেষ ভূমিকা গ্ৰহণ কৰে । ১৯৯৪-৯৫ চনৰ কাৰ্যকালত মূলৰ সদস্য নিৰ্বাচিত হয় । ১৯৯৬ চনৰপৰা বৰ্তমান সময়লৈকে (২০০০ চন) জিলা শাখাৰ এগৰাকী সুদক্ষ সাংস্কৃতিক প্ৰশিক্ষক হিচাপে জিলা শাখাৰ সভাপতিৰ পদত কাৰ্য নিৰ্বাহ কৰি আছে । বৰ্তমান তেখেত মূল সংঘৰ সংস্কৃতি শাখাৰ সদস্য হৈ আছে । শংকৰী সংগীত তথা গীত বাদ্যৰ উত্তৰোত্তৰ বিকাশত শ্ৰীযুত শইকীয়া দেৱে মনে-প্ৰাণে সেৱা আগবঢ়াই আহিছে । শংকৰী সংগীত বিদ্যাপীঠৰ (অসম) অন্যতম সদস্য হিচাপে তেখেতে অনুষ্ঠানটিৰ প্ৰসাৰত যথেষ্ট ত্যাগ স্বীকাৰ কৰিছে । নিজৰ গাৱঁত এখন সংগীত বিদ্যালয় প্ৰতিষ্ঠা কৰি বৰ্তমান পৰিচালনা কৰি আছে । ইয়াৰ উপৰি স্থানীয় বিভিন্ন অনুষ্ঠানৰ লগত তেখেত জড়িত হৈ অঞ্চলটিৰ

উন্নতিত অৰিহণা যোগাইছে । অসমীয়া জাতীয় কৃষ্টি 'বিহু'ৰ কলা-কৌশল উন্নতিৰ উদ্দেশ্যে তেখেতে জিলা ভিত্তিত গঠিত বিহু সমিতিৰ এগৰাকী বিষয়ববীয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে । তেখেত এগৰাকী নিৰ্ভীক সমালোচক আৰু সংঘৰ নিষ্ঠাবান কৰ্মী হিচাপে সকলোৰে পৰিচিত ।

তেখেতৰ পিতৃ প্ৰয়াত গুণী শইকীয়া আৰু মাতৃ ভুৰুকি শইকীয়া আছিল ।

## টংকেশ্বৰ হাজৰিকা ঃ মহুৰামুখ

বোকাখাত মহকুমাৰ মহুৰামুখ অঞ্চলত ১৯৩৮ চনৰ জুন মাহৰ ১ তাৰিখে শ্ৰীটংকেশ্বৰ হাজৰিকাদেৱৰ জন্ম হয় । পিতৃৰ নাম প্ৰয়াত পুনিৰাম হাজৰিকা । এটি সাধাৰণ কৃষক পৰিয়ালত জন্ম গ্ৰহণ কৰা হাজৰিকাদেৱে নিজৰ প্ৰতিভাৰে উচ্চ শিক্ষা লাভ কৰিবলৈ সক্ষম হয় । মহুৰামুখ হাইস্কুলত শিক্ষকতা কৰি শেষত প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰে। ১৯৮২ চনত তেখেত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংগীভুক্ত হয়। প্ৰাথমিক শাখাৰ পৰা বিভিন্ন দায়িত্ব গ্ৰহণ কৰি সংঘৰ প্ৰচাৰ-প্ৰসাৰত সহায় কৰাৰ উপৰি পশ্চিম আঞ্চলিক শাখাৰ পৰা তেখেত একাধিক কাৰ্যকাল জিলা শাখালৈ সদস্য হিচাপে নিৰ্বাচিত হয় । জিলা শাখাৰ উপ-সভাপতিৰ পদ অলংকৃত কৰিছিল । এগৰাকী শিক্ষাবিদ আৰু গুৰুজনাৰ ধৰ্মাদৰ্শৰ প্ৰতি আনুগত্য স্বীকাৰ কৰি সেৱা আগবঢ়োৱা একনিষ্ঠ সেৱক ।

## থানেশ্বৰ হাজৰিকা ঃ দেৰগাঁও

গোলাঘাট জিলাৰ ৰঙামাটি মৌজাৰ অন্তৰ্গত নাচনিপাৰ গাৱঁত ১৯৫৭ চনৰ ১ এপ্ৰিল তাৰিখে শ্ৰীথানেশ্বৰ হাজৰিকা দেৱৰ জন্ম হয় । তেখেতৰ পিতৃৰ নাম শ্ৰীদীনেশ্বৰ হাজৰিকা । পিতৃ শ্ৰীদীনেশ্বৰ হাজৰিকাদেৱে প্ৰাইমেৰী বিদ্যালয়ত শিক্ষকতা কৰি বৰ্তমান অৱসৰ গ্ৰহণ কৰিছে । শ্ৰীথানেশ্বৰ হাজৰিকাই ১৯৭৩ চনত মিছামৰা মৌজাৰ শংকৰদেৱ হাইস্কুলৰপৰা প্ৰবেশিকা পৰীক্ষা পাছ কৰি দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ পৰা ১৯৭৮ চনত বি, এছ, চি ডিগ্ৰী লাভ কৰে । বৰ্তমান দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পদাৰ্থ-বিজ্ঞান বিভাগত বিজ্ঞানাগাৰ প্ৰদৰ্শক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে ।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

১৯৯৪ চনত হাজৰিকাদেৱে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংগীভুক্ত হয়। দেৰগাঁও আফুৰা আদৰ্শ প্ৰাথমিক শাখাৰ সংগী হিচাপে সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে । ১৯৯৯ চনৰ কাৰ্যকালত হাজৰিকাদেৱ দেৰগাঁও আঞ্চলিক শাখাৰপৰা জিলা সংঘলৈ সদস্য নিৰ্বাচিত হয় । তেখেত বৰ্তমান গোলাঘাট জিলা শাখাৰ অন্তৰ্গত প্ৰচাৰ শাখা সমিতিৰ সম্পাদক হিচাপে কাৰ্য নিৰ্বাহ কৰিছে । জিলাভিত্তিত দেৰগাঁও আঞ্চলিকৰ সৌজন্যত অনুষ্ঠিত শ্ৰীশ্ৰীমাধৱদেৱৰ ৫১২ তম্ আৱিৰ্ভাব মহোৎসৱৰ আদৰণি সমিতিৰ তেখেতে সভাপতি হিচাপে সেৱা আগবঢ়ায় । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এগৰাকী নিষ্ঠাবান সংগী তথা প্ৰচাৰক সংগঠক হিচাপে তেখেতৰ কৰ্মৰাজি উল্লেখযোগ্য ।

## উপেন ফুকন ঃ তামুলী পথাৰ

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সংগী তথা সংগঠক শ্ৰীযুত উপেন ফুকনদেৱৰ জন্ম হয় খুমটাই মৌজাৰ তামুলী পথাৰ গাৱঁত । ১৯৫৭ চনত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ আৰ্হিত তামুলী পথাৰ প্ৰাথমিক শাখা গঠন হয়। বৈষ্ণৱ পণ্ডিত শ্ৰীযুত সোণাৰাম চুতীয়া বাপ তামুলী পথাৰ প্ৰাথমিক শাখাৰ জৰিয়তে সংগীভুক্ত হৈছিল । ইয়াৰ আগতে অৰ্থাৎ ১৯৫৬ চনত শ্ৰীযুত উপেন ফুকন বাপৰ বুঢ়ীমাক প্ৰয়াত ভাকুলি ফুকনৰ আদ্য-শ্ৰাদ্ধ সংঘৰ আৰ্হিৰে সম্পাদন কৰিছিল । এই ক্ষেত্ৰত শ্ৰীযুত উপেন ফুকনদেৱৰ পৰিয়াল সংঘৰ পথ-প্ৰদৰ্শক আছিল । সমাজকৰ্মী শ্ৰীযুত উপেন ফুকনদেৱে ১৯৫৬-৫৭ চনৰ কাৰ্যকালত গোলাঘাট জিলা সংঘৰ দ্বিতীয় গৰাকী সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল । পৰৱৰ্তী সময়ত তেখেতে সক্ৰিয় ৰাজনীতিত জড়িত হৈ সমাজ সেৱাত আত্মনিয়োগ কৰে ।

## সত্য নাৰায়ণ পাঠৰি ঃ দৈয়াং

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সংগী শ্ৰীসত্য নাৰায়ণ পাঠৰি দেৱৰ বাসস্থান হ'ল দৈয়াং । অমায়িক আৰু সহজ-সৰল মনৰ অধিকাৰী পাঠৰিদেৱে সাংগঠনিক দিশত প্ৰাথমিক শাখাত বিশেষ ভূমিকা গ্ৰহণ কৰে। দৈয়াং আঞ্চলিক শাখাৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰাৰ উপৰি গোলাঘাট

জিলা শাখালৈ সদস্য হিচাপে নিৰ্বাচিত হয় । ১৯৯৭-৯৯ আৰু ১৯৯৯-২০০০ চনৰ কাৰ্যকালত জিলাৰ সহকাৰী সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰে ।

## শশী শইকীয়া ঃ দৈয়াং (কাছমাৰি)

শ্ৰীযুত শশী শইকীয়াদেৱ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এগৰাকী একনিষ্ঠ সংগী । শ্ৰীমন্ত শংকৰদেৱৰ প্ৰচাৰিত 'এক শৰণ হৰি নাম ধৰ্ম'ৰ প্ৰতি আকৃষ্ট হৈ গুৰুজনাৰ আদৰ্শৰে প্ৰতিষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অন্তৰ্ভুক্ত হয় । সংঘৰ প্ৰচাৰ প্ৰসাৰত আত্মনিয়োগ কৰি তেখেতে দৈয়াং আঞ্চলিকত বিশেষ ভূমিকা গ্ৰহণ কৰে । কাছমাৰি প্ৰাথমিক শাখাৰ বিষয়বাব গ্ৰহণ কৰাৰ উপৰি তেখেতে জিলা শাখাৰ উপ-সভাপতিৰ পদ অলংকৃত কৰিছিল।

## সুৰেন্দ্ৰ নাথ কলিতা ঃ ৰাংচালি গাঁও

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সংগী শ্ৰীযুত সুৰেন্দ্ৰনাথ কলিতাদেৱৰ জন্ম হয় গুৰযোগনীয়া মৌজাৰ ৰাংচালি গাঁৱত । শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এগৰাকী প্ৰচাৰক আৰু সংগঠক হিচাপে তেখেতৰ অঞ্চলটিত সুনাম আছে । তেখেত ৰাংচালি প্ৰাথমিক শাখাৰ সংগী । জিলা শাখাৰ সদস্য হিচাপে কেইবাটাও কাৰ্যকাল প্ৰতিনিধিত্ব কৰাৰ উপৰি তেখেত জিলা সাহিত্য শাখাৰ সভাপতি পদৰ গুৰু দায়িত্ব পালন কৰে । বৰ্তমান অসম গড়কাপ্তানি বিভাগত চাকৰি কৰি অবসৰ গ্ৰহণ কৰিছে ।

## অৱনী কুমাৰ বৰুৱা ঃ বেতিয়নী

গোলাঘাট জিলাৰ বেতিয়নীত জন্ম গ্ৰহণ কৰা শ্ৰীঅৱনী কুমাৰ বৰুৱা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এগৰাকী নিষ্ঠাবান কৰ্মী আৰু নিস্বাৰ্থ সেৱক। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি সদাচাৰ পালন কৰাত তেখেত স্পষ্টবাদী । গুৰুজনাৰ ধৰ্মাদৰ্শ শাস্ত্ৰ সন্মতভাৱে পালন কৰাত আপোচবিহীনভাৱে গুৰুত্ব দি এখন শুদ্ধ-সত্ব 'একশৰণ নামধৰ্মৰ' সমাজ

প্ৰতিষ্ঠা কৰাত তেখেত আগ্ৰহী । বেতিয়নী অঞ্চলত সংঘৰ প্ৰচাৰ-প্ৰসাৰ ঘটোৱাৰ লগতে জিলা সংঘৰ বিভিন্ন দায়িত্ব গ্ৰহণ কৰি প্ৰচাৰ কাৰ্যত মনোনিবেশ কৰে । একাধিক কাৰ্যকালত জিলা শাখাৰ সহকাৰী সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি চলিত কাৰ্যকালত (১৯৯৭-২০০০ বৰ্ষত) জিলা সংঘৰ শিক্ষা উপ-সমিতিৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। বেতিয়নী অঞ্চলৰ বিভিন্ন অনুষ্ঠানৰ লগত জড়িত হৈ সমাজৰ বিভিন্ন স্তৰত উন্নতিৰ চিন্তাত তেখেতে আত্মনিয়োগ কৰিছে ।

## নগেন বৰা ঃ মিছামৰা মৌজা

মিছামৰা মৌজাৰ মাহনিয়াল গাৱঁত ইং ১৯৫১ চনত শ্ৰীযুত নগেন বৰাদেৱৰ জন্ম হয় । পিতৃ প্ৰয়াত পূৰ্ণকান্ত বৰা আৰু মাতৃ প্ৰয়াত চেনেহী বৰা আছিল । মাহনিয়াল গাঁও অনন্ত প্ৰাথমিক শাখা গঠন হোৱাৰ পৰাই শ্ৰীবৰাদেৱ সংঘৰ সংগী হৈ আছে । অনন্ত প্ৰাথমিক শাখাৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি জিলা শাখাৰ সহকাৰী সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি সংঘৰ প্ৰচাৰ প্ৰসাৰত আত্মনিয়োগ কৰিছিল । জিলা শাখাৰ উদ্যোগত অনুষ্ঠিত প্ৰচাৰ সভাসমূহত শ্ৰীবৰাদেৱে অংশ গ্ৰহণ কৰিছিল । বিশেষকৈ মূল সংঘৰ উপ-পদাধিকাৰ শ্ৰীযুত ইলাৰাম দাস, বৈষ্ণৱ পণ্ডিত শ্ৰীযুত সোণাৰাম চুতীয়া, শ্ৰীযুত অচ্যুত কৃষ্ণ মিশ্ৰ, প্ৰয়াত কুশেশ্বৰ কলিতা, শ্ৰীযুত হেম শইকীয়া আদি সংঘৰ বিশিষ্ট সংগীসকলৰ উপস্থিতিত অনুষ্ঠিত সভাত অংশ গ্ৰহণ কৰি শাখা গঠনত সক্ৰিয় ভূমিকা লৈছিল । তেখেত বৰ্তমান মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক । *

## শ্ৰীনন্দ নাথ বৰা ঃ আধলি চুক

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ এগৰাকী অন্যতম অক্লান্ত কৰ্মী। শ্ৰীনন্দনাথ বৰা বাপৰ, ১৯২৫ চনৰ ২৬ মে' তাৰিখত ঢেকীয়াল মৌজাৰ অন্তৰ্গত আধলি চুক গাঁৱত জন্ম গ্ৰহণ কৰে। তেখেতৰ পিতৃৰ নাম আছিল প্ৰয়াত বংশীধৰ বৰা।

বৰা বাপ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ একনিষ্ঠ সেৱক আৰু অঞ্চলটিৰ এগৰাকী নিপুণ সংগঠক। তেখেত ঢেকীয়াল অঞ্চলৰ বিভিন্ন ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান, উন্নয়নমূলক কামৰ লগত জড়িত। তেখেত এগৰাকী কৰ্তব্যপৰায়ণ, সৎ সাহসী, ব্যক্তিত্বসম্পন্ন লোক।

বৰা বাপ ঢেকীয়াল প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক আৰু ১৯৬৮ চনৰপৰা ১৯৮৬ চনলৈ উক্ত দায়িত্বৰে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৮৬ চনৰপৰা ১৯৯৮ লৈ উক্ত প্ৰাথমিক শাখাৰ সভাপতিৰ পদত থাকি এখনি সংখ্যাগৰীষ্ঠ গৃহস্থীৰ প্ৰাথমিক শাখা হিচাপে সংগঠিত কৰিবলৈ সক্ষম হৈছিল। বিভিন্ন কাৰ্যকালত তেখেত কেইবাবাৰো জিলা সদস্য নিৰ্বাচিত হৈছিল আৰু বৰ্তমানো তেখেত এগৰাকী জিলা সদস্য। গোলাঘাট জিলা শাখাৰ ঢেকিয়ালস্থ জিলা নামঘৰটোৰ প্ৰতিষ্ঠা কৰিবলৈ লোৱা কালতে নামঘৰ নিৰ্মাণ আৰু পৰিচালনা সমিতিৰ আহ্বায়কৰ দায়িত্ব গ্ৰহণ কৰি ১৯৯৩ চনলৈকে নিষ্ঠাৰে কাৰ্যনিৰ্বাহ কৰি ১৯৯৩ চনৰেপৰা জিলা নামঘৰ নিৰ্মাণ আৰু পৰিচালনা সমিতিৰ সভাপতি দায়িত্ব গ্ৰহণ কৰি বৰ্তমানলৈকে কাৰ্যনিৰ্বাহ কৰি আছে। জিলা নামঘৰটিৰ আধাৰুৱা নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

## শ্ৰীনবীন বৰা ঃ হাবিয়াল

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ বৰ্তমানৰ সম্পাদক শ্ৰীনবীন বৰা বাপৰ গোলাঘাট জিলাৰ ঢেকীয়াল মৌজাৰ অন্তৰ্গত হাবিয়াল গাৱঁত ১৯৪৫ চনৰ ৫ ফেব্ৰুৱাৰী তাৰিখত জন্ম হয়। তেখেতৰ পিতৃৰ নাম প্ৰয়াত লোকেশ্বৰ বৰা আৰু মাতৃৰ নাম প্ৰয়াত সাবিত্ৰী বৰা।

শিক্ষা সাং কৰি তেখেতে ১৯৬৮ চনৰ ২ জুন তাৰিখে দেৰগাঁৱৰ ইন্দ্ৰানী দেৱী হাইস্কুলত (বৰ্তমান ইন্দ্ৰানী দেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়) সহকাৰী শিক্ষক পদত নিযুক্তি লাভ কৰি বৰ্তমানলৈকে সুখ্যাতিৰে শিক্ষকতা কৰি আছে। এগৰাকী আদৰ্শৱান শিক্ষকৰ থাকিবলগীয়া সমস্ত গুণৰে বৰা বাপ অধিকাৰী। ছাত্ৰাৱস্থাৰপৰাই তেখেত বিভিন্ন ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান, সামাজিক উন্নয়নমূলক কামকাজ, খেলাধূলাৰ লগত বৰ্তমানলৈকে জড়িত হৈ আছে।

## গোলাঘাট জিলা শাখাৰ বুৰঞ্জী

বাপ গৰাকীৰ নাম 'নবীন' যদিও শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰবীণ সঙ্গী বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। ১৯৬৭ চনৰ ৭ অক্টোবৰত হাবিয়াল মুক্তি প্ৰাঃ শাখাত অন্তৰ্ভুক্ত হৈ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সঙ্গীপদ গ্ৰহণ কৰি একে বৰ্ষৰে ৯ অক্টোবৰত শৰণ গ্ৰহণ কৰিছিল। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰতি থকা গভীৰ আস্থা, নিজৰ কৰ্ম পটুতা গুণৰ কাৰণেই ১৯৮৪ চনৰপৰা ১৯৯০ চনলৈ উপৰোক্ত প্ৰাথমিক শাখাৰ সম্পাদক পদত প্ৰাথমিক শাখাৰ সঙ্গী সমস্তই অধিষ্ঠিত কৰি ৰাখিছিল। ইয়াৰ পিছত ১৯৯০ চনৰপৰা ১৯৯২ চনলৈ জিলা সদস্য, ১৯৯৩ চনৰপৰা ১৯৯৬ চনলৈ জিলা সহকাৰী সম্পাদকৰ দায়িত্বৰে কাৰ্য্যনিৰ্বাহ কৰিছিল। ১৯৯৭ চনত বাপ গৰাকী গোলাঘাট জিলা শাখাৰ সম্পাদক নিৰ্বাচিত হৈ উক্ত দায়িত্বৰে ২ বছৰীয়া এটি কাৰ্য্যকাল সু-সম্পাদন কৰাৰ পিছত ১৯৯৯ চনত পুনৰ এটি কাৰ্য্যকালৰ কাৰণে নিৰ্বাচিত হৈ বৰ্ত্তমানলৈকে নিষ্ঠাৰে কাৰ্য্যনিৰ্বাহ কৰি আছে। জিলা কাৰ্য্যনিৰ্বাহক সমিতি আৰু জিলা নামঘৰ নিৰ্মাণ আৰু পৰিচালনা সমিতিৰ পৰামৰ্শ অনুযায়ী বিভিন্ন উৎসৰপৰা পুঁজি সংগ্ৰহ কৰি ঢেকীয়ালস্থ জিলা নামঘৰটিৰ বাকী থকা নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰাৰ মানসেৰে নিৰ্মাণ কাৰ্য্য অব্যাহত ৰাখিছে। জিলা শাখাটিৰ উন্নতিকল্পে বাপ গৰাকীয়ে সততে নিজকে জড়িত কৰি ৰাখিছে।

বৰা বাপ এগৰাকী সু-বক্তা। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সঙ্গীভুক্ত হোৱাৰেপৰা বিভিন্ন স্থানত অনুষ্ঠিত ধৰ্মালোচনী সভা, শ্ৰীমন্ত গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱ, মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ জন্মোৎসৱৰ সভা, প্ৰাথমিক, আঞ্চলিকসমূহৰ বাৰ্ষিক অধিৱেশন, শিশু, যুৱ, আইমাতৃ সমাৰোহ, সেৱা বাহিনীৰ কৰ্মশালা আদিত বিভিন্ন দায়িত্বৰে সহযোগ কৰি প্ৰদান কৰা শ্ৰুতিমধুৰ, শাস্ত্ৰীয় তত্ত্বগধুৰ ভাষণসমূহে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰচাৰ, প্ৰসাৰ আৰু সংগঠনত প্ৰভূত বৰঙণি যোগাবলৈ সক্ষম হৈছে।

## ৰবীন্দ্ৰ নাথ কলিতা ঃ শিঙৰাজান

গোলাঘাট জিলাৰ অন্তৰ্গত মিছামৰা মৌজাৰ শিঙৰাজান গাঁৱত ১৯৪৯ চনৰ ৪ ফেব্ৰুৱাৰী তাৰিখত শ্ৰীৰবীন্দ্ৰনাথ কলিতাদেৱৰ জন্ম হয়। তেখেতৰ পিতৃ প্ৰয়াত বীৰেন্দ্ৰ নাথ কলিতা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ একনিষ্ঠ সেৱক, সহজ-সৰল সঙ্গী আছিল আৰু মাতৃ শ্ৰীযুতা সুখদা কলিতা এগৰাকী ধৰ্মপ্ৰাণ মহিলা আৰু জিলা শাখাৰ মহিলা সদস্যা আছিল। শ্ৰীৰবীন্দ্ৰ নাথ কলিতাদেৱে ১৯৭২ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সঙ্গীভুক্ত হয়। তেখেত শিঙৰাজান প্ৰাথমিক শাখাৰ সম্পাদক, শান্তিজান প্ৰাথমিক শাখাৰ সভাপতি হিচাবে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি ১৯৯২ চনৰপৰা জিলা শাখাৰ সদস্য নিৰ্বাচিত হয়। ১৯৯৭ চনৰপৰা বৰ্তমান কাৰ্যকালত তেখেতে জিলা শাখাৰ সহকাৰী সম্পাদক হিচাবে সেৱা আগবঢ়াইছে। তেখেত এগৰাকী সমাজ সচেতন ব্যক্তি। সংঘৰ প্ৰচাৰ প্ৰসাৰত একনিষ্ঠভাৱে সেৱা আগবঢ়াই গুৰুজনাৰ আদৰ্শ ৰক্ষা কৰাত অধিক গুৰুত্ব দি আহিছে। ❑

## বীৰেন বৰা

১৯৪৯ চনৰ মাঘ মাহত শ্ৰীবীৰেন বৰা দেৱৰ জন্ম হয়। জন্মস্থান ঘিলাধাৰী মৌজাৰ বাৰিছোৱা গাৰঁৰ এটি মধ্যবিত্ত কৃষক পৰিয়ালত। তেখেতে ২ নং বৰিছোৱা প্ৰাইমেৰী বিদ্যালয়ত প্ৰাথমিক শিক্ষা শেষ কৰি গমাৰিগুৰি এম, ই স্কুলত শিক্ষা গ্ৰহণ কৰে। ঘিলাধাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰপৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰপৰা বাণিজ্য বিভাগত স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৭০-১৯৭৪ চনত। ১৯৮৪ চনত যোৰহাট শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰপৰা শিক্ষণ স্নাতক ডিগ্ৰী লাভ কৰে। বৰ্ত্তমান দৈয়াং উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰি আছে। তেখেতে এগৰাকী শ্ৰীমন্ত শঙ্কৰদেব সংঘৰ একনিষ্ঠ সঙ্গী তথা সংগঠনক। দৈয়াং আঞ্চলিক গঠনৰপৰা তেখেতে সংঘৰ প্ৰচাৰ সংগঠনত বিশেষভাৱে অৰিহণা আগবঢ়ায়। গোলাঘাট জিলা শাখাৰ ১৯৯৬ চনৰপৰা বৰ্ত্তমানলৈকে (২০০০ চন) জিলা সভাপতি হিচাবে কাৰ্য নিৰ্বাহ কৰিছে। ইয়াৰ উপৰিও এগৰাকী সমাজকৰ্মী হিচাবে দৈয়াং অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত হৈ আছে।

## ডিম্বেশ্বৰ নাথ

গোলাঘাট জিলাৰ আঠ গাঁও মৌজাৰ তিৰুৱাল গাৱঁৰ এটি মধ্যবিত্ত কৃষক পৰিয়ালৰ ১৯৫৩ চনত জন্ম হয়। তেখেতৰ পিতৃৰ নাম স্বৰ্গীয় কলিৰাম নাথ আৰু মাতৃৰ নাম স্বৰ্গীয় ৰামেশ্বৰী নাথ । ছাত্ৰ অৱস্থাৰপৰা শ্ৰীনাথে বাপ সমাজৰ বিভিন্ন উন্নয়নমূলক কামত মনোনিবেশ কৰে। তেতিয়াই তেখেতক ৰাজনীতিয়ে আকৰ্ষিত কৰে আৰু চছিয়েলিষ্ট পাৰ্টিৰ আদৰ্শেৰে সক্ৰিয় ৰাজনীতিত প্ৰৱেশ কৰে। জনতা দলৰ জিলা সম্পাদক, ৰাজ্যিক সম্পাদক, যুব জনতা দলৰ উপ-সভাপতি, ৰাজ্যিক পৰিষদৰ সদস্য, জনতা কৃষক সভাৰ ৰাজ্যিক সদস্য আদি পদত থাকি এগৰাকী সংগঠক হিচাবে কাৰ্যনিৰ্বাহ কৰিছিল। মহকুমা পৰিষদৰ সদস্য (কাউন্সিলৰ) হিচাবে নিৰ্বাচিত হয়। সুদীৰ্ঘ দিন ধৰি তেখেতে অসমৰ সমসাময়িক পটভূমিত সংগঠিত হোৱা গণ আন্দোলনৰ লগত জড়িত আছিল। দৈয়াঙৰ কৃষক উচ্ছেদ বিৰোধী আন্দোলনৰ এগৰাকী মুখ্য সংগঠক আৰু সৰ্বক্ষণ কৰ্মী, ১৯৭৪ চনৰ শ্ৰমিক

আন্দোলন, গ্ৰেছ ক্ৰেকাৰ স্থাপন, তেল শোধনাগাৰ স্থাপন আদি দাবী সাব্যস্ত কৰা আন্দোলনত অংশ গ্ৰহণ কৰে। অসম আন্দোলনত অংশ গ্ৰহণ কৰাত বহুবাৰ গ্ৰেপ্তাৰ বৰণ কৰিব লগা হয়। পুথিগত শিক্ষা নোলোৱাকৈয়ে শ্ৰীনাথ বাপে বিভিন্ন সময়ত এগৰাকী নিৰ্ভিক, স্পষ্টবাদী ব্যক্তি হিচাবে সমাজৰ বিভিন্ন স্তৰত সেৱা আগবঢ়াই আহিছে। ফৰকাটিং অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত তেখেত জড়িত, ফৰকাটিং মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপ-সভাপতি, স্থানীয় কেইবাখনো বিদ্যালয়ৰ উপদেষ্টা আৰু স্বেচ্ছাসেৱী অনুষ্ঠানৰ সদস্য হিচাবে কাৰ্যনিৰ্বাহ কৰে। তদুপৰি ধৰ্মীয় সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰতো তেখেতৰ বৰঙণি লেখত লবলগীয়া। মহাপুৰুষীয়া ধৰ্ম দৰ্শন অধ্যয়ন কৰি তেখেতে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী একনিষ্ঠ সঙ্গী হিচাবে সংঘৰ প্ৰচাৰ-প্ৰসাৰত মনোনিবেশ কৰে। ফৰকাটিং আঞ্চলিক শাখাৰ সঙ্গীভুক্ত হৈ ফৰকাটিং আঞ্চলিকৰ সম্পাদক, ৬৪ তম মূল সংঘৰ অধিবেশনৰ আদৰণি সমিতিৰ সাধাৰণ সম্পাদক হিচাবে সেৱা আগবঢ়ায়। সাহিত্য চৰ্চাৰ ক্ষেত্ৰত তেখেতে ভালে সংখ্যক প্ৰবন্ধ ৰচনা কৰিছে। মহাপুৰুষীয়া ধৰ্মৰ স্বৰূপ, ওবা নৰলোক, শ্ৰীমদ্ভাগৱত তাৎপৰ্য আদি পুস্তিকা প্ৰকাশ কৰিছে। শ্ৰীনাথ বাপে তেখেতৰ পত্নী শ্ৰীযুতা প্ৰমিলা নাথ আইগৰাকীয়ে তেখেতসকলৰ সমস্ত স্থাৱৰ অস্থাৱৰ সম্পত্তি মৰণোত্তৰভাৱে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘলৈ দান আগবঢ়াই মহান ত্যাগৰ পৰিচয় দিয়ে। ১ নং তিৰুৱাল নামঘৰটিৰ বেৰ আৰু খুঁটাসমূহ নিজা খৰচত নিৰ্মাণ কৰি দিয়ে। তেখেত এগৰাকী সংঘৰ একনিষ্ঠ সেৱক, নিষ্ঠাবান সমাজকৰ্মী। ১৯৯৮-২০০০ বৰ্ষৰ কাৰ্যকালত তেখেতে মূল সংঘৰ সদস্য হিচাবে কাৰ্যনিৰ্বাহ কৰিছে।

## নন্দেশ্বৰ শইকীয়া

ঢেকীয়াল মৌজাৰ ঢেকীয়াল গাঁৱৰ মলখুকুৰী চুকত ১৯৩২ চনত তেখেতৰ জন্ম হয়। পিতৃৰ নাম প্ৰয়াত ভেকোলা শইকীয়া মাতৃ প্ৰয়াত আইমানুহ শইকীয়া। ঢেকীয়াল আদৰ্শ নিম্ন বুনীয়াদী বিদ্যালয়ত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি ঢেকীয়াল হাইস্কুলত মাত্ৰ চাৰিটা শ্ৰেণীলৈ পঢ়ি স্কুলীয়া শিক্ষা সিমানতে শেষ কৰে। ছাত্ৰ অৱস্থাত স্বাধীনতা আন্দোলনত কংগ্ৰেছৰ প্ৰাথমিক সদস্য হিচাবে অংশ গ্ৰহণ কৰে। অদ্য পৰিমিত উক্ত দলীয় নীতি আদৰ্শ ৰক্ষা কৰি আছে। গুৰুযোগনীয়া গাওঁ পঞ্চায়তৰ সদস্য, উপ-সভাপতিৰপৰা সভাপতি হিচাবে কাৰ্য্যনিৰ্বাহ কৰে।

সংস্কৃতিৰ দিশত তেখেত সৰুৰেপৰাই সচেতন। প্ৰয়াত পুণ্যেশ্বৰ বৰা (গাওঁবুঢ়া), প্ৰয়াত মুখাই বায়নৰ অনুপ্ৰেৰণাত খোল বাদ্যৰ শিক্ষা আহৰণ কৰে আৰু গাঁৱৰ শংকৰী নৃত্য গীত বাদ্যৰ অনুশীলনেৰে সংস্কৃতিৰ সাধনাত ব্ৰতী হয়।

এই অঞ্চলত গায়ন-বায়ন ৰাস-নৃত্য, হীৰানাম পৰিচালনা কৰি যুৱকসকলক সংস্কৃতিমুখী কৰি তোলে। ১৯৯৬ চনৰ ২৮ চেপ্তেম্বৰ তাৰিখে মলখুকুৰী নামঘৰত ঢেকীয়াল অঞ্চল আৰু প্ৰাথমিক শাখাই তেখেতক শিল্পী হিচাবে সম্বৰ্দ্ধনা জনায়।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এগৰাকী সক্ৰিয় কৰ্মী হিচাবে প্ৰচাৰ সংগঠনত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। মলখুকুৰী প্ৰাথমিক শাখা গঠন কৰি কেবাটাও কাৰ্য্যকাল সম্পাদকৰ দায়িত্বৰ পালন কৰে। ইয়াৰোপৰি জিলা সংঘৰ সদস্য, জিলা সংস্কৃতি শাখাৰ সম্পাদক, জিলা সংঘৰ উপ-সভাপতি হিচাবে কাৰ্য্যনিৰ্বাহ কৰি থকাৰ অৱস্থাতে ঢেকীয়াল অঞ্চলত একাধিক প্ৰাথমিক শাখা তেখেতৰ উদ্যোগত গঠন হয়।

তেখেতৰ উদ্যোগতেই ঢেকীয়াল আঞ্চলিক শাখা গঠন হয়। আঞ্চলিক শাখাৰ সভাপতিৰ দায়িত্ব তেখেতে বহন কৰে। তেখেত এগৰাকী নিষ্ঠাবান সংঘৰ নিৰ্ভীক সংগঠক।

# পূৰ্ণ হাজৰিকা

১৯৬২-৬৩ চনত অসম চৰকাৰৰ জলপানি লৈ বম্বেৰ ফাগুৱাৰাত Acting & State Management বিষয়ত প্ৰশিক্ষণ লৈ Diploma লাভ। ১৯৬৩ চনত কলিকতাত পোহৰ সংযোজনাৰ ওপৰত তিনিমহীয়া প্ৰশিক্ষণ লাভ। ১৯৭৫-৭৬ আৰু ১৯৯৬-৯৭ চনত দুবাৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলা সংস্কৃতি শাখাৰ সম্পাদকৰূপে কাৰ্য্যনিৰ্ব্বাহ। ১৯৮৫ চনত ডিব্ৰুগড় অনাতাৰ কেন্দ্ৰৰ নাটক বিভাগত Casual Artist হিচাবে স্বীকৃতি পাই এতিয়ালৈকে ১৪ খন নাটকত অভিনয় কৰে। ১৯৮৮ চনত 'Indian people's Theatre Association' অৰ্থাৎ ভাৰতীয় গণনাট্য সংঘ, গোলাঘাট জিলা শাখাৰ সম্পাদক তথা ৰাষ্ট্ৰীয় সদস্য নিৰ্ব্বাচিত। ১৯৬৭, ১৯৬৮, ১৯৭১, ১৯৭৫, ১৯৭৮, ১৯৭৯ চনত অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত সদৌ অসম ভিত্তিত অনুষ্ঠিত পূৰ্ণাঙ্গ আৰু একাংক নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ। ভ্ৰাম্যমান নাট্য দল 'ঈগল থিয়েটাৰ' 'শ্ৰীমন্ত থিয়েটাৰ'ত ক্ৰমে নাট পৰিচালনা আৰু পোহৰ সংযোজনাৰ দায়িত্ব বহন। ১৯৯১ আৰু '৯৩ চনত যথাক্ৰমে 'ৰামবিজয়' আৰু 'কেতেকী' দূৰদৰ্শন নাটৰ পৰিচালনা। ১৯৭২ চনৰপৰা একেৰাহে ১৫ বছৰকাল যোগনীয়া সৰ্ব্বোদয় প্ৰাথমিক শাখাৰ সম্পাদকৰ দায়িত্ব বহন। এসময়ত আলোড়ন সৃষ্টি কৰা 'মুক্তি' নাটকৰপৰা আৰম্ভ কৰি ৩২ খন একাংকিকা, ৪ খন পূৰ্ণাঙ্গ নাটক ৰচনাৰ উপৰি ৯ খন সংস্কাৰমূলক ভাওনাৰ নাট আগবঢ়ায়।

# হৰনাথ হাজৰিকা

খঙ্গীয়া গাঁও নিবাসী শ্ৰীহৰনাথ হাজৰিকা, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী নিৰৱ সাধক, নিৰৱ প্ৰচাৰক। প্ৰায় ১৯৬১ চনৰপৰাই গুৰু প্ৰচাৰিত 'একশৰণ হৰিনাম ধৰ্ম'ৰ প্ৰচাৰ প্ৰসাৰতে আত্মোৎসৰ্গ কৰে। বিভিন্ন অঞ্চলত অনুষ্ঠিত হোৱা সভা-সমিতিসমূহ, বিশেষকৈ গৃহস্থীৰ ঘৰত হোৱা নামানুষ্ঠান বিলাকেই তেখেতৰ নাম-ধৰ্ম প্ৰচাৰৰ প্ৰধান কেন্দ্ৰস্থল আছিল। কীৰ্ত্তন, নামঘোষাৰ সাৰলীল, তত্ত্বগধুৰ ব্যাখ্যাই সকলোকে মুগ্ধ কৰিছিল।

১৯৬১ চনৰ আৰম্ভণীতে উত্তৰ লক্ষীমপুৰৰ শ্ৰীৰামশ্বেৰ বৰুৱা নামৰ এগৰাকী বিশিষ্ট বাপৰ সান্নিধ্যত শ্ৰীহাজৰিকা বাপ পুৰণি কৰ্মকাণ্ডীয় মাৰ্গ ত্যাগ কৰি 'একশৰণ' মুখী হোৱাত প্ৰভূত বৰঙণি যোগায়। সেই সময়ৰ সত্ৰৰ সত্ৰাধিকাৰক নিমন্ত্ৰণ কৰি আনি খঙ্গীয়া গাঁও নামঘৰত কেইবাখনো স্থানীয় গাৱঁৰ ৰাইজৰ উপস্থিতি ৪ দিনীয়াকৈ ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। সভাৰ বিষয়বস্তু আছিল কৰ্মকাণ্ডীয় প্ৰথাৰ পৰিবৰ্ত্তে মহাপুৰুষ দুজনাৰ ৰচিত শাস্ত্ৰৰ জৰিয়তে একশৰণ গ্ৰহণ কৰা। ফলশ্ৰুতিত তেখেত ৩৫ খন গাৱঁৰ লোকৰপৰা সংশ্ৰৱৰপৰা বিৰত থাকিবলগীয়া হয়। কেইবছৰমানৰ পিছত দেৰগাঁও মৌজাৰ কৌঁচ গাৱঁত প্ৰথম প্ৰাথমিক গঠন কৰি সম্পাদকৰ দায়িত্ব লয়। জেলেঙ্গুৱা গাৱঁত শ্ৰীআনন্দ হাজৰিকা বাপৰ লগ-লাগি প্ৰাথমিক শাখা গঠন কৰে। ফেটা গাৱঁতো শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নীতি আদৰ্শ প্ৰচাৰ কৰি প্ৰাথমিক শাখা গঠন কৰি পুনৰ ফেটাগাঁও প্ৰাথমিকত অন্তৰ্ভুক্তহৈ সম্পাদকৰ দায়িত্ব বহন কৰে।

শ্ৰীহাজৰিকা বাপৰ প্ৰচাৰৰ ক্ষেত্ৰখন আছিল যথেষ্ঠ বহল। দেৰগাঁও, কাকডোঙা আৰু মিছামৰা মৌজাৰ অন্তৰ্গত প্ৰতিখন গাৱঁতেই তেখেতে শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰচাৰিত 'একশৰণ' প্ৰচাৰ কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বীজ অঙ্কুৰিত কৰাত বিপুল অৰিহণা যোগাইছিল। এইদৰে প্ৰচাৰ কাৰ্যত যাওঁতে নানা বিপদ-বিঘিনি, প্ৰতিকূল পৰিৱেশতো পৰিবলগীয়াত পৰিছিল যদিও সমস্ত বিপদ-বিঘিনিকো আওকাণ কৰি নিজৰ লক্ষ্যত অচল-অটল আছিল। ইয়াৰ উপৰি ঢেকীয়াল, গণক পুখুৰী হাতীয়ে খোৱা, যোৰহাটৰ বিভিন্ন অঞ্চলটো গুৰুধৰ্ম প্ৰচাৰ-প্ৰসাৰত আত্মনিয়োগ কৰিছিল। বিভিন্ন ঠাইত গুৰুধৰ্ম প্ৰচাৰত তেখেতৰ একান্ত সংগী আছিল ফেটা গাৱঁৰ প্ৰয়াত বাপুৰাম নামলগোৱা বাপ। দেৰগাঁৱস্থ অসম আৰক্ষী প্ৰশিক্ষণ কেন্দ্ৰ আৰু চাহ মজদুৰ অধ্যুষিত অঞ্চল নেঘেৰিটিং বাগানত প্ৰাথমিক শাখা গঠনত শ্ৰীহৰনাথ হাজৰিকা বাপৰ বৰঙণি অপৰিসীম। টেকেলা গাঁও নামঘৰলৈ তেখেতে এখনি কীৰ্ত্তন ঘোষা পুথিও দান দিয়ে। হাইস্কুলীয়া শিক্ষা নৱমশ্ৰেণী মানলৈকে পঢ়া শ্ৰীহাজৰিকাদেৱে গড়কাপ্তানি বিভাগত চাকৰি কৰি ১৯৯৫ চনত অৱসৰ গ্ৰহণ কৰে।

## শ্ৰীদুলুপ্ৰসাদ নাথ

মূলসংঘ সংস্কৃতি শাখাই আয়োজন কৰি অহা সংস্কৃতি প্ৰশিক্ষণত ১৯৯০ চনৰপৰা আমাৰ জিলা শাখাৰ হৈ প্ৰতিনিধিত্ব কৰি আছে। এওঁ বৰ্ত্তমান মূলসংঘৰ এজন বৰগীত প্ৰশিক্ষক। ১৯৯৫ চনতে শঙ্কৰী সঙ্গীত বিদ্যাপীঠৰপৰা 'বৰগীতৰ বিশাৰদ' সন্মান লাভ কৰে। এওঁ মূল সংঘৰ অধীনত ভাৰতৰ কেবা ঠাইতো গীত পৰিৱেশন কৰে। বৰ্ত্তমান মূল সংঘৰ অধীনত 'শঙ্কৰী সঙ্গীত বিদ্যালয়', গোলাঘাট আৰু জিলা শাখাৰ কেন্দ্ৰীয় বিদ্যালয় 'শঙ্কৰী সংস্কৃতি বিকাশ কেন্দ্ৰ' ঢেকীয়ালত অধ্যক্ষ দায়িত্ব বহন কৰি আছে।

শ্ৰীদুলু প্ৰসাদ নাথ গোলাঘাট জিলা শাখাৰ সংস্কৃতি শাখাৰ সম্পাদকৰ দায়িত্বত আছে।

## আধান বৰবৰা

গোলাঘাট জিলাৰ মিছামৰা মৌজাৰ বাৰিছোৱা বামুণ গাওঁত এসময়ৰ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নিষ্ঠাবান কৰ্ম্মী, শঙ্কৰী কলা-কৃষ্টিৰ আজীৱন সাধক, মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক আধান বৰবৰা বাপৰ জন্ম হয় ১৯৩৭ চনত। পিতৃ প্ৰয়াত মাণিক কোঁচ আৰু মাতৃ প্ৰয়াত পদ্মিনী কোঁচ। জীৱনৰ সৰহভাগ সময় শঙ্কৰী সংস্কৃতিৰ চৰ্চ্চা আৰু বিকাশৰ অৰ্থে ওতঃপ্ৰোতভাৱে অতিবাহিত কৰি ১৯৮৮ চনৰ ৭ নবেম্বৰ তাৰিখে বৈকুণ্ঠগামী হয়। তেখেতৰ সাংস্কৃতিক জীৱনৰ প্ৰধান সংগী আছিল তেৰাৰে সহ ধৰ্ম্মিনী কুঞ্জ বৰবৰা। এগৰাকী নৃত্যশিল্পী হিচাবে অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত নৃত্য প্ৰদৰ্শন কৰি খ্যাতি অৰ্জন কৰাৰ লগতে শঙ্কৰী সংস্কৃতি প্ৰচাৰত বিশেষভাৱে অৰিহণা যোগাইছে।

প্ৰয়াত বৰবৰাদেৱে গোলাঘাট জিলা শাখাৰ সংস্কৃতি শাখাৰ সম্পাদকৰ দায়িত্ব পালন কৰিছিল। ন বছৰ বয়সতে 'চন্দ্ৰকান্ত সিংহ' নাটকৰ মিচিং গাভৰু 'ৰহিলা'ৰ চৰিত্ৰ ৰূপায়ন কৰি এটি ৰূপৰ পদক লাভ কৰে। তেতিয়াৰপৰাই বৰবৰাদেৱৰ সাংস্কৃতিক জীৱন আৰম্ভ বুলিব পাৰি। অসমৰ শঙ্কৰী নৃত্যৰ ওজা শ্ৰীযুত যতীন গোস্বামীৰ ওচৰত শঙ্কৰী নৃত্য চৰ্চ্চা কৰি শঙ্কৰী সংস্কৃতিৰ প্ৰতিটো দিশ নিখুঁতভাৱে আয়ত্ত কৰে। তদুপৰি যোৰহাট, তিনিচুকীয়া, গুৱাহাটী, কমলাবাৰী আদি বিভিন্ন

ঠাইত নৃত্য-গীতৰ চৰ্চা কৰে। ১৯৬৫ চনত মিছামৰা মৌজাত 'নৱজ্যোতি কলা মণ্ডল', ১৯৭০ চনত সহকৰ্মী শ্ৰীযাদৱ বৰাৰ সৈতে মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখনি সঙ্গীত বিদ্যালয় স্থাপন কৰে। ১৯৭৬ চনত বৰবৰা বাপে কলিকতা মহানগৰীত মাত্ৰ পাঁচজন শিল্পীৰ সহযোগতেই তিনিদিন একেৰাহে শঙ্কৰী নৃত্য প্ৰদৰ্শন কৰি কৃতিত্ব অৰ্জন কৰিছিল। ১৯৭৭ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ উদ্যোগত নগাওঁত অনুষ্ঠিত হোৱা সদৌ অসম শঙ্কৰী সংস্কৃতি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি সকলো বিষয়তে প্ৰথমস্থান লাভ কৰিবলৈ সক্ষম হৈছিল। নৃত্য-গীত, অঙ্কীয়া ভাওনাৰ প্ৰতি ৰাইজৰ মন আকৰ্ষণ কৰাৰ ক্ষেত্ৰত বৰবৰা বাপ আছিল পথ প্ৰদৰ্শক স্বৰূপ। ১৯৬৮ চনত গুৱাল গাঁও নামঘৰত অনুষ্ঠিত কৰা ৰাসোৎসৱ, ১৯৬৯ চনত মিছামৰা গণনাট্য মন্দিৰত অঙ্কীয়া নাটক 'ৰুক্মিণীহৰণ' মঞ্চস্থ কৰি শঙ্কৰী সংস্কৃতি বিকাশত বিশেষ অৰিহণা যোগাইছিল। দেৰগাঁও আৰু মিছামৰা অঞ্চলৰপৰা প্ৰথম অনাতাঁৰ শিল্পী হিচাবে তেখেতে (পৰিবাৰসহ) খ্যাতি অৰ্জ্জন কৰে ১৯৬৫ চনতেই। ১৯৭৬ আৰু ৭৭ চনত প্ৰয়াত বৰবৰা আৰু শ্ৰীকুঞ্জ বৰবৰা সৰ্বভাৰতীয় গীত আৰু নাট বিভাগৰ সদস্য আছিল। তেখেতসকলে 'অল ইণ্ডিয়া ৰেডিঅ' তো বিভিন্ন গীত পৰিৱেশন কৰিছিল।

১৯৭৮ চনত লক্ষ্ণৌত অনুষ্ঠিত সৰ্বভাৰতীয় যুৱ মহোৎসৱত অসমৰ হৈ প্ৰতিনিধিত্ব কৰি শঙ্কৰী নৃত্য-গীত প্ৰদৰ্শনত ভূয়সী প্ৰশংসাৰ পাত্ৰ হোৱাৰ উপৰি বিশেষ স্থান লাভ কৰে। দিল্লীত অনুষ্ঠিত শ্ৰীমন্ত শঙ্কৰদেৱৰ আবিৰ্ভাৱ মহোৎসৱত প্ৰয়াত বৰবৰাদেৱে শঙ্কৰী কলা-কৃষ্টি প্ৰদৰ্শন কৰিছিল। কলিকতাৰ এ. এচ. এল. ক্লাবে অসম ভৱনত আয়োজন কৰা বিহু উৎসৱত অংশ গ্ৰহণ কৰি, ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত আৰু অসমৰ বিভিন্ন জিলাৰ চাহ মজদুৰসকলৰ মাজত শঙ্কৰী কলা-কৃষ্টি প্ৰদৰ্শন আৰু প্ৰচাৰ কৰি বিশেষভাৱে খ্যাতি অৰ্জন কৰাৰ লগতে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰচাৰ প্ৰসাৰত উল্লেখযোগ্য বৰঙণি আগবঢ়ায়।

মিছামৰা অঞ্চলত বহুতো সংগীত বিদ্যালয় স্থাপন কৰি বহু নতুন নতুন শিল্পীৰ দল সৃষ্টি কৰি মানুহৰ স্বভাৱগত শিল্পীসত্তাক জাগৃত কৰিছিল। মিছামৰা বা দেৰগাওঁৰেই নহয়, অসম তথা ভাৰতবৰ্ষৰ সাংস্কৃতিক জগতখনৰ এটি উজ্বল তৰা আছিল বৰবৰাদেৱ। প্ৰকৃতাৰ্থত তেওঁ আছিল জাতীয় তথা জনতাৰ শিল্পী।

## শ্ৰীযুতা অন্নদা ৰাজখোৱা

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ অন্তৰ্গত হাবিয়াল মুক্তি প্ৰাথমিক শাখাৰ সঙ্গী প্ৰয়াত প্ৰমোদ শইকীয়াদেৱৰ পৱিত্ৰ স্মৃতিত তেখেতৰ পত্নী শ্ৰীযুতা অন্নদা ৰাজখোৱা তথা পৰিয়াল বৰ্গই গোলাঘাট জিলা শখাৰ সাহিত্য আৰু সংস্কৃতি শাখাৰ উন্নয়নৰ উদ্দেশ্যে দহ হেজাৰ টকা এককালিন দান আগবঢ়ায়।

পৰিয়ালৰ পৰিচয় ঃ শ্ৰীযুতা অন্নদা ৰাজখোৱাৰ জন্ম হয় ১৯৪৪ চনৰ ১০ অক্টোবৰ তাৰিখে হাবিয়াল গাৱঁত। দেউতাকৰ নাম আছিল লম্বোদৰ ৰাজখোৱা। ইং ১/৭/৬৩ তাৰিখে আদৰ্শ মুদৈ প্ৰাথমিক বিদ্যালয়ত শিক্ষয়িত্ৰী হিচাবে নিযুক্তি লাভ কৰি বৰ্ত্তমান হাবিয়াল প্ৰাথমিক বিদ্যালয়ত কাম কৰি আছে। তিনিগৰাকী পুত্ৰ ক্ৰমে সৰ্বশ্ৰী মৃদু প্ৰৱন শইকীয়া, মৃনাল শইকীয়া আৰু মৃদুল শইকীয়া। শ্ৰীমৃদুপৱন শইকীয়াদেৱ তেল আৰু প্ৰাকৃতিক গেচ কোম্পানীৰ অভিযন্তা হিচাবে কাৰ্যনিৰ্বাহি কৰি আছে। শ্ৰীমৃণাল শইকীয়াদেৱ কৃষি সম্প্ৰসাৰণ বিভাগৰ এগৰাকী ক্ষেত্ৰ কৰ্মী আৰু শ্ৰীমৃদুল শইকীয়াদেৱে বৰ্ত্তমান বম্বেত তেল আৰু প্ৰাকৃতিক গেচ কোম্পানীত (ONGC) কাৰ্যবাহী অভিযন্ত্ৰা হিচাবে কাৰ্যনিৰ্বাহ কৰিছে। সকলোফালৰপৰা তেখেতসকলৰ আৰ্থিক অৱস্থা সন্তোষজনক। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন শ্ৰীমৃদুল শইকীয়াদেৱে ১৯৮৬ চনত হাইস্কুল শেষান্ত পৰীক্ষাত মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা অসমৰ ভিতৰত পঞ্চম স্থান লাভ কৰি অঞ্চলটিলৈ গৌৰৱ কঢ়িয়াই আনিছিল।

## তনুৰাম শইকীয়া

গোলাঘাট জিলাৰ ফৰকাটিং অঞ্চলৰ নিবাসী শ্ৰীযুত তনুৰাম শইকীয়া সেই অঞ্চলৰ এগৰাকী সন্মৰহী লোক। ছাত্ৰ অৱস্থাৰপৰাই তেখেতে খেল-ধেমালি, ভাওনা অভিনয়ৰ লগত জড়িত হৈ আহিছে। তেখেত ফৰকাটিং হাইস্কুল, টাউন ক্লাব আৰু ডি, আৰ, কলেজৰ এগৰাকী নিয়মীয়া খেলুৱৈ আছিল। ফুটবল খেলুৱৈ হোৱাৰ উপৰি তেখেতে ৰেফাৰি হিচাবে ফুটবল পৰিচালনা কৰিছিল। শ্ৰীযুত শইকীয়াদেৱ এগৰাকী সমাজসেৱী ধৰ্মপ্ৰাণ ব্যক্তি। বিভিন্ন সমাজসেৱী অনুষ্ঠানৰ তেখেতে নিস্বাৰ্থভাৱে বিভিন্ন দায়িত্ব গ্ৰহণ কৰি সমাজৰ উন্নতিৰ কাৰণে সেৱা আগবঢ়াই আহিছে। ফৰকাটিং গাঁও পঞ্চায়তৰ উপ-সভাপতি, আঠ গাঁও গাঁও পঞ্চায়তৰ উপ-সভাপতি, আঠ গাঁও সমবায় সমিতিৰ তিনিটা কাৰ্যকালত সভাপতি, তিৰুৱাল আৰু ফৰকাটিং নগৰ প্ৰাথমিক বিদ্যালয়ৰ সভাপতি আৰু ফৰকাটিং

ক্ৰীড়া সন্থাৰ সভাপতি, ফৰকাটিং নগৰ সমিতিৰ সভাপতি হিচাবে সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰে। ইয়াৰ উপৰি ফৰকাটিং বালক আৰু বালিকা হাইস্কুলৰ পৰিচালনা সমিতিৰ সদস্য, ফৰকাটিং মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সহকাৰী সম্পাদক, সভাপতি পদত কাৰ্যনিৰ্বাহি কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী নিস্বাৰ্থ কৰ্মী হিচাবে বিভিন্ন অঞ্চলত প্ৰচাৰ সংগঠনত ব্ৰতী হৈ প্ৰাথমিক শাখা গঠন কৰে। ফৰকাটিং আঞ্চলিক শাখাৰ দুটা কাৰ্যকালত তেখেতে সম্পাদক আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ ফৰকাটিং ৰাজহুৱা নামঘৰৰ সম্পাদক পদত আছিল।

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৬৪ তম বাৰ্ষিক অধিবেশনৰ আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি আছিল। বৰ্ত্তমান তেখেত জিলা সংঘৰ কাৰ্যকৰী সমিতিৰ সদস্য হৈ আছে। সাহিত্য-সংস্কৃতি বিকাশত সদা সচেতন ব্যক্তি হিচাবে স্থানীয় সেউজ সাহিত্য-সংস্কৃতি বিকাশ কেন্দ্ৰৰ অধ্যক্ষ আছিল। এগৰাকী নিৰ্ভীক সমালোচক আৰু স্পষ্টবাদী সমাজকৰ্মী হিচাবে সকলোৰে পৰিচিত ব্যক্তি।

## ডিম্বেশ্বৰ ভূঞা

শ্ৰীভূঞা বাপ সৰু অৱস্থাৰপৰাই বিভিন্ন ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত। বিভিন্ন ৰাজহুৱা কাম, জনহিতকৰ, জনকল্যাণমূলক কামৰ প্ৰতি আগ্ৰহী আছিল। ডেকা অৱস্থাতে ৭/৮ খন গাৱঁৰ সংগঠন কমিটিৰ সম্পাদকৰ দায়িত্বৰে ৰাজহুৱা জীৱনৰ পাতনি মেলি বিভিন্ন সময়ত গাঁও পঞ্চায়তৰ সভাপতি, জাপি সমবায় সমিতিৰ সম্পাদক, কৃষি সমবায় সমিতিৰ সম্পাদক, পৰিচালক, দেৰগাঁও সমবায় সমিতিৰ সভাপতি আদি বিভিন্ন দায়িত্বৰে জনসাধাৰণৰ সেৱা আগবঢ়ায়। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ লুকুমাইত বহা ৩০ তম্ অধিবেশনৰ আদৰণী সমিতিৰ সহকাৰী সম্পাদক আছিল। লুকুমাই প্ৰাথমিক শাখাত ১০ বছৰ সম্পাদক, ১৮ বছৰ সভাপতিৰ দায়িত্ব পালন কৰে। একেৰাহে বহু বছৰ গোলাঘাট জিলা শাখাৰ কাৰ্য্যনিৰ্বাহকৰ সদস্য হিচাবে কাৰ্য্যনিৰ্বাহ কৰি ২ বছৰ সহকাৰী সম্পাদক,৩ বছৰ উপ-সভাপতিৰ দায়িত্বৰে কাৰ্য্য নিৰ্বাহ কৰে। গোলাঘাট পূব আঞ্চলিক শাখাৰ ৭ বছৰ কাল সভাপতিৰ দায়িত্ব পালন কৰে। নামধৰ্ম আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰচাৰ-প্ৰসাৰত মুখ্য ভূমিকা পালন কৰে।

ইয়াৰ উপৰি গাঁওৰক্ষী বাহিনীৰ সভাপতি, গাঁও পৰিচালনা সমিতিৰ সভাপতি, লুকুমাই অঞ্চলত স্থাপিত প্ৰায়বিলাক বিদ্যালয়ৰে সভা পলিচালনা সমিতিৰ সম্পাদক/সভাপতিৰ দায়িত্ব পালন কৰিছিল। শ্ৰীভূঞাদেৱ এজন সুবিচাৰক, তথা সকলো লোকৰ বাবে এগৰাকী সন্মানীয় ব্যক্তি আছিল। তেখেতৰ কাৰ্য্যকালতে লুকুমাই বৰ নামঘৰ ভাগিৰ কাম সম্পূৰ্ণ হয়।

# গোলাঘাট জিলাৰ শাখাৰ বুৰঞ্জী

## অজিতকুমাৰ বৰা

জন্ম ১৯৫২ চনৰ ১ এপ্ৰিল তাৰিখে। দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ত স্নাতক শ্ৰেণীৰ দ্বিতীয় বৰ্ষলৈকে অধ্যয়ন কৰি শিক্ষাৰ সামৰণি মাৰে। সঙ্গীতৰ প্ৰাথমিক শিক্ষা ঘৰুৱাভাৱে শ্ৰীযুতা গৌৰী প্ৰভা হাজৰিকাৰপৰা গ্ৰহণ কৰে। স্কুল পৰ্য্যায়ত তেখেতৰ শিক্ষা গুৰু শ্ৰীযুত শিৱ শৰ্মা ঠাকুৰ আৰু বৰগীতৰ ক্ষেত্ৰত প্ৰয়াত ইন্দ্ৰ বৰা আৰু শ্ৰীযুত গোলাপ মহন্ত আছিল। দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ কণ্ঠ শিল্পী, মঃ ৰেকিবুদ্দিন আহমদৰ লগত ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ যোগেদি জিকিৰ আৰু জাৰি, ফুলকোঁৱৰৰ গীত পৰিৱেশন কৰে। শ্ৰীযুত গিৰিশ মহন্তৰ লগত ডিব্ৰুগড় অনাতাৰ কেন্দ্ৰত দেহ বিচাৰৰ গীত পৰিৱেশন আৰু ১৯৮১ চনৰপৰা ব্যক্তিগতভাৱে ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ যোগেদি লোকগীত পৰিৱেশন, ১৯৮২ চনৰপৰা ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰই প্ৰথম বৰগীতৰ অনুষ্ঠান মুকলি কৰে আৰু প্ৰথম অনুমোদিত তিনিগৰাকী বৰগীতৰ শিল্পীৰ ভিতৰত তেখেতে এজন নিয়মীয়া শিল্পী হিচাবে বৰগীত পৰিৱেশন কৰি আছে। ১৯৮১ চনত কলিকতাত অনুষ্ঠিত উত্তৰ-পূব ভাৰতৰ সঙ্গীত সন্মিলনৰ অসমৰ সাংস্কৃতিক দলৰ সদস্যৰূপে অংশ গ্ৰহণ কৰে। ১৯৮১ চনত ইন্‌ৰেত গ্ৰামফোন কোম্পানীৰ আমন্ত্ৰণ ক্ৰমে কলিকতাৰ ইন্‌ৰেত ষ্টুডিঅ'ত কামৰূপী লোকগীত, বিহুগীত বাণীবন্ধন, ১৯৮২ চনৰপৰা অসমৰ এন, কে, প্ৰডাকচন্, মিউজিক উৱেভ, মিউজিক মেৰ্চাচ আদি অনুষ্ঠানত বিহুগীত, টোকাৰি গীত, লোকগীত, ভক্তিমূলক গীত, বৰগীত আদি কেছেটৈত গীত গোৱা, সঙ্গীত পৰিচালনা আৰু কেছেট পৰিচালনা কৰি ৰাইজৰ সমাদৰ লাভ কৰিছে। গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰ প্ৰতিষ্ঠা হোৱাৰেপৰা উক্ত কেন্দ্ৰৰ যোগেদি বৰগীত পৰিৱেশন কৰিছে। ১৯৮১ চনৰপৰা সঙ্গীত শিল্পী শ্ৰীৰুমী শইকীয়াৰ লগত ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ যোগেদি সঙ্গীতালেখ্য 'উজনিৰ সুৰদি সুৰ', গুৱাপান, বহো তাঁতৰ পাতত আদিত গীত পৰিৱেশন আৰু পৰিচালনাৰে সহযোগ কৰে। ১৯৯১ চনত মাদ্ৰাজত অনুষ্ঠিত সদৌ ভাৰত পৰ্যটিক উৎসৱত অসমৰ সাংস্কৃতিক দলৰ হৈ সহযোগ, ১৯৯৬ চনৰপৰা ভাৰত চৰকাৰৰ মানৱ বিকাশ মন্ত্ৰণালয়ৰদ্বাৰা আয়োজিত 'চি চি আৰ, টি, ৰ' প্ৰতিভা সন্ধানী পৰীক্ষাৰ পূৰ্বাঞ্চলৰ বিচাৰক মণ্ডলীৰ এজন সদস্য হিচাবে কাৰ্যনিৰ্বাহ কৰি আছে। ১৯৯৭ চনত ভাৰত চৰকাৰে দিল্লীত আয়োজন কৰা ভাৰতৰ স্বাধীনতাৰ সোণালী জয়ন্তীৰ শিশু সমাৰোহত তেখেতে পুত্ৰ শ্ৰীহৃদয়ানন্দ বৰাৰ লগত অংশ গ্ৰহণ কৰে। শ্ৰীহৃদয়ানন্দ বৰাই উক্ত শিশু সমাৰোহত সৰ্বভাৰতীয় ভিত্তিত আয়োজন কৰা দেশপ্ৰেমমূলক গীতত 'তৃতীয়স্থান পায়। ১৯৯৭ চনৰ বৰ্ষত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ

## গোলাঘাট জিলাৰ শাখাৰ বুৰঞ্জী

গোলাঘাট জিলা সাংস্কতিক শাখাৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি নিষ্ঠাৰে কাৰ্যনিৰ্বাহ কৰে। বৰ্ত্তমান উক্ত অনুষ্ঠানৰ বৰগীত বিষয়ৰ প্ৰশিক্ষকৰূপে কাম কৰি আছে।

## যোগেন গগৈ

গোলাঘাট নগৰ নিবাসী শ্ৰীযোগেন গগৈ দেৱ এগৰাকী ধৰ্মপ্ৰাণ ব্যক্তি। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ একনিষ্ঠ সঙ্গী তথা জিলা সংঘৰ প্ৰচাৰক। গোলাঘাট নগৰস্থ বেঙেনাখোৱাত প্ৰতিষ্ঠিত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ নামঘৰ আৰু শঙ্কৰী সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ নিৰ্মানৰ লগত তেখেত সততে জড়িত হৈ আছে। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ কাৰ্যনিৰ্বাহিক সভাৰ সদস্য পদত আছে। মূল সংঘৰ সংবিধানৰ আধাৰত গঠিত জিলা শিক্ষা সমিতিৰ সভাপতি হিচাবে তেখেতে বৰ্ত্তমান (১৯৯৯-২০০০ বৰ্ষত) কাৰ্যনিৰ্বাহ কৰি আছে।

ইং ২৯ মাৰ্চ ১৯৪৭ চনত তেখেতৰ জন্ম হয়। বৰ্ত্তমান গোলাঘাট নগৰৰ চান্দমাৰিত স্থায়ীভাৱে বসবাস কৰা শ্ৰীযুত গগৈদেৱ নগৰ প্ৰাথমিক শাখাৰ সঙ্গী।

## বদনচন্দ্ৰ বৰা

গোলাঘাট জিলাৰ ফৰকাটিঙৰ কোচগাৱঁত ইং ১৯৪৬ চনৰ এপ্ৰিল মাহত জন্ম হয়। উচ্চ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত তেখেতে গোলাঘাট পৌৰ সভাৰ কাৰ্য্যালয়ত চাকৰি জীৱনৰ পাতনি মেলে। বৰ্ত্তমান তেখেত উক্ত অনুষ্ঠানৰ উচ্চ বৰ্গৰ সহায়ক পদত কাম কৰি আছে। ফৰকাটিং অঞ্চলৰ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সঙ্গী হিচাবে প্ৰচাৰ প্ৰসাৰত ব্ৰতী হৈ আছে। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৬৪ তম বাৰ্ষিক অধিৱেশনৰ আদৰণি সমিতিৰ এগৰাকী সহকাৰী সম্পাদক হিচাবে কাৰ্যনিৰ্বাহ কৰে। জিলা সংঘৰ কাৰ্যনিৰ্বাহিক সভাৰ সদস্য নিৰ্বাচিত হোৱাৰ লগতে তেখেতে জিলা সংস্কৃতি শাখাৰ ১৯৯৮-৯৯ বৰ্ষত সম্পাদকৰ দায়িত্ব পালন কৰে। তদুপৰি সদৌ অসম পৌৰ সভাৰ কৰ্মচাৰী সন্থাৰ সম্পাদক পদত নিষ্ঠাৰে ১০ বছৰ ধৰি সম্পাদক হিচাবে কৰ্মৰত হৈ আছে। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট নগৰস্থ বেঙেনাখোৱাত প্ৰতিষ্ঠিত শঙ্কৰী-সংস্কৃতি বিদ্যালয়ৰ এগৰাকী অধ্যক্ষ হিচাবে দায়িত্ব বহন কৰিছে। শঙ্কৰী সংস্কৃতিৰ প্ৰতি বিশেষ অনুৰাগ থকা শ্ৰীযুত বৰাদেৱ একনিষ্ঠ সাধক আৰু সংগঠক হিচাবে পৰিচিত।

## বিপুল কাকতি

বোকাখাত নগৰৰ নিবাসী শ্ৰীযুত বিপুল কাকতি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী উদ্যোগী সঙ্গী। ১৯৫৫ চনৰ ৭ আগষ্ট তাৰিখে তেখেতে জন্ম গ্ৰহণ কৰে। এগৰাকী ভাল ব্যৱসায়ী। অবিভক্ত গোলাঘাট জিলা শাখাৰ কাৰ্যকৰী সমিতিৰ সহকাৰী সম্পাদক হিচাবে কাৰ্য নিৰ্বাহ কৰিছিল। বৰ্ত্তমান তেখেত বোকাখাত জিলা শাখাৰ সঙ্গী। সংঘৰ প্ৰচাৰ প্ৰসাৰত সদা সচেতন ব্যক্তি হিচাবে শ্ৰীযুত কাকতিদেৱে প্ৰগতিশীল মনোভাব প্ৰকাশ কৰাত সক্ষম হৈছে।

## বিপিনচন্দ্ৰ হাজৰিকা

গোলাঘাট জিলাৰ মিছামৰা মৌজাৰ মলাই কুমাৰ গাৱঁত ইং ১৯৪৫ চনত জন্ম হয়। ১৯৬৭ চনত দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰপৰা স্নাতক ডিগ্ৰী লাভ কৰে। ইং ১৯৭৯ চনত প্ৰতিষ্ঠিত মধ্য মিছামৰা মাধৱদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাবে অবৈতনিকভাৱে চাকৰি জীৱনৰ পাতনি মেলে। বৰ্ত্তমান উক্ত বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাবে কাম কৰি আছে। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী নিস্বাৰ্থ কৰ্মী হিচাবে মলাইকুমাৰ নিৰঞ্জন প্ৰাথমিক শাখাৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰাৰ উপৰি তেখেতে গোলাঘাট জিলা শাখাৰ সদস্য আৰু সহকাৰী সম্পাদকৰ দায়িত্ব পালন কৰিছিল। শ্ৰীযুত হাজৰিকাদেৱ এই অঞ্চলৰ বিভিন্ন অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ আহিছে।

## নিৰ্ম্মলচন্দ্ৰ বৰা

শ্ৰীনিৰ্ম্মলচন্দ্ৰ বৰাই গুৰযোগনীয়া মৌজা, এলেংমুৰীয়া গাৱঁত ১৯৩২ চনত ১ অক্টোবৰ তাৰিখে জন্ম গ্ৰহণ কৰে। তেখেতৰ দেউতাকৰ নাম স্বৰ্গীয় মুহিধৰ বৰা। ১৯৪৬ চনত তেখেতে প্ৰাথমিক শিক্ষা শেষ কৰে আৰু ঢেকীয়াল হাইস্কুলৰপৰা ১৯৫২ চনত প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। ১৯৫৮ চনত বি, এ আৰু ১৯৬৫ চনত বি, টি, পাছ কৰে। তদুপৰি ১৯৭১ চনত প্ৰাইভেট পৰীক্ষাৰ্থী হিচাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা অসমীয়া বিষয়ত এম, এ, পৰীক্ষা পাছ কৰে।

## গোলাঘাট জিলাৰ শাখাৰ বুৰঞ্জী

শ্ৰীবৰাই ১০/৮/৫৭ চনত ঢেকীয়াল হাইস্কুলত সহকাৰী শিক্ষক হিচাবে চাকৰি জীৱন আৰম্ভ কৰে। আৰু ১/১০/৫৮ চনত চিনাতলী হাইস্কুললৈ যায়। ১৯৬৪ চনত সহপ্ৰধান শিক্ষক হিচাবে পদোন্নতি লাভ কৰে। ১৯৭৪ চনত প্ৰধান শিক্ষক হিচাবে নিযুক্তি পায়। ১৯৯০ চনৰ ৩০ চেপ্তেম্বৰত অৱসৰ গ্ৰহণ কৰে। ১৯৬৭ চনত শ্ৰীবীণাপ্ৰভা বৰাক বিয়া কৰে। তেখেতৰ পুত্ৰ দুজন, দুয়োজন যথাক্ৰমে আদ্য বিদ্যাপীঠ কলেজ আৰু ছিলঙৰ ইঞ্জিনিয়াৰিং কলেজৰ প্ৰৱক্তা।

বৰাই সামাজিক কামত সদায় জড়িত হৈ থকাটো ভাল পাইছিল। স্থানীয় প্ৰাথমিক বিদ্যালয়খনি প্ৰতিস্থাত আগভাগ লৈছিল। ১৯৬৩ চনত তেখেতে ঢেকীয়াল জ্যোতি সাহিত্য সভাখনি গঠন কৰি তাৰ প্ৰথম সভাপতি হয়। ঢেকীয়াল মলখুকুৰী নামঘৰত এই সভাখন প্ৰথম গঠন কৰা হয়। শ্ৰীদীনেশ্বৰ বৰা প্ৰতিষ্ঠাপক সম্পাদক আছিল। নিৰ্ম্মল চন্দ্ৰ বৰা দুটা কাৰ্য্য কালৰ বাবে জ্যোতি সাহিত্য সভাৰ সভাপতি আছিল। ১৯৮৬ চনলৈকে সাহিত্য সভাৰ লগত জড়িত হৈ থকাৰ উপৰি সাহিত্য সভাৰ আজীৱন সদস্য হৈছিল।

১৯৮১ চনত তেখেত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ সঙ্গী হয়। তেখেত ঢেকীয়াল প্ৰাথমিক শাখাত সঙ্গীভুক্ত হৈছিল। ইয়াৰ পাছত তেখেত জিলা সদস্য নিৰ্ব্বাচিত হৈ জিলা সাহিত্য সভাৰ সভাপতি হয়। ১৯৯২ চনত তেখেতৰ ব্লাদ প্ৰেছাৰ ষ্ট্ৰ'ক হয় আৰু বৰ্ত্তমান তেখেত স্থানীয় প্ৰাথমিক শাখাৰ সঙ্গী হৈ আছে।

শ্ৰীনিৰ্ম্মলচন্দ্ৰ বৰাই স্কুলীয়া আলোচনী 'প্ৰবাহ'ৰ (ঢেকীয়াল হাইস্কুলৰ) পাততে গল্প আৰু কবিতা লিখে। তাৰ পাছত চিনাতলী হাইস্কুলৰ আলোচনী 'জাগৰণতো' শিক্ষামূলক প্ৰবন্ধ লিখিছিল। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ বুৰঞ্জী প্ৰকাশৰ ব্যৱস্থা শুনি তেখেতে আনন্দ লাভ কৰাৰ লগতে প্ৰশংসা কৰি সম্পাদনা সমিতিক জনাইছে। ○○

## প্ৰয়াত নন্দেশ্বৰ দত্ত (ঢেকীয়াল) ঃ

প্ৰয়াত নন্দেশ্বৰ দত্ত দেৱ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ঢেকীয়াল প্ৰাথমিক শাখাৰ এগৰাকী বিশিষ্ট সঙ্গী আছিল । তেখেতৰ জন্ম হয় ১৮৩০ শকৰ ২০ বহাগ (ইংৰাজী ৪ মে, ১৯১২ চন ) তাৰিখে । ১৯১০ শখৰ ১ কাতিত (ইংৰাজী ১৮ অক্টোবৰ, ১৯৮৮ চন ) তেখেতৰ পৰলোক প্ৰাপ্তী হয় । গোলাঘাট জিলাৰ ঢেকীয়ালস্থ জিলা নামঘৰ আৰু কাৰ্য্যালয় স্থাপনত তেখেতে দেহে-কেহে খটাৰ উপৰি মণিকুট ভাগ শ্ৰীযুত অপূৰ্ব বৰ গোঁহাইদেৱৰ পৰা দান লোৱা কাৰ্য্যত অংশ গ্ৰহণ কৰা ব্যক্তিসকলৰ ভিতৰত আছিল অন্যতম । এনেবোৰ ক্ষেত্ৰত তেখেতে কৰা শ্ৰমৰ ত্যাগ চিৰস্মৰণীয় হৈ ৰ'ব । তেখেতৰ পৰিয়াল বৰ্গই পুত্ৰ পত্নী সমন্বিতে তেখেতৰ নামত ঢেকীয়ালস্থ জিলা নামঘৰ প্ৰাঙ্গণৰ প্ৰৱেশ পথত তোৰণ (বাট চ'ৰা) ভাগ নিৰ্মাণ কৰি দিয়ে । এই বুৰঞ্জীৰ স্থানান্তৰত এই বিষয়ে উল্লেখ কৰা হৈছে । তেখেতৰ পৰিয়াল বৰ্গই তোৰণ কাৰ্য্য হিচাবে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ ইতিহাসত চিৰকাললৈ উজ্বল হৈ থাকিব । দাতা হিচাবে তেখেতৰ পৰিয়াল বৰ্গৰ নাম তলত উল্লেখ কৰা হ'ল ।

পত্নী - শ্ৰীগুণবালা দত্ত

পুত্ৰসকল ঃ সৰ্বশ্ৰী ৰাতুল দত্ত, জীৱন দত্ত, দুলুমণি দত্ত, আৰু ৰঞ্জীত দত্ত ।

জী-সকল ঃ সৰ্বশ্ৰী ৰেণু দত্ত বৰা, ৰীতামণি দত্ত কলিতা আৰু ৰশ্মিৰেখা দত্ত ।

বোৱাৰী সকল ঃ সৰ্বশ্ৰী শান্তি দত্ত, জ্যোতি দত্ত, লাৱণ্য দত্ত আৰু তুলু দত্ত ।

নাতি ঃ নাতিনিসকল ঃ সৰ্বশ্ৰী দিগন্ত, সীমান্ত, টুনু, সুশান্ত সুৰজীত, কঙ্কণ, কৌশিক, অংশুমান, আনন্দিতা গুঞ্জন, কীৰ্ত্তি বাস আৰু দীপাঙ্কৰ ।

## অমূল্য বৰদলৈ (মৰঙি) ঃ


গোলাঘাট জিলাৰ মৰঙি মৌজাৰ পানী কৰা গাঁৱত ১৯৩৫ চনত শ্ৰীঅমূল্য বৰদলৈ দেৱৰ জন্ম হয় । মৰঙি আঞ্চলিক শাখাৰ অৰ্ন্তগত পানীকৰা প্ৰাথমিক শাখাৰ তেখেত সঙ্গী । প্ৰাথমিক শাখা গঠন আৰু সম্প্ৰসাৰণৰ ক্ষেত্ৰত প্ৰাথমিক অন্য বিশিষ্ট সঙ্গীসকলৰ লগতে শ্ৰীবৰদলৈ দেৱে একনিষ্ঠ সেৱক হিচাবে বিশেষ ভূমিকা গ্ৰহণ কৰে । মৰঙি আঞ্চলিক শাখাৰ এগৰাকী সংগঠক হিচাবে তেখেতে

প্ৰচাৰ প্ৰসাৰত আত্ম নিয়োগ কৰি আঞ্চলিকখনৰ সাংগঠনিক ভেটি মজবুট কৰে ।


উল্লেখযোগ্য যে তেখেতৰ দেউতাক প্ৰয়াত ৰোমেশ্বৰ বৰদলৈয়ে ১৯৩০ চনৰ পৰাই পূজা-পাৰ্বন, বলি-বিধান, শিতলা পূজা আদিৰ বিৰোধিতা কৰিছিল । এই ক্ষেত্ৰত তেখেতে নিজ বংশৰ গুৰু গড়মূৰীয়া সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামীৰ পৰা অনুপ্ৰেৰণা লাভ কৰিছিল । আনহে নালাগে তেখেতসকলৰ গাঁৱৰ নামঘৰৰ এচাম ব্যক্তিয়ে তেতিয়াৰ বৰ সবাহত পানী তুলি বিষ্ণুপূজা কৰা প্ৰথা সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামী প্ৰভূৱে ' নামত কিহৰ বিষ্ণুপূজা উলিয়াবলৈ আহিছে ' বুলি শাস্ত্ৰীয় যুক্তিৰে এনে প্ৰথা আঁতৰাই তেনে ব্যক্তিক অপমান কৰা আজিও স্মৰণ কৰে । ছাত্ৰ অৱস্থাৰ পৰাই বৰদলৈ দেৱে মহাপুৰুষীয়া ধৰ্ম চিন্তা চৰ্চা কৰাৰ প্ৰেৰণা পাইছিল । মহাপুৰুষীয়া ধৰ্ম আন্দোলনে তেখেতৰ মন প্ৰভাৱিস্বত কৰিছিল । হাইস্কুলত পঢ়ি থকা কালতে তেখেতৰ দেউতাকে নিজ গুৰু গৃহত প্ৰসঙ্গ কৰি থকা অৱস্থাত বৰদলৈ দেৱক নাম প্ৰসঙ্গ কৰিবলৈ শিকাইছিল । অন্য এটি স্মৰণীয় কথা হ'ল - সেই সময়ত সমাজত প্ৰচলিত আই নাম, গোঁসাই নাম, শিৱ পাৰ্বতীৰ, নামৰ পৰিবৰ্ত্তে তেখেতৰ মাতৃয়ে শ্ৰীমন্ত শঙ্কৰ দেৱৰ প্ৰৱৰ্ত্তিত কীৰ্ত্তন ঘোষাৰ পদ পৰিবেশন কৰিছিল । তেখেতৰ মাতৃৰ লগত গাঁৱৰ ভালে কেইগৰাকী মহিলাই, বিশেষকৈ এগৰাকী ব্ৰাহ্মণ সম্প্ৰদায়ৰ মহিলাইও সহযোগ কৰিছিল । সেই গৰাকী মহিলাৰ পৰিয়ালে শাক্ত ধৰ্মৰ সদাচাৰ ৰীৰ্তি-নীৰ্তি বৰ্জন কৰি 'এক কৃষ্ণ দেউৰ সেৱাত ব্ৰতী হৈছিল ।

শ্ৰীবৰদলৈ দেৱে নিৰ্ভীক ভাৱে মহাপুৰুষীয়া ধৰ্মৰ পোষকতা কৰি এখন সুস্থ সমাজ গঠনত গুৰুত্ব দিছিল । শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ মতাদৰ্শ প্ৰচাৰ-প্ৰসাৰত গুৰুত্ব দিয়াৰ কাৰণেই মৰঙি আঞ্চলিকৰ সঙ্গীসকলৰ সহযোগত সংগঠন বৃদ্ধি পায় । সংঘৰ প্ৰতি আগবঢ়োৱা বিশেষ ভূমিকাৰ ক্ষেত্ৰত ১৯৮৩-৮৪চনত মূলৰ সদস্য নিৰ্বাচিত হয় । ১৯৮৬ চনৰপৰা ১৯৮৯ চনলৈ মৰঙি আঞ্চলিক শাখাৰ সভাপতি , ১৯৯০-৯১ চনৰ বৰ্ষত জিলা শাখাৰ সহকাৰী সম্পাদক হিচাবে কাৰ্যনিৰ্বাহ কৰে । বৰ্ত্তমান তেখেত মৰঙি আঞ্চলিক শাখাৰ উপদেষ্টা । মৰঙি হাইস্কুলত শিক্ষকতা কৰি বৰ্ত্তমান তেখেতে অৱসৰ গ্ৰহণ কৰিছে । মৰঙি অঞ্চলৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগৰ তেখেত জৰিত । মূল সংঘৰ ৬৪ তম বাৰ্ষিক অধিবেশনৰ উপলক্ষে হিন্দী ভাষাত প্ৰকাশিত 'শঙ্কৰদেৱ কী প্ৰতিভা' পুস্তিকা ভাগৰ সম্পাদনা সমিতিৰ তেখেতে সভাপতিৰ গুৰু দায়িত্ব বহন কৰি নিজৰ দক্ষতা প্ৰকাশ কৰিবলৈ সক্ষম হয় ।


শ্ৰীমন্ত শঙ্কৰদেৱৰ সত্ৰ
গোলাঘাট জিলাৰ মানচিত্ৰ




শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ
গোলাঘাট জিলা শাখাৰ মানচিত্ৰ



## আলোক চিত্ৰত



শঙ্কৰী কৃষ্টি বিকাশ কেন্দ্ৰ, বকৰা বামুণ গাঁও গোলাঘাট জিলা শাখা
প্ৰয়াত হৰকান্ত মুদৈৰ স্মৃতিত
মণিকূটৰ দাতা - শ্ৰীযুতা প্ৰেমলতা মুদৈ




## আলোক চিত্ৰত প্ৰাক্তন সভাপতি আৰু উপ-সভাপতিসকল



**শ্ৰীজীউৰাম হাজৰিকা**
হালোৱা গাঁও, প্ৰাক্তন সভাপতি
গোলাঘাট জিলা শাখা




**শ্ৰীঘনকান্ত তামূলী**
(ঢেকীয়াল)
প্ৰাক্তন শৰণ সদস্য




**শ্ৰীযোগেশ্বৰ বৰা**
প্ৰাক্তন সভাপতি, জিলা শাখা



**বৈষ্ণৱপণ্ডিত**
**প্ৰয়াত কুশেশ্বৰ কলিতা**
প্ৰাক্তন জিলা সভাপতি



**শ্ৰীপ্ৰফুল্ল চন্দ্ৰ শইকীয়া (মিছামৰা)**
প্ৰাক্তন সভাপতি, জিলাশাখা
সভাপতি, আদৰণী সমিতি
৬৪ তম মূল অধিৱেশন



**শ্ৰীচন্দ্ৰনাথ বৰদলৈ (দেৰগাঁও খঙীয়া)**
প্ৰাক্তন সংস্কৃতি সম্পাদক (মূলসংঘ)
প্ৰাক্তন জিলা সভাপতি

## আলোক চিত্ৰত প্ৰাক্তন সভাপতি আৰু উপ-সভাপতিসকল



শ্ৰীখড়্গেশ্বৰ দত্ত (ঢেকীয়াল)
প্ৰাক্তন সদস্য, মূলসংঘ
প্ৰাক্তন সভাপতি, জিলাশাখা



শ্ৰীজীৱ বৰা (ফৰকাটিং)
প্ৰাক্তন সভাপতি
জিলা শাখা




শ্ৰীলেখোৰাম বৰুৱা
(মৰণ্ডি)
শৰণ সদস্য



শ্ৰীডিম্বেশ্বৰ ভূঞা (লুকুমাই)
প্ৰাক্তন উপ-সভাপতি
জিলা শাখা




শ্ৰীটংকেশ্বৰ হাজৰিকা
প্ৰাক্তন উপ-সভাপতি
জিলা শাখা




শ্ৰীনন্দেশ্বৰ শইকীয়া(ঢেকীয়াল)
প্ৰাক্তন উপ-সভাপতি
জিলা শাখা

## আলোক চিত্ৰত প্ৰাক্তন জিলা উপ-সভাপতি আৰু সম্পাদক, সহকাৰী সম্পাদকসকল



শ্ৰীআনন্দ হাজৰিকা (দেৰগাঁও)
প্ৰাক্তন উপ-সভাপতি
জিলা শাখা



শ্ৰীহেম শইকীয়া (মিছামৰা)
প্ৰাক্তন সম্পাদক, সাহিত্য শাখা
শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ
প্ৰাক্তন সম্পাদক, জিলা শাখা



শ্ৰীপ্ৰফুল্ল শইকীয়া
প্ৰাক্তন জিলা সম্পাদক



শ্ৰীনগেন বৰা
প্ৰাক্তন সহ-সম্পাদক
জিলা শাখা



শ্ৰীবিপিন হাজৰিকা
(মিছামৰা মৌজা)
প্ৰাক্তন সহকাৰী সম্পাদক



শ্ৰীবিপুল কাকতি(বোখাকাত)
প্ৰাক্তন সহকাৰী সম্পাদক
জিলা শাখা

**আলোক চিত্ৰত প্ৰাক্তন জিলা উপ-সভাপতি আৰু সম্পাদক, সহকাৰী সম্পাদকসকল**



**শ্ৰীনিৰ্মল বৰা** (গণকপুখুৰী)
প্ৰাক্তন সভাপতি, সাহিত্য শাখা
জিলা শাখা



**শ্ৰীসুৰেন্দ্ৰনাথ ৰাজখোৱা**
(গণকপুখুৰী)
প্ৰাক্তন সভাপতি, জিলাশাখা



**শ্ৰীপ্ৰফুল্ল দত্ত,** (মিছামৰা)
প্ৰাক্তন সভাপতি, সাহিত্য শাখা
জিলা শাখা



**শ্ৰীসুৰেন কলিতা** (ৰাংঢালী)
প্ৰাক্তন সভাপতি
সাহিত্য শাখা জিলা শাখা



**শ্ৰীপূৰ্ণ হাজৰিকা** (গণকপুখুৰী)
প্ৰাক্তন সম্পাদক, সংস্কৃতি শাখা
জিলা শাখা




**শ্ৰীঅজিত বৰা** (গণকপুখুৰী)
প্ৰাক্তন সম্পাদক
সংস্কৃতি শাখা, জিলা শাখা



শ্ৰীবদন বৰা (ফৰকাটিং)
প্ৰাক্তন সম্পাদক
সংস্কৃতি শাখা, জিলা শাখা



শ্ৰীঅমূল্য বৰদলৈ (ফৰকাটিং)
প্ৰাক্তন সদস্য
মূল সংঘ



শ্ৰীভোলা হাজৰিকা
প্ৰাক্তন সদস্য
মূল সংঘ



শ্ৰীযুতা লক্ষ্যেশ্বৰী দত্ত
(বৰুৱা বামুণ গাঁও)
প্ৰাক্তন সদস্য, মূল সংঘ



শ্ৰীযুতা খুনু দত্ত (মিছামৰা)
প্ৰাক্তন সদস্যা, মূল সংঘ



শ্ৰীতনুৰাম শইকীয়া (ফৰকাটিং)
কাৰ্যকৰী সভাপতি
আদৰণী সমিতি
৬৪ তম্ মূল অধিৱেশন




শ্ৰীকমল হাজৰিকা (গোলাঘাট)
প্ৰাক্তন শৰণ সদস্য



শ্ৰীবোষ দত্ত
(মিছামৰা)
শৰণ সদস্য



শ্ৰীচন্দ্ৰ হাজৰিকা (দেৰগাঁও)
সভাপতি, প্ৰচাৰ শাখা
(মূল সংঘ)



শ্ৰীনীলকান্ত বৰা (ঢেকীয়াল)
সভাপতি, সংস্কৃতি শাখা
(মূলসংঘ)



শ্ৰীডিম্বেশ্বৰ নাথ
সাধাৰণ সম্পাদক, আদৰণী সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৬৪ তম
অধিৱেশন, বৰ্তমান সদস্য, মূলসংঘ



শ্ৰীঅৱনী বৰুৱা (বৈটায়নী)
প্ৰাক্তন সহকাৰী সম্পাদক
বৰ্তমান শিক্ষা সমিতিৰ সম্পাদক
জিলা শাখা


## আলোক চিত্ৰত বৰ্তমানৰ (১৯৯৯-২০০০ চন) বিষয়ববীয়াসকল




শ্ৰীবীৰেন বৰা (দৈয়াং)
সভাপতি, জিলা শাখা



শ্ৰীসোমেশ্বৰ দত্ত (মিছামৰা)
উপ-সভাপতি
জিলা শাখা



শ্ৰীদণ্ডেশ্বৰ বৰুৱা
প্ৰাক্তন সংস্কৃতি সম্পাদক
(মূলসংঘ)
বৰ্তমান জিলা উপ-সভাপতি



শ্ৰীনবীন বৰা (ঢেকীয়াল)
সম্পাদক, জিলা শাখা



শ্ৰীৰবিন কলিতা
সহকাৰী সম্পাদক,
জিলা শাখা



শ্ৰীসত্যনাৰায়ণ পাঠৰি (দৈয়াং)
সহকাৰী সম্পাদক
জিলা শাখা


## আলোক চিত্রত বৰ্তমানৰ (১৯৯৯-২০০০ চন) বিষয়ববীয়াসকল



শ্ৰীবংশীধৰ বৰা (ঢেকীয়াল)
সভাপতি, সাহিত্য শাখা
জিলা শাখা



শ্ৰীবোধেশ্বৰ কাকতি (মিছামৰা)
সম্পাদক, সাহিত্য শাখা
জিলা শাখা



শ্ৰীগোলাপ শইকীয়া (ঢেকীয়াল)
মূলসংঘৰ প্ৰাক্তন সদস্য
বৰ্তমান সভাপতি, সংস্কৃতি শাখা
জিলা শাখা



শ্ৰীদুলুপ্ৰসাদ নাথ (ঢেকীয়াল)
সম্পাদক, জিলা সংস্কৃতি শাখা




শ্ৰীযোগেন গগৈ, (গোলাঘাট)
সভাপতি, শিক্ষা সমিতি
জিলা শাখা



শ্ৰীথানেশ্বৰ হাজৰিকা (দেৰগাঁও)
সম্পাদক
জিলা প্ৰচাৰ শাখা



শ্ৰীনন্দনাথ বৰা (ঢেকীয়াল)
সভাপতি, জিলা নামঘৰ
পৰিচালনা সমিতি



শ্ৰীমাণিক গায়ন
(গণকপুখুৰী)



শ্ৰীপৰাগজ্যোতি হাজৰিকা
(ঢেকীয়াল) জিলাধিনায়ক,
সেৱা বাহিনী, জিলা শাখা



শ্ৰীহৰনাথ হাজৰিকা
(দেৰগাঁও)



শ্ৰীনিৰেন নেওগ (নামঘৰীয়া)
জিলা নামঘৰ, ঢেকীয়াল



শ্ৰীজিতেন বৰা (চেতিয়া গাঁও)
দাতা, জিলা কাৰ্য্যালয়
ঢেকীয়াল




শ্ৰীনগেন বৰুৱা
প্ৰাক্তন সদস্য, মূল সংঘ



শ্ৰীশোভন শইকীয়া
(বোকাখাত)



শ্ৰীউমেশ বৰা
(ঘিলাধাৰী)



শ্ৰীযুতা অন্নদা ৰাজখোৱা শইকীয়া
(হাবিয়াল)



শ্ৰীপ্ৰেমলতা মুদৈ
(কছাৰী গাঁও)

# শুধৰণী

| পৃষ্ঠা | শাৰী | আছে | হ'ব লাগে |
|---|---|---|---|
| xix | ৯ | পবির্দ্ধন | পৰিবৰ্দ্ধন |
| xxiii | ১৮ | সনাতম | সনাতন |
| xxiv | ২৩ | অপূৰ্ণ | অৰ্পণ |
| ৫১ | ৬ | সম্পাক | সম্পাদক |
| ৯৩ | ১৪ | সোমাৰাম | সোণাৰাম |
| ৯৬ | ১১ | ১৯৫/৫৬ | ১৯৫৫/৫৬ |
| ৯০ | | গঠনঃ১৯৭০ | গঠন ঃ১৯৭৩ |
| ১১৫ | ৮ | ঢেকীশাল | ঢেকীয়াল |
| ১১৭ | ৩ | মন্তপত | মণ্ডপত |
| ১২৬ | ৬ | উৎসৱ | উৎস |
| ১৩৫ | ৭ | ১৭৪।৭৫ | ১৯৭৪।৭৫ |
| ১৪১ | ২ | একন | এখন |
| ১৪৩ | ১৬ | কমে | ক্ৰমে |
| ১৫৬ | ১৯ | পূৰ্বাপৰ | পূৰ্বপূৰ |
| ১৬২ | ৬ | সমিৰ দাস | সমীৰ ৰবিদাস |
| ১৮৪ | ৪ | মুজান | সুজান |
| ১৮৯ | ৭।৮ | গুৰু | গুৰ |
| ১৯৮ | ২৬ | নৰেন | নবেন |
| ১৯৯ | ১৭ | ১৯৯৪ | ১৯৯৮ |
| ২০০ | ১২ | গুৰুতৰ | গুৰুত্বৰ |
| ২১৪ | ৩ | নামংকৃত | নামাংকৃত |
| ২২৩ | ২৯ | নৰেণ | নবেন |
| ২২৩ | ৩৩ | নৰেণ | নবেন |
| ২২৪ | ১৩ | গুৱাদেৱে | গুৱাপাদেৱে |
| ২৪১ | ১৭ | বাবে | বাপে |

| পৃষ্ঠা | শাৰী | আছে | হ'ব লাগে |
|---|---|---|---|
| ২৪২ | ১৭ | সাৰহবাণী | সাৰঙ্গপাণি |
| ২৪৪ | ১৫ | নাম | নাথ |
| ২৪৪ | ২০ | বাগত | ভাগত |
| ২৪৫ | ১১ | খং | ১ নং |
| ২৪৫ | ১৭ | অৰ নাম | ঘৰ নাথ |
| ২৪৫ | ২৬ | চাপ | বাপ |
| ৲৫০ | ৯ | কলুতলি | উলুতলি |
| ২৫১ | ৫ | আশীখৰ | আশীঘৰ |
| ২৫১ | ২৫ | কাঁলৈ | কাটল |
| ২৫৩ | ১৬ | অপসংশ | অপভ্ৰংশ |
| ২৫৪ | ৪ | নামৰ | নাথৰ |
| ২৫৫ | ১০ | তপুৰাম | তনুৰাম |
| ২৫৭ | ২৬ | শ্তি-যুৱ | শিশু-যুৱ |
| ২৯০ | ৯ | প্ৰমালী | প্ৰণালী |
| ৩১৬ | ১৭ | খুৰামুখ | থুৰামুখত |
| ৩৩১ | ৩ | লোথোৰাম বৰা | লেখোৰাম বৰুৱা |
| ৩৫৭ | ২৩ | পেপাৰাম | বোপাৰাম হাজৰিকা |
| ৩৫৮ | ১৫ | জনজাতি | জনশ্ৰুতি |
| ৩৯২ | ১৪ | ঢেকীয়াৰ | ঢেকীয়ালৰ |
| ৪০৪ | ১৮ | অৱশো | অৱশ্যে |
| ৪০৬ | ১৯ | সম্পদক | সম্পাদক |
| ৪০৭ | ৩১ | অৰুনবোদয় | অৰুণোদয় |
| ৪৫২ | ১৬ | সন্দি | সঙ্গী |
| ৪৬০ | ২০ | মামৰা | সামৰা |
| ৪৬৯ | ২০ | ফুটি | দুটি |
| ৪৭২ | ২২ | সোণাৰাম | সোমনাথ |
| ৫০৮ | ২৭ | সূত্ৰ | সত্ৰ |

## শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘঃ গোলাঘাট জিলা বুৰঞ্জীৰ প্ৰকাশন পুঁজিলৈ ইচ্ছাকৃত বৰঙণি আগবঢ়োৱা ব্যক্তিসকলৰ নাম-তালিকা

| | | |
|---|---|---|
| ১। | শ্ৰীযুতা লক্ষেশ্বৰী দত্ত | ১০০০.০০ টকা |
| ২। | শ্ৰীডিম্বেশ্বৰ ভূঞা | ৫০০.০০ ” |
| ৩। | শ্ৰীবংশী ভূঞা | ২৫০.০০ ” |
| ৪। | শ্ৰীউমেশ বৰা | ৫০০০.০০ ” |
| ৫। | শ্ৰীভৱেন কলিতা | ৫০০.০০ ” |
| ৬। | শ্ৰীহৰনাথ হাজৰিকা | ২০০.০০ ” |
| ৭। | শ্ৰীচন্দ্ৰনাথ বৰদলৈ | ২০০.০০ ” |
| ৮। | শ্ৰীসোমেশ্বৰ কুৰ্মী | ২০০.০০ ” |
| ৯। | শ্ৰীসুৰেন কলিতা | ২০০.০০ ” |
| ১০। | শ্ৰীচন্দ্ৰ নেওগ | ৫০০.০০ ” |
| ১১। | শ্ৰীবংশী শইকীয়া | ৫০০.০০ ” |
| ১২। | শ্ৰীমিনেশ্বৰ নেওগ | ৫০০.০০ ” |
| ১৩। | শ্ৰীশুভ শইকীয়া | ১০০০.০০ ” |
| ১৪। | শ্ৰীকমল পাঠক | ২০০.০০ ” |
| ১৫। | শ্ৰীগোপাল দত্ত | ২০০.০০ ” |
| ১৬। | শ্ৰীহৰেন দত্ত | ৫০০.০০ ” |
| ১৭। | শ্ৰীবোধেশ্বৰ বৰা | ৫০০.০০ ” |
| ১৮। | শ্ৰীজিতেন হাজৰিকা | ৫০০.০০ ” |
| ১৯। | শ্ৰীবিষ্ণুৰাম বৰা | ৫০০.০০ ” |
| ২০। | শ্ৰীদীন বৰা | ৩০০.০০ ” |
| ২১। | শ্ৰীঅমূল্য বৰদলৈ | ৫০০.০০ ” |
| ২২। | শ্ৰীপিতাম্বৰ বৰুৱা | ৫০০.০০ ” |
| ২৩। | শ্ৰীহেম কছাৰী | ৩০০.০০ ” |
| ২৪। | শ্ৰীপোনা গোহাঁই | ৩০০.০০ ” |
| ২৫। | শ্ৰীগজেন বৰা | ৫০০.০০ ” |
| ২৬। | শ্ৰীপ্ৰদীপ নাথ | ১০০০.০০ ” |
| ২৭। | শ্ৰীজিতেন বৰা | ১০০০.০০ ” |
| ২৮। | শ্ৰীকামদেৱ ঘাটোৱাৰ | ১০০০.০০ ” |
| ২৯। | শ্ৰীগোলাপ চাহু | ১২০০.০০ ” |
| ৩০। | শ্ৰীশোভন শইকীয়া | ১০০০.০০ ” |
| ৩১। | শ্ৰীবিপুল কাকতি | ৫০০.০০ ” |
| ৩২। | শ্ৰীটংকেশ্বৰ হাজৰিকা | ১০০০.০০ ” |
| ৩৩। | শ্ৰীক্ষেম গগৈ | ২০০.০০ ” |
| ৩৪। | শ্ৰীহৰেন গগৈ | ১০০০.০০ ” |
| ৩৫। | শ্ৰীজ্যোতি হাজৰিকা বৈশ্য | ১০০০.০০ ” |
| ৩৬। | শ্ৰীনীলকান্ত বৰা (কাঠকটীয়া গাঁও) | ৩০০.০০ ” |

| | | | |
|---|---|---|---|
| ৩৭। | শ্ৰীমৃণাল শইকীয়া | ৫০০.০০ | ” |
| ৩৮। | শ্ৰীবিপিন শইকীয়া | ৫০০.০০ | ” |
| ৩৯। | শ্ৰীজ্যোতিপ্ৰসাদ বৰুৱা | ১০০০.০০ | ” |
| ৪০। | শ্ৰীপ্ৰতাপ বৰুৱা | ৫০০.০০ | ” |
| ৪১। | শ্ৰীমিনু হাজৰিকা | ১০০০.০০ | ” |
| ৪২। | শ্ৰীকমল হাজৰিকা | ৫০০.০০ | ” |
| ৪৩। | শ্ৰীগণেশ তাঁতী | ২০০.০০ | ” |
| ৪৪। | শ্ৰীজীৱেশ্বৰ বৰা | ২০০০.০০ | ” |
| ৪৫। | শ্ৰীধৰণী বৰুৱা | ১০০০.০০ | ” |
| ৪৬। | শ্ৰীজয়ন্ত বৰুৱা | ১০০০.০০ | ” |
| ৪৭। | শ্ৰীঅজিত বৰা | ৩০০.০০ | ” |
| ৪৮। | শ্ৰীনীল বৰা (দেয়ঙ্গীয়া গাঁও) | ১০০০.০০ | ” |
| ৪৯। | শ্ৰীনগেন বৰা | ৫০০.০০ | ” |
| ৫০। | শ্ৰীঅৰুণ বৰা | ১০০০.০০ | ” |
| ৫১। | শ্ৰীবিজয় ফুকন | ৫০০.০০ | ” |
| ৫২। | শ্ৰীনন্দেশ্বৰ ফুকন | ৫০০.০০ | ” |
| ৫৩। | শ্ৰীপূৰ্ণকান্ত ফুকন | ১০০০.০০ | ” |
| ৫৪। | শ্ৰীবীৰেন বৰা | ৫০০.০০ | ” |
| ৫৫। | শ্ৰীৰোপাৰাম হাজৰিকা | ৩০০.০০ | ” |
| ৫৬। | শ্ৰীনিৰ্মল বৰা | ১০০০.০০ | ” |
| ৫৭। | শ্ৰীগগণ বৰা | ৫০০.০০ | ” |
| ৫৮। | শ্ৰীপ্ৰেমলতা মুদৈ | ১০১১.০০ | ” |
| ৫৯। | শ্ৰীৰোষেশ্বৰ দত্ত | ২০০.০০ | ” |
| ৬০। | শ্ৰীযোগেশ্বৰ বৰা | ৫০০.০০ | ” |
| ৬১। | শ্ৰীনগেন বৰুৱা | ১০০০.০০ | ” |
| ৬২। | শ্ৰীমইনা শইকীয়া | ২৫০.০০ | ” |
| ৬৩। | শ্ৰীচন্দ্ৰ হাজৰিকা | ৩০০০.০০ | ” |
| ৬৪। | শ্ৰীগগন হাজৰিকা | ২০০০.০০ | ” |
| ৬৫। | শ্ৰীনবীন বৰা | ২০০০.০০ | ” |
| ৬৬। | শ্ৰীৰোমেশ্বৰ কাকতি | ১০০০.০০ | ” |
| ৬৭। | শ্ৰীবংশীধৰ বৰা | ৫০০.০০ | ” |
| ৬৮। | শ্ৰীথানেশ্বৰ হাজৰিকা | ৩০০.০০ | ” |
| ৬৯। | শ্ৰীগোলাপ শইকীয়া | ২০০.০০ | ” |
| ৭০। | শ্ৰীবিপিন চন্দ্ৰ হাজৰিকা | ৫০০.০০ | ” |
| ৭১। | শ্ৰীপ্ৰফুল্ল শইকীয়া | ৫০০.০০ | ” |
| ৭২। | শ্ৰীৰঞ্জন কুমাৰ বৰা | ৫০০.০০ | ” |
| ৭৩। | শ্ৰীদণ্ডেশ্বৰ বৰুৱা | ৩০০.০০ | ” |
| ৭৪। | শ্ৰীসোমেশ্বৰ দত্ত | ১০০০.০০ | ” |

প্ৰকাশক ঃ
**নবীন বৰা**